75TH
1945-2020
ANNIVERSARY

স্মৃতিগ্ৰন্থ

# বৰ্ণিল ঐতিহ্য

## প্লেটিনাম জয়ন্তী

### ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়





সম্পাদকদ্বয়

ড° অলকানন্দা বৰুৱা

ড° দীপঙ্কজ গগৈ

স্মৃতিগ্ৰন্থ

# বৰ্ণিল ঐতিহ্য

75TH
1945-2020
ANNIVERSARY

D. H. S. K. COLLEGE
A. C. C. C. LIBRARY, Dibrugarh
Accession No. 00104
Call No.
Date 21/4/2022



অমৃত জয়ন্তী

## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

সম্পাদকদ্বয়
ড° অকলানন্দা বৰুৱা
ড° দীপঙ্কজ গগৈ

**BORNIL AITIJYA** : A souvenir of DHSK College Dibrugarh on the occasion of Platinum Jubilee Celebration, Dibrugarh Assam, India Edited by **Dr. Alakananda Baruah & Dr. Diponkoj Gogoi** and *published* by General Secretary, Reception Committee, Platinum Jubilee Celebration Committee, DHSK College, Dibrugarh.

## বৰ্ণিল ঐতিহ্য (স্মৃতিগ্ৰন্থ)

ডি.হ.সু কানৈ মহাবিদ্যালয়
মহাৰজত জয়ন্তী

**স্মৃতিগ্ৰন্থ প্ৰকাশন উপ-সমিতি ঃ**

উপদেষ্টা
শ্ৰীযুত ঋতুপৰ্ণ বৰুৱা
শ্ৰীযুত অভিমন্যু বৰুৱা
ড° শশীকান্ত শইকীয়া
ড° প্ৰিয়দেৱ গোস্বামী
ড° অনন্ত কুমাৰ দত্ত
ড° মৃদুল শৰ্মা
ড° অনুপজ্যোতি ভৰালী
ড° ৰঞ্জন চাংমাই

সম্পাদকদ্বয় ঃ
ড° অলকানন্দা বৰুৱা
ড° দীপঙ্কজ গগৈ

সদস্য-সদস্যা ঃ
ৰূপালীম ঠাকুৰ, অদিতি কোঁৱৰ
অঞ্জুমণি ফুকন, ড° নিতুমণি শইকীয়া
চৈয়দা মাছহুদা ৰহমান

গ্ৰন্থস্বত্ব ঃ
©উদ্‌যাপন সমিতি

প্ৰকাশ কাল ঃ
১৫-১০-২০২২

প্ৰকাশক ঃ
সাধাৰণ সম্পাদকদ্বয়, উদ্‌যাপন সমিতি

মূল্য ঃ ৫০০/- (পাঁচশ) টকা মাত্ৰ

প্ৰচ্ছদ আৰু মুদ্ৰণ ঃ
দেৱজিৎ বৰা
জিৎ প্ৰিণ্ট ছফ্‌ট, চিৰিং চাপৰি, ডিব্ৰুগড়
ভ্ৰাম্যভাষ ঃ ৯৯৫৪৪৮১৩৬৭



## কৃতজ্ঞতা

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স
সুৰজমল কানৈ মহাবিদ্যালয়ৰ
মহাৰজত জয়ন্তী উপলক্ষ্যে প্ৰকাশ
কৰি উলিওৱা স্মৃতিগ্ৰন্থখনি প্ৰস্তুত
কৰাত প্ৰকাশন সমিতিৰ
সদস্য-সদস্যাসকলে আগবঢ়োৱা
সহযোগিতাৰ বাবে আৰু
শুভেচ্ছাবাণী প্ৰেৰণ কৰি তথা
লেখা আগবঢ়াই গ্ৰন্থখনিৰ সৌন্দৰ্য
বঢ়াবলৈ যিসকলে অৰিহণা
যোগালে সকলোকে আমাৰ কালৰ
পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

\- সম্পাদনা সমিতি







জ্ঞান মন্দিৰৰ চিৰ ধ্যান যোগী .....

হে যোগীৰাজ, কাষৰতে তোমাৰ লক্ষ্মীৰ প্ৰসাদ

আৰু ... অতীতৰ চৰণ ধুৰাই মহীয়ান অশ্বিনী চৰণ।

...... সবিনয়ে উৎসৰ্গীত আমাৰ প্ৰয়াস





## কৰ্মসূৰ্য

## ড° শশী কান্ত শইকীয়া

**অধ্যক্ষ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়**

सर्बानंद सोणोवाल

**SARBANANDA SONOWAL**



मंत्री
पत्तन, पोत परिवहन और जलमार्ग एवं आयुष
भारत सरकार
Minister
Ports, Shipping & Waterways and AYUSH
Government of India

सत्यमेव जयते

# শুভেচ্ছা বাণী

শিক্ষানুষ্ঠানসমূহ জ্ঞানৰ পৱিত্ৰ মন্দিৰস্বৰূপ। শিক্ষানুষ্ঠানসমূহতে গঢ় লৈ উঠে ভৱিষ্যতৰ মানৱ সম্পদ। যিসমূহ শিক্ষানুষ্ঠানে উজনি অসমৰ শিক্ষাক্ষেত্ৰত জ্ঞানৰ আলোড়নৰ সৃষ্টি কৰি আহিছে, তাৰ ভিতৰত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় অন্যতম। মহাবিদ্যালয়খনে ১৯৪৫ চনৰ প্ৰতিষ্ঠাকালৰেপৰা গুণগত শিক্ষাৰ প্ৰসাৰৰ লগতে বিদ্যায়তনিক উৎকৰ্ষ সাধন কৰি আহিছে। মহাবিদ্যালয়খনৰ জ্ঞানৰ বন্তিগছিৰ উজ্বল পোহৰত ইতিমধ্যে বহুতো শিক্ষাৰ্থীয়ে নিজৰ জীৱন পোহৰাই তুলিছে। কানৈ কলেজ অসমৰ কেৱল এখন আগশাৰীৰ শিক্ষানুষ্ঠানেই নহয়, এয়া ক্ৰীড়া, সাহিত্য-সংস্কৃতি আদিৰো এক অন্যতম প্ৰাণকেন্দ্ৰ। বহু অবিস্মৰণীয় ইতিহাস, ঐতিহ্য আৰু প্ৰাকৃতিক সৌন্দৰ্যেৰে মহিমামণ্ডিত ডিব্ৰুগড়ৰ এই অগ্ৰণী মহাবিদ্যালয়খনতে মোৰ শিক্ষাগ্ৰহণৰ সৌভাগ্য হৈছিল। মহাবিদ্যালয়খনৰ সৈতে সম্পৃক্ত হৈ আছে মোৰ কলেজীয়া জীৱনৰ বহু মধুৰ স্মৃতি। কানৈ মহাবিদ্যালয় মোৰ বুকুৰ আপোন আৰু জীৱনৰ এক অভিন্ন অংশ। অহা ১৫ আৰু ১৬ অক্টোবৰত এই শিক্ষানুষ্ঠানখনৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান আয়োজন কৰিবলৈ ওলোৱাটো অত্যন্ত আনন্দৰ বতৰা। এই উপলক্ষে মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, শিক্ষাৰ্থী আৰু সংশ্লিষ্ট সকলোকে মোৰ আন্তৰিক শুভেচ্ছা জনাইছোঁ। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত এই অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰিলোঁ। মই জানিবলৈ পাই সুখী হৈছোঁ যে, মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছে। স্মৃতিগ্ৰন্থখনে বিদ্যালয়খনৰ পয়সত্তৰ বছৰীয়া বৰ্ণিল ইতিহাস আৰু শিক্ষা জগতৰ বিভিন্ন দিশ প্ৰতিফলিত কৰিব বুলি মই আশাবাদী। মোৰ দৃঢ় বিশ্বাস আগন্তুক দিনবোৰতো শিক্ষানুষ্ঠানখনে গুণগত শিক্ষাৰ প্ৰসাৰেৰে মানৱ সম্পদ গঢ়াৰ প্ৰাণকেন্দ্ৰৰূপে উজলি থাকিব।

নতুন দিল্লী

৬ অক্টোবৰ, ২০২২

(সৰ্বানন্দ সোণোৱাল)

SAGARMALA
PORT-LED PROSPERITY

स्वच्छ भारत
एक कदम स्वच्छता की ओर

75 आज़ादी का अमृत महोत्सव

International Day of Yoga
Yoga for Harmony & Peace

Room No. 201, Transport Bhawan, 1, Sansad Marg, New Delhi - 110001, Ph. : 011-23717422, 23717423, 23717424 (O), 23356709 (F)
E-mail : minister-shipping@gov.in; Website : www.shipmin.gov.in
Room No. 101, AYUSH Bhawan 'B' Block, GPO Complex, INA, New Delhi-110023, Tel.: 011-24651955, 24651935
E-mail : minister-ayush@nic.in; Website : www.ayush.gov.in

रामेश्वर तेली
**RAMESWAR TELI**
ৰামেশ্বৰ তেলী

सत्यमेव जयते

आज़ादी का अमृत महोत्सव

पेट्रोलियम एवं प्राकृतिक गैस और
श्रम और रोजगार राज्य मंत्री
भारत सरकार
**Minister of State for
Petroleum and Natural Gas &
Labour and Employment
Government of India**

উজনি অসমৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱ অহা ১৫ আৰু ১৬ অক্টোবৰ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই অত্যন্ত সুখী হৈছোঁ।

মহাৰজত জয়ন্তী উপলক্ষে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱাতো অতি সুখৰ বিষয়। স্মৃতিগ্ৰন্থৰ লেখক লেখিকা সকলৰ লেখনিয়ে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়খনিৰ শৈক্ষিক, ভৌগলিক আৰু সাহিত্য - সংস্কৃতিৰ ঐতিহাসিক দিশ সমূহৰ শাশ্বত ৰূপটোক উজ্বলাই তুলিবলৈ সক্ষম হ'ব বুলি আশা কৰিলোঁ।

মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তী উৎসৱ উদযাপনৰ সফলতা তথা এই মহান শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনিয়ে সকলোৰে মাজত যাতে সমাদৰ লাভ কৰে তাৰেই কামনা কৰিলোঁ।

(ৰামেশ্বৰ তেলী)

Office : Room No. 211-A, Shastri Bhawan, New Delhi-110001; Phone : +91-11-23073165, 23381052
Office : Room No. 112, Shram Shakti Bhawan, New Delhi - 110001, Tel. : +91-11-23720013

**Ranoj Pegu**
**Minister**
Education, Tribal Affairs (P).
Indigenous and Tribal Faith & Culture (L & M) Deptt

सत्यमेव जयते

Dispur, Guwahati - 781006, Assam
Ph. No. : +91 99547 03825 (M)
+91-361-2337023 (O)
E-mail : ranojpegu@gmail.com



# শুভেচ্ছা বাণী

ডিব্ৰুগড় জিলাৰ অন্তৰ্গত উচ্চ শিক্ষাৰ এক অগ্ৰণী অনুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল মহাৰজত জয়ন্তী উদযাপনৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা বুলি জানিব পাৰি মই অতিকৈ আনন্দিত হৈছোঁ।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে কৈছিল....

"আন্ধাৰ যিমান গভীৰ হ'ব, প্ৰভাতো সিমানেই উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা অন্ধকাৰে আৱৰি ধৰিলেও, ভয় নকৰিবা পোহৰ হ'বই"।

জীৱনত সফল হব লাগিলে প্ৰতি গৰাকী ছাত্ৰ ছাত্ৰীয়েই বিভিন্ন ঘাট প্ৰতিঘাতৰ মাজেৰে পাৰ হ'ব লাগিব। কাৰণ যত্ন কৰিলেহে ৰত্ন পাই। এই শিক্ষানুষ্ঠান খনে প্ৰতিষ্ঠা লাভ কৰা সময়ৰ পৰাই ছাত্ৰ-ছাত্ৰী সকলক গুণগত শিক্ষা প্ৰদানেৰে সমাজত মানৱ সম্পদ গঢ় দিয়াত এক অগ্ৰণী ভূমিকা পালন কৰি আহিছে। আশা কৰোঁ আলোচনী খনিৰ সৃষ্টিশীল আৰু তত্বগধুৰ লিখনি সমূহে পাঠকৰ সমাদৰ বুটলিবলৈ সক্ষম হ'ব। মই সম্পাদনা সমিতিৰ প্ৰতিগৰাকী সদস্যক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনী খনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠান খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

# Prasanta Phukan, MLA
116 Dibrugarh, LAC
**Chairman of Estimate Committee**
**Chairman, AIDC ltd.**
Block A-3, MLA Hostel, Dispur
Mobile: 9435031311/9435470444
Phone: 0361-2201215/2202216
Email: prasantaphukan30@gmail.com
aidcltd@gmail.com(O)


সত্যমেব জয়তে

**Date**: 25/09/2022



১৯৪৫ চনতে প্ৰতিষ্ঠা লাভ কৰা অসমৰ উচ্চ শিক্ষা জগতৰ ভোটা তৰা স্বৰূপ ডিব্ৰুগড়ত স্থিত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে ইতিমধ্যে ৭৫ বছৰ অতিক্ৰম কৰি মহাৰজত জয়ন্তী উদযাপন কৰিবলৈ লোৱাৰ বিষয়ে জানিবলৈ পাই আমি নথৈ আনন্দিত আৰু গৌৰান্বিত অনুভৱ কৰিছো। এই চেগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ সন্মাননীয় ড° শশীকান্ত শইকীয়া দেৱকে প্ৰমুখ্য কৰি সমূহ শিক্ষকবৃন্দক, নিষ্ঠাৱান কৰ্মচাৰীসকলক আৰু প্ৰত্যেকজন প্ৰাক্তন তথা বৰ্তমানৰ শিক্ষাৰ্থীসকলক লগতে যিসকল মহান মনীষীৰ ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খনে আজিৰ এই অৱস্থাত উপনিত হৈছে তেওঁলোকলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ। শিক্ষা এখন দেশৰ মেৰুদণ্ডস্বৰূপ আৰু শিক্ষা প্ৰদানৰ মাধ্যমেৰে এই মহাবিদ্যালয়খনে বিগত বৰ্ষত বহুকেইজন মানৱ সম্পদ গঢ় দি দেশৰ উজ্বল ভৱিষ্যত গঢ়ি তোলাত এক সবল নেতৃত্ব প্ৰদান কৰি আহিছে।

উজ্বল নক্ষত্ৰ স্বৰূপ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সোণালী ইতিহাস তথা গৌৰৱময় যাত্ৰাৰ প্ৰতিটো মূহুৰ্ত চিৰযুগমীয়া কৰি ৰখাৰ মানসেৰে মহাৰজত জয়ন্তীৰ এই পবিত্ৰ ক্ষণত “ **বৰ্ণিল ঐতিহ্য** ” শীৰ্ষক স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰি উলিওৱাৰ দিহা কৰা হৈছে বুলি জানিবলৈ পাই আমি নথৈ আনন্দিত হৈছো। এই স্মৃতিগ্ৰন্থখন নিশ্চিত ৰূপে উঠি অহা প্ৰজন্মৰ আদৰ্শ নিৰ্মাণৰ এক সবল উৎস হৈ ৰ'ব লগতে জ্ঞানৰ পোহৰেৰে মহাবিদ্যালয়খনক আৰু সমগ্ৰ শৈক্ষিক জগতখনক উজ্বলাই তুলিব।

অশেৰষত স্মৃতিগ্ৰন্থখনৰ বাবে সম্পাদককে প্ৰমুখ্যে গ্ৰন্থ প্ৰকাশন সমিতিলৈ আমাৰ তৰফৰ পৰা শুভকামনা জ্ঞাপন কৰিছোঁ। আশা কৰোঁ “ **বৰ্ণিল ঐতিহ্য** ” নৱপ্ৰজন্মৰ বাবে দলিল স্বৰূপ হ'ব।

**প্ৰশান্ত ফুকন**

বিধায়ক (ডিব্ৰুগড় বিধানসভা সমষ্টি-১১৬)

অধ্যাপক জিতেন হাজৰিকা
উপাচাৰ্য

# ডিব্ৰুগড় বিশ্ববিদ্যালয়

ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in



## শুভেচ্ছা বাণী

বিগত ১৯৪৫ খ্ৰীষ্টাব্দৰ ১৫ জুন। স্থান আছিল উজনি অসমৰ এখন অন্যতম পুৰণি, যোগাযোগ ব্যৱস্থাৰ দিশেৰে তুলনামূলকভাৱে উন্নত আৰু বৃহৎ নগৰ ডিব্ৰুগড়। সমগ্ৰ ৰাজ্যবাসীৰ বাবেই এটি স্মৰণীয় দিন। কাৰণ, উক্ত দিনটোতে অসমৰ উচ্চ শিক্ষাৰ জগতখনৰ মানচিত্ৰত 'ডিব্ৰুগড় মহাবিদ্যালয়' নামেৰে এটি নতুন নাম সংযোজিত হৈছিল। সেয়া সম্ভৱ হৈ উঠিছিল কেইগৰাকীমান দূৰদৃষ্টিসম্পন্ন বিশিষ্ট ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিত। আৰম্ভণিৰ কালছোৱাত মহাবিদ্যালয় এখনৰ প্ৰতিষ্ঠাৰ সৈতে সংপৃক্ত হৈ থকা আন্তঃগাঁথনিসমূহ গঢ়ি তুলিবৰ বাবে যথেষ্ট পৰিমাণে সাহায্যৰ প্ৰয়োজন হোৱাত নগৰখনৰ এটি আঢ্যৱন্ত পৰিয়ালে দায়বদ্ধতা সহকাৰে যথোচিত বৰঙণিৰে সহায় কৰিবলৈ আগবাঢ়ি আহে। প্ৰতিষ্ঠাৰ পৰৱৰ্তী দশকটোত, অৰ্থাৎ ১৯৫৭ খ্ৰীষ্টাব্দত উক্ত দাতা পৰিয়ালটিৰ নামেৰে মহাবিদ্যালয়খনক 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'ৰূপে পুনৰ নামাংকিত কৰা হয় আৰু সেই নামেৰে আজিও মহাবিদ্যালয়খন পৰিচিত হৈ আছে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত হৈ থকা অন্য এক সোণালী ইতিহাস এয়ে যে মহাবিদ্যালয়খন উদ্বোধন কৰিবলৈ সুদূৰ দিল্লীৰ পৰা ডিব্ৰুগড়লৈ আহিছিল দেশৰ তদানীন্তন উপ ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ দেৱ।

সাৰ্বজনীনভাৱে স্বীকৃত সত্য এয়ে যে বৰেণ্য শিক্ষাবিদ তথা মহাবিদ্যালয়খনৰ তদানীন্তন উপাধ্যক্ষ ড° লক্ষীপ্ৰসাদ দত্ত দেৱ আৰু উক্ত কানৈ পৰিয়ালে ডিব্ৰুগড় বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো অন্যতম প্ৰধান ভূমিকা পালন কৰিছিল। গতিকে, তেখেতসকল কেৱল মহাবিদ্যালয়খনৰ বাবেই নমস্য ব্যক্তি নহয়; স্বতঃস্ফূৰ্তভাৱে আগবঢ়োৱা বৰঙণি আৰু বদান্যতাৰ হেতুকে তেখেতসকলৰ নাম বিশ্ববিদ্যালয়খনৰ ইতিহাসতো সোণালী আখৰেৰে চিৰদিনৰ বাবে জিলিকি থাকিব।

ৰাজ্যখনৰ উপৰি দেশ-বিদেশৰ বাবেও উপযুক্ত শিক্ষিত মানৱ সম্পদ সৃষ্টি কৰাত প্ৰভূত বৰঙণি আগবঢ়াই অহা ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনে ইতিমধ্যে মহাৰজত জয়ন্তী অতিক্ৰম কৰিছে। অহা ১৫ আৰু ১৬ অক্টোবৰ, ২০২২ তাৰিখে উক্ত মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানটি পালন কৰিবলৈ আগবঢ়া হৈছে আৰু অনুষ্ঠানটিৰ সৈতে সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰো দিহা কৰা হৈছে বুলি জানিবলৈ পাই আমি আনন্দিত হৈছোঁ। এক সুদীৰ্ঘ পৰিক্ৰমাৰ মাজেৰে পাৰ হৈ অহা দিনবোৰৰ দস্তাবেজৰূপে পৰিগণিত হ'বলৈ আগবঢ়া স্মৃতিগ্ৰন্থখনি মূল্যবান তথ্যৰে সম্বলিত হৈ সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাওক—আন্তৰিকতা সহকাৰে আমি তাকেই কামনা কৰিছোঁ। সমগ্ৰ অনুষ্ঠানটিৰ লগতে স্মৃতিগ্ৰন্থখনিৰ প্ৰকাশৰ সৈতে জড়িত হৈ থকা সমূহ ব্যক্তি-প্ৰতিষ্ঠানলৈ আমাৰ অভিনন্দন আৰু পাঠকৰ বৃহৎ সমাজখনলৈ আমাৰ শুভ কামনা থাকিল।

দিনাংক ঃ ২৩ ছেপ্তেম্বৰ, ২০২২

(জিতেন হাজৰিকা)



# শুভেচ্ছা বাণী

ডিব্রুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ে ৭৫ বছৰ অতিক্ৰম কৰাৰ উপলক্ষে মহাৰজত জয়ন্তীৰ আয়োজন কৰিছে বুলি জানিব পাৰি আনন্দিত হ'লোঁ। দৰাচলতে ডিব্রুগড়ৰ শৈক্ষিক ক্ষেত্ৰত যোৱা বিংশ শতিকাৰ মাজভাগৰ পৰা এতিয়ালৈকে মহাবিদ্যালয়খনে জ্ঞান আৰু প্ৰজ্ঞাৰে হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন আলোকিত কৰি আহিছে। এই ক্ষেত্ৰত ময়ো এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে এই শুভ ক্ষণত গৌৰৱান্বিত হৈ পৰিছোঁ। মই আশা কৰিছোঁ অসমৰ এখন অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান হিচাপে পৰিচিত হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশিতব্য স্মৃতিগ্ৰন্থখনত মহাবিদ্যালয়খনৰ ইতিহাসৰ লগতে শৈক্ষিক বিষয়ৰ তথ্য-নিৰ্ভৰ লেখাৰে সমৃদ্ধ হৈ পৰিব। স্মৃতিগ্ৰন্থখন সৰ্বাংগসুন্দৰ হোৱাৰ লগতে মহাৰজত জয়ন্তীৰ সফল কামনা কৰিলোঁ।

বিনীত

(ডাঃ সঞ্জীৱ কাকতি)

অধ্যক্ষ, অসম চিকিৎসা মহাবিদ্যালয়



ৰীপ হাজৰিকা
পৰিচালন সঞ্চালক

ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেড
ডিব্ৰুগড়, অসম

# শুভেচ্ছাবাণী

১৯৪৫ চনৰ ১৫ জুনত প্ৰতিষ্ঠা লাভ কৰা ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয় ডিব্ৰুগড় জিলাৰ শৈক্ষিক ক্ষেত্ৰখনৰ অন্যতম বাটকটীয়া শিক্ষানুষ্ঠান। আজি ৭৫ বছৰত ভৰি দিয়া এই শিক্ষানুষ্ঠানে শত সহস্ৰ জনক গুণগত শিক্ষা প্ৰদান কৰাৰ লগতে এখনি সুস্থ সমাজ গঠনৰ বাবে এক মননশীল বৌদ্ধিক বাতাবৰণৰ সৃষ্টি কৰি ৰাজ্যখনৰ শিক্ষা জগতলৈ সুদূৰপ্ৰসাৰী অৰিহনা যোগাই আহিছে। ভূতপূৰ্ব ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণননে শুভ উদ্বোধন কৰা এই শিক্ষানুষ্ঠানৰ পৰা প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, প্ৰয়াত অসমীয়া কথাছবিৰ সুদৰ্শন নায়ক বিজু ফুকন,বিশিষ্ট সাহিত্যিক দেৱীপ্ৰসাদ বাগ্ৰদিয়াৰ দৰে অনেক মুকুতা এই মহাবিদ্যালয়ে ফচল। তেওঁলোকৰ দেশ আৰু সমাজৰ প্ৰতি আগবঢ়োৱা অৱদান অনস্বীকাৰ্য।

এই মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ আৰু মহান অনুষ্ঠানটোৰ সৈতে জড়িত হ'বলৈ পাই আজি মই নথৈ আনন্দিত হৈছোঁ। এই সুযোগ প্ৰদান কৰাৰ বাবে এগৰাকী ভাৰতীয় নাগৰিক হোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ উত্তৰণৰ বাবে বিশেষ ভূমিকা লোৱা ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম। এই মহাবিদ্যালয়ৰ বহুসংখ্যক প্ৰাক্তন শিক্ষাৰ্থীয়ে আমাৰ ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেডৰ পৰিয়ালৰ সদস্য হিচাবে যোগদান কৰি কোম্পানীটোৰ প্ৰগতিত উল্লেখনীয় অৱদান যোগাই আহিছে।

এই মহান শিক্ষানুষ্ঠানটিৰ হীৰক জয়ন্তীৰ শুভক্ষণত প্ৰকাশ পাবলগীয়া স্মৃতি গ্ৰন্থখনিৰ পাতনিত কলম তুলি ল'বলৈ পাই মই আজি খুবেই আনন্দ অনুভৱ কৰিছোঁ। হীৰক জয়ন্তীৰ প্ৰতিটো কাৰ্যসূচী সফলতাৰে উদযাপন হওক আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত দশোদিশে উজ্জ্বলি উঠক।

*তাৰেই অফুৰন্ত শুভেচ্ছাৰে...*

ৰীপ হাজৰিকা

ৰীপ হাজৰিকা

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় পৰিচালনা সমিতি

# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

## ডিব্ৰুগড়, অসম

প্ৰসংগ নং ........................................ তাৰিখ ঃ ......০৭.১০.২০২২........

প্ৰেৰক ঃ **শ্ৰীযুত অভিমন্যু বৰুৱা**
সভাপতি,
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতি



## শুভেচ্ছা বাণী

১৯৪৫ চনতে ডিব্ৰুগড় কলেজ নামেৰে জন্ম লাভ কৰা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে আজি ৭৭ বছৰত ভৰি দিলে। ২০১৯ চনৰ ২৭ আৰু ২৮ ছেপ্তেম্বৰত মহাৰজত জয়ন্তীৰ শুভ আৰম্ভণী অনুষ্ঠান অনুষ্ঠিত কৰাৰ পাছত বিশ্বজোৰা ক'ভিড মহামাৰীৰ বাবে সকলো কাৰ্যসূচী স্থগিত ৰাখিব লগা হৈছিল। যি নহওক অহা ১৫ আৰু ১৬ অক্টোবৰ, ২০২২ তাৰিখে এই মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানটি দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। যাৰ বাবে মই অতিশয় আনন্দিত হৈছোঁ। অসমৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খনিয়ে মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠান আয়োজন কৰাৰ ক্ষণত মই মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক অভিনন্দন জনাইছোঁ। এই অনুষ্ঠানে ভাৰতবৰ্ষৰ অন্যতম শিক্ষাৰ কেন্দ্ৰৰূপে প্ৰতিভাত হৈ উঠক আৰু এই উপলক্ষ্যে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনি মহাবিদ্যালয়খনৰ সকলো দিশ সামৰি তথ্য আৰু তত্ত্বগধূৰ ৰচনাৰে আটকধুনীয়াকৈ প্ৰকাশ পাব বুলি আশা কৰিলোঁ। এই শুভ ক্ষণত জড়িত হ'বলৈ পাই মই নিজকে ধন্য মানিছোঁ আৰু সকলোলৈকে এই ক্ষণত আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

(অভিমন্যু বৰুৱা)
সভাপতি, পৰিচালনা সমিতি
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়

# উদ্‌যাপন সমিতিৰ সভাপতিৰ নিবেদন

অবিভক্ত লখিমপুৰ জিলাৰ প্ৰথমখন তথা উজনি অসমৰ দ্বিতীয়খন উচ্চশিক্ষাৰ অনুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতিৰ গুৰুদায়িত্ব আমাৰ ওপৰত যি বিশ্বাসেৰে ন্যস্ত কৰা হৈছিল সেই বিশ্বাসৰ মূল্য দিবলৈ সদায়ে যত্ন কৰি আহিছোঁ।২০১৯ চনৰ ছেপ্টেম্বৰ মাহত হোৱা আৰম্ভণি অনুষ্ঠানৰ পাছত বছৰজোৱা বিভিন্ন কাৰ্যসূচী পালন কৰাৰ পৰিকল্পনা কৰা হৈছিল, যদিও সেই বছৰৰে শেষৰ ফালে আৰম্ভ হোৱা বিশ্বজোৱা ক'ভিড মহামাৰীয়ে যি তাণ্ডৱ সৃষ্টি কৰিলে তাৰ ফল ত সকলো বন্ধ হৈ পৰিল। ইতিমধ্যে সেই মহামাৰীত সমগ্ৰ বিশ্বতে বহুলক্ষ মানুহে প্ৰাণ ত্যাগ কৰিলে। ক'ভিড মহামাৰীত প্ৰাণ হেৰুউৱা সকলো ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিছোঁ।

২০১৯ চনৰ ২৭ আৰু ২৮ ছেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানৰ খতিয়ান নিশ্চয় যুটীয়া সম্পাদকদ্বয়ে ৰাজহুৱা কৰিব। আমি মহাবিদ্যালয়খনৰ এজন প্ৰাক্তন শিক্ষাৰ্থী হিচাপে মহাবিদ্যালয়খনক এখন আগ শাৰীৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে গঢ় দিয়াৰ সপোন দেখি আহিছোঁ। সম্প্ৰতি সমগ্ৰ দেশতে 'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০' প্ৰয়োগ কৰা আৰম্ভ হৈছে। এই নতুন শিক্ষানীতিত পূৰ্বৰপৰা চলি অহা বহুখিনি কথাই সমূলি সলনি হ'ব। ভাল ফল দেখুউৱা, কৰ্মঠ মানৱ সম্পদ সৃষ্টি কৰিব পৰা শিক্ষানুষ্ঠানসমূহহে অদূৰ ভৱিষ্যতে টিকি থাকিবগৈ বুলি আমাৰ ধাৰণা হৈছে। আমাৰ মৰমৰ মহাবিদ্যালয়খনে ইতিমধ্যে এই নতুন শিক্ষানীতিৰ সৈতে ফেৰ মাৰিবলৈ সাজু হৈ উঠিছে। ইতিমধ্যে ছটাকৈ বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। কম্পিউটাৰ জড়িত একাধিক বৃত্তিমুখী পাঠ্যক্ৰমো চলাই ৰখা হৈছে।

স্বয়ং সম্পূৰ্ণতাৰ দিশতো মহাবিদ্যালয়খনে কিছু পৰীক্ষামূলক কাম-কাজ আৰম্ভ কৰিছে যেনে নেমু বাগিচা, হাঁহ পালন, মৎস্য পালন আদি। এনেদৰে অৰ্থোপাৰ্জনেৰে স্বনিৰ্ভৰশীল হোৱাৰ দিশটোৰ প্ৰতি সজাগ হ'লেহে ভৱিষ্যতে উচ্চ শিক্ষানুষ্ঠানসমূহে নিজকে বৰ্তাই ৰাখিবলৈ সক্ষম হ'বগৈ।

একোখন মহাবিদ্যালয় আচলতে একোটা অনন্তকালিন প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত প্ৰতিনিয়ত পৰিৱৰ্তনমুখৰ বিশ্বৰ প্ৰেক্ষাপটত নিজকে সলনি কৰি যোগ্য কৰি ৰাখিবলগীয়া হয়। আমাৰ মহাবিদ্যালয়খনে ইতিমধ্যে যো ৱা ২০১৬ চনৰপৰাই ইণ্টাৰনেট ব্যৱস্থাৰ যোগেদি নামভৰ্তিৰ ব্যৱস্থা, শৈক্ষিক দিনপঞ্জীৰ ব্যৱস্থা, ডিজিটেল লাইব্ৰেৰীৰ ব্যৱস্থা আদি কৰাৰ উপৰি ছাত্ৰ একতা সভাৰ নিৰ্বাচনো সম্পূৰ্ণ অনলাইন্ ব্যৱস্থাৰে সম্পন্ন কৰি আহিছে। এনে কাৰ্যাৱলীয়ে নিশ্চিতভাৱে পৰিৱৰ্তনমুখৰ পৰিস্থিতিত আমাক আশ্বস্ত কৰে যে আমি অন্ততঃ জগতখনত টিকি থাকিবগৈ পাৰিম।

মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠান যথাসময়ত অনুষ্ঠিত কৰিব নোৱাৰিলেও দুটা বছৰ পলমকৈ হ'লেও পালন কৰিবৰ সময়ত এইখিনি কথা মনলৈ আহিছে কাৰণ আমি নিজকে আৰু বহুখিনি সলনি কৰিব পাৰিলেহে শতবাৰ্ষিকী উদ্‌যাপন কৰিবলৈ সক্ষম হ'ম। এই আশাৰেই সকলোৰে মঙ্গল কামনা কৰি মহাবিদ্যালয়খনৰ অগ্ৰগতিত সকলোৰে সহযোগিতা কামনা কৰিলোঁ। ইতি।

(ঋতুপৰ্ণ বৰুৱা)
সভাপতি
মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

# উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদকৰ নিবেদন

উজনি অসমৰ উচ্চশিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপন সম্পৰ্কে চিন্তা-চৰ্চাৰ শেষত ২০১৮ চনৰ ১ জুলাই তাৰিখে অনুষ্ঠিত ৰাজহুৱা সভাই আমাক উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদকৰ দায়িত্ব অৰ্পণ কৰিছিল। নিজা সীমাবদ্ধতা সম্পৰ্কে অৱগত হৈও কেৱল শিক্ষানুষ্ঠানটিৰ প্ৰতি থকা দায়বদ্ধতা আৰু ৰাইজৰ আশীৰ্বাদকে সাৰথি কৰি আৰম্ভ কৰিছিলোঁ অনেক পৰিকল্পনা। প্ৰথমটো পদক্ষেপ আছিল মহাৰজত জয়ন্তী উপলক্ষ্যে এটা প্ৰতীক চিহ্ন প্ৰস্তুত কৰা। এই প্ৰতীকটো ৰচনা কৰিছিল আমাৰে সহকৰ্মী লেখক তথা চিত্ৰ-ভাস্কৰ্য শিল্পী ড° মৃদুল শৰ্মাই। মহাৰজত জয়ন্তীৰ কাৰ্যসূচী আৰম্ভ হৈছিল ২০১৯ চনৰ ছেপ্টেম্বৰ মাহৰ ২৭ আৰু ২৮ তাৰিখে। সেই আৰম্ভণিৰ পাছত বছৰজোৰা বিভিন্ন কাৰ্যসূচী পালন কৰাৰ পৰিকল্পনা আছিল, পৰিকল্পনা আছিল কেইবাখনো গ্ৰন্থ প্ৰকাশৰ। কিন্তু সেই বছৰৰে শেষৰ ফালে বিশ্বজোৰা ক'ভিড মহামাৰীয়ে যি তাণ্ডৱ সৃষ্টি কৰিলে তাৰ পৰিপ্ৰেক্ষিতত সকলো বন্ধ হৈ পৰিল। জীৱন-মৰণৰ টনা-আঁজোৰাৰ তেনে অৱস্থাত উৎসৱ উদ্‌যাপনৰ বিষয়টো তল পৰিল। ইতিমধ্যে সমগ্ৰ বিশ্বতে কেইবালাখো মানুহে সেই মহামাৰীত প্ৰাণ ত্যাগ কৰিলে। এই ছেগতে ক'ভিড মহামাৰীত প্ৰাণ হেৰুউৱা সকলো ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিছোঁ।

২০১৯ চনৰ ২৭ আৰু ২৮ ছেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানৰ সামান্য খতিয়ান ইয়াতে দাঙি ধৰিবলৈ যত্ন কৰিলোঁ। ২৭ ছেপ্টেম্বৰ তাৰিখে ৰাতিপুৱা পৰিৱেশ নিকাকৰণৰ যোগেদি আৰম্ভ হোৱা সেই আৰম্ভণি অনুষ্ঠানৰ প্ৰধান আকৰ্ষণ আছিল পুৰা ন বজাত মহাবিদ্যালয়ে পাৰ কৰা ৭৫ বছৰৰ প্ৰতীক হিচাপে ৭৫-খন পতাকা উত্তোলন কৰাটো। মহাবিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক-শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰি অনুষ্ঠানটো বিশেষভাৱে গুৰুগম্ভীৰ কৰি তুলিছিল। সেই কাৰ্যসূচীৰ এটা বিশেষ অংশ আছিল বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰাটো। সেইখন শিক্ষানুষ্ঠানতে (যেতিয়া তাৰ নাম আছিল জৰ্জ ইনষ্টিটিউশ্যন) মহাবিদ্যালয়খনৰ আৰম্ভণি ঘটিছিল। তাৰ পাছতে সকলোৰে অংশ গ্ৰহণেৰে বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় চৌহদৰপৰা আৰম্ভ হোৱা সেই সাংস্কৃতিক শোভাযাত্ৰাই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পণ্ডিতপ্ৰৱৰ ড° যোগীৰাজ বসুৰ বাসস্থান বিৰাজ আশ্ৰম দৰ্শন কৰি পুনৰ মহাবিদ্যালয় পাইছিলহি।

সেইদিনা দুপৰীয়া অনুষ্ঠিত হৈছিল প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ। সমাৰোহখন উদ্বোধন কৰিছিল বিশিষ্ট শিল্পী তথা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী ছৈয়দ ছাদুল্লাই। সমাৰোহত অতীত ৰোমন্থন কৰি বহু প্ৰাক্তন শিক্ষাৰ্থীয়ে মহাবিদ্যালয়খনৰ চৌহদ মুখৰিত কৰি তুলিছিল।

২৮ ছেপ্টেম্বৰ তাৰিখে ৰাতিপুৱা স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ আৰু ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰীৰ সংখ্যা আছিল বিশেষভাৱে উল্লেখযোগ্য। সেইদিনা দুপৰীয়া অনুষ্ঠিত হৈছিল 'সাম্প্ৰতিক সময়ৰ প্ৰাচ্য আৰু পাশ্চাত্যৰ শিক্ষাব্যৱস্থা ঃ এক বিশ্লেষণ' শীৰ্ষক এখন গুৰুগম্ভীৰ আলোচনা চক্ৰ। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক মদন শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰখনিত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক মুকুট হাজৰিকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য।

দ্বিতীয় দিনাৰ বিয়লি উদ্‌যাপন সমিতিৰ সভাপতি ঋতুপৰ্ণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অধ্যাপক নগেন শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰঞ্জিত তামুলী, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ডিব্ৰুগড়

বিধান সভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অধ্যাপক চন্দ্ৰকান্ত গগৈ, স্থানীয় মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলৰ উপস্থিতিত সমাজলৈ বিশেষ বিশেষ ক্ষেত্ৰত সেৱা আগ বঢ়োৱা ভালে সংখ্যক ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। তেখেতলোক হৈছে ক্ৰমে শিক্ষাবিদ অধ্যাপক ফাৰুক উদ্দিন আহমেদ, বিজ্ঞানী ড° ছিৰাজ খান, চিকিৎসক ডাঃ সঞ্জীৱ শৰ্মা, উদ্যোগপতি শ্ৰীযুত প্ৰদীপ বড়া, ক্ৰীড়াবিদ শ্ৰীযুত প্ৰদীপ শৰ্মা, প্ৰকৃতিবিদ শ্ৰীযুত মনোজ গগৈ, যুৱ উদ্যমী শ্ৰীযুত পাৰ্থপ্ৰতিম দাস, সঙ্গীতজ্ঞ তথা ঐতিহ্য সংৰক্ষক শ্ৰীযুত উমানন্দ দুৱৰা, বিশিষ্ট নাগৰিক তথা মহাবিদ্যালয়ৰ পৃষ্ঠপোষক শ্ৰীযুত জ্যোতিপ্ৰসাদ কানৈ, অসম চৰকাৰৰ পৰ্যটন বিভাগৰ সচিব শ্ৰীযুত ৰাজভী হুছেইন, আই এ এছ।

সেইদিনা সন্ধিয়ালৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ অংশ গ্ৰহণেৰে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী তথা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰোহিত সোণাৰৰ অংশ গ্ৰহণে সাংস্কৃতিক অনুষ্ঠানটোত আন এক মাত্ৰা প্ৰদান কৰিছিল।

আৰম্ভণি অনুষ্ঠান দুদিনীয়া আছিল যদিও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ২৬ ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়লৈ অহাত সেইদিনাই তেখেতক সম্বৰ্ধনা জনোৱা হৈছিল। সেইদিনা তেখেতৰ ভাষণে সকলোকে মুগ্ধ কৰি তুলিছিল।

পাছত ক'ভিড মহামাৰীৰ কাৰণে পৰিকল্পিত সকলো অনুষ্ঠান কাৰ্যতঃ বাতিল হোৱাৰ পাছত সম্প্ৰতি পৰিস্থিতি সুস্থিৰ হোৱাত জয়ন্তীৰ সামৰণী অনুষ্ঠান উদ্‌যাপন কৰিবলৈ আগ বঢ়া হৈছে। এই উপলক্ষ্যে অন্যান্য কাৰ্যসূচীৰ লগতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ ত্ৰিমূৰ্তি ক্ৰমে ডিব্ৰুগড়ত এখন কলেজ প্ৰতিষ্ঠাৰ স্বপ্নদ্ৰষ্টা অশ্বিনীচৰণ চৌধুৰী, প্ৰথমজন অধ্যক্ষ জ্ঞানযোগী ড° যোগীৰাজ বসু আৰু প্ৰথমজন উপাধ্যক্ষৰূপে মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগ বঢ়োৱা কৰ্মযোগী ড° লক্ষ্মীপ্ৰসাদ দত্তৰ আবক্ষ মূৰ্তি প্ৰতিষ্ঠা কৰিবলৈ উদ্যোগ লোৱা হৈছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই সামৰণী উৎসৱৰ মুকলি সভাত মুখ্য অতিথিৰূপে অংশ গ্ৰহণৰ নিশ্চয়তা প্ৰদান কৰাত আমি অতিশয় আনন্দিত আৰু উৎসাহিত বোধ কৰিছোঁ। মহাবিদ্যালয় কৰ্তৃপক্ষই এই বৰ্ষৰপৰা প্ৰৱৰ্তন কৰা ড° লক্ষ্মীপ্ৰসাদ দত্ত বঁটা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱকে প্ৰদান কৰিবলৈ লোৱাটোও এই মুহূৰ্তত এটা উৎসাহব্যঞ্জক পদক্ষেপ হৈছে। উদ্‌যাপনৰ শেষৰ দিনা ৰাতিলৈ মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথম বাৰৰ বাবে ন-পুৰণি ছাত্ৰ-শিক্ষক মিলি 'নৃসিংহ মুৰাৰী' ভাওনা পৰিৱেশন কৰিবলৈ ওলোৱাটোও নিশ্চয় আমাৰ কাৰণে এটা গুৰুত্বপূৰ্ণ বতৰা।

এবছৰীয়া উৎসৱভাগ ক'ভিড পৰিস্থিতি আৰু সম্ভৱতঃ আমাৰ অসমৰ্থতাৰ কাৰণে যিদৰে উদ্‌যাপিত হ'ব লাগিছিল তেনেকৈ নহ'লগৈ। বিশেষকৈ সীমিত পুঁজি আৰু ক'ভিডোত্তৰ সময়ৰ অস্বাভাৱিক মূল্যবৃদ্ধিৰ বাবে অনুষ্ঠানটো যি ধৰণে পৰিকল্পনা কৰা হৈছিল সেইমতে অনুষ্ঠিত কৰিব পৰা নগ'ল। যিসমূহ ব্যক্তি, অনষ্ঠান, সংগঠনে আমাক আৰ্থিক আৰু অন্যান্য দিশত সহায় সহযোগ আগ বঢ়ালে সেই সকলোৰে ওচৰত আমি কৃতজ্ঞ। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ প্ৰমুখ্যে প্ৰতিজন শিক্ষক-কৰ্মচাৰী-শিক্ষাৰ্থী আৰু প্ৰাক্তন শিক্ষাৰ্থীৰ মানসিক, বৌদ্ধিক, কায়িক আৰু আৰ্থিক সহযোগিতা অবিহনে এই উদ্‌যাপন সফল নহ'লহেঁতেন। গতিকে তেখেতসকলৰ প্ৰতি আমি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত আমাৰ অনিচ্ছাকৃত দোষ-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। ইতি।

(ড° অনন্ত কুমাৰ দত্ত)

(ড° ৰঞ্জন চাংমাই)

যুটীয়া সম্পাদক

মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

# সম্পাদকীয়

১৯৪৫ চনত প্রতিষ্ঠা হোৱা ডিব্রুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ নাম নুশুনা মানুহ অসমত খুব কমেই ওলাব। দেবদাৰু আৰু কৃষ্ণচূড়াৰ দেশ হিচাপে জনাজাত "কানৈ কলেজ" বহুতৰ বাবে হেঁপাহৰ কলেজ। বুকুত অযুত সপোন বান্ধি বহু দূৰৰ পৰা ছাত্ৰ-ছাত্ৰী ইয়ালৈ শিক্ষা গ্রহণৰ উদ্দেশ্যে আহে। বহু বিৰল ব্যক্তিত্ব আৰু সফল নাগৰিকৰ উচ্চ শিক্ষাৰ প্ৰথম খোজ এই মহাবিদ্যালয়ৰ পৰাই আৰম্ভ হৈছিল আৰু হৈ আছে। ইয়াৰেপৰাই উচ্চ শিক্ষাৰ আদিপাঠ গ্ৰহণ কৰি দেশত তথা বিদেশতো বহুতে নাম উজ্জ্বলাবলৈ সক্ষম হৈছে। ৰাজ্যৰ শৈক্ষিক জগতলৈ এই মহাবিদ্যালয়ৰ অৱদান অতুলনীয়। প্ৰথমে 'ডিব্ৰুগড় কলেজ' হিচাপে প্ৰতিষ্ঠা লাভ কৰা এই কলেজ পিছলৈ দানবীৰ হনুমানবক্স সূৰজমল কানৈৰ নামেৰে "হনুমানবক্স সূৰজমল কানৈ কলেজ" নামেৰে নামাংকিত কৰা হয়। চুটিকৈ সেই বিখ্যাত "কানৈ কলেজ" যি কলেজ আজি সগৌৰৱে ৭৮ টা বছৰ গৰকি জুয়ে পোৰা সোণৰ দৰে উজ্জ্বল জ্যোতিষ্ক হৈ সমাজত জিলিকি উঠিছে।

কানৈ মহাবিদ্যালয়ৰ কথা মনত পৰিলে প্ৰথমেই মনলৈ আহে ইয়াৰ প্ৰতীক চিহ্নটোৰ ছবি। মহাবিদ্যালয় যিটো প্ৰতীক ব্যৱহাৰ কৰা হয়, সেই প্ৰতীকটোৰ বহুল ব্যাখ্যা আছে। প্ৰতীকৰ প্ৰধান চানেকিটো লোৱা হৈছে পদুম ফুলৰ পাহিৰ আৰ্হিত। মহাবিদ্যালয়ৰ নাম খোদিত থকা, তলছোৱাত বহল কিন্তু ওপৰলৈ ক্ৰমাৎ ক্ষীণ হৈ এটা তীক্ষ্ণ চূড়াত মিলিত হৈ পৰা ৰেখা কিডাল এটা বৌদ্ধ মঠৰ তোৰণৰ আৰ্হিত অংকিত হৈছে। এই শিক্ষানুষ্ঠানৰ লক্ষ্যসমূহৰ কথা মনত ৰাখি প্ৰতীকটোৰ পটভূমিত পৰ্বতমালা আৰু তিনিটা শৃঙ্গৰ অংকন কৰা হৈছে। আন আন বিষয়ৰ শিক্ষাদানৰ লগতে প্ৰাকৃতিক সম্পদৰ বিষয়ে শিক্ষাদানো এই অনুষ্ঠানৰ লক্ষ্য। অসমৰ প্ৰাকৃতিক সম্পদসমূহ পাহাৰে-ভৈয়ামে সিঁচৰতি হৈ আছে। সেইবাবেই পৰ্বত আৰু শৃঙ্গক প্ৰতীকৰ বুকুত স্থান দিয়া হৈছে। ইয়াৰ আৰু এটি অৰ্থ হ'ল - পৰ্বতৰ শৃঙ্গৰ দৰে প্ৰতিকূল পৰিৱেশতো মূৰ দাঙি থিয় হৈ থাকিব পৰাতো। প্ৰতীকত অংকিত হাতী দুটাই বনজ সম্পদত চহকী অসমৰ বনৰীয়া জীৱ-জন্তুৰ প্ৰতিনিধিত্ব কৰিছে। তাৰোপৰি যুগল হাতী হ'ল ৰাজোচিত গাম্ভীৰ্য্য, জ্ঞান আৰু শক্তিৰ প্ৰতীক। এখন শৰাইৰ দুয়োকাষে পৰস্পৰে মুখামুখিকৈ ভক্তিভাবেৰে থিয় হৈ এই হাতী দুটাই যেন ইয়াকে বুজাব খুজিছে যে প্ৰকৃত শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে জ্ঞান আৰু শক্তিৰ লগতে ভক্তিভাৱৰো যোগ থাকিব লাগিব। জ্ঞানে অজ্ঞতাৰ আন্ধাৰ আঁতৰাই আৰু ভক্তিভাৱে অহঙ্কাৰ দূৰ কৰি শিক্ষা লাভৰ পথ নিষ্কণ্টক কৰি তোলে।

অৰ্থবহ প্ৰতীকে কোৱাৰ দৰেই কানৈ মহাবিদ্যালয়ে পাহাৰৰ দৰেই দৃঢ়তাৰে মূৰ দাঙি থিয় হৈ জ্ঞানৰ পোহৰ বিলাই গৈছে অবিৰতভাৱে। ড° যোগীৰাজ বসু (প্ৰতিস্থাপক অধ্যক্ষ), অশ্বিনীচৰণ চৌধুৰী, লক্ষ্মীপ্ৰসাদ দত্ত, বেণুধৰ ৰাজখোৱা, যতীন্দ্ৰনাথ দুৱৰা, উপেন্দ্ৰনাথ গোস্বামী, তফজ্জুল আলি, বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য, মহেন্দ্ৰ বৰা, ভুপেন্দ্ৰ নাৰায়ণ চৌধুৰী, নিৰ্মল কুমাৰ বসু। প্ৰিয়াংশু প্ৰৱল উপাধ্যায় আদি সাহিত্যিক পণ্ডিত, আৰু তীক্ষ্মধী অধ্যাপক-অধ্যাপিকাৰ পদধূলাৰে ধন্য হোৱা এই কলেজে অসমৰ শৈক্ষিক জগতত এক উজ্জ্বল ভাৱমূৰ্তি তুলি ধৰিবলৈ সক্ষম হৈছে। এই কলেজৰ পৰা উত্তীৰ্ণ হৈ ওলাই

# সম্পাদকীয়

যোৱা ছাত্ৰ-ছাত্ৰীসকলে অসমৰ সমাজ জীৱনত সকলো দিশৰ পৰাই যেনে - ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, সাহিত্য, মেলজগত ইত্যাদিত প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। ২০১৫ চনত বৰ্তমানৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই যোগদান কৰাৰ পাছত মহাবিদ্যালয়ৰ আন্তঃগাঠনিৰ আমূল পৰিবৰ্তন ঘটিল। পুৰণা বিল্ডিং কেইটা একেই থাকিল যদিও কেইবাটাও নতুন বিল্ডিঙে মূৰ দাঙি উঠিল। ইয়াৰ সমান্তৰালকৈ কেইবাটাও নতুন পাঠ্যক্ৰম আৰম্ভ কৰা হ'ল। ইয়াৰ ভিতৰত ২০১৬ চনত ইংৰাজীত স্নাতকোত্তৰ পাঠ্যক্ৰম, ২০১১ চনত বি.চি.এ (Bachelor of Computer Application), ২০২০ চনৰ পৰা গণিত আৰু নৃতত্ত্ব বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম, ২০২২ চনত জীৱ বিজ্ঞান, পদাৰ্থ বিজ্ঞান আৰু অসমীয়া বিভাগৰ স্নাতকোত্তৰ পাঠদান আৰম্ভ কৰা হয়। স্নাতক পৰ্য্যায়ত সমাজতত্ত্ব বিভাগটো আৰম্ভ কৰা হয় ২০১৮ চনৰ পৰা। কলেজৰ ভিতৰৰ চাৰিওকাষৰ ৰাস্তাবোৰ পকী কৰা হ'ল। বাকী পথৰ কাষে কাষে ফুলৰ গছ ৰুই দিয়াত কলেজখনৰ সন্মুখৰ দৃশ্য আটকধুনীয়া হৈ পৰিল। গোটেই কলেজখন চাফ-চিকুণকৈ ৰখাৰ দায়িত্ব, অধ্যক্ষ মহোদয়ৰ নেতৃত্বত গ্ৰীণ ক্লাৱে স্বেচ্ছাই বহন কৰি আহিছে। পুৱা পাঁচ বজাতে কলেজলৈ আহি অধ্যক্ষ মহোদয়ে গোটেই চৌহদটো পৰিস্কাৰ কৰাত আগভাগ লয়। এইগৰাকী অধ্যক্ষৰ সবল নেতৃত্বত মহাবিদ্যালয়ৰ এক আমূল পৰিৱৰ্তন ঘটি বৰ্তমান দেশৰ ভিতৰতেই পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত এক নিদৰ্শন দাঙি ধৰিবলৈ আৰু নিকা কলেজ হিচাপে কেইবাটাও পুৰস্কাৰ পাবলৈ সক্ষম হৈছে।

শেষত এই মহাবিদ্যালয়ৰ পবিত্ৰ প্ৰাঙ্গনত ভৰি দি জীৱনৰ অৰ্থ বিচাৰি পোৱা সকলো প্ৰাক্তন কানৈয়ান আৰু বৰ্তমানৰ কানৈয়ান সকললৈ এটি অনুৰোধ যে এই মহাবিদ্যালয়খন সদায় চিৰগৌৰৱে মূৰ দাঙি থিয় হৈ থাকিব পাৰে তাৰ বাবে যেন সকলোৱে চেষ্টা কৰে। দেশ আৰু জাতিৰ সেৱাত যাতে প্ৰতিজন কানৈয়ানে নিজৰ জ্ঞান, কৰ্ম উৎসৰ্গা কৰিব পাৰে তাকে আন্তৰিকতাৰে কামনা কৰিছোঁ। কানৈয়ান বুলিলে যি আবেগ উথলি উঠে সেয়া যেন প্ৰবাহমান হৈ থাকে চিৰদিন, চিৰকাল। জয়তু কানৈ কলেজ।

LONG LIVE KANOI COLLEGE.

**ড° অলকানন্দা বৰুৱা**
**ড° দীপঙ্কজ গগৈ**
*সম্পাদকদ্বয়*
*বৰ্ণিল ঐতিহ্য*

# বিষয়-বিন্যাস...

## বৰ্ণিল ঐতিহ্যৰ পম খেদি


- ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজ প্ৰতিষ্ঠাৰ স্মৃতিৰ পাপৰি — ড° যোগীৰাজ বসু — ৯
- ডিব্ৰুগড় কলেজ প্ৰতিষ্ঠা - ১৯৪৫ চন — অশ্বিনীচৰণ চৌধুৰী — ১৯
- কানৈ কলেজৰ সোণালী অতীত — ডিম্বেশ্বৰ চলিহা — ২৪
- A short history of the Dibrugarh College — L.P. Dutta — ৩১


## কানৈ কলেজৰ ইতিহাসৰ সন্ধানত


- মহাৰজত জয়ন্তী বৰ্ষত কানৈ মহাবিদ্যালয় ঃ কেতবোৰ ইতিবাচক দিশ — কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া — ৩৫
- কানৈ কলেজৰ ইতিহাস ঃ এটি অৱলোকন — ড° আতিকুদ্দিন আহমেদ — ৫২
- 'কানৈয়ান'ৰ পঞ্চাশ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা — বিনোদ বড়া — ৫৬
- প্ৰাচ্যতত্ত্ববিদ ড° যোগীৰাজ বসু — সুদক্ষিণা দাস — ৬৫
- মহাৰজতৰ বুকুৰেদি 'কানৈয়ান' — অঞ্জুমণি ফুকন — ৭৮
- কানৈ কলেজ আৰু ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ আৰম্ভণী — ড° আতিকুদ্দিন আহমেদ — ৮৪
- সোঁৰৰণিৰ সোণালী সূতাৰ আঁত- কানৈ মহাবিদ্যালয় পৰিক্ৰমা — বিনোদ চন্দ্ৰ বড়া — ৮৯
- গণিত আৰু নৃতত্ব বিভাগৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভণিৰ এক আভাস — ড° প্ৰিয় দেৱ গোস্বামী — ৯৪


## স্মৃতিৰ সোণালী বাটেদি


- অৰ্দ্ধ শতাব্দীৰ পাছত কানৈ কলেজত এভুমুকি
- মোৰ সপোনৰ, মোৰ দিঠকৰ কলেজখন — দিলীপ কুমাৰ গগৈ — ১০০
- কানৈ মহাবিদ্যালয় আৰু দ্য কুইভাৰ্ছ — ড° মৃদুল শৰ্মা — ১০৪
- কানৈয়ে ৰিঙিয়াই — চৈয়দ ছাদুল্লা — ১১১
- ৭৫ বছৰীয়া দুৰন্ত যাত্ৰা — দীপ্তি গগৈ — ১১৬
- স্মৃতিৰ ক'লাজত কানৈ কলেজ — ড° লোক বিকাশ গগৈ — ১২১
- মৌচুম বৰুৱা — ১২৩

| | | |
|---|---|---|
| • কানৈ কলেজৰ ডুখৰীয়া ছবি ঃ মোৰ আশা আৰু আকাংক্ষাৰ স্থল প্ৰাণী বিজ্ঞান বিভাগ | বিজয়া গগৈ | ১২৭ |
| • স্মৃতিৰ পাতত কানৈ মহাবিদ্যালয় আৰু ডিব্ৰুগড় | উৰ্মিলা ৰামছিয়াৰী | ১৩০ |
| • কানৈৰ স্মৃতিবোৰ মনৰ ভাষাৰে সৰুকৈ | জুবিন বুঢ়াগোহাঁই | ১৩২ |
| • কানৈ কলেজৰ গছ-গছনিসমূহ | ড° অলকানন্দা বৰুৱা | ১৩৩ |
| • মানসপটত উজলি থকা কানৈ মহাবিদ্যালয় ঃ মিঠা সোঁৱৰণি | ড° জ্যোতিৰেখা হাজৰিকা | ১৩৫ |
| • এৰি অহা দিনবোৰক সোঁৱৰি | বিমান সোনোৱাল | ১৪১ |
| • স্মৃতি বিজড়িত কানৈ মহাবিদ্যালয় | মঞ্জুৰাণী বৰগোহাঁই | ১৪৫ |
| • কানৈ-এটি উপহাৰ | চয়নিকা বৰপাত্ৰ গোঁহাই | ১৪৬ |
| • কানৈৰ ইতিহাসৰ সৰ্বকালৰ গৰ্ব ঃ সেই পঞ্চ তাৰকা | চৈয়দা মাছহুদা ৰহমান | ১৪৮ |


## বিবিধা


| | | |
|---|---|---|
| • "ডিব্ৰুগড়ত চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষা" | ডাঃ (ড°) ৰতন কুমাৰ কটকী | ১৫৩ |
| • ডিব্ৰুগড়ৰ প্ৰাকৃতিক পৰিৱেশ আৰু যোৱা পঞ্চাশ বছৰত ইয়াৰ পৰিৱৰ্তন | ড° প্ৰদীপ কুমাৰ বৰুৱা | ১৬১ |
| • শিশুৰ নৈতিক চৰিত্ৰ গঠনত ধ্ৰুপদী সাহিত্যৰ ভূমিকা | ড° জয়কৃষ্ণ মহন্ত | ১৬৭ |
| • জীৱ-জন্তুবোৰ আমাৰ দৰে অনুভবী হয়নে? | ডাঃ জাফৰিণ আৰা আহমেদ | ১৭০ |
| • অসমীয়া সমাজত তামোল-পাণ | ড° অমিয়া ফুকন | ১৭৩ |
| • ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ অমৰ কৃতি ঃ ঈয়াৰুইঙ্গম | ড° ভাৰতী দত্ত | ১৭৭ |
| • অসমীয়া গীতি সাহিত্যৰ গতি আৰু প্ৰকৃতি ঃ এটি অৱলোকন | ৰূপালীম ঠাকুৰ | ১৮২ |
| • ডিব্ৰুগড়ৰ বাঙালী সমাজ | ড° ৰীতা পোদ্দাৰ | ১৮৯ |
| • আপাতানি জনগোষ্ঠী | ড° অৰুন্ধতী ফুকন গগৈ | ১৯৩ |
| • সোনোৱাল কছাৰী জনগোষ্ঠীৰ কথিত ভাষা ঃ এক অৱলোকন | অসীম শইকীয়া | ১৯৬ |
| • মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা | অদিতি বৰগোহাঁই | ২০১ |
| • দেউৰী সমাজৰ মৃতকৰ বিধি-বিধান | সুৰেন দেউৰী বৰপূজাৰী | ২১১ |
| • মুৰাচাকি চিকিবু ঃ জীৱন আৰু দৰ্শনত এভুমুকি | ৰমাকান্তি দাস | ২১৮ |
| • ৰোগ প্ৰতিৰোধী কেতবোৰ উদ্ভিদজাত খাদ্যদ্ৰব্য | ড° অন্নজ্যোতি গগৈ | ২২১ |
| • কাজিৰঙাত বন্য জীৱ জন্তুৰ ছবি তোলাৰ অভিজ্ঞতা | সৌৰভ দুৱৰা | ২২৪ |
| • ভাৰতীয় সংগীত আকাশৰ এটি ভোটাতৰা ঃ লতা মংগেশকাৰ | ভূৱন জ্যোতি বৰুৱা | ২২৭ |
| • ত্ৰিমাত্ৰিক সপোন | ৰূপজ্যোতি দুৱৰা | ২২৯ |
| • মূল্যবোধ | শিখামণি কোচ দেউৰী | ২৩১ |
| • এজন লেখকৰ দায়বদ্ধতা | ড° মনমী বৰুৱা | ২৩৫ |
| • কানৈ কলেজৰ পৰা লাডাখলৈ | মঞ্জুলা বৰ্মন (বৰা) | ২৩৮ |
| • Vermi Compost (কেঁচুসাৰ) | ড° চুলতানা হাজৰিকা | ২৪৭ |
| • দেশদ্ৰোহী বদনচন্দ্ৰ বৰফুকন | যাদৱ গগৈ | ২৪৯ |

- মনীষাৰ প্ৰকৃত সপোন কলিতেই মৰহিল — ৰেখামণি গগৈ — ২৫২
- অস্তিত্বাভিমান — নূপুৰ দত্ত — ২৫৪
- Climate Change : Causes, Effects and Solution — Prof. Pradip Kumar Bhuyan — ২৫৬
- IDOL worship and Srimanta Sankardev — Maheswar Hazarika — ২৬১
- An Insight of Education Sector towards Evolution of Industry 4.0 & 5.0 — Dr. Pranjal Kumar Phukan — ২৬৯
- Social Change: A Journey of Humans from Primeval Era to Present: An Anthropological Perspective — Dr. Anup Jyoti Bharali — ২৭৪
- A Few Lost Pages — Dinalisha Bora — ২৮২
- Literature and Social Protest as Embodied in Albert Camus' the Outsider — Dr. Shyamolima Saikia — ২৮৪
- Green in the Concrete: Urban Gardening, DHSK College etc. — Mayuri Dutta — ২৯০
- Welcome address to Dr. S. Radhakrishnan on the occasion of inauguration ceremony of the new building of DHSK college — by J.R. Bose — ২৯৩
- গীত — হাচান ছৰিফ আহমদ — ২৯৫
- শেষ বুলি কোৱাৰ পাছতো থাকি যায় অনেক কথা — তৃষ্ণা নেওগ বৰুৱা — ২৯৫
- "মৰণৰ বিভীষিকা।" — বেনুধৰ ৰাজখোৱা — ২৯৬
- স্পন্দিত ধমনীত ছন্দিত গদ্য — প্ৰাঞ্জল প্ৰতীম শৰ্মা — ২৯৭
- মোৰ কানৈ মহাবিদ্যালয়, মহান মহাবিদ্যালয় — ডাঃ সঞ্জীৱ শৰ্মা — ২৯৮
- মৈত্ৰীৰ প্ৰতীক মই অসমীয়া — ডেনিচ হাজৰিকা — ২৯৯
- ডিব্ৰুগড় — অনুপম মহন্ত — ৩০০
- ভয় — অনুবাদ : ড° তৃষ্ণা দুৱৰা — ৩০০
- আধৰুৱা প্ৰেমৰ স্মৃতি — পলী চমুৱা — ৩০১
- हिन्दी साहित्य के मध्यकालीन सन्त कवि कबीर दास और समकालीन असमीया सन्तकवि साहित्यकार शंकरदेव के सामाजिक, साहित्यिक कृतियों पर एक तुलनात्मक विश्लेषण — कृष्ण कान्त बरदल — ३०२

# বৰ্ণিল ঐতিহ্যৰ পম খেদি

অধ্যায় - ১

# ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজ প্ৰতিষ্ঠাৰ স্মৃতিৰ পাপৰি

**ড° যোগীৰাজ বসু**
প্ৰতিস্থাপক অধ্যক্ষ

ওঁ স্বতি !

ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজৰ ৰূপালী জয়ন্তী সমাগত। ৰূপালী জয়ন্তী উৎসৱৰ স্মৃতি-চিহ্ন হিচাপে আলোচনী এখন প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি সম্পাদনা সমিতিয়ে মোলৈ এটি অনুৰোধ জনালে - মই কলেজখনৰ এটি ইতিবৃত্ত লিখি দিব লাগে। সঁচা কথা, সম্পাদনা সমিতিৰ তৰফৰ পৰা এই প্ৰস্তাৱটি পাই মই আনন্দিত নহৈ নোৱাৰিলোঁ; কাৰণ, কানৈ কলেজ মোৰ অতি আদৰৰ, অতি চেনেহৰ। কিন্তু কথা হ'ল - কলেজখনৰ সুদীৰ্ঘ বাইশ বছৰৰো অধিক কালৰ বিস্তৃত বিৱৰণী এটি সীমিত দৈৰ্ঘ্যৰ প্ৰবন্ধ এটাত লিখি অঁতোৱাটো তেনেকৈ উজু নহয়, অসম্ভৱ বুলি কলেও কিজানি অত্যুক্তি কৰা নহ'ব। সেই বাবে থাউকতে স্মৃতিৰ ভঁৰালৰ কেইটিমান কথাহে মই ইয়াত উল্লেখ কৰিম।

১৯৪৫ চনৰ ৭ মে'। সেইদিনাখন আমাৰ ডিব্ৰুগড় ধৰ্মীয় অনুষ্ঠান 'বিৰাজ'ত শ্ৰীঅশ্বিনীচৰণ চৌধুৰীয়ে মোক দেখা কৰে। প্ৰসঙ্গক্ৰমে ডিব্ৰুগড়ত এখন কলেজ স্থাপন কৰিব পৰাৰ সম্ভাৱনাৰ বিষয়ে তেখেতে মোৰ লগত আলোচনা কৰে। সিদিনা মোৰ জ্বৰ। শ্ৰীচৌধুৰীয়ে মোক ইয়াকো জনালে - তেখেতে এই সম্পৰ্কে ডিব্ৰুগড়ৰ দুই-চাৰিজন উৎসাহী ব্যক্তিৰ লগত আলোচনা কৰিছেই। তেখেতৰ ইচ্ছা-, ইচ্ছা নহয়, তেখেতে টানি ধৰিলে যে প্ৰস্তাৱিত কলেজখনৰ অধ্যক্ষৰ ভাৰ গ্ৰহণ কৰিব লাগে মই। মই পিছে খোলাকৈ ক'লো, "চৌধুৰী, আপোনাৰ প্ৰস্তাৱৰ বাবে ধন্যবাদ। কিন্তু মোক মাফ কৰিব। অধ্যক্ষৰ পদ লবলৈ মোৰ নিতান্তই ইচ্ছা নাই। ইয়াতকৈ আপুনি এক কাজ কৰক। মোৰ শিক্ষাগুৰু শ্ৰীউমাপ্ৰসন্ন দে আছে। তেখেতকে অধ্যক্ষ হিচাপে নিৰ্বাচন কৰক। নহ'লে আপোনালোকে ভাল দেখা অইন কাৰোবাকে অধ্যক্ষ পাতক। তেওঁ মোক বাদ দিয়ক। মই বাৰু অধ্যাপক হিচাপে থাকিম। টকা-পইচাৰ লেঠাকে ধৰি শাসনকাৰ্য্য মই তেনেই ভাল নাপাওঁ। অধ্যক্ষৰ বাবে মোক নধৰিব।" চৌধুৰীয়ে কিন্তু তেখেতৰ নিজৰ কথা এৰি নিদি ক'লে, "অকল ময়ে নহয়, প্ৰত্যেকে বাঞ্ছা কৰে আপুনি অধ্যক্ষ হওঁক। আপুনি সন্মতি দিলে সকলোৱে সহযোগ কৰিব।" তথাপিও মই না কৰিলোঁ। আকৌ চৌধুৰীয়েও মোক এৰা নিদিলে। এদিন, দুদিন-চাৰিদিন তেখেতে মোক লগ ধৰিলে। তেখেতৰ কথাও একেটাই - মই অধ্যক্ষ হ'বই লাগিব। শেহান্তৰত চতুৰ্থদিন তেখেতে ক'লে, "আপুনি যদি সন্মতি নিদিয়ে, তেন্তে আমাৰ আঁচনি পণ্ড হৈ যাব। আৰু আমিও কাগজত প্ৰকাশ কৰি দিম যে আপুনি অধ্যক্ষ হ'বলৈ সন্মতি নিদিয়াৰ বাবেই কলেজ আৰম্ভ কৰিব পৰা নহ'ল। আৰুতো উপায় নাই। চৌধুৰীৰ কৰ্ত্তব্যনিষ্ঠাই আৰু কলেজখন পতা বিষয়ে একাগ্ৰতাই মোক মোহিত কৰিলে। শেহান্তৰত উপায়ান্তৰ হৈ

সন্মতি দিবলগীয়াই হ'ল।

ইয়াৰ পূৰ্বে আৰু দুবাৰ ডিব্ৰুগড়ত কলেজ পতাৰ চেষ্টা চলোৱা হৈছিল। আৰু দুয়োটা চেষ্টাই ব্যৰ্থকাম হৈছিল। এইবেলি এনে সিদ্ধান্ত লোৱা হ'লে যে কলেজ আৰম্ভ নকৰাকৈ কোনো টকা-সিকা তোলা নহ'ব। চৌধুৰীয়ে কেবাগৰাকীও শিক্ষক যোগাৰ কৰিলে। তেখেতসকলৰ প্ৰতিজনেই এবছৰৰ বাবে অবৈতনিক হিচাপে কাম কৰিবলৈ সন্মতি দিলে। জৰ্জ ইনষ্টিটিউশ্যনৰ কৰ্তৃপক্ষয়ো তেওঁলোকৰ স্কুলৰ ঘৰতে ৰাতিপুৱা বেল্যা কলেজৰ 'ক্লাছ' চলাবলৈ সানন্দে অনুমতি দিলে।

হ'বলগীয়া কাম বৈ নাথাকিল।

১৯৪৫ চনৰ জুলাইৰ ১৫ তাৰিখে জমাৰ ঘৰত পাই-পুণিকা এটি নোহোৱাকৈয়ে কলেজ আৰম্ভ কৰা হ'ল। সেই তাৰিখেই এক জনবহুল সমাৰেশ লৈ নগৰৰ বিশিষ্ট সন্মানীয় আৰু শিক্ষিত ব্যক্তি মিঃ ফাইজনুৰ আলিয়ে কলেজ উদ্বোধন কৰিলে। কবিৰাজ গিৰিশ চন্দ্ৰ শাস্ত্ৰী ডাঙৰীয়াই মঙ্গলাচৰণ পাঠ কৰিলে। ডিব্ৰুগড় নিবাসী প্ৰতিটো সম্প্ৰদায়ৰ গণ্য-মান্য লোকসকলে এই উদ্বোধনী সভাত যোগদান কৰিছিল।

তেতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম হোৱা নাই। অসমৰ সকলো কলেজ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত। আমাৰো কলেজৰ পৰিচালনা সমিতি এখন গঠন হ'ল; শ্ৰীচৌধুৰী হ'ল চেক্ৰেটাৰী আৰু মই অধ্যক্ষ। প্ৰথম বাৰ্ষিক আই.এ. শ্ৰেণীও খোলা হ'ল। অধ্যাপকৰ পদত নিযুক্ত হ'ল - শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, শ্ৰীনিৰ্মল কুমাৰ বসু, শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীসুশীল চন্দ্ৰ দত্ত, শ্ৰীউমাপ্ৰসন্ন দে, এডভোকেট শ্ৰীশক্তিপদ পাত্ৰ, শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্মা প্ৰমুখ্যে ব্যক্তিসকল। এখেতসকলৰ প্ৰতি গৰাকীয়ে এবছৰৰ বাবে অবৈতনিকভাৱে খাটিলে। প্ৰথম ছাত্ৰী হ'ল এজনী ছোৱালী শ্ৰীমতী সৰলা চৌধুৰী। প্ৰথম হেড এচিষ্টেন্ট আছিল স্বৰ্গীয় দেবেন্দ্ৰ চন্দ্ৰ বৰুৱা। জৰ্জ স্কুলৰ চৌকিদাৰ গৌৰীনাথকে কলেজৰ একক্ষণীয়া প্ৰথম চৌকিদাৰৰ পদত লোৱা হ'ল। কলেজৰ মেনেজিং কমিটিৰ সভাপতি হ'ল ৰায়বাহাদুৰ সদানন্দ দুৱাৰ। বিভিন্ন সম্প্ৰদায়ৰ কেইগৰাকীমান লোকক সভ্য কৰা হ'ল। কলেজে স্বীকৃতি পোৱাৰ পিছতহে এখন নিয়মীয়া 'গভৰ্ণিং ব'ডি' গঠন কৰা হয়। তাৰ পিছত বৃহৎ পৰিসৰৰ সাধৰণ সভা (General Council) গঠন কৰা হয়।

কলেজ আৰম্ভ হোৱাৰ সাতমাহ পিছতহে ডিব্ৰুগড়ৰ ৰাইজৰ বিশ্বাস জন্মে যে কলেজখন বৰ্তিব আৰু ইয়ে ঠাইৰ আৱশ্যকতাও পূৰ কৰিব পাৰিব। শিক্ষকসকলৰ ত্যাগ আৰু আত্মোৎসৰ্গৰ প্ৰতিও ৰাইজৰ শলাগনি আছিল। কলেজৰ বয়সৰ অষ্টম মাহত ধন-সংগ্ৰহ কমিটি এখন গঠন কৰা হ'ল। এই কমিটিৰ আগশাৰীৰ সদস্য আছিল স্বৰ্গীয় সদানন্দ দুৱৰা আৰু ডঃ ফনীন্দ্ৰনাথ ঘোষ। জৰ্জ স্কুলৰ প্ৰধান শিক্ষক গৰাকীক কলেজৰ প্ৰতিখন কমিটিৰ সদস্য কৰা হৈছিল। ময়ো জৰ্জ স্কুলৰে ছাত্ৰ। এইখন স্কুলৰ পৰাই মই মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰিছিলোঁ। জৰ্জ স্কুলৰ ষষ্ঠমান শ্ৰেণীৰ ছাত্ৰ হিচাপে মই যিটো কোঠালিত বহিছিলোঁ, সেইটো কোঠাতে মোৰ অধ্যক্ষৰ 'অফিচ' পতা হ'ল। এই স্মৃতিকণাই মোক আনন্দ দিলে আৰু দিলে অনুপ্ৰেৰণা।

কলেজ আৰম্ভ কৰা হৈছিল জুলাই মাহত। কিন্তু স্বীকৃতিৰ (affiliation) বাবে আবেদন কৰা হয় নবেম্বৰ মাহত। এতেকে ১৯৪৫-৪৬ চনৰ বাবে স্বীকৃতি লোৱাৰ কোনো উপায়েই নাছিল। আগতে আৰম্ভ কৰা কাৰ্য্যৰ বাবে স্বীকৃতি দিয়া নিয়ম নাই। যি কি নহওঁক, মেনেজিং কমিটিৰ পৰামৰ্শ অনুসৰি শ্ৰীচৌধুৰী আৰু মই কলিকতালৈ বুলি ৰাওণা হ'লো। তালৈ গৈ পাই ডঃ কালিদাস নাগ, ডাঃ জে.পি.নিগুগী প্ৰমুখ্যে কলিকতা বিশ্ববিদ্যালয়ৰ চিনেটৰ মুখপাত্ৰ সদস্যসকলৰ লগত সাক্ষাৎ কৰা হ'ল। ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জ্যেষ্ঠ ভাতৃ শ্ৰীৰামপ্ৰসাদ মুখাৰ্জী ডাঙৰীয়াই খুচি কৰিয়ে আমাক যথেষ্ট সহায় কৰিলে - তেখেতৰ নিজৰ 'কাৰ'তেই আমাক তুলি নিলে, কলিকতা বিশ্ববিদ্যালয়ৰ বহুতো গণ্য-মান্য বিষয়াৰ লগত আমাক পৰিচয় কৰি দিলে। কিন্তু দুখৰ বিষয়, অহোপুৰুষাৰ্থভাৱে চলোৱা আমাৰ এই সকলো চেষ্টাই বিফল হ'ল। পশ্চাৎ স্বীকৃতি কোনো পথ্যেই নিদিলে। মোৰ সহযাত্ৰী চৌধুৰী ডিব্ৰুগড়লৈ উভতিল। আৰু নিৰাশাতো আশাৰ ৰেঙণি পোষণ কৰি মই লগ ধৰিবলৈ ওলালোঁ ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীক। ডঃ মুখাৰ্জী সেই সময়ত ৰোগাক্ৰান্ত অৱস্থাত সাঁও-পৰগণাৰ অন্তৰ্গত মধুপুৰত। তেখেতৰ শাৰীৰিক অসুস্থাত তেনে অৱস্থাতো মই গৈ দেখা কৰিলোঁ - কৰ্তব্যৰ খাতিৰত। ডঃ মুখাৰ্জীয়ে যথেষ্ট সহানুভূতি প্ৰদৰ্শন কৰি মোক বুজাই ক'লে যে সেই বছৰলৈ স্বীকৃতি দিয়াটো যেনে তেনে অসম্ভৱ। অৱশ্যে তেখেতে মোক পুৰা আশ্বাস

দিলে যে ১৯৪৬-৪৭ চনৰ বাবে স্বীকৃতি দিবই। তেতিয়াই এখন দৰখাস্ত দিবলৈও ক'লে। মই লগে লগে দৰখাস্তখনৰ খচৰা এটা কৰিলোঁ আৰু মুখাৰ্জী মহোদয়ে নিজৰ অফিচৰ কৰ্মচাৰী এজনৰ হতুৱাই ততালিকে দৰখাস্তখন টাইপ কৰালে। জ্বৰত ভুগি শয্যাশাৰী অৱস্থাত থাকিও সেইগৰাকী মহানুভৱ ব্যক্তিয়ে আমাক আশাতীতভাৱে সহায় সাহায্য আগবঢ়ালে। তেখেতৰ মহত্ব, তেখেতৰ সততাৰ এয়ে নিদৰ্শন। সেই দিনাই তেখেতক মই মোক জীৱনত প্ৰথম লগ পাওঁ। ডঃ মুখাৰ্জীৰ যেনে কথা তেনে কাম। তাৰ অকণো হেৰ ফেৰ হ'ব নোৱাৰে। ১৯৪৬-৪৭ চনৰ পৰাই আমাৰ কলেজে স্বীকৃতি পালে। কলেজৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে পৰম কাৰুণিক ভগৱানৰ কৰুণাৰ প্ৰতি প্ৰাৰ্থনা জনাই ডঃ মুখাৰ্জীয়ে মোলৈ এখন ব্যক্তিগত চিঠিও লিখে। ১৯৪৫-৪৬ চনৰ বাবে স্বীকৃতি নাপালেও কিন্তু প্ৰথম চাম ল'ৰা-ছোৱালীৰ বিশেষ অসুবিধা নহ'ল। ছোৱালী কেইজনীয়ে 'প্ৰাইভেট' হিচাপে পৰীক্ষা দিলে। ছাত্ৰসকলৰ প্ৰতিজনেই আছিল হয় এম.ই. নহয় হাইস্কুলৰ শিক্ষক। সেই অৰ্হতালৈয়ে তেওঁলোকে পৰীক্ষাত বহিল। কলিকতা বিশ্ববিদ্যালয়ৰ নিৰ্দেশ অনুসৰি সকলো পৰীক্ষাৰ্থীয়ে ১৯৪৭ চনত যোৰহাট কেন্দ্ৰত পৰীক্ষা দিয়ে।

আমাৰ কলেজক স্বীকৃতি দিয়া সম্পৰ্কে কলেজ পৰিদৰ্শন কৰিবলৈ কলিকতা বিশ্ববিদ্যালয়ে কলেজ-ইন্সপেক্টৰ স্বৰ্গীয় সতীশ চন্দ্ৰ ঘোষ ডাঙৰীয়াক পঠিয়ায় ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত। তৎপূৰ্বে মই ঘোষ মহাশয়ক কলিকতাত দেখা কৰোঁতে তেখেতে কৈছিল যে কলেজৰ পুঁজিৰ নামত কম পক্ষেও ষাঠী হেজাৰ টকা (৬০,০০০) বেঙ্কত জমা থকা দেখুৱাব লাগিব। ধন-সংগ্ৰহ কমিটিৰ অক্লান্ত পৰিশ্ৰমৰ ফলত পৰিদৰ্শক মহোদয় আহি পোৱাৰ আগে আগে পুঁজিৰ চাৰি কুৰি চাৰি হাজাৰ টকা জমা কৰে। ইয়াৰ উপৰিও কলেজৰ পুথিভৰালৈলে ৰায়বাহাদুৰ হনুমানবক্স কানৈ ডাঙৰীয়াই দহ হেজাৰ টকাৰ অনুদান এটি আগবঢ়ায়। পৰিদৰ্শক ঘোষ মহোদয়ে শিক্ষকসকলৰ অৰ্হতা তথা টনকিয়াল পুঁজিত সন্তুষ্ট হৈ কলেজক স্বীকৃতি দিলে।

১৯৪৯ চনত অসমৰ তৎকালীন ৰাজ্যপাল শ্ৰীপ্ৰকাশে আমাক কলেজ পৰিদৰ্শন কৰে। কলেজৰ আৰম্ভণিত শিক্ষকসকলৰ অবৈতনিক শিক্ষাদান কাৰ্য্যৰ উল্লেখ কৰি তেখেতে কয়, "মই জানিব পাৰি সুখী হৈছোঁ যে এইখন কলেজৰ প্ৰতিষ্ঠা হৈছে ত্যাগৰ ভিত্তিত, ইটা বা লোহা-লক্কৰৰ ভিত্তিত নহয়। যি বস্তু ত্যাগৰ ওপৰত প্ৰতিষ্ঠিত সি যুগমীয়া।" আমাৰ তৰফৰ পৰা আমি সংস্কৃত ভাষাৰেই তেখেতলৈ স্বগতম জনাইছিলো, মানপত্ৰ দিছিলোঁ। শ্ৰীপ্ৰকাশে মানপত্ৰ গ্ৰহণ কৰি ক'লে, 'অসম ৰাজ্যত আজিয়েই প্ৰথম মই সংস্কৃত ভাষাত ৰচিত মানপত্ৰ পালোঁ। কলেজীয়া জীৱনেই মই সংস্কৃতৰ মাধ্যমেৰে কথা ক'ব পাৰিছিলোঁ, অথচ আমি নোৱাৰোঁ - এইবাবে সঁচাই মই লজ্জিত।" শ্ৰীপ্ৰকাশ আছিল পৃথিৱী বিখ্যাত পণ্ডিত ধৰ্মবিদ দাৰ্শনিক ডঃ ভগৱান দাসৰ সুপুত্ৰ। শ্ৰীপ্ৰকাশে আমাৰ লিখিত সংস্কৃতৰ স্বাগতম পত্ৰখনিৰ আঠটা নকল খুজিলে। সময় তালিকা অনুসৰি আমাৰ কলেজ পৰিদৰ্শনৰ বাবে শ্ৰীপ্ৰকাশৰ সময় আছিল মাথোঁ পাঁচ মিনিট, তেখেতে কিন্তু পুৰা পঞ্চচল্লিশ (৪৫) মিনিট আমাৰ লগত কটালে।

কলেজৰ প্ৰথম সৰস্বতী পূজাখন জৰ্জ স্কুলৰ চৌহদতেই এক আনন্দমুখত অথচ গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশৰে পালন কৰা হয়। সেই সময়ত একে চৌহদতে কেন্দ্ৰীয় চৰকাৰৰ Observatory ও পতা হৈছিল। ইয়াৰ ভাৰপ্ৰাপ্ত বিষয়া মৰমিয়াল ভদ্ৰলোক শ্ৰীমিহিৰ বসু, এম.এচ.চি. ডাঙৰীয়াই বিনা খৰচতে পূজামণ্ডপ আৰু কেইকাষৰ কোঁঠালীত বিদ্যুৎ বস্তিৰ যোগাযোগ কৰাই দিছিল। প্ৰথম বাৰ্ষিকৰ ছাত্ৰ শ্ৰীমাখন বৰাই মিঠাইৰ খৰচ বহন কৰিছিল। কলেজৰ প্ৰথম সাত-আঠ বছৰলৈকে সৰস্বতী দেৱীৰ উপাসনাত তথা শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি, জন্মাষ্টমী, ঈদ মেহ্‌ফিল আদি উৎসৱবোৰৰ উদ্‌যাপনত বাহ্যিক আড়ম্বৰ নাছিল, কিন্তু আছিল গাম্ভীৰ্য্য, পবিত্ৰতা আৰু আন্তৰিকাত। সৰস্বতী পূজাৰ শিক্ষক-ছাত্ৰই মিলি সমকণ্ঠে দেৱীৰ স্তুতি-প্ৰশস্তি গাইছিল, ঘন্টাৰ পিচত ঘন্টা ধৰি কীৰ্ত্তন গোৱাত আগভাগ লৈছিল অধ্যাপক বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্যই। দুই এক ছাত্ৰ সমন্বিতে মই দেৱীৰ বিভিন্ন স্তোত্ৰ পাঠ কৰিছিলোঁ। তেনে মহত্ত্ব, পৱিত্ৰতা, আন্তৰিকতা আৰু একনিষ্ঠ ভক্তিৰ কথা আজি কল্পনাই কৰিব নোৱাৰি।

১৯৪৭ চনত কলেজৰ শিক্ষক-ছাত্ৰই মিলি ঘৰে ঘৰে ধন-সংগ্ৰহ কৰাৰ এটা চেষ্টা চলায়। সমূহ ছাত্ৰবিলাকক আঠটা দলত ভাগ কৰি প্ৰতি দলকে দুগৰাকী শিক্ষকৰ অধীনত দিয়া হ'ল। আঠ গৰাকী শিক্ষকে চহৰখনৰ আঠটা ভাগৰ পৰা কিছু ধন সংগ্ৰহ কৰিলে। মই নিজেও এটা দলৰ ভাৰ লৈছিলোঁ।

আমাৰ চেষ্টাৰ ফলস্বৰূপে এঘাৰ দিনত এঘাৰ হাজাৰ টকা তোলা হ'ল। এই ধন সংগ্ৰহ কাৰ্য্যৰ লগত জড়িত এটা বিশেষ ঘটনা আজিও মোৰ মনত অমৰ হৈ আছে। বজাৰ অঞ্চলত সকলো পৰ্য্যায়ৰ মানুহৰ পৰাই চান্দা তোলা লৈছিলো। আমি শিক্ষক-ছাত্ৰসকলৰ খোজ কাঢ়ি কাঢ়ি দুৱাৰে দুৱাৰে, দোকানে দোকানে গৈ চান্দা তোলাৰ উৎসাহ-উদ্দীপনা দেখি চিগাৰেট দোকানী পাণ দোকানী আদি নিম্নবিত্তৰ - অলপীয়া ধনৰ লোকসকলেও আমাক বিমুখ নকৰিছিল; তেওঁলোকৰ সাধ্যানুসাৰে কোনো কোনোৱে দু-অনালৈকে কলেজৰ নামত অৰিহণা যোগাইছিল। এদিনৰ কথা - দিনৰ এটা ভাগত বজাৰত চান্দা তুলি, আমি কলেজলৈ ঘূৰি আহিছোঁ। এনেতে দেখোঁ এজন ৰিক্সাৱালা (Rickshaw-wala) আমাৰ ফালে আগবাঢ়ি আহিছে আমি আহি সি আমাৰ ওচৰ পালে আৰু আমাৰ সন্মুখৰ মেজখনতে টকা এটা থৈ ক'লে, "চাৰ, আপোনালোকে চান্দা তোলোঁতে মই বজাৰত নাছিলোঁ। সেইবাবে মোৰ চান্দাকণ দিবলৈহে ইয়ালৈ আহিছোঁ।" এই মহান ৰিক্সাৱালাৰ মহত্ত্বই মোক ভাৱপ্ৰণোদিত কৰি তুলিলে। মেজৰ পৰা টকাটো তুলি ললোঁ আৰু এটা বাকচত ভৰাই বাকচটোৰ গাত লিখি থ'লো ঃ "Princely donation of a noble soul" (এখনি মহৎ অন্তৰৰ এক ৰাজ-অৰদান)। মহত্ত্বপূৰ্ণ এই সৰু ঘটনাটি মোৰ মানসপটত চিৰ উজ্জ্বল, চিৰ সেউজীয়া।

১৯৪৭ চনত কলেজখন চৰকাৰী ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়ে খালী কৰি দিয়া খেৰীঘৰলৈ স্থানান্তৰিত কৰা হয়। ১৯৫০ চনলৈকে আমাৰ কলেজত কলা বিষয়তহে শিক্ষাদান কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪২ চনত স্থাপিত হয় আৰু তেতিয়াৰ পৰাই আমাৰ কলেজখন ইয়াৰ অধীনলৈ অনা হয়। ১৯৪৯ চনত বি.এ. মহলাৰ প্ৰথম দলটো ওলায়। এজন ছাত্ৰৰ বাহিৰে আটাইকেইজন ছাত্ৰই কৃতকাৰ্য্য হয়। আকৌ ছাত্ৰীৰ পিনৰ পৰা শ্ৰীমতী সুকৃষ্ণা বসু নামৰ ছোৱালী এজনীয়ে কৃতকাৰ্য্যতা লাভ কৰে। তেওঁ অধ্যাপক নিৰ্মল কুমাৰ বসুৰ ভনীয়েক।

কেইবা বছৰো ধৰি শিক্ষকসকলৰ কেইগৰাকীমান শিক্ষকে নিজৰ নিজৰ বিষয়সমূহৰ উপৰিও অন্য বিষয়ৰো অধ্যাপনা কৰিব লাগিছিল। অথচ তাৰ বাবে তেওঁলোকে অতিৰিক্ত পাৰিশ্ৰমিক বিচৰা নাছিল। অধ্যাপক উমাপ্ৰসন্ন দেই তেখেতৰ অধ্যাপনাৰ বিষয় ইংৰাজীৰ উপৰিও বাণিজ্য ভূগোলৰ অধ্যাপনা কৰিছিল। অধ্যাপক বীৰেন্দ্ৰ ভট্টাচাৰ্য্য আৰু মোৰ মাজত বঙালী বিষয়ৰ পাঠ্যদান ভগাই লৈছিলোঁ। অধ্যাপক সুশীল দত্ত টেক্সটাইল অফিচাৰ (Texile officer) হৈ শিৱসাগৰলৈ বদলি হোৱাত মই Logic আৰু Indian Philosophyৰ অধ্যাপনা কৰিছিলোঁ। আনহাতে মোৰ নিজৰ বিষয় সংস্কৃত আৰু ইংৰাজীতটো অধ্যাপনা কৰিব লাগিছিলেই। অধ্যাপক মনীন্দ্ৰ চক্ৰৱৰ্ত্তীয়ে নিজৰ বিষয় Philosophy ৰ বাদেও Bengali Second Languageৰ অধ্যাপনা কৰিছিল। বিশ্ববিদ্যালয়ে কিছুমান ছাত্ৰীক বি.এ. শ্ৰেণীত Bengali Second Language লবৰ বাবে অনুমতি দিছিল। সেয়েহে মাত্ৰ দুবছৰৰ বাবে এই বিষয়টোৰ অধ্যাপনাৰ ব্যৱস্থা কৰিব লগাত পৰিছিল।

ইয়াৰ পিছত দুগৰাকী প্ৰখ্যাত সাহিত্যিকে এজনৰ পাছত আনজনে অসমীয়া বিভাগৰ আসন অলংকৃত কৰিছিল। তেখেতসকল যথাক্ৰমে বেনুধৰ ৰাজখোৱা আৰু কবি যতীন্দ্ৰ নাথ দুৱৰা। অসমীয়া বিভাগৰ প্ৰথম অধ্যাপক আৰু সেই সময়ৰ ডিব্ৰুগড়ৰ যোগান বিষয়া (Supply officer) শ্ৰীসুৰেন্দ্ৰনাথ শৰ্মাও এজন কবি আৰু সুপণ্ডিত আছিল। ডিব্ৰুগড়ৰ পৰা বদলি হৈ যোৱাৰ সময়ত তেখেতে কলেজৰ পুঁজিলৈ এশ টকীয়া এটি বৰঙণি আগবঢ়াইছিল।

ইয়াৰ পিছত আই. কম. আৰু বি. কম. শ্ৰেণী একেলগে খোলা হয়। ১৯৪৮ চনত পোনপ্ৰথমে কেৱল সংস্কৃত বিভাগত অনাৰ্চ খোলা হয়। ইয়াৰ বাবে সেই সময়ৰ উপাচাৰ্য্য ডঃ কৃষ্ণকান্ত সন্দিকৈয়ে আমাক অভিনন্দন জনায়। প্ৰথম বাৰৰ বাবে সংস্কৃত অনাৰ্চত মাত্ৰ এজনী ছোৱালী আছিল। তেওঁ ১৯৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম স্থান লাভ কৰে। তেওঁৰ নাম আছিল শ্ৰীমতী তৃপ্তি ভট্টাচাৰ্য্য। সংস্কৃতৰ পিছত যথাক্ৰমে বুৰঞ্জী, অৰ্থনীতি আৰু আন আন বিষয়ত অনাৰ্চ খোলা হয়। ইয়াৰ লগে লগে কমাৰ্চ আৰু বিজ্ঞানৰ বিষয়বোৰতো অনাৰ্চ হয়।

১৯৫০ চনতে বুৰঞ্জী বিভাগৰ প্ৰধান অধ্যাপক লক্ষ্মীপ্ৰসাদ দত্ত কলেজৰ উপাধ্যক্ষ পদত নিযুক্তি হয়। আৰম্ভণিৰে পৰা দত্ত ডাঙৰীয়াই কলেজৰ সৰ্বাংগীন উন্নতিৰ বাবে মনোযোগ দিছিল। অক্লান্ত কৰ্মী আৰু সুসংগঠক হিচাপে তেখেত কলেজৰ এখন বিশিষ্ট সদস্য হৈ পৰিছিল। যেতিয়া

মই কলেজৰ শিক্ষাদান, পুথিভঁৰাল, অধ্যয়নচক্ৰ, শিক্ষক সংস্থাৰ সাংস্কৃতিক অনুষ্ঠান বা নিয়মানুৱৰ্ত্তিতা আদি বিষয়ৰ প্ৰতি মন দিছিলোঁ, তেতিয়া তেখেতে কলেজৰ ঘৰ-দুৱাৰ বা ছাত্ৰাবাসৰ উন্নয়নমূলক পৰিকল্পনাবোৰৰ ৰূপায়ণত যত্ন কৰিছিল। আমাৰ সম্পৰ্ক সদায়েই সৌহাৰ্দ্যপূৰ্ণ আৰু ভাতৃভাবাপন্ন আছিল। চাৰিবেৰৰ মাজত থকা এজন অধ্যক্ষতকৈ মোৰ কৰ্ত্তব্য শিক্ষক হিচাপে বা নিয়মানুৱৰ্ত্তী হিচাপে বেচি আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক হিচাপে মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু আৰ. আৰ. টমাচে আমাৰ কলেজ দুবাৰ পৰিদৰ্শন কৰিছিল। অধ্যক্ষ আৰু উপাধ্যক্ষৰ মাজৰ সম্বন্ধলৈ লক্ষ্য কৰি ছাত্ৰ আৰু অধ্যাপকসকলৰ আগত তেখেতে এইদৰে মন্তব্য দিছিল - "এইখন ৰাজ্যৰ বহুতো কলেজ মই পৰিদৰ্শন কৰিলোঁ, কিন্তু মই ক'তো অধ্যক্ষ আৰু উপাধ্যক্ষৰ মাজত এনে সম্বন্ধ দেখা নাই। আত্মাহীন শৰীৰে কাম চলাব নোৱাৰে, ঠিক তেনেকৈ শৰীৰ বিহীন আত্মাইও কাম চলাব নোৱাৰে। সেয়েহে মই দত্ত আৰু বসু ডাঙৰীয়াক এই কলেজৰ যথাক্ৰমে শৰীৰ আৰু আত্মাৰূপে অভিহিত কৰিছোঁ।"

প্ৰথম দৰ্শনতে পৰিদৰ্শক টমাচ মহোদয়ে আমাৰ কলেজৰ চাফ-চিকুণতা, নিয়মানুৱৰ্ত্তিতা, পুথিভঁৰাল আৰু শিক্ষকসকলৰ ভাতৃস্বৰূপ সম্পৰ্ক দেখি বৰ আচৰিত আৰু আনন্দিত হৈছিল। তেখেতে মন্তব্য দিছিল এইবুলি "মই কলেজৰ খেৰীঘৰৰ ভিতৰতে ৰাজকীয় ব্যৱস্থা এটাৰ আভাস পাইছোঁ।" "Imperial arrangement within a cottage" ইএ পৰিৱেশত নিয়মানুৱৰ্ত্তিতাই ভালদৰে বিৰাজ কৰিছে। ইয়াৰ শিক্ষকসকলে যি উমৈহতীয়া দায়িত্বশীলতাৰ কাম কৰিছে, মই ভাবোঁ এই দায়িত্ববোধৰ আদৰ্শ অন্যান্য কলেজৰ বাবেও অনুকৰণীয়"। আমি কলেজৰ গুৰি ধৰোঁতাসকলে সংঘবদ্ধ তথা ঐক্যবদ্ধতাৰে একে পৰিয়ালৰ মানুহৰ দৰে দায়িত্ব বহন কৰিছিলোঁ। শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তৰ অফিচৰ বোজা কঢ়িওৱা গাড়ীৰ নিচিনা এখন মটৰ গাড়ী আছিল। প্ৰায়েই আমি কলেজৰ বিভিন্ন কামৰ বাবে গাড়ীখন ব্যৱহাৰ কৰিছিলোঁ। আমাক তেনেকুৱাকৈ ঘূৰি থকা দেখিলে বহুতো নাগৰিকে এইদৰে মন্তব্য দিছিল "ডিব্ৰুগড় কলেজৰ দলটো আহিছে।" কিছুমানে আকৌ কয় "তেখেতসকলক সদায় একেলগে দেখা যায়।" সেই সময়ত বি.এ. মহলাত ছাত্ৰৰ সংখ্যা নিচেই তাকৰ আছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষা আৰম্ভ হোৱাৰ আগদিনাখন আমি প্ৰতিজন ছাত্ৰৰ ঘৰলৈ গৈছিলো। এনেকৈ যাওঁতে আমাৰ বাহন আছিল শ্ৰীদত্তৰ গাড়ীখন। প্ৰতিজন ছাত্ৰকে লগ ধৰিছিলো, প্ৰতিজনকে উৎসাহ দিছিলোঁ - আশীৰ্বাদ দিছিলোঁ। প্ৰথম দিনাৰ পৰীক্ষাৰ ঠিক আগে আগে ওপৰ মহলাৰ ছাত্ৰসকলে প্ৰতিজন পৰীক্ষাৰ্থীৰ কপালত তিলক পিন্ধাইছিল। মোৰ ফালৰ পৰা মই এখন লজন্সেৰে ভৰা ট্ৰে পঠিয়াই দিওঁ। ট্ৰেখনৰ ওপৰত লিখি পঠিয়াওঁ - goodwill lozens পৰীক্ষাৰ্থীসকলেও হাতত "Good will Lozens" লৈ পৰীক্ষাগৃহত প্ৰৱেশ কৰে।

১৯৫০ চনত বিজ্ঞান শাখা খোলা হয়। ইয়াৰ লগে লগেই ডিব্ৰুগড় কলেজৰ নাম ৰখা হ'ল 'ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজ'। হনুমানবক্স সুৰযমল কানৈ ফাৰ্ম লিমিটিডে কলেজৰ বিজ্ঞান শাখা খোলাৰ বাবে এক লাখ টকা দান দিয়ে আৰু সেই বাবেই কলেজৰ এই নতুন নামকৰণ হয়। কলেজৰ বিজ্ঞান শাখাৰ স্বীকৃতি দিয়াৰ সম্পৰ্কে গুৱাহাটী বিশ্ববিদ্যালয়ে দুজনা বিশিষ্ট অধ্যাপকক কলেজ পৰিদৰ্শন কৰিবলৈ নিয়োগ কৰে। তেখেতসকল দুজনা হ'ল কলিকতাৰ ডঃ জে.চি. বৰ্ধন, ডি.এচ.চি. (ড'বল) আৰু আমাৰ অসমৰে ডঃ হিৰণ্য চন্দ্ৰ ভূঞা ডাঙৰীয়া। স্বৰ্গীয় ডঃ ৰোহিনীকান্ত বৰুৱা আমাৰ বিজ্ঞান শাখাৰ উপদেষ্টা আছিল। তেখেত কলেজৰ গৱৰ্ণিং ব'ডিৰো সদস্য আছিল। তেখেতৰ নিৰ্দেশ অনুসৰিয়ে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান বিষয়কেইটাৰ বিজ্ঞানাগাৰ (Laboratories) খোলা হৈছিল। ডঃ বৰুৱাই এই বিষয়ত একান্ত নিষ্ঠা পোষণ কৰিছিল আৰু বিজ্ঞানাগাৰৰ নিৰ্মাণ কাৰ্য্য চলি থকা অৱস্থাত তেখেতে কৰ্মীসকলকে ধৰি সকলো কাম-কামবোৰত চকু দিছিল। পৰিদৰ্শকদ্বয় ডঃ বৰ্ধন আৰু ডঃ ভূঞা বিজ্ঞানাগাৰ কেইটা দেখি পৰম সন্তুষ্ট হৈছিল, তদনুসৰি স্বীকৃতিও প্ৰদান কৰিছিল। পৰিদৰ্শন টোকাত তেখেতসকলে জীৱবিজ্ঞানৰ বিজ্ঞানাগাৰটোৰ বিষয়ে এনেদৰে মন্তব্য কৰিছিলঃ "গোটেই অসমৰ ভিতৰতে সৰ্ব্বশুদ্ধ এক আদৰ্শ বিজ্ঞানাগাৰ" (the ideally perfect laboratory in the state)। বিজ্ঞান শাখা স্থাপন কৰিবলৈ চৰকাৰে বেৰি হোৱাইট মেডিকেল স্কুলৰ পুৰণি ঘৰটোৰ এটা অংশ আমাক দিছিল আৰু তাৰ কাৰণে চৰকাৰে কলেজৰ পৰা ভাড়া লৈছিল।

খেল-ধেমালি, বিৰ্তক প্ৰতিযোগিতা বিষয়তো আমাৰ ছাত্ৰসকলে সমগ্ৰ অসমৰ ভিতৰত হোৱা প্ৰতিযোগিতা এনেকি আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতাতো যথেষ্ট সুনাম আৰু বঁটা অৰ্জন কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ শতবাৰ্ষিকী উৎসৱ উপলক্ষে আহ্বান কৰা আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰীতপন লাল বৰুৱা আৰু শ্ৰীচৈফুদ্দিন আহমেদে আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোকৰ দলটোক দ্বিতীয় সৰ্ব্বশ্ৰেষ্ঠ দল বুলি ঘোষণা কৰা হৈছিল। এন.চি.চি. ত আমাৰ কেডেট শ্ৰীপ্ৰদোষ দত্তক নিউ দিল্লীৰ পথাৰত সৰ্ব্বশ্ৰেষ্ঠ কেডেটৰ সন্মান দিয়া হৈছিল। আমাৰ কিছুমান ছাত্ৰক 'মিঃ অসম' আৰু 'মিঃ ইউনিভাৰচিটি' উপাধিৰে বিভূষিত কৰা হৈছিল। আন্তঃ বিশ্ববিদ্যালয় ক্ৰীড়া মহোৎসৱত আমাৰ কিছুমান ছাত্ৰই প্ৰতিষ্ঠা কৰা ৰেকৰ্ড আজিলৈকে অনতিক্ৰমা আৰু অতুলনীয় হৈয়েই আছে - শিৱ গগৈৰ "হেমাৰ থ্ৰ" (Hammer Throw), মদন সোনোৱালৰ (Javelin throw) ইত্যাদিৰ ৰেকৰ্ড এই ক্ষেত্ৰত উল্লেখযোগ্য। ঠিক সেইদৰে বিশ্ববিদ্যালয়-পঞ্জীৰ পাত লুটিয়াই চালে বিজ্ঞান, বাণিজ্য কলা আদি বিষয়ত আমাৰ ছাত্ৰসকলৰ চমকপ্ৰদ ফলাফলৰ উমান পোৱা যায়। আমাৰ কলেজৰ উৎকৃষ্টতম ছাত্ৰ শ্ৰীতপনলাল বৰুৱাৰ নামটোৱে মোক আমাৰ গৌৰৱময় কাহিনী এটাৰ কথা মনত পেলাই দিয়ে। বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পৰীক্ষাত অৱতীৰ্ণ হওঁতে শ্ৰীবৰুৱাই ইংৰাজী বিষয়ত তৃতীয়খন প্ৰশ্ন কাকতত 'Gandhian Politics' নামৰ ৰচনাখন পৰীক্ষা হলত চেষ্টা চলাই লিখি পেলাইছিল। অধ্যাপক ডি.এন. ঘোষৰ 'College Essays' নামৰ হেল্পবুকখনে ছাত্ৰসমাজত বিস্তৃত সুখ্যাতি লাভ কৰিছে। এই কিতাপখনৰ এটি সংস্কৰণৰ শেষৰ ফালে অধ্যাপক ঘোষে পৰীক্ষাৰ বহীত পোৱা, ছাত্ৰসকলে পৰীক্ষা ঘৰত লিখি উলিওৱা, কেইখনমান ৰচনা সংযোগ কৰি দিছিল। তেওঁ সেই বহীবোৰৰ ৰোল নম্বৰ আৰু পৰীক্ষা কেন্দ্ৰবোৰৰ নাম উল্লেখ কৰিছিল। তপনলাল বৰুৱাই লিখা Gandhian Politics নামৰ গোটেইখন ৰচনা গ্ৰন্থকাৰ ঘোষে উচ্চ প্ৰশংসাৰে সৈতে তাত সংযোগ কৰিছিল। তপনলালৰ পৰীক্ষা কেন্দ্ৰৰ নাম আৰু ৰোল নম্বৰবোৰ বিচাৰি উলিওৱা হৈছিল। মই অধ্যাপক ঘোষলৈ পৰীক্ষাৰ্থীৰ নাম লিখি পঠাইছিলোঁ। তেখেতে সেই পৰীক্ষাৰ্থীজনক তেখেতৰ আন্তৰিক অভিনন্দন জনাবলৈ মোক অনুৰোধ জনাই উত্তৰ দিছিল।

আমাৰ কলেজ-পুথিভঁৰালটো গুৰুত্ব আৰু সংখ্যা গৰিষ্ঠতা উভয় দিশৰপৰা এটি আপুৰুগীয়া সম্পদ। সম্ভৱতকৈও অধিক বছৰীয়া চৰকাৰী কটন কলেজৰ বাহিৰে অসমৰ কোনোখন চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত কলেজত ইমান বেচি সংখ্যাক কিতাপ নাই। আমাৰ প্ৰদেশৰ বহুতো চৰকাৰী সাহায্যপ্ৰাপ্ত কলেজ পৰিদৰ্শন কৰাৰ সৌভাগ্য মোৰ ঘটিছে। সংবাদপত্ৰ, আলোচনীৰ বাহিৰেও বৰ্ত্তমান আমাৰ কলেজ-পুথিভঁৰালত ৪১,০০০ (একচল্লিশ হাজাৰ)তকৈ অধিক সংখ্যক কিতাপ আছে। ১৯৪৫ চনৰ পৰা ১৯৬৭ চনলৈ এই কালছোৱাত মই কলেজৰ অধ্যক্ষপদত আছিলো। গোটেই কালছোৱাতে মই এটা কাম কৰিছিলোঁ - ভাৰতৰ যিমানবোৰ বিভিন্ন ঠাইলৈ মই গৈছোঁ সেইবোৰৰ কিতাপৰ দোকানবোৰলৈ মই যাওঁ আৰু কলেজৰ পুথিভঁৰালৰ বাবে দুষ্প্ৰাপ্য কিতাপ সংগ্ৰহ কৰোঁ, সকলো বিষয়ৰ কিতাপ। কেতবোৰ কিতাপ মোৰ নিজৰ তৰফৰ পৰাও কলেজৰ পুথিভঁৰালত দান দিছিলোঁ। যেনে - International Library of Famous Literature, Historian's History of the World, গ্ৰীক মূল আৰু ইংৰাজী অনুবাদেৰে সৈতে Plutarch's History খণ্ডবোৰ, দৰ্শনৰ কেতবোৰ কিতাপ, ইত্যাদি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৎকালীন উপাচাৰ্য্য পণ্ডিত প্ৰবৰ ডঃ কৃষ্ণকান্ত সন্দিকৈদেৱে প্ৰবেশিকা পৰীক্ষাৰ কেন্দ্ৰ সম্পৰ্কীয় কামত আমাৰ কলেজলৈ প্ৰথমবাৰ আহোঁতে গোটেই গ্ৰন্থাগাৰটো ঘূৰি-পকি চাই চমকপ্ৰদ গ্ৰন্থ-সংগ্ৰহ দেখি ভূয়সী প্ৰশংসা আগবঢ়াইছিল। মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু ডঃ বাণীকান্ত কাকতিদেৱেও আমাৰ কলেজলৈ ১৯৫২ চনত আহোঁতে ডঃ সন্দিকৈৰ প্ৰশংসা-বাণীকে দোহাৰিছিল। আমাৰ গ্ৰন্থাগাৰত থকা দুখন কিতাপৰ প্ৰকাশৰ ঠিকনা দুটিও ডঃ কাকতিদেৱে টুকি লৈছিল। কিতাপ দুখন আছিল Dr. Jan Gonda ৰ Sanskrit in Indonesia আৰু ব্ৰজেন্দ্ৰনাথ শীলৰ "Positive Science of the Hindu" ডঃ কাকতিদেৱে মন্তব্য কৰি গৈছিল, "এই দুখন কিতাপ অসমৰ কোনো পুথিভঁৰালতে - আনকি বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰতো নাই"। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে আমাৰ কলেজৰ স্নাতক মহলাৰ স্বীকৃতি প্ৰদান সম্পৰ্কত গুৱাহাটী বিশ্ববিদ্যালয়ে ডঃ

কাকতিক ১৯৪৮ চনত পৰিদৰ্শনৰ ভৰি দিছিল। ময়ো আগধৰি তেখেতলৈ এখন চিঠি লিখিলোঁ এইবুলি যে তেখেতে যাতে পৰিদৰ্শনৰ তাৰিখটো দয়া কৰি দুদিনমান আগতে জনায়, কাৰণ আমি তেখেতৰ এটা বক্তৃতাৰ আয়োজন কৰিব খোজোঁ। মোৰ চিঠিৰ উত্তৰত তেখেতে লিখি পঠালে "I am not going to inspect your College. When a Scholar like you is the principal no inspection of necessary. I have recommended affiliation." (তোমালোকৰ কলেজ পৰিদৰ্শন কৰিবলৈ মই নাযাওঁ। তোমাৰ দৰে এজন বিদ্বান ব্যক্তি অধ্যক্ষৰ পদত থাকোঁতে পৰিদৰ্শনৰ কোনো প্ৰয়োজন নাই। মই স্বীকৃতি মঞ্জুৰ কৰিছোঁ।) মোৰ 'বিদ্যাৰ দৌৰ' কিমান, মই কিমানখিনি পাব পাৰিছোঁ, মোৰ সীমিত জ্ঞানৰ কথা মই জানো। ডঃ কাকতিৰ মন্তব্যটি নিশ্চয় মোৰ প্ৰতি থকা তেখেতৰ উদাৰ হৃদয়ৰ স্নেহ আৰু বিশ্বাসৰহে নিদৰ্শন। জীৱনৰ প্ৰতি ক্ষেত্ৰতে মই নিজকে এজন ছাত্ৰ হিচাপে, এজন নিঃকিন জ্ঞানভিকহু হিচাবেহে পৰিচয় দিওঁ।

আমাৰ কলেজত ১৯৫৪ চনৰ পৰা ১৯৫৬ চনলৈ দুবছৰো অধিক কালধৰি শিক্ষকসকলৰ বাবে শিক্ষাৰ উচ্চ মানবিশিষ্ট সাংস্কৃতিক অনুষ্ঠান এটি চলোৱা হৈছিল। অনুষ্ঠানটিৰ বাবে পাবলগীয়া যশস্যাৰ গৰাকী হ'ল তেতিয়াৰ ইংৰাজীৰ অধ্যাপক সুখময় বসু। প্ৰতি শনিবাৰে বিয়লি ৪ বজাত অনুষ্ঠানটি বহিছিল। প্ৰতি বৈঠকতে কলেজৰ এজন শিক্ষকক এটি বক্তৃতা দিয়াৰ ভাৰ দিয়া হৈছিল। নিৰ্দিষ্ট দিনৰ এমাহৰ আগতে তেখেতক জাননী দিয়া হৈছিল। তেখেতে নিৰ্দ্দিষ্ট দিনৰ ভাষণ দিছিল। ক'লা, বিজ্ঞান, বাণিজ্য সকলো বিষয়ৰে বক্তৃতা চলিছিল। তেনে কেইটামান বক্তৃতা উল্লেখযোগ্য সুখময় বসুৰ "Action in Shakespeare's Darma" মোৰ নিজৰ 'Aristotle Theory of Arts - a Critical Evalution,' হৰিদেৱ গোস্বামীৰ 'What is Atom', ব্ৰজেন দাসৰ 'Shelley and Yeats', নিৰ্মল বসুৰ 'Rationalisation of Industries', বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্ত্তীৰ 'Economic Development', মনীন্দ্ৰ চক্ৰৱৰ্ত্তীৰ 'New Horizons of Psychology', আশুতোষ বিশ্বাসৰ 'Aspects of moral Education,' মোৰ অইন এটা 'Study of Indian Culture outside India in Every part of the Globe', বালকৃষ্ণ মেননৰ 'Science of Biology in a changing World' ইত্যাদি। শ্ৰীসুখময় বসু এতিয়া কৰিমগঞ্জ কলেজৰ অধ্যাপক।

সংস্কৃত, অৰ্থনীতি আৰু বুৰঞ্জীৰ আলোচনা-চক্ৰই আৰম্ভণিৰে পৰাহে উন্নত মানদণ্ডত কাম কৰি আছিল। কলেজৰ স্নাতক মহলাৰ প্ৰথম ছটা চাম ইমান বুদ্ধিমান আৰু জ্ঞানপিপাসু আছিল যে ইংৰাজী সাহিত্যৰ বিভিন্ন বিষয়ত মই বক্তৃতা দিবলগীয়া হৈছিল। ভাষণবোৰ সাধাৰণতে 'পাছক'চৰ শ্ৰেণীত দিয়া হ'লেও সিবোৰৰ মানদণ্ডই 'অনাৰ্চ'ৰ সীমাকো দেই গৈছিল। বসন্ত ভুঁএগ্ৰা, গিৰীন্দ্ৰ কাকতি আদি কেইজনমান ছাত্ৰই সংক্ষিপ্ত লিপি প্ৰণালী (Short hand) জানিছিল; তেওঁলোকে আমাক ভাষণ ঠাইতে লিখি লৈছিল। তাৰ পিছত টাইপ কৰি তাৰ নকল আমাক দিছিলহি।

তৰ্ক-প্ৰতিযোগিতা আছিল কলেজ জীৱনৰ এটা অঙ্গ। তৰ্ক কৰা কৌশল বা আদব-কায়দা শিকাবলৈ শিক্ষকসকলৰ দ্বাৰা মোহৰা দিয়া হৈছিল। মোহৰাবিলাকৰ ভিতৰত এটা ইমান চিত্তাকাৰ্যক আৰু প্ৰাণোচ্ছল আছিল যে আজিলৈকে মই তাক পাহৰিব পৰা নাই। বিষয়টো আছিল, "Democracy in India is a misnomer" অধ্যাপক বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্ত্তীয়ে সপক্ষে আৰু অধ্যাপক হেমেন্দ্ৰ বৰঠাকুৰে বিপক্ষে তৰ্ক কৰিছিল।

সৰস্বতী পূজাৰ পিছদিনাখনেই অনুষ্ঠিত হোৱা সৰস্বতী সন্মিলনত আকস্মিক বক্তৃতা, তৰ্ক আৰু কলা প্ৰতিযোগিতা পতাটো এটা নিয়মীয়া ৰীতিয়ে হৈ পৰিছিল। পিছলৈ গৈ এই প্ৰতিযোগিতাসমূহ 'কলেজ-সপ্তাহ' সমাৰোহত অনুষ্ঠিত হৈছিল।

কানৈ কলেজৰ আলোচনীৰ প্ৰথম সংখ্যাটো প্ৰকাশ পায় ১৯৪৮ চনত। এই সংখ্যাৰ সম্পাদিকা আছিল শ্ৰীমতী ইৰা দত্ত।

কলেজৰ নতুন গৃহ নিমাৰ্ণ কৰা হয় কদমণি অঞ্চলত। নিৰ্মাণ কাৰ্য্য শেষ হয় ১৯৫৭ চনত। ১৯৫৮ চনত এই নতুন ঘৰলৈ কলেজ স্থানান্তৰিত কৰা হয়। তেতিয়াৰ উপায়ুক্ত শ্ৰীলক্ষেশ্বৰ শৰ্মা ডাঙৰীয়াৰ কাৰ্য্যদক্ষতাৰ জৰিয়তে ভাৰতৰ তৎকালীন উপ-ৰাষ্ট্ৰপতি ডঃ সৰ্বৰ্পল্লী ৰাধাকৃষ্ণণদেৱে কলেজৰ নৱনিৰ্মিত গৃহৰ দ্বাৰোদ্ঘাটন কৰিবলৈ সন্মতি প্ৰদান কৰে। ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ তাৰিখে এইগৰাকী

বিশ্ববিখ্যাত পণ্ডিতে ডিব্রুগড়ত পদাৰ্পণ কৰি চহৰখনৰ শোভা বঢ়াইছিল আৰু সেইদিনাই তেখেতে কলেজ-গৃহৰ উদ্বোধন কৰিছিল। তেখেতৰ সমগ্ৰ ভাষণটিকে 'টেপ ৰেকৰ্ড' কৰি ৰখা হৈছিল।

১৯৬০ চনৰ আমাৰ কলেজতে সংস্কৃত, বুৰঞ্জী আৰু অৰ্থনীতিৰ স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্ত্তন কৰা হয়। ১৯৬৭ চনলৈকে স্নাতকোত্তৰ শ্ৰেণী চলাই থকা হৈছিল। গুৱাহাটী বিশ্ববিশ্যালয়ে আমাৰ কলেজৰ স্নাতকোত্তৰ শ্ৰেণী কেইটাক স্বীকৃতি দিছিল। ১৯৬২ চনৰ পৰা এই কলেজৰ পৰা স্নাতকোত্তৰ পৰীক্ষা দিয়া ছাত্ৰসকলে প্ৰাইভেট হিচাপে পৰীক্ষা নিদি ৰেগিউলাৰ হিচাবে পৰীক্ষা দিয়াৰ সুবিধা অৰ্জ্জন কৰিছিল। অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰতহে তেওঁলোকে পৰীক্ষা দিব লাগিছিল।

এই কলেজৰ পৰা সংস্কৃত বিষয়ত স্নাতকোত্তৰ পৰীক্ষা দিয়া ছাত্ৰসকলে সন্তোষজনক সাফল্য অৰ্জন কৰিছিল। উল্লেখযোগ্য যে দুজন ছাত্ৰই প্ৰথম শ্ৰেণী লাভ কৰি সুখ্যাতি অৰ্জ্জন কৰিছিল। অৰ্থনীতি বিষয়ত এজন ছাত্ৰই দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল। সেই বছৰত প্ৰথম শ্ৰেণী কোনো ছাত্ৰই পোৱা নাছিল। সেই কেইবছৰত কেইজনমান অতিৰিক্ত শিক্ষক নিযুক্ত কৰিবলগীয়া হৈছিল, কেৱল স্নাতকোত্তৰ মহলাৰ বাবে। এই মহলাৰ অধিক সংখ্যক শিক্ষকেই কলেজৰ ৰেগিউলাৰ শিক্ষকহে। এখেতসকলে স্নাতকোত্তৰ মহলাত পাৰ্ট-টাইম হিচাবেহে কাম কৰিছিল।

পি.এইচ.ডি. অথবা ডি.ফিল. উপাধি লাভৰ বাবে গৱেষণা কৰি থকা শিক্ষক সকলক কলেজ গ্ৰন্থাগাৰৰ কিতাপ পত্ৰৰ যোগান ধৰা হৈছিল। তদুপৰি উচ্চ শিক্ষা লাভৰ বাবে বিদেশলৈ যাব খোজা শিক্ষকসকলক কলেজে ছুটী মঞ্জুৰ কৰিছিল। এই বিষয়ত অধ্যাপক ভূপেন চৌধুৰী, সলিল কুমাৰ বসু, ভুৱন চন্দ্ৰ চুতীয়াৰ নাম উল্লেখযোগ্য। আমাৰ কলেজৰ পৰা অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীউপেন্দ্ৰনাথ গোস্বামীয়ে তেওঁৰ শোধগ্ৰন্থ 'Kamarupi Dialect'ৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পোনতে D Phil উপাধি লাভ কৰে। অইন কেইগৰাকীমান শিক্ষকেৰে সৈতে মই নিজেও গৱেষণা চলাই আছিলোঁ। এখেতসকলৰ ভিতৰত নিৰ্মলকুমাৰ বসু, আশুতোষ বিশ্বাস, টি.কে. আয়াৰ; জি.বি. এল. দাসৰ নাম উল্লেখযোগ্য।

১৯৪৭ চনৰ পৰা ১৯৫৭ চনলৈ প্ৰায় দহ বছৰ কাল ধৰি আমাৰ কলেজত অইন এটি শ্ৰেণীৰ অৱতাৰণা কৰা হয়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত জীৱনত অপৰ্যাপ্ত উপকাৰিতা সাধন কৰা এই শ্ৰেণীটো আছিল 'পুস্তক-পৰিচয়'। শ্ৰেণীটো খোলাৰ মূল উদ্দেশ্য আছিল প্ৰথম বাৰ্ষিক আৰু তৃতীয় বাৰ্ষিকৰ ছাত্ৰসকলৰ মাজত নতুন কিতাপ আৰু প্ৰখ্যাত প্ৰকাশন পৰিষদৰ সৈতে চিনাকি কৰি দিয়া। ছাত্ৰ-ছাত্ৰীসকলক ন ন কিতাপৰ সৈতে পৰিচয় কৰি দিয়াৰ লগতে সেই কিতাপসমূহ পঢ়িবলৈ তেওঁলোকক উপদেশ দিয়া হৈছিল। মই নিজে প্ৰতি সোমবাৰে প্ৰথম বাৰ্ষিক আৰু প্ৰতি বুধবাৰে তৃতীয় বাৰ্ষিকৰ ছাত্ৰসকলক পঢ়াইছিলো। কিতাপবোৰ পৰিচয় কৰি দিয়াৰ লগে লগে ছাত্ৰসকলে সেইবোৰ নিজ চকুৰে চাব পাৰিছিল। এই উদ্দেশ্যে কিতাপবোৰ শ্ৰেণীলৈকে অনা হৈছিল। এই শ্ৰেণীটোৱে ডেকা ছাত্ৰসকলৰ বাবে শিক্ষাৰ বাটত এক নতুন জ্ঞান-দিগন্তৰ সাধন কৰিছিল। ছাত্ৰসকলৰ মাজত ইয়াৰ প্ৰতি বিশেষ অনুৰাগ পৰিলক্ষিত হৈছিল। অসমৰ কলেজসমূহ পৰিদৰ্শন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে বঙ্গবাসী কলেজৰ অধ্যক্ষ শ্ৰীপ্ৰশান্ত কুমাৰ বসুক দুবাৰ নিয়োগ কৰিছিল। আমাৰ কলেজ পৰিদৰ্শন কৰোঁতে তেখেতে 'পুস্তক-পৰিচয়' শ্ৰেণীৰ কথা জানিব পাৰি অতিশয় আনন্দিত হয় আৰু উদাত্তকণ্ঠে ভূঁয়সী প্ৰশংসা আগবঢ়ায়। অকল সেয়ে নহয়, পিছত নিজৰ কলেজতো তেনে শ্ৰেণী খোলাৰ কথা তেওঁ আমাক জনাইছিল।

অনাৰ্চ শ্ৰেণীত কাব্যৰ ইতিহাস পঢুৱাব লাগে। এই শ্ৰেণীটো আমি শ্ৰেণীৰ কোঠাৰ ভিতৰত নলৈছিলোঁ, লৈছিলোঁ পুথিভঁৰালত। ইতিহাস বা বুৰঞ্জীত সন্নিবদ্ধ কিতাপবোৰৰ বিষয়ে পঢ়োৱাৰ লগে লগে পুথিভঁৰালৰ পৰা সেই গ্ৰন্থখন আনি তাৰ বিষয়ে তন্ন তন্নকৈ ছাত্ৰসকলক সকলো কথা দেখুৱাই দিয়া হৈছিল। ছাত্ৰসকলক এনেদৰে 'জীৱন্তৰূপ'ত পঢুৱা আৰু 'বাস্তৱ আকাৰে' সকলোবোৰ দেখুৱাই দিয়া কৌশলটো মই শিকিছিলোঁ মোৰ পূজ্যাস্পদ কটন কলেজৰ প্ৰাক্তন অধ্যাপক শ্ৰীলক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়দেৱৰ পৰা।

ছাত্ৰ-জীৱনত সমাজ সেৱা এটা বিশেষ অঙ্গ। দেশৰ ভৱিষ্যতে আজিৰ ডেকা ছাত্ৰসকললৈকে অপেক্ষা কৰি আছে। সমাজৰ একো একোটা বিশিষ্ট অঙ্গ হিচাপে প্ৰতিজন

ছাত্ৰৰে সমাজৰ প্ৰতি যথেষ্ট কৰিবলগীয়া আছে। ইয়াৰ উপৰিও সমাজৰ মাজেদিহে ব্যক্তিয়ে নিজৰ জীৱনৰ পূৰ্ণতা অৰ্জ্জন কৰিব লাগে। সেয়েহে ছাত্ৰ-জীৱনতে প্ৰতিজন ডেকা-গাভৰুৱে সমাজসেৱাৰ প্ৰতি মনোনিবেশ কৰা বাঞ্জনীয়, সমাজৰ কামত আত্মনিয়োগ কৰাটো প্ৰত্যেকৰে কৰ্ত্তব্য। ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজৰ বাবে ই কোনো নতুন কথা নহয়। আমাৰ কলেজৰ প্ৰতিজন ছাত্ৰই, প্ৰতিজনী ছাত্ৰীয়ে সমাজসেৱাৰ মন্ত্ৰত দীক্ষিত। সমস্যাবহুল দেশ অসমত কি সামাজিক, কি ৰাজনৈতিক, কি প্ৰাকৃতিক এটাৰ পিছত এটাকৈ দুৰ্য্যোগৰ সৃষ্টি হৈছে থাকে। এইবিলাকৰ প্ৰতিকাৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সহায় কৰি আহিছে। ১৯৫৪ চনৰ প্ৰৱল বানপানীৰ কথা সকলোৰে মনত আছে। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই হাজাৰ বিজাৰ লোকক গৃহহীন কৰে, শ শ লোকৰ সলিল সমাধি হয়। পানীৰ কোবাল সোঁতে উটুৱাই নিয়াৰ আগতে বান পীড়িত লোকসকলৰ ঘৰৰ বস্তু-বাহানি বাহিৰলৈ উলিওৱাত আৰু সেইবোৰ নিৰাপদ ঠাইলৈ কঢ়িয়াই নিয়াত আমাৰ ছাত্ৰসকলে প্ৰাণপণে সহায় আগবঢ়াইছিল। সমাজসেৱাত ব্যস্ত থাকিব লগা বাবে আমাৰ ৰাতিপুৱাৰ শ্ৰেণীবোৰ প্ৰায় এমাহজুৰি বন্ধ কৰি দিয়া হৈছিল। প্ৰপীড়িত লোকসকলক সহায় কৰাত আমি শিক্ষকসকলেও ছাত্ৰৰ লগত মিলি গৈছিলোঁ। স্বেচ্ছাসেৱক বাহিনীত ভৰ্ত্তি হৈ আমি বিপদ-বিধিনি সঙ্কুল ঠাইতো কৰ্ম্মৰত হৈছিলোঁ। এই স্বেচ্ছাসেৱক বাহিনী তেতিয়াৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ আদৰ্শক ভিত্তি কৰি গঢ়ি উঠিছিল। ১৯৫৪ চনৰ চেপ্তেম্বৰ মাহত নগৰৰ চৌপাশে ঘূৰি নেহৰুৱে সেই ভয়ঙ্কৰ ক্ষতি আৰু পুণৰ নিৰ্মাণৰ মানসিক তথা শাৰীৰিক প্ৰস্তুতিৰ স্বৰূপ উপলব্ধি কৰিব পাৰিছিল। তৰঙ্গায়িত নদীৰ কোবাল সোঁতক বাধা দিবলৈ আমাৰ কলেজৰ শিক্ষক, ছাত্ৰ উভয়ে নদীলৈ শিল আদি দলিয়াইছিল। সমাজ সেৱাৰ নামত নিজে নিজে ঢোল বজাই ফুৰাৰ পৰা বিৰত থাকিবলৈ মই ছাত্ৰসকলক সদায় অনুপ্ৰাণিত কৰিছিলোঁ। কিছুমান সংস্থা বা অনুষ্ঠানৰ আত্মপ্ৰচাৰৰ মনোবৃত্তিয়ে মোক বাৰুকৈ দুখ দিছিল। কিন্তু তেওঁলোকে মাথোঁ কেইঘন্টা বা কেইদিনমানৰ বাবেহে কামৰ নামত নিজক জাহিৰ কৰাৰ চেষ্টাত আছিল, তেওঁলোকে লগত আনিছিল কেমেৰামেন। আলোচনী বা বাতৰিকাকতৰ বুকুত তেওঁলোক অমৰ হৈ যাব বিচাৰিছিল। প্ৰকৃততে এনে ভেৰীনিনাদেই সমাজ সেৱাৰ সকলো উৎসাহ, প্ৰেৰণা মষিমূৰ কৰি পেলায়। শিক্ষক আৰু ছাত্ৰৰ সহযোগতে কলেজ চৌহদৰ কেবাটিও পথ সজা হৈছিল আৰু কিছুমান সাধাৰণ দ ঠাই পুতি পেলোৱা হৈছিল। আমাৰ ছাত্ৰসকলৰ নিয়মানুবৰ্তিতা আৰু শৃঙ্খলাই অকল কলেজ পৰিদৰ্শক সকলকে নহয়, আন বহুতো গণ্যমানে ব্যক্তিৰো দৃষ্টি আকৰ্ষণ কৰিছিল। শ্ৰীপ্ৰকাশ, অসমৰ গভৰ্ণৰ ফজল আলি, স্বৰ্গীয় গোপীনাথ বৰদলৈ, শ্ৰীবিষ্ণুৰাম মেধি, আচাৰ্য্য জে.বি. কৃপালনি, শঙ্কৰ ৰাও দেৱৰ দৰে পণ্ডিত আৰু ডক্টৰ ৰাধাকৃষ্ণণেও ছাত্ৰসকলৰ নিয়মানুবৰ্ত্তিতাক ভুৰি ভুৰি প্ৰশংসা কৰিছিল। আমাৰ কলেজৰ নিয়মানুবৰ্ত্তিতাৰ দ্বাৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদগ্ধ পণ্ডিত অধ্যাপক আইচটাৰলাইন (Eisterline) ইমান গভীৰভাৱে প্ৰভাৱিত হৈছিল যে তেওঁ 'ইউনাইটেড ষ্টেটচ ইনফৰমেচন চাৰ্ভিচ'ৰ দ্বাৰা প্ৰকাশিৰ পত্ৰিকা এখনিত তেওঁৰ চাক্ষুষ বৰ্ণনা লিপিবদ্ধ কৰিছিল।

স্মৃতিজড়িত কাৰ্য্যাৱলীৰ কথা কৈ অঁতাৰ নোৱাৰি, লিখনীয়ে ৰৈ যাব নোখোজে। কিন্তু মই ৰৈ যাব লাগিব, নহ'লে, সেই কাৰ্য্যাৱলীয়েই স্মৃতিগ্ৰন্থখনিৰ এটি শকত অংশ অধিকাৰ কৰিব। তেতিয়া হ'লে প্ৰত্যেক প্ৰবন্ধৰ বাবে ভগাই থোৱা পৃষ্ঠা গণনাত আউল লাগিব। গতিকে মোৰ মানসপটত ভাহি থকা কেইটিমান মধুৰ দৃশ্যৰ অৱতাৰণা কৰাৰ পিছতে মই মোৰ প্ৰবন্ধৰ সামৰণি মাৰিব।

কলেজৰ চালুকীয়া অৱস্থাতে ছাত্ৰ আৰু শিক্ষকসকলে এবাৰ আইথান নামেৰে এখন তীৰ্থস্থানলৈ বনভোজ খাবলৈ গৈছিলো। তেতিয়া আছিল জানুৱাৰী মাহ। মই ৰিক্সাত গৈছিলো; আনবিলাক গৈছিল শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তৰ গাড়ীত। মই দুখন নিৰামিষ ব্যঞ্জন ৰান্ধিছিলো। আৰু ছাত্ৰসকলে ৰান্ধিছিল দুখন আমিষ ব্যঞ্জন। আহাৰৰ পাচত সকলোৱে আবৃত্তি আৰু গানত যোগদান কৰিছিল। দলৰ নিৰ্দ্দেশক্ৰমে মই চেক্সপীয়েৰৰ সিদ্ধহস্ত লেখনী প্ৰসুত 'জুলিয়াচ চিজাৰ'ৰ মাৰ্ক এন্টোনীৰ বচন আৰু কেইটিমানবৈদিক স্তোত্ৰ আবৃত্তি কৰিছিলোঁ। দত্তই দুটা ইংৰাজী কবিতা আবৃত্তি কৰিছিল। ছাত্ৰসকলেও বিভিন্ন আবৃত্তিৰ যোগে এক সুন্দৰ পৰিৱেশ গঢ়ি তুলিছিল। নদীৰ শুকান বালিৰ ওপৰত ঘূৰি ঘূৰি মই কীটচৰ 'নাইটিঙ্গেলৰ গান' (Nightingale's ode) আৰু ওৱাৰ্ডছ্ওৱৰ্থৰ 'অমৰত্বৰ গান' (Immortality ode) আবৃত্তি

কৰি কৰি বুজাই দিছিলোঁ। কেইজনমান শিক্ষকে ৰবি ঠাকুৰৰ কবিতা আবৃত্তি কৰিছিল। প্ৰত্যাৱৰ্ত্তন কালত দত্তৰ গাড়ীখন বাটতে বিকল হয়। নিৰ্মল ঘোষ, চিত্ত, অনিল কুমাৰ আৰু আন ছাত্ৰসকলে প্ৰায় এমাইল ধৰি গাড়ীখন ঠেলি ঠেলি আনিছিল। তথাপি গাড়ী 'ষ্টাৰ্ট' নহ'ল। মই ৰিক্সাত আগবাঢ়ি গৈ এটি মেচিন পথাই দিছিলোঁ আৰু গাড়ীখন কাৰ্য্যক্ষম হৈ উঠিছিল।

বিদায় দিৱসত, আগেয়ে বি.এ. মহলাৰ ছাত্ৰসকলে অনুষ্ঠানৰ আগমুহূৰ্তত সাধাৰণ আমোদৰ সময়ত শিক্ষকৰ ফালৰ পৰা মিঠাই আদি নি খাইছিল। আমি শিক্ষকসকলে তাত বৰ ৰং পাইছিল। কাৰণ ইয়াৰ জৰিয়তে ছাত্ৰসকলৰ একান্ত শ্ৰদ্ধা আৰু মৰমৰ আভাস পোৱা গৈছিল।

অধ্যাপক তফজ্জুল আলিয়ে আমাৰ কলেজত যোগদান কৰাৰ দিনাখন ছাত্ৰসকল আনন্দত বিহ্বল হৈ পৰিছিল। যিহেতু অধ্যাপক আলি এজন সুগায়ক আছিল সেইবাবে অতি সোনকালে এটি সঙ্গীতানুষ্ঠানৰ ব্যৱস্থা কৰা হৈছিল। আনন্দমুখৰ পৰিৱেশত আলিয়ে কেবাটিও গান গাইছিল। গানত ব্যুৎপত্তি থকা শিক্ষকসকলৰ আনবিলাকেও সঙ্গীতানুষ্ঠানত অংশ গ্ৰহণ কৰিছিল।

ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা ব্যক্তিয়ে শিক্ষকমণ্ডলী গঠিত হৈছিল। অসম বঙ্গ, উৰিষ্যা, বিহাৰ, উত্তৰ প্ৰদেশ, মাদ্ৰাজ, মহীশুৰ, মহাৰাষ্ট্ৰ, কেৰালা, মধ্য প্ৰদেশ আৰু কাশ্মীৰ আদি সকলো ঠাইৰে ব্যক্তিৰ সমাৱেশত অধ্যাপক মণ্ডলী সৃষ্টি হৈছিল। ১৯৫৪ চনৰ 'কলেজ সপ্তাহ'ত এইটো সিদ্ধান্ত কৰা হৈছিল যে ভাৰতৰ বিভিন্ন প্ৰদেশৰ অধ্যাপকে আপোন দেশৰ ভাষাত এটিকৈ গান গাব লাগিব. আলি আৰু বীণাই অসমীয়াত এটি দ্বৈতসঙ্গীত গাইছিল। বীৰেন ভট্টাচাৰ্য্যই গাইছিল বঙলাত, ৰথে উৰিয়াত, প্ৰেমচান্দ জৈনে হিন্দীত, নাৰায়ণমে তেলেগুত, চি.কে. মেথিউৱে তামিলত, আইয়াৰে মালয়ালমত, পৰান্‌জিপে মাৰাঠী আৰু গুজৰাটীত। মই গাইছিলোঁ সংস্কৃতত আৰু শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই গাইছিল ইংৰাজীত। আমাৰ শিক্ষক আৰু ছাত্ৰসকলে ইয়াক বাৰুকৈ উপভোগ কৰিছিল।

অসমৰ সকলো কলেজৰ ভিতৰত আমাৰ কলেজতে প্ৰথমে কেবাখনো সংস্কৃত নাটকৰ অভিনয় কৰা হৈছিল। শকুন্তলা, মুদ্ৰাৰাক্ষস, মধ্যমা-ব্যায়োগ আদিৰ পৰা বিভিন্ন দৃশ্য আমাৰ ছাত্ৰসকলে অভিনয় কৰিছিল। ইয়াৰ বাবে যোগ্য সন্মানৰ উত্তৰাধিকাৰী হ'ল প্ৰিয়াংশু প্ৰৱল উপাধ্যায়ৰ লগতে অধ্যাপক বিশ্বাস আৰু ডক্টৰ আইয়াৰ।

*সোণালী জয়ন্তীৰ "স্মৃতিগ্ৰন্থ" (১৯৯৫)ৰ পৰা পুনৰ্মুদ্ৰিত*

# ডিব্ৰুগড় কলেজ প্ৰতিষ্ঠা - ১৯৪৫ চন

**অশ্বিনীচৰণ চৌধুৰী**
প্ৰতিস্থাপক সম্পাদক

দয়ালু ভগৱানৰ দয়া হ'লে, কেতিয়াবা তেওঁৰ দয়াৰ পোহৰ সামান্য লোকৰ ওপৰতো পৰে আৰু ক্ষুদ্ৰাতিক্ষুদ্ৰজনকো তেওঁক উদ্দেশ্য পূৰণৰ সঁজুলি কৰি ব্যৱহাৰ কৰে। অসীম করুণাময় ভগৱানে কেতিয়া কাক বিচাৰি পায় ক'বকে নোৱাৰি আনকি কৰুণা পোৱা জনেও নেজানে অথচ আন্তৰিক আহ্বান অনুভৱ কৰে, শত বিপদ নেওঁচি আগবাঢ়িবলৈ সাহস পায়।

ওপৰ অসম অঞ্চলত উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান সিদিনাৰ "ডিব্ৰুগড় কলেজ" আৰম্ভণিও এনে এটা অলীক সপোন যেন আছিল। একুৰি ছয় বছৰৰ পিছত সেইদিনৰ কথাবোৰ পাহৰণিৰ অন্তৰালত। সেই দিনৰ সেই প্ৰেৰণা, সেই অনুভূতি আজি ব্যক্ত কৰা সম্ভৱ নহয়। ইয়াত এটা প্ৰয়াসহে কৰা হৈছে।

যি সময়ত উচ্চ শিক্ষাৰ প্ৰতি সকলোৰে আগ্ৰহ এটি চূড়ান্ত পৰ্য্যায়ত, তেনে সময়ত এটা সমৃদ্ধশালী অঞ্চলত, কলেজ খোলাৰ মনেপতা প্ৰস্তাৱ বাস্তৱত পৰিণত কৰাটো একো অসম্ভৱ নাছিল, কেৱল তাৰবাবে লাগিছিল অন্তৰায়বোৰৰ সন্মুখীন হোৱাৰ বাবে এটা প্ৰৱল অনুৰাগ, মনোবল আৰু ধৈৰ্য্য।

"After a long long pause Dibrugarh at last sees the light ............... at the back ground, there must lie earnestness, selfishness and heart and soul labour......." ........... Times of Assam

এনে এটা শুভ গ্ৰহৰ মিলন মুহূৰ্ত্তত তিনিজন বন্ধুৱে (মনত পৰা মতে স্বৰ্গীয় বিধু ভূঞা, শ্ৰীললিত দাস আৰু শ্ৰীপৰেশ দত্ত) বা[illegible] নানা কথাৰ মাজতে কৈ পেলাইছিল - "এখন কলেজ নহ'ল, আপুনি চেষ্টা কৰক।" ই এটা আচৰিত উপদেশ - কেৱল অসম্ভৱ আশাই নহয়, দুৰাশাও। এজন বন্ধুৱে কোৱা মতে "ভেকুলীৰ পিঠিত নোম গজোৱা কথা।" পিছে এই আশা তুঁহ জুইৰ দৰে অন্তৰত জ্বলি ৰ'ল, বহু ভঙ্গা-পতাৰ দ্বন্দ্ব অন্তৰত হ'ল - বাহিৰত তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ নাপালে। লাহে লাহে উপায়বোৰো ভবা হ'ল। কিন্তু বহু কাৰণত, বহু অন্তৰায়ৰ আশঙ্কা কৰি কথাবোৰ কাৰোআগত স্পষ্টভাৱে ব্যক্ত কৰা নহ'ল। মাজে মাজে আত্মবিশ্বাসৰো শঙ্কা সমাগত হয়। কিন্তু মনৰ অদম্য আগ্ৰহ, বন্ধু কেইগৰাকীৰ আদেশ, অমান্য কৰিব নোৱাৰাৰ অনুভূতিয়ে মোক প্ৰেৰণা যোগালে। ক'ত শিক্ষাবিদ আছে, কাৰ কাৰ অধ্যাপক হোৱাৰ অৰ্হতা আছে এইবোৰৰ খা-খবৰ লোৱা হ'ল। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা কলেজৰ ফৰ্ম আৰু Prospectus অনোৱা হ'ল। এইবোৰ কৰা হৈছিল গোপনে, তেতিয়াও দেখ দেখকৈ কামত আগবাঢ়িবলৈ সাহস হোৱা নাছিল, লাজ পোৱাৰ ভয়।

এখন আবেদনেৰে জৰ্জ স্কুলৰ সম্পাদক আৰু প্ৰধান

শিক্ষক স্বৰ্গীয় গোবিন্দ শৰ্মাদেৱৰ ওচৰ চপা হ'ল। এয়ে আগবঢ়াৰ প্ৰথম খোপনি। দৰখাস্ত কৰা হৈছিল - "সম্পাদক, জাতীয় মহাসভা, ডিব্ৰুগড়ৰ নামত। শৰ্মাদেৱৰ লগত পৰিচয় আছিল ভালকৈয়ে। তেতিয়া ৰাতিপুৱা বেলিকা। তেখেতে আগৰ কোঠালিত বহি আবেদন খন পঢ়ি এবাৰ মোৰ ফালে চাই আচৰিত হৈ সুধিলে - কেনেকৈ কি কৰিব খুজিছোঁ, কাৰোবাৰ পৰা কিবা আৰ্থিক সাহায্যৰ সহাঁৰি পোৱা হৈছেনে নাই। ব্যক্তিগত ভাৱেই যে এই চেষ্টা কৰিব খোজাঁ হৈছে বা ভবা হৈছে তাকে মাথো কোৱা হ'ল - তাৰ বাহিৰে একো কোৱা নহ'ল। তেখেতে কি ভাৱে বিশ্বাস কৰিলে বা কি ভাবিলে নাজানোঁ। কিন্তু নিৰুৎসাহ নকৰিলে। তেখেতে ক'লে যে মেনেজিং কমিটি বহুৱাই অনুমতিৰ প্ৰস্তাৱ পঠাব। লগতে আগবাঢ়িবলৈও উপদেশ দিলে। "হলে ভালেই হ'ব, মোৰ ল'ৰাকো ক'তো পঠাব পৰা নাই, ঘৰতে আছে।" তেখেতে ক'লে।

সাহস আহিল আগবাঢ়িবলৈ। ইয়াৰ পদক্ষেপ হ'ল - শ্ৰীযুত যোগীৰাজ বসুৰ ওচৰ চপাটো। বিৰাজ আশ্ৰমতথকা শ্ৰদ্ধাবান, বিদ্বান এই ব্যক্তি গৰাকীক লগ ধৰা হ'ল; পৰিচয় ঘটিল। জনোৱা হ'ল যে কোনোবাই কলেজ খোলাৰ কথা শুনা গৈছে, আৰু তাত তেখেতৰ সহায় বিচৰা হ'ল। পোনতে শাৰীৰিক আৰু আন কিবা অজুহাতত নিজক এৰি দিবলৈ অমান্তি হ'ল। পিছে তেখেতক এৰা নহল। অহা-যোৱা কৰি কৰি তৃতীয় বাৰত তেখেতৰ সন্মতি পোৱা হ'ল। সিদিনা শনিবাৰ। স্বৰ্গীয় ভূপাল বাবু, দয়াল বাবু প্ৰমুখে কেইগৰাকীমান আশ্ৰমবাসীৰ উপদেশ ক্ৰমেহে শ্ৰীবসুদেৱে মত দিয়ে। এইদৰে উমা প্ৰসন্ন দে প্ৰমুখ্যে কেবাগৰাকীৰ মত গাইগুটীয়াকৈ লোৱা হ'ল, কিন্তু কামত আগবঢ়াব ঢোল পিতা নহ'ল।

এনে নহয়, নগৰৰ বিশিষ্ট নাগৰিক স্বৰ্গীয় বেণুধৰ ৰাজখোৱা, স্বৰ্গীয় প্ৰসন্ন কুমাৰ বৰুৱা, স্বৰ্গীয় ফৈজনুৰ আলি, স্বৰ্গীয় ৰোহিনী কুমাৰ বৰুৱা আদি কৰি বহুতৰ মতামত লোৱা হ'ল। কোনোৱা সহানুভূতিৰ সুৰত ভাল হ'ব বুলি ক'লে আৰু কোনোৱে এনে আৰ্টচ্ কলেজ খোলাৰ পক্ষে মত নিদিলে। তেখেতসকলে সময়ৰ গতিতকৈ আৰু এক দেও আগবাঢ়ি গৈ বিজ্ঞান, টেক্‌নিকেল আদিৰ কথা ক'লে। স্বৰ্গীয় ৰাজখোৱা দেৱেই পোনেই সৰল-চিতীয়া হাঁহি এটা মাৰি ক'লে - "মোৰ ছোৱালীজনীকেই প্ৰথমতে দিম যোৱা।"

উৎসাহ - নিৰুৎসাহে অলপো অভিভূত কৰিব নোৱাৰিলে। কামত আগবঢ়া হ'ল। কলেজ খোলাত আৰ্থিক সমস্যাৰ বাহিৰে অইন বাধা নাই বুলিয়েই ধাৰণা হ'ল। বন্ধু শ্ৰীসাৰদা শঙ্কৰ প্ৰসাদ দত্তৰ বাহিৰেও শ্ৰীনবীন চন্দ্ৰ বৰদলৈ, শ্ৰী (ডাঃ) সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীৰুদ্ৰ বড়া, ডাঃ তৰুণ দাস আদিৰ সহায়ৰ কথা বিশেষভাৱে উল্লেখ নকৰি নোৱাৰিলোঁ। এওঁলোকেই মোৰ সাৰথি আছিল - অতি বিশ্বাসী। এওঁলোক আছিল উদ্যমৰ সোঁহাত স্বৰূপ। কিন্তু বহুত ছাত্ৰ বন্ধুৱে ৰাজহুৱা মত আসাপেক্ষে এনে এটা কাম সফল হ'ব পাৰে বুলি বিশ্বাসেই নকৰিছিল।

ইয়াৰ মাজতে কলেজ খোলাৰ কথা প্ৰথম প্ৰকাশ হ'ল ১৯৪৫ চনৰ ১৯ মে' তাৰিখৰ "Times of Assam" অব সম্পাদকীয়ত। সম্পাদকে লিখিছিল - "We are informed that Sri Aswini Charan Choudhury, Secretary, Assam Jatiya Mahasabha, Dibrugarh has taken the initiative in the matter of starting an I.A. College at Dibrugarh. We wish Mr. Choudhury all success."

এই প্ৰচাৰেই বহুতৰ বহুকথা, হোৱা নোহোৱাৰ প্ৰশ্ন কাণত পেলালে। পিছে পিছহোহকাৰ কোনো কাৰণ নাছিল। উৎসাহ, উদ্দীপনাই মনত এনে বল আনি দিছিল যে বিপৰীতমুখী ঢৌবোৰে গা কৰিব নোৱাৰিলে। বহু প্ৰশ্ন, বহু সংগ্ৰামৰ সন্মুখীন হোৱা গ'ল। এইবোৰে মনত জেদহে বঢ়ালে।

এদিন প্ৰাক্তন ন্যায়াধীষ শ্ৰীশৰৎ কুমাৰ দত্তক লগ ধৰিলোঁ আৰু টকা পইচা, Capital আদিৰ বিষয়ে আলোচনা হ'ল। আমি মনৰ উৎসাহতে যিদৰে ক'লো তেখেতো পৰিয়ন গৈ ভাল হ'ব বুলিয়ে উৎসাহ দিলে।

ইতিমধ্যে ৰাজহুৱা সভা-সমিতি নপতাৰ বাবে আৰু জনমত সংগ্ৰহ নকৰাৰ বাবে এচাম লোক ক্ষুন্ন হ'ল। তাৰ ফলত ছাত্ৰসকলৰ আহ্বানত এখন ৰাজহুৱা সভা হ'ল। ২৫ মে'ৰ দিনাখন এই সভাখন বহিছিল কলেজ খোলাৰ বাবে কৰা প্ৰচেষ্টাৰ বিষয়ে আলোচনা সমালোচনা কৰিবলৈ। সভাত সভাপতিত্ব কৰিলে স্বৰ্গীয় বেণুধৰ ৰাজখোৱা দেৱে। সভাত স্বৰ্গীয় গোবিন্দ শৰ্মাদেৱ, সৰ্বৰ্শ্ৰী যোগেন্দ্ৰ নাথ হাজৰিকা, নবীন বৰদলৈ, টঙ্কেশ্বৰ বৰুৱা আৰু স্বয়ং সভাপতিদেৱেও কলেজ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাৰ বাবে প্ৰশংসা

আৰু উৎসাহ প্ৰকাশ কৰিলে। যিয়েই কলেজ নোখোলক, কলেজ লাগে এয়ে কথা।

"...... Fully sympathises the present move taken by a gentlemen ....... and urges upon the mover to hold a public meeting immediately for the purpose" — "Times of Assam" অত আকৌ প্ৰকাশ পালে যে, "Sri Choudhury informs us that much progress has been achieved towards the starting of the College. Some eminent scholars of the town have assured Mr. Choudhury their willingness to serve the institution" – Times of Assam 26th May 45.

এটা কথা উল্লেখ কৰা উচিত যে জৰ্জ স্কুলৰ অনুমতি (তাত কলেজ বহুৱাবলৈ) সময়মতে নোপোৱাত অলপ নিৰুৎসাহ হ'বলগীয়াত পৰিছিল। পিছে স্বৰ্গীয় গোবিন্দ শৰ্মাদেৱৰ সুদৃঢ় মত আৰু উৎসাহে তাৰ পৰা ৰক্ষা কৰিলে। আচলতে কমিটিৰ মত পোৱা হ'ল কলেজ আৰম্ভ হোৱাৰ বহু পিছত। ১১-৮-৪৫ তাৰিখেহে।

ইমানদিনে গাইগুটীয়া ভাৱে লগধৰি থকা প্ৰস্তাৱিত অধ্যাপক সকলক লগ লগোৱা হ'ল ২৭ মে'ৰ দিনা। সিদিনাহে উমৈহতীয়া ভাৱে আলোচনা হয়। সিদিনাই বিষয়বোৰ ঠিক কৰা হ'ল, Prospectus অৰো খচৰা কৰা হ'ল। শ্ৰীযোগীৰাজ বসুক অধ্যক্ষ, শ্ৰীমজিবৰ ৰহমানক উপাধ্যক্ষ, অধ্যাপক হিচাবে শ্ৰীলক্ষী প্ৰসাদ দত্ত, শ্ৰীউমাপদ দে, শ্ৰীদেৱ কুমাৰ দত্ত, স্বৰ্গীয় পৰশুৰাম সোনোৱাল, শ্ৰীশক্তিপদ পাত্ৰ আদিক লোৱা হ'ল ব্যক্তিগত ভাৱেই। স্বৰ্গীয় বেনুধৰ ৰাজখোৱা দেৱক অসমীয়া বিভাগৰ অধ্যাপক হিচাবে লোৱা হ'ল। শ্ৰীনিৰ্মল কুমাৰ বসু, শ্ৰীসুশীল চন্দ্ৰ দত্ত, শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীৰাজেন্দ্ৰ লাল নাথ আৰু শ্ৰীদীপালি চৌধুৰীক কৰ্তৃপক্ষৰ পৰা অনুমতিলৈহে কেইদিমান পিছত পোৱাৰ সুবিধা হ'ল। এই সজ অনুষ্ঠানটোৰ সেৱা কাৰ্য্যত সহায় কৰিবলৈ শ্ৰীসুশীল গাঙ্গুলী, মৌঃ আশ্ৰফুদ্দিন আহমেদ (এচ.ডি.চি.), শ্ৰীমুনিন বৰকটকী (ই.এ.চি.), শ্ৰীদেৱী প্ৰসাদ দাস (বেঙ্গলী স্কুলৰ হেডমাষ্টৰ) শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্মা (চাপ্লাই চুপাৰিন্টেগেণ্ডন্ট) সকলে আগ্ৰহ দেখুৱাইছিল। সি সকলৰ শলাগ নলৈ নোৱাৰি। জৰ্জ স্কুলৰ শিক্ষক স্বৰ্গীয় বংশীধৰ দাসক অফিচৰ কাম চলাবৰ বাবে আৰু সেই স্কুলৰে চকিদাৰ শ্ৰীধনীৰাম কলিতাক পিয়ন ৰখা হৈছিল।

মোৰ বিশ্বাসী আলোচনাৰ বন্ধু মুহিবুদ্দিন আহমেদৰ (ই.এ.চি.) লগত এদিন নিশা আলোচনা হৈ ১৫ জুনৰ দিনটো দুৱাৰ মুকলিৰ বাবে ঠিক কৰা হ'ল। এনে সিদ্ধান্তত হিতাকাঙ্খী বন্ধু দুই এজনেও ভয় নোখোৱাকৈ থকা নাছিল। অৱশ্যে ভয় খাবৰে কথা কাৰণ, ৰাজহুৱা মত বিচৰা হোৱা নাই, সভা সমিতিও পতা হোৱা নাই।

নগৰৰ বিশিষ্ট লোকসকলৰ এখন তালিকা কৰি কমিটিৰ সভ্য হিচাবে লোৱা হৈছিল। স্বৰ্গীয় ৰাজখোৱা দেৱ আৰু শ্ৰীদত্তদেৱৰ ইয়াত মতামত লোৱা হৈছিল। ইয়াকেই স্বৰ্গীয় ৰাজখোৱা দেৱৰ সভাপতিত্বত ৰাজহুৱা সভা বুলি ধৰা হৈছিল। ইয়াত সম্পাদক নিৰ্বাচন কৰা হ'ল, কিন্তু সভাপতি বচা নহ'ল। স্বৰ্গীয় ৰাজখোৱা দেৱকে সভাপতিৰূপে ধৰি সকলো প্ৰকাৰ যাৱতীয় কাৰ্য্য কৰি থকা হ'ল।

১৯৪৫ চনৰ ১৫ জুন, বৃহস্পতিবাৰ। এই দিনটো অকল ডিবুৰুবাসীৰে নহয়, ওপৰ অসমৰ এটা বিৰাট অঞ্চলৰ অবিস্মৰণীয় দিন। এই দিনটোতে সোণালী সপোন বাস্তৱত পৰিণত হ'ল। এই দিনটোৱে বহুজনৰ বহু আকাঙ্খা পূৰ্ণ কৰিলে। Type কৰা সৰু টুকুৰা কাগজেৰে নিমন্ত্ৰণৰ শৰাই আগবঢ়োৱা হ'ল বহুজনলৈ। বহুজনৰ পৰাই শুভ কামনাৰ সহাঁৰি পোৱা হ'ল। শিক্ষামন্ত্ৰী স্বৰ্গীয় চৈয়দুৰ ৰহমান চাহাবে লিখিছিল - "টকা পইচা নোহোৱাকৈ হঠাৎ ডিব্ৰুগড় কলেজ খুলিব ওলোৱাত আচৰিত হ'লেও, কৃতকাৰ্য্যতা কামনা কৰিছোঁ।

উদ্বোধন কাৰ্য্য সমাধা কৰিবলৈ ডেপুটি কমিচনাৰ শ্ৰীমজিদ চাহাবক অনুৰোধ কৰি তেখেতক পোৱা নহ'ল। সিদিনা ১৪ তাৰিখ। পিছদিনা ৰাতিপুৱাই উদ্বোধনী। কি কৰা হ'ব নিশাটো ভবা হ'ল। খবৰ পোৱা গ'ল যে সিদিনা নিশা সদানন্দ দুৱৰাদেৱ ডিব্ৰুগড় পাইছেহি। গতিকে পুৱাই তেখেতক লগ ধৰা হ'ল। স্বাভাৱিক গাম্ভীৰ্য্যৰে তেখেতে কথা ক'লে। সিদিনাই তেখেতৰ লগত প্ৰথম কৰা বতৰা। তেখেতে গোটেই কথাখিনি শুনিলে আৰু কিছুসময় মনে মনে থাকি গহীনভাৱে ক'লে - "ল'ৰাৰ ধেমালি" - এই বুলি অমান্তি হ'ল। তাৰ পৰা ওলায়েই স্বৰ্গীয় ফিজুনৰ আলি

চাহাবক লগ ধৰা হ'ল। তেখেতে নিমন্ত্ৰণী পাই যাবলৈ ওলাইছিল। গতিকে আগতীয়াকৈ সবিনয়ে অনুৰোধ কৰা হ'ল উদ্বোধন কৰিবলৈ - তেখেতৰ স্বভাবজতাত সৰলতাৰে নিজক সৰুৱাবলৈ চেষ্টা কৰিলেও শেষত - "মৌনং সন্মতি লক্ষণম্" ভাব দেখা গ'ল।

দুৱাৰ মুকলি কাৰ্য্য আশা কৰিবলগীয়া ভাৱে আড়ম্বৰপূৰ্ণ নাছিল। অতি সাধাৰণ আছিল। আনকি আৰম্ভণী গীতৰ যোগাৰো কৰিব পৰা হোৱা নাছিল। এজন ছাত্ৰ (শৰ্মা)ক অনুৰোধ কৰি এটি গীত গোওৱা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলকে লৈ বহুলোকৰ সমাগম হৈছিল। সোঁহাত স্বৰূপ ডেকা বন্ধুসকল এফালে যেনেদৰে সহায় কৰাত ব্যস্ত, আন ফালে কোনো কোনোৱে হাঁহিয়াতৰ পাত্ৰ হোৱাৰ শঙ্কাৰে শঙ্কাকুল। এই কাৰ্য্যত সহায় কৰিলে শ্ৰীৰুদ্ৰ বৰুৱাই পৰ্দাৰ কাপোৰ আৰু ট্ৰাংক এটাৰে, শৰ্মা চিল্ক ষ্টোৰে মুগাৰ কাপোৰ দুগজেৰে (কভাৰৰ বাবে), শ্ৰী ভড়ালীয়ে চাইনবোৰ্ড আৰু শ্ৰীসাৰদা শঙ্কৰ প্ৰসাদ দত্তই দোৱাত কলমেৰে।

সভাত মাঙ্গলিক স্তোত্ৰ পাঠ কৰিলে শ্ৰীগিৰীশ শাস্ত্ৰীদেৱে। শ্ৰীবৰদলৈ আৰু শ্ৰীদত্তই ইংৰাজীত আৰু অসমীয়াত ৰচনা পাঠ কৰিলে। শ্ৰীশৰৎ কুমাৰ দত্ত, স্বৰ্গীয় জীৱন ফুকন, স্বৰ্গীয় মফিজুদ্দিন আহমেদ হাজৰিকা, মৌঃ ৰায়হান শাহ, আদি বহু বিশিষ্টলোকে তাত ভাগ ল'লে আৰু ধন সংগ্ৰহ নকৰাকৈ - "ওলোটা ভাবে" কলেজ খোলাত সকলোৱে আনন্দ প্ৰকাশ কৰিলে। স্বৰ্গীয় ফিজনুৰ আলিদেৱে দুৱাৰৰ পৰ্দা খোলাৰ লগে লগে কেছ বাকচত সম্পাদক আৰু অধ্যক্ষৰ পৰা এটাকৈ দুটা আধুলি খোলা হ'ল। ডিব্ৰুগড় কলেজ-বুৰঞ্জীত এনেই ধনৰ ভড়াল। লগে লগে প্ৰথমে ভৰ্তি হোৱা ছাত্ৰী শ্ৰীসৰলা চৌধুৰীয়ে ফৰ্ম আৰু টকা জমা দিয়ে। সিদিনাই আৰু দুজন ছাত্ৰ ভৰ্তি হয়। সিদিনাৰ পৰাই ছাত্ৰ ভৰ্তি আৰম্ভ হয়। অফিচৰ কেৰাণী, পুলিচ অফিচাৰ আদি কৰি সকলোৱে সেই সুযোগ গ্ৰহণ কৰিলে। এই দিনটো অন্য এটা দিশৰ পৰাও তাৎপৰ্য্যপূৰ্ণ আছিল। কাৰণ ৰাতিপুৱা ৮ বজাৰ এই শুভ ক্ষণতে বিনাস্বৰ্ত্তে ইংৰাজ শাসকে জৱহৰলাল নেহৰুকে আদি কৰি বিশিষ্ট নেতাসকলক কাৰাবাসৰ পৰা মুক্তি দিছিল।

কলেজ আৰম্ভণিৰ পিছতো স্বৰ্গীয় ৰাজখোৱাদেৱক সভাপতিৰূপে লৈ যাৱতীয় কামবোৰ চলাই থকা হৈছিল। ইতিমধ্যে কটিৰ সভ্য হিচাবে লোৱা লোকসকলৰ সন্মতিৰ বাবে জাননী পঠোৱা হ'ল। ইয়াৰ পিছত ২০ জুন তাৰিখে স্বৰ্গীয় ৰাজখোৱা দেৱৰ সভাপতিত্বত এখন সভা পতা হয় আৰু এই সভাত ৰাজখোৱাদেৱে শাৰীৰিক অসুস্থতা হেতু সভাপতি হৈ থাকিবলৈ অমান্তি হোৱাত, আই. মজিদ চাহাবে সভাপতি হ'বলৈ অসন্মতি প্ৰকাশ কৰাত স্বৰ্গীয় সদানন্দ দুৱৰা দেৱক সভাপতি পতা হয়। সিদিনা সভাত দুৱৰাদেৱ উপস্থিত নাছিল। কমিটিত ২৫ জন সভ্য লোৱা নহয়। নন্দেশ্বৰ চক্ৰৱৰ্ত্তীক ধন ভড়ালী পতা হয়। ইতিমধ্যে দান বৰঙনিৰ প্ৰশ্ন আহি পৰিল। এই সংক্ৰান্তৰ স্বৰ্গীয় হনুমান বক্স কানৈ দেৱে পুথিঁভঁৰালৰ বাবে ১০,০০০ টকা দান কৰে আৰু পুথিভঁৰালৰ নাম তেওঁৰ নামে নামকৰণ কৰা হয়। কলেজ নিয়মিতভাৱে বহিল ১৫ জুলাইৰ পৰাহে। মাজে মাজে অধ্যাপকমণ্ডলীৰ ছুটী আদি সংক্ৰান্তৰ শিক্ষাবিদসকলে সন্ধান কৰিবলগীয়াত পৰিছিল। অৱশ্যে এনে সময়ত সহায়ো পোৱা গৈছিল যথেষ্ট।

মাজে সময়ে বহু অৱসাদে, বহু হতাশাই মন-শৰীৰ দুয়োটাকে যে দুৰ্বল কৰা নাছিল এনে নহয়। কিন্তু এনে সময়ত নেৰানেপেৰাকৈ লাগি আছিল, সততে য'তে ত'তে লগ ধৰি আমনি কৰি আছিল শ্ৰী লক্ষ্মী প্ৰসাদ দত্ত আৰু শ্ৰীবসুদেৱে। তদুপৰি নিৰাশাৰ এনে মুহুৰ্ত্তবোৰত বিপদৰ কাঁইটবোৰেও খুচি জগাই দিছিল। মনত নতুন প্ৰেৰণা জাগি উঠিছিল। এইবোৰ বাহ্যিক শক্তিৰ আৰশ্যক। এইবোৰ নাথাকিলে তেজ মঙহেৰে সজা মানুহৰ শৰীৰ ভাঙি পৰাটো সম্ভৱ।

সেই বছৰতে ১০০ জন ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি হয়। এইসকলৰ ভিতৰতে বহু গৰাকীয়ে এতিয়া বিশিষ্ট নেতা হিচাবে, জননেতা হিচাবে আসন লাভ কৰি এই আড়ম্বৰবিহীন ডিব্ৰুগড় কলেজৰ গৌৰৱ অটুত ৰাখিছে। যদিও দুবছৰৰ ঠাইত তিনি বছৰো হয়তো লাগিব পাৰে বুলি জনোৱা হৈছিল তথাপি সকলোৱে কলেজ বৰ্দ্ধনত বৰঙনি যোগাইছিল ছাত্ৰ হিচাবে।

সেই বছৰৰে নৱেম্বৰ মাহত শ্ৰীযুত বসুক লগতলৈ affiliationৰ কাৰণে কলিকতালৈ যোৱা হয়। আবেদন পত্ৰ শিক্ষামন্ত্ৰী স্বৰ্গীয় ৰহমান চাহাবৰ পৰা অনুমোদন কৰাই নিয়া হয়। কলিকতাত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু পৰিদৰ্শকক লগ ধৰি affiliation বিচৰা হয়। ২০ জানুৱাৰী ১৯৪৬ চন তাৰিখে পৰিদৰ্শক আহে পৰিদৰ্শন কৰিবলৈ। এই সময়তে স্বৰ্গীয় ৰায়বাহাদুৰ দুৱৰা আৰু স্বৰ্গীয় ফনীন্দ্ৰনাথ ঘোষৰ নেতৃত্বত

সংগ্ৰহ কাৰ্য্য চলাই এক লাখ টকাৰ পুঁজি সংগ্ৰহ কৰা হয়। ডিব্ৰুগড় মিউনিচিপেলিটিৰ পৰাও ১৬ বিঘা মাটি দান হিচাবে পোৱা হয়। স্বৰ্গীয় আলহাজ জালালুদ্দিন আহমেদৰ সভাপতিত্বত বহা মিউনিচিপেল বোৰ্ডৰ ৪৫ চনৰ ২২ অক্টোবৰৰ প্ৰস্তাৱ মতে এই মাটিৰ স্বত্ব চমজি লোৱা হয় ১২-১১-৪৫ তাৰিখে। "Considered the letter Dtd. 11-4-45 of the Secy., Dibrugarh College and resolved that 2/3 of the plot of land be given to College authority."

কিন্তু পিছত ১১-৮-৪৫ তাৰিখৰ চিঠিমতে স্বৰ্গীয় শৰ্মাদেৱে জৰ্জ স্কুলক দিয়া ৮ বিঘা মাটিও কলেজক দিয়ে। বৰ্ত্তমান কলেজ এই মিউনিচিপেলিটিয়ে দান কৰা মাটিতে স্থাপিত হৈ আছে।

১৯৪৭ চনত সভাপতি আৰু কেইগৰাকীমান সদস্যই কোনো বিশিষ্ট দাতাৰ নামত দানৰ বিনিময়ত কলেজৰ নতুন নামকৰণ সম্পৰ্কে কৰা প্ৰস্তাৱ আলোচনা কৰে। কিন্তু সদস্যসকলৰ মত বিভক্ত হয়। এচামে এই প্ৰস্তাৱ গ্ৰহণত সন্মন নহ'ল। কাৰণ কম বেছি পৰিমাণে হ'লেও বহুতৰ কায়িক, মানসিক, আৰ্থিক, নিস্বাৰ্থ বৰঙনি তাত আছিল। আনফালে, চৰকাৰৰ পৰাও যথেষ্ট পৰিমাণৰ সাহাৰ্য্য পোৱা গৈছিল। অৱশ্যে সম্পূৰ্ণ নামৰ পৰিৱৰ্ত্তে কোনো ব্যক্তিৰ নামত 'হল' বা 'ৰূম' দিয়াত সকলো একমত আছিল। ইতিমধ্যে চৰকাৰে বালিকা বিদ্যালয় নতুন ঠাইলৈ নিয়াত সম্পাদকৰ চেষ্টাক্ৰমে সেই ঘৰবোৰ পোৱা হয় আৰু ১৯৪৬ চনৰ আগষ্টত কলেজ জৰ্জ স্কুলৰ পৰা তালৈ স্থানান্তৰিত কৰা হয়। এই কেইটা ঘৰ পোৱাত শিক্ষামন্ত্ৰী স্বৰ্গীয় ৰহমান চাহাব আৰু উপায়ুক্ত মজিদ চাহাবে সহায় কৰিছিল।

পাঁচ বছৰৰ পিছত বিজ্ঞান শাখা খোলাৰ বাবে প্ৰচেষ্টা চলে আৰু ১ লাখ টকাৰ দান প্ৰতিজ্ঞাৰ বিনিময়ত সভাপতি দুৰৰাদেৱৰ প্ৰস্তাৱ আৰু অনুমোদনক্ৰমে বিশিষ্ট দানবীৰ স্বৰ্গীয় কানৈৰ নাম অনুসৰি এই কলেজৰ নাম "হনুমানবক্স সুৰজমল কানৈ" দিয়া হয়। বহু চেষ্টাৰ ফলত অৱশ্যে "ডি ডিব্ৰুগড়" এই শব্দ দুটা নামৰ আগত লগাই দিয়া হয়। নাম সলনি কৰা প্ৰস্তাৱৰ বিপক্ষে আপত্তি আৰু প্ৰতিক্ৰিয়াও দেখা নিদিয়া নহয়। কাৰণ ৰাজহুৱা ভাৱে এই কথা প্ৰচাৰ হ'লে হয়তো বহু দাতাই মিলিও এনে দান দিব পাৰিলেহেঁতেন। শ্ৰীপদ্মকুমাৰী গোঁহাই আইদেউৰ সভানেত্ৰীত্বত এখন ৰাজহুৱা সভা বহে আমোলাপট্টি হলত আৰু হঠাৎ নাম সলনিৰ প্ৰতিবাদ জনোৱা হয়। স্বৰ্গীয় লক্ষেশ্বৰ বৰুৱা, স্বৰ্গীয় বিজয় শইকীয়া, স্বৰ্গীয় ৰাজখোৱা, স্বৰ্গীয় আহমেদ হাজৰিকা আদি বহুতো বিশিষ্ট লোকে ইয়াত অংশ গ্ৰহণ কৰে। কিন্তু অৱশেষত উঠিব ধৰা অনুষ্ঠানটোৰ মঙ্গল চিন্তা সকলোৰে কাম্য হৈ পৰে। অৱশ্যে ৰাইজৰ আপত্তি নামকৰণতহে, কোনো ব্যক্তিৰ বা অনুষ্ঠানটোৰ অন্যায় চিন্তা নহয়।

যি নামেৰেই নহওঁক শিক্ষানুষ্ঠানটিয়ে উঠি অহা সমাজৰ বহু আশা আকাঙ্খা পূৰণ কৰি আহিছে। সময়ত ইয়াৰ শাখা-প্ৰশাখা বাঢ়ি বহুতো শিক্ষানুষ্ঠান গঢ় লৈ উঠিল, আনকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্থাপনৰ ইয়েই মূল ভেটি হ'ল। এনে গৌৰৱপূৰ্ম উন্নতিয়ে সকলোৰে, বিশেষকৈ উদ্যোক্তাসকলক নিশ্চয় গৌৰৱ কৰাৰ সফলতা আনি দিয়ে।

ৰাইজ আৰু দানী পুৰুষসকলৰ প্ৰতি আন্তৰিক শলাগ ন'লৈ নোৱাৰি। যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম অৰিহণা যোগালে, যিসকল শিক্ষাবিদে নিস্বাৰ্থভাৱে ত্যাগ আৰু সেৱা আগবঢ়ালে সেইসকলক আজিৰ সমাজে পাহৰি যাব জানো পাৰিব? সেই দিনৰ, সেই সামান্য আয়োজনৰ ঋণ বা ক্ষতিপূৰণ আজি পূৰাব পাৰিব লাগে। এই অনুষ্ঠানটোৱে এই ত্যাগৰ আদৰ্শ সকলোকে বিলাই দিব লাগিব, ছাত্ৰ-ছাত্ৰীসকলেও জীৱনক এইভাৱে গঢ় দিবলৈ দৃঢ় হ'ব লাগিব, তেহে বিদ্যামন্দিৰৰ পোহৰৰ সৎ ব্যৱহাৰ তেওঁলোকে কৰিব পাৰিব।

"A fruit of labour is sweeter than the gifts of fortune."

জ্ঞান-বিজ্ঞানৰ বন্তিগচি লৈ সেই 'ডিব্ৰুগড় কলেজ' বহু নামলৈ খোজে খোজে আগুৱাই গৈছে - সেই দিনৰ "Earnestness, seflfishness and heart and soul labour" লৈ।

বাধা-বিঘিনি, বিদ্ৰূপ অমঙ্গলসূচক নহয়। মনোবল নাথাকিলে এইবোৰে সকলো নষ্ট কৰে, কিন্তু মনোবল, ধৈৰ্য্যৰ আগত এইবোৰ আশীৰ্বাদ স্বৰূপ। বিপদ আহিবই, ই অৱশ্যেসম্ভাৱী, নহ'লে কাৰ্য্য সিদ্ধিৰ অনুপ্ৰেৰণা নাজাগে।

এদিনৰ অনিশ্চিত সপোন, আজিৰ উঠি অহা ৰঙীন সূৰুয; কোনো অদৃশ্য শক্তিয়ে ইয়াত পৰশ দিছে।'

*সোণালী জয়ন্তীৰ "স্মৃতিগ্ৰন্থ" (১৯৯৫)ৰ পৰা পুনৰ্মুদ্ৰিত*

# কানৈ কলেজৰ সোণালী অতীত

**ডিম্বেশ্বৰ চলিহা**
প্ৰাক্তন অধ্যক্ষ

বয়সৰ লেখেৰে ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ কলেজে পঞ্চাশ বছৰত ভৰি দিলে। অনুষ্ঠান একোটাৰ জীৱনত পঞ্চাশটাকৈ বছৰ তেনেই কম সময় নহয়। এই পঞ্চাশটা বছৰৰ ভিতৰত কলেজখনৰ ওপৰেদি বহু হৰ্ষ বিষাদৰ ঢৌ পাৰ হৈ গ'ল; বহুসময়ত বিপদে ছানি ধৰিলে আৰু বহু সময়ত আনন্দ উল্লাসৰ জোৱাৰ উঠিল। যিসকল লোকৰ আশা-সুধীয়া চেষ্টাৰ ফলত এই অনুষ্ঠানটোৰ জন্ম হৈছিল, সেইসকলৰ বেচিভাগেই হয়তো সিপুৰীলৈ গতি কৰিলে আৰু যিসকল এতিয়াও জীৱিত অৱস্থাত আছে, সেই সকলো বাৰ্দ্ধক্যৰ কৰাল গ্ৰাসত। বহুজন অধ্যক্ষ, শিক্ষক, কৰ্মচাৰীয়ে ইতিমধ্যে অৱসৰ ল'লে। দুই চাৰিজনে অন্য ঠাইত ভাল চাকৰি পাই কলেজ ত্যাগ কৰিলে। তাৰ মাজতে হয়তো দুই এজনে ইহ সংসাৰৰ পৰাই মেলানি মাগিলে।

ছাত্ৰ-ছাত্ৰীৰ এক নিৰবিচ্ছিন্ন সোঁত কলেজ স্থাপনৰ দিন ধৰি বৈ আছে, বৈ থাকিব। এই অনুষ্ঠানতে কোনোবাই লাভ কৰিছে সফলতা আৰু কোনোবাই বিফলতাৰ গ্লানি লৈ ধৰৰ ল'ৰা ঘৰলৈ উলটিছে। কোনোবাই শৈক্ষিক যুদ্ধত জয়ী হৈছে আৰু কোনোবা হৈ পৰিছে ধৰাশায়ী। কোনোবাই জীৱন সংগ্ৰামৰ কাৰণে এই অনুষ্ঠানতে বুটলি লৈছে যুঁজৰ আহিলা আৰু কোনোবাই হয়তো ৰং-ধেমালিতে পাৰ কৰি দিছে এই সোণালী সময়। কোনোবা ইয়াতে বিচাৰি পাইছে জীৱনৰ অৰ্থ আৰু কোনোবাজন হৈ পৰিছে পথভ্ৰষ্ট। এনে এক ভঙাগঢ়াৰ খেল শিক্ষানুষ্ঠান সমূহত চলি থাকে, চলি থাকিব। কানৈ কলেজো ইয়াৰ ব্যাতিক্ৰম নহয়, হ'ব নোৱাৰে।

অসমৰ উচ্চশিক্ষাৰ বুৰঞ্জী বা দীঘলীয়া নহয়। বৃটিছ আমোলত অসমৰ চীফ কমিচনাৰ চাৰ হেন্‌ৰি কটনৰ আশাসুধীয়া চেষ্টাৰ বলতহে ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপিত হৈছিল। তাৰ ঊনত্ৰিশ বছৰৰ পাছত ১৯৩০ চনত যোৰহাটত জগন্নাথ বৰুৱা কলেজ স্থাপন কৰা হয়। এই দুয়োখন শিক্ষানুষ্ঠানেই বহুতদিন ধৰি অসমৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ হৈ আছিল। ১৯০১ চনৰ আগলৈকে যি এমুঠিমান অসমীয়া ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ হাবিয়াস কৰিছিল, তেওঁলোকে মেট্ৰিকৰ দেওনা পাৰ হৈয়েই কলিকতা, ঢাকা, বেনাৰস আদি ঠাইলৈ যাব লগা হৈছিল। কিন্তু গুৱাহাটী আৰু যোৰহাটত কলেজ স্থাপন হোৱাৰ পিছত আগৰ সেই অসুবিধা কিছু পৰিমামে হ'লেও নাইকিয়া হ'ল।

অসমীয়া মানুহৰ আৰ্থিক দুৰৱস্থা আৰু যান-বাহনৰ অভাৱ আদি কিছুমান কাৰণত গুৱাহাটী আৰু যোৰহাটৰ কলেজেও কিন্তু সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ হাবিয়াস পূৰণ কৰিব পৰা নাছিল। এই কথালৈ লক্ষ্য ৰাখিয়েই সম্ভৱ স্বাধীনতাৰ আগে পাছে এই সময়ছোৱাত অসমৰ কেইবাখনো ঠাইত কিছুসংখক গুণী, জ্ঞানী আৰু সমাজ সচেতন লোকৰ চেষ্টাত কেইখনমান বেচৰকাৰী কলেজ স্থাপিত হ'ল। এনেকৈ স্থাপিত হোৱা কলেজৰে অন্যতম হ'ল ডিব্ৰুগড় কলেজ, যাৰ বৰ্তমান নাম ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ কলেজ। সংক্ষেপে ডি.এইচ.এচ.কে. কলেজ।

যদিও বৃটিছৰ দিনতে লক্ষীমপুৰ জিলাত চাহ, তেল কয়লা, কাঠ আদি উদ্যোগে গঢ় লৈ উঠিছিল, চৰকাৰী ৰাজহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত লক্ষীমপুৰ জিলাই ভাৰতৰ ভিতৰতে দ্বিতীয় স্থান পাইছিল, উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ চিকিৎসা প্ৰতিষ্ঠান বেৰি হোৱাইট মেডিকেল স্কুল ডিব্ৰুগড়তে আছিল, অসমৰ প্ৰথম ৰে'ল লাইন ডিব্ৰু শিদিয়া এই জিলাতে আছিল, সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰতো ডিব্ৰুগড়ৰ এক সুমান আছিল আৰু তাতোকৈও ডাঙৰ কথা - বহুতো সম্ভ্ৰান্ত পৰিয়ালো এইখন নগৰতে আছিল - তথাপি সাধাৰণ শিক্ষাৰ কাৰণে যে ডিব্ৰুগড়ত কলেজ এখনৰ প্ৰয়োজন, সেই কথা কোনেও চিন্তা কৰা নাছিল। কেৱল চিন্তা কৰিছিল এজন মানুহে। ডিব্ৰুগড়ত কলেজ স্থাপনৰ সপোন দেখা এই মানুহজন আছিল অশ্বিনী চৰণ চৌধুৰী। শ্ৰীচৌধুৰী নিজে আছিল জৰ্জন ইনষ্টিটিউচনৰ (বৰ্ত্তমানৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক) শিক্ষক।

এগৰাকী স্কুল শিক্ষকেনো কি সাহসেৰে কলেজ এখন স্থাপন কৰাৰ কথা ভাবিছিল আৰু সেই ভাব কাৰ্য্যত পৰিণত কৰিবৰ কাৰণে কিমান দুখ কষ্ট মূৰ পাতি ল'ব লগা হৈছিল - সেই কথা ভাবিলে আজিও তেখেতৰ ওচৰত মূৰ দোঁ খাই যায়। নিতৌ মাইলৰ পিছত মাইল খোজ কাঢ়ি ফুৰা শ্ৰীচৌধুৰীৰ ভৰি আজি অচল। বাৰ্দ্ধক্যৰ তাড়নাত পৰি খেতে আজি শয্যাগত। হয়তো তেখেতৰ সপোনৰ কলেজখনৰ সোণালী জয়ন্তী উৎসৱত সোণালী স্মৃতি সমূহ ৰোমন্থৰ কৰিবলৈও তেখেত অসমৰ্থ। তথাপি আমি আশা ৰাখিছো - তেখেতে দূৰৈৰ পৰা হ'লেও অনুষ্ঠানটোলৈ এপাহি আশীৰ্ষ নিৰ্মালি যেন যাচে আৰু সেই আশীৰ্বাদেই আমাক ধন্য কৰে।

১৯৪৫ চনৰ ২৮ মে'। এই তাৰিখটো ডিব্ৰুগড় তথা তেতিয়াৰ লক্ষীমপুৰ জিলাৰ উচ্চশিক্ষাৰ ইতিহাসত এক স্মৰণীয় দিন। কাৰণ, সেই তাৰিখতে ডিব্ৰুগড়ৰ জৰ্জ ইনষ্টিটিউচনত যিখন সভা অনুষ্ঠিত হৈছিল, তাতেই ডিব্ৰুগড়ত ইন্টাৰমিডিয়েট পৰ্য্যায়ৰ কলেজ এখন খোলাৰ সিদ্ধান্তটো লোৱা হৈছিল। সেই সভাৰ সভাপতি আছিল ৰায় চাহাব বেণুধৰ ৰাজখোৱা। সেই সভাতেই তলত নাম দিয়া সদস্যসকলকলৈ কলেজৰ পৰিচালনা সমিতি এখনো গঠন কৰি দিয়া হৈছিল।

১) আই মজিদ- উপায়ুক্ত, সভাপতি, ২) ৰায় বাহাদুৰ সদানন্দ দুৱৰা, ৩) ৰায় বাহাদুৰ ডাঃ ফনীন্দ্ৰ নাথ ঘোষ, ৪) নবকুমাৰ দত্ত, ৫)ৰায় চাহাব বেণুধৰ ৰাজখোৱা, ৬) ৰায় বাহাদুৰ ৰামেশ্বৰ লাল চহৰীয়া, ৭) ফৈজনুৰ আলি, ৮) জালালুদ্দিন আহমেদ, ৯) যোগীৰাজ বসু, ১০) ডি.পি. দাস, ১১) গণেশ ৰাম ফুকন, ১২) নন্দেশ্বৰ চক্ৰৱৰ্ত্তী, ১৩) প্ৰসন্ন কুমাৰ বৰুৱা, ১৪) গোবিন্দ চন্দ্ৰ শৰ্মা, ১৫) মুৰুলীধৰ জালান, ১৬) অশ্বিনী চৰণ চৌধুৰী, সম্পাদক, অৱশ্যে আই মজিদে সভাপতিৰ ভাৰ গ্ৰহণ কৰিবলৈ অমান্তি হয় আৰু তেখেতৰ ঠাইত সদানন্দ দুৱৰাক সভাপতি পতা হয়। ১৯৫৬ চনলৈকে তেখেতেই সভাপতি হৈ থাকে। ১৯৪৫ চনৰ ১৫ জুনত কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণী আৰম্ভ হয়।

প্ৰথম অৱস্থাত কলেজৰ শ্ৰেণীসমূহ পাঁচ আলিত থকা ছোৱালী হাইস্কুলত পুৱাৰ খেপত অনুষ্ঠিত হৈছিল। পিছত ছোৱালী হাইস্কুলখন সেই ঠাইৰ পৰা উঠি যোৱাত তাতে দিনৰ ভাগতো শ্ৰেণীসমূহ বহুৱাব পৰা হৈছিল। ১৯৫৯ চন পৰ্যন্ত কলা আৰু বাণিজ্য শাখাৰ সকলোবোৰ শ্ৰেণী তাতে বহিছিল। ডিব্ৰুগড় কলেজৰ কলাশাখাত পোন প্ৰথম নাম লগোৱা ছাত্ৰীগৰাকীৰ নাম আছিল সৰলা চৌধুৰী আৰু প্ৰথম কেৰাণীজনৰ নাম আছিল বংশী দাস। জুবিলী উৎসৱৰ এই ক্ষণত আমি তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো।

সেই কালত কলা শাখাৰ কলেজ সমূহৰ পুঁথিভৰাল উন্নত নহ'লে বিশ্ববিদ্যালয়ে স্বীকৃতি নিদিছিল। সেই কথা ডিব্ৰুগড় কলেজৰ গৱৰ্ণিংবডিয়েও জানিছিল আৰু সেই কাৰণেই ৰায় চাহাব হনুমান বক্স কানৈক কিছু পুজিৰ যোগান ধৰিবলৈ অনুৰোধ জনাইছিল। সেই অনুৰোধ মৰ্মেই কানৈয়ে কলেজৰ পুঁথিভৰালটোৰ কাৰণে দহ হেজাৰ টকা দান দিছিল। সেই সময়ত কলেজৰ কাৰণে আটাইতকৈ সুখবৰটো হ'ল যে গৱৰ্ণিংবডিৰ অনুৰোধ ক্ৰমে ডিব্ৰুগড় মিউনিচিপেলিটিয়ে ১৯৪৫ চনৰে চেপ্তেম্বৰ মাহত গাভৰু পথাৰত থকা ট্ৰেনচিং গ্ৰাউণ্ডৰ (বৰ্ত্তমানৰ কলেজ থকা ঠাই) গোটেইখিনি মাটি কলেজক দান কৰে। ১৯৪৬ চনত সেই মাটিতে এটা চকীদাৰৰ ঘৰ সজা হয়।

কলেজৰ কাৰণে সৌভাগ্যজনক আন এটা কথা হ'ল যে ডঃ যোগীৰাজ বসুৰ দৰে ট্ৰিপোল এম.এ. পণ্ডিত প্ৰাচ্যতত্ত্ববিদ এগৰাকীক অধ্যক্ষ আসনত বহুৱাবলৈ পোৱাটো। প্ৰথম বছৰ যিসকল শিক্ষকে স্বেচ্ছাই শিক্ষাদান

কৰিবলৈ আগবাঢ়ি আহিছিল, তেখেতসকলে সেইটো বছৰত কোনো দা-দৰমহা লোৱা নাছিল। অৱশ্যে দ্বিতীয় বছৰত সেইসকল শিক্ষককে স্থায়ী ভাৱে নিযুক্তি দিয়া হৈছিল। এনেকৈ নিয়োগ কৰা শিক্ষকসকল আছিল ১) যোগীৰাজ বসু, এম্, এ (ট্রিপোল) অধ্যক্ষ, ২) উমাপ্ৰসন্ন দে' - ইংৰাজী, ৩) লক্ষীপ্ৰসাদ দত্ত - বুৰঞ্জী, ৪) এম্, কে. চক্ৰৱৰ্তী - লজিক, ৫) বেণুধৰ ৰাজখোৱা - অসমীয়া, ৬) কে.এ. ৰামকৃষ্ণন - গণিত, ৭) নিৰ্মল কুমাৰ বসু - চিভিক্স, ৮) নবাব নেকিবুৰ ৰহমান - পাৰ্চী। অধ্যক্ষ বসুৱে সংস্কৃত আৰু ইংৰাজী দুয়োটা বিষয়েই পঢ়ুৱাইছিল। অধ্যক্ষৰ মাহিলী দৰমহা আছিল ডেৰশ টকা আৰু বাকী শিক্ষকসকলৰ এশটকা। কেৰাণীৰ দৰমহা আছিল চল্লিশ টকা আৰু চকীদাৰৰ দহ টকা।

গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনতহে স্থাপিত হৈছিল। গতিকে তাৰ আগতে স্থাপন হোৱা অসমৰ কলেজসমূহে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি ল'ব লগা হৈছিল। কিন্তু ডিব্ৰুগড় কলেজৰ কি দুৰ্ভাগ্য যে কলিকতা বিশ্ববিদ্যালয়ে স্বীকৃতি দিওঁতে বহুত দেৰি কৰিলে। ফলত প্ৰথম বছৰ নাম লগোৱা ছাত্ৰীসকলে এটা বছৰ হেৰুৱাব লগাত পৰিল। তেওঁলোকে তৃতীয় বছৰৰ মূৰতহে ইন্টৰমিডিয়েট পৰীক্ষা দিব পৰা হ'ল।

প্ৰথম দুবছৰ কলেজত কোনো উপাধ্যক্ষ নাছিল। ১৯৪৭ চনৰ ২৭ চেপ্তেম্বৰতহে লক্ষী প্ৰসাদ দত্তক উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। দত্তৰ এই নিযুক্তিয়েই কলেজখনৰ গতিশীলতাত বহু পৰিমাণে ইন্ধন যোগালে। তেখেতৰ কৰ্মক্ষমতা আৰু সাংগঠনিক শক্তিৰ তুলনা নাই। প্ৰকৃততে তেখেতৰ চেষ্টাতহে কানৈ কলেজে বৰ্ত্তমানৰ ৰূপ পাবলৈ সমৰ্থ হ'ল। কানৈ কৰ্মাচ কলেজ, মনোহাৰী দেৱী ছোৱালী কলেজ, কানৈ আইন কলেজ আনকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্থাপনো তেখেতৰ একক প্ৰচেষ্টাৰ ফল। সি যি নহওঁক, তেখেতৰ চেষ্টাতেই উপাধ্যক্ষ হোৱাৰ এবছৰৰ ভিতৰতে বি.এ. শ্ৰেণী আৰু বাণিজ্য শাখা কলেজৰ অন্তৰ্ভূক্ত হ'ল।

সেইখিনি সময়তে বৰবাৰীত অসম মেডিকেল কলেজৰ ঘৰ দুৱাৰ সম্পূৰ্ণ হৈ উঠাত আগৰ বেৰি হোৱাইট মেডিকেল স্কুলৰ ঘৰ দুৱাৰবোৰ এনেয়ে পৰি আছিল। গতিকে কলেজ কৰ্ত্তৃপক্ষই অসম চৰকাৰক অনুৰোধ কৰি সেইবোৰ ঘৰতে বিজ্ঞান শাখা খুলিবলৈ সিদ্ধান্ত লয়। অসম চৰকাৰৰ অনুমতি লৈ ১৯৫০-৫১ শিক্ষাবৰ্ষৰ পৰা বেৰি হোৱাইট মেডিকেল স্কুলত ইন্টাৰমিডিয়েট পৰ্য্যায়ত বিজ্ঞান শাখা খোলা হয়। আনহাতে কলা আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাত ছোৱালী হাইস্কুলৰ সৰু সৰু কোঠাবোৰত ছাত্ৰ-ছাত্ৰীৰ আসনৰ সমস্যাই দেখা দিলে। গতিকে গাভৰু পথাৰৰ নিজ মাটিত কলেজৰ ঘৰ দুৱাৰ সজাৰ কথা কৰ্ত্তৃপক্ষই ভাবিবলৈ বাধ্য হ'ল। কিন্তু ৰাইজৰ পৰা সংগ্ৰহ কৰা ধনেৰে কলেজৰ উপযোগীকৈ এটা ভৱন নিৰ্মাণ কৰা সহজ নহয়। গতিকে কলেজ গৰণিংবডি ৰায় চাহাব হনুমানবক্স কানৈৰ কাষ চাপিল। গৱৰ্ণিংবডিৰ অনুৰোধ মৰ্মে হনুমানবক্স কানৈ আৰু তেওঁৰ ভাতৃ সুৰজমল কানৈ দুয়ো লগলাগি এক লাখ টকাৰ দান কলেজলৈ আগবঢ়ালে। অৱশ্যে চৰ্ত্ত থাকিল যে কলেজখন দুয়োজন ককাই-ভাইৰ নামত হ'ব লাগিব। সেইমতেই কলেজৰ নাম ১৯৫০ চনৰ ২৫ জুলাই তাৰিখৰ পৰা ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ কলেজ হ'ল।

কলেজ কৰ্ত্তৃপক্ষই ট্ৰেনচিং গ্ৰাউণ্ডৰ কাষতে থকা আন কিছু মাটিও দুই এজনৰ পৰা কিনি ল'লে। এই গোটেইখিনি মাটি দ হোৱাৰ কাৰণে মাটি পেলাওঁতেও কিছু সময় লাগিল। তদুপৰি ইমান এটা ডাঙৰ ভৱন কম সময়ৰ ভিতৰত সজাটোও সম্ভৱ নহয়। গতিকে ১৯৫৯ চনতহে ভৱনটো কলেজৰ ব্যৱহাৰৰ কাৰণে উপযুক্ত হৈ পৰিল। উল্লেখযোগ্য কথা এয়ে যে কানৈয়ে কেৱল এক লাখ টকা দিয়েই ক্ষান্ত থকা নাছিল, ওপৰঞ্চিকৈও তেখেতে বহুত টকা ভৰিছিল। তদুপৰি দিজাইন অঁকাৰ পৰা ঘৰ সজাৰ তদাৰক কৰালৈকে সকলোখিনি কাম হনুমান বক্স কানৈয়ে কৰিছিল। আজি আমি কলেজৰ সন্মুখত যিবিলাক আটক ধুনীয়া গছ দেখা পাইছো, সেইবিলাকৰ পুলি কানৈয়ে কলিকতাৰ পৰা উৰা-জাহাজেৰে অনাইছিল। আনকি কলেজ চৌহদৰ ভিতৰত থকা পুখুৰীটোৰ পাৰত যিটো সৰু পকীঘৰৰ ভিতৰত সৰস্বতীৰ মূৰ্ত্তি আছে, সিও ৰায়চাহাব কানৈৰে অৱদান। শিক্ষাৰ প্ৰতিএকান্ত অনুৰাগ নাথাকিলে কোনেও এনেবোৰ কাম কৰিব নোৱাৰে। কলেজৰ এই আটকধুনীয়া ভৱনটোৰ আধাৰশিক্ষা স্থাপন কৰিছিল তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰাই, ১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰীত। ১৯৫৯ চনত গৃহ নিৰ্মাণ সম্পূৰ্ণ হয়। ডিব্ৰুগড়বাসীৰ কাৰণে আটাইতকৈ আনন্দৰ দিনটো আছিল ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ। কাৰণ, সেই দিনটোৰ ভাৰতৰ

উপৰাষ্ট্ৰপতি দাৰ্শনিক পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণনে নতুন ভৱনটোৰ দুৱাৰ মুকলি কৰিছিল।

১৯৪৮-৪৯ শিক্ষাবৰ্ষৰ পৰাই দূৰ দূৰণিৰ ছাত্ৰ থাকিব পৰাকৈ ভাড়াঘৰতে হোষ্টেলৰ ব্যৱস্থা কৰা হয়। সেইবছৰতে যতীন্দ্ৰ নাথ দুৱৰাই অসমীয়া অধ্যাপক হিচাপে যোগদান কৰিছিল। গতিকে তেখেতকে ছাত্ৰাবাসৰ অধীক্ষক হিচাবে নিযুক্তি দিয় হয়। কলেজৰ প্ৰথম পুঁথিভৰালী হিচাবে নিযুক্তি দিয়া হয় অশ্বিনীচৰণ চৌধুৰীক।

মুঠ ৪৬ টা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ পৰা সংগৃহীত মুঠ দুই লাখ দুহেজাৰ চাৰিশ বিশ টকাৰে বৰ্তমানৰ ছাত্ৰী নিবাসটোৰ নিমাৰ্ণ ১৯৫৮ চনৰ ৩ এপ্ৰিল তাৰিখে সম্পূৰ্ণ হৈ উঠে। উপাধ্যক্ষ লক্ষীপ্ৰসাদ দত্ত ইয়াৰ প্ৰথম অধীক্ষক হয় যদিও অলপ দিনৰ পিছতে অধ্যাপিকা লক্ষীদা দত্তক অধীক্ষিকা হিচাবে নিযুক্তি দিয়া হয়। ছাত্ৰীনিবাসৰ প্ৰথম মেট্ৰন আছিল মায়া দত্ত।

১৯৫৯-৬০ শিক্ষা বৰ্ষৰ পৰাই কলেজৰ নতুন ভৱনত কলা বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখাৰ শ্ৰেণীসমূহ বহুওৱা হয়। কলা বিভাগৰ সান্ধ্য খেপ (Evening section) এটাও থাকে। বাণিজ্য শাখা শ্ৰেণীসমূহ অৱশ্যে কেৱল সান্ধ্যা খেপতহে হৈছিল। কলা আৰু বাণিজ্য শাখাৰ স্নাতক শ্ৰেণী আগৰে পৰাই আছিল। কিন্তু বিজ্ঞান শাখাৰ স্নাতক শ্ৰেণী নতুন ভৱনলৈ অহাৰ পিছত ১৯৬০-৬১ শিক্ষা বৰ্ষৰ পৰাহে খোলা হয়। অৱশ্যে তেতিয়াও কেৱল পদাৰ্থবিদ্যা, ৰাসায়ণ আৰু গণিত - এই তিনিটা বিষয়তহে স্নাতক শ্ৰেণী খোলা হয়। ১৯৬৪-৬৫ শিক্ষাবৰ্ষৰ পৰাহে উদ্ভিদবিদ্যা, প্ৰাণীবিদ্যা আৰু তাৰো পিছলৈ নৃতত্ত্ব বিষয়ত স্নাতক শ্ৰেণী আৰম্ভ কৰা হয়।

কলেজৰ কাৰণে সুন্দৰ ভৱন এটি দান দিয়াৰ স্বীকৃতি স্বৰূপে কলেজৰ গৱৰ্ণিংবডিৰ ৰায় চাহাব হনুমানবক্স কানৈক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনাবলৈ মনস্থ কৰে। সেই সম্বৰ্দ্ধনা সভাত কানৈক এহাল হৰিনা পোৱালী আৰু এডাল হাতী দাঁতৰ লাখুটি উপহাৰ স্বৰূপে দিয়া আছিল। সেই হৰিণাহালৰ দাম ৪৪৩ টকা বাৰ অনা আৰু লাখুটিডালৰ দাম ৪২ টকা আছিল। সেই সম্বৰ্দ্ধনা সভাত হেনো তেওঁ ইমান অভিভূত হৈ পৰিছিল যে তেওঁ সম্বৰ্দ্ধনাৰ উত্তৰত মুকলিকৈয়ে কৈছিল যে ডিব্ৰুগড়ত কলেজ কিয় বিশ্ববিদ্যালয় স্থাপনৰ কাৰণেই তেওঁ আগভাগ ল'ব।

সঁচাকৈয়ে তেওঁ যেনেকৈ ক'লে, তেনেকৈয়ে কাম হ'ল। ১৯৬০ চনৰ ১৫ অক্টোবৰত বহা কানৈ কলেজৰ গৱৰ্ণিংবডিৰ সভাতে সিদ্ধান্ত লোৱা হ'ল যে ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপিত হ'ব লাগে আৰু সেই মৰ্মে যাৱতীয় ব্যৱস্থা ল'বলৈ অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগক অনুৰোধ জনাব লাগে। সেই সময়ত কানৈ কলেজ গৱৰ্ণিংবডিৰ সভাপতি আছিল কানৈ নিজেই। তেওঁ নিজেই প্ৰস্তাৱটো উত্থাপন কৰিছিল। প্ৰস্তাৱত ইয়াকো কোনো হৈছিল যে কানৈ কলেজৰ গৱৰ্ণিংবডিখনেই ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন কমিটি হিচাবেও কাম কৰিব। প্ৰকৃতাৰ্থত সেইটোৱেই হৈছিল। সেই সময়ত কলেজ গৱৰ্ণিংবডিত থকা শিক্ষক প্ৰতিনিধি হিচাবে বিশ্ববিদ্যালয় সম্পৰ্কে গৱৰ্ণিংবডিয়ে লোৱা বিভিন্ন পদক্ষেপ নিজ চকুৰে দেখাৰ সৌভাগ্য হৈছিল। কলেজ কৰ্তৃপক্ষই বিশ্ববিদ্যালয়ৰ কামত ইফালে সিফালে যোৱাৰ খৰচ হিচাবে উপাধ্যক্ষ লক্ষী প্ৰসাদ দত্তক মাহিলী পঞ্চাশ টকাৰ বানচ দিছিল। বিশ্ববিদ্যালয় স্থাপনৰ কামত ব্যৱহাৰ কৰা কাগজ, ডাক খৰচ বা আন আন অফিচৰ কাম কাজ কানৈ কলেজৰ অফিচতে কৰা হৈছিল। আনকি কলেজৰ গদৰেজ আলমাৰীও বিশ্ববিদ্যালয়ৰ অফিচ পাতিবলৈ দিয়া হৈছিল।

সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল বিমলা প্ৰসাদ চলিহা। কানৈ কলেজে প্ৰস্তাৱ দিয়াৰ পিছত যোৰহটীয়া ৰাইজেও অসম চৰকাৰৰ ওপৰত প্ৰস্তাৱ দিছিল যে বিশ্ববিদ্যালয় এখন যোৰহাটতহে স্থাপন কৰিব লাগে। সেইটো সময়ত অসম চৰকাৰৰ অৰ্থ সংকট চলি আছিল। গতিকে মুখ্যমন্ত্ৰীয়ে দুয়োপক্ষকে জানিবলৈ দিলে যে বিশ্ববিদ্যালয় এখন স্থাপন কৰাত চৰকাৰৰ আপত্তি নাই, কিন্তু অৰ্থৰ অভাৱ। গতিকে যিটো পক্ষই অধিক টকা দিব পাৰিব তাতে বিশ্ববিদ্যালয় হ'ব। ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰ প্ৰধান সংগঠক লক্ষীপ্ৰসাদ দত্তই কানৈক লৈ গ'ল মুখ্যমন্ত্ৰী চলিহাৰ ওচৰলৈ। কানৈয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰণে পঁচিশ লাখ টকা দান দিয়াৰ প্ৰতিশ্ৰুতি দিলে। যোৰহাটৰ পৰা তেনে প্ৰতিশ্ৰুতি নাপালে। কানৈৰ সেই প্ৰতিশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই ডিব্ৰুগড়ত বিশ্ববিদ্যালয় হয়। প্ৰথম অৱস্থাত তেওঁ তিনি লাখ মান টকা দিলে। কিন্তু কানৈয়ে দানৰ বিনিময়ত এটা চৰ্ত আৰোপ কৰিছিল যে বিশ্ববিদ্যালয় থকা ঠাইডোখৰৰ

নাম কানৈ নগৰ হ'ব লাগে। পিছত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সেই দাবী মানি নগ'লে। অৱশ্যে ইতিমধ্যে কানৈৰ মৃত্যুও হ'ল।

১৯৫৮ চনৰ পৰা কলেজৰ মেডিকেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটা ওপৰঞ্চি জীৱবিজ্ঞানৰ শ্ৰেণী সান্ধ্য খেপত খোলা হৈছিল। ইয়াক বোলা হৈছিল সংক্ষিপ্ত জীৱবিজ্ঞান পাঠ্যক্ৰম (Condensed Biology Course)। উদ্ভিদ আৰু প্ৰাণীবিজ্ঞানৰ অধ্যাপকে এই শ্ৰেণীত শিক্ষাদান কৰিছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ইন্টাৰমিডিয়েট পৰ্য্যায়ত জীৱবিজ্ঞান নপঢ়াকৈ মেডিকেল কলেজত নাম লগাইছিল, তেওঁলোকৰ কাৰণে এই পাঠ্যক্ৰম বাধ্যতামূলক আছিল। সেইখিনি সময়তে অসম মেডিকেল কলেজৰ অনুৰোধ মৰ্মে পঞ্চাশজন ছাত্ৰ-ছাত্ৰীৰ এটি ফাৰ্মেচী শ্ৰেণীও কলেজত খোলা হৈছিল।

কানৈ কলেজৰ গৰ্ভত কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জন্ম হোৱা নাই, মনোহাৰী দেৱী ছোৱালী কলেজ, কানৈ কমাৰ্চ কলেজ, কানৈ আইন কলেজ আদিৰো জন্ম হৈছে। ১৯৬০ চনৰ ২৭ আগষ্টত অনুষ্ঠিত কানৈ কলেজৰ গৱৰ্ণিংবডিৰ সভাতে ৰায় চাহাব হনুমানবক্স কানৈয়ে তেওঁৰ পত্নী মনোহাৰী দেৱীৰ নামত এখন ছোৱালী কলেজ সাজি দিম বুলি কথা দিয়ে। উক্ত সভাতে তলত উল্লেখ কৰা ব্যক্তিসকলক লৈ ছোৱালী কলেজৰ এখন প্ৰস্তুতি সমিতিও গঠন কৰি দিয়ে। ৰায় চাহাব হনুমানবক্স কানৈ - সভাপতি, লক্ষীপ্ৰসাদ দত্ত - সম্পাদক আৰু বাকী সদস্যসকল হ'ল - যোগীৰাজ বসু, গোবিন্দ চন্দ্ৰ শৰ্মা, পূণ্য প্ৰভা দাস আৰু নৰেন্দ্ৰ নাথ চৌধুৰী।

ইতিমধে অসম চৰকাৰক অনুৰোধ কৰি কানৈ কলেজৰ গাতে লাগি থকা জিলা বনবিষয়াৰ বাসভৱন আৰু বাৰীখন মনোহাৰী দেৱী ছোৱালী কলেজৰ কাৰণে লোৱা হয়। সেই বাৰীতে আৰু দুই এটি কেচা ঘৰ সাজি শ্ৰেণী লোৱাৰ উপযোগী কৰি লোৱা হয়। কানৈ পৰিয়ালে সম্পূৰ্ণকৈ পকীঘৰ এটি অলপতেহে সাজি দিছে। ১৯৬৩ চনৰ ৫ জুলৰাই তাৰিখে মনোহাৰী দেৱী ছোৱালী কলেজৰ আধাৰ শিলা স্থাপন কৰে তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী কে.এল. শ্ৰীমালীয়ে। উক্ত অনুষ্ঠানত অসমৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাও আছিল। তাৰ পিছত বনবিষয়াৰ বাসভৱনত অস্থায়ীভাৱে ১৯৬৩ চনৰ ২৫ জুলাইৰ পৰা মনোহাৰী দেৱী ছোৱালী কলেজৰ শ্ৰেণীসমূহ বহুওৱা হয়। সেইদিনা আনুষ্ঠানিকভাৱে শ্ৰেণীসমূহ উন্মোচন কৰে তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য এইচ. জে. টেইলৰে। আৰম্ভণিৰ কালছোৱাত মনোহাৰী দেৱী ছোৱালী কলেজ আৰু কানৈ কমাৰ্চ কলেজৰ কাৰণে বেলেগে গৱৰ্ণিংবডি নাছিল। কানৈ কলেজৰ গৱৰ্ণিংবডিখনেই তিনিওখন কলেজ পৰিচালনা কৰিছিল।

১৯৬০ চনৰ ২১ চেপ্তেম্বৰত অনুষ্ঠিত কানৈ কলেজৰ গৱৰ্ণিংবডিৰ সভাত লোৱা আন এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ হ'ল - কলেজত থকা কমাৰ্চ শাখাটোক এখন পূৰ্ণপৰ্য্যায়ৰ কমাৰ্চ কলেজলৈ ৰূপান্তৰিত কৰা। কানৈ পৰিয়ালে কমাৰ্চ কলেজৰ ঘৰ-দুৱাৰ সাজি দিয়াৰো দায়িত্ব লয়। তেওঁলোকে সাজি দিয়া কমাৰ্চ কলেজৰ ভৱনতে পোন প্ৰথম ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্য্যালয় বহিছিল। সেইখিনি সময়ত কানৈ কলেজতে কমাৰ্চৰ শ্ৰেণীসমূহ সান্ধ্যখেপত বহিছিল। ১৯৬২ চনৰ ২৫ জুন তাৰিখে তেতিয়াৰ ভাৰতৰ বিত্তমন্ত্ৰী মোৱাৰজী দেশায়ে কমাৰ্চ কলেজৰ ভৱনৰ আধাৰশিলা স্থাপন কৰিছিল।

কমাৰ্চ আৰু ছোৱালী কলেজ স্থাপন হোৱাৰ লগে লগে তিনিওখন কলেজতে কিছুমান প্ৰশাসনীয় পৰিৱৰ্ত্তনো কৰা হয়। দুবছৰৰ কাৰণে লিয়েনত যোগীৰাজ বসুক অধ্যক্ষ হিচাবে আৰু সুশীল চন্দ্ৰ দত্তক উপাধ্যক্ষ হিচাপে মনোহাৰী দেৱী ছোৱালী কলেজলৈ নিয়া হয়। লক্ষীপ্ৰসাদ দত্ত দুবছৰৰ কাৰণে কানৈ কলেজৰ অধ্যক্ষ হয়। সেইখিনি সময়ত কলেজৰ উপাধ্যক্ষৰ আসনত বহে টি.কে. আয়াৰ। নিৰ্মল কুমাৰ বসুক কমাৰ্চ কলেজৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। লিয়েনৰ অন্তত যোগীৰাজ বসু আৰু সুশীল চন্দ্ৰ দত্ত দুয়োজন কানৈ কলেজলৈ উলটি আহে। তাৰ পিছত মনোহাৰী দেৱী ছোৱালী কলেজৰ অধ্যক্ষ হয় বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য আৰু উপাধ্যক্ষা হয় লক্ষীদা দত্ত। সেইখিনি সময়তে লক্ষীপ্ৰসাদ দত্ত কিছুদিনৰ কাৰণে কমাৰ্চ কলেজৰ অধ্যক্ষ আৰু কানৈ কলেজত অতিৰিক্ত অধ্যক্ষ হিচাবে থাকে। পিছত যোগীৰাজ বসু অধ্যাপক হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়লৈ আৰু লক্ষীপ্ৰসাদ দত্ত ৰেক্টৰ হিচাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ যায়। তেতিয়াৰে পৰা সুশীল চন্দ্ৰ দত্ত কানৈ কলেজৰ আৰু নিৰ্মল কুমাৰ বসু কমাৰ্চ কলেজৰ অধ্যক্ষ হয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আগে আগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাহিৰে অসমৰ আন কোনো ঠাইতে স্নাতকোত্তৰ শ্ৰেণীত পঢ়াৰ সুবিধা নাছিল। সেই কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি লৈ কানৈ কলেজতে তিনিটা বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলা হৈছিল। বিষয়কেইটা হ'ল অৰ্থনীতি, বুৰঞ্জী আৰু সংস্কৃত। এই শ্ৰেণীসমূহ পৰিচালনা কৰিবৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্হিত অধ্যাপক নিৰ্মল কুমাৰ বসুক চেক্ৰেটাৰী হিচাবে নিয়োগ কৰা হৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত এই শ্ৰেণীসমূহ বন্ধ কৰি দিয়া হয়।

সেই একেখিনি সময়তে কানৈ আইন কলেজ নামেৰে এখনি নৈশ শাখাৰ কলেজো কানৈ কলেজ ভৱনতে আৰম্ভ কৰাহয়। মাজতে বিশ্ববিদ্যালয়ে নিজেই আইন কলেজ খুলিবলৈ লোৱাত কানৈ আইন কলেজখন উঠি যায়। পিছত অৱশ্যে বিশ্ববিদ্যালয়ে নিজৰ আইন কলেজ বন্ধ কৰি দিয়াত কানৈ আইন কলেজ পুনৰ আৰম্ভ হয়। বৰ্ত্তমান কানৈয়ে দান দিয়া পুঁজিৰে ৰে'ড ক্ৰছ ৰোডৰ কাষত এটি সুন্দৰ ভৱন সাজি উলিওৱা হৈছে আৰু আইনৰ শ্ৰেণীসমূহ তাতেই বহিছে।

১৯৬২ চনৰ পৰাই আগৰ অৰ্থনীতি বিষয়টো অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান দুটা বিষয়ত বিভক্ত কৰা হয়। আগতে অধ্যাপক নিৰ্মল কুমাৰ বসুৱেই অৰ্থনীতিৰ মূৰববী অধ্যাপক আছিল। কিন্তু বিভক্ত হোৱাৰ পিছত অধ্যাপক বসু ৰাজনীতি বিজ্ঞানৰ আৰু অধ্যাপক মেহদী হাছান অৰ্থনীতিৰ মূৰব্বী অধ্যাপক হয়। ঠিক সেইখিনি সময়তে আগৰ ৰাণিজ্যিক ভূগোলৰ বিষয়টো উঠাই দি তাৰ ঠাই ভূগোল বিষয়টো প্ৰৱৰ্ত্তন কৰা হয়।

১৯৭০-৭১ শিক্ষাবৰ্ষত কলেজৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰা হয়। সেই উদ্দেশ্যে অধ্যক্ষ সুশীল চন্দ্ৰ দত্তক সভাপতি আৰু অধ্যাপক জিয়াউদ্দিন হাজৰিকাক সম্পাদক হিচাবে লৈ এখন জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰি দিয়া হয়। বৃক্ষৰোপণ, আলোচনা চক্ৰ, কলেজৰ অধ্যাপক আৰু অধিবক্তাসকলৰ মাজত হোৱা তৰ্ক প্ৰতিযোগিতা, আতচ বাজীৰ প্ৰদৰ্শন, প্ৰদৰ্শনী আদি জয়ন্তী উৎসৱৰ প্ৰধান আকৰ্ষণ আছিল। মুকলি সভাত মুখ্য অতিথি আছিল প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰী। জুবিলী উৎসৱৰ অলপ পিছতে অসম চৰকাৰে দিয়া পঞ্চাশ হাজাৰ টকাৰ লগত কলেজৰ নিজৰ পুঁজিৰো কিছু টকা লগা লগাই এন.চি.চি. ভৱন এটা নিৰ্মাণ কৰা হয়।

১৯৭৫-৭৬ শিক্ষাবৰ্ষত সুৰজমল কানৈয়ে তেখেতৰ প্ৰায়ত পুত্ৰ লালচান্দ্ৰৰ নামত এটি আটকধুনীয়া প্ৰেক্ষাগৃহ সজাই দিয়ে। ইয়াৰ আধাৰশিলা স্থাপন কৰিছিল গৱৰ্ণিংবডিৰ সভাপতি তথা জিলাৰ উপায়ুক্ত এছ.কে. অগ্নিহোত্ৰীয়ে। ১৯৭৫ চনৰ ৫ জলাইত প্ৰেক্ষাগৃহটো মুকলি কৰিছিল তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী নুৰুল হাছানে। ইয়াত মুখ্য অতিথি আছিল অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ আৰু সভাত সভাপতিত্ব কৰিছিল কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শৰৎ কুমাৰ দত্তই।

১৯৫৪ চনতে কানৈ কলেজত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শাখা খোলা হয়। এই শাখাটোৰ নাম আছিল আৰমাৰ্ড স্কোৱাড্ৰন (Armoured squadron)। সৈন্য বাহিনীত আৰমাৰ্ড সেনাৰ স্থান আন সকলতকৈ ওপৰত। এন.চি.চি.ৰ ক্ষেত্ৰতো সেই একেই কথা। উল্লেখযোগ্য যে আৰমাৰ্ড স্কোৱাড্ৰন এন.চি.চি. সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত কেৱল কানৈ কলেজতহে দিয়া হৈছিল। অৱশ্যে চীনা আক্ৰমণৰ পিছত কানৈ কলেজত বেটেলিয়ানো অন্তৰ্ভুক্ত কৰা হয়। কলেজৰ প্ৰথম এন.চি.চি. বিষয়া আছিল অধ্যাপক কল্যাণ কুমাৰ বৰুৱা। এন.চি.চি.ৰ দৰে এন.এচ.চি. (ৰাষ্ট্ৰীয় সমাজ সেৱা) নামৰ সংগঠন এটাৰো কিছু বছৰৰ আগতে জন্ম হয়। ইয়াৰে এটা শাখা কানৈ কলেজতো আছে। কানৈ কলেজত এন.চি.চি. থকা বহু ছাত্ৰ এতিয়া পুলিচ বিভাগ আৰু সৈন্য বিভাগতো আছে। তাৰে দুই এজন এতিয়া আই.পি.এচ. (I P S) বিষয়া আৰু মিলিটাৰীৰ ব্ৰিগেডিয়াৰ পদতো আছে।

এই কলেজ চৌহদৰ কেইবাটাও ৰাজ্যিক অনুষ্ঠানৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈ গৈছে। সেইবিলাকৰ ভিতৰত অসম কলেজ শিক্ষক সংস্থা, অসম বিজ্ঞান সমিতি, উত্তৰ পূৰ্ব ভূগোল সন্থা, অসম কলেজ অধ্যক্ষ পৰিষদ আদি অধিবেশনেই প্ৰধান।

বছৰি অনুষ্ঠিত হোৱা কলেজৰ আন দুটা প্ৰধান অনুষ্ঠান হ'ল - ড° যোগীৰাজ বসু আৰু ড° লক্ষ্মীপ্ৰসাদ দত্তৰ নামত হোৱা দুটা স্মাৰক বক্তৃতা। প্ৰথমটো বক্তৃতাৰ আয়োজন কৰে অসম কলেজ শিক্ষক সন্থাৰ কানৈ কলেজ গোটে আৰু দ্বিতীয়টো বক্তৃতাৰ আয়োজন কৰে কলেজ কৰ্তৃপক্ষই।

এতিয়ালৈকে ড০ যোগীৰাজ বসু স্মাৰক বক্তৃতা প্ৰদান কৰা ব্যক্তিসকল হ'ল যশস্বী সাহিত্যিক যজ্ঞেশ্বৰ শৰ্মা, ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° ভূবন মোহন দাস, ড° মহেন্দ্ৰ বৰা, ড° শিশিৰ দত্ত, অধ্যাপক তফজ্জুল আলি আৰু সাহিত্যিক মেদিনী মোহন চৌধুৰী। ড° লক্ষীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতাৰ বক্তাসকল আছিল ড° মুকুন্দ মাধৱ শৰ্মা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু সু-সাহিত্যিক হোমেন বৰগোঁহাঞি। এই বছৰ এই বক্তৃতা অধ্যাপক অজিত কুমাৰ শৰ্মাই প্ৰদান কৰে।

কানৈ কলেজে এটা কথাৎ নিশ্চয় গৌৰৱ কৰিব পাৰে যে কলেজখনে যোৱা পঞ্চাশটা বছৰত যিসকল গুণী জ্ঞানী পণ্ডিতক শিক্ষক হিচাবে পাইছিল, তেনে শিক্ষক আন সাহাৰ্য্যপ্ৰাপ্ত কলেজসমূহে পাইছেনে নাই, সন্দেহ। উদাহৰণস্বৰূপে, অসমীয়া বিভাগত কাম কৰা ৰায়চাহাব বেণুধৰ ৰাজখোৱা, বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰা, ভাষাবিদ উপেন্দ্ৰ নাথ গোস্বামী, সাহিত্যিক যতীন্দ্ৰনাথ গোস্বামী, গীতিকাৰ তফজ্জুল আলি আদিৰ দৰে লোকক শিক্ষক হিচাবে পোৱাটো ছাত্ৰ-ছাত্ৰীৰ কাৰণে কম গৌৰৱৰ কথা নাছিল। সংস্কৃতৰটো কথাই না। ড° যোগীৰাজ বসু অধ্যক্ষ হৈ আছিল যদিও সংস্কৃতৰ শ্ৰেণীত পাঠদান কৰিছিল। বেদ বেদান্তৰ জটিল বিষয় একোটাকো হেনো তেখেতে ইমান সৰল সহজ কৈ বুজাই দিছিল যে অলপ গাধা ছাত্ৰজনেও সহজে বুজি পাইছিল। দ্বিতীয়জন অধ্যাপক আছিল আশুতোষ বিশ্বাস, এম.এ. (ডবল), বি.টি. কাব্যতীৰ্থ, প্ৰথম শ্ৰেণীৰ প্ৰথম, সংস্কৃতৰ গোঁসাই বৃত্তি লাভ কৰোঁতা, কটন কলেজ আৰু মুৰাৰিচাঁদ কলেজৰ প্ৰাক্তন অধ্যাপক। তৃতীয় আৰু চতুৰ্থ শিক্ষক অধ্যাপক টি. কে. আয়াৰ আৰু ড° প্ৰিয়াংশু প্ৰৱল উপাধ্যায়ে সংস্কৃতত অগাধ পণ্ডিত আছিল। এই চাৰিগৰাকী শিক্ষকে নিজৰ ভিতৰত কথা বতৰ পাতিলে সদায় সংস্কৃততে পাতিছিল। আনকি তেখেতসকলৰ উদ্যোগতে ছাত্ৰ-ছাত্ৰীৰ হতুৱাই সংস্কৃত নাটকো মঞ্চস্থ কৰাইছিল।

কানৈ কলেজৰ পৰা কটন কলেজলৈ যোৱা শিক্ষকসকল আছিল উদ্ভিদ বিদ্যাৰ খৰ্গেশ্বৰ চেতিয়া, সৈলজানন্দ ভৰালী আৰু অনন্ত দত্ত। এই তিনিওগৰাকীয়েই সাৰ্থক শিক্ষক। শৈলজানন্দ ভৰালী পিছলৈ অসমৰ শিক্ষাধিকাৰো হৈছিলগৈ। আন এগৰাকী উদ্ভিদ বিদ্যাৰ অধ্যাপক তৈলেন গোঁহায়ে অসম ভেটেৰেনেৰি কলেজত যোগদান কৰে। কানৈ কলেজৰ প্ৰাণীবিদ্যাৰ প্ৰথম অধ্যাপক উমেশ প্ৰসাদ মেধি কানৈৰ পৰা টোকোলাই গৱেষণা কেন্দ্ৰ আৰু পিছত কটন কলেজলৈ যায়। আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী সত্যেন্দ্ৰ নাথ চৌধুৰীয়েও কানৈ কলেজৰ প্ৰাণীবিদ্যা বিভাগত কিছুদিনৰ কাৰণে কাম কৰিছিল। আন কেইগৰাকীমান প্ৰাণীবিদ্যাৰ অধ্যাপক পান্নালাল দাস আয়কৰ বিভাগলৈ, যোগেন্দ্ৰ নাথ তালুকদাৰ তিতাবৰৰ ৰেচম কেন্দ্ৰলৈ, মেনন ইম্ফলৰ ডি.এম. কলেজলৈ আৰু জি.বিশ্বেশ্বৰ নাগপুৰ বিশ্ববিদ্যালয়লৈ যায়। কানৈ কলেজৰ পদাৰ্থ বিজ্ঞানৰ শিক্ষক হৰিদেৱ গোস্বামী আৰু সৰোজ দত্তই কটন কলেজত যোগদান কৰে। ইংৰাজী বিভাগৰ অধ্যাপক ড০ মহেন্দ্ৰ বৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ড০ সুধাকৰ পাণ্ডে পুনা বিশ্ববিদ্যালয়ৰ কলাশাখাৰ ডিন্ হয়গৈ।

পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হেমেন্দ্ৰ নাথ বৰঠাকুৰ দৰং কলেজৰ অধ্যক্ষ হয়। ভৰত গগৈ আৰু নিৰুদ্ধ চন্দ্ৰ গোঁহাই অসম প্ৰশাসনীয় সেৱাত সোমাই পৰে। কানৈ কলেজৰ পৰা গৈ চাহ শিল্পত সোমাই পৰা শিক্ষকৰ সংখ্যাও তেনেকৈ কম নহয়। তেখেতসকল হ'ল ত্ৰৈলোক্যেশ্বৰ বৰুৱা, মানস কুমাৰ বৰুৱা, হৰিহৰ দাস আৰু দিলীপ কুমাৰ বৰুৱা। এইসকলৰ উপৰিও বহুজন শিক্ষকে নানান কাৰণত কানৈ কলেজৰ পৰা গৈ আন আন কামত যোগদান কৰিছে। অনিচ্ছা স্বত্বেও দুই এজনৰ নাম হয়তো বাদ পৰি গৈছে। সোণালী জয়ন্তীৰ এই পবিত্ৰ ক্ষণত আমি এই সকলোৰে প্ৰতি আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক ব্যক্তিগতভাৱে সুঁৱৰিবলৈ আমি অপাৰগ। কিন্তু আমি জানো তেখেতসকলৰ শুভেচ্ছা আৰু মৰমৰ পৰা কানৈ কলেজ কোনো কালে বঞ্চিত নহয়। বিভিন্ন ক্ষেত্ৰত আমাৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে সুনাম অৰ্জন কথা জানিলে বা উচ্চ আসন দখল কৰাৰ কথা শুনিলে আমি গৌৰৱবোধ কৰোঁ। তেওঁলোকৰ সেই সন্মান আমি কানৈ কলেজৰ সন্মান বুলি ভাবো। তেওঁলোকৰ কৃতিত্বই তেওঁলোকক ধন্য নকৰে, ধন্য কৰে কানৈ কলেজকো।

*সোণালী জয়ন্তীৰ "স্মৃতিগ্ৰন্থ" (১৯৯৫)ৰ পৰা পুনৰ্মুদ্ৰিত*

# A SHORT HISTORY OF THE DIBRUGARH COLLEGE

**L.P. Dutta**
Ex Principal

Dibrugarh is considered by the people of other places as the Wish Yielding tree-Kalpataru. Several lacs of rupees for foreign causes on various pretexts have been collected and sent out of the town, but the local people have not been able to unite and take up a programme of all round improvement of the town.

The municipal administration and erosion of the town by the Brahmaputtra for the last fifteen years reveal the callousness and the indifference of our city fathers. It is a slur on the face of the people that this premier town of Assam had not a college till 1945 and is still without a t3own hall and public library.

It is not that there was no move for starting a college at Dibrugarh in the past. Some enthusiastic young men did make efforts to establish a second grade college at Dibrugarh about ten years back but their efforts ended in smoke due to narrow skeptical outlook of the reactionary die-hards of society who till lately influenced public opinion by their command over wealth and the Government. But the last Great war made a profound impress in the minds of the people and they evinced a desire for intellectual advancement. But there was no body to take the initiative.

One fine morning in the month of May in the year 1945 we heard that a public meeting had been convened by Mr. Aswini Charan Chowdhury to discuss and find out ways and means to establish a college at Dibrugarh. People received this news with a mixed feeling. One responsible citizen even went so far as to remark "A college is going to be established at Dibrugarh ? for some starving professors, I believe! Any way the college will die no sooner it is born." This was the sentiment representative of the blue blood of society. In the teeth of opposition Aswini Charan Chowdhury backed by Sj. Sarat Kumar Dutta, Principal Earle Law College, managed to get a resolution in favour of starting a college at Dibrugarh from the session 1945-46 passed in the Public meeting which appointed Mr. Chowdhury as the Secretary of the proposed college and authorised him to take necessary steps in furtherance of the plan. Accordingly Mr. Chowdhury requested the George School authorities to accommodate the college in the George School buildings in the

morning hours, and the school authorities gladly gave the permission.

There was a batch of qualified public spirited gentleman who inspired by the dream of founding a full fledged college and thereby to remove the obstacles in the way of receiving higher education came forward with determination to work gratis till their desideratum was established on firm footing. Amongst them there was our much beloved Principal Sreejut Jogiraj Basu, M.A. (Triple), a scholar of name and fame who agreed to assist Mr Ashwini Charan Chowdhary and give the lead.

The college was formally opened by Maulavi Faiznur Ali, B.L, Ex speaker, Legislative Assembly, Assam, on the 15th June, 1945. In accordance with the custom "Ladies first" a lady student gave the lead admission and 79 students followed suit, including 5 girls 50 ministerial officers, whose keeness to receive higher education in spite of heavy official duties during war times deserves special commendation.

There was a difficulty about affiliation of the college with the Calcutta University with effect from session 1945-46 as according to University regulation and application for affiliation must be made before 15th November in order to be affiliated from the next session and in our case we were already late by eight months as the proposal for starting the college matured only in the month of May. The students pressed the Secretary and the Principal of the college to go to Calcutta to contact the University officers personally to secure the affiliation, but their efforts failed. The University authorities headed by Dr. Shyamaprased Mukherjee fully appreciated the case of Dibrugarh College but at the same time they could not go against the standing regulations. However, they gave assurance to grant affiliation from the next session i.e. 1946-47 and advised to collect at least Rs 75,000/-. The news about affiliation did not disturb the attendance of the students, who went to their studies as regularly as before.

The college began without a pie in the coffer. The admission fees of the first student of Rs 25/- constituted the first income of the college fund. Soon after Raibahadurs Sadananda Dowerah and Phanindranath Ghosh gave a drive for collection and in no time collected Rs 80,000/- including a sum of Rs 10,000/- (ten thousand) generously donated by Rasisaheb Hanuman Bux Kanoi for the college library. The Minister for Education Savedur Rahman, who hails from this place, could not believe when he heard that a college had been established at Dibrugarh. He at once came to Dibrugarh in August 1945 when the town was completely under water. Not cowed down by the unfriendly welcome of nature the H.M. came to see the college in a boat accompanied by Mr. I. Majid, the D.C. and was so much satisfied with the earnestness of the teachers and the students that he placed a sum of Rs 50/- out of his discretionary allotment fund for the maintenance of college library, though we were later informed by the authorities concerned that the H.M. had exhausted his fund and there was no balance, and as such the amount promised could not be honoured.

The Commissioner of Divisions Mr. S.P. Desai also paid a visit to the college on 24.9.46 and was pleased to remark as follows:-

"I dropped...in to see the latest arrival among the educational institutions of Dibrugarh.........The beginning seems encouraging... I do hope that it will grow into a really useful institution."

The application for affiliation from the next session was made during November, 1945 and the University Inspector came to Dibrugarh during

January'46 for enquiry and report. In the meantime the Dibrugarh Municipality donated 16 Bighas of land to the college. The Girls' School buildings were going to be vacated very soon as the school authorities decided to occupy the buildings in permanent land and the Deputy Commissioner promised to hand over the buildings to the college authorities as soon as the school shifted to the new site. The University Inspector was satisfied with fund, buildings, site, the teaching staff and the number of students who were continuing their studies in the college though affiliation could not be secured from the session 1945-46 and accordingly gave a very favourable report to the Syndicate. The affiliation was formally granted in May, 1946.

The Premier Bordoloi paid a visit to the college on 26th April 1946, an address of welcome was presented to him by the students of the college. The Premier came to Dibrugarh in connection with converting the B.W. Medical School into a college. Public suggested to start Medical College immediately at Barbari Medical Hospital and to hand over medical school buildings to the Dibrugarh college authorities for starting Science section. The Primer gave a verbal assurance that he was out to help Dibrugarh college if it decided to open a Science section.

The college opened on 2nd July 1946, and in no time 125 students sought admission of which 10 were girls. They consisted of Hindus, Muslims, Jains, Christians and Buddhists. The girl students and the male students of the last year who could appear as private Non-Collegiate students formed into a separate class and they were given special coaching so as to enable them to appear in I. A. Examination in 1947. It is gratifying to note that eight such students appeared in I.A. Examination this year of which there were three male and the rest girls student, and it is expected that all will come out successful.

Col. S.L. Bhatia, I.G. C.H. & P. came to Dibrugarh during January this year in connection with devising ways and means and to establish the Medical College at the earliest. It was necessary that students seeking admission into the Medical College should have knowledge of Biology and Dibrugarh college authorities were asked by the I.G.C.H. To start Biology class for the benefit of the Medical College students. Dibrugarh College agreed to help this public cause, and it is expected that Biology class will be started by Dibrugarh College this year.

The college applied for extension of affiliation in Commercial Geography, Book Keeping, & Accountancy, subjects, and it is reliably learnt that affiliation will be granted with effect from this session. It is also under the contemplation of the College authorities to open third year coaching classes from this year for private students.

Mr. S.L. Mehta, Secretary for Education, Government of Assam, also paid visit to the college towards the latter part of February 1947 and remarks of Col. Bhatia and Mr. Mehta are noted below :-

"This institution is doing excellent work and deserves all help, I am in full sympathy with their desire to teach Science particularly Biology. The college has a great future before it and I wish it all success, The Principal and the staff are to be congratulated for their pioneer efforts in the cause of higher education," - S.L. Bhatia.

"I congratulate the Principal, the professors and organisers who at considerable sacrifice have given a start to this institution and I hope that it will continue to grow and fulfill a vital need of the boys and girls of this district," .........S.L. Mehta.

The history of the college will never be complete

unless we gratefully remember the help given by the George school authorities by accommodating the college in their buildings, gift of the land by the Municipal Board, contribution of the public in cash and kind, honorary services of the Founder Secretary Sj, Aswini Charan Chowdhury and of Rai Bahadurs Sadanda Dowera and Phanindra Nath Ghosh in the collection of college funds, and the voluntary selfless services of the following teachers whose names will be written in the letters of gold in the history of the college:- Sreejutes Jogiraj Basu. M.A.(Triple), Laxmi Prasad Dutt, M.A.B.L., Umapransanna De, M.A., Benudhar Rajkhowa, B.A., Sushil Chandra Dutta, M.A., Devakumar Dutta, M.A. Nirmal Kumar Basu, M.A.B.L, Rajendra Nath M.Sc, Suktipada Patra M.sc., B.L., Birendra Bhattacharza M.A., Surendranath Sarmah M.A., Parsuram Sonowal M.A., B.L., Saroj Kumar Majumdar M.A. and Maulavi Majibur Rahman M.A.

*'ডিব্ৰুগড় কলেজ আলোচনী', প্ৰথম বছৰ, বিশেষ সংখ্যা ১৯৪৭ চনৰ পৰা পুনৰ্মুদ্ৰিত*

# কানৈ কলেজৰ ইতিহাসৰ সন্ধানত

অধ্যায় - ২

# মহাৰজত জয়ন্তী বৰ্ষত কানৈ মহাবিদ্যালয় ঃ কেতবোৰ ইতিবাচক দিশ

**কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া**
অধ্যক্ষ, ডি.হ.সু. কানৈ মহাবিদ্যালয়

**এক ঃ কানৈ মহাবিদ্যালয়ৰ সোণালী ইতিহাসৰ পম খেদি ...**

চাওঁতে চাওঁতে এসময়ৰ ডিব্ৰুগড় মহাবিদ্যালয় আৰু বৰ্তমান ডি এইচ এচ কানৈ মহাবিদ্যালয় (চমুকৈ কানৈ মহাবিদ্যালয়) ৭৭ বছৰীয়া হ'ল। মহাবিদ্যালয়খনে বহু ধুমুহা, বহু সৃষ্টি, সংঘাট, সমস্যাৰ মাজেৰে আহি অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিচিত হৈ পৰিল। জন্ম লগ্নৰ স'তে জড়িত হৈ থকা বিদ্বৎ, শিক্ষানুৰাগী ব্যক্তিসকলে হয়তো কল্পনা কৰা নাছিল তেওঁলোকে সৃষ্টি কৰি যোৱা মহাবিদ্যালয়খন অসমৰ ভিতৰত এখন নামজ্বলা মহাবিদ্যালয় হিচাপে পৰিচিত হৈ পৰিব। সঁচাকৈ আজি অসমৰ মহাবিদ্যালয়সমূহৰ ভিতৰত কানৈ মহাবিদ্যালয় বহুতৰ বাবে এখন সপোনৰ মহাবিদ্যালয়। কানৈত অধ্যয়ন কৰা যেনেদৰে বহুতৰে সপোন থাকে, তেনেদৰে কানৈত অধ্যাপক, চাকৰি কৰাৰো বহুতৰে সপোন থাকে। সেই সপোনৰে মহাবিদ্যালয় কানৈ মহাবিদ্যালয়। কেৱল সেয়াই নহয় কানৈ মহাবিদ্যালয়ে দেশৰ অন্যতম উদ্যোগ বি চি পি এল, আদিত্য ডাইগনষ্টিক এণ্ড হস্পিটেল, ডিব্ৰুগড়, জি আই চি টি, ভূটান, আই চি টি একাডেমী, তামিলনাডু, ইউ এচ টি এম, মেঘালয়া, জে কে এম গ্ৰুপ অব ইনষ্টিটিউশ্যন, ঝাৰখণ্ড, ডিব্ৰুগড় মিউনিচিপালিটি ব'ৰ্ড, উদ্ভিদ বিজ্ঞান বিভাগ, তিনিচুকীয়া মহাবিদ্যালয়, পদাৰ্থ বিজ্ঞান বিভাগ, দুলীয়াজান মহাবিদ্যালয়, লক্ষ্মীবাই কলেজ, দিল্লী আদি শিক্ষা প্ৰতিষ্ঠানৰ স'তে বুজাবুজি কৰি সমাজৰ সকলো দিশত আগুৱাই নিয়াৰ প্ৰয়াস চলোৱা হৈছে। এনে প্ৰচেষ্টাৰ ফলত কানৈ মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীয়ে শিক্ষাৰ আদান-প্ৰদান, আলোচনা চক্ৰ, ক্ৰীড়া-সাংস্কৃতিক ইত্যাদি দিশত লাভৱান হ'ব। কানৈ মহাবিদ্যালয়ৰ ইতিহাসত এনে বিষয়বোৰ এক গুৰুত্বপূৰ্ণ বুলি এই কাৰণেই বিবেচিত হৈছে যে মহাবিদ্যালয়খনে আন শিক্ষানুষ্ঠানক নেতৃত্ব দিব পৰা এক বয়সসন্ধি যুগ অতিক্ৰম কৰিছে। তাতকৈ ইতিবাচক দিশ আৰু নো কি হ'ব। কানৈ মহাবিদ্যালয়ে কেনেদৰে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক গুণগত পৰিৱেশ দিব পাৰি তাৰ ওপৰত চকু দি আহিছে। ইয়াৰ ফলত কানৈ মহাবিদ্যালয়ে প্ৰথমখন শিক্ষানুষ্ঠান হিচাপে কেন্দ্ৰীয় গৱেষণাগাৰৰ সঁজুলিৰ (CIF) সুবিধা লাভ কৰিছে। প্ৰায় চাৰি কোটিতকৈ অধিক ধন এই আঁচনিৰ বাবে লাভ কৰা অসমৰ প্ৰথমখন মহাবিদ্যালয়ে হ'ল কানৈ মহাবিদ্যালয়। ৰুছাৰ অধীনতো দুই কোটি অনুমোদন লাভ কৰি মহাবিদ্যালয়খনে পৰীক্ষাগাৰ, নতুন ছাত্ৰীনিৱাস

আৰু অন্যান্য আন্তঃগাঠনিৰ সুবিধা লাভ কৰিছে।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৫ বছৰ অৰ্থাৎ মহাৰজত জয়ন্তী চূড়ান্ত কাৰ্যসূচী ৰূপায়ণ সম্পৰ্কে ২৮ নৱেম্বৰ ২০১৯ত শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভাত পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈয়ে বৰ চিন্তা উদ্বেগকাৰী কেইশাৰীমান বাক্য কৈছিল। তেওঁ প্ৰধানকৈ বক্তব্যত উল্লেখ কৰিছিল যে পিতৃ পুৰুষে বহু সপোন লৈ কানৈ মহাবিদ্যালয়খন গঢ়ি তোলাত আগ-ভাগ লৈছিল। ৭৫ বছৰ আগতে তেওঁলোকে সপোন দেখিছিল যে কানৈ মহাবিদ্যালয় এদিন সকলো দিশতে জিলিকি উঠিব। সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী মিলি মহাবিদ্যালয়খন বিশ্বদৰবাৰলৈ আগুৱাই নিব। তেওঁৰ পূৰ্বপুৰুষে দেখা সেই সপোন বাস্তৱত ৰূপায়িত হৈছেনে? তেওঁ প্ৰশ্ন কৰিছিল হনুমানবক্স আৰু সুৰজমল কানৈয়ে দেখা সপোন বাস্তৱত ৰূপায়িত কৰিবৰ বাবে কিমান অধ্যাপক-কৰ্মচাৰীয়ে প্ৰচেষ্টা চলাইছে? মহাবিদ্যালয়খন এখন জাকত জিলিকা শিক্ষানুষ্ঠান হিচাপে গঢ়ি তুলিবলৈ সকলো অধ্যাপক-অধ্যাপিকাই, কৰ্মচাৰীয়ে নিজৰ ঘৰখনকৈও মহাবিদ্যালয়খনক ভাল পাবলৈ শিকিব লাগিব। কিন্তু তেওঁ যি অনুভৱ কৰিছে একাংশ অধ্যাপক-অধ্যাপিকাই, কৰ্মচাৰীয়ে সেই সপোন বাস্তৱত ৰূপ দিবলৈ চেষ্টা কৰা নাই। চেষ্টা নকৰা সকলে চেষ্টা কৰা সকলৰ লগ লাগিব লাগিব আৰু ৭৫ বছৰীয়া মহাবিদ্যালয়খন বিশ্বৰ ভিতৰত জিলিকাই তোলাৰ প্ৰচেষ্টা চলাব লাগিব। জ্যোতি প্ৰসাদ কানৈৰ বক্তব্য সঁচাকৈ আবেগ স্পৰ্শ কৰি যোৱা আৰু মনত ৰেখাপাত কৰিব পৰা ধৰণৰ আছিল। দাতা সদস্যগৰাকীৰ সেই বক্তব্য আখৰে আখৰে ফলিয়াবলৈ হ'লে কানৈ মহাবিদ্যালয় পৰিয়ালে একত্ৰিত হৈ মহাবিদ্যালয়খনৰ উন্নতিৰ স্বাৰ্থত কাম কৰি যাব লাগিব। তেহে কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাসকলৰ সপোন বাস্তৱ হ'ব।

৭৭ বছৰীয়া এটা শিক্ষানুষ্ঠানৰ ইতিহাস খোছৰাৰ সময় নহয় যিহেতু শিক্ষানুষ্ঠানখনে নিজেই অসমৰ শৈক্ষিক ইতিহাসত এক ইতিহাস খোদিত কৰিবলৈ সক্ষম হৈছে। অসমৰ উচ্চ শিক্ষা জগতত নেতৃত্ব ল'ব পৰা হ'ল। কানৈ মহাবিদ্যালয়ে যি কয় সেয়া অসমৰ অন্যান্য মহাবিদ্যালয়সমূহেও চকু ৰাখে। কাৰণ কানৈ মহাবিদ্যালয় এখন অভিজ্ঞতাৰে পৰিপুষ্ঠ বয়স্ক শৈক্ষিক তথা উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল। কেনেকৈ এই মহাবিদ্যালয়খন জন্ম হৈছিল? সেই বিষয়ে কিছু কথা লিখি নথ'লে এই লেখাটো সম্পূৰ্ণ নহ'ব। সেয়া ১৯৪৫ চনৰ ২৮ মে'ৰ কথা। ডিব্ৰুগড়ত এখন 'ইন্টাৰমিডিয়েট' কলা মহাবিদ্যালয় স্থাপন কৰাৰ বাবে এখন ৰাজহুৱা সভা সেই সময়ৰ জৰ্জ ইন্সটিটিউশ্যন (বৰ্তমান বাগ্মীবৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত ৰায়চাহাব বি ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হয়। মহাবিদ্যালয়খন কিয় আৰু কি কাৰণে গঠন কৰা হ'ব সেই বিষয়েও আলোচনা কৰা হয়। সভাখন আহ্বান কৰা অন্যতম আহ্বায়ক অশ্বিনীচৰণ চৌধুৰীয়ে ডিব্ৰুগড়ত তেনে এখন কলেজ স্থাপন কৰাত সজোৰে দাবী উত্থাপন কৰে। সভাত সেই সময়ৰ আৰ্ল ল' কলেজৰ অধ্যক্ষ এছ কে দত্ত আৰু জি চি শৰ্মা, এন বৰদলৈ, ডি মুখাৰ্জী, জে আৰ বসু, জি আৰ ফুকন আদিয়ে সভাখনত মহাবিদ্যালয়খন স্থাপন কৰাত সকলোৰে সহযোগিতা কামনা কৰে। সভাত সভাপতি কৰা ৰায়চাহাব বি ৰাজখোৱাই মহাবিদ্যালয়খন স্থাপন কৰাত হৃদয়ৰ পৰা কামনা কৰে আৰু যোগীৰাজ বসুৰ দৰে উচ্চ শিক্ষিত (প্ৰথম শ্ৰেণীৰ সোণৰ পদক লাভ কৰা, ত্ৰিপ'ল এম.এ) লোক এজনৰ পৰা তেনে সুবিধা গ্ৰহণ কৰাটো ভাল হ'ব বুলি কয়। সকলোৰে ডিব্ৰুগড়ত এখন মহাবিদ্যালয় বহু আগতে প্ৰতিস্থা হোৱাটো উচিত আছিল বুলি উল্লেখ কৰি সেই বৰ্ষৰ পৰাই মহাবিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰাটো উচিত বুলি মত পোষণ কৰে। সভাত অধ্যক্ষ এচ কে দত্তই মহাবিদ্যালয়খন স্বীকৃতি সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰি কয়— বিশ্ববিদ্যালয়ে মহাবিদ্যালয়খনৰ ধাৰাবাহিকতা চাই স্বীকৃতি ব্যৱস্থা নিশ্চয় কৰিব। তেওঁ স্বীকৃতিৰ কাম কাজ কৰি দিয়াৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি কয়। সেই সভাতে মহাবিদ্যালয়ৰ পৰিচালনা সমিতি এখন গঠন কৰা হয়। সভাৰ সিদ্ধান্ত মৰ্মে শ্ৰীযুত আই মজিদ, আই চি এছ, ডি চিক সভাপতি মনোনীত কৰি ৰায়বাহাদুৰ এছ দুৱৰা, ৰায়বাহাদুৰ পি এন ঘোষ, প্ৰাক্তন মন্ত্ৰী এন কে দত্ত, অৱসৰপ্ৰাপ্ত ই.এচি. ৰায় চাহিব বি ৰাজখোৱা, ৰায়বাহাদুৰ লাল চহৰীয়া, এ.পি.এছ.চিৰ প্ৰাক্তন সদস্য ফইজনুৰ আলী, ডিব্ৰুগড়ৰ পৌৰসভাৰ সভাপতি জালালুদ্দিন আহমেদ, যোগীৰাজ বসু, মজিবুৰ ৰহমান, ডি পি দাস, জি আৰ ফুকন, ট্ৰী প্লেনটাৰ এন চক্ৰৱৰ্তী, পি কে

বৰুৱা, জি চি শৰ্মা, মুৰুলীধৰ জালান, এ চৌধাৰীক সদস্য হিচাপে ৰখা হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক হিচাপে অশ্বিনীচৰণ চৌধুৰীক দায়িত্ব অৰ্পণ কৰে। সেইখন পৰিচালনা সমিতিয়েই মহাবিদ্যালয়খনৰ সকলো নীতি নিৰ্দ্ধাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত মুঠতে ছটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰথম আৰু দ্বিতীয় প্ৰস্তাৱৰ পিছত তৃতীয় প্ৰস্তাৱত সকলো শিক্ষাবিদৰ সদস্যভুক্তিক ধন্যবাদ জ্ঞাপন কৰা হয় আৰু পুৱা সাত বজাৰ পৰা দহ বজালৈ পাঠদান আৰম্ভ কৰিব পৰাকৈ জৰ্জ ইন্সটিটিউচনৰ পৰা অনুৰোধ কৰি ১৫ জুন ১৯৪৫ চনৰ পৰা পাঠদান আৰম্ভ কৰিব পৰাকৈ প্ৰচ'পেক্টাছ ছপাশাললৈ পঠাবৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

কলেজ পৰিচালনা সমিতিৰ প্ৰথমখন বৈঠক ১৪ জুন ১৯৪৫ চনত জৰ্জ ইন্সটিটিউচনত আবেলি পাঁচ বজাত অনুষ্ঠিত হয়। প্ৰথমখন বৈঠকত সভাপতি কৰে ৰায়চাহাব বি ৰাজখোৱাই। সেই সভাত পাঁচজনকৈ সদস্য ক্ৰমে ৰায়চাহাব বি ৰাজখোৱা, জে আৰ বসু, জি চি শৰ্মা, জি আৰ ফুকন আৰু এ চি চৌধুৰীও উপস্থিত আছিল। সেই সভাত মুঠতে নটা প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। প্ৰথম প্ৰস্তাৱ আছিল ৰায়বাহাদুৰ এছ্ দুৱৰাক সভাপতি নিযুক্তি দিয়া। কাৰণ আই মজিদে সভাপতিৰ পদ অলংকিত কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। সভাত মাহে ৪০ টকাকৈ এজন কেৰাণী নিযুক্তি কৰা, মাহে দহ টকাকৈ এজন চৌকিদাৰ নিযুক্তি দিয়া, মাহে পোন্ধৰ বা বিশ টকাৰ ভিতৰত এজন পিয়ন নিযুক্তি দিয়া, সভাপতি অনুপস্থিত থাকিলে যিকোনো এজনক সভাপতি কাৰ্যভাৰ লৈ সভা পৰিচালনা কৰা, এছ চি দত্ত আৰু বি কে মজুমদাৰক ষ্টাফ হিচাপে নিযুক্তি দিয়া যিহেতু তেওঁলোকে সেৱা দিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। মহাবিদ্যালয়ৰ নামত সংগৃহিত ধন গুৱাহাটী বেংকত হিচাপ খুলি জমা ৰখা আৰু প্ৰতি মাহত খুচৰা খৰচ কৰিবলৈ সম্পাদকৰ হাতত পঞ্চাশ টকা জমা ৰখা, যোগীৰাজ বসু আৰু জি চি শৰ্মা আৰু জি আৰ ফুকনক মহাবিদ্যালয়খনৰ সম্পৰ্কত নীতি প্ৰস্তুত কৰিবলৈ এখন উপসমিতি গঠন কৰা হয়। প্ৰথম পৰিচালনা সমিতিৰ সভাৰ কাৰ্যবিৱৰণী আজিও মহাবিদ্যালয়খনৰ বাবে গৌৰৱৰ বিষয় হৈ আছে আৰু সেয়া সংৰক্ষিত হৈ আছে। আজিৰ পৰা ৭৫ বছৰ আগতেই অনুষ্ঠিত এখন সভাৰ কাৰ্যবিৱৰণী সংৰক্ষিত হৈ থকাটো গৌৰৱৰ বিষয় বুলিব পাৰি। প্ৰথম কাৰ্যবিৱৰণী আৰু সিদ্ধান্তসমূহ হুবহু তলত উল্লেখ কৰা হ'ল—

A meeting of the general public of Dibrugarh was held at 5 P.M. of Monday. The 28th May, 1945 in the premises of the George Institution, with Rai Sahib B Rajkhowa on the chair, to discuss about the establishment of a college at Dibrugarh and the ways and means to the adopted for the purpose.

Mr. A Choudhury one of the convenors of the meeting stressed the urgent necessity of starting a college at Dibrugarh from the session.

After that several gentlemen including Mr. S. K. Dutta Principal, Earle Law College, Gauhati, Mr. G C Sarmah, Mr. N. Bordoloi, Mr. D Mukherjee, Mr. J R Basu, Mr. G R Phukan addressing the meeting, all of them stressing the urgent necessity of starting a college at Dibrugarh.

The President Rai Sahib B Rajkhowa supported the cause whole heartedly and confirmed that this opportunity of getting the sacrificing spirited staff including a renowned scholar like Mr. Jogiraj Basu, MA (Triple)-First Class First (Gold Medalist) we should not lose.

The gentlemen present unanimously agreed that a college at Dibrugarh was a long full necessity and this is the opportune moment to have it, and that it should be started from this session without further delay.

Regarding the affiliation question Mr. S K Dutta explained it throughly and said that the affiliation is generally by the University authorities when they are fully satisfied with the institution would not die out, and that to assure its continued existence, it had enough funds and good staff and building. Further Mr. Dutta gave his full assurance that he would make every effort to get affiliation

for the institution at the earliest possible moment.

The foloowing resolutions were then passed unanimously in the meeting-

Resolution (1): Resolved that an Intermediate Arts College be established at Dibrugarh from the session.

Resolution (2): Resolved the college managing committee constituted with the following gentlemen with power to co-apt with Mr. I Majid, ICS DC the President.

1. Rai Bahadur S Dowerah
2. Rai Bahadur Dr. P N Ghose
3. Mr. N K Dutta (Ex. Minister)
4. Rai Sahib B Rajkhowa- Retd EAC
5. Rai Bahadur Lal Saharia
6. Mr. Faiznur Ali-Ex-member APSC
7. Mr. Jalaluddin Ahmed-Chairman MB Dibrugarh
8. Jogiraj Basu M.A.
9. Mr. Mojibur Rahman
10. Mr. D P Das
11. Mr. G R Phukan
12. N Chakravarty-Tea Planter
13. Mr. P K Baruah
14. Mr. G C Sarmah
15. Mr. Muralidhar Jalan
16. Mr. A Choudhary

- That A. Choudhary be the Secretary of the College Managing Committee.

- That this committee will adopt all ways and means for running the institution and becoming affiliation.

Resolution (3): Resolved that the honorary session offerd by the educationist, be thankfully accepted and the draft prospectus with the members of the staff there in be passed.

Resolution (4): Resolved that the managing committee of the George Institution be requested to grant necessary permission for holding the college classes in the school premises from 7 to 10 AM.

Resolution (5): Resolved that the college be started from the 15th of June, 1945.

Resolution (6): Resolved that the prospectus be sent to the press for publication.

প্ৰথম ৰাজহুৱা সভাত অংশ লোৱা সকলো অতিথিয়ে আছিল সেই সময়ৰ ডিব্ৰুগড় চহৰৰ জনপ্ৰিয় সমাজকৰ্মী, উদ্যোগপতি আৰু শিক্ষাবিদ। ২৩ জুন ১৯৪৫ চনত অনুষ্ঠিত হোৱা দ্বিতীয়খন পৰিচালনা সমিতিৰ সভাই ৰায় বাহাদুৰ এছ. দুৱৰা, ৰায়বাহাদুৰ ড° পি এন ঘোষ, ৰায়চাহাব বি কড়ৱা আৰু বাবু ৰংলাল খেমানীক সদস্য হিচাপে লৈ প্ৰথমখন পুঁজি সংগ্ৰহ কমিতি গঠন কৰা হয়। সেই সমিতিখনলৈ ড° এ বাগচী, খাল চাহিব এল ৰহমান, ৰায়চাহাব বি কড়ৱা, ৰায়চাহাব এইচ. বি. কানৈ, বাবু ৰংলাল খেমানী, এছ বৰুৱা (তিনিচুকীয়া) কমিতিখনৰ ক'-অপটেড মেম্বাৰ হিচাপে ৰখা হয়। একেখন সভাত প্ৰতিষ্ঠিত চাহ খেতিয়ক নন্দেশ্বৰ চক্ৰৱৰ্তীক কোষাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। ইয়াৰ পিছৰ সভাত হনুমানবক্স কানৈয়ে কলেজ গ্ৰন্থাগাৰ নিৰ্মাণ কৰিবলৈ দহ হাজাৰ টকা অনুদান আগবঢ়ায়। ডিব্ৰুগড় ইম্পেৰিয়েল বেংকত ডিব্ৰুগড় কলেজ লাইব্ৰেৰী ফাণ্ড নামৰ হিচাপ খুলি সভাপতি আৰু কোষাধ্যক্ষই হিচাপটো চলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৪৫ চনৰ ৭ আগষ্টত বহা পৰিচালনা সমিতিৰ সভাই অধ্যক্ষ যোগীৰাজ বসু আৰু আৰ্ল ল' কলেজৰ অধ্যক্ষ এছ কে দত্তক কলেজখন স্বীকৃতিৰ ব্যৱস্থা কৰিবলৈ কলিকতা বিশ্ববিদ্যালয়ত যোগাযোগৰ বাবে দায়িত্ব অৰ্পণ কৰে। যিহেতু ১৯৪৭ চনত প্ৰথমটো গোটৰ পৰীক্ষা অনুষ্ঠিত হ'ব সেয়ে অশ্বিনীচৰণ চৌধুৰীক সেই কামফেৰা কৰিবলৈ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰে। লগতে সেই সময়ৰ লখিমপুৰ জিলাৰ উপায়ুক্তৰ যোগেদি শিক্ষামন্ত্ৰীলৈ এখন পত্ৰ লিখাৰ সিদ্ধান্ত লোৱা হয়। পত্ৰখনত ডিব্ৰুগড় কলেজৰ স্থায়ী ভৱন নোহোৱা

পৰ্যন্ত স্থানীয় ছোৱালী হাইস্কুলত পাঠদান কৰাৰ অনুমতি বিচৰা হয়।উল্লেখ্য যে, ১৯৪৫ চনৰ ৭ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাই ডিব্ৰুগড় পৌৰসভাৰ সভাপতিক (বৰ্তমান থকা ঠাইডোখৰত) কলেজৰ নামত আৱণ্টন দিববৈলে অনুৰোধ জনাই এক পত্ৰ লিখাৰ সিদ্ধান্ত লোৱা হয়। সেই সময়ত এই ঠাইডোখৰ পৌৰসভাৰ আৱৰ্জনা পেলোৱা ঠাই আছিল। সভাত ইম্পেৰিয়েল বেংক অৱ ইণ্ডিয়াক মহাবিদ্যালয়খনৰ বেংকাৰ হিচাপে গ্ৰহণ কৰাৰো সিদ্ধান্ত লোৱা হ'ল। ১৯৪৬ চনৰ ২৫ এপ্ৰিলত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাত মহাবিদ্যালয়খনৰ কাৰণে ইংৰাজী, ল'জিক, চিভিক্স, বুৰঞ্জী, অংক, পাৰ্চী আৰু আৰবী বিষয়ৰ বাবে অধ্যাপক বিচাৰি বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ সিদ্ধান্ত লোৱা হয়। সেইখন সভাতে ৰাজেন্দ্ৰ সিং নামৰ ঠিকাদাৰজনক অতি কমেও দুশজন ছাত্ৰ-ছাত্ৰীৰ বাবে ডেস্ক-বেঞ্চ নিৰ্মাণৰ দায়িত্ব দিয়ে। সভাত চকীদাৰ থাকিবলৈ নতুন ঠাইডোখৰত এটা ঘৰ বনাবলৈ সিদ্ধান্ত লোৱা হয়। ১৯৪৬ চনৰ ২৮ জুনত বহা পৰিচালনা সমিতিৰ সভাত যোগীৰাজ বসুক (এম.এ ট্ৰিপ'ল) অধ্যক্ষ (মাহে ১৫০ টকা) দৰমহা, নিৰ্মল কুমাৰ বসুক চিভিক্সৰ (এম.এ. বি.এল), উমাপ্ৰসন্ন দে'ক ইংৰাজীৰ (এম.এ), লক্ষ্মীপ্ৰসাদ দত্তক বুৰঞ্জীৰ (এম.এ. বি.এল.), এম.কে চক্ৰৱৰ্তীক ল'জিকৰ (এম.এ), বেণুধৰ ৰাজখোৱাক অসমীয়াৰ (বি.এ), কে.এ ৰামকৃষ্ণণক অংকৰ, নেকিবুৰ ৰহমানক পাৰ্চীৰ (এম.এ.) অধ্যাপক হিচাপে নিযুক্তি দিয়ে। তেওঁলোকে মাহে ১০০ টকাকৈ বানচ লাভ কৰাৰ সিদ্ধান্ত লোৱা হয়। অধ্যক্ষই ইংৰাজী আৰু সংস্কৃত পঢ়োৱাৰ দায়িত্ব লয়। খুবসম্ভৱ এয়াই মহাবিদ্যালয়খনৰ প্ৰথম গোটৰ অধ্যাপক হিচাপে দায়িত্বভাৰ লৈছিল।

১৯৪৬ চনৰ ৭ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাত সৰ্বেশ্বৰ গোস্বামীক মাহে এশ টকাকৈ অংকৰ অধ্যাপক পহিলা ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ নিযুক্তি দিয়ে। লগতে তেওঁক ত্ৰিশ টকা মাহে ঘৰৰ ভাড়াৰ বাবদ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কানৈ মহাবিদ্যালয়ত সেই সময়ত পাৰ্চী ভাষাৰ পাঠ্যক্ৰম প্ৰচলন আছিল। শিক্ষকক এশ টকাকৈ আৰু মাহে ত্ৰিশ টকাকৈ প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছিল। সেই সময়ত এম চি চক্ৰৱৰ্তী নামৰ এগৰাকী অধ্যাপকক নিযুক্তি দিয়া হৈছিল। তথ্যমতে সেই সময়ত ইম্পিৰিয়েল বেংকৰ উপৰিও কমিলা ইউনিয়ন বেংক নামৰ আন এটা বেংকৰ স'তেও লেনদেন সম্পন্ন কৰা হৈছিল। ১৯৪৭ চনৰ ১৮ জুনত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাত বাণিজ্য শাখা মুকলিৰ সিদ্ধান্ত লোৱা হয়। মাহে এশ টকাকৈ অধ্যাপক নিযুক্তিৰো সিদ্ধান্ত লোৱা হয়। বেৰী হোৱাইট মেডিকেল স্কুলখনৰ ভৱন বিজ্ঞান শাখাৰ বাবে ব্যৱহাৰ কৰাৰ বিষয়েও সেই সভাতে স্থান পাইছিল। ১৯৪৬-৪৭ চনৰ বৰ্ষটোৰ হিচাপ পৰীক্ষাৰ বাবে মুক্তিপ্ৰসাদ সিং নামৰ বাণিজ্যৰ স্নাতকজনক নিযুক্তি দিয়া হৈছিল। সেই সময়ৰ মহাবিদ্যালয়খন কিমান সুন্দৰ আৰু শৃংখলাবদ্ধ হৈ পৰিচালনা হৈছিল তাৰ এক অন্যতম উদাহৰণ আছিল মহাবিদ্যালয়খন পৰিচালনা কৰিবলৈ এখন বাইচাইকেল চৰকাৰী নিয়ন্ত্ৰিত হাৰত কিনিবলৈ লোৱা সিদ্ধান্ত। সেই সময়ত আজিৰ দৰে বাইচাইকেল সুলভ নাছিল। বাইচাইকেল এখন কিনিবলৈও বহু নীতি নিয়মৰ মাজেৰে আগুৱাই গৈছিল। ১৯৪৭ চনৰ ২৯ আগষ্টত বহা পৰিচালনা সমিতিৰ সভাত শশী সন্দিকৈ নামৰ এজন লোকক মাহে ত্ৰিশ টকাকৈ পহিলা ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ (Second Clark) নিযুক্তি দিয়া হৈছিল। আগষ্ট মাহত কাম কৰাৰ বাবদ তেওঁক প্ৰবেচনেৰী হিচাপে দহ টকা অতিৰিক্তকৈ প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ১৯৪৭ চনৰ ৩ জুলাইত বহা পৰিচালনা সমিতিৰ সভাত অশ্বিনীচৰণ চৌধুৰীক মাহে এশ টকাকৈ (তেওঁ প্ৰাক্তন সম্পাদক আছিল) গ্ৰন্থাগাৰিক হিচাপে পহিলা আগষ্ট ১৯৪৭ চনৰ পৰা নিযুক্তি দিয়া হয়। মহাবিদ্যালয়খনৰ প্ৰথমগৰাকী উপাধ্যক্ষ হিচাপে পূৰ্ণকালীন ৰূপত লক্ষ্মীপ্ৰদাস দত্তই ১৯৪৯ চনৰ জুন মাহৰ পিছৰ পৰা কাৰ্যনিৰ্বাহ কৰে। সেই সময়ত আই কম আৰু বি কম শ্ৰেণীসমূহ নিশা পাঁচ বজাৰ পৰা নিশা ন বজালৈকে (পহিলা আগষ্টৰ ১৯৪৯ চনৰ পৰা) চলিছিল। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা দহ টকাকৈ সংগ্ৰহ কৰা হৈছিল। অধ্যক্ষ আৰু উপাধ্যক্ষই মাহে ক্ৰমে ৩০০ আৰু ২২৫ টকাকৈ (পহিলা আগষ্টৰ ১৯৪৯ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ) দৰমহা লাভ কৰিছিল। ১৯৪৯ চনৰ ১১ ছেপ্টেম্বৰত বহা পৰিচালনা সমিতিৰ সভাত এল বৰুৱা, জে আৰ ফুকন, এছ দুৰৰা(সভাপতি), জে আৰ বসু (অধ্যক্ষ), পি এন ঘোষ আৰু ফইজনুৰ আলীয়ে জিলা উপায়ুক্তক বিজ্ঞান শাখা মুকলি কৰিবলৈ জিলা ভৱন এটা বাবে সহযোগ কৰিবলৈ এখন

সমিতি কৰা হয়। সেই সময়ত বিজ্ঞান শাখা মুকলি অতি খৰতকীয়াকৈ আগবঢ়াই নিছিল। সেয়া আছিল পুৰণি দিনৰ পুৰণি কথা। এনে বহু পুৰণি কথাই মহাবিদ্যালয়খনক আজিও জীপাল কৰি আছে। সেই ইতিহাস অতি মন পৰশা আৰু মননশীল। যাক কোনেও পাহৰিব নোৱাৰে।

৭৭ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খন সৰ্বতোপ্ৰকাৰে প্ৰজ্ঞা আৰু জ্ঞানৰ ভঁৰাল বুলিয়ে ক'ব পাৰি। বিগত সময়ছোৱাত মহাবিদ্যালয়খনে কত ধুমুহাৰ মাজেৰে অতিক্ৰম কৰিবলগীয়া হৈছে তাৰ লেখ-জোখ নাই। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মহাবিদ্যালয়খন এখোজ দুখোজকৈ আগবাঢ়ি আহি আজিৰ একৈশ শতিকাৰ তথ্য প্ৰযুক্তিৰ ভৰপক সময়ত উপনীত হৈছে। চিন্তাৰ বিস্ফোৰণ আৰু শিক্ষাৰ আন্দোলনৰ মাজত কানৈ মহাবিদ্যালয় হাজাৰ বাধাক নেওচি আগুৱাই গৈছে। কানৈ মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয় গঢ়ি তুলিবলৈ বিচৰা ব্যক্তিসকলকো ধন্যবাদ দিবই লাগিব। কাৰণ তেওঁলোকৰ মন আৰু মগজুৰে এনেকুৱা এখন মহাবিদ্যালয় গঢ়ি তুলিবলৈ নিবিচৰাহেঁতেন কানৈ মহাবিদ্যালয়ো গঢ় লৈ নুঠিলেহেঁতেন। পণ্ডিতপ্ৰবৰ যোগীৰাজ বসুৰ দৰে দূৰদৰ্শী আৰু জ্ঞান, প্ৰজ্ঞাৰ সাধক, লক্ষ্মীপ্ৰসাদ দত্তৰ দৰে চিন্তাশীল আৰু সাংস্কৃতিক মনৰ ব্যক্তিৰ চিন্তা-চেতনাই এই কানৈ মহাবিদ্যালয় গঢ়ি তোলাত সহায় আগবঢ়াইছিল। কল্পনা কৰি চাওঁকচোন ড° যোগীৰাজ বসু, ড° লক্ষ্মীপ্ৰসাদ দত্তৰ দৰে ব্যক্তিসকলৰ মনত উচ্চ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত যদিহে অকণো তাড়না নাজাগিলেহেঁতেন তেন্তে ডিব্ৰুগড়ত স্বাধীনতাৰ পূৰ্বে উচ্চ শিক্ষানুষ্ঠান গঢ় লৈ উঠিলেহেঁতেন নে? ডিব্ৰুগড়ত বিশ্ববিদ্যালয়ৰ দৰে উচ্চ শিক্ষানুষ্ঠান গঢ় লৈ উঠিলেহেঁতেন নে? ডিব্ৰুগড়ত পাঁচখনৰো অধিক উচ্চ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত যি প্ৰচেষ্টা চলাইছিল সেই দিশেৰে চাবলৈ গ'লে এইসকল ব্যক্তি উচ্চ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত একপ্ৰকাৰ 'আঁতুৰ' হৈ পৰিছিল। ইখনৰ পিছত সিখন উচ্চ শিক্ষানুষ্ঠান গঢ়ি তেওঁলোকে জকাই চুকীয়া ডিব্ৰুগড়ত সৌ তাহানিতে উচ্চ শিক্ষাৰ বাট মুকলি কৰিছিল। কোনো ধন-টকা-পইচাৰ গৰাকী নাছিল তেওঁলোক। কিন্তু শক্তিশালী মনৰ গৰাকী আছিল। মনে যেতিয়াই বিচাৰিছিল তেতিয়াই সেই কাম কৰি গৈছিল। সেইসকল বৰেণ্য ব্যক্তিৰ অশেষ কষ্ট আৰু পৰিশ্ৰমৰ ফলশ্ৰুতিত কানৈ মহাবিদ্যালয়ৰ গুণ-গৰিমা দেশৰ চৌদিশে বিয়পি পৰিছিল।

অসমৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী পদত অধিস্থিত হৈছে প্ৰাক্তন ছাত্ৰ মাননীয় সৰ্বানন্দ সোণোৱাল। ইয়াৰ অৰ্থ হ'ল এখন দেশ আৰু ৰাজ্যক নেতৃত্ব দিব পৰা এজন মানৱ সম্পদ কানৈ মহাবিদ্যালয়ে সৃষ্টি কৰিছে। উচ্চতম ন্যায়ালয়ৰ বিচাৰক পদত অধিস্থিত হৈছিল বি এল হানছাৰিয়া, আমেৰিকাৰ ইউনিৰ্ভাচিটি অব কলেজ মেডিচিনৰ অধ্যাপকৰ দৰে আসন অলংকৃত কৰিছিল প্ৰাক্তন ছাত্ৰ ৰঞ্জন দত্তই। নয়নানন্দ বৰঠাকুৰ কানৈ মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ আছিল। তেওঁ এম চি গীল বিশ্ববিদ্যালয় (কানাডা)ত অধ্যাপকৰ আসন অলংকৃত কৰিছিল। হাছান ছৰিফ আহমদ, বিজু ফুকন, বিষ্ণু খাৰঘৰীয়া আদিৰ দৰে জনপ্ৰিয় শিল্পী নাট্যকাৰৰ জন্ম দিছিল কানৈ মহাবিদ্যালয়ে। ৰাজেন গোহাঁই, হীৰেণ গোহাঁই, হেমন্ত কুমাৰ দত্ত আদি শিল্পীসকলো আছিল কানৈ মহাবিদ্যালয়ৰে ছাত্ৰ। অসম বিধান সভাৰ অধ্যক্ষৰ পদত অধিস্থিত হৈছিল কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পৃথ্বী মাঝীয়ে। মাঝীয়ে পাঁচবাৰকৈ লহোৱাল বিধান সভাৰ পৰা বিধায়ক হৈছিল, প্ৰাক্তন ছাত্ৰ নৱ কুমাৰ দলেই সাংস্কৃতিক মন্ত্ৰীৰ দায়িত্ব আৰু প্ৰাক্তন ছাত্ৰ ঋতুপৰ্ণ বৰুৱা, এটুৱা মুণ্ডাই বিধায়ক হিচাপে নিৰ্বাচিত হৈ দেশ আৰু জাতিৰ সেৱাত মনোনিৱেশ কৰিছে। এখন নেতৃত্ব ল'ব পৰা মহাবিদ্যালয় হিচাপে কানৈ মহাবিদ্যালয় গঢ়ি উঠাটো সকলোৱে বিচাৰে। অত্যাধুনিক প্ৰযুক্তি সম্পন্ন এখন সমাজত যুৱ প্ৰজন্মক আগুৱাই নিবলৈ হ'লে মহাবিদ্যালয়খনে তেনে পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। পৃথিৱীৰ পৰিৱৰ্তনৰ স'তে ছাত্ৰ-সমাজক আগুৱাই নিবলৈ মহাবিদ্যালয়খনে এক পৰিৱেশ ৰচনা কৰিছে। কানৈ মহাবিদ্যালয়ে কেনেদৰে বিশ্ব মানদণ্ডৰ শিক্ষা প্ৰদান কৰিব পাৰে সেই সম্পৰ্কে ২০১৫ চনৰ ১৯ জুনত অধ্যক্ষ হিচাপে যোগদান কৰি এই অভাজনেও চিন্তা কৰিছে। কেৱল শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী বা কৰ্মচাৰীৰ ওপৰতে মহাবিদ্যালয়ৰ উত্তৰণ নিৰ্ভৰ নকৰে। অধ্যক্ষৰ চিন্তা-চৰ্চাৰ ওপৰতো এখন শিক্ষানুষ্ঠান আগবাঢ়ি যোৱাত সহায় হয়। অধ্যক্ষই মনৰ ভিতৰতে মহাবিদ্যালয়খন কেনে হোৱা উচিত সেয়া অংকণ কৰি মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ প্ৰয়াস চলোৱা হৈছে। অধ্যক্ষ হিচাপে দেশ-বিদেশৰ বিভিন্ন উচ্চ

শিক্ষানুষ্ঠান দেখি অনুভৱ হয় আজিও কানৈ মহাবিদ্যালয়ে বিশ্বৰ অগ্ৰণী মহাবিদ্যালয়সমূহৰ উত্তৰণৰ কাষ চাপিব পৰা নাই। উন্নত আৰু উন্নয়নশীল প্ৰায়বোৰ দেশতে প্ৰযুক্তি নিৰ্ভৰ শিক্ষা ব্যৱস্থা গঢ় লৈ উঠিছে। কিন্তু কানৈ মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত আজিও পূৰ্ণ প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰা নাই। এইক্ষেত্ৰত কেনেদৰে প্ৰযুক্তি নিৰ্ভৰ, সময় সাপেক্ষ শিক্ষা ব্যৱস্থা প্ৰদান কৰিব পাৰি সেয়া চিন্তা-চৰ্চা কৰি থকা হৈছে। এনে অনুভৱ নকৰাকৈ থকা নাই যে, গোলকীকৰণ পৃথিৱীত সকলোৱে সমানভাৱে এটা চুবুৰীত থকাৰ দৰে শিক্ষা ব্যৱস্থা প্ৰদান কৰা হওঁক। কাৰণ আজিৰ পৃথিৱীখন চুবুৰী বা গাঁৱলৈ ৰূপান্তৰিত হৈছে। কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰা এজন শিক্ষাৰ্থীয়ে কেনেদৰে বিশ্বৰ যিকোনো প্ৰান্তত সংস্থাপিত হ'ব পাৰে সেয়া অধ্যক্ষ হিচাপে চিন্তা কৰাটো নিতান্তই প্ৰয়োজন। সেয়ে কানৈৰ শিক্ষাৰ্থীসকলক শেহতীয়া পৰিৱৰ্তনৰ ধাৰাসমূহ বিতংভাৱে বুজোৱা হয় আৰু কেনে বিষয় অধ্যয়ন কৰিলে ভৱিষ্যতে সংস্থাপিত হ'ব পাৰে সেয়া শিক্ষা দিয়া হয়। এইক্ষেত্ৰত কানৈ মহাবিদ্যালয়ে লোৱা পদক্ষেপ ব্যতিক্ৰম বুলিবই লাগিব। এনে চিন্তাধাৰাৰে মহাবিদ্যালয়খন আগুৱাই যোৱাৰ ফলত কানৈ মহাবিদ্যালয়ত বছৰে বছৰে শিক্ষাৰ্থীৰ সংখ্যা বাঢ়ি যোৱাটো একপ্ৰকাৰ শুভ লক্ষণ বুলিবই পাৰি। দীৰ্ঘদিন মহাবিদ্যালয়খনত জঠৰতা বিৰাজ কৰা বুলি এক চৰ্চা হৈ আহিছে। সেই জঠৰতা ভাঙি কেনেদৰে মহাবিদ্যালয়খনক গতি দিব পাৰি সেইবিষয়ে চিন্তা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক সময়ৰ স'তে আগুৱাই যাবলৈ দৈনিক অনেক ৰকমৰ আলোচনাচক্ৰ, কৰ্মশালা, বক্তৃতানুষ্ঠান, সজাগতাসভা আয়োজন কৰা হৈছে। এনে আলোচনাচক্ৰসমূহে ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যুগোৱাৰ লগতে মানসিক উৎকৰ্ষ সাধনত সহায় কৰি আহিছে। ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰসমূহেও ছাত্ৰ-ছাত্ৰীসকলক ইতিবাচক চিন্তাৰ বাট মুকলি কৰাত সহায় কৰিছে।

এইটো মনোনিৱেশ কৰা হৈছে যে, ছাত্ৰ-ছাত্ৰীসকলক 'টিচিং'ৰ লগতে 'লাৰ্ণিং' দিশত লাভজনক হ'ব। শিক্ষাৰ্থীক পৰম্পৰাগতভাৱে কেৱল পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ ৰাখি শিক্ষাদান কৰিলে শিক্ষাৰ্থীসকল কেতিয়াও শিক্ষণ প্ৰক্ৰিয়াত পূৰ্ণতা নাপায়। শিক্ষাদানৰ লগে লগে শিক্ষণ প্ৰক্ৰিয়াত লাভজনক হ'লেহে শিক্ষাদানৰ ক্ষেত্ৰত পূৰ্ণতা লাভ কৰিব। নহ'লে শিক্ষাৰ্থীসকলৰ সামাজিকভাৱে দায়বদ্ধ হ'ব নোৱাৰে। দায়বদ্ধ শিক্ষাহে সামাজিক উত্তৰণত সহায় কৰে। এনে দিশবোৰৰ প্ৰতি দৃষ্টি দি ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনধাৰাত সহায়ক হ'ব পৰাকৈ চেষ্টা কৰা হৈছে। বিজ্ঞানমনস্ক ভাৱ গঢ়ি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতা সৃষ্টি কৰা হৈছে। শেহতীয়া বিজ্ঞানৰ আৱিষ্কাৰ তথা অগ্ৰগতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক জনা বা বুজাৰ পৰিৱেশ দিয়া হৈছে। অধ্যয়নৰ লগে লগে জ্ঞান আহৰণৰ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকল কেনেকৈ ব্ৰতী হ'ব পাৰে তেনে পৰিৱেশো সৃষ্টি কৰা হৈছে। তথ্য প্ৰযুক্তিৰ সৎ ব্যৱহাৰ কৰাত ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যুগোৱা হৈছে, পথ নিৰ্দেশনা দিয়া হৈছে। ইয়াৰ প্ৰমাণ হিচাপে মহাবিদ্যালয়খনৰ পৰা প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ন ন প্ৰতিভা বিকাশ কৰা দেখা গৈছে। গুগুলৰ দৰে বিশ্বখ্যাতি থকা ইন্টাৰনেট এজেন্সিৰ দ্বাৰা আয়োজন কৰা প্ৰতিযোগিতাত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ ৰণিত দে', ক্ষুদ্ৰ ছবি প্ৰতিযোগিতাত ভাৰতবৰ্ষৰ ভিতৰত দশম স্থান দখল কৰিবলৈ সক্ষম হোৱা অৰূপ সোণোৱাল আৰু সৰ্বভাৰতীয় আন্তঃবিশ্ববিদ্যালয় উশ্চু প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে মানৱ মিত্ৰৰ দৰে ছাত্ৰ-ছাত্ৰীও কানৈ মহাবিদ্যালয়ত সৃষ্টি হৈছে। মানৱ মিত্ৰই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া শৈলী ইতিমধ্যে আয়ত্ত কৰিছে। ছাত্ৰী ৰিমঝিম গোহাঁয়ে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত সফলতা দেখুৱাইছে, ছাত্ৰ নিপু বৰুৱাই পৃথিৱীৰ আটাইতকৈ ক্ষুদ্ৰ কবিতা পুথি লিখি আন্তঃৰাষ্ট্ৰীয় সন্মান বুটলিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় প্ৰতিযোগিতাৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতালৈ সকলোতে সফলতা কঢ়িয়াই অনা দেখা গৈছে। স্বাভাৱিকতে ই এক আনন্দৰ বতৰা। এইসকল ছাত্ৰ-ছাত্ৰীক বিশ্বমানৰ কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমে বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি পুৱাৰ ভাগত ২০১৯-২০ বৰ্ষৰ পৰা ৰাজনীতি বিজ্ঞান আৰু সমাজশাস্ত্ৰৰ বিষয়ৰ পাঠদান মুকলি কৰা হৈছে। ছাত্ৰ একতা সভা আৰু ৰাইজৰ দাবীত এনে কৰা হৈছে। ১৯৪৯ চনৰ সময়ছোৱাতো মহাবিদ্যালয়খনত পুৱা আৰু গধুলি পাঠদান কৰাৰ ব্যৱস্থা কৰা হৈছিল। ২০১৫ চনৰ ১৯ জুনৰ পিছৰ পৰা অধ্যক্ষ হিচাপে এই অভাজনে যোগদান

কৰি মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে যথেষ্টখিনি কৰা হৈছে। মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষ্যে প্ৰকাশ কৰা গ্ৰন্থ Glorious 75 years : Development of DHSK College (June 2015 to September 2022) আন্তঃগাঁঠনি আৰু শৈক্ষিক দিশত কেনে কাম কৰা হৈছে সেয়া উল্লেখ কৰা হৈছে। মহাবিদ্যালয়লৈ আহি বিভিন্ন দৰ্শনাৰ্থীয়ে দি যোৱা মন্তব্যক সামৰি প্ৰকাশ কৰা গ্ৰন্থ Anamnesis গ্ৰন্থতো বহু কথা লিপিবদ্ধ কৰা হৈছে। মহাৰজত জয়ন্তী উপলক্ষ্যে এই কামখিনি কৰা হৈছে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ বাবে গঢ়ি তোলাৰ ক্ষেত্ৰত কোনো কৃপণালি কৰা নাই। মহাবিদ্যালয়খনে গতি লাভ কৰিবলৈ প্ৰচেষ্টা চলাই আছে। উচ্চ শিক্ষা সঞ্চালকৰ পত্ৰ নং DHE/PA/Misc/1/2016/Pt/136 নিৰ্দেশনা মৰ্মে মহাবিদ্যালয় 'ষ্টেণ্ডাৰ্ড ক্লাব' নামৰ এটি ক্লাব গঠন কৰা হয়।

**দুই ঃ কানৈ মহাবিদ্যালয় ঃ মোৰ স্বপ্ন আৰু বাস্তৱ**

সাম্প্ৰতিক একৈশ শতিকাৰ প্ৰযুক্তি নিৰ্ভৰ পৃথিৱীত শিক্ষা আহৰণ, শিক্ষা গ্ৰহণ, শিক্ষা প্ৰদান আদি ধ্যান ধাৰণাও সলনি হ'বলৈ ধৰিছে। একৈশ শতিকাৰ শিক্ষা ব্যৱস্থাই মানৱ সভ্যতাৰ সমূহ পৃথিৱীখনকে পৰিৱৰ্তন আনিছে। প্ৰাচীন গছ তলৰ শিক্ষাৰ পৰা অত্যাধুনিক শ্ৰেণীকোঠাৰ শিক্ষালৈ, ডিজিটেল শ্ৰেণীকোঠাৰ পৰা ডিজিটেল বিদ্যালয়-মহাবিদ্যালয় বা বিশ্ববিদ্যালয় পৰ্যায়লৈকে শিক্ষা খণ্ডত যি আমূল পৰিৱৰ্তন হৈছে সেয়া থাওকতে বৰ্ণনা বা বিশ্লেষণ কৰি শেষ কৰিব নোৱাৰি। আহি থকা ভৱিষ্যতৰ শিক্ষা জগতখন কেনেকুৱা বা কি হ'বগৈ সেয়াও এতিয়াই কৈ থোৱাটো সম্ভৱ নহয়। মুঠতে প্ৰাচীন ঋষি-মুণিৰ শিক্ষাৰ পৰা অতি আধুনিক শিক্ষা ব্যৱস্থালৈ সাংঘাতিক পৰিৱৰ্তন হৈছে আৰু এনে পৰিৱৰ্তনক কোনেও ৰোধ কৰিবলৈ সক্ষম হোৱা নাই। ৰোধ কৰাতো সম্ভৱো নহয়। প্ৰযুক্তি নিৰ্ভৰ পৃথিৱীত মানুহৰ নিজস্ব চিন্তা, চেতনা লোপ পাইছে বুলিয়ে ক'ব লাগিব। মানুহৰ চিন্তা, স্মৃতি শক্তি প্ৰযুক্তিয়ে হেঁচা মাৰি এনে এক পৰ্যায়লৈ লৈ গৈছে যে স্মৃতি এতিয়া ধুসৰ, বৰ্ণনাতীত হৈ পৰিছে। এজন মানুহৰ তিনিটা-চাৰিটাকৈ স্মাৰ্ট ফোন, আইফোন ব্যৱহাৰ কৰিব পৰা যেনেদৰে সক্ষমতা বৃদ্ধি পাইছে সেই সক্ষমতা ম'বাইল নম্বৰতেই সীমাবদ্ধ গৈছে। বহু মানুহে এই সন্ধিক্ষণত দেখা যায় যে নিজৰ হাতত লৈ ফুৰা ম'বাইল নম্বৰো ক'ব নোৱাৰা পৰ্যায়লৈ গতি কৰিছে। মানুহৰ স্মৃতি শক্তি প্ৰযুক্তিৰ বিপ্লৱে নোহোৱা কৰিবলৈ যোৱাটো হয়াতো সকলোৱে অনুভৱ কৰিছে। সভ্যতাৰ ধামখুমিয়াত এতিয়া মানুহে অতি বেছি প্ৰযুক্তি নিৰ্ভৰ হৈ পৰিছে। প্ৰযুক্তি নিৰ্ভৰ পৃথিৱীত অন্যান্য খণ্ডৰ দৰে শিক্ষা খণ্ডইও পৰিৱৰ্তনৰ হেঁচা-ঠেলাত আগুৱাই গৈছে। ছফটৱেৰ, হাৰ্ডৱেৰ, বিগ ডাটা, দীপ লাৰ্ণিং আদিৰ ব্যাপক ব্যৱহাৰ আৰু প্ৰয়োগৰ ফলত আগন্তুক শতিকাতোত মানৱ সমাজৰ কেনে পৰিৱৰ্তন হ'ব সেয়া লৈ সমাজতত্ত্ববিদ, প্ৰযুক্তিবিদ সকলেও চিন্তিত আৰু উৎকণ্ঠিত হৈ পৰিছে। প্ৰযুক্তিয়ে গোপনীয়তা বুলি শব্দ এটাও যে আছিল সেই কথাটো এতিয়া নোহোৱা কৰিবলৈ সক্ষম হৈছে। নিজৰ সম্পদ, নিজৰ ধন, কথা-বতৰা ইত্যাদি এতিয়া গোপন হৈ নথকাৰ দৰে হ'ল। এনে পৰিৱৰ্তনৰ যুগত আকৌ সৃষ্টি হ'বলৈ ধৰিছে, ৰব'টিক টেটোৰ দৰে আন এক চমৎকাৰী ব্যৱহাৰ। এনে ব্যৱহাৰে মানুহৰ জীৱন পদ্ধতি আৰু মুক্ত কৰি তুলিব বুলি ভবা হৈছে। এনে সন্ধিক্ষণত এখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ দৰে দায়িত্বত থাকি শিক্ষা আৰু জ্ঞানৰ প্ৰসাৰ কৰাটো নিতান্তই এক আচহুৱা যেন অনুভৱ হয়। শ্ৰেণীকোঠাৰ শিক্ষাৰ পূৰ্বে শিক্ষাৰ্থীয়ে ঘৰতে বিভিন্ন দিশত বিশ্লেষণ কৰি একেই শিক্ষা প্ৰযুক্তিৰ মাধ্যমেৰে লাভ কৰিবলৈ সক্ষম হৈছে। গুৰু বা শিক্ষাৰ দায়-দায়িত্ব লৈছে প্ৰযুক্তিয়ে। প্ৰাণহীন প্ৰযুক্তিৰ মাধ্যমেৰে শিক্ষাৰ্থীয়ে গুৰুতকৈও অধিক শিক্ষা আহৰণ কৰিব পৰা এক পৰিবেশো পৃথিৱীত সৃষ্টি হৈছে। অনুভৱ হয় এনে সময়তে পৰম্পৰাগত শিক্ষা ব্যৱস্থা এদিন পৃথিৱীৰ পৰা নোহোৱা হৈ যাব আৰু ডিজিটেল স্কুল বা কলেজ-বিশ্ববিদ্যালয়ে সেই ঠাই দখল কৰিব। তেনে পৰিস্থিতি আৰু পৰিবেশ এটা সৃষ্টি হ'বলৈ ধৰিছেই। প্ৰাচীন ঋষি-মুণিৰ আশ্ৰমৰ শিক্ষা যেনেদৰে আনুষ্ঠানিক স্কুল-কলেজৰ শিক্ষা ব্যৱস্থাই নোহোৱা কৰিলে, তেনেদৰে আনুষ্ঠানিক স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষাও এদিন ডিজিটেল বা ছফটৱেৰ নিৰ্ভৰ স্কুল-কলেজ-বিশ্ববিদ্যালয়ে স্থান দখল কৰিব।

কানৈ মহাবিদ্যালয়ৰ ঐতিহাসিক এই সন্ধিক্ষণত এতিয়াও অনুভৱ হয় কানৈ মহাবিদ্যালয় যেন জন্মৰ সময়ত যি সপোন সৃষ্টি হৈছিল সেই সপোনে বাস্তৱ ৰূপ দিয়া নাই। কানৈ মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদালয়ৰ দৰে এখন

ঐতিহ্যপূৰ্ণ বিশ্ববিদ্যালয় গঢ়ি তোলাৰ গৌৰৱ অৰ্জন কৰি থৈছে। কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰি বহু ঘাট-প্ৰতিঘাটৰ মাজেদি মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ প্ৰচেষ্টা চলাই অহা হৈছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে ৭৭ বছৰীয়া সোণালী ইতিহাসেৰে সমৃদ্ধ ডি এইচ এছ কানৈ মহাবিদ্যালয়ে সম্প্ৰতি 'গ্ৰীণ অডিটেড কলেজ', 'স্বচ্ছতাৰ কলেজ', 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজ', 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়' নামেৰে সুনাম আৰ্জিছে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ে কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয়ৰ তৰফৰ পৰা দেশৰ ভিতৰত স্বচ্ছতাৰ দ্বিতীয় 'ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ-২০১৭', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ ২০২০ আৰু ২০২২ বৰ্ষত দুবাৰকৈ 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান, ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা ২০১৮ চনত 'ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ', ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা ২০২২ চনত 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, ২০২২ চনত ভাৰত চৰকাৰৰ যুৱ আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰই কানৈ মহাবিদ্যালয়ক স্বচ্ছ মহাবিদ্যালয় হিচাপে স্বীকৃতি দিছে, মহাবিদ্যালয়খনক গুণগত উচ্চমানৰ শিক্ষা প্ৰদান কৰাৰ ISO-9001 : 2015 প্ৰমাণ পত্ৰ লাভ কৰিছে। মহাবিদ্যালয়ৰ বিজুলীৰ খৰচ ৰাহি কৰিবৰ বাবে 'গ্ৰীণ এনাৰ্জী'ৰ অংশ হিচাপে ৪০ কিল'ৱাটৰ সৌৰশক্তি চালিত বিজুলীৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰি অতিৰিক্তকৈ মহাবিদ্যালয়ৰ সন্মুখত ৬০০ ৱাটৰ সৌৰশক্তি চালিত বিজুলী বাটিৰ ব্যৱস্থা কৰা হৈছে। পৰ্যায় ক্ৰমে মহাবিদ্যালয়খনৰ এশ শতাংশ 'গ্ৰীণ এনাৰ্জী'ৰ ব্যৱস্থা কৰাৰ দিশে কাম কৰি থকা হৈছে। কানৈ মহাবিদ্যালয় পুৱা ৫ বজাৰ পৰা ২০১৫ চনত গঠন হোৱা গ্ৰীণ ক্লাৱ, ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ আৱাসীসকলে মহাবিদ্যালয় চৌহদ পৰিস্কাৰ কৰা এখন ব্যতিক্ৰমী মহাবিদ্যালয় বুলিব পাৰি। পুৱা ৰ'দ-বৰষুণ, বতাহ-ধুমুহা, দেওবাৰ, বন্ধৰ দিন নেওঁচি হাতে হাতে ঝাড়ু লৈ ব্যস্ত হৈ থকা ছাত্ৰ-ছাত্ৰীসকলক দেখিলে বহুতে আৰেগিক হৈ পৰে।

মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে বিশেষকৈ চাৰিটা দিশত মনোনিৱেশ কৰা হৈছে। আন্তঃগাঁঠনি উন্নয়ন, প্ৰশাসনিক সংস্কাৰ, প্ৰযুক্তিৰ ব্যৱহাৰ আৰু শৈক্ষিক বাতাবৰণ সৃষ্টি কৰা। এখন মহাবিদ্যালয়ৰ আন্তঃগাঁঠনি যিমানেই সুন্দৰ হ'ব, সিমানেই অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মাজত এটা ইতিবাচক পৰিৱেশ সৃষ্টি হয়। মহাবিদ্যালয়খনত যোগদান কৰাৰ দিনৰ পৰাই নিৰলসভাবে আন্তঃগাঁঠনি উত্তৰণ তথা উন্নয়নৰ বাবে কাম কৰি অহা হৈছে। প্ৰতিটো শ্ৰেণীকোঠা Air Condition, সুন্দৰকৈ বিজুলী, পাংখাৰ স'তে আটকধুনীয়াকৈ ৰং সানি চকী-টেবুল বা ডেস্ক-বেঞ্চৰ ব্যৱস্থা কৰাটো। ছাত্ৰ-ছাত্ৰীয়ে কেনে ডেস্ক-বেঞ্চত বহি শিক্ষা গ্ৰহণ কৰিব, কেনে চকী-টেবুল ব্যৱহাৰ কৰি এজন অধ্যাপকে পাঠদান কৰিব, শ্ৰেণীকোঠা অত্যাধুনিক হয়নে নহয় ইত্যাদি বিষয়বোৰৰ পৰা মহাবিদ্যালয়ৰ বহিঃ বিভাগৰ আন্তঃগাঁঠনি উন্নয়নলৈকে চেষ্টা কৰা হৈছে। মহাবিদ্যালয়খনত এখন খেল পথাৰৰ অভাৱ, এই কথাটো গভীৰভাবে অনুভৱ কৰি অহা হৈছে। ইয়াৰ অংশ হিচাপে খেল পথাৰখন উন্নয়নৰ বাবে বিভিন্ন দিশ পৰ্যালোচনা কৰি উন্নয়নৰ দিহা কৰা হৈছে। এটা সপোন আছে কানৈ মহাবিদ্যালয়ৰ খেল পথাৰ এখন হওঁক, ছাত্ৰ-ছাত্ৰীয়ে সেই খেল পথাৰত পুৱাৰ পৰা সন্ধ্যালৈকে খেলা-ধূলা কৰক। খেল পথাৰখনৰ উত্তৰণৰ বাবে স্থানীয় বিধায়ক প্ৰশান্ত ফুকনৰ কাষ চপা হৈছিল। তেওঁ কিছু পুঁজি যোগান ধৰাত সহায় কৰি দিছিল। জিলা প্ৰশাসনৰ সহায়ত সেই পুঁজিৰে মহাবিদ্যালয়খনৰ খেল পথাৰ কিছু উন্নয়ন কৰা হ'ল। অৱশ্যে সেই পুঁজি জিলা প্ৰশাসনে পোনপতীয়াকৈ ঠিকাদাৰক যোগান ধৰি যথেষ্ট সহায় কৰি দিলে। এটা ইনড'ৰ ষ্টেডিয়াম, এটা আউটড'ৰ ষ্টেডিয়াম নিৰ্মাণ কৰাৰ বাবেও দীৰ্ঘদিন ধৰি চেষ্টা কৰি অহা হৈছে। মহাবিদ্যালয়খনত খেলা-ধূলাৰ পৰিৱেশ এটা গঢ়ি তুলিবলৈ অহৰহ চেষ্টা কৰি থকাৰ ফলত দেখা গৈছে বহুকেইজন শিক্ষাৰ্থীয়ে আন্তঃ জিলাৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ জিলিকি উঠিবলৈ সক্ষম হৈছে। স্বাভাৱিকতে কানৈ মহাবিদ্যালয়ৰ বাবে ই এটা অতি গৌৰৱৰ কথা। মহাবিদ্যালয়খনৰ খেলা-ধূলাৰ সুস্থ পৰিৱেশ গঢ়ি তোলাৰ বাবে ক্ৰীড়া প্ৰশিক্ষক নিযুক্তি দিয়াও এক ইতিবাচক পদক্ষেপ বুলিব পাৰি। মহাবিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা দুজনকৈ ক্ৰীড়া প্ৰশিক্ষক নিযুক্তি দিয়া মহাবিদ্যালয় হিচাপে কানৈ মহাবিদ্যালয়ে অসমৰ ভিতৰতে এক পৃথক স্থান লাভ কৰা বুলি ক'ব পাৰি। একেদৰে এগৰাকী যোগ প্ৰশিক্ষক নিযুক্তি দিয়াটোও বোধ হয় কানৈ মহাবিদ্যালয়ৰ ইতিহাসত

প্ৰথম। স্বাস্থ্য চৰ্চা মানুহৰ জীৱনৰ মূল। কোৱা হয় স্বাস্থ্যই পৰম ধন, দেহা থাকিলেহে বেহা। এনে পুৰণি তথা কৌটিকলীয়া প্ৰবাদক সৰোগত কৰি মহাবিদ্যালয়খনত এটা স্বাস্থ্য সজাগতা আন্দোলন নিৰৱে গঢ়ি তোলা হৈছে। সু-স্বাস্থ্যৰ লোক যিখন দেশ বা সমাজত বৃদ্ধি হয়, সেইখন সমাজৰ চিন্তা-চৰ্চাও সুস্থ হয়। অসুস্থ শৰীৰ আৰু মনে কেতিয়াও দেশ বা সমাজৰ মঙ্গল চিন্তা কৰিব নোৱাৰে। সেয়ে প্ৰতিজন ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাক সু-স্বাস্থ্যৰ গৰাকী হিচাপে গঢ়ি তুলিবলৈ যোগ সাধনাৰ পৰিবেশ এটা গঢ়ি তোলা হৈছে। এনে ইতিবাচক কৰ্মসমূহৰ যোগেদিয়ে এক অনাবিল আনন্দও লাভ কৰি আহিছো।

কানৈ মহাবিদ্যালয়ে কেনেকৈ অদ্বিতীয় হৈ নিজকে পৃথক পৰিচয় দিবলৈ অনেক কাম-কাজ অব্যাহত ৰাখিছে। মহাবিদ্যালয়খনৰ চৌহদ সেউজকৰণ কৰাত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। মহাবিদ্যালয়খনৰ চৌহদৰ বায়ু, পানী, মাটি পৰীক্ষা কৰি জনস্বাস্থ্যৰ বাবে উপযোগী হয়নে নহয় সেয়া ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয় চৌহদত হৰেক ৰকমৰ বণৌষধী উদ্ভিদ ৰোপন কৰি মহাবিদ্যালয়খনৰ সৌন্দৰ্য বৃদ্ধি কৰাই নহয়, চৌহদ প্ৰকৃতি উদ্যান হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ অংশ হিচাপে বিভিন্ন প্ৰজাতিৰ গছ-গছনি ৰোপন কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰাই নহয় দেশৰ বাহিৰৰ পৰাও উদ্ভিদ সংগ্ৰহ কৰি ৰোপন কৰাৰ ব্যৱস্থা কৰা হয়। চৌহদৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে না না ৰকমৰ ফল মূলৰ গছ বিৰিখ ৰোপন কৰা হয়। ই এক মোৰ সপোন আছিল মহাবিদ্যালয় চৌহদ যাতে প্ৰকৃতি প্ৰেমীৰ বাবে আকৰ্ষণ কেন্দ্ৰ বিন্দু হয়। চৰাই-চিৰিকতিৰ বাবে কৃত্ৰিম বাহৰ ব্যৱস্থা কৰা হৈছিল যদিও এই ক্ষেত্ৰত সফলতা পোৱা নগ'ল। অৱশ্যে ভিন ভিন প্ৰজাতিৰ চৰাই-চিৰিকতি বাসভূমি হৈ পৰে কানৈ মহাবিদ্যালয়ৰ সেউজীয়া চৌহদ।

মহাবিদ্যালয়খনৰ পুথিভঁড়াল উন্নীত কৰি ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ বাবে সুষম ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ৰ চৌহদৰ অন্যতম আকৰ্ষণ হৈ পৰে গ্ৰন্থাগাৰটো। গ্ৰন্থাগাৰটো আটকধুনীয়া কৰিব নোৱাৰিলেও বছৰ বছৰ ধৰি কাষতে থকা নলা পুতি গ্ৰন্থাগাৰটো দেখনীয়া আৰু আটকধুনীয়া কৰিবলৈ চেষ্টা কৰা হয়। ইয়াৰ অংশ হিচাপে গ্ৰন্থাগাৰটোত বহু সা-সুবিধা সংজোযন কৰা হয়। গ্ৰন্থাগাৰটো সম্প্ৰসাৰণ কৰি টাইলছ্ লগাই উৰলি যোৱা টিনপাটো সলনি কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে প্ৰযুক্তিৰ সংযোগ কৰা হয়। অধ্যাপক-অধ্যাপিকাসকলৰ অধ্যয়নৰ বাবে ডিজিটেল কক্ষ নিৰ্মাণ কৰা হয়। পুথিভঁড়ালৰ যোগেদি জ্ঞান আৰু শিক্ষা সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা হয়। গ্ৰন্থাগাৰটো এই লেখকে অধ্যক্ষ হিচাপে যোগদান কৰাৰ পূৰ্বে এক প্ৰকাৰ বিধস্ত, বিবৰ্ণ আছিল বুলিয়েই এক প্ৰকাৰ ক'ব লাগিব। গ্ৰন্থাগাৰটোৰ নাম প্ৰথমগৰাকী গ্ৰন্থাগাৰীক তথা পৰিচালনা সমিতিৰ প্ৰথমগৰাকী সম্পাদক অশ্বিনী চৰণ চৌধুৰীৰ নামত 'অশ্বিনী চৰণ চৌধুৰী কেন্দ্ৰীয় গ্ৰন্থাগাৰ' নামেৰে নামাকৰণ কৰা হয়। মহাবিদ্যালয়খনৰ শিক্ষাৰ উত্তৰণৰ বাবে বি চি এ পাঠ্যক্ৰমৰ সংযোগ কৰি নিজাববীয়াকৈ সম্পূৰ্ণ 'এয়াৰ কণ্ডিশ্যন' সহ ভৱন নিৰ্মাণ কৰা হয়। অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ অধীনত ২০১৯ বৰ্ষৰ পৰা গণিত আৰু নৃতত্ব বিভাগত স্নাতকোত্তৰ শাখা মুকলি কৰা হয়। গণিত বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে নিজা ভৱনৰ ব্যৱস্থা কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত ২০১৭ বৰ্ষৰ পৰা ইংৰাজী, ২০২২ বৰ্ষৰ পৰা অসমীয়া, পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আদি বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলি কৰা হয়। নৃতত্ব আৰু প্ৰাণী বিজ্ঞান বিভাগৰো পৃথক ভৱন নিৰ্মাণ কৰা হয়। কেৱল সেয়াই নহয়, মহাবিদ্যালয়খনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ছাত্ৰ জিৰণি কোঠা, এন চি চিৰ বাবে পৃথক ভৱন, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ কাৰ্যালয়, এন এছ এছৰ কাৰ্যালয় আদি মুকলি কৰা হয়। প্ৰতিষ্ঠাপক অধ্যক্ষ ড০ যোগীৰাজ বসুৰ নামত 'বিজ্ঞান আৰু প্ৰযুক্তি ভৱন'ৰ আধাৰশিলা কৰে ২০১৬ চনৰ ২ মাৰ্চত সেই সময়ৰ পৰিচালনা সমিতিৰ সভাপতি ড০ চন্দ্ৰ কান্ত গগৈয়ে। তিনিমহলীয়া এই ভৱনটো এটা আটকধুনীয়া ভৱন। তদানীন্তন শিক্ষামন্ত্ৰী শৰৎ বৰকটকীয়ে ভৱনটো আধাৰশিলা কৰাৰ কথা আছিল যদিও ভৱনটোৰ আঁচনিৰ পুঁজি কেন্দ্ৰীয় চৰকাৰৰ হোৱা হেতু আঁচনিখন বন্ধ হৈ যোৱাৰ বাবে তেওঁ পুঁজিৰ অভাৱ হোৱাৰ আশংকাত আধাৰশিলা কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। শিক্ষামন্ত্ৰীয়ে আধাৰশিলা কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰাত পুৰোহিতৰ যোগেদি পূজা-সেৱা কৰি নাৰিকল ভাঙি পৰিচালনা সমিতিৰ সভাপতি ড০ চন্দ্ৰ কান্ত গগৈয়ে ভৱনটিৰ আধাৰশিলা স্থাপন কৰে। মহাবিদ্যালয়ৰ পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী তৰুণ গগৈ, মুখ্যমন্ত্ৰী

সৰ্বানন্দ সোণোৱালৰ সময়ত ভৱনটোৰ পুঁজি এচ অ' পি ডি আঁচনিৰ অধীনলৈ নিয়া হয় আৰু ভৱনটো নিৰ্মাণৰ বাবে ব্যৱস্থা কৰা হয়। অৱশ্যে ২০১৮ চনৰ পৰাই ভৱনটো নিৰ্মাণ কাৰ্য স্তব্ধ হৈ পৰে। মহাবিদ্যালয়খনৰ উন্নয়ন সমিতিয়ে লোৱা সিদ্ধান্ত মৰ্মে ভৱনটো ২০২২ চনৰ আগষ্ট মাহৰ পৰা পুনৰ নিৰ্মাণ কাৰ্য কৰা হয়। মহাবিদ্যালয়খনৰ মূল প্ৰৱেশ দ্বাৰৰ তোৰণখন নতুনকৈ পুনৰ নিৰ্মাণ কৰি সজাই তোলা হয়। পৰিত্যক্ত পুখুৰীটো পৰিস্কাৰকৈ সজাই মৎস্য আৰু হাঁহ পালনৰ ব্যৱস্থা কৰা হয়। মুঠতে আন্তঃগাঁঠনিৰ কামখিনি ২০১৫ চনৰ জুন মাহৰ পৰা দ্ৰুত গতিত আগুৱাই নিবলৈ চেষ্টা কৰা হয়। ৰুছা ২.০ আঁচনিৰ অধীনত নতুন ছাত্ৰী নিৱাস নিৰ্মাণ কৰা, নতুন প্ৰসাৰগাৰ নিৰ্মাণ কৰাকে ধৰি অনেক কাম কৰা হয়। ছাত্ৰীৰ জিৰণি কোঠা, প্ৰস্বাৰগাৰ আদিকে ধৰি সকলো উন্নত কৰা হয়।

মহাবিদ্যালয়খনৰ শৈক্ষিক দিশতো আমূল পৰিৱৰ্তন অনাৰ প্ৰয়াস কৰা হয়। পূৰ্বতে উল্লেখ কৰি অহা হৈছে যে পদাৰ্থ বিজ্ঞান, নৃতত্ব, গণিত, ইংৰাজী, অসমীয়া, জীৱ বিজ্ঞান বিভাগত স্নাতকোত্তৰ, সমাজ শাস্ত্ৰ বিভাগৰ স্নাতক পাঠ্যক্ৰম মুকলিৰো দিহা কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত শিক্ষা, পৰিৱেশ্য কলা, মনোবিজ্ঞান, বড়ো, বাংলা বিভাগত স্নাতক পাঠ্যক্ৰম খোলাৰো পদক্ষেপ লোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত আগুৱাই নিবলৈ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণৰ সুযোগ দিয়া হয়। যুৱ মহোৎসৱ, আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে দেখুওৱা পাৰদৰ্শিতাক ভূয়সী প্ৰশংসা কৰিবই লাগিব। শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত সকলো ব্যৱস্থা কৰা হয়। এনে উত্তৰণৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশ, প্ৰযুক্তি নিৰ্ভৰ আদিৰ ব্যৱস্থাপনা কৰা হয়। হিচাপ নিকাচ, নামভৰ্তি, পঞ্জীয়ন ইত্যাদি অনলাইন পদ্ধতিৰ শুভাৰম্ভ কৰা হয়। প্ৰশাসনিক সংস্কাৰৰ দিশতো মনোনিৱেশ কৰা হয়। বোধকৰো ২০১৫ চনৰ জুন মাহৰ পিছৰ পৰাই মহাবিদ্যালয়খনত প্ৰযুক্তিৰ ব্যৱহাৰ দ্ৰুত গতিত কৰা হয় আৰু এনে ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ মানসিক বাতাবৰণ পৰিৱৰ্তন ঘটাত যথেষ্ট সহায়ক হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয় জন্ম দিয়া ডি এইচ এছ কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বাবে পৰিচালনা সমিতিত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই ক্ষেত্ৰত শিক্ষক গোটেও মহাবিদ্যালয়খনক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। ছাত্ৰ একতা সভাইও প্ৰস্তাৱ গ্ৰহণ কৰি হেঁচা প্ৰয়োগ কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰাত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। এক সপোন এতিয়াও আছে মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাৰ। ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰাও দাবী উত্থাপন কৰি মহাবিদ্যালয়খনক বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাত হেঁচা প্ৰয়োগ কৰে। ডিব্ৰুগড় নাগৰিক মঞ্চইও এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি চৰকাৰক দৃষ্টিগোচৰ কৰে। ডিব্ৰুগড় কৰ্মচাৰী পৰিষদৰ সম্পাদক অনিল প্ৰসাদ সিংহকে ধৰি জিলা সমিতিৰ বিষয়ববীয়াসকলক এই ক্ষেত্ৰত ধন্যবাদ জনাবই লাগিব। সকলোৱে আশা কৰে ডিএইচ এছ কানৈ মহাবিদ্যালয় বিশ্ববিদ্যালয়লৈ উন্নীত হওঁক। সেই সপোন অধ্যক্ষ হিচাপে মোৰো আছে, কানৈ মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যৰ আছে আৰু ডিব্ৰুগড়বাসী ৰাইজৰো আছে। আশা কৰোঁ এদিন ডি এইচ এছ কানৈ মহাবিদ্যালয় 'ডি এইচ এছ কানৈ বিশ্ববিদ্যালয়'লৈ ৰূপান্তৰিত হ'ব। তেনে সপোন বাস্তৱ হোৱালৈ সকলোৱে আশা কৰো এখন বিশ্ববিদ্যালয় জন্ম দিয়া মহাবিদ্যালয় বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাতো সকলোৱে নিশ্চিতভাৱে বিচাৰে। কানৈ মহাবিদ্যালয়ক বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বক্তৃতা, আলোচনা চক্ৰ আয়োজন কৰি বিশ্বমুখী কৰি গঢ়ি তোলা হয়। স্বাভাৱিকতে ই এক আনন্দৰ খবৰ, ভাল খবৰ। মহাবিদ্যালয়খনৰ জয়যাত্ৰাৰ অংশীদাৰ হিচাপে আৰু অধিক আগুৱাই নিয়াৰ হেঁপাহ আছে, উজলাই তোলাৰ মন আছে।

### তিনি ঃ ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস ঃ কিছু কথা

৬০ দশকৰ প্ৰথমছোৱাতে ঐতিহাসিক কানৈ মহাবিদ্যালয়ত নিৰ্মাণ হৈছিল দুমহলীয়া এক ছাত্ৰাৱাস। ছাত্ৰাৱাসটোৰ ইতিহাস আছে, ঐতিহ্য আছে। এই ছাত্ৰাৱাসতে থাকি অধ্যয়ন কৰিছিল অনেক ছাত্ৰই। পৰৱৰ্তী সময়ত সেইসকল ছাত্ৰ-ছাত্ৰীয়ে কেৱল ৰাজ্যখনৰ ভিতৰতে নহয়, সমগ্ৰ দেশৰ বিভিন্ন প্ৰান্তত নাম উজলাবলৈ সক্ষম হৈছিল। অসমৰ মুখ্যমন্ত্ৰী পদত অধিস্থিত হৈছিল সৰ্বানন্দ সোণোৱাল। সৰ্বানন্দ সোণোৱাল কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি

পৰৱৰ্তী সময়ত এজন ইতিবাচক চিন্তাৰ ব্যক্তি ৰূপে সমগ্ৰ দেশতে পৰিচিত হৈ পৰিছিল। কানৈৰ ছাত্ৰাৱাসতে থাকি অধ্যয়ন কৰি যোৱা আৱাসী নৱ কুমাৰ দলে পৰৱৰ্তী সময়ত সাংস্কৃতিক বিভাগৰ মন্ত্ৰী হৈছিল। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল লাহোৱালৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা। পৰৱৰ্তী সময়ত ঋতুপৰ্ণ বৰুৱাই অসম পৰ্যটন উন্নয়ন নিগমৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰে। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সুনিল ৰাজকোঁৱৰ পৰৱৰ্তী সময়ত জ্যোতি চিত্ৰবনৰ এটা গুৰুত্বপূৰ্ণ দায়িত্বত অধীস্থিত হৈছিল। কানৈ মহাবিদ্যালয়ৰ এই ছাত্ৰাৱাসতে থাকি অধ্যয়ন কৰি পৰৱৰ্তী সময়ত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসক, অধিবক্তা, অধ্যাপক, শিক্ষক, উদ্যোগিক বিষয়া, আৰক্ষী বিষয়া, প্ৰশাসনিক বিষয়াকে ধৰি অন্যান্য বিভাগত সংস্থাপন লাভ কৰিছিল। কানৈৰ ছাত্ৰাৱাসৰ আৱাসীসকলৰ এই কৃতিত্ব অতীততো আছিল, বৰ্তমানেও সেই ধাৰা অব্যাহত আছে। কানৈৰ ছাত্ৰাৱাসত অধ্যয়নৰ পৰিবেশ আছিল সেয়ে প্ৰতিটো দিশতে আৱাসীসকল আগুৱাই যাব পাৰিছিল। কানৈৰ ছাত্ৰাৱাসৰ অতীত গৌৰৱৰ কথা লিখি শেষ কৰিব নোৱাৰি। কানৈ মহাবিদ্যালয়ৰ অতীত ৰোমন্থন কৰিবলৈ গ'লে ষাঠি দশকৰ সেই ছাত্ৰাৱাসৰ প্ৰসংগ আহেই। কাৰণ কানৈৰ ছাত্ৰাৱাসত এনে এক শৈক্ষিক পৰিবেশ সৃষ্টি হৈছিল যাৰ ফলশ্ৰুতিত মহাবিদ্যালয়খনতো ইতিবাচক প্ৰভাৱ পেলাইছিল।

যিকোনো কাৰণতে নহওঁক মাজৰ সময়ছোৱাত প্ৰায় ১৭ বছৰ ধৰি এই ঐতিহ্যপূৰ্ণ, সোণালী অতীত বহন কৰা ছাত্ৰাৱাসটো বন্ধ হৈ আছিল। কি কাৰণে, কাৰ ভুলৰ কাৰণে ছাত্ৰাবাসটো বন্ধ কৰা হৈছিল সেয়া অজ্ঞাত আছিল। মুঠ কথা কানৈৰ ছাত্ৰাৱাস ১৭ বছৰ ধৰি বন্ধ হৈ পৰাটোৱে বহু ছাত্ৰক ছাত্ৰাৱাসৰ সুবিধা গ্ৰহণৰ পৰা বঞ্চিত কৰিছিল! ২০১৫ চনৰ ১৯ জুনত কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰিয়ে বিধ্বস্ত, জৰাজীৰ্ণ, পৰিত্যক্ত অৱস্থাত থকা ছাত্ৰাৱাসটোত ভুমুকিয়াবলৈ চেষ্টা কৰিছিলো। নাই, নোৱাৰি, ছাত্ৰাৱাসৰ কাষলৈকে যাব নোৱাৰি। ছাত্ৰাৱাসটোৰ চাৰিওফালে না না অলাগতীয়াল, অপ্ৰয়োজনীয় গছ-গছনিয়ে ঘেৰি ৰাখিছিল। আনকি ছাত্ৰাৱাসৰ ভিতৰে-বাহিৰে, ওপৰে-তলে কেৱল গছ-গছনি। বহু চেষ্টা কৰিও ছাত্ৰাৱাসটোত প্ৰৱেশ কৰিব নোৱাৰি মহাবিদ্যালয়ৰ এন চি চিৰ সহায় লৈছিলো। প্ৰায় ৩৩ জন এন চি চি কেডেটে ছাত্ৰাৱাসটোত কেৱল চকুকেইটা উলিয়াই ৰাখি আন সকলোতে কাপোৰেৰে ঢাকি ছাত্ৰাৱাসটো পৰিস্কাৰ কৰিছিল। হয়তো দহদিন মান এন চি চি কেডেটসকলে ছাত্ৰাৱাসটো পৰিস্কাৰ কৰাৰ কামত জড়িত হৈছিল। বহু কোঠাত উইহাফলু গঢ় লৈ উঠিছিল, বহু কোঠাত ফেটি সাপৰ বসতি হৈছিল। ছাত্ৰাৱাসটোৰ কাষলৈ যাওঁতেও প্ৰথম দিনটোতে বহু কেইডাল বিষাক্ত সাপ দেখা মনত পৰে। মোৰ স'তে সহযোগী, প্ৰত্যক্ষদৰ্শী আছিল দিলীপ শৰ্মা, লেখক, সাংবাদিক হেমন্ত কুমাৰ ভড়ালী। যি ছাত্ৰাৱাসৰ হাবি-জংঘলৰ বাবে কাষ চাপিব পৰা নগৈছিল। সেই ছাত্ৰাৱাসটো এন চি চি কেডেটসকলে নেৰানেপেৰা চেষ্টা কৰি পৰিস্কাৰ কৰিছিল। বহু কোঠাত বিভিন্ন ধৰণৰ পেলনীয়া সামগ্ৰীৰে ভৰি আছিল। কানৈৰ ছাত্ৰাৱাসৰ যি সোণালী ইতিহাস আছিল সেই ইতিহাস পৰিত্যক্ত হৈ ম্লান পৰিছিল। কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰিয়ে প্ৰথমেই সিদ্ধান্ত লৈছিলো ছাত্ৰাৱাসটো মুকলি কৰাৰ। ইমান এটা সুন্দৰ সম্পদ তেনেকৈ চকুৰ আগতে কেতিয়াও ধ্বংস হ'বলৈ দিব নোৱাৰি। ছাত্ৰাৱাসটো মুকলি কৰিমেই। এনে সিদ্ধান্ত লোৱাৰ লগে লগে প্ৰাক্তন আৱাসী সেই সময়ৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাই ছাত্ৰাৱাসটো মুকলি কৰাৰ বাবে পৰামৰ্শ দিছিল।

২০১৬ চনৰ ১৭ আগষ্টত ছাত্ৰাৱাসটো পুনৰ মুকলি কৰা হ'ল। মুকলি কৰে প্ৰাক্তন আৱাসী, লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাই। সহায় কৰিলে মহাবিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ একতা সভা আৰু অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকলে। ছাত্ৰাৱাসটো পৰৱৰ্তী সময়ত উন্নয়নৰ বাবে আগবাঢ়ি আহিল কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ডিম্বেশ্বৰ চলিহাৰ পুত্ৰ ডাঃ জয়ন্ত চলিহা। ছাত্ৰাৱাসৰ ভিতৰে বাহিৰে কিছু অংশত টাইলছ লগোৱাৰ উপৰিও গা ধোৱা ঘৰ, প্ৰস্বাৰগাৰ আদিত কিছু উন্নত কৰাত সহায় কৰি দিলে। পৰিয়ালটোৰ এনে বৰঙণীৰ বাবে ছাত্ৰাৱাসটো প্ৰাক্তন অধ্যক্ষ, প্ৰয়াত 'ডিম্বেশ্বৰ চলিহা'ৰ নামেৰে নামাকৰণ কৰা হ'ল। ছাত্ৰাৱাসটোৰ পৰিবেশ, পৰিস্থিতি কিছু উন্নত হ'বলৈ ধৰিলে। অনেক সমস্যাই আৱাসীসকলক জুৰুলা কৰি থাকিলেও আৱাসীসকলক

পঢ়াৰ এক সুবিধা দিয়া গৈছিল। এই ছাত্ৰাৱাসতে থাকি পৰৱৰ্তী সময়ত বহুসংখ্যক ছাত্ৰই কেৱল প্ৰথম শ্ৰেণীয়ে নহয়, বিশ্ববিদ্যালয়ৰ ভিতৰতো বহু বিষয়ত অধিক নম্বৰ পাবলৈ সক্ষম হৈছে। বিভিন্ন সমস্যা, ঘাট-প্ৰতিঘাট নেওঁচি ছাত্ৰাৱাসটো আগুৱাই যাবলৈ ধৰিলে। ছাত্ৰাৱাসত দুজনকৈ ৰান্ধনী নিয়োগ কৰা হ'ল। দুজনকৈ ক্ৰীড়া শিক্ষক নিযুক্তি দিয়া হ'ল। পুৱাৰ ভাগত যোগ প্ৰশিক্ষণ ল'বলৈ প্ৰশিক্ষক নিযুক্তি দি যোগ অভ্যাস গঢ়ি তোলাৰ প্ৰয়াস চলোৱা হ'ল। ছাত্ৰাৱাসটো ৰঙ ঘহি জিলিকাই তোলা হ'ল। ছাত্ৰাৱাসৰ অন্যান্য সমস্যাৰ মাজত আছিল ৰান্ধনী ঘৰ আৰু আহাৰ গ্ৰহণ কৰা ঘৰৰ অভাৱ। সেই সমস্যাও নোহোৱা কৰাৰ প্ৰয়াস চলোৱা হ'ল। ছাত্ৰাৱাসত অধ্যয়নৰ পৰিবেশ সৃষ্টিৰ বাবে, শৈক্ষিক পৰিবেশ সৃষ্টিৰ বাবে না না ধৰণে উত্তৰণৰ চিন্তা কৰা হ'ল। ছাত্ৰাৱাসটোৰ ভূমি মহলাত সভা-সমিতি অনুষ্ঠিত কৰিব পৰাকৈ সুবিধা কৰি দিয়া হ'ল। বিচনা, টেবুল পূৰ্বতকৈ উন্নত কৰা হ'ল। খোৱা পানী, বিদ্যুৎ, জেনেৰেটৰ ব্যৱস্থা কৰা হ'ল। এনে অনেক সমস্যা আঁতৰ কৰিবলৈ চেষ্টা কৰি থকা হৈছে। ১৭ বছৰ ধৰি পৰিত্যক্ত হৈ থকাত ছাত্ৰাৱাসটো বসবাসৰ যে অনুপযোগী হৈ পৰিছিল সেয়া সকলোৱে স্বীকাৰ কৰে। তেনে এটা পৰিত্যক্ত গৃহ পুনৰ পৰিস্কাৰ কৰি মানুহ থাকিব পৰা ব্যৱস্থা কৰাতো নিশ্চিতভাৱে এক প্ৰত্যাহ্বান আছিল। সেই প্ৰত্যাহ্বান গ্ৰহণ কৰি ছাত্ৰাৱাসটো দোপদদোপে আগুৱাই নিয়াৰ প্ৰয়াস কৰা হ'ল। অসমত বৰ্তমান কানৈৰ মহাবিদ্যালয়ৰ ডি চি ছাত্ৰাৱাসে এক সুনাম আৰ্জিবলৈ সক্ষম হৈছে।

২০১৬ চনৰ ২০ এপ্ৰিলত অসম গেছ কোম্পানীৰ ভাৰপ্ৰাপ্ত বিষয়াই ছাত্ৰাৱাসটোত ৰন্ধন গেছ সংযোগ কৰিবলৈ পত্ৰ লিখা হয়। এই পত্ৰৰ লগে লগে সংযোগ দিয়ে গেছ কোম্পানীয়ে। এখন পৰিচালনা সমিতি গঠন কৰি দিয়া হয়। সেই অনুসৰি উপাধ্যক্ষ ড০ এ আহমেদ, অধ্যাপক নৰেন্দ্ৰ মাহেলা, অধ্যাপক এ কে দত্ত আৰু অধ্যাপক ডি ডুঙ্গেলক লৈ সমিতিখন গঠন কৰি দিয়া হয়। অধ্যাপক ডি ডুঙ্গেলক ২৮.০৬.২০১৬ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ ছাত্ৰাৱাসটোৰ অধীক্ষক হিচাপে নিযুক্তি দিয়া হয়। ছাত্ৰাৱাসটো মুকলি কৰিয়ে দায়িত্ব দিয়া হৈছিল অধ্যাপক ডেইমুনচাং ডুঙ্গেলক। ডুঙ্গেলে যথেষ্ট পৰিশ্ৰম কৰাৰ অন্তত আৱাসীসকলে আৰম্ভণীৰ পৰাই এক পৰিবেশ সৃষ্টি কৰিছিল। বহু সৃষ্টিশীল মনৰ আৱাসী ছাত্ৰাৱাসটোত নামভৰ্তি কৰিছিল। সেইসকল আৱাসীৰ নাম কিছু সংখ্যকৰ বাবে ল'বই লাগিব। চন্দন ফুকন, মানৱজ্যোতি সেনচোৱা, সুৰজ শ্বাহ, প্ৰাঞ্জল দাস, বিকাশ মিছওৰ দৰে আৱাসীৰ নাম ল'বই লাগিব। আৰু অনেক আৱাসী আছিল যিসকলৰ নাম ল'লে ক্ৰমে তালিকাখন দীঘল হৈ যাব। সেইসকল আৱাসীয়ে ছাত্ৰাৱাসটো সৰ্বতো দিশত জিলিকাই তুলিবলৈ চেষ্টা কৰিছিল। মুখ্য অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল অধ্যাপক ড০ মৃদুল শৰ্মাক। ছাত্ৰাৱাসটো উন্নয়নৰ বাবে ড০ শৰ্মাইও কঠোৰ পৰিশ্ৰম কৰাৰ ইতিহাস আছে। ড০ মৃদুল শৰ্মাৰ পৰামৰ্শতে নতুনকৈ ৰান্ধনী ঘৰ উন্নয়নৰ লগতে আন বহুতো উন্নয়ন কৰা হ'ল। ২০১৭ চনৰ ২২ ফেব্ৰুৱাৰীত প্ৰাক্তন অধ্যক্ষ ডিম্বেশ্বৰ চলিহাৰ সহধৰ্মীনি ডালিমী চলিহাই ছাত্ৰাৱাসটো উন্নতি কৰাৰ বাবে এক পত্ৰ দিয়ে আৰু ৫ লাখ টকাৰ সাহাৰ্য আগবঢ়ায়। সেই অনুসৰি পত্ৰখনত ছাত্ৰাৱাসটিৰ নাম 'ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস' নামেৰে নামাকৰণ কৰাৰ কথা উল্লেখ কৰে। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰাৱাস ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস নামেৰে চমুকৈ ডি চি ছাত্ৰাৱাসলৈ উত্তৰণ ঘটাৰ পিছৰে পৰা আৱাসটোত শিক্ষা, ক্ৰীড়া, সাহিত্য, স্বচ্ছতা আদিৰ দিশত যথেষ্ট বৰঙণী যোগাই আহিছে। সন্ধ্যা ৫.৩০ বজাত আৱাসীসকলক আৱাস উপস্থিত থাকি প্ৰাৰ্থনা কৰাৰ ব্যৱস্থা কৰা হ'ল। পুৱা ৫ বজাত ছাত্ৰাৱাসৰ আৱাসীসকল শুই উঠি পানচিং মেছিনত উপস্থিতি দিয়াৰ ব্যৱস্থা কৰা হ'ল। আৱাসীসকলে দৈনিক পুৱা মহাবিদ্যালয় চৌহদ পৰিস্কাৰ কৰা দৃশ্য দেখিলে বহু হৃদয়ৱান লোক আৱেগিক হৈ পৰে। মহাবিদ্যালয় চৌহদ পৰিস্কাৰ হৈ থকাৰ অন্যান্য সকলৰ লগতে ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ নাম ল'বই লাগিব। দুয়োটা আৱাসৰ আৱাসীসকলে মহাবিদ্যালয়খনৰ চৌহদ নিৰন্তৰে পৰিস্কাৰ কৰি আহিছে। সময়ৰ জোখেৰে ক'বলৈ হ'লে ৩০০০ দিন অতিক্ৰম কৰিলে। প্ৰকৃততে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাস সচৰাচৰ ভবাৰ আড্ডাৰ থলী নহয়। জ্ঞান, শিক্ষা আৰু জীৱন সম্পৰ্কে গভীৰভাৱে জানিবলৈ এক মঞ্চও হৈ পৰিছে। কানৈ মহাবিদ্যালয় ডি চি ছাত্ৰাৱাসৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

**চাৰি ঃ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাস কিছু অনুভৱ - কিছু উপলব্ধি**

উচ্চ শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত অসমৰ ডিব্ৰুগড় অঞ্চলে এক বিশেষ ভূমিকা পালন কৰি আহিছে। ১৮৪০ চনত ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ বীজ ৰোপণ হৈছিল ডিব্ৰুগড়তে। ইয়াৰ পিছত মহিলা শিক্ষাৰ বাটকটীয়া হিচাপে আজিও পৰিচিত হোৱা চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়। অসমৰ নাৰী শিক্ষাৰ অন্যতম দিশ দৰ্শক আছিল এই বিদ্যালয়খন। স্বাধীনতাৰ পূৰ্বে ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ বীজ ৰোপণ হোৱা বিষয়টোৱে ডিব্ৰুগড়ীয়া ৰাইজক গৌৰান্বিত কৰি তোলে। ৫০ দশকৰ পূৰ্বেই ডিব্ৰুগড়ত উচ্চ শিক্ষা ভেটি গঢ়াৰ কুচকাৱাজ আৰম্ভ হৈছিল। বিশিষ্ট শিক্ষাবিদ অশ্বিনী চৰণ চৌধুৰী, ডঃ যোগীৰাজ বসু, ডঃ লক্ষ্মীপ্ৰসাদ দত্ত, হনুমানবক্স কানৈ, লালচান্দ কানৈৰ দৰে ব্যক্তিসকলে ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰাত আগভাগ লৈছিল। উজনিৰ উচ্চ শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত অনবৈদ্য অৱদান আগবঢ়োৱা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ১৯৪৫ চনত প্ৰতিষ্ঠা কৰা হয়। ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ বাটকটীয়া শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব পালন কৰিছিল ডঃ যোগীৰাজ বসুৰ দৰে বিশিষ্ট প্ৰাশচত্যবিদে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ডঃ লক্ষ্মীপ্ৰসাদ দত্তই অধ্যক্ষৰ দায়িত্ব পালন কৰে। ফলস্বৰূপে অতি কম সময়ৰ ভিতৰতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে সমগ্ৰ দেশতে নিজৰ এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হয়। কিন্তু মহাবিদ্যালয়খনে যি কাৰণতে নহওঁক এনে সন্ধিক্ষণত উত্তৰণৰ দিশত সঠিক পথেৰে আগুৱাই যোৱাৰ ক্ষেত্ৰত কৰবাত যেন কিবা ভুল বৈ গ'ল। এই সম্পৰ্কত এই মূহুৰ্তত কাকোৰে দোষ দিব খোজা নাই। ইয়াৰ মাজতে শিক্ষা সচেতন সকলো ব্যক্তিয়েই একেমুখে প্ৰকাশ কৰে যে, মহাবিদ্যালয়খনৰ গতি যি দুৰন্ত হ'ব লাগিছিল সেয়া যেন বিগত সময়ছোৱাত নহ'ল।

ৰাইজৰ দান-বৰঙণিৰে কানৈৰ ছাত্ৰীনিৱাস প্ৰতিষ্ঠা হৈছিল ১৯৫৭ চনত। ছাত্ৰী নিৱাসৰ শোচনীয় অৱস্থা দেখি মনত দুখ লাগিছিল। ছাত্ৰী নিৱাসৰ কোঠা, চৌহদৰ জৰাজীৰ্ণ ৰূপ। ছাত্ৰী নিৱাসত ছাত্ৰীসকলৰ মাজত যিদৰে কৰ্মস্পৃহা থাকিব লাগিছিল সেয়া অভাৱ দেখা গৈছিল। ছাত্ৰী নিৱাসত নাম ভৰ্তি কৰাৰ এটাই যেন দায়িত্ব সেয়া হ'ল মহাবিদ্যালয়ৰ পাঠ্যক্ৰম, পাঠদান আদিত অংশগ্ৰহণ কৰা। এটা ছাত্ৰী নিৱাসে সমাজক কেনেদৰে নেতৃত্ব দিব পাৰে সেয়া যেন অনুভৱ কৰা নাছিল। বহু সপোন আৰু চিন্তা, পৰিকল্পনাৰে ছাত্ৰী নিৱাসটো দান-বৰঙণিৰে গঢ়ি তোলা হৈছিল। ২০১৫ চনৰ আগলৈকে ছাত্ৰী নিৱাস কেনে আছিল সেই সম্পৰ্কে মোৰ অৱগত নাছিল কিন্তু যেতিয়াই অধ্যক্ষ হিচাপে কানৈ মহাবিদ্যালয়ত যোগদান কৰিলো সেই সময়ৰ পৰা কিন্তু ছাত্ৰী নিৱাসটোৰ পয়াঁ লগা ৰূপটো দেখাৰ সৌভাগ্য হৈছিল। ৫০ বছৰ পাৰ কৰাৰ পিছতো ছাত্ৰী নিৱাসটোৰ অধীক্ষকৰ বাবে এটা পৃথক আৱাস নহ'ল। সেইদৰে নৈশ চকীদাৰ বা মেট্ৰন আদি কৰ্মচাৰীসকলৰ থকা-মেলাৰ বাবেও সুবিধা গঢ় লৈ নুঠিল। এনে সমস্যাৰ মাজত হাবু-ডুবু কৰি আগবাঢ়ি যোৱা ছাত্ৰী নিৱাসৰ কিছু হ'লেও উন্নতি কৰিব পাৰি নেকি মনে প্ৰাণে চিন্তা কৰিলোঁ। ছাত্ৰী নিৱাসৰ ২৫ বছৰীয়া জয়ন্তী উদ্‌যাপন নহ'ল। ৫০ বছৰ অৰ্থাৎ সোণালী জয়ন্তীও উদ্‌যাপন কৰা নহ'ল। ৰূপালী জয়ন্তী, সোণালী জয়ন্তী যিহেতু উদ্‌যাপন কৰা নহ'ল, সেয়ে ছাত্ৰী নিৱাসৰ ইতিহাসো ক্ৰমে মানসপটৰ পৰা হেৰাই যাবলৈ ধৰিলে। আচলতে জয়ন্তী উদ্‌যাপনে এটা অনুষ্ঠানৰ ইতিহাসক গতিশীল কৰি তোলাত সহায় কৰে। কিন্তু কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ যিহেতু ৰূপালী জয়ন্তীও পালন কৰা নহ'ল বা সোণালী জয়ন্তীও কাৰো মনলৈ নাহিল সেয়ে বহু ইতিহাস কালৰ কুটিল গ্ৰাসত নোহোৱা হৈ গ'ল। কানৈ মহাবিদ্যালয়ত অধ্যক্ষ ৰূপে যোগদান কৰি ছাত্ৰী নিৱাসলৈ প্ৰথমবাৰ যাওঁতে দুখনকৈ ফলক বেৰত লাগি থকা দেখা পাইছিলো। এখন আছিল ছাত্ৰী নিৱাসটো নিৰ্মাণৰ বাবে কোনে কোনে বৰঙণি আগবঢ়াইছিল আৰু দ্বিতীয়খন আছিল ছাত্ৰী নিৱাসটো কোনে উদ্বোধন কৰিছিল। ছাত্ৰী নিৱাসৰ নিৰ্মাণৰ বাবে বৰঙণি আগবঢ়োৱা তালিকাখনত দেখা গৈছিল যে ৫০০ টকা পৰ্যন্ত বৰঙণি আগবঢ়াইছিল। অসম চৰকাৰৰ শিক্ষা বিভাগে ৫০,০০০ টকা আৰু জনজাতি উন্নয়ন বিভাগে ১৫,০০০ টকা আগবঢ়াইছিল। টী বৰ্ডে ৫০ হাজাৰ হনুমানবক্স সুৰজমল (প্ৰাইভেট) লিমিটেডে ১৫,১০১ টকা, কানৈ মহাবিদ্যালয়ে ১৫,০০০ টকা আৰু জালান চেৰিটি ট্ৰাষ্টে

৭,৫০০ টকা সৰ্বাধিক বৰঙণি আগবঢ়াইছিল। ইয়াৰ উপৰিও ৩,০০০/২,০০০/১,০০১ টকা পৰ্যন্ত অনেকজনে সাহায্য হিচাপে ছাত্ৰী নিৱাস নিৰ্মাণৰ বাবে আগবঢ়াইছিল। বৰঙণি আগবঢ়োৱা বিভিন্ন দল-সংগঠন, অনুষ্ঠান, ব্যক্তিৰ সাহাৰ্য তালিকাখন দেখিয়েই অনুভৱ কৰিব পাৰি ছাত্ৰী নিৱাসটো নিৰ্মাণৰ বাবে কিমান পৰিশ্ৰম কৰা হৈছিল। ছাত্ৰী নিৱাস এটাৰ অভাৱ কেনেদৰে অনুভৱ কৰিছিল সেই বিষয়ে ফলকখনেই প্ৰমাণ কৰে। অযুত সপোন লৈ নিৰ্মাণ কৰা ছাত্ৰী নিৱাসটোৰ পৰৱৰ্তী সময়ত অৱস্থা এনে জৰাজীৰ্ণ আৰু বিধ্বস্ত হৈ পৰিব বুলি হয়তো কল্পনাই কৰিব পৰা নাছিল সেইসকল ব্যক্তিয়ে। আচৰিত লাগে যে ৬০ বছৰ আগতেই এটা ছাত্ৰী নিৱাসৰ কল্পনা কৰা হৈছিল কিন্তু ৬০ বছৰৰ পিছত তেনে আন এটা ছাত্ৰী নিৱাসৰ বাবে পুনৰ চিন্তা কৰা নহ'ল। সেইসকল ব্যক্তিৰ দূৰদৰ্শিতাক সন্মান জনাবই লাগিব। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰী কানৈ মহাবিদ্যালয়লৈ অধ্যয়নৰ বাবে আহে। এখন পুৰণি মহাবিদ্যালয় হিচাপে সকলোৰে কানৈ মহাবিদ্যালয়ত অধ্যয়নৰ সপোন দেখে। কিন্তু ১৯৫৭ চনৰ ২২ মে'ত তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে আধাৰশিলা স্থাপন কৰা আৰু বি এন বৰাই অভিযান্ত্ৰিক দিশসমূহ চোৱা চিতা কৰা ছাত্ৰী নিৱাস নিৰ্মাণৰ ঠিকাদাৰ আছিল আৰ ডি শৰ্মা। সেই সময়ত নিৰ্মাণ কৰা ১০০ জনীয়া ছাত্ৰী নিৱাসটো এশজনীয়া হৈয়ে ৰ'ল। ছাত্ৰীৰ সংখ্যা বৃদ্ধি হ'ল কিন্তু ছাত্ৰী নিৱাসৰ আৱাসৰ সংখ্যা বৃদ্ধি নহ'ল। ইয়াৰ মাজতে ছাত্ৰী নিৱাসটোৰ উন্নয়নৰ বাবে ৭০ লাখ টকা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা মঞ্জুৰি হৈছিল যদিও ৩০ লাখ টকা মোকলাই দিছিল।

মহাবিদ্যালয়খনৰ ছাত্ৰী নিৱাসলৈ যোৱা পথটো দেখি হতভম্ব হৈছিলো। কাষত এটা পুতিগন্ধময়, গছ-গছনি, জেং-জাবৰেৰে আৱৰা পুখুৰী আৰু বোকা-পানী, গছ-বনৰ মাজেদি ছাত্ৰী নিৱাসলৈ যোৱা এটি লুংলুঙীয়া হাবিতলীয়া বাট। এনে কদৰ্য পৰিৱেশ দেখি হৃদয় উচুপি উঠিছিল। সিদ্ধান্ত ললোঁ পথটো নিৰ্মাণৰ কাম। পৰিচালনা সমিতি তথা অন্যান্য শিক্ষক, অধ্যাপক আৰু ছাত্ৰী নিৱাসৰ অধীক্ষক, মনিট্ৰেছ আদিৰ পূৰ্ণ সহযোগত অধ্যক্ষ হিচাপে যোগদান কৰাৰ এমাহৰ ভিতৰতে পথটো উন্নয়ন কৰা হ'ল। পূৰ্বৰ লুংলুঙীয়া হাবিতলীয়া পথটি ব্লক লগাই সুন্দৰ কৰা হ'ল। ছাত্ৰী নিৱাসৰ অধীক্ষিকা হীৰামণি লালুং আৰু ছাত্ৰী নিৱাসৰ আৱাসীসকলৰ উপস্থিতিত পথটো মুকলি কৰা হ'ল। পথটো মুকলি কৰাৰ দিনা ৰং-বিৰঙৰ বেলুন ওলোমাই এক নান্দনিক পৰিৱেশত ধূপ-ধুনা জ্বলাই মুকলি কৰিলো। সেই দিনা ছাত্ৰী নিৱাসৰ আৱাসীসকলৰ চকুৰে মুখে যি আনন্দ ফুটি উঠিছিল সেয়া মোৰ মানসপটত সদায়ে জিলিকি থাকিব। পথ মুকলিৰ দিনা মোৰ সহধৰ্মিনী ৰিজু গগৈয়ো উপস্থিত থাকি পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। পথটো উন্নয়নৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদিকা এনিশা বুঢ়াগোহাঁই আৰু ছাত্ৰী নিৱাসৰ অধীক্ষক হীৰামণি লালুঙৰ সহযোগিতা চিৰদিন বুকুৰ মাজত স্মৃতি হিচাপে থাকি যাব। পথটো উন্নয়নৰ মাজেদিয়েই ছাত্ৰী নিৱাসৰ উন্নয়নৰ সপোন দেখিবলৈ ধৰিলো। সঘনাই ছাত্ৰী নিৱাসৰ আৱাসী আৰু অধীক্ষকৰ সৈতে আলোচনা কৰি সমস্যাসমূহ সমাধান কৰাৰ পদক্ষেপ লোৱা হ'ল। ছাত্ৰী নিৱাসৰ বাবে দৈনিক বাতৰি কাকত, ইন্টাৰনেট, টিভি, পানী, বিদ্যুৎ আদি যোগান দিয়াত অধিক মনোনিৱেশ কৰা হ'ল। অনুভৱ কৰিছিলো ছাত্ৰী নিৱাসৰ ছাত্ৰীসকলে কেৱল নিয়মীয়া অধ্যয়ন কৰিয়েই দায়িত্ব সামৰিলে নহ'ব। অন্যান্য সাংস্কৃতিক কাৰ্যসূচী, ক্ৰীড়া আৰু সাহিত্য আদি কাৰ্যসূচীত যাতে জড়িত হৈ পৰে সেই দিশৰ প্ৰতিও পৰিকল্পনা কৰি আঁচনি লোৱা হৈছিল। মহাবিদ্যালয় এখনত সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদি দিশসমূহ শক্তিশালী নহ'লে কেৱল নিয়মীয়া পাঠ্যক্ৰমে পূৰ্ণতা দিব নোৱাৰে। সেয়ে আৱাসীসকলৰ সমস্যাসমূহ অন্তঃকৰণেৰে সমাধান কৰি আৱাসীসকলৰ মানসিকতা পৰিৱৰ্তন কৰাৰ চেষ্টা কৰা হ'ল। ইয়াৰ পিছত দেখা গ'ল যে, দুটা বছৰৰ ভিতৰতেই আৱাসীসকলৰ মাজত ক্ৰীড়া, সাহিত্য, সংস্কৃতিৰ বাবে তেওঁলোকৰ মাজত এক অঘোষিত প্ৰতিযোগিতা চলিল। এনেদৰে ইতিবাচক ফলাফল লাভ কৰাত নিজকে শান্তনা লাভ কৰিছিলো। মহাবিদ্যালয়খনত ক্ৰীড়াৰ দিশটো অধিক টনকিয়াল কৰিবলৈ ক্ৰীড়া বিষয়ৰ শিক্ষক ঠিকাভিত্তিক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হ'ল। সেইদৰে সাংস্কৃতিক, কলা আদি দিশসমূহ আগুৱাই নিবৰ বাবে তেনে দিশৰ ব্যক্তিক দায়িত্ব অৰ্পণ কৰি চেষ্টা চলোৱা হ'ল। অনুভৱ কৰা হৈছিল মহাবিদ্যালয়খন কেৱল নিয়মীয়া পাঠ্যক্ৰমতে আৱদ্ধ ৰাখিলে ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশ সাধন সম্ভৱ নহয়। ইয়াৰ অংশ হিচাপে ছাত্ৰী নিৱাসৰ ছাত্ৰীসকলৰ ওপৰতো মানসিক বিকাশ

সাধনৰ বাবে নিখুঁট পৰিকল্পনা কৰা হ'ল। মহাবিদ্যালয়ৰ চৌহদ, ছাত্ৰী নিৱাসৰ চৌহদ, চাফ চিকুণৰ দায়িত্ব, ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰতে দায়িত্ব অৰ্পণ কৰা হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত এনে দায়িত্ব অৰ্পণ কৰা পিছত দেখা গ'ল ফলাফল হিচাপে এন.চি.চিৰ তৰফৰ পৰা এখন স্বচ্ছতাৰ ওপৰত চুটী ছবি নিৰ্মাণ কৰি দেশৰ ভিতৰত দ্বিতীয় স্থান দখল কৰি প্ৰধানমন্ত্ৰীৰ স্বচ্ছতা বঁটা আজুৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এইক্ষেত্ৰত বহুকেইজন অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীৰ শলাগ ল'বই লাগিব। ছাত্ৰী নিৱাসৰ কাষতে থকা হাবি-জংঘলেৰে পূৰ্ণ পুখুৰীটো পৰিষ্কাৰ কৰি সৌন্দৰ্যবৰ্দ্ধনৰ বাবে আঁচনি লোৱা হ'ল। পুখুৰীটো বহু বছৰ ধৰি পৰিষ্কাৰ নকৰাৰ ফলত কদৰ্য ৰূপ লৈছিল। পুখুৰী পৰিষ্কাৰ কৰিবৰ বাবে বিভিন্ন ব্যক্তিক মতা হৈছিল। ঠিকা বা হাজিৰা ভিত্তিত কোনেও পুখুৰীটো পৰিষ্কাৰ কৰিবলৈ আগবাঢ়ি নাহিল। কাৰণ পুখুৰীটোত ভঙা বটল, জেং-জাবৰ, হাবি পৰিষ্কাৰ কৰিবলৈ কোনেও টকা দিলেও ইচ্ছুক নহয়। কেইজনমানে আকৌ ৪০,০০০ টকা বিচাৰিছিল। ইমান টকা পাম ক'ত? সেয়ে পুখুৰীটো পৰিষ্কাৰ কৰিবলৈ মহাবিদ্যালয়ৰ কেইগৰাকীমান কৰ্মচাৰী আৰু বাবুল নামৰ এজন ব্যক্তিয়ে তেনেই কম মূল্যত চাফা কৰিবলৈ আগবাঢ়ি আহিল। কেইবাদিনো নেৰানেপেৰা চেষ্টাৰ ফলত দিনে নিশাই মেচিন লগাই পুখুৰীটো পৰিষ্কাৰ কৰা হ'ল। নিয়মীয়াকৈ পুখুৰী চাফা কৰিবৰ বাবে এখন কাঠৰ নাও যোগাৰ কৰা হ'ল। পুখুৰীটো সজাই হাঁহ আৰু মাছ পোহাৰ ব্যৱস্থা কৰা হ'ল।

কানৈ বাণিজ্য মহাবিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ ভূমি সীমাক লৈ দীৰ্ঘদিন ধৰি বিতৰ্ক হৈ আহিছিল। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু কেইগৰাকীমান অধ্যাপকৰ সহযোগত সেই সীমা বিবাদ নিৰ্মূল কৰাই নহয় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষই সীমাৰ বেৰা নিৰ্মাণৰ দায়িত্বও ল'লে। এনে বিবাদ নিষ্পত্তিকৰণৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰিয়দেৱ গোস্বামী, ড° দেৱাঞ্জন হাজৰিকা, ড° অনন্ত কুমাৰ দত্ত, ড° অনুপজ্যোতি ভৰালী, ড° ৰঞ্জন চাংমাই, নৰেন্দ্ৰ মাহেলা প্ৰমুখ্যে অন্যান্য অধ্যাপকসকলৰ সহযোগিতাক চিৰদিন নাপাহৰো। এইসকলৰ উদ্যোগতে কানৈ বাণিজ্য মহাবিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ বছৰ বছৰ ধৰি চলি অহা সীমা বিবাদ নিষ্পত্তি হয়। সীমাৰ বেৰাততালিকে নিৰ্মাণ কৰাৰ দায়িত্ব লোৱাৰ বাবে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কে এম মিশ্ৰভাগৰতীক কৃতজ্ঞতা জনাবই লাগিব। এই সীমা বেৰাখন নিৰ্মাণ কৰাৰ ফলত ছাত্ৰী নিৱাসৰ নিৰাপত্তাৰ দিশত যথেষ্ট সুৰক্ষিত হ'ল।

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ উন্নয়নৰ নৌকা চলি থাকিবলৈ ধৰিলে। পুনৰ হীৰক জয়ন্তী উদ্‌যাপনৰ বিষয়টো ভবা হ'ল। যিহেতু ছাত্ৰী নিৱাসৰ আধাৰশিলা ১৯৫৭ চনত কৰা হৈছিল সেই হিচাপ কৰি ২০১৭ চনত ছাত্ৰী নিৱাসৰ বীজ ৰোপণ কৰা ৬০ বছৰ সম্পূৰ্ণ হয়। বিষয়টো অধ্যাপক-কৰ্মচাৰীসকলক অৱগত কৰা হয় আৰু সকলোৰে পূৰ্ণ সহযোগ কৰি হীৰক জয়ন্তী উদ্‌যাপনৰ সিদ্ধান্ত লয়। সেই উপলক্ষ্যে ২০১৮ চনৰ ২০ জানুৱাৰীত ছাত্ৰী নিৱাসৰ হীৰক জয়ন্তী উদ্‌যাপন কৰা হয়। হীৰক জয়ন্তী অনুষ্ঠানতে মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপিকা ড০ ভাৰতী দত্তই স্মৃতি গ্ৰন্থ 'সৌদামিনী' উন্মোচন কৰে। ছাত্ৰী নিৱাসৰ প্ৰাচীৰ পত্ৰিকা 'পুৱতি' উন্মোচন কৰে বিধায়ক ঋতুপৰ্ণ বৰুৱাই। ছাত্ৰী নিৱাসটোৰ হীৰক জয়ন্তী উপলক্ষে নিৱাসৰ সন্মুখত এটি ভৱন সংলগ্ন কৰি নিৰ্মাণৰ সিদ্ধান্ত লোৱা হয়। নৈশ চকীদাৰ, আৱাসীসকল, আলহীসকলৰ জিৰণিকক্ষ, প্ৰস্ৰাৱগাৰ, ছাত্ৰী নিৱাসৰ কাৰ্যালয় আদিৰ লগতে সভাকক্ষৰ সা-সুবিধাৰ বিষয়ে ভবা হ'ল। সেয়া নিৰ্মাণ কৰাৰ লগে লগে এই সমস্যাকেইটাৰ সমাধান হয়। আৱাসৰ চৌহদত ছাত্ৰীসকলৰ খেলা-ধূলাৰ বাবে বেডমিণ্টন কৰ্ট নিৰ্মাণ কৰা হয়। বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ গঢ়ি তুলিবৰ বাবে সমল ব্যক্তিৰ যোগেদি বক্তৃতাৰ ব্যৱস্থা কৰা হয়। ছাত্ৰী নিৱাসত কুইজ, তৰ্ক আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আন সেৱামূলক কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। ইউ জি চিৰ পৰিদৰ্শকৰ দ্বাৰাই ছাত্ৰী নিৱাসটো পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰা হয়। ছাত্ৰী নিৱাসটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল ৬০ বছৰৰ পিছত ছাত্ৰীসকলৰ সুবিধাৰ বাবে অধ্যয়নত অধিক পৰিৱেশ দিবৰ বাবে জেনেৰেটৰ মাধ্যমেৰে বিদ্যুৎ যোগানৰ ব্যৱস্থাও কৰা হ'ল। দাতা সদস্য জ্যোতি প্ৰসাদ কানৈক অনুৰোধ কৰা হ'ল ছাত্ৰী নিৱাসৰ আৱাসীসকলৰ বাবে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰি

দিবলৈ। তেখেতে উক্ত প্ৰকল্পটো সম্পন্ন কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। তেওঁ মহাবিদ্যালয়ৰ চৌহদত জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ উদ্যোগত এক আন এটা প্ৰকল্প ইতিমধ্যে সম্পূৰ্ণ কৰিছে। তেখেতক সেই বিষয়েও অনুৰোধ কৰাত ততালিকে সেই প্ৰকল্প নিৰ্মাণ কৰি দিয়ে। এতিয়া মহাবিদ্যালয়ৰ চৌহদত বিশুদ্ধ খোৱা পানীৰ সমস্যাৰ পৰা মুক্ত হ'লো। ছাত্ৰী নিৱাসৰ বাবে গ্ৰহণ কৰা এনে কামসমূহে নিশ্চিতভাৱে ছাত্ৰীসকলৰ মাজত এক শৈক্ষিক পৰিৱেশ গঢ়ি তোলে। ছাত্ৰী নিৱাসটো উন্নয়নৰ বাবে আন কেইবাজনো ব্যক্তি আগবাঢ়ি আহে যদিও কিছু কাৰিকৰী অসুবিধাৰ বাবে সেয়া এতিয়ালৈকে সহায় গ্ৰহণ কৰিব পৰা নাই। এই চেষ্টা কিন্তু অব্যাহত আছে। চৌহদৰ মাজতে এটা অত্যাধুনিক সা-সুবিধা সম্পন্ন ছাত্ৰী নিৱাস গঢ়ি তোলাৰ হেঁপাহ আছে। সেই লৈ ৰুছাৰ অধীনত এটি নতুন ছাত্ৰী নিৱাস নিৰ্মাণৰ প্ৰস্তুতি চলোৱা হ'ল। সেই ছাত্ৰী নিৱাসৰ প্ৰত্যেকটো কোঠাত গা-ধোৱা ঘৰ সংলগ্ন, টিভি, ফ্ৰীজ, এচি সংযুক্ত সকলো সা-সুবিধাই থাকিব। সেই লক্ষ্য আগত ৰাখি ২০২০ বৰ্ষৰ ১০ ডিচেম্বৰ তাৰিখে ৰুছা প্ৰকল্পৰ অধীনত নতুন ছাত্ৰী নিৱাসৰ আধাৰশিলা স্থাপন কৰে ডিব্ৰুগড় বিধান সভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, উপাধ্যক্ষ নৰেন্দ্ৰ মাহেলা, অধ্যাপিকা চুলতানা হাজৰিকা, অধ্যাপক ড০ অনন্ত কুমাৰ দত্ত, ছাত্ৰী নিৱাসৰ অধীক্ষিকা উৰ্মিলা ৰামছিয়াৰী উপস্থিত আছিল। চৌহদত ছাত্ৰীসকলৰ সুবিধাৰ বাবে এটি গ্ৰন্থাগাৰ নিৰ্মাণ কৰাৰ হেঁপাহো আছে। ছাত্ৰীসকলৰ বাবে প্ৰতিভা বিকাশৰ বাবে সত্ৰীয়া নৃত্য, বিভিন্ন সাংস্কৃতিক প্ৰতিভা বিকাশৰ লগতে দৈনিক পুৱা ৫ বজাৰ পৰা যোগ প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছে। পুৰণি ছাত্ৰী নিৱাসৰ টিনপাতসমূহ পুৰণি হৈ যোৱাৰ বাবে সেউজীয়া ৰঙৰ টিনপাত নতুনকৈ লগোৱা হয়।



# কানৈ কলেজৰ ইতিহাস ঃ এটি অৱলোকন

ড° আতিকুদ্দিন আহমেদ
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ, ডি.হ.সু কানৈ মহাবিদ্যালয়

১৯৪৫ চনৰ ১৫ জুন তাৰিখে অসমৰ তৃতীয়খন কলেজ হিচাপে ডিব্ৰুগড়ত প্ৰতিষ্ঠা হোৱা কানৈ কলেজৰ ইতিহাস গৌৰৱময় আৰু মহিমামণ্ডিত। বৃটিছৰ দিনতে এক উন্নত ব্যৱসায়ীক কেন্দ্ৰ হিচাপে গঢ়ি উঠা অবিভক্ত ডিব্ৰুগড় জিলা প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ আছিল। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ, চাহ, কয়লা আৰু বিভিন্ন বনজ সম্পদ ভিত্তিক বৃহৎ উদ্যোগবোৰ সেই কালত জিলাখত গঢ়ি উঠিছিল। অসমৰ প্ৰথম ৰেলপথো ইয়াতে স্থাপন হৈছিল ডিব্ৰু-শদিয়া ৰেলপথ নামেৰে। সাহিত্য-সংস্কৃতি-ক্ৰীড়া আদি ক্ষেত্ৰতো তেতিয়া ডিব্ৰুগড়ৰ এক সুনাম আছিল। কিন্তু সাধাৰণ শিক্ষাৰ প্ৰসাৰৰ বাবে তেতিয়ালৈকে ডিব্ৰুগড় তথা উজনি অসমত এখনো কলেজ স্থাপন হোৱা নাছিল। এই কথাটোৱে যিজন ব্যক্তিৰ মনত গভীৰ ৰেখাপাত কৰিছিল ঃ তেখেত আছিল শিক্ষাবিদ তথা সমাজসেৱী প্ৰয়াত অশ্চিনী চৰণ চৌধুৰীদেৱ। তেখেতে দৃঢ়তাৰে ডিব্ৰুগড়ত কলেজ এখন স্থাপনৰ কথা চিন্তা কৰিলে। তেখেতে ভবা মতেই বিভিন্ন নেতৃস্থানীয় লোকৰ সহযোগত মনৰ সপোন বাস্তবায়িত কৰিবলৈ ১৯৪৫ চনৰ ২৮ মে' তাৰিখে ডিব্ৰুগড়ৰ জৰ্জ্জ স্কুলত কলেজ প্ৰতিস্থা সম্পৰ্কীয় এখনি ৰাজহুৱা সভা আহবান কৰা হয়। সভাখনিৰ আহবায়ক আছিল চৌধুৰীদেৱ নিজে। সেই সভাত সভাপতিত্ব কৰিছিল ৰায়চাহাব বেণুধৰ ৰাজখোৱাদেৱে। সেই সভাতে চহৰখনৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিক লৈ এখন কলেজ পৰিচালনা সমিতি গঠন কৰি দিয়া হৈছিল। সদস্যসকল আছিল ক্ৰমে - আই. মজিদ (উপায়ুক্ত), ৰায় বাহাদুৰ সদানন্দ দুৱৰা, ৰায় বাহাদুৰ ডাঃ ফনীন্দ্ৰ নাথ ঘোষ, নৱ কুমাৰ দত্ত, ৰায় চাহাব বেণুধৰ ৰাজখোৱা, ৰায় বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া, ফৈজনুৰ আলী, জালান উদ্দিন আহমেদ, যোগীৰাজ বসু, মুজিবুৰ ৰহমান, ডি.পি. দাস, গণেশৰাম ফুকন, নন্দেশ্বৰ চক্ৰৱৰ্তী, প্ৰসন্ন কুমাৰ বৰুৱা, গোবিন্দ চন্দ্ৰ শৰ্ম্মা, মুৰুলী ধৰ জালান আৰু অশ্চিনী চৰণ চৌধুৰী। অৱশ্যে উপায়ুক্ত মহোদয়ে সভাপতিৰ দায়িত্ব ল'বলৈ অপাৰগ হোৱাত সদানন্দ দুৱৰা দেৱক সভাপতি মনোনিত কৰা হয়।

পৰিচালনা সমিতিয়ে সৰ্বসন্মতিক্ৰমে গৃহতী কৰা দুটি প্ৰস্তাৱ আছিল ঃ

(১) "Resolved that an intermediate collge be established at Dibrugarh from this session" আৰু

(২) "Resolved that the collge be started from 15th June, 1945"

সেয়ে আছিল ডিব্ৰুগড়ত কলেজ প্ৰতিষ্ঠাৰ আৰম্ভণি। জৰ্জ্জ স্কুলতে পুৱাৰ ভাগত শ্ৰেণী আৰম্ভ কৰা হৈছিল। কলেজ আৰম্ভ হোৱাৰ প্ৰথম দিনটো আছিল ১৯৪৫ চনৰ ১৫ জুন, বৃহস্পতিবাৰ। কলেজৰ উদ্বোধনী অনুষ্ঠানটো অতি অনাড়ম্বৰ আছিল। সভাত মাঙ্গলিক স্তোত্ৰ পাঠ কৰিছিল পণ্ডিত গিৰিশ শাস্ত্ৰীদেৱে। সেইদিনা উদ্বোধনী সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকল আছিল ক্ৰমে শৰৎ কুমাৰ দত্ত, জীৱন ৰাম ফুকন, মফিজুদ্দিন আহমদ হাজৰিকা, ৰায়হান শ্বাহ ইত্যাদি। ফৈজনুৰ আলীদেৱে কলেজৰ দুৱাৰ মুকলি কৰিছিল। কলেজৰ অধ্যক্ষ হিচাপে নিযুক্ত কৰা হৈছিল পণ্ডিত প্ৰৱৰ যোগীৰাজ বসু দেৱক। কলেজত নাম ভৰ্ত্তি কৰা প্ৰথম ছাত্ৰী গৰাকী আছিল শ্ৰীমতী সৰলা চৌধুৰী। সেই বছৰত মুঠ এশ জন ছাত্ৰ-ছাত্ৰীয়ে কলেজত নাম ভৰ্ত্তি কৰিছিল। কিছুদিন যোৱাৰ পিছত কলেজ পৰিচালনা সমিতিয়ে নিজা মাটি আৰু ভৱন নিৰ্ম্মাণৰ কথা চিন্তা কৰি চৰকাৰৰ সৈতে যোগাযোগ কৰাত চৰকাৰে ডিব্ৰুগড় পৌৰসভাৰ অৰ্ন্তগত থকা গাভৰুপথাৰ ট্ৰেনচিং গ্ৰাউণ্ডৰ ১৬ বিঘা মাটি কলেজ ভৱন নিৰ্ম্মানৰ বাবে দান হিচাপে আগবঢ়ায়। উল্লেখযোগ্য যে ডিব্ৰুগড় মিউনিচিপেল বৰ্ডৰ ২২ অক্টোবৰ, ১৯৪৫ চনৰ সভাৰ এটি প্ৰস্তাৱ আছিল - "Considered the letter dated 11.08.1945 of the Secretary, Dibrugarh College and resolved taht 2/3 of the plot of land be given to collge authority."। অৱশ্যে কলেজ কৰ্ত্তৃপক্ষই ইয়াৰ লগতে ওচৰ পাজৰৰ মানুহৰ পৰাও আৰু কিছু পৰিমাণৰ মাটি কলেজৰ বাবে কিনি ল'লে।

ইয়াৰ পিছতে আহিল কলেজখনৰ স্বীকৃতিৰ কথা। সেই বছৰতে অধ্যক্ষ যোগীৰাজ বসু আৰু সম্পাদক অশ্বিনী চৰণ চৌধুৰী কলেজখনৰ এফিলিয়েচনৰ কামত কলিকতালৈ যায়। অসমৰ শিক্ষা বিভাগৰ পৰা ইতিমধ্যে অনুমোদন লাভ কৰা হৈছিল। ১৯৪৬ চনৰ ২০ জানুৱাৰী তাৰিখে কলেজৰ পৰিদৰ্শনৰ কাম সম্পন্ন হয়। ফলস্বৰূপে ১৯৪৬-৪৭ চনৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত এই কলেজে স্বীকৃতি লাভ কৰে। ১৯৪৬ চনৰ আগষ্ট মাহত কলেজখন জৰ্জ্জ স্কুলৰ পৰা আমোলাপট্টীৰ ছোৱালী স্কুললৈ স্থানান্তৰিত হয়। এই কাৰ্য্যত তেতিয়াৰ অসমৰ মাননীয় শিক্ষামন্ত্ৰী আৰু জিলা উপায়ুক্ত মহোদয়ে সকলো ধৰণৰ সহায় আগবঢ়াইছিল।

১৯৪৭ চনতে কলেজৰ শিক্ষক আৰু ছাত্ৰসকলে মিলি ঘৰে ঘৰে গৈ দান বৰঙণি সংগ্ৰহ কৰাৰ প্ৰচেষ্টা এটা হাতত লৈছিল। উল্লেখযোগ্য যে কলেজ প্ৰতিষ্ঠাৰ মহান কাৰ্য্যৰ বাবে সেই প্ৰচেষ্টাৰ ফলতে মাত্ৰ এঘাৰ দিনত এঘাৰ হেজাৰ টকা সংগৃহীত লৈছিল। ডিব্ৰুগড়ৰ বজাৰ অঞ্চলতো সৰু-বৰ সকলো পৰ্য্যায়ৰ ব্যৱসায়ীৰ পৰা বৰঙণি সংগ্ৰহ কৰা হৈছিল। এদিন এজন ৰিক্সা চালকেও আগবাঢ়ি আহি এটকা চান্দা হিচাপে দিছিল। এই কথাটোৱে বৰঙণি সংগ্ৰহকাৰী দল তথা অধ্যক্ষ যোগীৰাজ বসুদেৱক অভিভূত কৰি তুলিছিল।

ডিব্ৰুগড় কলেজত ১৯৫০ চনলৈকে ক'লা বিষয়ৰহে পাঠদান হৈছিল। সেই বৰ্ষতে বিজ্ঞান শাখাটোৰ শুভাৰম্ভ কৰা হয়। কানৈ পৰিয়ালে বিজ্ঞান শাখা খুলিবৰ বাবে এক লাখ টকা বৰঙণি ৰূপে আগবঢ়ায়। লগতে কলেজখনৰ নাম সলনিৰ প্ৰস্তাৱ এটাও ৰাখে। এই কথাত যথেষ্ট বিৰ্তক হৈছিল যদিও কলেজখন প্ৰতিষ্ঠাৰ বৃহত্তৰ স্বাৰ্থলৈ লক্ষ্য ৰাখি কলেজখনৰ নাম "ডিব্ৰুগড় কলেজ'ৰ ঠাইত "ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ" কৰিবলৈ বিচৰা প্ৰস্তাৱটো সকলোৱে মানি লয়। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাত কানৈ কলেজ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীন হয়। বিজ্ঞান শাখা পৰিদৰ্শনৰ বাবে আহিছিল কলিকতাৰ ড° জে.চি. বৰ্দ্ধন আৰু অসমৰ ডঃ হিৰণ্য কুমাৰ ভূঞাদেৱ। পৰিদৰ্শকদ্বয়ে কলেজৰ বিজ্ঞানগাৰ কেইটা দেখি পৰম সন্তুষ্ট হৈছিল আৰু স্বীকৃতিও প্ৰদান কৰিছিল। পৰিদৰ্শন টোকাত তেখেতে সকলে জীৱ বিজ্ঞানৰ বিজ্ঞানাগাৰটোৰ বিষয়ে মন্তব্য কৰিছিল যে "the ideally perfect laboratory in the state."। অন্যহাতে বিজ্ঞান শাখা স্থাপনৰ বাবে চৰকাৰে ডিব্ৰুগড় বেৰী হোৱাইট মেডিকেল স্কুলৰ পুৰণি ভৱনসমূহৰ একাংশ কলেজক দিছিল।

১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী মাননীয় মতিৰাম বৰাদেৱে কলেজৰ মাটিত নতুন ভৱন নিৰ্ম্মানৰ আধাৰশিলা স্থাপন কৰিছিল। উল্লেখযোগ্য যে কানৈ পৰিয়ালৰ দানেৰেই এই নতুন ভৱনটিৰ নিৰ্ম্মানকাৰ্য্য আৰম্ভ হৈছিল। স্থাপত্যৰ দিশৰ পৰা আকৰ্ষণীয় এই ভৱনটি ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ তাৰিখে ভাৰতৰ মাননীয় উপৰাষ্ট্ৰপতি আৰু আন্তৰ্জাতিক খ্যাতিসম্পন্ন দাৰ্শনিক আৰু

পণ্ডিত ড০ সৰ্ব্বেপল্লী ৰাধাকৃষ্ণণদেৱে মুকলি কৰিছিল। এই দিনটো ৰাজ্যখনৰ শিক্ষাজগত আৰু ডিব্ৰুগড় তথা অসমবাসীৰ বাবে এটা অতি আনন্দ আৰু গৌৰৱৰ দিন আছিল। তাৰ পিচত ১৯৫৯-৬০ শিক্ষা বৰ্ষৰ পৰা কলেজৰ নতুন ভৱনতে ক'লা, বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা শাখাৰে শ্ৰেণীসমূহ নিয়মীয়াকৈ আৰম্ভ হৈছিল। ক'লা বিভাগত সন্ধ্যাৰ শাখা এটাও চলিছিল। ১৯৬০-৬১ শিক্ষাবৰ্ষৰ পৰা পদাৰ্থবিদ্যা, ৰসায়ন আৰু গণিত বিষয়ৰ স্নাতক শ্ৰেণী খোলা হয়। ১৯৬৪-৬৫ বৰ্ষৰ পৰাহে উদ্ভিদ বিদ্যা, প্ৰাণীবিদ্য আৰু পিচলৈ নৃতত্ত্ব বিষয়ত স্নাতক শ্ৰেণী আৰম্ভ হয়। ইফালে ১৯৬০ চনতে অৰ্থনীতি, বুৰঞ্জী আৰু সংস্কৃত বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদন সাপেক্ষে স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হয়। এয়ে আছিল ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপনৰ প্ৰথম পদক্ষেপ। ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ পিচত ১৯৬৭ চনত এই শ্ৰেণী কেইটা বন্ধ কৰি দিয়া হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে কানৈ কলেজৰ পৰিচালনা সমিতি, লক্ষ্মী প্ৰসাদ দত্ত আৰু হনুমানবক্স কানৈৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব।

কলেজৰ গ্ৰন্থাগাৰটো অতি চহকী আছিল। অধ্যক্ষ যোগীৰাজ বসুদেৱে তেখেতৰ কাৰ্য্যকালত যলৈকে গৈছিল তাৰ পৰাই কলেজৰ গ্ৰন্থাগাৰৰ বাবে দুষ্প্ৰাপ্য কেতবোৰ কিতাপ ক্ৰয় কৰি আনিছিল। এই গ্ৰন্থাগাৰটোৰ কথা বিভিন্ন সময়ত কলেজলৈ অহা বিশিষ্ট ব্যক্তিসকল যেনে - ড° কৃষ্ণকান্ত সন্দিকৈ আৰু ড° বাণীকান্ত কাকতিদেৱে ভূয়সী প্ৰশংসা কৰি থৈ গৈছে।

কলেজৰ বাবে এটি সুন্দৰ ভৱন দান হিচাপে দিয়াৰ স্বীকৃতি স্বৰূপে কলেজ পৰিচালনা সমিতিয়ে ৰায় চাহাব হনুমানবক্স কানৈক এটি ৰাজহুৱা সম্বৰ্দ্ধনা জনাইছিল। সেই সম্বৰ্দ্ধনা সভাত অভিভূত হৈ তেখেতে কৈছিল যে ডিব্ৰুগড়ত কলেজ কিয় বিশ্ববিদ্যালয় স্থাপনৰ বাবেও তেখেতে আগভাগ ল'ব। সময়ত তেখেতৰ মুখৰ কথা আখৰে আখৰে বাস্তৱ হৈ ধৰা দিলে। ১৯৬০ চনৰ ১৫ অক্টোবৰত বহা কলেজ পৰিচালনা সমিতিৰ সভাত এটি প্ৰস্তাৱ লোৱা হয় যে, "ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপিত হওঁক আৰু সেই মৰ্ম্মে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগক অনুৰোধ জনোৱা হওঁক।" সেই সময়ত কানৈ কলেজ পৰিচালনা সমিতিৰ সভাপতি আছিল হনুমানবক্স কানৈ। কলেজ পৰিচালনা সমিতিখনেই ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰো মূল সমিতি হিচাপে কাম কৰিছিল।

প্ৰতিষ্ঠাৰ আৰম্ভণিতে শিক্ষক হিচাপে কলেজত যোগদান কৰা ব্যক্তিসকল আছিল ক্ৰমে ড° যোগীৰাজ বসু (অধ্যক্ষ), উমা প্ৰসন্ন দে, লক্ষ্মী প্ৰসাদ দত্ত, এম.কে. চক্ৰৱৰ্ত্তী, বেণুধৰ ৰাজখোৱা, কে.এ. ৰামকৃষ্ণণ, নিৰ্ম্মল কুমাৰ বসু, নেকিবুৰ ৰহমান, গোলোক চন্দ্ৰ গোস্বামী, উপেন্দ্ৰ নাথ গোস্বামী, উপেন্দ্ৰ নাথ লেখাৰু, সুৰেন্দ্ৰ নাথ শৰ্ম্মা, যতীন্দ্ৰ নাথ দুৱৰা, তফজুল আলী, যতীন্দ্ৰ নাথ গোস্বামী, সুশীল চন্দ্ৰ দত্ত, লক্ষীদা দত্ত, টি.কে. কৃষ্ণস্বামী আয়াৰ, আশুতোষ শৰ্ম্মা বিশ্বাস, জনাৰ্দন আচাৰ্য্য, প্ৰিয়াংশু প্ৰৱল উপাধ্যায়, বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, মহেন্দ্ৰ বৰা, সুধাকৰ পাণ্ডে, প্ৰভূনাথ সিং, ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী, নবীন চন্দ্ৰ দত্ত, সলিল কুমাৰ বসু, মণিলাল বসু, দেৱ কুমাৰ দত্ত, মেহদি হাচান, ভুৱন চন্দ্ৰ চুতীয়া, বিষ্ণু প্ৰসাদ চক্ৰৱৰ্ত্তী, শক্তিপদ পাত্ৰ, অপূৰ্ব কুমাৰ চক্ৰৱৰ্ত্তী, বিনয় কুমাৰ চলিহা, ৰাম শঙ্কৰ ৰথ, পি.ভি.কে. শাস্ত্ৰী, কল্যাণ কুমাৰ বৰুৱা, এ. ৰহমান, নৰেন্দ্ৰ কুমাৰ বাৰ্মা, শৈলজা নন্দ ভড়ালী, কুলেন্দ্ৰ কুমাৰ দাস, নফিল হুছেইন, সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী, ডিম্বেশ্বৰ চলিহা, হৰিদেৱ গোস্বামী, হেমেন বৰঠাকুৰ, নৰেন্দ্ৰ নাথ চৌধুৰী, নয়নানন্দ বৰঠাকুৰ, ৰমাপদ পাত্ৰ, মহেশ ভূঞা, যোগেন বৰুৱা, প্ৰদ্যুৎ কুমাৰ দত্ত, হৰেন্দ্ৰ নাথ ভূমিজ, সুনীল কুমাৰ বৰঠাকুৰ, অৰুণ কুমাৰ দত্ত ইত্যাদি। পিচৰ কালছোৱাতো চামে চামে বিভিন্ন বিভাগত যোগদান কৰি গুণী-জ্ঞানী শিক্ষকসকলে কলেজখনক আগুৱাই লৈ যায়।

ড° যোগীৰাজ বসুৰ দৰে এগৰাকী ব্যক্তিক অধ্যক্ষ হিচাপে পোৱাটো কলেজখনৰ বাবে পৰম সৌভাগ্যৰ কথা আছিল। প্ৰতিষ্ঠাৰ প্ৰথম দুটা বছৰত কোনো উপাধ্যক্ষ নিযুক্ত কৰা হোৱা নাছিল। ১৯৪৭ চনৰ ২৭ চেপ্তেম্বৰ তাৰিখে লক্ষ্মী প্ৰসাদ দত্ত দেৱক উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। দত্ত দেৱৰ নিযুক্তিয়ে কলেজখনলৈএটি গতি আনিলে বুলি কোৱা হয়। কাৰণ তেখেতৰ কৰ্ম্মদক্ষতা আৰু সাংগঠনিক শক্তিৰ বলতে কানৈ কলেজে এটা সুকীয়া পৰিচয় পাবলৈ সক্ষম হ'ল। তদুপৰি কানৈ কলেজৰ গৰ্ভতে ইখনৰ পিচত

সিখনকৈ কানৈ কমাৰ্চ কলেজ (১৯৬০), মনোহাৰী দেৱী ছোৱালী কলেজ (১৯৬৩), কানৈ আইন কলেজ আৰু আনকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ে (১৯৬৫) জন্ম লাভ কৰিলে।

ইতিমধ্যে ১৯৭২ চনত কানৈ কলেজৰ ৰূপালী জয়ন্তী, ১৯৯৫ চনত সোণালী জয়ন্তী আৰু ২০১০ চনত হীৰক জয়ন্তী অতি গাম্ভীৰ্য্যপূৰ্ণভাৱে উদ্‌যাপিত হৈ গৈছে। ২০২০ চনৰ ১৫ জুন তাৰিখে প্ৰতিষ্ঠাৰ ৭৫ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে মহাৰজক জয়ন্তী উদ্‌যাপনৰ কাৰ্য্যসূচী ২০১৯ চনৰ ১৫ জুন তাৰিখে বছৰজোৰাকৈ আৰম্ভ কৰা হয়। এই সমাৰোহখনিত আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰিবলৈ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্ম্মচাৰী, কলেজ কৰ্ত্তৃপক্ষ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু সমূহ অসমবাসীৰে সহযোগ কামনা কৰা হয়। কিন্তু বিশ্বজুৰি দেখা দিয়া কভিড অতিমাৰীৰ বাবে ভবা ধৰণে ২০২০ আৰু ২০২১ বৰ্ষত মহাৰজক জয়ন্তীৰ কাৰ্য্যসূচী হাতত ল'ব পৰা নহ'ল। এতিয়া অহা ১৫ আৰু ১৬ অক্টোবৰ, ২০২২ তাৰিখে সামৰণি অনুষ্ঠানটিক আয়োজন কৰা হৈছে। আশা কৰো সকলোৰে আন্তৰিক সহযোগিতাৰে অনুষ্ঠানটি সাফল্যমণ্ডিত হৈ উঠিব।

সংক্ষিপ্ত এই লেখাত আমি কেৱল প্ৰতিষ্ঠা কালৰেহে কিছু আভাস দিবলৈ যত্ন কৰিলো। ২০২২ চনলৈকে সকলো তথ্য, ঘটনাৱলী আৰু ব্যক্তিৰ নাম উল্লেখ কৰিব পৰা নহ'ল। তাৰ বাবে আমি ক্ষমা প্ৰাৰ্থী।

সামৰণিত বৰ্ত্তমানৰ কলেজ কৰ্ত্তৃপক্ষলৈ দুটিমান অনুৰোধ তথা পৰামৰ্শ আগবঢ়াব খুজিছোঁ। আশা কৰো বিবেচনা কৰি চাব।

(১) কলেজৰ সন্মুখত ড° যোগীৰাজ বসু, লক্ষ্মী প্ৰসাদ দত্ত আৰু অশ্চিনী চৰণ চৌধুৰী দেৱৰ আবক্ষ মূৰ্ত্তি সংস্থাপনৰ ব্যৱস্থা কৰা।

(২) যোৱা আশীৰ দশকতে ডিব্ৰুগড় সদৰ থানাত (সুৰক্ষাৰ অভাৱত) কলেজ কৰ্ত্তৃপক্ষই জমা দিয়া 'বৰটোপ'টো ঘুৰাই আনি সন্মুখৰ ফ্লেগ পষ্টৰ ওচৰতে পুনৰ সংস্থাপন কৰা আৰু

(৩) কলেজৰ পিচফালৰ মাটিৰ বেদখল প্ৰতিৰোধ কৰা। চৰকালৈ আবেদন কৰি মাটিৰ সীমা নিশ্চিত কৰা উচিত।

সামৰণিত এটা কথা ক'বৰ মন যায় যে কানৈ কলেজ কেৱল মাত্ৰ ইটা-বালিৰে নিৰ্ম্মিত এটি ভৱন নহয়। ই প্ৰতিগৰাকী শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, সাধাৰণ নাগৰিক, স্বপ্নদ্ৰষ্টা আৰু প্ৰতিস্থাতা সকলৰ মনত গভীৰভাৱে অৱস্থান কৰা অতীতৰ এটি চিৰ সেউজ অনুভৱহে।

# ‘কানৈয়ান’ৰ পঞ্চাশ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা

**বিনোদ বড়া**
প্ৰাক্তন প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ
ডি.হ.সু কানৈ মহাবিদ্যালয়

১৯০১ খ্ৰীঃত কটন কলেজ আৰু ১৯৩০ খ্ৰীঃত জগন্নাথ বৰুৱা কলেজ স্থাপন হোৱাৰ প্ৰায় ডেৰ দশকৰ পাচত উজনি অসমৰ প্ৰথম উচ্চ শিক্ষানুষ্ঠান ‘ডিব্ৰুগড় কলেজ’ৰ জন্ম হৈছিল। ১৯৪৫ খ্ৰীঃৰ ১৫ জুন তাৰিখে তেতিয়াৰ জৰ্জ ইনষ্টিটিউট আৰু বৰ্তমানৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বহা প্ৰথমটো শ্ৰেণীৰে প্ৰথমটো খোজ পেলোৱাৰ পাচৰে পৰা এই কলেজখনে নিৰৱচ্ছিন্ন ধাৰাৰে নিজৰ যাত্ৰা অব্যাহত ৰাখিছে। পিছে সময়ৰ বুকুত এই ইতিহাস বহু সলনি হ'ল। ব্ৰহ্মপুত্ৰই গতি সলালে, ডিব্ৰুগড় চহৰৰ পুৰণি মানচিত্ৰৰ পৰিৱৰ্তন ঘটিল। ডিব্ৰুগড় কলেজেও ১৯৫০ খ্ৰীঃত পূৰ্বৰ পৰিচয় এৰি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় নাম ল'লে। কানৈ পৰিয়ালৰ ঐতিহাসিক বদান্যতাত ১৯৫৮ খ্ৰীঃত ভাৰতবৰ্ষৰ তেতিয়াৰ উপ-ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ শুভবাণীৰে বৰ্ত্তমান সুদৃশ্য প্ৰাসাদসদৃশ কলেজ ভৱনটি লাভ কৰিলে। স্বাধীনতাৰ ফেহুঁজালি কালছোৱাতে স্বনামধন্য অনেকজন কৰ্মযোগীৰ অদম্য কৰ্মোদ্যম আৰু অক্লান্ত চেষ্টাত জন্ম লাভ কৰা এই কলেজৰ জন্ম কাহিনী যিদৰে সংক্ষিপ্ত নহয়, সেইদৰে সুদীৰ্ঘ সময়চোৱাত কলেজখনে অতিক্ৰম কৰি অহা ঘটনাবহুল অতীতখিনিও অতীব ৰোমাঞ্চকৰ। পণ্ডিত যোগীৰাজ বসু, স্বৰ্গীয় লক্ষীপ্ৰসাদ দত্ত, শ্ৰীযুত অশ্বিনীচৰণ চৌধুৰী, শ্ৰীযুত যামিনী ফুকন, ড° ডিম্বেশ্বৰ চলিহা আদি বহুজনৰ অভিজ্ঞ কলমেদি এনে বহু কথাই ‘কানৈয়ান’ৰ বুকুত বা বিভিন্ন অনুষ্ঠান উদ্‌যাপন উপলক্ষে কানৈ কলেজৰ পৰা প্ৰকাশিত স্মৰণিকাৰ বুকুত ঠাই পাই আহিছে আৰু যথাৰ্থতে এনে লিখনিসমূহ সময়ৰ বুকুত একো একোট স্মৃতিস্তম্ভ হিচাপে ৰৈ গৈছিল।

অনেক অভিজ্ঞ অনভিজ্ঞজনৰ মৌলিক চিন্তাৰ মুদ্ৰিত বহিঃপ্ৰকাশ তথা বহুটো ঘটনা বহুত তিক্ত-মিষ্ট অভিজ্ঞতাৰে ‘কানৈয়ানে’ও আজি সোণালী জয়ন্তী সংখ্যাৰ মেটমৰা অতীতৰ ভাৰ বহন কৰিছে। ১৯৮৭ খ্ৰীঃত স্বনামধন্যা ইৰা দত্তৰ সম্পাদনাত প্ৰকাশিত ‘ডিব্ৰুগড় কলেজ আলোচনী’ৰ পৰা বৰ্ত্তমানৰ স্বৰ্ণজয়ন্তী সংখ্যাৰ ‘কানৈয়ান’লৈকে কানৈ কলেজৰ অতীতত সাহিত্য - সংস্কৃতি তথা বৌদ্ধিক চিন্তা চৰ্চাৰ ভালেকেইটা স্তৰ পাৰ হৈ গ'ল; সময়ৰ বুকুত এই মানদণ্ডৰ গ্ৰাফডাল কৰবাত উঠিল, কৰবাত নামিল। যোৱা দশককেইটাত মহাবিদ্যালয়খনৰ শৈক্ষিক-বৌদ্ধিক পৰিবেশ আৰু কানৈয়ান, কানৈৰ শিক্ষক তথা শুভাকাঙক্ষীৰ সপোনৰো বহু পৰিৱৰ্তন ঘটিল। এনে পৰিৱৰ্তিত পৰিৱেশৰ নিৰ্মোহ দলিল হিচাপে ‘কানৈয়ান’ৰ পুৰণি সংখ্যাসমূহে এক বিশেষ গুৰুত্ব লাভ কৰিছে আৰু কানৈয়ানৰ পাতত, ‘ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ পৰিৱেশ ঃ অতীত আৰু বৰ্ত্তমান’ আদি শিৰোনামাৰে মৌলিক গৱেষণাৰ সম্ভাৱনীয়তাও বহন

কৰিছে। আমাৰ আলোচনাই পিছে পূৰ্বৰ 'কানৈয়ান' সমূহত প্ৰকাশিত ৰচনাসমূহৰ সকলোবোৰ দিশ চুই যাব পৰা নাই। তাতে বিগত পঞ্চাশটা সংখ্যাৰ বহুকেইটাই পঢ়িবলৈ পোৱাৰ সৌভাগ্য নহ'ল হেতুকে এই সংখ্যাসমূহো আলোচনাৰ পৰা বাদ পৰিল। এজন পাঠক হিচাপে আমাক প্ৰভাৱিত কৰিব পৰা দিশসমূহ চুই যাওঁতে বৈ যোৱা সম্ভাব্য আসোঁৱাহবোৰৰ বাবে আমি অৱশ্যেই ক্ষমা প্ৰাৰ্থনীয়।

### ডিব্ৰুগড় কলেজ আলোচনী ঃ প্ৰথম সংখ্যা

*সম্পাদিকা ঃ ইৰা দত্ত ঃ ১৯৪৭ খ্ৰীঃ*

সদ্যপ্ৰাপ্ত স্বাধীনতাৰ আনন্দোচ্ছাস, নিজাকৈ এখন ধুনীয়া দেশ গঢ়াৰ সপোন আৰু নতুন কলেজ এখনৰ নতুন আলোচনীখন প্ৰকাশৰ আঁৰত থকা থৌকিবাথৌখিনিৰ দিনলিপিস্বৰূপ 'ডিব্ৰুগড় কলেজ আলোচনী'ৰ এই প্ৰস্তাৱনা সংখ্যাটি পঢ়িবলৈ পোৱাৰ সৌভাগ্য আমাৰ নহ'ল। কল্যাণী বৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'কানৈয়ান'ৰ সাতত্ৰিশতম সংখ্যাত পুনৰ প্ৰকাশিত প্ৰথম সংখ্যাৰ 'ডিব্ৰুগড় কলেজ আলোচনী'ৰ এটি গল্পৰ কিয়দংশৰ উদ্ধৃতি দিয়া হ'ল ঃ

"আমাৰ জীৱনৰ সুন্দৰ আদৰ্শ আৰু আমি বাস্তৱৰ মানুহবোৰ কিমান তফাৎ নহয়নে সকলোবোৰ আদৰ্শ যদি বাস্তৱ হ'লহেঁতেন তেন্তে হয়তো কেতিয়াবাই আমি স্বাধীন হ'লোহেঁতেন" - তাই শেষ কৰিছিল। সি স্নিগ্ধাৰ কথা বুলি কৈ পেলাইছিল - "তেন্তে তুমি অকল নাৰীৰ আদৰ্শ আৰু স্বাধীনতাৰ কথাহে ক'লা, আমিতো নাৰীক বান্ধি ৰখা নাই, শিকলি লগাই থোৱাই নাই। তাই কৈছিল "লোহাৰ শিকলি নেথাকিলেও সমাজৰ শিকলি -"

*(ৰেবা দত্তৰ গল্প 'জীৱনৰ খলাবমা')*

### ডিব্ৰুগড় কলেজ আলোচনী ঃ দ্বিতীয় সংখ্যা

*সম্পাদক ঃ বিনন্দ চন্দ্ৰ বৰুৱা ঃ ১৯৪৮ খ্ৰীঃ*

অধ্যাপক বেণুধৰ ৰাজখোৱা, বেণুধৰ ৰাজখোৱা, পণ্ডিত যোগীৰাজ বসু, লক্ষ্মীপ্ৰসাদ দত্ত, অৰুণা বৰুৱা, চুজাউদ্দিন আহমদ আদি বহু প্ৰসিদ্ধজনৰ লিখনিৰে সমৃদ্ধ এই আলোচনীখনত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত ভালেকেইটি চুটি গল্পও প্ৰকাশিত হৈছে। তাৎপৰ্য্যপূৰ্ণভাৱে আলোচনীখনৰ এটি কবিতায়ো ছল্লিশ দশকৰ শেহচোৱাত ক্ৰমাৎ জনপ্ৰিয়তা লাভ কৰা আধুনিক শৈলীৰ নতুন আংগিকৰ অনুশীলন কৰা নাই। বেণুধৰ ৰাজখোৱাৰ 'অন্তিম যাত্ৰা', যতীন হাজৰিকাৰ 'কলিৰ মধ্যম কালত মহামানৱ মহাত্মা গান্ধী', নবীন শৰ্মা বৰদলৈৰ 'কুলি' আদি কবিতাত কেন্দ্ৰীয় বিষয়বস্তুৰ সুস্পষ্ট ছন্দিল বহিঃ প্ৰকাশে দৰাচলতে তেতিয়াও যে নকৈ অনুশীলন কৰা যুৱ-কবিৰ লগতে বহুতো লব্ধপ্ৰতিষ্ঠ কবিকো এই নতুন ধাৰাই প্ৰভাৱ পেলাব পৰা নাছিল তাকে প্ৰতিপন্ন কৰে। এই আলোচনীখনৰ অন্যতম সম্পদ হ'ল সেই বছৰতে (১৯৪৮ খ্ৰীঃত) ডিব্ৰুগড় কলেজত অনুষ্ঠিত হোৱা বছেৰেকীয়া সংগীত সন্মিলনত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই সভাপতিস্বৰূপে আগবঢ়োৱা অভিভাষণৰ লিখিত ৰূপটি। সংস্কৃতি আৰু সুকুমাৰ কলাৰ ওপৰত ৰূপকোঁৱৰে কৰা এই আলোকপাতে জ্যোতি দৰ্শনৰ ওপৰত চিন্তা চৰ্চা কৰা সকলক আৱশ্যকীয় সমলৰ যোগান ধৰিব পাৰে।

### ডিব্ৰুগড় কলেজ আলোচনী ঃ পঞ্চম সংখ্যা

*সম্পাদক ঃ লক্ষ্মীনাৰায়ণ বড়া ঃ ১৫০-৫১ খ্ৰীঃ*

"স্বাধীন দেশ . জনতাই স্বাধীনতাৰ মুল বুজিবলৈকে সামাজিক শিক্ষাৰ বহুল প্ৰচাৰৰ আৱশ্যক হৈছে।.......। এই শিক্ষা আঁচনিৰ মূল উদ্দেশ্য হৈছে নিৰক্ষৰতা দূৰ কৰা আৰু প্ৰত্যেক দেশবাসীকে সুযোগীকে সুযোগ্য নাগৰিক হিচাপে গঢ়ি তোলা। গণতন্ত্ৰৰ ভেটিত এক জনপ্ৰিয় আৰু কাৰ্য্যক্ষম চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ সামাজিক শিক্ষাৰবহুল প্ৰচাৰৰ অত্যন্ত আৱশ্যক।" - সম্পাদকীয়।

### ডিব্ৰুগড় কলেজ আলোচনী ঃ ষষ্ঠ সংখ্যা

*সম্পাদক ঃ নৰেন্দ্ৰনাথ গোস্বামী ঃ ১৯৫১-৫২ খ্ৰীঃ*

".......... অসমী আইৰ দৰে নিচলা দেশ এখনৰ সাহিত্যৰ অৱস্থাযে অতি শোকাবহ সেই কথা নকলেও হ'ব। এই শোকাবহ অৱস্থাৰ সুবিধা লৈয়েই চুবুৰীয়াসকলেও আমাৰ ভাষা সাহিত্যক চিৰকালৰ কাৰণে নিৰ্মূল কৰাৰ উপায় উদ্ভাৱন কৰোতে ৰাতিও চকুত টোপনি নোহোৱা হৈছে। এনে এটি সংকটপূৰ্ণ অৱস্থাত আমাৰ ভাষা-সাহিত্য-সংস্কৃতি ৰক্ষা

কৰিবলৈ নিজৰ বৈশিষ্ট্য জীয়াই ৰখাৰ ভাৰ পৰিছে উদীয়মান যুৱক-যুৱতীসকলৰ ওপৰত।” — সম্পাদকীয়

**কানৈ কলেজ আলোচনী ঃ সপ্তম সংখ্যা**

*সম্পাদক ঃ খগেন্দ্ৰ মোহন ঃ ১৯৫২-৫৩ খ্ৰীঃ*

“আবহমান কাল ভূগি থকা নিপীড়িত, লাঞ্চিত, পদদলিত গণমানৱৰ ভয়াৰ্ত্ত জীৱনত আশাৰ অভয়বাণী সাহিত্যত বৈ বৈ প্ৰতিধ্বনিত হ’ব। শুনিবলৈ পাম যিদিনা কোটি কণ্ঠৰ আৰ্ত্তনাদৰ ভিতৰেদি নৰনাৰায়ণৰ আগমণী সংগীত, তেতিয়াহে বাস্তৱ সাহিত্যৰ সাৰ্থকতা; এনে সাহিত্য হ’ব বাস্তৱ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াতেই আছে অভিজ্ঞতাৰ গাম্ভীৰ্য্য আৰু বৈচিত্ৰ্য। এয়ে স্পন্দনপূৰ্ণ আৰু সঞ্জীৱ সাহিত্য। কালাইলে এঠাইত কৈছে যে - সাহিত্য চিন্তাশীলৰ চিন্তা, কিন্তু এই চিন্তাৰ যোগান ধৰে জীৱনৰ অভিজ্ঞতাই।..... মুঠতে প্ৰত্যেক যুগৰ সাহিত্যই জনসাধাৰণক যোগায় নতুন প্ৰেৰণা। সৃষ্টি কৰে এটা নতুন যুগ, জীয়াই ৰাখে এটা যুগৰ সভ্যতা।”

*- সম্পাদকীয়*

**কানৈ কলেজ আলোচনী ঃ দশম সংখ্যা**

*সম্পাদক ঃ উজ্জ্বল চন্দ্ৰ শইকীয়া ঃ ১৯৫৫-৫৬ খ্ৰীঃ*

“সাহিত্য যুগৰ প্ৰতিচ্ছবি। যুগ পৰিৱৰ্ত্তনশীল। যুগে যুগে মানুহৰ ৰুচি-অভিৰুচিৰ পৰিৱৰ্ত্তন হয়, নতুন পুৰণি হয় আৰু পুৰণি নতুন হয়। যুগৰ কক্ষপথত সমাজখনেই হৈ পৰে পৰিৱৰ্ত্তনশীল। তাৰ সাঁচ পৰে সাহিত্যৰ ওপৰত।”

- সম্পাদকীয়

**কানৈ কলেজ আলোচনী ঃ একাদশ সংখ্যা**

*সম্পাদক ঃ যামিনী ফুকন ঃ ১৯৫৬-৫৭ খ্ৰীঃ*

“সাহিতৰ সৰ্ব্বাংগীন উন্নতিৰ অৰ্থ সমূহীয়া প্ৰচেষ্টাৰ অভাৱ কেইজনমান মাত্ৰ তথাকথিত সাহিত্যিকৰ, সাহিত্যৰ উচ্চ আদৰ্শ বিসৰ্জন দি খেলাৰ সামগ্ৰী সদৃশ ব্যৱস্থাৰ আৰ্থিক দুৰৱস্থা; ৰাইজ আৰু চৰকাৰৰ উদাসীনতাই সাহিত্যৰ এই কেৰোণ বিলাকলৈ আঙুলিয়াই দিয়ে। অপ্ৰিয় হ’লেও স্বীকাৰ কৰিব লাগিব যে বছেৰেকৰ মুৰত এদিন ওলহ-মালহকৈ পতা সন্মিলন বা লব্ধপ্ৰতিষ্ঠ সাহিত্যিক এগৰাকীক জীৱনৰ শেষ সন্ধিয়াত দিয়া ‘ৰাজকীয়’ সন্মান এটিয়ে সাহিত্যিকক অনুপ্ৰেৰণা দিব নোৱাৰে।”

- সম্পাদকীয়

**কানৈ কলেজ আলোচনী ঃ ত্ৰয়োদশ সংখ্যা**

*সম্পাদক ঃ কিৰণ শৰ্ম্মা ঃ ১৯৫৯-৬০ খ্ৰীঃ*

বৃহৎ কলেবৰ আৰু বিষয়বস্তুৰ বৈচিত্ৰ আছিল এই সংখ্যাৰ ‘কানৈ কলেজ আলোচনী’ৰ অন্যতম বৈশিষ্ট্য। বনফুলৰ কবি, অধ্যাপক যতীন্দ্ৰনাথ দুৱাৰৰ ‘উপন্যাস’, লম্বেশ্বৰ বৰুৱাৰ ‘হুচৰি গীতৰ তাৎপৰ্য্য’ আদি প্ৰৱন্ধই যিদৰে আলোচনীখনক গাম্ভীৰ্য্য প্ৰদান কৰিছে, সেইদৰে ইয়াত প্ৰকাশিত কবিতা গুচ্ছই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। বিশেষকৈ হৰ সন্দিকৈৰ ‘সৃষ্টিঃনীল সাগৰৰ এটি ঢউ আৰু কঁপনিৰে’, অজিত কুমাৰ গোস্বামীৰ ‘স্বপ্ন’, গিৰিজা দত্তৰ ‘পাহৰি নেযাবা’ ৰণজিৎ কুমাৰ গগৈ আদিয়ে ‘বৰ্ণালী’ আদি কবিতাৰ জৰিয়তে ষাঠিদশকৰ দুৱাৰদলিতে নতুন আংগিক আৰু ৰচনা-ৰীতিৰে পৰিপক্ক লেখনি আগবঢ়াইছিল যদিও এইসকল লিখকৰ লেখা এতিয়া ক’তো পোৱা নেযায়। তদুপৰি এই আলোচনীতে ১৯৫৭ খ্ৰীঃৰ ২৯ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত কানৈ মহাবিদ্যালয়ৰ নৱনিৰ্মিত স্থায়ী বিদ্যাভৱনটি শুভ উদ্বোধনী অনুষ্ঠানৰ এক সুবিস্তৃত সচিত্ৰ পৰিপূৰিকা প্ৰকাশ কৰা হৈছে, য’ত মুখ্য অতিথি ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ উদ্বোধণী ভাষণৰ ওপৰিও ড০ যোগীৰাজ বসু, লক্ষ্মীপ্ৰসাদ দত্ত আদি বিশিষ্টজনৰ লিখনিও সন্নিবিষ্ট আছে।

**কানৈ কলেজ আলোচনী ঃ পঞ্চাদশ সংখ্যা**

*সম্পাদক ঃ ললিত দাস ঃ ১৯৬০-৬১ খ্ৰীঃ*

ইংৰাজী আৰু অসমীয়া ভাষাৰ মুঠ পোন্ধৰটা প্ৰৱন্ধ, পাঁচটি চুটি গল্প, সাতটি কবিতা আৰু বিবিধ লেখাৰে সমৃদ্ধ এই সংখ্যাৰ কানৈ কলেজ আলোচনীৰ বহুকেইটা প্ৰৱন্ধৰ বিষয়বস্তুই গুৰুত্বপূৰ্ণ। অধ্যাপক ড০ ডিম্বেশ্বৰ চলিহাৰ ‘প্ৰকৃতিৰ বাচনি’, বিশ্ব বৰুৱাৰ ‘সৰ্বোদয়ৰ ৰাজনীতি’, চন্দ্ৰ বাহাদুৰ সোণাৰীৰ ‘বিশ্ব শান্তিত ভাৰতৰ অৱদান’ আদি প্ৰৱন্ধত প্ৰবন্ধকাৰে প্ৰদৰ্শন কৰা বস্তুনিষ্ঠতা অনুকৰণীয়।

মণিৰাম আগৰৱালাই 'সুখৰ পম খেদি' প্ৰৱন্ধটিত অসমীয়া, ইংৰাজী আৰু বাংলাভাষাৰ কাব্যাংশৰ উদ্ধৃতিৰে সুন্দৰৰ অন্বেষণৰ ওপৰত এটি সুন্দৰ প্ৰৱন্ধ লিখিছে; যি প্ৰৱন্ধই ব্ৰাটাণ্ড ৰাছেলৰ 'Quest for Happiness'ৰ মনোৰম ভাৱৰাশিক মনলৈ আনি দিয়ে। লিখকৰ দৃষ্টিত - "যেতিয়ালৈকে সকলো সুখী হ'ব নোৱাৰে, তেতিয়ালৈকে এজন মানুহ ব্যক্তিগতভাৱে কেতিয়াও সম্পূৰ্ণ সুখী হ'ব নোৱাৰে। গতিকে সমাজৰ সকলোৰে যাতে সুখী হয়, তাৰ বাবে প্ৰত্যেকে ব্যক্তিগত স্বাৰ্থতকৈ সমূহীয়া স্বাৰ্থক অধিক মূল্য দিয়াটো কৰ্তব্য।" ইংৰাজী বিভাগত ড০ যোগীৰাজ বসুৰ 'Education in Vedic India' প্ৰৱন্ধত বৈদিক যুগৰ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক গৱেষণামূলক সমীক্ষা প্ৰকাশ পাইছে। সেইদৰে অধ্যাপক নিৰ্মল কুমাৰ বসুৰ 'India's Mission' শীৰ্ষক প্ৰৱন্ধটোৰে ভাৰতীয় ৰাজনৈতিক তথা আৰ্থ-সামাজিক ভেটিৰ ওপৰত বিশ্লেষণ আগবঢ়াই ৰাষ্ট্ৰীয় সংহতিৰ ওপৰত এক যোগাত্মক আলোকপাত কৰিছে। লাৱণ্য দেৱীৰ কবিতা 'সমিধান'ৰ ভাল লগা কেইশাৰীমান ঃ -

"সন্ধানী চকুত সানি মেঘৰ কাজল পৃথ্বিৰীক সুধিলে তাই সেই কথা জোনাক উপচি পৰা শীতল সন্ধিয়া এই, তাই কিয় ইমান অকলশাৰীয়া পৃথিৱীয়ে তেতিয়া জোনাকবোৰ আঁতৰাই সুধিলে,

'এতিয়া'?

এতিয়াও একো নাই - আগৰদৰেই মনৰ বাহিৰত অলপ আন্ধাৰ।"

**কানৈ কলেজ আলোচনী ঃ বিংশতিতম সংখ্যা**

*সম্পাদক ঃ ৰজনীকান্ত চুতীয়া ঃ ১৯৬৫-৬৬ খ্ৰীঃ*

জীৱন চন্দ্ৰ বৰাৰ 'অসমীয়া গদ্য সাহিত্যত প্ৰাচীনত্ব', কুণ্ডিল কুমাৰ চুতীয়াৰ 'আদিম পৃথিৱী আৰু জীৱৰ ক্ৰমোন্নতি', অধ্যাপক প্ৰফুল্ল ভট্টাচাৰ্য্যৰ 'তুচু পূজা' আদি তথ্যগধুৰ প্ৰৱন্ধৰে সমৃদ্ধ এই সংখ্যাৰ কানৈ কলেজ আলোচনীখনৰ বেটুপাতখনি অতি দৃষ্টিনন্দন। অনুজ দুৱৰাৰ তুলিকাৰ ৰঙে আবৰি ৰখা ভিতৰত পৃষ্ঠাসমূহত ভালেকেইটা ভাল কবিতা থকাৰ ওপৰিও পণ্ডিত ড০ যোগীৰাজ বসুৰ 'The Coronation Ceremony In Vedic India', অধ্যাপক যাদৱ চন্দ্ৰ বৰুৱাৰ "Evaluating Keats Odds" আদি মূল্যৱান প্ৰৱন্ধয়ো আশ্ৰয় লৈছে।

**কানৈ কলেজ আলোচনী ঃ ত্ৰয়োবিংশতিতম সংখ্যা**

*সম্পাদক ঃ ভীমকান্ত বৰগোহাঞি ঃ ১৯৬৮-৬৯ খ্ৰীঃ*

লক্ষ্যহীৰা গগৈৰ সংস্কৃত সাহিত্যত গীতি কবিতা, ৰুক্মিণী বৰুৱাৰ 'নেফাৰ এভুমুকি', বসন্ত বৰাৰ 'সাহিত্যত Intellectualism' আদি নিৱন্ধ এই সংখ্যাৰ কানৈ কলেজ আলোচনীৰ অন্যতম ৰচনা সম্ভাৰ। গান্ধীজী পুত্ৰ ৰামদাসজীৰ মতে সম্পাদকে কটোৱা কেইদিনমান অন্তৰংগ মূহুৰ্ত্তৰ সৰস বৰ্ণনা, সুপ্ৰসিদ্ধ গীতিকাৰ, সুকৰা, তেতিয়াৰ কানৈ কলেজৰ অধ্যাপক তফুজ্জুল আলিদেৱৰ সুদীৰ্ঘ সাক্ষাৎকাৰটি ইয়াৰ সতে দুটা মূল্যৱান সংযোজন। সাক্ষাৎ প্ৰসংগতে আলিদেৱে অসমীয়া সংগীতৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, পুৰুষোত্তম দাস, ড০ ভূপেন হাজৰিকা, বীৰেন্দ্ৰ নাথ দত্ত আদি বহুজনে আগবঢ়াই অহা বিশিষ্ট অৱদানৰ কথা শ্ৰদ্ধাৰে উল্লেখ কৰে। সেইদৰে ইংৰাজী বিভাগত প্ৰকাশিত অধ্যাপক প্ৰিয়াংশুপ্ৰবান উপাধ্যায়ৰ 'Iswar In Sankhya Darshana', অশোক দাসৰ 'From Animal to Man' ইআদ প্ৰৱন্ধও তথ্য সমৃদ্ধ।

**কানৈ কলেজ আলোচনী ঃ ষষ্ঠবিংশতিতম সংখ্যা**

*সম্পাদক ঃ হিতেশ বিকাশ গগৈ ঃ ১৯৭১-৭২ খ্ৰীঃ*

'বৌদ্ধিক পৰিৱেশ আৰু ছাত্ৰৰ মৌলিকতা' শীৰ্ষক এটি প্ৰৱন্ধেৰে তেতিয়াৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ হীৰেণ গগৈয়ে কুৰি শতিকাৰ শিক্ষাব্যৱস্থা আৰু শৈক্ষিক পৰিৱেশৰ লগত বৈদিক যুগৰ শিক্ষাব্যৱস্থাৰ তুলনামূলক বিশ্লেষণ কৰি পৰীক্ষামুখী শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা বুদ্ধিৰ জড়তা, সুষ্ঠ মানসিক বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত শিক্ষা পদ্ধতি, ছাত্ৰৰ ক্ৰমবৰ্দ্ধমান অমনোযোগিতা আৰু শিক্ষকৰ উদাসীনতাৰ বিষয়ে গগৈয়ে আগবঢ়োৱা ক্ষুৰধাৰ সমালোচনা বৰ্ত্তমানসময়ৰ বাবেও অতি প্ৰাসঙ্গিক। প্ৰণৱানন্দ ভট্টাচাৰ্য্যৰ 'শ্ৰীমদ্ভাগৱত গীতাৰ কৰ্ম, জ্ঞান আৰু কৰ্ম সন্ন্যাস যোগ' শীৰ্ষক প্ৰৱন্ধটিৰ ভাষা অতি প্ৰাঞ্জল আৰু তত্বগভীৰ।

অধ্যাপক ভৱেন বৰুৱাৰ 'বন্ধুৰ ৰিং' নামৰ কবিতাটিয়ে সত্তৰ দশকৰ আৰম্ভণিচোৱাত জনপ্ৰিয়তা লাভ কৰা নতুন আংগিকৰ নষ্টালজিক ৰোমান্টিচিজ্‌মক উপযুক্তৰূপে প্ৰতিনিধিত্ব কৰিছে। সম্পাদকীয়ই ক্ৰমবৰ্দ্ধমান দুৰ্নীতি, নিবনুৱা সমস্যা আৰু অসম চৰকাৰৰ পৰিকল্পনা, অসমৰ অস্থায়ী ৰাজধানী নিৰ্মাণ, চিমলা চুক্তি আদি কেইটামান গুৰুত্বপূৰ্ণ বিষয়ক সাঙুৰি লোৱাত সেই কালচোৱাত বিষয়কেইটাই যুৱমানসিকতাক কেনেদৰে চুই গৈছিল, তাৰ এটা প্ৰতিনিধিত্বমূলক মূল্য আছে।

### কানৈ কলেজ আলোচনী ঃ একত্ৰিংশতিতম সংখ্যা

*সম্পাদক ঃ সঞ্জীৱ বৰা ঃ ১৯৭৬ - ৭৭ খ্ৰীঃ*

অসমীয়া আৰু ইংৰাজী ভাষাৰ মুঠ বাৰটি প্ৰবন্ধ, চৈধ্যটি কবিতা, ছুটি চুটি গল্প আৰু অন্যান্য ৰচনাৰে অলংকৃত এই সংখ্যাৰ কানৈ কলেজ আলোচনীৰ অন্যতম বিশেষত্ব হ'ল ইয়াৰ সুদীৰ্ঘ সম্পাদকীয়টি, য'ত সেই সময়ৰ কানৈ কলেজৰ শৈক্ষিক বাতাবৰণৰ এখন সুস্পষ্ট ছবি পোৱাৰ লগতে ভাৰতবৰ্ষৰ ষষ্ঠ লোকসভাৰ নিৰ্বাচনৰ সময়ছোৱাত ঘটা ৰাজনৈতিক বিঘটন, ইন্দিৰা গান্ধী চৰকাৰৰ পতন, জনতা চৰকাৰৰ শাসনভাৰ গ্ৰহণ আদিৰ অন্তৰালত থকা ভাৰতীয় গণতন্ত্ৰৰ নেতিবাচক দিশসমূহো আঙুলিয়াই দেখুৱাবলৈ চেষ্টা কৰা হৈছে। সমাজবাদী চিন্তাধাৰাৰ স্পষ্ট প্ৰভাৱ থকা সম্পাদকৰ ভাষাত "আজি আমাৰ সাহিত্য হব লাগিব দেশৰ অগণন মানুহৰ বাবে। ভাৰতবৰ্ষৰ দৰে এখন ওৰ্জ্জ ঔপনিৱেশিক, ওৰ্জ্জ সামন্ততান্ত্ৰিক দেশৰ সেই অগণন মানুহক জনসাধাৰণ বাবে কলম লোৱা প্ৰতিজন লেখক লেখিকাই চিনি পোৱাটো উচিত। আমাৰ আলোচনীৰ দুৱাৰ, সৰ্বহাৰা শ্ৰেণীৰ স্বাৰ্থৰ সকে কলম লোৱা প্ৰতিজন লেখক লেখিকাৰ বাবে আমি মুকলি থকাটো বিচাৰো।" একেটি দৰ্শনৰ ভিত্তিতে আলোচনীখনত দীপেন্দ্ৰ নাথ কাকতীৰ 'দ্বন্দমূলক বস্তুবাদ কি?', অঞ্জনা গোস্বামীৰ 'চীনৰ সমাজ ব্যৱস্থাৰ বিষয়ে দু-আষাৰ', অঞ্জু বৰকটকীৰ 'বিশ্বৰ শ্ৰমিক শ্ৰেণী ঐক্যবদ্ধ হোৱা' আদি প্ৰবন্ধ আৰু 'হেগেল ঃ এপিগ্ৰাম' (কালমাৰ্ক্স), 'সুন্দৰ পৰিৱেশ' (হো-চি-থিন), 'নৱবৰ্ষ' (মাও-ছে তুঙ), 'আহ্বান' (লেনিন) আদি ভিন্ন ভাষাৰ অনুদিত কবিতাই আলোচনীখনক গাম্ভীৰ্য প্ৰদান কৰিছে। পুথি সমালোচনা শিতচানত কমলাকান্ত গোস্বামী আৰু সৰ্ববানন্দ দেউৰী ভঁৰালীয়ে ক্ৰমে নবীন বৰুৱাৰ 'ফিনিক্স পখীৰ গান' আৰু জয়ন্ত ৰংপীৰ 'পুৱাতে এজাক ধনেশ' গ্ৰন্থদুখনিৰ সম্যক পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে।

### কানৈ কলেজ আলোচনী ঃ ত্ৰয়ত্ৰিংশতিতম সংখ্যা

*সম্পাদক ঃ প্ৰভাতপ্ৰাণ কোঁৱৰ ঃ ১৯৭৮-৭৯ খ্ৰীঃ*

এই সংখ্যাৰ আলোচনীত প্ৰকাশিত বিভিন্ন ৰচনাৱলীৰ ভিতৰত দিলীপ ভঁৰালীৰ প্ৰৱন্ধ 'দেউৰী সমাজ-সংস্কৃতিত এভুমুকি'ক দেউৰী জনগোষ্ঠীৰ সমাজ ব্যৱস্থা তথা সাংস্কৃতিক পৰম্পাৰৰ এক স্বচ্ছ প্ৰতিচ্ছবিৰ আখ্যা দিব পাৰি। আলোচনীখনৰ সম্পাদকীয় আৰু দুই এটা কবিতাৰ বাহিৰে সেই সময়ত ভৰপক হৈ থকা অসম আন্দোলনৰ কোনো ৰচনাতে আভাস পোৱা নেযায়।

### কানৈ কলেজ আলোচনী ঃ পঞ্চত্ৰিংশতিতম সংখ্যা

*সম্পাদক ঃ মনোজ কুমাৰ বৰুৱা ঃ ১৯৮১-৮২ খ্ৰীঃ*

মনোজ কুমাৰ বৰুৱাৰ দ্বাৰা সম্পাদিত এই সংখ্যাৰ কানৈ মহাবিদ্যালয় আলোচনীয়ে মুঠ দহটা প্ৰবন্ধ, বাৰটা কবিতা আৰু ছটা চুটিগল্পৰ লগতে ড° মহেন্দ্ৰ বৰা আৰু সুগায়িক ডলী ঘোষৰ দুটি সুদীৰ্ঘ সাক্ষাৎকাৰ প্ৰকাশ কৰিছে। দিব্যজ্যোতি মহনৰ 'কলা হিচাপে ভাৰতীয় চলচ্চিত্ৰ শিল্প', মঃ ফজলুৰ ৰহমানৰ 'মাৰ্ক্সৰ দৃষ্টিভংগীত পুঁজিবাদ আৰু অসমৰ পুঁজিবাদৰ ক্ৰমবিৱৰ্ত্তন' আদি প্ৰৱন্ধই নিজস্ব বিষয়বস্তুৰ পৰিসৰত মৌলিক চৰিত্ৰ বহন কৰিছে।

### কানৈ কলেজ আলোচনী ঃ সপ্তত্ৰিংশতিতম সংখ্যা

*সম্পাদক ঃ কল্যাণী বৰুৱা ঃ ১৯৮৩ - ৮৪ খ্ৰীঃ*

সাতত্ৰিশতম সংখ্যাৰ আলোচনী সম্পাদনা সমিতিয়ে 'কানৈ মহাবিদ্যালয় আলোচনী'খনক 'কানৈয়ান'লৈ নামান্তৰ কৰে। এই আলোচনীতে আশীদশকৰ এটি প্ৰাসংগিক বিষয় 'আমেৰিকাৰ নাৰী জাগৰণ আৰু ভাৰতবৰ্ষত নাৰীৰ স্থান' শিৰোনামাৰে বুলবুলি ভট্টাচাৰ্য্যৰ এটি প্ৰৱন্ধ প্ৰকাশ পাইছে। মানদণ্ড বিশিষ্ট ভালেকেইটা কবিতা আৰু প্ৰৱন্ধৰ ভিতৰত অতুল হাজৰিকাৰ 'অসমৰ জনসংখ্যা আৰু সম্পদ' শীৰ্ষৰ

নিৰন্ধটিয়ে প্ৰসংগভিত্তিক বিশ্লেষণৰ মান দাবী কৰিব পাৰে।

**কানৈ কলেজ আলোচনী ঃ অষ্টত্ৰিংশতিতম সংখ্যা।**

*সম্পাদক ঃ কামিনী কুমাৰ গোঁহাই ঃ ১৯৮৬-৮৭ খ্ৰীঃ*

মাজৰ দুটা বছৰৰ বিৰতিৰ পাচত ১৯৮৬-৮৭ শিক্ষাবৰ্ষত প্ৰকাশ পোৱা আঠত্ৰিশতম সংখ্যাৰ 'কানৈয়ান'ৰ অন্যতম গুৰুত্বপূৰ্ণ দিশটো হ'ল ইয়াৰকবিতা আৰু গল্প সংগ্ৰহটি। বিশেষকৈ দুৰ্লভজ্যোতি চুতীয়াৰ 'স্মৃতি', বেণীমাধৱ ভট্টাচাৰ্যৰ 'হে অৰণ্য, মহাৰণ্য', জানদত্তৰ 'আজিৰ ছবি' আদি কবিতাত আধুনিক কবিতাৰ প্ৰায়খিনি বৈশিষ্টই পৰিশীলিত ৰূপত দৃশ্যমান। গল্প সম্ভাৰৰ ভিতৰত জয়ন্ত সন্দিকৈৰ 'সেউজীয়া পাতত একাঁজলি ৰ'দ', বীৰেণ ফুকনৰ 'বাঁহী' আদি গল্পই কলেজীয়া ছাত্ৰৰ অন্যতম প্ৰিয় বিষয় সংবেদনশীল বিষয়বস্তু বাচি লৈছে। অধ্যাপক ড০ আতিকুদ্দিন আহমেদৰ 'উত্তৰ পূব ভাৰত - এটি ভূ-অৰ্থনৈতিক পৰ্যবেক্ষণ' শীৰ্ষক প্ৰৱন্ধটিয়ে যথেষ্ট যত্নসহকাৰে উত্তৰপূৰ্বাঞ্চলৰ ভূ-অৰ্থনৈতিক সম্ভাৱনাৰ বিশ্লেষণ কৰি এক আশাব্যঞ্জক চিন্তাৰ বাট মুকলি কৰিছে।

**কানৈ কলেজ আলোচনী ঃ উনচত্বাৰিংশতিতম সংখ্যা**

*সম্পাদক ঃ নৰজ্যোতি শইকীয়া ঃ ১৯৮৭- ৮৮ খ্ৰীঃ*

এই সংখ্যাৰ কানৈয়ানত প্ৰকাশিত দীপক পেগুৰ 'মিছিং লোকগীতত বিবিধ উপমা' প্ৰবন্ধটোত মিচিং সমাজত সদা প্ৰচলিত ফকৰা-যোজনা আৰু লোকগীতসমূহৰজৰিয়তে ফুটি উঠা জনজীৱনৰ এখন হুবহু প্ৰতিচ্ছবি তুলি অনা হৈছে। জনজাতীয় ভাষা সাহিত্য আৰু সামাজিক পৰম্পৰা সমূহৰ বিষয়ে অধ্যয়ন কৰা সকলৰ বাবে ই মূল্যৱান সংগ্ৰহ হ'ব পাৰে। লোক বিকাশ গগৈৰ 'বেজবৰুৱাৰ স্বাধীন চিতিয়া মনোভাৱ আৰু বৰ্তমানৰ যুৱসমাজ' শীৰ্ষক পৰ্য্যালোচনামূলক প্ৰৱন্ধটিক লিখকে স্ব-সংস্থাপন আৰু স্বাৱলম্বনৰ সপক্ষে আন্তৰিকতাৰে নিজ পক্ষপাতিত্ব প্ৰদৰ্শন কৰিছে। এই কানৈয়ানতে প্ৰকাশিত ভূষণজ্যোতি সন্দিকৈৰ এটি কবিতা তুলি আনিলো -

'শৰৎ
এতিয়া তাইৰ অভিমান
আৰু একোব চৰিল
বেলি দুপৰলৈকেও এৰিব নোখোজে ওৰণিখন'।

**কানৈয়ান ঃ চত্বাৰিংশতিতম সংখ্যা**

*সম্পাদক ঃ পানীৰাম ডেকা মৰাণ ঃ ১৯৮৮ - ৮৯ খ্ৰীঃ*

ৰূপমা সিংহই হিমালয় বক্ষৰ 'দ্ৰৌপদী কা দাণ্ডা' নামৰ ১৮,৭০০ ফুট ওখ শৃঙ্গটি আৰোহণ কৰি আহি কানৈয়ানত লিখা 'মোৰ পবৰ্বত আৰোহণ যাত্ৰা' শীৰ্ষক ৰচনাটিয়ে পাঠকক পৰ্বত আৰোহণৰ আমেজ দিয়াৰ উপৰিও পৰ্বত আৰোহণৰ বাবে আৱশ্যকীয় নানা তথ্যৰ যোগান ধৰিব পাৰে। মানস প্ৰতীম দত্তৰ 'Atmospheric Pollution on Cultural Property' প্ৰৱন্ধটিয়ে ভাৰতবৰ্ষৰ চহৰাঞ্চলত অৱস্থিত ঐতিহাসিক কীৰ্তি চিহ্নসমূহৰ সৌন্দৰ্য্য প্ৰদূষণৰ প্ৰভাৱত কিদৰে ক্ষতিগ্ৰস্থ হৈছে তাৰ এটি বিশ্লেষণাত্মক ব্যাখ্যা দাঙি ধৰিছে।

**কানৈয়ান ঃ একচত্বাৰিংশতিতম সংখ্যা**

*সম্পাদক ঃ সুনীল ৰাজকোঁৱৰ ঃ ১৯৮৯-৯০ খ্ৰীঃ*

একচত্বাৰিংশতিতম সংখ্যা কানৈয়ানৰ অন্যতম অলঙ্কাৰ হ'ল ইয়াত সন্নিবিষ্ট স্মৃতি চাৰণমূলক প্ৰৱন্ধ কেইটা। বিশেষকৈ ড° যোগীৰাজ বসু, ড° লক্ষ্মীপ্ৰসাদ দত্ত আৰু স্বৰ্গীয় সুনীল চন্দ্ৰ বৰঠাকুৰৰ জীৱন পৰিক্ৰমা আৰু শৈক্ষিক তথা বৌদ্ধিক জগতলৈ কেওগৰাকী ব্যক্তিৰ অনবদ্য অৱদান সমূহৰ বিষয়ে সম্পাদনা সমিতিয়ে যথেষ্ট তথ্য সহকাৰে স্মৃতি অৰ্ঘখিনি প্ৰস্তুত কৰিছে। ইয়াৰ উপৰিও নতুন শিতান 'সংস্কৃতিক সৌৰভ'ত সন্নিবিষ্ট শংকৰ সোনোৱালৰ 'সোণোৱাল কছাৰীৰ বিষয়ে চমু আভাষ', অতিচৰ দন্দ চুতাৰৰ 'অসম চাহ জনগোষ্ঠীৰ সংস্কৃতি ঃ বাদ্য যন্ত্ৰ', কৃষ্ণমণি নাথৰ 'শ্ৰী শ্ৰী মায়ামৰা দিনজয় সত্ৰৰ সত্ৰীয়া সংস্কৃতিৰ ৰেঙণি ঃ গায়ন বায়ন' আদি নিবন্ধই সংশ্লিষ্ট বিষয় কেইটা জানিবৰ বাবে আগ্ৰহী পাঠকক সহায় কৰিব পাৰে।

**কানৈয়ান ঃ দ্বিচত্বাৰিংশতিতম সংখ্যা**

*সম্পাদক ঃ সুবোধ কুমাৰ সোণোৱাল ঃ ১৯৯০-৯১ খ্ৰীঃ*

এই সংখ্যাৰ কানৈয়ানত প্ৰকাশিত মৃনাল কুমাৰ গগৈৰ

'নবৈবৰ উপকণ্ঠত মই মানুহৰ কবি' শীৰ্ষক প্ৰবন্ধই কবিন ফুকন, বিপুল জ্যোতি শইকীয়া, অনন্ত তাঁতি, আনিছ - উজ-জামান, সমীৰ তাঁতি, অনুভৱ তুলসী, নীলিম কুমাৰ আদি সম্প্ৰতিকালৰ কেইবাগৰাকী প্ৰথিতযশা কবিৰ কবিতাৰ বিভিন্ন দিশক গভীৰ ভাবে আলোচনা কৰিছে। কেওজন কবিৰ কবিতাত থকা মানৱীয় সংবেদনশীলতাখিনিৰ গৱেষণামূলক আলোকপাতে স্পষ্ট মৌলিকত্ব আৰু সুসংহত বিশ্লেষণৰ মান দাবী কৰিব পাৰে। সেইদৰে সুনীল ৰাজকোঁৱৰৰ 'নিৰাশাবাদ এক অপৰাধ' প্ৰবন্ধটোৱে নবৈবৰ দশকত জনপ্ৰিয়তা লাভ কৰা আত্মকথনমূলক চমু নিবন্ধৰ প্ৰায়খিনি বৈশিষ্টই বহন কৰিছে। তেওঁৰ ভাষাত - "যাৰ মনত নিৰাশা আৰু ব্যাকুলতাৰ প্ৰাদুৰ্ভাৱ ঘটে, তেওঁ স্পষ্টভাৱে চিন্তা কৰিবলৈ শক্তি হেৰুৱায়, তেওঁৰ দৃষ্টিকোণ স্পষ্ট নহয়, তেওঁৰ বিচাৰ উৎসাহপূৰ্ণ, যুক্তি পূৰ্ণ আৰু সাহসী নহয়। ..... আশাবাদেই হৈছে নিমাৰ্ণৰ ভেটি আৰু মানসিক সূৰ্য্যোদয় স্বৰূপ।" যামিনী ফুকনে 'পুৰণি ছবিৰ চিনাকি এলবাম' শিৰোনামাৰে লিখা স্মৃতি কথাখিনিয়ে কানৈ কলেজৰ এসময়ৰ শৈক্ষিক পৰিৱেশ আৰু শিক্ষকসকলৰ পৰিচয় অতি ৰসোত্তীৰ্ণ ভাবে দাঙি ধৰিছে। এই 'কানৈয়ান'তে দীপক কুমাৰ বড়া, তৃষ্ণা নেওঁগ, আইমাণু সোনাৱাল, পলী চমুৱা আদি ভালে কেইগৰাকী সম্ভাৱনাময় কবিয়ে আত্ম প্ৰকাশ কৰিছিল যদিও তেওঁলোকৰ লেখা এতিয়া পোৱা নাযায়।

### কানৈয়ান ঃ পঞ্চচত্বাৰিংশতিতম সংখ্যা

*সম্পাদক ঃ নৱজিৎ দেউৰী ঃ ১৯৯৩ - ৯৪ খ্ৰীঃ*

যোল্লটা ইংৰাজী-অসমীয়া প্ৰবন্ধ, তিনিটা চুটি গল্প, বাৰটা কবিতা আৰু বিভিন্ন সানমিহলিৰে সমৃদ্ধ এই সংখ্যাৰ কানৈয়ানৰ অন্যতম সম্পদ হ'ল - 'কলাজত সময়ৰ আৰ্তস্বৰ' নামৰ ৰাজীৱ গগৈৰ উপন্যাসিকাখন। সেইদৰে ৰনজিৎ গগৈৰ কবিতা -

"ওলাবা এদিন
চৰাইপুঙত চৰাই উৰাবলৈ যাম
তোমাৰ ওঁঠৰ আমৰলীয়া সুৰুঙাৰে
স্পৰ্শ কৰি চাম
মোৰ দেশৰ সেউজীয়া আকাশ।" - ৰ গভীৰ আশাবাদে

পাঠকক প্ৰেৰণা যোগায়। ইয়াৰ উপৰিও মৃণাল কুমাৰ গগৈৰ স্মৃতিলেখা 'কানৈ কলেজ'ত যৌৱনৰ পাঁচবছৰীয়া জীৱনৰ অন্বেষণ', সুমিত সিংহৰ ইংৰাজী প্ৰবন্ধ 'EDUCATION OR EDU-CASH-ON?' আদিয়ে আলোচনীখনৰ গুৰুত্ব বৃদ্ধি কৰিছে।

### কানৈয়ান ঃ ষষ্ঠচত্বাৰিংশতিতম সংখ্যা

*সম্পাদক ঃ ৰাজীৱ গগৈ ঃ ১৯৯৪-৯৫ খ্ৰীঃ*

যোল্লটা প্ৰবন্ধ, চাৰিটা চুটি গল্প, চৈধ্য টা কবিতা আৰু বহুজন অতিথি লিখকৰ নিপুণ কলমৰ সৃষ্টিৰে সমৃদ্ধ এই কানৈয়ানত প্ৰাক্তন অধ্যক্ষ ডিম্বেশ্বৰ চলিহাদেৱে 'কানৈ কলেজৰ বিগত পঞ্চাশটা বছৰ' শিৰোনামাৰে এটি সুদীৰ্ঘ নিবন্ধ লিখিছে। কানৈ কলেজৰ জন্মৰ আঁৰৰ পৰিস্থিতি; যিসকল ব্যক্তিৰ সদিচ্ছা, শ্ৰম আৰু বদান্যতাত এই বৃহৎ অনুষ্ঠানটি গঢ়ি উঠিল, তেখেতসকলৰ শ্বাশ্বত অৱদান আদিৰ বিষয়ে প্ৰায়বোৰ তথ্য আৰু স্মৃতি বিজড়িত ঘটনা এই নিৱন্ধটোৱে সামৰি লৈছে। ইয়াৰে প্ৰকাশিত বিজয় কুমাৰৰ 'মৰণৰ উৰ্ধত জীৱনৰ সাধনা' প্ৰৱন্ধটোৱে প্ৰকৃতিৰ বাধাৰ বিৰুদ্ধে মানুহৰ জয় যাত্ৰাৰ সুসংহত ব্যাখ্যাই পাঠকক আকৃষ্ট কৰিছে। '১৯৯৪ চনৰ বিজ্ঞানৰ নৱেল বঁটা' শিৰোনামাৰে আৰম্ভ কৰা অতি প্ৰাসঙ্গিক ৰচনাটি অধ্যাপক টিকেন্দ্ৰজিৎ গগৈয়ে প্ৰতি সংখ্যাৰ কানৈয়ানতে লিখাৰ কথা ভাবিলে কামত আহিব। জ্যোৰ্তিময় হাজৰিকাৰ 'সমীক্ষা ঃ তেজ, কবিতা, সপোন আৰু সময়' নামৰ উপন্যাসিকাখনিত চমু পৰিসৰতে নবৈব দশকৰ আৰম্ভণিতে বিশেষভাৱে জনপ্ৰিয়তা লাভ কৰা আত্মকথনমূলক বিচিত্ৰ আঙ্গিক সম্পন্ন বিক্ষিপ্ত ৰচনা ৰীতিৰ স্পষ্ট প্ৰভাৱ পৰিছে। এনে ৰচনা ৰীতিৰ প্ৰতি থকা সম্পাদকৰ অনুৰাগক প্ৰতিনিধিত্ব কৰিছে আধুনিক অসমীয়া গদ্য সাহিত্যৰ প্ৰথিতযশা লিখক, সুসাহিত্যিক দেৱব্ৰত দাসৰ নাতিদীৰ্ঘ সাক্ষাৎকাৰটোৱে।

### কানৈয়ান ঃ সপ্তচত্বাৰিংশতিতম সংখ্যা

*সম্পাদক ঃ মানস প্ৰতীম শৰ্মা ঃ ১৯৯৫-৯৬ খ্ৰীঃ*

সুন্দৰ অলংকৰণ আৰু অনেক পৰিপুষ্ট লেখাৰে অলংকৃত কানৈয়ানৰ এই সংখ্যাটোৱে আমালৈ সুবাৰ্তা

আনিব নোৱাৰিলে। কানৈয়ানৰ ষষ্ঠবিংশতম সংখ্যাৰ সম্পাদক প্ৰতিভাসম্পন্ন সুকবি হিতেশ বিকাশ গগৈৰ মৃত্যু বাৰ্তা দি ৰাজীৱ গগৈয়ে লিখিলে - 'ঋতুবোৰ এনেকৈয়ে গুচি যায়।' স্বপন চুতীয়াই 'সুচিন্তা অনুশীলনৰ প্ৰতিকূলতা আৰু অসমৰ শিক্ষানুষ্ঠান' প্ৰৱন্ধটোত অসমৰ সাম্প্ৰতিক শৈক্ষিক বাতাবৰণত বৌদ্ধিক অৱনতিৰ ওপৰত গভীৰ উদ্বেগেৰে আলোকপাত কৰিছে। সেইদৰে ড০ আতিকুদ্দিন আহমেদৰ 'উচ্চ জীৱন নিৰ্বাহ, ব্যয় আৰু সৰ্বসাধাৰণ স্বাৰ্থ' প্ৰৱন্ধটোত আধুনিক সমাজত দৈনন্দিন জীৱন নিৰ্বাহত মুখামুখি হোৱা বিভিন্ন সমস্যাক নানা দিশৰ পৰা বিশ্লেষণ কৰিছে। 'ৰহস্যজনক ঔষধ উহ্য বিষয়টিৰ প্ৰসংগত' শিৰোনামাৰে প্ৰমথেশ ডেকাই অনুবাদ কৰা G.K. Chesterson ৰ বিখ্যাত প্ৰৱন্ধ 'On the Cryptic and the Elliptic' ত প্ৰকৃত সাংবাদিকতা আৰু নিৰপেক্ষ সংবাদ পৰিবেশনৰ আনুষংগিক অন্তৰায়বোৰক নিৰ্মোহ ভাৱে দাঙি ধৰিছে। সুপ্ৰসিদ্ধ চিত্ৰকৰ নীলপৱন বৰুৱাই কানৈয়ানৰ সাক্ষাৎ প্ৰসঙ্গত কৈছে - "পৃথিৱীখন মানুহে জ্ঞান আৰু সৌন্দৰ্য্যৰ ধাৰণাৰে শ্ৰমৰ যোগেদিহে সুন্দৰ কৰি আনিছে, অলৌকিক ক্ৰিয়াৰে নহয়। পৃথিৱী পশুত্বৰ পৰা দেৱত্বৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে শ্ৰমেৰে, সাধনাৰে - অলৌকিকতাৰে নহয়।"

**কানৈয়ান ঃ অষ্টচত্বাৰিংশতিতম সংখ্যা**

*সম্পাদক ঃ সুৰজ কোঁৱৰ ঃ ১৯৯৬-৯৭ খ্ৰীঃ*

তেৰটি প্ৰৱন্ধ, সাতটি চুটি গল্প, ওঠৰটা কবিতা, দুটি সাক্ষাৎকাৰ, এখনি সংক্ষিপ্ত উপন্যাসিকা আৰু নানা সানমিহলি লেখাৰে সম্পাদকে কানৈয়ানৰ এই সংখ্যাটি সজাই তুলিছে। অৰ্থনৈতিক উদাৰীকৰণৰ বতাহে চুই যোৱা ভাৰতবৰ্ষৰ শেহতীয়া অৱস্থিতি সম্পৰ্কে বাস্তৱসন্মত ব্যাখ্যা আগবঢ়োৱা ড° আতিকুদ্দিন আহমেদৰ 'প্ৰতিযোগিতামূলক অৰ্থনীতি ঃ এটি আভাস' প্ৰৱন্ধটোৱে পৰিৱৰ্ত্তিত অৰ্থনীতিত নিয়োগৰ সমস্যা ৰাজিক গভীৰ শংকাৰে আলোকপাত কৰিছে। দিগন্ত গগৈৰ 'তৰুণ অসমীয়া কবিতাত সমকালীন অসমৰ প্ৰতিচ্ছবি' প্ৰৱন্ধটোৱে বিষয়বস্তুৰ মৌলিকত্বৰ মান দাবী কৰিব পাৰে। সেইদৰে চৰকাৰী-বেচৰকাৰী বন্ধই ভাৰতৰ সমাজ ব্যৱস্থা আৰু অৰ্থনীতিত পেলোৱা কু-প্ৰভাৱৰ বিষয়ে মাধৱজ্যোতি দেউৰীয়ে 'উন্নয়নশীল দেশৰ অৰ্থনীতিত বন্ধৰ প্ৰভাৱ' প্ৰৱন্ধটিত স্পৰ্শকাতৰতাৰে আলোচনা কৰিছে।

**কানৈয়ান ঃ ঊনপঞ্চশতিতম সংখ্যা**

*সম্পাদক ঃ তৰালি গগৈ ঃ ১৯৯৭-৯৮ খ্ৰীঃ*

এটি ৰৌদ্ৰোজ্জ্বল প্ৰভাতত কানৈ মহাবিদ্যালয়ৰ আশাব্যঞ্জক ছবিখনে তৰালি গগৈৰ সম্পাদনাত প্ৰকাশিত এই সংখ্যাৰ কানৈয়ানৰ বেতুপাটটিক যিদৰে অৰ্থবহ কৰি তুলিছে, একেটি বেটুপাততে শিল্পী দিপাঙ্কৰ গোহাঁইয়ে শান্তি আৰু প্ৰজ্ঞাৰ বাবে আমাৰ দায়বদ্ধতাৰ কথাও সোঁৱৰাই দিবলৈ পাহৰা নাই। তেৰটা প্ৰৱন্ধ, চাৰিটা চুটি গল্প, তেৰটা কবিতা আৰু অন্যান্য ৰচনাৰে সমৃদ্ধ এই সংখ্যাৰ কানৈয়ানত প্ৰৱক্তা কল্যাণী দাসে - 'অসমীয়া ভাষায়ে শংকৰদেৱশ্য অৱদানম' শিৰোনামাৰে প্ৰথমবাৰৰ বাবে সংস্কৃতি ভাষাত এটা প্ৰৱন্ধ লিখিছে। ইয়াৰ উপৰিও অধ্যাপক জয় কৃষ্ণ মহন্তৰ 'অঙ্কীয়া নাটৰ বৈশিষ্ট আৰু শিল্প সুষমা', যাদৱ গগৈৰ 'অসমীয়া সমাজত ফকৰা যোজনাৰ প্ৰভাৱ', ড° আতিকুদ্দিন আহমেদৰ 'অৰ্থনৈতিক উন্নয়নৰ কিছু প্ৰাসংগিক চিন্তা' আদি প্ৰৱন্ধ আলোচনীখনৰ অন্যতম অলংকাৰ। এন্টন চেখভৰ প্ৰখ্যাত গল্প 'ভাংকা'ৰ প্ৰদীপ্ত গগৈয়ে কৰা মকুলি অনুবাদ সুষম আৰু পঢ়ি ভাল লগা হৈছে।

**প্ৰসঙ্গৰ সামৰণিত ঃ**

কাল বিৱৰ্তনৰ লগে লগে পৃথিৱীত সকলো কথাই সলনি হয়। পঞ্চাশ দশকৰ কানৈ কলেজ আৰু আজিৰ একবিংশ শতিকাৰ দুৱাৰদলিৰ কানৈ কলেজৰ মাজত অনেক পাৰ্থক্য। সময়ৰ কুটিল পৰিক্ৰমাত এসময়ৰ সুদৃশ্য বিদ্যাভৱনটিৰ ৰং কৰবাত উৰঁলি গৈছে আগচোতালৰ পাইন কেইজোপাক বাৰ্ধ্যক্যই সাৱটি ধৰিছে। সুনিৰ্ধাৰিত পাঠ্যক্ৰমত নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকল উদ্দেশ্য পুৰণৰ পাচতে চৌদিশে সিঁচৰতি হৈ পৰিছে, কোনোবা হয়তো পুনৰ শিক্ষক কৰ্মচাৰী হৈ উভটি আহিছে। গৰিষ্ঠ সংখ্যক পুৰণি অধ্যাপকে অৱসৰ গ্ৰহণ কৰিছে, লগে লগে একোটা যুগ শেষ হৈছে; অনেক জনৰ নিৰৱিচ্ছিন্ন অক্লান্ত অৱদান বিস্মৃতিৰ গৰ্ভত বুৰ গৈছে। ইয়াৰ মাজতে কানৈয়ানে প্ৰতিটো বিৱৰ্ত্তিত

স্তৰৰ চাক্ষুক সাক্ষী হৈ কণমাণি বক্ষতে স্মৃতিৰ বিপুল সম্ভাৰ বহন কৰিবলৈ সক্ষম হৈছে। আমাৰ দৃষ্টিত এই আলোচনীসমূহত প্ৰকাশিত বিভিন্ন লিখনিসমূহ একো একো সাহিত্য কৰ্মই নহয়, বৰঞ্চ কানৈ কলেজৰ বিগত সময়খিনিৰ বৌদ্ধিক পৰিৱেশৰ একো একোটা স্মৃতি স্তম্ভও। আমি পাৰ্য্যমানে চেষ্টা কৰিছো এই কানৈয়ানৰপৰা সময়ক প্ৰতিনিধিত্ব কৰিব পৰা লেখাসমূহ বাচি উলিয়াবলৈ; যদিও আমাৰ অসাৱধানতা, অনভিজ্ঞতাই বহু মানবিশিষ্ট ৰচনাকো আলোনচাৰ মাজলৈ আহিবলৈ দিয়া নাই। তদুপৰি বিষয়বস্তুৰ পৰিসৰ আৰু গুৰুত্ব; দুয়োদিশৰ পৰা আৰু বহু দিশ সামৰি লোৱাৰ থল আছিল যদিও অতিমাত্ৰা ব্যাপক হোৱাৰ আশংকাত সেই ইচ্ছা সম্বৰণ কৰা হ'ল। প্ৰস্তাৱনা সংখ্যাকে ধৰি বহুকেইটা সংখ্যা কলেজ লাইব্ৰেৰীত সংৰক্ষিত নথকাত সেই আলোচনীসমূহ আলোচনাৰ পৰা বাদ পৰি গ'ল। পাঠকক জনাব পৰা নহ'ল কেতিয়া আৰু কেনেকৈ কানৈয়ানৰ নাম 'ডিব্ৰু কলেজ আলোচনী'ৰ পৰা 'কানৈ কলেজ আলোচনী' আৰু 'কানৈ কলেজ আলোচনী'ৰ পৰা 'কানৈয়ান' হ'ল। সকলোখিনি অসম্পূৰ্ণতা সবিনয়ে স্বীকাৰ কৰা হৈছে।

কানৈয়ানৰ বৰ্ণাঢ্য, সুদীৰ্ঘ পৰিক্ৰমাই আমাক এক মহান উপলব্ধি প্ৰদান কৰিলে। পণ্ডিত ড° যোগীৰাজ বসু কানৈ কলেজৰ অধ্যক্ষ হৈ থকাৰ কালচোৱাত প্ৰায় ধাৰাবাহিকভাৱে কানৈ কলেজ আলোচনীত লিখি আছিল আৰু এই প্ৰায়বিলাক ৰচনাৰে বিষয়বস্তু আছিল - বেদান্ত দৰ্শন আৰু বৈদিক ভাৰতৰ শিক্ষা ব্যৱস্থা। সেইদৰে ড° ডিম্বেশ্বৰ চলিহাই বিভিন্ন বিজ্ঞান বিষয়ক ৰচনাৰে কানৈয়ানৰ পাত শুৱনি কৰিছিল। ড° আতিকুদ্দিন আহমেদে আশীদশকৰ আৰম্ভণিৰে পৰা কানৈয়ানৰ পাতত অৰ্থনীতি বিষয়ক বিভিন্ন লেখা আগবঢ়াই আহিছে। শ্ৰদ্ধেয় ড° বসু আৰু ড° চলিহাৰ জীৱনকালতে কানৈ কলেজৰ ভালেকেইটা স্তৰ পাৰ হৈছিল যদিও বেদান্ত দৰ্শনৰ শ্বাশ্বত স্বৰূপ আৰু প্ৰাকৃতিক বিজ্ঞানৰ ধ্ৰুৱকীয় বৈশিষ্ট্যৰ বাবে বিষয়বস্তুৰ পৰিৱৰ্তন হোৱা নাছিল। আনহাতেদি সমাজ বিজ্ঞানৰ চিৰন্তৰ গতিশীলতা আৰু প্ৰাসংগিকতাৰ দাবীয়ে ড° আহমেদৰ বিষয়বস্তুক সম্পদ, জনসংখ্যা, নিবনুৱা সমস্যাৰ পৰা ক্ৰমাৎ সলনি কৰি অসমৰ ভূ-অৰ্থনৈতিক সম্ভাৱনা, প্ৰতিযোগিতামূলক মুক্ত অৰ্থনীতি আদি সদ্য প্ৰাসংগিক বিষয়লৈ উত্তৰণ ঘটাইছে। সেইদৰে সুসংহত সাহিত্য কৰ্মৰ বাবে আবেগময়তা, সংবেদনশীলতাৰ লগতে ভাৱ-সংযমৰো যে একান্ত আৱশ্যক, সেয়া এই আলোচনীসমূহত প্ৰকাশিত চুটি গল্পসমূহৰ দ্বাৰা প্ৰমাণিত হৈছে। ভালেকেইটা গল্পই অতি সংবেদনশীল বিষয়বস্তু নিববৰ্চন কৰা স্বত্বেও তীব্ৰ ভাৱোচ্ছাস আৰু অতিমাত্ৰা আবেগময়তাৰ বাবেই সেইয়া চুটি গল্প হোৱাৰ পৰা কিছু আঁতৰত থাকিল। নবৈৰ দশকৰ আগচোৱাত আধুনিক অসমীয়া কবিতাই ক্ৰমাৎ সাধাৰণ পাঠকক আকৃষ্ট কৰিবলৈ লৈছিল আৰু তাৰ পৰিপ্ৰেক্ষিততে সেই সময়ৰ কেউখন 'কানৈয়ান'তে কবিতাৰ ওপৰত কেইটিমান সুন্দৰ প্ৰৱন্ধ প্ৰকাশ হৈছিল। অনাগত সময়বোৰত 'কানৈয়ান'ৰ সাহিত্য অধিক সুগভীৰ আৰু সেই সাহিত্যৰ বুকুত সময় অধিক স্বচ্ছতাৰে বন্দী হ'ব; তেনে সপোন আমাৰ অধিকাৰ বুলি গণ্য কৰোঁ।

*'কানৈয়ান' (১৯৯৮-৯৯)ৰ পৰা পুনৰ্মুদ্ৰিত*

**কৃতজ্ঞতা স্বীকাৰ ঃ**

- আলোচনীসমূহ যত্ন সহকাৰে যতনাই দিয়া সম্পাদিকা কান্তা কাৱেৰী সোনোৱাল
- 'কানৈয়ান'ৰ পূৰ্বৰ সম্পাদক - সম্পাদিকাসকল, যাৰ পৰা বিভিন্ন প্ৰসংগত নানা উদ্ধৃতি গ্ৰহণ কৰা হৈছে।

# প্ৰাচ্যতত্ত্ববিদ ড° যোগীৰাজ বসু

**সুদক্ষিণা দাস**
প্ৰাক্তন উপাধ্যক্ষ (প্ৰশাসনিক), ডি.হ.সু. কানৈ মহাবিদ্যালয়

ঋষিপ্ৰতিম, প্ৰাচ্য তত্ববিদ, পণ্ডিত প্ৰৱৰ ড° যোগীৰাজ বসু আমাৰ দেশৰ এক উজ্জ্বল জ্যোতিষ্কস্বৰূপ। এগৰাকী প্ৰগাঢ় পণ্ডিত ড° বসু জ্ঞানযোগী মাথো নহয়, এগৰাকী কৰ্মযোগীও যে আছিল সেইকথা তেখেতৰ জীৱনৰ প্ৰতি ছত্ৰতে প্ৰকাশিত হয়। সেই জীৱনচৰ্যাৰ কিছু আভাসেৰে তেখেতলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

**পূৰ্বকথা ঃ**

ড° যোগীৰাজ বসুৰ পিতৃ-মাতৃ দুয়োজনেই বঙ্গদেশৰ খ্যাতনামা পৰিয়ালৰ আছিল। পিতৃৰ কুল ঋষি অৰবিন্দৰ পৰিয়ালৰ। ড° বসুৰ বৰদেউতাক ভূপালচন্দ্ৰ বসু পোনপ্ৰথমে ১৮৯২ খৃষ্টাব্দত দুৰ্গম যাত্ৰাপথেদি আহি অসমৰ ৰাজধানী শ্বিলঙৰ চৰকাৰী চাকৰিত যোগদান কৰেহি। তেখেত অসম চৰকাৰৰ ৰাজহ আৰু কৃষিদপ্তৰৰ অধিকৰ্তা আছিল। ভূপালচন্দ্ৰৰ ভ্ৰাতৃ ডাঃ কালীপ্ৰসন্ন বসু। তেখেতেই ড০ যোগীৰাজ বসুৰ পিতৃদেৱ। ১৮৭৪ খৃঃত অবিভক্ত বঙ্গদেশৰ যশোহৰ জিলাত জন্ম গ্ৰহণ কৰা ডাঃ কালীপ্ৰসন্ন বসুৱে কলিকতাত চিকিৎসাশাস্ত্ৰ অধ্যয়ন সমাপ্ত কৰি ডাঃ জন বেৰী হোৱাইটৰ আৰ্থিক দান আৰু আপ্ৰাণ চেষ্টাৰ ফলত ১৮৯৭-১৮৯৯ চনত ডিব্ৰুগড়ত স্থাপিত হোৱা জন বেৰী হোৱাইট মেডিকেল স্কুলত শিক্ষকৰ চিকিৎসক ৰূপে কৰ্মজীৱন পাতনি মেলে। তেখেত যশস্বী শিক্ষক আছিল যদিও পাছলৈ অসম চৰকাৰৰ স্বাস্থ্য বিভাগত চিভিল চাৰ্জন বা স্বাস্থ্য বিষয়া ৰূপে যোগদান কৰি দুৰ্গম গাৰোপাহাৰ জিলাৰ লগতে শিৱসাগৰ, কামৰূপ, গোৱালপাৰা আৰু শদিয়াৰ সীমান্ত অঞ্চলত সেৱা আগবঢ়াই ১৯২৯ চনত অৱসৰ গ্ৰহণ কৰে। তেখেত অতি দক্ষ আৰু সত্যনিষ্ঠ চিকিৎসক আছিল। সমাজৰ দৰিদ্ৰ, নিপীড়িত লোকৰ প্ৰতি আছিল অকৃত্ৰিম স্নেহ। এবাৰ অবিভক্ত শিৱসাগৰ জিলাৰ দৈয়াং বাগিচাৰ এজন বনুৱাৰ চাহ বাগিচাৰ ইংৰাজ মেনেজাৰৰ অত্যাচাৰত মৃত্যু হোৱাত তেখেতে সত্যনিষ্ঠভাৱে মেডিকেল ৰিপৰ্ট তৈয়াৰ কৰে। চাহ বাগিচাৰ ইংৰাজ পৰিচালকসকলে একগোট হৈ ইংৰাজ উপায়ুক্তৰ পৰা মুখ্যসচিবলৈকে উচ্চ বিষয়াবৰ্গক প্ৰভাৱান্বিত কৰি ডাঃ বসুক চিভিল চাৰ্জন পদৰ পৰা অৱনত কৰিবলৈ চেষ্টা কৰে। কিন্তু অসমীয়া সুধীসমাজ তথা চাহ বাগিচাৰ অধিকাৰী দুৰ্গেশ্বৰ শৰ্মা, ড° ৰাধানাথ ফুকন, ঈশ্বৰ প্ৰসাদ বৰুৱা, শিৱপ্ৰসাদ বৰুৱা আদি ব্যক্তিসকলৰ প্ৰচেষ্টাত সেই ষড়যন্ত্ৰ ব্যৰ্থ হয়। ডিব্ৰুগড়ত এবাৰ ভয়ঙ্কৰ কলেৰা মহামাৰীয়ে দেখা দিছিল। ডাঃ বসুৱে দিনে নিশাই ৰোগীসকলৰ শুশ্ৰূষা কৰি ৰোগ আয়ত্বলৈ আনিছিল। তেখেতৰ এনে একনিষ্ঠ সেৱাৰ বিষয়ে ১৯৩০ খৃষ্টাব্দৰ ২৫ অক্টোবৰ তাৰিখৰ Time of Assam নামক বাতৰিকাকতত উচ্চ প্ৰশংসামূলক বাতৰি প্ৰকাশিত হৈছিল।

স্বোপাৰ্জিত বহু ধন ব্যয় কৰি তেখেতে অনাথ শিশুসকলৰ শিক্ষাৰ ব্যৱস্থা কৰিছিল, এনেকি কিছু মেধাৱী অনাথ শিশুক ভাৰতীয় লোকসেৱা বিভাগতো সোমাব পৰাকৈ শিক্ষাৰ ব্যৱস্থা কৰি দিছিল। এনে দীনবন্ধু ব্যস্ত চিকিৎসক ডাঃ বসুৰ সাহিত্য, কলা, দৰ্শন, ধৰ্ম বিষয়ক গ্ৰন্থ অধ্যয়ন কৰাৰ প্ৰতি অতি ধাউতি আছিল। লগতে সংস্কৃত, হিন্দী, নেপালী, অসমীয়া ভাষাৰো জ্ঞান অৰ্জন কৰিছিল।

ডাঃ কালীপ্ৰসন্ন বসুৰ অন্য এক সুখ্যাত কীৰ্তি হৈছে "বিৰাজ" প্ৰতিষ্ঠা যাক সৰ্বসাধাৰণ ৰাইজে 'বিৰাজ আশ্ৰম' বুলি জানে। ১৮৯৫ চনত ডিব্ৰুগড়লৈ অহা ডাঃ বসুৱে ১৯১০ চনৰ ৩১ ডিচেম্বৰৰ দিনা শ্ৰীশ্ৰীমুক্তানন্দ পৰমহংস দেৱৰ সাক্ষাৎ লভি তেখেতৰ পাণ্ডিত্য আৰু ব্যক্তিত্বত মুগ্ধ হৈ সপৰিবাৰে শিষ্যত্ব গ্ৰহণ কৰে আৰু 'বিৰাজ' নামক আধ্যাত্মিক জ্ঞান চৰ্চাৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰে। ১৯১৬ চনত নিজা মাটি-বাৰীৰে আশ্ৰম সদৃশ পৰিৱেশ গঢ়ি তোলা এই 'বিৰাজ' বা ওঁম বাবাৰ আশ্ৰম বুলি খ্যাত এই অনুষ্ঠানটি হিন্দু, ইছলাম, খ্ৰীষ্টিয়ান আদি সকলো ধৰ্মৰে সমন্বয় সাধন কৰি এক উন্নত মানৱ জাতি গঠন কৰা আৰু মানৱসেৱাৰ কেন্দ্ৰ। ১৯২৩ চনত পাণ্ডুত আৰু ১৯২৫ চনত গুৱাহাটীত 'বিৰাজ'ৰ শাখা স্থাপন কৰা হয়। ভাৰতৰ পূৰ্বাঞ্চলৰ এই 'বিৰাজ' আছিল সংস্কৃত আৰু বেদান্ত দৰ্শন চৰ্চাৰ এক নামজ্বলা কেন্দ্ৰ আৰু অসমৰ বাহিৰৰ পৰাও বিভিন্ন ধৰ্মাৱলম্বী পণ্ডিতসকলে শাস্ত্ৰ চৰ্চাৰ বাবে ইয়ালৈ আহিছিল। ই এটি শিক্ষাকেন্দ্ৰও আছিল। 'বিৰাজ'ত পাঠশালা, সংস্কৃত শিক্ষাৰ চতুষ্পাঠী ছাত্ৰাৱাস, এটি ছাত্ৰালয় (Student home), এখন ৰাজহুৱা বিদ্যালয় (বৰ্তমান ৰজনীকান্ত বৰদলৈ পথৰ ডুমডুমা ষ্টোৰচ্ৰ কাষত অৱস্থিত আছিল) আৰু এখন ডাঙৰ কৃষিপাম আছিল। 'বিৰাজ'ৰ শিক্ষাৰ মূল উদ্দেশ্য আছিল ব্যক্তিগত সাধনাৰে মানৱ আত্মাৰ বিকাশ সাধন আৰু আত্মনিৰ্ভৰশীলতা। চৰকাৰী অনুদান বা অনা-শিষ্য ৰাইজৰ বৰঙণি গ্ৰহণ কৰা নহৈছিল। পণ্ডিচেৰীৰ ঋষি অৰবিন্দৰ আশ্ৰম স্বামী বিবেকানন্দৰ গৌড়ীয় মঠৰ সৈতে 'বিৰাজ' পৰিচালনাৰ সাদৃশ্য আছিল; আমাৰ সত্ৰসমূহৰ পৰিচালনা নীতিৰ সৈতেও যথেষ্ট সাদৃশ্য দেখা যায়। উল্লেখযোগ্য যে ড° যোগীৰাজ বসুৰ কৰ্মজীৱনৰ আৰম্ভণিতে কটন কলেজত সংস্কৃত বিভাগত শিক্ষক ৰূপে নিয়োজিত হোৱাৰ "টেলিগ্ৰাম" খন চৰকাৰী ডাকপিয়নে হাতে হাতে দিবলৈ যাওঁতে ড° যোগীৰাজ বসুৱে 'বিৰাজ'ৰ 'আলোকপুৰী' নামৰ কৃষিপামত ধন দাই থকা অৱস্থাত লগ পাইছিল।

এনে এটি জ্ঞানসাধনাৰ আলয়তে ১৯১১ খ্ৰীষ্টাব্দৰ ২৯ ডিচেম্বৰ শুকুৰবাৰে ডাঃ কালীপ্ৰসন্ন বসুৰ পুত্ৰ যোগীৰাজ বসুৰ জন্ম হয়। তেখেতৰ মাতৃৰ নাম সৰোজীনি বসু। সৰোজীনি বসুও ওঁম বাবাৰ আধ্যাত্মিক ভাৱৰ দ্বাৰা প্ৰভাৱান্বিতা শিষ্য আছিল। তেখেতে সুশিক্ষিতা আৰু কবি আছিল। যোগীৰাজ বসুৰ ওপৰিত তেখেতসকলৰ আৰু এক পুত্ৰ সহ দুগৰাকী কন্যা আছিল। দুয়োগৰাকী কন্যাৰ শিক্ষা গ্ৰহণৰ বাবে পিতৃ-মাতৃ যত্নপৰ আছিল সেই কালতেই। এগৰাকী কন্যাৰ সাহিত্যিক প্ৰতিভাও স্ফুৰিত হৈছিল আৰু তেখেতৰ ৰচনা ৰাজি বঙ্গদেশৰ সাহিত্য পত্ৰিকাসমূহত প্ৰকাশিত হৈছিল। ১৯৩০ চনৰ ছয় অক্টোবৰৰ দিনা ৫৬ বছৰ ৮ মাহ বয়সত ডাঃ কালীপ্ৰসন্ন বসুৰ মৃত্যু হয় ডিব্ৰুগড় 'বিৰাজ' আশ্ৰমতে।

**শিক্ষাজীৱন ঃ**

যোগীৰাজ বসুৰ শিক্ষাজীৱনৰ পাতনি ডিব্ৰুগড়ৰে এক ৰাজহুৱা নিম্ন বিদ্যালয়ত। ১৯২২ চনত তেখেতে "জৰ্জ ইনষ্টিটিউচন"ৰ (বৰ্তমান বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়) ষষ্ঠমান শ্ৰেণীত নামভৰ্ত্তি কৰে। ১৯২৮ চনত উক্ত বিদ্যালয়ৰ পৰাই তিনিটা বিষয়ত 'লেটাৰ'সহ ষ্টাৰ মাৰ্ক সহ অসমৰ ভিতৰতে দ্বাদশ স্থান অধিকাৰ কৰি প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। সেই কালৰ জৰ্জ ইনষ্টিটিউচনৰ শিক্ষকবৃন্দ নীলমণি ফুকন, গোবিন্দ চন্দ্ৰ শৰ্মা, মোহনচন্দ্ৰ বৰদলৈ, ধীৰেশ্বৰ ভট্টাচাৰ্য্য, তুলসীপ্ৰসাদ দত্ত, ৰাজেন্দ্ৰনাথ ভট্টাচাৰ্য, বলোৰমা দুৱৰা, কুশকান্ত পাটে, প্ৰসাদচন্দ্ৰ তামুলী, উমাপ্ৰসন্ন দে, চাৰুচন্দ্ৰ দাস, ভৱানীপ্ৰসাদ দত্ত প্ৰমুখে সকলো শিক্ষকৰে বৰ স্নেহৰ পাত্ৰ আছিল যোগীৰাজ বসু। অত্যন্ত মেধাৱী ছাত্ৰ যোগীৰাজ বসুৰ গুৰু ভক্তি আছিল অসীম। ড° বসুৱে চিৰজীৱন উক্ত শিক্ষানুষ্ঠানৰ গুৰুসকলৰ আদৰ্শনীয় শিক্ষা পদ্ধতি, ছাত্ৰৰ প্ৰতি পুত্ৰৱৎ ব্যৱহাৰ, নিয়মানুবৰ্তিতা, খেল-ধেমালিৰ অভিলেখ, প্ৰতিষ্ঠা দিৱসৰ (২ ফেব্ৰুৱাৰী) ওখলমাখল আনন্দ, নিয়মীয়া শিক্ষাৰ

অতিৰিক্ত জ্ঞান চৰ্চৰে এক পৱিত্ৰ মন্দিৰ বুলি বৰ্ণনা কৰিছিল। তেনেদৰে ড০ বসুৰ শিক্ষক বাগ্মীবৰ নীলমণি ফুকনে "মোৰ ছাত্ৰ যোগীৰাজ বসু" শীৰ্ষক লেখনীত "যোগীৰাজ বসু আমাৰ ছাত্ৰ আছিল বোলতকৈ যোগীৰাজৰো আমি এদিন শিক্ষক আছিলো বুলিলেহে আমাৰ গৌৰৱৰ বিষয় হ'ব" বুলি উল্লেখ কৰাৰ লগতে আৰু কৈছে যে 'গুৰুতো অধিক শিষ্য' হোৱাৰ আনন্দ উপভোগ কৰিবলৈ পাই তেখেতে নিজকে ধন্য মানিছে। আন এগৰাকী শিক্ষক বিষ্ণু কিংকৰ কলিতাই নিজৰ গুণ-গৰিমাৰে স্মৃতিপটত উজ্জ্বল হৈ থকা ছাত্ৰসকলৰ ভিতৰত যোগীৰাজ বসু অন্যতম বুলি উল্লেখ কৰি কিদৰে ড° বসুৱে অধ্যক্ষ হৈ অৱস্থাত প্ৰৱেশিকা পৰীক্ষাৰ কাৰ্য সংক্ৰান্তত বিদ্যালয়লৈ যাওঁতে গুৰুৰ সন্মুখত চকীত নবহি থিয় হৈ কাৰ্য পৰিচালনা কৰাৰ ঘটনা বৰ্ণনা কৰিছে "মোৰ ছাত্ৰ যোগীৰাজ" শীৰ্ষকৈ ৰচনাত। গুৰু-শিষ্যৰ এনে মধুৰ সম্পৰ্ক সঁচাই আদৰ্শনীয়। বাগ্মীবৰ ফুকনদেৱে যোগীৰাজ বসুক স্কুলীয়া জীৱনত 'বিনয় বিভূষিত বিলাসীতা বিবাৰ্জিত' ৰূপত 'বালব্ৰহ্মাচাৰী' বুলি বৰ্ণনা কৰিছে। সেইদৰে বিষ্ণুকিংকৰ কলিতা মহোদয়ে কোনোদিনে শ্ৰেণীত দ্বিতীয় হৈ নোপোৱা মেধাৱী ছাত্ৰ জনক তেলবিহীন চুটিকৈ কটা চুলি, জোতা-পাদুকা বিহীন শুদা ভৰি, বিলাসীতা ওচৰ চাপিব নোৱৰা সাধাৰণ বেশভূষাৰে ব্ৰহ্মা চৰ্যব্ৰতীৰ পূৰ্ণৰূপ বুলি বৰ্ণনা কৰিছে উপৰোক্ত প্ৰবন্ধটিত। জ্ঞানতপস্বী ড° বসুৰ সৰুকালত এই ব্ৰহ্মাচাৰী সদৃশ ৰূপটি আজীৱন অবিচল হৈ থাকিল।

**গুৱাহাটীত উচ্চ শিক্ষাৰ পাতনি ঃ**

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯২৮ চনতে উচ্চ শিক্ষাৰ বাবে তেখেতে গুৱাহাটীৰ কটন কলেজত নাম ভৰ্তি কৰে আৰু ১৯৩০ চনত দুটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত আই.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। কটন কলেজতো ড° বসু কলা আৰু বিজ্ঞান, উভয় বিভাগৰ সকলো শিক্ষকৰে প্ৰিয় ছাত্ৰ আছিল। আচাৰ্য লক্ষ্মীনাৰায়ণ চেটাৰ্জী, ড° বাণীকান্ত কাকতি, অধ্যাপক পি.চি. ৰায়, অধ্যাপক মহীবুল্লা, আশু চেটাৰ্জী, সূৰ্য কুমাৰ ভূঞা, শ্ৰীনাম চক্ৰৱৰ্তী, আৰ.আৰ. টমাছ প্ৰমুখ্যে শিক্ষাবিদসকলৰ অতি মৰমৰ ছাত্ৰ যোগীৰাজ বসুৱে শিক্ষকসকলৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাবান আছিল। সেইসময়ত দেশত অসহযোগ আৰু আইন অমান্য আন্দোলন চলিছিল আৰু কটন কলেজৰ ছাত্ৰসমাজকো আন্দোলনৰ ঢৌৱে চুই গৈছিল। যোগীৰাজ বসুও তাৰ ব্যতিক্ৰম নাছিল আৰু তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, ডাঃ ভূৱনেশ্বৰ বৰুৱা প্ৰমুখ্যে স্বাধীনতা আন্দোলনৰ নেতৃবৃন্দৰ লগত তেওঁৰ অন্তৰংগতা আছিল। একান্তমনে অধ্যয়নত ৰত থকা ছাত্ৰ হোৱা সত্বেও দেশৰ স্বাধীনতা যুদ্ধৰ প্ৰতি সমৰ্থন আছিল বাবেই অসমৰ আন্দোলনৰ নেতাসকলৰ লগত শ্ৰদ্ধাপূৰ্ণ সম্পৰ্ক আছিল। পূৰ্বতে উল্লেখ কৰা হৈছে যে ড° বসুৰ পিতৃকুল ঋষি অৰবিন্দৰ বংশৰ ঠাল। ঋষি অৰবিন্দ পূৰ্বতে অৰবিন্দ ঘোষ ৰূপে জনাজাত আছিল, সেইসময়ত তেখেত আৰু তেখেতৰ ভ্ৰাতৃ বাৰীন ঘোষ্ ভাৰতৰ স্বাধীনতাৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ সেনানী আছিল আৰু ভাৰতক্ জোকাৰি যোৱা কলিকতাৰ আলিপুৰ বোমা বিস্ফোৰণৰ মোকাৰ্দমাত অভিযুক্ত হৈ বিচাৰৰ ৰায় অনুসৰি কাৰাবাস খাটিছিল।

যোগীৰাজ বসুৱে ১৯৩০ চনত দুটা বিষয়ত 'লেটাৰ'সহ প্ৰথম বিভাগত আই.এ. পৰীক্ষাত উত্তীৰ্ণ হয় কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কটন কলেজৰ পৰা। পুনৰ সেই একে কলেজতে সংস্কৃত বিষয়ক 'অনাৰ্চ' বা সন্মান বিষয়ৰূপে লৈ অধ্যয়ন কৰে। ১৯৩২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত সংস্কৃত অনাৰ্চত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্বৰ্ণপদক লাভ কৰি স্নাতক পৰীক্ষাত কৃতকাৰ্য হয়।

**কলিকতাত উচ্চ শিক্ষাৰ কালত ঃ**

১৯৩৪ চনত কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ সংস্কৃত বিভাগৰ 'গ' শাখা (বেদান্ত)ৰ ছাত্ৰৰূপে বসু মহোদয়ে স্নাতকোত্তৰ মহলাৰ (M.A.) সকলো বিভাগৰ ভিতৰত সৰ্বোচ্চ নম্বৰ, দুটা নগদ ধনৰ পুৰস্কাৰ, তিনিটা স্বৰ্ণপদক আৰু 'গোসাই বৃত্তি' (Gosain Scholarship) লৈ অতি কৃতকাৰ্যতাৰে উত্তীৰ্ণ হয়। ইয়াৰ পাছত ১৯৩৬ চনত সংস্কৃতৰ 'খ' শাখাত (বেদ) প্ৰথম স্থান অধিকাৰ কৰি স্নাতকোত্তৰ ডিগ্ৰী লয়। সিমানতো ক্ষান্ত নহৈ তেখেতে ১৯৩৮ চনতকলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্য বিষয়ত দ্বিতীয় স্থান অধিকাৰ কৰি স্নাতকোত্তৰ উপাধি গ্ৰহণ কৰে।

এইখিনিতে এটা কথা উল্লেখযোগ্য যে কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগত যোগীৰাজ বসুৰ শিক্ষাগুৰু সকলৰ ভিতৰত মহাৰাষ্ট্ৰৰ মহামহোপাধ্যায় সীতাৰাম শাস্ত্ৰী,

দাক্ষিণাত্যৰ অনন্তকৃষ্ণ শাস্ত্ৰী প্ৰভূতি কেইবাগৰাকীও স্বনামধন্য বিদগ্ধ সংস্কৃত পণ্ডিত শিক্ষক আছিল যিসকলে ইংৰাজী, হিন্দী আদি ভাষা নাজানিছিল, কেৱল সংস্কৃত ভাষা আৰু মৰাঠী, তামিল আদি নিজ নিজ মাতৃভাষাহে ক'ব পাৰিছিল, গতিকে তেখেতসকলৰ সৈতে ভাবৰ আদান-প্ৰদান যোগীৰাজ বসুৱে সংস্কৃত ভাষাৰ মাধ্যমেৰে কৰিছিল। ফলত তেখেত মাতৃভাষাৰ দৰে সংস্কৃতত কথা কোৱাৰ দক্ষতা লাভ কৰিছিল। সেয়ে শিৱসাগৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ, ডিব্ৰুগড় বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ লক্ষ্মীনাথ বেজবৰুৱাৰ আসনৰ প্ৰাক্তন অধ্যাপক পৰাগ চলিহা মহোদয়ে ডঃ যোগীৰাজ বসুৰ সন্দৰ্ভত কৈছিল যে "বংশগত ৰূপে মূলতঃ বাংলা ভাষা-ভাষী হৈও অসমীয়া সাহিত্যত বৰণীয়া কৃতিত্ব অৰ্জন কৰিব পৰা লোক বুলিলে থিতাতে ডঃ বসুলৈকে আঙুলিয়াব লাগিব। একাধাৰে সংস্কৃত, বঙালী, ইংৰাজী আৰু অসমীয়াত অনৰ্গল সাৰগৰ্ভ সুন্দৰ বক্তৃতা দিব পৰা মানুহ দ্বিতীয়গৰাকী মানুহ মই জনাত অসমত ওলোৱা টান।" এই কথা সেইসকলৰ বহু বৰেণ্য ব্যক্তিয়ে শ্ৰদ্ধা সহকাৰে উল্লেখ কৰিছে।

কলিকতা বিশ্ববিদ্যালয়ত পঢ়ি থকা কালত যোগীৰাজ বসু মহোদয়ে উপৰোক্ত দুজন শাস্ত্ৰজ্ঞ পণ্ডিত ব্যক্তিৰ বাহিৰেও ড° ৰাধাকৃষ্ণণ, ড° সুনীতি কুমাৰ চেটাৰ্জী, ড° সাতকড়ি মুখাৰ্জী, পঞ্চানন তৰ্কবাগীশ, ড° হৰেন্দ্ৰ কুমাৰ সেন, অধ্যাপক তাৰক সেন, অধ্যাপক মোৰাট, অধ্যাপক হামফ্ৰে, ড° পি.চি. ঘোষ, ড° বজেন্দ্ৰনাথ শীল, ড° কৃষ্ণচন্দ্ৰ ভট্টাচাৰ্য্য প্ৰভৃতি যশস্বী পণ্ডিত সকলৰ সান্নিধ্যত জ্ঞান আহৰণ কৰিবলৈ পাই তেখেতসকলৰ প্ৰতি চিৰকাল শ্ৰদ্ধাৱনত আছিল।

মাথো সাহিত্য বিষয়তে বসুদেৱৰ আগ্ৰহ সীমাবদ্ধ নাছিল। তৎকালীন কলিকতাত অনুষ্ঠিত হোৱা বিশ্ববিজ্ঞান কংগ্ৰেছত তেখেতে পৃথিৱী বিখ্যাত বিজ্ঞানীসকলৰ বহুমূলীয়া ভাষণসমূহ শুনিছিল আৰু সাক্ষাৎ কৰিবলৈ গৈছিল। স্মৰ্তব্য যে কলিকতা সেইসময়ত বিজ্ঞান সাধনাৰ এক পীঠস্থান স্বৰূপ আছিল। ড° জগদীশচন্দ্ৰ বসু, ড° সত্যেন্দ্ৰনাথ বসু, ড° মেঘনাদ সাহা, আচাৰ্য্য পি.চি.ৰয়, ড° প্ৰশান্ত চন্দ্ৰ মহনালবিশ আদি জ্যোতিষ্ক সদৃশ্য বিজ্ঞানীসকলৰ ওপৰিও ভাৰতৰ প্ৰথম বিজ্ঞান বিষয়ত ন'বেল বঁটা লাভ কৰা বিজ্ঞানী চাৰ চি.ভি. ৰমনেও কলিকতাৰ বিজ্ঞানাগাৰতহে উক্ত বঁটাৰ পৰীক্ষালানি সম্পন্ন কৰিছিল। বসু মহোদয়ে অন্যান্য বিষয়ো উপভোগ কৰিছিল যেনে ১৯৩৫ চনত কলিকতাত অনুষ্ঠিত বিখ্যাত M.C.C. ক্ৰিকেট ক্লাবৰ ক্ৰিকেট খেল চাবলৈ গৈছিল।

১৯৩৪ চনতে কটন কলেজৰ সংস্কৃত বিভাগত কিছুকাল অধ্যপনা কৰাৰ পাছতেই 'বিৰাজ'ৰ ছাত্ৰটোলৰ অধ্যক্ষৰূপে দায়িত্ব গ্ৰহণ কৰে। কিন্তু তাৰ মাজতেই তেখেতে যাদৱপুৰ বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৬ চনত "India of the age of the Brahmanas (middle Vedic Age)" শীৰ্ষক গৱেষণাৰ বাবে ডক্টৰেট (Ph.D) লাভ কৰে। প্ৰাচ্যতত্ত্ববিদ ইংৰাজ পণ্ডিত Dr. Basham, জাৰ্মান পণ্ডিত ড° হেইবাৰ (Dr. Haiber) আৰু কলিকতা বিশ্ববিদ্যালয়ৰ ড° সাতাকড়ি মুখাৰ্জী ডঃ বসুৰ গৱেষণাগ্ৰন্থৰ পৰীক্ষক আছিল আৰু তেওঁলোকে সেই গৱেষণাকাৰ্যৰ প্ৰভূত প্ৰশংসা কৰি Ph.D. উপাধিৰ বাবে অনুমোদন জনাইছিল।

কলিকতা বিশ্ববিদ্যালয়ৰ ১৯৩৪ চনৰ সমাবৰ্তন অনুষ্ঠানত পশ্চিমীয়া আৰ্হিৰ সাজ পোছাককে যোগদান কৰাৰ কঠোৰ নিয়ম ভাঙি ডঃ যোগীৰাজ বসু মহোদয়ে তেনে সাজ পিন্ধিবলৈ অপাৰগ বুলি পত্ৰযোগে জ্ঞাত কৰাত বিশ্ববিদ্যালয়ে বিশেষভাৱে তেখেতক আপোন সাজ পৰিধান কৰিবলৈ অনুমতি দিছিল। সমাবৰ্তন অনুষ্ঠানত ড° বসুৱে ধুতি, পঞ্জাবী চোলা, উত্তৰীয়ৰে সজ্জিত হৈ বিনা জোতাৰে অৰ্থাৎ শুদ্ধ ভৰিৰে যোগদান কৰি স্বাভিমানৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰে। এইকথা বৰ্ণনা কৰিছে ড° বসুৰ ঘনিষ্ঠজন অন্য এক 'বিৰাজ' নিবাসী পণ্ডিত স্বামী বানগোবিন্দ পৰমপন্থী মহোদয়ে।

**কৰ্মজীৱনৰ আঁৰত ঃ**

আমাৰ সৰ্বসাধাৰণ ৰাইজৰ মাজত এটি ধাৰণা আছে যে উচ্চ শিক্ষা কেৱল উত্তম চাকৰি লাভৰ বাবে। মানুহে কয় "লিখা পঢ়া কৰে যি, ঘোঁৰাগাড়ীত উঠে সি" অৰ্থাৎ পঢ়া-শুনা কৰিব পাৰিলে উচ্চ পদৰ চাকৰিয়াল হৈ আৰামপ্ৰদ জীৱন কটাব পাৰি। কিন্তু আজীৱন জ্ঞানান্বেষী, অধ্যায়ন প্ৰিয় ড° বসু এই সাধাৰণ নিয়মৰ ব্যক্তিক্ৰম। স্বৰ্ণপদকেৰে জাজ্বল্যমান শিক্ষাজীৱনৰ আনুষ্ঠানিক সমাপ্তিৰ পাছতো জ্ঞান অৰ্জনেই জীৱনৰ লক্ষ্য বুলি স্থিৰ কৰি লৈছিল। শিক্ষাজীৱনৰ উজ্জ্বল

সাফল্যই তেখেতৰ মনত কোনো ধৰণৰ অহঙ্কাৰ উৎপাদন কৰা নাছিল। এইক্ষেত্ৰত তেখেতৰ গুৰু ওঁম বাবা আৰু পূজনীয় মাতৃদেৱীয়ে সদায় সাঁকিয়াই আছিল। উচ্চ শিক্ষাৰ শিখৰ স্পৰ্শ কৰাৰ পাছতো তেখেতে দৈনিক প্ৰায় এঘাৰ ঘন্টা অধ্যয়ন কৰিছিল।

ড° যোগীৰাজ বসুৰ কৰ্মজীৱনৰ নিৰ্বাচন তেখেতৰ গুৰু ওঁমবাবাৰ নিৰ্দেশ আৰু মাতৃদেৱীৰ অনুমতি ক্ৰমে হৈছিল। ড° যোগীৰাজ বসুৱে এই বিষয়ে মত প্ৰকাশ কৰিছে যে বাল্যকালৰে পৰা শ্ৰীগুৰুদেৱৰ আদৰ্শৰে চালিত আৰু শিক্ষা লাভৰ ফলত অহঙ্কাৰ বা উচ্চাকাঙ্খাই তেখেতৰ জীৱনত স্থান পোৱা নাই; এনেকি তেখেতৰ মাতৃদেৱীয়ে সদায় সাৱধান কৰি দিছিল এনেদৰে— "সদায় মনত ৰাখিবা যে তুমি ভগৱদ্‌ভক্ত, তুমি সন্ন্যাসী, যশ, মান, খ্যাতিৰ কোনো প্ৰয়োজন নাই তোমাৰ জীৱনত।" আমাৰ অনুমান গুৰুদেৱ প্ৰাচ্য শাস্ত্ৰৰ চৰ্চা কেন্দ্ৰ ৰূপে 'বিৰাজ'ৰ উথঅথৰোত্তৰ উন্নতিৰ নিমিত্তে ড০ বসু ডিব্ৰুগড়ৰ পৰা বাহিৰলৈ গৈ চাকৰি কৰা কথাষাৰত মত দিবলৈ টান পাইছিল, কাৰণ ১৯৩৪ চনৰ পৰাই ড০ বসু 'বিৰাজ' ছাত্ৰাৱাস টোলৰ অধ্যক্ষ ৰূপে সেৱা আগবঢ়াই আছিল। এই কথা যেন বৰ্তমানে প্ৰচলিত এটি আধুনিক দৰ্শনৰ ভাগ, যি ভাগে সোঁৱৰাই থাকে যে "Thibnk Globaly act localy". ড° বসুৰ অভিনন্দন সভাত পূৰ্বৰ অসম বিধান সভাৰ অধ্যক্ষ (Speaker), ডিব্ৰুগড় তথা অসমৰ জননেতা ৰমেশ চন্দ্ৰ বৰুৱা মহোদয়ে যথাৰ্থতে মন্তব্য কৰিছিল যে "পশ্চিম জাৰ্মানী, বৃটিছ যুক্তৰাজ্য, ফৰাচী দেশ, এলাহাবাদ, বিশ্বভাৰতী আদি ভাৰতবৰ্ষৰ ভিতৰে বাহিৰে বিভিন্ন ঠাইত অতিথি অধ্যাপকৰূপে প্ৰাচ্যবিদ্যা বিভাগত বহুমূলীয়া ভাষণ দি সৰ্বভাৰতীয় আৰু আন্তজাৰ্তিক মজিয়াত ডিব্ৰুগড় তথা অসমৰ গৌৰৱ বৃদ্ধি হোৱাত উল্লেখযোগ্য বৰঙণি যোগাইছে।" ড° যোগীৰাজ বসু যেন জাৰ্মান দাৰ্শনিক ইমানুৱেল কান্টৰ দৰে, যি নিজৰ ক্ষুদ্ৰ চহৰ কৌনিচবাৰ্গৰ বাহিৰলৈ কেতিয়াও নোযোৱাকৈয়ে আপোন প্ৰতিভাৰে জগতৰ জ্ঞানযজ্ঞত আহুতি দি নিজৰ জন্মস্থানক বিশ্বমঞ্চলৈ ৰূপান্তৰিত কৰিছিল। আজিৰ যুগত আমি আমাৰ দেশৰ ৰাজহুৱা ধনৰ অনুদান পুষ্ট শিক্ষানুষ্ঠানত পঢ়া মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে সুযোগ পালেই বিদেশলৈ গৈ তাৰে নাগৰিকত্ব গ্ৰহণ কৰি চিৰপ্ৰৱাসী হোৱাৰ বিপৰীতে দেখিবলৈ পাওঁ যে জীৱনত কেইবাবাৰো উচ্চ পদৰ কাৰণে অহা আহবান কোনোপধ্যেই গ্ৰহণ নকৰা আৰু কৰিবলৈ ইচ্ছা নকৰা ড° বসু যেন আত্মত্যাগেৰে উজ্জ্বল এক জ্ঞানতপস্বী। শ্ৰদ্ধেয় গোপীনাথ বৰদলৈৰ প্ৰধানমন্ত্ৰীত্বৰ (মুখ্যমন্ত্ৰী) কালত দিল্লীৰ পৰা এটা উচ্চ প্ৰশাসনীয় পদ গ্ৰহণৰ আহবান নেওচি তেখেতে কৈছিল - "মই অধ্যয়ন অধ্যপনা কৰি থাকিবলৈ বিচাৰোঁ। এইসকলো পদৰ কাৰণে কোনো বাসনা মোৰ নাই।" কানৈ কলেজৰ অধ্যক্ষ হৈ থকা সময়তে তদনান্তীন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই দুবাৰকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদ গ্ৰহণৰ বাবে কৰা অনুৰোধ প্ৰত্যাখ্যান কৰি বিনম্ৰভাৱে কয় যে "মোক এই পদলৈ নিবলৈ যেন অনুৰোধ নকৰে। মই মোৰ ছাত্ৰ জীৱন নষ্ট কৰিবলৈ নিবিচাৰোঁ। অনেক যোগ্য ব্যক্তি আছে; তেওঁলোকৰ মাজৰ পৰা নিৰ্বাচন কৰক।" আন এবাৰ অসমৰ প্ৰাক্তন ৰাজ্যপাল বি.কে. নেহৰুৱে উপাচাৰ্য পদৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন বিচাৰকৰ যোগে জীৱন পঞ্জী (Bio-data) বিচাৰি পঠিয়ালত তেখেতে এক পত্ৰ যোগে লিখিতভাৱে জনাই দিয়ে যে "I shall not accept this post because I do not want to ruin my student carrer. I used the word student in the sense of one engaged in the persuti of learning. I have no craving for these posts." ড° বসুৱে আৰু কৈছিল "প্ৰকৃত জ্ঞানৰ পূজাৰীৰ ছাত্ৰ জীৱনৰ কেতিয়াও ওৰ নপৰে। গোটেই জীৱন ব্যাপিত ছাত্ৰ, অৰ্থাৎ জ্ঞানৰ সাধনা চলি থাকে। যি যিমান ডাঙৰ অধ্যাপক তেওঁ সিমান ডাঙৰ ছাত্ৰ, এই সত্য সকলো শিক্ষকৰে অনুভূতিসিদ্ধ।" নিৰহংকাৰী অধ্যয়নপ্ৰিয় ড০ বসু মহোদয়ে তেখেতৰ গুৰুদেৱ ওঁমবাবা আৰু পূজনীয়া মাতৃৰ অনুমতি ক্ৰমেহে কৰ্মজীৱনৰ স্থল নিৰ্বাচিত কৰিছিল। ড° বসুৱে স্পষ্টভাৱে উল্লেখ কৰিছে যে কানৈ কলেজ গুৰুদেৱৰ তিৰোভাৱৰ পাছতহে স্থাপিত হৈছিল যদিও বহুদিনৰ পূৰ্বে ৰায়বাহাদুৰ নীলাম্বৰ দত্ত ডাঙৰীয়াই ডিব্ৰুগড়ত কলেজ পাতিলে "আপুনি যোগীৰাজ আৰু হৰেন্দ্ৰক পঢ়াবলৈ দিবনে?" বুলি ওঁম বাবাক প্ৰশ্ন কৰিলত বাবাই হাঁহি মাৰি "ডিব্ৰুগড়তে কলেজ পাতিলে নিশ্চয় অনুমতি দিম" বুলি উত্তৰ দিছিল। সেইগুণেৰে ড° বসু কানৈ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হ'বলৈ মান্তি হৈছিল। গুৰুদেৱে ড° বসুক দুবাৰকৈ জাৰ্মানীলৈ পঠাবলৈ দিহা কৰিছিল যদিও গুৰুদেৱৰ

তিৰোভাৱৰ পাছতহে ড° বসুৱে ১৯৭০ চনত পশ্চিম জাৰ্মানীৰ (বৰ্তমান জাৰ্মানী) বিশ্ববিদ্যালয়ৰ অধ্যাপনাৰ আমন্ত্ৰণ গ্ৰহণ কৰিছিল। আজি হয়তো বহুজনে এনে কথা বিশ্বস কৰিবলৈ টান পাব বা বাস্তৱ পৃথিৱীৰ সৈতে খাপ নোখোৱা আচহুৱা কথা বুলি ভাবিব কিন্তু এই সকলো কথা সত্য; বহু বিদগ্ধজনে এই সমূহ কথা লিপিবদ্ধ কৰি থৈ গৈছে। প্ৰকৃততে ই ভাৰতৰ বহু প্ৰাচীন জ্ঞান সাধনাৰ মাৰ্গ যি শ্ৰদ্ধা আৰু সাধনাৰ দ্বাৰা জ্ঞান আহৰণ কৰিবলৈ জ্ঞানতপস্বী সকলক উদ্‌গণি দিয়ে, পাৰ্থিৱ সা-সুবিধাৰে আড়ম্বৰপূৰ্ণ জীৱন লভিবলৈ জ্ঞান আৰু শিক্ষাক পণ্যৰ দৰে ব্যৱহাৰ কৰিবলৈ নহয়। ড০ যোগীৰাজ বসু সেই কঠিন মাৰ্গৰ অন্যতম বিৰল দিক্‌সঞ্চাৰী যাত্ৰী।

**কৰ্মযজ্ঞত ড° বসু ঃ**

১৯৩৪ চনত প্ৰথম স্বৰ্ণপদক সহ স্নাতকোত্তৰ উপাধি লাভ কৰাৰ পাছতেই কটন কলেজৰ সংস্কৃত বিভাগৰ যশস্বী অধ্যাপক লক্ষ্মীনাৰায়ণ চেটাৰ্জী গুৰুতৰ ভাৱে অসুস্থ হৈ পৰাত ড° যোগীৰাজ বসুৱে হ্ৰস্বকালৰ বাবে নিজা নিক্ষানুষ্ঠানত অধ্যপকৰূপে নিয়োজিত হয়। তেতিয়া তেখেতৰ বয়স মাত্ৰ বাইশ বছৰহে আছিল।

হ্ৰস্বকালীন অধ্যাপনাৰ পাছত ১৯৩৪ চনতেই তেখেতে বিৰাজ ছাত্ৰাবাস টোলৰ অধ্যক্ষ তথা অধ্যাপকৰ দায়িত্ব গ্ৰহণ কৰে আৰু একেৰাহে ১৯৬৪ চনলৈকে এই দায়িত্ব বহন কৰে বুলি শ্ৰদ্ধেয় হেৰম্ব বৰদলৈয়ে উল্লেখ কৰিছে; অন্যতম বিৰাজবাসী পণ্ডিত ড° প্ৰিয়াংশু প্ৰবাল উপাধ্যায়ে ড° বসুৱে সংস্কৃতৰ প্ৰথম স্নাতকোত্তৰ উপাধি লাভৰ পাছতেই কটন কলেজত অলপ দিনৰ কাৰণে অধ্যাপনা কৰে যদিও সংস্কৃতত আন এটা বিভাগত আৰু ইংৰাজীত এম.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ আহি 'বিৰাজ ছাত্ৰাৱাস টোল' চতুষ্পাঠীত নিয়মিত অধ্যাপনা আৰম্ভ কৰে বুলি লিপিবদ্ধ কৰিছে। "বিৰাজ ছাত্ৰাৱাস" টোলৰ তদনান্তীন ভাৰপ্ৰাপ্ত শ্ৰীমৎ হৰেন্দ্ৰনাথ ব্ৰহ্মচাৰী, এম.এ., প্ৰাচ্য বিদ্যাবাগীষ মহোদয়ে অধ্যক্ষ যোগীৰাজ বসু ডাঙৰীয়াই পাঠ সাং কৰি বিৰাজলৈ অহাৰ লগে লগে চতুষ্পাঠীৰ তত্ত্বাৱধানৰ ভাৰ তেখেতক সঁপি দিয়ে। সেই সময়ৰ চৰ্তুষ্পাঠীৰ অন্যতম ছাত্ৰ ড° উপাধ্যায়ে আৰু উল্লেখ কৰিছে যে "তেখেতৰ অধ্যাপনা অতি হৃদয়গ্ৰাহী হোৱা বাবে তেখেতৰ পঢ়োৱা বিষয়টো আমি সহজে হৃদয়ঙ্গম কৰিব পাৰিছিলো - তেখেতৰ অধ্যাপনাৰ ই এক নিজস্ব বৈশিষ্ট্য।" কেৱল অধ্যয়ন-অধ্যাপনাই নহয়, ড° উপাধ্যায়ে বৰ্ণনা কৰিছে এইবুলি যে "নিয়ম শৃঙ্খলা আৰু ত্যাগ-বৈৰাগ্যৰ মাজেদি স্বাৱলম্বন জীৱন-যাপনা আমাৰ গুৰুদেৱৰ বিশেষ শিক্ষা। সেই শিক্ষা অনুসৰি অধ্যাপক ড° বসুদেৱক আগত ৰাখি বিৰাজৰ ছাত্ৰবৃন্দই আমি সকলোৱে অতি উৎসাহেৰে তেতিয়া বিৰাজ উদ্যান আৰু আলোকপুৰীৰ খেতি বাৰীত হালবোৱা, ভুঁই ৰোৱা,ধান কটা, কবি, আলু ইত্যাদিৰ খেতি কৰা কামৰ দ্বাৰা নিজহাতেৰে শস্যাদি উৎপাদন কৰি বিভিন্ন কাম-কাজৰ মাজেদি বিৰাজৰ সেৱাত যুক্ত আছিলো আৰু এক অনিৰ্বচনীয় আনন্দ অনুভৱ কৰিছিলোঁ।"

**অনন্য কৰ্মভূমিঃ কানৈ কলেজ ঃ**

১৯৪৫ চনৰ ১৫ জুন বৃহস্পতিবাৰৰ দিনটো ডিব্ৰুগড়ৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা এটি দিন। সেইদিনা জৰ্জ স্কুলৰ চৌহদত প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনীচৰণ চৌধুৰীৰ অফুৰন্ত উদ্যম, অক্লান্ত চেষ্টাৰ ফলত "ডিব্ৰুগড় কলেজ" নামক উচ্চশিক্ষাৰ জ্ঞানমন্দিৰটি স্থাপিত হয়; প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু মহোদয় আৰু প্ৰতিষ্ঠাপক উপাধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্ত মহোদয়। ধনৰ থলীত আছিল মাঁথো দুটা আধলি, তাৰে এটা ড° বসুৰ দান। অৱশ্যে সেইকালত এটা আধলি বা আঠঅনাৰ মূল্য বহুত বেছি আছিল। প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনীচৰণ চৌধুৰীৰ মতে "শ্ৰীবসুৰ দৰে ব্যক্তিৰ সহযোগ অবিহনে সেই সময়ত ডিব্ৰুগড়ৰ শিক্ষাজগতত বেলিৰ পোহৰ পৰিলহেঁতেন নে পলমকৈ পৰিলহেঁতেন ক'ব নোৱাৰি। সেইদিনাই শ্ৰীবসু এখন আশ্ৰমৰ নিয়ম-নীতিৰ পৰা এটা অফিছৰ নিয়ম-নীতিলৈ স্থানান্তৰিত হৈছিল, কৈ থোৱা মতে From খনত "Admit" J.R. Basu Principal, Dibrugarh College বুলি চহী কৰিছিল।" ড° বসুৰ সাধাৰণ কুৰ্তাটোৰ ওপৰত চৌধুৰীয়ে পাটৰ চাদৰ এখন মেৰিয়াই ডিব্ৰুগড়ৰ শিক্ষা মহাযজ্ঞৰ ঋত্বিক ৰূপে বৰণ কৰিছিল। ড° বসুৱে সেইদিনাহে বোলে প্ৰথম চেক বহী দেখিছিল আৰু হাতত লৈছিল।

অধ্যক্ষ ৰূপে কাৰ্যভাৰ ল'লেও ড° বসু মহোদয়ে পুৱাৰ ভাগত নিয়মীয়াকৈ শ্ৰেণীত পাঠদান কৰিছিল। ইংৰাজী, সংস্কৃত বিষয়ৰ অধ্যাপনাৰ ওপৰিও প্ৰয়োজন অনুসৰি দৰ্শন, বাংলা আদি বিষয়ৰো শ্ৰেণীসমূহত পঢ়াইছিল কিয়নো নতুনকৈ স্থাপিত হোৱা কলেজ এখনলৈ বিনা দৰমহাৰে সেৱা আগবঢ়াবলৈ অধ্যাপকৰ সংখ্যা অপ্ৰতুল আছিল। ডিব্ৰুগড় কলেজৰ (এতিয়া ডিঃহঃসূঃ কানৈ কলেজৰ) স্বীকৃতিৰ বাবে তেখেতে প্ৰতিষ্ঠাপক সম্পাদকৰ সৈতে কলিকতালৈ গৈ কলিকতা বিশ্ববিদ্যালয়ৰ ছিনেটৰ কাৰ্যবাহীসকল, কলেজ পৰিদৰ্শকে আদি কৰি বহুজনক লগ ধৰিছিল। সেইসময়ৰ মন্ত্ৰী মাননীয় চৈয়দুৰ ৰহমান আৰু দেৱেশ্বৰ শৰ্মাৰ দৰে কতৃত্বশীল লোকে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভৰ বাবে অনুমোদন জনাইছিল।

ড° বসুৱে অধ্যক্ষ হোৱা কালৰ প্ৰথমছোৱাত অৰ্থাৎ ১৯৪৫ ৰ পৰা ১৯৪৭ চনলৈকে ডিব্ৰুগড় কলেজৰ সকলো কাম-কাজ তেতিয়াৰ জৰ্জ হাইস্কুলত (এতিয়াৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়) সম্পন্ন হৈছিল। ১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈকে কলেজৰ কাম চৰকাৰী বালিকা বিদ্যালয়ে খালী কৰি দিয়া খেৰীঘৰটোতে চলিছিল। দানবীৰ হনুমানবক্স কানৈ আৰু তেখেতৰ ভাতৃ সুৰজমল কানৈৰ আৰ্থিক অনুদানেৰে ডিব্ৰুগড় পৌৰসভাই দান দিয়া মাটিত নতুন ভৱন নিৰ্মাণৰ সিদ্ধান্ত লোৱা হয়। সেয়েহে ১৯৫০ চনতে ডিব্ৰুগড় কলেজৰ নাম সলনি হৈ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ হয়। ৰায়বাহাদুৰ হনুমানবক্স কানৈ ডাঙৰীয়াই বৰ্তমান কলেজৰ আটকধুনীয়া ভৱনটো আৰু কানৈ পৰিয়ালৰ তৰফৰপৰা বৰ্তমানৰ প্ৰেক্ষাগৃহটি নিৰ্মাণ কৰিবলৈ অৰ্থ সাহাৰ্য প্ৰদান কৰিছিল। ড° বসুৱে প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে প্ৰতিষ্ঠাপক উপাধ্যক্ষ মজিবুৰ ৰহমান (অংশকালীন), প্ৰথম পূৰ্ণকালীন উপাধ্যক্ষ ড° লক্ষীপ্ৰসাদ দত্ত পৰিচালনা সমিতি, অধ্যাপক, কাৰ্যালয়ৰ কৰ্মচাৰী, ছাত্ৰ সকলোৰে সহযোগত দোপত দোপে উন্নতিৰ দিশলৈ আগুৱাই নিয়ে। ইতিমধ্যে ডিব্ৰুগড়ত নাৰীৰ উচ্চশিক্ষাৰ দাবী প্ৰৱল হৈ উঠাত আৰু কানৈ কলেজৰ আসনৰ সংখ্যা সীমিত হোৱাত কলেজ অনতি দূৰত্বত মনোহাৰী দেৱী কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠিত হয় ১৯৬৩ চনত কানৈ পৰিয়ালৰ বদান্যতাত। এই নতুন মহিলা মহাবিদ্যালয়ৰ গুৰি-ব'ঠা ধৰিবলৈ ড° যোগীৰাজ বসুকে প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে ভাৰ দিয়ে। সেইমতে ড° বসুৱে ১৯৬৩ চনৰ ২৫ জুলাইৰ পৰা ১৯৬৫ চনৰ ০৩ জুলাইলৈকে মনোহাৰী মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে সেৱা আগবঢ়াই ১৯৬৫ চনৰ জুলাই মাহৰ পৰা ১৯৬৭ চনলৈকে পুনৰ ডিঃহঃসূৰজমল কানৈ মহাবিদ্যালয়ত অধ্যক্ষৰূপে দায়িত্ব সুচাৰুৰূপে পালন কৰে। ইয়াৰ মাজতে তেখেতে ১৯৬৬ চনত যাদৱপুৰ বিশ্ববিদ্যালয়ৰ পৰা Ph.D উপাধি লাভ কৰে।

**অন্যান্য কৰ্মভূমি ঃ**

১৯৬৭ চনতে ড° বসুৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপকৰ পদত যোগদান কৰি ১৯৭৩ চনলৈকে অধ্যাপনা কাৰ্য সুসম্পাদন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত থকা সময়ছোৱাত একাধিক বিশ্ববিদ্যালয়ত আমন্ত্ৰিত বক্তাৰূপে ভাৰ-গধুৰ বক্তৃতা প্ৰদান কৰে। তাৰে কেইটিমান উল্লেখ কৰা হ'ল। ১৯৬৯ চনত এলাহাবাদৰ ড° গঙ্গানাথ ঝা গৱেষণা কেন্দ্ৰত বক্তৃতা প্ৰদান কৰে। ১৯৭০ চনত ইউৰোপৰ তেতিয়াৰ পশ্চিম জাৰ্মানী গোৱেটিংজেন বিশ্ববিদ্যালয়ৰ প্ৰাচ্য বিদ্যা বিভাগত অতিথি অধ্যাপক (Visiting Professor) ৰূপে সেৱা আগবঢ়াই থকা কালতে বৃটেইনৰ অক্সফোৰ্ড বিশ্ববিদ্যালয় আৰু ফ্ৰান্সৰ চৰবন বিশ্ববিদ্যালয়ত ভাষণ প্ৰদান কৰে। ১৯৭১ চনত শান্তিনিকেতনৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাতা কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ পিতৃৰ সোঁৱৰণীত অনুষ্ঠিত মহৰ্ষি দেৱেন্দ্ৰনাথ ঠাকুৰ স্মাৰক বক্তৃতামালাৰ প্ৰথমগৰাকী আমন্ত্ৰিত বক্তাৰূপে বক্তৃতা প্ৰদান কৰে। ১৯৭১ চনতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বেদান্তৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। এই বক্তৃতাটি পাছত "বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম" নামেৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে গ্ৰন্থাকাৰে প্ৰকাশ কৰে। ১৯৭৩ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা গৱেষকৰূপে অনুমোদন লাভ কৰে। আঁচনিমতে তেখেতৰ বিষয় আছিল "উপনিষদৰ যুগত ভাৰত"। ১৯৭৫ চনত নগাঁও চহৰত অনুষ্ঠিত সদৌ অসম সংস্কৃত সন্মিলনৰ সমাৱৰ্তন উৎসৱত দীক্ষান্ত ভাষণ (Convocation adress) প্ৰদান কৰে। ৰাজ্যচৰকাৰে গঠন কৰা সংস্কৃত আয়োগৰ সভাপতি আছিল তেখেত।

বিৰাজ ছাত্ৰাৱাস টোলৰ পৰা আৰম্ভ হোৱা জ্ঞানমাৰ্গী ড° বসুৰ যাত্ৰা কানৈ কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অক্সফোৰ্ড, চৰৱন, গোৰেটিংজেন, এলাহাবাদ, বিশ্বভাৰতী হৈ নগাওঁ, ডিব্ৰুগড় বিশ্ববিদ্যালয় লৈকে প্ৰকৃতাৰ্থতে এক উজ্জ্বল আলোকিত যাত্ৰা, যি কেৱল সেইস্থানসমূহত আবদ্ধ নহৈ পোহৰাই তুলিছিল বিশ্বৰ সুধীসমাজক। বিদেশত যিদৰে তেখেতৰ অধ্যাপনা আৰু বক্তৃতাই ভূয়সী প্ৰশংসা লাভ কৰিছিল, দেশৰ বিভিন্ন ঠাইতো সেইদৰে সমাদৃত হৈছিল। ড° বসুৱে বিশ্বভাৰতী বিশ্ববিদ্যালয়ত প্ৰদান কৰা মহৰ্ষি দেৱেন্দ্ৰনাথ ঠাকুৰ স্মাৰক বক্তৃতামালাৰ প্ৰথম বক্তৃতা "উপনিষদে ভাৱাদৰ্শ আৰু সাধনা" শীৰ্ষক বক্তৃতাটি উচ্চ প্ৰশংসিত হৈ পাছত গ্ৰন্থাকাৰে প্ৰকাশিত হয়। বঙ্গদেশত বহু প্ৰকৃত পণ্ডিতৰ সৈতে অনেক উন্নাসিক পণ্ডিত থকা সময়তো বিশ্বভাৰতীয়ে উলহমালহেৰে আৰম্ভ কৰা এই বিখ্যাত বক্তৃতামালাৰ প্ৰথম বক্তাৰূপে ড° যোগীৰাজ বসুক আমন্ত্ৰণ কৰি নিয়া বিষয়টি আমাৰ বাবে এক গৌৰৱৰ কথা। ১৯৭৫ চনত নগাওঁ চহৰত অনুষ্ঠিত সদৌ অসম সংস্কৃত সন্মিলনৰ দীক্ষান্ত সমাৱৰ্তনত সংস্কৃত ভাষাত প্ৰদান কৰা মূল ভাষণটি পণ্ডিত সমাজৰ আৰু আধুনিক শিক্ষাবিদ সকলোৰে দ্বাৰা উচ্চ প্ৰশংসিত হৈছিল। ৰাজ্যচৰকাৰে গঠন কৰা সংস্কৃত আয়োগৰ সভাপতি ৰূপে সংস্কৃত মহাবিদ্যালয় স্থাপনৰ বাবে আগ-ভাগ লৈছিল ড° বসু মহোদয়ে।

**সাহিত্য সাধনা ঃ**

ড° যোগীৰাজ বসু একাধাৰে এগৰাকী আজীৱন ছাত্ৰৰূপী শিক্ষাবিদ, গৱেষক পণ্ডিত, সুবক্তা আৰু সুলেখক আছিল। তেখেতে সংস্কৃত, অসমীয়া, বাংলা আৰু ইংৰাজী ভাষাত অনৰ্গল বাক্যালাপ, বক্তৃতা প্ৰদান কৰাৰ উপৰিও আপুৰুগীয়া গ্ৰন্থৰাজি ৰচনা কৰি সাহিত্য সাধনাৰ প্ৰজ্ঞান স্মাৰক থৈ গৈছে। ড° বসুৰ গ্ৰন্থৰাজিৰ তালিকা উল্লেখ কৰা হ'ল —

অসমীয়া ঃ- (১) জৰথুশ্ত্ৰ (১৯৬৬), (২) বেদৰ পৰিচয় (১৯৭২), (৩) বেদান্ত দৰ্শন (১৯৭৫), (৪) বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম (১৯৭৮)

বাংলা ঃ- (১) জরথুশ্ত্র ধর্ম, (২) বেদের পরিচয়, (৩) উপনিষদের ভাবাদর্শ ও সাধনা।

ইংৰাজী ঃ (1) India of the age of the Brahmans (Middle Vedic Age), Ph.D. Thesis (1969), (2) Studies in the vedic culture.

প্ৰাচীন ভাৰতৰ জ্ঞানসম্পদ সমগ্ৰ বিশ্বৰে অমূল্য ৰত্ন। সেই সম্পদ সংস্কৃত ভাষাত সোমাই থকাত সৰ্বসাধাৰণৰ বাবে দুষ্পাপ্য হৈ আছিল। এই সম্পদৰাজি নবীন যুগৰ উপযোগী ভাষাত প্ৰকাশ কৰি বিদ্বৎজনৰ লগতে সৰ্বসাধাৰণৰ কাষ চপাই নিয়াত ড° বসুৰ সাহিত্য সাধনাৰ ফল উপৰোক্ত গ্ৰন্থৰাজিৰ নাম উল্লেখৰ পৰাই বুজিব পৰা গৈছে। এই মহৎ গ্ৰন্থৰাজিৰ ব্যাপক পৰিচয় দাঙি ধৰিবলৈ আমি একান্ত অপাৰগ। ড° বসু প্ৰাচীন গুৰুকুল শিক্ষা পদ্ধতিৰ লগতে আধুনিক শিক্ষাৰে শিক্ষিত হোৱা বাবে তেখেতে ৰচনা কৰা গ্ৰন্থৰাজি বিস্তৃত অধ্যয়ন আৰু গভীৰ পাণ্ডিত্যৰে সিঞ্চিত। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীদেৱৰ মতে "জৰথুশ্ত্ৰ", 'ব্ৰাহ্মণৰ যুগৰ ভাৰতবৰ্ষ' আৰু 'বেদৰ পৰিচয়' অসমীয়া ভাষা সাহিত্য সম্ভাৰৰ অন্যতম শ্ৰেষ্ঠ সম্পদ।

ড° বসুদেৱৰ বিভিন্ন স্থানত প্ৰদত্ত ভাষণ সমূহো অতি সাৰগৰ্ভ সম্পন্ন। তাৰে কিছু ভাষণ ছপা ৰূপত প্ৰকাশ পাইছিল। তেখেতৰ অপ্ৰকাশিত ৰচনাও যথেষ্ট আছিল বুলি জনা যায়। সেইখিনি ৰচনাই পোহৰৰ মুখ দেখিলে সুধীজন উপকৃত হ'ব।

ভাষা জননীৰ সেৱাত নিবেদিত প্ৰাণ ড° বসুৱে সদায় মাতৃভাষাত শিক্ষাৰ হকে মত প্ৰকাশ কৰিছিল। তেজপুৰ সাহিত্য সভাৰ বুৰঞ্জী সন্মিলনৰ সভাপতিৰূপে এই মত তেখেতে স্পষ্টভাৱে ব্যক্ত কৰিছিল অভিভাষণত। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনাত নিযুক্ত হৈ থকা কালত অসমীয়া ভাষাত বিজ্ঞানৰ কঠিন বিষয়সমূহৰ কিতাপ প্ৰকাশ কৰা বিষয়টি লৈ তীব্ৰ বাদানুবাদ চলি থকা সময়ত তেখেতে ড° ৰাধা নাথ ফুকনৰ বিজ্ঞান ৰচনাৰ উদাহৰণ দাঙি ধৰি অসমীয়া ভাষাত বিজ্ঞানৰ পাঠ্যপুথি আৰু অন্যান্য গ্ৰন্থ ৰচিত হ'ব পাৰে বুলি মত প্ৰকাশ কৰিছিল। এনে উদাহৰণৰ পৰা ড° বসুৰ অসমীয়াকে আদি কৰি সকলো মাতৃভাষাৰ প্ৰতি অপাৰ শ্ৰদ্ধা প্ৰকাশ পাইছে। আজিৰ আসমৰ শিক্ষাৰ পটভূমিত তেখেতৰ মত অত্যন্ত প্ৰাসঙ্গিক বুলি আমি অনুভৱ কৰোঁ।

**কানৈ কলেজত কৰ্মযোগী ড° বসুঃ-**

কানৈ কলেজ প্ৰতিষ্ঠা হোৱাৰ সময়ত বহুজনে উৎসাহ উদ্দীপনা দেখুৱাইছিল যদিও বহুবিজ্ঞজনে নিৰাশাজনক কিছু মন্তব্য কৰিছিল এইকাৰণেই যে তেওঁলোকে ভাবিছিল ডিব্ৰুগড়ৰ দৰে এমুঠি বিদ্বেৎজনেৰে ভৰা এখন সৰু নগৰত উচ্চমানৰ উচ্চশিক্ষাৰ অনুষ্ঠান বাস্তৱায়িত হোৱা কঠিন। প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনীচৰণ চৌধুৰীয়ে বহু তিক্ত সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। চৌধুৰীদেৱে "ডিব্ৰুগড়ৰ শিক্ষাজীৱনলৈ ড° বসুৰ অৱদান" শীৰ্ষক লেখনীত মন্তব্য কৰিছে যে "এনে এটা সজ, পবিত্ৰ মহৎ উদ্দেশ্য সাধনত শক্তিশালী নিৰাশাবাদীৰ বিৰূদ্ধে থিয় হোৱাৰ প্ৰধান সমল আছিল শ্ৰী বসু"। চৌধুৰী মহোদয়ে আৰু উল্লেখ কৰিছে যে পুৱাৰ বেলা নিয়মীয়া শ্ৰেণী লোৱাৰ বাহিৰেও আবেলি ধন সংগ্ৰহ, শিক্ষাবিষয়ক আঁচনিসমূহৰ আলোচনাৰ বাবে ড° বসু সদায় জড়িত আছিল। কলেজৰ স্বীকৃতি আদায়ৰ ক্ষেত্ৰতো কলিকতালৈ গৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিছিল। প্ৰতিষ্ঠাপক উপাধ্যক্ষ কৰ্মদক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্তৰ সৈতে তেখেতৰ মণিকাঞ্চন যেন সংযোগ ঘটিছিল। ড° লক্ষ্মীপ্ৰসাদ দত্তই ড° নিৰ্মলকুমাৰ বসুৰ সৈতে যুটীয়াভাৱে প্ৰকাশ কৰা "ডক্টৰ যোগীৰাজ বসুঃ আমাৰ সতীৰ্থ অধ্যক্ষ শীৰ্ষক এটি চুটি নিবন্ধত লিখিছে যে " আমি সুদীৰ্ঘ সময় ডক্টৰ বসুৰ ঘন সান্নিধ্যত আছিলোঁ। তেওঁ এফালৰ পৰাই নহয় কেইবাফালৰ পৰাও আমাৰ অধ্যক্ষ আছিল। কাৰণ ডিব্ৰুগড়ৰ উচ্চশিক্ষা প্ৰসাৰৰ বাবে কৰা কাৰ্যত দীৰ্ঘদিন আছিল। তেওঁ আমাৰ দৃষ্টিদাতা, বন্ধু আৰু পথপ্ৰদৰ্শক।" ড° বসুৱে কলেজৰ সকলো শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সৌহাদ্যপূৰ্ণ পৰিৱেশ গঢ়ি তুলিছিল। প্ৰাৰম্ভিক কালত কলেজৰ ঘৰ-দুৱাৰ আড়ম্বৰহীন হ'লেও কলেজৰ ভিতৰৰ শিক্ষা সংস্কৃতিৰ পৰিৱেশৰ উচ্চ মান বজায় ৰাখিবলৈ তেখেতে সততে যত্নপৰ আছিল। সদ্যোজাত অনুষ্ঠানটিক ৰাইজৰ মনত বিশ্বাসভাজন কৰি তুলিবলৈ আৰু লগতে অধ্যক্ষৰ পৰা চকীদাৰলৈকে সকলো শিক্ষক কৰ্মচাৰীয়ে বিনা বেতনে সেৱা আগবঢ়াই থাকিবলগীয়া অৱস্থাত যি সময়, পৰিশ্ৰম, ধৈৰ্য-স্থৈৰ্যৰ যি প্ৰয়োজন হৈছিল সেই কঠিন সময়ত, সেয়া ড° বসুৰ ত্যাগ, তিতিক্ষাৰ বলতে হৈছিল বুলি প্ৰতিষ্ঠাপক সম্পাদক, উপাধ্যক্ষ, অধ্যক্ষ আৰু অন্য গুণমুগ্ধসকলে প্ৰকাশ কৰিছে।

কলেজৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক, কৰ্মচাৰী সকলোৰে সৈতে ড° বসুৰ সম্পৰ্ক আছিল অনবদ্য। কলেজত শিক্ষাদানৰ বাহিৰেও ঘৰলৈও গৈ পঢ়া-শুনাৰ উপযুক্ত কিতাপ বাচনি কৰি, অমূল্য উপদেশ দি মনোবল বৃদ্ধি কৰি সহায় কৰিছিল। সেই সময়ৰ এগৰাকী ছাত্ৰ, পাছৰ কালত গুৱাহাটী বিশ্ববিদ্যালয়ৰ খ্যাতনামা অধ্যাপক ড° ভৱপ্ৰসাদ চলিহাই উল্লেখ কৰিছে যে ভালকৈ উত্তীৰ্ণ হৈ তেখেতে প্ৰথমে বিজ্ঞান শাখাত নাম লগাবলৈ ফৰ্ম পূৰাইছিল যদিও সংস্কৃতত সৰ্ব্বোচ নম্বৰ পোৱা বাবে ড° বসুৱে মাতি নি কলা বিভাগত নাম ভৰ্তি কৰি সংস্কৃত এটি বিষয়ৰূপে ল'বলৈ উপদেশ দিছিল। ঘৰতো ড° চলিহাৰ পিতৃদেৱে ড° বসুৰ মততে হয়ভৰ দিলত তেখেতে কলা বিভাগতে নাম লগাইছিল। স্মৃতি ৰোমন্থন কৰি ড° চলিহাই কৈছে যে অধ্যক্ষই ইংৰাজী ক্লাছ লওঁতে কোনো ছাত্ৰই খতি নকৰিছিল। শ্ৰেণীত তেখেতৰ বক্তৃতা নিৰহ নিপানী আৰু সাৰগৰ্ভ আছিল। প্ৰখৰ স্মৃতিশক্তিৰ অধিকাৰী ড° বসুৱে সংস্কৃতৰ শ্ৰেণীত পাঠ্যপুথি নিনিয়াকৈয়ে অধ্যাপনা নিখুঁতভাৱে কৰিছিল। ছাত্ৰৰ লগত সম্পৰ্ক মধুৰ আছিল বাবে ছাত্ৰসকলে বিনা সংকোচে মনৰ ভাব অধ্যক্ষৰ আগত প্ৰকাশ কৰিছিল। সম্প্ৰদায় নিৰ্বিশেষে সকলো ছাত্ৰই তেখেতৰ পৰা উপকৃত হৈছিল। বহু দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহাৰ্য দিয়াৰ ওপৰিও নিজৰ পুথিভৰাঁলৰ পৰা কিতাপ উলিয়াই দিছিল। ড° চলিহা আৰু তেখেতৰ সৰু ককায়েক ৰামপ্ৰসাদ চলিহা (পাছলৈ নাহৰকটীয়া কলেজৰ অধ্যক্ষ) কলেজত পঢ়ি থাকোতে এদিন আক-তাক সুধি সুধি অধ্যক্ষ বসু ডাঙৰীয়াই তেওঁলোকে ভাড়া লোৱা জুপুৰী ঘৰটোত উপস্থিত হৈ চকী নথকাত ছাত্ৰৰ শোৱা তক্তাপোচতেই বহি বা-বাতৰি ল'বলৈ ধৰিলত বাহিৰত অন্যান্য বিস্মিত ছাত্ৰই জুম বান্ধি চাইছিল। আই.এ. বাছনি পৰীক্ষা দি চলিহা নাহৰকটীয়াৰ ঘৰত পৰীক্ষাৰ প্ৰস্তুতিৰ চলাই থকা কালতে অধ্যক্ষ বসুৰ পৰা এখন চিঠিত নানা সজ উপদেশৰ সৈতে পৰীক্ষাৰ প্ৰস্তুতিৰ কাৰণে এখন তৈয়াৰ কৰা ৰুটিনো পাইছিল। চিঠিখন পাই তেখেত অভিভূত হৈছিল। সেইবাৰ পৰীক্ষাত চলিহাই বিশ্ববিদ্যালয়ৰ পঞ্চম স্থান অধিকাৰ কৰাৰ লগতে সংস্কৃতত সৰ্ব্বোচ নম্বৰ পুনৰ লাভ কৰিবলৈ সমৰ্থ হ'ল। পিছত তেখেতে গম পালে যে অফিছৰ এড্‌মিশ্যন ফৰ্মৰ পৰা চলিহাৰ ঘৰৰ ঠিকনা উদ্ধাৰ কৰি অধ্যক্ষই তেনেদৰে

চিঠি প্ৰেৰণ কৰিছিল। অধ্যক্ষ ড° বসুৱে নিশ্চয় এইদৰে বহু প্ৰতিভাসম্পন্ন ছাত্ৰকে প্ৰেৰণা দিছিল। ড° চলিহাৰ লেখনীৰ পৰা আৰু গম পোৱা যায় যে কলেজত নিয়মীয়া পাঠদানৰ ওপৰিও বিভিন্ন বিষয়ৰ কেইবাটিও সজীৱ অধ্যয়নচক্ৰ আছিল আৰু তেখেত নিজে দুবছৰ কানৈ কলেজৰ "সংস্কৃতানুশীলন সমিতি"ৰ(Sanskrit Study Circle) ৰ সম্পাদক আছিল। সমিতিৰ বৈঠক বিলাকত আলোচনাসমূহ সংস্কৃত ভাষাতে হৈছিল, ছাত্ৰসকলক সংস্কৃত ভাষাত ভাষণ দিবলৈ উদ্‌গণি দিয়া হৈছিল আৰু সমিতিৰ বৈঠক বিলাকত বাহিৰৰ গুণীজনকো নিমন্ত্ৰণ কৰা হৈছিল। অধ্যক্ষ বসুৰ ওপৰিও অধ্যাপক টি.কে. কৃষ্ণস্বামী আৰু অধ্যাপক আশুতোষ বিশ্বাসৰ যত্নৰ ফলত সেই সময়ৰ কানৈ কলেজৰ সংস্কৃত বিভাগটি অসমতে সৰ্বশ্ৰেষ্ঠ আছিল। বিভাগৰ উদ্যোগতে কানৈ কলেজত কেইবাবাৰো সংস্কৃত নাটক অভিনীত হৈছিল। শ্ৰদ্ধেয় হেৰম্ব বৰদলৈ ডাঙৰীয়াই তেখেতৰ "ডক্টৰ যোগীৰাজ বসু" শীৰ্ষক লিখনীত কানৈ কলেজত ড° বসু মহোদয় কলেজখনৰ বৌদ্ধিক দিশত প্ৰধান আকৰ্ষণ আছিল বুলি কোৱাৰ লগতে বৰ্ণনা কৰিছে কেনেকৈ ড° বসুৱে প্ৰথমে বিনা দৰমহা আৰু পাছত বহুদিন মাত্ৰ এশটকা মাহিলী পাৰিশ্ৰমিক লৈ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা বহুমূলীয়া গ্ৰন্থ নিৰ্বাচন আৰু সংগ্ৰহ কৰি তেতিয়াৰ দিনত নিজাববীয়াকৈ ছহেজাৰ টকাৰ অধিক মূল্যৰ কিতাপ কলেজৰ গ্ৰন্থাগাৰলৈ দান দিছিল। ড° বাণীকান্ত কাকতি আৰু ড° কৃষ্ণকান্ত সন্দিকৈৰ দৰে পণ্ডিত ব্যক্তিসকলে কানৈ কলেজৰ গ্ৰন্থৰ সংগ্ৰহক ভূয়সী প্ৰশংসা কৰি স্নাতকোত্তৰ শ্ৰেণী খোলাৰ উপযুক্ত বুলি মন্তব্য কৰিছিল। ড° কৃষ্ণকান্ত সন্দিকৈ মহোদয়ে ড° বসুৱে সপ্তাহত বাৰটাতকৈ অধিক শ্ৰেণীত কিয় পাঠদান কৰে বুলি (অৰ্থাৎ প্ৰশাসনিক কাৰ্যত অধ্যক্ষৰূপে অৱহেলা কৰা হৈছে বুলি ভাবি) কৈফিয়ত তলব কৰিবলগীয়া হৈছিল বুলি বৰদলৈ মহোদয়ে উল্লেখ কৰিছে একে প্ৰবন্ধতে। এই কথা অনস্বীকাৰ্য যে উপাধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্ত মহোদয়ৰ দৰে কৰ্মদক্ষ প্ৰশাসক সহযোগী পাইছিল গুণে ড° বসুৱে বিদ্যায়তনিক কাৰ্যত অধিক সময় আৰু মনোযোগ দিব পাৰিছিল। ড° বসুৱে পাঠ্যপুথিৰ বিষয়বস্তুসমূহৰ আবৃত্তি কৰি, দৃশ্যাভিনয় কৰি, ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰি, আলোচনাচক্ৰ পাতি ছাত্ৰ-ছাত্ৰীসকলক পাঠ্য বিষয়বস্তু নিৰস, ভীতিপ্ৰদ নহয় বুলি ভয়ৰ অনুভূতি ভাঙি দি ৰসালভাৱে হৃদয়ংগম কৰাবলৈ চেষ্টা কৰিছিল। অধ্যক্ষই নিয়মীয়াকৈ শিক্ষক সংঘৰ (Teacher's club) উদ্যোগত প্ৰতি পষেকৰ অন্তৰে অন্তৰে একোটি নিৰ্দিষ্ট বিষয়ৰ বিষয়ে আলোচনাচক্ৰৰ আয়োজন কৰি অধ্যাপকসকলকো বিদ্যায়তনিক দিশত সজাগ কৰি ৰাখিছিল আৰু শিক্ষকসকলেও আনন্দমনে তাত ভাগ লৈছিল। প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনীচৰণ চৌধুৰীয়েও বৰ্ণনা কৰিছে কিদৰে অধ্যক্ষ বসু ডাঙৰীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ লগত আইথানলৈ বনভোজ খাবলৈ গৈ নিজ হাতে নিৰামিষ ব্যঞ্জন ৰান্ধিছিল, ইংৰাজ কবি শ্যেলীৰ "Ode to the Night angle", "Ode to immortality" অতি সুন্দৰ আবৃত্তি কৰি শুনাইছিল আৰু ছাত্ৰসমাজৰ বিহুগীত শুনি অতি আনন্দিত হৈছিল।

সেইসময়ত কলেজত তিথি, পূজা, উৎসৱ আদি অতি আন্তৰিকতাৰে পালিত হৈছিল। গুৰুদুজনাৰ তিথিত খোল, তাল সহ নাম প্ৰসঙ্গ, বৰগীত আদি অনুষ্ঠিত হৈছিল। সৰস্বতী পূজাৰ উলহ মালহৰ লগতে গীত-মাত পৰিবেশিত হৈছিল। প্ৰসাদ বিতৰণত সকলোৱে ভাগ লৈছিল। অধ্যক্ষ বসুৱে আচাৰ্য্যৰ ৰূপত শ্লোক, স্তোত্ৰ আদি স্বমহিমাৰে আওঁৰাইছিল। শবে-ই-বৰাত্‌ৰ দিনা কলেজত প্ৰাৰ্থনাসভাৰ লগতে বিশিষ্ট ৰান্ধনি আনি সুস্বাদু হালুৱা প্ৰস্তুত কৰা হৈছিল।

এনে আনন্দময় পৰিৱেশৰ মাজত কানৈ কলেজৰ ছাত্ৰ-অধ্যাপক সকলোৱে পঢ়া-শুনা, গীত-মাত, নাটক, খেল-ধেমালিকে আদি কৰি সকলো দিশতে উৎকৰ্ষ সাধনৰ পথত আগবাঢ়ি গৈছিল। জ্ঞানৰ এই মন্দিৰটিত সংস্কৃতস বুৰঞ্জী আৰু অৰ্থনীতি বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণীও খোলা হৈছিল আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ আগলৈকে সফলতাৰে এই শ্ৰেণীসমূহ চলিছিল।

**(৫) অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰলৈ অৱদান ঃ**

প্ৰাক্-স্বাধীনতা কালতে স্থাপিত হোৱা ডিব্ৰুগড় কলেজ যি পাছলৈ কানৈ কলেজ ৰূপে নামাংকিত হয়, সেইখন মহাবিদ্যালয়ে কেৱল নিজৰ ছাত্ৰ-ছাত্ৰীকে উচ্চ শিক্ষাৰে শিক্ষিত কৰিছে বুলি ভাবিলে অতিশয় ভুল কৰা হ'ব। ড° বসু কেৱল ডিব্ৰুগড় হনুমনবক্স সুৰজমল কানৈ কলেজ বা

মনোহাৰী দেৱী কানৈ মহিলা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষই নহয়, তেখেত কানৈ বাণিজ্য মহাবিদ্যালয়, কানৈ আইন কলেজ, কানৈ কলেজত তিনিটা বিষয়ত স্নাতকোত্তৰ শ্ৰেণী মুকলি কৰাত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰতো আছিল উদ্যোক্তাসকলৰ উৎসাহ আৰু প্ৰেৰণাৰ উৎস— এই কথাষাৰ নিগৰিছে উপৰোক্ত সমূহ শিক্ষাৰ আলয় সমূহ ৰূপকাৰ ড° লক্ষ্মীপ্ৰসাদ দত্ত আৰু ড° নিৰ্মলকুমাৰ বসুৰ কাপেৰে।

আহ্বায়ক তথা সম্পাদক অশ্বিনীচৰণ চৌধুৰীৰ সপোনক সাকাৰ কৰিবলৈ আগবাঢ়ি আহিছিল ৰায়বাহাদুৰ নীলাম্বৰ দত্ত, বেণুধৰ ৰাজখোৱা, লক্ষ্মীপ্ৰসাদ দত্ত, বাগ্মীবৰ নীলমণি ফুকন, গোবিন্দ চন্দ্ৰ শৰ্মা, ইন্দুভূষণ চক্ৰৱৰ্তী (Times of Assam কাকতৰ সম্পাদক) ৰায়বাহাদুৰ হনুমানবক্স কানৈৰ পৰিয়াল অধ্যাপক ৰায়হান শ্বাহকে আদি কৰি ডিব্ৰুগড়ৰ সুধীবৃন্দ। কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কল্যাণ কুমাৰ বৰুৱাই তেখেতৰ "ডিব্ৰুগড়ত কলেজীয়া শিক্ষা আৰু ডক্টৰ যোগীৰাজ বসু" নামৰ প্ৰবন্ধটিত যথাৰ্থতে লেখিছে যে "কিন্তু কাক অধ্যক্ষ পাতি কলেজখন চলাব তাকে লৈ চিন্তা হ'ল। সকলোৰে আস্থাভাজন হ'লেহে কলেজৰ ভাৱমূৰ্ত্তি উজ্জ্বল হ'ব। সেই ব্যক্তিজন চৰিত্ৰগতভাৱে শিক্ষাসেৱী হ'ব লাগিব" সকলো ফালৰ পৰা চিন্তা কৰি উদ্যোক্তাসকলে ড° যোগীৰাজ বসুৰ নাম ল'লে।" আনহাতে অশ্বিনীচৰণ চৌধুৰীয়ে পূৰ্বোক্ত প্ৰবন্ধত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিছে যে নেৰানেপেৰাকৈ অনুৰোধ কৰাৰ মূৰত তৃতীয়বাৰৰ বেলিকা অধ্যক্ষৰূপে কাৰ্যভাৰ গ্ৰহন কৰিবলৈ বসু ডাঙৰীয়াৰ মত পোৱাৰ পাছতহে তেখেতৰ ভাৱ হ'ল যে ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়ি তোলাৰ বাবে যি আশা জাগিছিল সেইয়া সচাঁকৈ ফলৱতী হ'ব। অৰ্থাৎ ড° যোগীৰাজ বসু কানৈ মহাবিদ্যালয়ৰ কাৰণে এক সোনালী স্তম্ভৰ দৰে, যি স্তম্ভই ভেটিৰ লগত সুউচ্চ শিখৰক সংযুক্ত কৰি সমগ্ৰ সৌধটি গঢ় দিয়ে আৰু অনাগত কালৰ বাবে ধৰি ৰাখে।

ডিব্ৰুগড় কলেজ পাছলৈ ৰায়বাহাদুৰ কানৈ নামেৰে খ্যাত কানৈ কলেজ স্থাপিত হোৱাৰ পাছতেই স্থাপিত হোৱা মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ, কানৈ বাণিজ্য মহাবিদ্যালয়, কানৈ আইন মহাবিদ্যালয়ৰ নাম পূৰ্বতে উল্লেখ কৰা হৈছে; পাছলৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু বৃদ্ধি হ'লত ক্ৰমান্বয়ে ডিব্ৰু কলেজ, নঃলঃবঃ চিটি কলেজ, ড° ৰোহিণীকান্ত আইন মহাবিদ্যালয়, পূৰ্ব্বাঞ্চল কলেজ আদি উচ্চ শিক্ষাৰ বহু অনুষ্ঠান ক্ৰমান্বয়ে গঢ় লৈ উঠে। সৰ্বোপৰি, কানৈ কলেজৰ প্ৰভাৱতেই বৰ্তমান কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ভৱনতেই ১৯৬৫ চনৰ ০২ জুলাই তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পত্তন হয়। ডিব্ৰুগড়ৰ দাঁতিকাষৰীয়া চাবুৱা, তিনিচুকীয়া, ডুমডুমা, মাৰ্ঘেৰিটা, লিডু, নাহৰকটীয়া, দুলিয়াজান, ডিগবৈ, টেঙাখাট, টিংখাং, খোৱাং, মৰাণ, চেপন আদি ঠাইত এক বা একাধিক কলেজ স্থাপন হৈছে। সৰহভাগ উচ্চ শিক্ষাৰ অনুষ্ঠানতে কানৈ কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলেই অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, কৰ্মচাৰীৰ পদ শুৱনি কৰি আছিল আৰু আছে।

ৰাজ্য চৰকাৰৰ সংস্কৃত আয়োগৰ সভাপতিৰূপে কাৰ্য আগবঢ়াই নিওঁতে ড° বসুৱে আধুনিক ধৰণে সংস্কৃত কলেজ প্ৰতিষ্ঠা কৰাৰ পোষকতা কৰি গুৰি ধৰিছিল। উচ্চশিক্ষাৰ ক্ষেত্ৰত এইয়া এক অনবদ্য অৱদান।

কেৱল উচ্চশিক্ষাই নহয়; প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰতো শিক্ষাৰ প্ৰসাৰৰ বাবে কানৈ কলেজৰ অৱদান অনস্বীকাৰ্য। কানৈ কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলেই এই সকলো শিক্ষানুষ্ঠান স্থাপন কৰি, গুৰি ধৰি বা শিক্ষকতা কৰি কানৈ কলেজে প্ৰজ্জ্বলিত কৰি ৰখা জ্ঞানৰ বন্তিগছিত তেল-শালিতা যোগাই আছে। বিশ্ববিদ্যালয়, স্নাতক মহলাৰ কলেজসমূহ, কণিষ্ঠ মহাবিদ্যালয়সমূহ, মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ, কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান(Polytechnic), অত্যাধুনিক গৱেষণাগাৰৰ সমাহাৰেৰে ডিব্ৰুগড় আজি এক শিক্ষানগৰীলৈ পৰ্য্যবসিত হৈছে। এই সকলোবোৰৰ মূলতে আছে কানৈ কলেজ আৰু কানৈ কলেজৰ সোনালী স্তম্ভ ড° যোগীৰাজ বসুৰ একালৰ নৈষ্ঠিক সেৱাৰ প্ৰলম্বিত শুভ আশীৰ্ব্বাদ। স্মৰ্তব্য যে অধ্যয়নপ্ৰিয় প্ৰগাঢ় পণ্ডিত ড° বসু আজীৱন নৈষ্ঠিক ব্ৰহ্মচাৰী আছিল। আধুনিক কালৰ ৫০ খনৰো অধিক বিলাসী গাড়ী থকা high profile গুৰুসকলৰ বিপৰীতে তেখেতে সদায় সাধাৰণ পোছাকেৰে শুদা ভৰীৰে পঠন-পাঠন, জ্ঞান অৰ্জন আৰু বিতৰণত নিমগ্ন থকা এক প্ৰকৃত সন্ন্যাসী মনোভাৱাপন্ন জ্ঞানযোগী আৰু কৰ্মযোগী ব্যক্তি আছিল। তেখেতৰ সমুদায় উপাৰ্জন 'বিৰাজ' উন্নয়নৰ বাবে দান কৰিছিল। ভৱিষ্যনিধিৰ

সমুদায় ধন গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ উন্নয়নৰ বাবে দান দিছিল।

**শেষ জীৱন আৰু অন্যান্য ঃ**

১৯৭২ চনৰ পৰা ড° বসুৰ হৃদৰোগ বাঢ়িবলৈ ধৰে। মাজে মাজে সুস্থ হৈ থাকিলেও সম্পূৰ্ণ সুস্থবোধ কৰা নাছিল। তথাপিও তেখেতে অধ্যয়ন আৰু অন্যান্য কাৰ্যাৱলী চলাই আছিল। ১৯৭৫ চনৰ ২৯ ডিচেম্বৰ তাৰিখে তেখেতৰ পয়ষষ্ঠি সংখ্যক জন্মতিথি উপলক্ষে ডিব্ৰুগড়ৰ গুণমুগ্ধসকলে জননেতা ৰমেশচন্দ্ৰ বৰুৱাক সভাপতি, নিৰ্মলকুমাৰ বসুক সম্পাদক, হেৰম্ব বৰদলৈ আৰু ধীৰেণ ফুকনক যুটীয়া সম্পাদক, বহু গণ্য মান্যজনক সদস্যৰূপে লৈ ডক্টৰ যোগীৰাজ বসু সম্বৰ্ধনা সমিতি গঠন কৰি এক ৰাজহুৱা সভাত অভূতপূৰ্ব্ব সম্বৰ্ধনা জনায়। এই সম্বৰ্ধনা সভাত সভাপতি আছিল আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী। এনে বিপুল সম্বৰ্ধনা ডিব্ৰুগড়ত খুব কমেইহে হৈছে বুলি সেই সভাত উপস্থিত থকাসকলে আজিও সোঁৱৰে। সেই সম্বৰ্ধনা সভা উপলক্ষে শ্ৰদ্ধাভাজন ড° নগেন শইকীয়া মহোদয়ক সম্পাদক স্বৰূপে লৈ এখনি অভিনন্দন গ্ৰন্থ প্ৰণয়ন সমিতি গঠিত হৈছিল। ড° নগেন শইকীয়াৰ সম্পাদনাত "ডক্টৰ যোগীৰাজ বসু" শীৰ্ষক অভিনন্দন গ্ৰন্থ উক্ত দিনতে প্ৰকাশ হৈ ওলায়। ড° বসুৰ জীৱন আৰু কৃতিৰ বিষয়ে এইখন গ্ৰন্থ এক প্ৰামাণ্য আকৰ গ্ৰন্থৰূপে সদায় সমাদৃত হৈ ৰ'ব। এই গ্ৰন্থখন ড° বসুৰ ঘনিষ্ঠজন, বিৰাজবাসী, স্কুলীয়া জীৱনৰ শিক্ষকৰ পৰা আৰম্ভ কৰি জ্ঞানী-গুণী বিভিন্ন সুধীজন, কৰ্মজীৱনৰ সহকৰ্মী, ছাত্ৰ সকলোৰে ড° বসুৰ বিষয়ে তথ্যপূৰ্ণ মনোগ্ৰাহী লেখনীৰে সজাইছে। অসমৰ বহু বিদগ্ধ জনৰ পৰা লাভ কৰা শুভেচ্ছাবাণীত ড° বসুৰ প্ৰতি তেখেতসকলৰ শ্ৰদ্ধাপূৰ্ণ মনোভাৱ প্ৰকাশ পাইছে। আনকি সেই সম্বৰ্ধনা সভাত প্ৰদান কৰা ড° বসুৰ প্ৰত্যুত্তৰৰ পাঠ এটিও প্ৰকাশিত হৈছে।

১৯৭৬ চনৰ জানুৱাৰী মাহৰ পৰা তেখেতৰ হৃদৰোগে জটিল ৰূপ ধাৰণ কৰে আৰু তেখেত শয্যাশায়ী হৈ পৰে। জুন মাহৰ ০৯ তাৰিখে তেখেতক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অসুখ দিনে দিনে বাঢ়ি গৈছিল। চিকিৎসাধীন অৱস্থাত কষ্ট সহ্য কৰিও স্থিতপ্ৰজ্ঞৰ দৰে উদ্বিগ্নতা প্ৰকাশ নকৰি শান্ত আৰু ধীৰ-স্থিৰ হৈ আছিল এই ঋষিপ্ৰতিম ব্যক্তি। অৱশেষত ১৯৭৬ চনৰ ০৯ জুলাই তাৰিখে তেখেতৰ জীৱনবন্তি নুমাই যায়। সেইদিনা ডিব্ৰুগড়ৰ ৰাইজৰ লগতে অসমৰ সুধীসমাজ শোকস্তব্ধ হৈ পৰে।

১৯৮৫ চনৰ পৰা ড° বসুৰ স্মৰণত অসম কলেজ শিক্ষক সংস্থাৰ ডিঃহঃসূঃ কানৈ কলেজ গোটে "ড° যোগীৰাজ বসু সোঁৱৰণী বক্তৃতামালা" অনুষ্ঠানৰ আয়োজন কৰি আহিছে। প্ৰথম বছৰ(১৯৮৫) ১৯ আৰু ২০ জানুৱাৰী তাৰিখে দুদিনীয়াকৈ অনুষ্ঠিত হৈছিল। বক্তৃতামালাৰ প্ৰথম দিনা বক্তৃতাটি প্ৰদান কৰিছিল প্ৰথিতযশা ড° যজ্ঞেশ্বৰ শৰ্মা ডাঙৰীয়াই আৰু দ্বিতীয় দিনা ড° বীৰেন্দ্ৰনাথ দত্ত মহোদয়ে বক্তৃতা প্ৰদান কৰিছিল। প্ৰথম দিনা নিশালৈ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হৈছিল। ডিব্ৰুগড় নগৰৰ গণ্য-মান্য ব্যক্তিসকলেৰে প্ৰেক্ষাগৃহ ঠাহ খাই পৰিছিল গুণে ছাত্ৰসকলে বাহিৰৰ পৰাহে বক্তৃতা শুনিবলগীয়া হৈছিল। এই বক্তৃতামালা আৰম্ভ কৰা সেইসময়ৰ কানৈ কলেজ শিক্ষক গোটৰ সভাপতি আছিল শ্ৰদ্ধাভাজন ডিম্বেশ্বৰ চলিহা আৰু সম্পাদক আছিল মুনীন্দ্ৰ নাথ শৰ্মা। বক্তৃতা উপলক্ষে ড° পৰীক্ষিত হাজৰিকাৰ সম্পাদনাত "জিজ্ঞাসা" নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশিত হৈছিল। দ্বিতীয় বছৰ বক্তৃতা প্ৰদান কৰিছিল ড° ভুবন মোহন দাসে। এইদৰে প্ৰায় প্ৰতিবছৰে শিক্ষকগোটে ড° যোগীৰাজ বসু স্মাৰক বক্তৃতাৰ বাবে বহু জ্ঞানী-গুণী বিশিষ্ট ব্যক্তিসকলক আমন্ত্ৰণ জনাই বক্তৃতা অনুষ্ঠিত কৰি ড° যোগীৰাজ বসুৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা বৌদ্ধিক চৰ্চাৰ যোগেদি প্ৰকাশ কৰিছে। COVID-19 অতিমাৰীৰ দুৰ্য্যোগ পাৰ কৰি এইবছৰো ২৫ সংখ্যক বক্তৃতা প্ৰদান কৰে চিন্তাশীল লেখক, সুবক্তা ময়ূৰ বৰাই। শিক্ষক গোট আয়োজক যদিও কলেজৰ পৰিচালনা সমিতি, অধ্যক্ষ, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, নিমন্ত্ৰিত নাগৰিকসকলেও এই অনুষ্ঠানত অতি আনন্দেৰে ভাগ লয়। এইবাৰো তাৰ অন্যথা হোৱা নাই। ড° যোগীৰাজ বসুৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ এই মনোজ্ঞ অনুষ্ঠান আগলৈকো যতিবিহীনভাৱে অনুষ্ঠিত হৈ থাকক এয়ে আমাৰ প্ৰাৰ্থনা। এই প্ৰসঙ্গতে উল্লেখনীয় যে কানৈ কলেজৰ অন্যতম ৰূপকাৰ ড° লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতামালা ডিম্বেশ্বৰ চলিহা অধ্যক্ষ হৈ থকা কালতে কলেজৰ তৰফৰ পৰা আৰম্ভ কৰিছিল আৰু কেইবাটিও বক্তৃতা সুকলমে অনুষ্ঠিত হৈ মাজতে

কিছুকাল বন্ধ হৈ আছিল। বৰ্তমানৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ আগ্ৰহত ড° দত্তৰ পৰিয়ালৰ সহযোগত এইবক্তৃতা নতুন ৰূপত পুনৰ আৰম্ভ হৈ সুষ্ঠভাৱে চলি আছে।

**উপসংহাৰ ঃ**

প্ৰকৃততে প্ৰাক্ স্বাধীনতা কালৰ ১৯৪৫ চনতে কানৈ কলেজ স্থাপিত হোৱাত ডিব্ৰুগড়, ধেমাজি, লক্ষীমপুৰ, শিৱসাগৰ, তিনিচুকীয়াকে ধৰি সমগ্ৰ উজনি অসমতে এক বৌদ্ধিক জাগৰণৰ সৃষ্টি হয়। এই জাগৰণ উন্নতিৰ পথত আগবাঢ়িবলৈ বৃহৎ অঞ্চলৰ মানুহৰ অন্তৰত সুপ্ত হৈ থকা এক প্ৰবল আশা। শিক্ষাৰ পোহৰেৰে সমাজৰ অজ্ঞানতা দুৰ কৰি পৃথিৱীৰ সকলো মানুহৰ লগত একে শাৰীতে থিয় হোৱাৰ এক মহতী ইচ্ছা। এনে আশা আৰু ইচ্ছাৰ লগতে যোগ হৈছিল দেশৰ পৰাধীনতাৰ সকলো দমন-অৱদমন ওফৰাই শিক্ষাৰ দ্বাৰা, সংস্কাৰৰ দ্বাৰা নিজৰ মনতে থকা কৌটিকলীয়া সীমাবদ্ধতাৰ বাধা বিনাশি আলোকিত হোৱাৰ এক মানৱীয় প্ৰচেষ্টা। সেই প্ৰচেষ্টাৰে ফলস্বৰূপে স্থাপিত হোৱা কানৈ মহাবিদ্যালয়ৰ আজি মহাৰজত জয়ন্তীৰ সামৰণি উৎসৱত দেখা গৈছে প্ৰাণৰ দীপ্ত পৰশ। এই মহাবিদ্যালয়খনি আৰু ৰাইজ উভয়ে উভয়ৰ পৰিপূৰক। ৰাইজৰ সহযোগত এই মহাবিদ্যালয়ে অনাগত দিনত যিমানে উৎকৰ্ষ সাধনৰ শিখৰলৈ আগুৱাই যাব, সিমানে সাৰ্থক হ'ব মহাবিদ্যালয়ৰ স্থাপনৰ উদ্যোক্তাসকলৰ লগতে ড° যোগীৰাজ বসুৰ সপোন।

জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়।

**তথ্যসুত্ৰ ঃ**

১। ড° যোগীৰাজ বসু ঃ ড° যোগীৰাজ বসু অভিনন্দন গ্ৰন্থ, সম্পাদনা ঃ নগেন শইকীয়া, প্ৰকাশ ঃ ২৯ ডিচেম্বৰ, ১৯৭৫

২। জিজ্ঞাসা ঃ সম্পাদনা ঃ ড° পৰীক্ষিত হাজৰিকা, সম্পাদক ঃ মুনীন্দ্ৰ নাথ শৰ্মা, প্ৰকাশক ঃ ড° যোগীৰাজ বসু সোঁৱৰণী বক্তৃতামালা সমিতি, ডি.এইচ. এছ. কানৈ কলেজ, ডিব্ৰুগড়, প্ৰকাশ ঃ ১৯ জানুৱাৰী, ১৯৮৫

৩। ডি.হ.সু. কানৈ কলেজৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ।

কৃতজ্ঞতা স্বীকাৰ ঃ শ্ৰীযুত স্বপন কুমাৰ মণ্ডল, 'বিৰাজ'ৰ সেৱক তথা গ্ৰন্থকক্ষৰ তত্বাৱধায়ক, 'বিৰাজ', ডিব্ৰুগড়।

# মহাৰজতৰ বুকুৰেদি 'কানৈয়ান'

**অঞ্জুমণি ফুকন**
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ
ডি.হ.সু কানৈ মহাবিদ্যালয়

স্বাধীনতাৰ প্ৰাক্কালত উজনি অসমত স্থাপন হোৱা 'ডিব্ৰুগড় কলেজ' আৰু পৰৱৰ্তী সময়ত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰূপে পৰিচিত শিক্ষানুষ্ঠানখনে ইতিমধ্যে আঠসত্তৰটা বছৰ অতিক্ৰম কৰিছে। ১৯৪৫ চনত স্থাপন হোৱা ডিব্ৰুগড় কলেজ, ১৯৫০ চনত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰূপে পৰিচিত হৈ উচ্চশিক্ষাৰ ক্ষেত্ৰত এক নিৰবিচ্ছিন্ন অৱদান আগবঢ়াই গৈছে। কলেজখনে অতিক্ৰম কৰিছে ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, হীৰক জয়ন্তীৰ স্বৰ্ণীল মূৰ্হুত্তবোৰ। ২০১৯ চনৰ ২৭ আৰু ২৮ ছেপ্তেম্বৰত মহাৰজত জয়ন্তীৰো শুভ আৰম্ভণি হ'ল। কিন্তু বৰ্ষজোৰা কাৰ্য্যসূচীত ক'ভিড মহামাৰীয়ে বিঘিনী জন্মালে। সেয়েহে এই বৰ্ষৰ ১৫ আৰু ১৬ অক্টোবৰত সামৰণী অনুষ্ঠান আয়োজন কৰা হৈছে। কানৈ কলেজৰ পৰিয়ালে উভতি চাইছে সেই ৰোমাঞ্চকৰ সোণালী দিনবোৰ। য'ত উদ্যমী, কৰ্মযোগী, ভৱিষ্যৎদ্ৰষ্টা আৰু দানবীৰসকলৰ অক্লান্ত চেষ্টা জড়িত হৈ আছে।

কোনো এটা অনুষ্ঠানৰ ঘটনাবহুল ইতিহাসৰ সাক্ষী হৈ ৰয় অনুষ্ঠানটোৰ সম্পৰ্কে বিভিন্ন জনৰ লেখা সমূহত। ৰূপালী, সোণালী, হীৰক গৰকা কানৈ কলেজৰ সেই অনুষ্ঠানসমূহৰ উপলক্ষে প্ৰকাশিত স্মৰণিকা আৰু প্ৰতিবছৰে প্ৰকাশিত 'কানৈয়ানে' সেই ইতিহাস বহন কৰি আহিছে। ১৯৪৭ চনত ইৰা দত্তৰ সম্পাদনাত প্ৰকাশিত ডিব্ৰুগড় কলেজ আলোচনী (বিশেষ সংখ্যা) খনেই হৈছে বৰ্ত্তমানৰ 'কানৈয়ান'। কানৈ কলেজৰ বাৰ্ষিক আলোচনী 'কানৈয়ান'ৰ বিষয়ে ড° বিনোদ কুমাৰ বৰাৰ 'কানৈয়ান'ৰ পঞ্চাশ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা' শীৰ্ষক এটি আলোচনা ১৯৯৮-৯৯ চনৰ কান্তা কাৰেৰী সোনোৱাল সম্পাদনাত প্ৰকাশিত 'কানৈয়ান'ত (স্বৰ্ণজয়ন্তী সংখ্যা) প্ৰকাশ হৈছিল। আমাৰ এই আলোচনাটিত কানৈয়ানৰ বহুকেইটা সংখ্যা পঢ়াৰ সৌভাগ্য নোহোৱাৰ বাবে কেইটামান সংখ্যা আলোচনাত বাদ পৰি গ'ল। তদুপৰি বাৰ্ষিক মুখপত্ৰ হিচাপে 'কানৈয়ানে' কেইটামান বছৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাই। 'কানৈয়ানৰ পঞ্চাশ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা' শীৰ্ষক আলোচনাত ঠাই পোৱা কানৈয়ানসমূহৰ পুনৰ আলোচনা 'মহাৰজতৰ বুকুয়েদি 'কানৈয়ান' শীৰ্ষক আলোচনাত ঠাই পোৱা নাই। আমাৰ সৌভাগ্য যে 'ডিব্ৰুগড় কলেজ আলোচনী' (বিশেষ সংখ্যা) প্ৰথম সংখ্যাটি বিচাৰি পোৱাৰ বাবে কানৈয়ানৰ আৰম্ভণিৰ ৰূপটো আপোনালোকলৈ আগবঢ়াই দিবলৈ সক্ষম হৈছোঁ। কানৈয়ানৰ যি কেইটা সংখ্যা এতিয়ালৈকে বিচাৰি পোৱাহৈছে তাৰ এটি চমু আলোচনাহে দাঙি ধৰিছোঁ। গতিকে কানৈয়ানৰ সকলো সংখ্যাকে সামৰিব নোৱাৰা এইটো এটা অসম্পূৰ্ণ আলোচনাহে। সংখ্যাকেইটাৰ আলোচনাত পুংখানোপুঙ্খ নহয়, আকৰ্ষিত কৰিব পৰা দিশ সমূহহে আলোচনাৰ মাজলৈ অনা হৈছে।

## ডিব্ৰুগড় কলেজ আলোচনী (বিশেষ সংখ্যা) ১৯৪৭

*সম্পাদিকা ইৰা দত্ত*

ডিব্ৰুগড় কলেজৰ প্ৰথম আলোচনী 'ডিব্ৰুগড় কলেজ আলোচনী' কলেজখনৰ বৌদ্ধিক যাত্ৰাৰ এক অংশ। ইৰা দত্তৰ সম্পাদনাত প্ৰকাশিত এই সংখ্যাটিত অসমীয়া বিভাগত চাৰিটা কবিতা, তিনিটা গল্প আৰু চাৰিটা প্ৰৱন্ধ আৰু ইংৰাজী শাখাত ছয়টা প্ৰবন্ধ আছে। 'ডিব্ৰুগড় কলেজ আলোচনী'ৰ প্ৰথম সংখ্যাৰ (বিশেষ সংখ্যা) বিষয় সমূহ এনেধৰণৰ -

**কবিতা**

কবিতা - তীৰ্থনাথ লাহন
কুৰি শতিকাৰ দান - শৰৎ বৰুৱা
মৰণৰ বিভিষিকা - বেণুধৰ ৰাজখোৱা
মোৰ কবিতা - দ্বিজেন বৰুৱা

**গল্প**

জীৱনৰ খলাবমা - ৰেবা দত্ত
অচিন পথাৰ - ৰিতা দাস
ভুলৰ পূজা - সত্য দাস

**প্ৰবন্ধ**

শিল্পী কোন - ধ্যানদা চৰণ শৰ্মা
সাহিত্যৰ উদ্দেশ্য - ইৰা দত্ত
বৰ্ত্তমানৰ শিক্ষা - কেশৱ চন্দ্ৰ শৰ্মা
শঙ্কৰৰ ধৰ্ম - সৰ্বেশ্বৰ গোস্বামী

L.P. Dutta - A short history of Dibrugarh College
Principal J.R. Basu, M.A. (Tripul) - Student life in Ancient India
L.P. Dutta - Greek conception of state and Government
Prof. N.C. Basu - To my student friends
Radar the magic eye - A school student (Ex)
Her megestry civilisation gives a bit of her mid : Shree Prabhat Chandra Dutta

এই সংখ্যাত ইৰা দত্তই 'সাহিত্যৰ উদ্দেশ্য' শীৰ্ষক প্ৰৱন্ধত সাহিত্য কি, সাহিত্যৰ সৈতে জীৱনৰ উদ্দেশ্য সম্পৰ্ক আৰু সাহিত্যৰ উদ্দেশ্যৰ বিষয়ে সৰলভাৱে ব্যাখ্যা কৰিছে। "প্ৰকৃতিৰ পৰা নিজক আঁতৰাই আনি ব্যক্তিগত জীৱন গঢ়ি তুলিবলৈ গ'লেই মানসিক ৰোগৰ আৰ্বিভাৱ। কিন্তু সাহিত্যই আমাৰ জীৱনক স্বাধীন আৰু স্বাভাৱিক কৰি তোলে। আন কথাত ক'বলৈ গ'লে সাহিত্যৰ প্ৰভাৱ মানৱৰ মন সংস্কাৰত, ইয়েই সাহিত্যৰ মুখ্য উদ্দেশ্য। অধ্যাপক বেণুধৰ ৰাজখোৱা, শৰৎ বৰুৱা, তীৰ্থনাথ লাহনৰ কবিতাকেইটিত এক লয়লাস গতি অনুভৱ কৰা যায়। সেইদৰে L.P. Dutta 'A history of Dibrugarh College' প্ৰবন্ধটি ডিব্ৰুগড় কলেজ অৰ্থাৎ কানৈ কলেজৰ এক ঐতিহাসিক দলিল স্বৰূপ। কানৈ কলেজ স্থাপনৰ ইতিহাসে উদঙাই দেখুৱাইছে কেইগৰাকীমান বিদ্যোৎসাহী, পৰিশ্ৰমী আৰু দানবীৰৰ বদন্যতাত কিদৰে উচ্চ শিক্ষাৰ অনুষ্ঠানটি স্থাপন হৈ উঠিল।

## ডিব্ৰুগড় কলেজ আলোচনী ১৯৬২-৬৩ চন সপ্তদশ সংখ্যা

*সম্পাদক লম্বেশ্বৰ বৰুৱা*

পাঁচটা প্ৰবন্ধ, আঠটা কবিতা আৰু ছয়টা গল্পৰে এই সংখ্যাৰ 'ডিব্ৰুগড় কলেজ আলোচনী' সমৃদ্ধ। হীৰেন্দ্ৰনাথ গগৈৰ 'ঔপনিবেশিকতাৰ কবলৰ পৰা আফ্ৰিকাৰ বন্ধন মুক্তি' 'নিকেন গোহাঁইৰ 'বিশ্বকবি ৰবীন্দ্ৰনাথৰ সাহিত্যত বৌদ্ধ সংস্কৃতিৰ প্ৰভাৱ' আদি প্ৰৱন্ধ দুটিৰ গুৰুত্ব উপলদ্ধি কৰিব পাৰি। ঔপনিবেশকতাৰ কবলৰ পৰা আফ্ৰিকাৰ যিকেইখন ৰাষ্ট্ৰই দ্ৰুতগতিৰে স্বাধীনতা লাভ কৰিলে তাৰ সীমাহীন ত্যাগ লুকাই আছে। কিন্তু ৰাষ্ট্ৰসমূহে স্বাধীনতা পালেও সাম্ৰাজ্যবাদী শাসনৰ হাতোৰাৰ পৰা এতিয়াও মুক্ত নহয়। বিশেষভাৱে অৰ্থনৈতিক ক্ষেত্ৰত এই বিষয়ে লেখকে প্ৰৱন্ধটিত স্পষ্টভাৱে উল্লেখ কৰিছে। কবিতা শিতানত মহেন্দ্ৰ পাদুনৰ 'এই উপকূলৰ ৰং' গোপী তামুলীৰ 'উক্তি' ছত্ৰৰঞ্জন দুৱৰাৰ 'সন্ধিয়াৰ তামুলী' আদি কবিতা সমূহত এক আলসুৱা অনুভূতি প্ৰকাশ পাইছে। এহাতে আধুনিক কবিতাৰ লক্ষণপুষ্ট আনহাতে ৰোমান্তিক কবিতাৰ আবেশেৰে ভাৱাক্ৰান্ত

এয়েতো আকাশৰ ৰং নীলিম সলিল ৰাশি
জাক জাক মেঘালীৰ উপবাসী মন আৰু হৃদয়ৰ
দুৰন্ত বাসনাৰ খেলিমেলি স্বপ্ন বন্দৰৰ উপকূলত
শেষ হৈ যায় বহু ৰং ব্যাপ্তি অন্য এক হৃদয়ত
(এই উপকূলৰ ৰং) নাহেন্দ্ৰ পাদুন

**কানৈ কলেজ আলোচনী ১৯৬৩-৬৪ চন অষ্টাদশ সংখ্যা**

*সম্পাদক ঃ হেম ওজা*

এম. ইমৰান আলিৰ 'মধ্যযুগীয় অসমীয়া গীতি সাহিত্য', কুমাৰী ৰঞ্জনা বৰদলৈৰ 'বোলছবি আৰু অসম', হীৰেন্দ্ৰনাথ গগৈৰ 'অসমীয়া সাহিত্যত জাতীয় ভাব' আদি এই সংখ্যাৰ কলেজ আলোচনীৰ অন্যতম প্ৰৱন্ধ। 'আমাৰ লক্ষ্যহীন লক্ষ্য' শীৰ্ষক সম্পাদকীয়ত সম্পাদকে লক্ষ্যহীন লক্ষ্যই যে ব্যক্তিৰ ব্যক্তিগত দিশকে অনিষ্ট কৰে এনে নহয় সমগ্ৰ দেশৰো যে ক্ষতিসাধন কৰে এই কথা ব্যাখ্যা কৰিছে। কবিতা শিতানত অনিল কুমাৰ বৰুৱাৰ 'যুগৰ কবিতা' গোপী তামুলীৰ দৃষ্টি আদি দুটামান ভাল কবিতা প্ৰকাশ পাইছে।

**কানৈ কলেজ আলোচনী ১৯৬৪-৬৫ চন ঊনবিংশ সংখ্যা**

*সম্পাদক - মুকুট সিংহ ফুকন*

ঊনবিংশ সংখ্যাৰ 'কানৈ কলেজ' আলোচনীখন আঠটা কবিতা, আঠটা গল্প, সাতটা প্ৰৱন্ধ আৰু দুখন ৰম্য ৰচনাৰে সমৃদ্ধ। এই সংখ্যাত প্ৰকাশ পোৱা কেইটামান গুৰুত্বপূৰ্ণ প্ৰবন্ধ হৈছে-

কলমাকান্ত ভট্টাচাৰ্যৰ - সাহিত্য চৰ্চা আৰু অসমীয়া জাতি'

খগেশ্বৰ গগৈৰ - অসমীয়া ফকৰা যোজনাৰ চমু জৰীপ,

এম. ইমৰাণ আলিৰ - ৰাষ্ট্ৰীয় ভাষা সমস্যা।

'অসমীয়া ফকৰা-যোজনাৰ চমু জৰীপ' প্ৰৱন্ধত ভাষাৰ সৌষ্ঠৱ বৃদ্ধিত যে ফকৰা যোজনাৰ গুৰুত্ব আছে সেই সম্পৰ্কে আলোচনা কৰাৰ উপৰিও বহু সংখ্যক ফকৰা যোজনাৰ ব্যাখ্যা দাঙি ধৰিছে। 'ৰাষ্ট্ৰীয় ভাষা সমস্যা ঃ ভাৰতবৰ্ষৰ' প্ৰৱন্ধটো লেখকে বহু ভাষা-ভাষীৰ বাসস্থান ভাৰতবৰ্ষত সকলোৰে মাজত ঐক্য স্থাপনৰ বাবে যে এটা ৰাষ্ট্ৰীয় ভাষা প্ৰয়োজন সেই কথা উল্লেখ কৰিছে। চৰকাৰী যুক্তি অনুসৰি হিন্দী ভাষা ৰাষ্ট্ৰীয় ভাষা। কিন্তু হিন্দীক ৰাষ্ট্ৰীয় ভাষা বুলি মানি ল'লেও কিছুমান যে অসুবিধা আছে লেখকে সেয়া উল্লেখ কৰিছে আৰু এই অসুবিধা সমূহ আতঁৰোৱাৰ বাবে কেইটামান উপায় নিৰ্দেশ কৰিছে।

**কানৈ কলেজ আলোচনী ১৯৬৬-৬৭ চন একবিংশ সংখ্যা**

*সম্পাদিকা ঃ কল্পনা দত্ত*

মণিৰাম দিহিঙ্গীয়াৰ "অগ্ৰগতিৰ পথত ভাৰতীয় বিজ্ঞান" প্ৰৱন্ধটিত বিজ্ঞানৰ ক্ৰমোন্নতি ভাৰতীয় বিজ্ঞানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিছে। আবুল বছৰৰ "হেম বৰুৱাৰ কবিতাত" শীৰ্ষক প্ৰৱন্ধটিত হেম বৰুৱাৰ কবিতা সমূহৰ এটা বিশ্লেষণাত্মক অধ্যয়ন আগবঢ়াইছে। এই সংখ্যাত ছয়টা গল্প প্ৰকাশ পাইছে। কণ্ঠি বৰগোঁহাইৰ 'অভিযোগ', উপমা দত্তৰ প্ৰয়াস আদি গল্পত, প্ৰেম, অসহায় অৱস্থা আদি চিত্ৰিত হৈছে।

**কানৈ কলেজ আলোচনী ১৯৬৭-৬৮ চন**

*সম্পাদক ঃ তৰুণ গগৈ*

বেজবৰুৱাৰ শতবাৰ্ষিকীৰ স্মৃতিত উৎসৰ্গা কৰা কানৈ কলেজ আলোচনীৰ এই সংখ্যাটিত কেইটমান নতুন শিতানৰ সংযোজনেৰে আকৰ্ষণীয় হৈ উঠিছে। পুৰণি আলোচনীৰ পাত মেলি, এমুঠি ভাৰতীয় কবিতা, হেমন্ত দত্তৰ সুন্দৰৰ বৰচ'ৰাৰ মাজত আদিয়ে এক নতুন সোৱাদ দিবলৈ সক্ষম হৈছে। কানৈ কলেজৰ আলোচনী পুৰণি সংখ্যাৰ পৰা অধ্যাপক যতীন্দ্ৰনাথ দুৱৰাৰ 'জীৱনৰ সাতোঁৰ' নামৰ কথা কবিতা এটা তুলি আনিছে। আক্ৰামূল ইছলামৰ এমুঠি ভাৰতীয় কবিতাৰ অনুবাৰে আলোচনীখনক এটা নতুন ৰূপ দিছে। উৰ্দু, পাচী, গুজৰাটী, মালায়লম, কানাড়ী, কাশ্মীৰী কবিতা সমূহে পাঠকক এক নোপোৱা সোৱাদৰ জুতি দিছে। সেইদৰে 'সুন্দৰৰ বৰ'চৰা'ত ভূপেন হাজৰিকাৰ সৈতে এটা দিনৰ সান্নিধ্যৰ কথা সুঁৱৰিছে হেমন্ত কুমাৰ দত্তই। কথাছবিক বাতৰি কাকতে প্ৰেৰণাদায়ক সমালোচনা কৰিব নোৱাৰেনে বুলি সোধোতে ভূপেন হাজৰিকাই কৈছে-"অসমৰ সুস্থ সংস্কৃত সাধনা কৰাতকৈ সমালোচনা কৰা পণ্ডিত গৱেষকহে বাঢ়িছে। পুখুৰীৰ বিষয়ে দহ বছৰ গৱেষণা কৰাতকৈ নিজে বোকাত নামি পুখুৰী খান্দি চোৱা উচিত।" অধ্যাপক প্ৰিয়াংশু প্ৰবল উপাধ্যায়ৰ 'চাৰ্বাক দৰ্শনৰ চম পৰিচয় প্ৰৱন্ধত। এই প্ৰৱন্ধত আস্তিক আৰু নাস্তিক সম্পৰ্কে মত দাঙি ধৰাৰ উপৰিও চাৰ্বাক দৰ্শনৰ প্ৰতিষ্ঠাতা সম্পকেও আলোচনা কৰিছে। ৰমেশ ৰাজখোৱাৰ এটি প্ৰৱন্ধ "আধুনিক অসমীয়া অশ্লীল সাহিত্য আৰু যৌনতত্ত্ব প্ৰৱন্ধত অসমীয়া সাহিত্যও এই বিষয়টোৰ সন্দৰ্ভও কৈছে - "সীমাবদ্ধ বন্ধনৰ মাজেদি আগবালি অহাৰ কাৰণে অসমীয়া অশ্লীল সাহিত্য আৰু যৌন সম্পৰ্কীয় সাহিত্য এতিয়াও অসমীয়া সাহিত্যৰ দূৰ পৰাহত সাহিত্য।" কেইখনমান অসমীয়া অশ্লীল ৰচনাৰ কথা উল্লেখ কৰিছে য'ত মনঃস্তাত্বিক দিশটো উলাই কৰা হৈছে। N.K. Baruah ৰ "Impact of Ahome

rule on Assamese life and culture" প্ৰৱন্ধটিত আহোম শাসন, সংস্কৃতিৰ কেইটমান উল্লেখযোগ্য দিশৰ অৱলোকন কৰিছে।

অধ্যাপক ডিম্বেশ্বৰ চলিহাৰ 'বিজ্ঞানৰ আগন্তুক সমস্যা' শীৰ্ষক প্ৰৱন্ধত সালোক সংশ্লেষণ, আনৱিক সংযোগ, লিঙ্গ সমতা, আধুনিক চিকিৎসা আদিৰ দিশত অনাগত সময়ত দেখা দিব পৰা সমস্যাসমূহ আলোচনা কৰিছে।

### কানৈ কলেজ আলোচনী ১৯৭২-৭৩ চন ২৭তম সংখ্যা

*সম্পাদক ঃ ডম্বৰু বৰা*

এই সংখ্যাটিত নটা কবিতা, পাঁচটা গল্প ছয়টা প্ৰৱন্ধ আৰু এটা সাক্ষাৎকাৰেৰে সজ্জিত।

হিতেশ বিকাশ গগৈৰ 'এটা প্ৰেমৰ কবিতা ধ্ৰুৱ কুমাৰ সন্দিকৈৰ 'অব্যক্ত বেদনা', আদি কবিতাত প্ৰেমৰ সুকোমল অনভূতি প্ৰকাশ পাইছে।

"আদিমতম প্ৰেমৰ সহজাত, নিশা ফুলা
প্ৰীতিগন্ধা ফুলৰ মাদকতাত
মোৰেই বুকুত তুমি ঢালি দিবা,
তোমাৰ বুকুৰ অবুজ নিবিড় খেলিমেলি এপৃথিৱী কথা
(এটা প্ৰেমৰ কবিতা)

পূণ্যধৰ ৰাজখোৱাৰ প্ৰৱন্ধ 'আমাৰ গ্ৰন্থাগাৰ আৰু ইয়াৰ সমস্যা' প্ৰৱন্ধত গ্ৰন্থাগাৰত পঢ়ুৱৈৰ প্ৰকৃতি, গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তা আৰু এটা সুবিধাজনক গ্ৰন্থাগাৰ কেনেধৰণৰ হ'ব লাগে এই সম্পৰ্কে তেওঁ প্ৰৱন্ধটিত কেইটামান ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। আলোচনীখনত বাগ্মীবৰ, নীলমণি ফুকনৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰকাশ পাইছে। শিক্ষাৰ প্ৰসঙ্গত তেখেতে কৈছে - "শিক্ষা বস্তুটো মানুহৰ জন্মদিন ধৰি যমজ বুলিব পাৰি। গতিকে যমজ দুই ভাই ককাইৰ যি সম্বন্ধ শিক্ষাৰ লগতে ওপজা মাত্ৰেই মানুহৰ সেই সম্বন্ধ।" আলোচনীখনত গল্প, কবিতা প্ৰৱন্ধসমূহ সানমিহলি হৈ আছে।

### কানৈয়ান ১৯৯৮-৯৯ চন স্বৰ্ণজয়ন্তী সংখ্যা

*সম্পাদিকা ঃ কান্তা কাবেৰী সোনোৱাল*

এই স্বৰ্ণজয়ন্তী সংখ্যাটি অসমীয়া আৰু ইংৰাজীত দহটা প্ৰৱন্ধ, আঠটা কবিতা, তিনিটা গল্প আৰু এখন উপন্যাসেৰে প্ৰকাশ পাইছে। আলোচনীখনৰ আৰম্ভণিতে অধ্যাপক বিনোদ বড়াৰ 'কানৈয়ানৰ পঞ্চাছ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা" শীৰ্ষক লেখটিত কানৈয়ানৰ ছাবিবশটি সংখ্যাৰ আলোচনা কৰা হৈছে। এই সংখ্যাটিৰ আন এটা গুৰুত্বপূৰ্ণ প্ৰৱন্ধ হৈছে ড০ আতিকুদ্দিন আহমেদৰ "অসমত নিয়োগৰ সমস্যা আৰু সম্ভাৱনা" বৰ্ত্তমান সময়ত চৰকাৰী খণ্ডত নিয়োগৰ সম্ভাৱনা কমি যোৱাৰ বিষয়টো সম্পৰ্কে তেওঁ দৃষ্টিপাত কৰিছে। অসমত নিয়োগৰ সম্ভাৱনা আৰু সমস্যা সমূহ আঁতৰোৱাৰ বাবে কেইটমান বিশেষ দিশ উল্লেখ কৰি স্ব-নিয়োজনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

বিপুল বৰুৱাৰ "আহাম যুগৰ লোকোক্তি" প্ৰৱন্ধটিত অসমীয়া লোক সাহিত্য টনকিয়াল কৰাত আহোম যুগক কেন্দ্ৰ কৰি সৃষ্টি হোৱা লোকোক্তি কিছুমান উল্লেখ কৰিছে। গল্প শিতানত পল্লবিতা দাসৰ 'প্ৰেম, সংশয় আৰু সিহঁতবোৰ', সিদ্ধাৰ্থ বৰকাকতীৰ মনঃস্তাপ, মৰমী দত্তৰ সংস্থাপন আদি গল্পত দৈনন্দিন সন্মুখীন হোৱা সমস্যা কিছুমান গল্পৰ বিষয়বস্তু হিচাপে লোৱা হৈছে।

অতিথি চ'ৰাত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰকাশ পাইছে। নতুন লেখকচামৰ ভৱিষ্যত সম্পৰ্কে সোধা এটা প্ৰশ্নৰ উত্তৰত কয় "আমি নতুন লেখক লেখিকাৰ ক্ষেত্ৰত আশাবাদী হ'বই লাগিব। কাৰণ অসমীয়া সাহিত্যৰ জীৱনটোৰ এছোৱা এওঁলোকেই লালন পালন কৰিব লাগিব।" ইংৰাজী শিতানত মৌচুমী দত্তৰ Orchid in northeast : a resource in danger প্ৰৱন্ধত উত্তৰ পূৰ্বাঞ্চলৰ অৰ্কিড সমূহৰ ফুলাৰ সময়, পৰিৱেশৰ ভিন্নতা সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছে।

### কানৈয়ান ১৯৯৯-২০০০ চন স্বৰ্ণজয়ন্তী সংখ্যা (৫১সংখ্যক)

*সম্পাদক ঃ সাৰঙ্গ শঙ্কৰ কলিতা*

এই সংখ্যাৰ কানৈয়ানৰ সম্পাদকীয়ত সমসাময়িক সকলো বিষয়ৰ ওপৰত সম্পাদকে আলোকপাত কৰিছে - অস্থিৰ সময়, ৰাজনৈতিক, সামাজিক, শৈক্ষিক সাংস্কৃতিক সাহিত্য আদি। সম্পাদকীয় সামৰণি মাৰিছে এইদৰে - "বৰ্ত্তমান সুন্দৰ হলেহে ভৱিষ্যত সুন্দৰ হ'ব বুলি আশাবাদী, বৰ্তমানক আমাৰ অগ্ৰজসকলে সততাৰ পোছাকেৰে সজাই দিলেহে অদূৰ ভৱিষ্যতলৈ আমি আমাৰ অনাগত প্ৰজন্মৰ বাবে সততাৰ শুভ্ৰ পোছাক মেৰামতি কৰি থবলৈ প্ৰেৰণা পাম।" উঠি অহা প্ৰজন্মৰ

কি সুন্দৰ অনুভৱ! এই আলোচনীখনত কবি হীৰেণ ভট্টাচাৰ্যৰ 'অসম উপত্যকা বঁটা' গ্ৰহণ কৰোঁতে দিয়া ভাষণটিৰ পূৰ্ণ পাঠ সংযোগ কৰা হৈছে। ভাষণটিও কৈছে- "কবিতা হৈছে মানৱ সত্য স্পৰ্শ কৰা আত্মানুসন্ধান।" গল্প শিতানত থকা গল্প সমূহত ভাবৰ উচ্ছাস দেখা যায়, শিল্পগত গাঁথনি উন্নত নহয় যদিও প্ৰচেষ্টা শলাগিব লগীয়া।

**কানৈয়ান ২০০৫-০৬ চন ৫৭ সংখ্যক**

*সম্পাদিক ঃ বিশ্বজিৎ চেতিয়া*

কানৈয়ানৰ এই সংখ্যাটি একত্ৰিশটা অসমীয়া কবিতা, দহটা প্ৰৱন্ধ, এটা গল্প, তিনিটা বাংলা কবিতা, তিনিটা প্ৰৱন্ধ, হিন্দী আৰু ইংৰাজী বিভাগতো গল্প আৰু কবিতাৰে পৰিপূৰ্ণ হৈ আছে। ড০ জয়কৃষ্ণ মহন্তৰ 'প্ৰতীৰ্কধৰ্মীতা আৰু কবি ইয়েটচৰ কবিতাত প্ৰতীক' সম্পৰ্কে বহলাই আলোচনা কৰিছে। প্ৰখৰ বুদ্ধিমত্তা আৰু পৰ্যবেক্ষণৰ মাজেৰে অহা প্ৰতীক বিধেই যে কবিৰ প্ৰিয় এই কথা প্ৰৱন্ধকাৰে উল্লেখ কৰিছে। ড০ শিখা শৰ্মাৰ 'বিষাক্ত মৌল আছেনিকৰ ব্যৱহাৰ আৰু বিষক্ৰিয়া সম্পৰ্কে এটি গুৰুত্বপূৰ্ণ প্ৰৱন্ধ প্ৰকাশ পাইছে। গল্প শিতানত কৃষ্ণকান্ত বৰদলৈৰ অনুদিত গল্প 'সুজাতা' প্ৰকাশ পাইছে। সুজাতাৰ অনুবাদ কৰ্ম সাৱলীল হৈছে।

**কানৈয়ান ২০০৬-২০০৭ চন ৫৮তম সংখ্যাক**

*সম্পাদক ঃ কাশ্যপ মহন্ত*

অংশু শৰ্মাৰ 'I shall for you, Monalisha Borthakur ৰ Forever', জিতু গগৈৰ - ডি.এইচ.এচ.কে. মহাবিদ্যালয় আৰু নৱজিৎ মৰাণৰ - আহিবাছোন এবাৰ কানৈ কলেজলৈ কবিতা কেইটা পঢ়ি ভাল লগা কবিতা। কবিতাৰ গুণগত দিশেৰে সমৃদ্ধ নহয় যদিও কবিতা কেইটিৰ লয়লাসে গতিয়ে পাঠকক মুগ্ধ কৰে। মনোজ দত্তৰ 'ম'বাইল ফোনে লেগু ফোনলৈ লিখা মুকলি চিঠিখনে হাস্যৰসৰ সৃষ্টি কৰিছে। শব্দৰ প্ৰয়োগ লক্ষণীয়।

**কানৈয়ান ২০০৯-১০ চন**

*সম্পাদিকা ঃ ৰিম্পী গগৈ*

একবিংশ শতিকাত ঠিয় হৈ এগৰাকী ভৱিষ্যতৰ নাগৰিক হিচাপে নতুন প্ৰজন্মই যে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব লাগিব এই বাৰ্তা লৈ সম্পাদকীয় প্ৰকাশেৰে এই সংখ্যাটি আৰম্ভ হৈছে। বিশিষ্ট সাহিত্যিক নগেন শইকীয়াৰ সৈতে হোৱা সাক্ষাৎকাৰত ইংৰাজী ভাষা প্ৰীতিত অসমীয়া ভাষাৰ ভৱিষৎ সম্পৰ্কে সোধা এটি প্ৰশ্নোত্তৰ তেওঁ কয় - "আমি ইংৰাজীক বিষয় হিচাপে গুৰুত্ব দিব লাগে, মাধ্যম হিচাপে নহয়। আমাৰ ইমানবোৰ মানুহ যিসকলে আমাৰ জাতীয় জীৱনত বৰঙণি যোগাইছে তেওঁলোক প্ৰত্যেকজনে নিজৰ মাতৃভাষাত পঢ়া স্বত্বেও তেওঁলোক ইংৰাজী বিষয়টোত বৰ দক্ষ।" গল্প শিতানত জুৰী বৰা বৰগোঁহাঞিৰ 'অনুৰাধাৰ দিন' গল্পটি এটা সাৰ্থক গল্প। ভ্ৰাম্যমানত থকা এগৰাকী অভিনেত্ৰীৰ জীৱনৰ কাৰুণ্য, মানুহৰ ভণ্ড চৰিত্ৰ উদঙাই দেখুৱাইছে।

**কানৈয়ান ২০১০-১১ চন (৬২সংখ্যক)**

*সম্পাদিকা ঃ অংশুমালী চেতিয়া*

ড° জয়কৃষ্ণ মহন্তৰ 'ছাত্ৰ-শিক্ষক আৰু সমাজ কৰ্ত্তব্য আৰু ভূমিকা', ড° উষাৰাণী বৰুৱাৰ 'মাধৱদেৱৰ নাটক', ড° আতিকুদ্দিন আহমেদৰ 'সংস্কাৰোত্তৰ কালৰ ভাৰতীয় অৰ্থনীতি ঃ এক চমু আলোচনা, যিন্তেনূহ বেহেৰাৰ (Jintus Bhengra) Assamese struggle of Swarj আদি প্ৰৱন্ধ এই সংখ্যাৰ কানৈয়ানৰ অন্যতম ৰচনা সম্ভাৰ। 'ছবি শিক্ষক আৰু সমাজ - কৰ্ত্তব্য আৰু ভূমিকা প্ৰৱন্ধও আজিৰ ছাত্ৰ সমাজ অৰ্থকাৰী বৃত্তিৰ সন্ধানত যে ঢপলিয়াইছে সেই অপ্ৰিয় সত্যক প্ৰকাশ কৰিছে। ভগৱদ্‌গীতা, উপনিষদৰ উদাহৰণ দি কৰ্মত শ্ৰদ্ধা আৰু কঠোৰ পৰিশ্ৰমৰ দ্বাৰাহে যে প্ৰকৃত শিক্ষা লাভ কৰিব পাৰি সেই কথা ব্যাখ্যা কৰিছে। এই সংখ্যাত তিনিগৰাকী শিক্ষাগুৰুৰ সাক্ষাৎকাৰ প্ৰকাশ কৰিছে - অধ্যাপক মুনীন শৰ্মা, ড০ উষাৰাণী বৰুৱা আৰু ড০ জয়কৃষ্ণ মহন্তৰ। প্ৰদীপ বড়াৰ 'অভিমন্যু' নাটকখন এই সংখ্যাৰ এক নতুন সংযোজন।

**কানৈয়ান ২০১২-১৩ চন ৬৩ সংখ্যক**

*সম্পাদিক ঃ দিব্যজ্যোতি বৰা*

কানৈয়ানৰ এই সংখ্যাত কবিতাৰ সংখ্যাই সৰহ। দীপাৱলী কুৰ্মীৰ 'ভোক' পাৰ্থ প্ৰতিম গোঁহাইৰ আবেলিৰ বৰষুণ, প্ৰাঞ্জল প্ৰতীম শৰ্মাৰ সময় আদি কেইটামান কবিতাহে কাব্যিক গুণ সমন্বিত। ডিম্পু গগৈৰ 'জীৱন শৈলী' সংগীতা গগৈৰ ভাষা সংকটত - অসমীয়া আদি প্ৰৱন্ধবোৰৰ উপৰিও বিশিষ্ট লেখক অনুৰাধা

শৰ্মা পূজাৰীৰ সৈতে এটি সাক্ষাৎকাৰ প্ৰকাশ পাইছে Anurag Borpatragohian 'Samuel Beckets, waiting for Godot As a absurd play ত নাটকখনৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াইছে।

**কানৈয়ান ২০১৪-১৫ চন (৬৪ সংখ্যক)**

*সম্পাদক ঃ হেমন্ত দত্ত*

ড° শশীকান্ত শইকীয়াৰ 'জীৱন, কৰ্ম অনুভৱ ইত্যাদি, ড° প্ৰিয়দেৱ গোস্বামীৰ 'মধ্যযুগৰ ভাৰতীয় গণিত ঃ ইউৰোপীয় যোগসূত্ৰ', অধ্যাপক টি. এছ জেংৰাৰ 'The bigger side of education' আদি এই সংখ্যাৰ আলোচনীখনৰ উল্লেখযোগ্য প্ৰৱন্ধ।

কৰ্মক আনন্দৰ বিষয় হিচাপে লব পৰা মানসিকতাই কিদৰে জীৱন সুন্দৰ কৰি তুলিব পাৰে সেই বিষয়ে 'জীৱন কৰ্ম অনুভৱ ইত্যাদি' ৰচনাত সৰল ভাৱে ব্যাখ্যা কৰিছে। সেইদৰে 'মধ্যযুগৰ ভাৰতীয় গণিত ঃ ইউৰোপীয় যোগসূত্ৰ প্ৰৱন্ধত ভাৰতত গণিত চৰ্চাৰ ইতিহাস সম্পৰ্কে তথ্যসমৃদ্ধ বিশ্লেষণ আগবঢ়োৱাৰ উপৰিও ইউৰোপলৈ কিদৰে সঞ্চাৰিত হৈছিল তাৰে কেইটামান বিষয় উল্লেখ কৰিছে। জাহ্নৱী চক্ৰৱৰ্তীয়ে 'অসমীয়া সমাজত নাৰী ঃ অতীত আৰু বৰ্তমান' প্ৰৱন্ধত অসমীয়া নাৰীৰ আত্মনিৰ্মাণৰ ইতিহাস বিশ্লেষণ কৰি দেখুৱাইছে। ৰঘুবীৰ চহায় এটি হিন্দী কবিতাৰ অনুবাদ কৰিছে অধ্যাপক কৃষ্ণকান্ত বৰদলৈয়ে 'কেমেৰাত বন্দী বিকলাঙ্গ'

**কানৈয়ান ২০১৮-১৯ চন ত্ৰিসপ্ততি সংখ্যাক**

*সম্পাদক ঃ কৃষ্ণ ভুজেল*

'অসমীয়া আৰু কৰ্মসম্পন্ন জাতীয়তাবাদ' শীৰ্ষক সম্পাদকীয়ত কৰ্মসংস্কৃতিত গুৰুত্ব দি কৰ্মইহে যে জাতীয়তাবাদৰ ভেঁটি সুদৃঢ় কৰিব পাৰিব এই বিষয়ে আলোকপাত কৰিছে। এই সংখ্যা কানৈয়ানত বিশিষ্ট সমালোচক ড০ আনন্দ বৰমুদৈ আৰু বিশিষ্ট বিজ্ঞানী প্ৰদীপ কুমাৰ ভূঞাৰ দুটি সাক্ষাৎকাৰ প্ৰকাশ পাইছে। এই সংখ্যাটিত বিষয়বস্তু অনুযায়ী কেইটমান শিতানত সজোৱা হৈছে- শিক্ষা আৰু সমাজ, জনগোষ্ঠীয় জীৱন, গল্পগুচ্ছ, নীলাখামৰ চিঠি, গ্ৰন্থ সমালোচনা (শৰ কটা মানুহ বৰগোৱানী) জীৱনী, পৰিৱেশ ভ্ৰমণ আদি।

কানৈ কলেজে আজি মহাৰজতৰ বুকুৰেদি আহি আঠসত্তৰটা বছৰত ভৰি দিছেহি। এই সুদীৰ্ঘ পৰিক্ৰমাত এইখন শিক্ষানুষ্ঠানে অলেখ মানৱ সম্পদ সৃষ্টি কৰি আহিছে। ভাষা, সাহিত্য সংস্কৃতি ৰাজনীতি সকলো দিশতে কানৈ কলেজে সীমাহীন অৱদান আগবঢ়াই আহিছে। 'কানৈ কলেজৰ মুখপত্ৰইও বহন কৰিছে সুদীৰ্ঘ বৌদ্ধিক যাত্ৰাৰ এক সোণালী স্বাক্ষৰ। 'ডিব্ৰুগড় কলেজ আলোচনী, কানৈ কলেজ আলোচনীয়ে কেতিয়া কেনেকৈ 'কানৈয়ান' হিচাপে পৰিচিত হ'ল তাৰ সঠিক তথ্য পোৱা নাই যদিও সেই চেষ্টা অব্যাহত আছে যাতে পাঠকক আমি এই বিষয়ে জনাব পাৰোঁ। 'কানৈয়ান'ৰ সংগৃহীত সংখ্যাকেইটা সামগ্ৰিক আলোচনাত দেখা গৈছে কানৈয়ানত প্ৰকাশিত গল্প আৰু কবিতাৰ সংখ্যাই সৰহ যদিও সকলো গল্প কবিতাই যে এটা সাৰ্থক ৰূপ লাভ কৰিছে এনে নহয়। মাত্ৰাধিক ভাবোচ্ছাহে এটা সফল ৰূপ লাভ কৰাত বাধা দিছে। বিষয়বস্তু নিৰ্বাচনত বৈচিত্ৰ্য থকাৰ কথা স্বীকাৰ কৰিব পাৰি। এয়া এক বৌদ্ধিক যাত্ৰাৰ আৰম্ভণিহে। সমাজ, অৰ্থনীতি বিজ্ঞান, শিক্ষাব্যৱস্থা, দৰ্শন আদি বিভিন্ন বিষয়েৰে বহুতো গুৰুত্বপূৰ্ণ প্ৰৱন্ধ প্ৰকাশ হৈছে। উঠি অহা প্ৰজন্মৰ হাতত 'কানৈয়ানে' সময়ৰ সোঁতত নতুন ৰূপত আত্মপ্ৰকাশ কৰি আহিছে। আমি আশাবাদী অনাগত দিনত কানৈয়ানে আৰু অধিক বলীষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰিব, অসমীয়া সাহিত্যক নেতৃত্ব দিব পৰাকৈ গুণগত ৰচনা সম্ভাৰেৰে কানৈয়ানে যাত্ৰা অব্যাহত ৰাখিব। 'মহাৰজতৰ বুকুত কানৈয়ানে' যি স্বাক্ষৰ থৈ আহিছে সেই গৌৰৱৰ অংশীদাৰ হৈ অনাগত দিনতো কানৈয়ান যুগজয়ী হৈ ৰ'ব।

# কানৈ কলেজ আৰু ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ আৰম্ভণী

ড° আতিকুদ্দিন আহমেদ
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ, ডি.হ.সু. কানৈ মহাবিদ্যালয়

১৯৪৫ চনত ডিব্ৰুগড় কলেজ প্ৰতিষ্ঠা হোৱাকে ডিব্ৰুগড় উচ্চ শিক্ষা আৰম্ভণী বুলি ক'ব পাৰি। শ্ৰদ্ধেয় অশ্চিনী চৰণ চৌধুৰীদেৱৰ একক প্ৰচেষ্টাতে তেতিয়াৰ জৰ্জ্জ ইন্সটিটিউচনত পৰিচালনা সমিতিৰ সিদ্ধান্ত মৰ্মে ১৯৪৫ চনৰ ১৫ জুন তাৰিখে ডিব্ৰুগড়ত এখন ইণ্টাৰমিডিয়েট কলেজৰ দ্বাৰ মুকলি কৰে অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ ফৈজনুৰ আলী দেৱে। সেই সভাখনিত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকল আছিল ক্ৰমে শৰৎ কুমাৰ দত্ত, জীৱন ৰাম ফুকন, মফিজুদ্দিন আহমেদ হাজৰিকা আৰু ৰায়হান শ্বাহ ইত্যাদি। সভাৰ আৰম্ভণীতে মাঙ্গলীক স্তোত্ৰ পাঠ কৰিছিল গিৰিশ শাস্ত্ৰী দেৱে। ইয়াৰ আগেয়ে ১৯৪৫ চনৰ ২৮ মে তাৰিখে কলেজ খোলাৰ বিষয়টো আলোচনা কৰিবলৈ জৰ্জ্জ স্কুলত এখনি ৰাজহুৱা সভা আহ্বান কৰা হৈছিল। সেই সভাৰ সভাপতি আছিল ৰায় চাহাব বেনুধৰ ৰাজখোৱা। সেইখন সভাতেই কলেজ খোলাৰ যাৱতীয় কামবোৰ সম্পাদন কৰিবলৈ এখন কলেজ সমিতি গঠন কৰা হয় ৰায় বাহাদুৰ, সদানন্দ দুৱৰা, ডাঃ ফনীন্দ্ৰ নাথ ঘোষ, নৰ কুমাৰ দত্ত, বেনুধৰ ৰাজখোৱা, ৰামেশ্বৰ লাল চহৰীয়া, ফৈজনুৰ আলী, জালালুদ্দিন আহেমেদ, যোগীৰাজ বসু, ডি.পি দাস, গনেশ ৰাম ফুকন, নন্দেশ্বৰ চক্ৰবৰ্ত্তী, প্ৰসন্ন কুমাৰ বৰুৱা, গোবিন্দ চন্দ্ৰ শৰ্মা, মুৰুলীধৰ জালান আৰু অশ্চিনী চৰণ চৌধুৰী ইত্যাদি ডিব্ৰুগড় বিশিষ্ট নাগৰিক সকলক লৈ। প্ৰখ্যাত শিক্ষাবিদ তথা সংস্কৃত পণ্ডিত যোগীৰাজ বসুদেৱক অধ্যক্ষৰ দায়িত্ব দিয়া হয়। প্ৰতিষ্ঠাৰ প্ৰথম বছৰত শিক্ষাদানৰ বিনিময়ত কোনো দা-দৰমহা নোলোৱাকৈ কাম কৰা শিক্ষকসকল আছিল ক্ৰমে যোগীৰাজ বসু (অধ্যক্ষ), উমা প্ৰসন্ন দে, লক্ষী প্ৰসাদ দত্ত, এম কে. চক্ৰবৰ্তী, বেনুধৰ ৰাজখোৱা, দেৱ কুমাৰ দত্ত, কে.এ. ৰামকৃষ্ণণ, নিৰ্ম্মল কুমাৰ বসু, বীৰেন্দ্ৰ ভট্টাচাৰ্য, সুশীল চন্দ্ৰ দত্ত, শক্তিপদ পাত্ৰ, নেকিবুৰ ৰহমান আদি। পিছৰ বছৰত এই সকল শিক্ষককে স্থায়ীভাৱে নিযুক্ত কৰা হয়। তেতিয়া অধ্যক্ষৰ মাহিলী দৰমহা আছিল ডেৰশ টকা আৰু বাকী শিক্ষকসকলৰ এশ টকা। কেৰাণীজনে পাইছিল মাহে চল্লিশ টকা আৰু চকীদাৰে দহ টকা।

কলেজত নামভৰ্তি কৰা প্ৰথম ছাত্ৰীগৰাকী আছিল শ্ৰীমতী সৰলা চৌধুৰী। ১৯৪৭ চনত আমোলাপট্টি ছোৱালী হাইস্কুলখন স্থানান্তৰ হোৱাত ডিব্ৰুগড় কলেজ খালি হোৱা সেই ঘৰতোলৈ উঠি আহে। ইতিমধ্যে কলেজৰ স্বীকৃতিৰ বাবে কলিকতা বিস্ববিদ্যালয়ৰ সৈতে যোগাযোগ কৰা হয়। কাৰণ তেতিয়া অসমত কোনো বিশ্ববিদ্যালয় স্থাপন হোৱা নাছিল। সময়ত কলেজখন পৰিদৰ্শন কৰা হ'ল আৰু কলেজে স্বীকৃতি লাভ কৰিলে। ক'লা আৰু বাণিজ্য দুয়োটা শাখাৰে স্নাতক শ্ৰেণী সমান্তৰালভাৱে আৰম্ভ কৰা হ'ল। ১৯৪৭ চনত লক্ষ্মী প্ৰসাদ দত্তদেৱক কলেজৰ উপাধ্যক্ষ পদত নিযুক্তি দিয়া হয়। লগে লগে কলেজখনলৈ এক নতুন উদ্যম আৰু গতি আহিল। কাৰণ দত্তদেৱৰ কৰ্ম্মক্ষমতা আৰু সাংগঠনিক পাৰদৰ্শিতা আছিল অতুলনীয়।

সময় আগবঢ়াৰ লগে লগে কলেজ কৰ্তৃপক্ষই নিজাৰে মাটি আৰু কলেজ ভৱনৰ কথা চিন্তা কৰিলে। মাটি বিচাৰি চৰকাৰৰ ওচৰত আৱেদন কৰাত ডিব্ৰুগড় পৌৰসভাই গাভৰু পথাৰত থকা ট্ৰেনচিং গ্ৰাউণ্ডৰ গোটেই খিনি মাটি কলেখনক দান কৰে। লগতে কিছু মাটি কলেজে ওচৰ পাজৰৰ ব্যক্তিৰ পৰাও কিনি লয়। ১৯৪৭ চনত কলেজৰ শিক্ষক আৰু ছাত্ৰ-সকলে মিলি কলেজৰ বাবে বৰঙণি সংগ্ৰহ কৰাৰ অভিযান এটা হাতত লয়। কলেজৰ আঠগৰাকী শিক্ষকৰ তত্বাৱধানাত চহৰখনৰ বিভিন্ন অঞ্চলৰ পৰা দান বৰঙণি সংগ্ৰহৰ অৰ্থে আঠটা দ'ল গঠন কৰা হয়। সমাজৰ সকলো পৰ্যায়ৰ মানুহেই কলেজ প্ৰতিষ্ঠাৰ দৰে এটা মহৎ কাৰ্যৰ বাবে বৰঙণি আগবঢ়াইছিল। আনকি ৰিক্সাৱালা, ঠেলাৱালা আদিৰ দৰে অতি নিম্ন আয় বৰ্গৰ লোকেও অতি উৎসাহেৰে দানপাত্ৰত নিজৰ বৰঙণি দিছিল।

কলেজ প্ৰতিষ্ঠাৰ প্ৰাৰম্ভ কালতে আৰু কেইগৰাকীমান স্বনামধন্য ব্যক্তিয়ে কলেজৰ শিক্ষক পদত যোগদান কৰিছিল। এখেতসকল হৈছে বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰা আৰু বিশিষ্ট গীতিকাৰ, কবি আৰু সহিত্যিক মহেন্দ্ৰ বৰা। সাহিত্যিক বেনুধৰ ৰাজখোৱাদেৱে ইতিমধ্যে কলেজত শিক্ষকতা কৰি আছিল। ১৯৫৩ চনৰ পৰা কলেজ কৰ্তৃপক্ষৰ বিজ্ঞান শাখাটো খোলাত সিদ্ধান্ত কৰি পুৰণি বেৰীহোৱাইট মেডিকেল স্কুলৰ খালী ঘৰ কেইটা বিচাৰি চৰকাৰৰ ওচৰত আবেদন কৰাত চৰকাৰে সহৃদয়তাৰে সেই সুবিধা আগবঢ়ায়। কিন্তু বিজ্ঞান শাখা খুলিবলৈ কলেজত যথেষ্ট টকা পইচাৰ প্ৰয়োজন হ'ল। তেনেতে হনুমানবক্স কানৈয়ে প্ৰয়োজন হোৱা অৰ্থৰ জোৰা মাৰিবলৈ এক লাখ টকাৰ বৰঙণি আগবঢ়োৱাৰ প্ৰস্তাৱ দিলে। কিন্তু কানৈ পৰিয়ালে এটা চৰ্ত আৰোপ কৰিলে যে কলেজখনৰ নাম তেওঁলোকৰ নামেৰে হ'ব লাগিব। এই বিষয়লৈ যথেষ্ট বিতৰ্ক হ'ল। বহুতো নেতৃস্থানীয় লোকে বিতৰ্কত ভাগ লৈছিল। অৱশেষত উচ্চ শিক্ষানুষ্ঠান নথকা ঠাই এখনত গঢ় লৈ উঠিব ধৰা কলেজখনৰ স্বাৰ্থতে সকলো বিতৰ্ক তথা মতভেদ দুৰ হয়। লগতে ১৯৫০ চনৰ ২৫ জুলাই তাৰিখৰ পৰা 'ডিব্ৰুগড় কলেজ'ৰ নাম 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ' হয়। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাত কানৈ কলেজৰ শ্ৰেণীসমূহে যাৱতীয় পৰিদৰ্শনৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয় স্বীকৃতি লাভ কৰে।

কলেজ কৰ্তৃপক্ষই নিজা মাটিত কলেজৰ ভৱন নিৰ্মাণৰ কথা চিন্তা কৰে। এই কামৰ বাবে পুনৰ হনুমানবক্স কানৈয়ে একলাখ টকাৰ এটি অনুদন আগবঢ়ায়। কেৱল সেয়ে নহয় ভৱনটোৰ ডিজাইন বাছনি কৰাৰ পৰা ঘৰ সজা কামৰ তদাৰক কৰালৈকে সকলো কাম কানৈয়ে নিজে কৰিছিল। ১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে নতুন ভৱনটোৰ আধাৰশিলা স্থাপন কৰিছিল তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰাদেৱে। নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাত ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ তাৰিখে এই নতুন ভৱনটিৰ দুৱাৰ মুকলি কৰিছিল ভাৰতবৰ্ষৰ তদানিন্তন উপৰাষ্ট্ৰপতি শিক্ষাবিদ তথা প্ৰখ্যাত দাৰ্শনিক পণ্ডিত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণদেৱে। ১৯৫৯-৬০ শিক্ষাবৰ্ষৰ পৰা এই নতুন ভৱনতে কলা, বাণিজ্য আৰু বিজ্ঞান তিনিওটা শাখাতে শ্ৰেণীসমূহ আৰম্ভ কৰা হয়। লাহে লাহে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰে। পৰ্যায়ক্ৰমে বিভিন্ন বিষয়ৰ অনাৰ্চ শ্ৰেণী খুলি ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়নৰ সুবিধা প্ৰদান কৰা হয়। সমগ্ৰ উজনি অসম তথা নগালেণ্ড, মণিপুৰ আৰু অৰুণাচল প্ৰদেশৰ ছাত্ৰ-ছাত্ৰীয়ে এই কলেজত পঢ়িবলৈ আহিছিল। কাৰণ সেই সময়ত দেশৰ বিভিন্ন ঠাইৰ পৰা অহা এচাম গুণী-জ্ঞানী শিক্ষকে কানৈ কলেজক এক জ্ঞান মন্দিৰলৈ পৰিণত কৰিছিল। সেই সময়ত অসমৰ লগতে পশ্চিমবঙ্গ, বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, মাদ্ৰাছ, মহীশূৰ, মহাৰাষ্ট্ৰ, কেৰেলা, মধ্যপ্ৰদেশ আৰু জম্মু কাশ্মীৰ আদি ৰাজ্যৰ পৰা আহি কানৈ কলেজত শিক্ষকতা কৰা ব্যক্তি সকলে ইয়াত-এখনি ক্ষুদ্ৰ ভাৰতবৰ্ষৰ প্ৰতিচ্ছবি চিত্ৰিত কৰিছিল।

১৯৬০ চনত হনুমানবক্স কানৈৰ সভাপতিত্বত অনুষ্ঠিত কলেজ পৰিচালনা সমিতিয়ে উচ্চ শিক্ষাৰ উন্নতিকল্পে কেইবাটিও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৬০ চনৰ ২৭ আগষ্ট তাৰিখৰ সভাত কানৈয়ে তেখেতৰ পত্নী মনোহাৰী দেৱী কানৈৰ নামত এখন ছোৱালী কলেজ সাজি দিয়াৰ প্ৰস্তাৱ দিয়ে। নাৰী শিক্ষাৰ বিকাশৰ বাবে গ্ৰহণ কৰা প্ৰস্তৱটি সকলোৱে আদৰি লয়। অসম চৰকাৰে কানৈ কলেজৰ গাতে লাগি থকা জিলা বন বিষয়াৰ বাস ভৱনটিতে কলেজখন স্থাপনৰ অনুমতি প্ৰদান কৰে। ১৯৬৩ চনৰ ৫ জুলাই তাৰিখে মনোহাৰী দেৱী কানৈ কলেজৰ আধাৰশিলা স্থাপন কৰে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী কে, এল, শ্ৰীমালীয়ে। উক্ত অনুষ্ঠানত অসমৰ শিক্ষা মন্ত্ৰী দেৱকান্ত বৰুৱাও উপস্থিত আছিল। ১৯৬৩ চনৰ ২৫ জুলাই তাৰিখৰ পৰা এইখন কলেজৰ শ্ৰেণীসমূহ আৰম্ভ কৰা হয়।

তদুপৰি ১৯৬০ চনৰে ২১ ছেপ্তেম্বৰত কলেজ পৰিচালনা সমিতিয়ে গ্ৰহণ কৰা অন্য এটি সিদ্ধান্ত মৰ্মে কলেজৰ বাণিজ্য

শাখাটোক এখন পূৰ্ণ পৰ্যায়ৰ কলেজলৈ ৰূপান্তৰ কৰাৰ ব্যৱস্থা কৰা হয়। পুনৰ কানৈ পৰিয়ালে কলেজ ভৱন নিৰ্মাণৰ দায়িত্ব লয়। ১৯৬২ চনৰ ২৫ জুন তাৰিখে তেতিয়াৰ ভাৰতৰ বৃত্তমন্ত্ৰী মোৰাৰজী দেশায়ে কৰ্মাচ কলেজৰ ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। সেই সময়ৰ যোগীৰাজ বসুদেৱক মনোহাৰী দেৱী ছোৱালী কলেজৰ আৰু নিৰ্ম্মল কুমাৰ বসুদেৱক কমাৰ্চ কলেজৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়।

১৯৬০ চনতে কানৈ কলেজত এচাম শিক্ষানুৰাগী তথা দূৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মতি সাপেক্ষে আৰ্থনীতি, বুৰঞ্জী আৰু সংস্কৃত বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলা হয়। তেতিয়া উজনি অসমত বিশ্ববিদ্যালয় নাছিল। উল্লেখযোগ্য যে কানৈ কলেজৰ স্নাতকোত্তৰ শ্ৰেণীত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট খ্যাতি অৰ্জন কৰিছিল। সেয়েই আছিল প্ৰথম পদক্ষেপ। এই প্ৰসঙ্গতে উল্লেখ কৰা উচিত হ'ব যে কলেজৰ বাবে এটি সুন্দৰ ভৱন দান হিচাপে দিয়াৰ বাবে কলেজৰ পৰিচালনা সমিতিয়ে ৰায়চাহাব হনুমানবক্স কানৈক ৰাজহুৱা সম্বৰ্ধনা জনায়। সেই সভাখনিত কানৈজী অতি অভিভূত হৈ পৰে আৰু সম্বৰ্দ্ধনাৰ উত্তৰত কয় যে ডিব্ৰুগড়ত কেৱল কলেজেই নহয় এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবেও তেখেতে অগ্ৰণী ভূমিকা ল'ব। কথা মতেই কাম আগবাঢ়িল। ১৯৬০ চনৰ, ১৫ অক্টোবৰত বহা কলেজ পৰিচালনা সমিতিৰ সভাত এটা প্ৰস্তাৱ লোৱা হ'ল যে 'ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপিত হওঁক আৰু তাৰ বাবে যাৱতীয় ব্যৱস্থা ল'বলৈ অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগক অনুৰোধ জনোৱা হওঁক। উল্লেখযোগ্য যে কানৈ কলেজৰ পৰিচলনা সমিতিৰ সভাপতি হিচাপে হনুমানবক্স কানৈয়ে নিজেই সভাত এই প্ৰস্তাৱটি উত্থাপন কৰিছিল। কানৈ কলেজৰ পৰিচলনা সমিতিখনেই ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰো এখন কৰ্ণধাৰ সমিতি হিচাপে কাম কৰিছিল। অৰ্থাৎ ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰ পটভূমি কানৈ কলেজতে ৰচিত হৈছিল।

অধ্যক্ষ লক্ষী প্ৰদাস দত্তদেৱেই বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তুতিমূলক সকলোখিনি কাম কৰিছিল। সেই সময়ত অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী আছিল ক্ৰমে বিমলা প্ৰসাদ চলিহা আৰু দেৱকান্ত বৰুৱা। কানৈ কলেজৰ প্ৰস্তাৱটো অসম চৰকাৰৰ ওচৰত উত্থাপন কৰা হ'ল। উল্লেখযোগ্য যে একে সময়তে যোৰহাটৰ পৰাও এখন বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱ এটি চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল। সেই সময়ত অসম চৰকাৰৰ বিত্তীয় সংকট চলি থকা বাবে মাননীয় মুখ্যমন্ত্ৰীয়ে দুয়োপক্ষকে জানিবলৈ দিলে যে বিশ্ববিদ্যালয় এখন স্থাপন কৰাত চৰকাৰৰ আপত্তি নাই কিন্তু অৰ্থৰহে অভাৱ গতিকে যিটো পক্ষই অধিক পুঁজিৰ ব্যৱস্থা কৰিব পাৰিব বিশ্ববিদ্যালয় তাতে স্থাপন হ'ব। ডিব্ৰুগড়ত বিশ্ববিদ্যালয় স্থাপনৰ প্ৰধান সংগঠক লক্ষ্মী প্ৰসাদ দত্তদেৱে অকণো পলম নকৰি হনুমানবক্স কানৈক মুখ্যমন্ত্ৰীৰ ওচৰলৈ লৈ গ'ল। কানৈয়ে মুখ্যমন্ত্ৰীক ডিব্ৰুগড়ত বিশ্ববিদ্যালয় স্থাপনৰ ববে পঁচিশ লাখ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিলে। সেই প্ৰতিশ্ৰুতিৰ ওপৰতে ভিত্তি কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত হয়। অন্যহাতে দত্তদেৱে গুৱাহাটীলৈ অহা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ সভাপতি ড° কোঠাৰী ডাঙৰীয়াক লগ ধৰি বিশ্ববিদ্যালয়ৰ স্থাপনৰ প্ৰাৰম্ভিক কাম কাজৰ খতিয়ান দিলে। লগতে কানৈ কলেজত স্নাতকোত্তৰ শ্ৰেণী চলি থকাৰ কথাও অৱগত কৰিলে। আটাইবোৰ কথা পৰ্যালোচনা কৰি ড° কোঠাৰীয়ে অসম চৰকাৰলৈ যাৱতীয় নিৰ্দ্দেশনা পঠিয়ালে।

অসমৰ তেতিয়াৰ মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ সদিচ্ছাতে অসম বিধান সভাত ১৯৬৫ চনৰ ৩ জুন তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয় বিলখন পাচ হয়। লগে লগে ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় স্থাপনৰ বাট মুকলি হয়। ১৯৬৫ চনৰ ১ জুলাই তাৰিখে কানৈ কমাৰ্চ কলেজৰ ভৱনতে নৱ প্ৰতিষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্যালয় মুকলি কৰে ন্যায়াধীশ শৰৎ কুমাৰ দত্তদেৱে। পিচত বিশ্ববিদ্যালয়খনৰ নিজা ঘৰ দুৱাৰ নিৰ্মাণৰ বাবে কৰ্তৃপক্ষই ১৯৬৭ চনৰ ২০ জানুৱাৰী তাৰিখে ডিব্ৰুগড় নাতিদূৰত অৱস্থিত ৰজাভেটো চাহ বাগিছাখন ক্ৰয় কৰে। তদানিন্তন ভাৰতৰ শিক্ষামন্ত্ৰী ত্ৰিগুণা সেন ডাঙৰীয়াই ১৯৬৭ চনৰ ১৫ মে' তাৰিখে ৰজাভেটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী উপাচাৰ্য আছিল ড° ভোজৰাজ শেঠ, প্ৰথম গৰাকী ৰেক্টৰ লক্ষ্মী প্ৰসাদ দত্ত আৰু প্ৰথম গৰাকী পঞ্জীয়ক আছিল ড° অশ্বিনী কুমাৰ বৰকাকতি।

বিগত সাতটা দশকৰ কানৈ কলেজে যি চাম গুণী-জ্ঞানী, শিক্ষানুৰাগী বিভিন্ন বিষয়ৰ পণ্ডিত লোকক শিক্ষক হিচাপে পালে সেয়া অতুলনীয়। উদাহৰণ হিচাপে অসমীয়া বিভাগত ৰায় চাহাব বেনুধৰ ৰাজখোৱা, বনফুলৰ কবি যতিন্দ্ৰনাথ দুৱৰা, ভাষাবিদ উপেন্দ্ৰনাথ গোস্বামী, সাহিত্যিক যতীন্দ্ৰ নাথ গোস্বামী, কবি সাহিত্যিক আৰু গীতিকাৰ মহেন্দ্ৰ বৰা, গীতিকাৰ আৰু সঙ্গীতজ্ঞ

তফজ্জুল আলী আদিৰ দৰে ব্যক্তিক শিক্ষক হিচাপে পোৱাটো কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আতি গৌৰৱৰ কথা আছিল। সেইদৰে সংস্কৃত বিভাগৰ আটাই কেইগৰাকী শিক্ষকেই আন্তঃৰাষ্ট্ৰীয় পৰ্যায় পণ্ডিত লোক আছিল। যেনে ড° যোগীৰাজ বসু, আশুতোষ শৰ্মা বিশ্বাস, ড° টি. কে. আয়াৰ আৰু ড° প্ৰিয়াংশু প্ৰৱল উপাধ্যায়। লগতে অন্যান্য বিষয়ৰ কেইগৰাকীমান বিশিষ্ট শিক্ষক আছিল ক্ৰমে খৰ্গেশ্বৰ চেতিয়া, শৈলজানন্দ ভৰালী, অনন্ত দত্ত, চৈলেন গোহাঁই, উমেশ প্ৰসাদ মেধি, সত্যেন্দ্ৰ নাথ চৌধুৰী, পান্নালাল দাস, যোগেন্দ্ৰ নাথ তালুকদাৰ, জি. বিশ্বেস্বৰ, হৰিদেৱ গোস্বামী, সৰোজ দত্ত, সুধাকৰ পাণ্ডে, হেমেন্দ্ৰ নাথ বৰঠাকুৰ, ভৰত গগৈ, নিৰুদ্ধ চন্দ্ৰ গোহাঁই, স্বৰ্ণলতা বৰুৱা, ত্ৰৈলোকেশ্বৰ বৰুৱা, মানস কুমাৰ বৰুৱা, হৰিহৰ দাস, ভুৱন চন্দ্ৰ চুতীয়া আৰু দিলীপ কুমাৰ বৰুৱা ইত্যাদি। ইয়াৰ পিচতো চামে চামে বহুতো গুণী-জ্ঞানী লোকে কানৈ কলেজত শিক্ষকতা কৰি সময়ত অৱসৰ গ্ৰহণ কৰিছে। বহুতো ব্যক্তি বৰ্তমান প্ৰয়াত। কলেজৰ মহাৰজত জয়ন্তীৰ শুভক্ষণত আমি সকলোৰে প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ড° যোগীৰাজ বসুদেৱৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু শিক্ষনশৈলী ইমান চিত্তাকৰ্ষক আৰু মনোগ্ৰাহী আছিল যে, ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীত জ্ঞান আহৰণৰ লগতে পৰম আনন্দও লাভ কৰিছিল। তেখেতৰ ইংৰাজী আৰু সংস্কৃত উভয় শ্ৰেণীতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পাঁৰ ভঙা উছাহ দেখা গৈছিল। তেখেতৰ সদায় এটা কথা নিজৰ জীৱনতো প্ৰতিফলি কৰিছিল যে, ' To be a tacher one should possess the wisdom of a scholar personality of a teacher and affectionate heart of a father'. মুঠতে অধ্যক্ষ ড° যোগীৰাজ বসু আছিল কলেজৰ ভুষণ স্বৰূপ। কলেজৰ প্ৰশাসনীয় কাম-কাজবোৰ হাতে কামে কৰিছিল উপাধ্যক্ষ লক্ষ্মী প্ৰসাদ দত্ত দেৱে।

ড° যোগীৰাজ বসুদেৱে নিজে এঠাইত লিখিছে যে সেই সময়ত কলেজৰ পুথি ভড়াঁলটো বহুতো অনুৰাগীৰ গ্ৰন্থ সম্ভাৰেৰে পৰিপূৰ্ণ আছিল। কাৰণ ১৯৪৫ চনৰ পৰা ১৯৬৭ চনলৈকে অধ্যক্ষ হৈ থকাৰ কালত তেখেতে নিজে যিবোৰ ঠাইলৈকে গৈছিল তাৰ পুস্তক বিপনীৰ পৰা কলেজৰ পুথি ভঁড়ালৰ সকলো বিষয়ৰে বহুতো দুষ্প্ৰাপ্য কিতাপ সংগ্ৰহ কৰি আনিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৎকালীন উপাচাৰ্য পণ্ডিত প্ৰৱৰ ড° কৃষ্ণকান্ত সন্দিকৈদেৱে এবাৰ কলেজলৈ আহোঁতে গ্ৰন্থাগাৰটোৰ গ্ৰন্থ সংগ্ৰহ দেখি ভূয়সী প্ৰশংসা কৰি গৈছে। ১৯৫২ চনত ড° বাণীকান্ত কাকতিদেৱেও কলেজলৈ আহোঁতে গ্ৰন্থাগাৰটি পৰিদৰ্শন কৰি অনুৰূপ মন্তব্য কৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ পিচত কলেজৰ স্নাতক শ্ৰেণীৰ স্বীকৃতি প্ৰদান সম্পৰ্কত বিশ্ববিদ্যালয়ে ড° বাণীকান্ত কাকতিদেৱক কলেজখন পৰিদৰ্শনৰ দায়িত্ব দিছিল। কিন্তু ড° কাকতিদেৱে অধ্যক্ষলৈ এখন চিঠি লিখি জনালে যে, ' I am not going to inspect your college. When a scholar like you is the principal no inspection is necessary. I have recommended for affilication. এয়ে আছিল কানৈ কলেজৰ অধ্যক্ষ গৰাকীৰ পৰিচয়। সেয়েহে কলেজখনৰ সুনাম চাৰিওফালে বিয়পি পৰিছিল। লগে লগে সমগ্ৰ উজনি অসমতে উচ্চ শিক্ষাৰ ক্ষীপ্ৰ বিস্তাৰ সম্ভৱ হৈছিল। সময়ৰ লগে লগে কলেজখনে ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰখনতো বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল।

ইতিমধ্যে ১৯৭১ চনত কানৈ কলেজত ৰূপালী জয়ন্তী, ১৯৯৫ চনত সোণালী জয়ন্তী আৰু ২০১০ চনত হীৰক জয়ন্তী অতি আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপিত হৈ গৈছে। ২০২০ চনত কলেজখনে প্ৰতিষ্ঠাৰ ৭৫ বছৰ পূৰ্ণ কৰিছে। সেয়েহে বছৰজোৰা কাৰ্যসূচীৰে মহাৰজত জয়ন্তী সমাৰোহখনি উদ্‌যাপন কৰিবলৈ লোৱা হয়। যোৱা ২৭ আৰু ২৮ ছেপ্তেম্বৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে সমাৰোহখনি শুভাৰম্ভ কৰা হয়। কিন্তু বিশ্বজুৰি দেখা দিয়া ক'ৰণা অতিমাৰীৰ বাবে ভবা ধৰণে পিছৰ কাৰ্যসূচীবোৰ আয়োজন কৰিব পৰা হোৱা নাই।

যি কি নহওঁক অসমৰ শিক্ষা জগতলৈ কানৈ কলেজৰ যি অৱদান তাৰ মূল উৎস আছিল ড° যোগীৰাজ বসু আৰু তেখেতৰ সহযোগী শিক্ষক সকলৰ অক্লান্ত প্ৰচেষ্টা। যি সকল শিক্ষাগুৰুৱে এইখন কলেজ গঢ়ি তুলিছিল তেখেত সকলেই কলেজখনৰ উন্নতি সাধন কৰাৰ লগতে ওচৰতে স্থাপন হোৱা অন্য কেইখন কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে অকুণ্ঠ সহায় আৰু সহযোগিতা আগবঢ়াইছিল। পৰৱৰ্তী সময়ত উজনি অসমত আৰু বহুকেইখন কলেজ প্ৰতিষ্ঠা হয় কানৈ কলেজকে কেন্দ্ৰ কৰি। কাৰণ এই নতুন কলেজবোৰৰ সৰহ সংখ্যক অধ্যাপকেই কানৈ কলেজত শিক্ষা গ্ৰহণ কৰি ওলাই যোৱা। এয়া কলেজখনৰ বাবে অন্যতম এক গৌৰৱৰ বিষয়।

কিন্তু পৰৱৰ্তী সময়ত কলেজখনৰ যি উত্তৰোত্তৰ উন্নতি

হ'ব লাগিছিল, সেয়া দেখা নগল। পঞ্চাশৰ দশকত যি কেইটা শিক্ষনীয় বিষয় খোলা হৈছিল; সেই কেইটা বিষয়তে শিক্ষা দান চলি থাকিল। এটাও নতুন বিষয় খুলিবলৈ অনুমতি পোৱা নগ'ল আৰু পদো মঞ্জুৰ নহ'ল। আজি শিক্ষা ব্যৱস্থাৰ দ্ৰুত পৰিৱৰ্ত্তন হৈছে। যুগোপযোগী শিক্ষাৰ বাবে বৰ্ত্তমান প্ৰয়োজন হোৱা বিষয়বোৰ অতি জৰুৰী। কিন্তু কলেজখনে যোৱা নব্বৈৰ দশকৰ আগভাগতহে নিজা প্ৰচেষ্টাৰে পৰিসংখ্যা বিজ্ঞান আৰু পিচলৈ বি. চি. এ আৰু কম্পিউটাৰ চায়েন্সৰ স্নাতক পাঠ্যক্ৰম খুলিছে। একেবাৰে শেহতীয়াকৈ কেইটামান বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ Self finance Course খুলিছে। এয়া পয়সত্তৰ বছৰ অতিক্ৰম কৰা কলেজ এখনৰ বাবে চৰম হতাশ জনক কথা। আমি ভাবো যে উচ্চ শিক্ষাৰ ক্ষেত্ৰত সাতটা দশক অতিক্ৰম কৰা আৰু এখন বিশ্ববিদ্যালয়কে ধৰি বহুকেইখন শিক্ষানুষ্ঠানৰ জন্ম দিয়া এখন অগ্ৰণী কলেজ এখন সুকীয়া বিশ্ববিদ্যালয়ৰ মৰ্য্যাদা পোৱা উচিত। ইতিমধ্যে অসম চৰকাৰে ৰাজ্যখনত কেইবাখনো নতুন বিশ্ববিদ্যালয়ক স্থাপন কৰাৰ লগতে কেইবাখনো মহাবিদ্যালয়ক বিশ্ববিদ্যালয় পৰ্য্যায়লৈ উন্নীত কৰাৰ সিদ্ধান্ত লৈছে। আশা কৰোঁ অসমৰ শিক্ষা জগতলৈ সুদীৰ্ঘ কালৰ অমূল্য অৱদান থিনিলৈ চাই চৰকাৰে কানৈ কলেজত কানৈ বিশ্ববিদ্যালয়ৰ মৰ্যাদা দি উন্নীত কৰিব। বিষয়টি অসমৰ মাননীয় মুখ্যমন্ত্ৰী তথা অসম চৰকাৰৰ দৃষ্টিগোচৰ কৰিলোঁ।

পৰ্যবেক্ষণৰ পৰা এই কথা ক'ব পাৰি যে, যোৱা আশীৰ দশকলৈকেহে কানৈ কলেজৰ 'স্বৰ্ণময় যুগ' চলি আছিল। কাৰণ আছিল তেতিয়াৰ সামাজিক আৰু শৈক্ষিক পৰিৱেশটো আৰু লগতে শিক্ষক সকলৰ উৎসৰ্গা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ একান্ত অধ্যৱসায়। পিছলৈ বিভিন্ন কাৰণত যেন সকলো অৱনমিত হ'বলৈ ধৰিলে। অসম অন্দোলন, সন্ত্ৰাসবাদৰ সমস্যা, অবাধ দুৰ্নীতি আদিয়ে সমগ্ৰ সমাজখনলৈ প্ৰভাৱান্বিত কৰাৰ কথা সকলোৱে জানে। সেই যে ভাঙোন ধৰিল তাৰ প্ৰভাৱ অজিও ৰৈ গ'ল। আজিও এচাম অতি উচ্চ মেধাসম্পন্ন শিক্ষক-শিক্ষয়ত্ৰীৰে কলেজখন পৰিপূৰ্ণ। তথাপি কিবা এটা যেন নাই। বৰ্তমান শিক্ষা ব্যৱস্থাটোও ইয়াৰ বাবে প্ৰধানকৈ দায়ী। বিশ্ববিদ্যালয়ৰ দায়িত্বও পাঠ্যক্ৰম যুগুত কৰা আৰু পৰীক্ষা অনুষ্ঠিত কৰাতেই সীমিত হোৱাত কলেজবোৰত উচ্চ শিক্ষাৰ বাবে কাম্য পৰিৱৰ্ত্তন আৰু বিশেষকৈ গৱেষণাৰ পৰিৱেশ সৃষ্টি হোৱা নাই।

সম্প্ৰতি বিশ্বজুৰি দেখা দিয়া দ্ৰুত পৰিৱৰ্ত্তনৰ হেতু গতানুগতিক বিষয়বোৰৰ ঠাইত যুগৰ লগত খাপ খোৱা কেতবোৰ বিষয় প্ৰৱৰ্ত্তন কৰাটো জৰুৰী হৈ পৰিছে। বিশেষকৈ ফিজিকেল এডুকেচন, ফিজিঅ'থিৰাপি, আৰ্টিফিচিয়েল ইন্টেলিজেন্স, ফেশ্বন টেক্নলজী ইত্যাদি সময়সাপেক্ষে বিষয়বোৰ প্ৰৱৰ্ত্তন কৰাত শিক্ষা পৰিকল্পনাকাৰী সকলে গুৰুত্ব দিয়া উচিত।

কানৈ কলেজে আজি যিটো অৱস্থাত উপনীত হৈছেহি সেয়া দুদিনীয় প্ৰচেষ্টাৰ ফল নহয়। ইয়াৰ অন্তৰালত আছে পূৰ্বৰ জ্ঞানী-গুণী শিক্ষক সকলৰ আত্ম-উৎসৰ্গা, দূৰদৰ্শী শিক্ষাবিদ সকলৰ ফলপ্ৰসু পৰিকল্পনা আৰু প্ৰচাৰ বিমুখ কেইগৰাকীমান অধ্যক্ষৰ কলেজখনক এখন মহিমাণ্ডিত শিক্ষা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ কেইবাদশক জোৰা আশাশুধীয়া প্ৰয়াস।

মই নিজেও এইখন কলেজৰ ছাত্ৰ আছিলোঁ (১৯৭৩-৭৬)। পিচলৈ ইয়াতে অৰ্থনীতি বিভাগৰ শিক্ষক হিচাপে কাম কৰি ২০১৭ চনত অৱসৰ গ্ৰহণ কৰোঁ। প্ৰায় চাৰিটা দশক কলেজৰ সৈতে একাত্ম হৈ অনেক কাম কৰিলোঁ। অৱশ্যে শিক্ষক হিচাপে কিমান সফল হলো সেয়া সমাজে বিচাৰ কৰিব। চাকৰি কালত মই দহ গৰাকী ভিন্ন ব্যক্তিত্বসম্পন্ন অধ্যক্ষক লগ পালো। নিজেও বিভাগীয় মূৰব্বী, উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰিবলগীয়া হৈছিল। যি কি নহওক আগন্তুক দিনবোৰত নিজস্ব গুণগত মান উন্নয়নেৰে কানৈ কলেজক দেশৰ ভিতৰতে এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে পাবলৈ বাট চাই ৰ'লো।

# সোঁৱৰণিৰ সোণালী সূতাৰ আঁত- কানৈ মহাবিদ্যালয় পৰিক্ৰমা

**বিনোদ চন্দ্ৰ বড়া**
যুটীয়া পঞ্জীয়ক (শৈক্ষিক)
ডিব্ৰুগড় বিশ্ববিদ্যালয়

**ব্যক্তিগত- অব্যক্তিগত চিন্তাৰে .....**

নব্বৈ দশকৰ ডিব্ৰুগড় জিলাৰ এক আওঁহতীয়া অঞ্চলত অৱস্থিত খোৱাং মহাবিদ্যালয়ত পঢ়ি থকাৰ দিনবোৰত আমাৰ বাবে কটন কলেজ, জে বি কলেজ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ বা চমুতে কানৈ কলেজ আদি চহৰৰ কেন্দ্ৰস্থলত থকা পুৰণি মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকল একধৰণে 'ছেলিব্ৰিটি'য়েই আছিল। সেয়ে ১৯৯১-৯২ শিক্ষাবৰ্ষত অপৈণত ভাব-ভাষাৰে লিখা এটা গল্পৰ বিষয়বস্তুও আছিল কানৈ কলেজেই- য'ত কল্পনাৰ পটতে কলেজখনৰ ঐতিহ্যময় পৰিৱেশ, শিক্ষক-শিক্ষাৰ্থী, সমসাময়িক আদৰ্শ আৰু বাস্তৱৰ দ্বন্দ্ব আদি বিভিন্ন প্ৰেক্ষাপটেৰে আমাৰ চিন্তাত ধৰা দিছিল। অৱশ্যে কলেজীয়া ছাত্ৰ হৈ থকাৰ দিনবোৰত কানৈ কলেজৰ সুদৃশ্যমান চৌহদ মোৰ বাবে কল্পনাতে সীমাবদ্ধ আছিল। পাচলৈ সেই কানৈ কলেজতে অধ্যাপনাৰ সুযোগ পাইছিলো ১৯৯৭ চনৰ ২৭ ছেপ্তেম্বৰ তাৰিখৰ পৰা। স্নাতকোত্তৰ ডিগ্ৰীটোৰ বাহিৰে সেই সময়ত আমাৰ কোনো 'নেট/শ্লেট' বা গৱেষণাৰ অৰ্হতা নথকা স্বত্বেও প্ৰায় প্ৰতিযোগিতাবিহীনভাৱেই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনত এগৰাকী নবিছ হিচাপে শিক্ষকতাৰ সুযোগ লাভ কৰাটো মোৰ অপৰিকল্পিত জীৱনটোৰ এটা অন্যতম প্ৰাপ্তি আছিল।

সমগ্ৰ পৃথিৱীয়েই তেতিয়া বিংশ শতাব্দীৰ দুৱাৰদলিত উপনীত হৈ এৰি অহা সময়খিনিক উভতি চাইছিল। স্বাধীনতাৰ সোণালী বৰ্ষ অতিক্ৰম কৰা ভাৰতবৰ্ষই নিজৰ আভ্যন্তৰীণ প্ৰাপ্তি-অপ্ৰাপ্তিখিনিৰ লগতে বিশ্বায়নৰ প্ৰভাৱত সম্প্ৰসাৰিত হৈ [illegible]ন-পুঁজিবাদ আৰু উত্তৰ-আধুনিক মানসিকতাৰ সোৱাদ লৈছে। অসমৰ সমাজ-ৰাজনীতি-অৰ্থনীতি ইতিমধ্যে সন্ত্ৰাস, গুপ্তহত্যা, মূল্যবোধহীন নেতৃত্ব আদি নেতিবাচক ঘটনা-পৰিঘটনাই জৰ্জৰিত, ম্ৰিয়মান প্ৰায় কৰি ৰাখিছিল। এই প্ৰত্যাহ্বানমূলক পৰিৱেশৰ মাজত উজনি অসমৰ এখন আগশাৰীৰ উচ্চশিক্ষানুষ্ঠান হিচাপে কানৈ কলেজে গ্ৰহণ কৰা বৌদ্ধিক প্ৰত্যাহ্বানখিনিৰ অংশীদাৰ হৈ আমি অগা-পিছাকৈ প্ৰায় কুৰিজন ডেকা শিক্ষক কলেজখনত যোগদান কৰিছিলো আৰু জীৱনৰ নানা অভিজ্ঞতাৰে পৰিপুষ্ট জ্যেষ্ঠ অধ্যাপকসকলৰ ছত্ৰছাঁয়াত থাকি শিক্ষকতাৰ আদিপাঠ শিকিছিলো। এই মুহূৰ্তত কাৰ নাম লওঁ!

**মাছ খাবলৈ নহয়, ধৰিবলৈ শিকাবা!**

চিৰতৰুণ কামিনীৰঞ্জন বৰুৱা ছাৰৰ তত্ত্বাৱধানত পৰিচালিত আমাৰ ৰাজনীতি বিজ্ঞান বিভাগৰ আনসকল অধ্যাপক আছিল প্ৰয়াত ড° শান্তনু সেনগুপ্ত আৰু শ্ৰীযুত টাইটাছ ভেংৰাদেৱ। আন সকলো বিভাগৰ দৰেই প্ৰচুৰ

প্ৰাণশক্তিৰে পৰিপূৰ্ণ কেউগৰাকী অধ্যাপকে মোক ছাত্ৰসম ব্যৱহাৰ কৰিছিল আৰু সেই কথাই শিকাৰু শিক্ষকস্বৰূপে শিক্ষণ-কলা আয়ত্ব কৰাৰ ক্ষেত্ৰত আমাক প্ৰভূতৰূপত সহায় কৰিছিল। তাৰ বিপৰীতে ছাত্ৰসকলৰ লগত 'যুগ' হিচাপে আমাৰ সময়ৰ ব্যৱধান প্ৰায় নাছিলেই, সেয়ে স্বাভাৱিকতে সকলো বিষয়ৰ কথা মুকলিকৈ পাতিব পৰাকৈ তেওঁলোকৰ লগত এক সৌহাদ্যপূৰ্ণ বন্ধুত্বমূলক সম্পৰ্ক বৰ সহজেই গঢ় লৈ উঠিছিল। মনত পৰে- নিয়মীয়াকৈ চাকৰিত যোগদান কৰাৰ দিনা কামিনীৰঞ্জন বৰুৱাছাৰে গোটেই কলেজখন দেখুৱাইছিল আৰু ধীৰেন বৰুৱাছাৰ, মুনীন শৰ্মাছাৰ, অৰুণ কুমাৰ দত্তছাৰ, জয়কৃষ্ণ মহন্ত ছাৰ, উষাৰাণী বৰুৱা বাইদেউ, মেহটাবউদ্দিন ছাৰ, কামিনীমোহন ৰাভা ছাৰ আদিৰ লগত বৰ হেঁপাহেৰে চিনাকি কৰি দিছিল। এই শিক্ষাগুৰুসকলৰ কেইবাগৰাকীও প্ৰয়াত হোৱাৰ বেদনা মই গভীৰভাৱে অনুভৱ কৰোঁ। প্ৰয়াত ড° শিৱকান্ত দত্তদেৱৰ অধ্যক্ষতাত পৰিচালিত সেই সময়ৰ কানৈ কলেজখনৰ শ্ৰেণীকোঠাবোৰ প্ৰাণৱন্ত হৈ আছিল জ্যেষ্ঠ শিক্ষকৰ অভিজ্ঞতালব্ধ অপূৰ্ব শিক্ষণ-কলাৰে। এটা কোঠাত যদি ভীমকান্ত কোঁৱৰছাৰৰ গমগমীয়া কণ্ঠস্বৰ, আন এটা কোঠাত মুনীন শৰ্মাছাৰৰ নাটকীয় সংলাপ প্ৰক্ষেপণ; গহীন-গম্ভীৰ বিজ্ঞানৰ প্ৰয়োগশালাবোৰৰ বিপৰীতে থিয়ৰী শ্ৰেণীসমূহত তথ্যসমৃদ্ধ যৌক্তিক বিশ্লেষণ। বয়োজ্যেষ্ঠ শিক্ষাগুৰুসকলৰ সুযোগ্য উত্তৰসূৰীস্বৰূপে আমি শান্তনু সেনগুপ্ত, আতিকুদ্দিন আহমেদ, প্ৰতীক চৌধুৰী, দিলীপ কুমাৰ ভূঞা, দিলীপ বৰবৰা, পৰেশ বৰুৱা, নৰেন্দ্ৰ মাহেলা, প্ৰিয়দেৱ গোস্বামী আদি সেই সময়ৰ ডেকা শিক্ষকসকলৰ সান্নিধ্য লাভ কৰি উপকৃত হৈছিলো। অনাৰ্চৰ প্ৰথমটো ক্লাছ ল'বলৈ যোৱাৰ পৰত শান্তনু চাৰে কৈছিল- 'সিহঁতক মাছ খাবলৈ নহয়, মাছ ধৰিবলৈ শিকাবা'। অৰ্থাৎ কোনো বিষয়বস্তুৰ জ্ঞান বা তথ্য সহজে যোগাই দিয়াতকৈ শিক্ষাৰ্থীসকলক নিজেই জ্ঞান বা তথ্য আহৰণ কৰিবলৈ সাজু কৰি তোলা- এই অমোঘ সূত্ৰটি যিকোনো শিক্ষক বা প্ৰশিক্ষকেই মানি চলা উচিত বুলি মই আজিও গভীৰভাৱে বিশ্বাস কৰোঁ।

আমি কলেজত যোগদান কৰাৰ সময়ত বিজ্ঞান বিষয়ৰ বিভাগ আৰু অসমীয়া, ভূগোল আদি কেইটামান বিভাগৰ বাহিৰে সুকীয়াকৈ বিভাগীয় শ্ৰেণীকোঠা নাছিলেই। যথাৰ্থতে 'টিচাৰ্ছ কমন ৰুম' নামৰ ডাঙৰ কোঠাটোত বিভাগসমূহৰ নিজাকৈ কিছুমান আলমিৰা আছিল আৰু তাতেই প্ৰয়োজনীয় আচবাববোৰ ৰাখিবলগীয়া হৈছিল। সেইদৰে 'কমন ৰুম'ৰ চকী, ছোফাবোৰ কাৰো নামত নিৰ্ধাৰিত কৰি দিয়া হোৱা নাছিল যদিও বহুতেই নিজা চকীখনত বহাটো জৰুৰী বুলি ভাবিছিল। আমি নবিছ শিক্ষকসকলে অৱশ্যে সদায়ে কিছু আঁতৰি বহিবলৈকে ভাল পাইছিলো আৰু সেই স্থানৰ পৰাই জ্যেষ্ঠসকলৰ ব্যক্তিত্বৰ আভাস লবলৈ যত্ন কৰিছিলো। অসম কলেজ শিক্ষক সংস্থাৰ নিজা গোটৰ সভাবোৰ হ'লে এই ৰুমটোৰ চকী-টেবুলবোৰ সভা-উপযোগীকৈ সজাই লোৱা হৈছিল। শিক্ষক গোটৰ তেনে এখন সভাতেই ২০০০ চনৰ কোনোবা এটা দিনত অধ্যাপক ধীৰেন বৰুৱা, পদ্ম চেতিয়া, মেহটাবউদ্দিন আহমেদ আদি কেইবাগৰাকীও জ্যেষ্ঠ শিক্ষাগুৰুৰ আহ্বানত আমাৰ ওপৰত অপ্ৰত্যাশিতভাৱেই অসম কলেজ শিক্ষক সংস্থাৰ কানৈ কলেজ গোটৰ সম্পাদকৰ দায়িত্বভাৰ আহি পৰিল।

**থিয়েটাৰ: ইষ্ট এণ্ড ৱেষ্ট**

অসমীয়া বিভাগৰ অধ্যাপক প্ৰয়াত ফৰিদা শ্বৰফুদ্দিনৰ সভাপতিত্বত পৰিচালিত আমাৰ গোটটোৰ ওপৰত সেই সময়ত নিয়মীয়া পেঞ্চনৰ বাবে চলি থকা আন্দোলন, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ সংস্কাৰৰ বাবে কৰা প্ৰচেষ্টাসমূহৰ লগতে মৰ্যাদাসম্পন্ন 'ড° যোগীৰাজ বসু স্মাৰক বক্তৃতা' আয়োজনৰ দায়িত্বও আহি পৰিল। এই বিষয়ে শ্ৰদ্ধেয় সদস্যবৰ্গৰ লগত আলোচনা কৰাৰ অন্তত অসমৰ বাহিৰৰ পৰা এগৰাকী বক্তা আমন্ত্ৰণৰ বাবে সকলোৱে মত প্ৰকাশ কৰিলে আৰু সেইমতে পশ্চিমবংগৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ শ্যেক্সপিয়াৰ প্ৰাধ্যাপক ড° অমিটাভ ৰয়ৰ লগত যোগাযোগ কৰা হ'ল। সেই সময়ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ প্ৰাধ্যাপক পোনা মহন্তদেৱৰ জৰিয়তে ৰয়দেৱৰ লগত যোগাযোগ কৰি বক্তৃতাৰ বিষয় ঠিক কৰা হ'ল- 'থিয়েটাৰ: ইষ্ট এণ্ড ৱেষ্ট'। ২০০১ চনৰ ১২ ছেপ্তেম্বৰ তাৰিখে অনুষ্ঠিত এই বক্তৃতানুষ্ঠানত ছাত্ৰ, শিক্ষক আৰু অতিথিৰে পৰিপূৰ্ণ লালচান্দ কানৈ প্ৰেক্ষাগৃহত ৰয়দেৱে সুদীৰ্ঘ নব্বৈ মিনিট ধৰি পৰিৱেশ্য কলা হিচাপে নাটকক প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ বিভিন্ন প্ৰসংগেৰে উদাহৰণ আৰু

পৰিৱেশনসহ ব্যাখ্যা কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰাখিলে। প্ৰফেচৰ এমেৰিটাছ প্ৰয়াত অমৰেশ দত্ত, পোনা মহন্ত আদি বিশিষ্ট পণ্ডিতে বক্তৃতাৰ আৰম্ভণি আৰু অন্তত নিজৰ মন্তব্য আগবঢ়ালে। আনকি পৰৱৰ্তী সময়তো তেখেতৰ সতে হোৱা সৰস বাৰ্তালাপত মুনীন শৰ্মা, প্ৰতীক চৌধুৰী, শান্তনু সেনগুপ্ত, মৃদুল শৰ্মা আদিয়ে নাটক, কবিতা আৰু পৰিৱেশ্য কলাৰ বিভিন্ন বিষয় আলোচনা কৰি উপকৃত হোৱাৰ কথা নানা প্ৰসংগত উল্লেখ কৰিছিল।

**বিন্দুতে বিশালতা যদি বিছাৰা!**

আমাৰ কানৈ কলেজৰ পুথিভঁৰালটো অতীজৰে পৰা অতি সম্ভ্ৰান্ত, চহকী আৰু ঐতিহ্যপূৰ্ণ। ড° যোগীৰাজ বসুৰ দিনৰে পৰা বহু আপুৰুগীয়া গ্ৰন্থৰ সংগ্ৰহত বিশেষ মনোনিৱেশ কৰা এই লাইব্ৰেৰীটোৰ সম্পদৰাজিক সম্পূৰ্ণৰূপে বুজিবলৈ অৱশ্যে নিজকে সময়েই নিদিলো। সেই অনুপাতে আমাৰ বিভাগসমূহৰ লাইব্ৰেৰী বুলিবলৈ তেনে কোনো সংগ্ৰহ নাছিল। এই কথা আমাৰ সেই সময়ৰ সহকৰ্মী প্ৰয়াত শান্তনু সেনগুপ্ত, টাইটাছ ভেংৰা আৰু লামখুলাল ডুংগেল তথা বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলৰ লগত আলোচনা কৰি মহাবিদ্যালয়লৈ 'অন্বেষা গ্ৰন্থমেলা' নিমন্ত্ৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। আমাৰ ৰাজনীতি বিজ্ঞান অধ্যয়ন চক্ৰৰ লগত হাত উজান দিলে কলেজৰে অসমীয়া বিভাগৰ বেজবৰুৱা চৰাই। 'অন্বেষা'ৰ লগত চৰ্ত হ'ল- (১) সকলো গ্ৰাহকক ১০% ৰেহাই আৰু (২) মুঠ বিক্ৰীৰ ৫% মূল্যৰ কিতাপ কলেজলৈ দান। তাৰ বিনিময়ত আমি সকলো আয়োজন, আপ্যায়ন আৰু বিপনীত সেৱা আগবঢ়াম। কথা মতেই ভালেকেইবছৰলৈ গ্ৰন্থমেলা চলিল। নক'লেও হয় পাঁচ শতাংশ লাভৰ আশাত আমাৰ উদ্যোগতে 'অন্বেষা'ৰো ব্যৱসায় ভাল হৈছিল আৰু এইদৰে কেইবাবছৰো গ্ৰন্থমেলা আয়োজন কৰাৰ সুবাদত সমান্তৰালকৈ অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগত দুটা সুকীয়া পুথিভঁৰাল ঠন ধৰি উঠিছিল। গ্ৰন্থমেলাত আমি বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা পাতো, আলোচনা চক্ৰ আদি আয়োজন কৰোঁ; কেতিয়াবা ভবা মতে সঁহাৰি নেপাওঁ। ভাতৃবন্ধু মৃদুল (শৰ্মা)ৰ খঙো উঠে, সেই সময়ৰ ছাত্ৰবন্ধু নীলাভ নয়ন বৰদলৈ, বিৰাজ দত্ত, পল্লৱী তামুলীহঁত কিছু আহত হয়। মই কওঁ- 'ইয়াত হতাশ হ'বলগীয়া কিটো আছে, তোমালোক আছাই নহয়! আচলতে কি জানা- বিন্দু এটাই ভাল, ই পৰিপূৰ্ণ; বৃত্ত এটা যিমান ডাঙৰ হ'লেও ইয়াৰ পৰিসীমা থাকে, মধ্যাংশ শূণ্যও হ'ব পাৰে"। মহাবিদ্যালয়খনৰ বৃহৎ পৰিসৰত আমাৰ সেই 'বিন্দু'টো এটা স্বকীয় পৰিচয়েৰে আত্মপ্ৰকাশ কৰিছিল আৰু সেই চিন্তাবোৰকে কলেজৰ চৌহদৰ বাহিৰলৈ উলিয়াই আনিবৰ বাবে ২০০১ চনৰ ৰ জানুৱাৰীত 'পিলগ্ৰিমেজ' বুলি এটা অনুষ্ঠানৰ জন্ম হৈছিল, য'ত দেৱপল্লৱ ৰাজখোৱা, ধীৰেন বাসনেট, মৃদুল শৰ্মা, উত্তম বাথাৰী, ৰুবাব ফাটেমা নমানি আদি কেইবাজনো ডেকা শিক্ষক জড়িত হৈ পৰিছিলো।

**কানৈ মহাবিদ্যালয়ত উত্তৰ-পূৱৰ সংঘাত সম্পৰ্কীয় আলোচনা চক্ৰ**

সম্পূৰ্ণ ব্যক্তিগত অভিজ্ঞতাৰে কওঁ- মই শিক্ষকতা কৰি থকা দিনবোৰত আমাৰ বিভাগৰ ছাত্ৰসকল আমাতকৈ প্ৰতিভাৱান, সংস্কৃত আৰু উদ্যমী আছিল। সেয়ে নিয়মীয়া শ্ৰেণী আৰু অধ্যয়নৰ লগতে যাতে বিভিন্ন স্তৰত বৌদ্ধিক আৰু সুকুমাৰ কলাৰ চৰ্চাবোৰো হৈ থাকে, তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ৰাজনীতি বিজ্ঞান অধ্যয়ন চক্ৰৰ জন্ম দিয়া হৈছিল। সাপ্তাহিক ৰূপত নিয়মীয়াকৈ বিভাগীয় ছেমিনাৰসমূহ আয়োজন কৰি থকা মাজতে আমাৰ মাজত আলোচনা হ'ল- 'আমি দুদিনীয়াকৈ এখন ছাত্ৰ-ছাত্ৰীসকলৰ আলোচনা চক্ৰ আয়োজন কৰিব নোৱাৰো নেকি!' কথা মতেই কাম। ২০০৫ চনৰ ৩০ ছেপ্তেম্বৰ আৰু ১ অক্টোবৰত অনুষ্ঠিত 'উত্তৰ-পূব ভাৰতৰ সংঘাত: ইয়াৰ কাৰণ আৰু সমাধান' শীৰ্ষক আলোচনা চক্ৰখনত সেই সময়ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বাৰখন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পত্ৰ পাঠ কৰি উত্তৰ-পূৱ ভাৰতৰ সংঘাতৰ দৰে এটি অতি স্পৰ্শকাতৰ বিষয়ত নিজৰ দৃষ্টিভংগীসমূহ আগবঢ়াইছিল। পৰিৱেশজনিত সংঘাত, সন্ত্ৰাসবাদ, গোষ্ঠীগত দ্বন্দ্ব, নাৰীজনিত সমস্যা, অৰ্থনৈতিক অনগ্ৰসৰতা আদি নানা উপ-বিষয় আহি পৰিছিল ছাত্ৰ-ছাত্ৰীসকলৰ বিশ্লেষণত। চাৰিখন আলোচনা সভা, সামাজিক গৱেষণাৰ কৌশল বিষয়ত এখন কৰ্মশালা আদিকে ধৰি মুঠ সাতটা সত্ৰত অনুষ্ঠিত সেই আলোচনা চক্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° উদয়ন মিশ্ৰ, ড° মৃগেন্দ্ৰ নাৰায়ণ দাস, ড° থানেশ্বৰ লাহন,

ড°আদিল উল য়াচিন, ড° ৰাজীৱ সন্দিকৈকে আদি বিশিষ্ট ব্যক্তিয়ে উদ্বোধক, সঞ্চালক বা সমল ব্যক্তিৰ দায়িত্ব গ্ৰহণ কৰি এই প্ৰচেষ্টাক সফল কৰি তুলিছিল। উদ্বোধনী বক্তব্যত ড° উদয়ন মিশ্ৰই কৈছিল- 'উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে আৰু সেই বৈশিষ্ট্য বিলাকৰ বাবে ইয়াৰ সংঘাতবিলাকৰ প্ৰকৃতিও সুকীয়া। কেৱল নীতিগত দৃষ্টিৰে নহয়, ইবিলাকক মানৱীয় দৃষ্টিৰে চোৱাটোহে আজিৰ সময়ৰ বাবে বেছি প্ৰয়োজনীয়।' কেৱল ছাত্ৰ-ছাত্ৰীসকলক লৈ এটা বিদ্যায়তনিক বিষয়ত ইমান বৃহৎ পৰিসৰত এনেদৰে এখন ছেমিনাৰ আয়োজন কৰাটো অসমৰ শিক্ষাৰ ইতিহাসতে নতুন বুলি সেই সময়ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক (শৈক্ষিক) ড° ৰাজীৱ সন্দিকৈয়ে কৰা মন্তব্যটো আমাৰ বাবে অতি তাৎপৰ্যপূৰ্ণ আৰু উৎসাহজনক আছিল। এই কামবিলাকৰ সমান্তৰালকৈ অধ্যয়ন চক্ৰৰ পত্ৰিকা PSSC Newsletter নিয়মীয়াকৈ প্ৰকাশ কৰি থকাটোও এটা উল্লেখনীয় কামেই হৈছিল বুলি ভাবো।

**মহাবিদ্যালয়ত NAAC-ৰ প্ৰথমটো পৰিদৰ্শন**

বিশ্ববিদ্যালয় অনুদান আয়োগৰ নতুন নীতি অনুসৰি ২০০১ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে National Assessment and Accreditation Council (NAAC)ৰ দ্বাৰা প্ৰথমটো পৰিদৰ্শন কৰাবলৈ সাজু হৈছিল আৰু বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ হিচাপে সেই প্ৰস্তুতিত অংশ লোৱাৰ সুযোগ আমাৰ মহাবিদ্যালয়ৰ কেইবাগৰাকী শিক্ষকলৈ আহি পৰিছিল। সেই সুবাদতে কানৈ মহাবিদ্যালয়তো NAACৰ দ্বাৰা প্ৰথমটো মূল্যায়ন আৰু প্ৰত্যায়ন কৰাৰ প্ৰক্ৰিয়াটো আৰম্ভ হ'ল। দিলীপ কুমাৰ ভূঞাক সমন্বয়ক হিচাপে লৈ Self-Study Report প্ৰস্তুত কৰিবলৈ এখন সমিতি গঠন কৰা হ'ল আৰু এই মহাযজ্ঞত দেৱপল্লৱ ৰাজখোৱা আৰু মোক সহকাৰী সমন্বয়ক হিচাপে দায়িত্ব অৰ্পণ কৰিলে। সেই সময়চোৱাত সম্ভৱত: অসমৰ প্ৰায়বোৰ কলেজৰ বাবেই NAACৰ ধাৰণাটো নতুন আছিল আৰু আমিও পদ্ধতিগত আৰু প্ৰণালীবদ্ধভাৱে নিজৰ তথ্য-পাতি প্ৰস্তুতকৰণ আৰু উপস্থাপনৰ ক্ষেত্ৰত বৰকৈ অভ্যস্ত নাছিলো। সেয়ে মহাবিদ্যালয়ৰ বাহ্যিক আৰু আভ্যন্তৰীণ- উভয় দিশতে প্ৰস্তুত হৈ উঠিবলৈ আমি অহৰ্নিশে পৰিশ্ৰম কৰিবলগীয়া হ'ল আৰু সঁচাকৈয়ে আমাৰ চিন্তাত অপ্ৰয়োজনীয় আৰু অপ্ৰাসংগিক বুলি ভাবি থকা শিকন-শিক্ষণ ব্যৱস্থাৰ বহু আনুষংগিক কথাকে আমি ন-কৈ সজাই-পৰাই লবলগীয়াত পৰিলো। ২০০৪ চনৰ যথা নিৰ্ধাৰিত দিনকেইটাত NAACৰ পৰিদৰ্শনকাৰী দলটো মহাবিদ্যালয়ত উপস্থিত হ'ল আৰু আমাৰ বিভাগসমূহে অতি দক্ষতা আৰু পেছাদাৰিত্বৰে নিজৰ দায়িত্ব আৰু অৱদানসমূহ উপস্থাপন কৰিলে। এই প্ৰক্ৰিয়াটোত জড়িত হৈ আমি দৰাচলতে ভালেকেইটা কথাত লাভান্বিত হ'লো বুলি ভাবো। যেনে, অসমৰ মহাবিদ্যালয়সমূহৰ ভিতৰত NAACৰ দ্বাৰা প্ৰত্যায়িত কৰোৱা প্ৰথমকেইখন কলেজৰ ভিতৰতে কানৈ কলেজ থাকিল, মহাবিদ্যালয়খনে নিজৰ মহিমামণ্ডিত ঐতিহ্য আৰু সম্ভাৱনাখিনিক ন-কৈ আৰু প্ৰণালীবদ্ধভাৱে অনুধাৱন কৰাৰ অৱকাশ পালে, ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত নিজৰ প্ৰস্থিতি, প্ৰত্যাহ্বান আৰু সুযোগখিনিৰ বিষয়ে চিন্তা কৰিবলৈ আঁত বিচাৰি পালে, ইত্যাদি।

**পৰশমণিয়ে মোক নোৱাৰিলে কৰিব সোণালী**

ঔপনিবেশিক ভাৰতবৰ্ষতে ১৯৪৫ চনত প্ৰতিষ্ঠা পোৱা এই অতিবিশিষ্ট মহাবিদ্যালয়খনৰ ঐতিহ্য, ইতিহাস, গৰিমা আৰু মহত্ত্ব হৃদয়ৰ গভীৰৰ পৰা উপলব্ধি নকৰিলে বুজি পোৱাটো সম্ভৱ নহয়। এই মহাবিদ্যালয়তে সহস্ৰজনে অধ্যয়ন কৰি গ'ল; বহুজনে অধ্যাপনা কৰি অৱসৰ ল'লে বা অন্য অনুষ্ঠানলৈ গুচি গ'ল। কিন্তু যি গৰিমাৰে কানৈ কলেজৰ অতীত আৰু পৰম্পৰা নিৰ্মিত হৈছে, তাক কেৱল নিয়মমাফিক ছাত্ৰ বা চাকৰিয়াল হৈ থাকি উপলব্ধি কৰিব নোৱাৰি। বৰ্ত্তমানৰ ছাত্ৰসকলে অনুধাৱন কৰিব লাগিব যিবিলাক শ্ৰেণীকোঠাত তেওঁলোকে এতিয়া অধ্যয়ন কৰি আছে, তাত কাৰ চাপ লাগি মহিমামণ্ডিত হৈছে। শিক্ষকসকলেও চাগে বুজিব লাগিব, যাৰ উত্তৰসুৰীৰূপে আজি তেখেতসকল স্থলাভিষিক্ত হৈছে, সেই পদত কেনে ব্যক্তিত্বই প্ৰজ্ঞা আৰু মানৱতাৰ সাধনা কৰি গৈছে। মোৰ প্ৰায় এক দশকজোৰা শিক্ষকতাৰ কালচোৱাত কানৈ কলেজৰ অধ্যাপক হ'ব পৰাকৈ আত্মবিশ্বাস কোনোকালে গঢ় লৈ নুঠিল। যি জ্ঞান আৰু বোধৰ উচ্চতাৰে ছাত্ৰসকলক মানৱ

সম্পদ গঢ়িব পৰাকৈ মোৰ নিজা ব্যক্তিত্বটোৰ উত্তৰণ ঘটোৱাৰ আৱশ্যক আছিল, সেই কৃচ্ছসাধনাৰ পৰা যেন পদে পদে বিচলিত হৈছিলো। হয়তো সমসাময়িক শৈক্ষিক পৰিৱেশটোৰ বহু নেতিবাচক ঘটনা-পৰিঘটনায়ো আমাৰ সাধনাক বিঘ্নিত কৰিছিল। সামগ্ৰিকভাৱে বিশ্ববিদ্যালয়খনৰ পাঠ্যক্ৰম আৰু শিকন-শিক্ষণ প্ৰক্ৰিয়াত এটা ব্যৱস্থাগত পৰিৱৰ্তনৰো আৱশ্যকতা অনুভৱ কৰিছিলো। সেয়ে ২০০৮ চনৰ ১ জানুৱাৰীত কানৈ কলেজৰ পৰা পুনৰ উভতি যোৱাৰ কথাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ আহিছিলো যদিও মুৰকত বিভিন্ন দায়িত্বত বান্ধ খাই চিৰদিনলৈ আনুষ্ঠানিক সম্পৰ্ক এৰাই মৰমৰ মহাবিদ্যালয়খন আৰু শিক্ষকতাৰ পৰা বিচ্ছিন্ন হৈ পৰিলো।

নক'লেও হব যে কানৈ কলেজৰ শিক্ষকতাৰ দিনবোৰতে যৌৱনৰ সুখৰ স্মৃতিবোৰ, সৃজনীশীল সোণালী সময়বোৰ, একেলগে সপোনৰ শইচ বুটলা মানুহবোৰ সোমাই আছে। সদাগৰে সুদূৰত বনিজ বেহাবলৈ আহি নিজ পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ পৰাৰ অনুভৱে মোকো অজস্ৰ ব্যস্ততাৰ মাজতে এক জনশূণ্য দ্বীপৰ অধিবাসী কৰি ৰাখে। পূৰ্বৰ বছেৰেকীয়া পাঠ্যক্ৰমৰ ঠাইত ষান্মাসিক, CBCS আদি ব্যৱস্থা অহাৰ পাচত কলেজসমূহৰ পৰিৱেশ আজিকালি অধিক প্ৰাণৱন্ত, কৰ্মময় আৰু সৃজনীশীল হৈছে। আমাৰ দিনৰ বছৰটোৰ তিনি-চাৰিমাহ নি:সাৰ হৈ থকা কলেজৰ পৰিৱেশ আজি নাই। আমি বিভাগীয় ছেমিনাৰ বা অন্যান্য বৌদ্ধিক-সাংস্কৃতিক আলোচনা অনুষ্ঠিত কৰিলে 'ডেকা মাষ্টৰবিলাকে ল'ৰা-ছোৱালীবোৰক লাই দি বেয়া কৰিছে' বুলি সমালোচনা কৰা অপবাদবোৰৰ ঠাইত এই অনুশীলনবিলাক এতিয়া পাঠ্যক্ৰমৰ অন্তৰ্গত হৈ পৰিছে। পৰিৱেশ চিন্তা, ব্যক্তিত্ব-বিকাশ, যোগাযোগৰ কলা আৰু দক্ষতা, ভিন্নমুখী সৃজনীশীল চিন্তা আৰু জীৱন কলা, সমান্তৰাল দক্ষতামূলক পাঠ্যক্ৰম আদি আমাৰ দিনত অলাগতিয়াল বুলি প্ৰতিপন্ন কৰিব বিচৰা বিষয়বোৰ Skill Based Course, Soft- Skill course, Ability Enhancement Course আদিৰ ৰূপত শিক্ষাদানৰ আওঁতালৈ আহিছে। শৈক্ষিক ব্যৱস্থাৰ এই সামগ্ৰিক পৰিৱৰ্তনৰ পৰিক্ৰমাটোৰ এগৰাকী সক্ৰিয় কৰ্মীৰূপে মোক কানৈ কলেজেই সমাজলৈ আগবঢ়াই দিলে। সেই দিশৰ পৰা মই নিজকে কানৈ কলেজৰ এগৰাকী প্ৰাক্তন শিক্ষকতকৈ এজন প্ৰাক্তন ছাত্ৰ ৰূপত আৱিষ্কাৰ কৰিহে বেছি সন্তুষ্টি লাভ কৰোঁ। ইতিমধ্যে মহাৰজত জয়ন্তী বৰ্ষ অতিক্ৰম কৰি শতবৰ্ষৰ লক্ষেৰে গতি কৰা অনিৰূদ্ধ কানৈ কলেজৰ অক্ষয় বন্তিলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম!





আমাৰ অসম, ৮ অক্টোবৰ, ২০০৮

কানৈ মহাবিদ্যালয়ত উত্তৰ-পূবৰ সংঘাত সম্পৰ্কীয় আলোচনাচক্ৰ

সংঘাত নিৰাময়তকৈ সংঘাত পৰিচালনাৰ দিশটোহে বেছি গুৰুত্বপূৰ্ণ

# গণিত আৰু নৃতত্ত্ব বিভাগৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভণিৰ এক আভাস

**ড° প্ৰিয় দেৱ গোস্বামী**
উপাধ্যক্ষ, সহযোগী অধ্যাপক, গণিত বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

ডিব্ৰুগড়ৰ এসময়ৰ অগ্ৰণী ব্যক্তি জীৱন ৰাম ফুকন, ডাঃ ৰোহিণী কান্ত বৰুৱা আৰু বিপিন ফুকন বৰগোহাঁইকে প্ৰমুখ্য কৰি ডিব্ৰুগড়বাসী ৰাইজে ১৯৩৮ চনত উচ্চ শিক্ষাৰ বাবে এখন কলেজ প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছিল। কিন্তু সেই প্ৰচেষ্টা সফল নহ'ল। কিন্তু ১৯৪৫ চনত ডিব্ৰুগড় কলেজ প্ৰতিষ্ঠা হ'ল। এই কলেজখন ১৯৫০ চনত দানবীৰ হনুমানবক্সৰ নামানুসাৰে 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ' হ'ল। কলেজখনে ইতিমধ্যে ৭৫ টি বৰ্ষ অতিক্ৰমী দেশক সেৱা কৰি আহিছে। কলেজখন প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক কালত গুৱাহাটী আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অহা পৰিদৰ্শকসকলে ভূঁয়সী প্ৰশংসা কৰিছিল। ১৯৬০ চনৰ পৰা ১৯৬৭ চনলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত সংস্কৃত, বুৰঞ্জী আৰু অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্তন হৈ আছিল। কিন্তু ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ল আৰু কলেজখন ইয়াৰ অধীন হ'ল। ফলস্বৰূপে স্নাতকোত্তৰ শ্ৰেণীসমূহ বন্ধ হৈ পৰিল। ইয়াৰ পাছতো কলেজত বেলেগ বেলেগ বিভাগত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ প্ৰচেষ্টা লোৱা হৈছিল। কিন্তু ফলপ্ৰসূ হোৱা নাছিল। বহু বিৰতিৰ পিছত ২০১৬ চনত ইংৰাজী সাহিত্যত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হয়। কোনো এটা বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰিবৰ বাবে বিশ্ববিদ্যালয় সমূহৰ বিভিন্ন নীতি-নিয়ম আছে। চৰ্তাৱলী সিদ্ধ কৰা বৰ সহজ নহয়। কিন্তু কানৈ কলেজে এই প্ৰচেষ্টা এৰি দিয়া নাই। এনে প্ৰচেষ্টাৰ ফলত আৰু দুটা বিভাগত ২০২০ চনৰ পৰা স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হ'ল। এই প্ৰচেষ্টাৰ কিছু আভাস ইয়াত লিপিবদ্ধ কৰিব বিচাৰিছো।

ক'ভিড-১৯ মহামাৰীৰ বাবে ২০২০ চনৰ মাৰ্চ মাহৰ ২২ তাৰিখৰ পৰা সমগ্ৰ দেশত তলাবন্ধ ঘোষণা কৰা হৈছিল। লগে লগে শিক্ষানুষ্ঠানসমূহো বন্ধ হৈ পৰিছিল। সদাব্যস্ত জীৱন স্তব্ধ প্ৰায় হ'ল। এজাক প্ৰাণ চঞ্চল ডেকা-গাভৰুৱে ভৰি থকা মহাবিদ্যালয়সমূহ খালীহৈ পৰিল। সকলো ঘৰতেই আৱদ্ধ হৈ থাকিব লগা হ'ল। ক'তো যেন আশাৰ বতৰা নাই এনে অনুভৱ হ'বলৈ ধৰিলে। জুলাই-আগষ্ট মাহত পৰিৱেশ কিছু উন্নত হোৱাত অধ্যক্ষ মহোদয়কে ধৰি আমি কেইজনমান কলেজলৈ পুনৰ অহা আৰম্ভ কৰিলো। ইয়াৰ ভিতৰত নৰেন্দ্ৰ মাহেলা, ড০ মৃদুল শৰ্মা, ড০ অনন্ত কুমাৰ দত্ত আৰু আমি প্ৰায় প্ৰতিদিনে অহা কৰিলো। দূৰে-দূৰে বহো। বেমাৰৰ পৰা ল'ব লগা সাৱধানতা মানি বিভিন্ন প্ৰকাৰৰ কাম-কাজ সম্পন্ন কৰো। কলেজত বিদ্যায়তনিক দিশবোৰ চোৱা চিতা কৰাৰ বিশেষ দায়িত্ব আছিল মোৰ ওপৰত। গতিকে আমি প্ৰায়ে এনেবোৰ বিষয়লৈ আলোচনা কৰিছিলো। ছেপ্টেম্বৰ মাহৰ কোনো এক দিনত কলেজত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ

কথা আলোচনা হৈছিল। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে অৰ্থনীতি আৰু নৃতত্ব বিভাগে স্নাতকোত্তৰ মহলা আৰম্ভ কৰাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক আবেদন কৰিছিল। কিন্তু এই ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা কোনো সঁহাৰি পোৱা নগ'ল। আবেদন নাকচ হোৱাৰ কাৰকসমূহ গমপোৱা হ'লে বিভাগ দুটাই তেওঁলোকৰ আসোঁৱাহখিনি আঁতৰায় আৰু কৰণীয়খিনি কৰাৰ বাবে সুবিধা পালেহেতেন। পিছে সেইটো হৈ নুঠিল।

বৰ্তমান শিক্ষা খণ্ডত ব্যাপকভাবে নীতি-নিয়মৰ ক্ষেত্ৰত শিথিলতা অনা হৈছে। এতেকে আমিও অন্য চৰকাৰী বিশ্ববিদ্যালয় অধীনত এনে পাঠ্যক্ৰম আৰম্ভ কৰিব পাৰি নেকি চিন্তা-চৰ্চা কৰিবলৈ আৰম্ভ কৰিলো। স্বাভাৱিকতেই আমাৰ মনলৈ আহিল অসম চৰকাৰৰ দ্বাৰা ২০১০ চনত স্থাপিত Assam Science and Technology University (ASTU) ৰ কথা। ASTU ৰ কথা ওলাওতে অধ্যক্ষই ক'লে যে ইতিমধ্যে চিলাপথাৰ মহাবিদ্যালয়কে ধৰি কেইবাখনো কলেজে ASTU ৰ অধীনত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰিছে। গতিকে ভবা হ'ল যে ASTU ৰ লগত যোগাযোগ কৰা হওঁক। কোনকেইটা বিষয়ত স্নাতকোত্তৰ মহলা আৰম্ভ কৰিব পৰা যায় এই বিষয়ে আমাৰ নিজৰ মাজতে আলোচনাৰ অন্তত বিভিন্ন দিশ যেনে শিক্ষকৰ সংখ্যা, অৰ্হতা, স্নাতক মহলাৰ ফলাফল, আন্তঃগাঁথনি, বিভাগৰ আগ্ৰহ আদি বিবেচনা কৰি গণিত আৰু নৃতত্ব বিভাগ দুটা বাচনি কৰা হয়। এই বাচনি কৰাৰ সময়ত বিভাগ দুটাৰ মতামত লোৱা হৈছিল। ১৯ টা বিভাগৰ ভিতৰত এই দুটা বিভাগ নিৰ্বাচন হোৱাত তেওঁলোকে আনন্দ প্ৰকাশ কৰিছিল। ইয়াৰ পিছত ASTU ৰ লগত কেনেদৰে যোগাযোগ কৰা যায় এই বিষয়ে চিন্তা-চৰ্চা কৰা হয়। অধ্যক্ষই পৰামৰ্শ দিলে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড০ যোগেন চন্দ্ৰ কলিতাই হয়তো আমাক সহায় কৰিব পাৰে। কথামতেই কাম। প্ৰফেচাৰ কলিতাৰ লগত ফোনত কথা পতাত তেখেতে ASTU ৰ শৈক্ষিক পঞ্জীয়ক ড০ বিশ্ব ৰঞ্জন ফুকনৰ লগত যোগাযোগ কৰিবলৈ উপদেশ দিলে। ড০ ফুকনৰ লগত ফোনত যোগাযোগ কৰা হ'ল আৰু তেখেতৰ উপদেশ মতে তেখেতৰ কাৰ্যালয়লৈ ১২.১০.২০২০ তাৰিখে এক অনানুষ্ঠানিক মেইল পঠোৱা হৈছিল। পত্ৰখনত আমাৰ উদ্দেশ্য ব্যাখ্যা কৰা হৈছিল। এইটোৱেই আছিল আৰম্ভণি। ড০ ফুকনৰ পৰা সঁহাৰি পোৱাৰ পিছত ১৯.১০.২০২০ তাৰিখে ASTU লৈ এখন পত্ৰ আমাৰ ফালৰ পৰা পঠোৱা হয়। ইয়াতো আমাৰ ইচ্ছা ব্যক্ত কৰা হৈছিল। ডাকযোগে পঠোৱা এই পত্ৰখন ASTU ৰ কাৰ্যালয়ে ২৭.১০.২০২০ তাৰিখে লাভ কৰে আৰু অতি ক্ষিপ্ৰতাৰে ড০ ফুকনে ইয়াৰ ওপৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি ২৮.১০.২০২০ তাৰিখে অৰ্থাৎ পত্ৰখন লাভ কৰাৰ পিছদিনাই আমালৈ মেইলযোগে জনালে যে ১৮ বা ১৯ নৱেম্বৰ তাৰিখে আমি অনলাইনযোগে এক প্ৰেজেণ্টেশ্যন দিব লাগিব। কলেজখনৰ সমূহ দিশ সামৰি এই প্ৰেজেণ্টেশ্যন দিব লাগিব। কিছুদিনৰ পিছত ১৯.১১.২০২০ তাৰিখটো ঠিক কৰা হ'ল। এই অনলাইন বাৰ্তালাপত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ধিৰাজ বৰাকে আদি কৰি আঠাইকেইজন শীৰ্ষ অধিকাৰীয়ে অংশ গ্ৰহণ কৰিছিল। আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী জনাই অনুষ্ঠান আৰম্ভণি কৰে। যদিও আলোচনা ২০ মিনিটৰ বাবে সময় ধাৰ্য কৰা হৈছিল, কিন্তু ই প্ৰায় একঘন্টা সময় চলিল। কলেজৰ সকলো দিশ সামৰি আৰু বিভাগ দুটাৰ বিষয়ে প্ৰেজেণ্টেশ্যন দিয়া হৈছিল। ASTU ৰ ফালৰ পৰা বিভাগ দুটাৰ শিক্ষক, অৰ্হতা, সা-সুবিধা আদিৰ বিষয়ে বুজ ল'লে। প্ৰেজেণ্টেশ্যনত দুয়োটা বিভাগৰ শিক্ষকসকল, IQAC ৰ সমন্বয়ক ড০ মৃদুল শৰ্মা উপস্থিত আছিল। আলোচনাৰ শেষত উপাচাৰ্য ড০ ধিৰাজ বৰাই এক ভাষণ প্ৰদান কৰে। তেখেতে ভাষণত কলেজখনক প্ৰশংসা কৰে আৰু আমাৰ প্ৰস্তাৱ সম্পৰ্কে এক ইতিবাচক বাৰ্তা প্ৰকাশ কৰে। পঞ্জীয়ক মহোদয়ে কলেজৰ আন্তঃগাঁথনি, আন সা-সুবিধা আদিৰ বিষয়ে বুজ ল'লে, যাতে কলেজখনে নতুন শ্ৰেণী দুটা আৰম্ভণিৰ বাবে পৰ্যাপ্ত সুবিধাখিনি উপলব্ধ আছেনে নাই। আমি আৰু এটা প্ৰশ্নৰ সন্মুখীন হৈছিলো, যে ডিব্ৰুগড় বিশ্ববিদ্যালয় ওচৰত থকা স্বত্বেও আমি কিয় ASTU ৰ অধীনত স্নাতকোত্তৰ শ্ৰেণী খুলিব বিচাৰিছো। আমাৰ দৃঢ় উত্তৰ আছিল যে যিহেতু অসমৰ বিজ্ঞান চৰ্চা-গৱেষণাৰ বাবে বিশেষভাবে ASTU প্ৰতিষ্ঠা কৰা হৈছে, এতেকে আমি গণিত আৰু নৃতত্ব বিষয়ৰ স্নাতকোত্তৰ মহলা তেওঁলোকৰ অধীনত বেছি ফলপ্ৰসূ হ'ব বুলি বিবেচনা কৰো। আমাৰ উত্তৰটোত তেখেতসকল সন্তুষ্ট হৈছিল যেন অনুমাণ হ'ল। এই

আলোচনাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড০ যোগেন চন্দ্ৰ কলিতা আৰু শিৱসাগৰৰ পৰা ASTU ৰ EC ৰ সদস্য এজনেও অংশ গ্ৰহণ কৰিছিল। প্ৰায় এঘন্টাৰ অন্তত আমাৰ আলোচনা শেষ হ'ল। আমি আলোচনা ইতিবাচক বুলি অনুমান কৰিলো।

অনলাইন আলোচনাৰ পিছদিনা অৰ্থাৎ ২০.১০.২০২০ তাৰিখে পুনৰ শৈক্ষিক পঞ্জীয়কৰ লগত টেলিফোনত আনুষ্ঠানিকভাবে আবেদন কৰাৰ সম্পৰ্কত আলোচনা কৰা হৈছিল। তেখেতে পৰামৰ্শ দিলে যে আমি অতি সোনকালে ASTU ৰ Website ত উপলব্ধ হৈ থকা নিৰ্দিষ্ট প্ৰ-পত্ৰত সকলো নথিপত্ৰ সহ আবেদনখন অতি সোনকালে জমা দিব লাগে। লগতে নিৰ্দিষ্ট কৰি থোৱা মাছুল।

মই প্ৰ পত্ৰখন Website ৰ পৰা উলিয়াই ভালকৈ অধ্যয়ন কৰি প্ৰয়োজন হ'ব পৰা নথি-পত্ৰ কি কি লাগিব পাৰে তাৰ এখন তালিকা প্ৰস্তুত কৰিলো। প্ৰায় এক সপ্তাহমানত প্ৰয়োজনীয় তথ্যপাতি আৰু সহজতে পোৱা নথিকেইখন গোটাবলৈ সক্ষম হ'লো। কিন্তু কেইখনমান নথি গোটোৱাত আহুকাল হ'ল। সাম্ভাব্য কাৰ্যালয় কেইটালৈ চিঠি লিখা হ'ল যাতে তেওঁলোকে আমাক কাগজকেইখন অতি সোনকালে যোগান ধৰে। এনেদৰে কেইদিন মান পাৰ হৈ গ'ল। মনটো অলপ সেমেকি গৈছিল। এনেতে এদিন ৰাতি প্ৰায় ৯.৩০ বজাত ড০ কলিতা ছাৰে খবৰ ল'লে, আবেদনখন দিলোনে নাই। মই আহুকালটোৰ বিষয়ে কোৱাত, তেখেতে ক'লে যে যিকেইখন নথি পোৱা নাই সেইকেইখন পিছত জমা দিম বুলি কৈ আবেদনখন অতি সোনকালে ASTU ক জমা দিবলৈ মোক পৰামৰ্শ দিলে। তেখেতৰ কথাত উৎসাহিত হ'লো আৰু অতি খৰ গতিত কামখিনি সম্পন্ন কৰি মাছুল ৬০ হাজাৰ টকা আৰু প্ৰ পত্ৰখন ১১.১১.২০২০ তাৰিখে ASTU লৈ পঠোৱা হ'ল। এই ক্ষেত্ৰত অধ্যক্ষই বিশেষভাবে আগভাগ লৈছিল।

আমাৰ আবেদনখন ASTU ৰ কাৰ্যালয়ত পোৱাৰ পিছত আমাক জনালে যে এক চাৰিজনীয়া পৰিদৰ্শনকাৰী দল ১৯.১২.২০২০ তাৰিখে আমাৰ কলেজলৈ পৰিদৰ্শনৰ বাবে আহিব। কোন কোন আহিব আগতীয়াকৈ জনোৱা নাছিল। আমাৰ বাবে ১৯ তাৰিখটো যেন সৌভাগ্যৰ দিন। আটাইকেইটা কাম ১৯ তাৰিখেই হৈছে। ক'ভিড-১৯ মহামাৰীৰ পৰা সেইকেইদিন আমি সকলোৱে কিছু সকাহ পাইছিলো আৰু এইখিনিতে উল্লেখ কৰিব পাৰি যে ২০২০ চনৰ ২ নৱেম্বৰৰ পৰা আমাৰ কলেজত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে শ্ৰেণীসমূহত নিয়মীয়া পাঠদান চলিছিল। কিন্তু উপস্থিতি বাধ্যতামুলক নাছিল। আমাৰ বিভাগত তিনিওটা ছেমিষ্টাৰৰ ভিতৰত মাত্ৰ চাৰিজনমান ছাত্ৰহে শাৰীৰিক ভাবে উপস্থিত নাছিল। তেওঁলোকে অনলাইন যোগে পাঠ গ্ৰহণ কৰিছিল। কিন্তু কলা শাখাত উপস্থিতি কম আছিল।

পুনৰ পৰিদৰ্শনৰ প্ৰসংগলৈ ঘুৰি আহিছো। শৈক্ষিক পঞ্জীয়ক ড০ ফুকনৰ পৰা প্ৰায়ে টেলিফোন কৰি দিহা পৰামৰ্শ লৈছিলো। তেখেতক সুধিছিলো যে পৰিদৰ্শনৰ সময়ত আমি কি কি সাজু কৰিব লাগিব! ফুকনৰ পৰামৰ্শ মতে আমি বিভাগ দুটাই শিক্ষকসকলৰ শৈক্ষিক খতিয়ান, প্ৰকাশ পোৱা গৱেষণা পত্ৰ, প্ৰকাশিত কিতাপ আদি সাজু কৰিছিলো। বিভাগীয় পুথিভৰালৰ কিতাপৰ তালিকা তথা বিভাগত থকা আন আন সুবিধাখিনি পৰিদৰ্শন কালত চাব বুলি জনালে। লগতে বিভাগৰ মেজৰৰ ছাত্ৰ-ছাত্ৰীসকলক লগ ধৰিব বুলিও ক'লে। পৰিদৰ্শনৰ বাবে আমি দুয়োটা বিভাগে আমাৰ দেখুৱাব পৰা সলোখিনি সাজু কৰিলো। বিভাগীয় পৰিচালনা সমিতিৰ সভাসমূহৰ কাৰ্যবিবৰণী বহীখনো সাজু কৰি ৰখা হ'ল। গণিত বিভাগত মেজৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ত বিভাগৰ পুথিভৰালত থকা কিতাপ সমুহৰ লিষ্ট কম্পিউটাৰত টাইপ কৰি সাজু কৰা হ'ল।

এদিন ৰাতি মই ড০ যোগেন কলিতা ছাৰক ফোন কৰি পৰিদৰ্শনৰ সময়ত কৰিব লগা বা দেখুওৱাব লগা কথাবোৰৰ বিষয়ে পৰামৰ্শ বিচাৰিছিলো আৰু লগতে ক'লো যে তেখেতে দলটোত আহিলে আমি অতি সুখী হ'ম। উত্তৰত তেখেতে মোক জনালে যে, তেওঁ প্ৰাণী বিজ্ঞান বিভাগৰহে, গতিকে তেওঁ নাহে। আন কোনোবা আহিব। মোক আস্বাস দিলে যে চিন্তা কৰিব নালাগে। তথাপি মই তেখেতক জোৰ কৰি ক'লো যে আপুনি আহিলে ভাল হয়। পৰিদৰ্শনৰ আগদিনা আমি গ'ম পালো যে ড০ যোগেন চন্দ্ৰ কলিতাৰ নেতৃত্বত চাৰিজনীয়া দল এটা আমাৰ কলেজ ১৯.১২.২০২০ তাৰিখে পৰিদৰ্শনৰ বাবে আহিব। দলটোৰ আন আন সদস্যসকল হ'ল — কটন বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অধ্যাপিকা ড০ জোনালী দেৱী, যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ

(JIST) গণিত বিভাগৰ ড০ চন্দ্ৰ চুতীয়া আৰু ASTU ৰ শৈক্ষিক পঞ্জীয়ক ড০ বিশ্ব ৰঞ্জন ফুকন। পৰিদৰ্শনৰ কাৰ্যসূচী প্ৰস্তুত কৰা হ'ল। দিনৰ ১ বজাৰ পৰা কাৰ্যসূচী আৰম্ভ হ'ব। আমাৰ কলেজত কাৰ্যসূচীৰ আঁত ধৰিব আই কিউ এ চিৰ সমন্বয়ক ড০ মৃদুল শৰ্মাই। প্ৰথমে দলটোৱে অধ্যক্ষৰ লগত আলোচনাত মিলিত হ'ব আৰু অধ্যক্ষই কলেজখনৰ বিষয়ে এক প্ৰেজেণ্টেশ্যন দিব। ইয়াত অধ্যক্ষই কলেজখনৰ বিষয়ে এক সম্যক ধাৰণা দিব। ইয়াৰ পিছত দলটো বিভাগ দুটা পৰিদৰ্শনৰ বাবে আগবাঢ়িব। সেইমতেই পৰিকল্পনা কৰি আমি কামত আগবাঢ়িলো। যথাসময়ত ১৯ ডিচেম্বৰ তাৰিখত উপনিত হ'লো। ইতিমধ্যে আমাৰ অধ্যক্ষ মহোদয়ে পৰিদৰ্শকসকলক আদৰিবৰ বাবে এক বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰিছিল। দলটোৰ ড০ কলিতা আৰু ড০ দেৱী পোনে পোনে গুৱাহাটীৰ পৰা উৰাজাহাজেৰে আহি ডিব্ৰুগড়ত নামি প্ৰায় ১২ বজাত আমাৰ কলেজ পালেহি। বাকী দুজন সদস্য, ড০ চুতীয়া আৰু ড০ ফুকন যোৰহাটৰ পৰা গাড়ীৰে আহি ঠিক একেসময়তে আমাৰ কলেজ পালেহি। আটাইকেউজনকে দুই নং গেটেৰে প্ৰথমে এন চি চি কেডেটে আগবঢ়োৱা অভিবাদন গ্ৰহণ কৰি আগবাঢ়ি আহে। লগতে গায়ন-বায়নৰ দলটোও আছিল। ইয়াৰ পিছত দলটো কলেজৰ আগফালে নিৰ্মিত অস্থায়ী মঞ্চত বহে আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে অতিথিসকলৰ সন্মুখত বিহু নৃত্য আৰু ঝুমুৰ প্ৰদৰ্শন কৰে। দলটো এনে উষ্ম আদৰণীত অভিভুত হয় আৰু আগতে এনে আদৰণী কেতিয়াও ক'তো যে পোৱা নাই, সেই কথাও ব্যক্ত কৰে। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰায় সকলো শিক্ষক উপস্থিত আছিল আৰু আদৰণী অনুষ্ঠানত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীও উপস্থিতি আছিল। অনুষ্ঠানটো সঁচাকৈয়ে এক আকৰ্ষণীয় অনুষ্ঠান হৈছিল আৰু ইয়াৰ দ্বাৰাই কলেজখনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক আৰু অধ্যক্ষৰ কৰ্ম চঞ্চলতা তথা উদ্যম-একতা প্ৰকাশ পাইছিল। ইয়াৰ পিছত দলটো অধ্যক্ষৰ সভাকক্ষত আসন গ্ৰহণ কৰে আৰু তেখেতসকলক আনুষ্ঠানিকভাৱে গামোছা, চেলেং-চাদৰেৰে আদৰণী জনোৱা হয়। আদৰণী অনুষ্ঠানৰ পিছত অধ্যক্ষই কলেজৰ বিষয়ে এক চমু আভাস দাঙি ধৰি প্ৰেজেণ্টেশ্যন আগবঢ়ায়। ইতিমধ্যে দুপৰীয়াৰ সাজ সাজু হোৱাত সকলোৱে আহাৰ গ্ৰহণ কৰে।

আহাৰ গ্ৰহণৰ পিছত আই কিউ এ চিৰ সমন্বয়ক ড০ মৃদুল শৰ্মাই দলটোক নৃতত্ব বিভাগলৈ আগবঢ়াই নিয়ে। ড০ কলিতাৰ নেতৃত্বত দলটোৱে নৃতত্ব বিভাগৰ কাম-কাজ, গৱেষণা, প্ৰকাশন আদিৰ বিষয়ে বুজ লয়। নৃতত্ব বিভাগত তেখেতসকলক বিভাগটোৰ কাম-কাজ, ডিগ্ৰী পৰীক্ষাৰ ফলাফল আদিৰ বিষয়ে জ্ঞাত হৈ বেচ সুখী হোৱা যেন লাগিল। ইয়াৰ পিছত প্ৰায় ত্ৰিশ মিনিট দলটোৱে নৃতত্ব বিভাগৰ মেজৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত মতবিনিময় কৰে। প্ৰায় ৩.৩০ বজাত এইবাৰ দলটো গণিত বিভাগলৈ আহে। গণিত বিভাগত প্ৰথমে শিক্ষকসকলৰ লগত এক আলোচনাত মিলিত হয়। তেওঁলোকে বিভাগৰ শৈক্ষিক কাম-কাজ, গৱেষণা, প্ৰকাশন, ডিগ্ৰীৰ ফলাফল তথা পাছকৰা সকলে ক'ত ক'ত অধ্যয়নৰ বাবে আসন পায় সেই সম্পৰ্কে বুজ লয়। উল্লেখ কৰিব পাৰি যে গণিত বিভাগৰ পৰা কেইবাজনেও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক হৈছে, আই আই টিত এম এছ চি, পি এইচ ডি কৰাৰ সুযোগ পাইছে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ ফলাফলক বিশেষভাৱে প্ৰশংসা কৰে। বিভাগৰ কাষৰ ৰূমটোত তেতিয়াও মেজৰৰ প্ৰায় সত্তৰ-আশীজনমান ছাত্ৰ-ছাত্ৰী বহি আছিল। এইবাৰ দলটো ছাত্ৰ-ছাত্ৰীসকলক ল'গ পাবলৈ আহে। আটাইকেইজন সদস্যই বক্তব্য আগবঢ়ায়। তেখেতসকলে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মতবিনিময় কৰে আৰু বিভিন্ন প্ৰশ্ন কৰে। শেষত ড০ চন্দ্ৰ চুতীয়াই এক দীঘলীয়া বক্তব্য আগবঢ়ায়, বিভিন্ন পৰামৰ্শ দিয়ে। সংস্কৃত শ্লোকেৰে আৰম্ভ কৰা তেখেতৰ ভাষণ অতি মনোগ্ৰাহী হৈছিল। ড০ ফুকনে মোক আগতীয়াকৈ মেইল যোগে দিয়া পৰিদৰ্শন প্ৰতিবেদনৰ প্ৰ পত্ৰখনত বিভাগ দুটাৰ তথ্যবোৰ অন্তভূক্ত কৰি থ'বলৈ দিছিল। ছাত্ৰ-ছাত্ৰীসকল সন্ধিয়া পৰলৈকে উপস্থিত থকাতো লক্ষণীয় আছিল। পৰিদৰ্শন কাৰ্যসূচীৰ শেষ পৰ্যায়ত অধ্যক্ষৰ সভাকক্ষত পুনৰ এখন সভা অনুষ্ঠিত হয়। ইয়াত দুয়োটা বিভাগৰ শিক্ষকসকল উপস্থিত আছিল। সভাত মূলতঃ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰিলে কলেজৰ কৰণীয়খিনি সম্পৰ্কে ড০ কলিতা ছাৰে বহলাই ব্যাখ্যা কৰে। আন সদস্য সকলেও তেখেতসকলৰ অনুভৱ চমুকৈ ব্যাখ্যা কৰে। ড০ ফুকনে মোক পোনপতীয়াকৈ এটা প্ৰশ্ন কৰিছিল যে — গণিত আৰু নৃতত্ব বিভাগত আমি কিমান আসন আশা কৰো। গণিত বিভাগত ৩০ আৰু নৃতত্ব

বিভাগত ২০ খন আসন পালে ভাল বুলি জনালো। তেখেতে পৰিপূৰক প্ৰশ্ন কৰিলে যে আৰম্ভণিতে ইমান বেছি ছাত্ৰ-ছাত্ৰীক তত্বাৱধান ল'ব পাৰিম নে নাই। আমি সমৰ্থ বুলি কোৱাত তেখেত পতিয়ান গ'ল। ৰাতি প্ৰায় সাত বজাত সভা শেষ হ'ল। তেখেতসকলে এটা ভাল খবৰ সোনকালে পাব বুলি ধাৰণা দি গ'লগৈ।

গুৱাহাটীলৈ গৈ ড০ ফুকনে দুদিন পিছত জনালে যে তেওঁলোকে পৰিদৰ্শন প্ৰতিবেদন উপাচাৰ্যক জমা দিছে। একাডেমীক কাউঞ্চিল আৰু ভি চিৰ অনুমোদন পোৱাৰ পিছত আমাক অনুমতি সম্পৰ্কে জনাব বুলি খবৰ দিলে। ইতিমধ্যে দিন বাগৰিল, ডিচেম্বৰ মাহ শেষ হ'বৰ উপক্ৰম হ'ল। প্ৰায় বিলাক বিশ্ববিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া শেষ হৈছে। আনকি ASTU ৰ অধীনৰ JIST ত নামভৰ্তি ৩০ ডিচেম্বৰত শেষ হ'ব। এনেস্থলত আমাৰ চিন্তা হৈছে যে — যদি অনুমতি পোৱাত দেৰি হয়, তেন্তে দেখোন আমি এইবাৰ পাঠ্যক্ৰম আৰম্ভ কৰিবই নোৱাৰিম। অৱশেষত ২০২০ চনৰ ৩১ ডিচেম্বৰৰ দিনা অনুমতি প্ৰদান কৰা বিষয়ক মেইল আহিল। গণিত বিভাগত ৩০ খন আসন আৰু নৃতত্ব বিষয়ত ২০ খন আসন অনুমতিৰ লগতে বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা কিছু চৰ্ত আৰোপ কৰা হৈছে। কলেজে সময়ত এই চৰ্তসমূহ পূৰণ কৰিব লাগিব। গণিত বিভাগৰ অনুমোদিত পাঠ্যক্ৰম আছিল, যিহেতু JIST ত চলি আছে। কিন্তু নৃতত্ব বিভাগত স্নাতকোত্তৰ শ্ৰেণী ASTU ৰ অধীনত আন ক'তো আৰম্ভ হোৱা নাছিল। কানৈ মহাবিদ্যালয়েই নৃতত্ব বিষয়ত ASTU ৰ অধীনত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা প্ৰথমখন মহাবিদ্যালয়।

অনুমতি পোৱাৰ লগে লগে আমি বিভিন্ন প্ৰচাৰ মাধ্যমত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ বিষয়ে প্ৰচাৰৰ ব্যৱস্থা কৰো। কলেজৰ ৱেবছাইটত দিয়া হ'ল। অসমৰ প্ৰায়বোৰ বাতৰিকাকতত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভণীৰ বিষয়ে বাতৰি হিচাপে প্ৰকাশ পায়। কানৈ কলেজৰ গণিত বিভাগৰ পৰা ২০২০ বৰ্ষত বি এছ চি পাছ কেইবাজনো ছাত্ৰই আমাৰ লগত আগৰ পৰাই নামভৰ্তি সম্পৰ্কে যোগাযোগ কৰি আছিল। ইয়াৰ ভিতৰত আছিল প্লাৱনজ্যোতি মহন্ত আৰু উদিত নাৰায়ণ দত্ত। এওলোক দুয়ো আমাৰ বিভাগৰ পৰা প্ৰথম শ্ৰেণীত বি এছ চি পাছ কৰিছিল। গণিত বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত মুঠ চৈধ্যজনে নামভৰ্তি কৰিছিল। ইয়াৰে পাঁচজন আমাৰ বিভাগৰ পৰাই উত্তীৰ্ণ হোৱা। নৃতত্ব বিভাগত দুজনে নামভৰ্তি কৰিছিল।

গণিত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল হ'ল— ১। আফলিন চুলতানা ৰহমান ২। লক্ষ্যজিত চুতীয়া ৩। দীপজ্যোতি মহন ৪। পিজুস দাস ৫। গিৰিশ বৰা ৬। প্লাৱনজ্যোতি মহন্ত ৭। গোহিন সোণোৱাল ৮। পবিত্ৰ গগৈ ৯। জোণমণি গগৈ ১০। ৰিশু দুৱৰা ১১। কমলা কোঁৱৰ ১২। ৰিয়া দত্ত ১৩। কৃতি শৰ্মা ১৪। উদিত নাৰায়ণ দত্ত।

নৃতত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল হ'ল— ১। প্ৰিয়াক্ষী বৰুৱা ২। সুদীপ্ত প্ৰাণ শৰ্মা

নামভৰ্তি দেৰি হোৱাৰ বাবে পাঠদান আৰম্ভ কৰাও কিছু দেৰি হৈছিল। ২০২১ চনৰ ২৭ জানুৱাৰীত এখন সভা অনুষ্ঠিত কৰি আনুষ্ঠানিকভাবে গণিত বিভাগৰ স্নাতকোত্তৰ শ্ৰেণী পাঠদান কাৰ্যসূচী আৰম্ভ কৰা হয়। উক্ত সভাত অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, ড০ মৃদুল শৰ্মা উপস্থিত আছিল। অধ্যক্ষই সকলোকে উৎসাহিত কৰি এক দীঘলীয়া ভাষণ প্ৰদান কৰিছিল। গণিত বিভাগৰ মেজৰৰ ছাত্ৰ-ছাত্ৰীসকল তথা নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত আছিল। নৃতত্ব বিভাগত ২০২১ চনৰ ৩ ফেব্ৰুৱাৰী তাৰিখৰ পৰা স্নাতকোত্তৰ শ্ৰেণীসমূহ আৰম্ভ হয়। নৃতত্বৰ বিভাগৰ Syllabus খন আমাৰ কলেজৰ নৃতত্ব বিভাগৰ শিক্ষকসকলেই প্ৰস্তুত কৰিছিল আৰু ASTU ৰে গঠন কৰা এখন সমিতিয়ে অনুমোদন জনাইছিল। গণিত বিভাগৰ মই, ড০ দেৱাঞ্জন হাজৰিকা, ড০ অনন্ত কুমাৰ দত্ত আৰু ড০ অমিতাভ দলে, আমি আটায়ে একোখনকৈ পেপাৰ পঢ়াইছিলো। অতিৰিক্তভাবে নিহাৰিকা কাকতিক অস্থায়ী প্ৰৱক্তা হিচাপে নিয়োগ কৰা হৈছিল। তেওঁ আমাৰ বিভাগৰ পৰাই পাছ কৰা এগৰাকী মেধাৱী ছাত্ৰী আছিল। তেওঁ JAM ত উত্তীৰ্ণ হৈ NIT শ্বিলঙৰ পৰা এম এছ চি পাছ কৰে। তেনেদৰে নৃতত্ব বিভাগত বিকিমণি গগৈক অস্থায়ী প্ৰৱক্তা হিচাপে লোৱা হৈছিল। শ্ৰেণীসমূহ নিয়মীয়াকৈ অনুষ্ঠিত হৈছিল। স্নাতকোত্তৰ শ্ৰেণীসমূহৰ ব্যৱস্থাপনা সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে মোক সমন্বয়ক হিচাপে লৈ এখন সমিতি গঠন কৰি দিছিল। আমি অনুমান কৰিব পাৰিছিলো যে খুব কম সময়ৰ ভিতৰত প্ৰথম ছেমিষ্টাৰৰ পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব।

ইতিমধ্যে বিশ্ববিদ্যালয়ৰ জাননী অনুসৰি ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ দিন পাৰ হৈ গৈছিল। আমি অনুৰোধ কৰি অনলাইন পৰ্টেল পুনৰ মুকলি কৰি পঞ্জীয়ন সম্পন্ন কৰে। ইয়াৰ কিছুদিনৰ ভিতৰত প্ৰথম ছেমিষ্টাৰৰ পৰীক্ষাৰ ফৰ্ম পূৰোৱাৰ দিনো ধাৰ্য কৰাৰ জাননী ওলাল। যথা নিয়ম মতে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ কৰা হয়। এই সময়তো ক'ভিড মহামাৰীৰ প্ৰকোপ কমা নাছিল। গতিকে বিশ্ববিদ্যালয়ে ২০২০ চনত, সময়ত পৰীক্ষা অনুষ্ঠিত কৰিব পৰা নাছিল। পূৰ্বৰ ছেমিষ্টাৰত কেইমাহ মান হোৱা ক্ষতিপূৰণৰ লক্ষ্যৰে, বৰ্তমানৰ ছেমিষ্টাৰ সম্পূৰ্ণ ছমাহৰ পৰিৱৰ্তে প্ৰায় চাৰিমাহত শৈক্ষিক কাৰ্যকলাপসমূহ সম্পন্ন কৰাৰ সিদ্ধান্ত কৰে। (সেই মৰ্মে পৰীক্ষাসমূহ সম্পূৰ্ণ কাকতখনৰ সত্তৰ নম্বৰৰ ৭০ শতাংশ পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক হেঁচা কিছু লাঘৱ হৈছিল।) প্ৰথম ছেমিষ্টাৰৰ পৰীক্ষাসমূহ ২০২১ চনৰ ২৬ এপ্ৰিল তাৰিখে অন্ত পৰে। এইদৰে এক শৈক্ষিক যাত্ৰাৰ আৰম্ভণি হয়।

বিভাগ দুটাৰ শিক্ষকসকলৰ সক্ৰিয় সহযোগ, সময়ৰ লগত খোজ মিলোৱা বিদ্যায়তনিক কাৰ্যকলাপ, উচ্চস্তৰৰ গৱেষণা আদিৰে বিভাগ দুটা আগবাঢ়ক। অনাগত দিনত এই বিভাগ দুটাই কানৈ মহাবিদ্যালয়ক উজ্বলাই তোলক।






# স্মৃতিৰ সোণালী বাটেদি

অধ্যায় - ৩

## অৰ্দ্ধ শতাব্দীৰ পাছত কানৈ কলেজত এভূমুকি

**দিলীপ কুমাৰ গগৈ**
প্ৰাক্তন ছাত্ৰ
অৱসৰপ্ৰাপ্ত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া (জোনাই)

পৰাধীন ভাৰতবৰ্ষৰ এসময়ৰ গভৰ্নৰ জেনেৰেল জ'ন এফ কেনেডীয়ে শিক্ষা সাং কৰি দেউতাকক সুধিছিল- 'দেউতা আপুনি বহু কষ্ট কৰি মোক পঢ়াই শুনাই ডাঙৰ মানুহ কৰিলে, এতিয়া মই কি হোৱাতো বিচাৰে?' উত্তৰত দেউতাকে কৈছিল- 'বোপাই তই সংসাৰৰ যি কামৰে নকৰ লাগে, তাত মোৰ কোনো আপত্তি নাই। কিন্তু মই বিচাৰো তই সেই কামত প্ৰথম হ'ব লাগিব। অৰ্থাৎ তই যদি ঝাৰু মৰা কামো কৰ, তাতো মোৰ কোনো আপত্তি নাই। কিন্তু পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠ ঝাৰু মৰা মানুহজন তয়েই হ'ব লাগিব।

এই মহান ব্যক্তি দ্বয়ে (পিতা-পুত্ৰই) যেন আমাক দি গ'ল এটি মহান উপদেশ অনন্ত কাললৈ। মানুহে যি কামকে নকৰক লাগে, সেই কাম অত্যন্ত নিষ্ঠা, সততা আৰু একাগ্ৰতাৰে সম্পন্ন কৰিব লাগে, যাতে তাৰ পৰা নিজে উপকৃত হোৱাৰ উপৰিও আন দহজনে তাক প্ৰশংসা কৰে। তেনে এজন ব্যক্তি হৈছে বৰ্তমান কানৈ কলেজৰ অধ্যক্ষ মাননীয় ডঃ শশীকান্ত শইকীয়া। তেখেতৰ লগত এই অভাজনৰ চিনাকিও ঘটনা ক্ৰমিক।

স্ব-নামধন্য সাহিত্যিক,-সাংবাদিক হোমেন বৰগোহাঞিৰ ছাৰে সম্পাদনা কৰা 'মোৰ জীৱন দৰ্শন' পুথিত উল্লেখিত শইকীয়া মহাশয়ৰ জীৱন যুদ্ধৰ আদ্যোপান্ত পঢ়ি অভিভূত হৈছিলোঁ, তাৰ কেইদিন মানৰ পাছতে তেখেতে ৰচনা কৰা- 'হনুমানবক্স কানৈ, জীৱন আৰু কৰ্ম' পঢ়ি দানবীৰ এই মহান ব্যক্তিজনৰ বিষয়ে বহু নজনা কথা জানিব পাৰিলোঁ, প্ৰবন্ধটো পঢ়োতে মাজে মাজে চকু সেমেকি উঠিছিল।

যদিও অৰ্দ্ধ শতাব্দীৰ আগতে এই অভাজনে এইখন মহাবিদ্যালয়তে শিক্ষা আহৰণ কৰিছিলোঁ, তথাপি দানবীৰ হনুমানবক্স আৰু তেওঁৰে ভাতৃ সুৰজমল কানৈৰ বিষয়ে বিশেষভাৱে একো নাজানিছিলোঁ। কাৰণ তেখেতলোকৰ বিষয়ে কোনো কিতাপ পত্ৰ, পঢ়িবলৈ পোৱা নাছিলোঁ। আনকি তেওঁলোক দুজন যে ককাই-ভাই আছিল সেই কথাটোও জনা নাছিলো। ভাবিছিলোঁ হনুমান বক্স সুৰজমল কানৈ এজনেই ব্যক্তি হ'ব আৰু তেওঁ হয়তো বহু ধনী-মানী আৰু শিক্ষিত ব্যক্তি হ'ব। সেয়ে ইমান মহান দান সমাজলৈ আগবঢ়াব পাৰিছে। কিন্তু ডঃ শইকীয়া মহোদয়ৰ লিখনিৰ

পৰাহে আচল কথা জানিব পাৰিলোঁ। এনে মহান দানী ব্যক্তি সঁচাকৈয়ে বিৰল। তেখেতৰ ত্যাগে তেওঁলোকক চিৰ দিনলৈ অমৰ কৰি ৰাখিলে। লগতে অধ্যক্ষ মহোদয়ৰ সপোন আৰু বাস্তৱ পৰিকল্পনা, লগতে কলেজখনৰ প্ৰতি থকা তেখেতৰ দায়িত্ববোধ ইত্যাদিৰ বিষয়ে জানিব পাৰি তেখেতক দেখা সাক্ষাত পাবলৈ মন গ'ল। সেয়ে ফোনেৰে কথা পাতিলোঁ আৰু সামান্য এটি বৰঙণি ঐতিহ্য মণ্ডিত কলেজ খনলৈ আগবঢ়োৱাৰ ইচ্ছা প্ৰকাশ কৰিছিলোঁ। সেই সুত্ৰে তেখেতৰ নিমন্ত্ৰণ পাই যোৱা ১ ফেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয়ত উপস্থিত হৈছিলোঁগৈ।

মহাবিদ্যালয়খনত ভৰি দিয়েই তাৰ পাৰিপাৰ্শ্বিক অৱস্থা, শৃঙ্খলাবদ্ধ, নান্দনিক পৰিৱেশ, পৰিষ্কাৰ-পৰিচ্ছন্ন অথচ সু-সজ্জিত কাৰ্যালয়, শ্ৰেণীকোঠা, প্ৰেক্ষাগৃহ আৰু কেন্টিন দেখি একপ্ৰকাৰ আচৰিতেই হ'লোঁ। কাৰণ আগতে এইবোৰ একো নাছিল বুলিব পাৰি। কেৱল বিলডিংটো আছিল। বৰ্ত্তমান পৰিৱেশ দেখি প্ৰফেচাৰ পি.চি ৰেনে দিয়া এটা মন্তব্যলৈ মনত পৰিল। তেওঁ কৈছিল— " As is the head , so in the institute. The character of the Institute reflects and proclaims the professional character of the Head or the Principal. He is seal and the Institute way." সঁচা অৰ্থত ডঃ শইকীয়া এজন বিৰল ব্যক্তিত্ব সম্পন্ন ব্যক্তি। মননশীল প্ৰবন্ধ লেখক, জীৱন দৰ্শনৰ লগতে ভিন্নৰুচিৰ ২৫ খনকৈ গ্ৰন্থ প্ৰণেতা, ৰাষ্ট্ৰীয় ও আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত ৬৪ টা অনুষ্টান প্ৰতিষ্ঠানে আগবঢ়োৱা বঁটা আৰু সম্বৰ্দ্ধনা পাবলৈ সমৰ্থ হোৱা ডঃ শইকীয়াৰ গুণ-গৰিমা তুলনাবিহীন, অদ্বিতীয় বুলি ক'লেও বোধহয় বঢ়াই কোৱা নহ'ব। ভগৱানে উপযুক্ত ব্যক্তিক, উপযুক্ত স্থানত প্ৰক্ষেপ কৰিছে। ইয়াকে কয় "যোগ্য ভোগ্য বসুন্ধৰা"। তেখেতৰ হাতৰ পৰশত মহাবিদ্যালয়খনে ন-ৰূপত নতুনকৈ প্ৰাণ পাই উঠিছে। শৈক্ষিক সামাজিক সকলো দিশতে মহাবিদ্যালয়খন দেশৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰক, তাকে কামনা কৰিলোঁ।

১৯৭২ চনত এই অভাজনে এইখন মহাবিদ্যালয়তে নাম ভৰ্ত্তি কৰি শিক্ষা আহৰণ কৰিছিলোঁ। তেতিয়া কলেজত ৰূপালী জয়ন্তীৰ সামৰণি কাৰ্যসূচী চলি আছিল। জয়ন্তীৰ মুকলি মঞ্চত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পূজনীয় যোগীৰাজ বসু আৰু তেতিয়াৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেক্তৰ শ্ৰদ্ধাৰ লক্ষ্মীপ্ৰসাদ দত্ত ছাৰক দেখাৰ সৌভাগ্য ঘটিছিল। দত্ত ছাৰ আছিল থুলন্তৰ দেহৰ আধিকাৰী। কিন্তু বসু ছাৰ বৰ ওখ-ডাঙৰ নাছিল। দুয়ো ধুতি-পাঞ্জাৰী কুৰ্তা পৰিধান কৰিছিল। আকৰ্ষণীয় ব্যক্তিত্বৰ লোক আছিল তেওঁলোক।

আমাৰ দিনৰ পৰাই অসমত শিক্ষাৰ মাধ্যম অসমীয়া হৈছিল আৰু দুবছৰীয়া প্ৰি. ডিগ্ৰী ক'ৰ্ছ আৰম্ভ হৈছিল। ডিগ্ৰীৰ পাঠ্যক্ৰমো তিনি বছৰীয়াৰ ঠাইত হৈছিল দুবছৰীয়া।

আমি পঢ়ি থকা সময়ত কানৈ কলেজত অধ্যক্ষ আছিল শ্ৰদ্ধাৰ সুশীল চন্দ্ৰ দত্ত আৰু উপাধ্যক্ষ্য আছিল তেখেতৰেই পৰিবাৰ মাননীয় লক্ষ্মীদা দত্ত বাইদেউ। দুয়ো আছিল বৰ গহীন-গম্ভীৰ, ওখ আৰু শকত-আৱত ব্যক্তি। আমি সকলোৱে তেখেত লোকক সমীহ কৰি চলিছিলোঁ। তেখেত লোকৰ শাসনো আছিল কাঢ়া।

ইংৰাজী বিভাগত আছিল শ্ৰদ্ধাৰ প্ৰভু নাথ সিং, (চমুকৈ পি.এন সিং) শ্ৰদ্ধাৰ সুনীল বৰঠাকুৰ-শ্ৰদ্ধাৰ মেহতাবুদ্দিন আহমেদ আৰু শ্ৰদ্ধাৰ মুনীন শৰ্মা ছাৰ। শৰ্মা ছাৰ নাটকৰ লগতো জড়িত আছিল।

অসমীয়া বিভাগত আছিল শ্ৰদ্ধাৰ প্ৰফুল্ল চন্দ্ৰ ভট্ট। (তেখেতৰ জেষ্ঠ ভাতৃ আছিল অসম মেডিকেল কলেজৰ অধ্যক্ষ মথুৰা নাথ ভট্ট) পাছলৈ ভট্ট ছাৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দায়িত্বও লব লগা হৈছিল। ভট্ট ছাৰৰ ভগ্নী যামিনী দেৱী বাইদেউ আৰু ফৰিদা আহমেদ বাইদেউৱেও আমাক অসমীয়া শিকাইছিল। ভীম কোঁৱৰ ছাৰে ওপৰ শ্ৰেণীত পাঠ দান দিছিল।

অৰ্থনীতি বিভাগত আছিল প্ৰফেছাৰ হাছান ছাৰ, মনোৰঞ্জন শৰ্মা ছাৰ আৰু পাছলৈ আহিল জয়ন্ত গগৈ ছাৰ। হাছান ছাৰে কানৈ কৰ্মাচ কলেজতো শিক্ষকতা কৰিছিল। তেখেতৰ বুজনি আছিল ব্যতিক্ৰমধৰ্মী। মানে যি শিকায় সেইয়া মগজুত সোমায় যায়। শৰ্মা আৰু গগৈ ছাৰ দুয়ো পাছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ যায়। শৰ্মা ছাৰে এটা সময়ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হৈছিল আৰু গগৈ ছাৰ হৈছিল বিভাগীয় মুৰব্বী। সেয়া ৰেডিঅ'ত শুনিছিলোঁ।

ৰাজনীতি বিজ্ঞান বিভাগৰ আছিল শ্ৰদ্ধাৰ কামিনীৰঞ্জন বৰুৱা আৰু শিৱ দত্ত ছাৰ। ভূগোল বিভাগত আছিল ডঃ

কল্যাণ গগৈ ছাৰ আৰু প্ৰফেছাৰ শুক্লা ছাৰ। দৰ্শন ও তৰ্কশাস্ত্ৰ বিভাগত আছিল সদ্য প্ৰয়াত ভবেন বৰুৱা ছাৰ।

বিজ্ঞান শাখাত কেৱল দুজন ছাৰৰ নাম মনত আছে। এজন আছিল প্ৰফেছাৰ গাঙ্গুলি আৰু আনজন ছাৰ ডিম্বেশ্বৰ চলিহা। গাঙ্গুলি ছাৰ আছিল তীক্ষ্ণ মগজুৰ আৰু অত্যন্ত ভাবুক। তেওঁ কথা কম কয় আৰু নীৰৱতা তেওঁৰ বেছি প্ৰিয়। কেতিয়াবা ভাবি ভাবি গৈ থাকোঁতে খালত পৰাৰ কথাও শুনিছিলোঁ। শাৰিৰীক ভাৱে তেওঁ ক্ষীণ আৰু চাপৰ আছিল। কিন্তু কলেজলৈ আহিলে চুট-টাই পৰিধান কৰি আহে। একেযোৰ পোছাককে বহু দিন পিন্ধে। খোজকাঢ়ি তেওঁ কলেজলৈ অহা-যোৱা কৰে। ঘৰৰ দূৰত্ব প্ৰায় ডেৰ/দুই কিলোমিটাৰ।

এদিনৰ কথা। ৰিক্সাত আহি তেওঁ কলেজৰ গেটৰ ওচৰত নামি, ৰিক্সাৰ ভাৰা দিছে ৰিক্সাৱালাক, ভাৰাটো কম হৈছে বুলি আপত্তি কৰিছে ৰিক্সাৱালাই। তেওঁ তাতকৈ অধিক নিদিয়ে। ৰিক্সাৱালাই নামানে। থৈয়া-নথৈয়া কৰি বিতৰ্ক ডাঙৰ হ'বলৈ ধৰিছে। ৰিক্সাৱালাই ছাৰক সৰুফুটিয়া দেখি দম দিবলৈ আৰম্ভ কৰিলে। এনেতে কলেজৰ ছাত্ৰ কেইজনমানে ঘটনাটো দেখি ৰিক্সাৱালাক ধমক দি ছাৰক উদ্ধাৰ কৰে।

আন এদিনৰ কথা। সেইটো আছিল ৰেগিং সম্পৰ্কীয়। শিৱ দত্ত ছাৰে নতুনকৈ কলেজত যোগদান কৰিছে। ছাত্ৰ-ছাত্ৰী সকলৰ লগত চিনা-পৰিচয় তেতিয়ালৈ হোৱা নাছিল। ডেকা মানুহ। যিদিনা প্ৰথম কলেজলৈ আহিছে, সেই দিনা মূল গেটৰ পোনে পোনে থকা কোঠাত কেইজন মান স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীয়ে ক্লাচ নথকাৰ কাৰণে তাতে বহি আড্ডা মাৰি আছিল। গ্লাচ থকা খিৰিখিৰে বাহিৰ ফাললৈ চোৱাৰ সুবিধা আছিল। ছাৰে মূল গেটেৰে প্ৰৱেশ কৰি ওপৰৰ মহলাৰ অধ্যক্ষ মহোদয়ৰ কোঠালৈ বুলি খোজ লৈছেহে মাথোন। এনেতে ছাত্ৰ এজনে তেখেতক উদ্দেশ্য কৰি হাত বাউল দি মাতি ক'লে "হেৰি ডাঙৰীয়া পোনে পোনে কোনফালে যায়? এইফালে অকনমান আহকচোন।" তেখেত কাষ চাপি অহাত পাছত আকৌ ক'লে "আপুনি আমাৰ ফাইলৰে নহয় জানো?" দত্ত ছাৰে ক'লে আপোনালোকে বা কোনটো ফাইলৰ কথা কৈছে?" ছাত্ৰ-"ফাইল বুজি পোৱা নাই নহয়? এতিয়াই বুজাই দিম" বুলি কৈ ক'লে, "এইখিনিতে বহক আৰু গান এটা গাই শুনাওক। অন্যথা ইয়াৰ পৰা লৰচৰ হব নোৱাৰিব।" এনেতে ওপৰ মহলাৰ পৰা আন এজন চিনাকী অধ্যাপক আহি দত্ত ছাৰক ছাত্ৰ-ছাত্ৰী সকলৰ কবলৰ পৰা উদ্ধাৰ কৰি অধ্যক্ষৰ কোঠালৈ লৈ যায়। এই ঘটনাৰ দুই/তিনি দিনৰ পাছত ছাত্ৰ-ছাত্ৰী সকলে ছাৰৰ ওচৰত ক্ষমা বিচাৰে। দত্ত ছাৰেও নিজৰ বয়স কম হোৱাৰ কাৰণেই এনে হ'বলৈ পালে বুলি ছাত্ৰ-ছাত্ৰী সকলক দোষমুক্ত কৰে। তেতিয়াৰ পৰা কলেজত ৰেগিং প্ৰায় নোহোৱাৰ দৰেই হৈছিল।

১৯৭২ চনত কলেজৰ শ্ৰেষ্ঠ 'তৰ্কবিদ' আছিল শ্ৰীযুত হলিৰাম পেগু। তেখেত বৰ্ত্তমান জোনাই বাসিন্দা আৰু অৱসৰপ্ৰাপ্ত প্ৰকল্প সঞ্চালক। সেই বছৰত 'মিষ্টাৰ কানৈ' উপাধি পাইছিল শ্ৰীযুত অতুল পেগু। অসমৰ একালৰ মন্ত্ৰী ৰমেশ মোহন কুলিৰ ভতিজা শ্ৰী হৰকান্ত কুলিও আছিল এইখন কলেজৰে প্ৰাক্তন ছাত্ৰ। তেওঁলোক আমাতকৈ ছিনিয়ৰ আছিল। ঢকুৱাখনাৰ পৰা অহা শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি ছাৰৰ ভাতৃ অমৃত বৰগোহাঞি, ৰুক্মিণী শইকীয়া, চিলাপথাৰৰ বৈদ্য দলে, জোনাইৰ যোগেশ্বৰ কুলি আৰু শ্ৰী জিতেন মেদক মোৰ সহপাঠী আছিল।

১৯৭৩ চনৰ ৬ জানুৱাৰী তাৰিখে আমাৰ কলেজলৈ আহিছিল তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী মাননীয় শৰৎ চন্দ্ৰ সিংহ, তেখেতৰ লগত আহিছিল তেতিয়াৰ অসমৰ শিক্ষামন্ত্ৰী মাননীয় হৰেন্দ্ৰ নাথ তালুকদাৰ, ৰাজ্যিক শিক্ষমন্ত্ৰী মাননীয় হিতেশ্বৰ শইকীয়া, বিধানসভাৰ অধ্যক্ষ ৰমেশচন্দ্ৰ বৰুৱা আৰু মাননীয় সাংসদ বালিৰাম ভগত মহোদয়। সেই সকল বৰ শ্ৰদ্ধাৰ ব্যক্তি আছিল। ডিব্ৰুগড় চহৰত আটাইকেইখন মহাবিদ্যালয়ৰ শিক্ষক/কৰ্মচাৰীৰ হৈ অধ্যক্ষ সকলে আদৰণি জনাইছিল।

সেইসকলৰ ভিতৰত আছিল, 'কানৈ বাণিজ্য ও আইন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ এন. কে. বালু, আমাৰ কলেজৰ অধ্যক্ষ মাননীয় সুশীল চন্দ্ৰ দত্ত, 'মনোহাৰী দেৱী কানৈ কলেজৰ অধ্যক্ষা মাননীয় বীণা চৌধাৰী আৰু 'ডিব্ৰু কলেজৰ' অধ্যক্ষ মাননীয় বি. এন. জামোৱাৰ। সেইদিনা আটাইকেইখন কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীয়ে প্ৰেক্ষাগৃহ নধৰা হৈ পৰিছিল। সেই দৃশ্য এতিয়াও মনত ভাঁহি আছে।

আৰু এটা কথা মনত পৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত

এবাৰ শিক্ষা চক্ৰ (Seminar) অনুষ্ঠিত হৈছিল ইংৰাজী বিষয়ৰ পাঠদানৰ ওপৰত। তালৈ ইংলেণ্ডৰ পৰা দুজন সমল ব্যক্তি (Resouru person) আহিছিল। তাৰে এজন আছিল Prof Hudson, আনজনৰ কথা পাহৰিছোঁ। দুয়ো বৰ ওখ-ডাঙৰ, স্বাস্থ্যৱান ব্যক্তি। চেহেৰা পকাঠেকেৰাৰ দৰে ৰঙা। তেতিয়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল মাননীয় স্বনামধন্য জিতেন্দ্ৰনাথ দাস। ছাৰৰ চেহেৰাও ইংৰাজ চাহাবৰ দৰে ৰঙা-বগা আছিল। তেতিয়া বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী আছিল ডঃ দিলীপ কুমাৰ বৰুৱা ছাৰ (চমুকৈ দি.কে. বৰুৱা) ইংলেণ্ডত পঢ়ি তাতেই তেওঁ ডিগ্ৰী লৈছিল। শিক্ষা চক্ৰত Article ৰ ওপৰত বিতং বাখ্যা দাঙি ধৰিছিল। শিক্ষা চক্ৰৰ অন্তত উপাচাৰ্য ছাৰে সকলোকে হেণ্ডচেক দি বিদায় দিয়াৰ দৃশ্য এতিয়াও মনত সজীৱ হৈ আছে।

মুঠৰ ওপৰত সেই দিনৰ সকলো কথাই আজিৰ তুলনাত কিছু ব্যতিক্ৰমী ধৰণৰ আছিল। বিশেষকৈ গুৰু-শিষ্য আৰু পিতা-পুত্ৰৰ সমন্ধ বৰ মধুৰ আছিল, এতিয়াও সেই সমন্ধ আছে। কিন্তু তথাপিও ক'ৰবাত যেন অলপ হ'লেও কিবা বিজুতি ঘটিছে এনে ধাৰণা হয়। বিদেশী খেদা আন্দোলনৰ পৰাই পৰিবৰ্তন লাহে লাহে কোনো কোনো ঠাইত গা কৰি উঠা দেখা গৈছে। সেয়া সমাজ সচেতন ব্যক্তি সকলে উপলব্ধি নকৰাকৈ থকা নাই।

আমি আশাকৰোঁ কানৈ মহাবিদ্যালয় এই ক্ষেত্ৰত নিশ্চয় সজাগ আৰু সচেতন। কাৰণ সম্প্ৰতি ইয়াৰ নেতৃত্বই সুকীয়া।

সদৌ শেষত মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ শিক্ষক বৃন্দৰ লগতে নিস্বাৰ্থভাৱে সেৱা আগবঢ়োৱা কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শলাগ যাঁচি মৰমৰ ছাত্ৰ-ছাত্ৰী সকললৈ মৰম আৰু স্নেহ যাঁচি সকলোটিৰে কুশল-মঙ্গল কামনা কৰি এই চমু লেখা ইমানতে সামৰিলো।

"জয়তু কানৈ মহাবিদ্যালয়"।



# মোৰ সপোনৰ, মোৰ দিঠকৰ কলেজখন

ড° মৃদুল শৰ্মা
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

(এয়া ৰোমন্থনৰ সময়। এয়া ভৱিষ্য-স্বপ্ন সম্পৰ্কে মুকলিকৈ প্ৰকাশ কৰাৰ সময়। এই সময়, এই সুযোগ হয়তো জীৱনত দ্বিতীয়বাৰলৈ নাপাম।)

নৱম মানত পঢ়ি থাকোঁতেই এখন উপন্যাস লিখিবলৈ যত্ন কৰিছিলোঁ। উপন্যাসনো কি সেই সম্পৰ্কে কোনো ধাৰণা নোহোৱাকৈয়ে আৰম্ভ কৰা কামটো আজিও অসম্পূৰ্ণ হৈয়ে আছে যদিও তাৰ সৈতে মোৰ সপোন আৰু দিঠকৰ বহু সাদৃশ্য আছে। উপন্যাসৰ নায়ক লখিমপুৰ জিলাৰ এখন গাঁৱৰ স্কুলৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰি কানৈ কলেজত পঢ়িবলৈ যায়। কানৈ কলেজৰ হ'ষ্টেলত সি থাকে। কোঠাৰ খিৰিকিখন খুলিলেই সি বাহিৰৰ শাৰী শাৰী দেৱদাৰু গছৰ সৌন্দৰ্য দেখি মুগ্ধ হয়। কানৈ কলেজ শব্দদুটাৰ লগত চিনাকি হৈছিলোঁ এখন একাঙ্কিকা নাটক 'বে'ড নাম্বাৰ ফাইভ'ৰ যোগেদি য'ত নাট্যকাৰ তফজ্জুল আলিদেৱৰ নামৰ তলতে লিখা আছিল 'কানৈ কলেজ, ডিব্ৰুগড়' বুলি। অষ্টম মানত পঢ়ি থাকোঁতে সেইখন নাটকৰে প্ৰফেছৰ বৰুৱাৰ ভাও কৰি শ্ৰেষ্ঠ অভিনেতা হৈছিলোঁ। কানৈ কলেজ বোলা শিক্ষানুষ্ঠানখন তেতিয়া মোৰ কল্পনাত বদ্ধমূল হৈ পৰিছিল। পাছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়িবলৈ বুলি আহিহে কলেজখন দেখোঁ। তাৰো পাছত, স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা দি ডিব্ৰুগড়তে 'কৌস্তুভ' আলোচনীৰ সহকাৰী সম্পাদক হৈ কেইমাহমান কাম কৰি থাকোঁতেই গম পাইছিলোঁ— কানৈ কলেজত অসমীয়া বিভাগত প্ৰবক্তা (আজিকালি সহকাৰী অধ্যাপক) পদ ওলাইছে। দিন গৈ আছে, অথচ পৰীক্ষাৰ ফলাফল ঘোষণাৰ উম ঘামেই নাই। ২০০০ চনৰ ফেব্ৰুৱাৰী মাহৰ এদিন হঠাৎ ফলাফল ওলাল। তাৰ পাছদিনা আছিল পদটোৰ কাৰণে আৱেদন কৰাৰ শেষ দিন। কোনোমতে সেই অন্তিম দিনটোত আৱেদন কৰিলোঁ, এপ্ৰিল মাহত সাক্ষাৎকাৰত বহিলোঁ আৰু আগষ্ট মাহৰ ২১ তাৰিখে প্ৰবক্তা হিচাপে যোগদান কৰিলোঁ।

ছাত্ৰ হোৱাৰ সপোন দেখা কলেজখনত শিক্ষক হিচাপে মোৰ জীৱনৰ বাইছটা বছৰ ইতিমধ্যে পাৰ কৰি দিছোঁ। আৰম্ভণিৰ ফালেই এবাৰ বিশ্ববিদ্যালয়ৰ চাকৰি এটালৈ আৱেদন কৰিছিলোঁ আৰু সাক্ষাৎকাৰ দিছিলোঁ। খুব ভাল প্ৰদৰ্শন কৰাৰ পাছতো মোতকৈ বৌদ্ধিকভাৱে কম ওজনৰ প্ৰাৰ্থী এগৰাকীয়ে সেই চাকৰিটো লাভ কৰিলে— যি সাক্ষাৎ কক্ষৰপৰা চকুপানী টুকি টুকি ওলাই আহিছিল। তাৰ পাছতো কেইবা বাৰো কলেজৰ শিক্ষকতকৈ উচ্চ মৰ্যাদাৰ চাকৰিত যোগদানৰ সুযোগ পায়ো যাবলৈ মন নগ'ল— লাহে লাহে কিবা এক মায়াই ধৰি ৰাখিব খুজিলে। এতিয়াও সেই মায়াৰ আৱেশতে কানৈ কলেজৰ বুকুত সোমাই আছোঁ। কলেজখনে মোক অনেক কিবাকিবি দিছে। বিনিময়ত মই কি দিব পাৰিছোঁ নাজানো। কিন্তু কলেজখনক এক আদৰ্শ শিক্ষাকেন্দ্ৰ হিচাপে গঢ় দিয়াৰ সপোন এটা মই খেদি ফুৰিছোঁ অহৰ্নিশে।

কলেজ এখন এটা ক্ৰমবৰ্ধমান প্ৰক্ৰিয়া। প্ৰতি বছৰে হাজাৰৰো অধিক শিক্ষাৰ্থী ইয়ালৈ আহে। প্ৰতি বছৰে ওলায়ো যায়। সকলো ছাত্ৰ-ছাত্ৰীকে সকলো শিক্ষকে শ্ৰেণীকোঠাত লগ নাপায়। তথাপি প্ৰতিখন উজ্জ্বল মুখৰ অন্তৰালত থকা উত্তৰণমুখী চেতনাৰ উমান শিক্ষকসকলে পায়। তেওঁলোকৰ কাৰণেই শিক্ষক-কৰ্মচাৰী-কৰ্তৃপক্ষ আটায়ে মিলিজুলি এটা পৰিৱেশ ৰচনা কৰিবলৈ যত্ন কৰে। সেই পৰিৱেশৰ মূল শক্তি কিন্তু শিক্ষাৰ্থীসকলেই। যিমানে বয়স আৰু অভিজ্ঞতা বাঢ়ি আহিছে সিমানেই উপলব্ধিবোৰো গাঢ় হৈছে, গভীৰ হ'বলৈ ধৰিছে।

চাকৰিত যোগদান কৰোঁতে শিক্ষাৰ্থীসকলক মোৰ ভাই-ভনী যেন লাগিছিল। আজিকালি মোৰ নিজৰ সন্তান যেন লাগে। তেওঁলোকৰ সকলো অভাৱ-অভিযোগ, অসমৰ্থতা নোহোৱা কৰি পেলাবলৈ মন যায়। কিন্তু উচ্চশিক্ষানৰ নিচিনা ক্ৰমবৰ্ধমান প্ৰক্ৰিয়া এটাত নিতৌ নতুন নতুন উপকৰণৰ সংযোজন হয়— যিবোৰৰ কিছুমান শিক্ষানীতিৰ লগত সম্পৰ্ক থকা, কিছুমান প্ৰযুক্তিবিদ্যাৰ লগত সম্পৰ্কিত, কিছুমান জনজীৱনৰ লগত সম্পৰ্কযুক্ত ইত্যাদি। একে সময়তে, নতুনৰ মুখামুখী হ'বৰ বেলিকা সৃষ্টি হোৱা সমস্যাবোৰ আছেই। এনে অৱস্থাত শিক্ষক-ছাত্ৰ-কৰ্মচাৰী-অভিভাৱক সকলোৰে সকলো সমস্যা নোহোৱা কৰি আদৰ্শ উচ্চ শিক্ষানুষ্ঠান এখনৰ সপোন খেদাটো বিড়ম্বনাৰ বাহিৰে আন একো নহয়।

আটাইতকৈ ডাঙৰ কথাটো হৈছে, উচ্চ শিক্ষানুষ্ঠান এখনৰ কাৰ্যপ্ৰণালীটো এজনীয়া মানুহৰ বিষয় নহয়। গতিকে বেলেগ বেলেগ মতৰ বহু মানুহে সন্মিলিতভাৱে কাম কৰোঁতে সকলোৰেই কিছু নহয় কিছু এৰাধৰা কৰিবলগীয়াত পৰে।

ভাবি আচৰিত লাগে, কলেজখনত যোগদানৰ পাছৰপৰাই পাঠদানৰ উপৰি বিভিন্ন কামত নিজে নজনাকৈয়ে সোমাই পৰিলোঁ। প্ৰথমে অসম কলেজ শিক্ষক সংস্থাৰ কলেজ গোটৰ সভাবোৰত কাৰ্যবিৱৰণী লিখাৰ দায়িত্ব। কেইমাহমানৰ পাছতে সহকাৰী সম্পাদকৰ দায়িত্ব (সম্পাদক আছিল বিনোদ চন্দ্ৰ বড়া, বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক) পাওঁ। সেয়ে আৰম্ভণি। কলেজৰ কিবা বাতৰি লিখিব লাগে, অধ্যক্ষ (বৰ্তমান প্ৰয়াত) শিৱ দত্তছাৰৰ আহ্বান— 'শৰ্মা, এইটো লিখি দিয়াঁচোন।'

পাছলৈ কলেজখনৰ প্ৰায় সকলো লিখা-মেলাৰ কামত হাত দিবলগীয়া হ'লগৈ। কিয় নাজানো, ঢেঁকীয়ে সদায় ধানকে বানিবলগীয়া হয়। অসমীয়াত কিবা লিখিবলগীয়া হ'লেই— সি শোক প্ৰস্তাৱেই হওক, চিঠি-পত্ৰই হওক, সম্বৰ্ধনা পত্ৰই হওক বা কাৰ্যবিৱৰণীয়েই হওক. ময়ে লিখি আহিছোঁ। শেহতীয়াকৈ 'নাক'ৰ কাৰ্যপদ্ধতি অনুসৰণ কৰিবলৈ গৈ কলেজ পৰিচালনাৰ হাতপুথি, নৈতিকতাৰ কাৰ্যপ্ৰণালী, সামাজিক আচৰণৰ নীতি, দহ বছৰীয়া পৰিকল্পনা আদি বহু নথিপত্ৰ লিখিবলগীয়াত পৰিলোঁ ইংৰাজীত। অসমীয়া কিমান ভাল লিখোঁ নাজানো, কিন্তু ইংৰাজী লিখাব ভালেখিনি ভুল কৰোঁ। মোৰ ভুলবোৰ শুধৰাবলৈ অনবৰতে ছাঁৰ দৰে উপস্থিত হয়হি দেৱাঞ্জনদা— ড° দেৱাঞ্জন হাজৰিকা।

কলেজখনৰ শিক্ষক-কৰ্মচাৰীসকলৰ আৰ্থিক সহায়ৰ কাৰণে এখন সমবায় সমিতি থকা বুলি চাকৰি জীৱনৰ নৰম বছৰতহে গম পাইছিলোঁ। অথচ একেলগে যোগদান কৰা বাকীসকলে সেই সমিতিত প্ৰায় নতুনতেই যোগদান কৰিছিল। টকা-পইচাৰ অভাৱত প্ৰায়েই ভোগোঁ, কিন্তু জোৰা মাৰিবলৈ যে সমবায় সমিতিখনে সদস্যসকলক সহায় কৰে সেই কথা কোনেও জনোৱা নাছিল। শেষত ২০০৯ চনত ড° পৰেশ বৰুৱা ছাৰ (পাছলৈ ডিব্ৰু কলেজৰ প্ৰিঞ্চিপাল হৈ অৱসৰ লৈছে) সম্পাদক হৈ থকা সময়ত সদস্যৰূপে অন্তৰ্ভুক্ত হওঁ। ভাবি আচৰিত লাগে যে পাছত সমবায় সমিতিখনৰ সংবিধান প্ৰস্তুতিও কাৰ্যতঃ ময়েই কৰিবলগীয়াত পৰিছিলোঁ।

এটা সময়ত কলেজখনত এম্ শৰ্মা আছিল তিনিজন— ইংৰাজীৰ মুনীন শৰ্মা ছাৰ, ৰসায়নৰ মুকুল শৰ্মা ছাৰ আৰু নতুনকৈ অহা মই। আলফাৰ বিৰুদ্ধে ভাৰতীয় সেনাবাহিনীয়ে অভিযান তীব্ৰ কৰি তুলিছে। এদিন আবেলি তিনিমান বাজিছে। মই বিভাগীয় শিক্ষকৰ কোঠাটোতে কিবা কৰি আছোঁ। হঠাৎ চকীদাৰ নিৰ্মলদা (বৰ্তমান প্ৰয়াত) আহি মোক ক'লেহি— 'ছাৰ, তোমাক (নিৰ্মলদাই মোক ছাৰ বুলিছিল, কিন্তু তুমি বুলি কৈছিল) বিচাৰি আৰ্মি আহিছে। প্ৰিঞ্চিপাল ছাৰে তোমাক লুকাই থাকিবলৈ কৈছে।' মোৰ অৱস্থা বিনামেঘে বজ্ৰপাতৰ দৰে। মনত পেলাবলৈ যত্ন কৰিলোঁ দ্ৰুত গতিত— কি কাৰণে মোক আৰ্মিয়ে বিচাৰিব পাৰে? মনত পৰিল, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত পঢ়ি থাকোঁতেই

প্ৰয়াত পৰাগ কুমাৰ দাস সম্পাদিত দহদিনীয়া আলোচনী 'আগান'ত আলফাৰ প্ৰশংসা কৰি কিবা এটা লিখিছিলোঁ। এনেকৈ ভাবি থাকোঁতেই নিৰ্মলদা আকৌ আহিল আৰু ক'লেহি, 'ছাৰে তোমাক মাতিছে। আৰ্মি কেইটামান বহি আছে।' ভয়ো লাগিছে আৰু প্ৰিঞ্চিপাল ছাৰে মাতিছে বুলি কোৱাৰ লগে লগে নিৰ্ভয়ো অনুভৱ কৰিছোঁ। দোদুল্যমান অৱস্থাৰেই প্ৰিঞ্চিপাল ছাৰৰ কোঠাৰ পৰ্দাখন দাঙি 'ছাৰ' বুলি মাতিলোঁহে, লগে লগে আৰ্মি অ'ফিচাৰ এজন উঠি আহি 'হাই মৃদুল' বুলি সৌঁহাতখন আগ বঢ়াই দিলেহি। তেওঁৰ মুখখন দেখিহে মোৰ মনটো মুকলি হ'ল, 'মেজৰ ৰাথোৰ।' লখিমপুৰত কলেজত পঢ়ি থাকোঁতেই চিনাকি। আচলতে তেওঁ সেনাবাহিনীৰ ডাক্তৰ। মই মন কৰিলোঁ, প্ৰিঞ্চিপাল ছাৰৰো মনটো তেতিয়াহে মুকলি হ'ল। ৰাথোৰেই বাকীকেইজনক লৈ আহিছিল কানৈ কলেজলৈ, কেনেবাকৈ মৃদুল শৰ্মা ইয়াতে কামত সোমাইছে বুলি গম পাই। তেওঁলোকে সন্ত্ৰাসবাদ বিৰোধী ইংৰাজী আৰু হিন্দী ভাষাত লিখা কিছুমান কাগজ-পত্ৰ অসমীয়ালৈ অনুবাদ কৰি দিবলৈ দিছিল। সময়ত কৰি দিছিলোঁ।

অসম কলেজ শিক্ষক সংস্থাৰ কানৈ কলেজ গোটৰ সম্পাদক আছিলোঁ। ড° যোগীৰাজ বসু স্মাৰক বক্তৃতা দিবলৈ সেইবাৰ আমন্ত্ৰণ জনাইছিলোঁ বিশিষ্ট চিন্তাবিদ, ক্ৰীড়াবিদ, কটন কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ উদয়াদিত্য ভৰালীদেৱক। তেখেতে এটা মনোজ্ঞ বক্তৃতা প্ৰদান কৰিছিল। নিজে দায়িত্বৰ নথকা বছৰবোৰতো ড° যোগীৰাজ বসু স্মাৰক বক্তৃতাৰ একাধিক বক্তাৰ আমন্ত্ৰণত আগভাগ লৈছিলোঁ। তেখেতসকলৰ ভিতৰত ড° অমিতাভ ৰয়, ড° দিলীপ কুমাৰ দত্ত, ড° অমলেন্দু চক্ৰৱৰ্তী আদি অন্যতম। জিলাখনৰ কলেজসমূহক প্ৰতিনিধিত্ব কৰি অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় সমিতিৰো সদস্য আছিলোঁ এবছৰ। সেই বছৰেই সংস্থাৰ বাৰ্ষিক অধিৱেশনখন নিমন্ত্ৰণ কৰি আনিছিলোঁ দুলীয়াজান কলেজলৈ। তাতে নিৰ্বাচন খেলিছিলোঁ সংস্থাৰ সহকাৰী সম্পাদক পদত। বি এইছ কলেজৰ অধ্যাপক বন্ধু ড° চুলতান আলি আহমেদৰ সৈতে সমান ভোট পাইছিলোঁ। নিয়ম মতে তেতিয়া টছ্ হৈছিল য'ত মই হাৰিছিলোঁ। মই চুলতানক কংগ্ৰেচুলেট কৰি কৰমৰ্দন কৰিছিলোঁ। তেওঁ আচৰিত হৈ সুধিছিল, 'ৰিকাউণ্ট এপীল নকৰে?' মই মুৰ জোকাৰি হাঁহিছিলেঁ। মোৰ এই কামত দুলীয়াজান কলেজৰ বন্ধুবৰ্গৰ লগতে আমাৰ অনন্ত টেৰণদা, ৰঞ্জন চাংমাইদাহঁতেও মোক বেয়া পাইছিল।

সপোনৰ কলেজখন আমি সোমোৱাৰ সময়ত নাছিল। শ্ৰেণীকোঠাবোৰ আছিল লেতেৰা, ল'ৰাই তামোল-পাণ খাই ভিতৰতে পিক পেলাইছিল। চৌহদটোও আছিল হাবি-জংঘলেৰে পৰিপূৰ্ণ। ড° শান্তনু সেনগুপ্তা ছাৰ (সম্প্ৰতি প্ৰয়াত), বিনোদদাকে ধৰি আমি কেইজনমানে কথা পাতিছিলোঁ কলেজখন চাফা কৰাৰ বিষয়ে। প্ৰস্তাৱটো প্ৰিঞ্চিপাল শিৱ দত্ত ছাৰৰ ওচৰলৈ নিছিলোঁ। ছাৰে হয়ভৰ দিছিল। একেৰাহে দুটা দেওবাৰে আমি শিক্ষক-ছাত্ৰৰ এটা দলে কলেজখন চাফা কৰিছিলোঁ। প্ৰিঞ্চিপাল ছাৰে খিচিৰিৰ ব্যৱস্থা কৰিছিল। দলীয় উদ্যমৰ আনন্দ সকলোৱে উপলব্ধি কৰিছিল। সেই দেওবাৰ দুটাত ভালেখিনি গছপুলিও ৰোৱা হৈছিল। বৰ্তমান কলেজৰ মূল ভৱনলৈ সোমাওঁতে বাওঁহাতে পোৱা প্ৰকাণ্ড কৃষ্ণচূড়াজোপা ৰুইছিলোঁ সেনগুপ্তা ছাৰ আৰু মই; গাঁতটো খান্দি দিছিল ধীৰেনদাই (ড° ধীৰেন কুমাৰ বাছনেট, সম্প্ৰতি তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক)। গছজোপাই আজিও সেনগুপ্তা ছাৰৰ স্মৃতি বহন কৰি আছে।

কলেজত যোগদান কৰাৰ সময়ত কেৱল অনিয়মীয়াকৈ ছাত্ৰ একতা সভাৰ বাষিক আলোচনীখন ওলাইছিল। সাহিত্য চৰ্চাৰ পৰিৱেশেই নাছিল। অথচ মই যিখন কলেজত পঢ়ি আহিছিলোঁ তাত বিভাগে বিভাগে প্ৰাচীৰ পত্ৰিকা ওলায়। হোষ্টেলবোৰেও উলিয়ায়। গতিকে মোৰ কৰ্মক্ষেত্ৰখনত থকা অভাৱবোধে মোক পীড়িছিল। বিভাগত মোতকৈ নদিনৰ আগেয়ে যোগদান কৰা অনন্ত টেৰণদাক কৈছিলোঁ, বিভাগৰপৰা এখন প্ৰাচীৰ পত্ৰিকা উলিয়াওঁ। ফৰিদা শ্বৰফুদ্দিন বাইদেউ তেতিয়া আছিল বিভাগীয় মুৰব্বী। তেখেতৰ পিছতে আছিল ড° উষাৰাণী বৰুৱা বাইদেউ। তেখেতলোকৰ লগতে আটায়ে হাত উজান দিলে। প্ৰিঞ্চিপাল ছাৰে পুৰণি কাঠৰ খোলা এটা আমি বিচৰা ধৰণে সজোৱাই দিলে। ল'ৰাহঁতক শিকালোঁ। নামটো দিলোঁ 'দোকমোকালি'। 'দোকমোকালি' ওলাল। আজিৰ তাৰিখত আমাৰ কলেজৰ প্ৰতিটো বিভাগেই প্ৰাচীৰ পত্ৰিকা উলিয়ায়। কিন্তু 'দোকমোকালি'য়েই এই বৌদ্ধিক ৰেঙণিৰ সৃষ্টি কৰিছিল।

বিভাগত দুটা কাঠৰ আলমাৰি আছিল। তাৰে এটাত

আছিল প্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য ছাৰে সংগ্ৰহ কৰা দুশখনমান কিতাপ। ভট্টছাৰক আমি লগ নাপালোঁ, তেখেতৰ অকাল বিয়োগৰ পাছত তেখেতৰ পদটোতে মই যোগদান কৰিছিলোঁ। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈ থাকোঁতে তেখেতে সাহিত্য সভাৰো কিছু কিতাপ বিভাগলৈ বুলি আনিছিল। টেৰণদাক মনে মনে ক'লোঁ, 'বিভাগীয় গ্ৰন্থাগাৰটো উন্নত কৰিব লাগে।' লগে লগে বিভাগত ৰাজহুৱা কৰা হ'ল বিষয়টো। কলেজলৈ 'অন্বেষা গ্ৰন্থমেলা' নিমন্ত্ৰণ কৰিলোঁ। লগত ল'লোঁ ৰাজনীতি বিজ্ঞান বিভাগটোক। কেইবা বছৰো 'অন্বেষা গ্ৰন্থমেলা' পতাৰ ফলত দুয়োটা বিভাগৰে সংগৃহীত গ্ৰন্থৰ সংখ্যা ক্ৰমে ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে (গ্ৰন্থমেলাৰ মুঠ বিক্ৰীৰ পাঁচ শতাংশ মূল্যৰ কিতাপ দুয়োটা বিভাগকে তেওঁলোকে দিছিল)। তাৰ পাছতো আন আন গ্ৰন্থমেলা পতাৰ ব্যৱস্থাটো চলাই ৰখা হৈছে। এবাৰ অসমৰ প্ৰায় সকলো গ্ৰন্থ প্ৰকাশকলৈ চিঠিৰ যোগেদি আহ্বান জনাইছিলোঁ— তেওঁলোকে যেন তেওঁলোকৰ কিতাপ অলপ আমাৰ বিভাগীয় গ্ৰন্থাগাৰলৈ দান দিয়ে। অকল সাহিত্য প্ৰকাশেহে আমালৈ গ্ৰন্থৰ টোপোলা এটা পঠাইছিল। সি যি নহওক, কানৈ কলেজৰ অসমীয়া বিভাগৰ গ্ৰন্থাগাৰটোৱেই আজিৰ তাৰিখত বিভাগীয় গ্ৰন্থাগাৰবোৰৰ ভিতৰত পুৰণি আৰু ডাঙৰ।

ডিম্বেশ্বৰ চেতিয়া, মনোজ দত্ত, ৰাকেশ নাথকে আদি কৰি এসময়ত খুব প্ৰতিভাবান ছাত্ৰ এদল আছিল। সিহঁতক নাটক শিকাইছিলোঁ— পঙ্কজ জ্যোতি ভূঞাৰ 'ঘৰ'। একাধিক প্ৰতিযোগিতাত পৰিছিলগৈ, পুৰস্কাৰো পাইছিল। ডিম্বেশ্বৰ শ্ৰেষ্ঠ অভিনেতা হৈছিল কেইবাখনো প্ৰতিযোগিতাত। পাছত সিহঁতৰ কাৰণে লিখিছিলোঁ 'প্ৰতিপদ' বুলি এখন নাটক। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত কৰিছিল। পাছ কৰাৰ পাছত সিহঁতে এটা অনুষ্ঠান খুলি নাম দিছিল প্ৰতিপদ। সিহঁতে শিশুৰ কাৰণে নাটকৰ কৰ্মশালা পাতিছিল। মোৰে ছাত্ৰ প্ৰদীপে (এতিয়া ড° প্ৰদীপ বড়া, গোলাঘাট কমাৰ্চ কলেজৰ সহকাৰী অধ্যাপক নাটক লিখিছিল 'কেটেপা'। মই লিখিছিলোঁ এখন নাটক, য'ত চৰিত্ৰবোৰ আছিল ভূত। নাম দিছিলোঁ উগ্‌লেণ্ড— য়ুনাইটেড ঘোষ্টলেণ্ড। নাটকখন মানুহে ইমান ভাল পাইছিল যে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ মুৰব্বী লোহিত ডেকাই নাটকখন ৰেডিঅ'তো এবাৰ ৰেক'ৰ্ডিং কৰাইছিল।

এসময়ত ড° অনন্ত কুমাৰ দত্ত গাৰ্লছ হ'ষ্টেলৰ ছুপাৰিণ্টেণ্ডেণ্ট আছিল। তেওঁ আকৌ মোৰ দাদাৰ সৈতে একেলগে পঢ়া। সেই হেতুকেই দুয়োৰে মাজত কিছু ঘৰুৱা সম্পৰ্ক। এবাৰ তেওঁৰ কি মন গ'ল জানো, ছোৱালীহঁতৰ হতুৱাই নাটক এখন কৰাব খুজিলে। দায়িত্ব পৰিল মোৰ মূৰত। নাটক লোৱা হ'ল 'বিশ্বাসে মিলয় হৰি', নাট্যকাৰৰ নামটো পাহৰিছোঁ। এমাহমান শিকাই বুজাই সাজু কৰা হ'ল ছোৱালীহঁতক। খুব ভাল অভিনয় কৰিছিল গীতাশ্ৰী, পৰিণীতা, মঞ্জুৰী, পল্লৱী, মামু আৰু উজস্বিনীয়ে। পাছত সেইখন নাটক ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰতো কৰিছিলগৈ। তাহাঁত বা এতিয়া ক'ত আছে....

এবাৰ অসম চৰকাৰে কিছুমান কলেজক যুৱ মহোৎসৱ পাতিবলৈ পঞ্চাছ হাজাৰকৈ টকা দিছিল। প্ৰিঞ্চিপাল ইন চাৰ্জ আছিল ড° ৰাজি কোঁৱৰ বাইদেউ। জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ আয়োজন কৰাৰ দায়িত্ব দিছিল ড° অনন্ত কুমাৰ দত্ত আৰু মোৰ ওপৰত। আমি দুদিনীয়াকৈ সেই সমাৰোহ পাতিছিলোঁ। প্ৰথম দিনাৰ অনুষ্ঠান পাতিছিলোঁ আমাৰ কলেজত আৰু দ্বিতীয় দিনাৰ অনুষ্ঠান পাতিছিলোঁ কাষৰীয়া মনোহাৰী দেৱী কানৈ মহিলা কলেজত। চৰকাৰে দিয়া টকাকেইটাৰে একোৱেই হোৱা নাছিল যদিও আমি অতি সফলতাৰে সেই মহোৎসৱ পাতিছিলোঁ।

ড° শশীকান্ত শইকীয়াই প্ৰিঞ্চিপাল হিচাপে যোগদান কৰাৰ পাছতে মই তেখেতক শিক্ষক আৰু শিক্ষাৰ্থী উভয়ৰ কাৰণেই ডায়েৰীৰ ব্যৱস্থা কৰাৰ কথা কওঁ। তেখেতে মোক সমৰ্থন কৰি ডায়েৰীৰ ডিজাইন কৰিবলৈ ক'লে। সেইমতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক একোখনকৈ ডায়েৰী যোগান ধৰাৰ ব্যৱস্থা কৰা হয়। পাছৰ বছৰত কৰ্মচাৰীসকলকো দিয়া হয়। পাছলৈ ডয়েৰীৰ ব্যৱস্থাটো অন্‌লাইন্‌লৈ সলনি কৰা হয়। প্ৰতি শিক্ষাবৰ্ষৰ আৰম্ভণিতে নামভৰ্তিৰ সময়ত কলেজৰ তথ্যসম্বলিত যি প্ৰস্পেক্টাছ্ ছপা কৰা হৈছিল তাত কেইবালাখো টকা খৰচ হৈছিল। প্ৰস্পেক্টাছখনো পাছলৈ অনলাইন্ কৰা হয়। পাছত দেখা গ'ল যে আমি বোধকৰোঁ প্ৰয়োজনৰ পূৰ্বেই কিছু কাম কৰিছিলোঁ। কাৰণ, ক'ভিড-১৯ মহামাৰীৰ সময়ত প্ৰায় সমগ্ৰ পৃথিৱীখনেই অন্‌লাইন্ ব্যৱস্থাৰে চলিবলৈ ধৰিলে। আমি আগ বাঢ়ি থকা কাৰণে সংকটকালত

ছাত্ৰ একতা সভাৰ নিৰ্বাচন এনেকৈ অনুষ্ঠিত কৰিব পৰা হ'লোঁ যে ল'ৰা-ছোৱালীয়ে ঘৰত থাকিয়েই ভোট দিয়ে আৰু ঘৰত থাকিয়েই ফলাফলো লাভ কৰে।

২০০৩ চনৰ ছেপ্তেম্বৰ মাহৰ ২৯ আৰু ৩০ তাৰিখে প্ৰথম বাৰৰ বাবে কলেজখনলৈ 'নাক'(NAAC)-ৰ পৰিদৰ্শনকাৰী দল আহিছিল। 'নাক'ৰ মুখামুখী হ'বলৈ সৰ্বতোপ্ৰকাৰে সাজু হৈছিল কলেজখন। ব্যৱস্থাটো আছিল নতুন; আমাৰ বিশেষ ধ্যান-ধাৰণা নাছিল। কলেজৰ আৰ্থিক অৱস্থাও তেতিয়া বৰ ভাল নাছিল। অৱস্থা ইমানেই বেয়া আছিল যে শিক্ষক জিৰণি কোঠাৰ দুৱাৰ-খিৰিকিত মই নিজ হাতে ৰং সানিছিলোঁ। তেনে কৰা দেখি এগৰাকী বয়োজ্যেষ্ঠা অধ্যাপিকাই কৈছিল, 'কি কৰিছা এইবোৰ? এইবোৰ কৰি কি লাভ হ'ব?' মই উত্তৰ দিয়া নাছিলোঁ যদিও মনে মনে ভাবিছিলোঁ যে মই একো লাভৰ কাৰণে কামটো কৰা নাই। কামটো কৰি মই লাভ কৰা আনন্দখিনি মোক আন একোৱেই দিব নোৱাৰে। হাতত লগা ৰং গুচাবলৈ কেৰাচিন তেল বা থিনাৰ অকণমানো তেতিয়া কলেজখনত নাছিল। ৰংলগা হাতেৰেই ঘৰ পাই সেইবোৰ চাফা কৰিছিলোঁ। তেতিয়া 'নাক' পৰিদৰ্শনৰ সামগ্ৰিক দায়িত্বত আছিল ড° দিলীপ কুমাৰ ভূঞা ছাৰ (পাছত মনোহাৰী দেৱী কানৈ মহিলা কলেজৰ অধ্যক্ষ হিচাপে অৱসৰ লৈছে)।

দ্বিতীয়বাৰ 'নাক'ৰ মূল্যায়নৰ সময়ত (২০১৭ চনৰ এপ্ৰিল) 'আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ'ৰ সমন্বয়ক আছিল ড° প্ৰিয়দেৱ গোস্বামী ছাৰ। ড° নাজিমউদ্দিন আহমেদ দাদা আৰু মই আছিলোঁ তেখেতৰ সহকাৰী। খুব কম সময়ৰ ভিতৰত, এবছৰতকৈ সামান্য বেছি— আমি 'নাক'ক আমন্ত্ৰণ জনাবলৈ সক্ষম হৈছিলোঁ। এই 'নাক' পৰিদৰ্শনৰ প্ৰায় ডেৰ বছৰৰ পূৰ্বেই কলেজৰ অধ্যক্ষ হিচাপে যোগদান কৰিছিলহি বৰ্তমানৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াদেৱে। তেখেতে যোগদান কৰিয়েই ইংৰাজী বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰায় ২০১৮ চনত। তেখেতৰ উৎসাহতে সেইবাৰ মোমাইকটা গড় সজাৰ দৰে অহৰ্নিশে কাম কৰিছিলোঁ। সময়ৰ অভাৱত হয়তো কলেজখনে সেইবাৰ পাবলগীয়াতকৈ কম মূল্যাংক পাইছিল। কিন্তু তাকে লৈ আমাৰ মনত কোনো অস্বস্তি নাছিল। কাৰণ প্ৰথমবাৰ পৰিদৰ্শনৰ পাছত বিভিন্ন কাৰণ তেৰটাকৈ বছৰ আমাৰ নষ্ট হৈছিল— যিখিনি সময়ত দুবাৰকৈ 'নাক'ৰ মূল্যায়ন কৰাবলগীয়া আছিল।

২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত 'আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ'ৰ গুৰুদায়িত্ব পৰিলহি মোৰ মূৰত। মই আখৰ লিখাত যিমান ভাল, সংখ্যা লিখাত সিমানেই বেয়া। তথ্য সংৰক্ষণত মই আৰু বেছি বেয়া। এনে অৱস্থাত তথ্য সংৰক্ষণ আৰু যথাস্থানত সিবোৰক সজাই-পৰাই 'নাক' দিয়াৰ দৰে কামে মোৰ জীৱনৰ পাঁচটা বছৰ নষ্ট কৰিলে। আনহাতে এইখিনি সময়ত 'নাকে' কেইবা বাৰো নিজৰ কাৰ্যপ্ৰণালী সলনি কৰিলে। ভূতৰ ওপৰত দানহৰ দৰে ঊনৈছ চনৰ শেষৰপৰা বিশ্বব্যাপি হোৱা ক'ভিড-১৯ মহামাৰীৰ কাৰণে কলেজ বন্ধ থাকিল মাহৰ পাছত মাহকৈ প্ৰায় দুবছৰ। ইমানবোৰৰ মাজতো জনাই নজনাই 'নাক'ক বাৰ্ষিক প্ৰতিবেদন দিয়া, নেশ্যনেল ইনষ্টিটিউশ্যনেল্ ৰেঙ্কিং ফ্ৰে'মৱৰ্কত অংশ গ্ৰহণ কৰা, অল ইণ্ডিয়া ছাৰ্ভে অফ হায়াৰ এডুকেশ্যনত অংশ গ্ৰহণ কৰা, আই এছ্ অ' চাৰ্টিফিকেশ্যনত অংশ গ্ৰহণ কৰা, গ্ৰীন অ'ডিট আৰু এনাৰ্জি অ'ডিট কৰোৱা আদি কামত মনোনিৱেশ কৰি আহিছোঁ। ইতিমধ্যে অঙ্কশাস্ত্ৰ আৰু নৃতত্ত্ববিদ্যা বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমো আৰম্ভ কৰা হয় অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ অধীনত। সম্প্ৰতি অসমীয়া, পদাৰ্থ বিজ্ঞান আৰু জীৱবিজ্ঞান বিষয়তো স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। এই পাঠ্যক্ৰমসমূহৰ প্ৰৱৰ্তনৰ কাৰণে 'আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ'ৰ হৈ মই কৰিবলগীয়াখিনি কৰি গৈছোঁ। সমাজবিজ্ঞান বিষয়ৰ স্নাতক সন্মান পাঠ্যক্ৰমৰ লগতে বাংলা বিষয়ৰ স্নাতক সন্মান পাঠ্যক্ৰমৰ প্ৰৱৰ্তনৰ কাৰণেও নিজৰ ভূমিকা সদায়ে ইতিবাচক দৃষ্টিকোণেৰে পালন কৰি আহিছোঁ। 'নাক'ৰ নিয়ম মতে কলেজৰ ৱেব্ছাইটটো হ'ব লাগে কলেজখনৰ প্ৰতিফলক। ৱেব্ছাইটটো বিজ্ঞানসন্মত কৰি তুলিবলৈ অনেক যত্ন কৰিলোঁ। কিন্তু সংখ্যাত কম হ'লেও আমাৰে কিছু সংখ্যক সহকৰ্মীৰ গা এৰা দিয়া বা বেপৰোৱা মনোভাব দেখি হতাশো হৈছোঁ। মোৰ দিনত প্ৰথম বছৰৰ (২০১৬-১৭) বাবে 'নাক'ক বাৰ্ষিক প্ৰতিবেদন দিয়া হৈছিল ছপা ক'পি। দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ বছৰ (২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০) ৰ প্ৰতিবেদন দিয়া হৈছিল অনলাইন্ ব্যৱস্থাৰে। পঞ্চম বছৰত (২০২০-২১) অনলাইন ব্যৱস্থাটোলৈ আমূল পৰিৱৰ্তন অনা হ'ল। একেদৰেই পাঁচ বছৰীয়া স্বমূল্যায়ন

প্ৰতিৱেদনৰ পদ্ধতিটোও একেবাৰে শেহতীয়া বাৰ্ষিক প্ৰতিৱেদনৰ পদ্ধতিৰ সৈতে একে কৰা হ'ল। এনে অৱস্থাত পাঁচ বছৰীয়া প্ৰতিৱেদন প্ৰস্তুত কৰাৰ যি জ্বালা-যন্ত্ৰণা সেয়া ভুক্তভোগীৰ বাহিৰে কোনেও বুজি নাপাব। মোক এই ক্ষেত্ৰত সদায়ে সহায় কৰা ড° প্ৰিয়দেৱ গোস্বামী ছাৰ, ড° অনন্ত কুমাৰ দত্ত দাদা, ড° দেৱাঞ্জন হাজৰিকা দাদা, ড° নাজিমুদ্দিন আহমেদ দাদা, ড° দীপঙ্কজ গগৈ আৰু অংশুমান বৰঠাকুৰৰ ঋণ সুজিব নোৱাৰিম।

ড° ৰাজী কোঁৱৰ বাইদেউ প্ৰিঞ্চিপাল হৈ থাকোঁতে কলেজত এখন নাটক মঞ্চায়ন কৰা হৈছিল। নাটকখনৰ ৰচনা-পৰিচালনা আছিল মোৰ। 'গজপুৰীয়াৰ উপাখ্যান' নামৰ নাটকখন দৰ্শকসকলে নিশ্চয় মনত ৰাখিছে। অনন্তদা, নাজিমদা, টিকেন্দ্ৰজিৎ গগৈ (সম্প্ৰতি অৱসৃত) ছাৰ, মাহেলো (সম্প্ৰতি অৱসৃত) ছাৰ, দেৱপল্লৱদা (পাছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী পৰীক্ষা নিয়ন্ত্ৰক), উত্তম (ড° উত্তম মহন), দীপঙ্কজ (ড° দীপঙ্কজ গগৈ) আজিৰ অভিনয় চাবলগীয়া হৈছিল। নাটকখনৰ মঞ্চসজ্জাৰ সকলো কাম নিজ হাতেৰে কৰিছিলোঁ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ পাতিছিলোঁ ২০১৬ চনত। সম্পাদক আছিল অনন্তদা। মই স্মৃতিগ্ৰন্থখনৰ লগতে মঞ্চসজ্জাৰ দায়িত্বত আছিলোঁ যদিও সকলো কামতে অনন্তদাৰ লগত আছিলোঁ। মানুহটোৱে কিয় জানো, সকলো কামতে মোক খটুৱাবলৈ ভাল পায়। আমি লক্ষ্য কৰিছিলোঁ যে যিখন কলেজত যুৱ মহোৎসৱ হয় তাৰ শিক্ষাৰ্থীসকলেই ভাল ফলাফল দেখুৱায়। গতিকে ক'ৰবাত কিবা কেনা থকা বুলি অনুভৱ কৰিছিলোঁ। সেয়েহে সেইবাৰ এটা বিশেষ ব্যৱস্থা কৰা হৈছিল। কোনজন প্ৰতিযোগী কোনখন কলেজৰপৰা আহিছে বিচাৰকসকলে জানিলে ক'ৰবাত কিবা পক্ষপাতজাতীয় ঘটনা ঘটিব পাৰে। সেয়ে প্ৰতিযোগী দলবোৰৰ পৃথক নাম দিয়া হৈছিল। বিচাৰকসকলকো আমন্ত্ৰণ জনাই অনা হৈছিল অসমৰ বিভিন্ন স্থানৰপৰা। এজন বিচাৰকক এটা প্ৰতিযোগিতাতকৈ অধিক বিচাৰ কৰিবলৈ দিয়া হোৱা নাছিল। অংশ গ্ৰহণকাৰীসকলৰ থকা-খোৱাৰ এনে ব্যৱস্থা কৰা হৈছিল যে কোনেও একো আপত্তি কৰা নাছিল। বৰং বিদায়ৰ পৰত আমাক মাত লগাই কন্দা-কটাহে কৰিছিল। সেই যুৱ মহোৎসৱত আন আন কামৰ উপৰি শাৰীৰিক পৰিশ্ৰম কৰিছিলোঁ। লালচান্দ কানৈ সোঁৱৰণী প্ৰেক্ষাগৃহৰ মঞ্চটো ভাঙি নতুনকৈ আহল-বহল কৰিছিলোঁ। এমাহমানৰ ভিতৰতে সকলো কাম কৰিবলগীয়া হৈছিল। বিশেষকৈ ভেটিৰ বাবে মাটি কটিওৱাৰ দৰে শাৰীৰিক শ্ৰমসাধ্য কাম কৰিছিলোঁ আমি শিক্ষকসকলৰ ভিতৰত ক্ৰমে প্ৰিয়দেৱ গোস্বামী ছাৰ, অনন্তদা, ৰঞ্জনদা, মই আৰু তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ ভিতৰত ক্ৰমে ৰঞ্জিত, জয়ন্ত, ৰবীন আদি কেইবাজনেও।

কলেজখনক লৈ বহুতো সপোন দেখি আহিছোঁ।

মোৰ চাকৰি জীৱনৰ আৰম্ভণিতে কানৈ কলেজৰে প্ৰাক্তন ছাত্ৰ এজন ডিব্ৰুগড়ৰ ডি এ ফ্ অ' হৈ আহিছিল। ড° প্ৰিয়দেৱ গোস্বামী ছাৰৰ ছাত্ৰ আছিল তেখেত। ছাৰে মোক লৈ গৈছিল তেখেতৰ ওচৰলৈ। তেখেতক আমি কলেজখনৰ কাৰণে কিবা এটা কৰাৰ কথা কৈছিলোঁ। তেখেতে কৈছিল যে এহেজাৰ ট্ৰাক পলস তেখেতে কলেজৰ খেলপথাৰখন ওখ কৰিবলৈ দিব। কিন্তু সেই পলসখিনি অনাৰ দায়িত্ব কলেজে ল'ব লাগিব। আমি আনন্দ মনেৰে তেতিয়াৰ প্ৰিঞ্চিপালক কথাটো জনাইছিলোঁ। তেখেতে কিন্তু বিষয়টো গুৰুত্বসহকাৰে নল'লে।

প্ৰথমজন প্ৰিঞ্চিপাল ড° যোগীৰাজ বসু যিহেতু এজন ব্ৰহ্মচাৰী আছিল আৰু তেখেতৰ বিৰাজ আশ্ৰমত যিহেতু এটা আপুৰুগীয়া পুথিভঁৰাল আছে, সেই পুথিভঁৰালটো চাইছিলোঁগৈ গোস্বামী ছাৰ আৰু মই। অযত্নপালিত পুথিভঁৰালটোৰ আধুনিকীকৰণৰ প্ৰস্তাৱ দিছিলোঁ আশ্ৰম কৰ্যপক্ষক। কৈছিলোঁ যে পুথিভঁৰালটোৰ চোৰা-চিতাৰ দায়িত্ব কানৈ কলেজক দিয়ক। কিন্তু আশ্ৰম কৰ্তৃপক্ষই আমাৰ প্ৰস্তাৱ গ্ৰহণ নকৰিলে। ড° বসুদেৱ যিটো কোঠাত আছিল সেই কোঠাটো চাইছিলোঁগৈ। তেখেতলৈ দেশ-বিদেশৰ অনেকজন পণ্ডিতে দিয়া চিঠি-পত্ৰ মজিয়াত পৰি আছিল, কৃত্ৰিম বানপানীৰ ফলত বহুতো নষ্ট হৈছিল। সেইখিনিৰ লগতে বসুদেৱৰ কিছু সাজ-পাৰ আৰু সামান্য লাম-লাকটু তাত পৰি আছিল। সেইখিনি উদ্ধাৰ কৰি এটা মিউজিয়াম প্ৰতিষ্ঠাৰ সপোনো দেখি আহিছোঁ।

কলেজখনত এটা বিশ্বমানৰ পুথিভঁৰাল, এটা অত্যাধুনিক প্ৰেক্ষাগৃহ, এটা মিউজিয়াম, এটা আৰ্ট গে'লাৰী আৰু আলোচনা কক্ষবিশিষ্ট বিশাল ভৱন নিৰ্মাণৰ সপোন

দেখি আহিছোঁ। সপোনটো বিশেষজ্ঞ অভিযন্তাৰ হতুৱাই পৰিকল্পনা হিচাপে লিখিত ৰূপত প্ৰস্তুত কৰাই ৰাখিছোঁ। কিন্তু তাৰ কাৰণে যি পৰিমাণৰ ধনৰাশিৰ প্ৰয়োজন হয় সেই ধনৰ দহ শতাংশও সম্প্ৰতি কলেজৰ নাই। গতিকে আমাৰ সপোনবোৰ সপোন হৈয়ে ৰৈ যাব যেন লাগে।

এখন উন্নত খেলপথাৰ, এটা উন্নত মানৰ ইনড'ৰ ষ্টেডিয়াম, এটা শৰীৰ চৰ্চা কেন্দ্ৰৰ সপোনো দেখি আহিছোঁ। কলেজৰ পিছফালৰ একাংশ মাটিত এখন জৈৱবৈচিত্ৰ্য উদ্যান প্ৰতিষ্ঠাৰ কথাও ভাবি থাকোঁ।

পৰিকল্পনাবোৰৰ কিছুমান কৰ্তৃপক্ষক জনাওঁ। সৰু-সুৰা দুই-এটা কাৰ্যতঃ বাস্তৱায়িত হৈছে। কিন্তু সফল কৰিব নোৱাৰোঁ বুলিয়েই ডাঙৰ সপোন আমি নেদেখিম নেকি? দেখিম। দেখিমেই। মই সপোন দেখোঁ, কানৈ কলেজত বচা বচা ল'ৰা-ছোৱালীয়ে নামভৰ্তি কৰি জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা লৈ নিৰ্দিষ্ট সময়ত কলেজৰপৰা ওলাই যায় প্ৰতিজনেই। তেওঁলোকৰে কোনোবাই ক'ৰবাত কেতিয়াবা 'ছাৰ' বুলি মতাৰ সপোনো মই দেখোঁ।



তাহানিৰ শিক্ষাগুৰু সকল

# কানৈ মহাবিদ্যালয় আৰু দ্য কুইভাৰ্ছ

**চৈয়দ ছাদুল্লা**
প্ৰাক্তন ছাত্ৰ, ডিব্ৰুগড়

বিশ্ববিখ্যাত গায়ক নেট কিঙে ক'লে তাহানিতে গোৱা এটা জনপ্ৰিয় গীত আছিল - people who meet people are the luckiest people- মানুহ লগ পোৱা মানুহেই মানুহৰ ভিতৰত আটাইতকৈ সৌভাগ্যৱান। মই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত ১৯৭১ চনৰ পৰা প্ৰায় পাঁচ বছৰ কেজুৱেল ইংৰাজী ঘোষক হৈ থাকোঁতে মোৰ প্ৰিয় এই গীতটো দুপৰীয়া ১২.৩০ বজাৰ পাশ্চাত্য সংগীতৰ অনুষ্ঠানত প্ৰায়েই বজাইছিলোঁ। অৱশ্যে গীতটোৰ ভাবাৰ্থক লৈ সেই সময়ত বিশেষ একো চিন্তা মনলৈ অহা নাছিল, পিছে এতিয়াহে অন্তৰেৰে উপলব্ধি কৰিছোঁ সেই সুন্দৰ কথাংশৰ গভীৰ অৰ্থ আৰু তাৰ তত্ত্বগধুৰ দৰ্শন। সময়, বয়স আৰু অভিজ্ঞতাই আজি ভাবিবলৈ বাধ্য কৰাইছে যে সঁচাই মানুহ লগ পোৱা বা মানুহৰ সান্নিধ্যলৈ অহা মানুহেই সবাতোকৈ সৌভাগ্যৱান। বিগত বছৰবোৰত মই লগ পোৱা মানুহখিনিৰ কথা সুঁৱৰি চালেই ভাব হয় সৌভাগ্যৱানসকলৰ মাজত ময়ো দেখোন এজন, কাৰণ যোৱা চাৰিটা দশকত অসমৰ প্ৰতিথযশা শিল্পী, সাহিত্যিক, নাট্যকাৰ, পৰিচালক, অভিনেতা, কবি, গীতিকাৰ, সুৰকাৰ, লেখক তথা সংবাদ কৰ্মীৰ উপৰি ভাৰতবৰ্ষৰ অনেক গণ্য-মান্য কলাকাৰ-সংগীতজ্ঞৰ নিবিড় সান্নিধ্যলৈ অহাৰ পৰম সৌভাগ্য হৈছিল।

ইয়াৰ বাদেও মাইক্ৰ'ফোনটাৰ সিমুৰে থকা মোৰ নমস্য হাজাৰজন অনুৰাগী শ্ৰোতা ৰাইজৰ মোৰ প্ৰতি থকা চেনেহ আৰু হেঁপাহৰ উমান পাওঁ মই লগ পালেই। প্ৰতিটো লগ পোৱাই মোৰ কল্পনা-বাসনা, মোৰ অভিলাষক প্ৰদান কৰে এক স্বৰ্ণময় পৰিপূৰ্ণতা। মোৰ এই সৌভাগ্যৰ যোগসূত্ৰ হ'ল বাদ্যযন্ত্ৰীৰ দল 'দি কুইভাৰ্ছ' আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ, যাৰ ওচৰত মই চিৰকৃতজ্ঞ।

১৯৬৫ চনত ডিব্ৰুগড় কানৈ মহাবিদ্যলয়ত সহপাঠীৰ ৰূপত প্ৰথম লগ পালোঁ বিজু ফুকন, ভৱেশ গোস্বামী আৰু হেমন্ত দত্তক। এতিয়াৰ খ্যাতনামা অভিনেতা ভিক্টৰ বেনাৰ্জীও কিছুদিনৰ বাবে আমাৰ সহপাঠী আছিল। স্কুলীয়া বন্ধু নজিফুৰ ৰহমানকো পুনৰ লগ পালোঁগৈ। বিজু, ভিক্টৰ আৰু নজিফুৰ আছিল কলা শাখাৰ আৰু আমিকেইটা বিজ্ঞানৰ। এইটোৱেই আমাৰ কলেজৰ 'ফাইল'। প্ৰতিভাৰ সান্নিধ্যলৈ অহাৰ সেয়াি আছিল মোৰ আৰম্ভণি। কাৰণ বিজু আছিল সু-অভিনেতা, ৰাজেন প্ৰতিভাৱান কণ্ঠশিল্পী, হেমন্ত সুদক্ষ নাট্যকাৰ, গীতিকাৰ তথা বলিষ্ঠ অভিনেতা, ভৱেশ গোস্বামী এক'ৰ্ডিয়ান বাদক, সুৰকাৰ, অভিনেতা তথা নজিফুৰ গীটাৰবাদক। তদুপৰি ভিক্টৰ আছিল তেতিয়াৰ কলিকতাৰ (কলকাতা) মডেল আৰু অভিনেতা। কলেজত আমাৰ এই ফাইলৰ অভিলেখ আছে - হেমন্ত তিনি বছৰ একাধাৰে নাট্যকাৰ আৰু শ্ৰেষ্ঠ অভিনেতা ৰাজেন একাধাৰে শ্ৰেষ্ঠ গায়ক, বিজু সহঃ অভিনেতা আৰু নজিফুৰ গীটাৰবাদকৰূপে শ্ৰেষ্ঠ বঁটা বিজয়ী। কলেজৰ সন্মুখৰ নাহৰ গছৰ তলত

নিয়মীয়াকৈ বহিছিল আমাৰ আড্ডা, কোনোবাই ক্লাছ আছে বুলি ক'লেই বিজুৱে কৈছিল - 'থ থ। ক্লাছ কৰি ফালিবি, বহি থাক।' আকৌ ভিক্টৰৰ নানা ফুচুৰি কথা। হেমন্তই এবাৰ খণ্ডৰ ভমকত নাটকৰ স্ক্রিপখনকেই টুকুৰা-টুকুৰকৈ দিলে ফালি। সেইবোৰত আকৌ বিজু 'মেনেজ মাষ্টাৰ'। উল্লেখযোগ্য যে চিনেমাৰ নায়ক হোৱাৰ দুৰ্বাৰ হেঁপাহটো বিজুৰ তেতিয়াৰ পৰাই আছিল।

এনেকৈয়ে এদিন কলেজৰ পৰিসৰতে অংকুৰিত হ'ল এটা বহুদিনীয়া সপোনৰ বীজ - এটা বাদ্যযন্ত্ৰীৰ দল জন্ম দিয়াৰ সপোন। ১৯৬৫ চনতেই বাস্তৱ ৰূপ ল'লে সেই সপোন। আমি লগ লাগি গঠন কৰিলোঁ আমাৰ নিজৰ বেণ্ড 'দি কুইভাৰ্ছ'।নামটো দিছিল ভৰেশে। টকা-পইচা গোট খালত বিজু আৰু ভৰেশ কলকাতালৈ গৈ ইলেট্ৰিক গীটাৰ, ডাম ছেট আৰু কংগো আনিলে। পিছত বে'ছ গীটাৰিষ্ট জিয়াউৰ ৰহমান আৰু ঢোলকবাদক প্ৰবীণ গোস্বামী আমাৰ দলত চামিল হ'ল। সেই দশকটোত বিখ্যাত পপ গায়ৰ দল The Beatles এ সমগ্ৰ বিশ্বতে তোলপাৰ লগাইছিল। তদুপৰি আমেৰিকাৰ The shadows সমানেই বিশ্ববিখ্যাত আছিল। সেয়াই আছিল আমাৰো অনুপ্ৰেৰণাৰ উৎস।

১৯৬৫ চনৰেই এটা শুভ দিনত কানৈ কলেজৰ মঞ্চতেই সদ্যোজাত শিশু 'দি কুইভাৰ্ছ'ৰ প্ৰথম খোজ পৰিল। 'দি কুইভাৰ্ছ'ৰ সূত্ৰধাৰ আছিল হেমন্ত। সুন্দৰ এটি পৰিচয় দাঙি ধৰিলে দৰ্শকৰ আগত। উপস্থিত সকলোৱে হাতচাপৰিৰে আমাক অভিনন্দন জনালে। আজিও মনত আছে বিষ্ণু ৰাভাৰ 'নাহৰ ফুলে' গীতটোৰেই আমি আৰম্ভ কৰিলোঁ। কম সময়ৰ ভিতৰত ৰাইজৰ আশিসপুষ্ট হৈ জনপ্ৰিয় হৈ পৰিল 'দি কুইভাৰ্ছ'। অসমৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান তথা বিহুতলীলৈ ৰাইজে হেঁপাহেৰে আমাক আমন্ত্ৰণ জনোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল।

১৯৬৫ চনৰ পৰা ব্যস্ততাপূৰ্ণ চাৰিটা বছৰ অতিক্ৰম কৰিলে 'দ্য কুইভাৰ্ছ' দলে। বিভিন্ন সাংস্কৃতিক সন্ধিয়াত শিল্পী ৰাজেন গোঁহাইৰ কণ্ঠ সংগীত আৰু আমাৰ সুৰ সমলয়। আনহাতে, নৈশ ক্লাবসমূহত পাশ্চাত্য সংগীত পৰিৱেশন। দুটা সম্পূৰ্ণ সুকীয়া পৰিৱেশত আমি নিজকে খাপ খুৱাই ল'বলগীয়া হৈছিল। কষ্ট কিছু হৈছিল যদিও আমেজটোও আছিল সুকীয়া। গীটাৰখন হাতত তুলি লোৱা মুহূৰ্ততে সকলো কথাই পাহৰি পেলাইছিলোঁ। তাহানি শ্বিলঙৰ স্কুলত পঢ়োঁতে খাচিয়া ডেকাই গীটাৰ বজোৱা দেখা গীটাৰৰ প্ৰেমত পৰিছিলোঁ। তেতিয়াই দুৰ্বাৰ হেঁপাহ জাগিছিল গীটাৰ শিকাৰ। ডিব্ৰুগড়লৈ উভতি অহাৰ পিছতে সৌভাগ্যক্ৰমে এদিন লগ পালোঁ মোৰ প্ৰথম গুৰু, গীটাৰবাদক ৱালেনষ্টেইন চাংমাক। কোনো মাননি নোলোৱাকৈয়ে তেওঁ মোক শিকাবলৈ সন্মত হ'ল। কল্পনাও কৰা নাছিলোঁ যে শৈশৱৰ পৰাই বুকুত কঢ়িয়াই ফুৰা সপোন এটাই এইদৰে এদিন বাস্তৱত ৰূপ ল'ব। আমাৰ নিজৰ এটা বেণ্ড হ'ব আৰু মই তাৰ লীড গীটাৰিষ্ট হ'ম।

১৯৬৯ চনৰ ১৫ ফেব্ৰুৱাৰী। ঐতিহাসিক এই দিনটোতে জন্ম হৈছিল এটা নতুন অনাতাঁৰ কেন্দ্ৰ 'আকাশবাণী ডিব্ৰুগড়'। সেইদিনা ইথাৰ তৰংগত নিজৰ অস্তিত্ব সগৌৰৱে ঘোষণা কৰিলে এই কেন্দ্ৰই। সেইদিনা শুভ উদ্বোধনৰ সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আমাৰ দলটোকো আমন্ত্ৰণ জনোৱা হৈছিল। অনাতাঁৰ কেন্দ্ৰত সেয়া আছিল আমাৰ প্ৰথম অভিজ্ঞতা। ডিব্ৰুগড় লেপেটকটাস্থিত ট্ৰেন্সমিটাৰ চৌহদ আমন্ত্ৰিত অতিথি তথা আকাশবাণীৰ অনেক কৰ্মকৰ্তা আৰু লগতে ভালেমান বিশিষ্ট শিল্পীৰে ভৰি পৰিছিল। বিয়লি ষ্টুডিঅ'ৰ পৰা ঘোষণা দিয়াৰ পিছতেই বাহিৰত তৈয়াৰ কৰা মঞ্চত আৰম্ভ হ'ল সাংস্কৃতিক অনুষ্ঠান। সেইদিনাই প্ৰথম লগ পালোঁ খ্যাতনামা অভিনেত্ৰী ইভা আচাও ৰহিমক. তেওঁ আছিল সূত্ৰধাৰ। জনপ্ৰিয় কণ্ঠশিল্পী জ্যোতিষ ভট্টাচাৰ্যই পৰিচালনা কৰা জ্যোতি সংগীতৰ লগত আমি কুইভাৰ্ছ দলটোৱে সংগত কৰিলোঁ। লগে লগেই আৰম্ভ হ'ল 'দি কুইভাৰ্ছ'ৰ এটা নতুন অধ্যায়, কাৰণ তাৰ পিছৰ পৰাই এই কেন্দ্ৰৰ ষ্টুডিঅ'ত হোৱা বিভিন্ন গীত-মাতৰ বাণীবন্ধনৰ সৈতে আমি জড়িত হৈ পৰিলোঁ। লগ পাইছিলোঁ এগৰাকী সুদক্ষ কাৰ্যবাহী বিষয়া শ্যামানন্দ বৈশ্যক। এগৰাকী সুদক্ষ কাৰ্যবাহী বিষয়া শ্যামানন্দ বৈশ্যক। তেওঁৰ তত্বাৱধানতেই ৰেকৰ্ডসমূহ হৈছিল।

সেই বছৰতে 'দ্য কুইভাৰ্ছ'ৰ সম্পৰ্ক ঘটিল ছবিজগতৰ সৈতে। সেই বছৰতেই ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাৰ প্ৰখ্যাত ছবি পৰিচালক প্ৰয়াত ব্ৰজেন বৰুৱাৰ ছবি 'ডাঃ বেজবৰুৱা'ৰ শ্যুটিং হৈছিল। দীপেন বৰুৱাই গোৱা 'জিলিকে জিলিকা....' গীতটোৰ দৃশ্যগ্ৰহণৰ বাবে এটি বাদ্যযন্ত্ৰীৰ দলৰ প্ৰয়োজন হ'ল আৰু আমন্ত্ৰণ জনালে আমাক। আমাৰ বাবে

গৌৰৱৰ কথা হ'ল যে এইখন ছবিতে হেমন্ত দত্তই কলা নিৰ্দেশক তথা সহকাৰী পৰিচালকৰূপে কাম কৰাৰ সুযোগ পালে। আমি তামোলবাৰীলৈ গৈ পোৱাৰ পিছত দেখিলোঁ, এখন আহল-বহল খেলপথাৰৰ মাজত ওখলৈ তৈয়াৰ কৰা কাঠৰ মঞ্চ। আমাক তাত উঠিবলৈ ক'লে। অলপ পিছতে দেখিলোঁ ব্ৰজেনদাই প্লেটফৰ্মখনৰ ওপৰলৈ উঠি আহিল। তাৰ পিছতে জিলিকে জিলিকা গানটো। প্লে-বেক কৰা হাতত গীটাৰখন লৈ ৰ'ক এণ্ড ৰোল ষ্টাইলত কেনেকৈ নাচিব লাগিব নিজে নাচি দেখুৱাই দিলে। আমিকেইটা বিশেষকৈ নজিফুৰ, মই আৰু জিয়াউৰ বৰ বিপাঙত পৰিলোঁ। কাৰণ এটায়ো নাচিব নাজানো। বিজু আৰু ৰাজেন সাৰি গ'ল, কাৰণ সিহঁতকেইটাই ড্ৰাম ছেট আৰু কংগো বজোৱাৰ অভিনয় কৰিছিল। তাৰ পিছতে আকৌ প্ৰবীণ গোস্বামীৰ হাতত ট্ৰাম্পেটটো ধৰাই দি মজিয়াত বাগৰি লৈ, আকৌ উঠি Prelude টোত কেনেকৈ একশ্বন দিব ব্ৰজেনদাই দেখুৱাই দিলে। চাৰিওফালে শ্বুটিং চাবলৈ অহা দৰ্শকৰ ভিৰ। এইবাৰ প্ৰবীণ ৰঙা-ছিঙা পৰি গ'ল। এপাকত মোৰ ওচৰলৈ আহি মনে মনে ক'লে - ব্ৰজেনদাৰ দৰে মই নোৱাৰিম। জোৰ কৰি থাকিলে মই ঘৰলৈ পলাই যামগৈ কিন্তু। যি কি নহওক, এপাকত শ্বুটিং হ'লগৈ যেনিবা। ব্ৰজেনদা সন্তুষ্ট হোৱা নাছিল, মুখখন দেখিয়েই ধৰিব পাৰিছিলোঁ। পিছত হলত ছবিখন চাই বৰ লাজ লাগিছিল। কাৰণ আমাৰ নাচটো ব্ৰজেনদাই দেখুৱাই দিয়া ৰ'ক এণ্ড ৰোলতো নহ'লেই, বৰঞ্চ মেঘালয়ৰ নংক্ৰেম নৃত্যৰ লগতহে কিছু মিল দেখা গ'ল। সেই তেতিয়াই প্ৰথম লগ পাইছিলোঁ সুদৰ্শন নায়ক নিপন গোস্বামীক। প্ৰথম চিনাকিতে মানুহক আপোন কৰি ল'ব পৰা গুণৰ অধিকাৰী, অমায়িক স্বভাৱৰ বলিষ্ঠ অভিনেতাগৰাকীৰ সান্নিধ্যত আপ্লুত হৈছিলোঁ। এতিয়াও সুবিধা পালে ফোনত কথা পাতোঁ। একেই আছে নিপন গোস্বামী।

ডিব্ৰুগড়ৰ আমোলাপট্টি নাট্যমন্দিৰৰ ১২৫ বছৰীয়া জয়ন্তী সমাৰোহ ২০১১ চনৰ ২৫ ডিচেম্বৰত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত হৈ যায়। ২৮ ডিচেম্বৰত সন্ধিয়া 'সেইদিন সোণালী দিন' শীৰ্ষক এখন মনোৰম সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছিল। তালৈকে আমন্ত্ৰণ জনোৱা হৈছিল ৬০-৭০ দশকৰ ভালেকেইগৰাকী প্ৰবীণ কণ্ঠশিল্পী, অভিনেতা, গীতিকাৰ, সুৰকাৰ তথা নাট্যকাৰক। শীষত নিয়ৰসিক্ত আৱেগেৰে এটা নষ্টালজিত সন্ধিয়াঙ্গ হিয়াৰ মাজত আলফুলে সাঁচি থোৱা তাহানিৰ সেই মধুৰ-প্ৰাণময় দিনৰ সোণসেৰীয়া স্মৃতি মঞ্চলৈ আহি অনেকেই ব্যক্ত কৰিলে হেঁপাহেৰে। কোনোৱে নাটকৰ সংলাপ, আকৌ কোনোৱে গাই শুনালে পুৰণি জনপ্ৰিয় গীতৰ একোটি কলি। এটা সময়ত মঞ্চলৈ আহিল তাহানিৰ বিখ্যাত বাদ্যযন্ত্ৰীৰ দল 'দি কুইভাৰ্ছ'ৰ সদস্যসকল। আমন্ত্ৰণ ৰক্ষা কৰি চিত্ৰাভিনেতা বিজু ফুকনো আহিছিল গুৱাহাটীৰ পৰা। ছবিজগতলৈ যোৱাৰ পূৰ্বে বিজু এই দলৰে সদস্য আছিল। আমাৰ কলেজীয়া সহপাঠী বন্ধ বিজুৱে আমাৰ এই দলটোত বজাইছিল কংগো। সেই তেতিয়াৰ 'ডাঃ বেজবৰুৱা' কথাছবিত 'কুইভাৰ্ছ' দলটোৱে ভুমুকি মাৰিছিল এটা দৃশ্যত। 'জিলিকে জিলিকা তৰা আকাশৰে...'। বিজু ওলাইছিল কংগোটো লৈ। তাৰ পিছতে পৰিচালক নিপ বৰুৱাৰ ছবি 'বৰুৱাৰ সংসাৰ'ত বিজু নায়ক হ'লগৈ।

সেইদিনা বিজু মঞ্চলৈ উঠি আহোঁতে নৱপ্ৰজন্মৰ কেইগৰাকীমান শিল্পীয়ে গালে 'বৰুৱাৰ সংসাৰ'ৰ সেই বিখ্যাত গীত 'গা গা আজি গাই যা...'। বিজুক দেখিয়েই দৰ্শকে হাতচাপৰিৰে অভিনন্দন জনালে। হোৱাৰে কথা, কাৰণ এইখন মঞ্চতে তাহানিতে বিজুৱে নাটকত অভিনয় কৰিছিল বহুবাৰ। তাৰ পিছতে মঞ্চলৈ আমন্ত্ৰণ জনোৱা হ'ল 'দি কুইভাৰ্ছ'ৰ সদস্যসকলক। মাইকত বাজি উঠিল এই দলৰে পৰিৱেশিত বাদ্য সংগীত। সেই সংগীতৰ ছন্দতে এজন এজনকৈ মঞ্চলৈ আহিল শিল্পী ৰাজেন গোঁহাই, ভৱেশ গোস্বামী, নজিফুৰ ৰহমান (প্ৰিন্স), জিয়াউৰ ৰহমান (জুৱেল) আৰু প্ৰবীণ গোস্বামী। অনুষ্ঠআনটোৰ আঁতৰ ধৰাৰ দায়িত্ব দিয়া হৈছিল মোক। এই দলৰে আন এজন সদস্য, নাট্যকাৰ হেমন্ত দত্ত অনিবাৰ্য কাৰণবশতঃ সেইদিনা উপস্থিত থাকিব নোৱাৰিলে।

মাইক্ৰ'ফোন হাতত লৈ বিজুৱে আৱেগিক কণ্ঠৰে কৈ গ'ল পুৰণি দিনৰ বহুতো কথা। শেষত এই মঞ্চৰ কৃতজ্ঞতা জনাই ক'লে - 'আমি যিয়েই নকৰোঁ কিয় আমাৰ মূল শিপাডাল কিন্তু এইখন মঞ্চতে আছে। 'সেইদিনা বিজুক চাৰ্কিট হাউছত মই থ'বলৈ যাওঁতে নিশা বহুত হ'ল। কেইবাবছৰৰ মূৰত লগ পাই বিজুক যে কোনেও এৰিবকে খোজা নাছিল। পিছদিনা সন্দিয়া ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ

আমন্ত্ৰণক্ৰমে 'মুখামুখি' অনুষ্ঠানত অংশ ল'বলৈ গ'লোঁ। বিজু, মই, সমৰ হাজৰিকা, ৰাজেন গোঁহাই, জুৰি ৰহমান, ৰতন চৌধুৰী আৰু পূৰৰ গোহাঁই। ৩০ ডিচেম্বৰৰ আগবেলাটো বিজুৰ সৈতেই কটালোঁ। আমি দুয়ো গ'লোঁ আমাৰ কলেজীয়া বন্ধু অমিয় শৰ্মাৰ ঘৰলৈ। অমিয়ই দেখুৱালে পুৰণি এলবামত বিজু আৰু 'দ্য কুইভাৰ্ছ'ৰ ফটোগ্ৰাফ। এৰি অহা দিনৰ স্মৃতিয়ে আমাক জুমুৰি দি ধৰিলেহি। তাৰ পৰা বিজুৰ লগত আমাৰ ঘৰ পালোঁহি। বিজুৱে বজোৱা কংগোটো আনি তাৰ সন্মুখত থোৱাৰ লগে লগে তাৰ চকুহাল সেমেকি উঠিল। আলফুলে হাত বুলালে কংগোটোত। মুহূৰ্তৰ বাবে স্মৃতিয়ে দুয়োকে বাক্‌ৰুদ্ধ কৰি পেলাইছিল। কেমেৰাত বন্দী হ'ল সেই সময়কণ। বিজু যাবলৈ ওলাল। এয়া মোৰ বিজুৰ সৈতে বহুবছৰৰ মূৰত দেখাদেখি। ভাৰাক্ৰান্ত মন এটা লৈ বিজুক চাৰ্কিট হাউছত থৈ আহিলোঁগৈ।

গাড়ীৰ পৰা নামিয়েই বিজুৱে মোক সাৱটি ধৰি ক'লে, "আমাৰ জীৱনৰ শেষ অধ্যায়ৰ কেইখলামান পাতহে আছেগৈ চাগে'। আকৌ কেতিয়া লগ পাওঁ ক'ব নোৱাৰোঁ। কলেজীয়া দিনৰ আৰু 'কুইভাৰ্ছ'ৰ কথাবোৰ লিখি পেলাবিচোন। আহোঁ দে'ই।" বিজুৱে উভতি নাচাই ৰূমলৈ গ'লগৈ। সেয়া যোৱাই বিজু আৰু ঘূৰি নাহিল। কথাটো মনলৈ আহিলে এতিয়াও মোৰ খুব দুখ লাগে যে ২০১৭ চনৰ নৱেম্বৰ মাহত মই কিবা কামৰ বাবে গুৱাহাটিত আছিলোঁগৈ আৰু সেইখিনি সময়তে ২২ তাৰিখৰ দিনা বিজুৰ অসুখ বেছি হোৱা বুলি জানিবলৈ পাই মই ল'ৰি গৈছিলোঁ তাৰ ওচৰলৈ। কিন্তু সি মোলৈ ৰোৱা নাছিল, ইতিমধ্যেই সি অজান দেশ লৈ গুছি গৈছিল। শেষৰ বাৰৰ বাবেও মই তাৰ মাত পোৱা নাছিলোঁ, কথাটোৱে মোক ইমানে মৰ্মাহত কৰিছিল যে মই কোনোপধ্যেই চকুপানী ৰখাব পৰা নাছিলোঁ। তাৰোপৰি সেই সময়ত তাত থকা সকলো মানুহে মোক দেখি বিজুকে দেখা যেন লাগিছে বুলি কোৱাত সেই শোক দুগুণে চৰিছিল।

১৯৭১ চনটো 'কুইভাৰ্ছ'ৰ বাবে আটাইতকৈ সফলতাৰ বছৰ। ইতিমধ্যে কলেজৰ পৰা আটায়ে বিদায় ল'লে। তাহানিতেই আমি অনুভৱ কৰিছিলোঁ অসমৰ ছবিজগতে বিজুক যেন হাতবাউল দি মাতি আছে। সংযোগক্ৰমে সেই বছৰটোৱেই বিজুলৈ কঢ়িয়াই আনিলে সেই সোণালী বাৰ্তা। বুকুত বান্ধি লৈ ফুৰা সেই অদম্য হেঁপাহ পূৰণৰ স্মৰণীয় ক্ষণটো আহিল। 'ডাঃ বেজবৰুৱা'ত আমাৰ সৈতে 'কংগো' লৈ ভুমুকি মৰা বিজুক প্ৰখ্যাত পৰিচালক নিপ বৰুৱাৰ ছবি 'বৰুৱাৰ সংসাৰ'ত নায়কৰূপে চুক্তিবদ্ধ কৰা হ'ল। উৎফুল্লিত হৈ পৰিলোঁ আমি, কাৰণ আমাৰ দলৰ বিজুৰ সপোনে বাস্তৱ ৰূপ ল'লে আৰু ই 'কুইভাৰ্ছ'ৰ বাবেও সফলতাৰ এটা মাইলৰ খুঁটিৰূপে চিহ্নিত হ'ল।

'বৰুৱাৰ সংসাৰ'ৰ শ্বুটিং হৈছিল ডিব্ৰুগড়ৰ কাষৰ তামোলবাৰী চাহ বাগিচাত। আমাৰ বাবে আনন্দৰ কথাটো হ'ল সেইখন ছবিৰে এটা নৈশ ক্লাবৰ দৃশ্যত অংশ ল'বলৈ আমাৰ 'কুইভাৰ্ছ' দলটোক আমন্ত্ৰণ জনাইছিল। দীপেন বৰুৱাই গোৱা 'গা গা আজি...' গীতটোৰ দৃশ্যগ্ৰহণত ছবিৰ নায়ক বিজুৱে অভিনয় কৰিছিল আৰু কাষতে প্লেটফৰ্মৰ ওপৰত 'দি কুইভাৰ্ছ'। সেইবাৰলৈ আমি ৰক্ষা পৰিলোঁ, কাৰণ নিপদাই ব্ৰজেনদাৰ দৰে আমাক নাচিবলৈ নক'লে। উল্লেখযোগ্য যে প্ৰথম ছবিতে সুন্দৰ অভিনয় কৰি বিজুৱে দৰ্শকৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। আশা কৰা মতেই তাৰ পিছতেই বিজুলৈ ইখনৰ পিছত সিখন ছবিৰ আফাৰ আহিল। তাৰ পিছলৈ উভতি চোৱাৰ আহৰি নোহোৱা হ'ল। হোৱাৰে কথা, কাৰণ অভিনয়েই আছিল বিজুৰ প্ৰেম, ভালপোৱা, বিজুৰ সৰ্বস্ব। আজিও মনত আছে খ্যাতনাম কণ্ঠশিল্পী আব্বাৰ হুছেইনে বিজুক 'অৰোৰা' চিনেমা হলটো দেখুৱাই কৈছিল - 'বিজু চাই থাকিবা, এদিন ইয়াৰ তোমাৰ প'ষ্টাৰ লাগিব।' বিজুৱে কৈছিল - 'দাদা আপোনাৰ মুখত ফুল-চন্দন পৰক'। সেয়া আছিল কলেজত পঢ়ি থকা দিনৰে কথা। বিজুৱে সেই কথা আজিও পাহৰা নাই। যি কি নহওক, সেই ভৱিষ্যদ্বাণী ফলিয়ালে। ধাৰাবাহিকভাৱে বিজু অভিনীত ছবি হললৈ আহিল। যেনে 'ললিতা', 'অৰণ্য', 'বনৰীয়া ফুল', 'ধৰ্মকাই', 'বৃষ্টি' ইত্যাদি। সেই তেতিয়াই বিজু গুৱাহাটীলৈ গ'লগৈ আৰু 'কুইভাৰ্ছ'ত এখন আসন শূন্য হৈ ৰৈ গ'ল।

১৯৭১ চনটো ব্যস্ততাৰ মাজতেই গ'ল 'দি কুইভাৰ্ছ'ৰ। সুৰ সমলয় পৰিৱেশন কৰাৰ বাদেও দীপেন বৰুৱা, নীলিম খাতুনকে আদি কৰি অসমৰ বহুতো জনপ্ৰিয় শিল্পীৰ লগত আমি সংগতো কৰিলোঁ। ইয়াৰ মাজতে আকাশবাণীত গীতৰ বাণীবন্ধন মঞ্চ নাটৰ আৱহ সংগীত পৰিচালনা কৰাৰ প্ৰক্ৰিয়াটোও চলি থাকিল। সেই বছৰটোৱেই কঢ়িয়াই আনিলে আৰু এটা সুখবৰ। আকাশবাণী গুৱাহাটী কেন্দ্ৰত কণ্ঠ

পৰীক্ষাত উত্তীৰ্ণ হৈ ৰাজেন গোহাঁই স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী হ'ল। গুৱাহাটী কেন্দ্ৰতে ৰাজেনে 'সুৰৰ শৰাই' অনুষ্ঠানত গোৱা গীত 'মোৰ মনৰ হৰিণা' আজিও শ্ৰোতাৰ প্ৰিয়। ল'ৰালি কালৰে পৰা ৰেডিঅ'ৰ ঘোষক হোৱাৰ সপোন এটা ময়ো পুহি ৰাখিছিলোঁ। তাহানি এল.পি. স্কুলত পঢ়া দিনতে আনৰ ঘৰৰ খিৰিকীৰ কাষত বৈ মনে মনে ৰেডিঅ' শুনিছিলোঁ। আমাৰ ঘৰত তেতিয়া ৰেডিঅ' নাছিল। বিশেষকৈ গানৰ মাজে মাজে ঘোষকৰ মাতটোৱে মোক বৰকৈ আকৃষ্ট কৰিছিল। বেৰৰ চকুত নতুবা মুখৰ আগত বাল্টি এটা লৈ ঘোষকৰ আখৰা কৰিছিলোঁ মনে মনে। এদিন দেউতাই দেখি চৰ এটাও শোধাইছিল। কাৰণ সেইখিনি সময়ত মই পঢ়া টেবুলত থকাৰ কথা আছিল। ১৯৭১ চনৰে শেষৰ ফালে সময়ে মোৰ সপোনৰ বাস্তৱ ৰূপটো আনি যেন মোৰ হাতত তুলি দিলে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষকৰ কণ্ঠ পৰীক্ষাৰ ফলাফলৰ তালিকাত ইংৰাজী আৰু অসমীয়া দুয়োটা বিভাগতে শীৰ্ষস্থানত নিজৰ নামটো দেখি আৱেগত মোৰ চকুলো বৈ আহিছিল। সেই মুহূৰ্ততে মোৰ হেমন্তলৈ মনত পৰিছিল। কাৰণ হেমন্ত হ'ল অতি সুন্দৰ কণ্ঠস্বৰৰ গৰাকী আৰু সুনিপুণ সূত্ৰধাৰ। মোৰ কৰ্মশৈলীত হেমন্তৰ প্ৰভাৱ নাই বুলি ক'লে ভুল কৰা হ'ব।

১৯৭১ চনৰে আৰু এটি উল্লেখযোগ্য সাফল্য হ'ল যোৰহাটৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আমাৰ দলে সুৰ সমলয় পৰিৱেশন কৰি থকাৰ মাজতে সন্মুখৰ আসনত বহি থকা সুধাকণ্ঠ ভূপেনদাই মঞ্চলৈ উঠি আহি মাইক্ৰ'ফোন হাতত লৈ ক'লে - "কুইভাৰ্ছৰ বাদ্য সংগীতত মই অতি মুগ্ধ হৈছোঁ। এওঁলোকৰ সংগীত মাৰ্জিত, অত্যাচাৰ নাই। গতিকে এখন শৰাই উপহাৰ দিয়াৰ কথা ঘোষণা কৰিলোঁ।" পিছদিনাৰ অনুষ্ঠানত তেওঁ পুনৰ হাতত শৰাই এখন লৈ মঞ্চলৈ উঠি আহিল। হেমন্ত আগবাঢ়ি গৈ সেৱা জনাই শৰাইখন গ্ৰহণ কৰি দৰ্শকক উদ্দেশ্যি ক'লে - 'এয়া ভূপেনদাৰ মহানুভৱতা। আমি নতশিৰে তেখেতক ধন্যবাদ আৰু শ্ৰদ্ধা যাচিলোঁ। বিনিময়ত দিবলৈ আমাৰ একোৱেই নাই, সেয়ে ভূপেনদাৰ এটি গীতৰ সুৰেৰেই তেখেতক আমি প্ৰণাম জনাইছোঁ।" 'কুইভাৰ্ছ'ৰ লগত সেইটোৱেই আছিল হেমন্তৰ শেষ দিন। কাৰণ তাৰ পিছতেই চাকৰি সূত্ৰে সি শ্বিলঙলৈ গ'লগৈ। লগে লগেই 'কুইভাৰ্ছ'ৰ আৰু এখন আসন উকা হৈ গ'ল, ৰৈ গ'ল এক অনন্য প্ৰতিভাৰ অনুৰণন।



PROGRAMME.

On 16-1-62
Week Inauguration at 7 A. M. in the College Premises.
Sports Inauguration at 7-20 A. M.
Sports Competition from 7-45 A. M. to 12 Noon.
Sports Competition from 1 P. M. to 4 P. M.

On 17-1-62
Sports Competition from 7-30 A. M. to 12 Noon.
" " " 1 P. M. to 4 P. M.
Mock Parliament from 5-30 P. M.

On 18-1-62
Sports Competition from 7-30 A. M. to 12 Noon.
" " " 1 P. M. to 4 P. M.
Drama Competition from 5 P. M.

On 19-1-62
Inauguration of Exhibition at 8 A. M.
Recitation from 8-30 A. M. to 12 Noon.
" " 1 P. M. to 4 P. M.
Weight Lifting & Skipping from 1 P. M. to 4 P. M.
Drama Competition from 5 P. M.

On 20-1-62
Music Competition from 7 A. M. to 12 Noon.
Cultural Symposium from 1 P. M. to 4 P. M.
Music Competition from 5 P. M.

On 21-1-62
Music Competition from 7 A. M. to 12 Noon.
Debate & Extempore Speech 1 P. M. to 4 P. M.
Gymnasium Show from 5 P. M.

On 22-1-62
General Knowledge Test at 9 A. M.
Prize Distribution from 1 P. M.
Music Social from 5-30 P. M.

17TH ANNUAL COLLEGE WEEK.

D. H. S. K. College &
D. H. S. K. Commerce College
Union Society.

The undersigned have the pleasure to inform you that the 17th Annual College Week of the D. H. S. K. College & D. H. S. K. Commerce College is going to be held from 16th January to 22nd January, 1962 as per programme appended.

Your kind presence in all the functions is solicited to make it all round success.

Sashakamal Handique
Hari Nath Sonowal
Joint Union Secy.
D. H. S. K. Com. College &
D. H. S. K. College
Union Society.

Dated 6th Jan. '62
Dibrugarh.

R. S. V. P.

# কানৈয়ে ৰিঙিয়াই

**দীপ্তি গগৈ**
প্ৰাক্তন ছাত্ৰী, নাহৰকটীয়া

আমাৰ কনিষ্ঠা প্ৰাক্তন কানৈয়ান এগৰাকীয়ে মোক লগ পাই ক'লে যে কানৈ কলেজৰ মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশ কৰিবলৈ যো-জা কৰা স্মৰণিকাৰ বাবে এটা লেখা লাগে। কলম হাতত তুলি লৈ ভাবিছো কি লিখো, কেনেকৈ লিখো, ক'ৰ পৰা আৰম্ভ কৰো। কাৰণ কানৈ কলেজ বুলি ক'লে বহু কথাই মনটোক জুমুৰি দি ধৰেহি। কানৈ কলেজ আমাৰ বাবে আবেগ, বহু স্বৰ্ণীল স্মৃতিৰ ভঁৰাল, ভৱিষ্যত নিমাৰ্ণৰ দিশে আগবঢ়াই নিয়া এখন সেউজ দলিচা।

সকলো মানুহৰে কিছুমান সপোন থাকে সৰুৰে পৰা। মোৰো তেনে এটা সপোন আছিল সৰুৰে পৰা। ডিব্ৰুগড়লৈ যেতিয়াই গৈছিলো আৰু কানৈ কলেজখন দেখিছিলো তেতিয়াই মনত এটা সপোনে গজালি মেলিছিল। দেউতাৰ মুখত প্ৰায়ে শুনিছিলো কানৈ মহাবিদ্যালয়ত পঢ়ি থকা দিনৰ সৰস কাহিনী। মহাবিদ্যালয়খনৰ সেই সময়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ কথা। এইবোৰ শুনি শুনি নিজৰ অজ্ঞাতে কানৈ মহাবিদ্যালয়ৰ প্ৰতি এক অনুৰাগ জন্ম হৈছিল। দেউতাই স্নাতক ডিগ্ৰী গ্ৰহণ কৰা মহাবিদ্যালয়খনতে এদিন ময়ো পঢ়াৰ মানস কৰিছিলো।

**১৯৮৮** চনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ কানৈ মহাবিদ্যালয়ৰ স্নাতক মহলাত নামভৰ্তি কৰো। ডাঙৰ ডাঙৰ আখৰেৰে লিখি থোৱা 'হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়' বাটচৰা পাৰ হওঁতে মনটো ভৰি পৰিছিল। সেই সময়ত আগষ্ট মাহৰ পৰা মহাবিদ্যালয়ৰ নতুন শ্ৰেণীসমূহ আৰম্ভ হৈছিল। স্বমহিমাৰে মহিমামন্দিত কানৈ কলেজত আগষ্ট মাহৰ কোনোবা এটা দিনত(তাৰিখটো মনত নাই) ছাত্ৰী হিচাপে খোজ দিওঁ। কলেজৰ প্ৰথম দিনটোৰ কথা আজিও জলজল পটপটকৈ মনত আছে।

কলেজলৈ যোৱা প্ৰথম দিনটোতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিৰ্ধাৰিত থকা ইউনিফৰ্ম পৰিধান কৰি গৈছিলো। বিশাল চৌহদেৰে আবৰি থকা কলেজৰ বাৰাণ্ডাত ঠিয় হৈ থাকোতে সেই মহাবিদ্যালয়ৰে জ্যেষ্ঠ ছাত্ৰ কেইগৰাকীমানে আহি মোক কিবাকিবি প্ৰশ্ন সুধিবলৈ ধৰিলে। সহজ অৰ্থত ক'বলৈ গ'লে ৰেগিং কৰিলে। মোক প্ৰশ্ন কৰি থাকোতে পেটে পেটে ভয় এটাই বাহ লৈছিল। কাৰণ সেই সময়ত কলেজবোৰত বিভিন্ন ধৰণৰ ৰেগিং হোৱাৰ কথা শুনিবলৈ পাইছিলো। কিন্তু সৌভাগ্যক্ৰমে সেইদিনা মোক বৰ বিশেষ কথা নুসুধিলে তেওঁলোকে। তাৰ পৰবৰ্তী সময়ত কিন্তু কলেজ চৌহদত আৰু কোনোধৰণৰ ৰেগিঙৰ সন্মুখীন হ'ব লগা হোৱা নাছিল।

আমি কানৈ কলেজত পঢ়ি থকাৰ সময়ত কলেজখনৰ অধ্যক্ষ আছিল কল্যান বৰুৱা চাৰ। তেখেত আমাৰ

দেউতাৰো শিক্ষাগুৰু আছিল। সেয়ে চাৰৰ ওচৰলৈ গৈ যেতিয়া দেউতাৰ নামটো উল্লেখ কৰি মোৰ পৰিচয় দিছিলো, কিবা এক বুজাব নোৱাৰা আনন্দত বুকুখন ভৰি পৰিছিল। বেছি ভাল লাগিছিল তেতিয়া যেতিয়া কল্যান বৰুৱা চাৰে তেখেতৰ প্ৰাক্তন ছাত্ৰৰ নাম শুনি বৰ আগ্ৰহেৰে তেওঁৰ খবৰ লৈছিল। দেউতাহঁতে কানৈত পঢ়ি থকাৰ সময়ত গুৰু-শিষ্যৰ মাজৰ সম্পৰ্ক অতি মধুৰ আছিল। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰাৰ উপৰি প্ৰয়োজনত আৰ্থিকভাৱেও সহায় কৰিছিল। সাধাৰণ অৰ্থত ক'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলক নিজ সন্তানৰ দৰে ব্যৱহাৰ কৰিছিল কানৈ কলেজৰ সেইসময়ৰ শিক্ষকসকলে। এই কথাবোৰ দেউতাৰ মুখত প্ৰায়ে শুনিছিলো আৰু শুনি অভিভূত হৈ পৰিছিলো। উল্লেখ্য যে আমাৰ দেউতাই জীৱনৰ ৭৯টা বসন্ত পাৰ কৰিছে। তেখেতে এতিয়াও কানৈ কলেজত পঢ়া দিনবোৰৰ কথা সোঁৱৰি আনন্দিত হৈ পৰে। আমিবোৰে আজিও তেখেতৰ পৰা গল্প শুনাৰ দৰে শুনি যাওঁ সেই কথাবোৰ। প্ৰণিধানযোগ্য যে কল্যান বৰুৱা চাৰক আমি এবছৰৰ বাবেহে অধ্যক্ষ হিচাপে পাইছিলো। তেখেতেৰ পিচত ডিম্বেশ্বৰ চলিহা চাৰে কানৈ কলেজৰ অধ্যক্ষৰ আসন শুৱনি কৰিছিল।

কানৈ মহাবিদ্যালয়ত অৰ্থনীতিক সন্মানীয় বিষয় হিচাপে লৈ পঢ়িবলৈ আৰম্ভ কৰিলো। সেই সময়ত অৰ্থনীতিৰ প্ৰবক্তা আছিল হৰেণ গগৈ চাৰ, আতিকুদ্দিন আহমেদ চাৰ, সোণালী গোস্বামী বাইদেউ। এখেতসকলে বৰ একাগ্ৰতাৰে শিক্ষাদান কৰিছিল। মোৰ বাকী দুটা বিষয় আছিল ৰাজনীতি বিজ্ঞান আৰু ঐচ্ছিক অসমীয়া। ৰাজনীতি বিজ্ঞানৰ প্ৰবক্তা শিৱপ্ৰসাদ দত্ত চাৰ আছিল আমাৰ দেউতাৰ কলেজীয়া বন্ধু। সেয়ে চাৰে মোক এগৰাকী ছাত্ৰীতকৈ সন্তানৰ দৰেহে ব্যৱহাৰ কৰিছিল। উল্লেখ্য মোৰে সৌভাগ্য যে কানৈ কলেজত দেউতাক পঢ়োৱা কেইবাগৰাকীও শিক্ষাগুৰুক মোৰো শিক্ষাগুৰু হিচাপে পাইছিলো। তেখেতসকলৰ পৰা মই যথেষ্ট মৰম আৰু আদৰ পাইছিলো।

আমি পঢ়ি থকা সময়ত কানৈ কলেজৰ সন্মুখৰ চৌহদ শুৱনি কৰিছিল ওখ ওখ পাইন গছে। সেই পাইন গছবোৰৰ গুৰিটো পকাৰে ঘূৰণীয়াকৈ বান্ধি থোৱা আছিল। ক্লাছ নথকাৰ সময়ত সেইবোৰত বহি ছাত্ৰ-ছাত্ৰীসকলে আড্ডা মাৰিছিল। কথাখিনি লিখি থকাৰ সময়ত মোৰ চকুৰ সন্মুখত সেই সময়ৰ কলেজখনৰ দৃশ্যাংশবোৰ জিলিকি উঠিছে। ওখ ওখ পাইনবোৰৰ ছাঁত কিমান যে কাহিনীৰ জন্ম হৈছিল। সেই পাইন গছবোৰ কতজনৰ বন্ধুত্বৰ সাক্ষী হৈ ৰৈছিল। বহুজনৰ সেই বন্ধুত্ব এদিন প্ৰেমলৈ পৰিবৰ্তিত হৈছিল। মনত আছে স্পষ্টকৈ আমিও কেতিয়াবা সেইবোৰত বহি আড্ডা দি থকাৰ সময়ত দুই এজন শিক্ষাগুৰুৱে আহি আমাৰ সৈতে কথা পাতিছিলহি। (আমি কেতিয়াবা বহিছিলো বুলি লিখাৰ কাৰণটো হ'ল, আমি যিহেতু ছাত্ৰী নিৱাসৰ আবাসী আছিলো সেয়ে ক্লাছ অফ্ পালে চিধাই হোষ্টেল পাইছিলোগৈ।) আকৌ কেতিয়াবা আড্ডা ইমানেই জমি উঠিছিল যে ক্লাছ কৰিবৰ বাবে সময়ত গৈ নোপোৱাত চাৰ-বাইদেউসকলে মাতি নিব লগা পৰিস্থিতিও হৈছিল। সদায় নহ'লেও তাৰ বাবে গালিও পাৰিছিল মাজে সময়ে। মুল কথাটো হ'ল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত এটা মধুৰ সম্পৰ্ক আছিল সেই সময়ছোৱাত।

কানৈ কলেজত আমাৰ শিক্ষা গ্ৰহণৰ সময়ত দুটা ভাগত পাঠদান হৈছিল। এটা পুৱাবেলা আৰু আনটো দিনৰ ভাগত। পুৱাৰ শ্ৰেণীসমূহ ছয় বজাৰ পৰা ন বজালৈ আৰু দিনৰ শ্ৰেণীসমূহ আৰম্ভ হৈছিল ন বাজি পোন্ধৰ মিনিটৰ পৰা আবেলিলৈকে। পুৱা ভাগত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে কেৱল পাছ কৰ্চ পঢ়িব লগা হৈছিল। দিনৰ ভাগত ক্লাছ কৰিবলৈ পোৱা ছাত্ৰ-ছাত্ৰীসকলেহে কোনো বিশেষ বিষয়ক মেজৰ হিচাপে লৈ পঢ়িবলৈ সুবিধা পাইছিল।

কানৈ কলেজৰ কথা লিখিবলৈ লৈ যদি ইয়াৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ কথা নিলিখো তেন্তে লেখাটো নিশ্চিয় আধৰুৱা হ'ব। কানৈ কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন মানে যেন এটা উৎসৱ। নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খদমদম লাগি যায়। আৰম্ভ হয় নিৰ্বাচন খেলিব খোজা প্ৰাৰ্থীসকলৰ কোচকাৰাজ। মনত পৰে, সেই সময়ত ছাত্ৰাবাস আৰু ছাত্ৰী নিৱাসৰ আবাসীসকলে সদায় হোষ্টেলৰ পৰা প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীকহে সমৰ্থন আগবঢ়ায়, স্থানীয় প্ৰাৰ্থীক নহয়। ৰাজনৈতিক ভাষাত ক'বলৈ গ'লে দুয়োটা হোষ্টেলৰ বাবে এক প্ৰকাৰৰ হুইপ জাৰি কৰাৰ দৰে হয়। নিৰ্বাচনৰ ৰেহ-ৰূপ দেখিলে নিশ্চিতভাবে ক'ব পাৰি যে এয়া ভৱিষ্যত

ৰাজনৈতিক জীৱনৰ অনুশীলন।

তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰাৰ সময়ত কানৈ ছাত্ৰী নিৱাসৰ আবাসী আছিলো। কিমান ৰঙীন স্মৃতিৰে পৰিপূৰ্ণ সেই তিনিবছৰীয়া হোষ্টেলীয়া জীৱন। আমি হোষ্টেলত থকা সময়ত ছাত্ৰী নিৱাসৰ আবাসীৰ সংখ্যা আছিল প্ৰায় ৯৯ গৰাকী। এটা কোঠাত পাঁচগৰাকীকৈ আবাসী থকাৰ সুবিধা আছিল। পিছে হোষ্টেলৰ প্ৰথম মহলাৰ দুটামান কোঠা যথেষ্ট সৰু আছিল বাবে সেইকেইটাত দুই বা তিনিগৰাকীকৈ আবাসী আছিল। এটা কোঠাত সাধাৰণতে বেলেগ বেলেগ শিক্ষাবৰ্ষৰ পাঁচগৰাকী ছাত্ৰীক থাকিবলৈ দিয়া হয়। কিন্তু সৌভাগ্যবশতঃ আৰম্ভনিৰ পৰা শেষলৈকে গোটেই তিনিবছৰ আমি একে শিক্ষাবৰ্ষৰ তিনিগৰাকী বান্ধৱী একেলগে আছিলো। আমাৰ মাজত বন্ধুত্বতকৈ ভগ্নীৰ সম্পৰ্কহে অধিক আছিল বুলি ক'ব লাগিব। আচলতে আছিল বুলি ক'লে ভুল হ'ব, আমাৰ মাজত আজিও সেই সম্পৰ্ক বৰ্তী আছে।

হোষ্টেলৰ কথা মনলৈ আহিলেই মনত পৰে ৰেগিঙৰ কথা। অৱশ্যে আমি শুনিবলৈ পোৱা বিভিন্ন মহাবিদ্যালয়সমূহৰ ছাত্ৰ বা ছাত্ৰী নিৱাসসমূহত হোৱা বৰ্বৰ ৰেগিঙৰ দৰে আমাৰ হোষ্টেলত ৰেগিং হোৱা নাছিল। সাধাৰণ চা-চিনাকি আৰু অলপ হাঁহি-স্ফুৰ্তি। কাৰোবাক গান গাবলৈ দিয়া, কাৰোবাক অভিনয় কৰিবলৈ কোৱা নতুবা কাৰোবাক নাচিবলৈ কোৱা ইত্যাদি আছিল ৰেগিঙৰ অন্তৰ্ভুক্ত। সেইবোৰৰ মাজেদিয়ে জমি উঠিছিল ছাত্ৰী নিৱাসৰ বিশেষ বিশেষ একোটা সন্ধিয়া। অৱশ্যে এইবোৰ হৈছিল যেতিয়া ছাত্ৰী নিৱাসলৈ নতুন-আবাসীৰ আগমন ঘটিছিল। এইখিনিতে আমাৰ শিক্ষাবৰ্ষৰ ছাত্ৰীসকলক কৰা ৰেগিঙৰ সুন্দৰ মুহূৰ্ত এটাৰ কথা উল্লেখ কৰিব খুজিছো, যিটোৰ কথা মনত পৰিলে আজিও ওঁঠৰ ফাঁকেৰে হাঁহি এটি সৰি পৰে।

১৯৮৮ চনৰ অক্টোবৰ নে নৱেম্বৰ মাহ আছিল সঠিককৈ মনত নাই। আমাৰ লগৰ ছোৱালীবোৰ ছাত্ৰী নিৱাসলৈ আহিব ধৰিছে। গধূলি হৈ অহাৰ লগে লগে আমাৰ মনবোৰ কিছু ভয় আৰু বেজাৰত কঁপি উঠে। কাৰণ আজিবা কাৰ পাল পৰে জেষ্ঠা আবাসীসকলৰ মুখামুখী হোৱাৰ। এদিন গধূলিৰ কথা। এগৰাকী জেষ্ঠা আবাসীয়ে আহি আমাৰ কোঠাই কোঠাই কৈ গ'লহি যে ছাত্ৰী নিৱাসৰ প্ৰথম মহলাত থকা ১৮ নম্বৰ কোঠাটোলৈ ৭ পৰা ৭-৩০ ৰ ভিতৰত আমিবোৰ গৈ হাজিৰ হ'ব লাগে। যেনে আদেশ তেনে পালন। আমি সকলো গৈ উপস্থিত হ'লোগৈ পূৰ্ব নিৰ্ধাৰিত সময়ত সেই নিৰ্দিষ্ট কোঠাটোত। আমি কোঠাটোৰ বেৰ এখনৰ ফালে থকা খালী ঠাইখিনিত ঠিয় হ'লোগৈ। আমাৰ সন্মুখত থকা বিচনা আৰু চকীত বহি আছে কেইবাগৰাকীও জেষ্ঠা আবাসী। পুনতে আমাৰ নাম, ঠিকনা সোধা হ'ল। তাৰপিচত আমাৰ কেইগৰাকীমানক নিৰ্বাচন কৰি এটি দল গঠন কৰিলে আৰু নিৰ্দেশ দিয়া হ'ল সংগীতানুষ্ঠান এটি পৰিবেশন কৰিবলৈ। এগৰাকীক গান গাবলৈ আৰু বাকীসকলক শূণ্যতে বিভিন্ন বাদ্য বজাবলৈ কোৱা হ'ল। বাদ্য কিন্তু এনেই বজাই দেখুৱালেও নহ'ব। যিটো বাদ্য যিজনে বজাব তেওঁ মুখেৰে সেই বাদ্যৰ মাতটো উলিয়াব লাগিব। আমি কেইগৰাকীমানে পৰিবেশন কৰিবলৈ আৰম্ভ কৰি দিলো বিশেষ সংগীতানুষ্ঠান। আমাৰ অভিনয় দেখি সকলোৱে হাঁহিৰ খলকনি তুলিলে। আমাৰ কিন্তু তেতিয়া হাঁহি উঠা নাছিল। যেনেতেনে নিজৰ কামটো কৰি তাৰ পৰা কেনেকৈ ওলাই আহিব পাৰি তাৰহে চেষ্টা কৰিছিলো। পিচত যেতিয়া নৱাগতা আদৰণি সভা হৈ গৈছিল তেতিয়াহে সেইবোৰ কথা সোঁৱৰি আমি বৰ আনন্দ পাইছিলো। হোষ্টেলত হোৱা ৰেগিঙে আমাক ভৱিষ্যতৰ দিনত প্ৰেৰণা যোগাইছিল এটা বিশেষ কাম কৰাৰ বাবে। সেই কামটো হৈছে আমি স্নাতক দ্বিতীয়বৰ্ষত থাকোতে পাঁচজনী ছোৱালীয়ে মিলি এটি মিউজিকেল বেণ্ড গঠন কৰি বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত অনুষ্ঠান পৰিবেশন কৰিছিলো। সেই সময়ত আজিৰ দৰে প্ৰচাৰ মাধ্যমসমূহ সুচল নাছিল বাবে আমাৰ প্ৰচাৰ বা প্ৰসাৰ নঘটিল। তেতিয়া আমি ভাবিছিলো যে আমিয়ে কিজানি ছোৱালীৰ দ্বাৰা গঠিত অসমৰ প্ৰথম মিউজিকেল বেণ্ড বুলি, কিন্তু আজি কিছুবছৰৰ আগতে জানিব পাৰিলো যে আমাতকৈ কেইবাবছৰো পূৰ্বে এটি এনে মিউজিকেল বেণ্ড আছিল। ভাল লগা কথাটো হ'ল যে সেইটোও গঠিত হৈছিল ডিব্ৰুগড়তে। যিকি নহওক আজিও যেতিয়া কানৈ কলেজৰ সুবিশাল প্ৰেক্ষাগৃহটোৰ সন্মুখত ঠিয় হওঁগৈ, তেতিয়া কলেজীয়া জীৱনৰ এৰি অহা এনে বহু স্মৃতিয়ে চকুৰ আগত অগা-দেৱা কৰে।

আমাৰ হোষ্টেলীয়া জীৱনৰ বহু মধুৰ স্মৃতিবোৰৰ মাজৰ এটা আছিল নৱাগতা আদৰণি সভা। প্ৰতিবছৰে হোষ্টেললৈ

অহা নৱাগতাসকলক অতি ধুমধামেৰে আগৰণি জনোৱা হয়। এইখিনিতে উল্লেখ কৰিব খুজিছো, আমি হোষ্টেলত থকাৰ কালছোৱাত কানৈ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰবক্তা কল্পনা বৰুৱা সেনগুপ্তা বাইদেউ ছাত্ৰী নিৱাসৰ অধ্যক্ষা আছিল। ছাত্ৰী নিৱাসৰ লগতে সংলগ্ন হৈ থকা গৃহত বাইদেৱে পৰিয়ালসহ বাস কৰিছিল। কল্পনা বাইদেউৰ লগতে তেখেতৰ স্বামী কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা, আমাৰ সকলোৰে শ্ৰদ্ধাৰ শিক্ষাগুৰু শান্তনু সেনগুপ্ত চাৰ আৰু তেখেতসকলৰ একমাত্ৰ সন্তানটি আছিল। শান্তনু চাৰ এজন সুদক্ষ অভিনেতা আছিল। হোষ্টেলৰ নবাগতা আদৰণি সভাত গীত-নৃত্যৰ উপৰিও অন্যান্য কিছুমান কাৰ্যসূচীও ৰখা হৈছিল। নবাগতা আদৰণি সভাৰ কথা ক'লে আজিও মনত পৰে এটা ৰসাল ঘটনালৈ আৰু শ্ৰদ্ধাৰ শান্তনু চাৰে কোৱা এটা কৌতুকলৈ। ঘটনাটো আছিল এনে ধৰণৰ -- আমি স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। সেইবছৰ ছাত্ৰী নিৱাসলৈ অহা নবাগতাসকলক আদৰিবলৈ গধূলি নবাগতা আদৰণি সভা আয়োজন কৰা হ'ল। অনুষ্ঠাত শান্তনু সেনগুপ্ত চাৰ আৰু প্ৰতীক চৌধুৰী চাৰ নিমন্ত্ৰীত অতিথি হিচাবে উপস্থিত আছিল। সভাখন নিয়াৰিকৈ পৰিচালিত হৈ আছে। এটা সময়ত শান্তনু চাৰে তেখেতৰ বক্তব্য ৰাখিলে। তেখেতে বক্তৃতা দি থকাৰ মাজতে হঠাৎ বিদুৎ নোহোৱা হ'ল। অলপ সময়ৰ বাবে গোটেই ছাত্ৰী নিৱাস এন্ধাৰত ডুব গ'ল। খৰধৰকৈ সকলো ছাত্ৰীয়ে হাতত থকা টৰ্চ জ্বলাই দিলে। তেতিয়া আজিৰ দৰে ম'বাইলৰ প্ৰচলন হোৱা নাছিল। সেয়ে প্ৰায় সংখ্যক ছাত্ৰীয়ে সুবিধাৰ অৰ্থে লগত এটা টৰ্চ অৱশ্যে ৰাখিছিল। যিকি নহওক অলপ সময়ৰ ভিতৰতে মমবাতি জ্বলাই পোহৰাই তোলা হ'ল সভাকক্ষ। ৰসিক শান্তনু সেনগুপ্ত চাৰে পৰিস্থিতিৰ লগত ৰজিতা খোৱাই এটা কৌতুক উপস্থাপন কৰিলে। তেখেতে ক'লে, এবাৰ এজন মানুহে এন্ধাৰত খোজকাঢ়ি আহি থাকোতে জোনাকী পৰুৱা দেখি ভাবিব ধৰিলে এই জোনাকীবোৰে বাৰু কি খাই যে সিহঁতৰ পিছফালে পোহৰ ওলায়? মানুহজনে ভাবি ভাবি পালেগৈ যে জোনাকীবোৰে গোবৰ খাই আৰু গোবৰত থকা বিশেষ পদাৰ্থৰ বাবে সিহঁতৰ পিছফালে লাইট জ্বলে। মানুহেও যদি এনেদৰে গোবৰ খাব লয় তেন্তে নিশ্চয় মানুহৰ পিছফালেও পোহৰ ওলাব। কৌতুক শুনি সকলোৱে গিজনি মাৰি হাঁহিব ধৰিলে। এই কথাবোৰ মনত পৰিলে আজিও পুলকিত হৈ পৰো। শান্তনু চাৰৰ অকাল বিয়োগৰ বাতৰি পাই ব্যথিত হৈছিলো। এই সুযোগতে চাৰলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাৰ্ঘ্য নিবেদিছো।

উল্লেখ্য যে সেই সময়ত কানৈৰ ছাত্ৰী নিৱাস আৰু ছাত্ৰাবাসৰ মাজত যথেষ্ট মিলাপ্ৰীতি আছিল। সেয়ে ছাত্ৰী নিৱাসত অনুষ্ঠিত হোৱা কিছুমান অনুষ্ঠানলৈ ছাত্ৰাবাসৰ আবাসীসকলকো নিমন্ত্ৰণ কৰা হৈছিল, বিশেষকৈ ছাত্ৰী নিৱাসত উদ্‌যাপন কৰা সৰস্বতী পূজা, নবাগতা আদৰণি সভা ইত্যাদি। একেদৰে ছাত্ৰাবাসত অনুষ্ঠিত হোৱা নবাগত আদৰণি সভালৈ ছাত্ৰী নিৱাসৰ আবাসীসকলক নিমন্ত্ৰণ জনোৱা হৈছিল। তেওঁলোকে ছাত্ৰী নিৱাসৰ নিৰ্বাচিত দুই এগৰাকীক বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ বাবে নিমন্ত্ৰণ জনাইছিল। ছাত্ৰী নিৱাসৰ মেট্ৰেণ বাইদেউৰ নেতৃত্বত ছাত্ৰীসকল ছাত্ৰাবাসৰ নিৰ্দ্দিষ্ট অনুষ্ঠানত ভাগ ল'বলৈ গৈছিল। আমি হোষ্টেলত থকা সময়ত হোষ্টেলৰ মেট্ৰেণ আছিল অৰুণা চলিহা বাইদেউ। ছাত্ৰীবাসৰ আবাসিসকলৰ লগত ছাত্ৰী নিৱাসৰ আবাসীসকলে আবেলি আবেলি ছাত্ৰাবাসৰ সন্মুখত থকা খেল পথাৰত বেডমিণ্টন, ভলীবল আদি খেলবোৰো খেলিবলৈও গৈছিল। তাৰ বাবে ছাত্ৰী নিৱাসৰ অধ্যক্ষা কল্পনা সেনগুপ্ত বাইদেউ বিশেষভাবে ধন্যবাদৰ পাত্ৰ। তেখেতে ছাত্ৰীসকলক কোনোদিন বাধা আৰোপ কৰা নাছিল। নাজানো বৰ্তমান সময়ত ছাত্ৰী নিৱাস আৰু ছাত্ৰীবাসৰ মাজত সেই মধুৰ সম্পৰ্ক আছে নে নাই।

তিনিবছৰীয়া হোষ্টেল জীৱনৰ অনেক ৰঙীন কথাৰ মাজৰে এটা অবিস্মৰণীয় স্মৃতি আছিল সৰস্বতী পূজাৰ দিনা ভিচিডিত চিনেমা চোৱাৰ পৰ্ব। সেই সময়ত সৰস্বতী পূজাৰ দিনা নিশা ছাত্ৰী নিৱাসত চিনেমা চোৱাৰ এটা পৰম্পৰা আছিল। তেতিয়াৰ দিনত ভিচিডিৰ বহুল প্ৰচলন আছিল। হোষ্টেল চুপাৰৰ অনুমতি সাপেক্ষে ভাড়াত অনা ভিচিডি চলাই নিশা চিনেমা চোৱা হয়। চুপাৰ বাইদেউ থকা ঘৰৰ কাষৰ এটা প্ৰকাণ্ড আহল-বহল কোঠাত এই পৰ্ব চলিছিল। এতিয়া ভাবিলে আচৰিত লাগে যে একেটা নিশাৰ ভিতৰত ছোৱালীবোৰে চাৰি পৰা পাঁচখন পৰ্যন্ত চিনেমা চাই শেষ কৰিছিল। উৰে নিশা উজাগৰে থাকি ছোৱালীহঁতে মনৰ হেঁপাহ পূৰণ কৰিছিল। মোৰ চিনেমা চোৱাত বিশেষ আগ্ৰহ

নাছিল যদিও চুপাৰ বাইদেৱে দিয়া দায়িত্ব পালন কৰিবৰ বাবে তাত উপস্থিত আছিলো। চিনেমা চোৱাতকৈ দুই এটা খুহুতীয়া কথাৰে জমি থকা পৰিৱেশটোহে মোৰ বেছি প্ৰিয় আছিল।

সময় গতিশীল। **১৯৯১** চনত কানৈ কলেজৰ পৰা ওলালো। কানৈ কলেজৰ কোঠাবোৰ আৰু মৰমৰ ছাত্ৰী নিৱাসটো স্মৃতিৰ মণিকূটত বন্দী হৈ ৰ'ল। আজি যেতিয়া লেখাটো লিখিবলৈ বহিছো অতীতৰ কানৈৰ স্মৃতিৰ মেটমৰা ভঁৰালৰ পৰা মাথো কিছু লেচেৰী বুটলিবলৈহে সমৰ্থ হ'লো। সকলো কথা এটা লেখাত সামৰি লোৱা সম্ভৱ নহয়। লেখাটো সামৰিব খুজিছো মোৰ এগৰাকী প্ৰিয় কবি হীৰেন ভট্টচাৰ্যৰ এটি কবিতাৰ পংক্তিৰে,

"হাতৰ মুঠিতেই ভাল
মেলি দিলেই উৰি যায়
স্মৃতিৰ ৰঙীন ৰুমাল;
মোৰ চিৰদিন, চিৰকাল।"

জয়তু কানৈ মহাবিদ্যালয়।।

জয়তু কানৈ ছাত্ৰী নিৱাস ও ছাত্ৰাৱাস।।

# ৭৫ বছৰীয়া দুৰন্ত যাত্ৰা

**ড° লোক বিকাশ গগৈ**
প্ৰাক্তন ছাত্ৰ তথা অধ্যক্ষ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান

কানৈ কলেজ, সময়ৰ লেখেৰে ৭৫ টা দীঘলীয়া গৌৰৱোজ্জল বছৰ অতিক্ৰম কৰা উজনি অসমৰ এখন উল্লেখযোগ্য মহাবিদ্যালয়। উজনি অসমত লুইতৰ পাৰ জিলিকাই ৭৫ বছৰৰ আগতেই গঢ়ি উঠিছিল এই জ্ঞানৰ মন্দিৰটি। ডিব্ৰুগড়ৰ কেইজনমান জ্ঞানৰ অন্বেষণকাৰি ভৱিষ্যৎ দ্ৰষ্টাৰ সমূহীয়া প্ৰচেষ্টাত একলা-দুকলাকৈ সজীৱ হৈ উঠিছিল বৰ্তমানে বটবৃক্ষৰ ৰূপ লোৱা এই অনুষ্ঠানটি। ডিব্ৰুগড়বাসীৰ লগতে সমগ্ৰ সমাজ খনৰ বাবেই অতি সৌভাগ্যৰ কথা আছিল যে অনুষ্ঠানটি গঢ়াৰ যাত্ৰাত হনুমানবক্স সুৰজমল কানৈৰ দৰে দানবীৰৰ বৃহৎ পৰিমানৰ মাটি-সম্পতি হেলাৰঙে দান আগবঢ়োৱাত নেতৃত্ব লোৱা সকলৰ বাবে অতি সহজ হৈ পৰিল। তেতিয়াৰে পৰা ডিব্ৰুগড় কলেজ নামেৰে আৰম্ভ হোৱা কলেজখন ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ নামেৰে নামাঙ্কিত হ'ল যি খনক চমুকৈ কানৈ কলেজ হিচাপে সকলোৰে মাজত পৰিচিতি হ'ল। এই ছেগতে যি সকল স্বনামধন্য ব্যক্তিৰ সমূহীয়া প্ৰচেষ্টাত কলেজখনে প্ৰতিষ্ঠা লাভ কৰিলে, প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমানলৈ যি সকল ব্যক্তিয়ে কলেজখনৰ জয়যাত্ৰাত দৈহিকভাৱে, মানসিকভাৱে অথবা বিভিন্ন দান-বৰঙণিৰে অমূল্য অৱদান আগবঢ়ালে, তেতিয়াৰ পৰা এতিয়ালৈ বিভিন্ন পদমৰ্যদাৰে সেৱা আগবঢ়ালে বা আগ বঢ়াই আছে সেই সকলো নমস্য ব্যক্তিক ৰজত জয়ন্তীৰ শুভ ক্ষণত আমাৰ শতকৌটি প্ৰণাম জনাইছোঁ।

আমাৰ পৰম সৌভাগ্য যে এনে এখন ঐতিহ্যমণ্ডিত আগশাৰীৰ কলেজত ছাত্ৰ হিচাপে শিক্ষা গ্ৰহণৰ সুবিধা আমিও লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। সৰুৰে পৰা পুহি ৰখা কানৈ কলেজত পঢ়াৰ সপোন এদিন দিঠকত পৰিণত হৈছিল যিটো হয়তো সকলোৰে ভাগ্যত নঘটে। ১৯৮৬ চনৰ মাজভাগত উচ্চতৰ মাধ্যমিকৰ ফলাফল ওলোৱাৰ অন্তত কানৈ কলেজত স্নাতক বিজ্ঞান শাখাত গনিতক গুৰু বিষয় হিচাপে লৈ নাম ভৰ্তি কৰিছিলো। গণিতৰ শিক্ষক হিচাপে পাইছিলো বিনয় চলিহা ছাৰ, ঘনশ্যাম বৰা ছাৰ আৰু গাঙ্গুলী ছাৰ। আমি শিক্ষা গ্ৰহণ কৰি থকা সময় খিনিতেই, কলেজীয়া শিক্ষাৰ শেষৰটো বছৰত প্ৰীয়দেৱ গোস্বামী ছাৰে নতুনকৈ কৰ্মত যোগদান কৰিছিলহি। বিশ্ববিদ্যালয়ত গৱেষণা কৰি থকাৰ সময়তে, তীক্ষ্ণ মেধা সম্পন্ন যুৱক গোস্বামী ছাৰ গণিতৰ শিক্ষক হিচাপে কলেজ খনলৈ আহিল। খুব সোনকালেই তেখেতে আমাক অৰ্থাৎ ছাত্ৰ-ছাত্ৰী সকলক আকৰ্ষিত কৰিবলৈ সক্ষম হ'ল, শিক্ষক হৈও বন্ধুত্ব সুলভ মনেৰে তেখেতেও আমাক আকোৱালি ললে। গোস্বামী ছাৰৰ শ্ৰেণী সমূহত আমি খুব মনোযোগেৰে উপস্থিত আছিলো। কলেজখনৰ মূল ভৱনটোৰ ১ম মহলাত থকা গণিতৰ সন্মানৰ কক্ষটোত ওপৰোক্ত চাৰিওজন শিক্ষাগুৰুৰে

কৰা শ্ৰেণীসমূহৰ কথা আমাৰ মনত আজিও সজীৱ হৈ আছে। কলেজীয়া শিক্ষাৰ দৰে অতি গুৰুত্বপূৰ্ণ স্তৰত এই সকল গুণী-জ্ঞানী শিক্ষকৰ সানিধ্য লাভ কৰাটো আমাৰ বাবে সৌভাগ্যৰ কথা আছিল। বৰ্তমানৰ কৰ্মজীৱনত যি কিছু কৰিবলৈ সক্ষম হৈছোঁ, তাত এই সকল সন্মানীয় শিক্ষকৰ অৱদানক কেতিয়াও নুই কৰিব নোৱাৰো। কলেজৰ মূল গৃহটোৰ ৰম মহলাত থকা গনিতৰ গুৰু বিষয়ৰ কক্ষটোত উপৰোক্ত চাৰিওজন শিক্ষাগুৰুৱে কৰা শ্ৰেণীসমূহৰ কথা আমাৰ মনত আজিও সজীৱ হৈ আছে। ওখকৈ ক্ষীণ চেহেৰাৰ গহীন-গম্ভীৰ খুজেৰে আহি চলিহা ছাৰে অনুস্ব সুৰত কোমল মাতেৰে গনিতৰ সূত্ৰ আৰু আনুসঙ্গিক প্ৰশ্ন সমূহ সুন্দৰকৈ ব্যাখা কৰিছিল। কলেজত আমি অধ্যয়ন কৰি থকা সময়খিনিতেই চলিহা ছাৰে চাকৰিৰ পৰা অৱসৰ গ্ৰহন কৰিছিল। কলেজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা চলিহা ছাৰৰ বিদায় সম্বৰ্দ্ধনা সভাত আমি গণিতৰ ছাত্ৰ-ছাত্ৰী সকলে সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিলো আৰু সভাখনত কম্পিত কণ্ঠেৰে ছাৰৰ বিষয়ে দুআষাৰ মান বক্তব্য ৰাখিবলৈ আমিও সুবিধা পাইছিলো। ঘনশ্যাম বৰা ছাৰৰ শ্ৰেণীসমূহত আমি স্থানাংক জ্যামিতি, কাল্পনিক সংখ্যাৰ জগতখনত বিচৰণ কৰিছিলো যত ছাৰে সুন্দৰ আৰু সঠিক ভাৱেই আমাক দিক্‌দৰ্শন প্ৰদান কৰিছিল। গাঙ্গুলী ছাৰৰ শ্ৰেণী সমূহত আমাৰ মগজুৱে প্ৰায়েই উজুতি খাইছিল, তেখেতে নিজস্ব ষ্টাইলত, বিষয় সমূহত থকা গভীৰ জ্ঞানেৰে, খৰ গতিৰে, উচ্চ ধাৰণাৰে শ্ৰেণী সমূহ কৰি গৈছিল । উপৰোক্ত তিনিওজন শ্ৰদ্ধাৰ শিক্ষক বৰ্তমান আমাৰ মাজত নাই, এই সুযোগতে কলেজখনৰ শুভক্ষণত তেখেতসকললৈ আমাৰ অন্তৰৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

ৰজত জয়ন্তী উদ্‌যাপনৰ দ্বাৰা ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাৰে আগবাঢ়ি গৈ কানৈ কলেজ বৰ্তমান এখন কেবল অসমৰে নহয়, সমগ্ৰ দেশৰে লেখত ল'বলগীয়া কলেজ হিচাপে স্থিতি লাভ কৰিছে। এতিয়াৰ কলেজখন ফুলে-ফলে জাতিস্কাৰহৈ মানৱ সমাজলৈ শিক্ষাৰ সৌৰভ বিলোৱাত অতি সুন্দৰ ভাৱে সফল হৈছে । কলেজ খনক এই পৰ্যায়লৈ লৈ যোৱাত অৰিহনা যোগোৱা সকলোলৈ আমাৰ অভিনন্দন জনালোঁ। লগতে ৰজত জয়ন্তী উদ্‌যাপনৰ লগত জড়িত সকলোলৈ অলেখ শুভকামনা জনালোঁ আৰু অনুষ্ঠানটি সুকলমে আৰু সফলতাৰে উদ্‌যাপিত হওক তাকে কামনা কৰিলোঁ ।

# স্মৃতিৰ ক'লাজত কানৈ কলেজ

**মৌচুম বৰুৱা**
প্ৰাক্তন ছাত্ৰ, ডিব্ৰুগড়

এক

আজি কিছুদিনৰ আগতে একেদিনাই পাইছিলো দুটাকৈ ফোন। প্ৰথম কানৈ কলেজৰ অধ্যাপিকা অলকানন্দা বৰুৱাৰ আৰু তাৰ পাছত একে মহাবিদ্যালয়ৰেই অধ্যাপক, অগ্ৰজ ভাতৃ ৰঞ্জন চাংমাই আৰু বন্ধু, অধ্যাপক দীপঙ্কজ গগৈৰ, উদ্দেশ্য একেটাই, মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তী উপলক্ষ্যে প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থখনৰ বাবে প্ৰাক্তন ছাত্ৰ হিচাবে এটা লেখা বিচাৰি। এই ফোন দুটা পোৱাৰ পাছৰ পৰাই মোৰ মন-কোঠালিত বিৰাজ কৰিছে এক চৰম অস্থিৰতা। বুকুৰ মাজত সযতনে সাঁচি ৰখা স্মৃতিৰ সঁফুৰাটো মেলি দিওঁতেই উদভ্ৰান্ত হৈ পৰিছে মন আৰু মগজু। কেতিয়াবা যদি মনটোৱে খিলখিলাই হাঁহিছে; কেতিয়াবা আকৌ ভাৱক্ৰান্ত হৈ পৰিছে, কেতিয়াও ঘূৰাই পাব নোৱৰা দিনবোৰৰ কথা ভাবি। ক'ৰ পৰানো আৰম্ভ কৰো, একো আঁতেই ধৰিব পৰা নাই। কাৰণ কানৈ কলেজ মোৰ বাবে কেৱল এক আনুষ্ঠানিক শিক্ষা লাভ কৰা শিক্ষানুষ্ঠানেই নাছিল; ই আছিল মোৰ সদ্যপ্ৰাপ্ত যৌৱনৰ পাঁচটাবছৰ পাৰ কৰা এখন প্ৰাণচপল নদীৰ দৰে। যাৰ সহচৰত চকুৰ পলকতে পাৰ কৰিছিলো জীৱনৰ এক পাহৰিব নোৱৰা সুৱীয়া অধ্যায়। এই মহাবিদ্যালয়ে দিলে মোক পুথিগত জ্ঞান আৰু দিলে জীৱনবোধৰ গভীৰ দীক্ষা, সেয়ে লেখনিটো লেখিবলৈ লৈ বৰ আবেগিক হৈ পৰিছো। তথাপি মনটোক সংযত কৰি, স্মৃতিৰ পটৰ পৰা কিছুমান মূহুৰ্ত লেচেৰি বুটলিবলৈ চেষ্টা কৰা যাওঁক।

দুই

দৰাচলতে কানৈ কলেজৰ ছাত্ৰ হোৱাৰ বহু আগৰ পৰাই ইয়াৰ লগত গঢ়লৈ উঠিছিল আত্মিক সম্পৰ্ক। মোৰ মা যিহেতু এই মহাবিদ্যালয়ৰেই অধ্যাপিকা আছিল, সেয়ে মাজে সময়ে মাৰ লগত গৈ মহাবিদ্যালয়খন আৰু তাৰ বহুসংখ্যক শিক্ষকৰ সৈতে গঢ় লৈ উঠিছিল এক আত্মিক সম্পৰ্ক। এতিয়াও মনত আছে মোৰ শৈশৱত শিক্ষক জিৰণী চ'ৰাত ইংৰাজী বিভাগৰ অধ্যাপক প্ৰয়াত প্ৰভুনাথ সিঙ চাৰে, তেখেতৰ চাহৰ প্লেটৰ পৰা ৰসগোল্লাৰ টুকুৰা এটা মোলৈ আগবঢ়াই দিছিল। তেনেকৈ ভীমকান্ত কোঁৱৰ চাৰৰ "ঐ উষাপুত্ৰ মৌচুম, তই ইয়াত পঢ়াবলৈ নে পঢ়িবলৈ আহিছ?" বুলি কোৱা ডাঙৰ, গলগলিয়া মাতষাৰ বা প্ৰয়াত কল্যাণ বৰুৱা চাৰৰ মিচিকিয়া হাঁহিটো অথবা অলকা বৰুৱা বাইদেউৰ মৰমসনা মাতষাৰ। তাৰ পৰৱৰ্তী সময়ত ১৯৯৫ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত আগষ্ট মাহত কোনোবা এটা দিনত অলেখ সপোন বুকুত লৈ উচ্চতম মাধ্যমিকৰ কলা শাখাত এই মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিছিলো।

এইখিনিতেই এযাৰ কথা উল্লেখ কৰি যাব বিচাৰো যে উচ্চতম মাধ্যমিকত নামভৰ্তিৰ প্ৰ-পত্ৰসংগ্ৰহৰ পৰা স্নাতক পৰ্যায়ৰ পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণলৈকে সকলোখিনি কাম মই নিজেই কৰিছিলো। যদিওবা মোৰ মা প্ৰয়াত ড০ উষাৰাণী বৰুৱা এই মহাবিদ্যালয়ৰেই শিক্ষক আছিল; তথাপি মায়ে মোক কৈছিল -

"হাইস্কুল দেউনা পাৰ হৈ এতিয়া কলেজৰ ছাত্ৰ হ'বা। গতিকে এতিয়াৰ পৰা নিজৰ কাম নিজে কৰিবলৈ শিকা। আত্ম নিৰ্ভৰশীলতা আৰু আত্ম বিশ্বাস জীৱনৰ প্ৰধান সমল।" মাৰ এই কথাষাৰৰ মৰ্ম হয়তো তেতিয়া বুলি পোৱা নাছিলো আৰু গেলা গৰমতো দীঘলীয়া শাৰীত থিয় হৈ সেই কামবোৰ কৰিছিলো। কিন্তু আজি মৰ্মে-মৰ্মে অনুভৱ কৰো যে আত্মানিৰ্ভৰশীলতা আৰু আত্ম প্ৰত্যয়ৰ সেই আদিপাঠ এতিয়াৰ প্ৰাত্যহিক জীৱনত কিমান যে সহায় হৈছে। এই কথাষাৰ অপ্ৰাসঙ্গিক যেন লাগিলেও ইয়াত উল্লেখ কৰাৰ কাৰণ এটা আছে। সাম্প্ৰতিক সময়ত দেখিছোঁ যে আমি অভিভাৱকৰবোৰে আমাৰ সন্তান ডাঙৰ হ'লেও সকলো সময়তে তেওঁলোকৰ লগত ছাঁ-টোঁৰ দৰে লাগি থাকো। মোৰ বোধেৰে আমাৰ এই মানসতাই আমাৰ সন্তানক কোঙা কৰি তুলিছে আৰু তেওঁলোকৰ আত্ম বিশ্বাস কমাই পৰমুখাপেক্ষী কৰি তুলিছে।

## তিনি

সি যি কি নহওঁক এতিয়া পুনৰ মূল প্ৰসঙ্গলৈ অহা যাওঁক। ১৯৯৫ চনত নামভৰ্তি কৰাৰ ঠিক পাছতেই আমি পাইছিলো মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী উদ্‌যাপন। দৰাচলতে মই ভাবি এতিয়াও গৌৰৱ অনুভৱ কৰো যে মোৰ শিক্ষা জীৱনত ছাত্ৰ হিচাবে শিক্ষা লাভ কৰা তিনিখন শিক্ষানুষ্ঠানত তিনিটা গুৰুত্বপূৰ্ণ উদ্‌যাপনৰ লগত জড়িত হোৱাৰ সুযোগ পাইছিলো। প্ৰথম বিদ্যালয়ত থাকোতে ডিব্ৰুগড় ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন, কানৈ কলেজত সোণালী জয়ন্তী উদ্‌যাপন আৰু স্নাতকোত্তৰ শ্ৰেণীত থাকোতে কটন কলেজৰ শতবৰ্ষ উদ্‌যাপন অনুষ্ঠান।

তথাপি কানৈ কলেজৰ স্বৰ্ণজয়ন্তী উদ্‌যাপন অনুষ্ঠান আছিল মোৰ বাবে বিশেষভাৱে স্মৰণীয়। কাৰণ নামভৰ্ত্তিৰ অলপ দিনৰ পাছতেই সোণালী জয়ন্তীৰ লগত সঙ্গতি ৰাখি আয়োজন কৰা আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি লাভ কৰিছিলো দ্বিতীয় পুৰস্কাৰ। এই সফলতাই মোৰ ইমানেই অনুপ্ৰাণিত কৰিছিল যে পৰৱৰ্তী পাঁচটা বছৰ ডিব্ৰুগড়ৰ আশে-পাশে হোৱা প্ৰায়বোৰ তৰ্ক প্ৰতিযোগিতাতে অংশ গ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিলো। আচলতে আমি পঢ়ি থকা সময়ত কানৈ কলেজত এক সুস্থ-সবল সাংস্কৃতিক বাতাবৰণ বিৰাজ কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ উপৰিও ছাত্ৰ একতা সভাৰ উদ্যোগত বা শিক্ষকসকলৰ তত্বাবধানত সঘনাই তৰ্ক, কুইজ, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। আজিৰ কথা নাজানো, কিন্তু আমাৰ দিনত কবিতা আবৃত্তি প্ৰতিযোগিতাত অসমীয়া, ইংৰাজী কবিতাৰ ওপৰিও সংস্কৃত কবিতা আবৃত্তিৰ প্ৰতিযোগিতাও হৈছিল।

ঠিক একেদৰে, বিভিন্ন বিভাগে আয়োজন কৰা আলোচনা চক্ৰবোৰে আমাক বহু উপকৃত কৰিছিল। আনহাতে, প্ৰত্যেক বছৰে অনুষ্ঠিত হোৱা ড০ যোগীৰাজ বসু স্মাৰক বক্তৃতাৰ প্ৰত্যেকটোতে উপস্থিত থাকি বহুবোৰ নতুন কথা শিকিছিলো। এই স্মাৰক বক্তৃতা সমূহৰ ভিতৰত ড০ দীনেশ চন্দ্ৰ গোস্বামীৰ প্ৰায়োগিক জীৱনৰ বিজ্ঞান শীৰ্ষক মনোজ্ঞ বক্তৃতাটো এতিয়াও মনত আছে। একেদৰে, এবাৰ ইচকন – এ আয়োজন কৰা এটা অনুষ্ঠানত গীতা দৰ্শনৰ ওপৰত পণ্ডিত ড০ প্ৰিয়শুপ্ৰবল উপাধ্যায়ে এটা চমু অথচ সাৰগৰ্ভপূৰ্ণ ভাষণ প্ৰদান কৰি উপস্থিত সকলোকে আপ্লুত কৰিছিল।

ইয়াৰ বাদেও, সেইসময়ত মহাবিদ্যালয়খনত নাট্য চৰ্চাও উল্লেখযোগ্য আছিল। প্ৰখ্যাত নাট্যকাৰ, নাট পৰিচলক মুনিন শৰ্মা চাৰ আৰু সুদক্ষ অভিনেতা প্ৰয়াত শান্তনু সেনগুপ্তা চাৰ এইক্ষেত্ৰত আগৰণুৱা আছিল। তেখেতসকলৰ পথ প্ৰদৰ্শনত আগবাঢ়ি আমিও ইংৰাজী বিভাগৰ পৰা বন্ধু প্ৰয়াত শান্তনু খনিকৰ, জিতু ফুকন, মন্টু বুঢ়াগোঁহাই, কনক দত্ত, বিজু দুৰৰা, দেৱজ্যোতি হাজৰিকা আদি মিলি নিজেই নাটক ৰচনা কৰি মহাবিদ্যালয় সপ্তাহত অভিনয় কৰি দুবাৰকৈ শ্ৰেষ্ঠ নাটকৰ পুৰস্কাৰ লাভ কৰিছিলো।

দৰাচলতে, আমাৰ সময়ত হোৱা মহাবিদ্যালয় সপ্তাহে কলেজখনলৈ প্ৰাণৰ সঞ্চাৰ কৰিছিল। ছাত্ৰ-শিক্ষক সকলো হৈ পৰিছিল ব্যস্ত, সকলোৰে মাজত যেন এক অফুৰন্ত চালিকা শক্তি। লালচান্দ কানৈ প্ৰেক্ষাগৃহত চলি থাকে সাংস্কৃতিক প্ৰতিযোগিতা, মূল ভৱন আৰু বিজ্ঞান ভৱনৰ মাজত তেতিয়া কোনো ৰাস্তা নাছিল। সেই আহল-বহল মুকলি স্থানত দুখন বেডমিন্টন আৰু দুখন ভলীবল কৰ্টত হৈ থাকে খেল। সন্মুখৰ চাইকেল ষ্টেণ্ডৰ ওচৰৰ অস্থায়ী বক্সিং ৰিঙত খেল। ৰেলৰে পিল্ডত হয় ফুটবল আৰু ক্ৰিকেট খেলসমূহ। খেলা সকলে খেলে আৰু বাকী ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ৰুচি অনুসৰি বিভিন্ন স্থাপন দৰ্শকৰ শাৰী পূৰাই, আচলতে মহাবিদ্যালয় সপ্তাহে আমাক দিছিল দক্ষতা, কৰ্মোদ্যম আৰু দলগত একতাৰ শিক্ষা।

দলগত একতাৰ প্ৰসঙ্গত হঠাৎ কথা এটা মনলৈ আহিল। তেতিয়া মই স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ। তাৰ আগৰ বছৰ মই মহাবিদ্যালয় সপ্তাহৰ বেডমিন্টন প্ৰতিযোগিতাৰ একক শাখাৰ বিজয়ী আছিলো। সেই বছৰো ছেমিফাইনেল পাইছিলো। কিন্তু দুৰ্ভাগ্য যে একে সময়তে ৰে'লৰে ফিল্ডত আমাৰ বিভাগৰ ৰাসায়ন বিভাগৰ বিৰুদ্ধে ক্ৰিকেট ফাইনেল আৰু ময়ো সেই দলৰ এজন সদস্য। গতিকে ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰি, অৰ্থাৎ বেডমিন্টনৰ ছেমি ফাইনেল নেখেলি মই পালোগৈ ৰে'লৰে ফিল্ড। কাৰণ বিভাগীয় একতা তথা দায়বদ্ধতা সদায় আগত। অৱশ্যে ক্ৰিকেটৰ ফাইনেলখনত আমি পৰাজিত হৈছিলো। তথাপি এনেকৈয়ে মহাবিদ্যালয় সপ্তাহে আমাক দলগত একতাৰ এক ডোলেৰে বান্ধ খাই থাকিবলৈ শিক্ষা প্ৰদান কৰিছিল। এতিয়া অৱশ্যে একেই উলহ-মালহেৰে মহাবিদ্যালয় সপ্তাহৰ আয়োজন হয় নে নহয় নাজানো। কিন্তু আশা ৰাখিছো যে এতিয়াও একেই প্ৰাণ চঞ্চলতাৰে মহাবিদ্যালয় সপ্তাহ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ লগতে একতা, সমতা, দায়বদ্ধতাৰ দীক্ষা প্ৰদানৰ এক কৰ্ষণথলী প্ৰদান কৰিব লাগে।

### চাৰি

কানৈ কলেজত পঢ়ি থকাৰ দিনত দুটাকৈ আকৰ্ষণৰ থলী আছিল। ইয়াৰেই প্ৰথম তথা প্ৰধান আছিল কলেজখনৰ চহকী পুথিভঁৰালটো। মহাবিদ্যালয়খনৰ আৰম্ভণিতেই প্ৰথম অধক্ষ্য পণ্ডিত ড০ যোগীৰাজ বসুদেৱৰ একান্ত প্ৰচেষ্টাত গঢ়লৈ উঠিছিল এই পুথিভঁৰালটো। আনকি এবাৰ মহাবিদ্যালয়লৈ অহা তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, পণ্ডিত প্ৰবৰ ড০ কৃষ্ণকান্ত সন্দিকৈদেৱে পুথিভঁৰালটো দৰ্শন কৰি অভিভূত হৈ ভূয়সী প্ৰশংসা কৰিছিল। দৰাচলতে, অধক্ষ্য যোগীৰাজ বসুদেৱে ভাৰতৰ য'লৈকে গৈছিল, তাৰপৰাই মহাবিদ্যালয়ৰ পুথিভঁৰালটোৰ বাবে আপুৰুগীয়া তথা উপযোগী গ্ৰন্থসমূহ সংগ্ৰহ কৰি আনিছিল। সেয়ে আমি পঢ়ি থকাৰ সময়ত প্ৰায়েই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিভিন্ন বিষয়ত গৱেষণা কৰি থকা ছাত্ৰ-ছাত্ৰীক আপুৰুগীয়া গ্ৰন্থৰ সন্ধানত পুথিভঁৰালটোলৈ অহা লগ পাইছিলো। অৱশ্যে আমি পঢ়ি থকা সময়ত পুথিভঁৰালটোৰ কায়িক ৰূপটো তনকিয়াল নাছিল। তেতিয়া পুথিভঁৰালটো আছিল বৰ্তমানৰ ইংৰাজী, অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান বিভাগকেইটা থকাৰ স্থানত। যত্নৰ অভাৱত পুৰণি কিতাপ কিছুমান উৰলি গৈছিল। কিতাপ আলমিৰা আৰু পঢ়া কোঠাৰ চকী-মেজবোৰো পুৰণি হৈছিল। আনহাতে, পুৰণি আপুৰুগীয়া গ্ৰন্থ বহুতো আছিল যদিও, নতুন কিতাপ বা গৱেষণা পত্ৰিকাৰ অভাৱ পৰিলক্ষিত হৈছিল। কিন্তু আজি দুবছৰমানৰ আগত নতুন পুথিভঁৰালটোলৈ গৈ ভাল লাগিল। অত্যন্ত পৰিপাটি আৰু নতুন গ্ৰন্থ তথা গৱেষণা পত্ৰিকাৰ সমাহাৰ দেখা পালোঁ আৰু ই এখন মহাবিদ্যালয়ৰ বাবে এক ইতিবাচক দিশ। আনকি যোৱাৰ বছৰ অসমীয়া বিভাগে আয়োজন কৰা অনুবাদ সাহিত্য সম্পৰ্কে অনুষ্ঠিত এখন কৰ্মালাত সমল ব্যক্তি হিচাবে যাওঁতে পুথিভঁৰালত নতুনকৈ সংযোজন হোৱা "শ্ৰীমদ্ ভাগৱত গীতা"ৰ ডিজিটেল সংস্কাৰনটো দেখি নথৈ আনন্দিত হ'লো।

পুথিভঁৰালৰ পাছতেই আমাৰ আকৰ্ষণৰ দ্বিতীয় স্থলী আছিল কলেজ কেন্টিনখন। দৰাচলতে, কেন্টিনখন আমাৰ বহুতৰে বাবে শ্ৰেণী নথকা সময়ৰ আড্ডাৰ থলী আছিল। তেতিয়াৰ কেন্টিনখন বৰ্তমানৰ কেন্টিনখনৰ স্থানতো নাছিল আৰু ইমান সু-শৃংখলিতও নাছিল। আমাৰ সময়ত কেন্টিনখন আছিল এবিটা গেলেৰী আৰু শিক্ষক আৱাস তথা ছাত্ৰাবাসলৈ যোৱা পথটোৰ কাষত এটা সৰু এচলিয়া কোঠাত তিনিখন বেঞ্চ আৰু ডেস্কৰ সৈতে। তথাপি তাৰ মাজতেই প্ৰাণ পাই উঠিছিল আমাৰ সৰস আড্ডাবোৰে। সেইসময়ত কেন্টিনখন চলাইছিল বাইদেউ এগৰাকীয়ে। আজি বহু চেষ্টা কৰিও বাইদেউ গৰাকীৰ নাম মনত পেলাব পৰা নাই। কেন্টিনখনত তেতিয়া মাত্ৰ পোৱা গৈছিল ৰুটী, ঘুগুণী আৰু আলুচ'প। বাইদেউৰ খাদ্য সম্ভাৰ সুস্বাদু নাছিল সঁচা, কিন্তু তেখেতৰ মৰমীয়াল ব্যৱহাৰ আৰু তামোলৰ পিকেৰে ৰঙা হৈ থকা ওঁঠৰ হাঁহিটো এতিয়াও মানসপটত সজীৱ হৈ আছে। বাইদেউৰ সেই কেন্টিনৰ আড্ডাত আমাৰ আলচ হয় কবিতা, নাটক, সঙ্গীত, খেল, ৰাজনীতি, অৰ্থনীতি, চিনেমা আৰু নানা কথা। মুঠতে কানৈ কলেজৰ পুথিভঁৰালটোৱে যদি আমাক দিছিল এক বৌদ্ধিক নিৰ্যাস, একেদৰে কলেজ কেন্টিনখন আছিল অধ্যায়ন আৰু প্ৰাত্যহিক জীৱনৰ পৰা আঁতৰত থাকি যৌৱনোচ্ছল জীৱনটো উপভোগ কৰাৰ এক আহিলা।

### পাঁচ

মৰমৰ কানৈ কলেজখনৰ বিষয়ে স্মৃতিৰ পটৰ পৰা বুটলি আনি বহু কথাই কোৱা হ'ল। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটোৰ বিষয়েই কোৱা হোৱা নাই চোন? সেয়া হৈছে আমাৰ শ্ৰদ্ধাৰ

শিক্ষাগুৰু সকলৰ কথা। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰথম দিনৰ প্ৰথম শ্ৰেণীটোৱেই আছিল অসমীয়া। তেতিয়া আমাৰ শ্ৰেণীবোৰ আৰম্ভ হৈছিল ৯ঃ২০ বজাত আৰু আমাৰ শ্ৰেণীকোঠাটো আছিল বৰ্তমানৰ শিক্ষকৰ জিৰণীচ'ৰাটো। ঠিক ৯ঃ২০ ৰ ঘন্টাটো বজাৰ লগে লগে সোমাই আহিছিল শুদ্ধ বগা ধুতি-কামিজ পৰিহিত আমাৰ শ্ৰদ্ধাৰ ভীমকান্ত কোঁৱৰ চাৰ। তেখেতৰ পুৰুষসুলভ আজিও কাণত গুঞ্জৰি থাকে। একেদৰে অসমীয়া বিভাগৰে প্ৰয়াত প্ৰফুল্ল ভট্টাচাৰ্য চাৰৰ বিশুদ্ধ উচ্চাৰণেৰে সুন্দৰ উপস্থাপন ৰীতি, প্ৰয়াত ফৰিদা চৰফুদ্দিন বাইদেউৰ মৰমীয়াল মাতষাৰ, প্ৰয়াত ড০ উষাৰাণী বৰুৱা বাইদেউৰ সহজভাৱে বুজাৰ পৰা ক্ষমতা আৰু নতুনকৈ যোগদান কৰা ৰূপালিম ঠাকুৰ বাইদেউৰ হাঁহি মুখেৰে বুজাই যোৱা পাঠবোৰ আজিও মনত আছে। একেদৰে ৰাজনীতি বিজ্ঞান বিভাগৰ ড০ কামিনীৰঞ্জন বৰুৱা চাৰ, ভেংৰা চাৰ, অৰ্থনীতি বিভাগৰ ড০ সোণালী গোস্বামী বাইদেউ, ড০ অতিকুদ্দিন আহমেদ চাৰ, ড০ জয়শ্ৰী কোঁৱৰ বাইদেউ, পাৰ্থ গাংগুলী চাৰ, দৰ্শন বিভাগৰ অলকা বৰুৱা বাইদেউ, প্ৰয়াত ভবেন বৰুৱা চাৰ, ড০ ৰাজী কোঁৱৰ বাইদেউ, ইতিহাস বিভাগৰ চন্দনা গোস্বামী বাইদেউৰ শ্ৰেণীসমূহ এতিয়াও ৰিণিকি ৰিণিকি মনত আছে।

আনহাতে, স্নাতক পৰ্যায়ত ইংৰাজী বিষয় সন্মান হিচাবে লোৱাৰ বাবে সেই বিভাগৰ শিক্ষকসকলৰ একেবাৰে ওচৰ চাপি গৈছিলো। প্ৰয়াত প্ৰভূনাথ সিঙ চাৰ বা প্ৰয়াত মেহতাবুদ্দিন আহমেদ চাৰৰ পিতৃসুলভ ব্যৱহাৰ, যাদৱ বৰুৱা চাৰ বা মুনিন শৰ্মা চাৰৰ শিক্ষকসুলভ আচাৰ আৰু পঠনভঙ্গীয়ে আমাক মুহিত কৰিছিল। সেইদৰে আমাৰ সকলোৰে শ্ৰদ্ধাৰ শিক্ষক আৰু মই নিজেও এজন শিক্ষক হিচাবে যাৰ শিক্ষণশৈলী অনুকৰণ কৰাৰ চেষ্টা কৰো, সেই প্ৰতীক চৌধুৰী চাৰৰ "ফেয়াৰী কুইন" ৰা ৰ্ৰডছৱৰ্থ, এলিয়টৰ কবিতাৰ আলোচনা এতিয়াও মনত জীপাল হৈ আছে। একেদৰে ড০ মধুমিতা পুৰকায়স্থ বাইদেউৰ ইংৰাজী ভাষা আৰু সাহিত্যৰ ওপৰত থকা দখল দেখি আমি আশ্চৰ্যচকিত হৈ পৰিছিলো। শেষত আমি স্নাতক তৃতীয় বৰ্ষত থাকোতে যোগদান কৰা অদিতী কোঁৱৰ বাইদেউৰ জৰ্জ বৰ্ণাড শ্ব'ৰ নাটকৰ আলোচনা আদিবোৰ হয়তো জীৱনত কাহানিও নাপাহৰিম।

কানৈ কলেজত আমি পঢ়াৰ সময়ত এটা খুব ভাল লগা দিশ আছিল ইয়াৰ শিক্ষক-ছাত্ৰৰ সম্পৰ্ক। যদিওবা আমি কলা শাখাৰ ছাত্ৰ আছিলো, আমাৰ বাবে বিজ্ঞান শাখাৰ শিক্ষক সকলো আছিল সমানেই শ্ৰদ্ধাৰ আৰু পূজ্য। তেখেত সকলেও আমাক বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৰেই মৰম আৰু যত্ন লৈছিল। সেইবাবেই এতিয়াও মোৰ ড০ টিকেন্দ্ৰজিত গগৈ চাৰ, ড০ নৰেন্দ্ৰ মাহেলা চাৰ, অনন্ত কুমাৰ দত্ত চাৰ, ড০ দিলিপ ভূঞা চাৰ আদিৰ লগত এক সু-সম্পৰ্ক বৰ্তি আছে। ছাত্ৰ-শিক্ষকৰ এনে আত্মিক সম্পৰ্কৰ বাবেই সেইসময়ত কলেজখনত এক সুস্থ শৈক্ষিক বাতাবৰণ বিৰাজ কৰিছিল। এজন প্ৰাক্তন ছাত্ৰ তথা বৃত্তিত শিক্ষক হিচাবে মই আশা ৰাখিছো যে বৰ্তমানো কানৈ কলেজত শিক্ষক ছাত্ৰৰ মাজত এক নিবিড় সম্পৰ্ক আছে আৰু অনাগত দিনতো থাকিব, যি মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণত প্ৰভূত অৰিহণা যোগাব।

## ছয়

এনেকৈ যদি স্মৃতিৰ সফুঁৰা খুলি লেচেৰি বুটলি থকা যায়, তেনেহ'লে লেখাটোৱে স্মৃতিগ্ৰন্থখনৰ এক অংশ অধিকাৰ কৰি ল'ব। সেয়ে বহু কথা ক'ব থাকিলেও মনটোক লেকাম লগাই ইয়াতেই লেখাটোৰ মুখনি মাৰিব বিচাৰিছো। এইখন মহাবিদ্যালয়ে মোক বহুতো দিলে - জ্ঞান দিলে, নিজৰ ভৰিত থিয় হোৱাৰ সামৰ্থ দিলে; যৌৱনৰ প্ৰাণচঞ্চলতা দিলে, দিলে জীৱনবোধৰ শিক্ষা। তাৰ বিনিময়ত এইখন মহাবিদ্যালয়ক দিবৰ বাবে মোৰ যে একোৱেই নাই। মহাৰজত জয়ন্তীৰ এই মাহেন্দ্ৰ ক্ষণত দিব পাৰো মাথো এবুকু মৰম, একাঁজলী শুভেচ্ছা। লগতে এক গভীৰ প্ৰত্যাশ্য যে ইয়াৰ শিক্ষকবৃন্দৰ বৌদ্ধিক কচৰৎ, ভূমিৰ পৰা ভূমামুখী চিন্তা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কৃচ্ছ সাধনা, অধ্যাৱসায়ৰ মাধ্যমেৰে আমাৰ প্ৰাণৰো প্ৰাণৰ কলেজখনৰ সুন্দৰ সন্ধানী, পোহৰ সন্দানী যাত্ৰা যেন অবিৰত হৈ ৰওঁক, এয়েই কামনাৰে - জয়তু কানৈ কলেজ।

# কানৈ কলেজৰ ডুখৰীয়া ছবি ঃ মোৰ আশা আৰু আকাংক্ষাৰ স্থল প্ৰাণী বিজ্ঞান বিভাগ

**বিজয়া গগৈ**
অৱসৰ প্ৰাপ্ত অধ্যক্ষা
ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়

১৯৭৫ চন। তদানীন্তন শিক্ষামন্ত্ৰী আছিল প্ৰয়াত হিতেশ্বৰ শইকীয়া। কলেজ শিক্ষকসকলৰ আন্দোলন। আমাৰ কানৈ কলেজৰ ছাৰ সকলেও কৰিছে। আমি তেতিয়া হোষ্টেলৰ ছাত্ৰী। প্ৰাক বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ সময়। সন্মানীয় শিক্ষাগুৰু সকলৰ আন্দোলন সমৰ্থন কৰি আমি ছাত্ৰ-ছাত্ৰীবোৰে কলেজৰ মূল প্ৰৱেশদ্বাৰত প্ৰথম পৰীক্ষাৰ দিনা অৱস্থান লৈ আছোঁ। ইফালে সিফালে আছে বন্দুকধাৰী চি আৰ পি, পুলিচ বাহিনী। এক যুদ্ধসদৃশ পৰিৱেশ।

যথা সময়ত পৰীক্ষাৰ ৱাৰ্ণিং বেল পৰাত চি আৰ পিৰ হুইছেল আৰু লাঠি ঘূৰোৱা দেখি ভয়তে আমি এমুঠি ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাগৃহত প্ৰৱেশ কৰিলোঁ। বাকীবোৰে কি কৰিলে তেতিয়া একো নেজানিলোঁ। পৰীক্ষা শেষ কৰি হোষ্টেললৈ যাবলৈ ভয় লাগিল পৰীক্ষা নিদিয়া লগৰবোৰক কি ক'ম বুলি ভাবি। কিবা সুবিধা হোৱাত টেঙাখাটৰ ঘৰলৈ গৈ ৰাতিহে পালোগৈ।

সেইবাৰ বৰ খেলিমেলিকৈ পৰীক্ষা দি দ্বিতীয় বিভাগত তেতিয়াৰ প্ৰাক বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হৈ নিজৰ কলেজতে জীৱবিজ্ঞানৰ যিকোনো এটা বিভাগত সন্মান সহকাৰে অধ্যয়ন কৰাৰ চেষ্টা কৰিলোঁ।

প্ৰথমে কিছুদিন উদ্ভিদবিজ্ঞান আৰু প্ৰাণীবিজ্ঞান দুয়োটাতে অনাৰ্চৰ ক্লাচ কৰি বাচিবলৈ মন যোৱাত সেইটোকে কৰিলোঁ। শেষত দেখিলো উদ্ভিদবিজ্ঞানৰ শিপা, কাণ্ড আদিবোৰৰ যিবোৰ শ্লাইড প্ৰস্তুত কৰিব লাগে তাৰ বাবে মোৰ হাত ইমান পাকৈত নহয়। প্ৰয়োজনীয় জোখৰ মিহি কৰিবলৈ মোক বহু সময় লাগে। সেয়ে এইটো বিভাগ ইমান পঢ়িয়ে আশা ত্যাগ কৰি প্ৰাণী বিভাগৰ শৰণাপন্ন হলোঁ।

তেতিয়াৰ পৰা প্ৰাণী বিজ্ঞানৰ বিভাগটো 'আমাৰ ডিপাৰ্টমেন্ট' হৈ পৰিল। ভাল পাব পৰাকৈ, মৰম কৰিব পৰাকৈ নিজৰ কৰি একাত্ম হৈ গ'লো প্ৰাণী বিজ্ঞানৰ বিভাগটোৰ লগত। আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ ছাত্ৰীৰ মাজত মৰম চেনেহ, বুজা-বুজি আছিল অত্যন্ত বেছি। ছাৰ বাইদেউ সকলৰ আমাৰ প্ৰতি হেপাঁহৰ অন্ত নাছিল। অনাৰ্চৰ ক্লাচত ক'ম ল'ৰা-ছোৱালী বাবে প্ৰতিটো কথাতে মনোযোগ আছিল ছাৰ-বাইদেউসকলৰ অপৰিসীম। প্ৰাণী বিজ্ঞান বিভাগত তেতিয়া পাঁচ গৰাকী অধ্যাপক অধ্যাপিকা আছিল। তেখেতসকল হৈছে প্ৰয়াত ডিম্বেশ্বৰ চলিহা, প্ৰয়াত ৰঞ্জিত কুমাৰ ৰয়, শ্ৰীযুতা চাহেৰা খাতুন (বাইদেউক আমি সকলোৱে শ্যেলী বাইদেউ বুলিয়ে মাতিছিলোঁ), শ্ৰী যুতা প্ৰণতি দত্ত আৰু বাৰ্মা উপাধীৰ ছাৰ এগৰাকী নতুনকৈ আহিছিল। তেখেতৰ নামটো মনলৈ অহা নাই।

সেই সময়ত কলেজৰ অধ্যক্ষ আছিল প্ৰয়াত ডিম্বেশ্বৰ চলিহা ছাৰ। ছাৰে আমাক বংশগতিৰ কাকতখন পঢ়াইছিল।

ছাৰ বিভাগীয় মুৰব্বী হোৱা বাবে বিভিন্ন কাম ব্যস্ত থাকিব লগা হৈছিল বাবে সঘনাই শ্ৰেণীসমূহ ল'ব পৰা নাছিল। কিন্তু তেখেতৰ বিষয়বোৰ বুজোৱা নিয়ম ইমানেই মনোগ্ৰাহী আছিল যে এবাৰ বুজাই দিয়াৰ পিছত পাহৰিবলৈ ভাবিব লাগিব। আমাৰ পিছৰ জীৱনত ছাত্ৰী হৈ থাকোতে আৰু শিক্ষয়ত্ৰী হিচাপেও তেখেতৰ বুজোৱা কথাবোৰ মনলৈ আহিছিল। আৰু ছাৰৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ। চলিহা ছাৰে আমাক প্ৰেক্‌টিকেলও বৰ সুন্দৰকৈ কৰিব শিকাইছিল। এইকণ লিখিবলৈ যাওঁতে ছাৰৰ মুখখন, পঢ়োৱাৰ ভাব-ভঙ্গী সকলোবোৰ মনলৈ আহি অগাডেৰা কৰিছে।

শ্ৰেণীকোঠাৰ বাহিৰতো চলিহা ছাৰে আমাক কিছুমান প্ৰজেক্ট কৰিবলৈ নিজৰ গাড়ীত উঠাই ডিব্ৰুগড়ৰ বহুকেইটা গুডাম ঘৰলৈ গৈ খাদ্য সামগ্ৰীৰ অনিষ্টকাৰী পেষ্ট সংগ্ৰহ কৰি অনাত সহায় কৰিছিল। পৰীক্ষাগাৰত ছাৰৰ তত্বাবধানত কুনকুনী মাখি জন্ম দিওৱা শিক্ষা আজীৱন সজীৱ হৈ আছে।

চলিহা ছাৰৰ এটা বিশেষ গুণ আছিল যে শ্ৰেণী কোঠাৰ বাহিৰত তেখেতে আমাৰ সৈতে হাঁহি ধেমালি কৰি আনন্দ উপভোগ কৰিছিল। বিভাগীয় শিক্ষামূলক ভ্ৰমণত গ'লে সেইয়া পিকনিকৰূপে যা-যোগাৰ কৰা হৈছিল। এবাৰ ডিগবৈৰ অৰণ্যলৈ এনেকুৱা এক শিক্ষামূলক ভ্ৰমণত গৈ ৰান্ধি বাঢ়ি খোৱাৰ ব্যৱস্থা কৰি কিছুমান 'স্পেচিমেন চেম্পল' সংগ্ৰহ কৰিছিলোঁ। লগতে ফৰেষ্ট অফিচৰ ওচৰৰ মুকলি ঠাইত খোৱা-বোৱা কৰাৰ সোৱাদ আজিও জিভাত লাগি আছে।

এবাৰ আকৌ চলিহা ছাৰৰ তত্বাবধানত আমি জামিৰাৰ হাবিলৈও গৈছিলোঁ। সেইদিনাও ফিল্ড প্ৰেক্টিকেলৰ কাম শেষ হোৱাৰ পিচত আমি সকলোৰে মিলি হাঁহি ধেমালিৰে এসাজ খাইহে কলেজলৈ ঘূৰিলোঁ।

এইবোৰ পাহৰিব নোৱাৰা দিন। আনন্দেৰে শিকিছিলোঁ শিকিবলগীয়া পাঠ্যপুথিৰ বা হাতে কামে ব্যৱহাৰিক কামবোৰেও। শিকাত অকণো চাপ নাছিল। কাৰণ চলিহা ছাৰ বৰ খোলা মনৰ ব্যক্তি আছিল। আচলতে তেখেত মহান ব্যক্তি আছিল।

পিছলৈ চলিহা ছাৰে বহুতো গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰিছিল। চৰাইৰ ওপৰত লিখি উলিওৱা কেইবাখনো গ্ৰন্থ আমি পঢ়িবলৈ পাইছোঁ।

আমাৰ বাবে সিমান আদৰৰ আছিল প্ৰয়াত ৰঞ্জিত ৰয় ছাৰ। তেখেতে আমাক কোষতত্ত্বৰ ভাগটো পঢ়াইছিল। ভাবিলে কেতিয়াবা নিজৰে আচৰিত লাগে ৰয় চাৰে পঢ়োৱা হৰম'ন অধ্যায়টো অকণো হ্ৰণ-ভগন নোহোৱাকৈ আজিও অটুত হৈয়ে আছে। বিষয়টো মোৰ বাবে চৰ্ত সাপেক্ষ আছিল। ছাৰৰ বুজোৱা মনত ৰৈ যোৱাৰ কাৰণে হয়তো সহজ পাইছিলোঁ আৰু সহজ পোৱাৰ বাবেই ভাল লাগিছিল ছাগে পঢ়িবলৈ। সাতে পাঁচে মিলি নম্বৰ বেছিকৈ পাইছিলোঁ। অৰ্থাৎ বৰ সন্তুষ হৈছিলোঁ ছাৰৰ বিষয়টো পঢ়ি। তেখেতৰ পৰা মোৰ ডাঙৰ উপকাৰ এটা হৈছিল যে ছাৰে সেই সময়ত গৱেষণা কামো কৰি আছিল আৰু সেইবোৰ আমাক ইটো সিটো দেখুৱাইছিল। দুই এটা সৰু সৰু কাম কৰিব পৰাটো কৰিবলৈও দিছিল। তেখেতৰ এই কামবোৰ চাই নেৰানেপেৰাকৈ লাগি থাকব পৰা গুণটোৰ কথা হৃদয়ঙ্গম কৰিছিলোঁ।

ৰয় ছাৰৰ তত্বাবধানত আমি প্ৰাণীবিজ্ঞান বিভাগে ভাৰত ভ্ৰমণত যোৱাৰ সৌভাগ্য লাভ কৰিছিলোঁ। তাৰ ভিতৰত ৰাণীখেত, নাইনিতাল, আলমোৰা আদি ঠাইৰ লগতে পুৰীলৈও গৈছিলোঁ। মনত পৰে পাহাৰীয়া ঠাইবোৰত ছাৰৰ লগত 'স্পেচিমেন' সংগ্ৰহ কৰিছিলোঁ।

ৰয় ছাৰ বহুত ভোজনবিলাসী আছিল। এবাৰ আমাৰ বিভাগটো এদিনীয়া শিক্ষামূলক ভ্ৰমনত যাওঁতে মাছৰ ব্যঞ্জনখন ছাৰে ৰান্ধিছিল।

ক্লাছলৈ আহোতে দৌৱা দৌৰি হ'লে ছাৰে কয়, "মই নিজে ৰান্ধি তিনিখন আঞ্জাৰে ভাত খাই আহিছোঁ আৰু তোমালোকৰ দালি ভাত এখন তৰকাৰী খাই আহোতেও ইমান পলম।" তেতিয়া ছাৰৰ বিয়া হোৱা নাছিল।

তেখেতৰ কামবোৰ বৰ পৰিপাটি আছিল। আৰু আমাকো তেনে হোৱাটো বিচাৰিছিল। ছাৰে আমাক পৰীক্ষাত খৰকৈ লিখিবৰ বাবে সদায় কলমৰ মুখখন কলমটোৰ পিঠিত লগাই ল'বলৈ নিদিয়ে। তেখেতৰ মতে মুখখন কলমটোৰ পিঠিত লগাই থলে গধুৰ হয় সেয়ে খৰকৈ লিখাত বাধা হ'ব পাৰে। তেতিয়া চিয়াহী ভৰোৱা মুখনি থকা কলম আছিল। অনাৰ্চৰ ক্লাচত ছাৰে নোটচ দিওঁতে পাহৰি সাফৰখন লগাই থলে ছাৰে নিজেই এৰুৱাই দিয়ে। ইমান গঠনমূলক কথা আছিল এইবোৰ ভাবিলে আজিও কৃতজ্ঞতাত শিৰ নত হৈ যায়।

ৰয় ছাৰে আমাৰ এটা ডাঙৰ উপকাৰ কৰিছিল যদিও কামটোহে কাৰ্যকৰী নহ'ল। এম এচ চি পাচ কৰিয়ে ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষয়ত্ৰীৰূপে নিয়োগ হৈ থকা অলপ দিনৰ পিচত ডিব্ৰু কলেজত এটা পʼষ্ট ওলাইছিল। সেই কথাষাৰ কৈ সাক্ষাৎকাৰৰ দিনা ওচৰলৈ যাওঁতে তেখেতে সাক্ষাতকাৰ লওঁতা সকলক মোৰ হৈ দুআষাৰ কৈও দিছিল সম্ভৱ। তেওঁলোকেও হয়তো কথাটো গুৰুত্বসহকাৰে লৈছিল। পিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসুস্থ সহপাঠী এজনে পʼষ্টটো তাৰ হৈ এৰি দিবলৈ কোৱাত মোৰ আৰু জীৱনত কলেজত অধ্যাপনা কৰা কোনোদিনে নহ'ল। মোৰ বন্ধুজন বৰবাৰীত চিকিৎসা কৰোৱা ক্ৰনিক আৰ্থাইটিচ ৰোগী আছিল। তথাপিও ছাৰৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ ৰʼলোঁ।

শ্যেলী বাইদেৱে আমাক ভাৰ্টিব্ৰেট জুলʼজী ভগটো পঢ়াইছিল। বাইদেউৰ মৰমবোৰ অন্তঃস্ৰোত হৈ আছিল। গহীন আছিল বাইদেউ। আমি আসৈ পোৱা নাছিলোঁ। হলেও বাইদেৱে পঢ়োৱাৰ কিনো যাদু আছিল কʼব নোৱাৰোঁ, যেনেকৈ পঢ়াই পৰীক্ষাত তেনেকৈয়ে লিখিব পাৰি। বৰ ভাল পাইছিলোঁ বাইদেউৰ পঢ়োৱাৰ কৌশল। আমাৰ শিক্ষয়ত্ৰী জীৱনত তেখেতৰ পঢ়োৱা নিয়ম প্ৰায়ে মনত পেলাইছিলোঁ।

বাইদেউৰ আন এটা কথাই আমাৰ মনোযোগ সততে আকৰ্ষণ কৰিছিল, সেইয়া হৈছে বাইদেৱে বৰ সুন্দৰকৈ ওৰণি লৈ থাকিছিল, বৰ পৰিপাটিকৈ।

শ্ৰদ্ধাৰ প্ৰণতি দত্ত বাইদেৱে আমাক অমেৰুদণ্ডী প্ৰাণীৰ ভাগটো পঢ়াইছিল। বৰ যত্ন কৰিছিল তেখেতে আমাৰ শিক্ষাদান কাৰ্যত।

ব্যৱহাৰিক শ্ৰেণীসমূহ নিজৰ নিজৰ থিঅʼৰি ভাগৰ লগত মিলাই প্ৰত্যেক গৰাকীয়ে কৰিছিল।

আমি ওলাই আহিবৰ কিছুদিন আগতে বাৰ্মা উপাধিৰ ছাৰ এজনে জৈৱ বিৱৰ্তন ভাগটো আমাক পঢ়াইছিল।

আমি ছাত্ৰ-ছাত্ৰী ছয়-সাতজন মানহে অনাৰ্চ শ্ৰেণীত শেষলৈকে থাকিলোগৈ। ছাত্ৰী আমি হোষ্টেলৰ মামনি ফুকন আৰু মই আছিলোঁ। ছাত্ৰ পুৰন্দৰ কোঁৱৰ, বৈদ্য বৰগোহাঞি, কিৰণ বাৰ্মা আৰু পদুম মজুমদাৰ আছিল। ১৯৭৭ চনতে এৰাএৰি হোৱাৰ পিছত মামনিৰ বাহিৰে কাকো লগ পোৱা নাই।

পাছ কৰি আমি গৈছিলোঁ গুৱাহাটী বিশ্ববিদ্যালৈ আৰু মামনিয়ে পিছৰ বছৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লাইফ চায়েন্স বিভাগত পঢ়ি পিছত নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰিলে। মই ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষয়িত্ৰী কৰি শেষত অধ্যক্ষাৰূপে ২০১৭ বৰ্ষত অৱসৰ গ্ৰহণ কৰিলোঁ।

এতিয়া আমি ৰহাৰ বাসিন্দা হৈ অৱসৰ জীৱনৰ আজৰি সময় পঢ়া-শুনা, লেখা-মেলা কৰি কটাইছোঁ।

অসমৰ এখন নামজ্বলা কলেজৰ ছাত্ৰী হʼবলৈ পোৱাৰ গৌৰৱ আজি এইকণ লেখিবলৈ পাই পুনৰবাৰ অনুভৱ কৰিলোঁ।

কলেজখনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। আমাৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ আৰু স্বৰ্গবাসী চলিহা ছাৰ আৰু ৰয় ছাৰ সৰগত শান্তিৰে বাস কৰক তাৰে কামনা কৰিলোঁ। আমাৰ প্ৰাক্তন ছাত্ৰবন্ধু সকললৈ শুভেচ্ছা জনালোঁ।

এই সুযোগতে কলেজৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সদৌটি অধ্যাপক- অধ্যাপিকালৈ শ্ৰদ্ধা জনালোঁ। মহাৰজত জয়ন্তীৰ আহ্বায়ক মণ্ডলীলৈও শুভ কামনা জ্ঞাপন কৰিলোঁ।

# স্মৃতিৰ পাতত কানৈ মহাবিদ্যালয় আৰু ডিব্ৰুগড়

**উৰ্মিলা ৰামছিয়াৰী**
সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

সেই দিনা ২০০৬ চনৰ চনবেম্বৰ আছিল, অতি শীতল এটা ৰাতিপুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত অতি সুনাম থকা কানৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপকৰ পদত সাক্ষাৎকাৰ দিবৰ বাবে ডিব্ৰুগড়ত ভৰি দিছিলো। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য, শাৰী- শাৰী সেউজীয়া চাহ বাগিছা দেখি মই আপ্লুত হৈছিলো। এক অনন্য অভিজ্ঞতা লৈ মই উভতি গৈছিলো, কিন্তু মনত এটা দৃঢ় বিশ্বাস আছিল যে মোৰ যি অধ্যাপক হোৱাৰ সপোন সেই সপোন এই খন মহাবিদ্যালয়ে পুৰণ কৰিব। আজি মই গৌৰৱান্বিত এইখন মহাবিদ্যালয়ত সেৱা কৰিবলৈ পাই।

অধ্যাপক হিচাবে যোগদান কৰিছিলো ২০০৭ চনৰ ১০ মে বৃহস্পতিবাৰে। যোগদান কৰাৰ পিছতে ডেৰ মাহৰ বাবে গ্ৰীষ্মকালীন বন্ধ পাইছিলো। সেই সময়ছোৱাত মই থকা-মেলাৰ কাৰণে যা-যোগাৰ কৰিবলৈ যথেষ্ট সময় পাইছিলো। মোৰ থকাৰ বাবে ভাৰা ঘৰ থিক থাক কৰি থৈছিল সেই সময়ৰ স্কুল পৰিদৰ্শক প্ৰয়াত দিগন্ত ৰামছিয়াৰী ছাৰে।

গ্ৰীষ্মকালীন বন্ধৰ পিছতে, নতুন পাঠদান আৰম্ভ হোৱাৰ দুদিনৰ আগতে বিচনা-পত্ৰ লৈ নৈশ বাছেৰে সুদুৰ বাক্সাৰ পৰা আহি ৰাতিপুৱাই ডিব্ৰুগড় পাইছিলোহি। থাকিবলৈ অহাৰ প্ৰথম দিনাই মোৰ লগত হোৱা সৰু ঘটনা এটাই মোক আপ্লুত কৰা লগতেই এক প্ৰকাৰে বাধ্যও কৰাইছিল ডিব্ৰুগড় খনক ভাল পাবলৈ। অচিনাকি ঠাইত নিজৰ ছোৱালীক অকলে থৈ যোৱাৰ শংকাত থকা মোৰ দেউতাৰ মুখখনিও উজ্জ্বল হৈ পৰিছিল। ঘটনাটো আছিল, মোৰ মোবাইলত নেটৱৰ্ক নোপোৱাৰ বাবে বেলেগ চিম (SIM) সলনি কৰিবলৈ লওঁতেই হাতৰ পৰা পৰি চিমখন নলাত পৰি গৈছিল। কাৰণ তেতিয়া ডিব্ৰুগড়ত কোনো footpath ৰ আজিৰ নিচিনা ভাল ব্যৱস্থা নাছিল। বাহঁৰ চাঁঙি footpath ৰ ওপৰত লগাই থোৱা আছিল। মোৰ হাতৰ পৰা কিবা পৰি যোৱাৰ উমান পাই তিনি চাৰিজনমান হৃদয়বান ব্যক্তিয়ে ওচৰত আহি বুজ লোৱাৰ লগতে SIMখন বিছাৰি উলিয়াই দিবলৈও লৈছিল। কিন্তু মই নিজেই তেওঁলোকক সেই লেতেৰা নলাৰ পৰা উলিয়াবলৈ মানা কৰিছিলো। লগতেই মোৰ লগত বেলেগ এখন চিম থকাৰ কথাও অৱগত কৰিছিলো। আৰু সহায়ৰ বাবে আগবাঢ়ি অহাৰ বাবে তেওঁলোকক ধন্যবাদ জনাইছিলো। সেই ঘটনাটোৰ পৰাই প্ৰথম বাৰৰ বাবে ডিব্ৰুগড়খনৰ প্ৰতি আপোন ভাব জাগি উঠিছিল। নতুনকৈ কৰ্মজীৱন আৰম্ভ কৰিবলৈ লোৱা ঠাই ডোখৰৰ প্ৰতি মোৰ ধাৰণা সেইদিনাই সলনি হৈছিল, আজিও সেই ধাৰণা একেই হৈ আছে। আজিও মই হাজাৰ বাৰ কওঁ ডিব্ৰুগড়ৰ বতাহ, পানী আৰু ইয়াৰ মানুহ বহুত ভাল। লগতে কানৈ মহাবিদ্যালয়ত লগ পোৱা সকলো সহকৰ্মী আৰু কৰ্মচাৰী

সকল অতি মৰমিয়াল। এই মৰমে মোক ইয়াত চিৰদিন বান্ধি ৰাখিছে।

ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ৰ নিজস্ব গৌৰৱময় ইতিহাস, সুনাম আৰু চিনাকি আছে। দেশে বিদেশে কানৈ মহাবিদ্যালয়ে সৃষ্টি কৰা বহুতো গণ্য-মান্য ব্যক্তিসকল বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়াই আছে।

কানৈ মহাবিদ্যালয়ৰ এটা এৰাব নোৱৰা অংশ হৈছে কানৈ ছাত্ৰী নিবাস। এই ঐতিহ্যমণ্ডিত ছাত্ৰী নিবাসৰ অধীক্ষিকা হিচাপে ২০১৬ চনৰ ২ জুলাই তাৰিখৰ পৰা মই দায়িত্বত আছো। ১৯৫৭ চনত স্থাপিত হোৱা কানৈ ছাত্ৰী নিবাসৰ ইতিমধ্যে হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠান আছিল ২০১৮ চনৰ ২০ জানুৱাৰীত। এনেখন গৌৰৱোজ্জ্বল ছাত্ৰী নিবাসৰ হীৰক জয়ন্তীৰ সময়ছোৱাত ছাত্ৰী নিবাসৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিবলৈ পাই নিজকে সৌভাগ্যশালী অনুভৱ কৰিছোঁ। যোৱা ২০১৭ চনৰ ২০ এপ্ৰিলত NAAC যেতিয়া মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে আহিছিল তেতিয়া মোৰ লৰা ৩ মাহ ৪ দিন হৈছিল মাত্ৰ। যিমানখিনি পাৰো মই মহাবিদ্যালয় কৰ্তৃপক্ষক সহায় কৰিছিলো ছাত্ৰী নিবাসৰ ভাল দিশ সমূহ NAAC ৰ ওচৰত প্ৰতিপন্ন কৰিবলৈ। সেই মতে NAAC ৰ visitor team এ ছাত্ৰী নিবাসৰ প্ৰশংসাও কৰিছিল।

ছাত্ৰী নিবাসৰ দায়িত্ব লোৱা বছৰৰ পৰা ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা “পুৰতি”ক নিয়মীয়াকৈ প্ৰকাশ কৰিবলৈ ছাত্ৰী সকলক সহায় কৰি আহিছো। লগতে ছাত্ৰী সকলক পঢ়াৰ সমান্তৰাল ভাবে নিজৰ লগতে সমাজৰ সচেতন নাগৰিক হিচাপে বিভিন্ন সামাজিক সেৱা ছাত্ৰী নিবাসৰ ফালৰ পৰা আগবঢ়াই আহিছোঁ। ছাত্ৰীনিবাসৰ বিভিন্ন ধৰণৰ কামৰ বাৰ্ষিক খতিয়ান "D.H.S.K GIRLS' HOSTEL ANNUAL BULLETIN" ত যিমান পাৰে সন্নিবিষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। ইতিমধ্যেই চাৰিখনকৈ ANNUAL BULLETIN প্ৰকাশ কৰা হল। ক'ৰনা মহামাৰীৰ সময়ছোৱাত ছাত্ৰীনিবাসটো Quarantine Service হিচাপে ব্যৱহাৰ কৰা হৈছিল। তেতিয়া মোৰ লগতে ছাত্ৰী সকলোৰো বহুত বস্ত ক্ষয় ক্ষতি হৈছিল।

কানৈ ছাত্ৰীনিবাসত থাকি যোৱা ছাত্ৰী সকলৰ মাজৰ পৰা বহুতেই ভাল ভাল পদবীত চাকৰি, ব্যৱসায়ী, সমাজকৰ্মী, ৰাজনীতিবিদ হোৱাৰ সমান্তৰাল বাবে ভাল গৃহিনিৰ দায়িত্বও পালন কৰা পৰিলক্ষিত হৈছে। তাৰ ভিতৰত বৰ্তমান এই খন মহাবিদ্যালয়ৰে উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অলকানন্দা বৰুৱা বাইদেউকে ধৰি কেইবাগৰাকীও অধ্যাপিকা হিচাপে কৰ্মৰত হৈ আছে। কেইদিনমানৰ আগতে অসম পুলিচৰ উপ-পৰিদৰ্শক পদকে ধৰি অসম চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি লাভ কৰা খবৰবোৰে অধীক্ষীকা হিচাপে মোক অতিকে আনন্দিত কৰি তুলিছে।

ছাত্ৰীনিবাসৰ ছাত্ৰী সকলক সকলো দিশতে আগবঢ়াই লৈ যোৱাত আমি দায়বদ্ধ। কলেজ কৰ্তৃপক্ষই ছাত্ৰীনিবাসৰ সুযোগ-সুবিধা আৰু উন্নয়নৰ দিশত যথেষ্ট কাম কৰা পৰিলক্ষিত হৈছে। লগতে পঢ়াৰ সমানে দৈহিক আৰু মানসিক স্বাস্থ্যকো সমানে গুৰুত্ব প্ৰদান কৰি খেল আৰু যোগ শিক্ষাৰ সুবিধা কৰি দিয়াৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া ছাৰক এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিছো।

মোক ছাত্ৰীনিবাসৰ দায়িত্ব অৰ্পণ কৰি এক প্ৰকাৰে সমাজ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক আন্তৰিক ধন্যবাদ জনাইছো। লগতে সকলোকে লগ পোৱাৰ আশাৰে মহাৰজত জয়ন্তীৰ সফলতা কামনা কৰিছো।



# কানৈৰ স্মৃতিবোৰ মনৰ ভাষাৰে সৰুকৈ

**জুবিন বুঢ়াগোহাঁই**
প্ৰাক্তন ছাত্ৰ, শদিয়া

স্মৃতি গধূৰ পৃষ্ঠাবোৰ লুতিয়াই পুনৰবাৰ উভতি যাব বিচাৰো এৰি অহা সুমধুৰ ঠিকনা বিচাৰি প্ৰায়ে। তিনিটি সজীৱ বৰ্ষৰ এগালমান মনোমোহা সময়, আমাৰ আৱেগ, আমাৰ ঠিকনা কানৈ। জীৱনত নতুনত্বৰ সন্ধানত সময়ৰ পম খেদি এদিন সহযাত্ৰী হ'লো হাজাৰ হাজাৰ আলোক সন্ধানী বগা-নীলা পখিলাৰ। নতুন ঠিকনা, নতুন সপোন সকলোবোৰ লাহে লাহে আপোন হৈ পৰিছিল। সাহস আৰু পথ প্ৰদৰ্শক আছিল জ্ঞানৰ পোহৰ বিলোৱা বহুজন। যাৰ সান্নিধ্যত প্ৰাণ পাই উঠিল পুনৰ জ্ঞানৰ ভঁৰাল। কৃষ্ণচূড়া আৰু দেৱদাৰুৰ মায়ানগৰী। প্ৰতিদিনেই জাগিছিল নতুন সপোন, নতুন আশা। আৰম্ভণীৰে পৰা দি গৈছিল বহুতো নজনা বা নোপোৱাৰ অভিজ্ঞতা।

সপোন সপোন লগা ঠিকনা কেনেকৈ নিজৰ হৈ পৰিল গমকে নাপালো। লাহে লাহে কানৈ কলেজ হৈ পৰিল আৱেগ। সেই আৱেগেই কানৈৰ বাবে কিবা এটা কৰাৰ হেঁপাহ দুগুনে বাঢ়িছিল। কানৈ কলেজক কি দিব পাৰিলো নাজানো, কিন্তু কানৈয়ে দি গ'ল বহুতো। যিবোৰৰ পদাংকণ কৰি আজিও আগুৱাই গৈ আছে জীৱন।

স্মৃতিৰ টোপোলাত বহুতো সামৰি হয়তো আজীৱন সামৰি ৰাখিম কানৈৰ বাকৰিত কটোৱা দিনবোৰ আৰু সেই সময়বোৰ। লাহে লাহে আজি অন্তৰ দিশে আগবাঢ়িলো। শেষ নহ'বা বিদায়ৰ বেলাতেই হয়তো আৰম্ভণী হয় নতুনত্ব। ঠিকনাবোৰ সলনি হয় সপোনবোৰ এখোজ আগুৱাই যায়। জীৱনে বিচাৰি লয় এক নতুন অশা, যাৰ অন্তৰালত আছিল কানৈ কলেজ।

এই যে কানৈ নামৰ আৱেগ, সেই আৱেগ খোদিত হৈ আছে বহু যুগৰ, বহু জনৰ মনত। সেই আবেগ সদায় একেই থাকক সেই স্মৃতিও একেদৰেই থাকক। হাজাৰ জনক একেদৰেই জ্ঞানৰ আলোকেৰে আলোকিত কৰি ... সন্ধানী হাজাৰজনৰ পথ প্ৰদৰ্শক হওঁক। একেদৰেই সামৰি ৰাখক কলেজখনক নিজৰ বুকুত বহুজনৰ চকুলো, আনন্দ আৰু হাঁহিবোৰ। প্ৰেমগলিত সজীৱ হওঁক বহুজনৰ ভালপোৱাৰ নতুন কবিতা।

দীৰ্ঘজীৱি হওঁক কানৈ
জয়তু কানৈয়ান
জয়তু কানৈ মহাবিদ্যালয়।।

# কানৈ কলেজৰ গছ-গছনিসমূহ

**ড° অলকানন্দা বৰুৱা**
সহযোগী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

৭৮ বছৰ গৰকি অহা কানৈ কলেজৰ গছ-গছনিসমূহৰ কথা ভাবিলে প্ৰথমেই মনলৈ আহে চৌহদৰ বেৰৰ দাঁতিয়ে দাঁতিয়ে ৰুই থোৱা দেৱদাৰু গছ সমূহৰ কথা। ৮০-৯০ দশকত এই কলেজত গঢ়ি থোৱা ছাত্ৰ-ছাত্ৰীসকলে পকী বেৰ দি আৱৰি ৰখা অৰ'কেৰিয়া (এবিধ পাইন) কেইজোপাৰ কথাও মনত পেলাব। সেই পুৰণি দেৱদাৰুসমূহ থাকিলেও তেতিয়াৰ অৰ'কেৰিয়া মাত্ৰ এজোপাহে এতিয়া আছে। নতুনকৈ কেইজোপামান অৱশ্যে ৰোৱা হৈছে। পিছলৈ ইয়াত কেইবাজোপা কৃষ্ণচূড়া ৰোৱা হ'ল আৰু তেতিয়াৰপৰা কানৈ কলেজ "দেৱদাৰু আৰু কৃষ্ণচূড়াৰ" কলেজ হিচাপে জনাজাত হ'ল। বৰ্তমান কলেজখন বিভিন্ন ধৰণৰ গছ-গছনি আৰু ফল-ফুলেৰে জাকত জিলিকা হৈ থাকে বছৰৰ প্ৰায় গোটেইখিনি সময়। ২০২২ চনত কৰা এটা সমীক্ষা অনুসৰি গোটেই কলেজ চৌহদত প্ৰায় ১৩৫ খন গছ - গছনি আছে (বতৰত ফুলা ফুলবোৰ বাদ দি)। ইয়াৰে কেইবাবিধো আপুৰুগীয়া আৰু ঔষধিগুণযুক্ত। বৰ্তমান কলেজ চৌহদত পোৱা উল্লেখনীয় গছসমূহ আৰু বৈজ্ঞানিক নাম তলত উল্লেখ কৰা হ'ল –

১) নিম (Azadiracta indica A. Juss)
২) কাঞ্চন (Bauhinia acuminata L)
৩) কদম (Anthocephalus cadamba (Roxb.)
৪) জলফাই (Elaeocarpus floribundus Blume)
৫) শিলিখা (Terminalia chebula Retz)
৬) আমলখি (Phyllanthus emblica (L.)
৭) কলা জামু (Syzygium cumini (L.)
৮) নুনী গছ (Morus alba L.)
৯) বগৰী (Ziziphus mauritiana L.)
১০) কুজী থেকেৰা (Garcinia morella (Gaerth). Desr.
১১) ৰূপহী থেকেৰা (Garcinia lanceifolia Roxb.)
১২) বগা জামু (Syzygium jambos (L.) Alston
১৩) নাৰিকল (Cocos nucifera L.)
১৪) দেৱদাৰু (Polyalthia longifolia (Sonn.)
১৫) পাইন (Araucaria heterophyla (Salisb.)
১৬) কৃষ্ণচূড়া (Caesalpinia pulcherrima L.)
১৭) সোণাৰু (Cassia fistula L.)
১৮) মণিছাল (Sapindus mukorossii Gaertn.)
১৯) চাইকাছ (Cycas Sp.)
২০) মেদেলুৱা (Peltophorum pterocarpum (DC.)

২১) শেৱালী (Nuctanthes arbor - tristis L.)
২২) বকুল (Mimusops elengi L.)
২৩) আম (Mangifera indica L.)
২৪) চজিনা (Moringa oleifera)
২৫) আজাৰ (Lagerstroemia speciosa L.)
২৬) আহত (Ficus religiosa L.)
২৭) মাখৈ তামোল (Dypsis lutescens Wendle)
২৮) ৰবৰ গছ (Ficus elastica Roxb.)
২৯) ৰাধাচূড়া (Cassia javanica L.))
৩০) ব'গেন ভেলিয়া (Baugainvillea spectabilis Wild.)
৩১) কঁঠাল (Artocarpus heterophyllus [ am.)
৩২) শিৰীষ গছ(Albizia odoratissima)

**জোপোহা ফুল সমূহ ঃ-**

৩৩) ঘণ্টা ফুল (Allamanda Cathartica L.)
৩৪) এজেলিয়া (Azalea Sp.)
৩৫) জিণ্টি ফুল (Barleria cristaka L.)
৩৬) লিলি (Calla palustris)
৩৭) পাৰিজাত (Canna Indica L.)
৩৮) যম লাখুটি (Cheilocostus speciosus)
৩৯) ইনচুলিন গছ (Costus igneus N.E. Br.)
৪০) পাতাবাহাৰ (Codiarum variegatum L.)
৪১) লালপাতা (Coleus blumei Benth.)
৪২) মুচান্দা (Mussaenda erythrophylla)
৪৩) দুৰন্ত কাঁটা (Duranta eracta L.)
৪৪) কাঁটা মুকুট (Euphorbia mili Des Moul.)
৪৫) তগৰ ফুল (Gardeni angusta L.)
৪৬) ৰাঙ্গল ফুল (Ixora coccinea L.)
৪৭) কাগজ ফুল (Gomphrena globosa L.)
৪৮) বগা ৰাঙল ফুল (Ixora Ginlaysoriana Wall.)
৪৯) জবা (Hibiscus rosa-Sinensis L.)
৫০) অশ্বগন্ধা (Withania somnifera (L.)
৫১) গোলাপ ফুল (Rosa alaba L.)
৫২) নয়নতৰা (Catharanthus roseus L.)
৫৩) যুতি ফুল (Cestrum nocturnum L.)
৫৪) ব্লীডিং হাৰ্ট (Clerodendrum thomsoniae Balf)
৫৫) নিয়ৰ মালতী (Pyrostegia venusta)
৫৬) আলাকুচী (Mucuna pruiens L.)
৫৭) টুবুকী লতা (Stephania hernandifolia (Willd.)
৫৮) শগুণী লতা (Tinospora cordifolia Willd.)
৫৯) অপৰাজিতা (Clitoria ternataa L.)
৬০) টিকণী বৰৰা (Smilax ovalifolia Roxb)
৬১) পান (Piper betel L.)
৬২) জালুক (Piper nigrum L.)
৬৩) কাঁউৰী লতা (Thunbergia grandiflora Roxb.)
৬৪) চিৰতা তিতা (Swertia chirayaita Roxb.)
৬৫) চেমা কচু (Typhonium flagelliforme L.)
৬৬) চাম কচু (Typhonium trilobatum L.)
৬৭) কলগছ (Musa paradisiaca L.)
৬৮) হৰ্ছছ' জিৰেনিয়াম (Pelagonium Zonale L.)
৬৯) ছালভিয়া (Salvia Coccinia)
৭০) নাটাল লিলি (Crinum moorei)
৭১) বেলাড'না লিলি (Amaryllis belladonna L.)

ইয়াৰ উপৰিও প্ৰায় ১৫ বিধমান অৰ্কিড আৰু বিভিন্ন প্ৰকাৰৰ টাবত ৰোৱা ফুলৰ গছ আছে, যাৰ নাম ইয়াত উল্লেখ কৰিব পৰা নগ'ল।

# মানসপটত উজলি থকা কানৈ মহাবিদ্যালয় ঃ মিঠা সোঁৱৰণি

ড° জ্যোতিৰেখা হাজৰিকা
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ
জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ)

সোঁৱৰণি।
মানসপটত গোটেই জীৱন আঁকি থ'ব পৰা
যেন খণ্ড-বিখণ্ড কিছু শুভ ঘটনা-পৰিঘটনাৰ
লানি নিছিগা সমাহাৰ।
যেন এধাৰি বকুল ফুলৰ মালা—
সুবাস হেৰালেও থাকি যায় য'ত
মিঠা সান্নিধ্যৰ সোঁৱৰণ।
যেন এটি মানস সৰোবৰ
ফুলে য'ত ভাবনাৰ
সহস্ৰ শতদল...

হয়। কিছুমান সোণোৱালী ক্ষণ, কিছু মধুৰ স্মৃতি মানুহে ওৰেটো জীৱন সাঁচি ৰাখে মনৰ মণিকোঠাত, সযতনে। এই স্মৃতি সোঁৱৰণ কৰাটো সহজ; কিন্তু সোঁৱৰণিৰ দীঘল বাটেদি গৈ গৈ সকলো কথা লিখা পৰ্বটো অলপ জটিল। পিছে, মনৰ মাজত যদি এবাৰ সেই স্মৃতিৰ দেউলৰ ৰুদ্ধ দুৱাৰৰ অৰ্গল খুলি দিয়া হয়, হিলদল ভাঙি সোমাই আহে এছাটি সুগন্ধি বতাহ— ফুলি উঠে তেতিয়াই জীৱনৰ বাটত সোঁৱৰণিৰ শতদল। কোনো বিশেষ স্থান, বিশেষ ব্যক্তি, বিশেষ এছোৱা সময় এৰি অহাৰ আকুলতাই মন ব্যাকুল কৰি তোলে ঠিক তেনে সময়তে। সোঁৱৰণিয়ে দুগুণে বঢ়ায় এৰি অহা দিনবোৰৰ মিঠা মিঠা যাতনা। হাচ্‌নাহানাৰ তীব্ৰ সুবাসে আনন্দৰ মাজতো বিষাদ আৰু নিসংগতা বঢ়োৱাৰ দৰে তেনে মধুৰ স্মৃতিয়ে মনলৈ ভাৰ বান্ধি আনে কৰুণতা। ভাব হয়—ক'ত এৰি থৈ আহিলোঁ সেই সোঁৱৰণিৰ সৰোবৰ??

আজি অতীত খন্দাৰ সময়, নিজকে আকৌ এবাৰ বিচৰাৰ সময়। দিনটো আছিল ১৯৮৯ চনৰ ২১ ছেপ্টেম্বৰ। এই তাৰিখতে মই কমাৰগাঁও কলেজৰ স্থায়ী প্ৰবক্তাৰ পদ এৰি সদস্য হৈছিলোঁ ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয় পৰিয়ালৰ স'তে। ১৯৪৫ চনৰ ১৫ জুন তাৰিখে অশ্বিনীচৰণ চৌধুৰীৰ সপোন বাস্তৱায়িত হৈ প্ৰতিষ্ঠা হোৱা, প্ৰতিষ্ঠাপক অধ্যক্ষ বিশিষ্ট পণ্ডিত যোগীৰাজ বসুৰ সুদক্ষ নেতৃত্বত আগবঢ়া অতি ধুনীয়া, এবাৰ চালে চকু ৰৈ যোৱা উজনি অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়। সেউজীয়াই স্পৰ্শ কৰি থকা বিশাল চৌহদ।

যোগদান কৰিবলৈ যোৱাৰ দিনা 'ঐ, নিউ কামাৰ আহি গ'ল' বুলি দুজনমান ছাত্ৰই হনুমানবক্স সুৰযমল কানৈৰ প্ৰতিমূৰ্তিৰ কাষৰপৰা বিড়িয়াবলৈ পালেহে, লগে লগে দেখাত হৃষ্ট-পুষ্ট, বেছ ওখ-ডাঙৰ কেইজনমান ছাত্ৰ মোৰ কাষ চাপি আহিল। বাহ্যিক দৃষ্টিত মোক তেওঁলোকে শিক্ষক বুলি ভবাৰ থলেই নাছিল। ক্ষীণকায় শৰীৰ, চুলি বেণী গুঠা, খোজ-কাতলত অলপ ভয় আৰু শংকাৰ ভাব। কাকতালীয়ভাৱে সেইদিনা মই

পৰিধান কৰা সাজযোৰো কলেজ ইউনিফৰ্মৰঙী দেখি তেওঁলোকে মোক পলমকৈ নাম ভৰ্তি কৰিবলৈ অহা ছাত্ৰী বুলি ভাবিয়েই নাম-ধাম সুধিবলৈ আৰম্ভ কৰিলে। ময়ো লাজুকীয়া হাঁহি এটিৰে অভিবাদন জনাই 'অলপ পাছতে তোমালোকক লগ কৰিবলৈ নিজে আহি আছোঁ' বুলি কৈ সোঁ ফালৰ ঠেক চিৰিয়েদি প্ৰথম মহলাত থকা অধ্যক্ষৰ কোঠালৈ বুলি আগবাঢ়িলোঁ। তেতিয়া অধ্যক্ষৰ আসনত আছিল কল্যাণ কুমাৰ বৰুৱা ছাৰ। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ভীমকান্ত কোঁৱৰ ছাৰো সেই সময়ত অধ্যক্ষৰ কোঠাতে কিবা কথা আলোচনা কৰি আছিল। অসমীয়া ভাষাত লিখি নিয়া যোগদানৰ পত্ৰখন অধ্যক্ষৰ হাতলৈ আগবঢ়াই কোঁৱৰ ছাৰৰ পিছে পিছে মই শিক্ষকৰ জিৰণী কোঠালৈ আহিলোঁ।

মহাবিদ্যালয়খনৰ মূল অৰ্ধ বৃত্তাকাৰ কেন্দ্ৰটোতেই অৱস্থিত শিক্ষকৰ জিৰণী কোঠাটি। সুকীয়াকৈ অসমীয়া বিভাগৰ নিজা কোঠা নাছিল। পিছলৈ আমাৰ বিভাগটোৱে এককভাৱে কোঠা এটি মোৰ কৰ্মৰত দিনবোৰতে লাভ কৰিলে— যিটো কোঠা আমি সকলো শিক্ষকে বৰ আলফুলে সজাইছিলোঁ। বেণুধৰ ৰাজখোৱা, অসমীয়া সাহিত্যত প্ৰথমগৰাকী 'সাহিত্য অকাদেমি বঁটা' প্ৰাপক 'বনফুল'ৰ কবি যতীন্দ্ৰনাথ দুৱৰা, পৰীক্ষিত হাজৰিকা উপেন্দ্ৰনাথ গোস্বামী, যতীন্দ্ৰনাথ গোস্বামী আদি স্থায়ী আৰু অস্থায়ীভাৱে কৰ্মৰত স্বনামধন্য, চিৰনমস্য শিক্ষকসকলৰ সান্নিধ্যৰে ধন্য হোৱা অসমীয়া বিভাগটোৱে প্ৰতিষ্ঠাকালৰপৰা মহাবিদ্যালয়খনৰ গৰিমা বঢ়াইছিল। যতীন্দ্ৰনাথ দুৱৰা ছাৰৰ খোজত 'পৰুৱা এটাও মৰিবলৈ নাপাইছিল' বুলি এষাৰ কথা তেতিয়া অগ্ৰজৰ মুখত শুনিবলৈ পাইছিলোঁ। মই বিভাগৰ শিক্ষকসদস্য হোৱাৰ পৰত শ্ৰদ্ধাৰ ভীমকান্ত কোঁৱৰ ছাৰৰ লগতে আন আন অগ্ৰজ শিক্ষকসকল আছিল ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য ছাৰ, বিশিষ্ট কবি ফৰিদা শ্বৰফুদ্দিন বাইদেউ, সু সাহিত্যিক ঊষাৰাণী বৰুৱা বাইদেউ আৰু জ্যোতিমালা গোহাঁই। ফৰিদা বাইদেৱে সুন্দৰ কবিতা লিখিছিল। এখন কবিতাৰ পুথি মোক উপহাৰো দিছিল। (জ্যোতিমালা গোহাঁই বাইদেৱে তেতিয়া শ্ৰদ্ধাৰ নগেন শইকীয়া ছাৰৰ তত্ত্বাৱধানত গৱেষণা কৰ্ম কৰি আছিল। পৰৱৰ্তী সময়ত গৱেষণাগ্ৰন্থখন বাইদেৱে হাতৰ আখৰেৰে লিখোৱাই জমা দিছিল। বিশিষ্ট সাহিত্যিক ড° প্ৰহলাদ কুমাৰ বৰুৱা ছাৰৰ সহধৰ্মিনী ঊষাৰাণী বৰুৱা বাইদেৱে বহু পলমকৈ গৱেষণাকৰ্ম সম্পন্ন কৰিছিল।)

বিভাগত তেতিয়া মোৰ স্থান আছিল পঞ্চমত। (সেই সময়ত মোৰ বয়সে তেইছ বছৰ, দহ মাহ স্পৰ্শ কৰিছিল। আজিৰ দিনত এনে বয়সত শিক্ষকতা আৰম্ভ কৰাটো বৰ সহজসাধ্য নহয়। আমাৰ দিনত নেট, শ্লেট আদি পৰীক্ষা আৰম্ভই হোৱা নাছিল। ভালদৰে ৫৫ শতাংশ নৰ্মছ লৈ উত্তীৰ্ণ হোৱা বিদ্যাৰ্থীসকলে ফলাফল ওলোৱাৰ পাছদিনাৰপৰাই ঘৰত জিৰাবলৈ কোনো অৱসৰ পোৱা নাছিল। চিধাই চাকৰি। লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত ফলাফল ওলোৱাৰ আগতেই শিক্ষাদানত ব্ৰতী হৈ আছিলোঁ। তাতে পৰীক্ষাৰ ফলাফল পাইছিলোঁ ফোনযোগে। ফলাফল ওলোৱাৰ পাছত কমাৰগাঁও মহাবিদ্যালয়লৈ অধ্যক্ষ পৰাণ গগৈদেৱে মাতি আনিছিল।) কানৈ মহাবিদ্যালয়ত বিভাগীয় মুৰব্বী ভীমকান্ত কোঁৱৰ ছাৰে মৰমতে মোক 'ল'ৰাজনী' বুলি মাতিছিল। যোগদানৰ দিনাই ছাৰে মোৰ হাতত ৰেজিষ্টাৰখন তুলি দি "হোঁ এইখন ল, মোৰ ক্লাছটোকে প্ৰথম কৰি আহগৈ" বুলি স্নাতক তৃতীয় বৰ্ষৰ অসমীয়া বিষয়ৰ সাধাৰণ শ্ৰেণীলৈ পঠিয়ালে।

বুকুত মোৰ দুৰু দুৰু ভয়। ক'ত পূৰ্বৰ কমাৰগাঁও মহাবিদ্যালয়ৰ শান্ত সমাহিত, গাঁৱলীয়া পৰিৱেশ বিৰাজ কৰা শ্ৰেণীকোঠা আৰু ক'ত ডিব্ৰুগড়ৰ মাজ মজিয়াত থকা নগৰৰ এখন আগশাৰীৰ মহাবিদ্যালয়। ৰোল কল কৰিবলৈ বুলি আৰম্ভ কৰি কোঠাৰ শেহৰ বেঞ্চলৈ চকু ফুৰাই দেখিলোঁ বাৰান্দাত চিনাকি হ'বলৈ আগবাঢ়ি অহা অথনিৰ সেই ল'ৰাকেইটা দেখোন এই শ্ৰেণীতেই বিৰাজমান। ওঁঠত মৃদু হাঁহি এটি বিৰিঙি গ'ল। সেই ল'ৰাকেইজনৰ অৱস্থা কি হ'ব নিশ্চয় সকলোৱে অনুমান কৰিব পাৰিছেই। 'ফাট মেলা বসুমতী পাতালে লুকাওঁ' অৱস্থা আটাইকেইজনৰ। পিছলৈ অৱশ্যে কেওজন ছাত্ৰ মোৰ অতি প্ৰিয়পাত্ৰ হৈছিলগৈ। সেই দিনটোৰ কথা মনত পৰিলে মোৰ আজিও অকলে অকলে হাঁহি উঠে। কানৈ মহাবিদ্যালয়ত কৰ্মৰত দিনবোৰত কত যে ছাত্ৰ-ছাত্ৰী লগ পালোঁ। পিকনিকলৈ বুলি বৰশিললৈ আহি উলটি যাওঁতে আজিৰ বৰবিহুৱা ৰঞ্জিৎ গগৈৰ স'তে বাছত বিহু গোৱাৰ কথা মোৰ মনত এতিয়াও সজীৱ হৈ আছে।

যোগদান কৰাৰ পাছতেই মোৰ সমুখত আহি পৰা প্ৰধান সমস্যাটো হ'ল বাসস্থান। গোলাঘাটৰপৰা আঠ কিলোমিটাৰ নিলগৰ চিনাতলী গাঁৱৰপৰা আহি ইয়াত থাকিম ক'ত? আত্মীয়

বুলিবলৈকো ডিব্ৰুগড়ত কোনো নাই। অৱশেষত অধ্যক্ষৰ কৃপাত মহাবিদ্যালয়ৰ ছাত্ৰীনিবাসত থকাৰ ব্যৱস্থা হ'ল। মহাবিদ্যালয় চৌহদতে অৱস্থিত ১৯৫৭ চনত নিৰ্মিত বিশাল ছাত্ৰীনিবাসটি। আজি মহাৰজত জয়ন্তী বৰ্ষ গৰকা এই আটকধুনীয়া ছাত্ৰীনিবাসটিৰ তেতিয়াৰ অধীক্ষিকাৰ পদত আছিল হিন্দী বিভাগৰ অধ্যাপিকা, বিশিষ্ট গায়িকা কল্পনা সেনগুপ্ত বৰুৱা বাইদেউ, ভিনদেউ অৰ্থাৎ কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত কৰ্মৰত শান্তনু সেনগুপ্ত আৰু কণমানি ভাগিনটো (নামটো পাহৰিলোঁ)। মোক প্ৰথম তলৰ মহলাতে বাইদেউৰ ড্ৰয়িং ৰুমৰ লগতে লাগি থকা সৰু কোঠা এটি থাকিবৰ বাবে দিয়া হ'ল। কোঠাটোত হোষ্টেলৰে বিছনা, টেবুল-চকী-আলনা। নিজাকৈ বুলিবলৈ মোৰ একো আচবাব নাছিল। ঠিক যেন পঢ়িবলৈ বুলি অহা মুকলি মনৰ ছাত্ৰী এগৰাকীহে মই হোষ্টেলত প্ৰৱেশ কৰিছোঁহি। কোঠাটোৰে এচুকত ষ্ট'ভত ৰন্ধা-বঢ়া কৰিবলৈ আৰম্ভ কৰিলোঁ যদিও প্ৰায়ে মোৰ চাউলমুঠি মুকলি হৈছিল ছাত্ৰীনিবাসৰ সমজুৱা পাকঘৰ আৰু কল্পনা বাইদেউৰ ওপৰ মহলাৰ নিজা পাকঘৰত। বাইদেৱে মোক বৰ মৰম কৰিছিল। শান্তনুদাই সহকৰ্মী বুলি ভবাতকৈ ভনীয়েকৰ দৰে মোৰ তদাৰকী কৰিছিল। কেতিয়াবা ব্যক্তিগত কামত ভিনদেউ ডিব্ৰুগড় এৰি বাহিৰলৈ গ'লে মই বাইদেউ আৰু ভাগিনটোৰ লগতে খোৱা-বোৱা কৰাৰ উপৰি একেটা কোঠাতে শুইছিলোঁ। আচল কথাটো আজি মুকলিকৈ ক'ব পাৰোঁ— ঘৰৰ একেবাৰে নুমলীয়া হোৱাৰ বাবে মই বৰ ভয়াতুৰ আছিলোঁ। সৰুৰেপৰা মনৰ ভূতে পাইছিল মোক। সেয়ে ছাত্ৰীনিবাসত ছাঁটোকে ভূত বুলি ভাবি ৰাতি উজাগৰে থাকিছিলোঁ বহুদিন। কল্পনা বাইদেৱে শুবলৈ মাতিলে স্বস্তিৰ নিশ্বাস পেলাইছিলোঁ। পিছলৈ মোৰ ভয়ৰ কথা জানি ওপৰ মহলাত ছাত্ৰীসকলৰ কাষৰে এটি দুজনীয়া বিছনাযুক্ত কোঠাত কল্পনা বাইদেৱে থাকিবলৈ দিলে। মোৰো আগতকৈ মনৰ ভয় আঁতৰিল। বি. এ. মহলাৰ অসমীয়া বিভাগৰ ছাত্ৰী দিব্যলতা বৰুৱাই পঢ়াৰ কথা আলোচনা কৰিবলৈ আহি মোৰ কোঠাতে মাজে মাজে শুইছিল। দিব্য মোৰ একেবাৰে সৰু ভনীৰ দৰে আছিল। মোৰ চাদৰ-মেখেলা পিন্ধি দিব্যলতা আৰু তাইৰ লগৰবোৰে ফটো তুলিছিল। মোকো মাজতে টানি-আঁজুৰি ফুৰিছিল ছিনিয়ৰখিনিয়ে। জুনিয়ৰখিনিয়ে মোক বৰ ভাল পাইছিল। কি যে কথা নাপাতিছিলোঁ আমি ছাত্ৰীনিবাসত— এতিয়া সেয়া মিঠা সোঁৱৰণি। যোৰহাটলৈ বিয়া হৈ অহাৰ বাবে দিব্যলতা এতিয়াও মোৰ নিকট সান্নিধ্যত। লগ হ'লেই কানৈ ছাত্ৰীনিবাসৰ কথাই উকি মাৰে। মন ভৰি উঠে। ছাত্ৰীনিবাসতে আছিল অসমীয়া বিভাগৰ আন এগৰাকী ছাত্ৰী পলি চমুৱা। বৰ মৰম লগা পলিৰ বাবে বিবাহৰ পাত্ৰ ময়েই চাই দিছিলোঁ। কানৈ কলেজৰ পিছফালেই পলিৰ এতিয়া স্বামী উচ্চপদস্থ বিষয়া দিগন্তৰ স'তে এখন অতি সুখৰ সংসাৰ।

মহাবিদ্যালয়ৰপৰা ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ কোনোবা এদিন আমি পিকনিক খাবলৈ বুলি অৰুণাচলৰ মেওলৈ গৈছিলোঁ। লগত গৈছিল মোৰ কলেজীয়া দিনৰে সহপাঠী তথা সহকৰ্মী দিলীপ বৰবৰা, অগ্ৰজ সতীৰ্থ (ড°) প্ৰিয় দেৱ গোস্বামী আৰু টিকেন্দ্ৰজিৎ গগৈ। আমি উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ তত্ত্বাৱধায়ক হৈ গৈছিলোঁ। মোৰ দায়িত্বত আছিল ছোৱালীখিনি। কাহিলি পুৱাতে আমি হোষ্টেলত থকাখিনিয়ে খদমদম লগাই 'লাভ ট্ৰেভেলছ' নামৰ বাছখনৰ আগশাৰীৰ নিৰ্দিষ্ট আসনত বহিছিলোঁগৈ। মেও বৰ ধুনীয়া ঠাই। চালে চকু ৰোৱা, মন জুৰোৱা। শিলৰ নদীখনৰ পাৰত মোৰ দীঘল চুলিকোচা খোপাৰ বন্ধন নামানি আপোনা-আপুনি খোল খাই গৈছিল। মেলা চুলিৰেই এখন ফটো তোলাইছিলোঁ ছাত্ৰ এজনৰ কেমেৰাৰে। মোৰ হিয়াৰ কোনোবাখিনিত সাৰে আছে সেই সোণোৱালী দিনৰ মধুৰ সোঁৱৰণি। আদিগন্ত সেউজীয়াত স্তব্ধ হৈ পৰিছিল উশাহ— এপলকৰ বাবে। পিকনিকৰ খোৱা-বোৱা সামৰি আমি মেওত থকা কাৰ্পেট ইণ্ডাষ্টিটো চাইছিলোঁগৈ। অতি নিখুঁতভাৱে ছোৱালীবোৰে কাৰ্পেটবোৰ অতি ক্ষিপ্ৰ হাতেৰে উলৰ ৰং মিলাই মিলাই বৈ আছিল। একোখন কাৰ্পেটৰ মূল্য আছিল বহু বেছি। অৰ্থৰ অভাৱত একো নিকিনি কেৱল নয়ন সাৰ্থক কৰি উলটি আহিছিলোঁ যোৱাৰ বাটেদি। ছাত্ৰীনিবাস পাওঁতে ৰাতি ন বাজিছিল। ৰাতিৰ আহাৰ সেইদিনা খোৱা নাছিলোঁ। অনামী আনন্দই মন জুৰাই আছিল।

১৯৯০ চনত সদৌ অসম নবীন লেখক-লেখিকা সমিতি, ডিব্ৰুগড় জিলাৰ সভাপতিৰ দায়িত্বভাৰ মোৰ কান্ধত পৰিল। টিংখাঙত অনুষ্ঠিত সমিতিৰ বাৰ্ষিক সভাত মোৰ নাম প্ৰস্তাৱিত হৈছিল। তেতিয়াই মোৰ অতি মৰমৰ জ্যোতিমালা গোহাঁই বাইদেউ, অনুপ ফুকন (পাছলৈ ভিনদেউ), ভ্ৰাতৃপ্ৰতিম শোভিত কুমাৰ ছেত্ৰী, স্বনত কুমাৰ বৰুৱা, তৰংগ কল্লোল আদিৰ সহায়-সহযোগত কানৈ মহাবিদ্যালয়ত এখনি কৰ্মশালা আয়োজিত হৈছিল। কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পূৰ্বৰ অধ্যাপক

বিশিষ্ট ভাষাবিদ ড° পৰীক্ষিত হাজৰিকা ছাৰ সেই সভালৈ আহিছিল মুখপত্ৰ উন্মোচনৰ বাবে। সেই তিনিটা দিনত কানৈ ছাত্ৰীনিবাসৰ সকলো আৱাসী উবুৰি খাই পৰিছিল। আমি সকলোৱে একতাৰে, বন্ধুত্বভাৱেৰে কামবোৰ কৰিছিলোঁ। সেই ক্ষণবোৰ মোৰ বাবে পাহৰিব নোৱৰা মিঠা স্মৃতি।

ছাত্ৰীনিবাসত ডেৰবছৰমান থাকোঁতেই মোৰ বিবাহৰ দিন ঠিক হ'ল। বিবাহৰ পিছত আহিলোঁ কানৈ মহাবিদ্যালয়ৰ পিছফালে থকা আন এটি ভাৰাঘৰলৈ। তাৰ পিছত চিকিৎসক গৃহস্থ ডাঃ মাখন কলিতাৰ কৰ্মসূত্ৰে চাবুৱাৰ কোৱাৰ্টাৰলৈ। চাবুৱাৰপৰা কানৈ মহাবিদ্যালয়লৈ দৈনিক বাছেৰে অহা-যোৱা কৰোঁতে প্ৰায়ে দুপৰীয়া ছাত্ৰীনিবাসলৈ গৈ কল্পনা বাইদেউৰ কোঠাত জিৰাইছিলোঁ। বাইদেৱে গোৱা সুমধুৰ গীত শুনি আপ্লুত হৈছিলোঁ। সেইবোৰ দিন আছিল অতি মনোৰম— লিখি শেষ কৰিব নোৱৰা।

এনেকৈয়ে কানৈ মহাবিদ্যালয়ত অতিবাহিত হ'ল মোৰ কৰ্ম জীৱনৰ ছটি বছৰ। বহু ছাত্ৰ-ছাত্ৰীক লগ পালোঁ। তাৰে বহুকেইগৰাকীয়ে অধ্যাপনা বৃত্তিৰ লগতে প্ৰশাসনীয় বৃত্তিত সংস্থাপিত হ'ল। স্মৃতিৰ বাটত হাউলি যাব নোৱৰা তেনে কেইগৰাকীমান মৰমৰ বিদ্যাৰ্থী হ'ল— ডিগবৈ মহাবিদ্যালয়ৰ ড° মৃণাল কুমাৰ গগৈ, মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ ড° বলীন সন্দিকৈ আৰু অনিৰুদ্ধ গগৈ, কানৈ মহাবিদ্যালয়ৰ অঞ্জুমণি ফুকন, ডিব্ৰুগড় চিটী মহাবিদ্যালয়ৰ ড° ফৰিদা আহমদ, কাকজান মহাবিদ্যালয়ৰ কানন ডেকা, শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক সুবোধ সোণোৱাল আদি। নিজে পঢ়োৱা বিদ্যাৰ্থীসকলৰ সৰ্বাংগীন উন্নতিয়ে মনলৈ হৰ্ষ আৰু প্ৰশান্তিৰ ভাব কঢ়িয়াই আনে— যাক ভাষাৰে বুজোৱাটো অসম্ভৱ। মোৰ ভাগিন নিশান্ত হাজৰিকায়ো মোৰ লগতে থাকি তিনি বছৰ কানৈ মহাবিদ্যালয়ত অসমীয়া বিষয় সন্মানৰূপে লৈ পঢ়িছিল। বিহুৱা হিচাপে ভাৰত বিখ্যাত ৰঞ্জিৎ গগৈ, শৰীৰ চৰ্চাত বিজিত দুৱৰা আছিল অন্যতম। মনত পৰে তেওঁলোকলৈ।

কানৈ মহাবিদ্যালয়ত সাক্ষাৎকাৰৰ দিনা প্ৰাৰ্থী আছিলোঁ কেৱল দুগৰাকী। ১৯৮৮ চনৰ স্নাতকোত্তৰ পৰীক্ষাত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান পোৱা মই আৰু দ্বিতীয়গৰাকী আছিল দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় স্থান পোৱা মোৰেই সতীৰ্থ। শিক্ষাগুৰু ড° কেশৱানন্দ দেৱগোস্বামী ছাৰে অসমীয়া ভাষাৰ উৎসৰ লগতে মোৰ নামটো (জ্যোতি)ৰ মূল কি সুধিছিল। শেহত মহাবিদ্যালয়ৰপৰা আগবঢ়োৱা একাপ চাহ আৰু মিঠাই খাই গোলাঘাটলৈ উলটিছিলোঁ। বুকুত আশা বাঢ়িছিল। তাৰ এমাহৰ পাছত চিঠি আহিছিল ডাকযোগে আৰু ২১-০৯-১৯৮৯ তাৰিখে কানৈ মহাবিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰি পাৰ কৰিছিলোঁ ছটা বছৰৰ সফল পৰিক্ৰমা।

কানৈ মহাবিদ্যালয়ত কৰ্মৰত সময়তে এদিন জগন্নাথ বৰুৱা মহাবিদ্যালয়ত মোৰ শিক্ষাগুৰু বিশিষ্ট সাহিত্যিক, কবি ড° চন্দ্ৰ কটকীৰ অকাল বিয়োগত খালী হোৱা পদ পূৰাবলৈ দৈনিক জনমভূমি কাকতত বিজ্ঞাপন ওলাল। যোৰহাটলৈ বিবাহ হোৱাসূত্ৰে ময়ো সাক্ষাৎকাৰ দিলোঁহি। ত্ৰিছগৰাকী প্ৰাৰ্থী। এই প্ৰথম বহুমুখী প্ৰশ্নৰ সন্মুখীন হৈ সাক্ষাৎকাৰত বহিলোঁহি। এইবাৰো মোৰ ভাগ্য সুপ্ৰসন্ন আছিল— চাকৰিটো মিলিল। মনে নক'লেও অৱস্থাৰ দাস হৈ কানৈ মহাবিদ্যালয়ৰপৰা এবছৰৰ লিয়েন লৈ মই নিজে পঢ়া যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগত ১৯৯৫ চনৰ ১৯ জুলাই তাৰিখে যোগদান কৰিলোঁহি। কিয় জানো ক'ব নোৱাৰোঁ ডিব্ৰুগড় এৰি আহি যোৰহাটখন মোৰ ভাল নালাগিল। নিতৌ বেৰি ধৰিলে নতুন নতুন সমস্যাই। গৃহস্থ তেতিয়াও চাবুৱাতে। কণমানি কন্যা সন্তানটিক লৈ মই যোৰহাটত অকলে। এনে বহু ব্যক্তিগত কাৰণত যোৰহাটত কৰ্ম জীৱনৰ একাদশ মাহ অতিক্ৰম নৌ হওঁতেই মই পুনৰ কানৈ মহাবিদ্যালয়লৈ উলটি যোৱাৰ প্ৰস্তুতি চলালোঁ। দুয়োখন মহাবিদ্যালয়তে যথা সময়ত আবেদনপত্ৰ দিলোঁ— জগন্নাথ বৰুৱা মহাবিদ্যালয়ত মোৰ মুক্ত কৰি দিবলৈ আৰু কানৈ মহাবিদ্যালয়ত পুনৰ লিয়েনৰ অন্তত যোগদান কৰিবলৈ। সেই সময়ত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত আছিল বিশিষ্ট লেখক ডিম্বেশ্বৰ চলিহা। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত মুকুল চলিহা। কানৈ মহাবিদ্যালয়ত মোৰ লিয়েন হেতু খালী হোৱা পদত ইতিমধ্যে যোগদান কৰিছিল ৰূপালীম ঠাকুৰে। মই লিয়েনৰ অন্তত উলটি গ'লেই তাই চাকৰি এৰিব লাগিব বুলি ভাবি মনটো বেয়াও লাগিছিল। তেনেতে আবেদন কৰাৰ এমাহৰ শেষৰ আচল দিনটো আহি পৰিলহি। ১৯৯৬ চনৰ ১৮ জুলাই। বিধিৰ কি নিয়ম? পুৱাৰেপৰা অধ্যক্ষৰ ওচৰত তথা অফিচত বহি খাপ পাতি থাকিলোঁ যদিও সন্ধিয়ালৈকে অধ্যক্ষ মুকুল চলিহা ছাৰে মোৰ মুক্তি-পত্ৰখনত স্বাক্ষৰ নকৰিলে। অৱশেষত সন্ধিয়া ছয় বজাত দুধাৰি লোতক বোৱাই মই মোৰ মুক্তিপত্ৰ বিচাৰি কৰা

আবেদনপত্ৰখন উঠাই ল'বলৈ বাধ্য হ'লোঁ। লগে লগে চকীদাৰ কাঞ্চাই মোৰ সন্মুখত দিলেহি একাপ গৰম ৰঙা চাহ আৰু প্লেটত দুটা ৰসগোল্লা। মুকুল চলিহা ছাৰে স্বভাৱসুলভ হাঁহি এটা মাৰি ক'লে ঃ "আজি আমাৰ কলেজৰ বাবে এটা শুভ দিন। তোমাক অন্ততঃ এই মহাবিদ্যালয়তে ৰাখিব পাৰিলোঁ। আজি তোমাৰ মোলৈ ভীষণ খং উঠিছে; কিন্তু এদিন তুমি এই কলেজ নেৰাৰ সুফল পাবা। চাবা, এই মহাবিদ্যালয় এদিন বিশ্ববিদ্যালয় পৰ্যায়লৈ উত্তীৰ্ণ হ'ব আৰু সেইদিনা মোৰ প্ৰতি থকা তোমাৰ আজিৰ এই সকলো খং-ৰাগ আঁতৰিব।" সেইদিনা অধ্যক্ষ মুকুল চলিহা ছাৰৰ কথাষাৰ তিলমানো সহজে ল'ব পৰা নাছিলোঁ। পিছদিনা ধলপুৱাতে লিয়েনৰ ম্যাদ আৰু এমাহ বৃদ্ধি কৰিবৰ বাবে আবেদন-পত্ৰ লিখি গৃহস্থ ডাঃ মাখন কলিতাক ধল পুৱাতে কানৈ মহাবিদ্যালয়লৈ বুলি পঠিয়ালোঁ। দুখৰ বিষয় যে, সেইদিনা মোৰ লিয়েনৰ ম্যাদ বৃদ্ধিৰ বাবে কৰা আবেদন-পত্ৰখন তাৎক্ষণিকভাৱে ডিম্বেশ্বৰ চলিহা ছাৰে নাকচ কৰিলে আৰু তাৰ লগে লগেই মোৰ কানৈ মহাবিদ্যালয়লৈ উলটি যোৱাৰ বাটটোও একেবাৰে বন্ধ হৈ পৰিল।

সি যি নহওক, এটা সময়ত মুকুল চলিহা ছাৰৰ কথাষাৰ আখৰে আখৰে মিলিল। আজি ছাৰে লোৱা সেই সিদ্ধান্ত যথোচিত আছিল বুলি মনেপ্ৰাণে ভাবিছোঁ আৰু ছাৰলৈ ধন্যবাদ আৰু কৃতজ্ঞতাও জনাইছোঁ। মই মোৰ অতি মৰমৰ কানৈ মহাবিদ্যালয়লৈ উলটি যাব নোৱাৰিলোঁ সঁচা; কিন্তু সেইবাবে আজি আৰু মোৰ মনত কোনো আক্ষেপ নাই। আজি স্বায়ত্তশাসিত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সহযোগী শিক্ষক হিচাপে নিয়মীয়া স্নাতকোত্তৰ শ্ৰেণীৰপৰা পিএইচ,ডিৰ গৱেষণা তত্ত্বাৱধায়কৰূপে বিদ্যাৰ্থীসকলৰ বাবে নিজকে উৎসৰ্গা কৰিবলৈ পাই মই গৌৰৱান্বিত। যোৰহাটে সামাজিক দিশতো মোক দিবলগীয়া সকলোখিনিকে উবুৰিয়াই দিছে। মোৰ সাহিত্য-সাধনাৰ বাটটোকো যোৰহাটে পোনাই দিছে সুন্দৰভাৱে। কবি হিচাপে নিজাকৈ বাট এটা কাটিছোঁ এই যোৰহাটৰপৰাই। তথাপি আজি অকপটে স্বীকাৰ কৰোঁ— মোৰ বুকুৰ মাজত বৈ বৈ এতিয়াও বাজে কানৈ মহাবিদ্যালয়ৰ মিঠা মিঠা সোঁৱৰণিৰ ৰুণজুন ধ্বনি। মই যোৰহাটলৈ অহাৰ আগে আগেয়ে মোৰ জ্যেষ্ঠ সহকৰ্মী ড° জ্যোতিমালা গোহাঁই বাইদেৱে টিংখাং মহাবিদ্যালয়ত যোগদান কৰি ইতিমধ্যে অধ্যক্ষৰূপে অৱসৰ লৈছে। আজি মোৰ দিনৰ কোনো শিক্ষক অসমীয়া বিভাগত নাই। পিছেনল মৰে, গজালি মেলে। কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ শুৱনি কৰি এতিয়া অনুজ সহকৰ্মীৰূপে আছে ভগ্নীসম ৰূপালীম ঠাকুৰ, অনন্ত টেৰণ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, 'অন্যযুগ' আলোচনীৰ সম্পাদক তথা নিৰ্ভীক সমালোচক ড° মৃদুল শৰ্মা, মোৰ প্ৰিয় ছাত্ৰী অঞ্জুমণি ফুকন, শিখামণি কোচ দেউৰী আৰু মনমী বৰা। অনুজ সহকৰ্মী হিচাপে তেওঁলোকলৈ যাচিলোঁ মোৰ হিয়াভৰা মৰম আৰু অফুৰন্ত শুভেচ্ছা।

মোৰ ছটা বছৰৰ কৰ্মৰত দিনবোৰত সাহস আৰু প্ৰেৰণাৰ উৎস হৈ থকা অগ্ৰজ ড° শিৱ দত্ত ছাৰ (পিছলৈ অধ্যক্ষৰূপে অৱসৰ লোৱা), ভবেন বৰুৱা ছাৰ, যাদৱ বৰুৱা ছাৰ আৰু অলকা বাইদেউ, ড° জয়কৃষ্ণ মহন্ত ককাইদেউ (পিছলৈ অধ্যক্ষ), ড° দিলীপ ভূঞা ককাইদেউ (পাছলৈ মনোহাৰী দেৱী কানৈ ছাত্ৰী মহাবিদ্যালয়ৰ অধ্যক্ষ), ড° আতিকুদ্দিন আহমদ ককাইদেউ (পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ), হেমন্ত টিমচিনা, নৰেন্দ্ৰ মাহেলা, প্ৰিয়দেৱ গোস্বামী ককাইদেউ, টিকেন্দ্ৰজিৎ ককাইদেউ, ৰাজী কোঁৱৰ বাইদেউ (পিছলৈ অধ্যক্ষ), প্ৰতীক চৌধুৰী ককাইদেউ, সুদক্ষিণা দাস (মিঠু) বাইদেউ, কলেজীয়া দিনৰে প্ৰিয় বন্ধু তথা গণিত বিভাগৰ সহকৰ্মী দিলীপ বৰবৰা, বুৰঞ্জী বিভাগৰ ৰীতা চৌধুৰী বাইদেউ, জয়শ্ৰী কোঁৱৰ, চন্দনা গোস্বামীলৈ প্ৰায়ে মনত পৰে। বাংলা বিষয়ৰ তথ্য জনাৰ ক্ষেত্ৰত সেই বিভাগৰ আভা দত্ত বাইদেউ, কুমকুম চক্ৰৱৰ্তীৰ সান্নিধ্যই মোক বিশেষভাৱে উপকৃত কৰিছিল। এটা কঠিন বিষয়ত পিএইচ,ডি কৰিম বুলি এখোজ আগবাঢ়ি মোৰ ওচৰলৈ অহা সংস্কৃত বিভাগৰ বিনী শইকীয়াৰ সপোন পূৰাব নোৱৰাৰ দুখে আজিও মোক কষ্ট দিয়ে। মহাবিদ্যালয়খনৰ আৰু যে কত আপোনজনৰ সান্নিধ্যৰ অমল সুবাসে আমোলমোলাই আছে মোৰ মনৰ পদুলি, লিখি শেষ নহয়। ড° আতিকুদ্দিন আহমদ ককাইদেউৰ কইনা চাবলৈ বুলি শিৱসাগৰলৈ অহাৰ কথা কথা মোৰ আজিও মনত আছে। দিলীপ বৰবৰাৰ ভাৰাঘৰৰ ভাতসাজলৈ মনত পৰে। জ্যোতিমালা বাইদেউৰ বিয়াত ছাঁৰ দৰে থকাৰ কথাবোৰ কেনেকৈ পাহৰোঁ? ভীমকান্ত কোঁৱৰ ছাৰে মোলৈ প্ৰায়েই ফোন কৰে। ইয়াতকৈ আনন্দৰ বিষয় আৰু কি হ'ব পাৰে মোৰ বাবে? ভ্ৰাতৃ মৃদুল শৰ্মাৰ মৰম-আবদাৰৰ কথা নক'লোঁৱেই বা। উষা বাইদেউ, ফৰিদা বাইদেউৰ ঘৰত পোৱা আতিথ্য, বাৰীৰ ফলমূল বুটলি হোষ্টেলৰ কোঠালৈ টোপোলা বান্ধি অনাৰ স্মৃতিবোৰেও আজি আমনি কৰিছে।

চকুৰ আঁতৰ হোৱা মানেই মনৰ আঁতৰ হোৱাটো নুবুজায়। বৰং দূৰৈত থাকিলে বাঢ়ে মৰম; বুকুৰ বাহিৰে ভিতৰে বাঢ়ে অমল ভালপোৱা। মই আজিও মনে প্ৰাণে ভাল পাওঁ কানৈ মহাবিদ্যালয়ক, সেই শ্ৰেণীকোঠাবোৰক— য'ত মোৰ কৰ্ম জীৱনৰ প্ৰসাৰ ঘটিছিল; ভাল পাওঁ ছাত্ৰীনিবাসৰ প্ৰতিটো পল-অনুপলৰ স্মৃতি সুঁৱৰি। আজি কানৈ ছাত্ৰীনিবাসত থাকোঁতে অভিভাৱকৰ দৰে পোৱা শান্তনু সেনগুপ্ত দা অতীত হ'ল। অকালতে কল্পনা বাইদেউক নিসংগ কৰি গুচি গ'ল তেওঁ অজান মুলুকলৈ— য'ৰপৰা কোনো আৰু উলটি নাহে। অহাৰ বাটেদি উলটি গ'লগৈ মোৰ অতি শ্ৰদ্ধা আৰু মৰমৰ প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য ছাৰ, ফৰিদা বাইদেউ, ঊষা বাইদেউ, অধ্যক্ষ কল্যাণ কুমাৰ বৰুৱা ছাৰ, ডিম্বেশ্বৰ চলিহা ছাৰ, হেমন্ত টিমচিনা আৰু হয়তো মই আজিও নজনাকৈ, খবৰ নোপোৱাকৈ গ'লগৈ অনেকজন। ময়ো এদিন যামগৈ সোঁৱৰণিৰ বুকুত নিজকে থাপি। তথাপি জীৱিত কালত কেনেকৈ পাহৰিম কানৈ মহাবিদ্যালয়ত কটোৱা সেই ছটা বছৰৰ মিঠা মিঠা মাদকতাভৰা সোণসেৰীয়া দিনবোৰ, আন্তৰিকতাৰে ভৰা কথাবোৰ? কেনেকৈ পাহৰিম হে অগ্ৰজ, অনুজ— আপোনালোকৰ সংগসুখ-সান্নিধ্য।

কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণী উৎসৱ উদ্‌যাপিত হোৱাৰ বতৰা পাই অতি উৎফুল্লিত হৈ পৰিছোঁ। কবি তথা সাহিত্যিক, অতি উদ্যমী, গতিশীল ব্যক্তিত্বৰ গৰাকী অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ দিক্‌নিৰ্দেশনাত মহাবিদ্যালয়খন দোপত-দোপে আগবাঢ়ি যোৱাৰ বতৰাই মোকা সদা আনন্দ প্ৰদান কৰি আহিছে। শিক্ষকসকলৰ গতিশীল মানসিকতাই মহাবিদ্যালয়খনক বহু উচ্চ স্তৰলৈ আগুৱাই নিব বুলি মোৰ আশা। অসমীয়া বিভাগত ইতিমধ্যে স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদানৰ শুভাৰম্ভ হোৱাটো অতি আনন্দৰ বিষয়। গৱেষণাৰ ক্ষেত্ৰতো বিভাগীয় শিক্ষকসকল আগবাঢ়ি আহিলে শিক্ষাৰ ক্ষেত্ৰত ষোলঅনা কাৰ্য সিদ্ধি হ'ব।

আহি আহি অৱশেষত উপসংহাৰ পালোঁহি। মোৰ অগ্ৰজ প্ৰিয়দেৱ গোস্বামী আৰু প্ৰিয় অনুজ ড° মৃদুল শৰ্মা অতদিনে বন্ধ হৈ থকা মোৰ সোঁৱৰণিৰ বৰপেৰাটো খুলিবলৈ বাধ্য কৰালে। মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ পতাকা উত্তোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ কৰাটো মহাবিদ্যালয়খনে মোলৈ আগবঢ়োৱা বদান্যতা— যাৰ ঋণ মই পৰিশোধ কৰিবলৈ অপাৰগ। আজি এই স্মৃতিকথা লিখি উঠি ভাবিছোঁ জীৱন যদি এক যাত্ৰা হয় আৰু সেই যাত্ৰাত যদি থাকে অনেক সৰু বৰ জিৰণী-ঘৰ— তেনে ডিব্ৰুগড় মোৰ বাবে হ'ব আমৃত্যু পাহৰিব নোৱৰা, মাটিৰ পৰশ থকা এটি জিৰণীঘৰ— যাৰ সোঁৱৰণিয়ে মোক দিব জীয়াই থকাৰ সমল, এই কংক্ৰীটৰ অৰণ্যৰ মাজতো দিব বিশুদ্ধ সেউজীয়া উশাহ। আজি ডিব্ৰুগড় হনুমানবক্স সুৰযমল মহাবিদ্যালয়ে মহাৰজত জয়ন্তী সামৰণী উছৱৰ আনুষ্ঠানিকতা সম্পন্ন কৰাৰ পৱিত্ৰ লগনত মই প্ৰণিপাত জনাইছোঁ প্ৰতিষ্ঠাকালৰ সেইসকল পুণ্যাত্মাক— যিসকলে কানৈ মহাবিদ্যালয়ৰূপী এই বিশাল জ্ঞানৰ সাগৰত সকলোকে অৱগাহন কৰাৰ পথ প্ৰশস্ত কৰি গৈ গ'ল। সেৱা, শ্ৰদ্ধা আৰু শুভেচ্ছা জনাইছোঁ প্ৰাক্তন তথা বৰ্তমানৰ অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী আৰু বিদ্যাৰ্থীসমাজক— যিসকলৰ ত্যাগ, আৰু অহোপুৰুষাৰ্থৰ বাবেই এই শিক্ষানুষ্ঠানটিৰ জ্ঞানৰ বন্তিগছি অক্ষয়-অব্যয় হৈ উজলি আছে আৰু সদা উজলি থাকিব। জয়তু কানৈ মহাবিদ্যালয়। জয়তু অগ্ৰজ-অনুজ সতীৰ্থ।।

# এৰি অহা দিনবোৰক সোঁৱৰি

**বিমান সোনোৱাল**
প্ৰাক্তন ছাত্ৰ, ধেমাজী

'এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেয়ে হেৰুৱালে নাহে উভতি'

কানৈ...... যেন এই শব্দটোতে সোমাই আছে ভৰপূৰ হেপাঁহৰ ন উদ্যম, এসোপামান পুৰণি স্মৃতি.....। শব্দটি শুনিলেই যেন হেৰাই যাওঁ সোণালী অতীতৰ সেই দিনবোৰলৈ।

২০১৯ বৰ্ষৰ জুন মাহৰ ২৫ তাৰিখ। এটা ৰৌদ্ৰজ্বল দিন। সেইদিনা যেন আন এটা দিনতকৈ কানৈ অধিক আগ্ৰহেৰে সজীৱ হৈ পৰিছিল। ন উদ্যমেৰে বাট চাই আছিল এজাক তৰুণ নৱাগতা। যাৰ দুচকুত হাজাৰ সপোন.....। তাৰে ভিতৰৰে আছিলো মইয়ো এজন.....।

ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰথমটো পাঠদান কৰিবলৈ মই ৰুম নং ১০৮ ত প্ৰৱেশ কৰিছিলোঁ। ভয়ো লাগিছিল..... কিয়নো ইমান এখন ডাঙৰ মহাবিদ্যালয়। তাতে সম্পূৰ্ণ নতুন ঠাই, নতুন পাঠ্যক্ৰম....। নতুন পাঠ্যক্ৰম বুলি এইকাৰণেই কৈছোঁ কিয়নো উচ্চতৰ মাধ্যমিকত মোৰ বিজ্ঞান শাখা আছিল। প্ৰথমটো ক্লাছ চা-চিনাকীৰ মাজেৰে আৰম্ভ হৈছিল। চান চাৰে আমাক পাঠ্যক্ৰমবোৰ বুজাই গৈছিল।

নজনাকৈ অচিনাকি কানৈখন এদিন মোৰ হৃদয়ৰে আপোন হৈ পৰিল। লাহে লাহে দিনবোৰ পাৰ হবলৈ ধৰিলে। ছাত্ৰ একতা সভাৰ নিৰ্বাচন আহিল। সমাজসেৱা পদত নিজকে প্ৰাৰ্থিত্ব আগবঢ়াম বুলি ভাবিয়ো আগবঢ়াব নোৱাৰিলোঁ শ্ৰেণীকোঠাত পাঠদান নিয়মীয়া নোহোৱাৰ বাবে। সেইসময়ত সভাপতি পদত জুবিন বুঢ়াগোঁহাই আৰু সাধাৰণ সম্পাদক পদত অংকুৰ মৰাণ জয়ী হ'ল....। আশাবোৰ তেনেকৈ থাকি গ'ল।

নিৰ্বাচনৰ পাছত কানৈৰ আছু গোট, বিভাগৰ নৱাগত আদৰণি সভা আৰু শিক্ষক দিৱস লগতে ৭৫ বছৰ গৰকা হেতুকে মহাবিদ্যালয়খনত ২৭ আৰু ২৮ ছেপ্তেম্বৰ ২০১৯ ত আৰম্ভ হৈছিল মহাৰজত জয়ন্তীৰ আৰম্ভণী অনুষ্ঠান। চাৰ বাইদেউসকলৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াৰ লগতে মহাবিদ্যালয়ৰ কাম-কাজত নিজকে নিয়োগ কৰিছিলোঁ। ব্যস্ততাপূৰ্ণৰে দুদিন পাৰ হ'ল। সেইসময়খিনিতে চিনাকী হৈছিলোঁ বহুতৰ সৈতে। কানৈ সম্পৰ্কে ন ন অভিজ্ঞতাও লাভ কৰিলোঁ। মহাবিদ্যালয়ৰ কামৰ লগতে বিভাগৰ শোভাযাত্ৰাৰ বাবে ওলোৱা দলটোৰ লগতে দিনে-নিশাই অজস্ৰ কষ্ট কৰিছিলোঁ। সেইটোৱেই আছিল বিভাগৰ প্ৰথম কাম....., য'ত নৱাগত হিচাপে নিজকে কামত আত্মনিয়োগ কৰিছিলোঁ। মহাৰজত জয়ন্তীৰ আৰম্ভণীৰ সাংস্কৃতিক শোভাযাত্ৰাটি যথেষ্ট দীঘল আছিল। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগেও অংশগ্ৰহণ কৰিছিল। দুখৰ বিষয়....আমাৰ ৰাজনীতি বিজ্ঞান বিভাগে প্ৰথমস্থান পাবলৈ সক্ষম হৈছিলোঁ। তাৰোপৰি শোভাযাত্ৰাটোৰ আকৰ্ষনৰ মুল কেন্দ্ৰবিন্দু হৈ পৰিছিল বিভাগৰ সহপাঠী চলাংকীয়ে কৰা ভীমৰ তাণ্ডৱ। সেইসময়ত চলাংকীৰ ভিডিঅ' সামাজিক মাধ্যমত খুব চৰ্চিত আছিল।

ইতিমধ্যে মহাৰজত জয়ন্তী সামৰণি পৰিল। অক্টোবৰ মাহ পালেহি। পূজাৰ বন্ধৰ পাছতেই মহাবিদ্যালয়ৰ পৰা বাচকবনীয়া

এটা দলক ৩১ অক্টোবৰৰ পৰা ৬ নৱেম্বৰলৈ গুৱাহাটীত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ ২০১৯ ত অংশগ্ৰহণ কৰিব পঠাইছিল। দলটোক মহাবিদ্যালয়ৰ ৰাসায়ন বিভাগৰ অধ্যাপক ড° দীপাংকজ গগৈ আৰু সমাজতত্ত্ব বিভাগৰ মূৰব্বী অধ্যাপিকা প্ৰিয়ংকা বৰা নেতৃত্বত পঠাইছিল। দলটোত আছিল হিৰণ্যপ্ৰভা দিহিঙীয়া (আইমুনু), জুবিন বুঢ়াগোহাঁই, ৰাজশ্ৰী কোঁৱৰ, অংকিতা দাস, তুৰস্তুতী গগৈ, বৰ্ণালী বসুমতাৰী, প্ৰতীক্ষা কোঁৱৰ, নিকিতা কোঁৱৰ, চয়নিকা শইকীয়া, কৃতাঞ্জলী শেনচোৱা, বিকাশ দুৱৰা,পল্লৱ বুঢ়াগোঁহাই আৰু বিমান সোনোৱাল। সহযোগ কৰিছিল M.D.K.G মহাবিদ্যালয়ৰ ৰাসায়ন বিভাগৰ অধ্যাপক ৰাজজ্যোতি গগৈ চাৰ।

চলচিত্ৰ মহোৎসৱত দেশী-বিদেশী বহু চিনেমা চোৱাৰ আমাৰ সৌভাগ্য হৈছিল। সৰুৰে পৰা টি.ভি পৰ্দাত দেখি থকা বহু অভিনেতা-অভিনেত্ৰীকো কাষত পোৱাৰ সৌভাগ্য হৈছিল। ন ন অভিজ্ঞতা লাভ কৰিছিলোঁ। এই অভিজ্ঞতাবোৰ পোৱাৰ সুযোগ মাত্ৰ কানৈয়েহে দিছিল।

নৱেম্বৰ দ্বিতীয় সপ্তাহৰ পৰা প্ৰথম ষান্মাসিকৰ পৰীক্ষাৰ বাবে মহাবিদ্যালয় বন্ধ দিছিল। শেষৰ সপ্তাহৰ পৰা পৰীক্ষা আৰম্ভ হ'ল যদিও ডিচেম্বৰ প্ৰথম সপ্তাহৰ পৰা ভাৰত চৰকাৰে বলবৎ কৰিব বিচৰা CAB ৰ ফলত হোৱা গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি সঁহাৰি জনাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনে পৰীক্ষা বাতিলৰ জাননী জাৰি কৰিছিল। তাৰ ফলত মহাবিদ্যালয়ৰ ছাত্ৰ সমাজেও কা আন্দোলনৰ প্ৰতি সঁহাৰি জনাই বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছিল। ময়ো ছাত্ৰ সমাজৰ লগত সহযোগ কৰিছিলোঁ।

১২ ডিচেম্বৰ, ২০১৯, সময় ৯ বাজি পাৰ হৈছিল। স্থান ঃ থানা চাৰিআলি, ডিব্ৰুগড়। মই আৰু মোৰ ৰুমমেট পল্লৱ, ৰাণা আৰু মৃগমৰ সৈতে পৰিস্থিতি চাবলৈ ওলাই আহিছিলোঁ। এনে সময়তে আকস্মিকভাৱে এখন আৰ্মী গাড়ীয়ে আমাৰ পিনে চোঁচা লৈছিল। তাকে দেখি আমি চাৰিও তৰা-নৰা চিঙি দৰিছিলোঁ। চাৰি-পাঁচটা গুলীৰ শব্দই সন্মুখৰ ঠাইখিনি কলা কৰি তুলিছিল। লুকাবলৈ ঠাই নাপাই এটা লাইটৰ খুটাৰ তলতে যিমান পাৰো নিজকে লুকুৱাবলৈ চেষ্টা কৰিলোঁ। কপালখন ইমানেই বেয়া আছিল আৰ্মী গাড়ীখন KC ৰোডৰ ফালে নগৈ মই লুকাই থকা ঠাইখিনিতে ঘূৰাবলৈ চেষ্টা কৰিছিল। কেইজনমান আৰ্মীয়ে গাড়ীৰ পৰা নামি খোজ কঢ়াত নিজম ঠাইখিনিত জোতা খট্ খট্ শব্দই মুখৰ মাত হেৰাইছিল। গাড়ীখন ঘূৰাওঁতে লাইটৰ জ্বলা পোহৰ দেখি নিজকে যিমান পাৰোঁ লুকুৱাব চেষ্টা কৰিছিলোঁ। অৱশেষত গাড়ীখন গুছি গৈছিল। ওলাই আহি পল্লৱ-ৰাণাহঁতক উচ্চস্বৰে চিঞৰিলোঁ। সকলো ঠিক হোৱাত আমি লগ হৈ ৰুমলৈ ওভতিছিলোঁ। ৰুমত খাবলৈ একো নথকাত ৰুমলৈ আহোতে ৰাস্তাৰ কাষতে দেখা পোৱা বিয়া ঘৰত খাবলৈ সোমালোঁ। বিয়াঘৰৰ মানুহৰ বাহিৰে আন কোনোৱে নাছিল। তাতে আমি আমন্ত্ৰিত অতিথিও নাছিলোঁ। আমাক দেখি তেওঁলোকে নথৈ আনন্দিত হৈছিল। ৰাতি ১১ বজাত পল্লৱৰ মাকে দেউতাকৰ স্বাস্থ্যৰ অৱনতি হোৱাৰ খবৰ দিছিল। সেইদিনা পুৱা ৩ বজাত খবৰ পালোঁ পল্লৱৰ দেউতাক আৰু ইহসংসাৰত নাই। আঘোণ মাহৰ পুৱাৰ সময়খিনিত ঠাণ্ডা বেছি। সেই ঠাণ্ডকো আওকান কৰি খোজকাঢ়ি তেল বিচাৰি গৈছিলোঁ। তেল নাপালোঁ ক'তো। দুই এখন স্থানীয় বাইকৰ মাজেৰেই সি ঘৰলৈ গৈ দেউতাকৰ অন্তিম সংস্কাৰ কৰিলেগৈ। কিন্তু আজিও এটা কথা ৰহস্য হৈ থাকিলে যে নেট কৰ্তন কৰাৰ পাছতো কেনেদৰে ভিডিঅ' ক'লটো সম্ভৱ হ'লঙ্গ তাৰোপৰি সেইদিনা পুলিচে গ্ৰেপ্তাৰ কৰা হ'লে পল্লৱে দেউতাকৰ অন্তিম সংস্কাৰ কৰিব নাপালেহেঁতেনঙ্গ

ডিচেম্বৰৰ শেষৰ পিনে স্থগিত ৰখা বিষয়সমূহ পৰীক্ষা বিশ্ববিদ্যালয়ে পুনৰ অনুষ্ঠিত কৰিলে। যাৰ ফলত মানালিলৈ মহাবিদ্যালৰ পৰা ওলোৱা শিক্ষামূলক ভ্ৰমণটো বাতিল কৰিব লগীয়া হৈছিল। জানুৱাৰী প্ৰথম চোৱাত আৰম্ভ হ'ল ২০২০ বৰ্ষৰ মহাবিদ্যালয়ৰ সপ্তাহ। বিভাগৰ হৈ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সাত টা পুৰস্কাৰ অৰ্জন কৰিবলৈ সক্ষম হৈছিলোঁ। জানুৱাৰীৰ শেষৰপিনে গড়গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত দলটোৰ লগত ওলালোঁ। মহাবিদ্যালয়খনে ৭ টা পুৰস্কাৰ আজুৰি আনিবলৈ সক্ষম হৈছিল। ফেব্ৰুৱাৰী মাহৰ শেষৰ চোৱাৰ পৰা আৰম্ভ হ'ল ক'ৰোণা মহামাৰী। ৰাজ্যৰ আন আন শিক্ষানুষ্ঠানৰ লগতে কানৈ মহাবিদ্যালয়তো শ্ৰেণী কোঠাবোৰত তলা বন্ধ পৰিল। প্ৰথম ষান্মাসিকৰ নম্বৰ তুলনা কৰি দ্বিতীয় ষান্মাসিকৰ ৰিজাল্ট দিয়াত আমি তৃতীয় ষান্মাষিক হৈ পৰিলোঁহি। মহাবিদ্যালয়ৰ স্বাভাৱিক দিনবোৰ ২০২০ বৰ্ষৰ মাৰ্চৰ পৰা ২০২১ বৰ্ষৰ জানুৱাৰীলৈ স্থগিত হৈ ৰ'ল। আপোনাৰ দাদা আৰু বাইদেউ সকলেও এৰি গ'ল মহাবিদ্যালয়খনক। ৮ ফেব্ৰুৱাৰী তাৰিখে নালিয়াপুলৰ পৰা ৰুম খলিহামাৰিলৈ স্থানান্তৰ হলোঁ। ৰুমৰ নতুন সদস্য হ'ল বিভাগৰে মুনদা, বিকাশদা, সঞ্জু আৰু ৰূপাংকৰ।

ৰুমটো বিভাগৰ ল'ৰা-ছোৱালী সঘনাই আহ-জাহ কৰাৰ উপৰিও বিভাগৰ নৱাগত আদৰণি সভা, মহাবিদ্যালয়ৰ সপ্তাহ ইত্যাদি ৰুমৰ পৰাই চৰ্চা হোৱাৰ হেতুকে বহুতে ৰুমটোক পাৰ্টি অফিচ বুলি নামকৰণ কৰিছিল।

জানুৱাৰী ২০২১ ৰ পৰা পুনৰ মহাবিদ্যালয় খুলিল যদিও পুনৰ ক'ৰোণাৰ দ্বিতীয়টি মহামাৰীৰ বাবে ২০২১ চনৰ মাৰ্চ মাহৰ পৰা পুনৰ জুলাই ২০২১ লৈ শ্ৰেণীকোঠাৰ পাঠদান বন্ধ হৈ পৰিল। আগষ্টৰ পৰা তৃতীয় যান্মাষিকৰ পৰীক্ষাবোৰ অনলাইন যোগেদি আৰম্ভ হ'ব ধৰিলে। সেইদিনাৰ পৰাই খলিহামাৰী পাৰ্টি অফিচটো পৰীক্ষা কেন্দ্ৰলৈ সলনি হ'ল। পৰীক্ষা শেষ হোৱাৰ পাছত ষষ্ঠ যান্মাষিকৰ দাদা - বাইদেউ সকলেও মহাবিদ্যালয়ৰ পৰা বিদায় ললে। ৰুমৰ পৰা বিদায় ললে মুন দা আৰু বিকাশ দায়ো। তেওঁলোকৰ ঠাইত নতুন সদস্য হ'লহি বিভাগৰে মৃদুল আৰু আদিত্য। মাজে মাজে ৰুমৰ সদস্য হলহি সিমান্ত আৰু চলাংকী। সময়বোৰ পুনৰ স্বাভাৱিক দিনলৈ আহিব ধৰিলে। দাদা আৰু বাইদেউ সকলৰ ৰিক্ত ঠাইখিনিত নতুন প্ৰতিভাধাৰী জুনিয়ৰসকলে আহি ঠাই ললেহি। খালী খালী লাগি থকা কানৈখন পুনৰ ভৰি পৰিল....।

অক্টোবৰ মাহৰ প্ৰথম সপ্তাহৰ পৰা চয়নিকা, মৃদুলহঁতৰ লগত আৰম্ভ হ'ল এটা নতুন কাম। D.T.P. Dyke ত থকা বস্তিৰ ল'ৰাবোৰ পঢ়াবলৈ আমি মন মেলিলোঁ। D.T.P. Dyke ৰে গছ এজোপাৰ তলত, সৰু সৰু শিলবোৰ আনি বহাৰ উপযোগী কৰি আমি পঢ়াবলৈ আৰম্ভ কৰিলোঁ। তিনি-চাৰিজন ল'ৰা-ছোৱালীৰ বাহিৰে বহুতে পঢ়োৱাৰ ঠাইখিনিলৈ অহা নাছিল। তেওঁলোকক পঢ়াৰ প্ৰতি আগ্ৰহ জন্মাবলৈ আমি নিজা খৰচত মিঠাই-বুণ্ডিয়া আদি লৈ যাব ধৰিলোঁ। সেইদিনাৰ পৰাই ৬-৭ টা ল'ৰা-ছোৱালীৰ পৰা ১৮ টালৈ ল'ৰা-ছোৱালী বাঢ়িল। ABCD ৰে আমি প্ৰথমতে শিকাবলৈ চেষ্টা কৰিছিলোঁ। পিছলৈ টকাৰ আৱশ্যক আৰু এখন Black Board ৰ প্ৰয়োজন হোৱাত মহাবিদ্যালয়ৰে ৰাজনীতি বিভাগৰ অধ্যাপক ড০ বিৰাজ দত্ত চাৰে এখন Black Board, ২০ খন Slate, বহী-কলম আৰু তেওঁলোকক খুৱাবলৈ কিছু টকা সাহাৰ্য হিচাপে আমাক দিছিল। পুনৰ ন উদ্যমেৰে ২ বজাত মহাবিদ্যালয়ৰ পাঠদান শেষ কৰি আবেলি ৪ বজাত D.T.P. Dyke ত পঢ়াবলৈ ললোঁ। ABCD ৰে আৰম্ভ কৰা শিক্ষা ক, খ, গ, ৰে শেষ কৰোঁ। সেই সময়খিনিত বহুতে বহু কথা কৈছিল। বাংলাদেশীক পঢ়াই, বস্তিসকলক পঢ়াই কি পাবি, আকৌ ভিক্ষাই মাগিব, ড্ৰাগছ খাব ইত্যাদি কথাবোৰে আমাক নিৰুৎসাহ কৰিছিল যদিও আমি যোগ্য প্ৰত্যুৎত্তৰ দি বাধা-বিঘিনী আঁতৰাই পুনৰ আৰম্ভ কৰিছিলোঁ। ৰুমমেট সকলেও আহি এই যাত্ৰাৰ সংগী হৈছিল। এই যাত্ৰাতেই চয়নিকা, মৃদুলহঁতৰ লগত মোৰ বন্ধুত্ব আৰু গাঢ় হৈ পৰিছিল।

নৱেম্বৰ মাহত ছাত্ৰ একতা সভাৰ নিৰ্বাচন ওচৰ চাপি আহিল। নিজকে সভাপতি পদৰ বাবে প্ৰস্তুত কৰিলোঁ। ২০১৯ বৰ্ষৰ পৰা কাষত থকা ৰোহিতেও নিজকে সভাপতি পদৰ বাবে প্ৰস্তুত কৰিছিল। সেই দুয়োৰেবাবে যথেষ্ট কষ্ট আছিল এজনে আনজনৰ বাবে সভাপতি পদতো ত্যাগ কৰাতো। চাৰ-বাইদেউসকলেও আমাক উপদেশ দিছিল **"দুয়োজনৰে চিনাকি মুখ কানৈ মহাবিদ্যালয়ত তাতে দুয়োৰে বিভাগ একে গতিকে দুয়ো মহৰ যুঁজত বিৰিণাৰ জয় হ'ব নালাগে।"** লগৰ সকলেও কলে যে **"দুখন চকী আছে সভাপতি আৰু উপ-সভাপতি গতিকে দুখন আসনত প্ৰতিদ্বন্দ্বিতা নকৰি বেলেগ বেলেগ আসনত প্ৰতিদ্বন্দ্বিতা কৰিলে ছাত্ৰ একতা সভাখনে সবল নেতৃত্ব পাব।"** সন্ধ্যা ৭ বজাৰ পৰা নিশা ১০ বজালৈ একো সিদ্ধান্ত দুয়োৰে লব নোৱাৰাত শ্বহীদক সাক্ষী কৰি নিশা ১০.৩০ মিনিটত ভাগ্য পৰীক্ষা কৰিবলৈ হাজিৰ হলোঁ। স্থান ডিব্ৰুগড় চৌকিডিঙীৰ আছু অফিচ। সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ঋতুৰাজ মিলিদাই মই দিয়া খুচুৰা পইচাৰে টচ্ কৰিছিল। সাক্ষী আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতোকোত্তৰ মহলাৰ ছাত্ৰ একতা সভাৰ সভাপতি বিকাশ মিছং, কানৈ মহাবিদ্যালৰ সাধাৰণ সম্পাদক অংকুৰ মৰাণ, সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰকে আদি কৰি আন ১০ জন লোক। ভাগ্য বেয়া আছিল - সেয়ে হেডৰ ঠাইত তেল ওলাল। সিদ্ধান্ত হ'ল ৰোহিতে সভাপতি আৰু মই উপসভাপতি পদত প্ৰতিদ্বন্দীতা আগবঢ়াম। অৱশেষত ৬ ডিচেম্বৰ কানৈয়ানে আমাক ৰায় দিলে। আমি জয়ী হৈ আহিলোঁ। লগতে জয়ী হ'ল সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদককে প্ৰমুখ্য কৰি আছুৰ সমৰ্থিত আন দহ গৰাকী প্ৰাৰ্থী। ১৩ ডিচেম্বৰত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াচাৰে শপতবাক্য পাঠ কৰাই আমাক দায়িত্ব ভাৰ অৰ্পন কৰালে। কানৈয়ানে আশা কৰা ধৰণেৰে চেষ্টা ৰাখিছিলোঁ প্ৰতিটো কাম-কাজ নিয়াৰিকৈ কৰিবলৈ। কানৈয়ানৰ প্ৰতিটো সমস্যা সমাধান কৰিবলৈ। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ লগতে সামাজিক দিশত উত্তৰণ

ঘটাবলৈ চেষ্টা ৰাখিছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দ্বিতীয়, চতুৰ্থ, ষষ্ঠ ষাণ্মাসিকৰ নামভৰ্তি মাচুল ২৫০০ টকাৰ পৰা ১৭০০ টকালৈ হ্ৰাস কৰিবলৈ চেষ্টা কৰি সফল হৈছিলোঁ। ই আছিল আমাৰ ছাত্ৰ একতা সভাৰ বৃহৎ সফলতা। তাৰোপৰি মহাবিদ্যালয়ত এখন Synthetic বাস্কেট বলৰ কৰ্ট দিবলৈ আমি পাৰিষদৰ লগত যোগাযোগ কৰি আৱেদন কৰিছিলোঁ। তেওঁলোকে নৱেম্বৰ মাহত হ'বলগীয়া বাৰ্ষিক বিত্তীয় মিটিংত আলোচনা কৰি নিশ্চয়কৈ দিম বুলি আশ্বাস দিছিল। তাৰোপৰি গুৱাহাটী জনতা ভৱনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ডিব্ৰুগড়ৰ অভিভাৱক মন্ত্ৰী শ্ৰীযুত অতুল বৰা ক্ৰীড়া মন্ত্ৰী শ্ৰীযুত বিমল বৰাক সাক্ষাত কৰি কানৈ আৰু কানৈয়ানে ভুগি থকা মূল সমস্যাসমূহ উত্থাপিত কৰি সমাধানৰ বাবে একোখনকৈ স্মাৰক প্ৰদান কৰো।

ছাত্ৰ একতা সভাত থকা সময়ছোৱাত ন ন অভিজ্ঞতাৰে পুষ্ট হৈ ন ন কথা শিকাৰ সুযোগ পাইছিলো। নিজ কাৰ্যকালৰ সময়ছোৱাত কানৈয়ান আৰু কানৈ সমস্যাসমূহ দূৰ কৰি কানৈক জিলিকাবলৈ অহৰহ চেষ্টা কৰিছিলোঁ।

কানৈত বহুতো স্মৃতি গোটালো। যিবোৰ সদাই স্মৰণীয় হ'ব। যদিও মই কানৈ মহাবিদ্যালয়ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰ নিৱাসৰ আৱাসী নাছিলো যদিও তাৰ আৱাসীসকলৰ মৰমবোৰ কোনোদিনেই পাহৰিব নোৱাৰো। হোষ্টেলৰ আৱাসী উৎপল ফুকনৰ চেষ্টাত হোষ্টেলৰ আৱাসী সকলক লৈ ওলোৱা হুচৰি দলত মোকো নিমন্ত্ৰণ জনাইছিল। কানৈ মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰা বিহু মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰা বিহু মহাবিদ্যালয়ৰ বহুতো অধ্যাপকৰ ঘৰত মাৰিব গৈছিলো।

যোৱা ২৩ জুনত বিভাগৰ তৰফৰ পৰা আমাক লালচান্দ কানৈ প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে বিভাগৰ পৰা বিদায় দিয়ে...। যিটো আছিল জীৱনৰ আটাইতকৈ বিষাদপূৰ্ণ দিন। ভবা নাছিলো যিটো বিভাগৰ হৈ অতদিনে নিজক বিভাগৰ প্ৰতিটো কামত আত্মনিয়োগ কৰিছিলোঁ সেই বিভাগৰ পৰা এদিন বিদায় লম বুলি। তথাপিও সেইদিনা মই গৌৰৱেৰে বিদায় লবলৈ গৈছিলোঁ। কিয়নো যিটো পৰ্যায়লৈ মোৰ সতীৰ্থসকলে কষ্ট কৰি বিভাগক জিলিকাইছিল সেই জিলিকনি এনে এটা নতুন চামক দি গৈছোঁ যিয়ে অনাগত দুটা বছৰত ধ্ৰুৱ তৰাৰ দৰে জিলিকি থকা ৰাজনীতি বিজ্ঞান বিভাগক আৰু জিলিকাই তুলিব। কাৰণ তেওঁলোকৰ দুচকুত কাম কৰাৰ উদ্যম, তুলনাহীন প্ৰতিভা, একেৰাহে কাম কৰাৰ নিষ্ঠা আৰু একাগ্ৰতা তেওঁলোকৰ মাজত দেখা পাইছিলোঁ। সেয়ে সকলোবোৰ জুনিয়ৰেই মোৰ বাবে প্ৰিয় আছিল। নামবোৰ উল্লেখ কৰিলে বহু দীঘলীয়া হ'ব - সেয়ে নিলিখাকৈয়ে মোৰ ভাইটি-ভণ্টী সকললৈ এই লেখাৰ যোগেদিয়ে

মৰম আৰু অনাগত দিনৰ বাবে শুভেচ্ছা জনালোঁ আৰু সগৌৰৱেৰে চিঞৰিছোঁ -

এটি কলি দুটি পাত

ৰাজনীতি বিজ্ঞান বিভাগ জিন্দাবাদ।

সেইদিনা গৌৰৱেৰে গৈছিলো যদিও প্ৰেক্ষাগৃহত সোমাই কম সময়ৰ বাবে মই জঠৰ হৈ পৰিছিলোঁ কিয়নো সকলোৰে দুচকুত চকুপানী দেখা পাইছিলোঁ। তেওঁলোকৰ মৰমবোৰে ইমানেই আকুল কৰি তুলিছিল যে মই দুই-তিনিদিন ভালদৰে শুব পৰা নাছিলোঁ। বিশেষকৈ বিৰাজ চাৰৰ মুখখন বাৰে বাৰে ভাঁহি আহিছিল। যিগৰাকীয়ে প্ৰত্যেকটো মুহূৰ্ততে মোৰ লগত চাঁৰ দৰে থাকি আমি কৰা কামবোৰ উপদেশ দি সফল কৰি তোলাত সহায় কৰিছিল। মনত পৰিছিল দীপাংকজ চাৰকো। যিয়ে নিজৰ বেমাৰক একাষৰীয়াকৈ ৰাখি মোৰ হ'ব লগা সাম্ভাব্যপূৰ্ণ বিপদবোৰৰ পৰা উদ্ধাৰ কৰিবলৈ দিনে-নিশাই সতৰ্ক কৰিছিল।

যোৱা ২৩ ছেপ্তেম্বৰ নতুনক আদৰাৰ মহেন্দ্ৰ ক্ষণত ছাত্ৰ একতা সভাৰ সভাপতি, উপ-সভাপতি আৰু তিনিগৰাকী শ্ৰেণী প্ৰতিনিধি বিদায় সম্বৰ্ধনা জনায়। এক নতুন যাত্ৰাৰ বাবে আগবঢ়াই দিয়ে এখন বহল আৰু ধুনীয়া পৃথিৱীলৈ। কানৈয়ে আশা কৰাৰ দৰেই চেষ্টা কৰিম সমাজ আৰু পৃথিৱীক আলোকময় কৰি তুলিবলৈ। নিজক সমৰ্পন কৰিম, যিদৰে সমৰ্পন কৰিছিলোঁ নিজকে কানৈ আৰু কানৈয়ানৰ বাবে।

সদৌ শেষত মহাৰজন জয়ন্তী গৰকা কানৈ মহাবিদ্যালয়খনলৈ জনালোঁ ভক্তিপূৰ্ণ শ্ৰদ্ধাৰ্ঘ। উজ্জ্বলি উঠক কানৈ মহাবিদ্যালয়ৰ গৰিমা। চৌদিশ চৌপাশে কানৈৰ সোণালী বাৰ্তা বিয়পি পৰক...। দীৰ্ঘজীৱি হওঁক কানৈ মহাবিদ্যালয়। এই মুহূৰ্তত সকলোকে প্ৰণাম জনাইছোঁ.....

জয়তু কানৈ মহাবিদ্যালয়

জয়তু কানৈয়ান....

# স্মৃতি বিজড়িত কানৈ মহাবিদ্যালয়

**মঞ্জুৰাণী বৰগোহাঁই**
প্ৰাক্তন ছাত্ৰী, ভঙাগড়, গুৱাহাটী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ বেলিকা ১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈকে মোৰ চাৰি বছৰীয়া অভিজ্ঞতাৰ বিষয়ে এই লিখনিৰ যোগেদিয়েই কিছু কথা ক'বলৈ প্ৰয়াস কৰিছো। মই ১৯৭১ চনত প্ৰাক্‌বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত ভৰ্তি হৈছিলো আৰু ১৯৭৫ চনত বিজ্ঞানৰ স্নাতক হৈ ওলাই আহিলো। যিহেতু মই এগৰাকী কণ্ঠশিল্পী আছিলো গতিকে এই সময়ছোৱাত মই মহাবিদ্যালয়ৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিলো। প্ৰতি বছৰে মহাবিদ্যালয়ত আয়োজন কৰা সঙ্গীত প্ৰতিযোগিতা সমূহত যোগ দি প্ৰথম পুৰস্কাৰ আনিবলৈ সক্ষম হৈছিলো। সঙ্গীতৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ মোক সহায় কৰিছিল জনপ্ৰিয় অনাতাঁৰ শিল্পী প্ৰয়াত বৈকুণ্ঠ গগৈদেৱে আৰু অসমৰ ৰফি নামে খ্যাত প্ৰয়াত আবৰাৰ হুছেইনদেৱে। ১৯৭৫ চনত মই মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকাৰ পুৰস্কাৰ পাইছিলো। সেই বছৰ বিচাৰকৰ শাৰীত অনাতাঁৰ শিল্পী শ্ৰদ্ধাৰ বীণা ভাগৱতী বাইদেউকে আদি কৰি কেইবাজনো জনপ্ৰিয় সঙ্গীতজ্ঞ আছিল। শ্ৰেষ্ঠ গায়িকা হিচাবে মোক ডিব্ৰুগড়ৰ বহু কেইখন মহাবিদ্যালয়লৈ গীত পৰিবেশন কৰিবলৈ আমন্ত্ৰণ জনাইছিল আৰু ময়ো আমন্ত্ৰণ ৰক্ষা কৰিছিলো। মহাবিদ্যালয়ৰ তৃতীয় বাৰ্ষিকৰ বিদায় সভাখন মোৰ বাবে বৰ বেদনাদায়ক আছিল। সেই সভাত "নিশাৰ কুঁৱলিয়ে কিহৰ বাবে ধূসৰ ছবি আঁকে, মনৰ মাজত দুবৰিয়ে জীৱনৰ গান ৰচে" এই গীতটি সেই সময়ৰ অধ্যক্ষ ডিম্বেশ্বৰ চলিহা চাৰৰ অনুৰোধত মই দুবাৰকৈ গাব লগা হৈছিল। এই কথা ভাবি আজিও মোৰ ভাল লাগে আৰু মই কেতিয়াও পাহৰিব নোৱাৰো।

সেই সময়ছোৱাতেই ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যুৱবাণী অনুষ্ঠানটি লগৰীয়াৰ সৈতে এটি গ্ৰুপটোৰ ফটো ওলাইছিল। এই যুৱবাণী অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ফালৰ পৰা মই আধুনিক গীত, লোকগীত, বৰগীত আদি গাবলৈ সুবিধা পাইছিলো। কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰা দিনকেইটা মোৰ জীৱনৰ আটাইতকৈ মধুৰ আৰু সোণালী দিন আছিল বুলি মই ভাবো। সেইসময়ছোৱাত গোৱা ছয়টি আধুনিক গীত মই 'গগনে গগনে' নামৰ শ্ৰব্য কেছেট এটিত বাণীবদ্ধ কৰি উলিয়াইছো। মুঠৰ ওপৰত কানৈ মহাবিদ্যালয়ৰ চাৰি বছৰীয়া অভিজ্ঞতাই মোৰ জীৱন পৰিক্ৰমাত বহুখিনি অৰিহনা যোগালে আৰু সেইবাবেই নিজকে আজিও কানৈ মহাবিদ্যালয়ৰ লগত যুক্ত কৰি ৰাখিব বিচাৰো।

# কানৈ - এটি উপহাৰ

**চয়নিকা বৰপাত্ৰ গোঁহাই**
প্ৰাক্তন ছাত্ৰী

সপোনৰ ডেউকা মেলি উৰাবলৈ শিকা ঠাইখনেই হ'ল কানৈ ভিন ভিন অভিজ্ঞতাৰ তিতা, কেহা, মিঠা পোৱা ঠাইখনেই হ'ল কানৈ। এৰিথৈ আহিও মনে মনে সদায় কাষত বিচৰা ঠাইখনেই হ'ল কানৈ। জীৱনৰ এটা মধুময় অধ্যায় হ'ল কানৈ........

"ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ" স্কুলীয়া দিনৰ কোনোবা এটা শ্ৰেণীতে অসমীয়া পাঠ্যক্ৰমত পোৱা এই নামটোৱে মোক বাৰুকৈ আকৰ্ষিত কৰিছিল। সেইদিনাই মন দৃঢ় কৰি লৈছিলোঁ যে HS পাছ কৰি কানৈতেই পঢ়িম। ভবাদৰেই বহু আশা আৰু হেপাহেৰে ভৰি দিছিলোঁ ২০১৯ বৰ্ষৰ ২৫ জুনত। ঘৰ কৰি লৈছিলো কানৈ ছাত্ৰী নিবাস।

হোষ্টেলৰ নিয়মমতে কলা ফুট আৰু আঁতি গুৰি মাৰি চুলিকোচা বান্ধি লিপিকা আৰু মই ভয়ে ভয়ে ৰাজনীতি বিজ্ঞান বিভাগৰ ১০৮ নং ৰোমত প্ৰৱেশ কৰিছিলোঁ। প্ৰথম কেইমাহ চাগে হোষ্টেল আৰু ক্লাছ, হোষ্টেলৰৰ পৰা ক্লাছলৈ গলে না কোনোবা নতুন বন্ধু-বান্ধৱী, না কলেজত আড্ডা তাতে চিনিয়ৰ ৰ চকু, কাঢ়া নিয়ম-নীতি। কোনোবাই ভংগ কৰিলেই বা ধৰা পৰিলেই গধূলি মচলাটো যিটো দিয়ে সেইবোৰ দেখিয়েই আমি দূৰৰ পৰাই দূৰৰ পৰাই নমস্কাৰ। এইদৰেই CAA, Corona মাজেৰেই পালোহি 3rd Semester। তেতিয়ালৈকে ৰাজনীতি বিজ্ঞান বিভাগৰ পৰিয়ালটোত সোমাই পৰিবলে মোৰো খুব মন গৈছিল কিন্তু মই একোৱেই উপায় নাপাইছিলো হোষ্টেলৰ নিয়ম-নীতিৰ বাবে। ৰাজশ্ৰী বা লগত নিজেই এদিন ওলালোগৈ বিভাগৰ নৱাগতা সভাৰ ৰ কাম কৰিবলৈ। উফ....সেইদিনা পৰাই যে" এটি কলি দুটি পাত ৰাজনীতি বিজ্ঞান জিন্দাবাদ"। আৱেগ ইমান গভীৰকৈ সোমাই যাব ভবাই নাছিলোঁ। লাহে লাহে বিমানহঁতক লগ পালোঁ। মহাবিদ্যালয় সপ্তাহো আৰম্ভ হ'ল আৰু আমাক best department লাগিবই। ভৰমতেই কাম আৰু ফল। একেৰাহে দুটা বছৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ বিভাগৰ (best department) খিতাপ লাভ কৰিলোঁ। মহাবিদ্যালয়ে সপ্তাহোটোৱেই যেন আমাৰ কাৰণে একতাৰ মুল কাৰণ। ৰাজনীতি বিজ্ঞান মানেই একতা। যিটো প্ৰচলিত। আমাৰ অগ্ৰজ সকলক আমি অনুকৰণ কৰিছিলোঁ। আৰু মোৰ বিশ্বাস অনুজ সকলেও এই ধাৰা প্ৰচলিত ৰাখিব। প্ৰথমতে প্ৰীয়াংকি বাইদেউক যিটো ভয় লাগিছিল। পাছত আকৌ সেই বাইদেউকে লগত লৈ তিনিজনীকৈ স্কুটিত উঠিয়ে ঘাপলা দিব গৈছিলো। ঘাপলা মানে কেলু হতৰ ভাষাত আনৰ ঘৰত ভাত খুৱাগে। এনেদৰেই আৰম্ভ হৈছিল কানৈ প্ৰতি এক আদৰ। বিভাগ বুলিলে এক আৱেগ।

কানৈ আৱেগ নহবনো কিয়ঙ্গ কানৈৰ লগত সেই হোষ্টেলীয়া কাহানীবোৰ আছেই লগত সেই হোষ্টেলীয়া

কাহানীবোৰ আছেই যত ১০০ জনী ছোৱালী লগত কটোৱা সেই সময়বোৰ আৰু ক'ত পাম, কত আহিব?

প্ৰথম ঘৰৰ পৰা আহি কান্দোনত নাথাকো কৈ কৈ তিনিটা বছৰ কটালো। শেষৰ দিনটোত ইজনীয়ে-সিজনীক এৰি আহিব লাগিব বুলি সাৱটি ধৰি কন্দা সেই মুহূৰ্তবোৰে আজিও মনটোক অশান্তি কৰে। Zomato poem, Prank Call চাহৰ আড্ডা, ভূতৰ কাহানি শুনি ৰাতি ভয়তে ৰিয়া বা ওচৰত গৈ শুৱা, নিশাৰ মোৰ প্ৰতি Care, Singer চাবলে নাপাই Senior এগালমান কৈ লাইন পাতি গালি খোৱা, জন্মদিনত গেলা পানী ঢলা, কলেজৰ প্ৰগেমত হোষ্টেলৰ cultural team তৈয়াৰ কৰা, প্ৰগ্ৰেম ৰ শে,ত উৎপাত, ফাকুৱা, নিউ ইয়েৰ, ভঙা বিছনাবোৰ খৰি কৰি মাংস বনাই খোৱা, Senior আৰু Junior হিচাপে পোৱা ৰুমমেট আৰু সিহঁতৰ লগত সম্পৰ্ক, পুৱা ৫ বজাত কলেজ চাফ কৰিবলৈ যোৱা, বেল মাৰিলেই শংকৰদেৱৰ meeting, দাদা দোকানৰ চাহ একাপ লৈ গধুলি কানৈ বাকৰিত শান্তি লোৱা মুঠতে এক সুকীয়া মাদকতা কানৈৰ।

এনেদৰেই পালোহি 5th semester। এখন অজান দেশত ৩ টা বছৰত অজস্ৰ মানুহ মোৰ নিচেই আপোন হৈ পৰিল। বন্ধু-বান্ধৱী, অগ্ৰজ, অনুজ, প্ৰিন্সিপাল ছাৰ, বিৰাজ চাৰ পৰা আদি কৰি দ্বীপ দা, অনুপম দা, পাপু দা লৈকে সকলো নিজৰ হৈ পৰিল। ধেমাজিত নাটক কৰিব যোৱা nss ৰ চাফাই, বাটৰ নাট, excursion,party office ৰ party ধেমাজি ভ্ৰমণ ইত্যাদি বোৰে কানৈৰ পৃষ্ঠাত এটাৰ পাছত এটাকৈ স্মৃতি খোদিত কৰিছিল।

অকস্মাতে এদিন আকৌ dtp dyke ত মহন্তৰ দুখৰ বেদনা শুনিব গৈ মোৰ বস্তিৰ লৰাহঁতক পঢ়োৱাৰ কথা মনত আহিলে। জীৱনৰ সেই পৃষ্ঠাটো সদায় মোৰ সকলোতকৈ প্ৰিয় হৈ থাকিব। তাৰ লগ অবিহনে সেয়া সম্ভৱ নহ'ল হয়। লগত সংগী হলহি বিমান আৰু আমাৰ পাৰ্টি অফিচৰ সদস্যসকল (party office মানে বিমান বিমান, মৃদুল, সঞ্জু, আদিত্য, ৰুপাংকৰ হতে থকা ৰুম)। সিহঁত লিখা পঢ়া নজনা হৈও পঢ়াৰ আগ্ৰহ জনাবলৈ আমি সদায় কিবা এটা খাব লৈ যাও। তেতিয়াৰে পৰা পাঁচ ছয়জন ৰ পৰা ক্ৰমে পোন্ধৰ সোতৰটালৈ ল'ৰা-ছোৱালী বাঢ়িল। ABCD ৰে আৰম্ভ কৰা শিক্ষা ক খ গ ঘ ৰে সমাপ্ত কৰোঁ। এই যাত্ৰাত বিৰাজ ছাৰে black board, slate টকা কেইটামান সাহাৰ্য্যও দিছিল। এই সময়খিনিত ল'ৰা-ছোৱালীকেইজনীৰ লগতে আমাৰ বন্ধুত্বৰ এনাজৰীডালো খুব গাঢ় হৈ পৰিছিল। সময়বোৰ আমাৰ আছিল।

লিখি থাকিলে শেষ নোহোৱা এটা অধ্যায় হৈছে কানৈ। অভিজ্ঞতাৰ ভঁৰালটো কানৈয়ে ভালেখিনি মজবুত কৰিলে। যিখিনিয়ে জীৱন বাটত খোজ দিওতে সদায় সহায় কৰিব। শেহতীয়াকৈ চন-২১-২২ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সোমাই ৰাজনীতিৰ ব্যৱহাৰিক জগতখনৰ সুৱাদকনো পালোঁ। ছাত্ৰ-ছাত্ৰী সকলৰ এতিনিধিও হলোঁ। কানৈক সন্মুখৰ পৰা নেতৃত্ব দিয়া সুযোগকন কানৈয়ানে দিলে।

কানৈ... জীৱনে মোক দিয়া এক উপহাৰ। কানৈয়ে দিয়া আপোন মানুহবোৰ মোৰ বাবে উপহাৰ। ভাল থাকক কানৈ। ভালে থাকক মানুহবোৰ। কানৈ দীৰ্ঘায়ু কামনা কৰিলো।

# কানৈৰ ইতিহাসৰ সৰ্বকালৰ গৰ্ব ঃ সেই পঞ্চ তাৰকা

**চৈয়দা মাছহুদা ৰহমান**
প্ৰাক্তন ছাত্ৰী, ডিব্ৰুগড়

কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক, সাংস্কৃতিক বা ক্ৰীড়াক্ষেত্ৰৰ বহুতো ইতিহাস আছে। প্ৰতিটো ক্ষেত্ৰতে তাৰকাসকলে আমাৰ মনৰ আকাশত গিজগিজাই জিলিকি আছে। এই চমু নিবন্ধটোত সাহিত্য আৰু সংস্কৃতি ক্ষেত্ৰৰ পাঁচগৰাকী অম্লান প্ৰতিভাধৰৰ বিষয়ে কিছু আভাস দিয়াৰ প্ৰয়াস কৰা হৈছে। অনেক তাৰকাৰ মাজৰ পৰা এইকেইজনাক প্ৰতিনিধিত্ব মূলক ৰূপেহে নিৰ্বাচিত কৰা হৈছে।

(১) 'সম্প্ৰীতি মধুকৰ হাচান ছৰিফ আহমদ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ দ্বিতীয়গৰাকী ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা সেই সময়ৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক কাৰ্যক্ৰমণিকাৰ অন্যতম অগ্ৰণী শিল্পী তথা সংগঠক আছিল হাচান ছৰিফদেৱ। ডিব্ৰুগড়ৰ নাট্য মন্দিৰকে ধৰি প্ৰায় সকলো মঞ্চতে নাট-গীতৰ পোহাৰ মেলিছিল হাচান ছৰিফ আৰু সহশিল্পী সকলে। সেই ডেকা বয়সতে তেখেতে সান্নিধ্য লাভ কৰিছিল জ্যোতি-বিষ্ণু-পাৰ্বতি, — এই তিনি প্ৰসাদৰ। সান্নিধ্য লভিছিল নটসূৰ্যৰ, হেমাঙ্গ বিশ্বাসৰ। কম বয়সতে জপিয়াই পৰিছিল ভাৰতীয় গণনাট্য সংঘৰ সংগ্ৰামী মঞ্চত। হেম শৰ্মা, কেশৱ মহন্ত, নগেন কাকতি, চৈয়দ আব্দুল মালিক, মঘাই ওজা, নৰহৰি বুঢ়াভকত, খগেন মহন্ত আদিৰ লগতে সৰ্বভাৰতীয় পৰ্যায়ত এ.কে. হেংগেল, কাইফি আজমী, দীনা পাঠক, শ্বাবানা আজমী আদি ব্যক্তিত্বৰ সতেও একে মঞ্চত কাম কৰাৰ অভিজ্ঞতা লাভ কৰিছিল ।

শৰাইঘটীয়া বীৰ লাচিত বৰফুকনৰ সৌঁহাত-স্বৰূপ পালি সেনাপতি বাঘ হাজৰিকাৰ দ্বাদশ প্ৰজন্মৰ পৰিনাতি হাচান ছৰিফ আহমদৰ জীৱন আৰু কৰ্মৰাজি আছিল বৈচিত্ৰ্যময়।

ককাদেউতাক (মাতৃৰ ফালৰ) পজিৰুদ্দিন আহমদ সেই সময়ত কলিকতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হৈ থকাৰ পৰিপ্ৰেক্ষিতত হাচান ছৰিফদেৱৰ জন্মও কলিকতাৰ পাৰ্ক ষ্ট্ৰিটৰ 'ম'মীন মঞ্জিলত ১৯৩৩ চনৰ ১৩ জুলাইত। * শিক্ষাগ্ৰহণ ৬নং আমোলাপট্টি নিম্ন বুনিয়াদী বিদ্যালয়, জৰ্জ ইন্সটিটিউশ্বন, শিৱসাগৰ মহাবিদ্যালয় আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত সম্পন্ন হৈছিল। * ১৯৪৫ চনত তেজপুৰৰ বিখ্যাত 'বাণ ৰঙ্গমঞ্চ'ত প্ৰথমবাৰৰ বাবে গীত পৰিৱেশন কৰিছিল। ১৯৪৯ চনত ডিব্ৰুগড়ৰ আমোলাপট্টি নাট্য মন্দিৰত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ উপস্থিতি আৰু আৰু গীতৰ নিৰ্দেশনাৰে 'ৰূপকোঁৱৰ' নাটত নামভুমিকাত অভিনয় কৰিছিল। * ৫০-৬০ৰ দশকত ডিব্ৰুগড়ত নিৱেদিত নাট ৰূপালীম, লভিতা, কাৰেঙৰ লিগিৰী, মণিৰাম দেৱান, টিপু চুলতান আদি নাটত সফল অভিনয়। তেখেতৰ দ্বাৰা অভিনীত 'টেক্সি ড্ৰাইভাৰ' নাটখন

অসমৰ বিভিন্ন প্ৰান্তলৈ আমন্ত্ৰিত হৈছিল । * ১৯৫৭ চনত ডিব্ৰুগড়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ হিয়াৰ উমেৰে জন্মলাভ কৰা সামাজিক সাংস্কৃতিক অনুষ্ঠান 'মঞ্চৰূপা'ৰ তেখেত প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আছিল। * ১৯৫৯ চনত ডিব্ৰুগড়ত জন্মলাভ কৰা 'অসম নাট্য সন্মিলন'ৰ হাচান ছৰিফ আহমদদেৱ আছিল প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক। সভাপতি আছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা। * 'অসম শিল্পী সমাৰোহ'। অসম প্ৰগতিশীল শিল্পী সাহিত্যিক সংঘ, ভাৰত ছোভিয়েত মৈত্ৰী সংঘ আদিৰ সম্পাদকৰ দায়িত্ব নিষ্ঠাৰে বহন কৰিছিল। * ১৯৮১ চনত উজনি অসমত প্ৰথমবাৰলৈ আয়োজিত 'অসমীয়া বোলছবি মহোৎসৱ'ৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। সাংস্কৃতিক গোষ্ঠী 'বিচিত্ৰা'ৰো সভাপতি আছিল। * ১৯৫৮ চনত নতুন দিল্লীত অনুষ্ঠিত পঞ্চম আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱত নাট পৰিচালনাৰ বাবে ভাৰত চৰকাৰৰ শিক্ষা দপ্তৰৰ পৰা সন্মান সূচক প্ৰশংসা পত্ৰ লাভ কৰিছিল তেখেতে। * অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰে ১৯৯৮ চনত। * অসম চৰকাৰে হাচান ছৰিফদেৱলৈ 'নটসূৰ্য্য ফণী শৰ্মা বঁটা' প্ৰদান কৰে ২০১১ চনত। * উল্লেখযোগ্য যে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত প্ৰথমখন নাট নাট্যকাৰ ফণী দাসৰ 'হে যুদ্ধ বিদায়' পৰিচালনা কৰিছিল শিল্পীসতীৰ্থ অনিল শৰ্মাদেৱৰ সৈতে যুটীয়া ভাবে হাচান ছৰিফ আহমদদেৱে। * আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত বাণীবদ্ধ সুধাকণ্ঠৰ জীৱনৰ শেষৰটি গীতৰ ৰচনা আছিল হাচান ছৰিফদেৱৰ।

২০১৯ চনৰ ৮ ছেপ্তেম্বৰত ৮৬ বছৰ বয়সত তেখেতে ইহসংসাৰৰ পৰা চিৰবিদায় ল'লে। সুধাকণ্ঠৰ অতিকৈ ঘনিষ্ঠ আৰু একালৰ সাংস্কৃতিক সতীৰ্থ হাচান ছৰিফ আহমেদে সুধাকণ্ঠৰ ওপজা দিনতে জীৱন নাট সামৰিলে । দেহাৱসানৰ কিছুদিন পিছতে ৰাজহুৱা সোঁৱৰণি সভাত তেখেতে মৰণোত্তৰ ভাবে লাভ কৰিলে 'সম্প্ৰীতি মধুকৰ' উপাধি। শান্তি আৰু সম্প্ৰীতিৰ বাবে জীৱনপাত কৰা মানৱীয় মূল্যবোধক সঁচা অৰ্থত প্ৰতিষ্ঠা কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰা হাচান চৰিফ আহমদদেৱৰ বাবে 'সম্প্ৰীতি মধুকৰ' উপাধি সঁচাই যথাৰ্থ।

(২) 'ডিবৰু ৰত্ন' হেৰম্ব বৰদলৈ ঃ কানৈ মহাবিদ্যালয়ৰ আন এক গৌৰৱ আছিল সাহিত্যিক, সাংবাদিক, শিক্ষাবিদ, সংগঠক তথা সমাজসেৱী হেৰম্ব বৰদলৈদেৱ। শুধ বগা চুৰীয়া কুৰ্ত্তা পৰিহিত আৰু জাৰকালি এড়ীয়া চাদৰৰ সৈতে প্ৰথম দৃষ্টিতেই এজন আদৰ্শ অসমীয়া ভদ্ৰলোক আছিল তেওঁ।

তেখেতৰ জন্ম ১৯৩৫ চনৰ ২৩ ছেপ্তেম্বৰত। সৰুৰে পৰাই তেখেত আছিল সমাজ সচেতন, পৰোপকাৰী আৰু কৰ্মোদ্যমী। আজিৰ তাৰিখত লৈছিল হেৰম্ব বৰদলৈদেৱে। গান্ধীজীৰ আদৰ্শত বিশ্বাসী বৰদলৈদেৱে ঢলপ হাতত ঝাৰু লৈ ৰাজহুৱা ৰাস্তা পৰিস্কাৰ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সুস্বাস্থ্যৰ গৰাকী বৰদলৈদেৱ ডেকাকালত আছিল 'স্কাউত মাষ্টাৰ'। বহুতো ছাত্ৰক ভাৰত ভ্ৰমণলৈ লগত লৈ গৈছিল। সেই ভ্ৰমণৰ স্মৃতিতে এখন গ্ৰন্থ ৰচনা কৰিছিল -'ভ্ৰমণ স্মৃতি'। * ১৯৬২ চনত চীন ভাৰতৰ যুদ্ধৰ সময়ত নিজৰ দৰমহাৰ টকাৰে প্ৰকাশ কৰিছিল 'বীৰ জোৱান' নামৰ এখন বাতৰি কাকত। * ভাষা আন্দোলন, তেল শোধনাগাৰ আন্দোলন, আপাত কালীন পৰিস্থিতি আদিত তেখেতে সাতবাৰ কাৰাবাস খাটিছিল। * ডিব্ৰুগড় সাহিত্য সভা, ডিব্ৰুগড় নাগৰিক সংঘ, ডিব্ৰুগড় জিলা সাংবাদিক সন্থা, ডিব্ৰুগড় প্ৰেছ ক্লাব আদি বহুতো অনুষ্ঠানৰ তেখেত আছিল প্ৰতিষ্ঠাপক সম্পাদক। * ৰজনীকান্ত বৰদলৈ পথ, তৰুণৰাম ফুকন পথ, কেশৰ চন্দ্ৰ গগৈ পথ আদি ডিব্ৰুগড়ৰ বহুতো পথৰ অসমীয়া ব্যক্তিত্বৰ নামেৰে নামকৰণ কৰোৱা মুল ব্যক্তিজনেই আছিল ডিবৰু ৰত্ন হেৰম্ব বৰদলৈ। * হেৰম্ব বৰদলৈদেৱ আছিল সেইজন ব্যক্তি যিজনে ১৯৭৭ চনতে বগীবিলত এখন দলঙৰ প্ৰয়োজনীয়তা সম্পৰ্কে অনুষ্ঠিত ডিব্ৰুগড় নাগৰিক সংঘৰ সভাত convenor হিচাবে বগীবিল দলঙৰ প্ৰথমটো draft proposal লিখিছিল। * ডিব্ৰুগড়ত লক্ষ্মীনাথ বেজবৰুৱা ভৱন, জিলা পুথিভঁৰাল, লক্ষ্মীনাথ বেজবৰুৱা উদ্যান, আউতদ'ৰ ষ্টেডিয়াম আদিৰ প্ৰতিষ্ঠাৰ গুৰি ধৰিছিল হেৰম্ব বৰদলৈদেৱে। * ১৯৬৯ চনত প্ৰকাশিত ডিব্ৰুগড়ৰ প্ৰথমখন পষেকীয়া বাৰ্তালোচনী 'ডিব্ৰুগড় বাৰ্তা'ৰ তেখেত প্ৰকাশক আৰু অবৈতনিক সম্পাদক আছিল। * একো একোজন সমাজ হিতৈষী তথা গুণী ব্যক্তিৰ মৃত্যুত তেখেতে এখনকৈ গ্ৰন্থ সম্পাদনা কৰি প্ৰকাশ কৰিছিল 'ডিবৰু ৰত্নমালা' নামেৰে * সমাজৰ স্বাৰ্থত হেৰম্ব বৰদলৈদেৱ জীৱনৰ এচোৱা সময়ত প্ৰত্যক্ষ ৰাজনীতিৰ সৈতেও জড়িত হৈছিল। অমস গণ পৰিষদ

প্ৰগতিশীল দলৰ তেখেত ডিব্ৰুগড় জিলাৰ সভাপতি আছিল। প্ৰফুল্ল কুমাৰ মহন্তকে আদি কৰি বহু নেতাই তেখেতৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছিল। তথাপি নেতা হোৱাটো তেখেতৰ জীৱনৰ লক্ষ্য নাছিল। আপোচবিহীন সাংবাদিকগৰাকীয়ে জনতাৰ স্বাৰ্থতেই আঁতৰি আহিছিল ৰাজনীতিৰ পৰা। * ১৯৯৭ চনত এককালিন ভাবে দিয়া স্বীকৃতিৰ পিছত ২০০৭ চনত অসম চৰকাৰে তেখেতলৈ সাহিত্যিক পেঞ্চন প্ৰদৰন কৰে। তেখেতে অসম চৰকাৰৰ সাংবাদিক পেঞ্চনো লাভ কৰিছিল।

জাতীয়তাবোধ তেখেতৰ শিৰাই শিৰাই প্ৰবাহিত আছিল। অৱশ্যে উগ্ৰ জাতীয়তাবাদক কেতিয়াও প্ৰশ্ৰয় দিয়া নাছিল। জাতি জনজাতিৰ সৰ্বাংগীন হেতু জীৱনত বহু আত্মোৎসৰ্গা কৰিছিল। সাম্প্ৰদায়িক সম্প্ৰীতিৰ ক্ষেত্ৰখনৰ তেখেত আছিল সজাগ প্ৰহৰী। তেখেত আছিল মানৱদৰদী সমাজকৰ্মী। বানবিধ্বস্ত লোকৰ পুনৰ সংস্থাপনৰ আগভাগ লৈ তেখেতে গঢ়ি তোলা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমীপৰ নতুন গাঁৱৰ আজিৰ প্ৰজন্ময়ো শ্ৰদ্ধাৰে স্মৰণ কৰে মানৱদৰদী হেৰম্ব বৰদলৈদেৱক।

সেইদিনা আছিল লক্ষ্মী পূৰ্ণিমা। ২০০৮ চনৰ ১৪ অক্টোবৰ। নিৰ্বাপিত হ'ল সমাজহিতৈষী মহান সেই প্ৰতিভাধৰৰ জীৱন বন্তি। পিছে ভগা বীণাখনিৰ ছিগা তাঁৰবোৰৰ বৈ যোৱা অমিয়া জোকাৰৰ দৰে দীপ্ত হৈ ৰ'ল সেই অম্লান জ্যোতি, নাম যাৰ — হেৰম্ব বৰদলৈ।

(৩) দৰদী শিল্পী জ্যোতিষ ভট্টাচাৰ্য ঃ 'মই শৰতৰ বাতৰি আনিছোঁ এয়া শেৱালিৰ পাহে পাহে...' অসমৰ অনুভৱী যিকোনো শ্ৰোতাই হয়তো কোনোকালেই পাহৰিব নোৱাৰে সেই মিঠা হৃদয়স্পৰ্শী কণ্ঠ। স্বকীয় গায়ন শৈলী আৰু মাদকতা ভৰা দৰদী কণ্ঠেৰে অসমীয়াৰ প্ৰাণৰ পথাৰ সুৰেৰে জীপাল কৰা শিল্পী সকলৰ মাজত জ্যোতিষ ভট্টাচাৰ্যদেৱ আছিল অন্যতম। ডিবৰুপৰীয়া এই শিল্পীজনা আছিল কানৈ মহাবিদ্যালয়ৰো গৌৰৱৰ কাৰক।

১৯৩৭ চনৰ ১৩ ছেপ্তেম্বৰত ডিব্ৰুগড়ত জন্মলাভ কৰা জ্যোতিষ ভট্টাচাৰ্যদেৱে ডিব্ৰুগড় ল'ৰাৰ চৰকাৰী স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজীয়া শিক্ষা গ্ৰহণ কৰে কানৈ মহাবিদ্যালয়ত। ঘৰুৱা পৰিৱেশতে সঙ্গীতৰ প্ৰাথমিক শিক্ষা লাভ কৰি পাছলৈ সঙ্গীতৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে সঙ্গীতজ্ঞ ৰামেশ্বৰ দাস দেৱৰ ওচৰত। ২৯৫৪ চনৰ পৰাই আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আধুনিক গীতৰ নিয়মীয়া শিল্পী ৰূপে স্বীকৃতি লাভ কৰি পিছত ১৯৬৯ চনত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাত এই কেন্দ্ৰৰ যোগেদি গীতৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছিল। তাৰ আগতেই তেওঁ এইচ. এম. ভি. কোম্পানীৰ জৰিয়তে কেইবাটিও গীত বাণীবদ্ধ কৰিছিল জ্যোতিষ ভট্টাচাৰ্যদেৱে।

জনপ্ৰিয় এই শিল্পীজনাৰ পিছে চাকৰি জীৱন আৰম্ভ হৈছিল এজন বিদ্যালয় শিক্ষক ৰূপেহে। ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত (তেতিয়াৰ জৰ্জইন্সটিটিউশ্বন) কিছুদিন শিক্ষকতা কৰাৰ পিছত ১৯৭০ চনত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত 'প্ৰযোজনা সহযোগী' আৰু পিছলৈ সঙ্গীত বিভাগৰ প্ৰযোজকৰ চাকৰিত নিযুক্ত হৈ আমৃত্যু কৰ্ম সম্পাদন কৰে। তেখেতৰ কণ্ঠৰ জনপ্ৰিয় গীত সমূহৰ ভিতৰত — 'চম্পাৱতী তোমাৰ ঘাটত' 'খেয়ালী মোৰ মনৰ' 'মই শৰতৰ বাতৰি আনিছোঁ' 'বৰ্ষাসিক্ত এই বসুন্ধৰা' 'নমটি তোমাৰ সূৰুযমুখী' 'মই এটি দিনৰ জোনাকী' সময় হ'লে মম জলে' যোৱাৰ পৰত সৰা শেৱা বুটলি' আদি বিশেষভাৱে উল্লেখযোগ্য। সুকণ্ঠ শিল্পী জ্যোতিষ ভট্টাচাৰ্যদেৱে নিজে গোৱা বেছিভাগ সুৰ নিজে কৰিছিল যদিও হেমন্ত গোস্বামীদেৱ আৰু চৈয়দ চাদুল্লাদেৱৰ দৰে প্ৰখ্যাত সুৰকাৰৰ সুৰেও তেওঁৰ বহুতো গীতক সুৰেৰে সজাই যুগমীয়া কৰিছে।

জ্যোতিষ ভট্টাচাৰ্যদেৱে গীত গোৱাৰ উপৰি খুব সুন্দৰ বেহেলা বজাইছিল। হাৰমণিয়ামত গানৰ সুৰ কৰিছিল। আধুনিক গীতৰ লগতে ভজন আৰু গজলো গাইছিল। জনপ্ৰিয় শিল্পী তালাত মেহমুদৰ সৈতে কণ্ঠৰ মাদকতা আৰু গায়ন শৈলীৰ কিছু সাদৃশ্য থকাৰ বাবে তেখেত 'অসমৰ তালাত' ৰূপেও জনাজাত আছিল ।

এইজনা সুকণ্ঠ শিল্পী আমাৰ মাজৰ পৰা অকালতে হেৰাই গৈছিল ১৯৯১ চনৰ ২৩ ছেপ্তেম্বৰত ।

(৪) চিৰসেউজ অভিনেতা বিজু ফুকন ঃ অসমীয়া চলচ্চিত্ৰ জগতৰ, ডিবৰুৰ সন্তান, অসমৰ গৌৰৱ এজন খ্যাতনামা অভিনেতা হ'ল বিজু ফুকন। অসমীয়া বোলছবি জগতৰ ৭০ দশকৰ পৰা নিজক সফল ৰূপত প্ৰতিষ্ঠিত কৰা অভিনেতা জনেই হৈছে বিজু ফুকন। তেখেতৰ জন্ম হৈছিল

১৯৪৭ চনৰ ১৮ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ত। ডিব্ৰুগড় হনুমানবক্স সূৰযমল কানৈ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি থকা অৱস্থাতে তেতিয়াৰ জনপ্ৰিয় কুইভাৰ্চ ক্লাব আৰু জয়ন্তী সংঘ আদিত সাংস্কৃতিক যাত্ৰাৰ পাতনি মেলে। ১৯৭০ চনত অসমীয়া কথাছবি 'ডাক্তৰ বেজবৰুৱাৰ' এটি সৰু চৰিত্ৰৰে ভুমুকি মৰা এই গৰাকী অভিনেতাই ৪০ বছৰত প্ৰায় ৮০ খন মান চিনেমাত অভিনয় কৰে। 'বৰুৱাৰ সংসাৰ' চলচ্চিত্ৰৰ পৰা জীৱনৰ অন্তিম সময়লৈকে অভিনয় কৰি এগৰাকী সফল অভিনেতা ৰূপে পৰিচিত হয়। অভিনেতাৰ ওপৰিও তেওঁ 'সোনমইনা' বোলছবি খনৰ এটি গীতত কণ্ঠ নিগৰাইছিল।

তেওঁ অভিনয় কৰা কেইখনমান বোলছবি হ'ল - অপৰূপা, পাপৰি, অগ্নিস্নান, আজলি নবৌ, বোৱাৰী, বাৰুদ, অৰণ্য, বনৰীয়া ফুল, উপপথ, ঘৰ সংসাৰ, মন মন্দিৰ, পিতা-পিতৃ, মা তুমি অনন্যা, ইত্যাদি। ইয়াৰ উপৰিও কেইবাখনো বাংলা ছবি - অপৰাজিতা, দস্যু ৰত্নাকৰ, গজমুক্তা আদিত তেখেতে অভিনয় কৰিছিল। বহু ছবিত অভিনয় কৰাৰ লগতে তেখেতে আবাহন, ভাগ্যদেৱী, লখিমী আদি ভ্ৰাম্যমাণ নাট্যদলত অভিনয় কৰি ৰাইজৰ বিপুল সমাদৰ পাবলৈ সক্ষম হৈছিল।

অভিনয়ৰ ওপৰিও ৰাজনীতিৰ ফালে মন মেলা বিজু ফুকনে ১৯৯৯ আৰু ২০১৪ লোকসভা নিৰ্বাচনত প্ৰাৰ্থীত্ব লভিবলৈ যাত্ৰা আৰম্ভ কৰিছিল। ৰাজনীতিৰ পথাৰ খনত প্ৰতিদ্বন্দিতাৰ যুঁজ দিয়া বিজু ফুকনে কিন্তু অভিনয়ৰ মাজত বিচাৰি পাইছিল বাস্তৱ জীৱনৰ জীয়া ছবি। তেখেতে জীৱন নাটৰ সামৰণি পেলায় ২০১৭ চনৰ ২২ নৱেম্বৰত। অভিনয় জগতৰ এটি উজ্বল নক্ষত্ৰ সৰি পৰিল। তেখেতৰ ছবি সমূহে আমাৰ মাজত তেখেতক চিৰস্মৰণীয় কৰি ৰাখিব।

(৫) পেৰডী সম্ৰাট মুনীন দত্ত ঃ 'তোমাক ধুনীয়া বুলি কৰাত' আকাশৰ জোনলে চালা * জোনৰো যে দাগ আছে বুলি কোৱাত * দাপোনত নিজকে চালা...'—— অতি সৰল ভাষাৰে অথচ অৰ্থবহতাৰে সমৃদ্ধ আছিল আজন্ম শিল্পী মুনীন দত্তৰ গীতসমূহ। তেখেত আছিল একাধাৰে গীতিকাৰ, সুৰকাৰ, সুগায়ক, কৌতুক অভিনেতা তথা সুদক্ষ বাদ্যযন্ত্ৰী। ১৯৪৯ চনৰ ৬ আগষ্টত ডিব্ৰুগড় চহৰত জন্ম গ্ৰহণ কৰা এই শিল্পীজনাই নিচেই কম বয়সৰে পৰা সঙ্গীত চৰ্চাত মনোনিৱেশ কৰিছিল। তেখেতৰ কথা আৰু সুৰৰ বহুতো জনপ্ৰিয় গীত অন্যান্য জনপ্ৰিয় শিল্পীয়ে বাণীবদ্ধ কৰিছিল অথবা মঞ্চতো পৰিৱেশন কৰি আজিও ৰাইজৰ দ্বাৰা সমাদৃত হৈয়ে আছে। আধুনিক গীতৰ বাবে জনপ্ৰিয় মুনীন দত্তদেৱে পেৰডী গীতৰ বাবে অসমৰ ইমুৰৰ পৰা সিমুৰৰ লৈকে বিশেষভাৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৯৬৮ চনত কানৈ মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাতে প্ৰথমবাৰৰ বাবে এইচ. এম. ভি.কোম্পানীৰ অধীনত তেখেতৰ গীত বাণীবদ্ধ কৰিছিল। আকাশবাণীৰ মাধ্যমতো চহৰে নগৰে বিয়পি পৰিছিল মুনীন দত্তৰ গীতসমূহ।

আধুনিক গীতসমূহৰ ভিতৰত — কবৰীত গুজি ল'লা, জিৰি জিৰি নিজৰা ব'ব, ভাষাৰে তোমাক বুজাব খুজিলোঁ, মোৰ মন পখী, গধূলি পৰত পদুলি মুৰত, পৰিচয় বিহীন, তোমালৈ সিদিনা মোৰ আদি বিশেষভাবে উল্লেখযোগ্য। শিল্পী ৰিদীপ দত্তৰ কণ্ঠত প্ৰাণ পাই উঠিছিল - মোৰ মন কেতিয়াবা, তোমালৈ সিদিনা মোৰ আদি গীতসমূহ।

১৯৮৭ চনৰ ১৫ জানুৱাৰীত ডিব্ৰুগড়ত ৰাধাগোবিন্দ বৰুৱা স্মৃতিৰক্ষা সমিতিয়ে মুনীন দত্তক 'পেৰডী সম্ৰাট' উপাধিৰে সন্মানিত কৰিছিল । তেখেতৰ জনপ্ৰিয় পেৰডী গীতসমূহ হ'ল — মণি তুমি নাকান্দিবা মাম্মী ঘৰত নাই, চেনিচম্পা নহয় ইয়ে ভীমকল, পুৰি অ' পুৰি, ব'হাগ হ'য়া বৈশাখ, অ' বগী তই বগে ধকে ধকী ইত্যাদি।

সুধাকণ্ঠৰ দৰে শিল্পীৰ সতেও বাদ্য সংগত কৰিছিল মুনীন দত্তদেৱে। তেখেতৰ বহুমুখী প্ৰতিভাক স্বীকৃতি প্ৰদান কৰি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাদেৱে ৰাইজৰ আগত 'অসমৰ মানিক' বুলি পৰিচয় কৰাই দিছিল।

প্ৰাক্তন কানৈয়ান, অসমৰ গৌৰৱ মুনীন দত্তই মাথোঁ কেইদিনমানৰ অসুস্থতাৰ পিছত ১৯৮৮ চন ১৯ অক্টোবৰত ৩৯ বছৰ বয়সতে ডিব্ৰুগড়ৰ অমস চিকিৎসা মহাবিদ্যালয়ত শেষ নিশ্বাস ত্যাগ কৰে। পত্নী আৰু কণ কণ দুটি কণা সন্তানক এৰি অকালতে মৃত্যুবৰণ কৰা মুনীন দত্তৰ সৃষ্টিৰাজী আৰু সুৰদী কণ্ঠ অসমৰ সঙ্গীত প্ৰেমীৰ মাজত চিৰক অমৰ হৈ ৰ'ব।

এই নিবন্ধত উল্লিখিত পাঁচজন প্ৰাক্তন কানৈয়ানৰ মাজত আছিল ভাতৃত্ববোধৰ সম্পৰ্ক আৰু আদৰ্শগত সাদৃশ্য। অসমৰ সাংস্কৃতিক জগত সমৃদ্ধ কৰা এইসকল তাৰকা আমাৰ সকলোৰে বাবে চিৰকাললৈ সৰ্বকালৰ গৰ্ব হৈ ৰ'ব।








DIBRUGARH HANUMANBAX SURAJMALL KANOI COLLEGE
DIBRUGARH
UNOFFICIAL


DIBRUGARH
HANUMANBUX
SURAJMAL KANOI
COLLEGE






WEL COME

# ডি.হ.সু কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপনৰ মূল সমিতি



শ্ৰীযুত ঋতুপৰ্ণ বৰুৱা
সভাপতি



ড° শশীকান্ত শইকীয়া
কাৰ্যকৰী সভাপতি



ড° অনুপজ্যোতি ভৰালী
বিত্তীয় সম্পাদক



ড° অনন্ত কুমাৰ দত্ত
সম্পাদক



ড° ৰঞ্জন চাংমাই
সম্পাদক



ড° দীপঙ্কজ গগৈ
সহকাৰী সম্পাদক



শ্ৰীযুত ৰনেন্দ্ৰ খাউণ্ড
সহকাৰী সম্পাদক



শ্ৰীযুত ৰূপজ্যোতি বৰঠাকুৰ
সহকাৰী সম্পাদক

# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ কৰ্ণধাৰ সমিতি


শ্ৰীযুত ঋতুপৰ্ণ বৰুৱা


ড° শশীকান্ত শইকীয়া


ড° অনন্ত কুমাৰ দত্ত


ড° ৰঞ্জন চাংমাই


ড° দীপঙ্কজ গগৈ


শ্ৰীযুত ৰনেন্দ্ৰ খাউণ্ড


ড° অনুপজ্যোতি ভৰালী


শ্ৰীযুত অভিমন্যু বৰুৱা


ড° চন্দ্ৰকান্ত গগৈ


ড° আতিকুদ্দিন আহমেদ


ড° প্ৰিয়দেৱ গোস্বামী


শ্ৰীযুত নৰেন্দ্ৰ মহেলা


ড° কল্যাণ ভূঞা


শ্ৰীযুত ইকবাল আহমেদ


ড° শিখামণি শৰ্মা


ড° মৃদুল শৰ্মা


ড° চন্দনা গোস্বামী


শ্ৰীযুতা কুমকুম চক্ৰৱৰ্তী


ড° অলকানন্দা বৰুৱা


শ্ৰীযুত ৰূপজ্যোতি বৰঠাকুৰ


শ্ৰীযুত অৰ্জুন চাহ


শ্ৰীযুত প্ৰতাপ সেনাপতি

# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ
# মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'বৰ্ণিল ঐতিহ্য'ৰ সম্পাদনা সমিতি


ড° শশীকান্ত শইকীয়া
উপদেষ্টা


ড° প্ৰিয়দেৱ গোস্বামী
উপদেষ্টা


শ্ৰীযুত ঋতুপৰ্ণ বৰুৱা
উপদেষ্টা


শ্ৰীযুত অভিমন্যু বৰুৱা
উপদেষ্টা


ড° অনন্ত কুমাৰ দত্ত
উপদেষ্টা


ড° ৰঞ্জন চাংমাই
উপদেষ্টা


ড° মৃদুল শৰ্মা
উপদেষ্টা


ড° অনুপজ্যোতি ভৰালী
উপদেষ্টা


ড° অলকানন্দা বৰুৱা
সম্পাদকদ্বয়


ড° দীপঙ্কজ গগৈ
সম্পাদকদ্বয়


অঞ্জুমণি ফুকন
সদস্যা


চয়দা মাছহুদা ৰহমান
সদস্যা


ৰূপালীম ঠাকুৰ
সদস্যা


ড° নিতুমণি শইকীয়া
সদস্যা


অদিতি কোঁৱৰ
সদস্যা

# মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যাসকল (২০২০-২১)


শ্ৰীযুত অভিমন্যু বৰুৱা


ড° শশীকান্ত শইকীয়া


ড° কিৰণ হাজৰিকা


ড° দিব্যজ্যোতি দত্ত


শ্ৰীযুত জ্যোতিপ্ৰসাদ কানৈ


শ্ৰীযুত প্ৰশান্ত ফুকন


ড° প্ৰিয়দেৱ গোস্বামী


ড° মৰমী তালুকদাৰ


ড° জ্যোতিপ্ৰসাদ ফুকন


শ্ৰীযুত পুতুল শইকীয়া


শ্ৰীযুতা লক্ষীজ্যোতি সোনোৱাল


শ্ৰীযুত জান দত্ত


ড° পল্লৱী গগৈ


শ্ৰীযুতা নমিতা শইকীয়া

# বিবিধা

অধ্যায় - ৪

# "ডিব্ৰুগড়ত চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষা"
## (সূচনাৰে পৰা সম্ভাৱনালৈকে)

**ডাঃ (ড°) ৰতন কুমাৰ কটকী**
প্ৰাক্তন অধ্যক্ষ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়

(১)

**প্ৰাক্কথন**

ডিব্ৰুগড়ত চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ বিষয়ে আলোচনাৰ পাতনি মেলাৰ আগতে এই অঞ্চলত প্ৰাকবৈদিক, বৈদিক যুগৰ পৰা আহোম যুগলৈকে কি ধৰণৰ চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ ব্যৱস্থা অব্যাহত আছিল সেই বিষয়ে এটা ধাৰণাৰ বিচাৰ কৰা প্ৰয়োজন। তদুপৰি ইংৰাজ সকলে অসমলৈ আহি শিক্ষাৰ কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল সেই বিষয়েও জনাৰ আৱশ্যকতা আছে।

প্ৰাক বৈদিক যুগৰ পৰা অসমলৈ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ প্ৰবজন ঘটে। আষ্টিক সকলেই পোন প্ৰথম অহা বুলি কোৱা হয় যদিও দলে দলে মংগোলীয় জনগোষ্ঠীৰ লোক এই অঞ্চললৈ আহে। এওঁলোক বিভিন্ন সময়ত অসমলৈ দলবদ্ধ হিচাবে প্ৰবেশ কৰে। এওঁলোকৰ মাজতো পৰম্পৰাগত চিকিৎসা পদ্ধতি যেনে বনৌষধি, তন্ত্ৰ-মন্ত্ৰ আদি বৰ্তি থকা তেনেই সম্ভৱপৰ। ৰামায়ণ, মহাভাৰতত উল্লেখিত "কিৰাত" শব্দই এনে জনগোষ্ঠীৰ কথাকে সোঁৱৰায়। পিছলৈ বৈদিক যুগত আৰ্য সকলৰ অসমত প্ৰবেশে আয়ুৰ্বেৰ্দিক চিকিৎসা অসমত প্ৰচলিত হয়। এই আয়ুৰ্বেদিক চিকিৎসা স্থানীয় পৰম্পৰাগত জনগোষ্ঠীয় চিকিৎসাৰ সৈতে সানমিহলি হৈ পৰা সম্ভৱপৰ। এই প্ৰসংগ ডিব্ৰুগড়ৰ ক্ষেত্ৰতো প্ৰযোজ্য।[১]

সেই সময়ত চিকিৎসকক "বেজ" বুলি কোৱা হৈছিল। আহোম সকল অহাৰ সময়ত বেদিক যুগৰ সংহতি হিচাবে গুৰুকুল প্ৰথাৰ প্ৰচলিত আছিল আৰু সংস্কৃত টোলৰ ব্যৱস্থা আছিল।[২] গুৰুকুল ব্যৱস্থাৰ সংস্কৃত শিক্ষাৰ লগতে আয়ুৰ্বেদিক চিকিৎসাৰ শিক্ষাও প্ৰদান কৰা হৈছিল। তদুপৰি গুৰুৰ পৰা শিষ্যলৈ চিকিৎসাৱলীৰ প্ৰথা শিক্ষণ হৈ পৰিছিল। সংস্কৃত টোলৰ মাধ্যমেৰেও আয়ুৰ্বেদিক চিকিৎসাৰ শিক্ষাও প্ৰদান কৰা হৈছিল।

চিকিৎসা বিষয়ৰ বিশেষকৈ বনৌষধিৰ শিক্ষা প্ৰদান কৰিছিল বেজ বা ওজাই। প্ৰকৃততে এই বেজ বা ওজাৰ ঘৰখনেই চিকিৎসা বিদ্যাৰ এক শিক্ষানুষ্ঠান ৰূপে পৰিগণিত হৈছিল। চিকিৎসা বিদ্যাৰ প্ৰতি ৰাপ থকা লোকসকলে বেজৰ ঘৰত থাকিয়েই বেজালি শিক্ষা আয়ত্ব কৰিছিল। তেনে মানুহে বেজক গুৰু মাননি দিব লাগিছিল। এই প্ৰক্ৰিয়াৰ পিছতহে শিষ্যই ৰোগ, ৰোগৰ লক্ষণ আদি চিনাক্তকৰণৰ জ্ঞান আহৰণ কৰিছিল। পুথি-পাঁজি, নিদান গ্ৰন্থ শেষতহে পঢ়িবলৈ যোগ্যতা

অৰ্জন কৰিছিল।[৩]

ছাত্ৰ বা শিষ্যসকলক চিকিৎসাৰ অন্তৰ্গত বিভিন্ন চিকিৎসা ব্যৱস্থা যেনে বনৌষধি, ৰাসায়নিক দ্ৰব্য, আয়ুৰ্বেদিক আনকি তন্ত্ৰ-মন্ত্ৰ আদিও শিকাইছিল।

স্বৰ্গদেও সকলে বিশেষকৈ ৰুদ্ৰ সিংহ দেৱৰ শিক্ষাৰ প্ৰগতি আৰু উন্নতিৰ বাবে উদ্যোগ হাতত লৈছিল। তেওঁ অসমৰ পৰা ব্ৰাহ্মণৰ ল'ৰাক কাশী, নৱদ্বীপ আদি ঠাইলৈ সংস্কৃত শিক্ষা লাভৰ বাবে পঠাইছিল। গুণাভিৰাম বৰুৱাই বুৰঞ্জীত উল্লেখ কৰিছে যে, "এইজনা স্বৰ্গদেউৰ বিদ্যা শিক্ষাৰ প্ৰতি বৰ আগ্ৰহ আছিল।[৪] এডৱাৰ্ড গেইটেও "ভালেমান বামুণৰ ল'ৰাক বঙ্গদেশৰ শিক্ষাকেন্দ্ৰ বোৰত শিক্ষা লাভ" কৰিবলৈ পঠোৱৰ কথা উল্লেখ কৰিছে।[৫] ই আয়ুৰ্বেদিক শিক্ষা।

অৱশ্যে ইয়াৰ মাজতো কেতবোৰ বেজ আছিল শিষ্য তথা নিজ পুত্ৰ সন্তানকো বনৌষধি সমূহৰ বিষয়ে সম্পূৰ্ণ জ্ঞান প্ৰদান কৰা নাছিল। তেওঁলোকৰ ধাৰণা আছিল এইযে বনৌষধি সমূহৰ কথা ব্যক্ত কৰিলে গুণা-গুণ নিঃশেষ হৈ যায়। তেনেদৰে গুপ্ত ভাৱ ৰখাৰ বাবে বহু ৰোগৰ বনৌষধি তথা পাৰম্পৰিক চিকিৎসা চিৰকালৰ বাবে হেৰাই গ'ল। এতিয়া চিকিৎসা শিক্ষাৰ পৃষ্ঠভূমিত দেখা গ'ল যে ক্ৰমান্বয়ে বনৌষধি তথা স্থানীয় চিকিৎসাৰ পৰা পৰিবৰ্তিত হৈ আয়ুৰ্বেদিক চিকিৎসা শিক্ষাৰ পটভূমি তৈয়াৰ হ'বলৈ ধৰে।

এই চিকিৎসা শিক্ষাৰ ব্যৱস্থাৱলী ডিব্ৰুগড়ৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। ডিব্ৰুগড়তো এই পৰিবৰ্তনমুখী ঢৌ আগবাঢ়ি যায়।

(২)

**সমন্বয়ৰ যুগ**

ডিব্ৰুগড়ত পোন প্ৰথম এলোপেথিক চিকিৎসা বা পশ্চিমীয়া চিকিৎসাৰ অংকুৰণৰ ইতিহাসৰ পাত মেলি চালে দেখা যায় মিৰজুমলাৰ ১৬৬২ খ্ৰীত অসম আক্ৰমণৰ পিছত উভতি যোৱাৰ সময়ত-নৰিয়াত পৰে। তেওঁ তিপামৰ পৰা পোনেই তিনিমাহনীলৈ যায়। ইয়াৰ পিছত লখৌ দুৰ্গৰ পৰা কাজলিত উপস্থিত হয়। কাজলিত ডাটচ্ চিকিৎসক গেলমাৰ ভৰবাগে চিকিৎসা কৰে। ইয়াৰ পিছত ইংৰাজ চিকিৎসকে চিকিৎসা কৰে।[৬] চাহিবুদ্দিন তালিচৰ বিৰৰণীৰ পৰা সহজেই অনুমেয় যে কাজলিৰ ওচৰে পাজৰে ডাটচ্ চিকিৎসক আৰু ইংৰাজ চিকিৎসকে পশ্চিমীয়া এলোপেথিক চিকিৎসা আগবঢ়াইছিল। কিন্তু জনগনক এলোপেথিক চিকিৎসা প্ৰদান কৰা বা এই চিকিৎসাৰ উচ্চ শিক্ষা (তুলনামূলক ভাৱে) প্ৰদান কৰাৰ বিষয়ে বুৰঞ্জী নিমাত।

দ্বিতীয়তে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্ব কালত ১৭৯২-১৭৯৪ চনত কেপ্তেইন ৱেলছ অসম অভিযানলৈ আহে। তেওঁৰ লগত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ এছিষ্টেন চাৰ্জন ডাঃ জ'ন পিটাৰ ৱেড অসমলৈ আহে। তেওঁ দুবছৰ আধুনিক চিকিৎসা অসম বাসীক আগবঢ়াই কৃত্তিত্ব হিচাপে ১৭৯৪ চনত পূৰ্ণ পৰ্যায়ৰ চাৰ্জন হিচাবে পদোন্নতি লাভ কৰে। ডাঃ ৱেড পুনৰ ১৭৯৮ চনত অসমলৈ আহি অসমৰ এখন বুৰঞ্জী প্ৰণয়ন কৰে।[৭] অসমৰ ৰাইজ এলোপেথিক চিকিৎসাৰ দ্বাৰা লাভান্বিত হৈছিল যদিও চিকিৎসাৰ শিক্ষাৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ বিষয়ে জনা নেযায়। এলোপেথিক চিকিৎসাৰ প্ৰসাৰ হোৱা নাছিল।

এইটো কথা বিশেষ ভাৱে ব্যক্ত কৰিব লাগিব যে এই সময়ত ডিব্ৰুগড় বা সমগ্ৰ অসমতে পাৰম্পৰিক চিকিৎসা আৰু আৰ্য়ুবেদিক চিকিৎসা প্ৰচলিত হৈ আছিল।

উনৈশ শতিকাৰ আগভাগত আমেৰিকান খ্ৰীষ্টান মিছনেৰী ধৰ্ম প্ৰচাৰৰ বাবে ডিব্ৰুগড় পাৰ হৈ শদিয়ালৈ আহে। মাইলচ্ ব্ৰন্সচন, কটৰ আদি এই ব্যক্তিসকলে অসমীয়া ভাষা ৰক্ষাত অনন্য অৱদান আগবঢ়াই চিৰস্মৰণীয় হৈ ৰ'ল। এওঁলোকে আধুনিক চিকিৎসা অৱলম্বন কৰিছিল যদিও চিকিৎসাৰ উচ্চ শিক্ষাৰ বাবে তেনেধৰণৰ পদক্ষেপ লোৱাৰ বিষয়ে জনা নেযায়। ইয়াত তেওঁলোকে বনৌষধি বা আৰ্য়ুবেদিক চিকিৎসা গ্ৰহণ কৰা নাছিল।[৮]

ইয়াৰ পিছত ১৮২৬ খ্ৰীঃত অসম বৃটিছ সাম্ৰাজ্যৰ আধীন হৈ পৰে। সেই সময়ত চাহপাত, তেল, কাঠ, কয়লা আদিৰ বাবে ডিব্ৰুগড়ে বৃটিছ মানচিত্ৰত উল্লেখযোগ্য স্থান লাভ কৰিবলৈ সক্ষম হয়। এই উদ্দেশ্যে বৃটিছ সকল ইয়ালৈ অহাৰ পৰিপ্ৰেক্ষিতত ইংৰাজ চিকিৎসক সকলক মকৰল কৰা হয়। যথা সম্ভৱ ১৮৫০-৫৩ চনলৈকে ডব্লিউ জ'নষ্টন ডিব্ৰুগড়ৰ চিভিল চাৰ্জন আছিল। তেওঁ কলেৰা বা হাইজা ৰোগত আক্ৰান্ত হ'লে ল'ব লগা সাৱধানতাৰ বিষয়ে প্ৰচাৰ-পত্ৰিকা তৈয়াৰ কৰি জনগণৰ মাজত বিলাইছিল। ১৮৫৩ খ্ৰীঃত তেওঁ শিৱসাগৰৰ চিভিল চাৰ্জন হৈ বদলি হৈ যায়।

১৮৫৩ খ্রীঃৰ ২ জুন তাৰিখে মিলচ্ চাহাবলৈ এক প্ৰতিবেদন যুগুত কৰি দাখিল কৰে। ইয়াত তেওঁ উজনি অসমৰ ৰোগবিলাকক বিজ্ঞান সন্মত পদ্ধতিৰে দূৰদৃষ্টি সম্পন্ন বিশ্লেষণেৰে সমীক্ষা' আগবঢ়ায় আৰু এলোপেথিক আধুনিক চিকিৎসাৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে। ইয়াক "মিলচ্ ৰিপৰ্ট" বুজি জনা যায়।[১] ইয়াক লণ্ডৰ প্ৰতিবেদন বুলিও অভিহিত কৰে। এই প্ৰতিবেদনেই পোন প্ৰথমে ৰোগসমূহক বিজ্ঞান সন্মত ভাৱে নামকৰণ কৰে, ৰোগৰ কাৰণ, ৰোগৰ লক্ষণ ইত্যাদি বৰ্ণনা কৰে। চিকিৎসা প্ৰদান আৰু প্ৰতিৰোধ ব্যৱস্থাৰ বিষয়ে সুন্দৰ ৰূপে বৰ্ণনা কৰে।

এই প্ৰতিবেদনেই ডিব্ৰুগড়ত চিকিৎসা তথা প্ৰসাৰৰ ক্ষেত্ৰত মাইলৰ খুটা হিচাবে পৰিগণিত হোৱাই নহয়, বৰং উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ বাবে কাঠামো তৈয়াৰ কৰে।

ডাঃ জ'ন বেৰী হোৱাইটে ১৮৫৭ খ্রীঃৰ এপ্ৰিল মাহত এচিষ্টেন্ট চাৰ্জন হিচাপে নিযুক্তি হয় আৰু পিছৰ বছৰতে ডিব্ৰুগড়ৰ 42 Native Infantry Battalion ত যোগদান কৰে। ইয়াৰ লগে লগেই সেই সময়ৰ লক্ষীমপুৰ জিলাৰ চিভিল চাৰ্জন হিচাবেও যোগদান কৰে। ডিব্ৰুগড় জিলা সদৰ আছিল। ইয়াৰ ৰাইজক সেৱা আগবঢ়াই ১৮৮২ খ্রীঃত অৱসৰ গ্ৰহণ কৰে। সেই সময়ত ডিব্ৰুগড়ত কলিকতা আৰু ঢাকাৰ পৰা LMP ডাক্তৰ আনি বিভিন্ন ঠাইলৈ সেৱা আগবঢ়াবৰ বাবে পঠাইছিল কিয়নো মেলেৰিয়া, ক'লাজ্বৰ, ডায়েৰিয়া আৰু কলেৰা ৰোগত মানুহৰ মৃত্যু হৈছিল। তদুপৰি অসমত কোনো চিকিৎসা স্কুল বা মহাবিদ্যালয় নাছিল। মানুহৰ দুখ-দুৰ্গতি দেখি ডাঃ বেৰী হোৱাইট ডিব্ৰুগড়তেই চিকিৎসা সেৱা প্ৰদানৰ বাবে থাকি গ'ল।

বৰ্তমানৰ গ্ৰাহাম বজাৰৰ স্থানতেই গ্ৰেহেম চাহাবৰ এটা বঙলা আছিল আৰু তাক ভাঙি এখন বজাৰৰ সৃষ্টি কৰিছিল। ইয়াৰ পৰাই গ্ৰাহাম বজাৰ নামটো থাকি যায়। গ্ৰাহাম বজাৰৰ ওচৰতেই বেপ্টিছ মিছনেৰী সকলৰ এখন সৰু আশ্ৰম আছিল য'ত নেকি তেওঁলোকে ৰোগীক এলোপেথিক চিকিৎসা প্ৰদান কৰিছিল। ডাঃ বেৰী হোৱাইটে তাতেই ৰোগীক চিকিৎসা প্ৰদান কৰিছিল।

**ডিব্ৰুগড় তথা উত্তৰ পূৰ্বাঞ্চলত চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ প্ৰথমটো খোজ ঃ**

পোন প্ৰথমে ডাঃ বেৰী হোৱাইটে কেইজনমান ইচ্ছুক যুৱকক প্ৰাথমিক আধুনিক চিকিৎসাৰ প্ৰশিক্ষণ দিয়ে। চিকিৎসাৰ শিক্ষা আৰু ব্যৱহাৰিক জ্ঞানৰ শিক্ষা দিয়ে। তাৰ পিছত তেওঁলোকক দূৰণিবটীয়া ঠাই সমূহলৈ পঠাই আৰু চিকিৎসা প্ৰদান কৰাৰ নিৰ্দেশ প্ৰদান কৰে। জটিলতাপূৰ্ণ ৰোগীক ডিব্ৰুগড়লৈ পঠাবলৈ লগতে নিৰ্দেশ দি পঠায়। এনে চিকিৎসাৰ প্ৰশিক্ষণৰ অৰ্ন্তনিহিত পৰিকল্পনা আছিল চিকিৎসাৰ উচ্চ শিক্ষাৰ এখন মেডিকেল স্কুল স্থাপন কৰা। অতি সীমিত সংখ্যক চিকিৎসাৰ যন্ত্ৰ-পাতি তেওঁৰ ওচৰত মজুত আছিল, যাৰ সহায়ত চিকিৎসাৰ উচ্চ শিক্ষা আৰু প্ৰশিক্ষণ যুৱক সকলক প্ৰদান কৰিছিল। মাত্ৰ দুডাল ষ্টেথস্কোপ, ৰক্তচাপ পৰিমাপ কৰিব পৰা যন্ত্ৰ মাথোন এটা আৰু ছডাল থাৰ্মোমিটাৰ। প্ৰশিক্ষণৰ সময়ত তিনিডাল থাৰ্মোমিটাৰ ভাঙি গৈছিল। অৱশেষত তিনিডালেৰেই চিকিৎসা শিক্ষা আৰু প্ৰশিক্ষণ অব্যাহত ৰাখিছিল। পোন প্ৰথমে ডাঃ বেৰী হোৱাইটে চৰকাৰৰ পৰা কোনো বিত্তিয় সাহায্য পোৱা নাছিল। বেপ্টিছ মিছনেৰী সকলৰো ডাঃ বেৰী হোৱাইটক সহায় কৰিব পৰাকৈ পা-পইছা নাছিল। তথাপি তেওঁ মেডিকেল স্কুলৰ আৰ্হিত প্ৰশিক্ষণ অব্যাহত ৰাখিছিল।

সৌভাগ্য ক্ৰমে সেই সময়ত উজনি অসমত স্থাপন হোৱা চাহ বাগিছা সমূহ, উত্তৰ-পূবৰ প্ৰথম ৰেল লাইন, ৰেল সেৱা, তেল আদি শিল্প উদ্যোগ সমূহৰ সৈতে ডাঃ বেৰী হোৱাইটৰ এটা ভাল যোগাযোগ আছিল। আনকি এই উদ্যোগ সমূহৰ সৈতে একান্ত ভাৱে জড়িত হৈ আছিল। ডাঃ বেৰী হোৱাইট নিজেই এটি অনুষ্ঠানৰ দৰে আছিল। সেই বাবেই এই প্ৰতিষ্ঠান সমূহৰ পৰা দান বৰঙণি গ্ৰহণ কৰি পইছা গোটাইছিল। তাৰ পিছত তেওঁ কলিকতালৈ গৈ চিকিৎসা জনিত যন্ত্ৰ-পাতি আৰু ঔষধ ক্ৰয় কৰি তেওঁৰ চালুকীয়া চিকিৎসা শিক্ষাৰ কেন্দ্ৰটি আৰু চিকিৎসা সেৱাৰ পথ সুগম কৰিছিল। বেৰী হোৱাইটে ১৮৮২ খ্রীঃ ৰ পৰা প্ৰায় ১৮৯৬ চনৰ আগভাগলৈকে চিকিৎসা শিক্ষা প্ৰচাৰত ব্যস্ত হৈ আছিল। শেষত তেওঁৰ ব্যক্তিগত পুঁজি ৫০,০০০ হেজাৰ টকা (আজিৰ হিচাবত তিনি বিলিয়ন টকা) এখন স্বীকৃতি প্ৰাপ্ত মেডিকেল স্কুল স্থাপনৰ বাবে দান কৰি যায়। ১৮৯৬ চনৰ শেষ ভাগত

লণ্ডনত মৃত্যু হয়।[১০]

(৩)

**ডাঃ জ'ন বেৰীহোৱাইট মেডিকেল স্কুল**

বেৰী হোৱাইটৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত গঢ় লৈ উঠা চিকিৎসা শিক্ষাৰ কেন্দ্ৰটি পূৰ্ণ পৰ্যায়ৰ ৰূপ দিবৰ বাবে সেই সময়ৰ অসমৰ মুখ্য আয়ুক্ত (Chief Commissioner) ছাৰ হেনৰী কটন মহোদয় আগবাঢ়ি আহে। ডাঃ বেৰী হোৱাইটৰ ধনৰ পৰাই উত্তৰ পূৰ্বাঞ্চলত পোন প্ৰথম চিকিৎসাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাবে ডাঃ জ'ন বেৰী হোৱাইট মেডিকেল স্কুল স্থাপন হয়। চৰকাৰীভাবে ১৯০০-১৯০১ চনৰ পৰাই আনুষ্ঠানিক উচ্চ চিকিৎসাৰ শিক্ষা কেন্দ্ৰ তথা চিকিৎসা কেন্দ্ৰ হিচাবে গঢ় লৈ উঠে।

বেৰী হোৱাইট মেডিকেল স্কুল আনুষ্ঠানিক ভাবে সম্ভৱতঃ ১৯০০ চনৰ ফেব্ৰুৱাৰী মাহত বুলি মত পোষণ কৰা হয়। এই স্কুলৰ এজন প্ৰাক্তন ছাত্ৰ যিজনে শেষত গুৱাহাটী মেডিকেল কলেজৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল, তেওঁৰ মতে (ডাঃ ডি চি চৌধাৰী) ১৯ শতিকাৰ শেষৰ ফালে এই স্কুল স্থাপিত হয়। তুলসী নাৰায়ণ শৰ্মাৰ মতে ১৮৮৯-৯০ খ্ৰীঃত স্থাপন হয়। যথা সম্ভৱ (তথ্য নাই) বেৰী হোৱাইটে কলিকতাৰ পৰা যন্ত্ৰ-পাতি ক্ৰয় কৰাৰ পিছত ছাত্ৰসকলক অনানুষ্ঠানিক ভাৱে চিকিৎসাৰ উচ্চ শিক্ষা প্ৰদান কৰিছিল বাবেই ১৯ শতিকাৰ শেষৰ দশকত আৰম্ভ কৰা বুলি কোৱা হয়। যি কি নহওঁক সেই সময়ৰ ৰাজধানী শ্বিলঙত থকাৰ বাবে এই চিকিৎসা শিক্ষাৰ পাঠ্যক্ৰম চাৰিবছৰীয়া বুলি শ্বিলং স্থিত "অসম মেডিকেল কাউঞ্চিল" ৰ দ্বাৰা নিৰ্দেশ জাৰি কৰা হয়।

পোনপ্ৰথমে ৰক্ষণশীল অসমীয়া সমাজে নিজৰ সন্তানক এই স্কুলত পঢ়াৰ বাবে বাধা আৰোপ কৰিছিল। কিয়নো ছাত্ৰই মৰা শ ব্যৱচ্ছেদন কৰিব লাগিছিল আৰু ইয়াক পাপ বুলি গণ্য কৰিছিল। সেইবাবে প্ৰথমতে সপ্তম-অষ্টম শ্ৰেণীৰ ছাত্ৰকো ভৰ্ত্তি কৰি শিক্ষা দান কৰিছিল। ক্ৰমান্বয়ে এই পৰিস্থিতি উন্নত হয় আৰু অধিক ছাত্ৰ শিক্ষালাভৰ বাবে ১৯১৭ চনৰ পৰা ছাত্ৰ ভৰ্ত্তিৰ ন্যূনতম অৰ্হতা মেট্ৰিক পাচ বা উত্তীৰ্ণ হোৱা বাধ্যতামূলক কৰা হয়। শেষলৈ বেৰী হোৱাইট স্কুলৰ সুনাম বিস্তাৰিত হৈ পৰাত বিজ্ঞান শাখাত আই-এচ-চি (ISC)ত উত্তীৰ্ণ হোৱা ছাত্ৰও পঢ়াশুনা কৰিবলৈ আহে। এই স্কুলৰ পৰা চিকিৎসক হৈ যোৱা ছাত্ৰ সকলক এল-এম-পি (LMP- Licensed Medical Practitioners) বুলি কোৱা হৈছিল। জুন মাহ ১৯৪৬ চনত এই স্কুলত শেষৰ ছাত্ৰ সকলে যোগদান কৰিছিল। অৱশেষত ১৯৫০ চনৰ মে'মাহত এই স্কুল বন্ধ কৰি দিয়া হয়। এই স্কুলত উচ্চ শিক্ষা লাভ কৰি চিকিৎসক সকলে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজক চিকিৎসা সেৱা আগবঢ়ায়। ইয়াৰ পিছত অসম মেডিকেল কলেজ স্থাপন হোৱাত, বহু LMP চিকিৎসকে পুনৰ ইয়াত পঢ়ি এম-বি-বি-এচ ডিগ্ৰী লাভ কৰি আৰু অধিক শিক্ষা লাভ কৰি চিকিৎসা মহাবিদ্যালয়ত অধ্যাপক হিচাবেও যোগদান কৰিছিল।

বেৰী হোৱাইট মেডিকেল স্কুলৰ শিক্ষাদানৰ মানদণ্ড অতি উচ্চ খাপৰ আছিল। আশ্চৰ্যৰ বিষয় এই যে ৰঞ্জন চাহাবে এক্সৰে যন্ত্ৰ উদ্ভাৱন কৰাৰ তিনি বছৰৰ পিছতেই ভাৰতৰ সীমামূৰীয়া ডিব্ৰুগড়ত এই যন্ত্ৰ স্থাপন কৰা হৈছিল। অটোক্লেভ যন্ত্ৰ, বইলচ যন্ত্ৰ আদিৰ দৰে উচ্চ মানদণ্ডৰ যন্ত্ৰপাতি এই স্কুলত মজুত আছিল। চিকিৎসা শিক্ষাৰ ওপৰিও এই স্কুলত ফাৰ্মাচী শিক্ষাৰ (সেই সময়ত কম্পাউণ্ডৰ শিক্ষা বোলা হৈছিল) ব্যৱস্থা সমান্তৰালকৈ আগবাঢ়ি গৈছিল। অত্যাধুনিক এটি অস্ত্ৰোপ্ৰচাৰ কক্ষ ১৯২৪ চনত স্থাপন কৰা হৈছিল। বহু বছৰ ধৰি মহিলা ছাত্ৰী পঢ়িবলৈ অহা নাছিল, কিন্তু ১৯৩৬ চনত পোনপ্ৰথম শ্ৰীমতী আনোৱাৰা বেগম মহোদয়াই যোগদান কৰে। প্ৰথমতে নাৰ্চ সকলক প্ৰশিক্ষণ দি কামত নিযুক্তি দিয়া হৈছিল যদিও ১৯৩৩ চনৰ ৭ এপ্ৰিলৰ পৰা চিচ্‌ষ্টাৰচ্ অৱ চেৰিটিৰ দ্বাৰা খ্ৰীষ্টিয়ান নাৰ্চ মকৰল কৰা হৈছিল। এল-এম-পি আৰু ফাৰ্মাচী শিক্ষাৰ পাঠ্যক্ৰমত লিখিত শিক্ষাৰ সৈতে সংগতি ৰাখি ব্যৱহাৰিক (Practical) শিক্ষাও প্ৰদান কৰা হৈছিল। চিকিৎসা শিক্ষাৰ পাঠ্যক্ৰম এনেধৰণৰ আছিল।[১১]

(১) **প্ৰথম বাৰ্ষিক আৰু দ্বিতীয় বাৰ্ষিক ঃ** এনাটমী, ফিজিওলজি, ফাৰ্মাক'লজি, কেমিষ্ট্ৰিৰ সৈতে ফিজিকেল কেমিষ্ট্ৰি

(২) **তৃতীয় বাৰ্ষিক আৰু চতুৰ্থ বাৰ্ষিক ঃ** মেডিচিন, চাৰ্জাৰী, মিড্‌ৱাইফেৰী, হাইজিন, পেথ'লজি, মেডিকেল জুৰিচপ্ৰুডেন্স

দ্বিতীয় বিশ্বযুদ্ধৰ আগৰে পৰাই ডিব্ৰুগড় ৰাইজে মেডিকেল স্কুলখনক মহাবিদ্যালয়লৈ পৰিবৰ্তন কৰাৰ বাবে

হেঁচা প্ৰয়োগ কৰি আহিছিল। বেৰী হোৱাইট মেডিকেল স্কুলক পৰিবৰ্তন সাধি অসমৰ অন্য ঠাইত স্থাপন কৰাৰ বিষয়ে চৰকাৰক হেঁচা প্ৰয়োগ কৰা হৈছিল। কিন্তু ডাঃ বেৰী হোৱাইটৰ ইচ্ছা পত্ৰত স্পষ্টকৈ লিখা আছিল যে এই স্কুলখনক উন্নতি সাধন কৰিব পাৰিব কিন্তু স্থানান্তৰ কৰিব নোৱাৰিব। সেই বাবেই অসম চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড়ত স্থাপন হ'ল।

(৪)

**অসম চিকিৎসা মহাবিদ্যালয়**

ডিব্ৰুগড় ৰাইজৰ প্ৰবল হেঁচা থকা স্বত্তেও বিভিন্ন মহলে বেৰী হোৱাইট মেডিকেল স্কুলক স্থানান্তৰিত কৰি অন্য ঠাইত (নাম প্ৰকাশ কৰা নহ'ল) স্থাপন কৰাৰ বিষয়ে চেষ্টা কৰিছিল যদিও ডাঃ বেৰী হোৱাইটৰ ইচ্ছাপত্ৰৰ বাবেই ডিব্ৰুগড় মহাবিদ্যালয় স্থাপন কৰিব লগা হয়।

ডিব্ৰুগড়ত স্থাপন কৰিব লগা হোৱাত দুটা সুবিধা হ'ল। (১) দ্বিতীয় মহাযুদ্ধৰ সময়ত আমেৰিকান সকলে এখন মিলিটাৰী ইনফেন্ট্ৰি হাচ্‌পাতাল প'লগ্ৰাউণ্ড পথাৰত স্থাপন কৰিছিল য'ত যোদ্ধাসকলক চিকিৎসা প্ৰদান কৰিছিল এইখন অত্যাধুনিক চিকিৎসালয় আছিল। বিশ্বযুদ্ধ শেষ হোৱাৰ পিছত যন্ত্ৰ-পাতি, ঘৰ দুৱাৰৰ সৈতে সকলো ত্যাগ কৰি গুচি যায়। অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী বেৰী হোৱাইট স্কুলৰ শেষৰজন অধীক্ষক (চুপৰিন্‌টেণ্ডেত) ডাঃ জে.আৰ.কৰ ডাণ্ডৰীয়াই এই সকলোবোৰ চমজি লয়। এই হাততে পোৱা সুবৰ্ণ সুযোগ এখন মহাবিদ্যালয়ৰ বাবে অপৰিহাৰ্য হৈ পৰে আৰু ইয়াৰ সদব্যৱহাৰ কৰা হয়। (২) ইতিমধ্যে বেৰী হোৱাইট মেডিকেল স্কুলত মহাবিদ্যালয়ৰ অনুকুলে আন্তঃগাঠনি বৰ্ত্তি আছিল। ইয়াৰো পূৰ্ণ সদ্‌ব্যৱহাৰ কৰাৰ সুযোগ আহি পৰিল।

অৱশেষত ১৯৪৭ চনৰ ৩ নৱেম্বৰ তাৰিখে বৰ্তমানৰ স্থানতে প্ৰয়াত গোপীনাথ বৰদলৈ, মাননীয় মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয়ৰ শুভাৰম্ভ কৰে। ডাঃ হেম বৰুৱা প্ৰথম অধ্যক্ষ হয়।

অসম চিকিৎসা মহাবিদ্যালয়ে উত্তৰ পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উচ্চ চিকিৎসা প্ৰদান কৰাৰ উপৰিও ৰোগীসকলক উন্নত চিকিৎসা প্ৰদানত অগ্ৰণী ভূমিকা পালন কৰে। পোন প্ৰথমে বেৰী হোৱাইট স্কুল আৰু মিলিটেৰী হাচপাতাল দুয়োটাৰে সমিল মিলত শিক্ষাদান চলি আছিল। পিছলৈ অসম চিকিৎসা মহাবিদ্যালয়ে পূৰ্ণাংগ ৰূপত জিলিকি উঠে।

এই মহাবিদ্যালয়ত উচ্চ চিকিৎসাৰ শিক্ষা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী সকলক এম-বি-বি-এচ (MBBS) ডিগ্ৰী প্ৰদান কৰা হয় আৰু আজিকোপতি এই পাঠ্যক্ৰম নিৰৱচ্ছিন্ন হিচাবে চলি আছে। ইয়াৰ পিছৰ স্তৰত মহাবিদ্যালয়ৰ প্ৰায় সকলো বিভাগতে আৰু অধিক উচ্চ চিকিৎসাৰ শিক্ষা প্ৰদানত মেডিকেল কাউন্সিল অৱ ইণ্ডিয়াৰ দ্বাৰা অনুমোদন লাভ কৰে। ছাত্ৰ-ছাত্ৰী সকলে এম.ডি, এম.এচ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। এই চিকিৎসাৰ উচ্চ শিক্ষাৰ ব্যৱস্থা চলি আছে। ইয়াত চিকিৎসা শিক্ষাৰ আসন সমূহৰ তালিকা ২০১৯ চনৰ ৩ নৱেম্বৰৰ সমীক্ষা অনুযায়ী এনে ধৰণৰ।[১২]

1. MBBS- 200 Seats
2. Post Graduate Degree- 159 Seats
3. Post Graduate Diploma- 20 Seats

বৰ্তমান উচ্চ শিক্ষা গ্ৰহণ কৰিব পৰা বিভাগ সমূহ ২০১৯ চনৰ ৩ নৱেম্বৰৰ সমীক্ষা অনুযায়ী এনে ধৰণৰ [১৩] ঃ

1. General Medicine,
2. General Surgery,
3. Ophthalmology,
4. Obs and Gynae,
5. Paediatrics,
6. Orthopaedics,
7. E.N.T,
8. Anaesthesiology,
9. Radiation Oncology,
10. Radio Diagnosis,
11. Forensic Medicine,
12. Pathology,
13. Anatomy,
14. Physiology,
15. Biochemistry,
16. Pharmacology,

17. Microbiology,
18. Psychiatry,
19. Dermatology,
20. Community Medicine.

উক্ত বিভাগ সমূহৰ উপৰিও অন্যান্য বিভাগসমূহ এনেধৰণৰঃ-

1. Cardio Thoracic Department, 2. Cardiology Surgery, 3. Neurology, 4. Nephrology, 5. Paediac Surgery, 6. Plastic Surgery, 7. Pulmonary Medicine, Neurosurgery, Urology আদি বিভাগ চালুকীয়া হৈ আছে।

অসম চিকিৎসা মহাবিদ্যালয়ৰ সৈতে সংযুক্ত অনুষ্ঠান সমূহ এনেধৰণৰঃ-

1. Dentistry, 2. Institute Of Paramedical Sciences, 3. GNM School of Nursing, 4. Institute of Pharmecy.

ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰি শিক্ষাগ্ৰহণ কৰিবৰ বাবে এক সুবিশাল পুথিভঁড়াল আছে। ওপৰত উল্লেখ কৰা বিভাগ সমূহ আৰু উচ্চ শিক্ষা (Superspeciality) গ্ৰহণ কৰাৰ ব্যৱস্থা ভাৰতবৰ্ষত আছে। অসম চিকিৎসা মহাবিদ্যালয়তো তেনে উচ্চ শিক্ষা (যেনে DM, Mch) গ্ৰহণৰ ব্যৱস্থা থকা প্ৰয়োজনীয়। এই চিকিৎসাৰ শিক্ষা প্ৰদানেৰে চিকিৎসকক উন্নত মানদণ্ডৰ চিকিৎসা ব্যৱস্থাৱলীৰ সৈতে পৰিচয়ৰ দ্বাৰা জনগণ উপকৃত হ'ব।

## (৫)
## ডিব্ৰুগড়ত অত্যাধুনিক চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ সম্ভাৱনীয়তা

বৰ্তমান বিশ্বৰ বহু ঠাইত চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ অত্যাধুনিক পদ্ধতিৰে আগবাঢ়ি গৈছে। এই উন্নত মানদণ্ডৰ যন্ত্ৰপাতি, ঔষধ আৰু প্ৰযুক্তিৰ দ্ৰুত সম্প্ৰসাৰণ আদিৰ দ্বাৰা সম্ভৱ পৰ হৈছে। ভাৰততো বহু চিকিৎসালয়ত এনে ধৰণৰ উচ্চ মানদণ্ডৰ চিকিৎসাৰ ব্যৱস্থা হৈছে। বহুতো দুৰাৰোগ্য ৰোগৰ চিকিৎসা সম্ভৱপৰ হৈছে। কিন্তু সাধাৰণ জনগণৰ বাবে ব্যয়বহুল।

অসমতো ব্যক্তিগত খণ্ডৰ চিকিৎসালয় কিছুমান ৰোগৰ অত্যাধুনিক চিকিৎসাই মুৰ তুলি উঠিছে যদিও ব্যয় বহুল হৈয়েই আছে।

ডিব্ৰুগড়টো এনে অত্যাধুনিক চিকিৎসাৰ সম্ভাৱনা প্ৰচুৰ। যন্ত্ৰপাতি, ঔষধৰ সমস্যা অতিক্ৰম কৰি আগবাঢ়ি গৈছে যদিও কৌশলযুক্ত জ্ঞানেৰে অভিজ্ঞ চিকিৎসকৰ চিকিৎসা সেৱাৰ অভাৱ দেখা যায়। চিকিৎসক সকলক অসমৰ বাহিৰলৈ পঠাই উন্নত চিকিৎসালয়ত শিক্ষা গ্ৰহণ কৰাই (DM, MCH) ডিব্ৰুগড়লৈ অনা হৈছে যদিও ইয়ো তাকৰীয়া। গুৱাহাটী মহাবিদ্যালয়ত (চিকিৎসালয়) ইয়াৰ কিছুমান ব্যৱস্থা কৰা হৈছে যদিও অসম চিকিৎসা মহাবিদ্যালয়ত তেনে শিক্ষাৰ ব্যৱস্থা আজিৰ তাৰিখত হোৱা নাই। এতিয়াও বহু ৰোগী উন্নতমানৰ চিকিৎসাৰ বাবে যেনে হৃদৰোগ, কেন্সাৰ, প্লাষ্টিক চাৰ্জাৰী, এণ্ডোক্ৰাইনৰ আদি ৰোগৰ বাবে ডিব্ৰুগড়ৰ বাহিৰলৈ যাব লাগে। এই ৰোগ বিলাকক উন্নত মানৰ চিকিৎসাৰ বাবে ন্যূনতম খিনি ডিব্ৰুগড়ত উপলব্ধ যদিও অৱশেষ বাহিৰলৈ যাব লগা হয়। যিহেতু চুপাৰস্পেচিয়েলিষ্ট চিকিৎসক আৰু যন্ত্ৰপাতিৰ অভাৱ।

ইতিমধ্যে শদিয়াত ভূপেন হাজৰিকা সেতুৰে চলাচল কৰিব পৰা হোৱাত অৰুণাচলৰ অসংখ্য ৰোগী ডিব্ৰুগড়লৈ আহিবলৈ ধৰিছে। সেইদৰে বগীবিল দলং নিৰ্মাণৰ পিছৰে পৰা ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ উত্তৰ লক্ষীমপুৰৰ পৰা মাজুলী পৰ্যন্ত অসমৰ ৰোগী সকল অতি সহজেই ডিব্ৰুগড়লৈ চিকিৎসাৰ বাবে আহিব পৰা হ'ল। সেইদৰে অৰুণাচলৰ কেইবাখনো জিলাৰ ৰোগী ডিব্ৰুগড়লৈ সহজে আহি চিকিৎসা গ্ৰহণ কৰে।

এনে বিলাক কাৰণতে ডিব্ৰুগড়ত অত্যাধুনিক চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু সম্ভাৱনীয়তাও বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে।

চৰকাৰী খণ্ডত অৰ্থাৎ অসম চিকিৎসা মহাবিদ্যালয়ত এনে উচ্চ শিক্ষাৰ ব্যৱস্থা কৰি চিকিৎসকক প্ৰস্তুত কৰিব পৰা যায়। ব্যক্তিগত খণ্ডত (নাৰ্চিং হোম) চিকিৎসালয় স্থাপন কৰিলেও কৌশল সম্পন্ন ডিগ্ৰীধাৰী চিকিৎসকৰ আৱশ্যক হব। এনে চিকিৎসক সহজে উপলব্ধ নোহোৱাৰ বাবেই ই সম্ভৱপৰ হৈ নপৰে। তদুপৰি উচ্চ শিক্ষাৰ বাবে যি আন্তঃগাথঁনিৰ আৱশ্যক সেই বিলাক কেৱল চৰকাৰী মহাবিদ্যালয় সমূহতহে পোৱা যায়, নাৰ্চিংহোমত পোৱা

নাযায়। ব্যক্তিগত খণ্ডৰ চিকিৎসালয় সমূহত চৰকাৰী মহাবিদ্যালয়ৰ দৰে আন্তঃগাথঁনি থাকিলে মেডিকেল কাউন্সিল অৱ ইণ্ডিয়াই পৰীক্ষা নিৰিক্ষণ কৰি ডি এন বি (DNB) নামৰ উচ্চ শিক্ষা গ্ৰহণৰ বাবে অনুমতি দিছে। এই সুবিধা অসমৰ বাহিৰৰ বহু ব্যক্তিগত খণ্ড বা ৰাজহুৱা খণ্ডৰ চিকিৎসালয়ত DNB ৰ দ্বাৰা উচ্চ শিক্ষা লাভৰ ব্যৱস্থা আছে আৰু চলি আছে। ডিব্ৰুগড়ত এনে নাৰ্চিংহোমত DNB ৰ এই ব্যৱস্থা আছে যদিও ই MD পৰ্যায়ৰ DNB পাঠ্যক্ৰম। ইয়াতকৈ উচ্চখাপৰ পাঠ্যক্ৰম নাই। অসমৰ বাহিৰৰ চিকিৎসালয় সমূহৰৰ বহুতত বিদ্যমান। আমাৰ নাৰ্চিং হোম সমূহৰ এনে সুযোগ গ্ৰহণত অনীহাই প্ৰধান অন্তৰায়। এই উচ্চ শিক্ষাৰ মানদণ্ডক চুপাৰস্পেচিয়েলিটি (Superspeciality) বুলি কোৱা হয়।

সাধাৰণ ৰাইজক তুলনামূলক ভাৱে ন্যূনতম খৰছত চিকিৎসা প্ৰদানৰ বাবে ডিব্ৰুগড়ত এই চুপাৰস্পেচিয়েলিটি শিক্ষাৰ সম্ভাৱনীয়তা অত্যধিক বুলি বিবেচনা কৰা হয়। ইয়াৰ প্ৰয়োজনীয়তাও আছে। যিমান সোনকালে সম্ভৱ এনে চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ বাবে সমগ্ৰ অসম তথা দাঁতিকাষৰীয়া ৰাইজৰ বাবেও প্ৰয়োজনীয়। ডিব্ৰুগড় এখন সম্ভাৱনা পূৰ্ণ চহৰ। এই সুযোগৰ সদ্ ব্যৱহাৰ নিতান্তই ৰাইজৰ বাবে প্ৰয়োজনীয়।

তদুপৰি ডিব্ৰুগড়ত আৰু ইয়াৰ ওচৰে পাজৰে থকা স্থান সমূহতো শিল্প উদ্যোগ আছে। যেনে, ডিব্ৰুগড়ত বি.চি.পি.এল (BCPL), ডুলিয়াজান তেল উদ্যোগ, নামৰূপত সাৰ কাৰখানা আৰু কয়লা উদ্যোগ, শিৱসাগৰত অ'.এন.জি.চি. (ONGC) ইত্যাদি বৰ্তমান আছে। ইয়াৰ বাদেও চাহপাতৰ শিল্পোদ্যোগৰ বৃহৎ ব্যৱস্থা আছে। এই উদ্যোগ সমূহত অসংখ্য মানৱ সম্পদ (কৰ্মচাৰী) জড়িত হৈ আছে। এই সকলকো উচ্চ মানদণ্ডৰ চিকিৎসাৰ প্ৰয়োজন বাবেই চুপাৰস্পেচিয়েলিটি বিভাগৰ চিকিৎসাৰ বহু সময়ত আৱশ্যক হৈ পৰে। সেইবাবেই ক্ৰমাগত ভাৱে এনে ধৰণৰ চিকিৎসাৰ অনুভৱ কৰা পৰিলক্ষিত হৈছে। চিকিৎসক সকলক এনে চিকিৎসা বিজ্ঞানৰ শিক্ষা, প্ৰশিক্ষণ আদিৰ আৱশ্যক হৈ পৰিছে। ডিব্ৰুগড়ত যিহেতু আন্তঃগাথঁনি উন্নত কৰিব পৰা সম্ভৱপৰ। এনেবোৰ দৃষ্টি কোণেৰে ডিব্ৰুগড়ত চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ গঢ়ি তোলাৰ সম্ভাৱনীয়তাক সাকাৰ ৰূপ দিয়া অতি প্ৰয়োজন আৰু সময়ৰ আহ্বান।

## (৬)
## উপসংহাৰ

ডিব্ৰুগড়ত জনগোষ্ঠীয় পৰম্পৰাগত চিকিৎসা যুগ যুগ ধৰি প্ৰচলিত হৈ আহিছে। আয়ুৰ্বেৰ্দিক চিকিৎসা আৰ্যসকলৰ লগত আহে। পৌৰাণিক আখ্যান অনুসৰি পৰশুৰাম কুণ্ডলৈ পৰশুৰাম আহে লগত সাতঘৰ ব্ৰাহ্মণ লৈ, যিসকল ইয়াত থাকি যায়। কেইশতিকামান আগৰ উদ্ধাৰ হোৱা কৃষ্ণ মূৰ্ত্তি (তিনিচুকীয়াত), অলপতে মানকটাৰ ওচৰত উদ্ধাৰ হোৱা মন্দিৰৰ ভগ্নাৱশেষে ইয়ালৈ পূজা-পাতল আদিৰ বাবে ব্ৰাহ্মণ আহিলেও লগতে আৰ্য়ুবেদিক চিকিৎসা পদ্ধতি লৈ আহে। আহোম ৰাজত্ব কালত জয়ধ্বজ সিংহৰ ৰাজত্বৰ সময়ত কনৌজৰ পণ্ডিত চিকিৎসকক আৰ্য়ুবেদিক চিকিৎসাৰ বাবে একা চেকা বৰুৱা নাম দি ইয়াতে ৰাখি থয়। এইদৰে পৰম্পৰাগত জনগোষ্ঠীয় চিকিৎসাৰ সৈতে আৰ্য়ুবেদিক চিকিৎসা সানমিহলি হৈ এক উচ্চ স্তৰৰ চিকিৎসা পদ্ধতিৰ শিক্ষাৰ প্ৰচলিত হয়।

ইয়াৰ পিছত বেৰী হোৱাইট মেডিকেল স্কুল, অসম চিকিৎসা মহাবিদ্যালয় স্থাপনেৰে ডিব্ৰুগড়ত চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ প্ৰৱৰ্ত্তন হয়। এই শিক্ষাদান স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়লৈকে আছে।

বৰ্ত্তমান ডিব্ৰুগড়ত চুপাৰস্পেচিয়েলিটি বিভাগ সমূহৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা হোৱা উচিত। উপৰোক্ত দৃষ্টি কোণেৰে পৰ্যালোচনা কৰি ব্যক্ত কৰিব পৰা যায় যে ডিব্ৰুগড়ত ইয়াৰ সম্ভাৱনীয়তা অতিশয় উজ্জল। এই সম্ভাৱনীয়তাক সাকাৰ ৰূপ প্ৰদান কৰা যিমানে তৎপৰ হোৱা যায় সিমানে মঙ্গল।

**সহায়ক গ্ৰন্থ ঃ**

১) ডাঃ (ড°) ৰতন কুমাৰ কটকী, অসমৰ পৰম্পৰাগত চিকিৎসা পদ্ধতি, গুণাৰাম ঢেকিয়াল সোঁৱৰণী স্মাৰক বক্তৃতা, ৬-৯ ফেব্ৰুৱাৰী; ২০০৯, পৃঃ ১-২

২) ড° সুৰেন্দ্ৰ কুমাৰ গোস্বামী, আহোমসকলৰ পৃষ্ঠপোষকতাত শিক্ষা আৰোৱান, ৰংপুৰ উৎসৱ, ফেব্ৰুৱাৰী, ২০০৫, পৃঃ ১০৩।

৩) ড° লীলা গগৈ, টাই সংস্কৃতিৰ ৰূপৰেখা, ৪ৰ্থ সংস্কৰণ, ১৯৯৪, পৃ৫৯।

৪) ডাঃ (ড°) ৰতন কুমাৰ কটকী, আহোম ৰাজত্বত চিকিৎসাসেৱা, প্ৰথম সংস্কৰণ, ২০০৯, পৃঃ ১৩।

৫) চাৰ এডৱাৰ্ড গেইট, অসম বুৰঞ্জী, অনুঃচেনেহী বেগম, ২য় সংস্কৰণ, ২০০০, পৃঃ ১২৯।

৬) ড° বলীন কোঁৱৰ, দেশপ্ৰেমী পৰিয়ালঃ বৰবৰুৱা-বৰফুকন, প্ৰথম প্ৰকাশ, ২০০১, পৃঃ৬৮।

৭) Dr Jhon Peter Wade, An acount of Assam, ed Benudhar Sarma, Published by Rameswar Sarma, Madhupur TE, 1927, P-VIII-XIII.

৮) লিখকৰ ক্ষেত্ৰ ভিত্তিক অধ্যয়ণ।

৯) A.J. Moffatt Mills, Repart on the Province of Assam, Publication Board of Assam, Guwahati, Second edition, 1984, the total repart.

১০) Kotokey RK, A brif account of Jhon Berry which Medical school (1900-1947), Souvenir, APICON (Assam), 2010, P.50-55.

১১) Kotokey RK, Berry White Medical School, First Modern System in the North-East Region, Sovenir, ASPEDICON, 34th Annual Conference of IAP, Assam State Branch, 2019, p-37-42.

১২) Annual Report 2019, Assam Medical College and Hospital Dibrugarh, 3rd NOV, 2019, p-38. Ibid, 39-p.


*(উক্ত প্ৰবন্ধটি ড° ৰতন কটকীৰ পৰলোক গমণৰ পূৰ্বেই সংগ্ৰহ কৰা হৈছিল)*

# ডিব্ৰুগড়ৰ প্ৰাকৃতিক পৰিৱেশ আৰু যোৱা পঞ্চাশ বছৰত ইয়াৰ পৰিৱৰ্তন

**ড° প্ৰদীপ কুমাৰ বৰুৱা**
প্ৰাক্তন অধ্যাপক
জীৱ বিজ্ঞান বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

অনেক বছৰৰ প্ৰাকৃতিক অৱস্থা আৰু তাৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি হোৱা জলবায়ুৱে ডিব্ৰুগড় নগৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহৰ পৰিৱেশ বা পাৰিপাশ্বিক অৱস্থা সৃষ্টি কৰিছে। প্ৰসংগক্ৰমে উল্লেখ কৰা যায় যে এখন ঠাইৰ কেউকাষে থকা পৰ্বত-পাহাৰ, নদ-নদী, হাবি-বন আৰু ঠাইখনৰ মাগুলিক অৱস্থিতিয়ে অৰ্থাৎ ই পৃথিৱীৰ কোন তাপমণ্ডলত অৱস্থিত, সূৰ্য্যৰ পৰা ঠাইখন কিমান দূৰত, ইয়াৰ বৰষুণৰ পৰিমাণ কিমান, মাটিৰ গুণাগুন কি আদিয়েই ঠাইখনৰ জলবায়ু বা পাৰিপাশ্বিক অৱস্থা নিৰ্ণয় কৰে। অৱশ্যে কেৱল এইখিনি উপাদানেই যে এখন ঠাইৰ পৰিৱেশ নিৰ্ণয় কৰে এনে নহয়, এই পৰিৱেশৰ ওপৰত অন্য ঠাইৰ উপাদানৰো প্ৰভাৱ পৰিব পাৰে। যেনেকৈ অৰুণাচল প্ৰদেশৰ বনাঞ্চল ধংসৰ ফলত হোৱা মৌচুমী বায়ুৰ পৰিৱৰ্তনৰ প্ৰভাৱ ডিব্ৰুগড়ত পৰে। যি কি নহওক একোটা নিৰ্দিষ্ট পৰিৱেশত জীৱ-জন্তু আৰু গছ-গছনিয়ে প্ৰকৃতিৰ অজৈৱ পদাৰ্থৰ লগত এটা সুসম্পৰ্ক বজাই ৰাখি জীয়াই থাকে। কিন্তু এখন ঠাইৰ পৰিৱেশ সদায়ে একে নাথাকে; বিভিন্ন কাৰণত ইয়াৰ পৰিৱৰ্তন হয়। আনহাতে ভু-প্ৰাকৃতিক পৰিৱৰ্তন আৰু আধুনিক কলা-কৌশল আৰু বিজ্ঞানৰ অৱদানে নানান ধৰণেৰে বিশ্বৰ পাৰিপাশ্বিক অৱস্থাত প্ৰভাৱ পেলাইছে। তাৰ ফলত মৰুভূমিও সাগৰ আৰু গভীৰ বৰ্ষাৰণ্যও মৰুভূমিত পৰিণত হোৱাৰ ইতিহাস আছে। ডিব্ৰুগড় চহৰখনক কেন্দ্ৰ কৰি ইয়াৰ কেউকাষৰ পাৰিপাশ্বিক অৱস্থাৰো পৰিৱৰ্তন হৈছে। এই লিখনিত চহৰখনৰ পাৰিপাশ্বিক অৱ্. আৰু যোৱা অৰ্ধশতিকাৰো অধিক কালছোৱাত হোৱা ইয়াৰ পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ডিব্ৰুগড় চহৰখন নাতিশীতোষ্ণ অঞ্চলত অৱস্থিত এক বিস্তৃত সমভূমি অঞ্চল। বিষুবীয় অঞ্চলত হোৱা বাবে ডিব্ৰুগড় এখন বৃষ্টি প্ৰধান ঠাই আৰু ইয়াৰ জলবায়ু মনোৰম। কিন্তু ২৭.২৯ডিগ্ৰী উত্তৰ অক্ষাংশ আৰু ৯৪.৫৬ ডিগ্ৰী পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত হোৱা কাৰণে ডিব্ৰুগড়ত প্ৰখৰ সূৰ্য্যৰ তাপ অনুভৱ কৰা নাযায়। তদুপৰি উত্তৰে বিশাল ব্ৰহ্মপুত্ৰ আৰু উত্তৰ-পূব আৰু দক্ষিণ-পূব দিশত পাহাৰেৰে বেষ্টিত হৈ থকাত ইয়াৰ জলবায়ুৰ এটা বৈশিষ্ট আছে। সাগৰ পৃষ্ঠৰ পৰা গড়ে ১০৫.৬ মিটাৰ উচ্চতাত অৱস্থিত আৰু পাৰ্শ্বৱতী ঠাইবোৰ গভীৰ বনাঞ্চলেৰে পূৰ্ণ হোৱা বাবে ডিব্ৰুগড়ৰ আৰ্দ্ৰতা (Humidity) বেছি। ইয়াৰ পৰিমাণ শতকৰা ৭০-৮০ ভাগ। গ্ৰীষ্ম কালত আৰ্দতাৰ পৰিমাণ শতকৰা ৮০-৯০ ভাগ পৰ্য্যন্ত হয়গৈ। বছৰি বৰষুণৰ পৰিমাণ বেছি হোৱা বাবে (গড়ে বছৰি ২৭৫৯মি.মি.) জুলাই-আগষ্ট মাহত

তাপমাত্রা ২৪ৰ পৰা৩১ৰ ডিগ্ৰী ছেন্টিগ্ৰেডৰ ওপৰলৈ নগৈছিল। আনহাতে জানুৱাৰী-ফেব্ৰুৱাৰী মাহত ঠাইখনৰ তাপমাত্ৰা ৮ৰ পৰা ২৩ ডিগ্ৰী ছেন্টিগ্ৰেডলৈ নামি আহে। ফলত ডিব্ৰুগড়ৰ জলবায়ু বসবাসৰ কাৰণে অতি উপযোগী বুলি বিবেচনা কৰা হয়। সেয়েহে ব্ৰিটিছসকলে প্ৰশাসনীয় আৰু ব্যৱসায়িক কাৰণত ডিব্ৰুগড়লৈ আহি ইয়াৰ জলবায়ু ইংলণ্ডৰ জলবায়ুৰ লগত সাদৃশ্য অনুভৱ কৰিছিল।

যদিও ডিব্ৰুগড় নগৰখন সাগৰ পৃষ্ঠৰ পৰা ১০৫.৬ মিটাৰ উচ্চতাত অৱস্থিত তথাপি ইয়াৰ পাৰ্শ্ববৰ্তী কোনো ঠাই যেনে শদিয়া অঞ্চলৰ (অবিভক্ত ডিব্ৰুগড় জিলাৰ) উচ্চতা গড়ে ১৩৫ মিটাৰহে। উল্লেখনীয় যে ডিব্ৰুগড়ৰ ফালে এই উচ্চতা ক্ৰমে প্ৰতি কিলোমিটাৰত ২০ ছেন্টিমিটাৰকৈ এঢলীয়া হৈ কমি আহিছে আৰু কোনো অঞ্চলত পিতনি জাতীয় স্থালভাগৰো সৃষ্টি হৈছে। এনে পিতনি জাতীয় ঠাইত নানান উদ্ভিদ আৰু গভীৰ বনাঞ্চলেৰে আবৃত্ত হৈ পৰিছে।

ডিব্ৰুগড়ৰ মাটি সাধাৰণতে বালিচঁহীয়া আৰু আলতীয়া মাটিৰ মিশ্ৰনত গঠন হোৱা এক শ্ৰেণীৰ পলসুৱা (Alluvial) মাটি। ইয়াৰ মাটি অম্লীয় (Acidic) আৰু অধিক হাৰত এই মাটিত দ্ৰৱীভূত অৱস্থাত মেগনেচিয়াম অক্সাইড থাকে। বিশেষ এক অধ্যয়নৰ মতে ৪৪৮০ মিটাৰ গভীৰতা পৰ্য্যন্ত ডিব্ৰুগড় অঞ্চলত গেদীয় (Sedimantary) শিলাস্তৰ পোৱা যায়। এনে মাটি চাহ খেতিৰ কাৰণে অতি উপযোগী হোৱা হেতুকে অবিভক্ত ডিব্ৰুগড় জিলাতেই অসমৰ সৰহসংখ্যক চাহ বাগিছা গঢ় লৈ উঠিছে। তদুপৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ সমতল ভাগ তুলনামূকভাৱে উত্তৰ অংশৰ সমতল ভাগতকৈ অধিক উচ্চ। ফলত এনেবোৰ অঞ্চলত পানী জমা হৈ থকাৰ সম্ভাৱনা কম। এনে হোৱাৰ বাবেও এই অঞ্চল চাহখেতিৰ বাবে উপযোগী হৈছে।

বৰষুণৰ পৰিমাণ বেছি হোৱা কাৰণে অবিভক্ত বিস্তৃত ডিব্ৰুগড় জিলাত যথেষ্ট বনাঞ্চলৰ সৃষ্টি হৈছে। ইয়াৰ ভিতৰত বৰ্তমানে তিনিচুকীয়া জিলাত বনাঞ্চলৰ পৰিমাণ বেছি। ১৯৭৬-৭৭ চনৰ জৰীপমতে অবিভক্ত ডিব্ৰুগড় জিলাত সৰ্বমুঠ বনাঞ্চলৰ পৰিমাণ ১৭৩২.৯২ বৰ্গকিলোমিটাৰ আছিল। ইয়াৰে ১৩৭৪.৯৪ বৰ্গ কিলোমিটাৰ অঞ্চলত ৩২ খনকৈ সংৰক্ষিত বনাঞ্চল অৱস্থিত। তিনিচুকীয়া জিলাৰ ২৪ খন সংৰক্ষিত বনাঞ্চলৰ ভিতৰত কেৱল ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ কালিয়েই ৬৪০ বৰ্গকিলোমিটাৰ। এনে বনাঞ্চলবোৰ নানান দুষ্প্ৰাপ্য বন্যপ্ৰাণী আৰু পক্ষীৰ বিচৰণ ভূমি। তদুপৰি হোলোং, নাহৰ, শাল, সলখ, আজাৰ, পমা আদি মূল্যবান গছ-গছনিয়েও ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অৰ্থনৈতিক মূল্য-বৃদ্ধি কৰিছে।

ডিব্ৰুগড়ৰ মাটিত প্ৰচুৰ পৰিমাণৰ আৰ্দ্ৰতা থকাৰ কাৰণে আৰু ব্ৰহ্মপুত্ৰকে ধৰি অন্যান্য নদ-নদীবোৰৰ পলসেৰে এইবোৰ সাৰুৱা হৈ উঠাৰ কাৰণে নদীৰ কাষে কাষে ঘন বসতিৰ স্থল গঢ়ি উঠিছে। পাহাৰৰ নামনি ভাগলৈ প্ৰচুৰ পৰিমাণৰ বামখেতি হয়। ডিব্ৰুগড় অবিভক্ত জিলাখনৰ বিস্তৃত অঞ্চল খনিজ সম্পদেৰে ভৰপূৰ। সমগ্ৰ দেশখনৰ ভিতৰত ডিব্ৰুগড়তেই মাটিৰ তলৰ কয়লাৰ বাবে বিখ্যাত য'ত একেলগে খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছো পোৱা যায়।

যোৱা কিছু বছৰৰ ভিতৰত ডিব্ৰুগড়ৰ জলবায়ুৰ এক আমোল পৰিৱৰ্তন পৰিলক্ষিত হৈছে। ঋতু পৰিবৰ্তনৰ ক্ষেত্ৰত এই পৰিৱৰ্তন দেখা গৈছে অধিক। লক্ষ্য কৰা হৈছে যে অন্ততঃ ৮০ দশকৰ পৰাই প্ৰতিবছৰে প্ৰাক্ গ্ৰীষ্ম (Premonsoon) কালৰ আগমন যথেষ্ট পিছুৱাই গৈছে। তথ্য অনুসৰি কেৱল ১৯৯২ আৰু ১৯৯৮ চনতহে গতানুগতিক মাৰ্চ মাহৰ পৰিৱৰ্তে ফেব্ৰুৱাৰী মাহৰ পৰাই এই কাল আৰম্ভ হৈছিল। দ্বিতীয়তে যোৱা বহু বছৰ ধৰি ডিব্ৰুগড়ত বৰকৈ কুঁৱলী পৰা দেখা হোৱা নাই। কিন্তু ইয়াৰ পূৰ্বে ব্ৰহ্মপুত্ৰৰ কাষত পুৱাৰ ভাগত বহু দেৰিলৈকে ডাঠ কুঁৱলীয়ে আৱৰি থকা দেখা গৈছিল। অন্যহাতে উত্তৰ-পূব ভাৰতৰ দ্বিতীয়খন শ্বিলং বুলি গণ্য কৰি অহা ডিব্ৰুগড়ত উষ্ণতাৰ প্ৰকোপো বাঢ়িবলৈ লৈছে। চৰকাৰী হিচাপমতে যোৱা কিছু বছৰত গুৱাহাটী আৰু ডিব্ৰুগড় নগৰৰ অধিকতম তাপ মাত্ৰাৰ পাৰ্থক্য বিশেষ নোহোৱা দেখা গৈছে। বহু সময়ত ডিব্ৰুগড়ৰ তাপ মাত্ৰা গুৱাহাটীতকৈ অধিক হোৱা দেখা যায়।

Table 1 (মাপলেখ-১) Meteorological data of Dibrugarh from 1988-1998 (ten years) and last three months from June to August, 2019

| Year/Month | Total Rainfall (mm) | Average Temperature (°C) | | Average Relative Humidity (%) | | Total Number of Rainy days |
|---|---|---|---|---|---|---|
| | | Maxm | Minm | Morning | Afternoon | |
| 1998 | 2981.0 | 28.4 | 18.6 | 94 | 65 | Not Recoded |
| 1989 | 2649.2 | 28.2 | 18.1 | 94 | 65 | 147 |
| 1990 | 2936.5 | 28.1 | 18.2 | 94 | 65 | 166 |
| 1991 | 3028.7 | 28.2 | 18.2 | 94 | 65 | 177 |
| 1992 | 2626.7 | 27.9 | 17.6 | 94 | 64 | 172 |
| 1993 | 3373.1 | 28.3 | 18.3 | 94 | 66 | 167 |
| 1994 | 2620.0 | 28.8 | 18.0 | 93 | 63 | 159 |
| 1995 | 2833.2 | 28.3 | 18.6 | 93 | 65 | 182 |
| 1996 | 2690.0 | 28.7 | 18.5 | 93 | 64 | 170 |
| 1997 | 2433.9 | 28.4 | 17.9 | 93 | 64 | 159 |
| 1998 | 2869.2 | 28.5 | 18.8 | 93 | 66 | 164 |
| June, 2019 | 414.8 | 31.8 | 20.7 | 92 | 74 | 19 in a month |
| July, 2019 | 516.2 | 30.6 | 31.3 | 94 | 83 | 26 in a month |
| Aug, 2019 | 149.3 | 35.5 | 22.5 | 92 | 69 | 09 in a month |

উৎস ঃ চাহ গৱেষণা সন্থা, ডিকম শাখা

উল্লেখিত পৰিৱৰ্তনবোৰ এখন ঠাইৰ বৰষুণৰ পৰিমাণ, তাপমাত্রা, আৰ্দ্রতা আদিৰ ওপৰতে নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে, ডিব্রুগড়ত এই বছৰৰ জুন মাহৰ পৰা আগষ্ট মাহ পৰ্যন্ত প্ৰায় বৰষুণ হোৱাই নাছিল। ফলত নগৰখনত তাপমাত্রা বাঢ়ি আৰ্দ্ৰতা একেবাৰে কমি গৈছিল (মাপ লেখ-১)। সেই সময়ছোৱাত নদীৰ বুকু শুকাই গৈছিল আৰু পুখুৰীবিলাকৰো পানী কমি গৈছিল। এনে এটা অৱস্থা ডিব্রুগড়ত ১৯৯৯ চনৰ বছৰটোৰ শেষৰ চাৰিমাহতো উপলব্ধ হৈছিল। সেই বছৰৰ আগষ্ট মাহত দিনৰ ভাগত হোৱা অধিকতম তাপমাত্রা (৩১°ছেন্টিগ্ৰেড) ফেব্ৰুৱাৰী মাহতে অনুভূত হৈছিল। লগতে ডিচেম্বৰ মাহত বৰষুণৰ পৰিমাণ শূণ্য হোৱাৰ ফলত দিনৰ শেষ ভাগত আৰ্দ্ৰতা আছিল শতকৰা কেৱল ৪৫ ভাগ। এনেবোৰ কাৰণত সেই বছৰ ডিব্রুগড়ত প্ৰাক্ মৌচুমী কাল (Premonsoon period) এমাহ ডেৰমাহ পিছলৈ যোৱা পৰিলক্ষিত হৈছিল।

আজি কিছু বছৰৰ পৰা ডিব্রুগড়ৰ পৰিৱেশত অন্য এটা নতুন প্ৰাকৃতিক পৰিৱৰ্তন লক্ষ্য কৰা হৈছে। সেইটো হৈছে সাধাৰণতে খৰালি মাহ কেইটাত চলি থকা ধূলিৰ বতাহ। এই বতাহৰ ফলত মানুহৰ চকুত পোৰণি অনুভৱ হয়। ইয়াৰ একমাত্র কাৰণ হ'ল চহৰখনৰ তাপমাত্রা বাঢ়ি গৈ ইয়াৰ উপৰিভাগৰ বায়ুখিনি উতপ্ত হোৱাৰ ফলত ই পাতল হৈ ওপৰলৈ উৰি যায়। সেই খালী ঠাই পূৰাবলৈ নদীৰ পৰা শীতল বতাহ বৈ আহোতে ই উত্তপ্ত বালি ধূলিৰ ওপৰেদি আহিব লগা হয়। বতাহে কঢ়িয়াই অনা এই ধূলি বালিয়েই




ধূলিৰ বতাহ সৃষ্টি কৰিছে।

ডিব্ৰুগড়ত যোৱা কিছু বছৰৰ পৰা ইয়াৰ তাপমাত্ৰা, আৰ্দ্ৰতা বা বৰষুণৰ পৰিমাণৰ যি পৰিৱৰ্তনৰ ধাৰা অব্যাহত আছে লগত উল্লেখ কৰা বিগত এটা দশকৰ (১৯৮৮-১৯৯৮) লগতে এইবছৰৰ শেষৰ তিনিমাহৰ (জুন-আগষ্ট) মাপলেখ খনৰ পৰা জানিব পাৰি। দেখা যায় যে যোৱা অৰ্ধ শতিকাতকৈও অধিক কালছোৱাত ১৯৬৫ চনৰ জুন মাহৰ ৮তাৰিখে ডিব্ৰুগড়ত আটাইতকৈ বেছি তাপমাত্ৰা (৩৮.৯০) হৈছিল আৰু ১৯৬১ চনৰ ২৮ ডিচেম্বৰৰ দিনা হৈছিল ইয়াৰ সৰ্বনিম্ন তাপমাত্ৰা অৰ্থাৎ ২৭°ছেন্টিগ্ৰেড। কিন্তু এই পৰিৱৰ্তনবোৰ ক্ৰমশঃ হোৱা নাই কাৰণেই ইয়াৰ নিৰ্দিষ্ট কাৰণ নিৰ্ণয় কৰাটো জটিল। এই বছৰৰ (২০১৯) যদি জুনৰ পৰা আগষ্ট এই তিনিমাহৰ তথ্যই চাওঁ, দেখা পোৱা যায় যে আগষ্ট মাহত বৰষুণৰ পৰিমাণ অতি কম (মাত্ৰা ১৪৯.৩ মিলিমিটাৰ), সৰ্বোচ্চ তাপমাত্ৰা ৩৩.৫০ছেন্টিগ্ৰেড আৰু সৰ্বনিম্ন ২২.৫ ছেন্টিগ্ৰেড আৰু আৰ্দ্ৰতা কেৱল ৯৪-৬৯শতাংশ। এইয়া এক সৰ্বকালৰ ব্যতিক্ৰমি তথ্য।

বানপানী আৰু খহনীয়া ডিব্ৰুগড়ৰ জন্ম লগ্নৰ সমস্যা। প্ৰতিবছৰে বাৰিষা বানে প্ৰলয়ংকাৰী ৰূপ ধাৰণ কৰে। বিশেষকৈ ১৯৫০ চনৰ পিছৰ পৰাই খহনীয়া সমস্যাটোৱে ধ্বংসকাৰী ৰূপত দেখা দিছে। উল্লেখনীয় যে ১৯৫০ চনৰ বৰ ভূইকঁপৰ ফলত তাৰ পৰৱৰ্তী কালছোৱাত বিস্তৃত অঞ্চল নদীৰ গৰাহত পৰিছিল। তেতিয়াৰ পৰাই নদী-উপনদীবোৰেও নিজৰ গতি সলনি কৰিবলৈ আৰম্ভ কৰে। কোনো জৰীপমতে বৰ্তমান নগৰখনত থকা মূল নগৰখনৰ স্থলভাগৰ এক-দশমাংশমানহে আছে। বাকী অংশ নদীৰ কবলত পৰিছে। ডিব্ৰুগড় ভূমিকম্পৰ সক্ৰিয় অঞ্চলত অৱস্থিত। ইয়াৰ মাটি বালিয়া, কোমল আৰু গেদীয় শিলেৰে গঠিত হোৱাৰ কাৰণে নদীৰ খহনীয়া সহজে হ'ব পাৰে।

জনা যায় যে ১৯৫০ চনৰ পূৰ্বেও অসমৰ আন আন ঠাইৰ দৰে ডিব্ৰুগড়তো বানপানী হৈছিল। কিন্তু বানপানীয়ে তেতিয়া সংহাৰী ৰূপ লোৱা নাছিল। ১৯৫০ চনৰ বৰ ভুঁইকপে জোকাৰি দি ব্ৰহ্মপুত্ৰ নদীৰ তলিখন বাম কৰিলে। এটা হিচাপমতে তেতিয়াৰ পৰাই ডিব্ৰুগড় পৰা বগীবিললৈ বিস্তৃত অঞ্চলত ব্ৰহ্মপুত্ৰৰ তলিখন প্ৰায় ৫ ফুট ওপৰলৈ উঠি আহিল। ব্ৰহ্মপুত্ৰই অসংখ্য সুঁতি-উপসুঁতিত ভাগ হৈ এক বিশাল অঞ্চল ইয়াৰ বুকুত সামৰি ল'লে। বৰ্তমান ডিব্ৰুগড়ৰ পূবলৈ অকলেশ্বৰ ওচৰত ব্ৰহ্মপুত্ৰৰ প্ৰস্থ প্ৰায় ৯ কিলোমিটাৰ পৰ্য্যন্ত বিস্তৃত হৈ পৰিল। একে কাৰণতে ইয়াৰ গভীৰতাও কমি গৈ গড়ে ১-১১/২ মিটাৰ পৰ্য্যন্ত হৈছেগৈ। এইদৰে ব্ৰহ্মপুত্ৰৰ বুকুত শিল বালি জমা হৈ গৈ ই বাম হৈ পৰিল। ইয়াৰ ফলত বাৰিষা কালত বানপানীৰ উচ্চতা সাধাৰণ অৱস্থাতে বিপদ সীমাৰ ওপৰেৰে প্ৰৱাহিত হয় আৰু তীৰৱৰ্তী অঞ্চল সমূহ প্লাৱিত হৈ পৰে। ১৯৮৮ চনৰ ২৫ আগষ্ট তাৰিখে ডিব্ৰুগড়ত এনেদৰে এক ভয়াবহ বানপানী হৈছিল। সেইবাৰ বানপানী বিপদ সীমাৰ ১.০৭ মিটাৰ উচ্চতা পৰ্য্যন্ত উঠিছিল। উল্লেখযোগ্য যে ডিব্ৰুগড় চহৰখনৰ পৃষ্ঠভাগ নদীৰ তলিভাগৰ পৰা বৰ্তমান যথেষ্ট তলত (কমেও দুই মিটাৰ তলত) আছে। সেইবাবেই ডিব্ৰুগড়ত অন্ততঃ মাটিৰ তিনিমিটাৰ তলতে দমকলৰ বাবে পানী পাব পাৰি।

কোনো এখন ঠাইৰ পাৰিপাৰ্শ্বিক পৰিৱৰ্তনবোৰ কেৱল সেই ঠাইৰ পৰিপ্ৰেক্ষিততেই সুকীয়াকৈ বা স্বাধীনভাৱে চোৱা উচিত নহয়। কাৰণ, স্থানীয় উপাদানৰ উপৰি পৰিৱেশ পৰিৱৰ্তনত আন্তৰ্জাতিক বা Global উপাদানৰ প্ৰভাৱো আছে। ডিব্ৰুগড়ত পৰিলক্ষিত হোৱা পাৰিপাৰ্শ্বিক পৰিৱৰ্তনবোৰ কমদিনৰ ভিতৰতে হোৱা নহয়। সমগ্ৰ দেশখনতে বনাঞ্চলসমূহ ধ্বংস

কৰি পেলোৱাটো পৰিৱেশ পৰিৱৰ্তনৰ অন্যতম মূল কাৰণ। কাৰণ, গছ গছনিৰ অভাৱত বৰষুণৰ পৰিমাণ কমি গৈছে আৰু ফলত কাৰ্বন-ড্ৰাই-অক্সাইড বাঢ়ি সৃষ্টি হোৱা Green House Effect ৰ দ্বাৰা উষ্ণতা বৃদ্ধি পাইছে। চুবুৰীয়া ৰাজ্য অৰুণাচল আৰু অসমৰ অন্যান্য অঞ্চলৰ দৰে ডিব্ৰুগড় জিলাতো ভয়াৱহ ধৰণে বনাঞ্চলবোৰ ধ্বংস হৈছে। এফালে জনসংখ্যা বাঢ়িছে আৰু আনফালে বৰ্ধিত জনতাৰ আশ্ৰয় স্থলৰ বাবে মানুহে বনাঞ্চলসমূহ ধ্বংশ কৰি বসতি স্থল উলিয়াই লৈছে। উল্লেখযোগ্য যে অৰুণাচল প্ৰদেশত ঝুমখেতিৰ প্ৰসাৰ আৰু কফি আদি ব্যৱসায়ৰ ঘাটিবোৰ গঢ়ি উঠাৰ লগে লগে ইয়াৰ প্ৰভাৱ অসমতো পৰিছে। স্বাভাৱিকতে ডিব্ৰুগড় নগৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত হোৱা পাৰিপাৰ্শ্বিক পৰিৱৰ্তনৰ বাবে অৰুণাচল প্ৰদেশৰ পাৰিপাৰ্শ্বিকতায়ো গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। গছ-গছনি কাটি মুকলি হোৱাৰ ফলস্বৰূপেই পাহাৰত ভূমিস্খলন হৈ নদীৰ বুকুত জমা হৈছে বালি আৰু শিল। তদুপৰি কেউকাষে থকা পৰ্বত-পাহাৰবোৰ গছ-গছনি শূণ্য হোৱাৰ ফলত ডিব্ৰুগড়ৰ দৰে ঠাইবোৰত বৰষুণৰ প্ৰধান উৎস দক্ষিণ পশ্চিম মৌচুমী বতাহৰ সময়তো বৰষুণৰ পৰিমাণ কমি গৈছে।

স্বাধীনতাৰ উত্তৰ কালছোৱাত ক্ষীপ্ৰ গতিত জনসংখ্যা বৃদ্ধিৰ ফলত মানুহে য'তে-ততে ঘৰ-দুৱাৰ সাজিবলৈ লৈছে। তাৰ ফলত বিল, পুখুৰী- খাল, ডোং, পোত গৈছে, হাবিতলী মুকলি হৈছে। ইফালে নগৰীকৰণ প্ৰক্ৰিয়া চলিছে ক্ষীপ্ৰগতিত। আজিৰ পৰা ৫০ বছৰৰ আগতে হয়তো নগৰখনত পকীঘৰৰ সংখ্যা আছিল নগন্য। জনসংখ্যা বৃদ্ধি আৰু নগৰীকৰণৰ লগে লগে আঁচনি বহিৰ্ভূত ভাৱে অসংখ্য পকী ঘৰ-দুৱাৰ, ৰাস্তা-পদূলি, দোকান-পোহাৰ গঢ় লৈ উঠিছে। যোৱা কেইবছৰমানৰ পৰা ডিব্ৰুগড়তো তিনি চাৰি খলপীয়া ব্যক্তিগত RCC ঘৰ গঢ়ি উঠাৰ লগতে গুৱাহাটীৰ দৰে অপৰিকল্পিত ভাৱে তৈয়াৰ হোৱা Flat সংস্কৃতি গঢ় লৈ উঠিছে। পকীঘৰ বিশেষকৈ RCC ঘৰবোৰে দীৰ্ঘ সময় ধৰি তাপ শোষণ কৰি ৰাখিব পাৰে। তেনেদৰে Flat সংস্কৃতিয়েও নগৰখনৰ উষ্ণতা বাঢ়ি যোৱাত এক প্ৰত্যক্ষ অৰিহণা যোগাইছে। আনহাতে নগৰীকৰণৰ লগে লগে নদীৰ কাষত ওখ বান্ধ দিয়া আৰু ওখ ওখ কৈ ৰাস্তা পদুলি বান্ধি লোৱাৰ ফলতো আৰ্বজনাপূৰ্ণ পানীবোৰ ওলাই নগৈ নগৰৰ ভিতৰতে আবদ্ধ হৈ থাকে। এতিয়ালৈকে নগৰখনৰ সুপৰিকল্পিত নলা-নৰ্দমাৰ অভাৱ বা সম্পূৰ্ণ নোহোৱাৰ কাৰণে এজাক বৰষুণতে নগৰখনৰ ভালে কেইটা প্ৰধান ৰাস্তাৰ ওপৰত ৬ ইঞ্চি পৰ্য্যন্ত পানী উঠা দেখা যায়। নগৰ কৰ্তৃপক্ষই যোৱা কেইবছৰমান ধৰি এই বিষয়ত পাৰ্য্যমানে ব্যৱস্থা লৈছে যদিও সুপৰিকল্পিত আঁচনিৰ অভাৱত সম্পূৰ্ণ ভাৱে কৃতকাৰ্য্য হ'ব পৰা নাই। ইয়াৰোপৰি নগৰখনত দিনক দিনে যান-বাহনৰ সংখ্যা বাঢ়ি যোৱাত যানযঁটৰ সৃষ্টি হোৱাৰ লগতে পৰিৱেশ প্ৰদুষিত কৰাত বিশেষভাৱে অৰিহণা যোগাইছে। বিশেষকৈ বগীবিল দলঙে যিদৰে যাতাযাতৰ সুচল কৰিছে সেইদৰে উত্তৰপাৰৰ পৰা অহা বিভিন্ন ধৰণৰ বুজন পৰিমাণৰ যানবাহনে ডিব্ৰুগড় চহৰত যানযঁটৰ লগতে বায়ু প্ৰদুষিত কৰাত সহায়কহে হৈছে।

তুলনামূলকভাৱে অসমৰ অন্যান্য বহুকেইখন নগৰৰ দৰে ডিব্ৰুগড় উদ্যোগীকৰণৰ পৰা উদ্ভৱ হোৱা প্ৰদূষণৰ পৰা প্ৰায় মুক্ত হৈ আছে। নগৰখনত বৰ্ধিতহাৰত ব্যৱহাৰ কৰা গাড়ী-মটৰৰ পৰা ওলোৱা ধোঁৱাই সৃষ্টি কৰা বিষাক্ত প্ৰদূষণৰ বাদে নামৰূপৰ সাৰ-কাৰখানা, দুলিয়াজান আৰু ডিগবৈৰ তেলশোধনাগাৰ তথা মাৰ্ঘেৰিটা, লিডুৰ কয়লাখনিৰ পৰা উদ্ভৱ হোৱা প্ৰদূষণৰ প্ৰত্যক্ষ প্ৰভাৱ ইয়াত নপৰে। কিন্তু কিছুদিনৰ আগতে প্ৰতিষ্ঠা হোৱা বি.চি.পি.এল.ৰ পৰা উদ্ভৱ হোৱা প্ৰদূষণে ডিব্ৰুগড়ৰ পৰিৱেশত নিশ্চিতভাৱে প্ৰভাৱ পেলোৱাটো নুই কৰিব নোৱাৰি। ইতিমধ্যে বি.চি.পি.এলৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক আৱৰ্জনাই স্থানীয় চেঁচা নদীৰ পানী দূষিত কৰাৰ তথ্য প্ৰতিস্থা হৈছে।

দেখা যায় যে, বিভিন্ন কাৰণত প্ৰাকৃতিক আৰু মানুহৰ সৃষ্টিৰ ফলত ডিব্ৰুগড় নগৰ আৰু উপকণ্ঠ অঞ্চলৰ পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্তন ঘটিছে। বানপানী গৰা-খহনীয়া, তাপমাত্ৰা বৃদ্ধি, বৰষুণ কুঁৱলীৰ পৰিমাণ হ্ৰাস আদি দিশত এই পৰিৱৰ্তনবোৰ দেখা পোৱা গৈছে। স্বাভাৱিকতে অসমৰ এখন প্ৰধান স্বাস্থ্যকৰ ঠাই ডিব্ৰুগড় এতিয়া প্ৰাকৃতিক পৰিৱেশৰ দিশত অতীতৰ দৰে আকৰ্ষণীয় হৈ থকা নাই। গছ-গছনিৰ অন্ত পেলোৱা, ক্ষীপ্ৰগতিত নগৰীকৰণ, আঁচনি বহিৰ্ভূত ঘৰ-দুৱাৰ বা ফ্লেট নিৰ্মাণ, জনসংখ্যা বৃদ্ধি আৰু অতিমাত্ৰা যানবাহনৰ সংখ্যা বৃদ্ধি আদি মানুহে নিজে সৃষ্টি কৰি লোৱা কাৰণবোৰ অন্ত পেলাব পাৰিলে, প্ৰাকৃতিক কাৰণবোৰ হয়তো বহুপৰিমাণে সীমিত হৈ পৰিব আৰু তাৰ ফলত ডিব্ৰুগড় চহৰখনৰ পাৰিপাৰ্শ্বিক পৰিৱৰ্তনৰো গতি মন্থৰ

হ'ব।

ডিব্ৰুগড়ৰ পূৰ্বৰ পাৰিপাৰ্শ্বিকতা কিঞ্চিত হ'লেও ঘূৰাই পাবলৈ হ'লে প্ৰথমেই প্ৰয়োজন হ'ব চহৰখনৰ জনগণৰ সজাগতা। পৰিৱেশৰ প্ৰতি, প্ৰতিজন নাগৰিক সজাগ নহ'লে কোনো ঠাইৰ পাৰিপাৰ্শ্বিক অৱস্থা উন্নত হ'ব নোৱাৰে। নগৰখনৰ নলা-নৰ্দমা ব্যৱস্থা নিখুঁতভাৱে উন্নত কৰি দূষিত পানী সহজতে ওলাই যাব পৰাকৈ ব্যৱস্থা ৰখাটো অতিকৈ প্ৰয়োজন। তদুপৰি নগৰখনত নিতৌ জমা হোৱা আৱৰ্জনাসমূহ ৰখাৰো সুব্যৱস্থা কৰিব লাগিব। মনত ৰখাৰ দৰকাৰ যে, নগৰীকৰণৰ প্ৰতিটো প্ৰকল্প হাতত লোৱাৰ আগতে Enviromental Impact Assessment (EIA) ৰ স্পষ্ট নিৰ্দেশনা মানি লৈ কামত আগবাঢ়িব লাগে। প্ৰতিটো স্থায়ী নিৰ্মাণৰ আগতে সুন্দৰ আৰু বিজ্ঞানসন্মতভাৱে পৰিকল্পনা কৰিব লাগে। সেইদৰে বনানীকৰণৰো ইয়াত আৱশ্যক আছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ চাপৰি অঞ্চল বেদখলকাৰীৰ হাতলৈ এৰি নিদি তাৰ বাবে বিস্তৃত বনানীকৰণ আঁচনি হাতত ল'ব লাগে যাতে ভৱিষ্যতে খহনীয়া প্ৰকোপৰ পৰা চহৰখন ৰক্ষা কৰিব পাৰে আৰু বানপানীৰ মাত্ৰাও সীমিত হ'ব পাৰে।

Sources :

1. Meteorological data from Tea Research Associating, Dikom Branch
2. Dibrugarh Town Ê. then and now, A historical study in Geographical Perspective by G.L. Barooah, Souvenir XIII, Annual Conference, NEI WP 2017
3. Statistical Account of Assam 188-92, Directorate of Economics and Statistics
4. Mineral Resources of Dibrugarh District, Silver Jubilee Commemorative Volume, Dibrugarh University

# শিশুৰ নৈতিক চৰিত্ৰ গঠনত ধ্ৰুপদী সাহিত্যৰ ভূমিকা

ড° জয়কৃষ্ণ মহন্ত
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ, ডি.হ.সু. কানৈ মহাবিদ্যালয়

—বিশ্ববিশ্ৰুত কবি ওৱৰ্ডচৱৰ্থৰ এই বহু চৰ্চিত প্ৰখ্যাত বাক্যশাৰীৰে আমাৰ আলোচ্য বিষয়টিৰ আঁত ধৰিবলৈ যত্ন কৰিছোঁ। এই বাক্যটিৰ অন্তনিৰ্হিত অৰ্ত হ'ল যে আজিৰ শিশু কালিলৈ একো একোজন দায়িত্বশীল নাগৰিক। আজিৰ শিশু কালিলৈ অৰ্থাৎ যথোপযুক্ত বয়স লাভ কৰি একোখন সমাজৰ গুৰি ধৰোঁতা ৰূপে, দেশ আৰু জাতিৰ দুৰ্জয় সঙ্কটৰ কালত ত্ৰাণকৰ্ত্তা ৰূপে, সভ্যতাৰ, কলা সংস্কৃতিৰ ধাৰক আৰু বাহকৰূপে পৰিগণতি হৈ আহিছে। সেয়ে দেশে বিদেশে মহাকবি জনাৰ এই বাক্য শাৰী বেদবাক্য ৰূপে মান্যতা প্ৰদান কৰা হয়।

সম্প্ৰতি সমাজ আৰু সভ্যতাৰ অৱক্ষয়ৰ শেষ সোপানটিত ঠিয় দি আমি আকৌ এবাৰ ঘূৰি চোৱাৰ সময় হৈছে এইবুলি যে আমাৰ সমাজ সংস্কৃতি আৰু সভ্যতাৰ ধৰণী স্বৰূপ শিশু সকলক আমি কোন পথেৰে পৰিচালিত কৰিছোঁ। বিৱৰ্তনৰ ধাৰাটোৰে দৰেই সমাজৰ বিকাশ মুখী চেতনাৰ সোঁতৰ গতি অতি মন্থৰ। ই পুৰুষা সংস্কৃতি আৰু সভ্যতাৰ ধৰণী স্বৰূপ শিশু সকলক আমি কোন পথেৰে পৰিচালিত কৰিছোঁ? বিৱৰ্ত্তনৰ ধাৰাটোৰে দৰেই সমাজৰ বিকাশ মুখী চেতনাৰ সোঁতৰ গতি অতি মন্থৰ। ই পুৰুষানুক্ৰমে গঢ়ি উঠা সামাজিক আৰু মানৱীয় প্ৰমূল্যবোধৰ ওপৰতে ঘাইকৈ নিৰ্ভৰশীল। সাম্প্ৰতিক কালত আমি সকলোৰে বৰকৈ অনুভৱ কৰা সমাজৰ দুষ্টক্ষত ৰূপী শিষ্টাচাৰ হীনতা আৰু উশৃংখলতাৰ বিষয়ে সকলো মাধ্যমত ইতিমধ্যেই অনেক চিন্তা চৰ্চা হৈছে, অনেক সচেতন সমালোচকৰ পৰা আৰম্ভ কৰি সমাজ বিজ্ঞানী সকলে ইয়াৰ গুৰিৰ কাৰণ আৰু কেৰোণৰ বিষয়ে ন ন তথ্য আৰু উপায়ৰ পৰামৰ্শও আগবঢ়াইছে। হাঁহাকাৰ আৰু ধিক্কাৰ ধ্বনিৰে আকাশ বতাহ নিনাদিত কৰি সংবাদ মাধ্যম সোচ্চাৰ হৈ উঠিছে। কিন্তু আমি এবাৰলৈয়ো আত্মবিশ্লেষণ কৰি চোৱা নাই বা এৰি অহা পৰম্পৰাসমৃদ্ধ সমাজখনলৈ এবাৰো উভটি চোৱা নাই কিয়নো আমাৰ ভৱিষ্যতৰ 'পিতৃ' সকলৰ মাজত অনুশাসন হীনতা, দ্বৈধীতা অথবা অসূয়াৰ প্ৰবৃত্তিবোৰ মূৰ ডাঙি উঠিছে।

আত্ম সন্মান হীনতা, অসৎ আচৰণ, অধ্যয়ন বিমুখতা, হিংসা, দ্বেষ, কৰ্মৰ প্ৰতি অনীহা, মিথ্যাচাৰ প্ৰভৃতি সমাজক ৰুগ্ন কৰি তুলিব পৰা অশুভ উপাদানবোৰ শিশুৰ নৈতিক চৰিত্ৰৰ ভেঁটি কটকটীয়া নহ'লে সহজে গা-কৰি উঠিব পাৰে। এতেকে নিচেই সৰু কালৰ পৰা একোটা শিশুক উচিত-অনুচিত, সৎ-অসৎ, পাপ-পূণ্য আদি চিৰায়ত সামাজিক প্ৰমূল্যবোধৰ শিক্ষা দি সিহঁতৰ কোমল মনবোৰ সজ ভাৱনাৰে ভৰাই তুলিবলৈ যত্নপৰ হোৱা বৰ প্ৰয়োজনীয় হৈ পৰিছে। আনহাতে মানুহৰ নৈতিক চেতনা বিকাশৰ ভেঁটিটোত বহু পৰিমাণে ধৰ্মীয় উপাদানো নিৰ্হিত হৈ থাকে। অৰ্থাৎ

আধ্যাত্মিক চিন্তা আৰু বিচাৰো নৈতিকতা বিকাশৰ একোটা বিশেষ আধ্যাত্মিক চিন্তা আৰু বিচাৰো নৈতিকতা বিকাশৰ একোটা বিশেষ উপায়। ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ হোৱাৰ ফলত আধুনিক কালৰ চিন্তাবিদ সকলৰ বহুতেই ধৰ্মক মানৱতাৰ পৰিপন্থী বুলি আখ্যা দিব খোজে যদিও আমাৰ বোধেৰে পৃথিৱীৰ সকলো ধৰ্মৰ অন্তনিৰ্হিত সজ উপদেশ আৰু নৈতিক শিক্ষাৰ বাণীবোৰ পুৰা-গধূলি মন্ত্ৰৰ দৰে জপ কৰিব পৰাকৈ মানৱতাবাদী। এনেবোৰ সাৰ্বজনীন প্ৰমূল্যবোধ আৰু নৈতিক সদাচাৰ শিশুৰ মনত এবাৰ সুমুৱাই দিব পাৰিলে সেই সদাচাৰ আৰু মানৱপ্ৰেমৰ সফুল সেই সকল শিশুৱে আজীৱন উপলব্ধি কৰিব পাৰে।

শিশু সকলৰ কোমল মনত নৈতিকতাৰ সৱল চাপ পেলাব পৰাকৈ তেওঁলোকক নিৰন্তৰ সজ আচৰণ, কৰিবলগীয়া আৰু কৰিব নলগীয়া আদিৰ বিষয়ে উপদেশ দিয়াটো দৈনন্দিন কৰ্মসূচীৰ ভিতৰতে গণ্য কৰি ল'ব লাগিব। একেটা কথাকে বাৰে বাৰে যদি কৈ থকা হয় তেতিয়া সেই কথাই শিশুৰ মনত আশ্চৰ্য্যকৰ ভাৱে প্ৰভাৱ পেলায়। সেয়ে আমি অভিভাৱক সকলে এলাহ নকৰি আমাৰ কণ কণ শিশুহঁতক নৈতিক শিক্ষাৰ পাঠ দিবলৈ সদায় সচেষ্ট হ'ব লাগিব আৰু এই কাম আমি আমাৰ আৱশ্যপালনীয় নিত্যকৰ্মৰ ভিতৰত সুমুৱাই ল'ব লাগিব।

চিন্তাৰ স্বচ্ছতা, বুদ্ধিৰ জড়তা, হৃদয়ৰ সৰলতা আৰু মনৰ নিৰ্মলভাৱ শিশুৰ মনত অঙ্কুৰিত কৰিবৰ বাবে তেওঁলোকক নীতি শিক্ষামূলক কাহিনী বিলাকৰ লগত পৰিচয় কৰাই দিব নোৱাৰিলে কোমল শিশুমন বিপথে চালিত হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে। এতেকে শুনিবলৈ ভাল লগা অথচ গভীৰ নীতি উপদেশ থকা কাহিনী প্ৰধান সাহিত্য বুলিলে আমি মূলতঃ ধ্ৰুপদী সাহিত্য বা ক্লাচিকেল লিটাৰেচাৰৰ কাষ চাপিব লাগিব। এই ক্লাচিকেল লিটাৰেচাৰ বা ধ্ৰুপদী সাহিত্য সমূহত বৰ্ণিত কাহিনীবোৰ অতিশয় লোকৰঞ্জক হোৱাৰ উপৰি গভীৰ মানৱতাবাদ আৰু সদভাৱনাৰে পৰিপূৰ্ণ।

এনচাইক্লপীড়িয়া ব্ৰিটানিকাত ক্লাচিকেল লিটাৰেচাৰৰ লক্ষণ ডাঙি ধৰি এনেদৰে কোৱা হৈছেঃ " "

এতেকে দেখা গ'ল যে ধ্ৰপদী সাহিত্য মানে পৃথিৱীৰ সকলো ভাষাতে ৰচিত প্ৰখ্যাত কাহিনী —যিবিলাকে সমাজ আৰু জীৱনক নৈতিকতাৰ তুলাচনীত তুলি সৎ আৰু অসতৰ প্ৰভেদ লোকৰঞ্জক চিত্তাকৰ্ষক আৰু কল্পনাৰ প্ৰলেপেৰে যাউতিযুগীয়া সাহিত্যলৈ ৰূপান্তৰিত কৰি তুলিছে। ইবিলাকত সমাজৰ শৃংখলা আৰু নীতি সমূহৰ ওপৰত সকলোতকৈ অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। ইয়াৰ কাৰণো বৰ পৰিস্কাৰ কিয়নো এই ধ্ৰুপদী সাহিত্যৰ সৃষ্টি কৰোতা মহান চিন্তাৱিদ সকলে এটা কথা বৰ ভালদৰে উপলব্ধি কৰিছিল যে মানুহৰ সদা জাগৰুক পশু প্ৰবৃত্তি নিয়ন্ত্ৰিত কৰিবৰ বাবে এডাল 'এৰাল'ৰ প্ৰয়োজন আৰু সামাজিক শৃংখলা, নীতি সদাচাৰ, সততা আদি গুণ সমূহেই হ'ল সেই 'বন্ধন ৰজ্জু' বা এৰালডাল।

আমাৰ ভাৰতবৰ্ষৰ ধ্ৰুপদী সাহিত্য বুলি কওঁতে প্ৰথমে আমি ৰামায়ণ, মহাভাৰত, পুৰাণ ইতিহাসৰ নাম ল'ব লাগিব। ইয়াৰ বাহিৰেও বিভিন্ন সময়ত ৰচিত নীতিশাস্ত্ৰ, আখ্যানমূলক কথা, হিতোপদেশ, পঞ্চতন্ত্ৰ, বেতাল পঞ্চবিংশতি, শুকসপ্ততি, বৃহৎকথা আৰু তেনেধৰণৰ আন আন আখ্যায়িকা বিলাকৰ উপৰি ৰামায়ণ মহাভাৰতৰ কথা আধাৰত ৰচিত অনেক গ্ৰন্থৰ নাম ল'ব পাৰোঁ। এই সাহিত্য সমূহৰ যোগেৰে সেই গ্ৰন্থৰ ৰচয়িতা মহা মনিষী সকলে সততে মানুহৰ নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধনৰ চেষ্টা কৰি আহিছে। ওপৰত উল্লেখ কৰি অহা গ্ৰন্থ বিলাকৰ সৰহভাগেই মানুহক আধ্যাত্মিক নীতি শিক্ষা দিবলৈ যত্ন কৰা পৰিলক্ষিত হয়। এই আধ্যাত্মিক নীতি শিক্ষাৰ মাজতে সৎ আৰু অসৎ কামৰ পৰিণতি, ভাল আৰু বেয়াৰ শাস্তি, পাপ আৰু পূৰ্ণ্যৰ ধাৰণাটোও লুকাই থাকে। সজ কাম কৰিলে পুৰস্কাৰ আৰু অসজ কাম কৰিলে তাৰ শাস্তি দিওঁতা ঈশ্বৰৰ ধাৰণাটোৰ মাজেৰে নীতি বহিৰ্ভূত কাম নকৰিবৰ বাবে মানুহক সতৰ্ক কৰি এখন শৃঙ্খলাবদ্ধ সমাজ গঢ়াৰ শুভঙ্কৰ উদ্দেশ্যও ইয়াতে নিৰ্দিত থাকে। আমি কৰা অসৎ কৰ্মৰ যে শাস্তি আছে আৰু সেই শাস্তি দিওঁতাও যে এজন আছে সেই কথা বুজাবৰ বাবেই পৃথিৱীৰ সকলো আধ্যাত্মিক বিশ্বাসৰ লগত ঈশ্বৰক জড়িত কৰা হৈছে। বাইবেলৰ অ'ল্ড টেষ্টামেন্টত এই কথা এনেদৰে কৈছেঃ

এতেকে এই ধ্ৰুপদী সাহিত্য অধ্যয়নৰ কৰি আমি আমাৰ শিশুসকলক ইয়াৰ কাহিনীবোৰ বিশ্বাসযোগ্য ৰূপে সজাই পৰাই ক'ব পাৰিলে আমাৰ উঠি অহা শিশুসকলৰ মনত ভাল-

বেয়া, সৎ-অসৎ আদিৰ ধাৰণাটো ফটফটীয়া হৈ পৰিব। ভাল কামৰ বাবে পুৰস্কাৰ আৰু বেয়া কামৰ বাবে শাস্তি আছে বুলিও তেওঁলোক পতিয়ন যাব। তেনে শিশু ডাঙৰ হৈ আনক অপকাৰ কৰা, আনৰ মনত দুখ দিয়া, স্বাৰ্থপৰ নোহোৱা, আনক হিংসা নকৰা আদি কথাবোৰ পৰিস্থিতি সাপেক্ষে দুবাৰ চিন্তা কৰিহে জীৱনৰ বাটত খোজ পেলাব। ই নিশ্চিত।

এই সজ গুণ বোৰ বা মানৱীয় প্ৰমূল্যবোধবোৰ জীয়াই ৰখাটোৱেইই ক্লাচিকেল লিটাৰেচাৰ বা ধ্ৰুপদী সাহিত্যৰ লক্ষ্য।

ৰামায়ণ পঢ়ি যদি উপলব্ধি হয় —"ৰামদিবৎ প্ৰৱৰ্ত্তিতব্যম্ ন ৰাৱণাদীবৎ।।" অৰ্থাৎ তুমি ৰামৰ দৰে হ'বা, ৰাৱণৰ দৰে নহবা। ৰামৰ দৰে বীৰ, পৰোপকাৰী, সত্যবাদী, পিতৃভক্ত, সদাচাৰী, প্ৰজাৰঞ্জক, কষ্ট সহিষ্ণু, দয়ালু, ধাৰ্মিক আৰু মৰমীয়াল হোৱাৰ আৰু ৰাৱণৰ দৰে হিংসুক, অত্যাচাৰী, লোভী আৰু পৰোৎপীড়ক নোহোৱাৰ শপত আমি যদি আমাৰ প্ৰত্যেকজন শিশুক লবলৈ প্ৰেৰণা যোগাব পাৰো তেতিয়া সমাজৰ বাবে সম্ভৱ আমাৰ আৰু আন কৰণীয় একো নাথাকিব।

এই কাম কৰিবৰ বাবে আমাৰ সমাজৰ অভিভাৱক আৰু পিতৃ সকলে নিজ নিজ সন্তানক সিঁহতৰ ফুলকুমলীয়া মনত চাপ বহি যোৱাকৈ এই মহামূল্যৱান ধ্ৰুপদী সাহিত্যৰ কাহিনীবোৰ ৰহণ লগাই ক'ব বা পঢ়িব পৰাকৈ উপযুক্ত ব্যৱস্থা কৰি দিব লাগিব।

কিন্তু বৰ দুৰ্ভাগ্যৰ বিষয় যে বৰ্তমান নগৰীয়া সভ্যতাৰ যান্ত্ৰিকতা আৰু অৰ্থসৰ্বস্ব ধামখুমীয়াত পৰি আমি আমাৰ নিজৰ সন্তান সকলৰ লগত যাপন কৰিব পৰা মায়াময় সন্ধিয়া বিলাক, সাধুকথাৰ অপাৰ্থিৱ জগতখনত আত্মবিস্মৃত শিশুসকলৰ সুকোমল স্পৰ্শৰ বিৰল সুখানুভূতিৰ পৰা বঞ্চিতহৈ হেৰুৱাইছো এক অপূৰ্ব সম্পদ।

বুদ্ধজাতকত এটা শপত বাক্যৰ উল্লেখ আছে। এই শপত বাক্য পাঠ কৰিহে যিকোনো লোকে বুদ্ধধৰ্মৰ চাৰিবেৰৰ মাজত প্ৰৱেশ কৰিব পাৰে। ইয়াকে ত্ৰিশৰণ বোলে ঃ

১। মই কেতিয়াও প্ৰানা হত্যা নকৰো।

২। মই কেতিয়াও মিছা কথা নকওঁ।

৩। মই সকলো অপকৰ্মৰ পৰা দূৰত থাকিম।

এতিয়া কথা হ'ল এটা সুন্দৰ আৰু আনন্দময় জীৱন যাপন কৰাৰ এই বিলাকেই মহামন্ত্ৰ নহয় জানো। হত্যা, হিংসা, ঠগ প্ৰৱঞ্চনা, ভয় আতংক আৰু অনাচাৰেৰে ভৰপূৰ জীৱনটোত সুখনো ক'ত আছে? সৎপথত থাকি সৎভাৱে জীৱনটো পৰিচালিত কৰি যাপন কৰোঁতা জনে কালে ভয় কৰিব। সেয়ে আমি শিশুসকলক এই কথা বুজাই দিব লাগিব যে নৈতিকভাৱে বলীয়ান হ'লেহে মানুহ দুৰ্জয় সাহস আৰু সজ চৰিত্ৰৰ অধিকাৰী হ'ব পাৰিব। যাৰ চৰিত্ৰত এবাৰ ঘূণে ধৰিছে সি জীৱনত কেতিয়াও সুখ শান্তি, মান সন্মান আৰু প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। সেয়েহে শিশুৰ নৈতিক চৰিত্ৰ সবল হোৱাৰ ওপৰত জাতিৰ পিতা মহাত্মা গান্ধীয়ে বৰকৈ জোৰ দিছিল।

অসংযত আৰু উশৃংখল স্বভাৱে মানুহক ধ্বংসৰ দিশে আগবঢ়াই লৈ যায়। পুৰাণ বৰ্ণিত প্ৰবল প্ৰতাপী ৰজা 'বেণ'ৰ পতন ঘটিছিল আনক অত্যাচাৰ কৰাৰ ফলত, দেৱৰাজ ইন্দ্ৰৰ ইন্দ্ৰত্ব হেৰাইছিল ঋষি সকলক দুব্যৱহাৰ কৰাৰ ফলত, ট্ৰ'য় নগৰ ধ্বংস হৈছিল ৰাজকুমাৰ পেৰিচৰ অসৎ চৰিত্ৰৰ ফলত, মহা প্ৰতাপী দুৰ্য্যোধনৰ পতন আৰু মৃত্যু ঘটিছিল অতিমাত্ৰা অহঙ্কাৰৰ ফলত।

এনে ধৰণৰ অসংখ্য কাহিনীৰে ভৰপূৰ এই ধ্ৰুপদী সাহিত্যৰ অধ্যয়নে শিশুসকলৰ মানসিক চৰিত্ৰ আৰু নৈতিক বিকাশৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগায়। সেয়ে আমি অভিভাৱক সকলে আমাৰ কণ কণ শিশুহঁতক আমাৰ সাহিত্যৰ হীৰা মুকুতা সদৃশ এই ধ্ৰুপদী সাহিত্য সমূহ খৰচী মাৰি অধ্যয়ন কৰিবৰ বাবে আৰু তাৰ নৈতিক উপদেশ গ্ৰহণ কৰি ভৱিষ্যতৰ বাবে নিজকে সজাই-পৰাই তুলিবলৈ অহৰহ প্ৰচেষ্টা কৰিব লাগে। তেতিয়াহে আমি অনাগত কালত সুষ্ঠ সৰল চৰিত্ৰ মহিমাৰে উন্নতশীৰ, সাহসী, নিষ্ঠাবান আৰু সংস্কাৰী মনোভাৱৰ এটা প্ৰজন্ম লাভ কৰিব পাৰিম যি কদাপি অন্যায়, পাপ আৰু অত্যাচাৰৰ লগত আপোচ নকৰে।

# জীৱ-জন্তুবোৰ আমাৰ দৰে অনুভৱী হয়নে ?

**ডাঃ জাফৰিণ আৰা আহমেদ**
সহযোগী অধ্যাপক (পশু চিকিৎসা শৰীৰ ক্ৰিয়া বিজ্ঞান বিভাগ)
শ্বেৰ-ই-কাশ্মীৰ ইউনিভাৰচিটি অৱ এগ্ৰিকালচাৰেল চায়েন্স এণ্ড টেকন'লজী

'শিয়ালীয়ে নাহিবি ৰাতি
তোৰে কাণ কাটি লগাম বাতি।"

আইতাই নিচুকণি গীত গাই আমাক শুৱাবলৈ লোৱা ল'ৰালি দিনৰ সেই দিনটো যেন এতিয়াও দুচকুত ভাঁহি আছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'তেজীমলা' গল্পটোত জীৱৰ বিভিন্ন ধৰণৰ ৰূপান্তৰৰ কথা উল্লেখ কৰিছে। মানৱীয় আবেগ-অনুভূতিবোৰ আন জীৱ-জন্তুতো তেখেতে সাধুকথাৰ জৰিয়তে অনুভৱ কৰিছিল। এই অনুভৱবোৰ যেন সাধুকথাতে সীমাবদ্ধ আছিল। টেঙৰ শিয়াল আৰু ধূৰ্ত কাউৰীৰ কাহিনীয়ে আমাৰ শিশু মনবোৰ বৰ আপ্লুত কৰিছিল। আমাৰ চাৰিওফালে থকা পশু-পক্ষীবো যে এটা আমাৰ দৰেই মন আছে, ভালপোৱা, বেয়া পোৱা, সুখ-দুখৰ অনুভূতি আছে আমি কেতিয়াবা ভাবি চাইছোনে? ৪৯০ খ্ৰীষ্টাব্দৰ আগতেই গ্ৰীক দাৰ্শনিক আৰু গণিতজ্ঞ পাইথাগ'ৰাছে বিশ্বাস কৰিছিল যে জীৱ-জন্তুবো এটা সম্পূৰ্ণ মানৱৰ নিচিনা আৱেগ-অনুভূতি আছে। ১৮৭২ চনত চাৰ্লচ ডাৰউইনেও লিখি থৈ গৈছে যে মানুহ আৰু আন উচ্চ স্তন্যপায়ী প্ৰাণীৰ মানসিক চিন্তা ধাৰাৰ কোনো পাৰ্থক্য নাই।

আজিৰ গৱেষণাত এইটো স্পষ্ট যে জীৱ-জন্তুৱেও বহুত ধৰণৰ আৱেগ, ভয়-ভীত, আনন্দ, সুখ-দুখ, লাজ আদি অনুভৱ কৰে। আজিকালি "ইথ'লজী" (Ethology) এনে এটা বিষয় য'ত জীৱ-জন্তুৰ ব্যবহাৰৰ ওপৰত বিষদভাৱে অধ্যয়ন কৰা হয়। আৰম্ভণিতে কোনো নিউৰ'লজী বিষয়ক অধ্যয়ন নাছিল, মগজুৰ দ্বাৰা আবেগ-অনুভূতি কেনেদৰে পৰিচালিত হয়, এই বিষয়ে কোনেও জনা নাছিল। আজি আমি জানিব পাৰিছোঁ যে লিম্বিক চিষ্টেমে (Limbic System) মানুহৰ সকলোবোৰ আবেগ-অনুভৱ নিয়ন্ত্ৰণ কৰে। এনে একে ধৰণৰ লিম্বিক চিষ্টেম থকা জীৱ-জন্তুবো যে ভাবনা আছে এই কথা এতিয়া প্ৰকট হৈ পৰিছে। জীয়াই থাকিবলৈ পৰিবেশ-পৰিস্থিতিৰ উমান লোৱা সকলো প্ৰাণীৰ বাবে নিতান্তই প্ৰয়োজনীয় আৰু লিম্বিক চিষ্টেমৰ দ্বাৰাই পশু-পক্ষীয়ে জীৱনৰ ঘাত-প্ৰতিঘাতৰ বুজ লৈ সেই হিচাবে জীৱন যুঁজত জীয়াই থাকে সুন্দৰ ভাৱে। পশু-পক্ষীৰ অনুভৱ বুজি পোৱাটো এটা কঠিন কাম কিয়নো সিহঁতে মানুহৰ দৰে ভাষাৰে প্ৰকাশ কৰিব নোৱাৰে। সেয়েহে সংবেদনশীল মানুহে এই ক্ষেত্ৰত গুৰুত্ব দি জীৱ-জন্তুৰ কল্যাণ সাধিবলৈ আপ্ৰাণ চেষ্টা কৰি আহিছে। অকল মানুহৰ বাবেই নহয় আন জীৱ-জন্তুৰ প্ৰতিও দয়াশীল হোৱা উচিত। মানুহৰ মনৰ ভাৱ, আবেগ জনাতো সহজ। আপোনাৰ বন্ধুৰ মুখলৈ চাই আপুনি কৈ দিব পাৰিব যে আপোনাৰ কথা তেখেতৰ মনঃপুত হৈছেনে নাই? বোবা জীৱ-জন্তুবো মুখৰ পৰা ওলোৱা বিভিন্ন শব্দ, হৃদস্পন্দন, হৰ্মন আদিৰ দ্বাৰা আমি বিজ্ঞান সন্মত ভাৱে

সিহঁতৰ সুখ-দুখৰ কথা জানিব পাৰিছোঁ। জীৱ-জন্তুৰ ঘুৰ-ঘুৰ, বা-বা আদি শব্দবোৰে সিহঁতৰ প্ৰতিকূল স্থিতিক সূচায়। যেতিয়া মানুহ এজনক বহু মানুহৰ আগত ষ্টেজত থিয় কৰাই গান এটা গাবলৈ বা কথা ক'বলৈ দিলে কঁপি উঠে ঠিক তেনেকৈ মানসিক চাপ (Stress) ৰ সময়ত গৰু, ছাগলী, গাহৰি আদিৰ মাতটোও কঁপি উঠে, সামঞ্জস্য হেৰুৱাই পেলায়। কোনো এটা জীৱ-জন্তুক নিজৰ দলৰ পৰা আতঁৰাই লৈ গ'লে এনে মানসিক চাপৰ সৃষ্টি হয়।

সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰতো সিহঁত মানুহৰ দৰেই। ঘোঁৰা, গাহৰি আদিয়েও এটা ঋণাত্মক ঘটনাৰ পিছত বেছি সাৱধানতাৰে সিদ্ধান্ত লয় আৰু ধনাত্মক ঘটনাৰ পিছত লোৱা সিদ্ধান্তত সদায় আশাৰ ৰেঙণি দেখা যায়।

কিছুমান হ'ৰমনে শৰীৰৰ ৰক্তচাপ, হৃদপিণ্ডৰ স্পন্দন, শ্বাস-প্ৰশ্বাসৰ গতি সলনি কৰি দিয়ে আৰু সেইবোৰৰ পৰা জীৱ-জন্তুৰ আবেগ ফুটি উঠে। চিম্‌পেথেটিক নাৰ্ভাচ চিষ্টেমে বিপদৰ সময়ত যুঁজিবলৈ শৰীৰটোক তৈয়াৰ কৰে। শৰীৰৰ আৰাম আৰু জিৰণিৰ সময়ত পেৰাচিমপেথেটিক (Parasympathetic) নাৰ্ভাচ চিষ্টেম সক্ৰিয় হয় আৰু খাদ্যবস্তু হজম হোৱাত সহায় কৰে। আমি হঠাতে সন্মুখত যদি এটা বাঘ দেখা পাঁও লগে লগে আমাৰ হৃদপিণ্ডৰ স্পন্দন বাঢ়ি যাব, চকু ডাঙৰ হৈ যাব, শ্বাস-প্ৰশ্বাসৰ গতি বৃদ্ধি পাব আৰু আমি দৌৰিবলৈ আৰম্ভ কৰিম। ঠিক একে ঘটনা বিপদৰ সন্মখীন হ'লে জীৱ-জন্তুৰো হ'ব। ভয় খালে, ষ্ট্ৰেচ হৰ্মন এড্ৰিনেলিন বাঢ়ি যায়। নৰএড্ৰিনেলিন হৰ্মনে আমাক বিপদৰ প্ৰতি সজাগ কৰি তোলে আৰু কাৰ্টিচল (cartisol) হৰ্মনে বিপদৰ সৈতে মোকাবিলা কৰিবলৈ শক্তি যোগায়।

তাৰ বাহিৰে ডপামিন (Dppamin) চিৰট'নিন (serotonin) আৰু অক্সিটচিন (oxytocin) হৰ্মনে মানুহ আৰু জীৱ-জন্তু সকলোকে আনন্দ, উৎসাহ আৰু সামাজিক বান্ধোন কটকটীয়া কৰাত সহায় কৰে। এইবোৰ অনুভৱ কৰি আমাৰ অধীনত থকা জীৱ-জন্তুবোৰকো এটা শান্তিৰ সুষম পৰিবেশ প্ৰদান কৰাটো মানৱৰ নৈতিক দায়িত্বৰ ভিতৰত পৰে।

জীৱ-জন্তুৰ বাবে জীৱনটো খুব ফটফটীয়া পৰিষ্কাৰ। সিহঁতে নিজকে ভালকৈ চিনি পায়, শত্ৰু আৰু মিত্ৰৰ ব্যৱধান বুজি পায়। মানুহৰ দৰে সিহঁতো উচ্চাকাংক্ষী, আশাবাদী জীৱনকলৈ। খাদ্য আৰু নিৰাপদ বাসস্থানৰ সন্ধান কৰি নতুন প্ৰজন্মক গঢ় দিয়াত মানুহ আৰু জীৱ-জন্তুৰ মাজত কোনো পাৰ্থক্য নাই। জীৱ-জন্তুৱেও সুন্দৰ ধৰাখন উপভোগ কৰিব জানে। খেলা-ধূলা কৰিব জানে আৰু বিপদৰ আগজাননী পালে ভয় খাব জানে। কিছুমান জীৱ-জন্তু বেছি সাহসী, কিছুমান লাজকুৰীয়া আৰু কিছুমান উগ্ৰ। "মানুহটোৱে প্ৰতি মনটো, ধানটোৱে প্ৰতি কণটো।" - পশু-পক্ষীৰ ক্ষেত্ৰটো যেন সমানে প্ৰযোজ্য। প্ৰথমবাৰ মাতৃত্বৰ সোৱাদ পোৱা পশু-পক্ষীতকৈ অভিজ্ঞ মাতৃবিলাক বেছি আত্মবিশ্বাসী হয়। বহুতো জীৱ-জন্তু আকৌ সিহঁতৰ নিজৰ প্ৰজাতিৰ বাহিৰেও মানুহৰ প্ৰতিও সহানুভূতিশীল হয়। জীৱ-জন্তুৰ সংৰক্ষণকাৰী (coservationist) আৰু "দা এলিফেণ্ট হুইচপাৰ" (the clephant whisperer) ৰ লিখক লৰেন্স এন্থনি হাৰ্ট এটেকত মৃত্যু মুখত পৰিছিল। এজাক হাতীয়ে তেখেতৰ ঘৰলৈ আহি শোক প্ৰকাশ কৰাৰ বাতৰি প্ৰকাশিত হৈছিল।

জীৱ-জন্তুৰ বুজি পোৱাৰ ক্ষমতা আছে। সুখ-দুখ অনুভৱ কৰিব পাৰে। চিনাকি আৰু অচিনাকি জনক দেখিলেও বুজি পায়। মাত্ৰ সিহঁতে মনৰ ভাববোৰ ভাষাৰে প্ৰকাশ কৰিবলৈ অপাৰগ। আমাৰ দৰে অহা সপ্তাহত কি কাম কৰিব লাগিব, অহা মাহত ক'লৈ যাম আদি যোজনা বা প্লেন কৰিব নোৱাৰিলেও কেতিয়া খাদ্যৰ সন্ধানত ওলাই যাব লাগে, কেতিয়া নিজৰ ঠাইলৈ ঘূৰি আহিব লাগে বুজি পায়।

হাজাৰ হাজাৰ বছৰ সভ্যতাৰ পিছত মানুহে যেতিয়া সমাজ পাতি এক সুৰক্ষিত ঠাইত বাস কৰিবলৈ ল'লে লাহে লাহে পঞ্চইন্দ্ৰিয়বোৰত সজাগতাও কমি আহিবলৈ ধৰিলে। বন্ধ শীত-তাপ নিয়ন্ত্ৰিত কোঠাৰ ভিতৰত আৱদ্ধ আজিৰ মানৱেনো কিমান সক্ৰিয় হৈ থাকিব। কিন্তু জীৱ-জন্তু বিলাকে সকলো সময়তে বিপদ আদিৰ বাবে সচঁকিত হৈ থকা দেখা যায়। জীৱ-জন্তুৰ সচেতনতা, আৱেগ আৰু নৈতিক মূল্যবোধ আমি দৈনন্দিন জীৱনত দেখি আহিছোঁ। মাছ সদায় সতৰ্ক আৰু খুউব সংবেদনশীল হয়। নিগনি, মুৰ্গী আদি সহানুভূতিশীল হোৱা দেখা যায়।

নিউয়ৰ্ক টাইম্‌চত প্ৰকাশিত এটা বাতৰিৰ মতে ইৰাকত এজন প্ৰাক্তন চিপাহী বেঞ্জামিন ষ্টেপ (Benjamin Step) যুদ্ধক্ষেত্ৰত গুৰুত্বৰ মগজুৰ আঘাত লৈ ঘৰলৈ ঘূৰি আহিছিল। এবাৰ তেওঁ গ্ৰেজুৱেট স্কুলৰ এটা পাঠদানৰ সময়ত অকনো মনোনিবেশ কৰিব পৰা নাছিল আৰু বিৰক্ত হৈ পৰিছিল।

সেই কথাটো তেওঁৰ সহপাঠী নাইবা অধ্যাপক কাৰো চকুত পৰা নাছিল। কিন্তু বেঞ্জামিন ষ্টেপৰ ভৃত্য কুকুৰ (Arieish) আলেঁইছে লগে লগে মনোৰস্থা অনুভৱ কৰিব পাৰিছিল আৰু তেওঁক মৰমেৰে শান্ত কৰিবলৈ চেষ্টা কৰিছিল। এই কুকুৰটোৱে মানসিক অসন্তোলনৰ সময়ত বেঞ্জামিন ষ্টেপৰ খেয়াল ৰাখিছিল।

২০১২ চনত ইউনাইটেড ষ্টেটৰে চেণ্ডি হুক এলিমেণ্ট্ৰিয স্কুলৰ শোকাৱহ দুৰ্ঘটনাৰ পাছত মানসিকভাৱে ভাগি পৰা শিশু সকলক সুস্থ কৰি তোলাৰ ক্ষেত্ৰত ‘কমফৰ্ট’ কুকুৰৰ (Comfort dog) অৰিহণা নুই কৰিব নোৱাৰি। মানুহ আৰু কুকুৰৰ বন্ধুত্ব, ভালপোৱা বহু পুৰণি। কুকুৰনেচীয়া বাঘৰ প্ৰজাতিৰ পৰা বিকশিত হোৱা কুকুৰবোৰে মানুহ যেতিয়া একে ঠাইত বসতি কৰিবলৈ ল'লে তাৰ লগে লগেই মানুহৰ বসতিৰ ওচৰে পাজৰে বাস কৰিবলৈ ল'লে মানুহৰ পেলনীয়া খাদ্যৰ সন্ধানত। লাহে লাহে সিহঁতে পোহ মানিবলৈ ললে। উল্লেখযোগ্য যে কুকুৰেই একমাত্ৰ জন্তু যি আন অচিনাকী জন্তু বা মানুহলৈ ভয় নকৰে।

# অসমীয়া সমাজত তামোল-পাণ

**অমিয়া ফুকন**
প্ৰাক্তন ছাত্ৰী, মৰাণ

প্ৰত্যেক সমাজৰে লোক পৰম্পৰাত কিছুমান বস্তুৱে প্ৰাধান্য লাভ কৰি আহিছে। অসমীয়া সমাজত বিশেষকৈ তামোল-পাণ এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰা দেখা যায়। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্যৰ মহিমামণ্ডিত অসমৰ অসমীয়া মানুহৰ পৰম্পৰাগত ঘৰখনৰ চাৰিসীমা ঢাপেৰে আবৃত আহল-বহল চৌহদৰে প্ৰকৃতিৰ এক লীলাভুমি বুলিয়েই ক'ব পাৰি। নঙলামুখৰ পৰা ঘৰলৈকে বাৰীৰ আগফালে পাচফালে নানা ধৰণৰ লাগনী গছৰ লগতে ফলমূলৰ গছৰ উপৰিও সকলোৰে বাৰীত তামোল-পাণৰ গছ থাকেই। পদুলিৰ দুয়োকাষে তামোলৰ গছ লগায় যদিও পাচফালেও তামোলৰ বাৰী থাকে। তামোলৰ লগতে বগাব পৰাকৈ পাণগছ ৰুই দিয়া হয়। বিহু নামত সেয়েহে গায় —

আগফাল শুৱনি কাকিনী তামোল
পাচফাল শুৱনি পাণ
বৰঘৰ শুৱনি ৰাঙলী শৰাইখন
উলিয়াই দিবলৈ টান।

প্ৰতিটো শুভ কাৰ্য আৰু ধৰ্মানুষ্ঠানত তামোল-পাণে প্ৰধান ভুমিকা গ্ৰহণ কৰি আহিছে। নাৰী আৰু পুৰুষ যেনেকৈ দুয়ো দুয়োৰে পৰিপূৰক তামোল-পাণৰ ক্ষেত্ৰতো একেই সম্পৰ্ক। নাৰী জন্ম হোৱাৰ পৰা মাতৃ হোৱালৈকে যিমান গুণৰ অধিকাৰী হোৱা দেখা যায়, তেনেকৈ তামোলৰ পুলিটোৰ পৰা বুঢ়া তামোলৰ বাকলিলৈকে বহুতো গুণ দেখা যায়। বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে অসমৰ লোক সংস্কৃতি নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে "কোনো কোনোৰ মতে তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ীয় প্ৰথা। কাৰণ Betel (তামোল) শব্দটোৱেই মালায়ালাম ভাষাৰ ৱেটিল্লা শব্দৰ পৰা অহা। পশ্চিম উপকূললৈ অহা পৰ্তুগীজ ব্যৱসায়ী সকলে এই দ্ৰাবিড়ীয় শব্দটো সৰ্বত্ৰ প্ৰচাৰ কৰে।

পূজাৰ নৈবেদ্যত, গুৰু ভকত বৈষ্ণৱ আৰু সন্মানীয় ৰাইজক তামোল-পাণৰ শৰাই আগ কৰি অপায় অমঙ্গলৰ পৰা পৰিত্ৰাণ পাবলৈ অৰ্পণ কৰা হয় আৰু আন্তৰিক সন্মান প্ৰদৰ্শন কৰা হয়। তামোল-পাণৰ যোগেদিয়েই গুৰুৰ পৰা আশীৰ্বাদ লাভ কৰিব পাৰি। তাৰোপৰি কোনো দোষণীয় বা অপৰাধমূলক কামত তামোল-পাণ এটি আগবঢ়াই হাজাৰ দোষৰ পৰা উদ্ধাৰ হৈ ৰাইজৰ ক্ষমাৰ যোগ্য হ'ব পাৰি। কিন্তু কম পৰিমাণে হ'লেও তামোল-পাণৰ লগত এটি অৰিহণা আগবঢ়োৱাতো ধৰাবন্ধা নিয়ম। আলহী-অতিথি শুশ্ৰূষা কৰিবলৈ ঘৰত একো নাথাকিলেও সময়ত তামোল-পাণ এখনিৰে অভ্যৰ্থনা কৰিব পৰাতো গৃহিণী গৰাকীৰ এটি মহৎ গুণৰ পৰিচয় আনকি ভগৱান কৃষ্ণই ৰাধাক পিন্ধাবৰ বাবে যেতিয়া কাপোৰ ববলৈ তাঁতীৰ ওচৰলৈ গৈছিল সেই সময়ত

তাঁতীয়ে এনে ধৰণৰ অনুভৱ কৰাৰ কথা নামাঞ্জলিত উল্লেখ আছে —

মোহন মুৰুলী বাংশী বজায়
লৰিলা কানাই মোৰ তাঁতীৰ ঠাই
ঋাটত দেখিয়েই তাঁতীয়ে হাসে
নন্দৰ কানাই মোৰ কি লাগি আহে
সুবৰ্ণ আসন শিৰে যোগায়
সুগন্ধি জলেৰে চৰণ ধোৱায়
কৰ্পূৰ তামোল আগবঢ়ায়
কিয়নো আহিলা তাঁতীৰ ঠাই
আহিছো তাঁতী মোৰ লাগিছে লাজ,
ৰাধাক পিন্ধাবলৈ লাগে মোক সাজ।

অসমীয়া লোকসকলে অতি প্ৰাচীন কালৰে পৰা বিহু উৎসৱ, লক্ষিমী সবাহ, বসন্ত আই, তুলনী বিয়াৰ পৰা বৰ বিয়ালৈকে প্ৰতিটো মাংগলিক কৰ্মৰ আৰম্ভণিৰে পৰা শেষলৈকে তামোল-পাণৰ বিশেষ গুৰুত্ব মন কৰিবলগীয়া। মহামাৰীৰ অন্তৰালত থকা দৈৱিক শক্তিৰ সন্তুষ্টিৰ বাবে পতা আই সবাহত মহিলা সকলে আই নাম গোৱাতো অপৰিহাৰ্য্য অংগ। এনে ধৰণৰ আই সকামত গোপিনী সকলে তামোল-পাণ, গুৰ, কল, শুকান পিঠাগুৰি, কড়াই গুৰিৰ নৈবেদ্য আগবঢ়াই এনেদৰে গীত গায় —

সৰু আইৰ মাননী শিকিল পিঠাগুৰি
বৰ আই মাননী গুৱা
মাজু আইৰ মাননী তিনিজনা গোপিনী
নামতে সন্তুষ্ট হোৱা।

কন্যা পুষ্পিতা হোৱাৰ লগে লগে দৈবগ্যৰ হতুৱাই গণনাৰ বাবে এযোৰ তামোল-পাণ আগবঢ়োৱা হয়। তাৰোপৰি পুষ্পিতা হোৱাৰ লগে লগে হাতত এযোৰ তামোল-পাণ এখন চুৰি কটাৰীৰে সৈতে লগত ৰখাৰ নিয়ম আছে। পুৰোহিতে লিখি দিয়া বিৰৰণ অনুসৰি কন্যা গৰাকীৰ কোঠাত এগচি বন্তি আৰু এঠোক তামোলৰ তিনিটা তামোল ৰঙা ক'লা সূতাৰে বান্ধি অৰিহণাসহ এটি মাটিৰ পাত্ৰত এটি ভোজনী থোৱা হয় আৰু দুনৰিত অন্য বস্তুৰে সৈতে এটি তামোল-পাণ দিয়া হয়। সেই একেলগে থকা তামোল-পাণ তিনিটা কন্যাৰ কোলাত দি কণাই লোৱা বুলি কৈ ভৱিষ্যতৰ সন্তান হিচাবে কল্পনা কৰা হয়।

পানী তুলিবলৈ যাওঁতে তামোল-পাণ আগবঢ়োৱা, আয়তীসকলক থুৰিওৱা তামোল খুওৱা, ঘূৰি আহোঁতে তামোল-পাণৰ শৰাইৰে আদৰা, দৰাৰ বাবে ছোৱালী খুজিবলৈ যোৱা, জোৰোণ পিন্ধাবলৈ যাওঁতে পদুলিমুখত তামোল-পাণৰ শৰাই সলনাসলনি কৰা, এঠোক তামোল লৈ যোৱা আদি বহুতো নিয়মৰ আদান-প্ৰদান তামোল-পাণৰ যোগেদি কৰা হয়। তাৰোপৰি বৰযাত্ৰী নৈ পাৰ হোৱাৰ আগতে তামোল-পাণৰ টোপোলা আগবঢ়োৱা, চকলি ভাৰত, ৰাইজৰ, গুৰঘৰৰ নামতি সকলৰ মাক-দেউতাকৰ কন্যাক খুজিবলৈ যোৱা, বুজনি দিয়া আদিৰ বাবে ৭/৮ খন তামোল-পাণৰ শৰাইলৈ যোৱাতো দৰা পক্ষৰ প্ৰথম কৰ্তব্য। বিয়াৰ অতিথি আৰু ইষ্ট- কুটুম্বৰ নিমন্ত্ৰণী কাৰ্য্য তামোল-পাণেৰে সম্পন্ন কৰিব লাগে। বিয়াৰ মণ্ডপৰ দুৱাৰমুখত দুফালে দুঠোক তামোলৰ শৰাই লৈ অতিথি আদৰণি জনোৱা হয়। বিয়াৰ কেইদিন দৰা-কইনাই তামোল কটাৰী লগত ৰখাটো নিয়ম। এই তামোলত আঙুঠি এটা থৈ মূৰত তেল দি দৰা-কইনাক উৰুলি ধ্বনিৰে আশীৰ্বাদ দিয়া হয়। বিবাহ কাৰ্য্যৰ ক্ষেত্ৰত তামোল কটাৰী সলনাসলনি কৰা হয়। তামোলৰ দৰে পাণেও বিবাহ কাৰ্য্যত মুখ্য স্থান পায়। বিয়া ঘৰৰ পদূলিমুখত, গা ধোৱা ঠাইত আৰু প্ৰতিখন দুৱাৰত 'আমদালিৰ' মাজে মাজে তামোল আৰু পাণ বান্ধি দিয়া হয়। পাণৰ দ্বাৰা দৈয়নৰ উৎসৱমুখৰ পৰিৱেশে পুৱাতেই বিয়াৰ পৱিত্ৰতা আৰু আনন্দ জগাই তোলে। কন্যাৰ মাত বা কোনো সম্বন্ধীয়া লোকে দুখন পাণেৰে দৈ গাখীৰত জুবুৰীয়াই পদূলিত দৰা আদৰে। বিৰিঞ্চি কুমাৰে বৰুৱাদেৰে 'অসমৰ লোক সংস্কৃতি'ত উল্লেখ কৰিছে "আহোমৰ চকলং বিবাহ পদ্ধতিতো তামোল-পাণৰ প্ৰয়োজনৰ বিষয়ে বুৰঞ্জীত আছে"। আহোমৰ চকলং বিবাহতো কইনাক চকলঙৰ গুৰিলৈ নিয়ে। ৰভাতলীত কইনাৰ মাক-বাপেক আৰু বয়সস্থ সকলক শৰাইত বস্ত্ৰ আৰু পাণ-তামোলেৰে মান ধৰে। কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষবৰ্দ্ধনলৈ কেঁচা তামোলৰ ঠোক উপহাৰ দিয়াৰ কথাও পোৱা যায়।

তামোলৰ যোগেদি প্ৰেম নিবেদনৰ আদান-প্ৰদানৰ

প্ৰথা পৃথিৱীৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত আজিও প্ৰচলন আছে। তামোলেৰে আহুদি কৰা কথা বিহুগীতটো গায়।

অ' হীৰা তোৰে ঘৰ ইপাৰত, অ' হীৰা তোৰ ঘৰ সিপাৰত

এখনি দি গলি তামোল, খালো তামোল এখনি

দি গলি, দি গলি মৰমৰ মাত

কি খাই পাহৰো তোক ঐ লাহৰি "কি খাই পাহৰো তোক

তামোলৰ লগতে আহুদি খোৱালি

কেনেকৈ পাহৰো তোক।"

আহোম ৰজাৰ দিনত ডা-ডাঙৰীয়া সকলৰ মাজত তামোল-পাণৰ যোগাৰ দিবলৈ তামুলী বিষয়া আছিল আৰু তেতিয়াৰ পৰাই তামুলী উপাধিৰ সৃষ্টি হৈছিল। তামোল-পাণৰ বাৰী পতা কাৰ্য্যৰ পাৰদৰ্শিতাৰ বাবে মোমাই তামুলী বৰবৰুৱাৰ পদোন্নতি হৈছিল। তামোল-পাণৰ বাৰী পতা প্ৰসঙ্গত ডাকৰ বচনো আছে"

"সাতে তনু পাচে ঘন

ছয়ত তামোল নদন বদন"

উত্তৰে গুৱা, দক্ষিণে ধোৱা

পূবে হাঁহ, পশ্চিমে বাঁহ"

ঘৰৰ ভেঁটি তৰিবলৈ, প্ৰথম খুটা পুতিবৰ বাবে সোণ, ৰূপ, তাম আদি যিমান দিলেও তামোল-পাণ এটি আগবঢ়ালেহে ঘৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হয়। ঘৰখনত নাম কীৰ্ত্তন এভাগি পাতিবলৈ প্ৰথমে তামোল-পাণৰ প্ৰয়োজন। সন্তান জন্ম হোৱাৰ পৰা শিক্ষা গুৰুক মাননি দি বিদ্যালয়ত নাম ভৰ্ত্তি কৰালেকে তামোল-পাণৰ গুৰুত্ব মন কৰিবলগীয়া। মুঠতে তামোল-পাণৰ অবিহনে দেৱকাৰ্য্যৰ কথা চিন্তা কৰিবই নোৱাৰি। জীয়ৰী-বোৱাৰী, ডেকা-বুঢ়া সকলোৰে বাবে তামোল খোৱাত বাধা নাই। অসমীয়া সমাজত তামোল খাই, মুহুদি কৰাটো চিৰন্তন নীতি। তামোলৰ লগত চুণ আৰু ধপাত খালে হজম হয় আৰু পেটৰ অসুখ আৰু দাঁতৰ বিষ ভাল হয় বুলিও কয়। দাঁত নথকা মানুহে খুন্দনাত খুন্দি হ'লেও তামোল খায়। সৰুতে দেখা আইতাৰ খুন্দনাৰ লগত বান্ধি থোৱা মাৰি ডাল আৰু ডবোৱা কটাৰীখনলৈ এতিয়াও মনত পৰে। ৰূপৰ সঁফুৰাত সাঁচি থোৱা তামোলৰ গুৰি পকতিয়াই পকতিয়াই জোনাক ৰাতি আইতাই সাধু কোৱা দৃশ্যটো এতিয়াও চকুৰ আগত ভাঁহি উঠে। বসন্ত বা আইসকল দেখা দিলে আগলি কলপাতত তামোল-পাণ এযোৰ আগ কৰি থোৱা দৃষ্টান্ত এতিয়াও সমাজত আছে। আলহীয়ে চাহ-জলপান খোৱাৰ পিছত তামোল এখন খুৱাই নপঠালে ঘৰখনত লক্ষ্মী নাথাকে বুলি অসমীয়া মানুহে বিশ্বাস কৰে।

অসমীয়া সমাজত বিশেষকৈ গাঁৱত তামোল পুতি সাঁচি থোৱা নিয়ম আছে। পুন, গণ্ডা হিচাবে তামোলৰ আৰু গুচী হিচাবে পাণৰ গণনা কৰি জোখা হয়। বিভিন্ন সম্প্ৰদায়ৰ মানুহে ৰ'দত শুকুৱাই চুফাৰি কৰি তামোল সংৰক্ষণ কৰে। আজিকালি চুফাৰিৰ লগত অনেক সুগন্ধি দ্ৰব্য মিলাই মিঠা পাণ হিচাপে বিক্ৰী কৰে।তামোল-পাণৰ ব্যৱসায় কৰি বহুতো নিবনুৱা যুৱক স্বাৱলম্বী হোৱাৰ উদাহৰণ আছে। তামোল শব্দৰ উৎপত্তি হোৱা ঠাইৰ নামো পোৱা যায়। গুৱা শব্দৰ পৰা গুৱাহাটী, তামোল শব্দৰ পৰা তামুলীছিগা, তামোলপুৰ, তামোলবাৰী ইত্যাদি। এটা সময়লৈকে সম্ভ্ৰান্ত মানুহৰ বাহিৰৰ চ'ৰাঘৰক তামুলী চ'ৰা, খুৰা লগোৱা সৰু পীৰাখনক তামুলী পীৰা আৰু এবিধ ৰঙা বৰণৰ ফৰিং, তামুলী ফৰিং নামেৰে জনা যায়। অতি চেনেহৰ সাতামপুৰুষীয়া ব'হাগৰ বিহুটি তামোল-পাণৰ শৰাইৰে আদৰণি জনোৱা হয় আৰু হুঁচৰিক সেৱা জনোৱা হয়। বিহুৱতী নাচনীৰ কঁকালৰ খোচনিত থকা তামোলৰ ৰঙা সাঁচতিখন আৰু তামোলৰ পিকেৰে ৰঙা কৰা ওঁঠ দুটি বিহু নাচনী সাজৰ এটি লেখত ল'বলগীয়া প্ৰসাধন। সেয়েহে বিহুগীতত গায় -

"জেতুকা পাতেৰে দুহাতত বোলালি

তামোলৰ পিকেৰে ওঁঠটি বোলালি

ৰাঙলী কৰিলি হিয়া।"

অৱশেষত বাৰী ভৰি তামোল-পাণ হ'বলৈ আশীৰ্বাদ কৰি হুঁচৰি গৃহস্থৰ পৰা বিদায় লয়।

তেনেকৈয়ে মাঘৰ ভোগালী বিহুত ৰাতিপুৱা মেজি জ্বলাই অগ্নিদেৱতাক তামোল- পাণেৰে সেৱা জনোৱা হয়। কাতি বিহুতো আগলি কলপাতত তামোল-পাণ আগবঢ়াই পথাৰৰ পৰা লখিমী আদৰি অনা হয়। পথাৰত হাল বাওঁতে মাটি ডোখৰ খেতিৰ বাবে উপযোগী হৈছেনে নাই, তামোলৰ পিকেৰেহে পৰীক্ষা কৰা হয়। গৰু-ম'হৰ বেমাৰ হ'লে

তামোলৰ পিকেৰে বেমাৰ ভাল কৰিব পাৰি।

সাধাৰণতে পাণত চূণ সানিহে তামোল খোৱা নিয়ম। তামোল, পাণ, চূণ, ধপাত এই চাৰিওবিধ মিলাই খালেহে তামোলখন সম্পূৰ্ণ হয়। পূজা নৈবেদ্য বা গুৰু ভকতলৈ, নামঘৰলৈ আগবঢ়োৱা তামোল-পাণ চূণ সনা নহয়। থুৰিওৱা তামোল বিবাহ, ধৰ্মানুষ্ঠান আৰু গুৰু গোঁসাইৰ ঘৰতহে ব্যৱহাৰ কৰা হয়। তামোল-পাণ কটাৰ নিয়ম আছে। গান পাণ বৰ সুগন্ধি। পাণ হাতেৰে ফালি খোৱা নিষেধ। পাণৰ বৈজ্ঞানিক গুণো আছে। জেতুকাৰ লগত পাণৰ ঠাৰি মিলালে বেছি ৰং ধৰে। পাণৰ ঠাৰিও বহুত কামত ব্যৱহাৰ কৰিব পাৰি। অপৰিষ্কাৰ হাত লগালে পাণ গছত বেমাৰ লাগে।

তামোল-পাণ আগবঢ়াবলৈ কাঁহ, পিতলৰ বটাৰ উপৰিও আজিকালি বাঁহ, বেতৰ তৈয়াৰী বটাও দেখা যায় আগৰ দিনত নানা ধৰণৰ ক'লাসুলভ দক্ষতাৰে সোণ-ৰূপৰ পানী চ'ৰাই পান বটা তৈয়াৰ কৰা হৈছিল ভোজন বিলাসৰ উপৰিও শোভা বৰ্দ্ধনৰ ক্ষেত্ৰতো তামোল গছ বা তামোলৰ বাকলি ব্যৱহাৰ কৰা হয় ডাঙৰ ডাঙৰ পঞ্চতাৰকা হোটেল, চৰকাৰী কাৰ্যালয় আৰু ঘৰুৱা বাসভৱনতো তামোলৰ পুলি টাবত ৰুই সৌন্দৰ্য্য বঢ়োৱা দেখা যায়। বুঢ়া তামোলৰ বাকলিবোৰ ৰ'দত শুকুৱাই ৰং কৰি, বাঁহ বেতৰ লগত আঠা লগাই নানা ধৰণৰ ঘৰ সজোৱা সামগ্ৰী তৈয়াৰ কৰা হয়। তামোল গছৰ ঢকুৰা সৰু ল'ৰা-ছোৱালীৰ খেলাৰ বাবে ব্যৱহাৰ কৰা হয়। এই ঢকুৰাৰে বিচনী আৰু বিয়া-সবাহত ব্যৱহাৰ কৰিবলৈ মেচিনৰ দ্বাৰা ৰং বিৰঙৰ ফুল আঁকি বিভিন্ন প্লেট তৈয়াৰ কৰা হয়। তামোলৰ গা গছৰ পৰা বাৰাণ্ডা, গোহালি আদিৰ খুটা বনোৱা হয়। বাৰীৰ ঢাপত তামোল গছৰ সাঁকো পাৰি ইপাৰৰ পৰা সিপাৰলৈ পাৰ হ'ব পাৰি, কঠীয়াতলিলৈ যাব পাৰি আৰু অন্য কামতো লগাব পাৰি।

অসমৰ গাঁৱলীয়া সমাজত পথৰ দূৰত্ব তামোল এখন খোৱাৰ সময়ৰ লগত নিৰ্ণয় কৰা হয়। তামোলৰ সোৱাদ এৰিব নোৱাৰা মানুহে বিদ্যালয়, সভা, সমিতি, ভ্ৰমণ আদিলৈ গ'লেও তামোল-পাণৰ টেমাত জুতি লগাই তামোল-পাণ কাটি লৈ যায়। ৰাতিয়ে দিনে ইখনৰ পাচত সিখনকৈ তামোল খাই থাকিলে অপকাৰো হ'ব পাৰে। বিশেষকৈ ৰাতি শুবৰ সময়ত তামোল খোৱাৰ পিছত সদায় দাঁত মুখ পৰিষ্কাৰকৈ ধোৱা উচিত।

জনজাতি সকলৰ মাজতো তামোল-পাণৰ বিশেষ প্ৰচলন আছে। মোম্বাই মহানগৰীত পাণৰ মূল্য অনেক বেছি বুলি শুনা যায়। চুফাৰিৰ লগত সুগন্ধি দ্ৰব্য মিশ্ৰিত কৰি বহুত দামলৈকে পাণ বিক্ৰী কৰা দেখা যায়। মোগলাই পাণ, কলিকতা পাণ আৰু বাৰানসী পান, এই তিনিবিধ পানৰ প্ৰচলন বেছি।

তামোল পাণৰ ব্যৱহাৰৰ কথা কৈ শেষ কৰিব নোৱাৰি। কিন্তু সকলো বস্তুৰে অত্যাধিক বেয়া হোৱাৰ দৰে তামোল পাণৰ অত্যাধিক ব্যৱহাৰে শৰীৰৰ ক্ষতি সাধন কৰিব পাৰে তাৰোপৰি তামোল খাই য'তে ত'তে পিক পেলোৱা কাৰ্য্যই বেমাৰ-আজাৰ বিয়পোৱাৰ লগতে বাতাবৰণ দূষিত কৰিব পাৰে। মুঠতে অসমীয়া সমাজত তামোল-পাণে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

শেষত,

শিক্ষা-দীক্ষা কলা সংস্কৃতিৰে সমৃদ্ধ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়খনিৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ যো-জা কৰাৰ উমান পাই মনে-প্ৰাণে এক শিহৰণ অনুভৱ কৰিছিলো। ঊনৈশ শ এষষ্ঠি-বাষষ্ঠি চনৰ বিজ্ঞান শাখাৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাবে এই মহাবিদ্যালয়ৰ সৈতে জড়িত সোণোৱালী দিনবোৰ মোৰ স্মৃতিৰ সোণ সঁফুৰাত আজিও জীপাল হৈ আছে। জীৱনৰ বিয়লি বেলাত আশী বছৰীয়া অভিজ্ঞতাৰ এক সীমিত জ্ঞানেৰে আলোচনীখনত একলম লিখাৰ এইয়া মোৰ এক ক্ষুদ্ৰ প্ৰয়াস। এই সুযোগতে ন-পুৰণি সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনাইছো আৰু প্ৰাৰ্থনা জনাইছো ভগৱানৰ অপাৰ কৰুণাত মহাবিদ্যালয়খনি যুগ যুগান্তৰলৈ প্ৰজ্ঞাৰ আলোকেৰে যেন হৈ পৰক জয় জয় কাৰ।

# ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ অমৰ কৃতি ঃ ইয়াৰুইঙ্গম

ড° ভাৰতী দত্ত
প্ৰাক্তন অধ্যাপিকা, ডি.হ.সু. কানৈ মহাবিদ্যালয়

'ইয়াৰুইঙ্গম' — ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত উপন্যাসখনি অসমৰ উপন্যাস সাহিত্যৰ অন্যতম এক উল্লেখযোগ্য উপন্যাস। ১৯৬০ খ্ৰীঃৰ অক্টোবৰ মাহত প্ৰথম প্ৰকাশ পোৱা উপন্যাসখনিৰ ২০১২ খ্ৰীঃলৈকে একাদশ সংখ্যক সংস্কৰণ প্ৰকাশ হোৱাটোৱে ইয়াৰ জনপ্ৰিয়তাকে সূচায় বুলি নিশ্চয়কৈ ক'ব পাৰি।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ মণিপুৰৰ উখ্রুলৰ বিশেষকৈ টাংখুল নগাৰ গাঁৱৰ কেতবোৰ চৰিত্ৰৰ সমাৱেশেৰে ৰচিত 'ইয়াৰুইঙ্গম' ত সেইসময়ৰ যুদ্ধৰ বিভীষিকা, নেতাজী-গান্ধীৰ প্ৰসংগ, সমাজত যুদ্ধৰ প্ৰভাৱ আৰু পৰৱৰ্তীসময়ত ভাৰতবৰ্ষৰ স্বধীনতা যুঁজৰ কিছু কথা আৰু সামগ্ৰিকভাৱে সেই গাঁওসমূহৰ বাইজৰ বহুতৰে মনত খোপনি লোৱা স্বাধীন নগাভূমিৰ বিষয়বস্তু সন্নিৱিষ্ট কৰা হৈছে। এক কথাত ক'বলৈ গ'লে দ্বিতীয় বিশ্ব মহাযুদ্ধৰ সময়ৰ পৰা ভাৰতবৰ্ষই বৃটিছ শাসনৰ কবলৰ পৰা মুক্তিলাভ কৰাৰ পাছৰ কিছু সময়ৰ উল্লিখিত নগা গাঁওসমূহৰ পৰিবেশ, মানসিকতা, ৰাজনৈতিক ক্ৰিয়া-কলাপ আৰু মুক্তিপিয়াসী কিছুসংখ্যক নগা সম্প্ৰদায়ৰ লোকৰ আচৰণ, ক্ৰিয়া-কলাপৰ লগতে এচাম লোকৰ স্বাধীন ভাৰতৰ অংগৰূপে থাকি গাঁওসমূহৰ উন্নয়নৰ চিন্তা-চৰ্চা, কৰ্মৰ ই এক ঐতিহাসিক দলিল। সমান্তৰালভাৱে প্ৰেম, বিৰহৰ হৃদয়স্পৰ্শী ঘটনাৰাজিয়েও 'ইয়াৰুইঙ্গম' ৰ কাহিনীভাগত এক অপৰূপ ৰূপ প্ৰদান কৰি ইয়াক সুখপাঠ্য কৰি তুলিছে।

'ইয়াৰুইঙ্গম' ৰ মূল তিনিটি চৰিত্ৰ হ'ল -ৰিশ্বাং, চাৰেংলা আৰু খুটিংলা। ৰিশ্বাং হ'ল টাংখুল নগা যুৱক আৰু চাৰেংলা, খুটিংলা দুয়ো টাংখুল নগা যুৱতী। মণিপুৰৰ উখ্রুলৰ নগা গ্ৰাম্য সমাজত ডাঙৰ-দীঘল হোৱা তিনিও আশৈশৱ পৰিচিত। উপন্যাসখনিত সঘনে ভুমুকি মৰা অন্যান্য চৰিত্ৰসমূহ হ'ল— ঙাঠিঙখুই (খুটিংলাৰ পিতাক, গাঁওবুঢ়া অৰ্থাৎ টাংখুল ভাষাত খুলাকপা), তেওঁৰ দ্বিতীয়া পত্নী ৱাৰামলা, ইয়েংমাচা আৰু আটিব (ৰিশ্বাঙৰ পিতৃ-মাতৃ), ভিডেচেলী (আঙ্গামী নগা, স্বাধীন নগাৰাজ্যৰ সপোন দেখা নেতা), নাজেক (টাংখুল নগা গাঁৱৰ সন্মানীয় বয়োজ্যেষ্ঠ ব্যক্তি), খাটিং(নাজেকৰ পুত্ৰ, খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা যুৱক আৰু ৰিশ্বাঙৰ বন্ধু), ইশ্বেৰৰা (জাপানী সৈন্য), ডাঃ ব্ৰুক (আমেৰিকান মিছনেৰী), ফানিটফাং (ৰিশ্বাঙৰ বন্ধু, পাছলৈ ভিডেচেলীৰ সতীৰ্থ), অবিনাশ, অমূল্য, ট্ৰম্বি (তিনিও ৰিশ্বাঙৰ কলিকতাত পঢ়াকালৰ বন্ধু), জীৱন (অসমীয়া যুৱক, নগা যুৱতী বিয়া কৰি নগা সম্প্ৰদায়ক আঁকোৱালি লোৱা খোলা মনৰ ব্যক্তি), কনচেং (জীৱনৰ ছবছৰীয়া পুত্ৰসন্তান)। আবেয়ে নামৰ প্ৰভুভক্ত কুকুৰটো উপন্যাসখনিৰ এক উল্লেখযোগ্য চৰিত্ৰ।

এতিয়া আহোঁ 'ঈয়াৰুইঙ্গম'ৰ মুল কাহিনীভাগৰ কথালৈ। চাৰেংলাক জাপানী সৈনিক ইশ্বেৰৰাই এবছৰ ৰক্ষিতা কৰি থ'লে। দ্বিতীয় বিশ্ব যুদ্ধত জাপানী সৈন্যই বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহি উখ্রুলৰ নগা গাওঁসমূহতো সোমাইছিল। পাহাৰীয়া অঞ্চলসমূহত বোমা বাৰুদৰ আক্ৰমণ হৈছিল।

গ্ৰাম্য অঞ্চলৰ জীয়ৰী-বোৱাৰীৰ শ্লিলতা হানিও এক সাধাৰণ কথাত পৰিণত হৈছিল। এক অভিশপ্ত দিনতে চাৰেংলাও জাপানী সেনা ইশ্বেৰাৰ দ্বাৰা ধৰ্ষিতা হোৱাৰ লগতে এটা বছৰে তাৰ ৰক্ষিতা হৈ বন্দিনীৰ জীৱন কটাবলগীয়া হৈছিল আৰু তাই যেতিয়া সৈনিকৰ ঔৰসতা গৰ্ভত সন্তান ধাৰণ কৰিলে তেনে একসময়তে হঠাতে সি তাইক এৰি যুদ্ধ কৰিবলৈ অন্য ঠাইলৈ যাবলগীয়া হ'ল। ইশ্বেৰাবাকে চাৰেংলাই মনে মনে স্বামী হিচাপে অন্তৰত ঠাই দিছিল আৰু গৰ্ভৱতী মানুহজনীক এনেকৈ হঠাতে এৰি যাবলগীয়া হোৱাত সিও অন্তৰত দুখ পাইছিল। আবেয়ে নামৰ কুকুৰটোকে তাইৰ সাৰথি কৰি জাপানী সৈনিক ইশ্বেৰাৱাই কৰ্তব্যৰ আহবানত আঁতৰি গৈছিল।

গাঁৱৰ মানুহৰ বাবে তাই পতিতা। সকলোৱে ঘৃণাৰ চকুৰ চোৱা চাৰেংলাক ৰিশ্বাঙে আনি গাভৰু চাঙত থ'লেহি। সকলোৰে অবজ্ঞাৰ পাত্ৰী হৈও গাভৰু চাঙত থকা অধৰ্ষিতা গাভৰুৰ মাজত তাই এক নিৰাপদ আশ্ৰয় পোৱা যেন অনুভৱ কৰিছিল। তাই তালৈ যোৱাৰ নিশাই চাৰেংলাই ইশ্বেৰাবাৰ মৃত্যুৰ বাতৰি পালে। তাই তাক স্বামী হিচাপেই অন্তৰেৰে গ্ৰহণ কৰাৰ পাছত স্বাভাৱিকতে চাৰেংলাৰ অন্তৰত শোকে খুন্দা মাৰি ধৰিছিল; কিন্তু তাই শোক কৰোঁতেও খুটিংলাৰ পৰা তিৰস্কাৰ শুনিবলগীয়া হৈছিল। তিৰোতামানুহ কেনেকৈ ইমান নিৰ্দয় হ'ব পাৰে সেই কথা ভাবি চাৰেংলা আচৰিত হৈছিল।

খুটিংলা আৰু ৰিশ্বাঙৰ মাজত প্ৰেমৰ সম্পৰ্ক স্থাপন হৈছিল। ৰিশ্বাঙে শৈশৱৰে পৰা চাৰেংলাৰ স'তে অধিকসময় কটাইছিল। তাইক সি ভাল পাইছিল; কিন্তু সময়ে চাৰেংলাৰ জীৱনলৈ যি অন্ধকাৰ নমাই আনিলে সিয়ে তাইক ৰিশ্বাঙৰ পৰাৰ আঁতৰাই নিলে। তথাপি ৰিশ্বাঙ চাৰেংলাৰ প্ৰতি সহানুভূতিশীল আছিল। চাৰেংলাৰ মিঠা মাত কথা কৰুণাৰে পূৰ্ণ হৃদয়খনিয়ে তাক সততে আকৰ্ষিত কৰিছিল। তাইক ঘৃণা কৰিব পৰাৰ মানসিকতা তাৰ গঢ়ি উঠা নাছিল। বাইবেল পঢ়ি যীশুৰ বাণী সাৰোগত কৰাৰ চেষ্টা কৰিছিল চাৰেংলাই। মহামাৰীত গাঁৱে-গাঁৱে গৈ ৰিশ্বাঙৰ স'তে মানুহৰ প্ৰতি সেৱা আগবঢ়াইছিল। খুটিংলাই সন্দেহৰ চকুৰে চাইছিল সিহঁত দুটাৰ সম্পৰ্কক। মানুহেও হোৱাই নোহোৱাই দুৰ্নাম ৰটনা কৰিছিল; কিন্তু সিহঁতৰ সম্পৰ্ক আছিল নিষ্কলুষ। খুটিংলাই ঈৰ্ষা কৰিছিল চাৰেংলাক। সন্দেহৰ চকুৰে চাইছিল ৰিশ্বাং আৰু চাৰেংলাৰ সম্পৰ্কক আন বহুতে।

ৰিশ্বাঙে শিক্ষিত হৈ নগা সমাজৰ প্ৰতি সেৱা আগবঢ়োৱাৰ ইচ্ছা কৰিছিল। ভিডেচেলীৰ দৰে স্বাধীন নগাভূমিৰ সপোন সি দেখা নাছিল। ডাঃ ব্ৰুকৰ পৰামৰ্শ মানি ৰিশ্বাং কলিকতালৈ শিক্ষা গ্ৰহণৰ বাবে গ'ল। অবিনাশ, অমূল্য, ট্ৰম্বিহঁতক লগ পালে। স্বাধীনতা আন্দোলনৰ সশস্ত্ৰ ৰূপটো তাত ৰিশ্বাঙে প্ৰত্যক্ষ কৰিলে দেশৰ কাৰণে আত্মবলিদান দিয়া অবিনাশৰ বন্ধুত্ব, অমূল্যৰ দৰে বন্ধুৰ মৃত্যু প্ৰত্যক্ষ কৰাৰ অভিজ্ঞতা লভা ৰিশ্বাঙে কলিকতীয়া যুৱতী শ্যমলী আৰু চঞ্চলৰ দুদিনীয়া সংগও লাভ কৰিলে। শ্যমলীক দুৰ্বৃত্তৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি সাহসিকতাৰ পৰিচয় দাঙি ধৰিলে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ উৎসৱমুখৰ দিনটোৰ অভিজ্ঞতাও ৰিশ্বাঙে কলিকতাতে লাভ কৰিলে।

ৰিশ্বাঙ কলিকতাত থকাৰ সময়ছোৱাতে আৰু কিছু পৰিৱৰ্তন হ'ল উখ্রুলৰ নগা গাঁৱসমূহত; আৰু কিছু ঘটনা সংঘটিত হ'ল। ফানিটফাং ইতিমধ্যে ভিডেচেলীৰ লগ লাগিছিল। চাৰেংলাৰ যৌৱনে টলমল কৰা শৰীৰৰ ওপৰত আদবয়সীয়া ঙাঠিঙখুইৰ চকু পৰিছিল। নিশাটোৰ ভিতৰতে চাৰেংলাই পলাই আহি ফানিটফাঙৰ পৰিত্যক্ত গৃহত আশ্ৰয় লৈছিল। দিহিঙে-দিপাঙে ঘূৰি ফুৰা ফানিটফাং খুটিংলাৰ প্ৰেমত পৰিছিল যদিও তাইৰ মন ৰিশ্বাঙত বুলি গম পাই হতাশ হৈ পৰিছিল আৰু চাৰেংলাৰ মৰমৰ আশ্ৰয়ত মাজে মাজে নিশা কটাবলৈ আহিছিল। কোমল হৃদয়ৰ চাৰেংলাই কেও কিছু নোহোৱা ল'ৰাটোক মৰমেৰে আঁকোৱালি লৈছিল। অৱশ্যে মানুহে তাইক বেশ্যা বুলি ঘৃণা কৰিবলৈ ল'লে। মৃত সন্তান প্ৰসৱ কৰা চাৰেংলাই বাইবেলত আশ্ৰয় ল'লে আৰু হাস্পতালত কাম কৰিবলৈ আৰম্ভ কৰিলে। ফানিটফাঙৰ ওচৰত শৰীৰটো এৰি দিয়াৰ পাছত অৱশ্যে

চাৰেংলাই নিজকে হীন দৃষ্টিৰে চাবলৈ ধৰিলে। মন অস্থিৰ হ'লে তাই বাইবেলখন উলিয়াই লয়।

ইয়াংমাচুই আৰু ঙাঠিঙখুইৰ মাজত বহুদিনৰ পৰা লগা কাজিয়াখনৰ মূল কথাটো আছিল দুইখন গাঁৱৰ সীমামূৰীয়া মাটিত খ্ৰীষ্টানধৰ্ম লোৱা ইয়াংমাচুই গীৰ্জা সাজিবলৈ লোৱাত। এই বিষয়টোৱেই ৰিশ্বাং আৰু খুটিংলাৰ মাজত বৈবাহিক সম্বন্ধ স্থাপনতো বাধাৰ সৃষ্টি কৰিলে। কেচ হ'ল গীৰ্জা সজা মাটি টুকুৰাকলৈ। দুৰ্বৃত্তই এদিন গীৰ্জা ভাঙিলে। ইয়াংমাচু দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হ'ল। চিকিৎসাই কাম নিদিলে; ইয়াংমাচুৰ মৃত্যু হ'ল। যীশুৰ প্ৰেমৰ বাণী বিয়পোৱাৰ তেওঁৰ সপোন বাস্তৱত ৰূপায়িত নহ'ল।

ৰিশ্বাঙে গাঁৱলৈ আহি ভিডেচেলীৰ স্বাধীন নগা ভূমিৰ পৰিৱৰ্তে স্বাধীন ভাৰতৰ অংশ হিচাপে স্কুল, হাস্পতাল আদি স্থাপন কৰি উন্নতিৰ পথ সুগম কৰিবলৈ গাঁৱে গাঁৱে ঘূৰি মানুহৰ মাজত সজাগতা অনাৰ চেষ্টা কৰিবলৈ ধৰিলে। দ্বিতীয় বিশ্ব যুদ্ধত এফালে জাপানী সৈন্য আৰু আনফালে বৃটিছ তথা মিত্ৰবাহিনী দুই মহৰ যুঁজত বিৰিণাৰ মৰণ হোৱাদি নগা গাঁওসমূহ বিধ্বস্ত হৈ পৰিল। ভঁৰাল উদং হ'ল, বোমাৰ আক্ৰমণত ঘৰ-দুৱাৰ ধ্বংস হ'ল আৰু তাৰ পাছত আহিল মাৰিমৰক। চৰকাৰে (বৃটিছ) ক্ষতিপূৰণৰ প্ৰতিশ্ৰুতি দিও পালন নকৰিলে। দেশ স্বাধীন হ'ল; উখুলবো সদৰ অফিচত ত্ৰিৰংগ পতাকা উৰিল। আশাকৰা মতে স্বাধীন চৰকাৰৰ পৰাও ক্ষতিপূৰণ বহুদিনলৈ নোপোৱাত নগাসকলৰ মনত ক্ষোভৰ উদয় হোৱাত ভিডেচেলীৰ স্বাধীন নগা ভূমিৰ পৰিকল্পনাত বহু নগা আকৰ্ষিত হোৱাটোত ৰিশ্বাং চিন্তিত হৈ পৰিছিল। দুৰ্গম পাহাৰীয়া অঞ্চলটো কেনেকৈ স্বপ্নৰাজ্যত পৰিণত কৰিব পাৰিব ভিডেচেলীৰ দলে সেইয়া সি ভাবি নাপায়। ইয়াৰ কৰুণ পৰিণতিহে সি মনঃ চক্ষুত দেখা পায়। চৰম নিষ্ঠুৰতাৰ পথে মানুহৰ কবৰ খান্দিব। ৰিশ্বাঙে সংঘৰ্ষৰ পথ পৰিহাৰ কৰি নগাসকলৰ মনত প্ৰেম আৰু মানৱতাৰ পূতমন্ত্ৰ জগাই তুলিব বিচাৰিছিল। ভিডেচেলীৰ দলৰ চকুৰ কুটা, দাঁতৰ শূল হৈ পৰিছিল ৰিশ্বাং।

ৰিশ্বাং খুটিংলাৰ বিবাহ সম্ভৱ হৈছিল জীৱন নামৰ অসমীয়া ডেকাজনৰ প্ৰচেষ্টাত। নগা কন্যা বিয়া কৰাই নগাসকলক আপোন বুলি আঁকোৱালি লোৱা জীৱন আছিল বেপৰুৱা প্ৰকৃতিৰ ব্যক্তি। পিতৃহন্তাৰ জীয়েকক জীৱন সংগিনী কৰা মানে নগা সকলৰ মনত তাৰ প্ৰতি বিতৃষ্ণা জন্মোৱা হ'ব বুলি ৰিশ্বাঙে ভাবিছিল। পিতৃহন্তাৰ প্ৰতি প্ৰতিশোধ লোৱাটো তেওঁলোকে বিচাৰিছিল। জীৱনে তাক প্ৰেৰণা দিছিল। দেউতাকহঁতৰ কাজিয়াক সি উত্তৰাধিকাৰ সূত্ৰে লোৱাটো উচিত নহয়। যুক্তিহীন দস্তুৰক ভাঙিব লাগে। পাছত খুটিংলা ৰিশ্বাঙৰ জীৱন লগৰী হৈ পৰিছিল। চাৰেংলাই হৃদয়ৰ কোনোবা এটা কোণত বেদনা অনুভৱ কৰিছিল যদিও বাহিৰত দেখুৱাই তাই সিহঁতৰ খ্ৰীষ্টান ধৰ্মমতে অনুষ্ঠিত বিবাহত সহযোগ কৰিছিল। মানুহক আপোন কৰিব পৰা তাইৰ হৃদয়খনে খুটিংলাকো তাইৰ প্ৰতিদ্বন্দ্বী বুলি ভাবিবলৈ নিদিছিল।

ভিডেচেলীয়ে চল কৰি ৰিশ্বাং আৰু জীৱনক বন্দী কৰিলে। সিহঁত ক'ত আছে সেই কথা জনাৰ উপায় নাছিল যদিও ফানিটফাঙে খুটিংলাৰ প্ৰতি প্ৰেমৰ কথা মনত পেলাই সম্ভেদ দিলে। খাটিঙহঁতে এমাহে বিচাৰি নোপোৱা ৰিশ্বাং আৰু জীৱনক ৰখা শিবিৰটো সেইবাৰ বিচাৰি পালে। ভিডেচেলীয়ে সিহঁতক এৰি গ'ল। যাওঁতে জীৱন অৰ্থাৎ ভনী জোৱাঁয়েকক তাৰ ভাগিনীয়েক কনচেঙক ভালকৈ তুলিবি বুলি কৈ থৈ গ'ল। ভিডেচেলীৰ ভনীয়েকক জীৱনে বিয়া কৰাইছিল। তাই ইতিমধ্যে ঢুকাইছিল। প্ৰভুভক্ত আবেয়ে জীৱন আৰু ৰিশ্বাঙৰ লগ এৰা নাছিল। খাটিঙহঁত শিবিৰৰ ওচৰ পাওঁতে আবেয়ে সিহঁতক ভুকি জাননী দিছিল।

ৰিশ্বাঙৰ মাক ৰৱিৰবাৰ নিউমোনিয়া হৈ পৰি থাকোঁতে চাৰেংলাই পাৰ্যমানে শুশ্ৰূষা কৰিলে। কনচেঙক পুত্ৰ যেন ভাবিছিল তাই। ৰিশ্বাং হঁতৰ ঘৰতে থকা কনচেঙৰো যত্ন ল'লে। ৰিশ্বাং আৰু জীৱন আবেইৰ স'তে ঘৰ আহি পোৱাৰ আগেয়েই ৰৱিৰবাৰ মৃত্যু হৈছিল। ৰিশ্বাং শোকত ভাগি পৰিছিল। পৰৱৰ্তী সময়ত ৰিশ্বাং আৰু খুটিংলাৰ বিবাহ হৈছিল আৰু গাঁৱে গাঁৱে শান্তিৰ বীজ সিঁচাৰ প্ৰয়োজনীয়তাক আওকাণ কৰিব নোৱাৰি ৰিশ্বাং আৰু জীৱন অৰণ্যৰ মাজেদি যাত্ৰা কৰি থকাৰ মাজতে ভিডেচেলীৰ দলৰ মানুহৰ গুলীত জীৱনে মৃত্যুক সাবটি ল'লে। ৰিশ্বাঙৰ দেহত গুলীৰ আঘাত লাগিল। জীৱনে নিমাতে এই পৃথিৱীৰ পৰা আঁতৰি গ'ল। ৰিশ্বাঙৰ চিকিৎসা চলিল। নগাভূমিৰ পৰা অস্ত্ৰৰ নিৰ্বাসনৰ কথা ভাবি ৰিশ্বাঙৰ মন শান্ত হ'ল। তাৰ হ'বলগীয়া সন্তানটিৰ বাতৰি দিলে খুটিঙলাই। ল'ৰা হ'লে তাৰ নাম 'ঈয়াৰুইঙ্গম'

দিম বুলি ক'লে ৰিশ্বাঙে আৰু ইয়াৰ অৰ্থ হ'ল 'ৰাইজৰ শাসন'। উখ্রুল মেইলত উঠি ইম্ফললৈ যাওঁতে (উন্নত চিকিৎসাৰ বাবে) ৰিশ্বাঙৰ মনত তাৰ কল্পিত সন্তানটিৰ ছবি ভাহি উঠিছে; সি ভাবিছে ঈয়াৰোইঙ্গম এদিন সঁচাই আহিব। পুলিচে ফানিটফাঙক গ্রেপ্তাৰ কৰিছিল। লকআপৰ পৰা উলিয়াই আনোঁতে কোনোবাই তাক গুলীয়াই হত্যা কৰিলে। ভিডেচেলীৰ মানুহ বুলিয়েই সন্দেহ কৰা হ'ল। গুলীৰ শব্দ শুনি চাৰেংলাৰ এনে লাগিল গুলীটোযেন তাইৰ বুকুতহে লাগিল। বেদনাহত চাৰেংলাই পুত্ৰ বুলি লোৱা কণমানি কনচেঙক বুকুত সাবটি ধৰিলে। প্ৰভুভক্ত আবেয়ে চাৰেংলাৰ ভৰি দুখনৰ মাজত সোমাই কু-কুঁৱাবলৈ ধৰিলে; অজান পশুটোৱে যেন আহত হৃদয় এখনেৰে বিনাবলৈ ধৰিছিল। তাৰ বুকুত গুলীটো লগা যেন পাইছে বুলি সি ক'বলৈ বিচাৰিছে যেন।

এয়ে হ'ল 'ঈয়াৰোইঙ্গম' উপন্যাসখনিৰ মূল কাহিনীভাগ। দ্বিতীয় বিশ্বযুদ্ধ আৰু দেশে স্বাধীনতা লাভ কৰাৰ সময়ছোৱাৰ মণিপুৰৰ উখ্রুলৰ নগা সকলৰ বসতিপূৰ্ণ গ্ৰামাঞ্চলৰ পৰিৱেশ পৰিস্থিতি সমাজৰ পৰিৱৰ্তন, মানুহৰ মানসিকতাৰ পৰিৱৰ্তন, খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা, নকৰাকলৈ গ্ৰামাঞ্চলৰ মানুহৰ মাজত লগা সংঘাত, নগাভূমিৰ স্বাধীনতা আৰু স্বাধীন নগাভূমি নিবিচাৰি ভাৰতবৰ্ষৰ স্বাধীন চৰকাৰৰ পৰা উন্নয়ন আশা কৰা দুই বিৰোধী শক্তিৰ কাৰ্যাৱলী আদি নিটোলৰূপত উপন্যাস খনিত উপস্থাপন কৰা হৈছে। বৰ্ণনাত্মক ৰূপৰ চিত্ৰকল্পৰ লগতে ভিন ভিন পৰিৱেশৰ হ'বহু ৰূপ পৰিৱেশন কৰা হৈছে। দেহজ প্ৰেম আৰু উচ্চস্তৰীয় মানৱ প্ৰেমৰ কাহিনীৰ সমাৱেশেৰে ঈয়াৰোইঙ্গমক এক বিশেষ মাত্ৰা প্ৰদান কৰাত ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য পূৰ্ণমাত্ৰাই সফল হৈছে। সাহিত্য অকাদেমি পুৰস্কাৰ প্ৰাপ্ত উপন্যাসখনি প্ৰকৃতাৰ্থত এক ঐতিহাসিক দলিল। কুৰি শতিকাৰ চল্লিছৰ দশকৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি ভিন্ ভিন্ দিশসমূহৰ ক্ষেত্ৰত নগাসকলৰ গাঁৱৰ পৰিৱেশ সুস্পষ্ট ৰূপত ইয়াত প্ৰতিভাত হৈছে।

পাহাৰীয়া ঠাইৰ প্ৰাকৃতিক পৰিৱেশৰ অনুপম বৰ্ণনা, নগাসমাজৰ খাদ্যাভ্যাস, সামাজিক ৰীতি-নীতি, এচাম লোকে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিলেও আনসকল নগা সম্প্ৰদায়ৰ লোকৰ নিজ ধৰ্মীয় সংস্কৃতিৰ প্ৰতি আনুগত্য, মানৱীয় প্ৰেম-অনুভূতি আদিৰ সুনিপুণ প্ৰকাশে 'ঈয়াৰইঙ্গম' ক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

গৰ্ভৱতী চাৰেংলাই বোমাৰ গৰ্জনত বাহ্যিক চেতনাৰহিত হোৱাৰ পাছত যেতিয়া চেতনা ঘূৰাই পালে তাইৰ নাকত বনৰীয়া গোলাপৰ সুবাস লাগিল। চকু মেলি চাই দেখিলে — 'দুহাতমান আঁতৰত কেইবাজোপাও গোলাপ গছত ফুল ফুলি আমোলমোলাই আছে। গোলাপৰ জোপোহাৰ সিফালে উঠি যোৱা এটা টিলা। টিলাৰ পৰা সেয়া হাতে ঢুকি পোৱাতে পুৱাৰ নিৰ্মল, শান্ত আকাশ। পৰ্বতীয় অঞ্চলটোৰ বনৰীয়া ফুল পাতেৰে সুশোভিত প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা একোটা ঠায়ে ঠায়ে পোৱা যায়।

নগা কৃষ্টি-সংস্কৃতিৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল বৃদ্ধ নাজেকে খ্ৰীষ্টান ধৰ্মৰ প্ৰতি আগ্ৰহী পুত্ৰ খাটিঙক ভিডেচেলীৰ স্বাধীন নগাভূমি বিচৰা মনটোৰ সপক্ষে কৈছিল —'ভিডেচেলীয়ে কাৰো তলত থাকিব নোখোজে। সি ঠিক নগাৰ দৰে কথা কৈছে। আমাৰ নগা মানুহে আগতে মূৰ দিব, তাৰ পিছতহে স্বাধীনতা এৰি দিব। নাজেকে পুতেকক আৰু কৈছিল 'বোপাই পাৰোঁতে মই সদায় কওঁনে যে এই খ্ৰীষ্টান ধৰ্ম আৰু ইংৰাজী শিক্ষা এইবোৰেই আমাক ধ্বংস কৰিলে। গাঁওবোৰৰ মানুহ ভাগ ভাগ হ'ল।' পুতেকক তেওঁ নগা হ'বলৈ কৈছিল আৰু নগা হোৱাৰ অৰ্থনো কি বুলি খাটিঙে সোধাত কৈছিল— 'স্বাধীন হোৱা'।

মুঠৰ ওপৰত যুদ্ধৰ বিভীষিকাই বিধ্বস্ত কৰা উখ্রুলৰ নগা গাঁৱৰ মানুহবোৰ দুভাগত বিভক্ত হৈ পৰিছিল। এচামে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ অধিক সংখ্যকে স্কুল, হাসপতাল আদি স্থাপন কৰি, বাট পদূলি নিৰ্মাণ কৰি গাঁৱৰ উন্নয়ন বিচাৰিছিল আৰু আন এচামে নগাসকলৰ স্বাধীনতা বিচাৰিছিল। এই দুই বিপৰীত ভাগৰ প্ৰথমে উল্লেখ কৰা চামৰ নেতৃত্ব লৈছিল ৰিশ্বাঙে আৰু আনটো চামৰ নেতা আছিল ভিডেচেলী।

ৰিশ্বাঙৰ পিতাক ইয়াংমাচই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল, গীৰ্জা সাজিছিল আৰু জীৱনৰ লক্ষ্য আছিল যীশুৰ বাণী প্ৰচাৰ কৰি টাংখুল নগাৰ ভূমিত পবিত্ৰ জ্যোতি বিকিৰণ কৰা। ৰিশ্বাঙৰ স্বপ্ন আছিল কলিকতাত পঢ়াশুনা কৰি উভতি আহি জ্ঞানৰ, সভ্যতাৰ আৰু উন্নতিৰ নতুন স্বপ্ন টাংখুলৰ উৰ্বৰ ভূমিত মেলি দিবহি যাতে নতুন জীৱন লহপহকৈ বাঢ়ি

আহে। উপন্যাসখনিৰ বিভিন্ন ঠাইত ৰিশ্বাঙৰ এই স্বপ্নই ভিন ভিন ধৰণে ভুমুকি মাৰিছে। ৰিশ্বাঙে অনুভৱ কৰিছিল পৰিত্যক্ত গীৰ্জা ঘৰটোৰ পৰা ভগৱান পলাই গ'লেও তেওঁ তাৰ অন্তৰত আছে আৰু সেই ভগৱানেই তাক বিপদসংকুল প্ৰেমৰ পথত আগুৱাবলৈ শক্তি দিব। ৰিশ্বাঙে খুটিংলাক ভাল পায় যদিও ৰাইজৰ চিন্তা সদায় তাৰ বাবে প্ৰথম। সেয়েহে সি কৈছে যে খুটিং লাক ভাল পায় যদিও ৰাইজৰ কথা চিন্তা কৰি পাৰ পোৱা নাই। সি কয় — 'এইখন অদ্ভুত পৃথিৱী। বেয়া সময় পৰিছে। ৰাইজে খাবলৈ পোৱা নাই, ক্ষতি পূৰণ বিচাৰিছে। সিহঁত ভিডেচেলীৰ লগ লাগিবলৈ ওলাইছে। সিহঁতক কিবা এটা উপায় দিব লাগিব।' খুটিংলাই বুজি উঠে ৰিশ্বাং আচলতে প্ৰথমে ৰাইজৰ মানুহ । সেয়েহে তাই কয় 'তোৰ গাত ৰাইজৰ ভূত লগিছে। এইবোৰ এৰি দে; বিয়া পাতি আমি খেতি কৰি খাম, সেয়ে ভাল'। এইধৰণৰ কথোপকথনে ৰিশ্বাং আৰু খুটিংলাৰ চিন্তাধাৰাৰ প্ৰতিফলন ঘটাইছে।

চাৰেংলা এক অনন্য ব্যক্তিত্বৰ নাৰী। তাই সকলোকে ভাল পায়। কিন্তু তাইক মানুহে ভুল বুজে। খুটিংলাই নাৰীৰ স্বাভাৱিক ঈৰ্ষাৰে ৰিশ্বাঙক সোধে সি যে তাইক এৰি থাকিব নোৱাৰে বুলি কৈছে তেনেহ'লে চাৰেংলাৰ কথা কি ক'ব। তেতিয়া ৰিশ্বাঙে কৈছিল- 'তহঁত তিৰোতা জাতিটোৰেই ইজনীয়ে সিজনীৰ ঈৰ্ষাত মৰ। চাৰেংলাক মই পুতৌ কৰোঁ, ভাল নাপাওঁ।' এই কথাষাৰ কোৱাৰ পাছতো খুটিংলাক সি বিশ্বাস জন্মাবলৈ শপত খাবলগীয়া হৈছিল। খুটিংলাৰ মন চাৰেংলাৰ দৰে উদাৰ নহয় বাবেই বিয়াৰ পাছতো তাই ৰিশ্বাঙক প্ৰশ্ন কৰিছিল — ' বাৰু চাৰেংলাই তোক খুব ভাল পায় নহয়নে?' ৰিশ্বাঙৰ উত্তৰ আছিল 'চাৰেংলাই পায়, কিন্তু তোৰ লগত ফেৰ মাৰিবৰ বাবে নহয়।' ৰিশ্বাঙে আৰু কৈছিল যে তাইক যেন তাই কষ্ট নিদিয়ে; তাই কাৰো ভাগৰ ভাত কাঢ়ি নাখায়। চাৰেংলাই মনে-প্ৰাণে ৰিশ্বাঙক ভাল পাইছিল যদিও ৰিশ্বাঙ আৰু খুটিংলাৰ প্ৰেমত বাধক হোৱা নাছিল; নিজৰ অনুভু তি মানৰ মাজতে থৈ সিহঁতৰ মিলনত সহায়হে কৰিছিল।

'ঈয়াৰুইঙ্গম'ৰ শেহৰ ফালে উল্লিখিত কথোপকথনৰ অন্তত ৰিশ্বাঙৰ অনুভৱ হৈছিল যে খুটিংলাৰ মন এক সাধাৰণ মন। তাইৰ প্ৰেম অসূয়াৰ ইপিঠি মাত্ৰ। চাৰেংলাৰ স'তে তাইৰ তুলনা নহয়। চাৰেংলাৰ প্ৰাণ যদি এখন বিশাল আকাশ তেনেহ'লে খুটিংলাৰ প্ৰাণ যেন এচমকা ডাৱৰ- ৰিশ্বাঙে ভাবিছিল। বিভিন্ন সময়ত খুটিংলাৰ কথা-বাৰ্তা, আচৰণ প্ৰত্যক্ষ কৰাৰ পাছত হয়তো ৰিশ্বাঙৰ মনত এনে ভাবৰ উদয় হৈছিল। ফানিটফাঙে খুটিংলাক ভাল পাইছিল আৰু প্ৰেমত অসফল হৈও সি খুটিংলাৰ মৰমতে ৰিশ্বাঙক ভিডেচেলীয়ে কোন শিবিৰত থৈছে সেই কথা পুলিচক জনাইছিল আৰু সেই ফানিটফাঙ গ্ৰেপ্তাৰ হোৱাৰ পাছত তাৰ বিচাৰ কেতিয়া হ'ব বুলি ৰিশ্বাঙে খুটিংলাক সোধাত তাই অসন্তুষ্ট মনেৰে তাই সেই খবৰ কৰি থকা নাই বুলিহে উত্তৰ দিয়াত ৰিশ্বাঙে ভাবিবলৈ বাধ্য হৈছিল তাই মানসিক ভাৱে কিমান দৈন্য। তেতিয়াই সি পূৰ্বৰ অভিজ্ঞতা আৰু সেই মুহূৰ্তৰ অভিজ্ঞতাৰ ভিত্তিতে তাইক চাৰেংলাৰ তুলনাত অতি সাধাৰণ বুলি ভাবিছিল।

১৯৬০ খ্ৰীঃতে প্ৰথম প্ৰকাশ পোৱা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ঈয়াৰুইঙ্গম' উপন্যাসখনি অসমীয়া উপন্যাস সাহিত্যৰ সৰ্বকালৰ অন্যতম এক আপুৰুগীয়া সম্পদৰূপে নিশ্চয়কৈ চিহ্নিত কৰিব পাৰি। মণিপুৰৰ উখ্রুলৰ নগা গাঁৱক কেন্দ্ৰ কৰি ৰচিত উপন্যাসখনিয়ে এক ঐতিহাসিক দিশত উল্লেখযোগ্য বুলি বিবেচিত সময়ছোৱাক যেন ছুপাৰূপত ধৰি ৰাখিলে। ভট্টাচাৰ্যদেৱৰ 'ঈয়াৰুইঙ্গম' তেখেতৰ এক অমৰ কৃতি।

# অসমীয়া গীতি সাহিত্যৰ গতি আৰু প্ৰকৃতি ঃ এটি অৱলোকন

**ৰূপালীম ঠাকুৰ**
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, ডি.হ.সু. কানৈ মহাবিদ্যালয়

গীত হ'ল একপ্ৰকাৰ কবিতা, অসমীয়া গীতি-কবিতা বুলিলে সাধাৰণ অৰ্থত চুটি কবিতাক বুজায়, গীতি কবিতাত সুৰ আৰোপ কৰি গীত হিচাপে পৰিৱেশন কৰা হয়। এইফালৰ পৰা গীত হ'ল কথা, সুৰ, তালৰ সমন্বিত ৰূপ। গীতৰ শব্দচয়ন আৰু সুৰৰ আবেদন মধুৰ হ'লে মানুহৰ হৃদয় পৰশে, ইয়াৰ প্ৰভাৱ সুদুৰপ্ৰসাৰী হয়।

অসমীয়া গীতি সাহিত্যৰ ইতিহাস মৌখিকভাৱে প্ৰচলিত গীত-মাতৰ পৰাই আৰম্ভ হৈছে। প্ৰত্যেক জাতিৰ লোকগীত সমূহেই হ'ল প্ৰাচীনতম সাহিত্যিক নিদৰ্শন। গদ্য ৰচনাতকৈ পদ্য ৰচনাৰ সৈতে মানুহৰ স্মৃতিশক্তিৰ বিশেষ সম্বন্ধ থকাৰ বাবেই লোকগীতসমূহে যুগ যুগান্তৰ অতিক্ৰম কৰি একোটা জাতিৰ মাজত যুগমীয়া হৈ জীয়াই থাকে।

প্ৰত্যেক জাতিৰ গীতি-সাহিত্যৰ ভৰাঁল চহকী কৰে এই লোকগীতসমূহে। অৱশ্যে দেশ অনুযায়ী তাৰ ৰেহ-ৰূপ বেলেগ হয়। প্ৰত্যেক মানুহৰ অন্তৰৰ আশা-আকাংক্ষা, আনন্দ, প্ৰেমানুভূতি আৰু শোক-বিৰহৰ ভাব একে, বোধকৰো এই কাৰণতেই গীতি-সাহিত্যৰ কিছুমান বিশ্বজনীন বৈশিষ্ট্য দেখা যায়। ভাব-অনুভূতিৰ সৰল প্ৰকাশ আৰু পোনপটীয়া ৰচনাৰীতি ইয়াৰ অন্যতম বৈশিষ্ট্য। এনে সৃষ্টি একোজন ৰচকৰ ৰচনা হ'লেও সময়ৰ লগে লগে মানুহৰ মুখে মুখে বাগৰি আহি ৰূপান্তৰ হৈ শেষত সমষ্টিৰ সৃষ্টি হয়গৈ, এগৰাকী পাশ্চাত্য সমালোচকৰ মতে,"All aspects of folklore probably originated the products of individual, are taken by the folk and put through a process of recreation, which through constant variation and repetition became a group product.' (Mac Edward Leach, standard Dictionary of folklore, 1949-50, page - 401")[১]

প্ৰাচীন কালৰে পৰা অসম বিভিন্ন জনগোষ্ঠীৰ সংগীত সম্পদেৰে সমৃদ্ধ হৈ আছে, বিভিন্ন পুৰাণ, পুৰাতাত্বিক কীৰ্তিচিহ্নই ইয়াৰ সাক্ষ্য বহন কৰি আছে।

খ্ৰীষ্টীয় দ্বিতীয় শতিকাত ৰচিত ভৰতমুনিৰ 'নাট্যশাস্ত্ৰ'ত উল্লেখ আছে যে প্ৰাগজ্যোতিষপুৰত ওড্ৰমাগধী ধাৰাৰ নাট্যৰীতিৰ প্ৰচলন আছিল, যিটো ধাৰাত গীত, বাদ্য, নৃত্যৰ সমাবেশ ঘটিছিল।

ঐতিহাসিক সত্যতা নাথাকিলেও পৌৰাণিক কাহিনীয়ে দাবী কৰে যে বাণৰ জীয়াৰী ঊষা নৃত্য-গীত পটীয়সী আছিল। নান্দিকেশ্বৰৰ 'অভিনয় দৰ্পণ'ত উল্লেখ

(১) শৰ্মা, হেমন্ত কুমাৰ 'অসমৰ লোকসাহিত্যৰ বৈচিত্ৰ্য', প্ৰবন্ধ চয়ন, অসম সাহিত্য সভা, ১৯৯২)

কৰা হৈছে যে কামৰূপৰ পৰাই লাস্য নৃত্য গুজৰাটত প্ৰচলিত হয়। কাৰণ বাণৰ জীয়ৰী ঊষাৰ সৈতে দ্বাৰকাৰ অনিৰুদ্ধৰ বিবাহ সম্পন্ন হৈছিল আৰু ঊষাই দ্বাৰকাত এই নৃত্যৰ প্ৰশিক্ষণ দিছিল। নৃত্যৰ লৈতে গীতৰো এৰাব নোৱাৰা সম্পৰ্ক থাকে।

প্ৰাচীন মঠ-মন্দিৰ, ৰাজকাৰেং আদিৰ কীৰ্তিচিহ্নত খোদিত নৃত্য-ভঙ্গিমাৰ প্ৰতিমূৰ্তিসমূহে, খ্ৰীঃ নৱম শতিকাৰ বনমালবৰ্মাৰ দিনৰ শিলৰ মূৰ্তিত থকা 'দলু হাঙ্গনা' চিত্ৰই অসমৰ নৃত্য-গীতৰ প্ৰাচুৰ্যৰ কথাকে সোঁৰৰায়।

হিউয়েনচাঙৰ বিৱৰণীৰ পৰা জনা যায় যে ভাস্কৰবৰ্মাৰ ৰাজসভাত পৰিব্ৰাজক গৰাকীক এমাহ ধৰি নৃত্য-গীতেৰে আপ্যায়িত কৰা হৈছিল।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া সাহিত্যৰ চানেকি'ত অসমীয়া সাহিত্যৰ প্ৰাচীনতম কালটোক গীতিযুগ(৬০০-৮০০ অব্দৰ ভিতৰত) বুলি অভিহিত কৰিছে। তেওঁৰ মতে অসমীয়া গীতি সাহিত্যৰ যুগ প্ৰাক-বৈষ্ণৱী আৰু বৈষ্ণৱী সাহিত্যৰ বহু আগতেই হৈছিল। গীতি যুগৰ ভিতৰত মৌখিক ভাৱে প্ৰচলিত লোকগীতসমূহক ধৰা হয়, অসমীয়া লোকগীতসমূহক বিভিন্ন ভাগত ভগোৱা হৈছে।

**অনুষ্ঠানমূলক লোকগীত ঃ**

বিয়ানাম, আইনাম, ভেকুলী বিয়াৰ নাম, বিহুগীত, হুচৰি গীত, লখিমী সবাহৰ নাম, অপেস্বৰীৰ নাম, জগন্নাথৰ নাম, কাতিপূজাৰ গীত, বিষহৰিৰ গীত, আউলা পূজাৰ গীত, সুবচনীৰ গীত, হুদুমদেউৰ গীত, এউৰী-মগা-গীত, ভালুক নাচৰ গীত, খিচা গীত, মহোহো গীত, পদ্মপুৰাণৰ গীত, হোলি গীত, বাশপূজাৰ গীত ইত্যাদি। অঞ্চলভেদে এইবোৰ লোকগীতৰ প্ৰচলন আছে।

**আখ্যানমূলক লোকগীত ঃ**

ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, কমলাকুঁৱৰীৰ গীত, কন্যা বাৰমাহীৰ গীত, দুবলাশান্তিৰ গীত, ৰাধিকা শান্তিৰ গীত, লীলাৱতীৰ গীত, বৰফুকনৰ গীত, নাহৰৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, জনা গাভৰুৰ গীত, মণিৰাম দেৱানৰ গীত, চিকণ সৰিয়হৰ গীত, জয়মতী কুৱঁৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত ইত্যাদি।

**বিবিধ বিষয়ক লোকগীতঃ**

নিচুকনি গীত, যঁতৰৰ গীত, নাওখেলৰ গীত, বৰশীবোৱা গীত, জুনা গীত, মহখেদা গীত, মৈষালী গীত, হাতী-মাউতৰ গীত, নাঙেলী গীত, হাউখেলৰ গীত, গৰখীয়া গীত ইত্যাদি।

এইখিনিৰ বাহিৰেও দেহবিচাৰৰ গীত, টোকাৰি গীত, চান্দসাইৰ গীত, জিকিৰ আৰু জাৰী, হাইদাং গীত আদি বিভিন্ন প্ৰকাৰৰ লোকগীত আছে। বনগীত বা বনঘোষাত প্ৰেমৰ উচ্ছাস এটি প্ৰধান লক্ষণ। অসমৰ জনগোষ্ঠীয় জীৱনধাৰাত মৌখিক গীত-মাত ঠাহ খাই আছে।

**গীতি সাহিত্যৰ লিখিত ইতিহাসঃ**

লোকগীতৰ পিছৰ স্তৰত লিখিত গীতি সাহিত্যৰ ইতিহাস আৰম্ভ হয়। খ্ৰীষ্টীয় অষ্টম শতিকাৰ পৰা দশম একাদশ শতিকাৰ চৰ্যাপদসমূহৰ পাছত চতুৰ্দশ শতিকা প্ৰাক-শংকৰী যুগৰ কবিসকলৰ দ্বাৰা ৰচিত গীত-পদ, শংকৰী যুগৰ কবিসকলৰ দ্বাৰা সৃষ্ট বৰগীত, নাটৰ গীত, ভটিমা আৰু পাঁচালী কবিসকলৰ দ্বাৰা ৰচিত গীত পদৰ মাজেৰে অসমীয়া সঙ্গীতে সক্ৰিয় ৰূপত প্ৰৱাহিত হৈ থাকে। চৰ্যাপদত উল্লেখ থকা ৰাগবোৰ ৰাগসঙ্গীতৰ দুই ধাৰা বৰগীত আৰু ওজাপালিৰ গীততো হয় একে ৰূপত, নহয় সামান্য পৃথক ৰূপত পোৱা যায়।

অসমৰ পুৰণি সংগীতক ধৰ্মমূলক আৰু মনোৰঞ্জনমূলক এই দুয়োটা ভাগত ভগাব পাৰি। অসমীয়া সংগীতক উপযুক্ত মৰ্যদাৰে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ৰাজপৃষ্ঠপোষকতাৰ যথেষ্ট অৱদান আছে। কছাৰী, বৰাহী, কোঁচ, আহোম ৰজাসকলৰ দিনত গীত-পদ ৰচোঁতা প্ৰাকশংকৰী, শংকৰী যুগৰ কবিসকলক ৰাজঅনুগ্ৰহ প্ৰদান কৰা হৈছিল। কোঁচ ৰজা চিলাৰায়ে তেওঁৰ পত্নী কমলাপ্ৰিয়া বা ভুৱনেশ্বৰী আইৰ কণ্ঠত শংকৰদেৱৰ গীত শুনি গুৰুজনাৰ প্ৰতি আকৃষ্ট হোৱাৰ কথা 'কথা গুৰুচৰিত'ত উল্লেখ আছে। নাৰায়ণ-চিলাৰায়ৰ ৰাজঅনুগ্ৰহ আৰু উৎসাহে শংকৰ-মাধৱৰ প্ৰতিভা বিকাশত বিশেষভাৱে অৰিহণা যোগাইছিল। দৰঙী ৰজাৰ আগ্ৰহ আৰু পৃষ্ঠপোষকতাই ওজাপালি ধাৰাটোক জীয়াই ৰখাত সহায় কৰিছিল।

শংকৰদেৱৰ পৰাহে অসমীয়া বৈশিষ্ট্যপূৰ্ণ ৰাগ-সংগীত ধাৰাৰ সুপ্ৰতিষ্ঠিত হয়। অৱশ্যে শংকৰদেৱৰ সংগীত-প্ৰতিভা অসমৰ পৰম্পৰাগত সংগীতৰ দ্বাৰা প্ৰভাৱিত হৈহে বিকশিত হৈছিল বুলি ভবাৰ থল আছে। পৰাগ চলিহাৰ মতে,"সেইহে আমি অসমীয়া সংগীতমুখৰ ঐতিহ্যৰ কথা ক'বলৈ গৈ অসমীয়া সংস্কৃতিৰ প্ৰাণস্বৰূপ শ্ৰীমন্ত শংকৰদেৱৰ কথা কওঁ। অৱশ্যে তেৰাৰ আগৰে পৰাই ঐতিহ্যৰ সূচনা। দেওধ্বনিৰ তান্ত্ৰিক সম্পৰ্কই, ওজাপালি গীতত, মনকৰ, দুৰ্গাবৰ, সুকবি নাৰায়নদেৱ, মাধৱকন্দলিৰ গীত আৰু পিছলৈ পীতাম্বৰ কবিৰ গীতত পুৰণি অসমীয়া বিচিত্ৰ সংগীত সম্ভাৰ উপচি থকাৰ কথাই সগৌৰৱে প্ৰমাণ কৰি আছে। আনকি এইবোৰ গীতত ভাৰতীয় শাস্ত্ৰীয় ৰাগ-ৰাগিনীৰ উপৰিও ঘাইকৈ মাধৱকন্দলিৰ গীতত পটমঞ্জুৰী, দেৱজিনী, আকাশমণ্ডলী, বায়ুমণ্ডলী আৰু পীতাম্বৰ কবিৰ গীতত ৰেলী, চমৰথ আদি এনে কিছুমান ৰাগিনীৰ কথা আছে যিবোৰ হয়তো এইসকলৰ নিজা উদ্ভাৱনা আৰু নহ'লে হয়তো অতি প্ৰাচীন কামৰূপীয় সুৰ, যিবোৰ কালৰ বুকুত লুকাই গ'ল, সেইদৰে ব্যাহ গোৱা ওজাৰ ঢালনি ৰাগ আন ক'তো পাবলৈ নাই, সুকন্নানী আৰু দুৰ্গাবৰী সুৰৰ মনজিনাৰূপে স্বকীয় কামৰূপী মহিমা এতিয়াও প্ৰকাশ কৰি আছে।"('অসমৰ সঙ্গীত', পৰাগ চলিহা, অসমীয়া সংস্কৃতি, অসমীয়া সাহিত্য সভা, ২০০৩)

শংকৰদেৱ আৰু মাধৱদেৱৰ হাতত ৰূপ পোৱা নতুন সংগীত ধাৰাই সমগ্ৰ অসমতে প্ৰসাৰ লাভ কৰিলে। ঘোষা, কীৰ্তন, দশমৰ বিশিষ্ট ছন্দ, বিশিষ্ট সুৰ, তাল, লহৰত যি অমিয়া সুৰ অন্তৰ্নিহিত হৈ আছে, সেই সুৰে প্ৰতিজন অসমীয়াকে গায়ক, নট, নটুৱা কৰি থৈ গ'ল, শংকৰদেৱ-মাধৱদেৱৰ সমসাময়িক আৰু পৰৱৰ্তী বহু সংগীতজ্ঞক অনুপ্ৰাণিত কৰিলে। আজিও সত্ৰ, নামঘৰৰ ভিতৰত সেই বিশিষ্ট সংগীত ধাৰাৰ প্ৰচলন অব্যাহত আছে। আনকি মণিপুৰী নৃত্যৰ ওপৰত শংকৰী নৃত্য ভঙ্গিমাৰ প্ৰভাৱৰ কথা বিশেষজ্ঞসকলে ক'ব খোজে। "ৰাণী কুৰঙ্গনয়নীৰ দিনত যোৱা মৃদঙ্গীয়া গীত, গায়নৰ পৰাই অসমীয়া নৃত্য-ভঙ্গীমাই মণিপুৰী ৰূপ লৈ কালক্ৰমত সুকীয়া প্ৰসিদ্ধি লাভ কৰে", ('অসমৰ সংগীত' পৰাগ চলিহা, অসমীয়া সংস্কৃতি, অসম সাহিত্য সভা, ২০০৩)

আহোম যুগত অসমীয়া গীতি সাহিত্যৰ গতি প্ৰবাহ কিছু স্তিমিত হৈ পৰে যদিও বহুকেইজন আহোম ৰজাই গীত ৰচনাত মনোনিৱেশ কৰিছিল। জয়ধ্বজ সিংহ, ৰুদ্ৰসিংহ আৰু শিৱসিংহ ৰজাৰ ভণিতা থকা বহু গীত পোৱা গৈছে। তেওঁলোক সংগীত প্ৰেমী হোৱাৰ উপৰিও নিজেও ৰাগ-সঙ্গীতৰ চৰ্চা কৰিছিল, ৰুদ্ৰসিংহ স্বৰ্গদেৱে থলুৱা সঙ্গীতৰ উপৰিও বাহিৰৰ সঙ্গীতৰ প্ৰতি বিশেষ আকৰ্ষণ দেখুৱাইছিল। সংকীৰ্তনৰ মতে গীত গোৱা, ভাটীৰ আনন্দিৰাম মেধিৰ দলক ৰাজসভাত সম্ভাষণ জনোৱা ইত্যাদি কথাৰ সম্ভেদ ত্ৰিপুৰা বুৰঞ্জীত আছে। গুণাভিৰাম বৰুৱাই 'অসম বুৰঞ্জী'ত উল্লেখ কৰিছে যে এইখন দেশৰো এজন লোক দিল্লীলৈ গৈ পাখোৱাজ বজাবলৈ আৰু গাবলৈ শিকি আহে। ৰুদ্ৰসিংহ ৰজাৰ নিৰ্দেশিত কবিৰাজ চক্ৰবৰ্ত্তীয়ে জয়দেৱৰ 'গীতগোবিন্দ'ৰ অনুবাদ কৰে। এনেদৰে ঊনবিংশ শতিকাৰ আৰম্ভণিৰ সময়ছোৱালৈকে অসমীয়া সংগীতে পৰিবৰ্তন আৰু পৰিবৰ্দ্ধনৰ মাজেদি স্বকীয় মহিমাৰে সম্পদশালী হৈ আছিল। এফালে ইংৰাজ শাসন আৰু পাশ্চাত্য সংগীত, মিছনেৰীসকলৰ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ আৰু ধৰ্মীয় সংগীত, আনফালে বংগ সংস্কৃতিৰ অনুপ্ৰেৰণা— এই তিনিটা কাৰকৰ প্ৰভাৱে অসমীয়া থলুৱা সংগীতক একপ্ৰকাৰ চৰম আঘাত হানে। অসমীয়া ভাষা গীত ৰচনাৰ বাবে উপযুক্ত নহয়— এনে এক বদ্ধমূল ধাৰণা মানুহৰ মনত গঢ় লৈ উঠে। ঊনবিংশ শতিকাত অসমীয়া সংগীতৰ এনে বিপৰ্যয় লক্ষ্য কৰিয়েই কেইজনমান উদ্যোগী লোকে পুনৰ অসমীয়া ভাষাত অসমীয়া গীত ৰচনা কৰিবলৈ আগবাঢ়ি আহে। পোনপ্ৰথমে বঙলা গীতৰ আদৰ্শত সৃষ্টি হ'লেও পৰৱৰ্তী সময়ত থলুৱা গীতৰ সৃষ্টিৰ প্ৰেৰণাৰে অসমীয়া আধুনিক গীত ঠন ধৰি উঠিবলৈ সুবিধা পায়।

অসমীয়া আধুনিক সংগীতৰ ভিত্তি হ'ল মধ্যবিত্ত সমাজ। আধুনিক অসমীয়া লোকসংগীত আৰু ধ্ৰুপদী সংগীত দুয়োটা ধাৰাৰ পৰাই পৃথক, অৰ্থাৎ লোকসমাজ আৰু সামন্তীয় সমাজৰ মধ্যবৰ্তী অৱস্থানেই হ'ল আধুনিক সমাজ ব্যৱস্থা, সমান্তবাদ ওফৰাই পুঁজিবাদৰ উত্থানৰ লগে লগে শ্ৰম আৰু অৱসৰৰ তাৰতম্যই কৃষক, বনুৱা আৰু অভিযাত শ্ৰেণীৰ মধ্যবৰ্তী শ্ৰেণী এটাৰ জন্ম দিয়ে। এনে মধ্যবৰ্তী সমাজখনতেই আধুনিক কলা-সংস্কৃতি জন্ম হোৱাৰ পথ সূচনা হয়। বেপাৰ-বাণিজ্য, যাতায়ত, শিল্প-উদ্যোগ, প্ৰশাসনিক

কাৰ্যালয় আদিৰ সম্প্ৰসাৰণে গাঁৱৰ পৰা এচাম লোকক চহৰমুখী কৰিলে, গ্ৰাম্য আৰু নগৰীয়া সংস্কৃতিৰ সংমিশ্ৰণৰ লগতে বৃটিছসকলৰ পশ্চিমীয়া সংস্কৃতিৰ এক অপূৰ্ব সংমিশ্ৰণ ঘটিল, উনবিংশ শতিকাৰ পৰা ইংৰাজ শাসনে সমগ্ৰ ভাৰতৰ লগতে অসমৰো জীৱিকা নিৰ্বাহৰ ব্যৱস্থাবোৰ সলাই পেলালে।

মনোৰঞ্জনৰ বাবে নতুনকৈ গঠন হোৱা ক্লাৱ মঞ্চত অৰ্কেষ্ট্ৰা, চিম্ফনী, কণচাৰ্ট আদি নতুন সংগীতৰ মূৰ্চ্চনা উঠিল। মধ্যবিত্ত সমাজে এইবোৰ আকোঁৱালি ল'লে। পূৰ্বৰ যাত্ৰা, ভাওনা আদিৰ সৈতে পাশ্চাত্য কলা-সংগীতৰ মিশ্ৰণত এক নতুন ধাৰাৰ সংগীত সৃষ্টি হ'বলৈ ধৰে।

বঙ্গদেশৰ ৰবীন্দ্ৰনাথ, দ্বিজেন্দ্ৰলালৰ লগতে নজৰুল ইছলামৰ সংগীতৰ দৰে অসমতো বাস্তৱমুখী অসমীয়া সংগীতৰ সৃষ্টি হয়। এচাম জাতীয়প্ৰেমী লোকৰ সামূহিক প্ৰচেষ্টাত অসমীয়া সংগীতে ঠন ধৰি উঠিবলৈ সুবিধা পায়। নাটক, নাট্যমঞ্চ, গ্ৰামফোন ৰেকৰ্ড, বোলছবি, আকাশবাণী, দূৰদৰ্শন, কেছেট, ভি.চি.ডি আদি ইলেক্ট্ৰ'নিক মাধ্যমসমূহে আধুনিক সংগীতৰ প্ৰচাৰ অধিক জনমুখী কৰাত অৰিহণা আগবঢ়ায়। আলোচনাৰ সুবিধাৰ বাবে আধুনিক অসমীয়া সংগীতক তলত দিয়া ধৰণে তিনিটা স্তৰত বিভাজন কৰা হৈছে—

(১) আধুনিক গীতি সাহিত্যৰ প্ৰথম স্তৰ

(২) আধুনিক গীতি সাহিত্যৰ দ্বিতীয় স্তৰ

(৩) আধুনিক গীতি সাহিত্যৰ তৃতীয় স্তৰ

আধুনিক গীতি সাহিত্যৰ প্ৰথম স্তৰক 'জোনাকী' আলোচনীৰ প্ৰকাশৰ সময়লৈকে ধৰিব পাৰি। কলিকতাত পঢ়িবলৈ যোৱা ছাত্ৰসকলৰ প্ৰচেষ্টাত আধুনিক সংগীতৰ এই ধাৰাটোৰ সূচনা হয়। অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ সৈতে জড়িত লোকসকল, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁইবৰুৱা আৰু কেইজনমান উদ্যোগী লোক বিশেষকৈ বেণুধৰ ৰাজখোৱা, লক্ষ্মীৰাম বৰুৱা, কীৰ্তিনাথ শৰ্মা বৰদলৈৰ নাম উল্লেখযোগ্য। ১৯৮৩ চনত সত্যনাথ বৰাৰ 'গীতাৱলী' পুথিৰ আগলৈকে অসমীয়া গীতৰ অতিস্ত নোহোৱাৰ দৰে হৈছিলগৈ। নাটকৰ বিৰতিৰ সময়ত নানান অঙ্গী-ভঙ্গীৰে হাঁহিৰ খোৰাক যোগাবলৈ কিছুমান গীত ৰচনা কৰিছিল। গীতবোৰৰ সাহিত্যিক মূল্য নাছিল যদিও নাটকত অসমীয়া গীতৰ প্ৰয়োগৰ দিশত এনেদৰেই যাত্ৰা আৰম্ভ হৈছিল।

অসমীয়া গীতৰ প্ৰণালীৱদ্ধভাৱে চৰ্চা আৰম্ভ কৰে লক্ষীৰাম বৰুৱাই। তেওঁ উত্তৰ ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ সৈতে অসমীয়া থলুৱা সুৰৰ সংমিশ্ৰণত আধুনিক গীতৰ এটা স্বকীয় ধাৰাৰ সূচনা কৰে। 'সংগীতকোষ'(১৯০৯) আৰু 'সংগীত সাধনা'(১৯১০) তেওঁৰ দুখন গীতৰ পুথি, এই দুয়োখন গীতৰ পুথিয়ে অসমীয়া সঙ্গীতক সমৃদ্ধ কৰিছে। ভকতৰাম চৌধুৰীৰ 'প্ৰণয় গান'(১৯০৩), বেণুধৰ ৰাজখোৱাৰ বাঁহী(১৯০৬), দুৰ্লভচন্দ্ৰ দাসৰ 'দুৰ্লভ প্ৰেম সঙ্গীত'(১৯২৬), পদ্মধৰ চলিহাৰ ফুলনি(১৯১৬) ৰচনাৰে অসমীয়া সঙ্গীতক ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। এওঁলোকৰ পৰৱৰ্তী কালত অম্বিকাগিৰি ৰায়চৌধুৰীয়ে স্বদেশ প্ৰেমমূলক গীত ৰচনা কৰে। এওঁক অসমীয়া আধুনিক গীতৰ প্ৰথম স্তৰৰ এজন সাৰ্থক গীতিকাৰ বুলি কোৱা হয়। সুক্ষ্ম সাঙ্গীতিক চেতনা আৰু শব্দৰ ওজস্বিতাৰে চৌধুৰীয়ে বহু জনপ্ৰিয় গীত ৰচনা কৰি গৈছে। ৰায়চৌধুৰীৰ "আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট নৰনাৰায়ণ ৰূপ" গীতটো ভাবৰ গাম্ভীৰ্য, ছন্দৰ লালিত্য আৰু সুৰৰ গতিময়তাৰ কাৰণে আজিও চিৰ নতুন হৈ আছে। থলুৱা সুৰৰ পৰীক্ষা-নিৰীক্ষাৰে ৰচনা কৰা ৰায়চৌধুৰীৰ আন এটা গীত হ'ল "শুনিবি ভাই দেশৰ কথা কওঁ"— যিটো গীতত দেহবিচাৰৰ গীতৰ সুৰৰ আমেজ বিচাৰি পোৱা যায়। উমেশ চন্দ্ৰ চৌধাৰীয়ে 'প্ৰতিধ্বনি'(১৯৩৯), মন্দাকিনী(১৯৪০) আদি গীতৰ পুথিৰ যোগেদি অসমীয়া গীতৰ প্ৰতি আকৰ্ষণ বঢ়াবলৈ সক্ষম হৈছিল। ঈন্দ্ৰেশ্বৰ বৰঠাকুৰৰ 'গীতালি' হাতেলিখা গীতৰ পুথি। কীৰ্তিনাথ শৰ্মা বৰদলৈ আৰু পুত্ৰ মুক্তিৰাম বৰদলৈয়ে যুটীয়াভাৱে 'লুইত কোঁৱৰ', 'বাসন্তীৰ অভিযান', 'সুৰ বিজয়', 'মেঘাৱলী' আদি সংগীতালক্ষ নিৰ্মাণৰ যোগেদি অসমীয়া গীতি সাহিত্যত এক নতুন পৰিমণ্ডল তৈয়াৰ কৰিছিল 'কামৰূপীয় সংগীত'(১৯৩৭) আৰু 'সুৰ পৰিচয়'( ১৯২৮) কীৰ্তিনাথ শৰ্মা বৰদলৈৰ দুখন গৱেষণামূলক সংগীতৰ গ্ৰন্থ।

কমলানন্দ ভট্টাচাৰ্য 'বাউলী' কবিৰূপে খ্যাত। তেওঁৰ 'বাউলী'(১৯২৮) চনত প্ৰকাশিত গীতৰ পুথি। 'বিয়াল্লিছৰ শ্বহীদ' আৰু 'নাৰবীয়াৰ সুৰ' তেওঁৰ আন দুখন গীতৰ পুথি। ১৯৩৪-৩৫ চনত কমলানন্দই 'চেনোলা' কোম্পানীত চাৰিটা

গীত ৰেকৰ্ডিং কৰিছিল। "বিলত তিৰে বিৰাই পদুমৰ পাহি ঐ" গীতটো আজিও অসমীয়া সংগীতৰ জনপ্ৰিয় গীতসমূহৰ মাজৰ এটি মনপৰশা গীত। এই গীতটোৰ ভূয়সী প্ৰশংসাৰে বেজবৰুৱাই বাঁহীত লিখিছিল 'এই গানটোকে ৰচনা কৰি হাত সাৰটি বহি থাকিলহেঁতেন, তেনেহ'লেও তেওঁক অসমীয়াই পাহৰিব নোৱাৰিলেহেঁতেন(বাহী, সম্পাদনা, লক্ষ্মীনাথ তামুলী,২০০৪) তেওঁৰ আন কেইটামান জনপ্ৰিয় গীত হ'ল "চৰাই হালধীয়া", 'ৰৈ ৰৈ কেতেকী বিনা অ', উটিযা সোণালী ভুৰ, 'কাৰ অধৰৰ হেঙুলেৰে' ইত্যাদি। এনেদৰে নিভাঁজ অসমীয়া গীত-মাতেৰে আধুনিক অসমীয়া সংগীতক প্ৰতিষ্ঠা কৰিবলৈ এই স্তৰৰ সংগীত সাধকসকলে অহোপুৰুষাৰ্থ কৰে।

প্ৰাক স্বাধীনতাৰ সময়ৰ পৰা একবিংশ শতিকাৰ প্ৰথমভাগলৈ অসমীয়া গীতি সাহিত্যৰ দ্বিতীয় স্তৰ। আধুনিক অসমীয়া গীতৰ এই স্তৰত জাতীয় প্ৰেম, মানৱতাবাদ আৰু গণতান্ত্ৰিক চেতনাৰে সমৃদ্ধ কৰি থলুৱা সুৰ, তাল, মান, লয়ৰ সৈতে পশ্চিমীয়া সঙ্গীতৰ সুষম সমাহাৰ ঘটে। বিশ্বৰ অন্যান্য ঠাইৰ সঙ্গীতৰ সৈতে ফেৰ মাৰিব পৰাকৈ অসমীয়া সঙ্গীতক সজাই- পৰাই তোলা হয়। এই স্তৰৰ সঙ্গীতলৈ অৱদান আগবঢ়োৱা সকলৰ ভিতৰত জ্যোতিপ্ৰসাদৰ নামেই প্ৰথমে মনলৈ আহে। বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতীপ্ৰসাদ, ৰুদ্ৰ বৰুৱা, দৰ্পনাথ শৰ্মা, নবীনচন্দ্ৰ বৰদলৈ, মিত্ৰদেৱ মহন্ত, ভূপেন হাজৰিকা আদিয়ে অসমীয়া সঙ্গীতক পূৰ্ণাংগ ৰূপ দিবলৈ সক্ষম হয়। লোক সঙ্গীতৰ থলুৱা উপাদানবোৰক আধুনিক গীতত আৰোপ কৰি অসমীয়া সত্তা জুৰি দিয়া হৈছিল। জ্যোতিপ্ৰসাদ আগৰৱালাই নাটক, কথাছবিৰ যোগেদি লক্ষ্মীনাথ বেজবৰুৱাৰ গীতক যথাযথ মৰ্যদা প্ৰদান কৰি থৈ গৈছে। মিত্ৰদেৱ মহন্তৰ 'চিৰচেনেহী মোৰ ভাষা জননী', নবীনচন্দ্ৰ বৰদলৈৰ 'শ্যাম বৰণীয়া অসম আই ধুনীয়া' দুটি চিৰযুগমীয়া গীত। বাদ্যযন্ত্ৰৰো সফল পৰীক্ষণ এইবোৰ গীততে হৈছিল। বিষ্ণুপ্ৰসাদ ৰাভাই শাস্ত্ৰীয় সঙ্গীতৰ পদ্ধতিৰে আৰু আনন্দিৰাম দাসে লোকজীৱনৰ পৰা সমল সংগ্ৰহ কৰি অসমীয়া গীতক সমৃদ্ধ কৰি থৈ গৈছে। ভূপেন হাজৰিকাই অসমীয়া গীতক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। মানৱ প্ৰেম, জাতীয় প্ৰেমৰ উপৰিও পাহাৰ ভৈয়াম, একাকাৰ কৰি গোৱা সমন্বয়ৰ গীতবোৰে সমগ্ৰ বিশ্বৰ দিগন্ত কঁপাবলৈ সক্ষম হৈছিল, অসমীয়া লোকসংগীতক ভাৰতীয়কৰণ আৰু বিশ্বমুখী কৰাৰ মানসেৰে বহুকেইখন চিনেমাৰ জৰিয়তে পৰীক্ষা নিৰীক্ষাৰ সূচনা এইস্তৰতে হৈছিল। গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, পাৰ্বতীপ্ৰসাদ, ভূপেন হাজৰিকাৰ গীতবোৰৰ উপৰিও ৰুদ্ৰ বৰুৱাৰ গীত, কেশৱ মহন্তৰ 'কাউৰী পৰে', নৱকান্ত বৰুৱাৰ 'আকাশ আমাক অকণি আকাশ দিয়া, পদ্ম বৰকটকীৰ 'ধুনীয়া ধাননিৰ ধানে হালধীয়া' তফজ্জুল আলিৰ 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই', সুৰ্য দাসৰ 'মানুহ দেখিছোঁ আজি বহুত মানুহ' ইত্যাদি বহু উচ্চস্তৰৰ গীতে অসমীয়া সঙ্গীতক সমৃদ্ধিশালী কৰি থৈ গৈছে।

আকাশবাণী গুৱাহাটী, ডিব্ৰুগড় কেন্দ্ৰত বাণীবদ্ধ হোৱা বহুসংখ্যক জনপ্ৰিয় গীতে অসমীয়া সঙ্গীতক পূৰ্ণাংগ ৰূপ প্ৰদানত সহায় কৰিলে। আকাশবাণীৰ কণ্ঠশিল্পীসকলৰ থোৰতে নাম হ'বলৈ হ'লে ভূপেন হাজৰিকা, দীপালি বৰঠাকুৰ, জয়ন্ত হাজৰিকা, বীৰেন্দ্ৰনাথ দত্ত, জ্যোতিষ ভট্টাচাৰ্য, মিহিৰ বৰদলৈ, বীণা ভাগৱতী, লক্ষহীৰা দাস, বীণা দাস মান্না, কুল বৰুৱা, সূৰ্য দাস, দিলীপ চৌধুৰী, পুলক বেৰ্নাজী, চাৰু গোহাঁই, ৰিদীপ দত্ত, মুনীন দত্ত, নীলিমা খাতুন, মিতালী চৌধুৰী, পাৰবীন চুলতানা, নিৰ্মলা মিশ্ৰ, সুমন কল্যান পুৰ, অনিমা চক্ৰবৰ্তী, অনিমা ভট্টাচাৰ্য, অনিমা চৌধুৰী, বিউতি শৰ্মা বৰুৱা, মন্দিৰা শৰ্মা লাহিড়ী, ৰঞ্জু হাজৰিকা, শান্তা উজীৰ, মৃদুলা দাস, আৰতি মুখাৰ্জী, সন্ধ্যামেনন, উপেন কাকতি, মালবিকা ৰৰা, মিনু বৰুৱা, দশৰথ দাস, হেমেন দাস, মনীষা হাজৰিকা, সমৰ হাজৰিকা, জ্যোতিকা ভূঞা, অৰ্চনা মহন্ত, ৰুণুমী ঠাকুৰ, ভৱেশ ঠাকুৰ, সান্ত্বনা বৰুৱা, দুৰ্গাময়ী ৰৰা, জিতেন ডেকা, লোকনাথ গোস্বামী, নমিতা ভট্টাচাৰ্য, বৈকুণ্ঠ নাথ গগৈ, পাহাৰী দাস, মহানন্দ মজিন্দাৰ বৰুৱা, দ্বীপেন বৰুৱা, কুকিলা গোস্বামী, মঞ্জুমালা শৰ্মা, মমতা বৰঠাকুৰ, কল্পনা ভাগৱতী ভট্টাচাৰ্য, ৰুণজুন ফুকন, লীনা বেজবৰা, চন্দন দাস, ৰাজেন গোহাঁই, চৈয়দ ছাদুল্লা, ৰাণী দাস, ৰাণু বৈশ্য, ৰিমা দাস, ৰীতা বৰুৱা, ৰিজুৱানা চুলতানা আহমেদ, ৰুবী সিংহ, শিৱচৰণ দাস, শিবানী দত্ত, দিলাপ দাস, অঞ্জুদেৱী, কল্পনা বৰুৱা সেনগুপ্তা ইত্যাদি।

গীতিকাৰসকলৰ নাম নোলোৱাকৈ গীতৰ কথা ক'বলৈ যোৱাটো অসম্পূৰ্ণ। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, পাৰ্বতীপ্ৰসাদ,

ভূপেন হাজৰিকা আদি স্বনামধন্য সঙ্গীতজ্ঞসকলৰ উপৰিও নলিনীবালা দেৱী, নিৰ্মলপ্ৰভা বৰদলৈ, জয়ন্ত বৰুৱা, কমল হাজৰিকা, ফণী তালুকদাৰ, ক্ষীৰদাকান্ত বৰুৱা, নৰকান্ত বৰুৱা, লক্ষহীৰা দাস, হীৰেণ ভট্টাচাৰ্য, নৱ বৰুৱা, কেশৱ মহন্ত, মলিন বৰা, অনুৰাধা দাস, হেমেন হাজৰিকা, সতীশ দাস, মুকুল বৰুৱা, আব্দুল মালিক, ইউচুফ হাজৰিকা, নগেন বৰা, ৰত্ন ওজা, হেমন্ত গোস্বামী, আলিমুন্নিছা পিয়াৰ, এলি আহমেদ, নুৰুল হক, কেশৱ দত্ত, জিতুশৰ্মা, ভৱেন্দ্ৰনাথ শইকীয়া, অমিত চৰকাৰ, মনোৰঞ্জন বৰুৱা, উপেন কাকতি, প্ৰদীপ শৰ্মা, সন্ধ্যা দেৱী, ভবেন বৰঠাকুৰ, প্ৰশান্ত বৰদলৈ, নলিনীৰঞ্জন বৰঠাকুৰ, হেমন্ত দত্ত, সবীৰ মুখাৰ্জী, গুণীন ৰাজখোৱা, নিত্যা দত্ত, লীলা গগৈ, বিৰিঞ্চি কুমাৰ মেধি, দ্বিজেন্দ্ৰমোহন শৰ্মা, অশ্বিনী বৰা, গুণমণি বৰা, মায়াশ্ৰী বৰকটকী, পৰেশ মল্ল বৰুৱা, ৰজনী হাজৰিকা, চৈয়দ ছাদুল্লা, দীনেশ বৈশ্য, নলীনি কুমাৰ চৌধুৰী, চাৰু গোহাঁই, প্ৰদীপ দহোতীয়া, বাবুল দাস, সূৰ্য কুমাৰ ৰাজা, ইন্দ্ৰকুমাৰ বৰগোহাঁই, কপিল ঠাকুৰ, ৰুবী সিংহ, কৰবী ডেকা হাজৰিকা, মনোৰমা বৰগোহাঁই, গীতা হাতী কাকতি, লোকনাথ গোস্বামী, ছবিন মেধি, সূৰ্য্য ভাগবতী, শিৱপ্ৰসাদ বৰুৱা আদি গীতিকাৰে বহুত সুন্দৰ সুন্দৰ গীতিকবিতা উপহাৰ দি থৈ গৈছে। গীত ৰচনাৰ দক্ষতা থাকিলেহে একোটা গীতত প্ৰাণসঞ্চাৰ হ'বলৈ সুবিধা হয়।

আশীৰ দশকত প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণে যি পৰিবৰ্তন আনিলে, তাৰ ফলস্বৰূপে গ্ৰামোফোন ৰেকৰ্ডৰ বজাৰখন প্ৰায় বন্ধ হৈ পৰিবলৈ ধৰে। আশীৰ দশকৰ শেহলৈ গুৱাহাটীত দুটামান ব্যক্তিগত ষ্টুডিঅ'হে থাকিলগৈ। জ্যোতিচিত্ৰবনৰ অৱস্থা বেয়াৰ ফাললৈ পোনালে। গুৱাহাটীৰ এইচ.এম.ভি ৰ ষ্টুডিঅ' বন্ধ কৰা হ'ল। এই সময়ছোৱাতে বজাৰত কেছেটৰ পয়োভৰ ঘটিল। বহুশিল্পীয়ে কেছেটৰ মাধ্যমেদি প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ল। জিতুল সোনোৱাল, মুনমী বৰা, জুবিন গাৰ্গ, অংগৰাগ মহন্ত, সংগীতা বৰঠাকুৰ, সংগীতা কাকতি, মনজোৎস্না মহন্ত, মধুমতী গোস্বামী, মনোৰঞ্জন গগৈ, মৃদুস্মিতা ভট্টাচাৰ্য, ময়ূখ হাজৰিকা, অপূৰ্ব বেজবৰুৱা, বিজয় ভুঞা, মহেন্দ্ৰ হাজৰিকা, জে.পি.দাস, পঙ্কজ বৰদলৈ, তৰালি শৰ্মা, দীপা গোস্বামী, বনদীপা হাজৰিকা, কুইন দাস, অনুপম শইকীয়া,অনুপ শৰ্মা, মানস ৰবীন ইত্যাদি। অৱশ্যে ৰেকৰ্ড কেছেটত গীত বাণীবদ্ধ নকৰাকৈয়ে অসমৰ চুকে কোণে বহু প্ৰতিভাবান শিল্পীয়ে নিজৰ নিজৰ অঞ্চলতে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ল। অসমৰ সৰু-বৰ নগৰে চহৰে বহু সংগীত বিদ্যালয়ে আনুষ্ঠানিক সংগীত শিক্ষা প্ৰদান কৰি শাস্ত্ৰীয় সংগীৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাত বিশেষ ভূমিকা লৈ আহিছে। এনেদৰেও আশী-নব্বৈৰ দশকত অসমত ব্যাপক হাৰত সংগীতৰ চৰ্চা অব্যাহত আছিল।

কেছেটৰ বজাৰখনো বহুদিন নচলিল। চি.ডি. এলবাম ওলাল, সেইবোৰো বহুদিন নচলিল। ব্যক্তিগত খণ্ডৰ ৰঙীণ টি.ভি চেনেলবোৰে আকাশবাণীৰ দ্বাৰা প্ৰচাৰিত গীতৰ শ্ৰোতাৰ সংখ্যা হ্ৰাস কৰিলে। কম্পিউটাৰত গীত শুনাৰ আৰু চোৱাৰ ব্যৱস্থা আহিল। ইয়াৰ পিছতো 'এপ'ৰ যোগেদি গীত ডাউনল'ড কৰি পেন ড্ৰাইভৰ সহায়ত গীত ইনষ্টল কৰাৰ ব্যৱস্থা ওলাল। ইউ টিউব, ফেচ বুক, ইনষ্টাগ্ৰামত, ষ্টাৰ মেকাৰত গীত গোৱাৰ সুবিধা হ'ল, এনেদৰে প্ৰযুক্তিৰ দ্ৰুত উন্নয়নে সংগীতৰ জগতখনকো প্ৰভাৱিত কৰি থাকিল।

একবিংশ শতিকাত সংগীত কেৱল মানুহৰ অন্তৰৰ বস্তু হৈ থকা নাই। গীতৰ পৰিবেশন চাবৰ বাবে, উপভোগৰ বাবে সাজোন-কাচোন আৰম্ভ হ'ল। সমাজ পৰিবৰ্তনৰ লগে লগে মানুহৰ ৰুচিৰ পৰিবৰ্তন ঘটিল। ক্ষন্তেকীয়া জনপ্ৰিয়তাই সংগীতক বাণিজ্যিকৰণ কৰাৰ পথ প্ৰশস্ত কৰিলে। যিসকলে ব্যৱসায়িক ভিত্তিত প্ৰতিষ্ঠিত হ'বলৈ ইচ্ছা নকৰিলে তেওঁলোকৰ জনপ্ৰিয়তা কমি আহিল। বহুজনৰ কণ্ঠ ৰুদ্ধ হ'ল, নৱপ্ৰজন্মৰ মাজত সংগীত সাধনাতকৈ গ্লেমাৰৰ জড়িয়তে পেছাদাৰী দিশটোক বেছি গুৰুত্ব দিয়া দেখা গ'ল। দৰাচলতে সঙ্গীতৰ বাবে স্বৰ সাধনা, শব্দ সাধনা, সুৰ সাধনাৰ লগতে ঐতিহ্যপ্ৰীতি, সামাজিক দায়িত্ববোধ প্ৰতিটো দিশেই অতি গুৰুত্বপূৰ্ণ।

আধুনিক গীতৰ তৃতীয় স্তৰ বা সাম্প্ৰতিক কালত দেখা গৈছে বিশ্বায়নে কলা-সাহিত্য-সংস্কৃতি সকলোতে প্ৰভাৱ পেলাইছে। সংগীতৰ জগতখনতো পৃথিৱীৰ বিভিন্ন গীত-বাদ্যৰ সংমিশ্ৰণ ঘটিছে। পশ্চিমীয়া বাদ্যযন্ত্ৰৰ নিৰ্ভৰশীলতা বাঢ়িছে। ফিউজন হৈছে। গায়ক-গায়িকা বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সকলো দিশতে প্ৰতিযোগিতা, অথচ তাৰ মাজতো বহু গায়ক গায়িকাই মূল সূতিৰ পৰা আঁতৰি

নোযোৱাকৈ সঙ্গীতৰ জগতখনলৈ অহা প্ৰতিযোগিতাত সতৰ্কতাৰে খোজ দিবলৈ প্ৰয়াস কৰি সফল হৈছে। এইসকলৰ ভিতৰত ৰূপম ভূঞা, সুবাসনা দত্ত, তৃষ্ণা দেৱী, অনিন্দিতা পাল, পৰিণীতা বৰঠাকুৰ, জুবলি বৰুৱা, ৰূপজ্যোতি দেৱী, নিৰ্মালি দাস, মিতালী দে, প্ৰণামিকা গোস্বামী, পদ্মনাভ বৰদলৈ, নীলাক্ষি চাংকাকতি, বৰ্ণালী কলিতা, সীমান্ত শেখৰ, বিপিন চাউদাং, প্ৰিয়ঙ্কা ভৰালী, গায়ত্ৰী হাজৰিকা, দিক্ষু, বিদ্যাসাগৰ বড়া, মৌচম গগৈ, বিপুল কাঠাৰ ইত্যাদি। অতি সম্প্ৰতি নাহিদ আফ্ৰিন, আৰিয়ন হাজৰিকা, ঋষভ দত্ত, বন্দিতা বৰুৱা, হৰ্ষিতা ভট্টাচাৰ্য, বিস্তীৰ্ণা গগৈ, বিতোপন বৰা আদি বহুকেউজন সম্ভাৱনাপূৰ্ণ নতুন শিল্পী ওলাই আহিছে। ই আমাৰ সংগীতৰ জগতখনৰ বাবে এক আশাৰ বতৰা। অসমীয়া আধুনিক সঙ্গীত নৱপ্ৰজন্মৰ মাজত চিৰযুগমীয়া হৈ থাকক, তেওঁলোকৰ গীতৰ যোগেদি অসমীয়া সঙ্গীতৰ সুকীয়া সত্তা যাউতিযুগীয়া হৈ ৰওক।

**গ্ৰন্থপঞ্জী**


(১) দত্ত, ড° বীৰেন্দ্ৰনাথ - 'অসমীয়া সংগীতৰ ঐতিহ্য', অসম সাহিত্য সভা, ২০১৭

(২) গোস্বামী লোকনাথ - 'অসমীয়া আধুনিক সঙ্গীতৰ ইতিহাস', ২০১৬ , গুৱাহাটী- ১

(৩) শৰ্মা, ড° হেমন্তকুমাৰ - 'অসমীয়া সাহিত্যত দৃষ্টিপাত' ২০১২, গুৱাহাটী

(৪) নেওগ, হৰিপ্ৰসাদ (সম্পাদিত) অসমীয়া সংস্কৃতি, অসম সাহিত্য সভা,২০০৩ গগৈ, লীলা

(৫) শৰ্মা, ড° নবীনচন্দ্ৰ - অসমৰ সংস্কৃতি সমীক্ষা(সম্পা.) অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০০

(৬) গোস্বামী, প্ৰকাশ সম্পাদিত - অসমীয়া প্ৰবন্ধ চয়ন, অসম সাহিত্য সভা, ১৯৯২

(৭) বৰুৱা, গুণাভিৰাম - 'অসম বুৰঞ্জী' ২০১২

(৮) নেওগ, মহেশ্বৰ - অসমীয়া সাহিত্যৰ ৰূপৰেখা ২০১০

(৯) বিৰিঞ্চি কুমাৰ বৰুৱা - অসমৰ লোক সংস্কৃতি, ১৯৬৭

(১০) মহন্ত, ড° জুনু - পৰাগ চলিহা, ২০২২

(১১) ভূঞা, সূৰ্যকুমাৰ- ত্ৰিপুৰা বুৰঞ্জী, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম, ১৯৩৮

# ডিব্ৰুগড়ৰ বাঙালী সমাজ

ড° ৰীতা পোদ্দাৰ
অধ্যাপিকা, বাংলা বিভাগ, ডি.হ.সু. কানৈ মহাবিদ্যালয়

অসমৰ পূৰ্ব সীমান্তত অৱস্থিত তদানীন্তন ঊনবিংশ শতিকাৰ লক্ষীমপুৰ জিলাৰ প্ৰধান চহৰ ডিব্ৰুগড়ত বাঙালী জাতিৰ অৱস্থানৰ ডেৰশ-দুশ বছৰৰ ইতিহাসৰ এটি চিত্ৰ অঙ্কনেই এই প্ৰবন্ধটোৰ উদ্দেশ্য। এই ক্ষেত্ৰত বিভিন্ন পত্ৰ-পত্ৰিকাৰ সহায়ত প্ৰকাশিত প্ৰবন্ধটো লিখাৰ প্ৰয়াস কৰিছোঁ।

১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ডিচেম্বৰ তাৰিখত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে ইংৰাজ সেনাপতি হেমিল্টন ডেট্স চাহাবে এই দেশখন কোম্পানীৰ শাসনৰ অধীনলৈ আনে।

ডিব্ৰুগড়ৰ বাঙালীৰ ইতিহাস লিখাৰ পূৰ্বত ইয়াৰ ভৌগোলিক অৱস্থানৰ বিষয়ে অলপ জানি লওঁ। ২৭°, ২৮° উঃ আৰু ৩৪°, ৩৫° পূৰ অক্ষাংশত সমুদ্ৰপৃষ্ঠৰ পৰা ৩৪২ ফুট উচ্চত অৱস্থিত মনোৰম এই ডিব্ৰুগড় চহৰ। আজিৰ ডিব্ৰুগড়, অতীতৰ সমগ্ৰ অঞ্চলটোৱে চুতীয়া ৰাজ্যৰ অৰ্ন্তভুক্ত আছিল। আহোমসকল এই অঞ্চল অধিকাৰ কৰি ডিব্ৰু নদীৰ পাৰত দুৰ্গ নিৰ্মাণ কৰে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মটকসকলে এই অঞ্চলটো আহোমৰ পৰা কাঢ়ি লয়। মটকসকল বিতাড়িত কৰি ইংৰাজসকল ডিব্ৰু এলেকা দখল কৰি ১৯৪৭ চনলৈকে নিজৰ দখলত ৰাখে। চুতীয়া, মটক আৰু উত্তৰে অৰুণাচলীহঁত আক্ৰমণৰ পৰা এই চহৰক ৰক্ষা কৰাৰ বাবে ইংৰাজবিলাকে ডিবৰু নদীৰ কিনাৰত একেই স্থানত আৰু এটা বিৰাট গড় নিৰ্মাণ কৰি আধুনিক ডিব্ৰুগড় চহৰৰ পতন ঘটায়।

ডিব্ৰুগড়ৰ জলবায়ু প্ৰধানত শীতল আৰু মনোৰম। জুনৰ পৰা আগষ্ট — এই তিনিমাহ গ্ৰীষ্মকালীন উত্তাপ কিঞ্চিৎ তীব্ৰ হয়। মাহিলী গড় উত্তাপ আগষ্ট মাহত সৰ্বাধিক হয় আৰু জানুৱাৰী মাহত সৰ্বনিম্ন হয়। মৌচুমী বায়ুৰ প্ৰভাৱত জুন মাহৰ মধ্যভাগৰ পৰা ছেপ্তেম্বৰ মাহৰ মাজলৈকে ডিব্ৰুগড়ত প্ৰচুৰ পৰিমাণে বৰষুণ হয়। বালি আৰু বোকা মিশ্ৰিত পলসুৱা মাটিৰে গঠিত চহৰৰ মৃত্তিকা। (প্ৰচুৰ) বহুত পৰিমাণে বৰষুণ আৰু উৰ্বৰ মৃত্তিকাৰ চহৰখন উদ্ভিদৰ বাবে অনুকূল। পূৱত ঠাকুৰথান, দক্ষিণ-পশ্চিমত জামিৰা, কুমাৰণীছিগা, ডিব্ৰুগড় বিশ্ববিদ্যালয়, আইথান, উত্তৰত মাইজান, বৰবাৰীলৈ বৃহত্তৰ ডিব্ৰুগড়ৰ জনসংখ্যা চাৰি লক্ষাধিক, সংহতি সম্প্ৰীতি, মনোৰম জলবায়ু আৰু আকৰ্ষণীয় প্ৰকৃতিৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানী আৰু পাছত ইংৰাজ শাসক মহল এই ডিব্ৰুগড়ৰ প্ৰতি আকৃষ্ট হৈ পৰে। অসমৰ ৰাজধানী শ্বিলংৰ বিকল্প হিচাপে ডিব্ৰুগড়েই আছিল ইংৰাজৰ দ্বিতীয় পছন্দ। মানসকলক অসমৰ পৰা বিতাড়িত কৰি ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত ইংৰাজসকলে অসমত প্ৰৱেশ কৰে।

ইংৰাজসকলে ১৮২৩ চনত শদিয়া অঞ্চলত চাহ গছ আৱিস্কাৰ কৰিছিল। তেওঁলোকে উপলব্ধি কৰিছিল

সম্ভাৱনাপূৰ্ণ সম্পদ এই চাহ খেতিৰ বাবে এই অঞ্চলৰ মাটি অতি উপযোগী। ডিব্ৰুগড়ৰ পূৱ দিশত প্ৰায় ৩২ কিঃমিঃ দূৰত্বত থকা চাবুৱা অঞ্চলত ইংৰাজসকল চাহ খেতিৰ বাবে উপযুক্ত মাটি বিচাৰি পায়। ক্ৰমে ইয়াৰ ওচৰে-পাজৰে বহু সংখ্যক চাহ বাগিচা গঢ় লৈ উঠিল। ক্ৰমে ক্ৰমে ১৮৩৯ চনত 'আসাম কোম্পানী' গঠিত হয় আৰু ১৮৫৯ খ্ৰীষ্টাব্দত যোৰহাট টি কোম্পানী গঠিত হয়। এই দুটা কোম্পানী অসমৰ বিভিন্ন ঠাইত চাহ বাগিচা খুলিবলৈ লয়।

ঊনৈশ শতিকাত ডিব্ৰুগড় চহৰৰ লগতে সমগ্ৰ লক্ষীমপুৰ জিলাত জনসংখ্যা বহুত কম আছিল আৰু অধিকাংশ মানুহেই নিতান্ত দৰিদ্ৰ আছিল। কাৰণ হিচাপে বুদ্ধিজীৱিসকলৰ যেনে চিদানন্দ বৰুৱাদেৱৰ অভিমত যে ওঠৰ শতিকাত চাৰিটা মোৱামৰীয়া বিদ্ৰোহ সংঘটিত হৈছিল। তদুপৰি ১৮১৭ খ্ৰীষ্টাব্দ, ১৮১৯ আৰু ১৮২১ চনত হোৱা মানৰ আক্ৰমণৰ ফলত অসমীয়াৰ সামাজিক আৰু অৰ্থনৈতিক কাঠামো প্ৰায় সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ ফলত সংঘটিত হোৱা যুদ্ধ বিগ্ৰহত বহু মানুহৰ মৃত্যু আৰু বন্দী হোৱাৰ উপৰি অনেক লোক তেওঁলোকৰ ঘৰ-বাৰী, মাটি এৰি জংঘলত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল। তেতিয়াৰ পৰাই শস্য শ্যামলা গাঁও পৰিণত হৈছিল এক পৰিত্যক্ত স্থানত। এই পৰিত্যক্ত হেজাৰ হেজাৰ একৰ মাটিক ব্ৰিটিছ শাসকসকলে চাহ বাগিচা খুলিবৰ বাবে দীৰ্ঘম্যাদী 'লীজ'ত দান কৰিছিল।

ইংৰাজসকলে চাহ উৎপাদন শিল্পৰ প্ৰয়োজনত থলুৱা মানুহক নাপাই দেশৰ বিভিন্ন অঞ্চলৰ পৰা বহু বনুৱা আৰু কৰ্মচাৰীক ইয়ালৈ আনিছিল। ইয়াৰ উপৰিও চাহ শিল্পক কেন্দ্ৰ কৰি গঢ় লৈ উঠা ব্যৱসায় বাণিজ্যৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা মানুহ ইয়ালৈ আহি নিগাজিকৈ বসবাস কৰিবলৈ লয় আৰু ইয়াৰ স্থানীয় বাসিন্দা হৈ পৰে।

এই কথা বহু চৰ্চিত যে ইংৰাজী ভাষাত শিক্ষিত বাঙালীসকল ইংৰাজৰ লগত অসমলৈ আহিছিল। ব্ৰিটিছসকলক ৰাজকাৰ্য্যত সহায়তাৰ বাবে অৱশ্যে অসমত বাঙালীসকলৰ আগমণ ঘটে। ইয়াৰ বহু পূৰ্বতে প্ৰবন্ধিক দেৱৰঞ্জন ধৰৰ প্ৰবন্ধৰ পৰা জনা যায় যে অসমত বাঙালীসকলৰ আগমণৰ ঐতিহাসিক তথ্য পোৱা যায় বাঁকুড়াৰ ৰজা মহেন্দ্ৰ বৰ্মাৰ সময়ৰ পৰা, মহাভূতি বৰ্মাৰ (৫৫৬-৫৬০ খ্ৰীষ্টাব্দ) সময়ৰ পৰাই বঙ্গদেশৰ পৰা শিক্ষিত, উচ্চ মেধাসম্পন্ন কিছুমান বিশেষ ব্যক্তিক কামৰূপলৈ অহা হৈছিল। মহাৰাজ ৰুদ্ৰসিংহৰ দিনত ৰাজকাৰ্যত সহায়তাৰ বাবে অসমত বাঙালীৰ প্ৰব্ৰজন ঘটিছিল। কিন্তু ১৮২৬ চনত ইংৰাজ অধিকাৰ হোৱাৰ পিছত শাসন কাৰ্য্যত সুবিধাৰ বাবে ইংৰাজী ভাষাত শিক্ষিত বাঙালী অসমলৈ অহা হৈছিল। ইয়াৰ উপৰিও দেশ বিভাজনৰ ফলত এক বৃহৎ সংখ্যক বাঙালীৰ প্ৰব্ৰজন ঘটে এই অঞ্চলত।

যোগাযোগৰ মাধ্যম হিচাপে একমাত্ৰ ব্ৰহ্মপুত্ৰৰ ওপৰেদি কলকাতা আৰু চট্টগ্ৰামলৈকে নাওঁ চলাচল আছিল। কাৰণ ১৮৭৬ চনলৈকে বৰ্তমানৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ নামৰ পৰিচিত ৰাস্তাটো গুৱাহাটীৰপৰা ডিব্ৰুগড়লৈকে পকীপথ নাছিল। ১৮৪০ চনত ডিব্ৰুগড়ৰ লগত চট্টগ্ৰাম আৰু কলকাতাৰ লগত ব্ৰহ্মপুত্ৰৰ বুকুৰেদি জাহাজ চলাচল আৰম্ভ হ'ল। এই যোগাযোগ স্বাধীনোত্তৰ কাললৈকে আছিল। চাহ, কয়লা আৰু পেট্ৰলিয়াম উদ্যোগৰ কাৰণে ডিব্ৰুগড়ৰ যোগাযোগ ব্যৱস্থা উন্নত হ'বলৈ ধৰিলে। 'আসাম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পানী' স্থাপিত হোৱাৰ পিছত ব্যৱসায়-বাণিজ্য পৰিচালনা কৰিবৰ বাবে কলিকতাৰ পৰা বহু বাঙালী লোকৰ ডিব্ৰুগড়লৈ আহে। ৰেলত যাতায়তৰ ভাড়া নূন্যতম আছিল। এনেকৈ পূৰ্ববঙ্গৰ পৰা ৰেলত চাকৰিৰ বাবে বাঙালী মানুহক উৎসাহিত কৰিছিল ইংৰাজ বণিক গোষ্ঠী, এটা সময়ত ৰেল বিভাগত নোয়াখালি আৰু চট্টগ্ৰামৰ মানুহৰ সংখ্যাধিক্য আছিল।

সেই সময়ত থলুৱা অসমীয়া মানুহ ইংৰাজী ভাষা কিছু কম জানিছিল। সেইবাবে ইংৰাজ শাসক নিয়াৰিকৈ চলোৱাৰ বাবে কিছু সংখ্যক বাঙালী মানুহক ইয়ালৈ অনাটো দৰকাৰী হৈ পৰিছিল। ইয়াৰ উপৰিও সেনা চাউনীত নানা সামগ্ৰীৰ প্ৰয়োজনৰ বাবে, চাহ বাগিচাৰ কাম-কাজৰ বাবে আৰু নানা বস্তুৰ যোগান ধৰাৰ বাবে মাৰোৱাৰী আৰু ভাৰতৰ অন্যান্য প্ৰান্তৰ মানুহৰ আগমণ ঘটিল। তেওঁলোক ইয়াত আহি ঘন হাবি কাটি বসবাস কৰিবলৈ লয়। চাহ বাগিচাসমূহ পৰিচালনা, তেল নিলামৰ পৰিচালনাৰ বাবে বহু ইউৰোপীয়ান মানুহৰ আগমণ ঘটিল। অসমত চাহপাত, তেল, কাঠ, কয়লা আৰু অন্যান্য কেঁচামাল অসমৰ পৰা বহিৰ্ৰাজ্যত পঠিওৱাৰ ব্যৱস্থা কৰিবৰ বাবে গাঁও অঞ্চলৰ ৰাস্তাঘাটও বগাবলৈ ধৰিলে।

মুষ্টিমেয় কেইজনমান মানুহৰ বাবে ইমান কাম চম্ভালিবলৈ সম্ভৱ নহব বুলি বৰ্হিৰাজ্যৰ পৰা নানা জাতিৰ মানুহ অসমত আহিবলৈ ধৰিলে। ইয়াৰ মাজত বাঙালী জাতিও আহি অসমত বসবাস কৰিবলৈ ধৰিলে। লগতে খ্ৰীষ্টান মিছনেৰীও আহিল। মূলত এওঁলোকৰ প্ৰচেষ্টাত ১৮৪০ খ্ৰীষ্টাব্দত ডিব্ৰুগড়ত ইংৰাজী শিক্ষাৰ প্ৰথমটো স্কুল স্থাপিত হ'ল। এই বিদ্যালয়ত প্ৰৱেশিকালৈকে পঢ়াৰ সুবিধা আছিল। কিন্তু প্ৰবেশিকা পৰীক্ষাত বহিবলৈ পৰীক্ষাৰ্থীসকল শিৱসাগৰলৈ যাব লাগিছিল। কাৰণ ডিব্ৰুগড়ত কোনো পৰীক্ষা কেন্দ্ৰ নাছিল। বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰামমোহন মিত্ৰৰ প্ৰচেষ্টাত কলকাতা বিশ্ববিদ্যালয়ৰ ১৮৯০ চনৰ পৰা ডিব্ৰুগড়ৰ এই স্কুলত পঢ়িছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য হৈছে-- স্বাধীনত্তোৰ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ দেৱীচৰণ বৰুৱা, পৰশুৰাম খাউণ্ড, বেণুধৰ ৰাজখোৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বহুতো।

১৮৫০ চনত অসমৰ শিক্ষা অধিকৰ্তা মিল চাহাব ডিব্ৰুগড় পৰিদৰ্শনত আহে। তেওঁ স্থানীয় ভাষা অসমীয়াক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে। আনন্দৰাম ঢেকিয়াল ফুকন প্ৰমুখ বৰেণ্য ব্যক্তিবৰ্গৰ প্ৰচেষ্টাত ১৮৭৩ চনৰ পৰা এই বিদ্যালয়ত শিক্ষাৰ মাধ্যম হয় অসমীয়া ভাষা।

ইপিনে স্থাপিত হোৱা স্কুল বিলাকত ইংৰাজী ভাষা শিক্ষাদানৰ উদ্দেশ্যে বঙ্গদেশৰ পৰা শিক্ষকসকলক লৈ আহিছিল। সেইবাবেই ডিব্ৰুগড়ত বাগচী বংশৰ পূৰ্বপুৰুষ হৰিশচন্দ্ৰ বাগচীৰ ইয়াত আগমণ ঘটে। বঙ্গদেশৰ পৰা আগত শিক্ষকসকলৰ ভিতৰত তেওঁ প্ৰথম বি.এ. পাছ কৰা শিক্ষক। তেওঁ আইনৰ ডিগ্ৰী লৈ উকিলও হৈছিল। তেওঁ কেইবছৰমান শিক্ষকতা কৰাৰ পিছত তেওঁ ডেপুটি কমিছনাৰ চাহাবৰ অনুৰোধ মৰ্মে ডিব্ৰুগড়ত ওকালতি কৰিবলৈ লয়। কাৰণ সেই সময়ত ইয়াৰ কাছাৰীত কোনো উকিল নাছিল। বাগচী ডাঙৰীয়া কিছু কাল ওকালতি কৰাৰ পিছত ঘনশ্যাম খাৰঘৰীয়া ফুকনে বেছি দিয়া 'ফুকনবাৰী' নামৰ চাহ বাগিচাখন তেওঁ এজন চাহাবৰপৰা কিনি লয়। তেওঁৰ পিছত তেওঁৰ পুত্ৰ সেই বাগিচাখনৰ দায়িত্ব লয়। ডিব্ৰুগড়ৰ বি ঘাটত তেওঁ জাহাজৰ পৰা প্ৰথমবাৰৰ বাবে ডিব্ৰুগড়ৰ মাটিত ভৰি দিছিল, য'ত তেওঁক আদৰি ল'বলৈ বহু মানুহৰ সমাগম ঘটিছিল সেই ঘাটক 'হৰিশবাবুৰ ঘাট' বুলি চিনাকি আছিল। কালক্ৰমে সেই ঘাট নদীৰ বুকুত জাহ যায়।

যিসকল বাঙালী মানুহ বিভিন্ন কামৰ দায়িত্ব লৈ বা ব্যৱসায়ৰ কামত ডিব্ৰুগড়ত আহি উপস্থিত হয় তেওঁলোক মাৰোৱাৰীপট্টিৰ পূৱফালে থিয়েটাৰ পাড়াত বসতি স্থাপন কৰে। ইয়াৰ উপৰি সমগ্ৰ ডিব্ৰুগড়ত তেওঁলোক বসবাস কৰিবলৈ লয়। তেওঁলোকৰ ভিতৰত চৰকাৰী ডাক্তৰ, উকিল, চাহ বাগিচাৰ কৰ্মচাৰী ইত্যাদি আছিল। বাণিজ্যিক কাৰণত ডিব্ৰুগড়ৰ জনসংখ্যা বৃদ্ধি পোৱাৰ ফলত কেইখনমান স্কুল স্থাপনৰ প্ৰয়োজনীয়তা দেখা দিয়ে। ইয়াত সক্ৰিয় অংশগ্ৰহণ কৰে অসমৰ খ্যাতনামা পণ্ডিত বাগ্মীবৰ নীলমণি ফুকন। ১৯১৯ চনৰ ডিচেম্বৰ মাহত পঞ্চম জৰ্জ ভাৰত ভ্ৰমণত আহিছিল। তেওঁৰ নামত নতুন স্কুলৰ নামকৰণ কৰা হয় 'জৰ্জ ইনস্টিটিউশ্যন'। পিছত ইয়াৰ নামকৰণ হয় 'বাগ্মীবৰ নীলমণি ফুকন স্কুল'। অসমৰ বিদ্যাত কবি যতীন্দ্ৰনাথ দুৱৰা, সাংবাদিক লক্ষীনাথ ফুকন এই স্কুলত শিক্ষকতা কৰি গৈছে। বিদ্যালয়ৰ ছাত্ৰসকলৰ মাজত বিৰাজ আশ্ৰমৰ বিখ্যাত পণ্ডিত আৰু প্ৰাচ্যবিদ যোগীৰাজ বসুয়ে এই স্কুলত শিক্ষা লাভ কৰিছিল।

চৰকাৰী চাকৰি আৰু চাহ বাগিচা বিলাকত চাকৰি লৈ অহা বাঙালী জনসাধাৰণক বাংলা মাধ্যমত পঢ়া লিখা কৰাৰ সুবিধা কৰি দিয়াৰ বাবে ১৯১৮ চনত 'বেঙ্গলী উচ্চ ইংৰাজী বিদ্যালয়' প্ৰতিষ্ঠিত হয়। ১৯৩৭ চনত এই নাম পৰিবৰ্তন কৰি নতুন নামাকৰণ কৰা হয় 'বঙ্গীয় উচ্চ বিদ্যালয়', ব্যৱসায়-বাণিজ্য বৃদ্ধি পোৱাৰ লগে লগে মাৰোৱাৰী সম্প্ৰদায়ৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰে। প্ৰধানত ৰামেশ্বৰ লালজী চহৰিয়াৰৰ উদ্যোগত ১৯৩৬ চনত মাৰোৱাৰী হিন্দী স্কুল গঢ় লৈ উঠে। স্বাধীনতাৰ প্ৰাক মুহূৰ্ত্তত পূৰ্ববঙ্গৰ চট্টাগ্ৰামৰ পৰা ৰেলৰ ওৱাৰ্কশ্বপ ডিব্ৰুগড়লৈ স্থানান্তৰিত কৰা হয়। সেই সময়ত হিন্দু কৰ্মচাৰীসকল অসমলৈ গুচি আহে ফলত এই অঞ্চলত জনবসতি বাঢ়ি গৈ থাকে। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে নতুন স্কুল প্ৰতিষ্ঠিত হয়। লগতে নালিয়াপুল ৰেল কলনিৰ দুৰ্গাবাড়ী প্ৰতিষ্ঠিত হয়। তাত ডিব্ৰুগড়ৰ বিভিন্ন ঠাইত দুৰ্গা পূজা পাতিবলৈ লয়। ইয়াৰ উপৰিও ১৯৫২ চনত এটা ছাত্ৰ সংগঠন গঠন কৰি বছৰৰ বিভিন্ন সময়ত সাংস্কৃতিক অনুষ্ঠানৰ মাধ্যমে ৰবীন্দ্ৰনাথ,

বিবেকানন্দ আৰু নেতাজী সুভাষচন্দ্ৰৰ জন্মদিন পালন কৰিবলৈ ধৰে। নিয়মিতভাৱে নাটক চৰ্চা কৰে তেওঁলোক অ্যামেচাৰ ক্লাব গঠন কৰি তাত নাটক কৰিবলৈ লয়। উনৈশ শতিকাৰ শেষৰ ফালে যি নৱজাগৰণ দেখা দিছিল তাৰ প্ৰভাৱ ডিব্ৰুগড় চহৰতো আহি পৰিছিল। স্ত্ৰী শিক্ষা প্ৰসাৰৰ উদ্দেশ্যত ইয়াত দুখন বালিকা বিদ্যালয় স্থাপিত হৈছিল। এখন ১৮৮৫ চনত 'গভৰ্ণমেণ্ট গাৰ্লচ হাইস্কুল', বৰ্তমান যাৰ নাম 'ডিব্ৰুগড় গভৰ্ণমেণ্ট গাৰ্লচ মালটি পাৰপাচ হায়াৰ ছেকেণ্ডাৰী স্কুল' নামত পৰিচিত। আনখন ১৮৯৭ চনত প্ৰতিষ্ঠিত ভিক্টোৰিয়া মাধ্যমিক ইংৰাজী বালিকা বিদ্যালয়।

উচ্চতৰ শিক্ষা লাভৰ উদ্দেশ্যে অসমৰ বিভিন্ন অঞ্চলত কলেজ স্থাপন কৰিবৰ বাবে সকলো ৰাইজৰ মাজত আকাংক্ষা জাগি উঠিল। কাৰণ সকলোৰে বাবে বঙ্গদেশত গৈ কলেজৰ শিক্ষাগ্ৰহণ সম্ভৱপৰ হৈ নুঠে। সেইবাবে ১৯০১ চনত গুৱাহাটীত প্ৰথম কলেজ 'কটন কলেজ' স্থাপিত হয়। দ্বিতীয় কলেজ মুৰাৰী চাঁদ কলেজ। ১৯৩০ চনত স্থাপিত হয় যোৰহাট কলেজ, যাৰ বৰ্তমান নাম জগন্নাথ বৰুৱা কলেজ। ডিব্ৰুগড়ত ড° ফণী ঘোষ, সদানন্দ দুৱৰা, অশ্বিনী চৌধুৰী আৰু কেইবাগৰাকীমান মহৎ ব্যক্তিৰ প্ৰচেষ্টাত ১৯৪৫ চনৰ ১৫ জুন তাৰিখে 'জৰ্জ ইন্সটিটিউচন' স্থাপন কৰা হয় ডিব্ৰুগড় কলেজ, ১৯৪৬ চনত এই কলেজ কলকাতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি পায়। ইয়াৰ পিছত ডিব্ৰুগড়ৰ প্ৰখ্যাত দানবীৰ হনুমান বক্স সুৰজমল কানৈৰ আৰ্থিক সহযোগিতা লাভ কৰি কলেজৰ নতুন নামাকৰণ হয় ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ। পিছত কানৈ কমাৰ্চ আৰু মনোহাৰী দেৱী কানৈ গাৰ্লচ কলেজ প্ৰতিষ্ঠিত হয়। এই কলেজৰ প্ৰথম প্ৰতিষ্ঠাতা অধ্যক্ষ আছিল ড° যোগীৰাজ বসু। তেওঁৰ পিতা আছিল সৰ্বজনশ্ৰদ্ধেয় 'বেৰী হোৱাইট' মেডিকেল কলেজৰ এছিছটেণ্ট চাৰ্জন আছিল। ইয়াৰ উপৰিও ডিব্ৰুগড়ত এখন মেডিকেল কলেজ হস্পিতেল, এখন বিশ্ববিদ্যালয় আৰু অন্যান্য বহু শিক্ষা প্ৰতিষ্ঠান গঢ় লৈ উঠি শিক্ষাৰ ক্ষেত্ৰ হিচাপে এই অঞ্চলত জনাজাত হৈ পৰে।

# আপাতানি জনগোষ্ঠী

**ড° অৰুন্ধতী ফুকন গগৈ**
প্ৰাক্তন ছাত্ৰী, নয়ডা, উত্তৰপ্ৰদেশ

পৰম্পৰাগতভাৱে চলি অহা নিজা নিজা সুকীয়া বৈশিষ্ট্যৰে প্ৰসিদ্ধ ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা অন্যান্য জনগোষ্ঠীৰ লোকসকলৰ ভিতৰত আপাতানি জনগোষ্ঠীও অন্যতম। নামনি সোৱণশিৰি জিলাৰ সদৰ আৰু অৰুণাচল প্ৰদেশৰ এখন উল্লেখযোগ্য চহৰ জিৰ' উপত্যকাক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই জনগোষ্ঠীক অৰুণাচল প্ৰদেশৰ তৃতীয় বৃহৎ জনগোষ্ঠী হিচাবে গণ্য কৰা হয়।

লিখিত ঐতিহাসিক সাক্ষ্য নহ'লেও মানুহৰ মুখে মুখে চলি অহা কিংবদন্তি অনুসৰি প্ৰায় কেইবা শ বছৰৰ পূৰ্বৰে পৰা আপাতানি জনগোষ্ঠীৰ লোকসকলে সমুদ্ৰ পৃষ্ঠৰ পৰা পাঁচ হেজাৰ পাঁচ শ আঠত্ৰিশ ফুট উচ্চতাত অৱস্থিত এই জিৰ' উপত্যকাতে স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।

জিৰ' উপত্যকাৰ প্ৰাকৃতিক সৌন্দৰ্য্য, পৰম্পৰাগতভাৱে চলি অহা পৰিৱেশ সংৰক্ষণৰ অতুলনীয় ব্যৱস্থা আৰু ধান খেতিৰ সমান্তৰালভাৱে কৰা মীন পালনৰ পদ্ধতি পৰ্য্যটকৰ লগতে বৈজ্ঞানিক সকলৰো এক বিশেষ আকৰ্ষণ।

উল্লেখযোগ্য যে কিছু দিনৰ আগেয়ে এই অঞ্চলটো ইউনেস্কু অৰ্থাৎ সংযুক্ত ৰাষ্ট্ৰৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংগঠনৰ দ্বাৰা 'ৱৰ্ল্ড হেৰিতেজ চাইট' হিচাবে পৰীক্ষামূলক ভাৱে গ্ৰহণ কৰা ঠাই সমূহৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ ফালৰপৰা খেতিৰ বাবে বিশেষভাৱে উপযোগী এই অঞ্চলৰ ভৌগোলিক অৱস্থিতিক আপাতানি জনগোষ্ঠীৰ লোকসকলে অতীজৰে পৰাই ভগৱানৰ আশীৰ্বাদ বুলি বিশ্বাস কৰি আহিছে। চাৰিওফালে পাহাৰেৰে ঘেৰি থকা উপত্যকাটো দেখিলে এনে অনুমান হয় যে পুৰণি কালত হয়তো এই ঠাই সৰোবৰৰ দৰে আছিল, সময়ৰ সোঁতত চাৰিওফালৰ পাহাৰৰ মাটি খহি খহি উৰ্বৰ উপত্যকালৈ পৰিণত হ'ল।

বাটিৰ দৰে আকাৰৰ এই উপত্যকাৰ তলিৰ সমতল অংশত খেতি কৰা হয়? সমতলৰ চাৰিওকাষে ঘেৰি থকা পাহাৰৰ মাটিখণ্ড, বিভিন্ন ধৰণৰ গছ-গছনি, চৰাই-চিৰিকতি, পশু-পক্ষীৰে ভৰা মনোৰম দৃশ্যৰ লগতে ফলমূলকে ধৰি অখণ্ড খাদ্যৰ ভঁৰাল বুলি ক'ব পাৰি। তাৰোপৰি চাৰিওকাষৰ পাহাৰৰ পৰা বৈ অহা নিজৰাৰ পানী সমতলৰ খেতিৰ বাবে বিশেষ ভাবে উপযোগী।

সেয়েহে যি সময়ত অন্যান্য জনগোষ্ঠীয় লোক সকলে জীৱন নিৰ্বাহৰ বাবে ঝুম খেতিক প্ৰাধান্য দিছিল আৰু এখন ঠাইৰ পৰা আন এখন ঠাইলৈ খাদ্যৰ সমল বিচাৰি ঘূৰি ফুৰিবলগীয়া হৈছিল, সেই সময়ত কৰ্মঠ, দূৰদৰ্শী আপাতানি লোক সকলে চাৰিওকাষৰ বাতাবৰণৰ সৈতে সংগতি ৰাখি

প্ৰকৃতিৰ এই অপূৰ্ব সৃষ্টিক সংৰক্ষণ কৰাতহে গুৰুত্ব দিছিল। যাৰ বাবে বহু শতিকা ধৰি এই উপত্যকাৰ ভৌগোলিক স্থিতিৰ বিশেষ পৰিৱৰ্তন হোৱা নাই আৰু খেতিৰ মাটিৰ উৰ্বৰতা আজিও অটুট আছে। ঝুম খেতিৰ ওপৰত নিৰ্ভৰশীলতাই বৰঞ্চ ভৱিষ্যতে জনগোষ্ঠীটোৰ অস্তিত্বৰ প্ৰতিবন্ধক ৰূপে থিয় দিব পাৰে বুলিহে তেওঁলোকৰ উপৰিপুৰুষ সকলে আশংকা কৰিছিল।

আপাতানি জনগোষ্ঠীৰ খেতি কৰা ধৰণ কিছু সুকীয়া। ধান খেতিৰ দৰাবোৰৰ চাৰিওকাষে এনেদৰে ওখকৈ ঢাপ বান্ধি দিয়া হয় যে খেতিত পানী যোগানৰ বাবে পৰ্য্যাপ্ত পৰিমাণৰ পানী এই বান্ধৰ ভিতৰত আবদ্ধ কৰি ৰখাৰ লগতে মীন পালনৰ বাবেও ব্যৱহাৰ কৰিব পাৰি। অৱশ্যে প্ৰয়োজন সাপেক্ষে এই আবদ্ধ পানী ওলাই যাব পৰাকৈ সুৰুঙাৰো ব্যৱস্থা থাকে। বৰষুণ বা নিজৰাৰ পৰা অহা পানী ওপচি পৰিলে আৰু ধান চপোৱাৰ সময়তো অতিৰিক্ত পানী ওলাই যাব পৰাকৈ এই সুৰুঙাবোৰ তৈয়াৰ কৰা হয়।

ফেব্ৰুৱাৰী মাহত সাধাৰণতে পথাৰত ধান সিঁচা হয় আৰু এপ্ৰিল মে' মাহত খেতিৰ বাবে ব্যৱহাৰ কৰা পানীতে মাছৰ পোনা মেলি দিয়া হয়। এই মাছৰ পোনাবোৰ ছেপ্তেম্বৰ মাহলৈকে যেতিয়া খাব পৰাকৈ ডাঙৰ হৈ পৰে তেতিয়া পথাৰৰ পৰা লৈ আনি দাঁতি-কাষৰীয়া অঞ্চলৰ বজাৰত বিক্ৰী কৰিব পৰা হয়। আনহাতে এই সময়খিনিত অৰ্থাৎ অক্টোবৰ মাহত খেতি চপোৱাৰো সময় হয়। খেতি চপোৱাৰ পাচত নৱেম্বৰৰ পৰা ফেব্ৰুৱাৰীলৈকে পুনৰ মীন পালনৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰে।

আপাতানি লোকসকলে খেতিৰ মাটিত ৰাসায়নিক সাৰ প্ৰয়োগৰ পৰিৱৰ্তে গৰু-গাহৰি, হাঁহ-কুকুৰা আদিৰ মল-মূত্ৰৰ বাকলি, চোকোৱা, তুঁহ গুৰি, ধান খেৰ জ্বলোৱা ছাঁই আদিৰ লগতে অপ্ৰয়োজনীয় ঘাঁহ-বনবোৰ মাজে মাজে পৰিষ্কাৰকৈ এৰালো নথকাকৈ হাতেৰে উঘালি পচন সাৰ হিচাবে ব্যৱহাৰ কৰে। ফলত একেখন পথাৰতে বাঢ়ি অহা বিভিন্ন ধৰণৰ মাছৰ ক্ষেত্ৰতো কোনো অপকাৰ নহয়।

এনেদৰে ধান খেতিৰ পৰা ফচল উৎপাদনৰ লগে লগে মাছৰ ব্যৱসায়ৰ পৰা উপৰঞ্চি ধন অৰ্জন কৰাত সহায়ক হয় আৰু সময়ৰ সৎ ব্যৱহাৰ হোৱাৰ লগতে গোটেই বছৰটোৰ বাবে এক প্ৰকাৰ মানৱ সম্পদৰ উপযুক্ত প্ৰয়োগ কৰা হয়। নিয়মিত কৰ্ম ব্যস্ততাই ঋণাত্মক চিন্তাধাৰাৰ পৰা আঁতৰাই ৰখাৰ উপৰিও জ্ঞান আহৰণতো সমল যোগায়। বিশেষকৈ মহিলা সকলৰ বাবে আত্ম নিযুক্তিকৰণৰ পথ মুকলি হয়।

বহু কেইখন ওচৰা ওচৰিকৈ অৱস্থিত গাঁৱত এই জনগোষ্ঠীৰ লোকসকল সমূহীয়াকৈ বাস কৰা দেখা যায়। তেওঁলোকৰ ঘৰবোৰ এঘৰৰ সৈতে আনঘৰ ওচৰা ওচৰিকৈ নিৰ্মাণ কৰে। কিন্তু খেতিৰ ফচল ৰাখিবলৈ তৈয়াৰ কৰা ভঁৰাল ঘৰবোৰ ওখ চাংঘৰৰ আকাৰত কিছু দূৰৈত আঁচুতীয়াকৈ সাজে। তেওঁলোকৰ মতে কেনেবাকৈ যদি থকা ঘৰত জুই লাগে, বা কোনো ধৰণৰ অঘটন ঘটে তেনে অৱস্থাত অন্ততঃ খাদ্যৰ অভাৱ নোহোৱাকৈ সকলোৱে জীয়াই থাকিব পাৰিব, তাৰ বাবে এই ব্যৱস্থা কৰা হয়।

প্ৰতিখন গাঁৱতে ঠায়ে ঠায়ে প্ৰচুৰ পৰিমাণে বাঁহবাৰী দেখিবলৈ পোৱা যায়। বাঁহ আৰু খেৰ বা টিঙেৰে তৈয়াৰ কৰা ঘৰবোৰ প্ৰায় একেধৰণেৰে সজা দেখা যায়। ওখ চাপৰ ঘৰবোৰলৈ উঠি যাব পৰাকৈ একোটা বাঁহ বা কাঠৰ সৰু খট্‌খটীৰ ব্যৱস্থা থাকে। সাধাৰণতে ঘৰবোৰ এটা দীঘল কোঠালীৰ হয় য'ত তেওঁলোকে বাচন বৰ্তনকে আদি কৰি ঘৰৰ সকলো আচ্‌বাব পৰিপাটিকৈ ৰখাৰ উপৰিও খোৱা-বোৱাৰ পৰা জিৰণি লোৱা অৰ্থাৎ পুৱাৰ পৰা সন্ধিয়ালৈকে সকলো নিত্য-নৈমিত্তিক কামবোৰ কৰে। তেওঁলোকে প্ৰকৃতিৰ সৈতে জড়িত লোক কথাৰ ওপৰত ভিত্তি কৰি বংশানুক্ৰমে চলি অহা পূজা পাৰ্বণ আদি বৰ্তমান সময়লৈকে অব্যাহত ৰখা দেখিবলৈ পোৱা যায়। ঠায়ে ঠায়ে দেখিবলৈ পোৱা বিভিন্ন প্ৰতীকবোৰৰ পৰা অনুমান কৰিব পাৰি যে তেওঁলোকে প্ৰকৃতি পূজা কৰে।

আপাতানি জনগোষ্ঠীৰ লোকসকলে উদ্‌যাপন কৰা উৎসৱৰ ভিতৰত দ্ৰী আৰু মাইঅ'ক অন্যতম। সাধাৰণতে জুলাই মাহত দ্ৰী উৎসৱ উদ্‌যাপনৰ দ্বাৰা মানৱ জাতিৰ সৰ্বতো প্ৰকাৰ উন্নতি আৰু প্ৰচুৰ পৰিমাণে ফচল উৎপাদনৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

মায়'ক' উৎসৱ মাৰ্চ মাহৰ বিশ তাৰিখৰ পৰা ত্ৰিশ তাৰিখৰ ভিতৰত দহ দিন ধৰি প্ৰতি বছৰে উদ্‌যাপন কৰা হয়। এই উৎসৱ উদ্‌যাপনৰ যোগেদি পৰিয়ালৰ লোক তথা বন্ধু-বান্ধৱৰ মাজত মৰম-চেনেহ বৃদ্ধি কৰিবলৈ, বেমাৰ-আজাৰৰ পৰা মুক্ত কৰি সুখ শান্তি বিৰাজ কৰিবলৈ আৰু

প্ৰত্যেকৰে সৌভাগ্য আৰু সকলো ফালে বিকাশ হ'বলৈ মঙ্গল কামনা কৰে।

আন এক উল্লেখযোগ্য উৎসৱ হৈছে দুহেজাৰ বাৰ চনৰ পৰা প্ৰায় প্ৰতি বছৰে অনুস্থিত হৈ অহা 'জিৰ' সঙ্গীত মহোৎসৱ। দাঁতিকাষৰীয়া সংগীত অনুৰাগী সকলৰ লগতে দূৰ-দূৰণিৰ পৰা অহা পৰ্য্যটকৰ বাবে বৰ্তমান সময়ৰ এই উৎসৱ এক বিশেষ আকৰ্ষণ। এই উৎসৱে বহু ন- ন শিল্পীক নিজৰ প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ প্ৰতিষ্ঠা কৰি অনুপ্ৰেৰণা যোগোৱাত বিশেষভাৱে সক্ষম হৈছে।

আপাতানি জনগোষ্ঠীৰ লোকসকলৰ মাজত নিজৰ স্থানীয় ভাষাৰ উপৰিও ইংৰাজী, হিন্দী আৰু অসমীয়া ভাষাৰ প্ৰচলন আছে। ঊনৈশৰ দশকত প্ৰথমবাৰৰ বাবে ইংৰাজৰ সম্পৰ্কলৈ অহাৰ পাচৰ পৰাই বৰ্হিজগতৰ সৈতে এই জনগোষ্ঠীৰ লোকসকলৰ সম্পৰ্ক গঢ়ি উঠে। এই সম্পৰ্কৰ দ্বাৰা তেওঁলোক শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত বহু পৰিমাণে সহায়ক হৈছে। দুহেজাৰ এঘাৰ চনৰ লোকপিয়ল অনুসৰি আপাতানি জনগোষ্ঠীৰ সাক্ষৰতাৰ হাৰ প্ৰায় ছয়াশী শতাংশ।

যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰতো বিশেষ সুবিধা থকাৰ বাবে আপাতানি লোকসকলে অন্য সম্প্ৰদায়ৰ লোকৰ সৈতে আনকি তিৰ্বতকে ধৰি চুবুৰীয়া অন্যান্য ৰাজ্যৰ সৈতে পুৰণি কালৰ পৰাই বেপাৰ-বাণিজ্যৰ যোগেদি বন্ধুত্বসুলভ সম্পৰ্ক স্থাপন কৰা দেখা যায়। তেতিয়াৰ সময়ত বিনিময় প্ৰথাৰ দ্বাৰা নিজৰ প্ৰয়োজনীয় সামগ্ৰীৰ আদান-প্ৰদান চলিছিল। এনে ধৰণে সংগ্ৰহ কৰা তৰোৱাল এতিয়াও আপাতানি সকলৰ ঘৰত গৌৰবেৰে সংৰক্ষণ কৰা দেখা যায়।

আপাতানি লোকসকলৰ মাজত সামাজিক আৰু ৰাজনৈতিক দিশত কম সময়ৰ ভিতৰত বহুত পৰিবৰ্তন পৰিলক্ষিত হৈছে। প্ৰায় ত্ৰিশ শতাংশ মহিলাৰ বাবে সুৰক্ষিত আসন পঞ্চায়ত ব্যৱস্থাত আছে। আৰু এই সুবিধা গ্ৰহণ কৰিবলৈ যথেষ্ট সংখ্যক মহিলা আগবাঢ়ি অহা দেখা গৈছে।

সত্তৰৰ দশকৰ আগলৈকে আপাতানি মহিলাসকলৰ বেজীৰে খুচি মুখমণ্ডলত চিত্ৰ অংকন কৰি লোৱাৰ উপৰিও নাকত বাঁহৰ নাক ঠিলা লগোৱাৰ প্ৰথা পৰম্পৰাগতভাবে চলি আহিছিল। এই প্ৰথাৰ লগত জড়িত অনেক মুখৰোচক কাহিনী শুনিবলৈ পোৱা যায় কোৱা হয় যে আপাতানি মহিলাসকল দেখিবলৈ চকুত লগাকৈ ধুনীয়া আছিল সেয়েহে মহিলা সকলক শত্ৰুৰ পৰা বচাই ৰাখিবৰ বাবে এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। কিন্তু আজিকালি আপাতানি মহিলাসকলৰ মাজত এই প্ৰথাৰ প্ৰচলন নাই।

কিছু সজাগ আপাতানি লোকৰ সৌজন্যত বেচৰকাৰী সংগঠন কিছুমানে পশু পক্ষী তৰু তৃণ আদিৰে ভৰপূৰ প্ৰাকৃতিক সৌন্দৰ্য্যক ৰক্ষণাবেক্ষণৰ ওপৰত বিশেষভাৱে কাম কৰি আহিছে। তেওঁলোকৰ তত্ত্বাৱধানত ঠায়ে ঠায়ে পৰ্যটকৰ বাবে আধুনিক সা-সুবিধা থকা জিৰণি ঘৰ নিৰ্মাণ কৰা হৈছে। লগতে এই ঘৰবোৰত সম্পূৰ্ণ আপাতানি বিধি-বিধান তথা খাদ্যৰে আপ্যায়িত কৰাৰ ব্যৱস্থা আছে। এই জিৰণি ঘৰত থাকি পৰ্য্যটক তথা বিশেষজ্ঞ সকলে একেবাৰে ওচৰৰ পৰা জিৰ' উপত্যকাৰ মনোমোহা দৃশ্য উপভোগ কৰাৰ লগতে আপাতানি সম্প্ৰদায়ৰ জীৱন প্ৰণালী, কৃষ্টি-সংস্কৃতি আৰু তেওঁলোকৰ পৰম্পৰাগতভাৱে চলি অহা বিজ্ঞানসন্মত খেতিৰ বিষয়ে জ্ঞান অৰ্জন কৰিব পাৰে।

দৈনন্দিন কাম-কাজৰ বা ৰীতি-নীতিৰ ক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তন পৰিলক্ষিত হোৱা দেখা যায়। কৰ্ম ব্যস্ত জীৱনত সময়ৰ অভাৱৰ বাবে সম্ভৱপৰ নোহোৱা পুৰণি নিয়ম সমূহ বুজাবুজিৰ মাজেৰে সাল-সলনি কৰি পৰম্পৰাগতভাৱে চলি অহা সমাজ ব্যৱস্থাত আচোঁৰ নপৰাকৈ আধুনিকতাক আদৰি লোৱাৰ ক্ষেত্ৰত আপাতানি লোকসকলৰ পদক্ষেপ প্ৰশংসনীয়।

এনে মানসিকতাৰ বাবে অতিথি পৰায়ণ আপাতানি জনগোষ্ঠীৰ লোকসকল বাঁহ-বেতৰ শিল্পবিদ্যাৰ নিপুণতা, অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰৰ কৌশল, তাঁতশালত শিপিনীৰ হাতে বোৱা ৰং-বিৰঙৰ আকৰ্ষণীয় সাজপোছাকৰ লগতে প্ৰাকৃতিক পৰিৱেশৰ ওপৰত সম্যক জ্ঞান আৰু প্ৰণালীবদ্ধ ব্যৱহাৰ তথা সংৰক্ষণৰ বাবে খ্যাতি লাভ কৰি মানসিক, বৌদ্ধিক আদি দিশত নিজকে আগবঢ়াই লৈ যোৱাত সাফল্যমণ্ডিত হোৱাৰ লগতে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

# সোনোৱাল কছাৰী জনগোষ্ঠীৰ কথিত ভাষা ঃ এক অৱলোকন

**অসীম শইকীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

ভাৰতবৰ্ষৰ উত্তৰ-পূবত অৱস্থিত অসম প্ৰদেশ বিভিন্ন ভাষা পৰিয়ালৰ অন্তৰ্গত বিভিন্ন ভাষাৰ সমন্বয়থলী। সেয়েহে অসমক সামৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভাষাৰ অনুসন্ধিৎসুসকলৰ বাবে ভাষাৰ ভূ-স্বৰ্গ আখ্যা দিয়া হয়। কাৰণ পৃথিৱীৰ প্ৰধান তিনিটা বৃহৎ ভাষা পৰিয়ালৰ ভাষা উত্তৰ-পূব ভাৰতত পোৱা যায়। এই তিনিওটা ভাষা পৰিয়ালৰ ভিতৰত চীন-তিব্বতীয় শাখাৰ ভাষাৰ সংখ্যাই সৰহ। এই বৃহৎ ভাষা পৰিয়ালৰ দুটা প্ৰধান ভাগ হ'ল থাই-চীন আৰু তিব্বত বৰ্মী। বিশেষভাৱে এই ভাষা পৰিয়ালৰ ভাষাসমূহ উত্তৰ-পূব ভাৰতৰ বিভিন্ন কোণত প্ৰচলন থকা দেখা যায়। অসমত অতি প্ৰাচীন কালৰ পৰাই বিভিন্ন ভাষাগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। ইয়াৰে চীন তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত বৰ্মীৰ সোনোৱাল কছাৰী অন্যতম প্ৰাচীন জনগোষ্ঠী। এই অসম প্ৰদেশত জনগোষ্ঠী আৰু ভাষা-ভাষীৰ ফালৰ পৰা মংগোলীয় প্ৰজাতি আৰু ভাষাগত দিশেৰে তিব্বত বৰ্মী ভাষা সৰ্বাধিক হোৱা পৰিলক্ষিত হয়। মংগোলীয় প্ৰজাতিৰ লোকৰ ভিতৰত অসমৰ এক প্ৰাচীন প্ৰজাতি হ'ল বড়োগোষ্ঠীয় লোক। এই বৃহৎ বড়ো গোষ্ঠীৰ ভিতৰত চুতীয়া, মৰাণ, হাজং, লালুং, ৰাভা, সোনোৱাল, গাৰো, মেচ, কোচ, বড়ো, ঠেঙাল, ডিমাছা এই জনগোষ্ঠীসমূহক ধৰা হয়। যাৰ স্বকীয় কৃষ্টি-সংস্কৃতিৰ ঐতিহ্যপূৰ্ণ পৰম্পৰা আছে যি বৃহত্তৰ অসমীয়া সমাজৰ অংশীদাৰ হিচাপে অসমীয়া ভাষা-সংস্কৃতিৰ বৰভেটি নিৰ্মাণত অৰিহণা যোগাই আহিছে। সেইসমূহৰ ভিতৰত তিব্বত-বৰ্মীয় ভাষা-ভাষীৰ মংগোলীয় মূলৰ সোনোৱাল কছাৰীসকল। এই ভাষা-ভাষী লোক বৰ্তমানে অসমৰ লখিমপুৰ, ধেমাজি, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, শিৱসাগৰত সিঁচৰতি হৈ আছে। সোনোৱাল কছাৰীসকল নৃগোষ্ঠীয় দিশৰ ফালৰ পৰা মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত। বিভিন্ন পণ্ডিতে সোনোৱাল কছাৰীসকলক বড়ো ভাষা শ্ৰেণীৰ অন্তৰ্গত আছিল যদিও তেওঁলোক বৰ্তমানে সম্পূৰ্ণৰূপে অসমীয়া ভাষী। কি কাৰণত কেনেকৈ তিব্বত-বৰ্মীয় ভাষাক পৰিহাৰ কৰি আৰ্যমূলীয় অসমীয়া ভাষাক গ্ৰহণ কৰিলে সেয়া চিন্তা কৰিবলগীয়া। সোনোৱাল কছাৰীৰ ভাষাৰ দিশলৈ মন কৰিলে দেখিম যে এওঁলোকে অসমীয়া ভাষাকে মাতৃভাষা হিচাপে গ্ৰহণ কৰিলেও কথ্যভাষাৰ ক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰৰ দিশত পৃথকতা দেখা পাওঁ। সোনোৱাল কছাৰীৰ কথ্যভাষাৰ দিশলৈ মনকৰিলে ধ্বনি, ৰূপ, শব্দ আদি দিশত অসমীয়াৰ ভিন্ন ৰূপ স্পষ্ট হৈ পৰে। বিশেষকৈ তেওঁলোকৰ মুখে মখে প্ৰচলন থকা কথিত ভাষা আৰু ঐতিহাসিক আৰু প্ৰধান ধৰ্ম সম্পৰ্কীয় হাইদাং গীত, পোহাৰী গীত, বৰগীত, আইনাম-দিহানাম, হুচৰি আদি লোক-সাহিত্যৰ সমলত প্ৰাচীন

ভাষাৰ নমুনা প্ৰচলন হৈ আহিছে। তলত সেইসমূহৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল-

**ভাষিক বৈশিষ্ট্য ঃ**

সোনোৱাল কছাৰীসকলৰ সৰ্বসাধাৰণৰ কথিত ভাষাত ধ্বনিগত বিশেষত্বৰ লগতে স্বকীয় শব্দ, ৰূপৰ বৈয়াকৰণিক বিশিষ্টতা থকা পৰিলক্ষিত হয়। এই ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দতত্ত্বৰ সম্পৰ্কে চমু আলোচনা কৰা প্ৰয়াস কৰা হ'ল।

**ধ্বনিগত বিশেষত্ব ঃ**

সোনোৱাল কছাৰীৰ কথিত ভাষাত মান্য অসমীয়া ভাষাৰ দৰে আঠটা স্বৰধ্বনি ব্যৱহাৰ হোৱাৰ লগতে এই ভাষাৰূপত মান্য অসমীয়াত ব্যৱহাৰ হোৱাৰ দৰে ব্যঞ্জনধ্বনিৰ ব্যৱহাৰ হয় যদিও সোনোৱাল কছাৰীৰ কথিত ভাষাৰূপত বিশেষকৈ তালব্য উষ্ম ঘোষ 'ঝ' ধ্বনিৰ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। সোনোৱাল কছাৰীৰ কথিত ভাষাৰ স্বৰধ্বনি- ই, এ, এ', আ, উ, ও, অ, অ'। এইসমূহ মান্য অসমীয়াৰ সৈতে মিলে যদিও ব্যৱহাৰৰ দিশত এইসমূহৰ পৃথকতা লক্ষ্য কৰা হয়। এনে পৃথকতা স্বৰধ্বনি দৰে ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰতো পৰিলক্ষিত হয়। ব্যঞ্জনধ্বনিসমূহ হ'ল- প, ফ, ব, ভ, ম, ত, থ, দ, ধ, ন, ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ৰ, ল, য়, স, হ আদি।

১। সোনোৱাল কছাৰীৰ কথিত ভাষাত উচ্চস্বৰৰ প্ৰাধান্য লক্ষ্য কৰা যায়। বিশেষকৈ এই ভাষাত উচ্চস্বৰৰ প্ৰৱণতা থকাৰ বাবে স্বৰসংগতিৰ বাবে এ, ও মধ্যস্বৰৰ বাহিৰেও অ', অ নিম্নস্বৰো ই, উ হৈ উচ্চাৰিত হয়। যেনে- আছি (আছে), লাগিছি (লাগিছে), কুলা (ক'লা), কুৰিছ, কুইছ (কৰিছ), পিহি (পেহী), কুই (কৈ) আদি।

২। সোনোৱাল কছাৰীৰ কথিত ভাষাৰূপতো ব্যঞ্জনধ্বনিৰ ধ্বনি পৰিৱৰ্তন লক্ষ্য কৰা যায়। বিশেষকৈ মান্য অসমীয়া ভাষাৰ বহুবোৰ শব্দৰ ক্ষেত্ৰত স্বতঃনাসিক্যীভৱনৰ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। ইয়াক তিব্বতবৰ্মী ভাষাৰ বিশেষত্ব বুলিব পাৰি। উদাহৰণস্বৰূপে- নেখাং (নেখাঁও), খাং (খাওঁ), দিং (দিওঁ), পাং (পাওঁ), চাং (চাওঁ) আদি।

৩। শ, ষ, স ধ্বনি সোনোৱাল কছাৰীৰ কথিত ভাষাত 'খ' লৈ পৰিৱৰ্তন হয়। যেনে- খখী (শশী)। ইয়াৰ উপৰিও এই ভাষাত 'স' ধ্বনি প্ৰায়ে কণ্ঠনালীয় 'হ' লৈ পৰিৱৰ্তন হোৱা পৰিলক্ষিত হয়; যেনে- হজ (সজ), হুকুলা (শুকুলা) আদি।

৪। সোনোৱাল কছাৰীৰ কথিত ভাষাত কেতিয়াবা কেতিয়াবা 'ন' ৰ সলনি 'ল' ব্যৱহাৰ পৰিলক্ষিত হয়। যেনে- লঙঠা (নঙঠা), লিচিয়া (নেচিয়া)।

৫। অন্য জনজাতিসকলৰ কথিত ভাষাৰ দৰে সোনোৱাল কছাৰীৰ কথিত ভাষাত অন্ত্য অৱস্থানত 'হ' বৰ্ণৰ ব্যৱহাৰ লোপ পায়। যেনে- চা (চাহ ), সান্দ (সান্দহ ), সবা ( সবাহ ) আদি।

৬। সোনোৱাল কছাৰীৰ কথিত ভাষাত বিশেষভাৱে স্বৰমধ্যৱৰ্তী 'ৰ' লোপ হোৱা পৰিলক্ষিত হয়। যেনে- বুশী (বৰশী), চিকি (চেৰেকী), ঈশ্ব (ঈশ্বৰ), ঘ (ঘৰ), মম (মৰম), মমঅ (মৰমৰ), মু (মোৰ), ওচঅ (ওচৰৰ), ডাঙ (ডাঙৰ) আদি।

৭। সোনোৱাল কছাৰীৰ কথিত ভাষাত মান্য অসমীয়াৰ অল্পপ্ৰাণ 'জ' ধ্বনি মহাপ্ৰাণ 'ঝ' হৈ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। যেনে- ঝৰা (জৰা), ঝালুক (জালুক), ঝুলুঙা ( জোলোঙা), ঝুকাই (জুকাই), ঝায়িব (জাৰিব), নিঝে (নিজে), ঝিয়ে (জীয়ৰী), আঝিকালি (আজিকালি), ঝুলি (জ্বলি), নিঝৰ (নিজৰ), ঝানই (জানই), সেউঝীয়া (সেউজীয়া), ঝাকৰ (জাকৰ), মাঝে-মাঝে (মাজে-মাজে) আদি।

৮। সোনোৱাল কছাৰীৰ কথিত ভাষাত য় > অ, ৰ > অ, অ > ও, এ > ই লৈ পৰিৱৰ্তন হৈ ব্যৱহাৰ কৰা দেখা যায়। যেনে— বুঅঞ্জী (বুৰঞ্জী), বিঅপি (বিয়পি), পঅম্পৰা (পৰম্পৰা), ওতিষ্ঠ (অতিষ্ঠ), ইৰি (এৰি) আদি।

**ৰূপগত বিশেষত্ব ঃ**

সোনোৱাল কছাৰীৰ কথিত ভাষাত ৰূপগত দিশৰ বিভিন্ন বিশেষত্বৰ কথা ক'ব পৰা হয়। সেইসমূহ এনেধৰণৰ-

**নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ**

সোনোৱাল কছাৰীৰ ভাষাত 'খিনি' নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ মান্যাৰ্থ আৰু তুচ্ছাৰ্থত অভিন্ন ধৰণে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে- গৰুখিনি, ল'ৰাখিনি। এইসমূহৰ উপৰিও সোনোৱাল কছাৰী কথিত ভাষাত মান্য অসমীয়াত ব্যৱহাৰ নোহোৱা বিশেষকৈ সুকীয়া ৰূপত নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

| সোনোৱাল কছাৰী | অসমীয়া | সোণোৱাল কছাৰী উদাহৰণ |
|---|---|---|
| ঠক | ঠোক | ধানঠোক |
| ফেলাং | ফাল | তামোল এফেলাং |
| ঝাক | জাক | বৰষুণজাক |

**প্ৰত্যয় ঃ**

সোনোৱাল কছাৰী ভাষাত তদ্ধিত প্ৰত্যয়ৰ ব্যৱহাৰ মনকৰিবলগীয়া। বিশেষকৈ মান্য অসমীয়া ভাষাত ব্যৱহাৰ হোৱা তদ্ধিত প্ৰত্যয়সমূহে এই ভাষাত ব্যৱহাৰ হয়। সিয়ে হ'লেও সোনোৱাল কছাৰী ভাষাত কিছুমান প্ৰত্যয়ৰ অন্তত একোটা 'ই' ধ্বনি সংযোগ হৈ ৰূপৰ সৃষ্টি কৰে। বিশেষকৈ মান্য অসমীয়াৰ সেই প্ৰত্যয়কেইটা- -ওৱাল, -ইয়াল, -আল, -ইয়াৰ, -আৰ আদি। এই তদ্ধিত প্ৰত্যয়সমূহ সমান্তৰালভাৱে সোনোৱাল কছাৰী ভাষাত -ওৱালি, -ইয়ালি, -আলি, -ইয়াৰি, -আৰি আদি। উদাহৰণস্বৰূপে- ফাটোৱালি, ঢাকুৱালি, বিষালি, শদিয়াৰি, বাউলাৰি, ঢেকিয়ালি আদি।

**ধাতু ঃ**

সোনোৱাল কছাৰী ভাষাত 'যা' ধাতুৰ ভিন্ন ৰূপত ব্যৱহাৰ হয়। এই ভাষাত 'যা' ধাতু অতীত কালতো অবিকৃত ৰূপত ব্যৱহাৰ হয়। সোনোৱাল কছাৰী ভাষাত 'যা' ধাতুটো মান্য অসমীয়াৰ 'গ'ৰ এক ৰূপ। যেনে- যালং, (গলোঁ), যালগি (গ'লগৈ) আদি।

এই ভাষাত পাঁচনী ধাতু বা নাম ধাতুৰ সুকীয়া প্ৰয়োগ লক্ষণীয়। বিশেষকৈ সোনোৱাল কছাৰী ভাষাত মান্য অসমীয়া ভাষাত প্ৰয়োগ নোহোৱা বহুকেইটা নাম ধাতুৰ প্ৰয়োগ পোৱা যায়। যেনে- উমলাই (ওমলাই), মাতল (মাতিলে), ঘোলইছে (ঘোলা হৈছে), পেটকং (পিটিকোঁ) আদি।

**নঞৰ্থক ৰূপ ঃ**

সোনোৱাল কছাৰী ভাষাত মান্য অসমীয়া ভাষাত ব্যৱহাৰ হোৱা দৰে 'ন'ৰ ব্যৱহাৰ হয়। সিয়ে হ'লেও সোনোৱাল কছাৰী ভাষাত প্ৰথম পুৰুষত নঞৰ্থক ৰূপ সংযোগৰ পাছত ক্ৰিয়াটোৰ অন্তিম 'ওঁ' অনুস্বাৰ (ং) হিচাপে উচ্চাৰিত হয়। যেনে-

| সোনোৱাল কছাৰী | অসমীয়া |
|---|---|
| নাযাং | নাযাওঁ |
| নগলোং | নগলোঁ |
| নেখাং | নেখাওঁ |
| নোকোৰং | নকওঁ |
| নেজানং | নাজানো |
| নোৱাং | নোৱাৰো |
| নুখুজং | নুখোজো |

**বহুবচনবাচক ৰূপৰ ব্যৱহাৰ ঃ**

সোনোৱাল কছাৰী ভাষাৰ কথিত ৰূপত বহুবচনবাচক ৰূপ -ভুনে, -ভুন, -ভুনক ব্যৱহাৰ পৰিলক্ষিত হয়। যেনে— কথাভুনে, পৰিয়ালভুনৰ, বাওপোৱাভুনক, অঞ্চলভুনত আদি।

**কৃদন্ত ঃ**

সোনোৱাল কছাৰী ভাষাৰ কথিত ভাষাত কৃদন্ত বুজাবলৈ বিশেষ কৈ ঙতে, ঙতা ব্যৱহাৰ হয়। যেনে-

| সোনোৱাল কছাৰী | অসমীয়া |
|---|---|
| থাক + ঙতে | থাকোঁতে |
| যা + ঙতা | যাওঁতে |

**শব্দগত বিশেষত্ব ঃ**

ভাষা- সাহিত্য আৰু সংস্কৃতিৰ বৰ্ণাঢ্য ৰূপেৰে সমৃদ্ধ সোনোৱাল কছাৰীসকলৰ নিজা এক কথিত ভাষা পৰম্পৰা পূৰ্বৰে পৰা বৰ্তি আছে। তেওঁলোকৰ পূৰ্বৰ তিৰ্ব্বত-বৰ্মী মূলৰ আদিম ভাষাটো বহুকালৰ আগতে হেৰাই গ'ল যদিও তাৰ এটা দূৰণিবটীয়া প্ৰবাহ তেওঁলোকৰ কথিত ভাষাৰ মাজত প্ৰচলন হৈ আছে। অতীতৰ পৰা সোনোৱাল কছাৰী

জনগোষ্ঠীৰ মাজত প্ৰচলন হৈ অহা বংশ, গোত্ৰ, পূজা-পাৰ্বন, দেৱ-দেৱীৰ নাম, লোকগীত আদিত নিজা ভাষাৰ ৰূপ সংৰক্ষিত কৰি ৰাখিছে। পৰিস্থিতিত পৰি সোনোৱাল কছাৰীসকলে বহু ঘাত প্ৰতিঘাতৰ মাজেৰে নিজা ঐতিহ্যক পৰম্পৰা আৰু লোকসাহিত্যত সংৰক্ষণ কৰিছে। সোনোৱাল কছাৰী ভাষাৰ এনে কিছুমান শব্দ ব্যৱহাৰ হয় যিসমূহৰ ব্যৱহাৰ মান্য অসমীয়া ভাষাতকৈ পৃথক হোৱা দেখা যায়। সেই শব্দসমূহ এনেধৰণৰ-

**বিশেষ্য শব্দ ঃ**

| সোনোৱাল কছাৰী | অসমীয়া |
|---|---|
| হাবুকী | বৰদৈচিলা |
| খটা | কোঠা |
| ককমা | পঁইতাচোৰা |
| খকাৰী | গাহৰি |
| বাইথ' | শিৰ |
| গয়েং | তামোল |
| লিগ্‌লাই | হৰিণা |
| চুকু | চকু |
| ঘঅ | ঘৰ |
| কুকয় | ছোৱালী |
| গু | গৰু |
| মুঢ়াং | মাথা, মুৰ |
| ধোত | যঁতৰ |
| খাতৰ | ডঁই চিৰিঙা |
| নাফু | কাঠফুলা |
| ছৱাই | কুকুৰা |
| মুনা | বিলাহী |

**বিশেষণ শব্দঃ**

| সোনোৱাল কছাৰী | অসমীয়া |
|---|---|
| লৌ লৌ | অতি ওখ |
| লেংঠাই | ক্ষীণ |
| লুধুম | শকত |
| লাই | শ্ৰেষ্ঠ |
| দেগছ | লেতেৰা |
| কা-কাটাং | অতি শুকান, খৰ খৰীয়া |

**সম্বন্ধ বুজোৱা শব্দ ঃ**

| সোনোৱাল কছাৰী | অসমীয়া |
|---|---|
| বৰগৰাকী | বৰজনাক |
| দ, দো | সমনীয়া |
| পিতাই, আপুটি | দেউতা |
| আবৈ/আবেক | আইতা |
| দুমুতি | জেঠেৰি,বৈনাই |
| দ'তা | ককা |
| আপুদ' | শহুৰ |

**সৰ্বনাম শব্দঃ**

| সোনোৱাল কছাৰী | অসমীয়া |
|---|---|
| তহক | তোমাক |
| মহক | মোক |
| মু | মোৰ |

**সংখ্যাবাচক শব্দঃ**

| সোনোৱাল কছাৰী | অসমীয়া |
|---|---|
| বুৰিয়া | আধা |
| দেড়িয়া | ডেৰ (এভাগৰ আধা) |

**স্থানবাচক শব্দঃ**

মাইচা, খোৱাং, জামিৰা, দৈয়াং, দিহিং, মেচু পথাৰ।

**অনুৰূপ শব্দ ঃ**

ৰহক-দহক, কাৰাক-কুৰুক, উপক-তলক, লাথাং-থাং।

**পুনৰুক্তি শব্দ ঃ**

টিপিক-টিপিক, ঝিমক-ঝিমক, চাংতে-চাংতে, গাহাং-গাহাং, খিয়তু-খিয়তু, হিং-হিং।

**বাক্যৰ ব্যৱহাৰ ঃ**

কাহানা আহলে নো (কাহানি আহিলা)

কেথেন কি যাবা নো (কেতিয়া যাবা)

চাংপাতাং মাৰিছে (ৱজপাত মাৰিছে)

গিদিং গাদাং কৰি নাথাকিবি (ইফাল সিফাল কৰি নাথাকিবি)

কেখন আখলে কেখন গ'লঅ ( কেতিয়া আহিলে কেতিয়া গ'ল)

কি ব যালেগৈ ক ( কি কাৰণে গুচি গ'লগৈ)

চীন তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বতবৰ্মীৰ সোনোৱাল কছাৰী অন্যতম প্ৰাচীন জনগোষ্ঠী। এই অসম প্ৰদেশত জনগোষ্ঠী আৰু ভাষা-ভাষীৰ ফালৰ পৰা মংগোলীয় প্ৰজাতি আৰু ভাষাগত দিশেৰে তিব্বতবৰ্মী ভাষা সৰ্বাধিক হোৱা পৰিলক্ষিত হয়। ইয়াৰে সোনোৱাল কছাৰীসকলে নিজা ভাষাক হেৰুৱাই পেলাইছে যদিও তেওঁলোকে অসমীয়াৰ এই নৃগোষ্ঠীয় উপভাষাকে ঘৰুৱা পৰিৱেশত মাতৃভাষাৰ দৰে ব্যৱহাৰ কৰে। কোনো কোনো ক্ষেত্ৰত কিঞ্চিত পাৰ্থক্য থাকিলেও দৈনন্দিন জীৱনত আৰু সমাজ-সংস্কৃতিৰ লগত জড়িত শব্দৰাজীত স্বকীয়তা ৰক্ষিত হোৱা পৰিলক্ষিত হয়।

সোনোৱাল কছাৰীৰ কথ্যভাষাৰ দিশলৈ মন কৰিলে ধ্বনি, ৰূপ, শব্দ আদি দিশত অসমীয়াৰ ভিন্ন ৰূপ স্পষ্ট হৈ ধৰা দিয়াৰ দিশ স্পষ্ট। বিশেষকৈ তেওঁলোকৰ মুখে মুখে প্ৰচলন থকা কথিত ভাষা আৰু ঐতিহাসিক আৰু প্ৰধান ধৰ্ম সম্পৰ্কীয় হাইদাং গীত, পোহাৰী গীত, বৰগীত, আইনাম-দিহানাম, হুচৰি আদি লোক-সাহিত্যৰ সমলত প্ৰাচীন ভাষাৰ নমুনা প্ৰচলনৰ দিশ পৰিলক্ষিত হয়। যাৰ জৰিয়তে সোনোৱাল কছাৰী ভাষা-ভাষীৰ নিজা স্বকীয়তা ৰক্ষিত হোৱাত সহায় কৰি আহিছে। এই ভাষাৰ মাজত কেৱল তেওঁলোকৰে নহয়, বৃহত্তৰ অসমীয়া জাতিৰ সংস্কৃতিক ঐতিহ্যৰ বহু সমলো সঞ্চিত হৈ আছে। যিকোনো ভাষা চৰ্চাৰ অভাৱ অন্য মানভাষাৰ সৈতে মিলিত হোৱাৰৰ ক্ষেত্ৰতো কথিত ভাষা একোটা দুৰ্বল হ'ব পাৰে। সবল চৰ্চাৰ অভাৱ বা বহুল প্ৰচাৰৰ অভাৱে, তেনে ভাষা কোৱা লোকৰ সংখ্যা কমি আহিলে এনে থলুৱা ভাষা লাহে লাহে লোপ পাই আহে। কথিত ভাষাই হওক, দোৱানেই হওক সেইসমূহ জীয়াই ৰাখি বিজ্ঞানসন্মত ৰূপত গঢ়ি তোলাতো সকলোৰে কৰ্তব্য। অসমৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী সোনোৱাল কছাৰীসকলৰ কথিত ভাষা এটা আজিও অঞ্চল বিশেষত চৰ্চিত হৈ আছে আৰু অদূৰ ভৱিষ্যতে সোনোৱাল কছাৰীসকলৰ কথিত ভাষাৰ সম্প্ৰসাৰণৰ থল আছে।

**সহায়ক গ্ৰন্থপঞ্জী**


কছাৰী, নন্দেশ্বৰ ঃ *সোনোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়,* সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ,ডিব্ৰুগড়, জনজাতি গৱেষণা বিভাগ, প্ৰথম প্ৰকাশ ২০১১

গোস্বামী, গোলোকচন্দ্ৰ ঃ *অসমীয়া ব্যাকৰণ প্ৰৱেশ,* বীণা লাইব্ৰেৰী, গুৱাহাটী ২০০০

গোস্বামী, উপেন্দ্ৰনাথ ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ,* মণি-মাণিক প্ৰকাশ ১৯৮৯

বৰুৱা, ভীমকান্ত ঃ *অসমৰ ভাষা,* ষ্টুডেন্টচ্ এম্পৰিয়াম, ডিব্ৰুগড়, ১৯৯৩

মৰল, ভগৱান ঃ *অসমীয়া ব্যাকৰণ জ্যোতি,* অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী, ১৯৯১

শইকীয়া, ৰিণী

সোনোৱাল, কল্পজিৎ (সম্পা.) ঃ *হালালী মুখপত্ৰ,* অসম বুক ট্ৰাষ্ট, পাণবজাৰ, গুৱাহাটী, প্ৰকাশ ২০২২

সোনোৱাল, মোহন ঃ *সোনোৱাল সৌৰভ,* সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, ডিব্ৰুগড়, জনজাতি গৱেষণা বিভাগ, প্ৰথম প্ৰকাশ ২০০৭

সোনোৱাল, মোহন

সোনোৱাল, গুণেশ্বৰ (সম্পা.) ঃ *সোনোৱাল কছাৰীৰ সমাজ আৰু সংস্কৃতি,* সোনোৱাল কছাৰী সাহিত্য প্ৰকাশন পৰিষদ, প্ৰথম খণ্ড, প্ৰথম সংস্কৰণ, লাচিত নগৰ ডিব্ৰুগড়, ফেব্ৰৱাৰী ২০০১

# মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা

অদিতি বৰগোহাঁই
প্ৰাক্তন ছাত্ৰী

ঐতিহ্যমণ্ডিত মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্পই জনসাধাৰণৰ মাজত বহুলভাৱে প্ৰসাৰ লাভ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱে পোনপ্ৰথমে মাজুলীৰ চামগুৰি সত্ৰত ভাওনা প্ৰদৰ্শনৰ উদ্দেশ্যৰেই মুখা শিল্পৰ প্ৰৱৰ্তন ঘটাইছিল। মাজুলীত অনুষ্ঠিত হোৱা ৰাস, ভাওনা আদিত মুখা শিল্পৰ ব্যৱহাৰ কৰা হয়। বিশেষকৈ ৰামায়ণ, মহাভাৰতৰ কাহিনীৰ চৰিত্ৰক কেন্দ্ৰ কৰি মুখা সমূহ প্ৰস্তুত কৰি উলিওৱা হয়। যিবোৰ চৰিত্ৰক মানুহৰ মুখেৰে জনসাধাৰণৰ আগত উপস্থাপন কৰি নোৱাৰি সেই চৰিত্ৰ সমূহক মুখাৰ যোগেদি দৰ্শকৰ আগত বৰ্ণনা কৰিবলৈ চেষ্টা কৰা হয়।

মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্পৰ পৰম্পৰা অতি পুৰণি আৰু ঐতিহ্যশালী। মাজুলীত থকা ডেৰকুৰি সত্ৰৰ ভিতৰত শ্ৰীশ্ৰী চামগুৰি সত্ৰ, এলেংগী নৰসিংহ সত্ৰ, বিহিমপুৰ সত্ৰত মুখাশিল্পৰ পৰম্পৰা বৰ্তমান সময়তো অব্যাহত থকা দেখিবলৈ পোৱা যায়। সময়ৰ পৰিবৰ্তনত শ্ৰীশ্ৰী চামগুৰি সত্ৰখনক নতুন চামগুৰি সত্ৰ আৰু পুৰণি চামগুৰি সত্ৰ নামেৰে দুটা ভাগত ভাগ কৰা হৈছিল। নতুন চামগুৰি সত্ৰখনৰ সত্ৰাধিকাৰ প্ৰয়াত ৰুদ্ৰকান্ত দেৱগোস্বামীদেৱে এই মুখা শিল্পকলাক এক নতুন ৰূপ প্ৰদান কৰি থৈ গৈছে। ইয়াৰ পৰৱৰ্তী সময়ত তেওঁৰ বংশধৰসকলে এই পৰম্পৰা অটুট ৰখা পৰিলক্ষিত হয়।

মুখা শিল্পসমূহক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি (ক) ছোঁ-মুখা বা বৰমুখা (খ) লোটোকাই বা লোটোকৰি মুখা (গ) মুখ-মুখা আকৌ আকাৰৰ ওপৰত ভিত্তি কৰি মুখাসমূহক পুনৰ তিনিটা ভাগত ভাগ কৰিব পাৰি -

(ক) ডিঙিবিহীন মূৰ মুখা (খ) মূৰ মুখা (গ) এফলীয়া মুখা

মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্পৰ 'লখিমী সূত্ৰ' হিচাপে 'টোম' ৰ 'মোৰ' টোক ব্যৱহাৰ কৰা হয়। কিছুমান থলুৱা উপাদান ব্যৱহাৰ কৰি মুখা সজা হয়। সেই উপাদানসমূহ হ'ল - বাঁহ, বেত, কাপোৰ, কাগজ, কুঁহিলা, গোবৰ, কুমাৰ মাটি, মৰাপাট আৰু হেঙুল হাইতালৰ পৰা প্ৰস্তুত কৰা ৰং।

মাজুলীৰ চামগুৰি সত্ৰৰ মুখা নিৰ্মাণ শৈলীক প্ৰধানকৈ তিনিটা পৰ্যায়ত বিভক্ত কৰা হয়। প্ৰথম পৰ্যায়ত আঢ়ৈ, তিনিবছৰ বয়সীয়া বাঁহৰ সহায়ত মুখাৰ বাবে খাঁচ প্ৰস্তুত কৰা হয় আৰু কুমাৰমাটিখিনি বোকা কৰি কপাহী কাপোৰ এখনত সানি মুখাৰ খাঁচটোৰ ওপৰত লগাই ৰ'দত শুকাবলৈ দিয়া হয়, দ্বিতীয় পৰ্যায়ত গোবৰ আৰু কুমাৰমাটি একেলগে মথি জোখৰ হ'লে মুখাৰ খাঁচটোৰ ওপৰত চেহেৰা দিয়া হয় আৰু মুখাখনক ৰ'দত আধা শুকাবলৈ দি কুমাৰমাটি

লগোৱা কাপোৰখন পুনৰ মুখাৰ ওপৰত দি সম্পূৰ্ণকৈ মুখাটো শুকাবলৈ দিব লাগে। তৃতীয় পৰ্যায়ত মুখাত হেঙুল, হাইতাল আৰু নীলা গছৰ পৰা প্ৰস্তুত কৰা ৰং দিয়া হয়।

বৰ্তমান সময়ত মাজুলীৰ চামগুৰি সত্ৰত বহলভাৱে মুখা চৰ্চাত অব্যাহতভাৱে জড়িত থকা ব্যক্তিজন হ'ল হেমচন্দ্ৰ গোস্বামী। তেওঁ স্থাপন কৰা 'সুকুমাৰ কলাপীঠ' নামৰ প্ৰশিক্ষণ কেন্দ্ৰটোত আত্ম নিয়োগ কৰি বহুতো যুৱকে মুখা নিৰ্মাণক বৃত্তি হিচাপে লৈ জীৱিকা পালন কৰি আছে। এনে প্ৰচেষ্টাৰ ফলত কম পৰিমাণে হ'লেও অসমত নিবনুৱা সমস্যাৰ প্ৰভাৱ দূৰ হ'ব। নিজ সামৰ্থ অনুসৰি আগ্ৰহীসকলে মুখা শিল্পক জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগে। অন্যথা চৰ্চা অবিহনে এইবিধ শিল্পকলা হয়তো কালৰ গৰ্ভত হেৰাই যোৱাৰ সম্ভাৱনা অধিক।

**অৱতৰণিকা ঃ**

**বিষয়ৰ পৰিচয় ঃ**

পৃথিৱীৰ প্ৰত্যেক জাতিৰ ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰত কিছুমান বিশেষ মনীষীৰ অৱদান লেখত ল'বলগীয়া। ঠিক সেইদৰে আমাৰ অসমীয়া জাতিটোৰ উত্তৰণ সাধন কৰাৰ ক্ষেত্ৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান অনবদ্য। এখেতে দেখুৱাই থৈ যোৱা আদৰ্শ শিৰোগত কৰিয়েই মাজুলীত মুখাশিল্পৰ ঐতিহ্য আৰু পৰম্পৰা সাম্প্ৰতিক সময়ৰ যান্ত্ৰিকতাৰ মাজতো জীয়াই থকা দেখিবলৈ পোৱা যায়। শ্ৰীমন্ত শংকৰদেৱে পোনপ্ৰথমে মাজুলীৰ চামগুৰি সত্ৰত ভাওনা পৰিৱেশন কৰাৰ উদ্দেশ্যে এই মুখা শিল্পৰ প্ৰৱৰ্তন ঘটাইছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত চামগুৰি সত্ৰৰ সত্ৰধিকাৰ প্ৰয়াত কুশকান্ত দেৱগোস্বামীদেৱে মুখাশিল্পক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাৰ প্ৰচেষ্টা চলাইছিল। ইয়াৰ পিছৰ সময়ছোৱাত তেখেতৰ বংশধৰসকলে এই পৰম্পৰা অটুট ৰাখিছিল আৰু বৰ্তমান সময়ত মাজুলীৰ চামগুৰি সত্ৰত এই মুখাশিল্পক জীয়াই ৰখা ব্যক্তিজন হ'ল প্ৰসন্ন গোস্বামীদেৱ।

"মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা" - শীৰ্ষক গৱেষণামূলক লেখাটিৰ মাজেদি মাজুলীত মুখা শিল্পৰ নিৰ্মাণ শৈলী, কাঠৰ মুখাৰ পৰিৱৰ্তে কিয় বাঁহৰ মুখাৰ প্ৰচলন অধিক, অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত মুখাশিল্পই কেনে ভূমিকা পালন কৰে। এই দিশসমূহৰ জড়িয়তে মাজুলীৰ চামগুৰি সত্ৰত জীয়াই থকা মুখা শিল্পৰ বিষয়ে আলোচনাটিৰ আওতালৈ আনিবলৈ চেষ্টা কৰা হৈছে।

**বিষয়ৰ পৰিচয় ঃ**

'মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা' - শীৰ্ষক গৱেষণামূলক লেখাটি প্ৰস্তুত কৰাৰ পূৰ্বে কেইবাটিও উদ্দেশ্য আগত ৰাখি লোৱা হৈছিল। এই উদ্দেশ্যসমূহ এনেধৰণৰ -

(ক) মাজুলীৰ মুখা শিল্পৰ এক চমু পৰিচয় দাঙি ধৰা।

(খ) মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্পৰ নিৰ্মাণ শৈলীৰ বিষয়ে উপস্থাপন কৰা।

(গ) মুখা শিল্পৰ প্ৰকাৰ, পৰম্পৰাৰ বিষয়ে আলোচনা কৰা।

(ঘ) অৰ্থনৈতিক স্বাৱলম্বিতাৰ ক্ষেত্ৰত মুখা শিল্পৰ ভূমিকাৰ বিষয়ে চমু আভাস।

**অধ্যয়নৰ গুৰুত্ব ঃ**

মাজুলীৰ জনজীৱনৰ ধ্যান-ধাৰণা, ৰীতি-নীতি, অভ্যাস আদিৰ সমষ্টিয়েই হ'ল মাজুলীৰ সংস্কৃতি, আৰু মাজুলীৰ সাংস্কৃতিক ঐতিহ্যৰ লগত মুখাশিল্প ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। সাধাৰণতে ভাওনাত প্ৰয়োজন হোৱা বিভিন্ন চৰিত্ৰক কেন্দ্ৰ কৰিয়েই মুখা শিল্পীসকলে মুখা সাজিছিল, আৰু ইয়াৰ লগত মনৰ ভাৱ প্ৰদান কৰি মুখাসমূহক জীৱিত কৰি তুলিছিল। এনে ক্ষেত্ৰত শিল্পীসকলে নিজৰ কাৰিকৰী কৌশলো প্ৰয়োগ কৰিছিল আৰু ইয়েই সময়ৰ গতিত এক নিজা শৈলীলৈ পৰিৱৰ্তিত হয়।

মুখাশিল্প নিৰ্মাণৰ এনে কাৰিকৰী কৌশল আৰু ইতিবাচক দৃষ্টিভংগীৰ প্ৰতি লক্ষ্য ৰাখি 'মাজুলীৰ চামগুৰি

সত্ৰৰ মুখাশিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা' - শীৰ্ষক গৱেষণামূলক লেখাটিৰ অধ্যয়নৰ ক্ষেত্ৰত গ্ৰহণযোগ্য গুৰুত্ব আছে বুলি ভবাৰ থল আছে।

**অধ্যয়নৰ পদ্ধতি ঃ**

'মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা, শীৰ্ষক গৱেষণামূলক লেখাটি প্ৰস্তুত কৰিবলৈ যাওঁতে বিশেষভাৱে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। অধ্যয়নৰ এই দুই পদ্ধতিৰ দ্বাৰা অৰ্ন্তসাক্ষ্য আৰু বৰ্হিসাক্ষ্যৰ ভিত্তিত বিভিন্ন দিশসমূহৰ নিৰ্ভৰযোগ্য স্বৰূপ দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ**

'মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্পৰ নিৰ্মাণ আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা'- শীৰ্ষক গৱেষণামূলক লেখাটি প্ৰস্তুত কৰিবলৈ যাওঁতে কিছুক্ষেত্ৰত বিষয়টোৰ পৰিসৰ নিৰ্ধাৰণ কৰি লোৱা হৈছে। কিয়নো পৰিসৰে যিকোনো এটা বিষয়ক নিৰ্দিষ্ট আয়তন প্ৰদান কৰে।

অৱতৰণিকা আৰু উপসংহাৰকে ধৰি মুঠ পাঁচ (৫) টা অধ্যায়ত উল্লেখিত লেখাটি সন্নিৱিষ্ট কৰা হৈছে।

ইয়াৰে অৱতৰণিকা অধ্যায়টিত বিষয়ৰ পৰিচয়, অধ্যয়নৰ উদ্দেশ্য, গুৰুত্ব, পদ্ধতি, পৰিসৰ, তথ্য আহৰণৰ উৎস আদিৰ এক চমু আভাস দাঙি ধৰা হৈছে।

দ্বিতীয় অধ্যায়ত মাজুলীৰ মুখাশিল্পৰ এক চমু আভাস, মুখা শিল্পৰ পৰম্পৰা আৰু মুখাশিল্পৰ প্ৰকাৰৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

তৃতীয় অধ্যায়ত মুখা শিল্পৰ নিৰ্মাণ শৈলী, মুখা নিৰ্মাণৰ লখিমী সূত্ৰ, মুখা নিৰ্মাণৰ প্ৰয়োজনীয় সামগ্ৰী, মুখা নিৰ্মাণৰ পদ্ধতিৰ সম্পৰ্কে এক আলোচনা দাঙি ধৰা হৈছে।

চতুৰ্থ অধ্যায়ত অৰ্থনৈতিক স্বাৱলম্বিতাৰ ক্ষেত্ৰত মুখা শিল্পৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায় অৰ্থাৎ উপসংহাৰত পূৰ্বকৃত অধ্যায়সমূহৰ সামগ্ৰিক মূল্যায়নৰ ভিত্তিত এক নিৰ্মোহ সিদ্ধান্তত উপনীত হৈ আলোচনাটিৰ সামৰণি (মুখনি) মৰা হৈছে।

**তথ্য আহৰণৰ উৎস ঃ**

'মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা' - শীৰ্ষক গৱেষণামূলক লেখাটি প্ৰস্তুত কৰিবলৈ যাওঁতে তথ্য আহৰণৰ উৎসসমূহক দুটা ভাগত ভাগ কৰি লোৱা হৈছিল। ইয়াৰে এটা হ'ল মূখ্য উৎস আৰু আনটো হ'ল গৌণ উৎস।

মুখ্য উৎস হিচাপে কৃষ্ণ গোস্বামীদেৱৰ 'মুখা ঃ সত্ৰীয়া মুখা শিল্প' গ্ৰন্থখনৰ সহায় লোৱা হৈছে আৰু গৌণ উৎস হিচাপে বিভিন্ন প্ৰকাৰৰ প্ৰাসংগিক গ্ৰন্থ, গৱেষণা গ্ৰন্থ, আলোচনী প্ৰৱন্ধ আদিৰ লগতে সীমিত সংখ্যক তথ্য ইন্টাৰনেটৰ পৰাও সংগ্ৰহ কৰা হৈছে।

**মাজুলীৰ মুখাশিল্পৰ এক চমু আভাস ঃ**

মুখাশিল্প অসমৰ এবিধ অতি প্ৰাচীন লোককলা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমৰ মুখা শিল্পৰ 'জনক' বুলি গণ্য কৰা হয়। "মহাপুৰুষ শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ গুৰি ধৰাৰ লগতে অংকীয়া ভাওনাও গুৰুজনাৰ অভিনৱ সৃষ্টি। এই ভাওনা সমূহত কিছুমান চৰিত্ৰ আছিল যিবোৰ সাধাৰণ সাজ-সজ্জাৰ দ্বাৰা প্ৰকাশ কৰিবলৈ যাওঁতেই মুখাই এক সংহত ৰূপ পালে আৰু সেইদৰে গুৰুজনাই মুখাক এক সুকীয়া মৰ্যদা প্ৰদান কৰিছিল।"[১] (গোস্বামী, কৃষ্ণ মুখা ঃ সত্ৰীয়া মুখা শিল্প, পৃষ্ঠা - ১৬) মহাপুৰুষ শংকৰদেৱৰ এই আদৰ্শ লৈয়ে অসমৰ বিভিন্ন ঠাইত মুখা শিল্পৰ চৰ্চা আজিও অব্যাহত আছে। ইয়াৰে ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজত থকা এটি বৃহৎ নদীদ্বীপ আৰু অসমৰ নৱগঠিত জিলা মাজুলীৰ নাম উল্লেখযোগ্য। মাজুলীৰ চামগুৰি সত্ৰত মুখাশিল্প বহুলভাৱে নিৰ্মাণ কৰা পৰিলক্ষিত হয়।

মাজুলীৰ চামগুৰি সত্ৰ প্ৰয়াত সত্ৰাধিকাৰ ৰূদ্ৰকান্ত দেৱগোস্বামীদেৱৰ মুখা শিল্পৰ নৈপুনতা সম্পৰ্কত কবি নীলমণি ফুকনদেৱে এনেধৰণে মন্তব্য প্ৰকাশ কৰিছিল -

"শ্ৰীশ্ৰী চামগুৰি সত্ৰৰ পৰম্পৰাগত মুখা শিল্পই শ্ৰীযুত গোস্বামীৰ হাতত ৰূপ আৰু ভাৱ অভিব্যঞ্জনাৰে সমৃদ্ধ হৈ অনিন্দ্য সুন্দৰ শিল্প কৰ্মৰ মহিমা লাভ কৰে।"[২] (প্ৰান্তিক, দ্বিতীয় বৰ্ষৰ সোতৰশ সংখ্যা)

মুখা শিল্পক বাদ দি মাজুলীৰ ঐতিহ্য কেতিয়াও সম্পূৰ্ণ নহয়। মুখা শিল্পই মাজুলীক পূৰ্ণতা প্ৰদান কৰিছে। মাজুলীৰ মুখা শিল্পৰ ঐতিহ্যক বাহাল ৰখাৰ ক্ষেত্ৰত সত্ৰাধিকাৰ সকলৰ লগতে কৰ্মোদ্যমী ব্যক্তিসকলৰ ভূমিকাও লেখত ল'বলগীয়া। মাজুলীৰ শ্ৰীশ্ৰী চামগুৰি সত্ৰত নিৰৱচ্ছিন্ন ভাৱে চলাই মুখা শিল্পক কলা আৰু জীৱিকা হিচাপে গ্ৰহণ কৰি এই প্ৰক্ৰিয়া আগবঢ়াই নিবলৈ সক্ষম হোৱা এগৰাকী সুনিপুণ শিল্পী হ'ল শ্ৰীহেমচন্দ্ৰ গোস্বামীদেৱ। তেখেত মুখা শিল্পৰ যাদুকৰ হিচাপে জনাজাত। পিতৃৰ পৰা সত্ৰীয়া, গীত, নৃত্য, বাদ্য যন্ত্ৰ আদিৰ লগতে ভাস্কৰ্য আৰু মুখা শিল্পৰ শিক্ষা গ্ৰহণ কৰি নিজ প্ৰতিভা আৰু কৌশলেৰে মুখা নিৰ্মাণৰ কেন্দ্ৰ স্থাপন কৰি নৱ-প্ৰজন্মক মুখা সম্পৰ্কীয় জ্ঞান প্ৰদান কৰাৰ লগতে মুখা নিৰ্মাণৰো প্ৰশিক্ষণ প্ৰদান কৰে। গোস্বামী দেৱৰ দ্বাৰা নিৰ্মিত মুখাই লণ্ডনৰ মিউজিয়ামতো বিশেষ স্থান লাভ কৰিছিল। তেখেতৰ সৃষ্টিৰাজিয়ে ভাৰতবৰ্ষৰ লগতে বিদেশী পৰ্যটকৰ দৃষ্টিও আকৰ্ষণ কৰিছিল। ভাওনা আৰু ৰাস উৎসৱৰ বাবে চহিদা অনুসৰি অসমৰ বিভিন্ন ৰংগমঞ্চত প্ৰদৰ্শিত মুখাসমূহ মাজুলীৰ শ্ৰীহেমচন্দ্ৰ গোস্বামীদেৱৰ দ্বাৰাই সৃষ্ট। এয়া আমাৰ সমূহ অসমবাসীৰ সকলোৰে বাবে এক গৌৰৱৰ অধ্যায়।

**মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্পৰ পৰম্পৰা ঃ**

মাজুলীত প্ৰায় ডেৰকুৰিখন সত্ৰ আছে। এই সত্ৰসমূহৰ ভিতৰত শ্ৰীশ্ৰী নতুন চামগুৰি সত্ৰ আৰু শ্ৰীশ্ৰী পুৰণি চামগুৰি সত্ৰত মুখা শিল্পৰ পৰম্পৰা বৰ্তমান সময়তো অব্যাহত থকা দেখিবলৈ পোৱা যায়। এই দুখন সত্ৰৰ লগতে কিছু সংখ্যক অভিজ্ঞ ব্যক্তিয়েও এই শিল্প কলাবিধৰ চৰ্চাত নিজকে মনোনিবেশ কৰিছিল।

"মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাতি শ্ৰীশ্ৰী চক্ৰপাণি আতাই ১৬৬৩ খ্ৰীষ্টাব্দত মাজুলীৰ এজোপা বৃহৎ চাম গছৰ ওচৰত শ্ৰীশ্ৰী চামগুৰি সত্ৰখনি প্ৰতিষ্ঠা কৰে। সত্ৰ প্ৰতিষ্ঠা কালৰে পৰাই সত্ৰীয়া গীত, নৃত্য, বাদ্য, ভাওনাৰ লগতে সত্ৰীয়া মুখা-কলা আৰু ভাস্কৰ্য-কলাৰ অবিৰত চৰ্চা চলি আহিছে। শুনামতে সত্ৰৰ পূৰ্ব পুৰুষসকলৰ ভিতৰত স্বৰ্গীয় টংকেশ্বৰ দেৱ, স্বৰ্গীয় মোক্ষেশ্বৰ দেৱ, ৰসেশ্বৰ দেৱ, স্বৰ্গীয় চৈতন্যদেৱ আৰু স্বৰ্গীয় শৈশৱ চন্দ্ৰ দেৱগোস্বামী আতা সকলে এই শিল্প কলাৰ বলিষ্ঠ পৰম্পৰা ৰাখি গৈছে। বৰ্তমানে সত্ৰখনত তেখেতসকলৰ নিজ হস্তৰ শিল্প কৰ্মৰ চানেকি সংৰক্ষিত আছে"[৩] (গোস্বামী, কৃষ্ণ, মুখা ঃ সত্ৰীয়া মুখা শিল্প, পৃষ্ঠা - ৭০)

সময়ৰ পৰিবৰ্তন ঘটাৰ লগে লগে চামগুৰি সত্ৰখনক নতুন আৰু পুৰণি চামগুৰি সত্ৰ নামেৰে দুটা ভাগত বিভক্ত কৰা হৈছিল। নতুন চামগুৰি সত্ৰখনৰ সত্ৰাধিকাৰ আৰু লগতেঅসমৰ সত্ৰীয়া সংস্কৃতি আৰু মুখা শিল্পৰ লগত একনিষ্ঠভাৱে জড়িত হৈ থকা প্ৰয়াত ৰুদ্ৰকান্ত দেৱ গোস্বামীদেৱে এই শিল্পকলা কাৰ্যক এক নতুন ৰূপেৰে উজ্জীৱিত কৰি থৈ গৈছে। তেখেতৰ শিল্পকৰ্মই অসমৰ লগতে ভাৰতৰ আন বহু ঠাইতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ এই লেখতল'বলগীয়া কৰ্মৰ বাবে অসম চৰকাৰে তেওঁক ১৯৮৮ চনত শিল্পী পেঞ্চনো প্ৰদান কৰিছিল।

প্ৰয়াত সত্ৰাধিকাৰ ৰুদ্ৰকান্ত দেৱগোস্বামীদেৱৰ জ্যেষ্ঠ পুত্ৰ স্বৰ্গীয় ধৰ্মকান্ত দেৱ গোস্বামীয়ে পিতৃৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মুখা শিল্প চৰ্চাত মনোনিৱেশ কৰাত তেওঁৰ সাধনাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে তেখেতকো শিল্পী পেঞ্চন প্ৰদান কৰিছিল। এখেতৰ দ্বাৰা সৃষ্ট মুখা শিল্প অসমৰ বিভিন্ন ঠাইলৈ বিয়পি পৰিছিল। "পৰম্পৰাগতভাৱে চলি অহা সত্ৰৰ তিনিশ বাৰন্ন বছৰীয়া এই শিল্প বৃক্ষৰ ঘাই শিপাৰ নতুন নতুন পুলি পোখাই এই পৰম্পৰাক বৰ্তমানেও অধিক শক্তিশালী কৰি ৰাখিছে, তাত কোনো সন্দেহ নাই।"[৪] (গোস্বামী, কৃষ্ণ, মুখা ঃ সত্ৰীয়া মুখা শিল্প, পৃষ্ঠা - ৭১)

প্ৰয়াত সত্ৰাধিকাৰ ৰুদ্ৰকান্ত দেৱগোস্বামীদেৱৰ ডাঙৰ পুত্ৰৰ দৰে সৰু, আৰু মাজু পুত্ৰইয়ো মুখা শিল্পৰ পৰম্পৰা অটুট ৰাখিবলৈ চেষ্টা চলাইছিল আৰু সত্ৰৰ লগত জড়িত নৱ-প্ৰজন্ময়ো মুখা নিৰ্মাণৰ প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ আগ্ৰহ দেখুৱাইছিল। সত্ৰাধিকাৰ কোষকান্ত দেৱগোস্বামীয়ে মুখা শিল্পৰ সাধনাৰ বাবে ২০০৩ চনত ভাৰত চৰকাৰৰ সংগীত নাট অকাদেমীৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ

সক্ষম হৈছিল।

এনেধৰণৰ মুখা শিল্প চৰ্চাৰ পৰম্পৰা মজুলীৰ পুৰণি আৰু নতুন চামগুৰি সত্ৰৰ বাহিৰেও মাজুলীৰ এলেংগী নৰসিংহ সত্ৰ, বিহিমপুৰ সত্ৰ আদিতো কিছু পৰিমাণে দেখিবলৈ পোৱা যায়। এনেধৰণৰ উথান পতনৰ মাজতেই মাজুলীৰ মুখা শিল্পৰ পৰম্পৰাক বৰ্তমান সময়তো জীয়াই ৰখাৰ ক্ষেত্ৰত সত্ৰাধিকাৰ সকলৰ লগতে আন আন বৰেণ্য ব্যক্তি, উদীয়মান যুৱকসকলে হাতে হাত মিলাই আগবাঢ়ি যোৱা দেখা যায় আৰু অনাগত ভৱিষ্যতেও উঠি অহা প্ৰজন্মই মুখা শিল্পৰ পুৰণি পৰম্পৰা বাহাল ৰখাৰ চেষ্টা অব্যাহত ৰাখিব লাগে।

**মুখা শিল্পৰ প্ৰকাৰ ঃ**

মুখা হ'ল মুখমণ্ডলত পৰিধান কৰা এবিধ আহিলা। মুখাসমূহক মূলতঃ সুৰক্ষা, ছদ্মবেশ, অভিনয় আৰু মনোৰঞ্জনৰ বাবে পৰিধান কৰা হয়। মুখাসমূহক অতি প্ৰাচীন কালৰে পৰাই আনুষ্ঠানিক আৰু ব্যৱহাৰিক কাৰ্যৰ বাবে ব্যৱহাৰ কৰি অহা দেখিবলৈ পোৱা যায়। মুখাসমূহ নাটক, ভাওনা আৰু ৰাসৰ লগত সংগতি ৰাখি নিৰ্মাণ কৰা হয়।

সাধাৰণতে সত্ৰসমূহত তিনি প্ৰকাৰৰ মুখা সজা হয়। মুখাৰ এই ভাগসমূহৰ বিষয়ে তলত উল্লেখ বিতং ভাৱে আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

**ছো-মুখা বা বৰমুখা ঃ**

এই মুখা স্বাভাৱিকতে ডাঙৰ বাবে বৰমুখা বুলি কোৱা হয়। বৰমুখা সৰ্বসাধাৰণ মুখাতকৈ বহুগুণে ডাঙৰ হয়। এই মুখাৰ মূৰৰ অংশ আৰু শৰীৰ অংশ সুকীয়া সুকীয়াকৈ সজা হয়। ভাওনাত অভিনয় বা ভাও দিয়াৰ সময়ত শৰীৰ কোনো অংশ দেখি নোপোৱাকৈ মুখাটো পৰিধান কৰি ভাও দিয়ে, যুদ্ধ কৰে। মুখা পিন্ধা ভাৱৰীয়াজনে দৰ্শকক দেখা পাবৰ বাবে মুখাটোত বিহিত ব্যৱস্থাও কৰা থাকে। ভাওনাত ভাও দিয়া ভাৱৰীয়াসকলৰ চৰিত্ৰৰ প্ৰতি লক্ষ্য ৰাখিহে এই বৰমুখা বা ছো-মুখা প্ৰস্তুত কৰি উলিওৱা হয়। ভাও দিয়াৰ সময়ত মুখাসমূহ প্ৰায় ৮/১০ ফুট পৰ্যন্ত ওখ হোৱা দেখা যায়। উদাহৰণস্বৰূপে ঃ নৰকাসুৰ, নৰসিংহ, ৰাৱন, বাণৰজা আদিৰ নাম উল্লেখ কৰিব পাৰো।

**লোটোকাই বা লোটোকৰি মুখা ঃ**

এই জাতীয় মুখা বৰমুখাতকৈ কিছু পৰিমাণে সৰু। এই মুখাৰ ধৰণ-কৰণ প্ৰায় ছো-মুখাৰ দৰেই, মাথো দুইবিধ মুখাৰ মাজত সামান্য পৰিমাণৰ পাৰ্থক্য থকা পৰিলক্ষিত হয়। এইবিধ মুখাৰো মূৰ আৰু শৰীৰ অংশ পৃথক পৃথককৈ সজা হয় আৰু হাত, মূৰ অংগসমূহ লৰচৰ কৰিবলৈ ব্যৱস্থা ৰখা হয়। ছো-মুখা বা বৰমুখাৰ দৰে এইবিধ মুখাৰৰ মূৰটো গাৰ অংশৰ লগত বান্ধি নিদি ভাৱৰীয়াজনৰ মূৰত পিন্ধাই দিয়া হয় আৰু মুখাটোৰ কঁকালত ঘূৰী পিন্ধাই দিয়া হয়। এনে কৰাৰ ফলত ভাও দিয়াৰ সময়ত ভাৱৰীয়াজনে সহজতে হাত-মূৰ লৰচৰ কৰি যুদ্ধ কৰিবও পাৰে । উদাহৰণস্বৰূপে ঃ শংখচূড়, তাৰকা ৰাক্ষসী, পুতনা ৰাক্ষসীৰ ভাও দিবৰ বাবে এনে লোটোকাই বা লোটোকৰি মুখাৰ ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়।

**মুখ মুখা ঃ**

কেৱল মুখ মণ্ডলক আৱৰি থকা যিবোৰ মুখা তৈয়াৰ কৰা হয় তাকে মুখ মুখা বোলে। ভাৱৰীয়া সকলে ভাও দিয়াৰ সময়ত এইবিধ মুখা মুখত পিন্ধি শৰীৰত বিভিন্ন ধৰণৰ ৰঙ-বিৰঙী কাপোৰ পৰিধান কৰে। উদাহৰণস্বৰূপ ঃ মাৰিচ, সুবাহু, চক্ৰবাত আদি চৰিত্ৰত ভাও দিবৰ বাবে এইবিধ মুখাৰ প্ৰয়োগ কৰা হয়।

আকৌ আকাৰৰ ওপৰত ভিত্তি কৰি মুখাসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি। সেইভাগসমূহ তলত উল্লেখ কৰা হ'ল -

**ডিঙিবিহীন মুখ মুখা ঃ**

এইবিধ মুখাত মুখখনৰ লগত ডিঙি অংশ একেলগতে সজা নহয়। ভাৱৰীয়াজনৰ নিজৰ ডিঙিৰ লগত মিলাকৈহে মুখখন সজা হয়। এইবিধ মুখা তৈয়াৰ কৰোতে মুখখনৰ পিছফালৰ পৰা এটা অংশ কাটি মুখখন সোমাব পৰা ব্যৱস্থা কৰি ৰখা হয় আৰু ভাও দিয়া চৰিত্ৰৰ লগত মিলাই ভাৱৰীয়া সকলে সাজ-পাৰ পৰিধান কৰে।

**মূৰ-মুখা ঃ-**

মূৰ-মুখা এক ধৰণৰ মুখ মুখাই হয়। এই মূৰ মুখ সজাৰ কাৰিকৰী কৌশলো প্ৰায় মুখ-মুখাৰ দৰেই। এইবিধ মুখা সাজোতে ডিঙিৰ অংশ একেলগতে সজা হয়। এই মুখা মূৰৰ ওপৰৰ পৰা পিন্ধা হয় বাবে মূৰ-মুখা বুলি কোৱা হয়। ভৱৰীয়াজনে মূৰৰ ওপৰৰ পৰা সামান্য হেঁচি দিলে মুখাখন ভাৱৰীয়াজনৰ মুখৰ লগত মিলি পৰে। কোনো কোনো ক্ষেত্ৰত ছো-মুখা বা বৰমুখাৰ বাবেও মূৰ-মুখা সাজি শৰীৰৰ লগত মিলাকৈ সংলগ্ন কৰি বান্ধি দিয়া হয়।

**এফলীয়া মুখা ঃ-**

মুখ-মুখাখনক কাণৰ কাষেদি সমানে দুভাগ কৰিলে সন্মুখৰ ফালটোক এফলীয়া মুখা বোলে। এইবিধ মুখাও মুখ-মুখাৰ দৰেই নিৰ্মাণ কৰা হয়। “এনে মুখা ভাৱৰীয়াই মুখত পিন্ধিলে লাগি থাকিবৰ কাৰণে মুখাৰ কাষত কাণৰ ওচৰত দুয়ো ফালে দুডাল ৰচি সংলগ্ন কৰি পিচফালে বান্ধিলেহে মুখখনত ৰৈ থাকিব।”[৫] (গোস্বামী, কৃষ্ণ, মুখা ঃ সত্ৰীয় মুখা শিল্প, পৃষ্ঠা - ৩৭)

এফলীয়া মুখা সাধাৰণতে চ'ৰাঘৰৰ দেৱালত সজাই ৰখাৰ লগতে মঞ্চ সজ্জাৰ সামগ্ৰী হিচাপেও ব্যৱহাৰ কৰা হয়।

**মূল আলোচনা ঃ-**

**মুখা নিৰ্মাণৰ লখিমী সূত্ৰ ঃ-**

মুখা সাজোতে ব্যৱহাৰ কৰা বাঁহৰ কাঠি(টোম)ৰ ‘মোৰ'টোক মুখা নিৰ্মাণৰ লখিমী সূত্ৰ বুলি কোৱা হয়। অতি পুৰণি কালৰ পৰাই কৃষকসকলে শস্যৰ বীজ ৰাখিবলৈ ‘মোৰ'ৰ সহায়ত বাঁহৰ কাঠিৰ টোম তৈয়াৰ কৰে। সেইবাবে লখিমী অৰ্থাৎ ‘ধানৰ বীজ’ ৰাখিবলৈ প্ৰস্তুত কৰা টোমৰ ‘মোৰ'টোক মুখা নিৰ্মাণৰ ‘লখিমী সূত্ৰ’ হিচাপে ব্যৱহাৰ কৰা হয়।

এজন ব্যক্তিৰ মুখখনৰ জোখৰ মুখ-মুখা এখন প্ৰস্তুত কৰিবলৈ হ'লে প্ৰথমতে দীঘল পাবযুক্ত দুপাব জোখৰ এটুকুৰা বাঁহৰ পৰা কাঠি উলিয়াই লোৱা হয়। ইয়াৰ পিছত বাঁহৰ কাঠিটো ছিটাছিটি কৰি চুঁচি লোৱাৰ পিছত তাৰ পৰা কাঠি তুলি মিহিকৈ চুঁচি মুখাৰ বাবে কাঠি প্ৰস্তুত কৰা হয়। এইদৰে প্ৰস্তুত কৰি লোৱা দুটা কাঠি লৈ মুখাৰ ‘মোৰ’ অৰ্থাৎ ‘লখিমী সূত্ৰ’ জোৰা হয়।

**মুখা নিৰ্মাণৰ সামগ্ৰী ঃ**

ভাৰতবৰ্ষৰ আন আন ৰাজ্যত প্ৰচলিত মুখাতকৈ অসমৰ মুখাৰ স্থান কিছু পৰিমাণে সুকীয়া; এই মুখা স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ। সচৰাচৰ প্ৰাকৃতিকভাৱে উপলব্ধ কিছুমান থলুৱা সামগ্ৰীৰ সহায়ত মুখা নিৰ্মাণ কৰা হয়। এই সামগ্ৰীসমূহ হ'ল- বাঁহ, বেত, কাপোৰ, কাগজ, কুঁহিলা, গোবৰ, কুমাৰমাটি, মৰাপাট আৰু হেঙুল, হাইতাল, নীল গছৰ পৰা প্ৰস্তুত কৰা ৰং। এই থলুৱা উপাদানসমূহক ব্যৱহাৰ কৰিয়েই মুখা শিল্পই শিল্প হিচাপে গঢ় লৈ উঠিছে।

উল্লেখিত সামগ্ৰীসমূহৰ ভিতৰত প্ৰধানকৈ বাঁহ প্ৰয়োজনীয়। অসমৰ জনজীৱনৰ লগত বাঁহৰ প্ৰয়োগ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। মুখা নিৰ্মাণৰ বাবে বাঁহ অতি প্ৰয়োজনীয়। একোখন মুখা নিৰ্মাণ কৰিবলৈ হ'লে একেবাৰে বুঢ়া বাঁহ অথবা কুমলীয়া বাঁহ হ'লে নহ'ব, আঢ়ৈ বা তিনি বছৰ বয়সীয়া বাঁহহে মুখা নিৰ্মাণ কাৰ্যৰ বাবে লাগতিয়াল।

মুখা নিৰ্মাণৰ দ্বিতীয়বিধ প্ৰয়োজনীয় সামগ্ৰী হ'ল বেত। মুখা শিল্পৰ লগত বেতৰ সম্পৰ্ক অতি ঘনিষ্ঠ। সৰু-বৰ বিভিন্ন ধৰণৰ মুখাৰ বাঁহৰ কাঠিৰ খাঁচটো শক্তিশালী ৰূপত স্থিৰ কৰি ৰাখিবৰ বাবে বাঁহৰ শলি আৰু কামীবোৰ নিৰ্দিষ্ট স্থানত বান্ধিবৰ বাবে বেতৰ প্ৰয়োগ কৰা হয়। বেত কেঁচা হৈ থাকোতে মুখাত বান্ধিলে বেতৰ সূত চিগি যোৱাৰ লগতে পিছলৈ সেই বান্ধটো শিথিল হৈ যোৱাৰো সম্ভাৱনা থাকে। সেয়েহে বেতবোৰ সম্পূৰ্ণৰূপে পৈণত হোৱাৰ পাছতহে ভালদৰে চুঁচি মিহি কৰি সূত উলিয়াই মুখাত বন্ধা হয়। কেতিয়াবা বাঁহৰ কাঠিৰ পৰিবৰ্তে বেতৰ সুতেৰেও ‘লখিমী সূত্ৰ'ৰ সহায়ত মুখাৰ খাঁচ তৈয়াৰ কৰিব পাৰি। কিন্তু বৰ্তমান সময়ত বন্ধা কাৰ্যত ব্যৱহাৰ কৰিবলৈ নিত্য-নতুন সামগ্ৰী বজাৰত উপলব্ধ যদিও বেতৰ পৰম্পৰাগত ব্যৱহাৰ ম্লান পেলাব পৰা নাই।

মুখা নিৰ্মাণৰ তৃতীয়বিধ প্ৰয়োজনীয় সামগ্ৰী হ'ল-

কাপোৰ। মুখা নিৰ্মাণৰ বাবে প্ৰস্তুত কৰি উলিওৱা খাঙটোৰ ওপৰত যদি কাপোৰেৰে আৱৰণ দিয়া নহয় তেন্তে গোবৰ মাটিৰ সহায়ত মুখাটোৰ ওপৰত চেহেৰা দিয়াটো সম্ভৱ নহয়। মুখা প্ৰস্তুত কৰিবলৈ দুই ধৰণৰ কপাহী কাপোৰৰ প্ৰয়োজন হয়। এবিধ মিহি আৰু পাতল, আনবিধ অলপ ডাঠ আৰু খহটা। মুখাৰ খাঙটোৰ ওপৰত কুমাৰ মাটিৰ লেপন দিয়াৰ পিছত খহটা আৰু ডাঠ কপাহী কাপোৰখনেৰে ঢাকি দিয়া হয়। আৰু মিহি পাতল কাপোৰখনত কুমাৰ মাটিৰ বোকা লেটিয়াই আগতে চেহেৰাৰ ওপৰত লগাই দিয়ে। এনে কৰিলে মুখাখন আধা শুকান অৱস্থাত বাঁহৰ কৰণিৰে মিহি কৰি দিলে মসৃণ হৈ পৰে।

মুখা নিৰ্মাণৰ চতুৰ্থবিধ আহিলা হ'ল কাগজ। মুখা নিৰ্মাণ কাৰ্যত কাগজৰ প্ৰয়োজনীয়তা সীমিত যদিও একেবাৰে নুই কৰিব নোৱাৰি। মুখাৰ চকু, নাক, কাণ, জিভা, নখ আদিৰ দৰে অংগসমূহত বাঁহৰ কাঠিৰ পৰিৱৰ্তে ডাঠ কাগজ ব্যৱহাৰ কৰিবও পাৰি। সত্ৰসমূহত কাগজৰ মুখা তৈয়াৰ কৰা পৰম্পৰাগত পদ্ধতি নথকা নহয়। বাঁহৰ কাঠিৰে তৈয়াৰ কৰা মুখা পিন্ধি ভাৱৰীয়াসকলৰ ভাও দিয়াত কিছু অসুবিধাৰ সন্মুখীন হয় বাবে কাগজৰ মাধ্যমত মুখা তৈয়াৰ কৰা হয়। আৰু পদ্ধতিৰে সজা মুখাক সাঁচৰ মুখা বোলা হয়।

মুখা নিৰ্মাণৰ পঞ্চম আহিলা হ'ল কুঁহিলা। কুঁহিলা হ'ল দ' পথৰুৱা অঞ্চল, হোলা আদি ঠাইত জন্ম হোৱা এবিধ সৰু বনৰীয়া উদ্ভিদ। কুঁহিলা মুখা নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা হয়। মুখাৰ ওজন কমাবৰ বাবে মুখ-মুখাৰ উচ্চ অংশবোৰ যেনে- কপাল, গাল, নাক, কাণ, থুঁতৰি, দাঁত আদি অংশসমূহত পোনপ্ৰথমে কুঁহিলাৰ টুকুৰা কাটি মুখাখনৰ লগত সংযোগ কৰি ওপৰত সামান্য পৰিমাণে গোবৰ মাটিৰে চেহেৰা দি মুখা তৈয়াৰ কৰা হয়। ইয়াৰ লগতে মুখাত পিন্ধাবলগীয়া আ-অলংকাৰ, কেৰুমণি আদি কুঁহিলাৰ পৰাই প্ৰস্তুত কৰা হয়।

মুখা নিৰ্মাণৰ ষষ্ঠবিধ প্ৰয়োজনীয় আহিলা হ'ল- গোবৰ। মুখা প্ৰস্তুত কৰোতে সাজি লোৱা বাঁহৰ কাঠিৰ খাঙটোত চেহেৰা দিয়া কাৰ্যত গোবৰ ব্যৱহাৰ কৰা হয়। গৰুৰ গোবৰৰ বাহিৰে ছাগলী, ম'হ, ঘোঁৰা আদিৰ গোবৰ মুখা নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা হয়। কিয়নো ধান-খেৰ, তুঁহ খোৱা জীৱ-জন্তুৰ গোবৰখিনি খহটা আৰু আঁহযুক্ত হয় আৰু সেইধৰণৰ গোবৰে চেহেৰা দিলে মুখাৰ পৃষ্ঠভাগ খহটা হয়। পৃষ্ঠভাগ মসৃণ হ'লেহেৰং সানিবলৈ সুবিধা হয় সেয়েহে পৰাপক্ষত গৰুৰ গোবৰেই ব্যৱহাৰ কৰা দেখা যায়।

মুখা নিৰ্মাণৰ সপ্তমবিধ আহিলা হ'ল- কুমাৰ মাটি। "এই মাটি নদীৰ তলৰ অংশত পোৱা যায়। খৰালি মাহত নদীৰ পানী যেতিয়া শুকাই যায় তেতিয়া নদীৰ প্ৰস্থ হ্ৰাস হয়। সেই সময়তে নদীৰ তীৰত বসবাস কৰা কুমাৰ সম্প্ৰদায়ৰ লোকসকলে নদীৰ কাষৰীয়া অঞ্চলত কুঁৱাৰ দৰে গাঁত খান্দি বেছ কিছু গভীৰতাত কুমাৰ মাটিৰ স্তৰ উদ্‌ঘাটন কৰি তাৰ পৰা মাটি কাটি পাৰত জমা কৰি ৰাখে।" ৬(গোস্বামী, কৃষ্ণ, মুখাঃ সত্ৰীয়া মুখা শিল্প, পৃষ্ঠা ২৪) এই মাটি সংগ্ৰহ কৰি মুখা শিল্পীসকলে মুখা নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰে। ৰঙচুৰা, বগা আৰু ধোঁৱাবৰণ এই তিনিটা ৰঙৰ কুমাৰ মাটি পোৱা যায়।

মুখা নিৰ্মাণৰ অষ্টমবিধ আহিলা হ'ল- মৰাপাট। মুখাসমূহত চুলি দিবৰ বাবে মৰাপাটৰ ব্যৱহাৰ কৰা হয়। মৰাপাটৰ ৰংটো ক'লা কৰিবৰ বাবে কিছুমান প্ৰাকৃতিক উপাদানৰ প্ৰয়োজন হয় তাৰ ভিতৰত কেহেৰাজ, শিলিখা, চাহগছৰ ছাল আদি থেতেলিয়াই লৈ সেইখিনিৰ পানীত মৰাপাটবোৰ ডুবাই ৰাখিব লাগে। ইয়াৰ পিছত মৰাপাটখিনিক ৰ'দত শুকাবলৈ দিব লাগে আৰু এখন বাঁহৰ কাকৈ লৈ সেই মৰাপাটৰ চুলিখিনি আঁচুৰি লৈ মুখাত লগোৱা হয়।

মুখানিৰ্মাণৰ নৱম অৰ্থাৎ অন্তিম আহিলাবিধ হ'ল ৰং। মুখাত ৰং দিবৰ বাবে হেঙুল, হাইতাল আৰু নীলৰ পৰা ৰং প্ৰস্তুত কৰা হয়। মুখাত দিবৰ বাবে ৰঙা, হালধীয়া আৰু নীলা এই তিনিবিধ ৰঙকেই প্ৰাথমিক ৰং হিচাপে ব্যৱহাৰ কৰা হয় আৰু বাকী ৰংবোৰ ইটোৰ লগত সিটো মিহলাইহে ব্যৱহাৰ কৰা হয়। হেঙুল-হাইতালৰ পৰা প্ৰস্তুত কৰা ৰংসমূহ বাঁহৰ পাতল চুঙাৰ গাঁঠিটো ৰাখি তিনি বা চাৰে তিনি ইঞ্চিমান দীঘলকৈ কাটি তাতে থোৱা হৈছিল।

উল্লেখিত সঁজুলিবোৰৰ সহায়তেই মুখা নিৰ্মাণ কৰি উলিওৱা হয়।

**মুখা নিৰ্মাণৰ পদ্ধতি বা শৈলী ঃ**

মুখাশিল্প হ'ল মাজুলীৰ এক ঐতিহাসিক পৰম্পৰা। এই পৰম্পৰাক অতি প্ৰাচীন যুগৰ পৰা বৰ্তমানলৈকে বিশিষ্ট ব্যক্তিসকলে অটুট ৰাখিছে। মুখাত দিয়া চেহেৰাসমূহ সম্পূৰ্ণৰূপে ৰামায়ণ,মহাভাৰতৰ কাহিনীৰ চৰিত্ৰৰ আধাৰত নিৰ্মিত। যিবিলাক চৰিত্ৰ নিজৰ মুখেৰে প্ৰকাশ কৰিব নোৱাৰে সেই চৰিত্ৰসমূহক এই মুখাসমূহৰ যোগেদি জনসাধাৰণৰ আগত উপস্থাপন কৰিবলৈ চেষ্টা কৰা হয়।

মুখা এখন প্ৰস্তুত কৰি উলিয়াবলৈ হ'লে আৰম্ভণিৰ পৰা শেষলৈকে মুঠ তিনিটা পৰ্যায় অতিক্ৰম কৰিব লাগিব। এই পৰ্যায়কেইটাৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

**প্ৰথম পৰ্যায় ঃ**

মুখা প্ৰস্তুত কৰিবলৈ হ'লে পোনপ্ৰথমে আঢ়ৈ, তিনিবছৰ বয়সীয়া বাঁহ মুখাৰ জোখ অনুসৰি টুকুৰা-টুকুৰ কৰি চাৰি-পাঁচ দিনমান পানীত তিয়াই ৰাখিব লাগে আৰু পাছত কাঠি তুলিব লাগে। মুখ-মুখাৰ কাৰণে দুই পাব আৰু ডাঙৰ মুখাৰ বাবে তিনি-চাৰি পাব জোখাৰে বাঁহবোৰ কাটিব লাগে। বাঁহৰ টুকুৰাবোৰত ঘুণে নধৰিবৰ বাবে পানীত তিয়াই ৰখা হয়। মুখা নিৰ্মাণ কৰাৰ প্ৰথম কাম 'লখিমী সূত্ৰ'ৰে আৰম্ভ কৰি মুখাৰ খাঙ নিৰ্মাণ কৰা হয় আৰু খাঙটো সম্পূৰ্ণ হোৱাৰ পিছত তাক স্থিৰ কৰি ৰাখিবৰ বাবে বাঁহৰ কামি তৈয়াৰ কৰি কিছুমান স্থানত বেতৰ সুতেৰে বান্ধি দিয়া হয়। ইয়াৰ পিছত কুমাৰ মাটিখিনি বোকা কৰি কপাহী কাপোৰ এখনত সানি কাপোৰখন মুখাৰ খাঙটোৰ ওপৰত লগাই সম্পূৰ্ণকৈ বাঁহৰ কাঠিবোৰ ঢাকি ৰ'দত শুকাবলৈ দিয়া হয়।

**দ্বিতীয় পৰ্যায় ঃ**

মুখা নিৰ্মাণৰ দ্বিতীয় পৰ্যায়ত কুমলীয়া ঘাঁহ খোৱা পোৱালি গৰুৰ গোবৰ লোৱা হয়। ধান, খেৰ, তুঁহ খোৱা গৰু, ছাগলী, ম'হ, ঘোঁৰাৰ গোবৰ যিহেতু খহটা আৰু আঁহযুক্ত। সেয়েহে কুমলীয়া ঘাঁহ খোৱা পোৱালি গৰুৰ গোবৰ আৰু কুমাৰ মাটি একেলগ কৰি হাতেৰে মথি জোখৰ হ'লে, সুবিধা অনুসৰি হাতেৰে নাইবা বাঁহৰ কৰণিৰে কাপোৰ মেৰিওৱা মুখাৰ খাঙটোৰ ওপৰত মাটি লগাই চেহেৰা দিয়া হয় আৰু শুকাবলৈ ৰ'দত দিয়া হয়। মুখাখন শুকোৱাৰ পাছত তাৰ ওপৰত গোবৰ মাটিৰে মসৃণ চেহেৰা দিয়াৰ পাছত পুনৰ কিছু সময় ৰ'দত শুকুৱাই আধা শুকাওতে কুমাৰ মাটি লগোৱা কাপোৰখন মুখাৰ ওপৰত লগাই মাটিখিনি ঢাকি দি ৰ'দত আধা শুকাবলৈ দিয়া হয় আৰু বাঁহৰ কৰণিৰে মিহি কৰি পুনৰ শুকাবলৈ দিয়া হয়। আৰু মুখাখন সম্পূৰ্ণকৈ শুকোৱাৰ পিছতেই দ্বিতীয় পৰ্যায়ৰ কামৰ অন্ত পৰে।

**তৃতীয় পৰ্যায় ঃ**

তৃতীয় পৰ্যায়ত মুখাত ৰং দিয়া কাম আৰম্ভ হয়। ৰং প্ৰস্তুত কৰিবৰ বাবে হেঙুল, হাইতাল, নীল, ধলমাটি বা বগামাটি আদিৰ প্ৰয়োজন হয়। হেঙুলৰ পৰা ৰঙা, হাইতালৰ পৰা হালধীয়া, নীলৰ পৰা নীলা আৰু ধল মাটিৰ পৰা বগা ৰং উলিওৱা এই প্ৰক্ৰিয়া অতীজৰে পৰাই চলি আহিছে। আগতে জাতিলাউৰ খোলাটো শুকুৱাই পুৰি তাৰ ছাইৰ পৰা ক'লা ৰং প্ৰস্তুত কৰা হৈছিল। কিন্তু পাছলৈ কেৰাচিন তেলৰ চাকিৰ ধোঁৱাৰ এঙাৰৰ পৰা সেই ক'লা ৰং তৈয়াৰ কৰা হৈছিল।

ৰঙা, নীলা, হালধীয়া, বগা ৰঙৰ লগত আন কিছুমান ৰং মিহলি কৰি বেলেগ বেলেগ ৰং তৈয়াৰ কৰাও হয়। এইবিলাক ৰঙৰ দ্বাৰাই সৰু ব্ৰাছ আৰু তুলিকাৰ সহায়ত মুখাবোৰত ৰঙেৰে বুলাই তোলা হয়।

মুখাত ৰং সনা কাৰ্য সম্পন্ন হোৱাৰ পাছত অভ্ৰ চৰোৱা হয়। মুখা জিলিকিবৰ বাবে আৰু লগতে ৰং এৰাই নেযাবৰ বাবে মুখাৰ ওপৰত এবিধ পৰিষ্কাৰ জুলীয়া পদাৰ্থৰ লেপ দিয়া হয়। অভ্ৰ বা বালিচন্দা, ধান, ঔটেঙাৰ বীজ অংশৰ পৰা এই জুলীয়া স্বচ্ছ পদাৰ্থবিধ তৈয়াৰ কৰা হয়। এই সংমিশ্ৰণটো মিহলাই ৰং কৰা মুখাৰ ওপৰত প্ৰলেপ দি ৰ'দত শুকাবলৈ দিব লাগে আৰু শুকাই যোৱাৰ পিছত মুখাখনত এটি জিলিকনিৰ সৃষ্টি হয়।

এনেদৰেই তিনিটা পৰ্যায়ত মুখা শিল্পৰ নিৰ্মাণ শৈলীৰ বিষয়ে উপযুক্ত তথ্য দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ল।

**অৰ্থনৈতিক স্বাৱলম্বিতাত মুখা শিল্পৰ ভূমিকা ঃ**

পৰম্পৰাগতভাৱে চলি অহা মুখা শিল্পক জীয়াই

ৰাখিবলৈ আৰু নৱপ্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তুলিবলৈ সকলোৰেই প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। ইয়াৰ ফলশ্ৰুতিতেই ২০০৩ চনত চামগুৰিত সংগীত, নাটক, একাডেমীৰ অধীনত মুখা নিৰ্মাণ কেন্দ্ৰ স্থাপন কৰা হৈছিল। এই কেন্দ্ৰটোৰ যোগেদি বহুতো লোকে মুখা নিৰ্মাণৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিছিল। পুৰণি মুখা পৰম্পৰা সময়ৰ সোঁতত যাতে হেৰাই যাব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়াত শিল্পী ৰুদ্ৰকান্ত দেৱ গোস্বামীদেৱৰ পুত্ৰ শ্ৰী হেমচন্দ্ৰ গোস্বামীদেৱে ১৯৮০ চনত শ্ৰীশ্ৰী চামগুৰি সত্ৰত 'সুকুমাৰ কলা পীঠ' নামৰ এটি মুখা প্ৰশিক্ষণ কেন্দ্ৰৰ স্থাপন কৰে। এই কেন্দ্ৰত উদীয়মান কৰ্মোদ্যমী যুৱকক মুখা নিৰ্মাণৰ প্ৰশিক্ষণ দিয়া হয়। এই অনুষ্ঠানটোৰ যোগেদি মাজুলী বহুতো যুৱকে মুখা নিৰ্মাণকে বৃত্তি হিচাপে গ্ৰহণ কৰি জীৱিকাৰ পথ প্ৰশস্ত কৰা পৰিলক্ষিত হয়।

এনেদৰে গুৰুৰ পৰা প্ৰশিক্ষণ লৈ যুৱকসকলে পৰৱৰ্তী সময়ত নিজাববীয়াকৈ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি মুখা নিৰ্মাণ কাৰ্য অব্যাহত ৰাখিব পাৰিব আৰু ইয়াৰ সমান্তৰালভাৱে সেই উদ্যোগত আন দহজন যুৱকক প্ৰশিক্ষণ প্ৰদান কৰি নিযুক্তি দিব লাগে যাতে নিযুক্ত থকা যুৱকসকলে মুখা শিল্পক বৃত্তি হিচাপে ধৰি নিজৰ পৰিয়ালটোক সুন্দৰকৈ পোহ-পাল দিব পাৰে আৰু এনে কাৰ্যৰ ফলত ৰাজ্যখনৰ নিবনুৱা সমস্যা কিছু পৰিমাণে হ'লেও কম হ'ব। কেৱল চাকৰিৰ আশাত মুখ টোপালি বহি থকাতকৈ এনেধৰণৰ কামবোৰ হাতত তুলি ল'লে নিজে অৰ্থনৈতিক ক্ষেত্ৰত স্বাৱলম্বী হোৱাৰ লগতে দেশখনেও উন্নতিৰ জখলাত বগাব পাৰিব।

**উপ-সংহাৰ ঃ**

শ্ৰীশ্ৰী চামগুৰি সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ ৰুদ্ৰকান্ত দেৱ গোস্বামীয়ে তেখেতৰ নেতৃত্বত সত্ৰৰ পৰা এটি সাংস্কৃতিক দল তৈয়াৰ কৰিছিল। আৰু এই দলটিয়ে সত্ৰীয়া গীত, নৃত্য-ভাওনাৰ লগতে মুখাৰো অভিনয় কৰি মুখা শিল্পৰ ঐতিহ্যক বাহাল ৰখাৰ প্ৰচেষ্টা কৰিছিল। অসমৰ পৰম্পৰাগত এই মুখা শিল্পবিধক জীয়াই ৰাখিবৰ বাবে সকলো ব্যক্তিয়েই এইদৰে প্ৰচেষ্টা চলাব লাগে। মাজুলীৰ সাংস্কৃতিক ঐতিহ্যৰ অন্তৰ্গত এই মুখা শিল্পৰ পৰম্পৰাক উঠি অহা প্ৰজন্মৰ মাজত বহুল ভাৱে প্ৰচাৰ কৰি দূৰ-দূৰণিলৈ সোঁত প্ৰসাৰিত কৰাৰ ব্যৱস্থা কৰিলেহে এই মুখা শিল্পৰ সৌন্দৰ্য ম্লান পৰি নাযাব। অন্যথা এইবিধ শিল্পকলাৰ চৰ্চা নকৰিলে এদিন কালৰ গৰ্ভত ই হেৰাই যাব।

**সিদ্ধান্ত ঃ**

'মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্পৰ নিৰ্মাণ শৈলী আৰু ইয়াৰ লগত জড়িত হৈ থকা অৰ্থনৈতিক স্বাৱলম্বিতা'-শীৰ্ষক গৱেষণামূলক লেখাটি প্ৰস্তুত কৰিবলৈ যাওঁতে বিষয়টো কেইবাটাও অধ্যায়ত ভাগ কৰি লোৱা হৈছিল। আৰু এই অধ্যায়সমূহৰ পুনঃ মূল্যায়ণৰ সহায়ত আমি কিছুমান চৰম সিদ্ধান্তত উপনীত হ'ব পাৰিছো। এই সিদ্ধান্তসমূহ এনেধৰণৰ-

(ক) মাজুলীৰ মুখা শিল্পৰ পৰম্পৰা অতি পুৰণি আৰু ঐতিহ্যশালী।

(খ) মুখা শিল্প নিৰ্মাণৰ ক্ষেত্ৰত শিল্পীগৰাকীয়ে বিভিন্ন ধৰণৰ কাৰিকৰী কৌশল প্ৰয়োগ কৰে।

(গ) মুখা শিল্পৰ আটাইকেইটা বিভাগ নিজস্ব বৈশিষ্ট্যৰে সমৃদ্ধিশালী।

(ঘ) মুখা নিৰ্মাণৰ লখিমী সূত্ৰই মুখা নিৰ্মাণ কাৰ্যত সহায় কৰে।

(ঙ) বাঁহ, বেত, কাপোৰ, কাগজ, কুঁহিলা, গোবৰ, কুমাৰ মাটি, মৰাপাট, হেঙুল, হাইতাল আদি প্ৰাকৃতিক উপাদানৰ সহায়ত মুখা নিৰ্মাণ কৰা হয়।

(চ) মুখা নিৰ্মাণক বৃত্তি হিচাপে লৈ বহুতো উদীয়মান যুৱকে অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হ'ব পাৰিছে।

পাদটীকা ঃ-

১) গোস্বামী, কৃষ্ণ ঃ- মুখাঃ সত্ৰীয়া মুখা শিল্পী, (পৃষ্ঠা -১৬)

২) শইকীয়া, ভৱেন্দ্ৰনাথ ঃ- প্ৰান্তিক (২য় বৰ্ষ, সোতৰশ সংখ্যা)

৩) গোস্বামী, কৃষ্ণ ঃ- মুখা ঃ সত্ৰীয়া মুখা শিল্পী, (পৃষ্ঠা ৭০)

৪) গোস্বামী, কৃষ্ণ ঃ- মুখা ঃ সত্ৰীয়া মুখা শিল্পী, (পৃষ্ঠা ৭১)

৫) গোস্বামী, কৃষ্ণ ঃ- মুখা ঃ সত্ৰীয়া মুখা শিল্পী, (পৃষ্ঠা ৩৭)

৬) গোস্বামী, কৃষ্ণ ঃ- মুখা ঃ সত্ৰীয়া মুখা শিল্পী, (পৃষ্ঠা ২৪)

সহায়ক গ্ৰন্থ পঞ্জীঃ-

১) গোস্বামী, কৃষ্ণ ঃ- মুখা ঃ সত্ৰীয়া মুখা শিল্প, প্ৰকাশক - লতিকা গোস্বামী, প্ৰথম প্ৰকাশ - ফেব্ৰুৱাৰী, ২০১৬ চন)

২) শৰ্মা, ড° নবীন চন্দ্ৰ ঃ- অসমীয়া লোকসংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, প্ৰথম প্ৰকাশ ১৯৮৯, চতুৰ্থ প্ৰকাশ ২০১০ চন, পঞ্চম প্ৰকাশ ২০১১ চন।

৩) গগৈ, ড° লীলা ঃ- অসমৰ সংস্কৃতি, বনলতা প্ৰকাশন, ৮ম সংস্কৰণ ২০১১, ৯ম সংস্কৰণ ২০১২

৪) নেওঁগ, মহেশ্বৰ ঃ- অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশন, দ্বাদশ সংস্কৰণ ২০১২চন

৫) শৰ্মা, ড° সতেন্দ্ৰ নাথ ঃ- অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, দশম সংস্কৰণ, পুনৰ মুদ্ৰণ ২০১৩ জুন।

৬) বৰা, লক্ষ্মীনন্দন (সম্পা) ঃ- গৰিয়সী, ফেব্ৰুৱাৰী, ২০১২ চন।

৭) বৰগোহাঞি, হোমেন ঃ- অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড, (পৰিবৰ্ধিত সংস্কৰণ) দ্বিতীয় প্ৰকাশ, মাৰ্চ ২০১২ চন।

# দেউৰী সমাজৰ মৃতকৰ বিধি-বিধান

**সুৰেন দেউৰী বৰপূজাৰী**
প্ৰাক্তন ছাত্ৰ, ধেমাজি

জীৱন মাত্ৰেই মৃত্যু থকাটো চিৰসত্য। হয়তো সৃষ্টিকতাই এক বৈপ্লিৱিক ঐশ্বৰিকতা শক্তিত চাৰি মুঠি জীৱক পৃথিৱীত সৃষ্টি কৰিছিল। ভ্ৰমন, উৰণ, গজন আৰু বুৰণ। প্ৰত্যেকৰ বংশ বৃদ্ধি প্ৰক্ৰিয়া বেলেগ আছিল। বৈজ্ঞানিক মতাদৰ্শ দৃষ্টিৰে মানুহ নামৰ জীৱই শ্ৰেষ্ঠতা প্ৰতিপন্ন। বিচাৰ-বুদ্ধি, ভাল-বেয়া, আচৰণ-আৱৰণ, সঁচা-মিছা, আবেগ-অনুভূতি, লগতে চিন্তা-চৰ্চ্চ কৰিব পৰা। পৰিস্থিতি মোকাবালা কৰিববলৈও জাতিটোৱে সৃষ্টি কৰিছিল ফৈদ, বংশ আৰু সম্বন্ধৰ। সেয়ে কবিয়ে লিখিছিল মানুহে দেৱ, মানুহে সেৱ, মানুহ বিনে নাই কেও। কৰা কৰা পূজাৰ অৰ্ঘ্য লৈ, জয়-জয় মানৱ দেৱ।

ভাল কামৰ প্ৰশংসা, বেয়া কামৰ তিৰস্কাৰ মানুহ সমাজতে বিৰাজমান। ভালে পাই ভালক- জাৱৰে পায় খালক বোলা নীতি বচন থকা দৰে ভাবিব পাৰি। বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰে আবৃত বৰ্ণীল অসমৰ বুকুৰ আমঠু দৰে ভাৰিব পৰা অনুসূচীত ভৈয়াম জনজাতিৰ স্বৰূপ বহন কৰা, দেউৰী সকলৰ বহু ৰীতি-নীতিৰ পৰম্পৰা চলি আহিছে। স্বাভিমানৰ বৈশিষ্ট্য বৰ্তাই দৈনন্দিন জীৱন গাঁঠাত আগবাঢ়ি খোজে। দুই এক কৰবাত উজতিয়ালেও শুধৰাই লৈছে। জীৱৰ তুলনাত মানুহৰ কাৰ্য্য দক্ষতা নিশ্চয় বহু ওপৰত। তথাপি বেমাৰ ব্যাধিয়ে সকলো জীৱকে কেতিয়াবা তাণ্ডৱৰ লীলা খেলে। উচিত চিকিৎসাৰ অভাৱত বেমাৰীয়ে মৃত্যুক আকোৱালি ললে আত্মীয় পৰিয়াল, বৰ্গ সদস্য এজনৰ শূন্যতা অনুভৱ কৰি মাথো কন্দা-কতা কৰে। গএগ্ৰাঁ-জ্ঞাতি, মিতিৰ-কুতুম্ব সকলো আহি দুখৰ সমভাগী হয়হি। শোক পাতলাবলৈ নানা কথাৰে বুজনিৰ পাতনি মেলে। তেওঁ লিখনৰ মতে ইহসংসাৰ পৰা বিদায় লৈছে। দু-দিন আগ, দু-দিন পিছ। পৃথিৱীৰ সকলো জীৱই এদিন বিদায় লবই লাগিব। সময়ে কাকো অপেক্ষা নকৰাৰ দৰে। হিন্দু সমাজতো মৃতকক দুই ধৰনেৰে সৎকাৰ কৰা নিয়ম নথকা নহয়। দাহ কৰা আৰু সমাধিস্ত কৰা। দেউৰীসকলৰ কিন্তু দাহ কৰা প্ৰথাকে কৰিলেও কিছু ক্ষেত্ৰত সমাধিস্ত কৰে। মৃতকৰ কম বয়স, আত্ম ঘাটিত মৃত্যু, প্ৰসৱৰ বেদনাত মৃত্যুক আকোঁৱালি লোৱা সমাধিস্তৰ প্ৰক্ৰিয়া দ্বাৰা সম্পৰ্ণ কৰে। ইয়াৰ পিছত কাৰ্য বিলাক কিন্তু নীতিৰ আদৰ্শত কৰি যায়। আজি কালি কিছু এৰাধৰা মনোভাৱৰ পোষকতাত দাহ কৰাতোকে স্বাভাৱিক হৈ পৰিছে।

মৃত্যু পিছত বহু কাৰ্য্যই কৰিব লগা হয়। বিজ্ঞান সন্মত নে আন কিবা আনুষঙ্গিকতা মত সেয়া বিচাৰ্য্য বিষয়ত নধৰে। পৰম্পৰা কাৰ্য্যৰ ওপৰতে বিশেষ ভাৱে প্ৰাধান্য দিয়ে। এনে নীতি-নিয়ম তথা বিধি-বিধান প্ৰত্যেক জাতিৰে আছে।

**টেঙাপণিয়াঃ**

সদ্যসতে টেঙাপণিয়া ফৈদৰ মৃতকৰ পিছৰ কাৰ্য্যক্ৰমণিকা ওপৰত, কিছু নিয়ম-নীতিৰ আভাসৰ প্ৰয়াস কৰিছোঁ। গাঁৱত বেমাৰী মানুহ থাকিলে সকলোৰেই কম-বেচি পৰিমানে সজাগ থাকেই। সময় উলিয়াই দিনৰ ভাগত হওঁক বা গধূলীৰ আগে-পিছে হওঁক বেমাৰী ঘৰত গাঁৱৰ ৰাইজ হিচাবে পাক চেৰেক মৰাটো সমাজৰ নিয়মৰ ওপৰতে পৰে। মৃত্যুৰ খবৰ পালেটো কথাই নাই- য'ত কাম তাতে এৰি মৃতকৰ ঘৰলৈ ঢাপলি মেলে।

এইয়া স্নেহবন্ধন নমুনাহে কবপাৰি। প্ৰীতি-সম্প্ৰীতিৰ, এনাজৰি ডালক ভাবিব নোৱাৰকৈ বান্ধি ৰাখিছে গ্ৰাম্যসমাজখনে। ৰাইজে আহি কৰণীয়া কাম বিলাক হাতে কামে লাগে। মৃতকৰ খৰি দিব লগা গছ থাকিলে কেইজনমানক দায়িত্ব দি জ্যেষ্ঠৰ কেইজনমানে গৈ, কাটিব লগা গছৰ ওচৰত তামোল পাণৰ শৰাই আগবঢ়াই আৰু আৰ্শীবাদেৰে মৃতকৰ বাবে খৰি উৰ্চ্ছগা কৰোৱাই। আনহাতে ভঁৰাল ঘৰ থাকিলে বগা কাপোৰে ঢাকে। মহানুভৱতা জ্ঞানেৰে ভাগে-ভাগে চিতা সজাব লগা, কাঠ বিলাক গছৰ পৰা উলিয়াই। জাতি, মাটি আৰু ভেঁটি নহ'লে মানুহ নাথাকে টিকি, গতিকে আন ফালে চিতাৰ তৈয়াৰ কৰিবলৈ মাটি-ভেটি চাব লগা হয়। চিতাৰ বাবত য'ত ঠিক কৰে তালৈকে খৰি বিলাক গোটাব লগা হয়। আয়ত ক্ষেত্ৰৰ আকাৰ যোগচিহ্ন ৰূপত, চাৰিটা খুঁটা। দুটা খুঁটাৰ ভিতৰৰ ফালে দুটা ডাঙৰ কাঠৰ টুকুৰা। যাক সমাজে গদহা বুলিয়ে অবিহিত কৰে। এই গদহা পৰা মানুহ দুজনক সন্মান থাকে। প্ৰায় তিনিহাত প্ৰস্থ আৰু পাঁচ হাতমান দীঘল কৰি চিতাৰ খনত হিচাব অনুসৰি খৰি জাপে। বংশ, ফৈদৰ পুৰুষ-মহিলা আৰু পুৰোহিত ওপৰত বিশেষ সন্মানত খৰি জাপ দিয়ে। টেঙাপণিয়া মহিলা-পুৰুষ প্ৰায় সমান জাপ হলেও বংশ হিচাপে বুৰুক, (খতিয়টিকা) আৰু পুৰোহিত সকলক সাঁত জাপকৈ খৰি দিয়াৰ ব্যৱস্থা আছে। দিবঙীয়া ফৈদৰ মহিলা পাঁচ, পুৰুষৰ সাঁত আৰু পুৰোহিত হ'লে ন জাপ দিয়া নিয়ম। বৰগঁঞা টেঙাপণিয়াৰ একে নিয়ম। আনহাতে পেৰেঙনি বাবে বাঁহ কাটি বলৈ দিয়া সকলে বাঁহ আনি চোতালত জোখ-মাখত পেৰেঙনি তৈয়াৰ কৰে। কাটি অনা বাঁহ জোপা সেই দিনৰ পৰা দুই বছৰলৈকে ঘৰৰ কামত ব্যৱহাৰ নকৰে বুলি পুৰোহিত সকলৰ মত। মৃতকৰ নামত তৈয়াৰ কৰা সামগ্ৰী চিতা স্থানলৈ টুকুৰা এটা নেৰাকৈ লৈ যায়। এইয়া যেন সমাজৰ ধৰাবন্ধা নিয়ম।

সকলো বিলাক ঠিক হলেহে মৃতকৰ বংশ তথা আত্মীয় স্বজন বিলাকে ভিতৰত হলে ভিতৰতে, আৰু বাহিৰত হ'লে বাহিৰ চোতালতে কৰণীয় কাৰ্য্য বিলাক কৰি যায়। যেনে কুকুৰা কণী ভাঙি গালে মুখে ঘঁহে। মাঁহ কেঁচা হালধীৰে মৃতকক গা-পা ধুৱাই, নতুন বস্ত্ৰৰ পৰিধান কৰোৱাই নতুন ঢাৰিত ওপৰত ৰাখে। চুলি-তেল ঘঁহি নতুন বাঁহৰ কাকৈৰে ফণিয়াই। স্বামী থকা মহিলা হলে সেন্দুৰ ফুট, আ-অলংকাৰো পিন্ধোৱা কথা কিন্তু নুই কৰিব নোৱাৰি। বহুলোকে কাপোৰ-কানি, পইচা পাতিও দিয়া দেখা যায়। মুখত পইচাও ভৰাই দিয়া নিয়ম আছে। ধূপ-দ্বীপ, সুগন্ধী ফুলৰ থুপাৰে উপচাই। পুষ্পসজিত কৰি মৃতকক বিদায় দিয়ে। পৰম নমস্য মৃতক ব্যক্তিৰে কতো দুখ নধৰাকৈ সেৱাও কৰে আৰু বাহিৰলৈ অনা আগতে ভঁৰালৰ পৰা ধান আনি মৃতকৰ মহিলা হ'লে বাঁও হাতেৰে আৰু পুৰুষৰ সোঁহাতৰ পৰা লক্ষী লয়। মৃতকৰ লক্ষী লোৱা আঙুলীত কাপোৰ মেৰিয়াই আৰু কাপোৰত একোটাকৈ ধান ৰাখে। লক্ষী লোৱা জনে পাঁচবাৰ গণনা কৰিহে এটা আঙুলি পৰা লক্ষী লৈ বগা কাপোৰ পাৰি ৰখা ডলাৰ ওপৰত থয়। লক্ষী লোৱাজনে বাহঁৰ চেপেনাৰে গণনা কৰি লক্ষী লয়। লক্ষী লোৱা ধানৰ জাত প্ৰায় তিনিবছৰ পৰ্যন্ত লৈকে খেতি নকৰে বুলি জনবিশ্বাস। লক্ষী লোৱা আঙুলিৰ কাপোৰ প্ৰতিবাৰ লক্ষী লওঁতে খুলি যায়। বৰগঁঞা সমাজেও লক্ষী পুৰুষৰ বাঁওহাতৰ আঙুলিৰ পৰা লয়। পইচা সাত ভাগ কৰি কণী এটা ভাঙি কপালী পিন্ধোৱা নিয়ম দিবঙিয়া ফৈদৰ আছে। এই ফৈদৰ লক্ষী লওঁতে মৃতকৰ সোঁ হাতৰ আঙুলি আৰু লওঁতাই বাঁও হাতেৰে কাপোৰ বন্ধা আঙুলিৰ পৰা আৰু মহিলা বাঁওহাতৰ, লওতা জনৰ সোঁহাতৰ পৰা লয়। প্ৰত্যেক আঙুলিত কাপোৰ বান্ধে। এটা ধান পাঁচবাৰ গণনা কৰাৰ শেষত এটা আঙুলি কাপোৰ খুলে। পাঁচ আঙুলি হলেও কিছুলোকে সাতটাও লয়। লক্ষী লোৱা ডলাৰ আওহতীয়া ঠাইত ৰাখে। যেতিয়া পিণ্ড উঠাব তেতিয়াহে চোৱা ব্যৱস্থাৰ কৰে। আঙুলিত কাপোৰ বন্ধা আৰু লক্ষী লৈ কাপোৰ খোলা দেউৰী সমাজৰ প্ৰত্যেক ফৈদৰে আছে।

ওপৰত উলেখিত কাৰ্য বিলাকৰ শেষত মৃতকক বাহিৰৰ চোতাললৈ আনি সজাই থোৱা পেৰেঙনিৰ ওপৰত থয়। এনে সময়তো দিয়াসকলে পুষ্প মাল্য বা পুষ্প বৃষ্টি বোৱাই। দান-দক্ষিণাও মৃতকৰ সদগতিৰ কামনা কৰি দিয়াসকলে দিয়ে। দুৰ-দুৰণী পুত্ৰ-কন্যাৰ বাবে কিছুপৰ বাট চালেও সময়ৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ সৎকাৰ থলিত নিয়াৰ বিহিত ব্যৱস্থাৰ কৰে। বাধা কোনোৱে নিদিয়ে। সজ্জিত চিতাৰ থলিত নিয়াৰ আগতে সজাই থোৱা বস্তুৰ কেইপদ হৈছে, খেৰ, জুমুঠি, চলাই, শুকান দীঘল মুঠা কৰা বাঁহ, (পিণ্ড ধৰোতা বাবে) এৰাঁ সূতা উঘাঁৰ বা মহুঁৰা। দিবঙিয়া ফৈদে এৰাঁ সূতাক তিনিডাল কৰি লয়। মৃতকক চিতাত নিয়াৰ সময়ত আগে-আগে চিঙি-চিঙি যায়। বাকী ফৈদে এৰাঁ সুতাডাল চোতালৰ পৰা চিতালৈকে টানি নিয়াহে প্ৰথা। চিতালৈ নিয়াৰ উপক্ৰম হলে ৰাইজৰ সৈতে ঘৰৰ পৰিয়ালবৰ্গ শেষবাৰ সেৱা কৰে। পুৰোহিত জনে মৃতকৰ সদগতিৰ কামনা কৰি আৰ্শীবাদ প্ৰদান কৰে। বিজ মন্ত্ৰৰে উচ্চাৰণ কৰি আৰ্শীবাদ কৰি,

ৰাইজৰ তথা ঘৰৰ সেৰকীহঁতৰ মনৰ বাঞ্চা পূৰ্ণ কৰে। সেৰকী সকলে মৃতকৰ সমন্ধৰ সম্বোধন কৰি নৰকৰ পৰা স্বৰ্গ বাসী হোৱা কামনাৰে সেৱা নিবেদন কৰে। পশ্চিম ফালে মূৰ কৰি মৃতকক পেৰেঙনিত, পিণ্ডকাৰীসকলে কান্ধত লয়। পুত্ৰ সকলে সলনা- সলনি কৰি চিতা নোপোৱালৈকে লয়। উঘাঁৰে চিতাৰ কাষলৈকে সূঁতা টনা জনে টানি যায়। এৰাঁ সূতাডাল মৃতকক ৰখা ঠাইৰ পৰা টনা নিয়ম। পেৰেঙনিতো পাক চেৰেক এৰাঁসূতা মেৰিয়াই। মৃতকৰ যদি বংশ অভাৱ অনুভৱ হ'লে বা সেই গাঁৱত নাথাকিলে, তেনেস্থলত ৰাইজেই সৰ্ব্বেসৱা। চিতাৰ কাষ পালে কিছু সময় ৰাখি বিবস্ত্ৰ কৰি উঠোৱা কথাকো নুই কৰিব নোৱাৰি। উঠোৱা আগতে বংশ বা ফৈদৰ অনুসাৰে খৰিৰ জাপৰ ওপৰত হিচাপ কৰি বাঁওফালৰ পৰা সোঁফালে ঘুৰে। কিছুমানে সোঁফালৰ পৰা বাঁওফাললৈ ঘূৰে। যি ভাবেৰে নুঘুৰক কিয় খৰি জাপৰ হিচাপে অটুট ৰাখিবই। এইয়া যেন আজো ককাহঁতৰ নিয়ম বুলিয়েই ভাৱিব পাৰি।

চিতাত উঠোৱা লগে লগে দিবঙিয়া ফৈদৰ মৃতকৰ নামত ৰন্ধা ভাত (মুতুকা ভাত) দুভাগ কৰি পুৰুষ হলে সোঁফালে আৰু মহিলা হলে বাঁও হাতৰ ফালে ভাতৰ শৰাই দিয়ে। দুভাগ হ া মৃতকৰ আৰু অগ্নি দেৱতা বা উপসৰ্গ। আশীৰ্বাদ দি শেষ হোৱা লগে লগে পিণ্ডকাৰীক চিতাৰ চাৰিওফালে হিচাপত ঘূৰি মুখাগ্নি কৰে। বাকী কেইটা ফৈদৰ মাথো আশীৰ্বাদ দিহে মুখাগ্নি কাৰ্য সমাপন কৰে। কিছু লোকে মদৰ দ্বাৰাও আশীৰ্বাদ কৰা দেখা যায়। মদ নাখায় মাটিতহে পেলায়। পিণ্ডকাৰীয়ে মূৰত, বাঁও হাতত, সোঁহাতত আৰু ভৰিত অগ্নি সংযোগ কৰি তিনি জাপৰ মাজত জুই এৰি অলপ আঁতৰত থাকে। বাকী কাৰ্য্য বিলাক ৰাইজে নীতি-নিয়মৰ মতে কৰি যায়। সময়ত আপোন লোক আহি নাপালে তেওঁ বিলাকৰ নামতো মৃতকক খৰি দিয়ে। দিওঁতে খৰি দিয়া জনৰ নাম কাঢ়িহে দিয়ে। হাত খৰি দিয়া সমাজত নথকা নহয়। হাত খৰি বুলি বেলেগ খৰি নাই। মৃতকৰ চিতাত দিবলৈ কটা সৰু টুকুৰা খৰিকে হাত খৰি বোলে। আম, চুম, চন্দন, গছৰ খৰিকে হাতখৰি হিচাবে ব্যৱহাৰ কৰে। পিণ্ড ধৰোতা জনে চিতাৰ পৰা নাতিদূৰত বহি থাকে। যিহেতু দায়িত্ব বিলাক আৰু কাৰ্য্য বিলাক শেষ ভাগলৈকে থকা এক কৌটি কলীয়া নিয়ম। পৰম্পৰা ভাৱে প্ৰচলিত সমাজৰ ব্যৱস্থা আছে। উত্তৰ পাৰত টেঙাপনিয়া ফৈদে মা তাম্ৰেশ্বৰীৰ পৰা আৰু দক্ষিণ পাৰতবৰগঁএগ্ৰা ফৈদে বলিয়া বাবাৰ পৰা মাটি ক্ৰয় কৰা দেখুৱাইহে অন্ত্যেষ্টি ক্ৰিয়া সমাপন কৰিব পাৰে বুলি জ্যেষ্ঠসকলৰ মুখেৰে শুনা হৈছিল। যিহেতু দেউৰী সকলৰ আৰাধ্য দেৱতাৰ কুণ্ডিগিৰা-কুণ্ডিগিৰাচী। পুত্ৰ কন্যাৰ অন্তদণ্ডৰ সূত্ৰপাততে এনে ৰহস্যজনক কাহিনী জন্ম পায়। পুত্ৰ কন্যা ৰাজভাৰ অদল-বদল হোৱাত পৰিস্থিতি এনে ভয়াবহ ৰূপৰ অনুসূচনা হৈছিল। মাঁ তাম্ৰেশ্বৰী উত্তৰ দিশত ৰাজভাগৰ সমাহাৰ, আনহাতে বলিয়াবা দক্ষিণ ফালে। কিন্তু ভনীয়েক তাম্ৰেশ্বৰীয়ে ককায়েকৰ ঠাই দখল কৰাতে হেনো কাললৈ খ্যাতি ৰাখিছিল। বাকী ফৈদৰ কিন্তু তেনে ব্যৱস্থাৰ কৰিব নালাগে।

গদহা পৰা দুজন লোক, আৰু খুঁচনি মৰা মানুহ কেইজনক চিক্‌চাক্‌তে সন্মান দিয়ে। অৱশ্যে দহা কৰা সময়তো দিব পাৰে যদিও দিন চেৰেক বাদেই কেইবা বছৰো হব লগা হোৱাত চিক্‌চাক্‌তে মুধা মাৰে বুলিব পাৰি। যেতিয়া মৃতকৰ দেহটো ছাঁই হ'ব, য'ত কানি কাপোৰ চিতাত দিয়ে। আজি কালি দুখীয়া সকলক দান দিয়াত পূণ্যতা কাম হৈছে যেন অনুভৱ কৰে। বেয়া বিলাক জুই দিয়াত বাধা নাই, কিন্তু লাগতিয়াল সামগ্ৰীত বাধা দিয়া পদক্ষেপ লৈছে। শেষত পানী ঢালি মৃতকৰ অস্থিৰ লোৱা ব্যৱস্থা কৰে। অস্থিৰ পিণ্ডকাৰীয়ে লব লগা হয়। সকলোৱে নদী বা পুখুৰী অভিমুখে গমন কৰে। নিৰ্দিষ্ট ঠাইত পালে ৰাইজৰ এজনে পিণ্ডকাৰীৰ মূৰত ধৰি জুবুৰ মৰোৱাই। খৰি জাপৰ ওপৰত হিচাপ ৰাখে। পাৰত বহা ৰাইজে অস্থি বা জলপিণ্ড দিয়া জনক প্ৰশ্ন কৰে- কি কৰিছ? পিণ্ডকাৰীয়ে সমন্ধ উচ্চাৰণ কৰি পিতৃ হ'লে পিতৃ, বা মাতৃ হ'লে মাতৃৰ অস্থিৰ শুদ্ধাইছো বুলি প্ৰতি বা প্ৰশ্ন উত্তৰ দিয়ে। হিচাপৰ অন্তিম বাৰত পানী তলত মাটিত অস্থি এৰি পানীৰ পৰা উঠি আহে। ৰাইজে ঘৰৰ পৰা নিয়া নতুন মদৰ টেকেলিৰে পাটৰ থুলাৰে অস্থিৰ কাৰ্য্য ওপৰত আৰ্শীবাদ দিয়ে আৰু টেকেলিটো ভাঙি পেলাই আহে। অস্থিৰ শেষৰ আৰ্শীবাদত পিণ্ডকাৰীয়ে তামোল-পানৰ শৰাই দি মদৰ আৰ্শীবাদ দিয়াৰ সময়ত দোষ নধৰিবলৈ ৰাইজক সেৱা জনাই। ইয়াৰ পিছত গা-পা ধুই তিতা তিয়নিয়েৰে মৃতকৰ ঘৰৰ ফালে ৰাওনা হয়। মৃতকৰ ঘৰত চোতালত সজাই থোৱা কাৰ্য্য সম্পন্ন কৰি ঘৰা-ঘৰি যায়। পিছত নতুন কাপোৰ-কানি পিন্ধি চিক্‌চাক্‌ত আহে। সমাজে আৰ্শীবাদত প্ৰায় কাঁহৰ বাটী ব্যৱহাৰ কৰে। দিবঙিয়া সকলে মৃতকৰ নামত অন্য এটা কুকুৰা মাৰি ৰান্ধি বাঢ়ি খঁৰি জাপৰ ওপৰত সাঁত ভাগ কৰে আৰু পাটৰ থুলা বনাই মদৰ আৰ্শীবাদ দিবৰ বাবে তৈয়াৰ কৰি নিয়ে। পিণ্ড ধৰোতাই প্ৰতি জুবুৰত এভাগ কৰি

আৰ্শীবাদ দি পেলাই যায়। শেষত অস্থি ত্যাগ কৰি পিণ্ডকাৰীয়ে পানীৰ পৰা উঠি আহে। ৰাইজে শেষৰ আৰ্শীবাদ দি অস্থি শুদ্ধোৱা পুখুৰী উজনীত গা-পা ধুই তিঁতা টিয়নীৰে মৃতকৰ ঘৰৰ ফালে আগবাঢ়ে আৰু মৃতকৰ চোতালত নিয়মৰ কাৰ্য্য কৰে। বৰগঁএগ্ৰা সমাজৰ অস্থি শুধাওঁতে মৃতকৰ নামত এটা কুকুৰা মাৰি ঘৰ পৰা নতুন ভাত, সিজাই টুমত দুভাগ কৰি ভৰাই এভাক মৃতকৰ আন ভাগ দেৱতা। ওভটা চুঙাত মদ, পানী ভকতৰ আশীৰ্বাদ বাবে নিয়ে। অস্থি দিয়া ভাতক (কাকলি ভাত) কয়। খৰি জাপৰ ওপৰত হিচাব কৰি শুদ্ধোৱাৰ শেষত ৰাইজে আৰ্শীবাদ দিয়ে। পদুলী মূৰত বা চোতালৰ একাষত যত্নাই থোৱা তেল-পানী লয়। দায়িত্ব থকা জনে শান্তি পানী চতিয়াই। এই শান্তি পানী পুৰোহিতসকলক চতিওৱাৰ ব্যৱস্থা নাই। প্ৰত্যেকে খেৰজুই তাপ লয় আৰু হাতভৰি সেকে। পিছত ঘৰা-ঘৰি যায়। অৱশ্যে নিজৰ ঘৰতো জুই জ্বলাই সেকা দেখা যায়। সমাজৰ সকলোৱে ইয়াৰ ব্যতিক্ৰমী নহয়। এইয়া যেন পৰম্পৰা প্ৰচলিত নীতি যেনহে লাগে।

চিক্‌চাক্‌ত চিতাৰ দাহ কৰিবলৈ অহা সকলোৱে নতুন কাপোৰ-কানি পৰিধান কৰি আহে। মৃতকৰ ঘৰত মৃতকৰ নামত গাহৰি মাৰি, ৰাইজক খোৱাৰ ব্যৱস্থা কৰে। খোৱা পাতত ৰাইজৰ সন্মুখত পুব ফাললৈ পাতৰ আগ কৰি সেৱা কৰিবলৈ মৃতকৰ শৰাই পাতে। শৰাই পা-পইচাকে ধৰি অনেক বস্তু দিয়ে। মৃতকে জীয়াই থকাৰ অৱস্থাত বিশেষ ভাল পোৱা বস্তু কেইপদকো দিবলৈ নাপাহৰে। আত্মীয় সকলেও দান দক্ষিণা কাপোৰ-কানি দিয়ে। অৱশ্যে দিবঙিয়া ফৈদৰ পা-পইচাহে দিয়া দেখা যায়। কাম শেষ হলে মৃতকৰ পৰিয়ালে সেৱাজনাই আৰু গোচৰ অৱগত কৰে। ৰাইজেও গোচৰ ওপৰত ভিত্তি কৰি মদৰ বাঁতি ধৰি নৰক বাসী নহৈ স্বৰ বাসীৰ হোৱাৰ্থে মৃতকক আশীৰ্বাদ কৰে। আগতে শেষ হলে সেৱকী সকলোৱে উঠি ভাতৰ পাতত বহি খায়। শৰাই খন ৰাইজৰ এজনে খোৱাৰ আগতে চপাই দমাই নিয়াৰ ব্যৱস্থা কৰে। সেই দিনাখন ৰাইজে মৃতকক পিণ্ডদিয়াৰ বাবে পিণ্ড ধৰোতাই পিছৰ দিনাখনৰ পৰাহে দিয়ে। মৃতকৰ নামত মৰা কুকুৰা বা গাহৰি, বাঁওফালৰ পিছৰ ঠেং বা পিৰাৰ, মাংস আৰু জুইশালৰ গিচংৰ ওপৰত ওলমাই ৰাখে। মাখি-মুখায়ে বিঘিনি নকৰাকৈ ৰাখে। যিমান দিনলৈ পিণ্ড দিয়ে সেই দিনালৈকে পিণ্ড দিবলৈ তাৰপৰা সিজোৱা জনে গা-পা ধুই কাটি সিজায়। পিণ্ডকাৰীয়েও গা-ধুই নতুন বস্ত্ৰ পৰিধান কৰি পশ্চিম দিশত মৰাক বা মৃতক বাঁও হাতেৰে দিয়ে। মৃতকক দিহে নিজে খায়। নিৰ্দিষ্ট দিন নোহোৱা লৈকে একে ধৰনেৰে কাৰ্য্য কৰি যায়।

চিক্‌চাক্‌ত খোৱা শেষ হলে সকলোৱে ঘৰা-ঘৰি যায়। জ্যেষ্ঠ কেইজনমানৰ উপস্থিতি পুৰোহিত সজোৱাজনে অশৌচী ঘৰখনক শান্তি পানী চতিয়াই শৌচী কৰে। সেই দিনাখনৰ পৰা পিণ্ড উঠোৱা দিনলৈকে ৰাতি ৰাইজে আহি ধৰ্ম শাস্ত্ৰ পঢ়ে। মৃতকৰ পৰিয়ালৰ ওপৰত ভৰসা নকৰি ৰাইজে চাহ-তাহ- যোগাৰ আদিকে ধৰি দুই-এপদ খাদ্য বস্তু ৰাইজে আনে।

পিণ্ড বিলাক সদায় সন্ধিয়া সময়ত পশ্চিম ফালেহে দিয়া দেখা যায়। পিণ্ড দিলে সদায় বাঁওহাতেৰে দিয়ে। আনকি মৃতকক দিয়া ভাত ৰান্ধোতা জনেও বাঁওহাতেৰে টালমাৰি বা হেতা ব্যৱহাৰ কৰে। এবাৰত এদিন ধৰি কাৰ্য্য বিলাক কৰা দেখা যায়। পৰিস্থিতি সাপেক্ষে দুবাৰকৈও দিয়ে। ইচ্ছা থকা সকলে আপোন ভাৰি বন্ধা-বঢ়া কৰি দিব পাৰে, কিন্তু নিয়মৰ মাজেৰেহে হ'ব লাগিব। যিদিনাই শেষ হব সেই দিনাখনে পিণ্ড উঠোৱা কাম বিলাক সমাপন কৰে। দিবঙিয়াফৈদে পিণ্ড দিয়া সময়ত মদৰ বাঁটী পৰিৱতে পাতৰ থুঁলা বাঁটী দিয়াৰ নজিৰ আছে। সৰ্বসাধাৰণতে পিণ্ড দিয়া ঠাইডোখৰক মাটিৰে ঢাপ তুলি, ঢাপৰ ওপৰতে কাৰ্য সমাপন কৰে। সমান ঠাইটো দিয়া কোনো বাধা নাথাকে। দুই এক নিয়ম থাকেই পৰাপক্ষত সংঘবদ্ধ ভাৱেৰে সংশোধনৰ ব্যৱস্থাৰ লোৱাতোহে সমাজৰ আচল কথা। পিণ্ডৰ শেষৰ আগ দিনা ৰাতি ৰাইজে শাস্ত্ৰ পঢ়ি পোহৰ কৰে। শাস্ত্ৰ সামৰি ৰাইজে লঘুৰ আহাৰ লয়। পৰিয়ালে ভকত সকলক শৰাই দি সেঁৱাজনাই। পুৱা ভাগত মৃতকৰ নামত জীৱ-জন্তুৰ মৰাপৰ্ব কৰে। কোনো বলি বিধান নাই। তিনি বংশৰ তিনিজন ভকত হলেই হয়। টেঙাপণীয়া আৰু বৰগঁএগ্ৰা শৰাই দিয়াৰ প্ৰথা কিন্তু থাকিবই। সেৱা কৰোঁতে ভকত সকলে মৃতকৰ নাম ধৰি বিজমন্ত্ৰ উচ্চাৰণ কৰি সদগতিৰ কামনা কৰে। নৰকত থাকে যদি সৰগ বাসী হৈ মৰা-মৃতকৰ সংগ লবলৈ আৰ্শীবাদ দি মদ বাকে। সেৱকী সকলে শেষ আৰ্শীবাদত উঠে আৰু খোৱা ব্যৱস্থা কৰে। শৰাইত দান দক্ষিণা টকা পইচা ৰাইজে ব্যৱস্থা কৰে। কিন্তু দিবঙিয়া ফৈদৰ লোকে পিণ্ড উঠোৱাত এক উৎসৱমুখৰ আয়োজন কৰা দেখা যায়। কাৰ্য্য শেষত ঘৰা-ঘৰি যায়। জ্যেষ্ঠ কেইজন মানৰ সন্মুখত মৃতকৰ পৰা লক্ষী লোৱা ডলাখন পৰিয়ালৰ মূৰব্বীয়ে আনে আৰু সকলোৱে চাই। কম যদি ধান থাকে বিকল্প ব্যৱস্থা লয়। এইয়া দেউৰী সমাজৰ আপুৰুগীয়া নীতি-নিয়মত পৰে। আজি কালি অলপ পৰিৱৰ্তন হৈছে। পুৰণা-নতুন সংমিশ্ৰণ আচল ৰূপটোক বিজ্ঞানৰ যুক্তিৰে

খোজ দিবলৈ ভাবিছে। কিন্তু তাতো কথা নথকা নহয়, নিজৰ ধৰ্মক ৰক্ষা কৰিব নোৱাৰা লোকে ধৰ্ম কি বিদাৰিব বুলি এষাৰ কথা আছে। নিজৰ ধৰ্মতপুলুকা আনৰ ধৰ্মত জনুকা বজোৱা অৰ্থ বা কি থাকিব পাৰে?

আনহাতে পিণ্ড উঠোৱা দিনৰ পৰা মৃতকক সমজোৱা কৈ বংশ মৰা-মৃতক দিওঁতে দিয়া ব্যৱস্থা কৰে। সকামে-নিকামে, বিহুৰে-সবাহে মৰাক দিওঁতে দিয়ে। ইমান বিলাক কৰিলেও কিন্তু দহা নকৰা লৈকে পৰিয়ালৰ মনৰ শান্তি দূৰ নহয়। যিহেতু দহা শব্দৰে সদায় মৃতকৰ স্মৃতিৰ ৰোমন্থন কৰি থকা যেন পায়। পৰাপক্ষত লগে-লগে কৰিবপৰা লোকে কৰে, কিন্তু আৰ্থিক দুৰ্বলতা সকলে কেইবাটা বছৰ অপেক্ষা কৰিব লগা হয়। মুখৰ ছাঁই কন বাৰু কোনে চাই থাকে? পাৰে যদি মৃতকৰ মুখৰ ছাঁই গুচাই মনৰ অৱচেতনা দূৰ কৰাটো কোনে নিবিচাৰে। এতিয়া পাৰিলে কৰিবা, নোৱাৰিলে উপায় নাই। আজি কালি দেউৰী সমাজ ব্যৱস্থাত; পলমকৈ হলেও ৰাইজে বিশেষ সহায় আগ বঢ়োৱাও দেখা গৈছে। বছৰ ঘুৰা আগতে দহা কৰি, মৃতকৰ পৰিয়ালক উদ্ধাৰ কৰিছে। মৃতকৰ পৰিয়ালক দুৰ্বল মনোবলক সবল কৰিবলৈ সক্ষম হৈছে। এনে পদক্ষেপক ভূয়সী প্ৰশংসা কথা দৰে হৈছে। মুঠতে দুই এক গাঁৱত এনে পৰিকল্পনা লৈছে। এইয়া সমাজৰ বাবে অতিসুখৰ সংবাদ বুলিয়ে কব পাৰি। সমাজত দহাক ৰাজহুৱা বা ৰাজসুয় যজ্ঞ নামেৰে নামাকৰণ কৰে। পৌৰাণিক ৰাজ্য ৰজাৰ বিলাকে যজ্ঞ পাতি ৰজা-মহাৰজা আমন্ত্ৰণত সমবেত হোৱা বাদেও পূণ্য ফল ভোগ কৰাৰ দৰে। এই সমাজেও তাকে অনুভৱ কৰে। আকৌ অৰ্থৰ পৰা ব্যৰ্থ হ'লেও দহা আয়োজন কৰা কথাই ভাবিব নোৱাৰে। কবলৈ হলে দহ দিনত দহা, তিনিদিনত তিলনী। মদৰ ব্যৱস্থাও দহ দিনত বহু সময়। কাজেই কেতিয়াবা এখনতে কেইবাজনৰো দহা সমাধান কৰে। এনে ক্ষেত্ৰত জ্যেষ্ঠজনৰ মৃতবাৰ লৈহে দহাৰ পাতনি মেলে।

দহা কৰা আগতে কিন্তু বহু কথাই আহি পৰে খেতি-পথাৰ পৰা একেবাৰে গাহৰি, কুকুৰা, খৰি-কাঠ, ইত্যাদি ইত্যাদি। পৰাপক্ষত গাঁৱৰ মুখীয়াল লোকৰ দিহা পৰামৰ্শ লোৱা হয়। এখন গাঁৱত দহা কৰা মানে গাঁৱখনৰ ইতিবৃত্ত কমকৈ হ'লেও পৰিচয় বহুলোকে পোৱা। সেয়ে সকলোৱে দায়বদ্ধতা কথা মানি চলে। দুখীয়া কথা আমি নকলোৱে বা ধনীও সকলৰো তথৈবচ হবলগা হয়। টকা-পইচাৰ যথেষ্ট যেন অনুভৱ নকৰাই, যদিও সমাজক প্ৰয়োজন অনুভৱ কৰোঁৱাই। তথাপি অৰ্থ অভাৱে কিছু নহলেও ব্যৰ্থতা আৰু হতাশাটো ভোগাই। কিন্তু একতাই যে পৰম বল সেইকণ সমাজত থকা বাবে জানোচা সাহসৰ ঘোঁৰাত উঠিব পাৰিছে। ৰাইজৰ অকৃত্ৰিম সহযোগত কামবিলাক হৈ উঠে।

দহাত মূল ঘৰৰ গাহৰি বাদেও পৰিয়াল বংশ, আত্মীয় স্বজনৰ পৰা মৃতকৰ নামত প্ৰদান কৰে। তাতে জী-জোঁৱাই, গাঁৱৰ ৰাইজৰ কথাও সাঙোৰ খাই। বহুলোকে আলু, দাইল, পাত-পত্ৰ, শাক-পাঁচলি, তামোল-পাণ আদিৰ দিবলৈ একক ব্যক্তিও নথকা নহয়। নদন-বদন পৰিস্থিতিৰ দেখিবলৈ শুভাকাংক্ষী সকলে পায়। আনহতে সমাজে প্ৰায় খৰালি মাহকে নিৰ্বাচন কৰে। যথা সময়ত সকলোৱে আহিব পাৰে। নিৰ্দিষ্ট দিন আহি নোপোৱা আগতে বহুকৰণীয় বিলাক কৰিব লগা হয়। সপ্তাহ দিনৰ আগতে গাঁওত তথা চুবুৰীয়া গাঁওত মানুহক পাঁচনী, কুটনিয়া-বাঁচনী মেধিক তামোল পাণৰ টোপোলাৰে মাননী দি ৰাখে। দূৰ দুৰণী বিলাকৰ বাবে পত্ৰ দ্বাৰা মাতে। ওচৰ জ্ঞাতি-কুতুম্ব সকলক তামোল-পানেৰে নিমন্ত্ৰণৰ ব্যৱস্থা কৰে। দূৰণীবতিয়া মিতিৰ বিলাকে আগ দিনাই আহি আলহী হিচাপে গাঁৱৰ জ্ঞাতি বিলাকত থিতাপি লয়হি। দহা ঘৰৰ ৰভাত উদুলি-মুদুলি হৈ পৰাত ৰাতি ভাগত কিছুমান গাঁৱত বিহু গাই নাচি-বাগী বিহুলতীদৰে কৰে। আজি কালিও এনে নিয়ম ঠায়ে ঠায়ে নাই বুলিব নোৱাৰি।

পুৱাৰ ভাগত ঘৰৰ সকলোৱে নিত্যকৰ্ম কৰি গা-পা ধুৱে। লৰা বিলাকে (যদি মৃতকৰ পুত্ৰ হয়) চুলি-দাড়ি কাটে। আগদিনাই সন্মান দি ৰখা চুলি কটা মানুহে চুলি খুড়াই, গা-পা ধুই ধুতী পৰিধান কৰি এখনি চেলেং গাত লৈ মৃতকৰ নামত দিয়া গাহৰি, কুকুৰা মৰা বাবে সাজো হয়। গাহৰি-কুকুৰা মৰা টুঙুন ডাল চাৰিটা খুটিৰ ওপৰত ভালদৰে ৰাখে। পুৰোহিত সৈতে জ্যেষ্ঠ ভকত সকলে আহি পোন প্ৰথমে দহাৰ ঘৰৰ গাহৰিটোক তামোল পাণ শৰাই আগবঢ়ায় আৰ্শীবাদ দি মৰা কাৰ্য্যৰম্ভ কৰে। যিমান জনৰ নামত দহা কৰা হৈছে, পুত্ৰই একাদিক্ৰমে ৰাইজ আশীৰ্বাদ দি দি মৰোৱাই। ইয়াৰ পিছৰ পৰাহে বাকী বিলাকৰ মৰা ব্যৱস্থা কৰে। মৰা সময়ত যাৰ নামত অৰ্পণ কৰে, তাৰে নাম উচ্চাৰণ কৰি, দিয়া জনৰো নাম উচ্চাৰণ কৰি মাৰোতাই মাৰে। সমাজে তিনিধৰণৰ জীৱ পূজাহে কৰে। (ক) বলি (ৰথেবা) (খ) মৰিয়াই বা টাঙনিয়া (বথেবা) আৰু (গ) খুঁচী (জিতুবেবা)। দহাত বথেবা পদ্ধতিৰে ব্যৱস্থা আছে। লা নীতি জিমচাঁয়া কৌটি কলীয়া দিন চালে চলিংনা দুই। আনহাতে বিভাগীয় দায়িত্ব দিয়া সকলে কাৰ্য হাতে কামে

লাগে। সময়ত কেঁচাই পৰ্ব বাবে খোৱা ব্যৱস্থা কৰে। দহাৰ মুৰবীয়ে জ্যেষ্ঠ ভকতসকলৰ আগত শৰাই দি সেৱা কৰি জনায় যে, দহাখন ৰাইজে ভালদৰে পৰিচালনা কৰি গৃহস্থসকলক উদ্ধাৰ কৰে। সেয়েহে ৰাইজৰ ওপৰত দায়িত্ব অৰ্পণ কৰিছো। ইয়াত কোনো আশীবাদ নাথাকিলেও জ্যেষ্ঠ সকলে মনতে আৰ্শীবাদ প্ৰদান কৰে। প্ৰায় পাঁচ সাঁতখন তৰি তৰকাৰীয়ে তৈয়াৰ হলে, সময়ত সকলোৱে মুকলি ঠাইত পাৰি খোৱা খঁৰি বা বাঁহৰ ওপৰত বঁহে। ভাতৰ পৰা আদি কৰি সকলো দ্ৰব্য দিয়া হ'লে মদৰ বাটীৰ (জ্যেষ্ঠ সকলক কাঁহৰ বাটী) বাকী বিলাকক সাধাৰণ বাঁটীৰে ব্যৱস্থা কৰে। আগৰ দিনত বাঁহৰ চুঙাৰে ব্যৱহাৰ কৰা দেখা গৈছিল। আনহাতে পশ্চিম ফালে দহা ঘৰীয়াই শৰাই পাতে। পাতৰ আগ পূৰ্বফালে কৰি। শৰাই দান দক্ষিণা, মৃতকক দিব লগা প্ৰয়োজন হোৱা সকলো সামগ্ৰী দিয়ে। আত্মীয় কুতুম্বৰ, বংশ পৰিয়াল সকলোৱে শৰাই দিবলগা হয়। শৰাই পতাৰ শেষত পৰিয়ালবৰ্গ মেধিক গোচৰ দিয়ে, মৃতকৰ মুখৰ ছাঁই আজি গোচাবলৈ এনে আয়োজন কৰিছো। ৰাইজক এই কাৰনে মতা হৈছে। মৃতক যেন স্বৰ্গবাসী হয়।

মেধিয়ে গোচৰটো শুনি ৰাইজক অৱগত কৰে। মেধিয়ে ক'ব লগা সকলোদেৱ-দেৱতা আৰু পৰিয়ালবৰ্গক উচ্চাৰণ কৰি কয়, জয় হৰিবোলা জয় ৰামবোলা মৃতকৰ আত্ম সদগতি কামনা অৰ্থে সকলোৱে সেই উদ্দেশ্য আশীবাদ দি মদ বাকে। ইয়াৰ পিছৰ পৰা খোৱা আৰম্ভ কৰে। শৰাই খনক ৰাইজে গ্ৰহণ কৰে। খোৱা কাৰ্য সময়ত পৰিয়াল বৰ্গ প্ৰত্যেক শাৰিয়ে শৰিয়ে একে লগে গৈ ৰাইজক সেৱা জনাই মাত এযাৰি লগাই দুখৰ পৰা মুক্ত লভে। আনহাতে খোৱাৰ শেষত জ্যেষ্ঠ সকলক তামোল পাণ আৰু অৰিহণা দি সেৱা নমস্কাৰ কৰে। যাতে কৰবাত ভুল হলে সকলো মাৰজনা কৰিবলৈ। ইফালে দানত উঠা বস্তু বিলাক ডাক কৰিবলৈ ৰাইজে সিদ্ধান্ত কৰা লগে লগে, মানুহ বিলাক সেই ঠাইত গোট খাই ডাকৰ বস্তু ক্ৰয় কৰিব বাবে। ডাকত পৰিয়ালৰ লোকে ক্ৰয় নকৰে। প্ৰায় দিনৰ ভাগতে দহাৰ কাম শেষ কৰাৰ ব্যৱস্থা ললেও কেতিয়াবা দেৰিও হয়। দুৰ-দুৰণিৰ ৰাইজে ঘৰলৈ যোৱাত অসুবিধা নোহোৱাকৈ শেষ কৰাতোকে সকলোৱে বিচাৰে। সেয়ে অতিথিসকলৰ খোৱাৰ ব্যৱস্থা কৰাত জানোচা কিছু হ'লেও সকাহ পাইছে। ডাকত পোৱা টকা বিলাক ৰাইজে ৰাজহুৱা কামত প্ৰয়োজন অনুসাৰে খৰচ কৰে হ'লেও পিছৰ দিনাখন দুখ কৰা মানুহ বিলাক খোৱা বাবে কিছু মাছ, মাংস ৰাখে। সময়ত ৰান্ধি বাঢ়ি খোৱাই। তাকে দেউৰী সকলে পিছ দহা বুলিও অভিহিত কৰে। খোৱা শেষত চৰু, কেৰাহী বিধৰ-বিধৰ বস্তু বিলাক দহাৰ বাবে অনা ঘৰক শুধাই দিয়ে। তামোল পাণ এযোৰ দি-দুখ মুক্ত কৰে। এইদৰে দহাৰ একোখন যৱণিকা পৰে।

বিধি-বিধান শেষ পৰ্য্যয়ত কিছু কথা নিলিখিলে লিখা সাৰ্থকতা নাথাকিব যেন অনুভৱ কৰো। পাঠক সকলক সেয়ে কিছু আভাস দিয়া প্ৰয়াস কৰিছো। উল্লেখ কৰি আহিছো যে ভিতৰত মৃত্যু হোৱা জনক যিদৰে সন্মান দিয়া হৈছিল বাহিৰত মৰাজনকো একে সন্মান আগবঢ়াই। দুই এক নীতিবাচক কাম নথকা নহয়। তাকো ফৈদৰ মতে কৰে। যেনে-

ক) টেঙাপনিয়াঃ ফৈদৰ মতে বাহিৰত মৰিলে চোতালতে নিয়ম মতে ৰাখে, পূৰা-পশ্চিমাকৈ। খুঁটি চাৰিটা মৃতকৰ চাৰিওফালে ঘাঁৰি এৰাঁসূতাৰে মৃতকক মেৰিয়াই। বংশ তথা পুৰোহিত, মহিলা ওপৰত নিৰ্ভৰ কৰি, সুঁতা পাক দিয়ে। চোতালৰ পৰা ঘৰৰ ভিতৰৰ শেষৰ কোঠা লৈকে টানি সূঁতা বান্ধে। বাকী কাম বিলাকক ভিতৰত কৰা দৰে বাহিৰতো কৰে।

খ) বৰগঁঞাঃ এই সকলে এৰাঁসূতাৰে মৃতকক মেৰিয়াই বান্ধে। তাৰপৰা ঘৰৰ ভিতৰলৈ সূতা টানি শেষৰ কোঠালিত বান্ধে। মৃতক নামত আয়ু টনা বুলি কয়। বাকী কাম ভিতৰত কৰা দৰে কৰে। জুই জ্বলোৱা আগমূহুৰ্ত্তত এই ফৈদে মৃতকৰ মূৰত ঘি লগোৱা প্ৰথা আছে। অস্থিক শুধোৱা সময়ত ঘৰৰ পৰা নতুনকৈ কুকুৰা মাৰি সিজায় টোমত ভৰাই নিয়ে। বাঁহৰ ওভটা চুঙাৰে মদ, পানী বাকে। মৃতকৰ নামত আৰু জলপিণ্ড দুভাগ কৰি কাকলি ভাত নিয়ে। ঘৰৰ পৰা টুমত ভৰাই প্ৰয়োজন মতে নিয়ে। ইয়াত পাতৰ থুলাবাটী বা কাঁহৰ বাতি প্ৰয়োগ কৰা দেখা নাযায়।

গ) দিবঙিয়া ফৈদৰ বাহিৰত মৃতক জনৰ কিছু কৰো-কাৰ্য্য মৃতকক চোতালত নিয়ম মতে ৰাখি খুঁটি চাৰিটা ঘাঁৰি এৰাঁসূতা মেৰিয়াই। পিছত ঘৰৰ বিতৰলৈ শেষৰ কোঠালৈকে টানি বান্ধে। ইয়াৰ পিছত ভিতৰত মৃত্যু হোৱাজনৰ নীতি-নিয়মকে কৰে। কণীভাঙি — পইচা সাঁত ভাগ কৰি কপালি লগোৱা এই সমাজৰ আছে। আনহাতে তিনিদলিয়া কৰিএৰাঁসূতা উঁঘা মেৰিয়াই মৃতকৰ আগে আগে চিঙি নিয়া ব্যৱস্থাও আছে।

আনহাতে সময়ত সদগতি কৰিব নোৱাৰিলে, ভিতৰত মৃতকৰ পহৰা দিয়া দৰে বাহিৰ মৃতকৰো পহৰা দিয়া নিয়ম। এনে নিয়ম প্ৰতি ফৈদৰে নাই বুলি ক'ব নোৱাৰি।

এইখিনিতে মনৰ অনুভৱৰ মনৰ কথা লিখিছো, মানুহৰ কিছুমান কাম অভ্যাসত গঢ়লৈ উঠে। এৰিব নোৱাৰা হয়, এৰিলে নানা-বাধা বিঘিনিয়ে আমনি কৰা বা ব্যক্তিগত কষ্ট দিয়াৰ আশংকা থকা কাৰণেও এৰাৰ ইচ্ছা নাথাকে। আনহাতে পূৰ্ব-পুৰুষৰ কথাও নুই কৰিব নোৱাৰা। এনে নীতি-নিয়মক এৰা মানে অচিন কাঠ থোৱা লগোৱাৰ দৰে অনুভৱ কৰা সকলে পৰম্পৰাক সদায় বৰ্তাই ৰাখিব বিচাৰে। সংস্কাৰ প্ৰক্ষেপ নোহোৱালৈকে, যিহেতু মানুহক অভ্যান্তৰীণ ভাৱে বস্তু-নিষ্ঠ আৰু আত্ম-বিশ্বাসীয়ে বিশেষ প্ৰেৰণা বিজ্ঞানে দিছে। মানুহে মানি চলিব বিচৰা নাই যেন অনুভৱ কৰো। এই ক্ষেত্ৰত কিছু সময়ৰ প্ৰয়োজন হ'ব যেন মনে ভাৱো। অন্ধ-বিশ্বাস আৰু কু-সংস্কাৰ হৈছে টকাৰ ইপিঠি-সিপিঠি। শব্দৰ অৰ্থৰ পৰা যিবিলাক কথা অৰ্থৰ ভিত্তি হীন বা যুক্তিযুক্তাৰ বিশ্বাস নাই, তাকে বিজ্ঞানৰ ভাষাত অন্ধ-বিশ্বাস বোলে। যেন কৌটিকলিয়া পুৰণা ভাৱ ধাৰণাবোৰক অন্ধ-বিশ্বাসৰ শাৰীত পৰে বুলিও গুণী-জ্ঞানী বৌদ্ধিকসকলে ভাৱে। আনহাতে, ভিত্তি হীন বা অবৈজ্ঞানিক ভাৱ-চিন্তাৰ ধাৰণাসমূহক ভিত্তি কৰিহে আকৌ কু-সংস্কাৰ জন্ম পায়। আচলতে যিমান শিক্ষিতেই নহওক কিয় কু-সংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ পৰা আঁতৰি নাহিলে মানৱ জীৱন কেতিয়াও সাৰ্থক নহ'ব। এইবিলাকে সমাজখনক কম পৰিমাণে হ'লেও অন্ধকাৰ নমাব আৰু ক্ষতি কৰাব। বিজ্ঞানৰ প্ৰভাৱ সকলোতে পৰেই, অধিক পৰাত কোনো অঞ্চলৰ পৰিৱৰ্তন হ'ব পাৰে। সেইয়া আশীৰ্বাদো হ'ব পাৰে অভিশাপো হ'ব পাৰে। সত্য পথৰ অনুসন্ধান কৰাতোৱেই শ্ৰেয়। পৰম্পৰা নীতিক অৱজ্ঞা কৰাতো সমীচিন নহ'ব। সাপো মাৰিব লাগিব, লাঠিও নেভাঙিব লাগিব। তেহে কাকতিত মুকুতি পাব যেন মনে কয়। এই নীতিবিলাক বিশ্লেষণ কৰি কিবা উপায় উদ্ভাৱন কৰাব পাৰিনেকি বা পৰম্পৰপৰা নীতি-নিয়ম পৰিহাৰ নকৰাকৈ বিজ্ঞানৰ যুক্তিৰে চালি-জাৰি চাব পাৰিনেকি তাকো প্ৰয়াস কৰিব লাগিব। যদি নকৰিলেও হয়, এৰক আৰু নকৰিলে নহয়, ভালদৰে বৈজ্ঞানিক আদৰ্শত মতি হওঁক। এইয়া আমাৰ উপদেশ নহয়, সমাজক অনুৰোধহে কৰিছোঁ।

বিঃদ্ৰঃ- দেউৰী সকলৰ মৃতকৰ বিধি বিধান ওপৰত চমু আভাস দিয়া প্ৰয়াস কৰিছো যদিও অভাজনৰ সাম্যজ্ঞানত সিমান দিব পৰা নাই। অজানিতে, অনিচ্ছাকৃত ভাৱেও কিছু মুল্যবান কথা বাদ পৰিলে। সদাশয় পাঠক বৰ্গই যেন সৎপৰামৰ্শ দি, বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰোৱাত প্ৰেৰণা যোগায়। প্ৰবন্ধটো যুগুতাওতে তথা সংগ্ৰহত লেচাৰি বুটলিবলৈ আমি গৈছিলোঁ- কেইবাজনো সমাজ সেৱক, সমাজকৰ্মী, পুৰোহিত, সমাজৰ নীতি আদৰ্শত ভূমিকা লোৱা অগ্ৰণী ব্যক্তি ওচৰত। তেখেতসকল হ'ল- সমাজক্ৰৰ্মী, দামোদৰ দেউৰী, তেওঁ পত্নী, দুলেশ্বৰ দেউৰী আৰু দিল্লীপ দেউৰী, (পুৰনা ধুনাগুৰি), প্ৰাক্তন পুৰোহিত যোগেন দেউৰী বৰপূজাৰী, শ্ৰীমতী ভেলেদৈ দেউৰী, (ধুণাগুৰি দেউৰী) শ্ৰী চেচাই দেউৰী, (কোৰুকানী দেউৰী গাঁও) টেঙাপনিয়া উপেন দেউৰী বৰপূজাৰী প্ৰাক্তন পুৰোহিত, মোহন দেউৰী মেধি (উদয়পুৰ দেউৰী গাঁও)।

# মুৰাচাকি চিকিবু ঃ জীৱন আৰু দৰ্শনত এভূমুকি

**ৰমাকান্তি দাস**
সহযোগী অধ্যাপিকা, দৰ্শন বিভাগ, ডি.হ.সু. কানৈ মহাবিদ্যালয়

মুৰাচাকি চিকিবু বা লেডী মুৰাচাকি (৯৭৮ - ১০২৬) দশম- একাদশ শতিকাৰ এগৰাকী প্ৰসিদ্ধ জাপানী চিণ্টু আৰু বৌদ্ধ নাৰীবাদী দাৰ্শনিক। মুৰাচাকি নামটো সম্ভৱতঃ লেখিকা গৰাকীৰ আচল নাম নহয়। তেওঁৰ দ্বাৰা ৰচিত এখন কিতাপৰ এটি চৰিত্ৰৰ নাম মুৰাচাকি হোৱা বাবে বহুতে তেওঁৰ মুৰাচাকি নামটো এক ছদ্ম নাম বুলিহে ক'ব খোজে। জাপানৰ ফুজিৱাৰা বংশৰ এটি শিক্ষিত পৰিয়ালত আনুমানিক ৯৭৮ চনত মুৰাচাকিৰ জন্ম হৈছিল। সেই সময়ত নাৰী শিক্ষাত গুৰুত্ব নাছিল আৰু বিশেষকৈ কোনো নাৰীকে চীনা ভাষা শিকিবলৈ অনুমতি দিয়া হোৱা নাছিল। কিন্তু, মুৰাচাকিয়ে তেওঁৰ ভাতৃক ঘৰুৱা শিক্ষকে পঢ়োঁৱাওতে মনে মনে শুনি থাকিছিল আৰু তেনেকৈয়ে তেওঁ এটা সময়ত চীনা ভাষা সম্পূৰ্ণকৈ আয়ত্ব কৰিছিল। তাৰ পিছত তেওঁ প্ৰায়েই ৰাজদৰবাৰলৈ কিশোৰী ৰাজকন্যা Joto-Mon'in Shoshi-ক লগ ধৰিবলৈ গৈছিল আৰু সংগোপনে চীনা ভাষাৰ শিক্ষা দিছিল। এনেকৈয়ে তেওঁ এদিন মহিলাৰ বাবে নিষিদ্ধ সকলো ধৰ্ম-দৰ্শন-সাহিত্য অধ্যয়ন কৰি জ্ঞান আয়ত্ব কৰিবলৈ সক্ষম হৈছিল।

বৰ্তমান মুৰাচাকিয়ে ৰচনা কৰা কিছুমান কবিতাৰ উপৰিও দুখন গ্ৰন্থ পোৱা যায়। এখন হ'ল The Diary of Lady Murasaki or Murasaki Shikibu Nikki, আৰু আনখন হৈছে Genji Monogetory (The Tale of Genji) যিখনক বিশ্বৰ আটাইতকৈ পুৰণি দাৰ্শনিক উপন্যাস বুলি ক'ব পাৰি। তেওঁৰ The Tale of Genji নামৰ উপন্যাসখন ছপাশাল উদ্ভাৱনৰ বহু শতিকাৰ আগতে ৰচিত হৈছিল। সেইবাবে কম সংখ্যক লোকেহে উপনাসখনৰ বিষয়ে জ্ঞাত আছিল। কিন্তু, ছাপাশালৰ উদ্ভাৱনৰ পিছত যেতিয়া মুৰাচাকিৰ উপন্যাসখনো ছপা হৈ ওলাল তেতিয়া উপন্যাসখনে অভূতপূৰ্ব জনপ্ৰিয়তা আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ল আৰু বিশ্বৰ প্ৰায় ত্ৰিশটাতকৈ অধিক ভাষালৈ অনুদিত হৈছে।

মুৰাচাকি দৰ্শনৰ মুখ্য আকৰ্ষণ আছিল জাপানী বৌদ্ধ নীতি শাস্ত্ৰ আৰু মহিলাৰ নৈতিক ভাৱমূৰ্ত্তিৰ ওপৰত আলোকপাত। সাধাৰণতে বৌদ্ধ ধৰ্মই জন্মান্তৰবাদ আৰু জীৱনমুক্তিত বিশ্বাস কৰে। এই ধৰ্মৰ মতে পুৰুষ মহিলা উভয়েই জন্ম-মৃত্যুৰ নাগপাশত বন্দী। ইয়াত পুৰুষে সদাচাৰ আৰু সদ্গুণৰ অনুশীলনৰ মাধ্যমেৰে ইহজীৱনতে মুক্তি লাভ কৰিব পাৰে; কিন্তু মহিলাৰ বাবে এই সুযোগ নাই। মুক্তি লাভ কৰিবলৈ হ'লে মহিলাই পৰজন্মত পুৰুষ হৈ জন্মগ্ৰহণ কৰিবই লাগিব। মুৰাচাকিৰ ভাষাত — "But then someone with as much to atone for as myself may not qulaify for salvation; there are so many things that serve to remind one of the transgressions of a former existence. Ah, the wretchedness of it all!"

মুৰাচাকিৰ লেখনীত অংকিত মহিলা চৰিত্ৰসমূহে সেই সময়ৰ জাপানী মহিলাসকলৰ জীৱনৰ হুবহু ছবি দাঙি ধৰিছে, য'ত ফুটি উঠিছে তেওঁলোকৰ আশাহীন জীৱনৰ প্ৰতিবিম্ব। তেওঁলোকৰ বাবে আত্মপৰিচয়, নৈতিকতা, স্বাধীনতা, নিয়তিবাদ, ভাগ্যবাদ, নিৰ্বাণ আদি অৰ্থহীন। তেওঁৰ বিৰচিত The Tale of Genji উপন্যাসখনে অভিজাত জাপানী মহিলাসকলৰ মাজত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু ইয়াৰ জনপ্ৰিয়তাই এইটো প্ৰমাণ কৰিছিল যে তেওঁলোকে তেতিয়াই দাৰ্শনিক তত্ত্বসমূহৰ গুৰুত্ব বুজি পাইছিল।

মুৰাচাকিৰ মূল প্ৰতিপাদ্য বিষয় আছিল Buddhism in Japan। তেওঁ চীন আৰু জাপানৰ কিছুমান থলুৱা ধৰ্মীয় তথা দাৰ্শনিক উপাদান সংযোজন কৰি ইয়াক জনজীৱনৰ এক নতুন খাদ্য উপকৰণৰ ৰূপত সজাই তুলিছিল। তেওঁ নতুন চিন্তা ধাৰাৰ দিগন্ত প্ৰসাৰিত হৈছে তলত উল্লেখ কৰা ধাৰণাসমূহৰ সমন্বয়ত —

- Cup Shinto Animism$_1$ (এক কাপ চিণ্টু সৰ্বপ্ৰাণবাদ),
- Buddhist Noble Truth$_2$ (বৌদ্ধ চাৰি আৰ্য সত্য)
- Yin$_3$ (য়িন)
- Yang$_4$ (য়াং)
- Handfull Confucian Virtues$_5$ (একাঁজলি কনফুচিয়াছৰ সদ্‌গুণ)
- Mahayana Buddhist Doctrine of the Void$_6$ (মহাযানপন্থী বৌদ্ধৰ শূণ্যবাদ)
- Lifetime Spiritual Enlightment (এক জীৱনজোৰা আধ্যাত্মিক দিব্যজীৱন )।

— তেওঁৰ নাৰীবাদী হাতৰ বলিষ্ঠ পৰশত এই ধাৰণাসমূহে এক মধুৰ সংমিশ্ৰণ ৰূপে ধৰা দিছে। তেওঁৰ মতে মানুহে যিমান পাৰে সিমান (পাৰিলে সন্যাসী হৈ হ'লেও) পাৰ্থিৱ আসক্তিৰ পৰা মুক্ত হ'বলৈ প্ৰয়াস কৰিব লাগে। তেওঁ Tendai$_7$-ৰ নাৰী বিদ্বেষী নিয়তিবাদী সকলৰ বিৰোধিতা কৰিছিল। লগতে নাৰীসকলেও এই জীৱন কালতে মুক্তি লাভ কৰিব পাৰে বুলি বিশ্বাস কৰিছিল। মুৰাচাকিৰ চিন্তাৰ এই নতুন সংস্কৰণত মানুহৰ আধ্যাত্মিক প্ৰশান্তি আৰু নিৰ্বাণ প্ৰাপ্তিত গুৰুত্ব দিছিল। লগতে তেওঁ সৰলতা আৰু পাৰ্থিৱ বস্তুৰ প্ৰতি আশক্তিহীনতাৰ ওপৰতো প্ৰাধান্য আৰোপ কৰিছিল।

সেই সময়ত বৌদ্ধ দৰ্শন, জাপানী ধৰ্ম আৰু সংস্কৃতিয়ে মহিলাসকলক এক পূৰ্ব নিৰ্দ্ধাৰিত প্ৰাকৃতিক বস্তু বুলি গণ্য কৰিছিল; কিন্তু, মুৰাচাকিৰ গ্ৰন্থত অংকিত মহিলা চৰিত্ৰসমূহে ইয়াৰ বিপক্ষে সংগ্ৰামত লিপ্ত হোৱা দেখা গৈছিল। তেওঁৰ লেখনীৰ মূল চৰিত্ৰ উকিফুনে (Ukifune – which means loose boat, loose woman) হৈছে এনে এগৰাকী মহিলা যি বলৎকাৰৰ বলি হৈ আত্মহত্যা কৰিবলৈ উদ্যত হৈছিল। অন্যান্য সন্যাসীসকলৰ বাৰম্বাৰ বাধাক আওকাণ কৰি এগৰাকী সন্যাসীয়ে তেওঁক পানীত পৰি মৃত্যু হোৱাৰ পৰা উদ্ধাৰ কৰিছিল। সেই সময়ত অন্য মহিলাসকলে উকিফুনেক উপদেশ দিছিল যে তেওঁ বলৎকাৰৰ সামাজিক পৰিণতিৰ কথা ভাবি কাকো একো ক'ব নালাগে, বৰং এয়া নিজৰ ভাগ্য বুলি গ্ৰহণ কৰিব লাগে। তেতিয়া তাইৰ বাবে বেশ্যা হোৱাৰ বাহিৰে আন কোনো উপায় নাছিল; কিন্তু, উকিফুনেই এই উপদেশ মানি নলৈ এই দ্বৈত অন্যায়ৰ বিৰুদ্ধে থিয় দিছিল। যিজন মানুহে বলপূৰ্বকভাবে নাৰীত্ব হৰণ কৰিছিল সেইজনৰ বিৰুদ্ধে অভিযোগ দি সমাজৰ ওচৰত ন্যায় বিচাৰিছিল যদিও তেওঁ ন্যায় লাভ কৰা নাছিল। বৰং তেওঁহে ভুল কৰিছে বুলি শাস্তি হিচাপে সামাজিক দ্বন্দ্বৰ সন্মুখীন হৈছিল। কিন্তু, তেওঁ ইয়াক ভাগ্য বুলি মানি লোৱা নাছিল আৰু ইয়াৰ প্ৰতিবাদত আত্মহত্যা কৰিবলৈ চেষ্টা কৰিছিল। আশা কৰিছিল যাতে তেওঁৰ মৃত্যুৰ পিছত পুৰুষ হিচাপে পুনৰ জন্মগ্ৰহণ কৰিব পাৰে! অৱশ্যে, এজন সন্যাসীয়ে উকিফুনেক ভাগ্যৰ বলতে মৃত্যু গহ্বৰৰ পৰা উদ্ধাৰ কৰি আনি ধৰ্মীয় চিন্তাত নিমগ্ন হোৱাত সহায় কৰিছিল। পৰৱৰ্তী সময়ত উকিফুনেও এগৰাকী সাধাৰণ সন্যাসীনী হিচাপে কেৱল সমাজ সেৱাত নিমজ্জিত হোৱা নাছিল। তাৰ পৰিৱৰ্তে তেওঁ এগৰাকী অসাধাৰণ সন্যাসীনী হৈ গোটেই জীৱন আত্মানুসন্ধানত ব্ৰতী হৈছিল আৰু দিব্যজ্ঞান লাভৰ পথ প্ৰশস্ত কৰিছিল। এনেদৰে তেওঁ নিজেই নিজৰ লক্ষ্য তথা গন্তব্য স্থান নিৰ্দ্ধাৰণ কৰি লোৱা দেখা গৈছিল।

এনেধৰণে মুৰাচাকিৰ দ্বাৰা অংকিত মহিলা চৰিত্ৰসমূহে বন্ধন মুক্ত তথা স্বাধীন হ'বলৈ সংগ্ৰাম কৰিছিল ; নিজকে

এক দায়িত্বশীল নৈতিক কৰ্তা হিচাপে প্ৰতিষ্ঠা কৰি নিজৰ কৃতকৰ্মৰ দায়িত্ব ল'বলৈ সংকল্পবদ্ধ হৈছিল। লগতে অন্য সামাজিক দায়িত্বসমূহো মূৰ পাতি ল'বলৈ কুণ্ঠাবোধ নকৰিছিল। ইয়াৰ মাজেদি মুৰাচাকিৰ জীৱনাদৰ্শ আৰু মূল্যবোধৰ ৰেঙনি ফুটি উঠিছিল। তেওঁ মূল বৌদ্ধ ধৰ্মৰ বিপক্ষে অৱস্থান গ্ৰহণ কৰি নগণ্য সংখ্যক বৌদ্ধই বিশ্বাস কৰাৰ দৰেই ভাবিছিল যে মহিলাসকলো নৈতিক কৰ্তা। তেওঁৰ মতে মহিলাসকলেও কেৱল ভাগ্যক দোষাৰোপ নকৰি নিজৰ কৃতকৰ্মৰ প্ৰতি দায়বদ্ধ হ'ব লাগে। তেওঁৰ মতে মহিলাসকলে নিজেই নিজক নিয়ন্ত্ৰণ কৰি নিজৰ লক্ষ্যস্থান স্থিৰ কৰিব পাৰে, নিজৰ ভাগ্যক প্ৰত্যাহ্বান জনাব পাৰে, বৌদ্ধ মনিষীসকলৰ তথাকথিত নিষিদ্ধ গ্ৰন্থ (Sutras: Secret doctrine and sacred teachings) অধ্যয়ন কৰি নিজৰ অজ্ঞতা নাশ কৰি নিৰ্বাণ প্ৰাপ্তিৰ পথ সুগম কৰিব পাৰে। মুৰাচাকিয়ে নিজৰ বাস্তৱ জীৱনতো এগৰাকী সন্যাসিনী হোৱাৰ সপোন পুহি ৰাখিছিল আৰু বৌদ্ধ দৰ্শনৰ সমস্ত গ্ৰন্থ অধ্যয়ন কৰি দিব্যজ্ঞানৰ সন্ধান কৰিছিল।

মুৰাচাকিৰ মতে জীৱনটো উপলব্ধি কৰি সেইমতে জীয়াই থাকিবলৈ শিকাটোৱেই হৈছে বৌদ্ধ দৰ্শনৰ মূল মন্ত্ৰ। তেওঁৰ মতে পুৰুষৰ লগতে মহিলাসকলেও নিজৰ শৰীৰ আৰু মনক নিয়ন্ত্ৰণ কৰি দিব্যজ্ঞান লাভৰ পথত অগ্ৰসৰ হ'ব পাৰে, সাধনাত সিদ্ধি লাভ কৰি নিৰ্বাণ প্ৰাপ্ত হ'ব পাৰে; মহিলাসকলে এই নিৰ্বাণ প্ৰপ্তিৰ বাবে এবাৰ মৃত্যুবৰণ কৰি আকৌ পুৰুষ হৈ জন্ম লোৱাৰ প্ৰয়োজন নাই। তেওঁৰ মতে চিণ্টু আৰু বৌদ্ধ ধৰ্মত নাৰী-পুৰুষ সকলোৱে সমভাৱে জীৱন যাপন কৰিব পাৰে। ইয়াত নাৰী-পুৰুষৰ বাবে পৃথক পৃথক আধ্যাত্মিক জীৱন নাই। সকলোৱেই আত্মোপলব্ধিৰ মাধ্যমেৰে নিৰ্বাণ লাভ কৰিব পাৰে। এয়া সঁচাকৈয়ে মুৰাচাকিৰ এক প্ৰগতিবাদী চিন্তাৰ নিদৰ্শন যি দশম-একাদশ শতিকাতে জাপানত মহিলাৰ স্থান উন্নত কৰিবলৈ প্ৰয়াস কৰিছিল।

# ৰোগ প্ৰতিৰোধী কেতবোৰ উদ্ভিদজাত খাদ্যদ্ৰব্য

ড° অন্নজ্যোতি গগৈ
উপাধ্যক্ষ, ধেমাজি মহাবিদ্যালয়

"Prevention is better than cure" বুলি সততে কোৱা হয়। অৰ্থাৎ আৰোগ্য হোৱাতকৈ বেমাৰ প্ৰতিৰোধ কৰাটো উত্তম। ২০২০ চনৰ আৰম্ভণীৰ পৰা (চীন দেশত ২০১৯ চনৰ শেষৰ ফালে) কৰণা ভাইৰাছে বিশ্বজুৰি COVID-19 বেমাৰ সৃষ্টি কৰি বৰ্তমানলৈকে যি সন্ত্ৰাসৰ সৃষ্টি কৰিছে তাৰ পৰিপ্ৰেক্ষিতত উক্ত কথাষাৰৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। COVID-19 বেমাৰ সৃষ্টিকাৰী কৰণা ভাইৰাছবিধ যিহেতু নতুন ভাইৰাছ সেয়ে বিজ্ঞানীসকলে ভাইৰাছবিধৰ বিষয়ে সবিশেষ জানিবলৈ এতিয়াও বহু বাকী আছে। এই বেমাৰৰ যিহেতু কোনো ঔষধ এতিয়ালৈকে ওলোৱা নাই সেয়ে সকলো স্তৰতে ৰোগ প্ৰতিৰোধ ক্ষমতা (যাক immune system বুলি কোৱা হয়) বঢ়োৱাৰ বিষয়ে যথেষ্ট গুৰুত্ব দিয়া দেখা গৈছে।

যুগে যুগে বিশ্বত কেইবাটাও মহামাৰীয়ে মানৱ জাতিক ধৰাশায়ী কৰি গৈছে। যেনে ১৯১৮ চনত স্পেনিছ ফ্লু মহামাৰীৰ দ্বাৰা সমগ্ৰ বিশ্বৰ ৫০০ মিলিয়ন বা এক তৃতীয়াংশ লোক HINI ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছিল আৰু কমেও গোটেই বিশ্বত ৫০ মিলিয়ন লোক মৃত্যু মুখত পৰিছিল। বিভিন্ন ৰোগৰ প্ৰতিষেধক বা ঔষধৰ আবিষ্কাৰ ১৭-১৮ শ শতিকাৰ পাছতহে হৈছিল। কিন্তু ইয়াৰ আগতেও নিজস্ব ৰোগ প্ৰতিৰোধ ক্ষমতাই বহুতো লোকক মহামাৰীৰ পৰা ৰক্ষা কৰিছিল।

শৰীৰত এন্টিবডিৰ মাত্ৰা পৰ্য্যাপ্ত হ'লে সেই এন্টিবডিয়ে ৰোগ সৃষ্টিকাৰী এন্টিজেনৰ বিৰুদ্ধে ক্ৰিয়া কৰি দেহক ৰোগৰ আক্ৰান্তৰ পৰা ৰক্ষা কৰিব পাৰে। খাদ্যাভ্যাস সঠিকভাৱে কৰাটো এক বৃহৎ আৰম্ভণি বুলি ক'ব পাৰি। সুষম খাদ্যই ক'ব নোৱাৰাকৈ দেহক ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাত সহায় কৰিব পাৰে। এই লেখাত ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব পৰা কেইবিধমান উদ্ভিদজাত খাদ্যৰ ওপৰত কিছু কথা লিখিবলৈ প্ৰয়াস কৰা হৈছে।

প্ৰথমেই আহো ভিটামিন চি ৰ কথালৈ। এইবিধক ভিটামিনৰ ৰজা বুলিও বহুতে ক'ব খোজে। কিয়নো ভিটামিন চি য়ে দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাৰ উপৰিও আইৰণ শোষণত সহায় কৰে। তদুপৰি এই ভিটামিনে সঞ্চিত (chronic) ৰোগ আৰোগ্যতো সুফল দিয়ে। লগতে ভিটামিন চি য়ে প্ৰটিন সংশ্লেষণ হোৱাত সফলভাৱে ক্ৰিয়া কৰে। ই গাঁঠিৰ বিষতো উপকাৰী ফল দিয়ে আৰু ঘা শুকোৱাত সহায় কৰে। আমোদজনক বিষয় এয়ে যে ভিটামিন চি প্ৰধানকৈ উদ্ভিদজাত সামগ্ৰীৰ পৰাহে পোৱা যায়। অৰ্থাৎ প্ৰাণীজাত খাদ্যদ্ৰব্যৰ পৰা এইবিধ ভিটামিন সাধাৰণতে পোৱা নাযায়। তদুপৰি ভিটামিন চি দেহত সংৰক্ষণ কৰি ৰাখিব পৰা নাযায়। সেয়ে এইবিধ ভিটামিন প্ৰত্যেক দিনাই দেহক যোগান ধৰাৰ প্ৰয়োজন হয়। ১৭-১৮ শ শতিকাৰ আগতে জাহাজৰ নাবিকসকলে ভিটামিন চি ৰ অভাৱত স্কাৰ্ভী নামৰ এবিধ বেমাৰত আক্ৰান্ত হৈ বহুতো লোক মৃত্যুমুখত পৰিছিল। ভিটামিন চিয়ে শৰীৰত শ্বেত ৰক্ত কণিকা (white blood cells) ৰ উৎপাদন বঢ়ায় আৰু এই শ্বেতৰক্ত কণিকাবোৰ সংক্ৰমণৰ বিৰুদ্ধে যুঁজিব পৰাৰ মূল চাবিকাঠী বুলি অভিহিত কৰা হয়।

উল্লেখযোগ্য যে আমাৰ পৰিৱেশত পোৱা চাইট্ৰাছ (Citrus) ফলবোৰ (যেনে নেমু, কমলা, মোচুম্বী আদি) ভিটামিন চিৰ চহকী উৎস। কমলা, মৌচুম্বী আদি ঋতুজনিত ফল যদিও আমাৰ অসমত কাজী নেমু বছৰটোৰ সকলো সময়তে কম-বেছি পৰিমাণে পোৱা যায়। সেয়ে পুৱা কুহুমীয়া গৰম পানীত নেমুৰ ৰস মিহলাই বা ভাতৰ লগত কিম্বা চৰবত যেনেধৰণেই নহওক নেমু খাই দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াবলৈ চাব লাগে। তেনেদৰে আমলখিত পৰ্য্যাপ্ত পৰিমাণে ভিটামিন চি পোৱা যায়। কিৰি ফলতো ভিটামিন চি যথেষ্ট পৰিমাণত থাকে। কিন্তু আমাৰ অসমত এই ফলবিধ সকলো ঠাইতে সহজলভ্য নহয়। মধুৰী আমাৰ পৰিৱেশত পোৱা আন এবিধ ভিটামিন চিৰ চহকী উৎস। তদুপৰি মধুৰীত পৰ্যাপ্ত মাত্ৰাত মেংগানিজ থাকে যিয়ে অন্যান্য খাদ্যৰ পৰা পোৱা পুষ্টি দ্ৰব্যবোৰ আহৰণত শৰীৰক সহায় কৰে। মধুৰীত থকা পটাছিয়ামে ৰক্তচাপ স্বাভাৱিক অৱস্থাত থকাতো সহায় কৰে।

ব্ৰকলি শীতকালিন পাচলি। ইয়াক সেউজীয়া ফুলকবি বুলিও ক'ব পাৰি। ব্ৰকলিত যথেষ্ট পৰিমাণে ভিটামিন আৰু খনিজ পদাৰ্থ পোৱা যায়। এই পাচলি ভিটামিন এ, চি আৰু ইৰ উপৰিও আঁহ আৰু বহুতো এন্টিঅক্সিডেন্টৰ অধিকাৰী। এইবিধ পাচলিৰ পৰা অধিক পুষ্টি পাবৰ বাবে ভাপত দিয়া প্ৰথা যথেষ্ট ফলপ্ৰসু বুলি জনা গৈছে। ব্ৰকলিয়ে আমাৰ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী কৰিব পাৰে। ঘৰৰ বাৰীখনত কেইজোপামান ব্ৰকলি ৰুই ল'লৈ ৩-৪ মাহ পৰ্যন্ত এই পাচলিৰ জুতি লৈ থাকিব পাৰি। কিয়নো ইয়াৰ মূল ফুলপাহ কাটি অনাৰ পাছত সৰু সৰু অধিক ব্ৰকলি একেজোপা গছতে ওলায়। এইবোৰ কাটি অনাৰ পাছত পুনৰ আন এচাম পোৱালি ব্ৰকলিৰ উৎপত্তি হয়। এনেদৰে কেইবাচাম একেজোপা গছৰ পৰাই পাই থাকিব পাৰি।

আদা, নহৰু সহজলভ্য মচলাজাতীয় উদ্ভিদ। আদা, নহৰু আদি ৰুচি বা জুতি বঢ়াবৰ বাবেই যে আঞ্জাত প্ৰয়োগ কৰা হয় তেনে নহয়; ইহঁত সুঔষধিযুক্ত খাদ্যদ্ৰব্য। বিশেষকৈ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাত আদা, নহৰুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আদা, নহৰু কেঁচাই খাইও ইয়াৰ গুণাগুণ দেহত যোগান ধৰিব পাৰি। আদা বিভিন্ন ধৰণৰ ব্যঞ্জন ৰান্ধোতে ব্যৱহাৰ কৰাৰ উপৰিও চালাদ, চাটনি তথা চাহ প্ৰস্তুত প্ৰণালীত ব্যৱহৃত হয়। আদাৰ এন্টিঅক্সিডেন্ট গুণৰ বাবে ডিঙিৰ বিষ তথা ফুলা কমোৱাত সহায় কৰে। বমি ভাৰ আহিলে আদা খালে সুফল পোৱা যায়। আদাত কেপছেছিনৰ সম্পৰ্কীয় জিনজেৰলৰ (gingerol) ৰূপত তাপ মজুত থাকে। আদাই সঞ্চিত বিষ নিৰাময় কৰাৰ উপৰিও কলেষ্টৰল কমোৱাত অৰিহণা আগবঢ়াব পাৰে। সেইদৰে নহৰুৰ বেমাৰ প্ৰতিৰোধী গুণ থকাৰ মূলতে হ'ল এলিচিন(allicin)ৰ দৰে গন্ধুৰ গাঢ়তাৰ ছালফাৰ বহনকাৰী যৌগ। সংক্ৰমণৰ বিৰুদ্ধে যুঁজিব পৰা শক্তি নহৰুৰ আছে বুলি প্ৰাচীন কালৰ পৰাই বিশ্বাস কৰি অহা হৈছে।

হালধি আন এবিধ বহুল ব্যৱহৃত মছলাজাতীয় উদ্ভিদ। সিজোৱা, ভাপত দিয়া, পাতত দিয়া আদিৰ বাহিৰে যিকোনো ৰন্ধন প্ৰকৰণত হালধি নহ'লেই নহয়। আঞ্জাত হালধি কেৱল বৰণৰ বাবেই ব্যৱহাৰ নকৰে, ই এবিধ প্ৰাকৃতিক এন্টিবায়টিক, বীজাণুনাশক, তেজ পৰিষ্কাৰক তথা ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াব পৰা উপকাৰী মচলাজাতীয় উদ্ভিদ। কেঁচা হালধিৰ ৰস একেই উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি। গাখীৰৰ লগতো হালধিৰ ৰস মিহলাই খাই উপকৃত হ'ব পাৰি। গাঁঠিৰ বিষ তথা শৰীৰৰ কোনো অংশ ফুলি উঠিলে হালধিয়ে হিতকাৰক ফল দিয়ে। গৱেষণাৰ পৰা গম পোৱা গৈছে যে হালধিত উচ্চ গাঢ়তাৰ কাৰকুমিন (curcumin) নামৰ যৌগবিধ থকাৰ বাবে মাংসপেশীৰ অৱনতিৰ গতি হ্ৰাস কৰিব পাৰে। তদুপৰি ই কেঞ্চাৰ প্ৰতিষেধক তথা ভাইৰাছৰ বিৰুদ্ধে কাৰ্য্য কৰিব পাৰে বুলি প্ৰমাণিত হৈছে।

পালেং শাকত যথেষ্ট পৰিমাণে ভিটামিন চি আৰু ই পোৱা যায়। তদুপৰি পালেঙত বহুতো এন্টিঅক্সিডেন্ট আৰু বিটা কেৰটিন পোৱা যায় যিয়ে আমাৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাত সহায় কৰে। ব্ৰকলিৰ দৰে পালেঙকো কম পৰিমাণে সিজালে তাত থকা পুষ্টিদ্ৰব্য নষ্ট নহয়।

অমিতা আন এবিধ নিৰোগী তথা ৰোগ প্ৰতিৰোধী পাচলি। বছৰটোৰ প্ৰায় আটাইকেইটা মাহতে কম বেছি পৰিমাণে অমিতা পাব পাৰি। ৰোগ প্ৰতিৰোধৰ দিশৰ পৰা পকা অমিতা যথেষ্ট উপকাৰী। ভিটামিন চি যুক্ত অমিতাত পেপেইন (papain) নামৰ এবিধ হজমী উৎসেচক থাকে। তদুপৰি অমিতাত যথাযোগ্য পটাছিয়াম, মেগনেছিয়াম আদিও পোৱা যায়।

পকা কেপছিকামো (red bell peppers) ৰোগ প্ৰতিৰোধী গুণত আগৰণুৱা। মৃদু (mild) জ্বলাযুক্ত এই বিশেষ জলকীয়া প্ৰধানকৈ পাচলি হিচাপে খোৱা হয়। পকা কেপছিকাম ভিটামিন চিৰ চহকী উৎস। তদুপৰি এই কেপছিকামত বিটা কেৰটিন যথেষ্ট পৰিমাণে পোৱা যায়। সেইদৰে সেউজীয়া কেপছিকাম

(green bell peppers) তথা জ্বলা স্বাদৰ যিকোনো কেঁচা জলকীয়াৰো ৰোগ প্ৰতিৰোধী ক্ষমতা থকা বুলি প্ৰমাণিত হৈছে। কিয়নো এইবোৰ ভিটামিন চি আৰু এ ৰ অধিকাৰী।

ৰোগ প্ৰতিৰোধী ক্ষমতা বঢ়াব পৰা আন এবিধ উপকাৰী খাদ্যদ্ৰব্য হ'ল দৈ। দৈ ভিটামিন ডি ৰ সুউৎস। ডি ভিটামিনেও ৰোগৰ বিৰুদ্ধে যুঁজাৰ বাবে আমাৰ শৰীৰৰ প্ৰাকৃতিক দক্ষতা বৃদ্ধি কৰে। দৈত থকা লেক্টবেছিলাছ বেক্টেৰিয়াই ক্ষুদ্ৰান্তৰ ভিতৰত থকা ৰোগ সৃষ্টিকাৰী অপকাৰী বেক্টেৰিয়াৰ বৃদ্ধিত বাধা প্ৰদান কৰে। এইবন্ধু বেক্টেৰিয়াবোৰে খনিজ দ্ৰব্যৰ আহৰণ সুচল কৰাতো অৰিহণা আগবঢ়ায়। পৰিপুষ্টি আৰু ঔষধি গুণৰ ফালৰ পৰা গাখীৰতকৈ দৈ অধিক উপকাৰী আৰু নিৰাপদ খাদ্য। দৈত গাখীৰতকৈ অধিক কেলছিয়াম আৰু ফছফৰাছ পোৱা যায়।

গ্ৰীন ট্ৰি আৰু কলা চাহ উভয়তে ফ্লেভ'নয়ডছ (flavonoids) নামৰ এন্টিঅক্সিডেন্ট থাকে। গ্ৰীন ট্ৰিত আন এবিধ শক্তিশালী EGCG (Epigallocatechin gallate) পোৱা যায়। অধ্যয়নৰ পৰা দেখা গৈছে যে EGCG ৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাৰ দক্ষতা থাকে। কলা চাহ প্ৰস্তুত কৰোতে কৰা কিম্বন পদ্ধতিত EGCG ধ্বংস হোৱাৰ বিপৰীতে গ্ৰীন ট্ৰি প্ৰস্তুত কৰোতে কিম্বনৰ পৰিবৰ্তে ভাপ ব্যৱহাৰ কৰা হয় বাবে EGCG সংৰক্ষিত হয়। তদুপৰি গ্ৰীণ ট্ৰিত থিয়েনিন (theanine) নামৰ এমাইন এছিড পোৱা যায় বাবে ৰোগ প্ৰতিৰোধৰ বাবে উপকাৰী।

মিঠাআলু বিটা কেৰটিন (beta carotene) ত চহকী। এই এন্টিঅক্সিডেন্ট থকাৰ বাবে মিঠাআলুৰ বাকলিৰ বৰণ ৰঙচুৱা হয়। বিটা কেৰটিন ভিটামিন এ ৰো উৎসস্বৰূপ। ই ছালৰ সুস্বাস্থ্য ৰক্ষা কৰাৰ উপৰিও সূৰ্য্যৰ পৰা অহা আলট্ৰাভায়লেট ৰশ্মিৰ বিৰুদ্ধে কাৰ্য্য কৰিব পাৰে। সেইদৰে গাঢ় চকলেটত (dark chocolate) থিয়ব্ৰমাইন (theobromine) নামৰ এন্টিঅক্সিডেন্ট থকাৰ বাবে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াব পাৰে। তেনেদৰে মহানিমৰ পাতে বেক্টেৰিয়া, ভাইৰাছ আৰু ভেঁকুৰৰ বিৰুদ্ধে কাৰ্য্য কৰিব পাৰে। মচলাৰ ৰজা জালুকৰো এন্টিঅক্সিডেন্টৰূপে বেক্টেৰিয়া, ভাইৰাছৰ বিৰুদ্ধে যুঁজিব পৰাৰ ক্ষমতা থাকে। এলমণ্ড ভিটামিন ই'ৰ সুউৎস। তদুপৰি এলমণ্ডত মেংগানিজ, মেগনেছিয়াম আৰু আঁহ পোৱা যায়। ইও দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব পাৰে। এলমণ্ড দামী (প্ৰতি কেজিত ৮০০-৯০০ টকা) আৰু বহিৰাগত ফল। সেয়ে আমি আমাৰ পৰিৱেশত পোৱা সহজলভ্য ফল, পাচলি আদি খাই ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াবলৈ চাব লাগে। উদাহৰণস্বৰূপে জামুকত ভিটামিন থকাৰ উপৰিও এন্টিঅক্সিডেন্টৰূপে ক্ৰিয়া কৰিব পাৰে। সেইদৰে জামুকে তেজ পৰিষ্কাৰ কৰি তেজত চেনীৰ মাত্ৰা কমায় আৰু ইফালে ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াব পাৰে।

সেইদৰে ভিটামিন ডি য়ে মানুহৰ দেহত শ্বেতৰক্ত কণিকা সৃষ্টি কৰি দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। সূৰ্য্যৰ তাপ আৰু ৰশ্মিয়ে মানৰ দেহত ভিটামিন ডিৰ যোগান ধৰাৰ উপৰিও এই ভিটামিনৰ কেতবোৰ উৎস হ'ল - গাখীৰ, এলমণ্ড, কমলা, মাশ্বৰুম আদি। ভিটামিনৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি আজিকালি বিভিন্ন খাদ্য সামগ্ৰীত (নিমখত আয়ডিন মিহলোৱাৰ দৰে) ভিটামিন চি, ডি আদি মিহলোৱা হয় যাক fortification নামেৰে জনা যায়।

এইটো ঠিক যে উপৰোক্ত খাদ্যবোৰ কোনো বেমাৰ আৰোগ্য কৰিবলৈ সক্ষম নহয়; কিন্তু বীজাণু দেহত থিতাপি ল'ব নোৱাৰাকৈ বা কেনেবাকৈ দেহত বীজাণু প্ৰৱেশ কৰিলেও দেহৰ শক্তিশালী ৰোগ প্ৰতিৰোধ ক্ষমতাই সিহঁতক পৰাভূত কৰাত সহায় কৰিব পাৰে। কোনো এবিধ মাত্ৰ খাদ্য নিয়মিতভাৱে খাই থাকিলেও বেমাৰ প্ৰতিৰোধৰ বাবে যথেষ্ট নহ'ব পাৰে। সেয়ে কেৱল এবিধ খাদ্য অধিক মাত্ৰাত খাই অন্যান্য বোৰক নাম মাত্ৰ খাই বা একেবাৰে গ্ৰহণ নকৰিলে ৰোগ প্ৰতিৰোধত সাফল্যমণ্ডিত নহ'বও পাৰে। তদুপৰি নামী-দামী (যেনে কিৱি, এলমণ্ড) ফলমূলৰ পৰিবৰ্তে আমাৰ পৰিৱেশত পোৱা সহজলভ্য ফলমুল (যেনে আমলখি, নেমু) আদি খাই আমি অৰ্থনৈতিকভাৱেও লাভবান হ'ব পাৰো। কিয়নো মান বা গুণাগুণৰ ফালৰ পৰা কম খৰচী বা বিনামূলীয়া ফলমুল বা পাচলিৰ পুষ্টিমূল্য কোনোগুণে কম নহয়।

# কাজিৰঙাত বন্য জীৱ জন্তুৰ ছবি তোলাৰ অভিজ্ঞতা

**সৌৰভ দুৱৰা**
(প্ৰাক্তন ছাত্ৰ)
ফটোগ্ৰাফাৰ, অসমীয়া প্ৰতিদিন

'Animals and plants are the living components of the landscape. To together them successfully you need a special alertness combined with techniques borrowed from the tracker and the natuelist.... Kodak Book of photography.'

আমাৰ জীপকেইখন 'বনানী' (অতিথিশালা)ৰ পৰা অৰণ্যৰ পোন্ধৰ মাইল অন্তৰ ভাগত থকা 'মুনা' বিললৈ বুলি একাবেকা পথেৰে নিৰ্দিষ্ট গতিত আগবাঢ়ি গৈছে। পিচলৈ এৰি থৈ আহিছে মাথো ধূলিৰে ধূসৰ ধৰিত্ৰীক। হঠাতে গাড়ীখন ৰখাই দি অভ্যস্ত চালকজনে ক'লে- সৌটো চাওক দঁতাল গাহৰি। এটা প্ৰকাণ্ড দঁতাল গাহৰীটোৱে গাড়ীৰ শব্দ শুনি আমাৰ ফালে মুৰ তুলি চালে। সন্মুখত দেখো বৰাহ অৱতাৰ। দাঁতৰ ওপৰত নাই মাথো পৃথিৱীখন। মই লগে লগে মোৰ কেমেৰাটো সাজু কৰিলো। কিন্তু মই সাজু হোৱাৰ আগতেই বৰাহ অৱতাৰে অৰণ্যৰ মাজলৈ বুলি লৰ মাৰিলে। অৱতাৰ ফটো লোৱা নহ'ল।

এইয়া আছিল ১৮ ডিচেম্বৰ ৯৪ চনৰ ঘটনা। ইণ্ডিয়া ইণ্টাৰনেচনেল ফটোগ্ৰাফীক কাউন্সিল। বাংগালোৰ শাখা আৰু নৰ্থ-ইষ্টাৰ্ন ফটোগ্ৰাফীক অকাডেমীৰ যুটীয়া উদ্যোগত কাজিৰঙাত প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ আলোকচিত্ৰৰ ওপৰত 'কাজিৰঙা নেচাৰ কেম্প ৯৪' শীৰ্ষক কৰ্মশালাৰ প্ৰথম দিনৰ ঘটনা। আন্তৰ্জাতিক খ্যাতি সম্পন্ন ফটোগ্ৰাফাৰ ডাঃ এছ হৰিনাৰায়ন, (AIIPC & PRS) গোল এইচ গোলৰজনী (AIIPC) বি ডব্লিউ জাটকাৰ (AIIPC APPS ASHIPC) কৃষ্ণ পুট্টাডাৰ (ARPS AIIPC) ই হনুমন্ত ৰাও (AIIPC) এন সুন্দৰ ৰাজ (AIIPC ARPS) আদিৰ সান্নিধ্যত বোম্বে, বাংগালোৰ, কৰ্ণাটক, বিহাৰ, দিল্লী আৰু অসমৰ মুঠ ৬ জন ফটোগ্ৰাফাৰৰ সৈতে এটা ৪০ জনীয়া দল। অসমৰ হৈ ময়ো এই কৰ্মশালাত অংশগ্ৰহণ কৰাৰ সুবিধা পাইছিলো। ইয়াৰ আগতেও মই দুবাৰ কাজিৰঙাত বন্যপ্ৰাণীৰ ছবি তুলিছো। উল্লেখযোগ্য যে আন দুবাৰৰ দৰে কহঁৰাত কাণছিগা গঁড়টো এইবাৰো মোৰ কেমেৰাত বন্দী হ'ল। ৯২ চনত মই প্ৰথম কাণ ছিগা গঁড়টোৰ ছবি তুলিবলৈ সক্ষম হৈছিলো। তেতিয়াই গম পাইছিলো যে আন গঁড়ৰ সৈতে যুদ্ধ কৰি তাৰ এখন কাণ ছিগিল। এই কাণ ছিগা গঁড়টোৱে ইতিমধ্যে 'ইণ্ডিয়া টুডে' আৰু 'ফ্ৰন্টলাইন' নামৰ আলোচনীৰ পাত দখল কৰিছিল। এইবাৰ কেঁচা তেজৰ সৈতে ক্ষত-বিক্ষত ৰূপত দেখা পালো। আগদিনা বোধহয় আন গঁড়ৰ লগত যুদ্ধত লিপ্ত হৈছিল।

এতিয়া ফটো সাংবাদিকতাৰ জগতলৈ আহি বিভিন্ন ধৰণৰ ছবি তুলিবলগা হ'ল। তথাপি বন্যপ্ৰাণীৰ ছবি তোলাৰ আমেজ বেলেগ। বহুত ধৈৰ্যৰে অপেক্ষা কৰিবলগা হয়।

ফটোগ্ৰাফীৰ বিভিন্ন বিভাগৰ অন্যতম বিভাগ হৈছে বন্যপ্ৰাণীৰ ছবি (Wildlife Photography) প্ৰকৃতি হৈছে ফটোগ্ৰাফীৰ অনন্ত উৎস। প্ৰত্যেক মুহূৰ্তত প্ৰকৃতিয়ে আমাক নতুন নতুন বিষয় দি আহিছে আৰু তাক উদঘাটন কৰিবলৈ লাগে সুক্ষ্ম অনুভূতি। কাজিৰঙা যে অকল বন্য জীৱ জন্তুৰ বাবে বিখ্যাত এনে নহয়। বিভিন্ন সময়ত কাজিৰঙাই অনন্য সুন্দৰ ৰূপ লয়। প্ৰত্যেকটো ৰূপেই যেন একোটা একোটা মিঠা কবিতা। একা বেঁকা পথত গছৰ মাজেদি সৰকি অহা পুৱাৰ ৰদৰ দুই এচেৰেঙা কোমল আঁচোৰ। কাজিৰঙাৰ প্ৰত্যেকটো ৰূপেই বিভিন্ন আবেগ আৰু অনুভৱৰ বাহক। প্ৰকৃতিৰ বাহ্যিক ৰূপতেই অন্তনিৰ্হিত হৈ আছে নিজস্ব গোপন জীৱন। তাক উদঘাটন কৰি নিৰ্দিষ্ট দৃষ্টিভংগীৰে আলোকচিত্ৰৰ ৰূপ দিয়াটোৱেই এজন ফটোগ্ৰাফাৰৰ কৰ্তব্য।

আমাৰ জীপকেইখন গৈ মুনা বিল পালে। ধূলিৰে আমি সকলো পোট গলো। লগত নিয়া গামোছাৰে কেমেৰাকেইটা ঢাকি ধূলিৰ পৰা বচাই গৈছো। প্ৰত্যেকৰে চকুৰ চেলাউৰিত বগা ধূলিৰ চামনি। বিলখনত বহুত মাছ পোৱা যায়। হঠাতে দেখিলো ঈগল এজনীয়ে চোঁ মাৰি বৰ ডাঙৰ চিতল মাছ এটা লৈ উৰা মাৰিলে আৰু অলপ দূৰৰ গছ এজোপাত বহি ফালি ফালি খাবলৈ ল'লে। ৪০ টা কেমেৰাৰ ছাটাৰৰ শব্দত কপি উঠিল মুনা বিলৰ চৌপাখ। সেই সময়ত আমি ফিল্ম কেমেৰা ব্যৱহাৰ কৰিছিলো। গতিকে আজিৰ দৰে বহুত ছবি তুলিব নোৱাৰিলো। জুখিমাখি তোলা প্ৰত্যেকখন ছবিয়েই ভাল হ'ব লাগিব তাক বিবেচনা কৰি ছবি লৈছিলো। কাৰণ এটা Flimত ৩৬ টা কপি ছবি তুলিব পাৰি। বনৰ মুক্ত বন্যপ্ৰাণীৰ ছবি তোলাটো অত্যন্ত দুঃসাহসিক কামৰ লগতে আমোদজনক। কাৰণ মুক্ত বন্যপ্ৰাণীয়ে সহজে মানুহৰ সন্মুখীন নহয়। ইহঁতৰ চাৰিত্ৰিক বৈশিষ্টই হৈছে প্ৰাকৃতিক পৰিবেশত আত্মগোপন কৰা। কিছু দূৰত দেখিলো বনৰীয়া মহৰ জাক এটা লগত দল হৰিণৰ জাক। আমাৰ জীপকেইখন লাহে লাহে আগুৱাই গ'ল বনৰীয়া মহৰ জাকটোৰ ফালে। বোকাত ঘূলি মাৰি থকা মহকেইটাই আমাৰ গাড়ীৰ শব্দ শুনি বোকাৰ পৰা উঠিল। প্ৰকাণ্ড শিঙৰ সৈতে বামত ৰৈ থকা মহকেইটাই আমাৰ ফালে ৰ লাগি চাই ইফাল সিফাল কৰিবলৈ লাগিল। কেইবাখনো ছবি লোৱাৰ পিচত দলটো আঁতৰি গ'ল। যথেষ্ট ধৈৰ্য, সাৱধানতা আৰু কৌশল প্ৰয়োগৰ দ্বাৰা বন্যপ্ৰাণীৰ উৎকৃষ্ট ছবি ল'বপৰা যায়। গতিকে এনেধৰণৰ প্ৰাণীৰ আচৰণ অভ্যাস আদিৰ বিষয়ে এজন ফটোগ্ৰাফাৰৰ সঠিক জ্ঞান থকাৰ প্ৰয়োজন।

সেইদৰে অগৰাতলি ৰেঞ্জৰ বিলত তেলিয়া সাৰেং (Blacked necked Strok) য়ে মাছ চিকাৰ কৰাৰ ছবি লোৱাৰ সৌভাগ্য হৈছিল। আমি তিনিজন ফটোগ্ৰাফাৰে মাটিত পেট পেলাই শুই লৈ সাৰেংৰ মাছ চিকাৰৰ ছবি লৈছিলো। অগৰাতলিত আমাৰ লগত যিজন গাইড গৈছিল তেওঁ আগতে মাউত আছিল। গতিকে বনৰীয়া হাতীৰ নাড়ী নক্ষত্ৰ সকলো দেখিয়েই গম পাইছিল। এবাৰ হাতীয়ে খেদি আহোতে তেওঁ ঠাইতে বনৰীয়া হাতীটোক বশ কৰিছিল। তেনেদৰে এবাৰ হাতীজাক এটাৰ ইমান ওচৰলৈ লৈ গৈছিল যে আমাৰ কেমেৰাৰ ফ্ৰেমৰ বাহিৰ হৈ গৈছিল। কোনোবা এটা যাত্ৰাত বাঘৰ ছবি ল'বলৈ দুঘণ্টা অপেক্ষা কৰিবলগা হৈছিল। আমি পিচবেলা যাত্ৰা কৰিছিলো অৰণ্যৰ মাজলৈ। এঠাইত গাইডজনে গাড়ীখন ৰখাই ক'লে যোৱাকালি বাঘে মহ এটা মাৰি খাই আছে। আগবেলা এগৰাকী বিদেশী মহিলাই অতি ওচৰৰ পৰা বাঘে মহটো খাই থকাৰ ছবি ল'বলৈ সক্ষম হৈছিল। পৰ্যটনৰ ক্ষেত্ৰত দেশী আৰু বিদেশী পৰ্যটক অনুধাৱন বিলাক বেলেগ। বিদেশী পৰ্যটকসকলে ইয়াক আনন্দৰ লগতে জ্ঞানবৰ্ধক বিষয় হিচাবে লোৱাৰ বিপৰীতে দেশীয় পৰ্যটকসকলে ইয়াৰ আনন্দৰ বাবেই গ্ৰহণ কৰা দেখা যায়। ফলত ফটোগ্ৰাফাৰসকলৰ বাবে বহু সময়ত অসুবিধাৰ সৃষ্টি হয়। বন্যপ্ৰাণীৰ ছবি তোলাৰ ক্ষেত্ৰত নিস্তব্ধতা অতি গুৰুত্বপূৰ্ণ কথা। জন্তু মানেই অতি স্পৰ্শকাতৰ হয়। ভাল গাইড লগত থাকিলে নিৰ্দিষ্ট ঠাইলৈ লৈ গৈ সেই অঞ্চলৰ জীৱ জন্তুৰ ছবি তোলাত সহায় কৰি দিয়ে। এই ক্ষেত্ৰত পোছাকৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব প্ৰদান কৰিবলগা হয়। বাঘ দেখিলে কিছু জন্তুৱে বিশেষকৈ বান্দৰ, হৰিণা আদিয়ে লগৰ বিলাকক সতৰ্ক কৰি দিয়ে। আমি বাঘটোৰ ছবি ল'বলৈ অতি নীৰৱে অপেক্ষা কৰিলো। অলপ পিচত দেখিলো চাৰিটা হৰিণা দৌৰি আহি আমাৰ ওচৰত ৰ'ল নেজকেইডাল ডাঙি যেনি তেনি চাব ধৰিলে। গাইডে আমাক ক'লে সাজু হওক ওলাব এতিয়া। আমিও সাজু হ'লো। দেখিলো এটা প্ৰকাণ্ড ঢেকীয়াপতীয়া বাঘ ৰাস্তা পাৰ হৈ হাবিলৈ সোমাই গৈছে। বাঘটো ইমানেই ডাঙৰ আছিল যে দুটা খোজতেই ৰাস্তাটো

পাৰ হৈ গ'ল। মাত্ৰ দুই ছেকেণ্ড। তিনিজনে ছবি ল'লো। কিন্তু মইহে সম্পূৰ্ণকৈ বাঘৰ ছবি ল'ব পাৰিলো। বাকী কেইজনে বাঘৰ পিচ অংশটোহে তুলিব পাৰিলে। কাজিৰঙাৰ গভীৰ ভাগত যথেষ্ট জীৱ জন্তু পোৱা যায়। কিন্তু এই জন্তুবিলাক যথেষ্ট হিংস্ৰ হোৱাৰ বাবে এই অঞ্চলবিলাকলৈ যাবলৈ অনুমতি প্ৰদান নকৰে।

কাজিৰঙাত হাতীৰ ওপৰৰ পৰাও কম দূৰৰ পৰা ছবি তুলিব পাৰি। অগৰাতলিতে এবাৰ এটা হাতীয়ে ধূলি উৰুৱাই আমাক খেদি আহিছিল। মই দুখন ছবি ল'বলৈ সক্ষম হৈছিলো যদিও গাইডজনে আমাক নিশ্চিত বিপদৰ বাবে সেই ঠাইৰ পৰা আঁতৰাই লৈ আহিছিল। তেনেদৰে দিহিং পাটকাই ৰেইন ফৰেষ্টটো হাতীৰ ছবি তুলিবলৈ গৈ আধা কিলোমিটাৰ হাতীৰ খেদা খাইছিলো। বাঘৰ ছবি তুলি আহি থাকোতে গাইডজনে গাড়ীখন ৰখাই ক'লে সৌটো থিয় কাণৰ ফেঁচা। বহুত সময় চোৱাৰ পিচত দেখা পালো। গাড়ীখন অগাপিচা কৰি কেমেৰা এংগল মিলাই বহি থকা ফেঁচাটোৰ ছবি ল'লো। আমাৰ পিচফালে আহি কেইবাখনো গাড়ী ৰখালে। গাড়ীৰ শব্দ শুনি ফেঁচাটো উৰি গ'ল। ঘূৰি আহি থাকোতে এঠাইত খেক খেক শব্দ শুনিবলৈ পালো। দেখিলো এজাক ধনেশ পক্ষী। গাড়ীখন ৰখালো। দেখিলো পাঁচটামান Great Indian Hornbil গছৰ খোৰোঙত বাহ সাজিছে। ঢাপ ঢাপকৈ আৰু দুজনী ধনেশ আহি গছজোপাত পৰি কলকলাবলৈ ধৰিলে। হেপাহ পলুৱাই ছবি ল'লো। তাৰ পিচত এজনী দুজনীকৈ সকলোবোৰ উৰি গ'ল। আহোতে ৰাস্তাত দেখিলো এহাল বন কুকুৰা। ৰাস্তাত পৰি থকা হাতীৰ লাড খুচৰি খুচৰি খাই আছে। মাজে মাজে আমাৰ ফালে মূৰ তুলি চাই আকৌ খুচৰে। কেইবাখনো ছবি ল'লো। তাৰ পিচত লাহে লাহে হাবিৰ মাজলৈ সোমাই গ'ল। কেতিয়াবা গছৰ ডালত বহি ডাক দি থকা শুনা যায়। পোৱালীৰ সৈতে গাহৰি এজনী আমাৰ গাড়ীৰ আগেৰে পাৰ হৈ গ'ল। মই যিমান পাৰো ছবি ল'বলৈ চেষ্টা কৰিলো।

অস্তগামী সূৰ্যৰ ছবি তুলিবলৈ অগৰাতলি ৰেঞ্জটো যথেষ্ট ভাল। সূৰ্যৰ সোণালী পোহৰত জীৱ-জন্তুৰ ছবি অনন্য ৰূপত পোৱা যায়। বসন্ত কালত কাজিৰঙাখন পলাশ, শিমলুৰ ফুলেৰে জাতিষ্কাৰ হৈ পৰে। তলত পৰি থকা শিমলু ফুলবোৰ খাবলৈ হৰিণাবোৰ আহে। অতি সহজতে হৰিণাৰ ছবি ল'বপৰা যায়।

তিনিদিন কাজিৰঙাত কটাই আমি ঘৰাঘৰি হ'লো। বিখ্যাত ফটোগ্ৰাফাৰসকলৰ সান্নিধ্যত ফটোগ্ৰাফীৰ বহু কথা শিকিলো। প্ৰত্যেক সন্ধিয়াই আমাৰ মাজত ফটোগ্ৰাফীৰ বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হয়। তেওঁলোকৰ বিভিন্ন অভিজ্ঞতা কথাৰ আমি অংশীদাৰ হোৱাৰ সুযোগ পালো। সেইবছৰতে North Eastern Photography Academy য়ে আয়োজন কৰা National Level Photo Compititionত অংশ লৈ কাজিৰঙাত তোলা মোৰ ছবি পুৰস্কৃত হ'ল। কাজিৰঙাত তোলা মোৰ কেইবাখনো ছবিয়ে ইতিমধ্যে আন্তৰ্জাতিক ক্ষেত্ৰত পুৰস্কৃত হৈছে। বৰ্তমান বহু উচ্চমানৰ কেমেৰা আৰু লেন্স বজাৰত পোৱা যায়। যথেষ্ট দামী এই কেমেৰাৰে বহু ভাল ছবি তুলিব পাৰি। সেইবাবেই বোধ হয় ফটোগ্ৰাফাৰসকল বাৰে বাৰে কাজিৰঙালৈ আহিবলৈ হেঁপাহ কৰে।

# ভাৰতীয় সংগীত আকাশৰ এটি ভোটাতৰা ঃ লতা মংগেশকাৰ

**ভূৱন জ্যোতি বৰুৱা**
কৰ্মচাৰী, ডি.হ.সু. কানৈ মহাবিদ্যালয়

ক'ৰবাত পঢ়িবলৈ পাইছিলোঁ বাক্যকেইশাৰী। "ভুপেনদাৰ জীৱনৰ এক ডাঙৰ ট্ৰেজেডি- যি গৰাকী নাৰীক ভুপেনদাই পত্নীৰূপে সামাজিক স্বীকৃতি দিলে, সেই গৰাকী নাৰীক আজীৱন নিজৰ কৰি ৰাখিব নোৱাৰিলে। আনহাতে যি গৰাকী নাৰী প্ৰায় চল্লিশ বছৰ ধৰি, ভুপেনদাৰ মৃত্যু পৰ্যন্ত একান্ত সহচৰ হৈ থাকিল সেইগৰাকী নাৰীক ভুপেনদাই তেওঁলোকৰ সম্বন্ধটোৰ এক সামাজিক স্বীকৃতি প্ৰদান কৰিব নোৱাৰিলে।"

"মই পুনৰ জনম নিবিচাৰো। যদি মোৰ পুনৰ জন্ম হয় তেন্তে সেই জীৱনকাল কিছু পৃথক হ'ব। মই আকৌ এবাৰ লতা মংগেশকাৰ হিচাপে জন্ম ল'বলৈ নিবিচাৰোঁ। "ভাৰতীয় সংগীত আকাশৰ এটি ভোটাতৰা, কোকিলকণ্ঠী গায়িকা, যাৰ যাদুকৰী কণ্ঠই আজিও বিমুগ্ধ কৰি ৰাখে কোটি কোটি জনতাক, যিগৰাকীক আজন্ম শিল্পী হিচাপে পাবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল অজস্ৰ অনুৰাগীয়ে; সেইগৰাকী কিংবদন্তী শিল্পী লতাজীয়ে মৃত্যুৰ পূৰ্বে প্ৰখ্যাত সংগীতজ্ঞ জাভেড আখতাৰৰ আগত দিয়া এক ব্যক্তিগত সাক্ষাৎকাৰত পুনৰ লতা মংগেশকাৰ হৈ জনম ল'বলৈ তীব্ৰ অনীহা প্ৰকাশ কৰিছিল। মনুষ্যৰ দ্বিতীয় জনম সম্ভৱ নহয় সেয়া এক অন্য প্ৰসংগ। কিন্তু মুখ খুলি নক'লেও সকলোৱে নিশ্চয় আশা কৰে মৃত্যুৰ পিছত পুনৰ এই সংসাৰলৈ আহিবলৈ। জীৱনৰ আধৰুৱাখিনি কিম্বা নোপোৱাখিনি পুনৰ আহৰণ কৰি পুনৰবাৰ জীৱন সজাবলৈ। বিষ্ণু প্ৰসাদ ৰাভাদেৱেও গীতৰ মাজেৰে ব্যক্ত কৰিছিল। পুনৰ জনমৰ ইচ্ছা। সেয়ে তেওঁ লিখিছিল- "পৰজনমৰ শুভ লগনত যদিহে আমাৰ হয় দেখা, পূৰাবানে প্ৰিয়ে এই জনমৰ মোৰ হিয়াৰ অপূৰ্ণ আশা?"

অথচ, দশক দশক জুৰি ভাৰতীয় নেপথ্য সংগীতৰ একচ্ছত্ৰী সম্ৰাজ্ঞীৰ আসনত অধিষ্ঠিত হৈ, কণ্ঠেৰে জগত জিনাৰ পাছতো এনে এক সফল প্ৰতিভাৰ গৰাকীয়ে পুনৰ লতা মংগেশকাৰ হৈ জনম লোৱাৰ ইচ্ছা প্ৰকাশ নকৰিলে। গীতেৰে জনতাক মোহাচ্ছন্ন কৰি ৰখাৰ গোটেই সময়ছোৱাত এই মহীয়সী গৰাকীয়ে হয়তো বুকুত বান্ধি লৈ ফুৰিছিল ট্ৰেজেডিৰ এক বিশাল পাহাৰ। এফালে সপ্তস্বৰত বন্দী হৈছিল তেওঁৰ কণ্ঠ আৰু আনফালে একাকীত্বত বন্দী হৈ পৰিছিল তেওঁৰ জীৱন। নহ'লেনো খ্যাতিৰ আকাশচুম্বী উচ্চতাত অৱতীৰ্ণ হোৱাৰ পাছতো কোনোবাই এনেদৰে নিজৰ অন্তিম ইচ্ছা ব্যক্ত কৰেনে?

নিজৰ গুণ-কৰ্মৰে জগত জিনাৰ পাছতো, মানুহ যে ট্ৰেজেডিৰ চিকাৰ হয়, ভুপেনদা আৰু লতাজীৰ কথাবোৰৰ পৰা জানো সেই কথাকে প্ৰতীয়মান হোৱা নাই?

১৯৮৯ চনত 'দাদাচাহেব ফাল্কে বঁটা' আৰু ২০০১ চনত ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন'ৰে

বিভূষিত হোৱা তাহানিৰ 'হেমা' আৰু পৰৱৰ্তী সময়ত 'লতা মংগেশকাৰ' নামেৰে সংগীত অনুৰাগীৰ হিয়াৰ আমঠু স্বৰূপ হৈ পৰা ভাৰতৰ নাইটিংগেল খ্যাত লতাজীৰ জন্ম হৈছিল ১৯২৯ চনৰ ২৮ ছেপ্টেম্বৰত, মধ্যপ্ৰদেশৰ ইন্দোৰ চহৰৰ এটি সংস্কৃতিবান পৰিয়ালত। দেউতাক পণ্ডিত দীননাথ মংগেশকাৰ আছিল এগৰাকী মঞ্চশিল্পী তথা গায়ক। ৫ বছৰ দেউতাকৰ লগত লতাজীয়ে শিশু অভিনেত্ৰীৰূপে মঞ্চত অভিনয় কৰিছিল। জন্মৰ সময়ত লতাজীৰ নাম ৰখা হৈছিল 'হেমা'। দেউতাক দীননাথজীয়ে 'ভাৱ বন্ধন' নামৰ নাটক এখনত কাম কৰিছিল আৰু সেই নাটকখনৰ এটা মহিলা চৰিত্ৰৰ নাম আছিল লতিকা। পিছলৈ লতাজীৰ পিতৃ-মাতৃয়ে তেওঁৰ নাম 'হেমা'ৰ পৰা 'লতা'লৈ সলনি কৰি দিয়ে। পৰৱৰ্তী সময়ত এই লতাই মৃত্যু পৰ্যন্ত ভাৰতীয় সংগীত জগতত নিজৰ আধিপত্য অক্ষুন্ন ৰাখি 'লতাজী' নামেৰে সকলো শ্ৰেণীৰ জনতাৰ নয়নৰ মণি হৈ পৰে। ১৯৪৭ চনত চিত্ৰ নিৰ্মাতা বসন্ত যোগলকাৰে তেওঁৰ 'আপকী সেৱা' নামৰ ছবিখনত লতাজীক এটা গীত গোৱাৰ সুযোগ দিয়ে। ১৯৪৯ চনত সেই সময়ত সবাতোকৈ জনপ্ৰিয় অভিনেত্ৰী মধুবালা অভিনীত 'মহল' কথাছবিখনৰ 'আয়েগা আনেৱালা' শীৰ্ষক গীতটোৱে লতাজীক আধিক চৰ্চালৈ আনে। তেনেকৈয়ে আৰম্ভণি। লতাজীয়ে আৰু পিছলৈ ঘূৰি চাব লগা নহ'ল। লতাজীৰ কণ্ঠত 'এ মেৰে ৱতন কে লোগো' শীৰ্ষক দেশপ্ৰেমমূলক গীতটি শুনি তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু ইমানেই আৱেগিক হৈ পৰিছিল যে নেহৰুজীৰ চকুলো নিগৰি আহিছিল।

এই গৰাকী মেলডী কুইনে প্ৰায় দুকুৰি ভাৰতীয় ভাষাৰ লগতে কেইবাটাও বিদেশী ভাষাৰ গীতত কণ্ঠদান কৰিছিল। এক হাজাৰৰো অধিক ভাৰতীয় ছবিত গীত গায় লতাজীয়ে ভাৰতীয় সংগীত জগতত এক অভূতপূৰ্ব ইতিহাস সৃষ্টি কৰি গ'ল। নকলেও হয়, অসমীয়া সংগীত জগততো লতাজীয়ে এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছিল। যেন লতাজীৰ কণ্ঠৰ মলয়াত জোনাকৰ ৰাতি সাৰ পায় উঠিছিল অসমৰ মাটি। আমাৰ অসমী আই লতাজীৰ কিমান প্ৰিয় আছিল তাৰ প্ৰমাণ, গোদাবৰী নৈ আৰু বহুতো।

ভাৰতীয় সংগীত জগতলৈ লতাজীয়ে আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে বিগত ২২ নৱেম্বৰ, ১৯৯৯ ৰ পৰা ২০০১ চনৰ ২১ নবেম্বৰলৈকে ভাৰতৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা মনোনীত হৈ ৰাজ্যসভাৰ সদস্যৰূপে সফলতাৰে কাৰ্যনিবাহ কৰিছিল।

ক্ৰিকেটাৰ তথা বি.চি.চি.আইৰ প্ৰাক্তন সভাপতি ৰাজ সিং ডুংগৰপুৰৰ স'তে লতা মংগেশকাৰৰ আছিল গভীৰ প্ৰণয়ৰ সম্পৰ্ক। কিন্তু এক পৰিয়ালকেন্দ্ৰিক কাৰণত ৰাজ সিং ডুংগৰপুৰৰ সতে লাতাজীৰ প্ৰণয়ৰ আনুষ্ঠানিকতা সম্ভৱ নহ'ল। যাৰ ফলত, মোহময়ী কণ্ঠেৰে অজস্ৰজনৰ হৃদয়ত প্ৰেমৰ গুণগুণনি তুলিবলৈ সক্ষম হোৱা লতাজী হৈ ৰ'ল। চিৰকুমাৰ হৈ থাকি গ'ল তেওঁৰ প্ৰেমাস্পদ ৰাজ সিং ডুংগৰপুৰ।

দেশ-বিদেশৰ শত-সহস্ৰ গুণমুগ্ধক শোকবিহ্বল কৰি ৯২ বছৰ বয়সত যোৱা ৬ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে এইগৰাকী কোকিলকণ্ঠীয়ে জীৱন নাটৰ যৱনিকা পেলায়। সুৰদী কণ্ঠ, চিৰযুগমীয়া গীতৰ সম্ভাৰেৰে অগণন শ্ৰোতা জনতাক শোকত ম্ৰিয়মান কৰি অজান মুলুকলৈ গুচি গ'ল সুৰ-সম্ৰাজ্ঞী। শাৰীৰিকভাৱে লতাজী আমাৰ মাজত নাথাকিলেও, তেওঁৰ গীতবোৰ যে, যুগ-যুগান্তৰলৈ প্ৰতিজন ভাৰতীয়ৰ হৃদয়ত সুৰৰ অমিয়া ঝংকাৰ তুলি থাকিবলৈ সক্ষম হ'ব, সেয়া ধ্ৰুৱসত্য।

# ত্ৰিমাত্ৰিক সপোন

## প্ৰয়াত শিক্ষক ড° শান্তনু সেনগুপ্তা ছাৰৰ পবিত্ৰ স্মৃতিত

**ৰূপজ্যোতি দুৱৰা**
প্ৰাক্তন ছাত্ৰ, ডিব্ৰুগড়

বিশ্ববিদ্যালয়ৰ শেষ দিন। তিনিজন বিজ্ঞানৰ বেলেগ বেলেগ বিভাগৰ ছাত্ৰই কথা পাতিছে। কথাৰ বিষয় —মোৰ ভবিষ্যতৰ সপোন।

প্ৰথম বন্ধুঃ মন কৰিছনে, চাৰিওফালে দুই নম্বৰী ফেকু মানুহৰ উৎপাতত উশাহ লব নোৱাৰা হৈছো চব মানুহ বৰ বেহুদা হৈ গ'ল। দুই নম্বৰী পইচা, মিছা প্ৰতিশ্ৰুতি, চিণ্ডিকেট, দালালি -এইবোৰেই এতিয়া মানুহ জোখাৰ মেইন হাথিয়াৰ হৈ গ'ল। বৰ লাজ লাগে। ড° চেতীয়া চাৰে ঠিকেই কৈছিল —বোলে লক্ষ্য ঠিক কৰিহে কেৰম বৰ্ড খেলিব লাগে। মই এতিয়া ভাবি ঠিক কৰিছোঁ— এটা গ্ৰহৰ সন্ধান কৰিম য'ত সচাঁ মানুহ হৈ জীয়াই থাকিব পাৰি—-এখন সুন্দৰ সমাজ, সুন্দৰ মনৰ মানুহেৰে ভৰি পৰিব। ভাল কৰ্ম সংস্কৃতি থাকিব, শিক্ষাৰ প্ৰকৃত মূল্যবোধ থাকিব। প্ৰদুষণ, দুৰ্নীতি এইবোৰ কেৱল অভিধানৰ পাতত একোটা শব্দ হৈ থাকি যাব।

দ্বিতীয় বন্ধুঃ (হঠাৎ উচুপি উঠিল) দোস্তী, মনৰ কথাবোৰ কৈ দিলি। চাছোন জীৱনত জানমনিক লৈ কিমান সপোন দেখিছিলো। মোৰেই থেচিছ মাৰি ফ'ৰেইনত লেভেল দি আহিল আৰু ঘণ্টা মোক চকু টিপ মাৰি সেই মাটিৰ দালাৰ টোৰ লগত বাইকত উঠি পলাল। মই ৰাস্তা বনোৱা ৰ'ড ৰলাৰ হৈ থাকি গলো। বহুত দুখ লাগে জান ।এতিয়া facebook-ত গধূলি গধূলি কাপোৰ বিক্ৰী কৰি মোক লাঠ মাৰি থকা যেন লাগে। পিছে দোস্তী মই কেৱল চাপৰি বজোৱা ভকত নহয়। সৰুতে এটা কবিতা পঢ়িছিলো বোলে —সাতোঁৰ সাতোঁৰ নিজ বাহু বলে, সাতুৰিব নোৱাৰিলে যা ৰসাতলে। ময়ো ঠিক কৰিছো মই পৃথিবীত এটা ভাইৰাছ মেলি দিম — দুধ কা দুধ, পানী কি পানী হৈ যাব —

(দুয়ো বন্ধুৱে মুখতে ধৰিলে)

দোস্তী জানমনিৰ বাবে তই পৃথিবীলৈ আকৌ এটা বিপদ চপাব খুজিছ! কৰনাই যি কৰিলে দেখিলিয়েই দেখোন। এজনী ছোৱালীয়ে গাড্ডাৰী কৰিলে বুলিয়েই পৃথিবী খনলৈ নতুন বিপদ আৰু নানিবি। ইমান বেয়া চিন্তা নকৰিবি অ। পাপে চুব। দহৰ ভালৰ বাবে ভালৰ বাবে কিবা এটা কৰছোন।

দ্বিতীয় বন্ধুঃ নহয় নহয় বাপু, কথাবোৰ নুবুজাকৈ comment নিদিবি। মোৰ সপোন কি জান মই এনেকোৱা এটা ভাইৰাছৰ গৱেষণা কৰিম যিটো মানুহৰ শৰীৰত প্ৰৱেশ কৰাৰ লগে লগে মানুহৰ মনৰ পৰা বেয়া চিন্তা, হিংসা এইবোৰ নাইকীয়া হ'ব। ইজনে সিজনক সহোদৰৰ দৰে ভাবিবলৈ ল'ব। যুদ্ধ, বিগ্ৰহ নাইকীয়া হ'ব। মাৰণাস্ত্ৰ বোৰ নাঙলৰ ফাল হ'ব। কোনো জানমনিয়ে প্ৰেমিকৰ থেচিছ চুৰ কৰি লেভেল নিদিব। প্ৰত্যেক দেশৰে প্ৰতিৰক্ষাৰ নামত থকা ধন অন্য উৎপাদনশীল কামত ব্যৱহাৰ কৰিব আৰু জানমনিয়ে ওৰণিখন টানি যেন চাহ একাপ লৈ মোৰ ওচৰলৈ

আহি ক'ব —হেৰা, গৱেষণাৰ কাম কিমান আগবাঢ়িছে - ভাইৰাছৰ প্ৰথম পৰীক্ষা মোৰ ওপৰতে কৰিবা দেই—

প্ৰথম বন্ধু ঃ বাহ দোষ্টী কি মহান চিন্তা আৰু সপোন। মিছা কলে কি হ' ব — মই আৱিস্কাৰ কৰা গ্ৰহ লৈ তোৰ ভাইৰাছে সলনি কৰা মানুহ খিনি মাজে মাজে যাব, সুন্দৰ প্ৰাকৃতিক পৰিবেশত বিচৰণ কৰি জীৱনটোক উপভোগ কৰিব। কোনো প্ৰতিযোগিতা নাই, সকলো একে —what a nice idea. দোষ্টী সেই যে দীপালি বৰঠাকুৰৰ গানটো "জোনবাইৰ দেশতে পাতিম গাঁও এখনি"। হাজাৰজনী জানমনীয়ে ক'ব - মোৰ মনৰ মানুহ জন ক'ত আছে। বাহ ভাবিয়েই কিবা ভাল লাগিছে দোষ্টী গৱেষণা আৰম্ভ কৰাৰ আগতে আহ -জন লেননৰ সেই বিখ্যাত গীতটো গাই লওঁ - । (দুয়ো Imagine গানটো গোৱাত লাগিল।)

(প্ৰথম বন্ধুৱে তৃতীয় বন্ধুক উদ্দেশ্য কৰি কলে — )

প্ৰথম বন্ধু ঃ দোষ্ট তই একো মাত মতা নাই যে, কি হ'ল ? আমি কিমান ডাঙৰ ডাঙৰ সপোন দেখিছোঁ, তই একো ভবা নাই নেকি ?

দ্বিতীয় বন্ধু ঃদোষ্টী ইয়াক কৈ লাভ নাই । ই কৃতি ছাত্ৰ, তাতে বিশ্ববিদ্যালয়ৰ কিমান সংগঠণৰ সৈতে জড়িত আছিল । ইয়াৰ Byte বোৰত কিমান T.V. চেনেল কপি গ'ল । আমি ইয়াক লেভেল দি লাভ নাই । তথাপি — দোষ্টী কছোন ! তোৰ কিজানি নতুন চিন্তা আছে, যিটোৰ ঢাৰে কাষৰে আমি যাব নোৱাৰিম । ক' দোষ্টী আৰু tension নিদিবি। তোৰ নতুন চিন্তাই হয়তো আমাকো নতুন কৈ ভবাৰ থল দিয়ে।

তৃতীয় বন্ধু ঃ মোৰ সপোন হ'ল —গুৱাহাটীৰ দিছপুৰৰ ওচৰে পাজৰে দুকঠা মাটি আৰু ধুনীয়া বিলাসী ঘৰ —— —— (দুয়ো বন্ধুৰ মাত হেৰাল। বহু সময় তৃতীয় বন্ধুৰ মুখলৈ চাই থাকিল। এজনে কোনোমতে সেপ ঢুকি কলে — বাকীখিনি ?)

ঘৰৰ চৌহদৰ বাহিৰত থাকিব মোৰ এটা মূৰ্তি আৰু এখন চান্দাৰ বহী ———

*ৰূপজ্যোতি দুৱৰা এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। ১৯৮০ চনত অৰ্থনীতিত সন্মান সহ উত্তীৰ্ণ হৈ আকাশবানী ডিব্ৰুগড় কেন্দ্ৰত কৰ্মজীৱন আৰম্ভ কৰে। তেখেত আকাশবানীৰ বহু প্ৰযোজনাৰ সৈতে জড়িত। ১৯৯৪ চনত Echoes From The Singing Valley নামৰ তথ্যালখ্যখনিৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰাৰ লগতেএই তথ্যালেখ্য খনি British Broadcasting Corporation ৰ পৰা প্ৰচাৰ হয়। ২০০৯ চনত জাৰ্মানীৰ ৰাষ্ট্ৰীয় অনাতাঁৰ সংস্থা Deutche walle ৰ সৈতে এক আন্তৰাষ্ট্ৰীয় প্ৰযোজনাত জড়িত।*

# মূল্যবোধ

**শিখামণি কোচ দেউৰী**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

মানুহ সামাজিক প্ৰাণী। মানুহে সমাজ পাতি বাস কৰে। সমাজখন সুচাৰুৰূপে চলিবলৈ হ'লে কিছুমান নীতি-নিয়ম, পৰম্পৰা থাকিবই লাগিব। ইয়াৰ ব্যক্তিক্ৰম হ'লেই সমাজখনত বিশৃঙ্খলতাৰ সৃষ্টি হোৱাটো স্বাভাৱিক। 'মূল্যবোধ' বুলি কওঁতে আমাৰ মনলৈ আহে - সংযম, শ্ৰদ্ধা, নম্ৰতা, অহিংসা, মানৱতাবোধ, সহানুভূতি, সহযোগিতা, চাফ-চিকুণতা, দেশপ্ৰেম, সামাজিক দায়িত্ববোধ, আধ্যাত্মিকতা, নৈতিকতাবোধ ইত্যাদি। এই গুণবোৰ যেতিয়া আমি এজন ব্যক্তিৰ গাত ফুটি উঠা দেখা পাওঁ তেতিয়াই আমি কৈ উঠো - 'ব্যক্তিজন বৰ সংস্কাৰী'।

সৰুকালত শুনিছিলো, 'ল'ৰা-ছোৱালীৰ প্ৰথম পঢ়াশালি হৈছে ঘৰখন'। এতিয়া প্ৰতি মুহূৰ্ত্তত উক্ত কথাষাৰ এশ শতাংশ সত্য বুলি ক'ব পৰাকৈ বয়সে লগ দিছে। কৰ্মত নিজেও এগৰাকী শিক্ষয়িত্ৰী। বছৰি ন-ন ছাত্ৰ-ছাত্ৰীৰ লগত পৰিচয় ঘটে। শ্ৰেণী কোঠাৰ মাজতে হওক বা শ্ৰেণী কোঠাৰ বাহিৰৰ মহাবিদ্যালয়ৰ চৌহদতে হওক দৈনন্দিন ছাত্ৰ-ছাত্ৰীৰ লগত মিলা-মিচা হৈ থাকে। বহু ছাত্ৰ-ছাত্ৰী আছে যিসকলে কেৱল নিজৰ বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰীসকলকহে গুৰুত্ব বা সন্মান দিয়ে। বাকী শিক্ষক-শিক্ষয়িত্ৰীসকলক পোনপটীয়াকৈ শ্ৰেণী কোঠাৰ মাজত নোপোৱা বাবে হয়তু তেওঁলোকৰ বাবে সেই শিক্ষক-শিক্ষয়িত্ৰীসকল অচিনাকী হৈ পৰে। সেয়ে তেনে একাংশ ছাত্ৰ-ছাত্ৰীয়ে সেই শিক্ষক-শিক্ষয়িত্ৰীসকলক শ্ৰদ্ধা বা সন্মান জনোৱাৰ বিষয়টো গুৰুত্ব দিবলগা বিষয় বুলি হয়তু নাভাবে। ইয়াৰ বিপৰীতে আমি যেতিয়া শিক্ষা গ্ৰহণ কৰিছিলো তেতিয়া আমি প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীকে শ্ৰদ্ধা বা সন্মান প্ৰদৰ্শন কৰিছিলো। শ্ৰেণীত পাঠদান নকৰিলেও তেওঁলোক প্ৰতিজনক চিনি পাইছিলো। ইয়াৰ মূলতে আছিল সেইসময়ৰ আমাৰ ঘৰ আৰু পৰিৱেশ।

আজিৰ পৰা ২৫-৩০ বছৰৰ আগৰ আমাৰ সময়ত ঘৰবোৰত যৌথ পৰিয়াল আছিল, য'ত মা-দেউতা, ককাই-ভাই, বাই-ভনী থকাৰ উপৰিও দদাইদেউ, পেহী, বৰদেউতা, ককা-আইতা আদি মিলি একেলগে বাস কৰিছিল। ইয়াৰ উপৰিও বিভিন্ন উৎসৱ-পাৰ্বনত ঘৰলৈ ফুৰিবলৈ অহা পৰিয়ালৰ বিভিন্ন আত্মীয়-কুটুম সকলো একপ্ৰকাৰ ঘৰৰ সদস্যৰ দৰেই হৈ পৰিছিল। কাৰণ ফুৰিবলৈ অহা তেওঁলোকৰ মাজতে কেতিয়াবা দুই-এগৰাকীয়ে সপ্তাহ, মাহ জুৰিও ঘৰখনত ৰৈ গৈছিল। এনে এটা পৰিৱেশত ঘৰত থকা কনিষ্ঠসকলে জেষ্ঠসকলক মান-সন্মান, শ্ৰদ্ধা, সহায়-সহযোগিতা, সমতা, নম্ৰতা আদি জীৱনৰ মূল্যবোধবোৰ আয়ত্ব কৰাৰ সুযোগ পাইছিল। ঘৰখনত ডাঙৰে সৰুক বেয়া এটা দেখাৰ লগে লগে শাসন কৰিছিল। কেতিয়াবা

কেতিয়াবা দোষী সাব্যস্ত হ'লে শাস্তি ভোগ কৰিবলগাও হৈছিল। আমাৰ ঘৰখনত সেই শাস্তিবোৰৰ ভিতৰত নিশাৰ ভাত-সাজ পূৰ্ব দিনৰ সময়তকৈ পলমকৈ দিছিল, কেতিয়াবা পূৰণ নেওতাখন ১ৰ পৰা ১০ বা ২০ ঘৰলৈকে মুখস্থ দিবলগা হৈছিল ইত্যাদি। এনেধৰণৰ শাস্তিৰ ভয়ত কিবা এটা কৰাৰ আগত ক্ষন্তেকৰ কাৰণে হ'লেও আমি অকণমান চিন্তা কৰিহে আগবাঢ়িছিলো। 'ভয়েই ভক্তি' বুলি কোৱা কথাষাৰৰ সাৰমৰ্ম আজি ভালদৰে উপলব্ধি কৰিব পাৰিছো।

বৰ্তমান সময় দ্ৰুতগতিত সলনি হ'বলৈ লৈছে। কথাতে কয়, 'সেই ৰামো নাই, অযোধ্যাও নাই'। আজিৰ নৱ-প্ৰজন্মই আমি পাই অহা সেই ঘৰ বা পঢ়াশালি আদিৰ পৰিৱেশ খুব কমজনেহে পাইছে। কাৰণ বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ দ্ৰুত অগ্ৰগতিয়ে সমাজৰ প্ৰত্যেক মানুহৰ জীৱনলৈ অভাৱনীয় পৰিৱৰ্তন আনিছে। মানুহৰ মন, মানসিকতাও যেন সলনি হৈছে। আমি প্ৰাথমিক বিদ্যালয়ত পঢ়া সময়ত শ্ৰেণীত শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক পাঠ লোৱাৰ মাজতে কিবা প্ৰশ্ন সুধিলে নোৱাৰিলে ঘৰত পঢ়ি আহি পিছদিনা শুদ্ধ উত্তৰ দিবৰ বাবে সুযোগ দিছিল। তেতিয়াও নোৱাৰিলে পাঠটো শ্ৰেণীটো চলি থকা সময়ত তিনি-চাৰিবাৰ পঢ়িবলৈ দিছিল। প্ৰয়োজন হ'লে হাতৰ কাষত দীঘল চেকনি এপাটো থৈছিল। কোব খোৱাৰ ভয়ত হওক বা লগৰীয়াসকলৰ আগত লাজ পোৱাৰ কাৰণতে হওক আমিও পোন বাট ল'বলৈ বাধ্য হৈছিলো। কিন্তু আজিকালি এনে দৃশ্য হয়তু খুব কমহে দেখিবলৈ পোৱা যায়। সেই সময়ত প্ৰত্যেক মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীক বিদ্যালয়ত থকা সময়খিনিত তেওঁলোকে শিক্ষক-শিক্ষয়িত্ৰীৰ ওপৰতে দায়িত্ব অৰ্পণ কৰিছিল। ঘৰলৈ আহি সন্তানে মাক-দেউতাকৰ আগত কিবা ওজৰ-আপত্তি দৰ্শালেও পিতৃ-মাতৃয়ে দৈনন্দিন কামৰ হেঁচাত কোনো ধৰণৰ বিশেষ গুৰুত্ব হয়তো দিয়া নাছিল। গুৰুত্ব দিলেও হয়তু কৈ উঠিছিল -"বেয়া বা দুষ্ট কৰিলে শিক্ষক-শিক্ষয়িত্ৰীয়ে শাস্তি দিবই"। গতিকে সেই ওজৰ-আপত্তি তাতেই শেষ হৈছিল। এনেবোৰ কাৰণতে সেই সময়ৰ ছাত্ৰ-ছাত্ৰীয়ে ঘৰ আৰু পঢ়াশালিতেই নীতি শিক্ষা বা জ্ঞান অৰ্জন কৰাৰ সুযোগ পাইছিল বুলি ক'লেও অত্যুক্তি নহ'ব।

বৰ্তমান যুগ বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগ। দেশৰ সকলো দিশতে পৰিৱৰ্তন হোৱাৰ দৰে অৰ্থনৈতিক দিশটো পৰিৱৰ্তন ঘটিছে। পূৰ্বৰ তুলনাত বৰ্তমান সময়ত প্ৰয়োজনীয় সকলো সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱা বাবে সমাজৰ প্ৰতিজন লোকেই অৰ্থ সংগ্ৰহৰ বাবে উঠি পৰি লাগিবলগা হৈছে। ফলস্বৰূপে পূৰ্বৰ তুলনাত বৰ্তমান সমাজৰ প্ৰায় সংখ্যক লোক অৰ্থনৈতিক দিশত স্বচ্ছল হৈ উঠিছে। পৰিয়ালটোৰ সদস্যসকলক ভালদৰে ৰক্ষণাবেক্ষণ দিবৰ বাবে কেৱল পিতৃজনেই নহয়, মাতৃ গৰাকীয়েও নিজৰ যোগ্যতা বা সামৰ্থ অনুসৰি অৰ্থ আয় কৰিবৰ বাবে ঘৰৰ বাহিৰৰ জগতখনলৈ যাবলগা হৈছে। পৰিণতিত সমাজৰ প্ৰতিজন লোক নিজক লৈ ব্যস্ত হ'বৰ কাৰণে বাধ্য হৈ পৰিছে। উল্লেখযোগ্য, বৰ্তমান সমাজৰ সকলো দিশে প্ৰতিযোগিতাই আগুৰি ধৰিছে। এই প্ৰতিযোগিতাৰ মাজত নিজৰ স্থিতি সবল কৰিবলৈ মানুহে উঠি-পৰি লাগিবলগা হৈছে। যাৰ ফলত মানুহ ব্যক্তিকেন্দ্ৰিক হৈ পৰা সততে পৰিলক্ষিত হয়। বৰ্তমান সমাজত পূৰ্বৰ যৌথ পৰিয়ালৰ ঠাই ল'লে একক পৰিয়ালে। লাহে-লাহে পূৰ্বৰ তুলনাত বৰ্তমান মানুহৰ মনত স্বাৰ্থপৰ মনোভাৱেও খুপনি পুতি ল'লে। পূৰ্বৰ তুলনাত আজিকালি মানুহৰ মনৰ ভিতৰত থকা দয়া, মৰম, শ্ৰদ্ধা, সমতা, মানৱতা আদি মানৱীয় প্ৰমূল্যবোধবোৰ যেন ক্ৰমান্বয়ে হ্ৰাস পাবলৈ লৈছে। ভালদৰে লক্ষ্য কৰিলে আজিৰ প্ৰজন্মৰ প্ৰায় সংখ্যকৰে ক্ষেত্ৰত মান, অভিমান, খং, ক্ষোভ এই গুণবোৰ সততে পৰিলক্ষিত হয়। পৰিণতিত তেনে এচাম নৱ প্ৰজন্মৰ ক্ষেত্ৰত নেতিবাচক ফলাফল ভোগ কৰিবলগা পৰিস্থিতিও উদ্ভৱ হৈছে। ইয়াৰ সমাধান আমাক কোনে দিব ? উল্লিখিত সমস্যাৰ সমাধান হিচাবে ক'ব পাৰি, পিতৃ-মাতৃ বা অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলেই নৈতিক শিক্ষা প্ৰদানেৰে আজি উঠি অহা প্ৰজন্মৰ ভৱিষ্যত পোহৰাবলৈ আমি চেষ্টা কৰিব লাগিব।

উল্লিখিত এনে বহু কাৰণত ঘৰৰ ভিতৰত থাকি নিজৰ সন্তানক যিখিনি সময় দিব লাগিছিল, সেইখিনি নিৰ্দ্ধাৰিত সময়ৰ বাবে লগ পোৱা নিজৰ সন্তানক ভাল-বেয়া, উচিত-অনুচিত, ভুল-শুদ্ধ আদি বিচাৰ-বিশ্লেষণ কৰি নৈতিক শিক্ষা দিয়াৰ এটা সুস্থিৰ পৰিৱেশ দিবলৈ হয়তু আমি অপাৰগ হৈছো। এনেবোৰ কাৰণতে সন্তানৰ মোহত আৱদ্ধ হৈ সিহঁতৰ দোষবোৰ দেখিলেও আমি যেন অৱজ্ঞা কৰিছো। ফলস্বৰূপে বিদ্যালয়, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই কেতিয়াবা কোনোবা ছাত্ৰ-ছাত্ৰীৰ কিছুমান দিশত বিসংগতি দেখিলে অভিভাৱকসকলক

মাতি লৈ কিবা এষাৰ ক'ব বিচাৰিলে আমাৰ মাজৰ কোনোবা অভিভাৱকে হয়তু নিজৰ সন্তানৰ মোহত আৱদ্ধ হৈ নিৰপেক্ষ বিচাৰ বিশ্লেষণ নকৰি শিক্ষক-শিক্ষয়িত্ৰী বা কৰ্তৃপক্ষকে দোষাৰোপ কৰিবলৈকো কুণ্ঠাবোধ নকৰে। ইয়াৰ পৰিণতিত এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে নিজক সংশোধন কৰাৰ সুযোগ পায়ো হেৰুৱাই পেলোৱাৰ উদাহৰণ আমাৰ সমাজত বিচাৰিলে হয়তু নিশ্চয় কম নহ'ব।

মূল্যবোধ যে, এটা পৰিয়াল বা পৰিৰেশৰ যোগেদিয়ে গঢ় লৈ উঠে সেই বিষয়ে বৰ্তমান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত মই শিক্ষয়িত্ৰী কৰাৰ ১৫ বছৰৰ মোৰ অভিজ্ঞতা এটা আগবঢ়াবলৈ বিচাৰিছো। মোৰ অভিজ্ঞতাৰ পৰা ক'ব খুজিছো মানুহে ভাল অভ্যাস বা মূল্যবোধ একেদিনাই হয়তু কোনেও আয়ত্ব কৰিব নোৱাৰে। শিশু অৱস্থাৰ পৰাই আমি সেই গুণৰাশি আয়ত্ব কৰিবলৈ পঢ়াশালি স্বৰূপ প্ৰথম ঘৰখনৰ পৰাই হয়তু পাব লাগিব, তেতিয়াহে ঘৰৰ বাহিৰৰ যিকোনো অনুষ্ঠান বা প্ৰতিষ্ঠানত বিভিন্ন মাধ্যমেৰে সেই গুণৰাশি বিকশিত হৈ উঠিব।

সেইদিনা আছিল ১৭ আগষ্ট ২০২২ বৰ্ষ। হনুমানবক্স কানৈৰ চাৰিগৰাকী নাতি ড° প্ৰমোদ কানৈ, নন্দ কিশোৰ কানৈ, ৰাজীৱ কানৈ আৰু দীনেশ কানৈ - এওঁলোক চাৰিওজন কলকাতাৰ পৰা আহি মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিছিল। সেইসময়ত মই নিজৰ দিনটোৰ কাৰ্যাৱলী সামৰি ঘৰমুৱা হ'বৰ বাবে কলেজৰ বাৰাণ্ডাত থিয় হৈছিলো। তেনেকুৱাতে কোনোবা এজন লোকে নাতিদূৰৈৰ পৰা কোৱা শুনিছিলো - 'Excuse me Madam' মই ইফালে-সিফালে চাওঁতে কোৱাজনে অলপ আগবাঢ়ি আহি ক'লে, "আপোনাকে কৈছো"। উল্লেখযোগ্য, তেওঁলোকে তিনিটা ভাষা প্ৰয়োগ কৰিছিল - হিন্দী, বাংলা আৰু ইংৰাজী। তেওঁলোকে নিজৰ সুবিধা অনুসৰি উল্লিখিত তিনিটা ভাষাত কোৱা কথাখিনি মই অসমীয়া ভাঙনি কৰিলো - "আমি অসমীয়া ভালদৰে বুজি পাওঁ, কিন্তু বহু বছৰ অসমৰ বাহিৰত থকা বাবে ভালদৰে অসমীয়াত কথা ক'বলৈ অলপ অসুবিধা হয়।" এই কথাখিনি তেওঁলোকে অলপ আক্ষেপ কৰি কোৱা যেন লাগিল। তাৰ পিছত তেওঁলোকে মোৰ পৰিচয় জানিব বিচাৰিলে। মই মোৰ পৰিচয় দিলো। তেতিয়া তেওঁলোকে বিনম্ৰতাৰে ক'লে, "মেডাম, আপুনি যদি বেয়া নাপায় আপুনি আমাক অলপ সহায় কৰিব পাৰিব নেকি ?" মই ক'লো, "কওকচোন।" তেতিয়া তেওঁলোকে ক'লে, "আমি কানৈ পৰিয়ালৰ হয়। আমি চাৰিওজন কানৈৰ নাতি হওঁ। সেই সূত্ৰে আমি কলেজখন চাবলৈ আহিলো আৰু ইয়াৰ প্ৰিঞ্চিপাল ছাৰক এবাৰ লগ কৰি যাওঁ বুলি ভাবিলো। কিন্তু ইমান বহল, ডাঙৰ কলেজখনৰ কোনফালে কেনেকৈ প্ৰিঞ্চিপাল ছাৰক গৈ লগ পাম আমি ধৰিব পৰা নাই। সেয়ে আপুনি আমাক প্ৰিঞ্চিপাল ছাৰক লগ কৰাই দিয়কচোন"। মই তেতিয়া আটাই কেইজন ভদ্ৰ লোকক লক্ষ্য কৰি দেখিলো তেওঁলোক আটাইকেইজন আনুমানিক ৫৫/৬০ বছৰ বয়সৰ উৰ্দ্ধৰ ব্যক্তি। সেয়ে মই তেওঁলোকৰ কষ্ট অকণমান লাঘৱ কৰাৰ উদ্দেশ্যে ক'লো - "আপোনালোক চিৰিৰ কাষতে থাকক, মই ওপৰলৈ গৈ ছাৰ আছে নে নাই চাই আহোঁগৈ। যদিহে নাই, আপোনালোকৰ চিৰি উঠা-নমা কৰোঁতে কষ্ট হ'ব।" তেতিয়া তেওঁলোকে কৈ উঠিল - "লগ নাপালে বৰ বেয়া লাগিব। তেখেতক লগ পাম বুলি বৰ আশাৰে আহিছিলো। এটা কথা আমাৰ ভুল হ'ল, আমি তেখেতৰ 'এপইন্টমেণ্ট' ল'বলৈ নহ'ল।" মই তেতিয়া ক'লো, "আপোনালোকে চিন্তা নকৰিব, ছাৰ প্ৰায়ে এইখিনি সময়ত কলেজত থাকে। কেতিয়াবা জৰুৰী কিবা কাম থাকিলেহে ওলাই যায়।" এইবুলি কৈয়েই মই চিৰি বগাই ছাৰ আছে নে নাই চাবলৈ গ'লো। ছাৰ সঁচাকৈয়ে সেইদিনা কিবা এখন মিটিঙৰ মাজত আছিল। মই ছাৰৰ ওচৰলৈ গৈ কথাখিনি ক'লো, ছাৰে কথাখিনি শুনি লৈ তেওঁলোকক ওপৰলৈ আনি অতিথি কক্ষত বহুৱাবলৈ মোক ক'লে। মই তেওঁলোকৰ ওচৰ পালোগৈ। "ছাৰ আছে, আপোনালোক আহক" বুলি কোৱাৰ লগে লগে আটাইকেইজন উৎসাহিত হৈ উঠিল, তাৰ পিছত মোক আচৰিত কৰি চিৰিত ভৰি দিয়াৰ আগতে তেওঁলোকে সুধিলে, "মেডাম জোতা খুলি যাব লাগিব নেকি ?" এই প্ৰশ্নটো মোৰ কাৰণে একেবাৰে অভাৱনীয় আছিল। মই আচৰিত হৈ তেওঁলোকৰ মুখলৈ চাই ক'লো - "নালাগে আহক।" তেওঁলোক চাৰিওজন ওপৰলৈ উঠি আহিল। ছাৰৰ কক্ষ পোৱাৰ আগতে পৰ্দা থকা কক্ষটোত সোমোৱাৰ আগত পুনৰ সেই একেই প্ৰশ্ন, "মেডাম জোতা খুলিব লাগিব নেকি ?" মইও প্ৰথমবাৰৰ দৰে সেই একেই উত্তৰ দিলো, "নালাগে আহক"। তাৰ পিছত তেওঁলোক ভিতৰত গৈ পোৱাৰ লগে

লগে অধ্যক্ষ মহোদয়ে অতিথি কেইজনক বহিবলৈ দিলে। ইয়াৰ পিছত মই যেতিয়া তেওঁলোকৰ পৰা বিদায় ল'বলৈ গৈছিলো তেতিয়া তেওঁলোকৰ ব্যৱহাৰত মই আচৰিত হৈ পৰিছিলো। মই বিদায় লৈ চাৰিওজনক নমস্কাৰ দিওঁতে আটাইকেইজনে বহাৰ পৰা উঠি প্ৰতি নমস্কাৰ জনাইছিল। মোৰ বাবে এই দৃশ্য অভাৱনীয় আছিল। তেওঁলোকৰ কাষৰ পৰা আঁতৰি আহি থাকোতে ভাবিছিলো, মোৰ জীৱনকালত মই বহু লোকক লগ পাইছো, কিন্তু ইমান নম্ৰ, বিনয়ী তথাকথিত ভদ্ৰ লোক আজিলৈকে পোৱা নাই। এই চাৰিওজন ব্যক্তিক লগ পাই মই ধন্য হ'লো। 'তথাকথিত ভদ্ৰলোক' আৰু ডাঙৰ মানুহৰ প্ৰকৃত সংজ্ঞা মই সেইদিনা পাবলৈ সক্ষম হ'লো।

সামৰণিত, উল্লিখিত নমস্য চাৰিওজন ব্যক্তিৰ আদৰ্শৰে আমি যদি আমাৰ ল'ৰা-ছোৱালী, ছাত্ৰ-ছাত্ৰী আৰু নৱ প্ৰজন্মক প্ৰকৃত মানুহ হোৱাৰ জ্ঞান দিব পাৰো তেন্তে নিশ্চয় আমাৰ ল'ৰা-ছোৱালী, ছাত্ৰ-ছাত্ৰী আৰু নৱ প্ৰজন্ম নিজ নিজ গুণেৰে পৃথিৱীত জিলিকি থাকিব বুলি দৃঢ়তাৰে ক'ব পাৰিম।

# এজন লেখকৰ দায়বদ্ধতা

**ড° মনমী বৰুৱা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

সাহিত্যক সৰ্বতোপ্ৰকাৰে সৌন্দৰ্যশালী কৰি তোলে লেখকে। লেখকৰ কলমৰ ওপৰতেই নিৰ্ভৰ কৰে সাহিত্যৰ সৌন্দৰ্য। সৃষ্টিশীল লেখকৰ মূল প্ৰৱণতা জীৱনমুখী হ'ব লাগে। জীৱনৰ না না অভিজ্ঞতা, পাৰিপাৰ্শ্বিকতা আৰু সময়ক নিজস্ব ধৰণেৰে উপস্থাপনৰ প্ৰচেষ্টা, প্ৰতিজন লেখকৰেই থকা প্ৰয়োজনীয়। কিন্তু এই উপস্থাপন কল্পনাৰ সহায়ত কলাসুলভ হ'ব লাগিব। তদুপৰি লেখকৰ সাহিত্যিক চেতনা কেতিয়াও সমাজৰ পৰা বিছিন্ন নহয়। সমাজ বিছিন্ন হৈ লেখকে সৃষ্টি কৰা সাহিত্যই কেতিয়াও পাঠককো আপ্লুত কৰিব নোৱাৰে। ব্ৰিয়ান এলডিছে (Brian Aldies) কৈছিল ঃ

"There are two types of writers: those who make you think and those who make you dream"

কিয়নো প্ৰতিটো লেখাৰ মাজত পাঠকে নিজক সন্ধান কৰে। সেয়েহে লেখকে নিজকে জনপ্ৰিয় লেখক ৰূপে প্ৰতিষ্ঠা কৰিবলৈ কছৰৎ কৰাৰ সলনি নিজস্ব ভাৱনাৰে,আবেগেৰে পাঠকৰ হৃদয় স্পৰ্শ কৰাৰ প্ৰতিহে লক্ষ্য কৰিব লাগে। তদুপৰি লেখকে যি সৃষ্টি কৰে সেইয়া নিজৰ সন্তানৰ দৰে, সন্তানক যিদৰে লালন-পালন কৰে সেইদৰে নিজৰ সৃষ্টিকো লালন-পালন কৰিব লাগিব। ৰ'লা বাৰ্থছে (Roland Barthes) 'The Death of Author' শীৰ্ষক ৰচনাত কৈছে যে , এজন লেখকৰ জীৱন, জগত,সমাজ ইত্যাদি সম্পৰ্কে যি ধাৰণা,সেইয়া প্ৰতিজন ব্যক্তিৰ ধাৰণা নহবও পাৰে।গতিকে কোনো লেখাৰ ওপৰত লেখকৰ একছেটিয়া কৰ্তৃত্ব নচলে। আনহাতে, পাঠকৰ অস্তিত্বক স্বীকৃতি দিবলৈও আৰম্ভ কৰে,তেতিয়া লেখকৰ আধিপত্য অৰ্থাৎ মৃত্যু নিশ্চিত।

লেখকৰ নিজস্ব ভাৱনা আৰু চিন্তাৰ প্ৰতি অপৰিসীম আস্থা থাকিব লাগিব। এই আস্থাই লেখকক শক্তিশালী কৰি তুলিব।এজন লেখক আৱেগৰ ঢৌত উটি -ভাঁহি যোৱাৰ পৰিৱৰ্তে আৱেগক সংযত ৰূপত উপস্থাপন কৰিলে, সৃষ্টিশীল ৰচনা উৎকৃষ্ট হোৱাৰ যোগ্য। অথচ আমি জানো যে মানুহ মাত্ৰেই এখন ভাৱনাৰ জগতৰ অধিকাৰী। লেখকৰ এই ভাৱনাৰ জগত অধিক সংবেদনশীল। কিন্তু লেখকে যদি ভাৱনাৰ জগত পৰিত্যাগ কৰি ব্যৱহাৰিক জগতৰ চাহিদাৰ দিশলৈ মন মেলে, তেতিয়াই লেখকৰ ভাৱনাৰ মৃত্যু ঘটিব। কিয়নো লেখকে ব্যৱহাৰিক জীৱনৰ মোহত আনৰ কণ্ঠেৰে কথা ক'বলৈ আৰম্ভ কৰিব। যিহেতু লেখক এজন সাধাৰণ মানুহ, সাধাৰণ মানুহৰ দৰে তেওঁৰো সুখ-দুখ, লোভ-মোহ থাকিব। কিন্তু লেখকে নিজকে ব্যৱহাৰিক জগতৰ মোহৰ পৰা মুক্ত কৰাৰ কৌশল আয়ত্ব কৰিব লাগিব।

ব্ৰাজিলৰ বিখ্যাত সাহিত্যিক পাওলো কোয়েলহোই লেখক সম্পৰ্কে বিভিন্ন আলোচনা কৰিছে আৰু লেখকৰ

বৈশিষ্ট্যসমূহো উল্লেখ কৰিছে। কোয়েলহোৰ "The Alchemist" গ্ৰন্থখনে বিশ্বজুৰি জনপ্ৰিয়তা লাভ কৰিছে আৰু বিশ্বৰ প্ৰায় ৮০ টা ভাষালৈও অনূদিত হৈছে। কোয়েলহোৰ মতে এজন উৎকৃষ্ট লেখকে সততে গুৰুত্ব দিবলগীয়া দিশসমূহ এনেধৰণৰঃ

(ক) লেখকৰ পাঠক সমাজৰ ওপৰত থাকিব লাগিব অপৰিসীম বিশ্বাস। (খ) নিজৰ আৰ্জিত অভিজ্ঞতা লিখনিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব লাগিব। (গ) সমালোচনাৰ চোকা প্ৰহাৰ সহ্য কৰাৰ মানসিকতা থাকিব লাগিব। নিজৰ লিখনিৰ মাজত অতিৰিক্ত গৱেষণা পৰিহাৰ কৰা উচিত । (ঘ) কিমান লিখাৰ প্ৰয়োজন আৰু কিদৰে লিখা হ'ব তাৰ সঠিক পৰিকল্পনা কৰা উচিত। (ঙ) লিখাৰ ধৰণ,কথনশৈলীত পৰিৱৰ্তন অনাৰ প্ৰচেষ্টা পৰিহাৰ কৰা আৰু কেৱল এজন যাদুকৰৰ দৰে লিখি যোৱা উচিত। (চ) ব্যৰ্থ হোৱাৰ ভয় মনৰপৰা পৰিত্যাগ কৰা উচিত।

কোয়েলহোৰ মতে এজন লেখকে লিখনি যুগুত কৰাৰ সময়ত উল্লিখিত দিশসমূহৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাটো প্ৰয়োজনীয়। তদুপৰি এইখিনিতে মনকৰিবলগীয়া আন এটা দিশ হ'ল- এজন লেখক প্ৰথমে এজন খুব ভাল পঢ়ুৱৈ হোৱা উচিত। যেতিয়া অপৰ্যাপ্ত পৰিমাণৰ অধ্যয়ন নকৰে, তেতিয়ালৈকে লেখকে নিজৰ দক্ষতা আৰু ক্ৰুটিবোৰ উদ্ধাৰ কৰিব নোৱাৰে।জৰ্জ অৰৱেলে "Why I write" শীৰ্ষক গ্ৰন্থত তেওঁৰ নিজস্ব লেখন-শৈলী বিষয়ে ক'বলৈ গৈ কৈছে যে লেখাৰ ক্ষেত্ৰত তেওঁ বিশেষকৈ চাৰিটা দিশক গুৰুত্ব প্ৰদান কৰিছে ঃ

(১) Sheer egoism (আত্মচিন্তাৰ প্ৰাধান্য)
(২) Aesthetic enthussiasm(নান্দনিক উদ্যম)
(৩) Historical impulse (ঐতিহাসিক প্ৰবৃত্তি)
(৪) Political purpose(ৰাজনৈতিক অভিপ্ৰায়)

এইজনা জৰ্জ অৰৱেলেই লেখনশৈলীৰ ক্ষেত্ৰত লেখকৰ দায়ৱদ্ধতা সম্পৰ্কে প্ৰথম প্ৰশ্ন উত্থাপন কৰিছিল। লেখক সমাজৰ অংগস্বৰূপ। সেইবাবে লেখকৰ সামাজিক দায়ৱদ্ধতা থকাটো একান্তই প্ৰয়োজনীয়। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে লেখকৰ দায়ৱদ্ধতাও সলনি হৈ থাকে। লেখকে নিজৰ লিখনিৰ মাজেদি এই দায়ৱদ্ধতা পালন কৰাত অগ্ৰসৰ হয়। এজন মহান লেখকে সদায় সাধাৰণ মানুহৰ দুখ-দাৰিদ্ৰ্য, সংবেদনশীলতা, প্ৰেম, হিংসা আদিৰ চিত্ৰণ কৰাৰ লগতে মানৱ প্ৰেম আৰু শান্তিৰ বাবে নিজৰ সমগ্ৰ শক্তি লেখাৰ মাজেদি প্ৰকাশ কৰে। দেশ আৰু দহৰ সংকটৰ সময়ত তথা মানুহৰ ওপৰত চলা শোষণ-নীতিৰ বিৰুদ্ধে লেখকৰ কলমৰ কাপেদি প্ৰকাশিত বিষোদ্গাৰে পাঠকৰ অন্তৰ স্পৰ্শ কৰাৰ উপৰি পাঠকক সচেতন কৰি তোলে। আফ্ৰিকাৰ বিখ্যাত সাহিত্যিক গৰ্ডিমাৰৰ লেখাৰ মাজত প্ৰকাশিত তীব্ৰ সমাজচেতনাই তেওঁৰ লেখক হিচাপে থকা দায়ৱদ্ধতাৰ কথাই প্ৰকাশ কৰে। গৰ্ডিমাৰে নিজৰ লেখাৰ জৰিয়তে দক্ষিণ আফ্ৰিকাৰ অবৰ্ণনীয় বৰ্ণ বৈষম্যৰ প্ৰতি বিষোদ্গাৰ প্ৰকাশ কৰিছিল। গৰ্ডিমাৰে যেতিয়া দক্ষিণ আফ্ৰিকাত সাহিত্য-চৰ্চা কৰিবলৈ আৰম্ভ কৰিছিল তেতিয়া শ্বেতাংগ আৰু অশ্বেতাংগ মানুহৰ মাজত বিভাজন বজাই ৰখা প্ৰথা, অৰ্থাৎ "অ্যাপৰৰটেইট" প্ৰথা প্ৰচলিত হৈ আছিল। তথাপিও গৰ্ডিমাৰৰ সাহসী কণ্ঠ ৰুদ্ধ হোৱা নাছিল।গৰ্ডিমাৰে তেওঁৰ প্ৰথম উপন্যাস "এৱৰ্ড অব্ ষ্টেনজাৰ্হৰ"ত এই প্ৰথাৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। গৰ্ডিমাৰৰ এই সাহস আৰু মুক্ত কণ্ঠৰ বাবে নেলছন মেণ্ডেলাই সুদীৰ্ঘ বন্দিত্বৰ পিছত মুক্ত হৈ প্ৰথমে চাব খোজা ব্যক্তি আছিল গৰ্ডিমাৰ। প্ৰতিটো যুগতে, প্ৰতিখন দেশতেই সামাজিক দায়ৱদ্ধতাৰ খাতিৰত লেখকৰ সাহসী কণ্ঠই মাত মাতি আহিছে। লেখকৰ কণ্ঠত যেতিয়া এনেবিলাক বিষয়ে প্ৰাণ পাই উঠে তেতিয়া শাসক শ্ৰেণীয়েও স্বৈৰতান্ত্ৰিক নীতিৰে তেওঁলোকৰ কণ্ঠ ৰুদ্ধ কৰি আহিছে। বিশেষকৈ শাসকৰ দমন নীতি, বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে মাত মতা লেখকৰ গ্ৰন্থ নিষিদ্ধ পৰ্যন্ত কৰিছে। ভাৰতবৰ্ষতো এনে বহু লেখকৰ উদাহৰণ আছে । মত প্ৰকাশৰ স্বাধীনতা প্ৰতিজন লেখকৰেই আছে। কিন্তু বহু সময়ত এই অধিকাৰো খৰ্ব হৈ আহিছে। মত প্ৰকাশৰ স্বাধীনতাৰ প্ৰতি এনে অসহিষ্ণুতা ভোগ কৰি তামিল লেখক পেৰুমল মুৰগানে নিজৰ মৃত্যু ঘোষণা কৰিছিল। এই মৃত্যু লেখক নিজৰ আত্মহত্যাৰ ঘোষণা। কাৰণ পেৰুমলে তেঁওৰ উপন্যাস "মাধাৰুভাগান"ত বৰ্ণিত আখ্যানৰ আপত্তিকৰ অংশটি উঠাই দি ভৱিষ্যতে বিতৰ্কিত কিছু নিলিখাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিও ৰেহাই পোৱা নাছিল। এই উপন্যাসখন জুইত দাহ কৰাৰ উপৰিও সমগ্ৰ নামাক্কাল চহৰত বন্ধ পালিত হৈছিল। বিশ্ববিখ্যাত লেখিকা তছলিমা নাছৰিণেও মুক্ত কণ্ঠে নিজৰ নিজৰ লেখাত মত প্ৰকাশ কৰাৰ বাবে অসহিষ্ণুতা ভোগ কৰিছিল।ভাৰতীয় উপ-

মহাদেশীয় মহান লেখক ছাদাত হাছান মাণ্টোৱে তেওঁৰ গল্পৰ বাবে আদালতত থিয় দিব লগা হৈছিল। কিয়নো সমালোচকসকলে মাণ্টোৰ গল্পত অতিমাত্রা অশ্লীলতাৰ সন্দেহ পাইছিল আৰু তেওঁক নানান হাৰাশাস্তি কৰিছিল। তেন্তে এইসকল লেখক কাৰ প্ৰতি দায়বদ্ধ? সমাজৰ গলিত অংশৰ সকলো প্ৰকাৰৰ নগ্নতা উদঙাই দেখুৱাই এইসকল লেখকে একপ্ৰকাৰৰ সামাজিক দায়বদ্ধতাই পালন কৰে। অথচ এনেধৰণৰ দায়বদ্ধতা সদায়েই নৈতিকতাবাদীসকলৰ সমালোচনাৰ সন্মুখীন হ'ব লগা হয়। কিন্তু এইখিনিতে লেখকৰ নৈতিক আদৰ্শ বোলা কথা এটিও আছে। কিয়নো লেখকক নৈতিক আদৰ্শই অতীজৰেপৰা প্ৰভাৱিত কৰি আহিছে। ভাৰতীয় সাহিত্যও ৰামায়ণ-মহাভাৰতৰ নৈতিক শিক্ষাৰ ওপৰতেই প্ৰতিষ্ঠিত। যিবোৰ কাৰ্য অনৈতিক বুলি যুগসাপেক্ষে,কালসাপেক্ষে ...যিবোৰ সমাজ তথা ধৰ্ম সাপেক্ষে বিশ্বাস কৰি আহিছে,সেই নৈতিক অনৈতিক কাৰ্যই লেখককো প্ৰভাৱিত কৰি আহিছে। গ্ৰীক নাট্যকাৰ চফ'ক্লীজৰ "ৰজা ইডিপাচ" নাটকত ইডিপাচৰ পিতৃ হত্যা আৰু মাতৃৰ সৈতে বিবাহ নৈতিকতা বিৰোধী কাৰ্য যদিও নাট্যকাৰে ইয়াক মানুহৰ সংকট ৰূপে উপস্থাপন কৰি কলাসন্মত ৰূপ প্ৰদান কৰিছে। শ্বেইক্সপীয়েৰৰ পৰা আৰম্ভ কৰি ৰোমাণ্টিক যুগটোৰ কবি-সাহিত্যিকসকলে তেওঁলোকৰ লিখনিত নৈতিক আদৰ্শক গুৰুত্ব প্ৰদান কৰিছিল। কিন্তু উনবিংশ শেষৰফালে নৈতিকতাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা হয়। এই শতিকাৰ শেষৰফালেই দাৰ্শনিক নীৎসে আৰু অস্তিত্ববাদী এবচাৰ্ডিষ্ট সকলে ঈশ্বৰৰ মৃত্যু ঘোষণা কৰিছিল। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে সাহিত্যৰপৰা নৈতিকতা বিসৰ্জন দিয়া হৈছিল। যুগ আৰু সময়সাপেক্ষে কেৱল নৈতিক আদৰ্শ সলনিহে হৈ আহিছিল, অৱশ্যে নৈতিকতাৰ প্ৰশ্নক বাদ দি মূল বিষয় হ'ল লেখকৰ দায়বদ্ধতা। যেতিয়া লেখকে দেশৰ আৰু দহৰ সংকটৰ সময়ত নিজৰ ভাৱাবেগক লৈ ব্যস্ত থাকে, তেতিয়া সাধাৰণ পাঠকৰ হৃদয়ানুভূতিক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। জৰ্জ অৰৱেলৰ মতে ঃ

"লেখকৰ প্ৰথম দায়বদ্ধতা নিজৰ লেখাৰ প্ৰতি। কাৰণ লেখাৰ ঘাইকৈ সাহিত্যৰ এটা প্ৰধান উদ্দেশ্য কিছুমান প্ৰমূল্য জীয়াই ৰখা"

কিন্তু এজন লেখকে সংকটৰ সময়ত মাত নামাতিলে বুলিয়েই তেওঁ এজন দায়বদ্ধ লেখক নহয় বুলি একেষাৰে ক'ব নোৱাৰি। যুদ্ধ বা তেনেধৰণৰ কোনো বৃহৎ সংকটে কোনো লেখকক বিচলিত কৰাৰ বিপৰীতে জীৱনৰ ভিন্ন অভিজ্ঞতাই লেখাত স্থান লাভ কৰে। জাৰ্মানীৰ কবি গেট্যে আছিল বিশ্ববিখ্যাত। কিন্তু জাৰ্মানীৰ সংকটৰ সময়ত এই গেট্যেই কোনো দেশপ্ৰেমৰ কবিতা ৰচনা কৰা নাছিল। সু-সাহিত্যিক হোমেন বৰগোহাঞিদেৱে এই বিষয়ে এনেধৰণে লিখিছে——

" যিজন গেট্যেই ঘোষণা কৰিছিল—"জাতীয় সাহিত্যৰ দিন উকলিল,এতিয়া আহিব ধৰিছে বিশ্ব সাহিত্যৰ যুগ"——সেই গেট্যেৰ মুখত ই নিশ্চিত উপযুক্ত কথা। কিন্তু তাতোকৈ বেছি মনকৰিবলগীয়া কথা এইটোহে যে বিদেশী শত্ৰুৰ দ্বাৰা জাৰ্মানী আক্ৰান্ত হ'বৰ সময়তো যি গেট্যেই দেশপ্ৰেমৰ গীত ৰচনা কৰিবলৈ অমান্তি হৈছিল, সেই গেট্যেই আজি জাৰ্মানীৰ প্ৰাণ পুৰুষ, সেই গেট্যেৰ নামত জাৰ্মানী সাহিত্য-সংস্কৃতি বিশ্বমন্দিত। দেশপ্ৰেমৰ গানেৰে জাৰ্মানীৰ আকাশ-বতাহ খলক লগোৱা আৰু গেট্যেৰ জোতিৰ্ময় শিৰত নিন্দা বৰ্ষণ কৰা সেই শ শ কবি-টিলিকা আজি ক'ত?"

("চাৰিটা দশকৰ ফচল"--প্ৰবন্ধ আৰু গল্পসমগ্ৰ",পৃঃ ১০৭)

জাৰ্মানীৰ সংকটৰ ক্ষণত গেট্যেই কবিৰূপে মাত মতা নাছিল যদিও গেট্যেৰ কবিতাত আছিল জীৱনৰ স্পন্দন। গতিকে প্ৰত্যেক অৰ্থাৎ গেট্যে আছিল জনতাৰ হৃদয়ৰ কবি। গতিকে প্ৰত্যেক লেখকৰেই মানুহৰ হৃদয়ৰ প্ৰতি, মানুহৰ ভাৱনাৰ প্ৰতি দায়িত্ব অপৰিসীম। লেখকৰ লিখনিয়ে পাঠকৰ হৃদয় স্পৰ্শ প্ৰকৃত আনন্দ প্ৰদান কৰিব পাৰিলেহে লেখক সত্বাই পূৰ্ণতা লাভ কৰে। তদুপৰি লেখকৰ থাকিব লাগিব এক নিজস্ব কণ্ঠ। সেই নিজস্ব কণ্ঠেৰে নিজস্ব হৃদয়ৰ অনুভৱক জীয়াই ৰাখিব লাগিব।এজন লেখকে নিজৰ লেখাৰ মাজত বিচাৰি পাব লাগিব——এক অনামী সুখ। এই সুখ নিজৰপৰা আনলৈও বিয়পাবলৈ সক্ষম হ'ব লাগিব।

# কানৈ কলেজৰ পৰা লাডাখলৈ

**মঞ্জুলা বৰ্মন (বৰা)**
প্ৰাক্তন ছাত্ৰী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ নামটোৱেই এতিয়া আমাৰ বাবে এক নষ্টালজিয়া। মনত পৰে সেই ১৯৭৬ চনলৈ। প্ৰৱেশিকা পৰীক্ষাত উৰ্ত্তীণ হৈ এই কলেজত নাম ভৰ্ত্তি কৰিছিলোঁ মনত অলেখ সপোন লৈ। অগ্ৰজ দাদা-বাইদেউ সকলৰ মিঠা মিঠা ৰেগিঙৰ মাজেৰে পাৰ কৰা দিনবোৰ, নৱাগত আদৰণিৰ দিনটো আৰু কলেজৰ গেলেৰীত বহি ছাৰ - বাইদেউ সকলৰ মৰম মিহলি শাসনৰ মাজেৰে পাৰ কৰা ক্লাছবোৰ আজিও মানস পটত সজীৱ হৈ আছে। ১৯৭৮ চনত প্ৰি- ইউনিভাৰ্চিটি পৰীক্ষাত উৰ্ত্তীণ হৈ প্ৰাণী বিজ্ঞান মুখ্য হিচাবে লৈ এই কলেজত পুণৰ নাম ভৰ্তি কৰিছিলো। এই চাৰিটা বছৰত লাভ কৰা কিমান যে মিঠা মিঠা অভিজ্ঞতা সাচি ৰাখিছো মনৰ মনিকোঠত। আজিও আমি শ্ৰদ্ধাৰে সোৱঁৰো আমাৰ মহান শিক্ষাগুৰু সকল অৰুণ দত্ত চাৰ, আবু হাচান বৰা চাৰ, ধীৰেণ বৰুৱা চাৰ, মুকুল শৰ্মা চাৰ, ত্ৰিপাঠী চাৰ, শাস্ত্ৰী চাৰ, ডিম্বেশ্বৰ চলিহা চাৰ, বাৰ্মা চাৰ, প্ৰণতি বাইদেউ, চেইলী বাইদেউ, ৰয় চাৰ, বিমান চলিহা চাৰ, নফিল হুছেইন চাৰ, কৃষ্ণ বৰুৱা চাৰ, ভীমকান্ত কোঁৱৰ চাৰ আৰু প্ৰফুল্ল ভট্টাচায্য চাৰ আদিক। (বহুতো নাম মনৰ মাজৰ পৰা হেৰাই গৈছে তাৰ বাবে ক্ষমা বিচাৰিছোঁ) তাৰোপৰি সদায় আমাক প্ৰেক্টিকেলত সহায় কৰা বিয়েৰাৰ ইন্দ্ৰ দাদা (যি মই ভয় কৰো বাবে মোক জোঁক কাটিবলৈ নিদি সহায় কৰি দিছিল) মানিক দাদা (যি মুখেৰে সোৱাদ লৈ কেমেষ্ট্ৰীৰ চল্টৰ নাম আগতেই কৈ দিছিল) আৰু শ্যামল দাদা (যি পদাৰ্থ বিজ্ঞানৰ অগ্ৰজ সকলৰ বহী দি আমাক সহায় কৰিছিল) তেওঁলোকক আমি কেতিয়াও পাহৰিব নোৱাৰো। আজি এই কলেজে ৭৫ বছৰত ভৰি দিলে। পূৰ্ব্বৰ গৌৰৱ অক্ষুন্ন ৰাখি আগবাঢ়ি যাওক আমাৰ কলেজ। সেয়ে আমাৰ কাম্য।

ইয়াৰ শিক্ষাৰে শিক্ষিত হৈ কৰ্ম জীৱনৰ মাজেৰে আগুৱাই আহি জীৱনৰ বিয়লি বেলাত ভৰি থৈছোহি। আজৰি সময় পাৰ কৰা কিছুমান অভ্যাস গঢ়ি তুলিছো। সেই অভ্যাসৰে ফচল এটা ভ্ৰমণ কাহিনী সকলোৰে মাজত বিলাই দিলো।

### ভূ স্বৰ্গ লাডাখ

বহুত দিনৰে পৰা মনৰ ভিতৰত পুহি ৰখা লেহ-লাডাখ চোৱাৰ হেপাঁহ এটা পুৰণ হ'ল যোৱা ২৩ জুলাই ২০২২ চনত। জুন মাহতেই আমি "মেক মাই ট্ৰিপ" নামৰ এজেঞ্চীটোৰ লগত যোগাযোগ কৰি আমাৰ ভ্ৰমণসূচী তৈয়াৰ কৰি ৰাখিছিলোঁ। আমাৰ কাৰ্যসূচী আছিল এসপ্তাহৰ বাবে। আমাৰ চাৰিজনীয়া গোটটোত আছিল মোৰ লগতে মোৰ স্বামী কমল বৰ্মণ, নয়দাত থকা মোৰ ননদ প্ৰতিভা দাস আৰু জোৱাঁই ভাৰতীয় তৈল নিগমৰ অৱসৰপ্ৰাপ্ত বিষয়া দিলীপ দাস। আমি যিহেতু চাৰিওজনেই বয়োজেষ্ঠ নাগৰিক সেয়ে অসুবিধা পাম বুলি নিজাববীয়াকৈ যোৱাটো উচিত বুলি নাভাবিলো। তাতে আকৌ অতি উচ্চতাৰ বাবে সেইবোৰ ঠাইত অক্সিজেনৰ মাত্ৰা কম থকাৰ বাবে বহুতে অসুবিধাৰ সন্মুখীন হোৱাৰ কথাও শুনিছিলোঁ।

নিৰ্দিষ্ট দিন ২৩ জুলাইৰ পুৱা ৮ বাজি ৪০ মিনিটত দিল্লীৰ বিমানবন্দৰৰ পৰা উৰা মাৰিলো লেহ অভিমুখে। সময় লয় মাথো ১ ঘন্টা ১৫ মিনিট। পুৱা ৯ বাজি ৫৫ মিনিটত আমাৰ বিমানে অৱতৰণ কৰিলে লেহ বিমানবন্দৰত। বিমান বন্দৰটো যথেষ্ট সৰু। চাৰিওফালে শুকান মাটিৰ পাহাৰ। এডালো গছ বন নাই। যেন মঞ্চ সজ্জাৰ দৰে এখন তিৰ্পালেৰে প্ৰস্তুত কৰিছে পাহাৰবোৰ এনে লাগে দেখিবলৈ। মনত পৰিল ভূপেন হাজৰিকা দেবৰ কালজয়ী গীত "ঐ নিলাজ পাহাৰ ঐ শুকান পাহাৰ" গীতটিলৈ।

বিমানবন্দৰত মেক মাই ট্ৰিপৰ প্ৰগ্ৰেম কঅৰডিনেটৰ মিঃ বিজয়ন্ত গাড়ী আৰু ড্ৰাইভাৰ সহ মোৰ নাম লিখা ফলক লৈ ঠিয় হৈ আছিল। আমি তেখেতৰ ওচৰ গৈ পোৱাত তেখেতে আমাৰ চাৰিও জনৰে পৰিচয় পত্ৰ কেইখন লৈ ফটো তুলি ৰাখিলে কাৰণ আমাৰ ইনাৰ লাইন পাচ আগতীয়াকৈ কৰি ৰখা হ'ব। নুব্ৰাভেলী, পেংগং লেক আদিলৈ যাবলৈ ইনাৰ লাইন পাচৰ প্ৰয়োজন হয়। তেখেতে আমাক গাড়ীত উঠাই হোটেললৈ পঠিয়াই দি তাৰ পৰাই বিদায় ল'লে। এইখিনিতে উল্লেখ কৰো যে লেহ পোৱাৰ পৰাই আমাৰ মোবাইলৰ নেটৱৰ্ক নোহোৱা হ'ল। তাত মাথোন বি এছ এন এলৰ পোষ্ট পেইড কানেকচন থাকিলেহে নেটৱৰ্ক পোৱা যায়। গতিকে আমাৰ মোবাইলবোৰ কেমেৰালৈ ৰূপান্তৰিত হ'ল। অৱশ্যে হোটেল বোৰত ৱাই ফাই কানেকচন পোৱা যায়।

গৈ পালো আমাৰ বাবে আগতেই বন্দবস্ত কৰি ৰখা হোটেল "লাডাখ হিমালয়ান ৰিট্ৰিট"। হোটেলৰ পৰিবেশ দেখি মনটো ভৰি গ'ল। ৰং বিৰঙৰ ফুলেৰে চৌহদ জাতিষ্কাৰ। সেইদিনা আমাৰ জিৰণিৰ দিন, কিয়নো অতি উচ্চতাত অক্সিজেন কম থকাত আমাৰ শৰীৰে তাৰ লগত খাপ খাবৰ বাবে জিৰণিৰ প্ৰয়োজন। হোটেলৰ মেনেজাৰে আমাক বেছিকৈ পানী খাবলৈ উপদেশ দিলে। আমিও দিনটো হোটেলতে ঘূৰি ফুৰি কটালো। সুন্দৰ পৰিবেশত বহুতো ফটো উঠিলো। কোনো জনৰে বিশেষ একো অসুবিধা নোহোৱাত আবেলি অলপ খোজকাঢ়ি ওলাই গ'লো।

পিছদিনা পুৱা অৰ্থাৎ ২৪ জুলাই পুৱাৰ আহাৰৰ পিছত আমাক তেওঁলোকৰ গাড়ীৰে আহি লৈ গ'ল লেহ চহৰৰ ভিতৰতে থকা পৰ্যটনক্ষেত্ৰ সমূহ দেখুৱাবৰ বাবে। লেহ ইন্দাচ নদীৰ উপত্যকাত অৱস্থিত এখন সৰু চহৰ। ইয়াৰ উচ্চতা সাগৰ পৃষ্ঠতকৈ ১১৫৫০ ফুট (৩৫২০ মিটাৰ) ওখ। শুকান পাহাৰে আৱৰা বালিময় ঠাই বাবে ইয়াক মৰু চহৰ (Desert city) বুলিও জনা যায়।

প্ৰথমেই আমি গ'লো "হল অফ ফেম"। ই লেহ টাউনৰ পৰা ৪ কিলোমিটাৰ নিলগত লেহ কাৰগিল পথৰ ওপৰত অৱস্থিত। ভাৰত পাকিস্তানৰ যুদ্ধত সাহসিকতাৰ পৰিচয় দি দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ জোৱান সকলৰ স্মৃতিত ১৯৮৬ চনত ভাৰতীয় সৈন্যবাহিনীয়ে নিৰ্মাণ কৰিছিল এই "হল অফ ফেম"ৰ। ইয়াত সংগ্ৰহ কৰি ৰখা হৈছে ভাৰত পাকিস্তানৰ যুদ্ধত সফলতা প্ৰাপ্তিৰ অনেক নথি পত্ৰ আৰু ফটো, দুৰ্গম পথ আৰু সেনা বাহিনীৰ কষ্টকৰ জীৱন শৈলীৰ নমুনা। একোজনকৈ সেনাৰ জোৱানে বৰ্ণনা কৰে তাৰ নমুনা সমূহ। এখন স্মৰিকাৰ (Souvenir) বিক্ৰীকেন্দ্ৰ আছে। পুৱা ৯ বজাৰ পৰা দুপৰীয়া ৰবজালৈ আকৌ পুনৰ ২ বজাৰ পৰা সন্ধ্যা ৭ বজালৈ পৰ্যটকৰ বাবে খোলা ৰাখে। ওচৰৰ প্ৰাকৃতিক দৃশ্যও অতি মনোমোহা।

তাৰপৰা আমি যাবলৈ ওলালোঁ ইতিহাসে গৰকা "গুৰুদ্বাৰা পাথৰ চাহিব" লৈ। ই ও লেহ কাৰগিল পথতেই অৱস্থিত। এই খিনিতে উল্লেখ কৰো যে এই পথৰ এচোৱাৰ এটা পাহাৰক চুম্বকীয় পাহাৰ (Magnetic hill) বুলি কোৱা হয়। আমাৰ ড্ৰাইভাৰজনে দেখুৱালে পথৰ ওপৰত আঁকিথোৱা এডাল ক'লা ৰেখা। সেই ঠাই সমতল যদিও গাড়ী বন্ধ কৰি ৰাখিলেও চুম্বকীয় আকৰ্ষণৰ বাবে গাড়ীখন নিজে নিজে আগবাঢ়ি যায়। বহুতো পৰ্যটকে নামি পৰ্যবেক্ষণ কৰা চকুত পৰিল। আমি তাত নানামি গুৰুদ্বাৰা অভিমুখে যাত্ৰা কৰিলো। শিখ ধৰ্মৰ বুৰঞ্জী অনুসৰি ইয়াত গুৰু নানকৰ বহুতো স্মৃতি জড়িত হৈ আছে। ১৫১৫ শকত যেতিয়া নানকে চিকিম, নেপাল, তিব্বত, শ্ৰীনগৰ হৈ পাঞ্জাবলৈ আহিছিল তেতিয়া সেই ঠাইতেই জিৰণি লৈছিল। প্ৰবাদ মতে লাডাখৰ সেই ঠাইতে সেই সময়ত এজন ৰাক্ষসে স্থানীয় মানুহক বৰ অত্যাচাৰ কৰিছিল। সেই কাৰণে স্থানীয় মানুহে নানকৰ ওচৰত শৰণাপন্ন হৈ সহায় ভিক্ষা মাগিছিল। গুৰুনানক ধ্যানত বহি থাকোতে সেই ৰাক্ষসে পাহাৰৰ ওপৰৰ পৰা এটা প্ৰকাণ্ড শিল পেলাই তেওঁক হত্যা কৰাৰ চেষ্টা কৰিছিল, কিন্তু শিলটো বাগৰি আহি যেতিয়া নানকৰ পিঠি স্পৰ্শ কৰিলে সি মমৰ দৰে কোমল হৈ পৰি নানকৰ পিঠিৰ আকাৰ ধাৰণ কৰিলে। ৰাক্ষসটোৱে তেওঁৰ পিঠিত ভৰিৰে প্ৰহাৰ কৰিলে কিন্তু নানকৰ একো ক্ষতি কৰিব নোৱাৰিলে তেতিয়া সি নানকৰ দৈৱশক্তিৰ পৰিচয় পালে আৰু ক্ষমা ভিক্ষা মাগিলে। এই গুৰুদ্বাৰাত এতিয়াও সেই পাথৰ আৰু ভৰিৰ চিহ্ন বিৰাজমান। আমি সেই পাথৰ আৰু আসনত

সেৱা জনাই অলপ পৰ বহি প্ৰসাদ লৈ বাহিৰলৈ ওলাই আহিলোঁ। পৰিষ্কাৰ পৰিচ্ছন্নতাৰে ৰখা এই গুৰুদ্বাৰা ভাৰতীয় সৈন্যই পৰিচালনা কৰে।


গুৰুদ্বাৰা পাথৰ চাহিবৰ ভৰিৰ চিন থকা পাথৰটো।

ইয়াৰ পৰা আমি যাম "সংগম পইণ্ট" লৈ। গাড়ী আগবাঢ়িল লেহ -শ্ৰীনগৰ পথ অভিমুখে। ই পথতেই লেহৰ পৰা ৩৫ কিঃমিঃ দূৰত এই সংগম পইন্ট। ইণ্ডাচ আৰু যঞ্চকাৰ নদীৰ মিলন হৈছে ইয়াতেই। দুয়োখন নদীয়েই পৃথককৈ ধৰিব পাৰি। ইণ্ডাচ নদী উজ্জ্বল নীলা ৰঙৰ আৰু যঞ্চকাৰ নদী অলপ বোকাময় সেউজীয়া। নদীখনৰ আনটো পাৰে শুকান পাহাৰ। দুই এটা পাহাৰৰ শিখৰ বৰফে আবৃত। ৰ'দ পৰি শিখৰবোৰ ৰূপোৱালী হৈ জিলিকি উঠিছে। কি যে অপৰূপ সৌন্দয্য। মনোমোহা পৰিৱেশটোৰ বহুকেইখন ফটো ল'লো। ইয়াত ৰাফটিংৰ ব্যৱস্থা আছে। পৰ্যটকৰ আকৰ্ষণৰ বাবে সৰু সৰু বহুতো দোকান গঢ় লৈ উঠিছে। এখন কেফেও আছে। তাত স্থানীয় খাদ্যও পোৱা যায়।

তাৰ পৰা আমি গ'লো লেহ পেলেচ চাবলৈ। পেলচৰ অৱস্থা শোচনীয়। জনে প্ৰতি ৩০ টকাকৈ প্ৰৱেশ মূল্য দি সোমাই গ'লো। ইয়াক লাচেন পালকাৰ পেলেচ বুলিও জনা যায়। ১৯ শতিকাত ডোগ্ৰা সৈন্যই অধিগ্ৰহণ কৰি ৰাজ পৰিয়ালক ষ্টক পেলেচ নামৰ আন এটা পেলেচলৈ যাবলৈ বাধ্য কৰায়। ৯ মহলীয়া এই ঘৰটো পৰিত্যক্ত যেন লাগিল। তাত এটা সংগ্ৰাহালয় আছে, তাতে পুৰণি পেইন্টিং, গহনা আৰু জাতীয় পোচাক আদি সংৰক্ষণ কৰি ৰাখিছে যদিও অৱস্থা তথৈবচ। এটা পুৰণি মন্দিৰো আছে। এই পেলেচ বহুত ওখত অৱস্থিত বাবে তাৰ পৰা লেহ চহৰখন সুন্দৰকৈ চাব পাৰি।

ইতিমধ্যে সময় দুপৰীয়া ২ বাজিবৰ হ'ল। আমাৰ পেটেও জাননী দিলে ভোক লগাৰ। ওচৰতে থকা এখন ৰেষ্টুৰেন্টত দুপৰীয়াৰ আহাৰ কৰি ওলাই গ'লো "শান্তি স্তুপা" চাবলৈ। ই লেহ চহৰৰ পৰা ৫ কিঃ মিঃ নিলগত অৱস্থিত। ইয়াক বিশ্ব শান্তি স্তুপা বুলিও কোৱা হয়। বৌদ্ধ ভিক্ষুৰ বাবে ই প্ৰসিদ্ধ ঠাই। এই স্তুপা ৩৬০৯ মিটাৰ (১১,৮৪১ফুট) উচ্চতাত অৱস্থিত যদিও বহুত ওপৰলৈকে গাড়ীৰে যাব পাৰি। ৫০০ টা চিৰি উঠিব লাগে যদিও চিৰিবোৰ কষ্টকৰ নহয়। এই পেগডাৰ উচ্চতা হৈছে ২৮ মিটাৰ। সম্পূৰ্ণ সোণালী ৰঙৰ বুদ্ধ মুৰ্ত্তিটো চালে চকুৰোৱা। স্তুপাটো বগা মাৰ্বলৰ। ১৯৭৮ চনত ফু জি গুৰ জি নামৰ এজন জাপানী ভিক্ষুৰে নিৰ্মাণ কৰিছিল এই স্তুপা। ডাঙৰ চৌহদটোত আপেল আৰু এপ্ৰিকট গছে সোণত সুৰগা চৰাইছে। শান্ত সৌম্য পৰিবেশত কিছু সময় কটাই মনটোত প্ৰশান্তি লাভ কৰিলোঁ।



আবেলি হোটেললৈ ঘূৰি গৈ অলপ জিৰণি ল'লো। পিচদিনা আমাৰ দীঘলীয়া যাত্ৰা হ'ব নুব্ৰাভেলীলৈ। লেহৰ পৰা নুব্ৰাভেলীৰ দুৰত্ব ১৬০ কিঃমিঃ। পাহাৰীয়া পথ বাবে গাড়ীৰে ৫ ঘন্টা সময় লয়। নুব্ৰা হৈছে চায়ক নদীৰ উপনৈ। নুব্ৰাভেলীৰ তিব্বতীয় নাম হৈছে ডুমৰা। তিব্বতী ভাষাত তাৰ অৰ্থ হৈছে ফুলৰ উপত্যকা (Valley of flower) তালৈ যাবলৈ ইনাৰ লাইন পাছ লাগে। ইয়াৰ মাছুল হৈছে ৪২০ টকা (৪০০ টকা পৰিৱেশ মাছুল আৰু ২০ টকা পাৰমিট) আমাৰ পাছ "মেক মাই ট্ৰিপে" ব্যৱস্থা কৰি ৰাখিছিল।

পিছদিনা অৰ্থাৎ ২৫ জুলাইৰ পুৱা ন বজাত আমাক নিবলৈ গাড়ী আহিল। আমাৰ ড্ৰাইভাৰ লগতে গাইড আংগিয়াল অতি ভদ্ৰ আৰু অমায়িক ল'ৰা। আগৰ দুদিন তেওঁৰ লগত ফুৰোতে এটা আত্মীয়তা গঢ়ি উঠিছে। পুৱাৰ জলপান খাই উঠি আমি নুব্ৰাভেলীলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। এই যাত্ৰাত আমি বাটতে পাম খাৰদুংলা পাছ বা গিৰিপথ। ইয়েই হৈছে পৃথিৱীৰ সৰ্বোচ্চ গাড়ী যাব পৰা পাছ। চায়ক, নুব্ৰা বা চিয়াচিন গ্লেচিয়াৰ যাবলৈ হক্সলে এই খাৰদুংলা পাছ অতিক্ৰম কৰিবই লাগিব। মনটো কিবা ৰোমাঞ্চিত হৈ উঠিল।

আমাৰ গাড়ী আগবাঢ়িল জন সমুদ্ৰৰ পৰা বিচিন্ন হৈ পাহাৰীয়া শিল বালিৰে ভৰা কুণ্ডলী পকোৱা বাটেদি। গাড়ী যিমানেই ওপৰলৈ গৈ আছে এৰি অহা তলৰ পথবোৰে সৰ্পিল আকাৰেৰে আমাৰ চকুত ধৰা দিছে। গাড়ীৰ খিৰিকীৰে সোমাই আহিল সেমেকা ৰ'দৰ ৰেখা। দিপ্তী আৰু উত্তাপহীন। পথ মসৃণ নহয়। কাষৰ পাহাৰৰ পাথৰবোৰো একেবাৰে শিথিল। ওপৰৰ পৰাই দেখিছিলো অ'ত ত'ত কেইবাখনো গাড়ী দুৰ্ঘটনাগ্ৰস্ত হৈ তলত বাগৰি পৰি আছে। গাড়ীৰ অৱস্থাই বুজাই দিয়ে ভয়াবহতাৰ কথা। সেই টকলা পাহাৰবোৰৰো এটা নিজস্ব সৌন্দয্য আছে। সেই সৌন্দয্য উপভোগ কৰি প্ৰায় দুঘন্টাৰ অন্তত পালোঁগৈ বহু প্ৰত্যাশিত খাৰদুংলা পাছ। দুৰত্ব হিচাবে লেহৰ পৰা মাথোন ৩৭ কিঃমিঃ কিন্তু পাহাৰীয়া দুৰ্গম পথ বাবে সময় অলপ বেছি লয়। ঠাইখন বহল আৰু পাৰ্কিঙৰ বহুত সুবিধা আছে। আমাৰ গাড়ী ৰখালে তাৰে এডোখৰ ঠাইত। আমি নামি পৰিলো ৫৩৫৯ মিটাৰ (১৭,৫৮-২ফুট) উচ্ছতাৰ গিৰিপথৰ বুকুত। প্ৰচণ্ড শীতে জোকাৰি দিলে আমাক। তাতে আকৌ অলপ অলপকৈ আৰম্ভ হৈছে হিমবৃষ্টি। সেইদিনাৰ তাপমাত্ৰা আছিল ৭ ডিগ্ৰী। ইয়াত গ্ৰীষ্মকালত ৭-৮ ডিগ্ৰী আৰু শীতকালত (-৩৫) ডিগ্ৰী পৰ্যন্ত হয়। অক্সিজেনৰ মাত্ৰা কম বাবে তাত বেছি সময় থকাটো



নিষেধ। আধা ঘন্টা সময় আমাক দিছিল যদিও আমি শীতৰ প্ৰকোপত ২০ মিনিট মানহে থাকিলো। ঘূৰি ঘূৰি বিনন্দীয়া দৃশ্যৰ কেইবাখনো ফটো তুলিলো।

পাহাৰৰ চুড়াবোৰ শুভ্ৰ বৰফৰ মুকুটে আবৰি ৰাখি এক দৃষ্টিনন্দন ৰূপৰ সৃষ্টি কৰিছে। শীত নিয়ন্ত্ৰণৰ বাবে পৰ্যটকৰ সুবিধাৰ অৰ্থে তাত এখন কফি চপ আছে আৰু এখন স্মৰিকাৰ (Souvenir) দোকান আছে। আনফালে দেখিলো এটা অক্সিজেন চেম্বাৰ। উশাহৰ কষ্ট হক্সলে তাত সোমাই অক্সিজেন লোৱাৰ ব্যৱস্থা আছে। আমি তেনে কোনো কষ্ট অনুভৱ কৰা নাছিলোঁ। শীতৰ পৰা পৰিত্ৰাণ পাবলৈ লৰালৰিকৈ গাড়ীত বহিলোগৈ। গাড়ী আগবাঢ়িল নুব্ৰাভেলী অভিমুখে। আমি থাকিম হুন্দাৰ নামৰ এটুকুৰা ঠাইত। তাৰ পৰা আৰু তিনি ঘন্টাৰ বাট। বাটতে আমি সোমালো ডিচকিট মনেষ্ট্ৰীত। এই মনেষ্ট্ৰীয়েই নুব্ৰাভেলীৰ ভিতৰত সকলোতকৈ ডাঙৰ মনেষ্ট্ৰী। ইয়াক ১৪ শতিকাত চেংজেম চেৰাব জেংফই নিৰ্মাণ কৰিছিল। ইয়াত থকা বুদ্ধৰ মুৰ্ত্তিটো ৩২ মিটাৰ ওখ। আমি দৰ্শন কৰি সুন্দৰ প্ৰাকৃতিক পৰিবেশত কিছু সময় কটালো। বহুত ওখত অৱস্থিত বাবে ডিচকিট গাওঁ আৰু হুন্দাৰ তাৰ পৰা সুন্দৰকৈ দেখি। পৰ্যটকৰ বাবে পুৱা ৭ বজাৰ পৰা দুপৰীয়া ৰ বজালৈ আৰু দুপৰীয়া ২বজাৰ পৰা সন্ধ্যা ৭ বজালৈ খোলা ৰাখে। তাতে এটা অতি পুৰণি লাচুং নামৰ মন্দিৰ আছে। সময়ৰ অভাৱত আমাৰ যোৱা ন'হল। মনেষ্ট্ৰী সমূহ দৰ্শন কৰি বৌদ্ধ সকলৰ সংস্কৃতি আৰু ঐতিহ্যৰ লগত ভালদৰে পৰিচিত হৈছিলো। পুণৰ আমাৰ যাত্ৰা আৰম্ভ হ'ল। অলপ দুৰ গৈ পালো চকুৰে মনিব নোৱাৰালৈকে বিস্তৃত বালিৰ পথাৰ আৰু টিলা। এয়াই হৈছে বালিৰ টিলা (Sand dunes)। যেন এখন মৰুভূমিত সোমাই পৰিলো। ৰ'দ পৰি বালিবোৰ ৰূপালী ৰঙেৰে জিলিকি



উঠিছে। দৃশ্যমান অপৰূপ সৌন্দয্য। ই সাগৰ পৃষ্ঠতকৈ ৪০০০ মিটাৰ উচ্চতাত অৱস্থিত। পৰ্যটকক আকৰ্ষিত কৰিবলৈ ইয়াত এ.টি.ভি গাড়ী (All terrain car) চলোৱাৰ ব্যৱস্থা আছে। দুজন মানুহ উঠিব পৰা এই গাড়ীত ১৫ মিনিটৰ বাবে ১২০০ টকা লয়। বালিৰ মাজত চলোৱা এই গাড়ীত উঠা এটা ৰোমাঞ্চকৰ অভিজ্ঞতা।

তাৰোপৰি ইয়াত আছে উটত উঠাৰ ( Camel safari) ব্যৱস্থা। দুটা কুঁজৰ উট বিলাক ধুনীয়াকৈ সজাই ৰাখে। দিনটোত দুবাৰকৈ এই ভ্ৰমণ হয়। হুন্দাৰৰ পৰা এই ভ্ৰমণ ঠিক কৰি ল'ব পাৰি। আমাৰ সময় নিমিলাৰ বাবে উটত উঠা নহ'ল। তাৰ পৰা আমি হুন্দাৰ অভিমুখে ৰাওনা হ'লো। আমাৰ বাবে আগতীয়াকৈ ঠিক কৰি ৰখা ৰয়েল ডিলাক্স কেম্পত নামিলোগৈ। পৰিবেশ দেখি আনন্দত আপ্লুত হৈ পৰিলো। শাৰী পাতি থকা কেম্পবোৰৰ সন্মুখেৰে হৰ হৰ শব্দেৰে বৈ গৈছে এটি পাহাৰী নিজৰা, পক্ষীৰ কলৰৱ আৰু পাচফালে শিলৰ পাহাৰ। গোটেই ঠাইখন আগুৰি ৰাখিছে ডাল ভৰি থকা এপ্ৰিকট গছেৰে। কোনোবা যেন ঋষি-মুনিৰ আশ্ৰম। কেম্পবোৰো অত্যাধুনিক সুবিধাৰে পৰিপূৰ্ণ। আমি তাত এক ৰাতি থাকিম।খুব ঘুৰিলো আৰু ফটো তুলিলো সুন্দৰ পৰিবেশৰ। গছৰ পৰা এপ্ৰিকট চিঙিলো। সোৱাদ অনন্য। তলভৰি সৰি থকা এপ্ৰিকট বোৰ গৰুৱে খাই থকা দেখি তবধ মানিছিলো। আমাৰ ইয়াত শুকান এপ্ৰিকটৰ যিহে দাম। আমাক প্ৰায় পাচঁ কেজি মান টোপোলা বান্ধি দিলে তাৰ মেনেজাৰে।

পিছদিনা ২৬ জুলাই ২০২২ আমি পুৱাৰ আহাৰ কৰি ওলালোঁ পেংগং লেক অভিমুখে। পথ দিঘলীয়া ২৭৪ কিঃমিঃ। আমাক ড্ৰাইভাৰে জনালে যে লেক পাবলৈ ৬ ঘন্টা মান লাগিব। আমিও সেয়ে সময় নষ্ট নকৰি সোনকালে যাবলৈ ওলালো। গাড়ী আগবাঢ়ি শিলাময় বালিময় পথৰ ওপৰেৰে। চায়ক নদীৰ পাৰে পাৰে আমাৰ যাত্ৰা। মাজে মাজে বৰযুণ হৈ থকাৰ বাবে নদীৰ পানী উপচি পৰিছে। শিলত ঠেকা খোৱা পানীৰ শব্দই শিহঁৰিত কৰিছে আমাৰ মন। পথ বৰ দুৰ্গম। কোনো কোনো ঠাইত নদীৰ পানী পথৰ ওপৰেদি বৈ গৈছে। আন কোনো ঠাইত আকৌ চায়ক নদীৰ উপ নৈ কিছুমান ওপৰৰ পৰা বৈ আহি হঠাতে তললৈ পৰি জলপ্ৰপাতৰ সৃষ্টি কৰিছে। আমাৰ এনে লাগিছিল যেন আমাৰ গাড়ী নদীৰ বুকুৰেদি গৈ আছে। আকৌ কোনো ঠাই বালিচৰ, যেন মৰুৰ মাজেৰে গাড়ী আগবাঢ়িছে। ভয়াবহ শিহঁৰণকাৰী পথ। তথাপি কিবা এটা ভাল লাগিছিল ৰোমাঞ্চকৰ ভ্ৰমণ কৰি। নদীৰ আনটো পাৰে সু উচ্চ পাহাৰ। ইয়াৰ পাহাৰবোৰত সৰুসৰু ঘাঁহ বন জোপোহা সৰু সৰু তৃণ দেখিবলৈ পালো। অপৰূপ সৌন্দয্য। অদুৰত সৰু সৰু দুই এখন গাঁও। মাজে মাজে ভাৰতীয় সেনাৰ চাউনী। আগাম, খালচাৰ, টাংচে আদি সৰু সৰু ঠাই অতিক্ৰম কৰি ডাৰবুক নামৰ ঠাইত আমাৰ দুপৰীয়াৰ আহাৰৰ বাবে গাড়ী ৰখাই দিলে। এই ঠাইবোৰ বহু দুৰে দুৰে অৱস্থিত। গোটেই পথ ছোৱাত দোকান পোহাৰ জনপ্ৰাণী একো নাই। বাইকাৰ আৰু টুৰিষ্টৰ গাড়ী মাথোন। ক'ববাত এটা বিপদ হ'লে যে কি হ'ব শিঁয়ৰি উঠিছিলোঁ। অৱশ্যে সেই ঠাইবোৰত ভাৰতীয় সেনা বাহিনী সদায় তৎপৰ। গাড়ীও যথেষ্ট আৰামদায়ক আৰু ড্ৰাইভাৰ সকলো অতি পাৰ্গত।

দুপৰীয়াৰ আহাৰ কৰি পুণৰ আগবাঢ়িলো হেপাঁহৰ পেংগং লেকলৈ বুলি। তাৰ পৰা আৰু এক ঘন্টাৰ বাট। ইয়াৰ পথৰ কাষৰ নদীৰ উপত্যকা সমূহত ভেৰাৰ পাল, সেউজীয়া ঘাঁহনি আৰু সৰু সৰু হালধীয়া ৰঙৰ ফুলৰ পথাৰ চকুত পৰিল। ঠিক আমাৰ সৰিয়হ ফুলৰ দৰে। এটা নান্দনিক দৃশ্য। কেমেৰাৰে ধৰি ৰখা সম্ভৱ নহয়। সেই দৃষ্টিনন্দন দৃশ্য সঞ্চিত কৰি ৰাখিলোঁ হৃদয়ৰ মনিকোঠত। গাড়ী আগবাঢ়িল। অলপ দুৰৰ পৰাই দৃশ্যমান হ'ল গাঢ় নীলা পানীৰে তৰঙ্গায়িত পেংগং লেক। কি অপূৰ্ব। অলপ দুৰ গৈ আমাৰ গাড়ী পাৰ্কিঙত ৰখাই দিলে। আমিও নামি লেকৰ ফালে আগবাঢ়িলো। লেকৰ বুকু চুই অহা ৰিব ৰিব বতাহে সমগ্ৰ শৰীৰ কপাঁয় দিব খোজে। লাহে লাহে আগবাঢ়ি লেকৰ পানী স্পৰ্শ কৰিলো। অকস্মাণ মুখত লগাই চালো, সচাঁকৈয়ে লুণীয়া। স্থানীয় লোকে এই এই লেকৰ পানীক পবিত্ৰ জ্ঞান কৰে সেয়ে তাত নমা নিষেধ। এই লেকৰ উচ্চতা১৩,৮৬২ ফুট (৪৩৫০



মিটাৰ)। পৃথিৱীৰ ভিতৰতে ই অতি উচ্চতাত থকা লেক। ইয়াৰ দৈৰ্ঘ্য হৈছে ১৩৪ কিঃমিঃ আৰু প্ৰস্থ ৫ কিঃমিঃ। ইয়াৰ কালি হৈছে ৬৯৯ বৰ্গ কিঃমিঃ। আটাইতকৈ গভীৰতম অংশ হৈছে ৩৩০ ফুট। সমষ্ট লেকটো পাঁচটা খণ্ডত বিভক্ত। ইয়াৰ প্ৰায় ৫০ শতাংশ চীন আৰু তীব্বতত আছে ৪০ শতাংশ আছে ভাৰতত আৰু ১০শতাংশ ভাৰত চীন উভয়ৰে অমিমাংসিত ভাৱে ৰৈ গৈছে। জানিবলৈ পোৱা মতে পশ্চিম ফালে মানে ভাৰতৰ ফালৰ পানী ভাগহে লুণীয়া, চীনৰ অংশ সাধাৰণ পানীৰ। শীতকালত এই পানী সম্পূৰ্ণৰূপে বৰফ হৈ যায়। তেতিয়া তাৰ ওপৰেৰে খোজ কাঢ়ি পৰা হয়। গ্ৰীষ্মকালত সূৰ্যৰ কিৰণৰ প্ৰভাৱত নীলা-সেউজীয়া আদি বিভিন্ন ৰঙেৰে দৃষ্টি নন্দন হৈ ধৰা দিয়ে। পৰিভ্ৰমী চৰায়ো আহে এই গ্ৰীষ্ম কালতেই। বহুত সময় লেকৰ পাৰত কটালো। গান গালো, ফটো তুলিলো আৰু কত যে কি!! লেকৰ আনটো পাৰে বিভিন্ন ৰঙী পাহাৰবোৰ, বৰফে আবৃত পাহাৰবোৰ। যেন এখন কেনভাচত কোনোবা শিল্পীৰ সৃষ্টি সেয়া। সৌন্দৰ্য্য যে বৰ্ণনাতীত। পান কৰিলো নয়নাভিৰাম দৃশ্য।



বলীউডৰ চিনেমা "থ্ৰি ইডিয়ত"ৰ দৃশ্য গ্ৰহণৰ পিছত এই ঠাই বেছি বিখ্যাত হৈ পৰিছিল। তাক ভিত্তি কৰিয়েই এতিয়া ব্যৱসায়ো গঢ় লৈ উঠিছে। তিনিওটা ইডিয়ত বহা চকী, নায়িকাই চলোৱা স্কুটাৰ আদি পাৰত সজাই ৰাখিছে। পইচাৰ বিনিময়ত তাত ফটো তুলিবলৈ দিয়া হয়। এবাৰ ফটো তোলাৰ বাবে এশ টকাকৈ। যদি নায়িকাৰ সাজ যদি পৰিধান কৰিব খোজে তেতিয়া ওপৰিঞ্চি পঞ্চাশ টকা। আমিও সেই চকীত বহি ইডিয়তৰ সুৰত চিঞৰিলো "আল ইজ ৱেল"। বয়স যেন পাহৰি পেলালো। মনলৈ ল'ৰালি উভটি আহিল। কিছু সময় কটাই আমি আমাৰ বাবে আগতেই বন্দৱস্ত কৰি ৰখা কটেজ "এক্সটেচি" লৈ আহিলো।



লেকৰ পাৰত অলপ ওখ ঠাইত অৱস্থিত এই কটেজত সোমায়েই মন ভৰি গ'ল। খিড়িকীৰ পৰ্দা কোচাই ভিতৰৰ পৰাই পান কৰিব পাৰি লেকৰ সৌন্দয্য। সন্ধ্যা এওঁলোকে জিৰণি ল'লে। মই আৰু মোৰ ননদ প্ৰতিভাই অধিক উৎসাহী হৈ নিজকে সম্পূৰ্ণ গৰম কাপোৰেৰে আৱৰি বাহিৰলৈ ওলাই আহিলো। বাহিৰত হাড় কপাই তোলা প্ৰচণ্ড শীত। নিৰ্মেঘ আকাশ, শুক্লপক্ষৰ ৰাতিৰ পাতল জ্যোৎস্না। তৰাৰ বুটা। কি যে অপূৰ্ব। কিছু সময় বাহিৰত কটালো। লাহে লাহে শীতৰ প্ৰকোপ বাঢ়ি আহিল। আমিও ভিতৰলৈ যাবলৈ বাধ্য হ'লো।

পিচদিনা অথাৎ ২৭ জুলাই ২০২২। আমি উভটি যাম লেহলৈ। এইবাৰ যাম পৃথিৱীৰ ভিতৰত দ্বিতীয় উচ্চ গিৰিপথ চাংলা হৈ। ইয়াৰ উচ্চতা হ'ল সাগৰ পৃষ্ঠতকৈ ১৭,৬৮৮ফুট (৫৩৬০মিটাৰ)। এই গিৰিপথ ১৫ মিটাৰ দীঘল। পথ ঠায়ে ঠায়ে মসৃণ আৰু ঠায়ে ঠায়ে মেৰামতি চলি আছে। সেয়ে আমি পুৱা সোনকালেই ওলাই আহিছিলো। আমাৰ ড্ৰাইভাৰে আমাক জনাইছিল যে বনুৱাই কাম কৰি থাকিলে কেতিয়াবা বহুত সময় গাড়ী ৰখাই দিয়ে। আমাৰ গাড়ী আগবাঢ়িছিল শিলাময় কুণ্ডলী পকোৱা পথৰ বুকুৰে। আমি যাব লাগিব প্ৰায় ২২৩ কিঃমিঃ পথ। গাড়ী যিমানেই ওপৰলৈ গৈ আছে আমিও ৰোমাঞ্চিত হৈ গৈ আছো। এৰি অহা তলৰ পথবোৰ চাইহে অনুমান কৰিব পাৰি আমি কিমান ওপৰলৈ উঠি আহিছো। মাজে মাজে কিছু সমতল ভূমিত ভাৰতীয় সৈন্যৰ চাউনী। তাৰ বাদে আৰু পথত একো পাবলৈ নাই। এনেকৈয়ে আহি আমি ১৪৮ কিঃমিঃ অতিক্ৰমি পালোহি চাংলা পাছ। ঠাইখন একেলগে বহুত গাড়ী ৰাখিব পৰাকৈ বহল। আমাৰ গাড়ীও ৰখাই দিলে এখন কেফেৰ ওচৰত। গাড়ীৰ পৰা নমাৰ লগে লগে প্ৰচণ্ড শীতে আমাক কপাই তুলিলে।

বাহিৰত পুৱাৰ পাতল ৰ'দ। একোকাপ কফি লৈ অলপ ৰ'দ পুৱাবলৈ ওলাই আহিলো, কিন্তু আমাৰ ঠাণ্ডা নকমিল মুখেৰে কোনে কিমান ধোঁৱা উলিয়াব পাৰে প্ৰতিযোগিতা চলিল। ৰ'দৰ পোহৰ বৰফৰ শৃঙ্গত পৰি তিৰবিৰাই উঠিছে। কেইখনমান ফটো ল'লো। গাড়ীৰ ভিতৰ সোমাইহে গাটো অলপ গৰম লাগিল।



পুনৰ আৰম্ভ হ'ল যাত্ৰা লেহলৈ বুলি। দুৰত্ব ৭৪ কিঃমিঃ। একেই পথ নাই জনপ্ৰাণী নাই এখন দোকান, আছে মাথো পৰ্যটকৰ গাড়ী। বাটত মাজে মাজে বহুতো নোদোকা নিপোটল কুকুৰ দেখি ভাবোঁ ক'ত কি খাই ইহঁতৰ এই চেহেৰা? ড্ৰাইভাৰে আমাক জনালে যে সেনাৰ চাউনীয়ে চাউনীয়ে ঘূৰি ফুৰা কুকুৰ এইবোৰ।

দুপৰীয়া আহি লেহ পালোহি। পুনৰ আগৰ হোটেল "লাডাখ ৰয়েল ৰিট্ৰিট"। চিনাকি হোটেল, এনে লাগিল যেন নিজৰ ঘৰখনহে ঘূৰি পালোহি। দুপৰীয়াৰ আহাৰ খাই অলপ জিৰণি লৈ বজাৰৰ ফালে ওলাই গ'লো। সন্ধ্যা ঘূৰি ফুৰি বৰ ভাল লাগিল। প্ৰাণৱন্ত ঠাই। এই বজাৰ পাচমিনা, শুকান ফল, মহিলাৰ গহনা আৰু এপ্ৰিকট তেলৰ বাবে বিখ্যাত। এই তেলত প্ৰচুৰ ভিটামিন চি আৰু ই থাকে বাবে চালৰ বাবে বৰ উপকাৰী। সৰু সুৰা দুই এপদ বস্তু কিনি হোটেললৈ ঘূৰি আহিলো।

পিছদিনা ২৮ জুলাই ২০২২। পুৱাৰ আহাৰ কৰি আমি ওলালোঁ লেহৰ আন দুটামান পৰ্যটন ক্ষেত্ৰ চাবলৈ। আমাৰ ড্ৰাইভাৰ আংগিয়ালে আহি আমাক লৈ গক্সল। প্ৰথমতে আমি গ'লো লেহ মনালী পথত লেহ টাউনৰ পৰা ১৯ কিঃমিঃ নিলগত অৱস্থিত ঠিকচে মনেষ্ট্ৰীলৈ। এই মনেষ্ট্ৰী সাগৰ পৃষ্ঠতকৈ ১১,৮০০ ফুট (৩৬০০ মিটাৰ) উচ্চতাত অৱস্থিত। বাৰ মহলীয়া ভৱনটোত আছে বহুতো তৈলচিত্ৰ আৰু মুৰ্ত্তি। ইয়াৰ প্ৰধান বৌদ্ধ মুৰ্ত্তি পোন্ধৰ টা ধাতুৰে নিৰ্মিত আৰু ৪৯ ফুট ওখ। এই বুদ্ধক মৈত্ৰেয় বুদ্ধ (ভৱিষ্যতৰ বুদ্ধ) বুলি কোৱা হয়। বহুত চিৰি উঠি গৈ প্ৰায় ভাগৰি পৰিছিলো কিন্তু ভিতৰ সোমাই যেতিয়া সম্পূৰ্ণ হালধীয়া ৰঙৰ বৃহৎ শান্ত সৌম্য বুদ্ধ মুৰ্ত্তিৰ আগত ঠিয় হ'লো সকলো ভাগৰ যেন নোহোৱা হৈ গ'ল। তেওঁলোকৰ প্ৰথাৰে সেৱা জনাই কিছু সময় কটাই ওলাই আহিলো। বহুতো স্থানীয় মানুহ লগ পালো। এই কেইটাদিন কটায়েই স্থানীয় মানুহ সকলক বহুত খিনি বুজি উঠিছিলো। কলুষতা নথকা সৰল সহজ মানুহ এওঁলোক। কেইগৰাকীমানৰ লগত ফটোও উঠিলো।

তাৰ পৰা গ'লো চে পেলেচলৈ। এই মনেষ্ট্ৰীও লেহ মনালী পথতেই পোন্ধৰ কিঃমিঃ দুৰত্বত অৱস্থিত। ইয়াৰ বুদ্ধ মুৰ্ত্তি চালে চকু ৰোৱা আৰু লাডাখৰ দ্বিতীয় বৃহৎ মুৰ্ত্তি। ইয়াক ১৬৫৫ শকত নিৰ্মাণ কৰিছিল। ৩৯ ফুট ওখ এই মুৰ্ত্তিয়ে তিনি মহলা ঘৰ সামৰি লৈছে। এই বুদ্ধক সখ্যামুনি বুদ্ধ বুলি জনা যায়। মুৰ্ত্তি ভাগ তামৰ, তাতে সোণ পানী চৰোৱা। প্ৰায় পাঁচ কেজি সোণেৰে তাত ৰহন বোলাইছে। এই মনেষ্ট্ৰীৰ ওপৰ ভাগত বহুতো চিত্ৰ সংগ্ৰহ কৰি ৰাখিছে। তাতে কিছু সময় কটালো।

অলপ বৰষুণ আহিল। লৰালৰিকৈ গাড়ীত বহিলোগৈ। পাহাৰীয়া বৰষুণ, আহে আৰু যায়।

তাৰ পৰা গ'লো হেমিচ মনেষ্ট্ৰীলৈ। ই চহৰৰ পৰা ৪৫ কিঃমিঃ দুৰত। তিব্বতীয় স্থাপত্য কলাৰে নিৰ্মিত এই মনেষ্ট্ৰী। ১৬৭২ শকত নিৰ্মাণ কৰা এই মনেষ্ট্ৰীত প্ৰত্যেক বছৰৰ জুন মাহত হেমিচ উৎসৱ পালন কৰা হয়। ইয়াত মংক সকলৰ নৃত্যও পৰিৱেশন কৰা হয়। মনেষ্ট্ৰী দৰ্শন কৰি আহো মানে প্ৰায় দুপৰীয়া দুই বাজিবৰ হ'ল। ভোকো লাগি আহিছিল। ওচৰৰে এখন ৰেষ্টুৰেন্টত স্থানীয় নুডলেৰে দুপৰীয়াৰ আহাৰ কৰিলো। মোৰ ননদ জোৱাঁই দিলীপে বলীউডৰ চিনেমা 'থ্ৰি ইডিয়তৰ' দৃশ্য গ্ৰহন হোৱা ৰাঞ্চুৰ স্কুল খন চাবলৈ ইচ্ছা কৰাত আমাক ড্ৰাইভাৰে তালৈ লৈ গ'ল। ৰাঞ্চু নামৰ মানুহ জনৰ চৰিত্ৰত আমিৰ খানে অভিনয় কৰা বাবে এই স্কুল খনো এই নামেৰেই জনাজাত হ'ল। আচলতে এই স্কুলৰ নাম দ্ৰুক হোৱাইট লটাচ স্কুল। গৈ দেখো বহুত পৰ্যটক আহিছে চাবলৈ। ভবাই নাছিলো এখন চিনেমাই ইমান বিখ্যাত কৰি দিব পাৰে বুলি। মুল স্কুল খনত প্ৰৱেশ নিষেধ। বাহিৰৰ পৰাই এখন ফটো ল'লো। কাষতে গঢ়ি উঠিছে চিনেমাৰ আৰ্হিত ইডিয়টিক ৱাল, ৰাঞ্চু কেফে, বাহিৰত আছে সেই বিশেষ চকী কেইখন আৰু আছে এটা সংগ্ৰাহালয়। ইয়াত আছে বহুতো বৌদ্ধধৰ্মৰ কিতাপ আৰু বিক্ৰীকেন্দ্ৰ। তাতো আমি এই যাঠিৰ



উৰ্ধৰ মানুহকেইটা যেন ঘূৰি গ'লো কলেজীয়া জীৱনলৈ। ৰালৰ ওচৰত আমিও আওৰালো চিনেমাৰ বচন 'জাহাপনাহ তুচী গ্ৰেট হ', তহফা কবুল কৰঅ'" ফটো তুলিলো কেইবাখনো। তাৰ পৰাই আমি আহি হোটেলত নামিলোহি। পিছদিনাই আমাৰ ওভটনি যাত্ৰা। আমি ঘূৰি যাম দিল্লীলৈ।

পিছদিনা ২৯ জুলাই ২০২২। আমাৰ দিল্লীৰ বিমান আছিল বাৰ বাজি পাচঁ মিনিটত। হোটেলত পুৱাৰ আহাৰ কৰি ওলাই গ'লো। আমাক "মেক মাই ট্ৰিপৰ" গাড়ীৰে শেষ বিদায় দিলেহি। সকলো ঠিকেই আছিল পিছে বিমানবন্দৰ পাইহে দেখি আচৰিত হ'লো যে ঠাইখন লোকে লোকাৰণ্য। খবৰ কৰি গম পালোঁ যে পুৱাৰ বিমান সকলো বাতিল হৈছে বেয়া বতৰৰ বাবে। বাহিৰৰ পৰাও এখনো বিমান অহা নাই। আমাৰ বিমানৰ তেতিয়ালৈকে একো খবৰ অহা নাই। ক্ষীণ আশা এটা লৈ কিছু সময় অপেক্ষা কৰিলো। ঠিক এক বজাত দুঃসংবাদটো আহিল আমাৰ বিমানো বাতিল হোৱাৰ। লেহৰ আকাশ তেতিয়া মুকলি, ভবাই নাছিলো এনে পৰিস্থিতিত পৰিম বুলি। খবৰ কৰি গম পালো যে মানালী আৰু শ্ৰী নগৰৰ বতৰ অতি বেয়া আৰু বিমানৰো পথ সেইটোৱেই। গতিকে বিমান এৰা সম্ভৱ নহয়। উপায়ন্তৰ হৈ এখন টেক্সি লৈ পুনৰ এখন হোটেল পালোগৈ। এইবাৰ নামিলোগৈ "লাডাখ ভিলা" হোটেলত। মনত চিন্তা কিমান দিন বা লাগে বতৰ মুকলি হ'বলৈ। বিমানবন্দৰটো সঠিক সমাধান দিব নোৱাৰিলে। আনহাতে আমাৰ এক আগষ্টত বাংগালুৰুৰ বিমানৰ টিকট আছে। আমাৰ ফোনেও কাম নকৰে তাত। গতিকে হোটেল পায়েই ৱাই ফাই লগাই লৈ মেক মাই ট্ৰিপৰ প্ৰগ্ৰেম ক'অৰডিনেটৰ জনলৈ ফোন কৰিলো। আমাৰ সমস্যাৰ কথা বুজাই ক'লো। তেখেতে মোক সকাহ দি কিবা এটা ব্যৱস্থা কৰাৰ কথা ক'লে। ঠিক অলপ সময়ৰ পিছতে ফোন আহিল, আমাৰ চাৰিটা আৰু আন দুটা টিকট জৰুৰী হিচাবে ৩১ তাৰিখে কৰি দিছে। বহুত ধন্যবাদ জনালো তেখেতক। ব্যৱসায়িক তৎপৰতাৰ শলাগ ল'লো।

দুদিন লেহত এনেয়ে কটালো। হোটেলখন বজাৰৰ ওচৰতে হোৱাত এনয়ে ঘুৰি ফুৰি কটালো। ভালেই লাগিল, সকলো চিনাকি হৈ পৰিল। মনৰ শংকা আতৰা নাছিল ৩১ তাৰিখে বা কি হয়! ৩১ তাৰিখে আহি সঠিক সময়ত বিমানত বহিলোগৈ। আকৌ লাগিল লেঠা। বতৰ বেয়া বাবে আমাৰ বিমান কিছু পলম হ'ব বুলি ঘোষণা কৰিলে। দুঃচিন্তাৰ অন্ত নাই। বিৰক্তিকৰ তিনি ঘন্টা বিমানত বহি পাৰ কৰিলো, যেন আমাক পণবন্দী কৰিছে এনে অনুভৱ হ'ল। আবেলি তিনি বজাত বিমান এৰাৰ ঘোষণা কৰিলে। মৰু চহৰ লেহক বিদায় দি আমাৰ মন উৎফুল্লিত হৈ উঠিল। মৰু চহৰ লেহক বিদায় দি আমাৰ বিমানে কংক্ৰিটৰ চহৰ দিল্লীত অৱতৰণ কৰিলে বিয়লি চাৰি বাজি পোন্ধৰ মিনিটত। আমিও স্বস্তিৰ নিঃশ্বাস এৰিলো। এটি ৰোমাঞ্চকৰ অভিজ্ঞতাৰ পৰিসমাপ্তি ঘটিল। পিছদিনাই আমি যাম বাংগালুৰুলৈ।

# VERMI COMPOST (কেঁচুসাৰ)

ড° চুলতানা হাজৰিকা
প্ৰাক্তন অধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ
ডি.হ.সু. কানৈ মহাবিদ্যালয়

কেঁচুসাৰ বা Vermi Compost হৈছে কেঁচুৰ দ্বাৰা পাচন ঘটাই উলিওৱা এবিধ খেতিত ব্যবহাৰ কৰা জৈৱিক সাৰ।

পছিযোৱা পেলনীয়া বস্তুবোৰ কেচুৱে হজম কৰে আৰু কেচুসাৰ উৎপন্ন কৰে। ইয়াত ব্যৱহাৰ কৰা পেলনীয়া বস্তুবোৰ হৈছে - পাকঘৰৰ পৰা ওলোৱা পেলনীয়া বস্তু, কলগছ, গোবৰ আৰু যিকোনো কামত নলগা খোৱা বস্তু ইত্যাদি। মাত্ৰ ইয়াত ব্যবহাৰ কৰা সকলো বস্তু জৈবিক হ'ব লাগিব।

এই সাৰ উৎপন্ন কৰিবলৈ কেইবাবিধো বিভিন্ন প্ৰকাৰৰ কেঁচুৰ ব্যৱহাৰ কৰিব পৰা যায়। যেনে Red wiggbrs, Whicte worms আৰু আন ব্যবহাৰ যোগ্য কেঁচুৰ প্ৰকাৰ ব্যবহাৰ কৰিব পাৰি, মাত্ৰ এবিধ কেঁচু একে সময়ত ব্যবহাৰ কৰিব লাগিব। এই কেচুসাৰক Worm Casting, Worm humus, worm manure বা worm faces বোলা হয়। এই কেচুসাৰত অতি উচ্চহাৰত বিভিন্ন প্ৰকাৰৰ পোষক (nutrients) আৰু জৈবিক বস্তু আৰু অতি কম পৰিমাণৰ প্ৰদুষিত বস্তু থাকে, যিয়ে মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি কৰে, মাটিৰ গুণাগুণ নষ্ট নকৰে, লগতে অধিক উৎপাদনত সহায় কৰে, যি জনসাধাৰণৰ স্বাস্থ্যৰ ক্ষতি নকৰে। কেঁচুসাৰত পৰ্যাপ্ত পৰিমাণত পানীত মিহলি হ'ব পৰা পদাৰ্থ আছেবাবে (Water soluble nutrients) ই এবিধ অতি উৎকৃষ্ট ফলপ্ৰসু সাৰ যাৰ ব্যবহাৰে এক সুস্থ বাতাবৰণ সৃষ্টি কৰাত অৰিহণা যোগায়।

পেলনীয়া পানীৰ (waste water) পৰা দুষিত পদাৰ্থ শোধিত কৰিবলৈ আৰু পায়খানাৰ পৰা ওলোৱা প্ৰদুষিত পানীক শোধিত কৰিবলৈয়ো কেঁচুসাৰ ব্যৱহাৰ কৰা হয়।

কেঁচুসাৰ উৎপাদনৰ বাবে যিকোনো আকাৰৰ pit বা বাকচ বা block বা গাঁত প্ৰস্তুত কৰিব পাৰে। এই জোখ 2m x 1m x 0.75m অৰপৰা আৰম্ভ কৰি 20m x 10m x 5mৰ লৈকে ঠাইৰ অনুসাৰে বনাব পাৰি। এই গাঁত বা pit, ইটা, চিমেণ্ট, বাঁহ, প্লাষ্টিক বা কাঠেৰেও বনাব পাৰি। সাধাৰণতে ঘৰৰ পিছফালে বাৰিৰ চুকত অথবা RCC ঘৰৰ ছাদত এই গাত, বাকচ বা পিট নিৰ্দিষ্ট জোখত প্ৰয়োজন অনুসাৰে বনাব পাৰি। pit বা গাঁতটো অলপ এফালে হেলনীয়া কৰি পানী ওলাই যোৱাৰ ব্যৱস্থা কৰাতো অতি প্ৰয়োজন।

প্ৰথমতে যিকোনো আকাৰৰ pit বা গাতত ব্যৱহাৰ কৰিব লগা কেঁচুবোৰ এতৰপ মাটি দিয়াৰ পাছত তাত সিঁচি দিব লাগে, তাৰ পাছত ইয়াৰ ওপৰত আধালৈকে গাঁতটো মাটিৰে পুৰ কৰি তাৰ পাছত কলগছ, মেতেকা সৰু সৰু টুকুৰা কৰি ভৰাব লাগে, লগতে জাৰৰ আৰু পেলনীয়া খোৱা বস্তুও তাত দিয়াতো অতি প্ৰয়োজন। ইয়াত অতি কম পৰিমাণৰ পানীৰ দৰকাৰ, সাধাৰণতে pit বা গাঁতটো সেমেকা ৰ'দ নপৰা ঠাইত হ'ব লাগে। কেঁচুৱে তেনে ঠাই পচন্দ কৰে আৰু বংশবৃদ্ধি কৰে। তদুপৰি গাঁতটোৰ ওপৰত এখন চালি দিয়াতো অতি প্ৰয়োজন, ইয়াত আধাকেঁচা গোবৰ 40%, কলগছ, পেলনীয়া খোৱা বস্তু, মেটেকা আদি 60% হিচাবত দিব

পাৰি, গোবৰবোৰ ২০/২৫ দিন পুৰণা হ'লে ভাল।

কেঁচুৱে গাঁতত দিয়া বস্তুবোৰ খাবলৈ ধৰিব আৰু হজমকৰি দেহৰ পৰা উলিয়াই দিব। ইয়েই কেঁচুসাৰ। উৎকৃষ্ট কেঁচুসাৰ উৎপন্ন হ'বলৈ সাধাৰণতে প্ৰায় এমাহৰ পৰা ৪০ দিন পযন্ত সময়ৰ প্ৰয়োজন হয়। এটা 20ft/7ft/1.5ft গাঁতৰ পৰা ৫ কুইন্টল কেঁচুসাৰ ৪০/৪৫ দিনৰ ভিতৰত উৎপন্ন হ'ব। প্ৰতি কিলোত Rs. ২০ টকাকৈ বজাৰত বিক্ৰি কৰি অতি কম ধন, কম কষ্টৰ বিনিময়ত কম ঠাই ব্যৱহাৰ কৰি বেছি লাভ কৰিব পাৰি। মন কৰিবলগীয়া যে, জাৰ্চি গাইৰ পৰিবৰ্তে স্থানীয় গৰুৰ গোবৰ বেছি উৎপাদনশীল।

গুৱাহাটীৰ/যোৰহাটৰ কৃষি বিজ্ঞান কেন্দ্ৰই উৎপাদনশীল কেঁচুৰ যোগান ধৰে। উৎপাদক সকলক তেওঁলোকে প্লাষ্টিকৰ বেগৰ যোগান ধৰে আৰু দিহা পৰামৰ্শও আগবঢ়ায়। কেঁচুসাৰ উৎপাদনৰ ওপৰত তেওঁলোকে ১০/১২ দিনৰ ট্ৰেইনিং দি তেওঁলোকক প্ৰয়োজনীয় যেনে কেঁচু, প্লাষ্টিকৰ বেগ আৰু অন্যান্য কামত লগা অপৰিহাৰ্য লাগতিয়াল বস্তুৰ যোগান ধৰে।

এইখিনিতে মন কৰিব লগীয়া যে, pit বা গাঁতটো বনাওতে এফালে হেলনীয়া কৰি সেই চুকত এডাল নলী লগাই দিব লাগে যাতে ৰাহি হোৱা পানীখিনি এই নলীয়েদি ওলাই যাব পাৰে। নলীৰ মুৰটোত এটা পাত্ৰ থৈ তাত এই পানী সংগ্ৰহ কৰিব লাগে। ইয়াক কোৱা Vermi waste এই Vermi waste অতি উৎকৃষ্ট কীটনাশক আৰু সাৰ, যাৰ কোনো অপকাৰী গুণ নাই। এনে এক লিটাৰ Vermi waste অত ১০ লিটাৰ পানী মিহলি কৰি তাত ভেদাইলতা নৰসিংহ, বিহলঙনী, নিমপাত আদিৰ ৰস মিহলাই দিলে তাৰ গুণাগুণ আৰু উৎকৃষ্ট হয়। বজাৰত প্ৰতি লিটাৰত ১০০ টকা দৰত ইয়াক বিক্ৰি কৰি উপাৰ্জন বৃদ্ধি কৰিব পাৰি। ই উত্তম কীটনাশক আৰু সাৰ।

ঠাইৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি কেইবাটাও পিট বা গাঁত বনাব পাৰি। ৰ'দ নপৰা, জেকা কিঞ্চিত আন্ধাৰ ঠাই পছন্দ কৰি কেঁচুসাৰ প্ৰস্তুত কৰণৰ গাঁত নিৰ্মাণ কৰিব পাৰি। Bed বা কেঁচুসাৰৰ গাঁত বোৰ পূৰ্ণ কৰি কেঁচুবোৰ মেলি দিয়া হয় আৰু দুই তিনিদিনৰ অন্তৰে অন্তৰে পানী ছটিয়াই থাকিব লাগে। এই পানীবোৰে Bed বা pit জেকা কৰি ৰাখিব আৰু অতিৰিক্ত পানীখিনি হেলনীয়া কোণেৰে নলীয়েদি বাহিৰ হৈ যাব আৰু Vermi waste হিচাবে ব্যবহাৰ কৰিব পাৰিব।

কেঁচুসাৰ উৎপাদনৰ লগে লগে ব্যবহাৰ যোগ্য কেঁচুবোৰৰ বংশবৃদ্ধি কৰি ১০০০ অৰ পৰা ১২০০ টকা কিলোত বজাৰত বিক্ৰি কৰিব পাৰি। 15ft/8ft/4ft জোখৰ এটা গাত বা Bed ত প্ৰায় ৬০০০ কেঁচু মেলিলে এমাহ/৪৫ দিনৰ ভিতৰত ৫ অৰ পৰা ৬ টন কেঁচুসাৰ উৎপাদন কৰিব পাৰি। ই অতি উৎকৃষ্ট মানদণ্ডৰ হয়।

আজিকালি নান ধৰণৰ ৰাসায়নিক প্ৰক্ৰিয়াৰে গাঁত বা পিট বোৰত কেঁচুৱে যাতে সহজে হজম কৰিব পাৰে তাৰ ব্যৱস্থা কৰা দেখা গৈছে, ই অতি ক্ষতিকাৰক আৰু এনে নকৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা আইনী ব্যবস্থা কৰিব লাগে। নহ'লে জৈৱিক সাৰৰ প্ৰকৃত মুল্যাঙ্কন অৰ্থহীন হ'ব। পচা বস্তু, গোবৰ, মেটেকাবোৰ গাঁতত দিওঁতে চাব লাগে যাতে কোনো প্লাষ্টিকৰ টুকুৰা নাযায়।

কেঁচুসাৰ অতি কোমল দেহৰ প্ৰাণী, সামান্য টান বা গোটা বস্তুৱে ইহঁতৰ দেহত আঘাট হানিব পাৰে। এই ক্ষেত্ৰতো আমি সাবধান হোৱা ভাল। ইহঁতে আন্ধাৰ আৰু সেমেকা ঠাই ভাল পায়। সেয়েহে Bed খন বনাওঁতে গোবৰ, কটা কলগছ, মেতেকা আদি প্ৰায় ২১ দিন মান থকাৰ পাছত যেতিয়া বস্তুবোৰ পচিবলৈ ধৰে আৰু উষ্ণতা কমি যায় তেতিয়া তাত কেঁচুবোৰ মেলিব লাগে।

কেঁচুবোৰ অতি সহজে কম পৰিসৰত, কম খৰছত উৎপাদন কৰিব পাৰি। ৰাসায়নিক সাৰৰ দৰে ই সহজে মাটিৰ পৰা বাহিৰ হৈ নাযায়, কিয়নো ইয়াত কেঁচুৰ mucus বা লালটি মিহলি হৈ থাকি মাটিত খোপনি পুতি ৰয়। গছে সহজে এই সাৰ গ্ৰহণ কৰে। কেঁচুসাৰ ব্যৱহাৰ কৰা মাটিয়ে পানী ধৰি ৰাখিব পাৰে। কেঁচুসাৰত সাধাৰণতে থকা nutrient বা পোষণযুক্ত বস্তু থাকে, সেইবোৰ হৈছে বিশেষকৈ Phosphorus অৰ পৰা 1.3% অৰ পৰা 1.6%, Potassium 0.8% অৰ পৰা 15.8% ইত্যাদি।

গতিকে কেঁচুসাৰ ব্যবহাৰ কৰিলে গছে অকল পোষণেই নহয় বৰং পৰ্যাপ্ত পৰিমাণৰ Moisture, ventilation পোষণ পায় যি গছৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰে।

এই সাৰ বৃদ্ধি কৰিলে মাটিৰ উৰ্বৰতা বৃদ্ধি হয় আৰু উৎপাদনো বৃদ্ধি হয় যি অতি স্বাস্থ্যসন্মত। আমি সকলোৱেই এই সাৰ উৎপাদন আৰু প্ৰয়োগক গুৰুত্ব দিব লাগে।

# দেশদ্ৰোহী বদনচন্দ্ৰ বৰফুকন

**যাদৱ গগৈ**
প্ৰাক্তন ছাত্ৰ, ডিব্ৰুগড়

'কিয়নো আনিলি মান বদন তই
কিয়নো আনিলি মান
জাউতিযুগীয়া কিৰিতি ৰাখিলি
কাললৈ ৰাখিলি নাম।'

উক্ত লোক-মালিতাৰ পৰাই অসম বুৰঞ্জীৰ চৰ্চিত ব্যক্তি বদনচন্দ্ৰ বৰফুকন চৰিত্ৰৰ উমান পোৱা যায়। বিশ্ব ইতিহাসৰ বাবে অসমৰ ছশ বছৰীয়া আহোম ৰাজত্বকাল অতিকে গুৰুত্বপূৰ্ণ। কাৰণ একোটা ৰাজপৰিয়ালে নিৰবচ্ছিন্নভাৱে সুদীৰ্ঘ কাল শাসন পৰিচালনা কৰাৰ নজিৰ নাই। এনে দীঘলীয়া শাসনৰ অন্তৰালত আহোমৰ স্বৰ্গদেউ, ডা-ডাঙৰীয়া, বিষয়াসকলৰ কৰ্মদক্ষতা, অৱদান অতিকে গুৰুত্বপূৰ্ণ। অসমৰ সকলো দিশৰ উন্নয়ন সাধনৰ ক্ষেত্ৰত আহোম ৰাজত্বকাল ইতিহাসৰ বাবেই বিখ্যাত। সুদীৰ্ঘ পৰিক্ৰমাৰে ধাৱিত হোৱাৰ পথত যিমানবোৰ সুকৰ্ম হৈছিল, ঠিক তেনেদৰে কুকৰ্মও নোহোৱা নহয়। সুকৰ্ম আৰু কুকৰ্ম এটা মুদ্ৰাৰ দুটা পিঠি, যাৰ পৰা আহোম সাম্ৰাজ্যৰও হাত সাৰিব পৰা নাছিল। এসময়ত আহোম ৰাজত্বকালৰ অৱনতি ঘটিছিল। এইক্ষেত্ৰত বিদেশী আক্ৰমণসমূহে বিশেষ ভূমিকা পালন কৰিছিল। বিদেশী আক্ৰমণৰ লগত এটি নাম জড়িত হৈ আছে। ইতিহাসৰ পাতত লিপিবদ্ধ হৈ থকা এইজন ব্যক্তি আন কোনো নহয়, অসমভূমিলৈ মান আনি দেশদ্ৰোহিতাৰ পৰিচয় দিয়া ব্যক্তি বদনচন্দ্ৰ বৰফুকন। নামটোৱেই দেশদ্ৰোহিতাৰ কথা ব্যক্ত কৰে। আজিও সমাজত ঘটি থকা কিছুমান ঘটনাৰ লগত জড়িত লোকক বদনচন্দ্ৰ বৰফুকনৰ লগত ৰিজনি দিয়াই জানো ইয়াৰ প্ৰমাণ নহয়।

বদনচন্দ্ৰ বৰফুকন আছিল ৰঙাচিলা দুৱৰাৰ ঘৰৰ হৰনাথ ভিতৰুৱাল ফুকনৰ পুত্ৰ। তেওঁ সেনাপতি ফুকন আৰু পিছলৈ বৰফুকন পদ লাভ কৰিছিল। ৰঙাচিলা দুৱৰাৰ ঘৰৰ পৰিয়ালৰ বহুকেইজন লোকে ৰাজ বিষয়াৰ পদবীৰ বাব খাইছিল। বদনচন্দ্ৰ ওৰফে ঘিণাইৰ কাৰ্যকলাপ অসম বুৰঞ্জীৰ পাতত কলংকিত অধ্যায়ৰূপে পৰিগণিত হৈ আছে। এইজন ব্যক্তিয়ে বৰফুকন পদত অধিষ্ঠিত হ'বৰ বাবেও ষড়যন্ত্ৰত লিপ্ত হোৱাৰ প্ৰমাণ বুৰঞ্জীত উল্লেখ আছে। বদনচন্দ্ৰ গুৱাহাটীত আছিল আৰু বিভিন্ন ছল-চাতুৰিৰে বৰফুকন পদ লাভ কৰে। আৰম্ভণিৰে পৰা বৰফুকন বিভিন্ন অপকৰ্মত লিপ্ত আছিল। ছলে-বলে-কৌশলে এইজন ব্যক্তিয়ে নিজৰ স্বাৰ্থ পূৰণত সিদ্ধহস্ত আছিল। উল্লেখযোগ্য যে বুৰঞ্জীপ্ৰসিদ্ধ দন্দুৱাদ্ৰোহত জড়িত থকাৰ অপৰাধত বদনক পদৰ পৰা বহিষ্কাৰ কৰা হয়। কলীয়াভোমোৰাক বৰফুকন পদত নিযুক্তি দিয়া হয় যদিও কালৰ কুটিল গ্ৰাসে এইজনা দক্ষ বিষয়াক অতি সোনকালে হৰি নিয়াত পুনৰ বদনচন্দ্ৰ বৰফুকন পদত অধিষ্ঠিত কৰা হয়।

পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে কমলেশ্বৰ সিংহ, চুডিংঘা বা চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালত বিচক্ষণতাৰ বাবে প্ৰায়ে একত্ৰিশ বছৰ কাৰ্য সম্পাদন কৰিছিল। ইতিহাসৰ পৃষ্ঠাত এইগৰাকী বিষয়াৰ বিষয়ে সোণালী আখৰেৰে সবিস্তাৰে লিপিবদ্ধ হৈ আছে। ল'ৰামতীয়া চন্দ্ৰকান্ত সিংহই ৰাজপাটত উঠাৰ সময়ত

পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে প্ৰকৃত শাসক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে কাৰ্য সম্পাদন কৰিছিল। চন্দ্ৰকান্ত সিংহৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি বহু আভ্যন্তৰীণ খেলিমেলিৰ সৃষ্টি হয় আৰু ছশবছৰীয়া আহোম ৰাজত্বৰ বেলিও মাৰ যাবলৈ আৰম্ভ কৰে। তদুপৰি ভূতৰ ওপৰত দানহ পৰাৰ দৰে পূৰ্ণানন্দ বুঢ়াগোহাঁইক চিৰ শত্ৰু জ্ঞান কৰা মিতিৰ 'বিঁয়ে' বদনচন্দ্ৰ বৰফুকনৰ ক্ষমতালিপ্সাই ইয়াৰ গতি অধিক তীব্ৰ কৰি তোলে। এইবোৰৰ বিচাৰৰ বাবে বদনচন্দ্ৰ বৰফুকনৰ বিষয়ে আলোচনা কৰাটো খুবেই প্ৰয়োজন।

গুৱাহাটীৰ বদনচন্দ্ৰ বৰফুকন ক্ষমতালোভী, অৰ্থলোভী হোৱাৰ উপৰি অত্যাচাৰী আছিল। তেওঁৰ পুত্ৰদ্বয় জন্মি আৰু পিয়লিও অতিকে নৃশংস আৰু অত্যাচাৰী আছিল। অসমলৈ মান সৈন্যক অনাৰ অন্তৰালত বহুবোৰ কাৰণ আছে। এইবোৰ উল্লেখ নকৰিলে চিত্ৰখন উজলি উঠাত ব্যাঘাত জন্মিব। প্ৰথমবাৰ বৰফুকন পদৰ পৰা পদচ্যুত কৰাৰ পিছত পুনৰ একেজন ব্যক্তিক নিযুক্তি দিয়াটোৱেই আছিল এক ডাঙৰ ভুল সিদ্ধান্ত। চন্দ্ৰকান্ত সিংহৰ দিনত পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে ডা-ডাঙৰীয়া-বিষয়া ভঙা-পতা কৰি সকলো ক্ষমতা নিজৰ হাতলৈ আনিছিল। বুঢ়াগোহাঁইৰ ক্ষমতা আৰু শক্তিৰ প্ৰতি বদনৰ লোভ, ঈৰ্ষা, প্ৰতিদ্বন্দ্বিতা দিনকদিনে ইমানেই বৃদ্ধি পাইছিল যে ইয়াৰ চৰম পৰ্যায় অতিক্ৰম কৰিছিল। এইখিনিতে পুনৰ দুটামান ঘটনাৰ উল্লেখ কৰাটো খুবেই প্ৰয়োজন।

কুকুৰাচোৰা বৰা ভূতৰ পুতেক সংৰাম আৰু কন্যা লেখনী ৰজা চন্দ্ৰকান্ত সিংহৰ ল'ৰালি কালৰ বন্ধু। কাণসমনীয়া সংৰাম আছিল বুদ্ধিত চোকা, কপটীয়া স্বভাৱৰ। ৰজাক বিভিন্ন মনভুলোৱা কথাৰে আকৃষ্ট কৰি ৰজাৰ অনুগ্ৰহ আদায় কৰাৰ লগতে চাৰিঙিয়া ফুকন পদ লাভ কৰিবলৈ সক্ষম হৈছিল। চাৰিঙিয়া ফুকন সংৰামে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ প্ৰতিটো কামত পদে পদে ব্যাঘাত জন্মোৱাৰ লগতে এসময়ত বদনৰ লগত লগ হৈ বুঢ়াগোহাঁইক হত্যা কৰাৰো আঁচনি কৰিছিল। কিন্তু আঁচনিৰ কথা ফাদিল হোৱাত সংৰামক নিৰ্বাসন দি পিছলৈ হত্যা কৰা হয়। এটা কথা উল্লেখযোগ্য যে বদনে বৰফুকন পদত নিযুক্তি পাবৰ কাৰণে বঙাল হাজাৰসিঙৰ সহায় লাভ কৰিছিল। জমাদাৰ হাজাৰসিঙে ধনৰ লোভত বদনক সহায় কৰিছিল। পৰৱৰ্তী সময়ত জোনানগিৰি নামৰ বঙাল এজনৰ নেতৃত্বত গুৱাহাটী আক্ৰমণ কৰি অধিকাৰ কৰাত বদনচন্দ্ৰ বৰফুকন পিছ হুঁহকিবলৈ বাধ্য হয়। বুৰঞ্জীত উল্লেখ আছে পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বঙালৰ আৰ্হিৰে এক সৈন্য দল গঠনৰ উদ্দেশ্যে নিয়মৎউল্লাক নেতৃত্ব প্ৰদান কৰিছিল। বুঢ়াগোহাঁয়ে মাহিলি এক মোটা অংকৰ ধন দিবলগীয়া হৈছিল। ইফালে বদন বৰফুকনে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে হাজাৰসিঙৰ সহায়ৰ বিনিময়ত ষাঠি হাজাৰ টকা দিবলৈ মন্দিৰ, দ'ল-দেৱালয়ৰ সা-সম্পদ লুণ্ঠন কৰি প্ৰদান কৰে। বৰফুকনৰ এনে কাৰ্যৰ পৰিণতি হিচাপে বুঢ়াগোহাঁয়ে নিয়মৎউল্লাক বেতন দিয়াৰ বাবে কষ্টকৰ হৈ পৰে। তদুপৰি বদনৰ অত্যাচাৰৰ লগতে পুত্ৰদ্বয় জন্মি আৰু পিয়লিৰ বিকৃত আনন্দ উপভোগত গুৱাহাটীবাসী অতিষ্ঠ হৈ পৰিছিল। বদন বৰফুকনৰ অত্যাচাৰ-দুৰ্নীতি দিনকদিনে বৃদ্ধি পোৱাৰ কথা ফাদিল হয় আৰু তেওঁক পদৰ পৰা বহিষ্কাৰ কৰি কলীয়াভোমোৰাক গুৱাহাটীৰ বৰফুকন নিযুক্তি দিয়ে। কিন্তু কালৰ কুটিল সময়ে কলীয়াভোমোৰাক বেছিদিন বাব খাবলৈ নিদিলে। কম সময়ৰ ভিতৰত এইগৰাকী বিচক্ষণ বিষয়াৰ মৃত্যু হোৱাত পুনৰ বদনক বৰফুকন হিচাপে নিযুক্তি দিয়াত বেলি মাৰ যোৱাৰ পথ সুগম হয়। এসময়ত সংৰামে সমৰ্থকসহ বৰফুকনৰ লগত লগ হৈ বুঢ়াগোহাঁইৰ বিৰুদ্ধে কুৎসা ৰটনা কৰে। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মাজু বোৱাৰী বদনৰ জী পিজৌ গাভৰুৰ গোপন বাৰ্তা পাই বদন অধিক ক্ৰোধান্বিত হৈ উঠে। এসময়ত পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বদনচন্দ্ৰ বৰফুকন, সংৰামসহিতে সংগীসকলৰ বিচাৰ আৰম্ভ কৰে। বিচাৰত দোষী সাব্যস্ত হয় যদিও ৰজাই সংৰামক বিচাৰৰ ক্ষেত্ৰত হাজিৰ হ'বলৈ হাক দিয়ে আৰু নিৰ্বাসন দিয়ে। ৰংপুৰৰ চ'ৰাত বদন-সংৰাম দোষী সাব্যস্ত হোৱাত বুঢ়াগোহাঁয়ে মহেশ্বৰ পৰ্বতীয়া ফুকনক বদনক ধৰিবলৈ প্ৰেৰণ কৰে। কিন্তু বুঢ়াগোহাঁইৰ গোপন অভিসন্ধিৰ কথা বোৱাৰীয়েক পিজৌৱে বাপেকক আগতীয়াকৈ জনোৱাত বদনচন্দ্ৰ গুৱাহাটী এৰি ৰাতিয়েই নাৱেৰে ভটিয়াই যায়। বৰফুকন অসম এৰি চিলমাৰী হৈ কলিকতাত উপস্থিত হয়। বংগস্থিত গৱৰ্ণৰ জেনেৰেলক বদনে আবেদন জনালে যে অসমত ৰজা নাই বুঢ়াগোহাঁয়ে ৰাজ্য শাসন কৰি বা-বিষয়াক কাটি-মাৰি খাস্তাং কৰিছে। ৰজাক ৰাজপাটত বহুৱাই দেশ সুস্থিৰ কৰিবলৈকে সামৰিক সাহায্যৰ প্ৰয়োজন। ব্ৰিটিছে বদনৰ এই আবেদন পোনচাটেই নাকচ কৰাত বৰফুকন বিমুখ হৈ পৰে। সেই সময়তে গুৱাহাটীত এজন ব্ৰহ্মদেশৰ কটকীক লগ পায় আৰু সকলোবোৰ বিৱৰি কোৱাত তেওঁ মান দেশলৈ লৈ যাবলৈ সন্মত হয়। ইয়েই এসময়ত

মান সৈন্যক অসমলৈ আহিবলৈ উদ্‌গণি যোগায়।

গভীৰ অভিসন্ধি ষড়যন্ত্ৰৰ বিষয়ে পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে অৱগত হোৱাত অভিযুক্তসকলক বন্দী কৰি শাস্তি প্ৰদানৰ বাবে আলচ কৰে। কিন্তু বুঢ়াগোহাঁইৰ ঘৰত হোৱা গোপন আলোচনাৰ কথা বৰফুকনৰ জীয়ৰী বুঢ়াগোহাঁইৰ বোৱাৰী পিজৌৱে বাপেকলৈ প্ৰেৰণ কৰে। জীয়েকৰ গোপন পত্ৰই বদনক পলাই যোৱাত সহায় কৰে আৰু পোনে পোনে গৈ বঙাল দেশৰ ব্ৰিটিছৰ সহায় ভিক্ষা কৰে যদিও সেই আশা পূৰ্ণ নহ'ল। কিন্তু সময় যেন পূৰ্ণানন্দ গোহাঁইৰ বাবে বৈ আছিল। পৰিণামস্বৰূপে ব্ৰহ্মদেশৰ কটকীজনক লগ পাই মান দেশলৈ ৰাওনা হয় আৰু তেওঁৰ মনৰ আশা পূৰ্ণ হয়। মান দেশত ভৰি দিয়েই চতুৰ ৰাজনীতিজ্ঞৰূপে খ্যাত বৰফুকনে দেশৰ তলানলাৰ ভু লৈ গম পালে যে মান ৰজাৰ ৰাণী অসমৰ জীয়ৰী। তাতে দুৰৰাৰ ঘৰৰ। বদনো এই ৰঙাচিলা দুৰৰাৰ ঘৰৰে হোৱাৰ সুবাদত ৰাণীৰ সৈতে ঘনিষ্ঠতা বৃদ্ধি পায়। মান ৰজাৰ ৰাণী ৰঙিলী কুঁৱৰীক এসময়ত চিংফৌ ৰজাই আক্ৰমণ কৰিবলৈ অহাত পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে ৰজা বিছাংগলী উপহাৰ হিচাপে দি সম্ভাব্য বিপদৰ পৰা হাত সৰাৰ লগতে মিত্ৰতা স্থাপন কৰিছিল। সুন্দৰী ৰঙিলীক বিছাংগে মান দেশৰ ৰজাক উপহাৰ হিচাপে প্ৰদান কৰি মিত্ৰতা স্থাপন কৰিছিল। ৰূপে-গুণে বিভূষিতা ৰঙিলী কুঁৱৰীয়ে মান দেশৰ ৰাজকাৰেং শুৱনি কৰাই নহয়, পাটমাদৈৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল যদিও ৰঙিলী কুঁৱৰী যে ব্ৰহ্মদেশৰ ৰাণী সেই কথা কাৰোৱেই অৱগত নাছিল। বৰফুকনে ৰঙিলী কুঁৱৰীৰ বিষয়ে সবিশেষ গমি-পিতি তেওঁ অহাৰ কথা ব্যক্ত কৰে— 'অসমৰ ৰাজপাটত ৰজা নাই, বুঢ়াগোহাঁই ৰজা হৈ কাটি-মাৰি মানুহক খাস্তাং কৰিছে। ময়ো জীৱন লৈ পলাই আহিছো। মোক সৈন্য-সামন্ত সহায় লাগে। দেশ উদ্ধাৰ কৰি ৰাজ্য ৰজাক শোধাই দিম।' বৰফুকনৰ কথাৰ পাকতপৰি ৰজাৰ অনিচ্ছা সত্বেও বৰফুকনৰ সৈতে সৈন্য প্ৰেৰণ কৰিবলৈ বাধ্য হয়। সময়ত শৰ মাৰিব জনা চতুৰ বদনে ৰজাৰ সন্মতিত উজান দি ক'লে— 'কোনো বিপদ-বিঘিনি নোহোৱাকৈ মান সৈন্যক বাট দেখুৱাই নিয়াৰ লগতে যথোপযুক্ত ৰচদপাতিৰ যোগান ধৰাৰ লগতে ৰজাৰ বাবে এগৰাকী সুন্দৰী ৰাজকুঁৱৰী উপহাৰ দিব। অসমৰ ইতিহাসত ক'লা অধ্যায়ৰ আৰম্ভণি পৰ্ব ঘটে এনেদৰেই।

প্ৰতিশোধপৰায়ণ, ক্ষমতাৰ প্ৰতি অন্ধ, অপমানৰ পোতক তুলিবলৈ সদাপ্ৰস্তুত বদনচন্দ্ৰ বৰফুকনে মান ৰজাৰ আতিথ্য, সৈন্য-সামন্ত সাহায্যৰে শক্তিশালী হৈ নিজ দেশক আক্ৰমণ কৰিবৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰে। প্ৰায় ষোল হাজাৰ মান সৈন্যই পাটকাই পৰ্বত অতিক্ৰমি দিহিঙৰ পাৰত প্ৰৱেশ কৰেহি। বৰফুকনে তিপামৰ ঘিলাধাৰীঘাটৰ পাৰত কোঠ মাৰে। স্বাৰ্থান্বেষী, ক্ষমতালিপ্সু বৰফুকনে নিজ স্বাৰ্থক সুৰক্ষিত কৰিবৰ বাবে নিজৰ পুতেক এটাক স্বৰ্গদেউ গৌৰীনাথ সিংহৰ পুতেক বুলি চিনাকি দিয়াৰ লগতে প্ৰকৃত উত্তৰাধিকাৰী বুলি প্ৰকাশ কৰে। এনে কাৰ্যত মান সেনাই প্ৰকৃত উত্তৰাধিকাৰী চিনাকি কৰিবৰ বাবে অসমৰ তিনিওগৰাকী ডাঙৰীয়াক পত্ৰৰ জৰিয়তে অৱগত কৰে। আমি ৰাজ্যত ভাইৰজাৰ বংশৰ ৰজা নাই বুলি শুনি আহিছো। আমাৰ লগত ৰাজকোঁৱৰ গৰ্ভেসিং আহিছে। বৰফুকনো আহিছে। কেইজনমান কটকী পঠিয়াই চিনাকি কৰি দিবা। কামিনী ফুকন নামৰ কটকীজনে সত্যাসত্য বিচাৰ কৰিবলৈ মেলেঙত উপস্থিত হয়গৈ। বদনচন্দ্ৰৰ এনে কু অভিপ্ৰায়ৰ কথাই আহোম সেনাৰ ভিতৰচ'ৰাত ক্ষোভৰ সৃষ্টি কৰে আৰু এসেকা দিবলৈ অভয়পুৰীয়া গগৈ ৰজাখোৱাৰ নেতৃত্বত মান সৈন্যবাহিনীৰ কোঠ আক্ৰমণ কৰে। অপ্ৰত্যাশিতভাৱে মান সেনাৰ হাতত আহোম সৈন্যবাহিনী বেয়াকৈ পৰাজয়বৰণ কৰে আৰু এনে ঘটনাত পূৰ্ণানন্দ বুঢ়াগোহাঁই প্ৰমুখ্যে বিষয়াসকলক অতিকৈ মৰ্মাহত কৰি তোলে। বদনচন্দ্ৰ বৰফুকন আৰু মান সেনা আগন্তুক অত্যাচাৰৰ আশংকাত পূৰ্ণানন্দ বুঢ়াগোহাঁই সন্ত্ৰস্ত হৈ পৰে। এসময়ত পূৰ্ণানন্দ বুঢ়াগোহাঁই কালহীৰা চেলেকি আপোনঘাতী হয়। আহোম ৰাজত্বকালৰ সংকটৰ সময়ৰ শাসনৰ বাঘজৰী ধৰি ৰখা বিষয়া পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৃত্যুৰ লগে লগে অসমৰ আকাশত উদিত সূৰ্যৰ কিৰণ চিৰদিনলৈ মাৰ যায়।

ক্ষমতান্ধ স্বাৰ্থান্বেষী বদনচন্দ্ৰ বৰফুকনে নিজ স্বাৰ্থ পূৰণাৰ্থে অকাৰ্য কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। বৰফুকনৰ জন্মগত এটি গুণ আছিল মিছাক সঁচা হিচাপে প্ৰতিষ্ঠা কৰিব পৰাটো। এসময়ত মান সেনাই আহোম সৈন্যক ঘটুৱাই বৰফুকনে ৰজাৰ ওচৰলৈ কটকী পঠিয়ালে। ৰজাক ক'লে— 'স্বৰ্গদেৱে ভয় খাবলগীয়া নাই। কাৰণ ৰজাক পুনৰ স-সন্মানে থাপিবলৈহে মান সেনা অসমভূমিলৈ আহিছে।' মানৰ হাতত আহোম সৈন্য দিহিঙৰ পাৰৰ কঁঠালগুৰি, চৰাইদেউ, বাইলুঙত পৰাজিত হয়। মানে এফালৰ পৰা গাঁও-ভুঁই জ্বলাই-পুৰি খাস্তাং কৰি আতংকৰ সৃষ্টি কৰে। এসময়ত বদনচন্দ্ৰ বৰফুকনেও মানৰ অত্যাচাৰ সহ্য কৰি নোৱাৰা পৰিৱেশৰ সৃষ্টি হয় যদিও নিজৰ স্বাৰ্থক সুৰক্ষিত কৰিবৰ বাবেই মানৰ কাৰ্যত সহযোগিতা আগবঢ়াইছিল।

পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৃত্যুৰ পিছত পুতে ৰুচিনাথ বুঢ়াগোহাঁই পদত অধিষ্ঠিত হয়। পিতৃৰ পদাংকৰে ৰুচিনাথেও আহোম সাম্রাজ্যক সুৰক্ষা প্রদান কৰিবলৈ চেষ্টা কৰিছিল যদিও সম্ভৱ নহৈছিল। মান সৈন্যই এফালৰ পৰা গাঁও-ভূঁই নিঃশেষ কৰি অহাত ৰুচিনাথে ৰজাক নামনিৰ পিনে আঁতৰি যাবলৈ খাটনি ধৰে। কিন্তু বদন বৰফুকনৰ কটকী উদয় সিংহৰ অভয় দানত স্বৰ্গদেৱে সেই পৰামৰ্শক আওকাণ কৰে। উপায়হীন হৈ সন্দেহ আৰু আশংকাত ৰুচিনাথ বুঢ়াগোহাঁই ভটিয়াই যাবলৈ বাধ্য হয়। চতুৰ বদনচন্দ্ৰ বৰফুকনে মানসৈন্যৰ সৈতে দিচৌ নগৰত উপস্থিত হয় আৰু ৰজাক যথাবিহিত সেৱা-সৎকাৰেৰে নিজৰ কথা ব্যক্ত কৰে। বুধিয়ক বৰফুকনে ক'বলৈ নাপাহৰিলে যে ৰজাক পুনৰ থাপিবলৈহে এই ৰণৰ প্ৰয়োজন। অল্পমতি স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই বৰফুকনৰ মনভুলোৱা আশ্বাসত আনন্দিত হোৱাৰ লগতে বদনক ৰাজসভাত মন্ত্ৰী ফুকনৰ খিতাপ দি বুঢ়াগোহাঁইৰ পদবী প্ৰদান কৰে। ৰজাৰ অনুগ্ৰহত হেৰোৱা সন্মান-মৰ্যাদা পুনৰ পাবলৈ সক্ষম হোৱা বদনচন্দ্ৰ বৰফুকন সৰ্বেসৰ্বা হৈ পৰে। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ সকলো সা-সম্পত্তি মান সৈন্যক উপহাৰ হিচাপে দিয়াৰ লগতে বংশ-পৰিয়ালক নিধন কৰি উক্ত গৃহত থাকিবলৈ লয়। বদনে মান সৈন্যৰ সাহায্যত অসমত নিজৰ খোপনি মজবুত কৰি ক্ষমতা দখল কৰি শাসনকাৰ্যৰ প্ৰকৃত শাসক হৈ পৰে। মান সেনাৰ জৰিয়তে নিজৰ অভিপ্ৰায় পূৰ্ণ হোৱাৰ কৃতজ্ঞতাস্বৰূপে অজস্ৰ ধন-সোণৰ লগতে বগা কোঁৱৰৰ জীয়েক হেমো আইদেউক ৰজাৰ জীয়েক বুলি মান দেশৰ ৰজালৈ উপহাৰ হিচাপে পঠিয়ায়। তদুপৰি পূৰ্বৰ মন্ত্ৰী পৰিষদৰ সকলো ডা-ডাঙৰীয়া, বিষয়াৰ পদ ভাঙি নতুনকৈ নিজা পছন্দ অনুসৰি নিযুক্তি দি মনৰ আশা পূৰণ কৰে।

বদন বৰফুকন ৰাজধানীত সৰ্বেসৰ্বা হৈ পৰিল। বৰফুকনে চন্দ্ৰকান্ত সিংহক 'পুতলা ৰজা' হিচাপে ৰাখিছিল যদিও নুমলী ৰাজমাওৰ প্ৰতি কোনোধৰণৰ সন্মান প্ৰদৰ্শন কৰা নাছিল। বদনৰ স্বেচ্ছাচাৰিতা ইমানেই বৃদ্ধি পালে যে দেশত সন্ত্ৰাসৰ সৃষ্টি হৈছিল। ৰাজমাও, ধনী বৰুৱা, নিৰ্ভয়নাৰায়ণ বৰগোহাঁইৰ নেতৃত্বত বদনচন্দ্ৰ বৰফুকনৰ অত্যাচাৰৰ পোতক তুলিবলৈ আঁচনি প্ৰস্তুত কৰিলে। বদনচন্দ্ৰ বৰফুকনে যিদৰে বঙালৰ সহায়ত বৰফুকন পদ লাভ কৰাৰ লগতে অসমলৈ বিদেশীক আনিলে, ঠিক তেনেদৰে ৰাজমাৱে বঙাল ৰূপসিং চুবেদাৰক এইগৰাকী ক্ষমতালোভী, অত্যাচাৰী বিষয়াক হত্যা কৰিবলৈ আঁচনি কৰিলে। ধনলোভী বঙালে ধনৰ লোভত সকলো কৰিব পাৰে। ৰূপসিং ইয়াৰ ব্যতিক্ৰম নাছিল। লোকগীতত আছে—

'কাউৰীয়ে কৰিবৰ কা
ৰাতিৰে ৰাতিটো ৰূপসিঙে ধৰালে দা।'

ধনলোভী ৰূপসিঙৰ মনতো বদনচন্দ্ৰক হত্যা কৰাৰ আগ মুহূৰ্তত নেদেখাজনৰ প্ৰতি সমীহ হৈছিল। সেই বিষয়ে লোকগীতত আছে—

'চন্দ্ৰক সেৱা সূৰ্যক সেৱা
বসুমতীক সেৱা কৰো।
দায় নধৰিবা কালিকা গোসাঁনী
ৰাইজৰ দ্ৰোহীয়াক মাৰো।'

অহংকাৰেই পতনৰ মূল। বদনচন্দ্ৰ বৰফুকনৰ ক্ষেত্ৰতো এইষাৰ বাক্য সম্পূৰ্ণৰূপে প্ৰযোজ্য। ১৮১৮ খ্ৰীষ্টাব্দত ৰাজমাও সহিতে বিষয়াসকলৰ গোপন আঁচনিৰ মতে বঙাল ৰূপসিং চুবেদাৰে পুৰা তৰোৱালেৰে দুছেও কৰি জীৱনৰ আধ্যা পেলায়। ক্ষমতালোভী, স্বেচ্ছাচাৰী, আত্মকেন্দ্ৰিক ৰাজবিষয়াৰ জীৱনৰ এনে অৱসানো আছিল অৱশ্যম্ভাৱী।

ছশবছৰীয়া আহোম ৰাজত্বৰ বেলি মাৰ যোৱাৰ ক্ষেত্ৰত বদনচন্দ্ৰ বৰফুকনৰ নিমন্ত্ৰণক্ৰমে অসমলৈ অহা মান দেশৰ সৈন্যবাহিনীৰ সন্ত্ৰাস সৃষ্টিৰ কথা পুনৰাই কোৱাটো নিষ্প্ৰয়োজন। মান সেনাক অসমলৈ আনি চিৰকাললৈ নিজৰ কুখ্যাতি ৰাখি ইতিহাসৰ পৃষ্ঠাত ক'লা অধ্যায়ৰ সূচনা কৰে। যি কি নহওক, দেশদ্ৰোহীৰূপে পৰিচিত বদনচন্দ্ৰ বৰফুকনে যদি আত্মকেন্দ্ৰিক তথা ক্ষমতাক গুৰুত্ব নিদি দেশৰ উন্নয়নৰ হকে গুৰুত্ব প্ৰদান কৰাহেঁতেন চাগে মানে অসমত ধ্বংসলীলা চলাব নোৱাৰিলেহেঁতেন। বাৰু এইবোৰ বাদ। অসমলৈ মান সৈন্যক আমন্ত্ৰণ কৰি অনাৰ ক্ষেত্ৰত বদনচন্দ্ৰ বৰফুকনৰ দোষ অমাৰ্জনীয় যদিও ইয়াৰ অন্তৰালত বহুবোৰ কাৰণ থকাটো সকলোৰে জ্ঞাত। ইতিহাসে সদায় সঁচা কথাকেই কয়। বৰ্তমান সময়ত বদনচন্দ্ৰ বৰফুকনৰ প্ৰতি থকা দেশদ্ৰোহিতাৰ কথা আধুনিক মন আৰু পদ্ধতিৰে বিচাৰ কৰি চাবৰ সময় হ'ল। শেষত এটা কথা ক'বই লাগিব যে অসমৰ ইতিহাসৰ বেলি মাৰ যোৱাৰ ক্ষেত্ৰত বদনচন্দ্ৰ বৰফুকনৰ ক্ষমতালিপ্সা আৰু অহংকাৰেই প্ৰধান আৰু সেয়ে বদনচন্দ্ৰ বৰফুকনক দেশদ্ৰোহী বুলি অভিহিত কৰাত কাৰোৰেই দ্বিমত দেখা নাযায়।

# মনীষাৰ প্ৰকৃত সপোন কলিতেই মৰহিল

**ৰেখামণি গগৈ**
প্ৰাক্তন ছাত্ৰী, ডিকম

মনীষা তুমি মোক এৰি নিদিবা দেই, মই তোমাৰ অবিহনে এদিনো জীয়াই থাকিব নোৱাৰো কথাষাৰ প্ৰীতমে মনীষাক এদিন কৈছিল। দুয়ো ফেচবুকতে চিনাকি হৈছিল আৰু প্ৰথম চিনাকিতে প্ৰীতমে মনীষাক বহুত ভাল পাইছিল।

মনীষাই সেই সময়ত কানৈ কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগত অধ্যয়ন কৰি আছিল। আনহাতে, সেই একে সময়তে প্ৰীতম মানপাঙে ইতিমধ্যে লক্ষীমপুৰৰ নাৰায়ণপুৰ কলেজৰ পৰা স্নাতক ডিগ্ৰী লৈ উলাইছিল। দুয়ো প্ৰথমতে তাতেই চিনাকি হৈছিল। সদায় কথা পাতি থাকোঁতে এদিন সি তাইৰ মনৰ মাজত প্ৰবেশ কৰিছিল। কেতিয়াবা তাই ফোন নধৰিলে সি ব্যাকুল হৈ পৰিছিল তাইৰপৰা ফোন কল পাবলৈ। সি সেই সময়ত আৰু পঢ়িবলৈ মন নকৰি চাকৰি বিচাৰিবলৈ ধৰিলে। বহুতো চাকৰিৰ ইনটাৰভিউ দিছিল যদিও শেষত গৈ এটা পুলিচৰ চাকৰি যেনে তেনে তাৰ ভাগ্যত মিলিলে। তাৰ ঘৰ আছিল নাৰায়ণপুৰৰ বৰখামতি গাঁৱত আৰু চাকৰি পালে অৰুণাচল চৰকাৰৰ অধীনত নাহৰলাগুনত। চাকৰিৰ সংক্ৰান্তত সি ঘৰৰপৰা উলাই গ'ল পুলিচ চাকৰিত জইন কৰিবলৈ। ইমান দিনে, তিনিমাহমান বিভিন্ন কামৰ ব্যস্ততাৰ বাবে সি তাইলৈ ফোন কৰা নাছিল।

প্ৰীতমৰ দেউতাক আছিল এজন শিক্ষক আৰু সেই কাৰণে ঘৰখনৰ পৰিবেশ বৰ ভাল আছিল। সিও ঘৰখনৰ চাৰিজন ভাই ককাইৰ ভিতৰত তৃতীয় নম্বৰ আছিল আৰু মাক দেউতাকৰ বাধ্য লৰা আছিল। আনহাতে, মনীষা শইকীয়াৰ ঘৰ আছিল খোৱাং হালধি বাৰীত, এখন ভিতৰুৱা গাঁৱত। মনীষাৰ দেউতাক আছিল খোৱাং হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰিন্সিপাল। তাইৰ ঘৰতো দেউতাক বহুত কঠোৰ আছিল শাসনত। তাই ঘৰখনৰ সৰু ছোৱালী আছিল। তাইতকৈ এগৰাকী ডাঙৰ বায়েক বিয়া নোহোৱাকৈ আছিল আৰু এজন ককায়েক। ককায়েকে ইতিমধ্যে বিয়া পাতি ঘৰ সংসাৰ কৰিলে। এদিন প্ৰীতমে তিনিমাহমান বিৰতিৰ পাছত তাইলৈ বুলি এটা কল কৰিলে। তাইয়ো ভিতৰি ভিতৰি প্ৰীতমক ভাল পাইছিল। গতিকে, পুনৰ ফোন অহাত তাইৰ মনটো যেন আনন্দত নাচি উঠিল। দুয়ো আধা ঘন্টামান কথা পাতিলে। শেষত সি মনীষাক কৈ পেলালে যে মনীষা তুমি মোক এৰি নিদিবা দেই, মই তোমাৰ অবিহনে জীয়াই থাকিব নোৱাৰো। মই তোমাক বহুত ভাল পাওঁ আৰু মই তোমাকেই বিয়া পাতিম। তাই ভিতৰি ভিতৰি বহুত ভাল পাইছিল যদিও এটা ভয়ো আছিল যে তাইক ঘৰৰপৰা এজন খামতি লৰালৈ বিয়া দিবনে নাই। এনেদৰে সিহঁতৰ মাজত ভাল পোৱা গঢ়ি উঠিল গুপুতে গুপুতে।

এনেকৈ দিন অতিবাহিত হৈ এদিন মনীষাই বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চশিক্ষাৰ বাবে বিভিন্ন বিশ্ববিদ্যালয়ত

নামভৰ্ত্তি প্ৰ-প্ৰত্ৰ পূৰণ কৰিছে। এনে সময়ছোৱাত সম্পৰ্কীয় পেহীয়েক এগৰাকীয়ে অইলত চাকৰি কৰা এটা লৰা তাইক দেখুৱাবলৈ তাইৰ ঘৰলৈ লগত লৈ আহিল। তাই এই বিষয়ত কোনো মতামত নিদিলে পেহীয়েকে সুধাত। কেৱল এতিয়া বিয়াত বহিবলৈ মন নাই আৰু পঢ়িম বুলি কথাষাৰ সামৰি থলে। কিন্তু ঘৰৰ মানুহে এটা উপযুক্ত অইলত চাকৰি কৰা মেকানিকেল ইঞ্জিনীয়াৰ পাই তাইৰ মতামত নোলোৱাকৈয়ে লৰাটোক কথা দিলে মনীষাক তালৈ বিয়া দিবলৈ। অৱশেষত, মনীষাই প্ৰীতমৰ কথা ঘৰত কবলৈয়ে সাহস নকৰিলে আৰু তাই অনিচ্ছা স্বত্বেও ঘৰৰ দেউতাকৰ কঠোৰ শাসনৰ ভয়ত এই অইলত চাকৰি কৰা লৰাটোলৈ বিয়া হৈ গক্সল প্ৰীতমক নজনোৱাকৈয়ে। আচলতে ইমান সোনকালে বিয়াখন হৈ গ'ল যে তাই তাক কথাটো কবলৈ সুযোগেই নাপালে। কিন্তু তাই তিনিচুকীয়াৰ ভাৰ্গভ দত্ত, অইলত চাকৰি কৰা লৰাটোক বিয়া কৰালে যদিও তাক 'প্ৰীতমক' কোনোদিনে তাইৰ হৃদয়ৰপৰা শেষ বিদায়কণো দিব নোৱাৰি চিৰদিন অনুতাপ কৰি থাকিল। আনহাতে, সি অহুকাণে পহুকাণে তাই বিয়া হৈ যোৱাৰ খবৰ শুনি হৃদয়ত গভীৰ ভাৱে আঘাত পালে।সি আজিও বিয়া নকৰালে আৰু এনেদৰেই মনীষাৰ স্মৃতি বুকুত লৈ চিৰদিন কটাই দিলে।

# অস্তিত্বাভিমান

**নূপুৰ দত্ত**
প্ৰাক্তন ছাত্ৰী, ডিব্ৰুগড়

"পৃথিৱীৰ মানুহবোৰ এনেকুৱা হৈ পৰিল যে নিজে আগবাঢ়িও যাব নোৱাৰে আৰু আনকো আগবাঢ়িব নিদিয়ে।" প্ৰান্তিকৰ কথাষাৰ এবাৰ দ'কৈ ভাবি চালো। বয়সত মোতকৈ প্ৰায় দেৰ বছৰ সৰু ল'ৰাটোৰেচোন নিমিষতে মোক বহু কথাই বুজাই গ'ল। বিচনাখনৰ কাষতে এলাগী কৰি পেলাই থোৱা ডায়েৰিখন হাতত তুলি ল'লো। যোৱা তিনিটা বছৰে মোৰ এই জীৱন্ত সাক্ষী ডায়েৰিখনক বহু অপমান কৰিলো। আজিকালি "লাভষ্টৰি"বোৰ মোৰ শুনিবলৈ মন নাযায়। কিবা ফুকলীয়া হৈ থকাৰ দৰে লাগে। মনটো উৰি গ'ল ৰঙীণ সময়বোৰলৈ। তেতিয়া অম্লান মাথোঁ মোৰ হৈ আছিল। কাহানিও কোনো ল'ৰাৰ আগত তল পৰিব নিবিচৰা মোৰ মনটো সি লাহে লাহে বশ কৰি পেলাইছিল। মই শান্তিপ্ৰিয় আছিলো। ক'বলৈ গ'লে প্ৰায় অন্তৰ্মুখী। নিজকে কেতিয়াও আইনাত বৰ বেছিকৈ চাই নাথাকিছিলো, এতিয়াও নাচাওঁ। গাৰ ৰংটোও গৌঢ় নহয়। লগৰবোৰে হোষ্টেলত কত যে কি কি লগাইছিল! মই যেন নিৰ্বিকাৰ আছিলো। নিজক লৈ ভাবিবলৈ মোৰ যেন সময়েই নাছিল। অনবৰতে মোৰ কল্পনাৰ তৰঙ্গ সদৃশ পৃথিৱীখনক লৈয়ে ব্যস্ত আছিলো। হঠাৎ অম্লানে এদিন কৈছিল-"ছোৱালী হ'লে মিঠা বৰণীয়া হ'ব লাগে। বগাটো গাখীৰো হয়।" প্ৰিয় মানুহবোৰে কোৱা সৰু সৰু কথাবোৰো কেতিয়াবা ভাল লগা হৈ পৰে। সি মোক কপালত সৰুকৈ ফোট এটা আঁকি ল'বলৈ কৈছিল, ভাল লাগে বোলে তাৰ। ফ্ৰ'ক,জিন্স, টি- ছাৰ্ট পিন্ধি ঘূৰি ফুৰা মই সেইবোৰ এৰি কুৰ্তি পিন্ধি কপালত ক'লা সৰুকৈ ফোট এটা লৈহে ওলাই ফুৰিব ল'লো। বেলিটো ডুবিবলৈ লোৱা সময়বোৰত বহু অন্তৰঙ্গ মুহূৰ্ত পাৰ কৰিলো তাৰ সৈতে। নদী, আকাশ, এন্ধাৰৰ সৈতে সহবাস কৰি থকা মোক সি বাস্তৱমুখী কৰি পেলালে। "বাস্তৱ" বৰ তিতা। দুদিনমান কষ্ট হৈছিল। কিন্তু তাক মোৰ পৃথিৱীখনৰ দৰে লাগিছিল বাবেই হয়তো সকলোবোৰ সম্ভৱ হৈ উঠিল। তাৰ হাত দুখন মসৃণ নহ'লেও ৰুক্ষও নাছিল। মই বিচাৰিছিলো নিৰিবিলি সময়ত সি মোৰ হাতখন তাৰ দুহাতৰ মাজত আৱৰি ৰাখক। কিন্তু সি যি বিচাৰিছিল তাৰ বাবে মই সক্ষম নাছিলো। ভালপোৱাত কাহানিও তিলমানো কৃপণালি কৰা নাছিলো। তাৰ প্ৰতিটো কথাকে বিনাদ্বিধাই মানি ল'বলৈ বাধ্য হৈছিলো। এবাৰ অফিচৰ কামত সি মেঘালয়লৈ গৈছিল। ৰাতি হয়তো তাৰ ভাগৰ লাগিছিল। গতিকে মোক খবৰ নিদিয়াকৈয়ে শুই গৈছিল। ৰাতিটো মোৰ টোপনি অহা নাছিল। পুৱতি নিশা চিলমিলকৈ টোপনি আহিব লওঁতেই ভাইটিৰ এলাৰ্মটো বাজি উঠিল। তাৰ পৰীক্ষালৈ বেছিদিন নাছিল। সেয়েহে সোনকালে উঠিছিল। মোবাইলটো হাতত তুলি ল'লো। চাৰি বাজিছিল। চিনাকী নম্বৰটোলৈ বুলি ফ'নটো লগালো। ছোৱালী এজনীয়ে ৰিচিভ কৰিছিল। ফ'নটো কাটি দিছিলো। পুনৰ ফ'ন আহিল তাৰ পৰা। মই তাক প্ৰশ্ন কৰিছিলো। প্ৰত্যুত্তৰ সি অশ্লীল শব্দেৰে দিছিল।

ভুল ক'ত আছিল একোকে বুজি নাপালো আৰু সুধিবলৈও চেষ্টাও নকৰিলো। সেইবাৰৰ সৈতে পাঁচ বাৰ সি মোক বিশ্বাসঘাতকতা কৰিলে। মোৰ অগাধ বিশ্বাসক কোনোবাই ভৰিৰে মোহাৰি শেষ কৰি দিয়া যান্ত্ৰণাত একাকাৰ হৈ মই কঁপি উঠিছিলো। কিন্তু সিয়েই মোক শিকাইছিল বাস্তৱক স্বীকাৰ কৰিবলৈ। গতিকে বাস্তৱক স্বীকাৰ কৰি চিৰ জীৱনৰ বাবে মই তাক বিদায় দিলো। নিজকে প্ৰশ্ন কৰিছিলো কেতিয়াৰ পৰা ইমান কঠোৰ হ'বলৈ শিকিলো বুলি। উত্তৰ মোৰ লগতে আছিল। সময়ে মানুহক বহু কথাই সংগোপনে শিকাই যায়। মোকো শিকালে।

"বা, জীৱনটো মোৰ অসাৰ হৈ পৰিছে। ক'তো চিট নাপালে মোৰ কি হ'ব?" প্ৰান্তিকৰ মাতত তাৰ মুখলৈ চালো। হাঁহি এটা মাৰি তাৰ মূৰত হাতখন বুলাই সুধিলো, "চাহ খাবি নেকি?" সি খাম বুলি কোৱাত তাক বহিবলৈ কৈ চাহ বনাবলৈ বুলি উঠি গ'লো। তেতিয়ালৈ বেলি লহিয়াইছিল। গাখীৰত সেন্দুৰৰ দৰে ৰংটোৱে আকাশখনত আবিৰ সানিছিল।

# CLIMATE CHANGE : CAUSES, EFFECTS AND SOLUTION

**Prof. Pradip Kumar Bhuyan**
Dibrugarh University

**Earth's Atmosphere and Climate:**

The climate system is a complex, interactive system consisting of the atmosphere, land surface, snow and ice, oceans and other bodies of water, and living things. The atmospheric component of climate system characterizes climate. Climate is often described in terms of the mean and variability of temperature, precipitation and wind over a period of time, ranging from months to millions of years (the classical period is 30 years). The climate system evolves with time under the influence of its own internal dynamics and due to changes in external factors that affect climate. In common parlance,'climate is what you expect; weather is what you get'. Mark Twain briefly summed up the difference between weather and climate in these few words. Weather refers to the actual state of the atmosphere at a particular time and location. Climate in contrast is a statistical description of weather over a period of time usually decades in and around a region of the globe. The American meteorological society defines climate as the slowly varying aspects of the atmosphere –hydrosphere-land surface system. Why are we concerned about the weather and climate? Weather as we all know is important for making short term decisions like should one take the umbrella while going to office or school on a particular day or what should he or she wear. On the other hand, climate is more important for long terms decisions. Another way to distinguish between weather and climate is how you measure weather and climate. Both weather and climate is how you measure the weather and climate. Both weather and climate is measured in terms of temperature, humidity, wind and rainfall. Therefore, to determine the weather at a particular place, one can just go outdoors and sense the weather prevailing at that time. The instruments for measuring these parameters are also cheap and can be used to measure the weather at a particular point in time and location. Climate, on the other hand, is much difficult to measure and requires collection and analysis of weather data for decades.

**What is Climate change:**

Any systematic change in the long-term statistics of climate elements (such as temperature, pressure, wind etc.) sustained over several decades or longer may be termed as climate change. The easiest way to

